গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতক মহলাৰ পাছ আৰু অনাৰ্ছ পাঠ্যক্ৰমৰ বাবে

প্লেটো আৰু এৰিষ্ট'টল

লেখক

শ্ৰীযোগেন বৰ্ম্মণ এম এ এল এল বি

ৰাজনীতি বিজ্ঞান বিভাগ আৰ্য্য বিদ্যাপীঠ কলেজ গুৱাহাটী

সম্পাদক

ড কপেশ চন্দ্ৰ পাল এম এ ডি ফিল

ৰাজনীতি বিজ্ঞান বিভাগ কটন কলেজ গুৱাহাটী

STATE CENTRAL LIBRARY ASSAM

Call No.

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি

গুৱাহাটী বিশ্ববিদ্যালয়

ভাৰত চৰকাৰৰ আঞ্চলিক ভাষাত পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ অধীনত আৰু
ৰাজ্যিক পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ তত্ত্বাৱধানত প্ৰস্তুত

প্ৰথম সংস্কৰণ : ১৯৭৪ চন

দাম : ১৫.০০ টকা

গুঃ বিঃ পাঠ্যপুথি প্ৰস্তুতি [illegible] সমিতিৰ
সিদ্ধান্তক্ৰমে এই পুথিৰ দাম ২ টকা
বঢ়োৱা হৈছে ।

প্ৰকাশক

সচিব

পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি
গুৱাহাটী বিশ্ববিদ্যালয়
গুৱাহাটী ১৪

প্ৰস্তাৱনা

অসমীয়া ভাষাত বিশ্ববিদ্যালয় পৰ্য্যায়ৰ পাঠ্যপুথি ৰচনাৰ কাম আৰম্ভ হোৱাটো উচ্চ শিক্ষা আৰু অসমীয়া ভাষা সাহিত্যৰ ক্ষেত্ৰত এটা অতি গুৰুত্বপূৰ্ণ ঘটনা। এই কামত জড়িত হৈ থকা দায়িত্ব আৰু সমস্যাৰ প্ৰতি লক্ষ্য ৰাখি আমি কেইটামান কথাৰ প্ৰতি ছাত্ৰ ছাত্ৰী অন্যান্য পাঠক আৰু বিশেষকৈ শিক্ষকসকলৰ দৃষ্টি আকৰ্ষণ কৰিলোঁ।

প্ৰথমতে অসমীয়া ভাষাত স্নাতক মহলাৰ বাবে পাঠ্যপুথি ৰচনা কৰাৰ দায়িত্ব প্ৰায় সকলো লেখকে এইবাৰেই প্ৰথমে বহন কৰিছে। দ্বিতীয়তে এই পৰ্য্যায়ত এই বিষয়বস্তুৰ প্ৰকাশৰ বাহন হিচাপে অসমীয়া ভাষা এইবাৰেই প্ৰথমে ব্যৱহৃত হৈছে। তৃতীয়তে বিভিন্ন বিষয়ৰ প্ৰায় সত্তৰ হাজাৰ বিশেষ অৰ্থসূচক শব্দৰ অসমীয়া প্ৰতিশব্দ যুগুত কৰা কামো গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিয়ে পাঠ্যপুথি ৰচনাৰ কামৰ লগে লগে কৰিবলগীয়াত পৰে আৰু এই প্ৰতিশব্দসমূহ লেখকসকলে প্ৰথম পৰ্য্যায়ত স্বচ্ছন্দভাৱে গ্ৰহণ আৰু ব্যৱহাৰ কৰোঁতে কোনো কোনো ক্ষেত্ৰত অসুবিধা হোৱাটো স্বাভাৱিক। চতুৰ্থতে অসমীয়া ভাষাত স্নাতক মহলাৰ এই প্ৰথম প্লান কিতাপ অতি কম সময়ৰ ভিতৰতে প্ৰস্তুত কৰিবলগীয়া হৈছে আৰু এইছোৱা সময়ৰ ভিতৰতে কাগজৰ দুষ্প্ৰাপ্যতা বহু সংখ্যক ছপাশালত বিজুলী শক্তিৰ অভাৱ দেশৰ বিশেষ পৰিস্থিতিৰ বাবে যোগা যোগ আৰু কামৰ ব্যাঘাত আদি সমিতিৰ নিয়ন্ত্ৰণ বহিৰ্ভূত বহুতো সমস্যাই পদে পদে বাধাৰ সৃষ্টি কৰিছে।

এনে পৰিস্থিতিৰ মাজত প্ৰস্তুত কৰা এই কিতাপখন প্ৰথমবাৰতে যে সৰ্বাংগ সুন্দৰ নহবও পাৰে সেই ভয় আমাৰ নিজৰেই আছে আৰু যদি এইবাৰ হোৱা নাই তেনেহলে দ্বিতীয় প্ৰকাশত যাতে কিতাপখন নিখুঁত হয় তাৰ বাবে কাম কৰিবলৈ আমি এতিয়াই প্ৰস্তুত হৈছোঁ। গতিকে আমাৰ লগতে সকলো অভিজ্ঞ চিন্তাশীল আৰু বিদ্বানলোকে যদি যথোপযুক্ত দৃষ্টিভংগীৰে কিতাপখন গ্ৰহণ কৰে তেনেহ'লে সেয়েই এই গুৰুত্বপূৰ্ণ আঁচনিৰ প্ৰতি প্ৰভূত পৰিমাণে বৰঙণি যোগোৱাৰ সমতুল্য হ'ব। এই প্ৰসংগত শিক্ষকসকলক আমি বিশেষভাৱে এটা অনুৰোধ কৰিছোঁ। পাঠ্যপুথি ছাত্ৰৰ কাৰণে দ্বিতীয় শিক্ষকহে। গতিকে শিক্ষক সকলে কিতাপখনৰ ভুল ভ্ৰান্তিখিনি প্ৰথমতে ছাত্ৰ ছাত্ৰীসকলক দেখুৱাই দি শুধৰাই দি লগে লগে যেন আমাকো সেই বিষয়ে জানিবলৈ দিয়ে। শিক্ষকসকলৰ এনেকুৱা সক্ৰিয় আৰু সহানুভূতিপূৰ্ণ সহযোগিতা শিক্ষা জগতৰ এই যুগান্ত কাৰী সন্ধিক্ষণত অত্যন্ত আৱশ্যকীয়।

কিতাপখনৰ লেখক সম্পাদক আৰু ৰাজনীতিবিজ্ঞান বিষয়ৰ পাঠ্যপুথি প্ৰণয়ন প্ৰশাখাক আমি কৃতজ্ঞতা জনাইছোঁ।

ভবেন্দ্ৰ নাথ শইকীয়া
সচিব
পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতি
গুৱাহাটী বিশ্ববিদ্যালয়

জুলাই,
১৯৭৪ চন

PLATO ĀRU ARISTOTLE

A textbook on Political Science written for the two year Degree Course of the Gauhati University Assam

Author Shri Jogen Barman M A LL B,
Arya Vidyapith College Gauhati

Produced by the **University Co-ordination Committee for Production of Texbooks in the Regional Language Gauhati University** under the scheme sponsored by the **Ministry of Education and Social Welfare Government of India**, for production of literature in Indian languages for use as media of instruction at the University level and under the guidance of the **State Co-ordination Committee for Production of Text books in the Regional Language Assam**

Price Rs 15 00

Published by the Secretary University Co ordination Committee for Production of Textbooks in the Regional Language Gauhati University Gauhati—14 Assam

Printed by Tribune Press Gauhati 3

উপক্ৰমণিকা

প্ৰাক্‌বিশ্ববিদ্যালয় শ্ৰেণীৰ বাবে অসমীয়া ভাষাত পাঠ্যপুথিসমূহ প্ৰস্তুত কৰি উলিওৱাৰ লগে লগে স্নাতক মহলাৰ পাঠ্যপুথিসমূহ প্ৰস্তুত কৰাৰ কাম হাতত লবলগীয়া হ'ল। প্ৰথমবাৰৰ বাবে অসমীয়া ভাষাত স্নাতক মহলাৰ পাঠ্যপুথি ৰচনা কৰা এই কামৰ জটিলতাৰ তুলনাত আমাৰ হাতত সময় নিতান্ত কম আছিল। বৰ্তমানে কাগজ ছপাশাল উদ্যোগ আদিৰ ক্ষেত্ৰত যি অভূতপূৰ্ব সংকট চলিছে সিও আমাৰ কামত প্ৰতিকূল প্ৰভাৱ পেলাইছে। এনে অৱস্থাত কিতাপৰ মান গুণ আৰু হাতত থকা সময় সুবিধাৰ মাজত কিছু পৰিমাণে এটা আপোচ ঘটাটো স্বাভাৱিক। ইয়াৰ ফলত এই পাঠ্যপুথিসমূহত যদি ত্ৰুটি বা ভুল-ভ্ৰান্তি ৰৈ গৈছে তেনেহ'লে সেইবোৰৰ সম্পৰ্কে ছাত্ৰ ছাত্ৰীক সঠিকভাৱে পৰামৰ্শ দি সহায় কৰিবলৈ আমি ৰাজনীতি বিজ্ঞান বিষয়ৰ সকলো শিক্ষক শিক্ষয়িত্ৰীকে অনুৰোধ জনালোঁ। আমাৰ বিশ্বাস এই প্ৰথম প্ৰকাশিত পাঠ্যপুথিসমূহ ব্যৱহাৰ কৰোঁতে শিক্ষক শিক্ষয়িত্ৰীসকলে ছাত্ৰ ছাত্ৰীৰ মংগলাৰ্থে যথাযোগ্য ভূমিকা গ্ৰহণ কৰি আমাক সহায় কৰিব।

এই কঠিন কামত যথেষ্ট আগ্ৰহ আৰু পৰিশ্ৰমেৰে সহায় কৰাৰ বাবে কিতাপ খনৰ লেখক আৰু সম্পাদকক আমাৰ কৃতজ্ঞতা জনালোঁ। পাঠ্যপুথি প্ৰস্তুতি সমন্বয় সমিতিৰ সচিব আৰু কাৰ্যালয়ৰ কৰ্মীবৃন্দলৈও তেওঁসকলৰ যত্ন আৰু শ্ৰমৰ বাবে কৃতজ্ঞতা জনালোঁ।

দেৱ প্ৰসাদ বৰুৱা,
সভাপতি
ৰাজনীতি বিজ্ঞান বিষয়ৰ
পাঠ্যপুথি প্ৰস্তুতি প্ৰণয়ন প্ৰশাখা
গুৱাহাটী বিশ্ববিদ্যালয়

জুলাই
১৯৭৪ চন

ৰাজনীতি বিজ্ঞান বিষয়ৰ পাঠ্যপুথি প্ৰণয়ন প্ৰশাখাৰ সদস্যসকল

ড দেৱ প্ৰসাদ বৰুৱা (সভাপতি)
শ্ৰীউমাকান্ত শৰ্ম্মা
শ্ৰীঅজিত কুমাৰ শৰ্ম্মা
ড পদ্মেশ্বৰ গগৈ
শ্ৰীবীৰেন্দ্ৰ নাথ দত্ত
ড ভি ভি ৰাও

সূচীপত্র

প্রথম অধ্যায়

প্লেটোর প্রারম্ভিক পরিচয় ১—১৯

দ্বিতীয় অধ্যায়

প্লেটোর গণরাজ্য ২০—৩০

তৃতীয় অধ্যায়

প্লেটোর আদর্শ রাষ্ট্র ৩১ ৫০

চতুর্থ অধ্যায়

প্লেটোর ন্যায়ের অবধারণা ৫১ ৮১

পঞ্চম অধ্যায়

প্লেটোর দর্শনের শাসন ৮২—১০২

ষষ্ঠ অধ্যায়

প্লেটোর সাম্যবাদ ১০৩—১৩৯

সপ্তম অধ্যায়

প্লেটোর শিক্ষাব্যবস্থা ১৪০—১৯৪

অষ্টম অধ্যায়

ব্যক্তিগত বিশিষ্টকরণ ১৯৫ ২০৩

নবম অধ্যায়

প্লেটোর আদর্শ রাষ্ট্রের পতন ২০৪ ২১০

দশম অধ্যায়

প্লেটোর বিচারে ব্যক্তিগত স্থান ২১১ ২১৯

একাদশ অধ্যায়

প্লেটো আর তাঁর ভালোর ধারণা ২২০ ২৩৩

দ্বাদশ অধ্যায়

গণতন্ত্রের গ্রীকদেশীয় অবধারণা ২৩৪ ২৪৩

ত্রয়োদশ অধ্যায়

প্লেটোর দর্শনে গ্রীকদেশীয় চিন্তাধারা ২৪৪ ২৪৯

চতুর্দশ অধ্যায়

প্লেটোর রাজনীতিবিদ ২৫০ ২৫৬

পঞ্চদশ অধ্যায়
প্লেটোৰ আইন আৰু ইয়াৰ ৰাষ্ট্ৰতত্ত্ব ২৫৭ ২৮৭
ষষ্ঠদশ অধ্যায়
এৰিষ্টটলৰ প্ৰাৰম্ভিক পৰিচয় ২৮৮—৩০৫
সপ্তদশ অধ্যায়
প্লেটো সম্পৰ্কে এৰিষ্টটলৰ সমালোচনা ৩০৬—৩৭১
অষ্টাদশ অধ্যায়
ৰাষ্ট্ৰৰ প্ৰকৃতি ৩১৮—৩২৬
ঊনবিংশতি অধ্যায়
চৰকাৰৰ শ্ৰেণীবিভাগ ৩২৭—৩৪৩
বিংশতি অধ্যায়
এৰিষ্টটলৰ সাৰ্বভৌমত্ব অৱধাৰণা ৩৪৪—৩৬৬
একবিংশতি অধ্যায়
দাসত্ব ৩৬৭—৩৮৪
দ্বাবিংশতি অধ্যায়
নাগৰিকত্ব ৩৮৫—৪০০
ত্ৰয়োবিংশতি অধ্যায়
এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰ
আৰু সৰ্বোৎকৃষ্ট ৰাষ্ট্ৰ ৪০১—৪৩৩
চতুৰ্বিংশতি অধ্যায়
গণতন্ত্ৰ আৰু ইয়াৰ চৰিত্ৰ ৪৩৪—৪৪৬
পঞ্চবিংশতি অধ্যায়
বিপ্লৱ আৰু ইয়াৰ প্ৰতিষেধক ব্যৱস্থা ৪৪৭—৪৬৭
ষড়বিংশতি অধ্যায়
এৰিষ্টটলৰ দৰ্শনত সাৰ্বজনীনতা ৪৬৮—৪৯২

প্ৰথম অধ্যায়

প্লেটোৰ প্ৰাৰম্ভিক পৰিচয়

মানৱ ইতিহাসৰ এটা গৌৰৱময় কালত পেৰিক্লিছ মহামতি আলেকজেণ্ডাৰ ছক্ৰেটিছ প্লেটো এৰিষ্টটল ইউৰিপাইড থুচিডাইড আদি মহান ব্যক্তিসকলে গ্ৰীছ দেশত জন্মগ্ৰহণ কৰিছিল। সেই সময়ৰ গ্ৰীছ দেশ আছিল এটা ডাঙৰ ৰাজনৈতিক গবেষণাগাৰ। তাত বহুতো ধৰণৰ চৰকাৰ প্ৰতিষ্ঠা কৰি পৰীক্ষা কৰি চোৱা হৈছিল আৰু ইয়াৰম্বাৰো সেই চৰকাৰবোৰৰ দোষ গুণবোৰ বিচাৰ উলিওৱা হৈছিল।

খ্ৰীষ্টপূৰ্ব ৪২৭ চনত এথেন্সত প্লেটোৰ জন্ম হৈছিল। এৰিষ্টন আছিল প্লেটোৰ দেউতাক আৰু মাক আছিল পেৰিক্টিন। দেউতাকৰ ফালৰপৰা প্লেটো এটা অভিজাত সম্প্ৰদায়ৰ সন্তান আছিল আৰু মাকৰ ফালৰপৰাও বিখ্যাত আইন স্ৰষ্টা চোলোনৰ লগত তেওঁৰ তেজৰ সম্বন্ধ আছিল। প্লেটো জনা বুজা হোৱাৰ সময়ত এথেন্সত বৌদ্ধিক অৰাজকতা আৰু ৰাজনৈতিক অৱনতিয়ে দেখা দিছিল। সেই সময়তে প্লেটো এটা অভিজাত পৰিবেশৰ মাজত ডাঙৰ দীঘল হৈছিল আৰু আঠ বছৰ কাল ছক্ৰেটিছৰ লগত অধ্যয়ন কৰিছিল। ছক্ৰেটিছে মৃত্যুবৰণ কৰাৰ পাছত প্লেটোৰ মন হতাশাত ভাগি পৰিছিল আৰু দুখতে তেওঁ এথেন্সৰপৰা বহু বছৰ আঁতৰ আছিল। এই সময়ছোৱাতে তেওঁ পাৰ্ছিয়া ইজিপ্ট আফ্ৰিকা ইটালি ছিছিলি আদি দেশবোৰ ভ্ৰমণ কৰিছিল বুলি কোৱা হয়। ইটালিত তেওঁ টৰেনটাম নামে ঠাইত পাইথাগোৰীয়সকলৰ সংস্পৰ্শলৈ আহিছিল আৰু তেওঁ লোকৰপৰাই গণিতশাস্ত্ৰৰ গুৰুত্ব ভালদৰে উপলব্ধি কৰিছিল। পাইথাগোৰীয় সকলৰপৰা পোৱা জ্যামিতিৰ প্ৰমাণবোৰৰম্বাৰা তেওঁ বৰ ভালকৈ প্ৰভাৱান্বিত হৈছিল।

জ্যামিতিত যেনেকৈ প্ৰমাণবোৰ প্ৰদৰ্শন কৰা যায় ৰাজনীতিৰ ক্ষেত্ৰতো তেনেকৈ প্ৰমাণসহ পৰীক্ষাৰ ফল তেওঁ বিচাৰি উলিয়াবলৈ ব্যগ্ৰ হোৱাৰ কথা ভাবিছিল। এই সময়ছোৱাতে তেওঁ চিৰাকুইছৰ স্বেচ্ছাচাৰী ৰজা প্ৰথম ডাইনিছিছৰ লগত দেখা সাক্ষাৎ হৈছিল। প্লেটোৰ প্ৰতি সেই ৰজাজনৰ এটা বিশেষ আগ্ৰহ আছিল। এই ৰজাজনৰ মনলৈ যিবোৰ কথা আহিছিল সেই আটাইবোৰকে তেওঁ আইনত পৰিণত কৰিছিল। তেওঁ বৰ বিদ্যোৎসাহীও আছিল। বিদ্বান লোকসকলক তেওঁ যথেষ্ট উৎসাহ প্ৰদান কৰিছিল। তেওঁ নিজেও এজন সাধাৰণ নাটকাৰ

আছিল। তেনে এজন ৰজাই দাৰ্শনিক ৰজা হ'ব পাৰে বুলি প্লেটোৱে ভাবিছিল। কথা প্ৰসংগত প্লেটোৱে এজন ন্যায়পৰায়ণ ৰজাৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে তেওঁক স'কীয়াই দি'ছিল। এনেদৰে কথা বতৰা আৰম্ভ হোৱাৰ কিছুদিনৰ পাছতে ডাইনি'ছিছ প্লেটোৰ ওপৰত অসন্তুষ্ট হৈ পৰিছিল আৰু তেওঁক দাসত্বৰ শিকলি পিন্ধাই দিছিল। সৌভাগ্যবশতঃ তেও ভোঁট খুৰাই ৰককৰ হাতৰপৰা পলাই অহাৰ সুযোগ পাইছিল। চিৰাকুচত থাকোঁতেই প্লেটো প্ৰথম ডাইনিছিছৰ ভনী জোঁৱায়েক ডিয়নৰ সংস্পৰ্শলৈও আহিছিল। প্ৰথম ডাইনিছিছৰ মৃত্যুৰ পাছত ডিয়ন দ্বিতীয় ডাইন'ছিছৰ অভিভাৱক (regent) নিযুক্ত হয়। ডেকা ডাইনি-ছিছৰ ওপৰত প্লেটোৱে বহুতো আশা কৰিছিল। প্লেটোৱে ভাবিছিল যে ডেকা ডাইনিছিছৰ শাসনত বহুতো ভাল ভাল কাম হ'ব। ডিয়নৰ অনুৰোধত খ্ৰীষ্টপূৰ্ব ৩৬৭ চনত প্লেটো আকৌ চিৰাকুচলৈ আহি ডেকা ৰজাজনৰ শিক্ষা গ্ৰহণত সহায় কৰিবলৈ ধৰে। কিছুদিনৰ পাছতে প্লেটো কিন্তু হতাশ হৈ পৰে। কিয়নো দ্বিতীয় ডাইনিছিছে প্লেটোৰ উপদেশ মানিবলৈ ইচ্ছা কৰাটো দূৰৰ কথা কোনো প্ৰকাৰৰ গুৰুত্বপূৰ্ণ অধ্যয়ন কৰিবলৈ সমূলি মন নকৰিছিল। এনে অৱস্থাত শিক্ষাদানত সহায় কৰিব নোৱাৰি প্লেটো'ৱে নিজৰ পৰাজয় স্বীকাৰ কৰিবলৈ বাধ্য হয় আৰু পুনৰ এথেন্সলৈ গুচি আহে। কিন্তু এনেকৈ দুবাৰো অকৃতকাৰ্য্য হোৱাৰ পাছতো প্লেটো সম্পূৰ্ণৰূপে নিৰাশ হোৱা না'ছিল। ইয়াৰ পাছতো তেওঁ ডিয়নৰ লগত যোগ ৰক্ষা কৰি আছিল আৰু ইয়াৰ পাঁচ বছৰৰ পাছত আকৌ এবাৰ শেষ কৰিবলৈ চিৰাকুইচিলৈ গৈছিল। এইবাৰো তেও কৃতকাৰ্য্য হ'ব নোৱা'ৰি বলৈ বাধ্য হৈছিল যে শিক্ষক হিচাপে তেও তেওঁৰ কৰ্তব্য পালন কৰিছে আৰু তেও কেতিয়াও প্ৰত্যাহ্বানৰ সম্মুখীন হ'বলৈ ভয় নকৰে। তেও কেৱল কথাৰ মানুহ নহয়। কথা আৰু কাম দুয়োটা কৰিবলৈ তেওঁ সদায় প্ৰস্তুত। তেওঁৰ মতে এজন মানুহ একেলগে সত্যৰ প্ৰেমিক আৰু ৰাজনৈতিক ক্ষমতাৰ গৰাকীও হ'ব পাৰে।

খ্ৰীষ্টপূৰ্ব ৩৪৭ চনত ৮০ বছৰ বয়সত প্লেটোৰ মৃত্যু হয়। জীৱনৰ পিছৰছোৱাত প্লেটোৱে ভূয়সী প্ৰশংসা আৰু সন্মান লাভ কৰিছিল। খ্ৰীষ্টপূৰ্ব ৩৮৮ চনত তেও প্ৰতিষ্ঠা কৰা স্কুলখন (academy) শেষত গৈ এথেন্সৰ সৰ্বোচ্চ স্কুলত পৰিণত হৈছিল।

মেগাৰীয় আৰু পাইথাগোৰীয় তত্ত্বৰ প্ৰভাৱ প্লেটোৰ ওপৰত কিছু পৰি-মাণে পৰিছিল যদিও প্লেটোৰ চিন্তাৰ মাই উৎস আছিল ছক্ৰেটিছ। প্লেটোৱে ছক্ৰেটিছৰপৰা অধ্যয়নৰ দ্বন্দমূলক পদ্ধতিটো ভালদৰে শিকিছিল আৰু এই পদ্ধতিৰ সহায়ত সত্য উদঘাটন আৰু দৰ্শনৰ শাসনৰ গুণ বিচাৰি উলিয়াবলৈ সক্ষম হৈছিল। প্লেটোৱে আইনৰ প্ৰতি যি সন্মান দেখুৱাইছিল ইয়াৰ মূলতে আছিল ছক্ৰেটিছৰ প্ৰভাৱ। কিয়নো ছক্ৰেটিছে কৈছিল যে সকলো আইন মানিব

ওপৰত প্ৰতিষ্ঠিত আৰু সেয়ে সকলোৱে আইন মানি চলিব লাগে। ছক্ৰেটিছৰ মতে সদগুণেই জ্ঞান (virtue is knowledge) আৰু এই সদগুণ আদৰ্শত প্ৰতি-ফলিত হ'ব লাগে। আদৰ্শই হৈছে প্লেটোৰ দৰ্শনৰ মূল তত্ত্ব।

ছক্ৰেটিছৰ মতে জ্ঞান দুই প্ৰকাৰৰ হ'ব পাৰে। এক প্ৰকাৰৰ জ্ঞান মানুহৰ মতামত আৰু বিশ্বাসৰ ওপৰত প্ৰতিষ্ঠিত আৰু আন প্ৰকাৰৰ জ্ঞান সদগুণৰ ওপৰত প্ৰতিষ্ঠিত। মানুহৰ মতামত আৰু বিশ্বাসবোৰ আশংকাযুক্ত ভেটি আৰু পৰিবৰ্তনশীল অৱস্থাৰ ওপৰত গঠিত। সেই গতিকে ইয়াৰ ওপৰত প্ৰতিষ্ঠিত জ্ঞান কেতিয়াও সুপ্ৰতিষ্ঠিত আৰু আপদমুক্ত হ'ব নোৱাৰে। প্ৰকৃত জ্ঞান সুস্থ ভেটিৰ ওপৰত প্ৰতিষ্ঠিত আৰু সেই বাবে ই পৰিবৰ্তনীয় নহয়। এই জ্ঞানে বিজ্ঞানসন্মত সত্যক বুজায়। এই জ্ঞান মানুহৰ মনৰ স্থায়ী সম্পত্তি। এই দুবিধ জ্ঞানৰপৰা দুই ধৰণৰ সদগুণৰ জন্ম হয়। মতামত আৰু বিশ্বাসৰপৰা জন্ম হোৱা সদগুণ প্ৰথাগত নৈতিকতাৰ ওপৰত বৰ্ত্তি থাকে আৰু সেইবাবে প্ৰথাগত নৈতিকতাৰ পৰিবৰ্তন হ'লে এইবোৰ গুণৰো পৰিবৰ্তন হয়। সেই কাৰণে এইবোৰ গুণ বৰ নিৰাপদ আৰু স্থায়ী নহয়। কিন্তু প্ৰকৃত জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত গুণ সদায় স্থায়ী আৰু আপদমুক্ত। এইবোৰ গুণ লোভ, মোহ ক্ষোভ আদিৰদ্বাৰা পৰিবৰ্তন নহয়। অভ্যন্তৰীণ আৰু বাহিঃপৰিৱেশৰ পৰিবৰ্তন হ'লেও এইবোৰ গুণ পৰিবৰ্তন কৰিবলগীয়া নহয়।

প্ৰকৃত গুণৰ ওপৰত প্ৰতিষ্ঠিত সদগুণে কিছুমান চিৰাচৰিত নীতিৰদ্বাৰা গঠিত। এই নীতিবাৰৰ কিছুমান সূত্ৰ আছে। কোনো এজন ব্যক্তিয়ে শিকোৱা আৰু প্ৰচাৰ কৰা কোনো এটা নীতিমূলক কথা সাধাৰণভাৱে সকলোৱে গ্ৰহণ কৰিলে সেই কথাটো এটা সাধাৰণ সূত্ৰত পৰিণত হয়। এনেকৈ সাধাৰণ নিয়ম উদ্ভাৱন কৰি তাক শিকাব পৰা যায়। নৈতিক সিদ্ধান্তবোৰ সমন্বয় সৌতত সৃষ্টি হয় আৰু সেইদ'ৰে কাৰ্যকৰীও হয়। সেই কাৰণেই সদগুণ শিক্ষা প্ৰকৃত জ্ঞানৰ ওপৰত নিৰ্ভৰশীল।

জ্ঞান কেৱল বুদ্ধিজীৱীসকলৰ বাবেই নহয়। কিছুমান সত্য ঘটনা পেটত সমুৱাই ৰাখিলেই জ্ঞান হ'ব নোৱাৰে। জ্ঞান এনেকুৱা এটা বস্তু যি কেৱল মনৰ ভিতৰতে নাথাকি আত্মাৰ ভিতৰতো প্ৰৱেশ কৰিব পাৰে। জ্ঞানে মানুহৰ চৰিত্ৰ আৰু আচাৰ ব্যৱহাৰৰ ওপৰত পৰোক্ষভাৱে প্ৰভাৱ পেলায়। জ্ঞান মানেই হৈছে সত্য সুন্দৰ নৈতিকতা বা সদগুণৰ বাস্তৱ উপলব্ধি। মানুহৰ কথা-কতবা আচাৰ ব্যৱহাৰ জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত হ'লেহে মানুহে স্থায়ী আদৰ্শ বাছি ল'ব পাৰে। আচাৰ-ব্যৱহাৰৰ লগত সম্পৰ্ক নথকা জ্ঞান অৰ্থহীন। সদগুণ আৰু চৰিত্ৰৰ লগত জ্ঞানৰ গভীৰ সম্বন্ধ আছে। জ্ঞানে মানুহৰ ইচ্ছা আৰু ভাববোৰ গঠন কৰি মানুহক সদগুণী কৰি গঢ়ি তোলে।

জ্ঞানৰপৰা সদগুণৰ জন্ম হয়। জ্ঞান নোহোৱাকৈ কোনেও সদগুণৰ

অধিকাৰী হ'ব নোৱাৰে। এজন শিল্পীৰ হাতত এডাল তুলিকা থাকিলেই যথেষ্ট নহয়। তেও সেই তুলিকাডাল ব্যৱহাৰ কৰিবলৈ জানিবও লাগিব। তেতিয়াহে তেও ভাল শিল্পী হ'ব পাৰিব। সেইদৰে সদগুণৰ প্ৰকৃত ব্যৱহাৰৰদ্বাৰাহে মানুহ ভাল আৰু গুণী হ'ব পাৰে।

প্লেটোৰ দাৰ্শনিক পদ্ধতিৰ মূল ভেটি আছিল ছক্ৰেটিছৰ বাস্তৱতাৰ তত্ত্ব (doctrine of reality) । ছক্ৰেটিছৰ বাস্তৱতাৰ তত্ত্ব বুজিলেহে প্লেটোৰ লিখাত ছক্ৰেটিছৰ প্ৰভাৱ ভালদৰে দেখিবলৈ পোৱা যায়। ছক্ৰেটিছৰ বাস্তৱতাৰ তত্ত্বৰ অৰ্থ হৈছে— বস্তুৰ উদ্ভৱ হোৱা ধাৰণাৰপৰা বাস্তৱতাৰ জন্ম হয় আৰু যিবোৰ ধাৰণাৰপৰা বাস্তৱতাৰ জন্ম হ'ব সেইবোৰ হ'ব লাগিব নিৰ্ভুল স্থায়ী অপৰিবৰ্তনীয় আৰু স্বয়ং অৱস্থিত। সাধাৰণতে চকুৰে দেখা পৰিবৰ্তনশীল আৰু ত্ৰুটীবিশিষ্ট বস্তুৰপৰা সেইবোৰ ধাৰণাৰ কেতিয়াও জন্ম হ'ব নোৱাৰে। কিয়নো এইবোৰ হৈছে বস্তুৰ উপৰুৱা বহিঃপ্ৰকাশহে গভীৰ প্ৰকৃত সত্তা নহয়। গতিকে ইয়াৰপৰা যি ধাৰণাৰ সৃষ্টি হ'ব পাৰে সি নিৰ্ভুল হোৱাৰ সম্ভাৱনা কম। প্লেটোৱে তেওঁৰ দাৰ্শনিক তত্ত্ব উদ্ভাৱন আৰু ব্যাখ্যা কৰোঁতে ইয়াৰ ব্যৱহাৰৰ সময়ত চৰম বাস্তৱতাৰ জ্ঞানকে সদগুণ বুলি ধৰি লৈছিল। সত্যৰ ওপৰত প্ৰতিষ্ঠিত জ্ঞান কি উপায়েৰে আহৰণ কৰিব পাৰি সেইটোৱে আছিল প্লেটোৰ সন্মুখত দেখা দিয়া এটা ডাঙৰ সমস্যা। তেওঁৰ মতে সত্যৰ জ্ঞান কিছুমান ধাৰণাৰদ্বাৰা পৰিচালিত হয়। এই জ্ঞান চকুৰে দেখা বস্তুৰপৰা আপোনাআপুনি আহিব নোৱাৰে। ছক্ৰেটিছক অনুসৰণ কৰি প্লেটোৱে কিছুমান নৈতিক গুণ ধৰি লৈছিল। সেইবোৰ হৈছে— ভাল ন্যায় সুন্দৰ সাধুতা ইত্যাদি। এই গুণবোৰৰ অধিকাৰী হ'লেহে মানুহক ভাল ন্যায়পৰায়ণ সাধু সুন্দৰ আদি আখ্যা দিব পাৰি। প্লেটোৰ মতে বিশুদ্ধ জ্ঞানৰ ৰাজ্যই কাৰোপৰা ভয় নাপায় আৰু ই কাৰো তলতীয়া নহয়। এই ৰাজ্য কেৱল মানুহক সদগুণৰ অধিকাৰী কৰিবলৈ চলোৱা প্ৰকৃত চিন্তাৰদ্বাৰাহে প্ৰভাৱান্বিত হ'ব পাৰে। আদৰ্শ জগত আৰু পাৰ্থিব জগতৰ মাজত এক গভীৰ আৰু বহল ব্যৱধান আছে। এই দুয়োখন জগতৰ মাজত মধ্যস্থতা কৰি মানুহে বিশুদ্ধ জ্ঞান উদ্ভাৱন কৰিব লাগিব। সেই গতিকে প্লেটোৱে যিখন জগতৰ চিত্ৰ আঁকিছিল সেইখন আছিল আদৰ্শৰ জগত—বহুত বেয়াৰ মাজৰপৰা মানুহক উদ্ধাৰ কৰি সম্পূৰ্ণ ভালৰ মাজলৈ লৈ যোৱাৰ জগত। প্লেটোৱে আঁকি থৈ যোৱা জগতখনৰ চিত্ৰখন কেৱল কল্পনাৰদ্বাৰাহে উপলব্ধি কৰিব পাৰি চকুৰে ইয়াক দেখা নাযায়। ইয়েই প্লেটোক এজন কবিৰ দৰে পাৰ্থিব জগতৰপৰা বহুদূৰ ওপৰলৈ আঁতৰাই লৈ গৈছিল য'ত তেও প্ৰকৃত শৃংখলা আৰু সৌন্দৰ্য্য দেখিবলৈ পাইছিল। তাত তেও কবি দাৰ্শনিকৰ দৰে পাৰ্থিব অশান্তি আৰু গ্লানিৰপৰা সম্পূৰ্ণ আঁতৰত থাকিব পাৰিছিল। সেই গতিকে প্লেটোৱে প্ৰায়ে তেওঁৰ শ্ৰোতাসকলক

সংকীয়াই দিছিল যে তেওঁৰ ভাবধাৰাবোৰ আদৰ্শৰ জগত এখনৰ লগতহে জড়িত বাস্তৱ ৰাজনীতিৰ মাপকাঠীৰে সেইবোৰ জুখি চোৱাটো উচিত নহয়। প্লেটোৱে দৃঢ়াই দৃঢ়াই কৈ গৈছে যে আদৰ্শৰ জগতত সকলোৱে নিজৰ নিজৰ চিন্তা আৰু তত্ত্ব প্ৰচাৰ কৰি যাব লাগে। সময়ে তাৰ বিশুদ্ধতা প্ৰমাণ কৰিব আৰু যেতিয়াই কাৰোবাৰ চিন্তা আৰু তত্ত্ব বিশুদ্ধ বুলি প্ৰমাণিত হ'ব তেতিয়াৰপৰাই মানুহে ইয়াক গ্ৰহণ কৰিবলৈ আৰম্ভ কৰিব। বাস্তৱ ৰাজনীতিৰ লগত খাপ খুৱাই কোনও নিজৰ চিন্তা আৰু তত্ত্ব সংশোধন কৰি লোৱাৰ প্ৰয়োজন নাই। প্লেটোৱে কেতিয়াবা কেতিয়াবা ভাবিছিল যে সম্ভৱতঃ তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ স্থান স্বৰ্গতহে আছে পৃথিৱীত এই ৰাষ্ট্ৰ কেতিয়াও প্ৰতিষ্ঠিত নহ'ব। কিন্তু তথাপি তেও আগবাঢ়ি গৈ আছিল কোনো কথা বা বাস্তৱ পৰিস্থিতিয়ে তেওঁক তেওঁৰ চিন্তাত বাধা প্ৰদান কৰিব পৰা নাছিল।

সাপেক্ষিক জ্ঞানৰ অৱস্থিতি সম্পৰ্কে ছক্ৰেটিছে সন্দেহ প্ৰকাশ কৰিছিল। তেওঁৰ মতে মানুহে বিশ্বাস আৰু মতামতবোৰকে জ্ঞান বুলি মানি লৈছিল । কিন্তু প্লেটোৱে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মানুহে ঠিক পথেৰে পৰিচালিত বুদ্ধিবৃত্তিদ্বাৰা প্ৰমাণ কৰিব পৰা সত্যত উপনীত হ'ব পাৰে। তেওঁৰ মতে সেয়েই হৈছে সাপেক্ষিক জ্ঞান। এই বিজ্ঞানসন্মত জ্ঞানকে প্লেটোৱে ৰাজনীতিত ব্যৱহাৰ কৰিবলৈ বিচাৰিছিল।

প্লেটোৰ ৰাজনীতিত বৰ্ত্তমান যুগৰ ৰাজনৈতিক চিন্তা নীতিশাস্ত্ৰ দাৰ্শনিক তত্ত্ব সমাজ বিদ্যা ধৰ্ম আৰু মানৱ জ্ঞানৰ আন কিছুমান দিশৰ সম্ভাৰ পোৱা যায়। প্লেটোৱে মানৱতাক এটা স্থিৰ পাৰ্থিৱ বস্তু হিচাপে লৈ ৰাজনৈতিক দৰ্শন ৰচনা কৰা নাছিল। প্লেটোৰ ৰাজনীতি বহু পৰিমাণে অন্যান্য বিষয়ৰ লগত ঘনিষ্ঠভাৱে জড়িত আছিল। পৰম্পৰাগত নীতিশাস্ত্ৰ আৰু দৰ্শনৰপৰা আঁতৰি আহি প্লেটোৱে তেওঁৰ চিন্তাৰ ক্ষেত্ৰত লগলোৱা বাধা বিঘিনিবোৰ পাৰ হৈ যাবলৈ সঘান ৰাজনৈতিক তত্ত্বৰ আশ্ৰয় লৈছিল। প্লেটোৰ লিখনিৰ এই চৰিত্ৰ তেওঁৰ দৰ্শনত কবিতাত সততে থকাৰ দৰে অস্পষ্টতা সন্নিবিষ্ট কৰিছিল আৰু সেই কাৰণে তেওঁৰ বোধশক্তিত মানুহে ঠাণ্ডা বুদ্ধিতকৈ অনুভূতিহে বেছিকৈ দেখিবলৈ পায়। তেওঁৰ দৰ্শনক বহুতে মূলতঃ বিভিন্ন বিষয়ৰ ওপৰত লিখা কিছুমান অতি পাণ্ডিত্যপূৰ্ণ ৰচনাৰ পৰিপাটিকৈ সজাই পৰাই তোলা আবেগপূৰ্ণ দৰ্শনৰ পুথি বুলি আখ্যা দিব খোজে। ইয়াৰ প্ৰমাণ তেওঁৰ 'গণৰাজ্য" নামৰ বিখ্যাত গ্ৰন্থখনতে পোৱা যায়।

প্লেটোৰ ৰাজনীতি বিচাৰ আৰু অন্যান্য বিষয়ৰ জ্ঞানৰ বিচাৰ তেওঁৰ প্ৰকৃত জ্ঞানৰ ধাৰণাৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ মতে প্ৰকৃত জ্ঞানীলোকে সকলো ক্ষেত্ৰত স্থায়ী আৰু মৌলিক সত্যত উপনীত হ'বলৈ ক্ষণস্থায়ী আৰু হঠাৎ সংঘটিত অৱস্থাৰদ্বাৰা প্ৰভাৱান্বিত নহয়। বস্তু নিৰপেক্ষ গভীৰ চিন্তাৰ

সহায়তহে মানুহে প্ৰকৃত জ্ঞান লাভ কৰিব পাৰে। গভীৰ চিন্তাৰ ফলত মানুহৰ মনত কিছুমান সাধাৰণ ধাৰণাৰ সৃষ্টি হয়। মানুহৰ বুদ্ধিবৃত্তিৰ বিকাশত এই ধাৰণাবোৰৰ সৃষ্টি হোৱাটো এটা ডাঙৰ কৃতিত্বপূৰ্ণ কাম। সাধাৰণ মানুহৰ চকুত বস্তুবোৰে যিভাৱে দেখা দিয়ে তাৰপৰা প্ৰকৃত জ্ঞানৰ জন্ম হ'ব নোৱাৰে। বস্তুৰ ওপৰত সৃষ্টি হোৱা সাপেক্ষিক ধাৰণাৰপৰাহে প্ৰকৃত দাৰ্শনিক তত্ত্ব আৱিষ্কাৰৰ বাবে আৱশ্যকীয় প্ৰকৃত জ্ঞানৰ সৃষ্টি হ'ব পাৰে। ঘোঁৰাৰ বিষয়ে প্ৰকৃত জ্ঞান লাভ কৰিব লাগিলে এটা বা দুটা ঘোঁৰা দেখিলেই নহ'ব সামগ্ৰিকভাৱে ঘোঁৰাবোৰ দেখিব লাগিব আৰু তাৰ পাছত ঘোঁৰাৰ বিষয়ে এটা স্পষ্ট ধাৰণাৰ সৃষ্টি হ'ব লাগিব। সেইদৰে ৰাজনীতিৰ ক্ষেত্ৰতো কোনো এখন চৰকাৰে কৰা দুটা-এটা নীতিৰ কথা জানিলেই নহ'ব সাধাৰণভাৱে চৰকাৰখনে গ্ৰহণ কৰা সকলোবোৰ নীতিৰ বিষয়ে জানিব লাগিব।

সাৰ্বজনীন বা সাধাৰণ ধাৰণাৰ এটা প্ৰকৃত সত্তা আছে আৰু এই সত্তাটোৰ মাজতে বিশেষ ধাৰণাবোৰো সোমাই থাকে। প্লেটোৱে বিশ্বাস কৰিছিল যে সাৰ্বজনীন আৰু সাধাৰণ ধাৰণাৰ প্ৰকাশ আৰু অভিব্যক্তিত সহায় কৰা কাৰণেহে বিশেষ ধাৰণাৰ এটা নিজা সত্তা আৰু বৈশিষ্ট্য আছে। ইয়াৰপৰা এইটো প্ৰতীয়মান হয় যে বাস্তৱতা এজন মানুহৰ কাম আৰু চৰিত্ৰৰপৰা সৃষ্টি হ'ব নোৱাৰে সমাজ বা মানুহৰ ৰাষ্ট্ৰীয় কাম কাজ আৰু চৰিত্ৰৰপৰাহে জন্ম হ'ব পাৰে। ইয়াৰপৰা আন এটা কথা ওলাই পৰে সেইটো হৈছে— নাগৰিকসকলতকৈ ৰাষ্ট্ৰ বেছি স্থায়ী আৰু সনাতন। সেই গতিকে জাৰ্মানৰ আদৰ্শবাদীসকলৰ লগতে প্লেটোৱে বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰতে মানুহৰ সদগুণৰ সৰ্বোচ্চ বিকাশ আৰু প্ৰকাশ হয়। এখন সৰ্বাংগসুন্দৰ ৰাষ্ট্ৰইহে সৰ্বাংগসুন্দৰ ব্যক্তি গঢ়ি তুলিব পাৰে।

প্লেটোৰ প্ৰধান লক্ষ্য আছিল ৰাষ্ট্ৰত ন্যায় আৰু সদগুণ প্ৰতিষ্ঠা কৰা। তাৰবাবে তেওঁ এখন আদৰ্শ ৰাষ্ট্ৰৰ আঁচনি প্ৰস্তুত কৰিছিল। সেইখন ৰাষ্ট্ৰত তেওঁ ন্যায় আৰু সদগুণক সৰ্বোচ্চ স্থানত বহুৱাবলৈ বিচাৰিছিল। কবিসকলৰ দৰে তেওঁ জীৱনৰ বাস্তৱ অৱস্থাৰপৰা বহুত আঁতৰত আছিল। সেইবাবে কবিসকলৰ দৰে তেওঁ মাজে মাজে অধৈৰ্য্য হৈও পৰিছিল। তেওঁৰ আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ তেওঁ কেইবাশ হাজাৰ বছৰ চলি থকা ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিকেন্দ্ৰিক পৰিয়ালৰ অৱসান ঘটাবলৈ প্ৰস্তুত আছিল। সময়ত তেওঁৰ বহুতো ধাৰণা কল্পনাপ্ৰসূত বুলি প্ৰমাণিতও হৈছিল। কোনো এখন আধুনিক ৰাষ্ট্ৰতো তেওঁৰ পৰিবাৰৰ সমস্বত্ববাদ (communism of wives) কাৰ্যকৰী কৰাটো সম্ভৱপৰ নহয়। সম্পত্তিৰ সাম্যবাদৰ ক্ষেত্ৰতো ৰাষ্ট্ৰৰ ওপৰত সমালোচকসকলে কঠোৰ সমালোচনা আগবঢ়াইছে। প্লেটোৱে নিজেই বুজিব পাৰিছিল যে তেওঁ চিত্ৰিত কৰা আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাটো

কেতিয়াও সম্ভৱপৰ নহয়। এজন কবি দাৰ্শনিকৰ নিচিনাকৈ তেওঁ বাস্তৱতাৰ পৰা আঁতৰি গৈ মুক্তভাৱে এখন কল্পনাৰ ৰাজ্যত বিচৰণ কৰি ফুৰিছিল। এটা ৰাজনৈতিক আদৰ্শ আগত ৰাখিহে তেওঁ বস্তুনৈতিক অনুসন্ধান কাৰ্য্য চলাই গৈছিল। সেই কাৰণে তেও তেওঁৰ কল্পনাৰ ৰাজ্য প্ৰকৃততে প্ৰতিষ্ঠা হ'ব নে নহয় সেই বিষয়ে বৰ বেছিকৈ চিন্তা কৰা নাছিল। তেওঁ ৰচনা কৰি থোৱা আদৰ্শ বাস্তৱত ৰূপায়িত নহ'লেও তেওঁৰ আদৰ্শই পিছৰ যুগৰ ৰাজনীতিত গভীৰ প্ৰভাৱ বিস্তাৰ কৰিব পাৰিছিল।

প্লেটোৱে এজন কবি হিচাপে তেওঁৰ উদ্ভট সংস্কাৰধৰ্মী আদৰ্শবাদ প্ৰদৰ্শন কৰি থোৱা হ'লে তেওঁৰ আদৰ্শবাদ সম্পূৰ্ণৰূপে কাৰ্য্যকৰী কৰিব নোৱৰা বিধৰ নহ'লহেঁতেন। তেওঁৰ গণৰাজ্য তেওঁ আকাশৰ ওপৰত প্ৰতিষ্ঠা কৰিবলৈ বিচৰা নাছিল। এথেন্স স্পাৰ্টা চিৰাকুইচ আদি নগৰ ৰাষ্ট্ৰৰ অৱস্থাৰ ওপৰত ভিত্তি কৰিয়েই তেও গণৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। সেই সময়ৰ গ্ৰীছ দেশীয় জীৱনৰ লগত তেওঁৰ আদৰ্শবাদ আৰু সাম্যবাদৰ একেবাৰে সম্বন্ধ নোহোৱা নহয়। তেওঁৰ সন্মুখত স্পাৰ্টাৰ উজ্জ্বল দৃষ্টান্তবোৰ স্পষ্টভাৱে জিলিকি আছিল। সেই সময়ত স্পাৰ্টাত ৭ বছৰ বয়সতে নাগৰিকসকলৰ ল'ৰা বোৰক শিক্ষা দিয়াৰ বাবে চৰকাৰে ঘৰৰপৰা লৈ গৈছিল ৰাষ্ট্ৰৰ উদ্দেশ্যত পৰিবাৰ সকলক ব্যৱহাৰ কৰা হৈছিল শাসকশ্ৰেণীৰ লোকসকলে একেলগে খোৱা-লোৱা কৰি একপ্ৰকাৰৰ সমূহীয়া জীৱন যাপন কৰিছিল। তেওঁৰ গণৰাজ্যৰ নাগৰিক সকলৰ সংখ্যা তাকৰীয়া আছিল আৰু তেওঁলোকে ব্যক্তিগত সম্পত্তি আৰু ব্যক্তি-কেন্দ্ৰিক পৰিয়াল নোহোৱাকৈ চলি যাব পাৰিছিল। প্লেটোৰ লিখনিত প্ৰকাশ পোৱা পৰিবাৰৰ সাম্যবাদ বা সমন্বয়বাদ অতি পূৰণি কালৰ মানুহৰ সমাজত চলি আছিল। সেইদৰে পূৰ্বণ কালৰ গাঁৱলীয়া সমাজত সম্পত্তিৰ সমাজবাদ চলি থকাৰ সম্ভেদো পোৱা যায়। প্লেটোৰ গণৰাজ্য কেৱল নীতিৰ ওপৰতে প্ৰতিষ্ঠিত নাছিল গ্ৰীছ দেশৰ আচল জীৱনৰ লগতো ইয়াৰ সম্পৰ্ক আছিল।

এটা কথা সততে কোৱা হয় যে প্লেটোৰ আদৰ্শবাদ নিৰ্ভুল নাছিল। প্লেটোৱে তেওঁৰ আদৰ্শবাদ বাস্তৱত ৰূপায়িত কৰিবলৈ বৰ আগ্ৰহশীল আছিল। সেই গতিকে তেওঁ সাম্যবাদৰ নীতি কেৱল নাগৰিকসকলৰ মাজতে আবদ্ধ ৰাখিবলৈ বিচাৰিছিল। কিয়নো শিক্ষিত শ্ৰেণী এটাৰ লোকসকলৰ মাজত এটা নতুন আদৰ্শ কাৰ্য্যকৰী কৰাটো যিমান সহজ এখন ৰাষ্ট্ৰৰ সকলোবোৰ মানুহৰ মাজত তেনে এটা নতুন আদৰ্শ কাৰ্য্যকৰী কৰাটো কেতিয়াও সিমান সহজ আৰু সম্ভৱপৰ হ'ব নোৱাৰে। সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ আৰু পৰিকল্পিত শিক্ষা ব্যৱস্থা কেৱল নাগৰিক শ্ৰেণীৰ মাজতে সীমাবদ্ধ ৰাখি প্লেটোৱে তেওঁৰ আদৰ্শ কাৰ্য্যকৰী কৰি তোলাৰ আগ্ৰহহে বাৰুকৈ প্ৰকাশ কৰিছিল।

বৈষয়িক সুখ-শান্তিৰ ওপৰত প্লেটোৱে বৰ বেছি গুৰুত্ব আৰোপ কৰা

বুলি তেওঁক দোষাৰোপ কৰা হয়। এখন ভাল ৰাষ্ট্ৰৰ উদ্দেশ্য হৈছে সুখী জীৱন-যাপনৰ বাবে সকলোবোৰ অৱস্থাৰ সৃষ্টি কৰা। তাকে কৰিবলৈ গৈ প্লেটো সময় আৰু বাস্তৱ পৰিস্থিতিৰ সীমা পাৰ হৈ গৈছিল। তেও আনকি মৃত্যুৰ পাছতো স্বাধীনতা বিচাৰিছিল। সেয়েহে তেও এযুৰি বিশুদ্ধ চকুৰে বাস্তৱৰ সত্য দেখিবলৈ সততে আশা কৰিছিল। অৱশ্যে ইয়াৰ অৰ্থ এইটো নাছিল যে প্লেটোৱে অন্য এখন পৃথিৱীত ৰবকৈ বিশ্বাস কৰিছিল। তেওঁৰ লিখনিত কেৱল বৰ্তমান জীৱন আৰু বৰ্তমান জগতৰ কথাহে পৰিষ্কাৰভাৱে দেখা যায়। তেও কেৱল এটা অসুবিধা ৰবকৈ ভোগ কৰিছিল। সেইটো হৈছে— বৰ্তমান পৃথিৱীত মানুহে ভোগ কৰি থকা দুখ কষ্ট আৰু বেছেলোকৰ মাজত বিৰাজ কৰি থকা মনোমালিন্য। সেই কাৰণে প্লেটোৱে এজন যুক্তিৰম্বাৰা পৰিচালিত মানুহে এখন আদৰ্শৰ ৰাজ্যত কেনেকৈ সুখ শান্তিত বাস কৰিব পাৰে তাকেই ভাবিছিল। ভাল মানুহে কেৱল ভাল ৰাষ্ট্ৰৰ ছবি এখন আঁকি যোৱাৰ কামটোকে হাতত লৈছিল।

গণৰাজ্যত প্লেটোৱে ৰাষ্ট্ৰৰ লগত ব্যক্তিৰ স্বাৰ্থ একাকাৰ কৰি পেলাইছিল আৰু তাতো তেও ৰাজনীতিক নীতিশাস্ত্ৰৰপৰা বেলেগ কৰি ৰখা নাছিল। তেওঁৰ মতে সেইখন ৰাষ্ট্ৰই আটাইতকৈ ভাল যিখন এজন ভাল মানুহৰ দৰে আৰু যিখন ৰাষ্ট্ৰত নাগৰিকসকলৰ চৰিত্ৰ একে ধৰণে গঢ় লয়। প্লেটোৱে ব্যক্তি আৰু ৰাষ্ট্ৰৰ গুণৰ মাজত কোনো ব্যৱধান নাৰাখি উৎকৃষ্ট আৰু মহান ব্যক্তি গঢ়ি তুলিবলৈ যিখন আদৰ্শ ৰাষ্ট্ৰৰ ছবি আঁকিছিল, তাতেই তেওঁৰ ৰাজনৈতিক দৰ্শন সাধাৰণ দাৰ্শনিক কল্পনাৰ লগত মিহলি হৈ আছিল। ইয়াৰ ফলত তেও বহুতো ভুল আৰু ভ্ৰান্ত তুলনাৰ মাজত সোমাই পৰিবলগীয়া হৈছিল। প্লেটোৱে বুজিব পৰা নাছিল যে এটা জাতি বা এখন ৰাষ্ট্ৰৰ ইচ্ছা বা চৰিত্ৰ প্ৰকৃততে সেই ৰাষ্ট্ৰত থকা ব্যক্তিবাৰৰ ইচ্ছা বা চৰিত্ৰৰপৰা সৃষ্টি হয়। আৰু সেই জাতীয় ইচ্ছা বা চৰিত্ৰ তাত থকা মানুহবোৰে একেলগে কাম কৰা আৰু একেলগে খোৱা-লোৱা কৰাৰ ওপৰতো ভালেখিনি নিৰ্ভৰ কৰে। অৱশ্যে ৰাষ্ট্ৰ এখনৰ কাৰ্য্য আৰু ইচ্ছাৰ ওচৰত ব্যক্তিয়ে সদায় নিজৰ নমনীয়তা স্বীকাৰ কৰিবই লাগিব। এইখিনিতে এটা প্ৰশ্ন হয়— ব্যক্তিসকলৰ দৰে জাতি এটাৰো নিজা বিবেক আছেনে ? এখন ৰাষ্ট্ৰত থকা ব্যক্তিবোৰৰ চৰিত্ৰবোৰ যোগ কৰিলেই ৰাষ্ট্ৰ এখনৰ চৰিত্ৰ গঠিত হ'ব নোৱাৰে। এজন ব্যক্তিতকৈ জাতি এটা নিশ্চয় বেছি জ্ঞানী হ'ব। যিকোনো ব্যক্তিৰ ক্ষেত্ৰতে অসম্ভৱ হ'লেও ৰাষ্ট্ৰ এখন নৈতিকতাৰ ফালৰপৰা বহুত তললৈ নামি যাব পাৰে আৰু বহুত ওপৰলৈ উঠিবও পাৰে। এটা বৃহৎ জাতিৰ মানুহবোৰে একেলগে কাম কৰিব লাগিলে কিমানবোৰ অসুবিধাৰ সন্মুখীন হ'বলগীয়া হ'ব পাৰে, সেয়া প্লেটোৱে ভালকৈ বুজিব পৰা নাছিল।

প্লেটোৱে ব্যক্তি আৰু ৰাষ্ট্ৰৰ স্বাৰ্থৰ মাজত যিটো সাদৃশ্য দেখুৱাইছিল সেইটো আংশিকভাৱে ভ্ৰান্ত আছিল যদিও নীতিশাস্ত্ৰ আৰু ৰাজনীতিৰ মাজত

প্লেটোৱে যিটো সম্বন্ধ স্থাপন কৰিছিল সিয়েই দুয়োটা বিষয়কে যথেষ্ট সমৃদ্ধ কৰিছিল। ইয়াৰদ্বাৰা নীতিশাস্ত্ৰৰ উদ্দেশ্য বোধ স্পষ্ট আৰু নিৰ্দিষ্ট হৈ উঠিছিল। চৰকাৰৰ লক্ষ্য আৰু নাগৰিকসকলৰ কৰ্তব্য বিষয়ে মানুহৰ জ্ঞান আৰু ধাৰণা বহুদূৰ আগবাঢ়ি গৈছিল। এটা দিশৰ পৰা বিচাৰ কৰিলে নীতিশাস্ত্ৰক আদৰ্শ আইনৰ লগত তুলনা কৰিব পাৰি আৰু ৰাজনীতিক মানৱ সমাজৰ অৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত নীতিশাস্ত্ৰ বুলি ক'ব পাৰি। প্লেটোৰ মতে ৰাজনীতি কেতিয়াও নীতিশাস্ত্ৰৰ বাহিৰত থাকিব নোৱাৰে আৰু কোনেও ৰাষ্ট্ৰৰ ভিতৰত থকা ব্যক্তিসকলৰ নৈতিকতা বাদ দি ৰাষ্ট্ৰীয় নৈতিকতাৰ সৃষ্টি কৰিব নোৱাৰে। আধুনিক যুগত ৰাজনীতি আৰু নীতিশাস্ত্ৰৰ মাজত যি প্ৰভেদ আৰু বৈপৰীত্য দেখুউৱা হয় তাৰ মূলত আছে অতীতত ইয়াৰ মাজত থকা গভীৰ আৰু ঘনিষ্ঠ সাদৃশ্যৰ কথা। নীতিশাস্ত্ৰৰ সোৱাদ নথকা বৰ্তমান যুগৰ ৰাজনীতি পৰিচালিত হয় মেকিয়াভেলিৰ উদ্দেশ্যবাদী তত্ত্ব ৰাজনৈতিক ইন্দ্ৰজাল ধূৰ্ত ৰাজনৈতিক চাতুৰী আদিৰদ্বাৰা।

প্লেটোৰ ৰাজনৈতিক তত্ত্ব বুজাত কিছুমান অসুবিধা আছে। তেওঁৰ ধাৰণাবোৰৰ লগত কল্পনা মিহলি হৈ আছে সত্য ঘটনাৰ লগত অলংকাৰ আছে। তদুপৰি বহুতো বিষয়ৰ ওপৰত তেওঁৰ বক্তব্যবোৰ সানমিহলি হৈ আছে। যিবোৰ বিষয়ৰ ওপৰত তেওঁ বক্তব্য ৰাখিছে সেইবোৰ বিষয় হৈছে দৰ্শন নীতিশাস্ত্ৰ চৰকাৰৰ নীতি অৰ্থনীতি কলা সমালোচনা শিক্ষা আদি। আকৌ যদিও আমি প্লেটোৰ লিখাত সাৰ্বজনীনতা দেখিবলৈ পাওঁ তথাপি তেওঁ এটা অতীত যুগৰ মানুহৰ জীৱনৰ ওপৰত ভিত্তি কৰিহে কথাবোৰ কৈছিল। প্লেটোৱে কেতিয়াও প্ৰত্যক্ষভাৱে নিজকে বা নিজৰ কথাবিলাক দাঙি ধৰা নাছিল। মুঠতে তেওঁৰ 'আইন' নামৰ কিতাপখন বাদ দিলে তেওঁৰ সকলো কথাতে ছক্ৰেটিছ সোমাই আছিল। তেওঁৰ শিকোৱাৰ পদ্ধতি মূলতঃ নিভুৰ্ল আছিল যাবেই তেওঁক বুজিবলৈ বা তেওঁৰ কথা আয়ত্ত কৰিবলৈ অকণো অসুবিধাও নাছিল। প্লেটোৱে চিত্ৰিত কৰা আদৰ্শৰ সমাজখন চাই গ'লে আমি দেখা পাওঁ যে তেওঁ বাহিৰৰপৰা আৰম্ভ কৰি আচলতে ভিতৰফালে কাম কৰি আছে। জাতি এটাৰ বাহিৰত থকা সাংগঠনিক দিশটো অধ্যয়ন কৰি মানুহৰ প্ৰকৃতিৰ গোপন উৎসৰ সন্ধান কৰিছে। তেওঁৰ মতে যিবোৰ নীতিৰ সহায়ত শিল্প যুদ্ধ চৰকাৰ আদি পৰিচালনা কৰা হৈছে সেইবোৰ আচলতে মানুহৰ নৈতিক জীৱন পৰিচালনা কৰা নীতিৰ কাৰ্য্যৰ বহিঃপ্ৰকাশহে। প্লেটোৱে অৱলম্বন কৰা পদ্ধতিৰ এটা লক্ষ্য কৰিবলগীয়া বৈশিষ্ট্য হৈছে তেওঁ সঘনে ব্যৱহাৰ কৰা তুলনাবোৰ। এইবোৰ তেওঁ প্ৰকৃতি আৰু কলাৰপৰা ধৰি কৰি আনিছিল। এইবোৰ প্ৰধানকৈ তেওঁ জীৱজগতৰপৰা বিচাৰি উলিয়াইছিল। উদাহৰণস্বৰূপে গণৰাজ্যত তেওঁ নাগৰিকসকলক ৰখীয়া কুকুৰৰ লগত তুলনা কৰিছিল। অস্থায়ী বিয়াৰ ফলত জন্ম হোৱা লৰা-ছোৱালীবোৰক

জন্তুৱে পামত জগোৱা পোৱালিবোৰৰ লগত ৰিজাইছিল। এই তুলনাবোৰ কৰোঁতে প্লেটোৱে পাহৰি গৈছিল যে তেওঁৰ অধ্যয়নৰ বিষয়বস্তু মানুহহে জন্তু নহয় গতিকে জীৱজগতৰ কথা আওকাণ কৰি আধ্যাত্মিক বিবেচনাইহে ইয়াত বিশিষ্ট স্থান অধিকাৰ কৰিব লাগিছিল।

গণৰাজ্যত তেও এখন আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰ অংকন কৰিছিল। প্লেটোৰ আদৰ্শ সকলোৰে বাবে বোধগম্য । এথেন্সৰ গণতান্ত্ৰিক শাসনকৰ্তাসকলে তেওঁৰ গুৰু ছক্ৰেটিছৰ ওপৰত অৰ্পণ কৰা মৃত্যুদণ্ডই তেওঁক হতাশ কৰি তুলিছিল আৰু সেই সময়ৰ গণতান্ত্ৰিক ৰাষ্ট্ৰৰ সংস্কাৰ সাধনৰদ্বাৰা কিবা লাভ হ'ব বুলি তেও বিশ্বাস কৰিব নোৱাৰিছিল। সেই কাৰণে তেওঁ এখন আদৰ্শ ৰাষ্ট্ৰৰ সপোন দেখিছিল য'ত তেনেকুৱা ঘটনা ঘটোৱাটো সম্ভৱপৰ হ ব নোৱাৰে। থুচিডাইছে তেওঁৰ পেলোপনেচিয়ান যুদ্ধৰ ইতিহাস' নামৰ পুথিত গ্ৰিছদেশৰ ৰাজনৈতিক জীৱন মেঘাচ্ছন্ন কৰি ৰখা ৰাজনৈতিক সংকটৰ এটা হুবহু চিত্ৰ আঁকি গৈছে। এই পুথিখনত কেনেকৈ তেতিয়াই গ্ৰিছদেশৰ ৰাজনীতি হিংসা দ্বেষ আৰু ৰাজনৈতিক অসাধুতাই আবৰি আছিল তাৰ বিৱৰণ পোৱা যায়। এই সকলোবোৰ অনৰ্থৰ মূল কাৰণ আছিল লোভ আৰু দুৰাকাংক্ষাৰপৰা সৃষ্টি হোৱা ক্ষমতা লাভৰ লালসা। ইযাৰ ফলতেই উত্তেজনাৰ সৃষ্টি হৈ ৰাজ নৈতিক দলবোৰৰ মাজত হিংসা কাৰ্য্য সংগঠিত হৈছিল। ইয়াৰে সুযোগ লৈ ৰাষ্ট্ৰৰ নেতাসকলে তেওঁলোকৰ ৰাজনৈতিক স্বাৰ্থ পূৰণ কৰি ল'বলৈ বিচাৰিছিল। প্লেটো সদায় ইয়াৰ বিপক্ষে আছিল। তেও বিশ্বাস কৰিছিল স্ব গ্ৰিছদেশত এখন আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা হ'লেহে তাত শান্তি শৃংখলা আৰু প্ৰকৃত ন্যায় বিৰাজ কৰিব।

প্লেটোৰ ৰাজনৈতিক তত্ত্ববোৰ তেও অংশ গ্ৰহণ কৰা কথোপকথনৰপৰা ওলাইছে। প্ৰধানকৈ তিনিখন পুথিত এই ৰাজনৈতিক তত্ত্ববোৰ সোমাই আছে । এই পুথি তিনিখন হৈছে গণৰাজ্য ৰাজনীতিবিদ আৰু আইন। এই তিনিখন পুথিৰ ভিতৰত 'গণৰাজ্য হৈছে আটাইতকৈ বিখ্যাত আৰু ভূৱসী সম্মানপ্ৰাপ্ত পুথি। প্লেটোৰ মানসিক শক্তি যেতিয়া উচ্চতম স্তৰ পাইছিলগৈ সেই সময় হোৱাতে তেও এই পুথিখন ৰচনা কৰিছিল। এই পুথিখনতেই তেও আদৰ্শৰ ফালৰপৰা উৎকৃষ্ট চৰকাৰ এখনৰ চিত্ৰ আঁকি থৈ গৈছে। 'ৰাজনীতিবিদ' নামৰ পুথিখন ইয়াৰ পাছত লিখা। এইখন তুলনামূলকভাৱে চুটি আৰু কমকৈ প্ৰচাৰিত। ইয়াৰ পাছত তেওঁ 'আইন' নামৰ পুথিখন ৰচনা কৰে। এইখন তেওঁ শেষ বয়সত লিখা পুথি। এই পুথিখনত প্লেটোৰ চিন্তাৰ পৰিবৰ্তন ঘটিছিল। গণৰাজ্যত তেও নাগৰিকসকলৰ ব্যক্তিগত গুণাগুণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। আইন নামৰ পুথিখনত তেওঁ আইনৰ শাসনৰ ওপৰত গুৰুত্ব দিছিল। ইয়াত তেওঁ মন্তব্য কৰিছিল যে অৱস্থা একে হ'লে আইনৰ শাসনেই আটাইতকৈ

গ্ৰহণযোগ্য চৰকাৰ। ইয়াত তেওঁৰ চিন্তাৰ পৰিপক্কতা ফুটি উঠিছিল। চিৰাকুইচত লাভ কৰা অভিজ্ঞতাৰ দোষ গুণেৰে ভৰা সমাজৰূপৰ লাভ কৰা বাস্তৱ অসুবিধা আৰু সীমাবদ্ধতা আদিয়ে প্লেটোৰ চিন্তাৰ ওপৰত পেলোৱা প্ৰভাৱ এই পুথিত প্ৰকাশ পাইছিল। সেয়েহে তেও ইয়াত বাস্তৱ ক্ষেত্ৰত সম্ভৱপৰ আটাইতকৈ উৎকৃষ্ট চৰকাৰ এখনৰ চিত্ৰ আঁকিব পাৰিছিল। তথাপি তেওঁ গণৰাজ্যৰ আদৰ্শ পৰিহাৰ কৰা নাছিল। তাত চিত্ৰিত কৰা আদৰ্শ তেওঁ এখন অতি উচ্চখাপৰ নিখুঁত ৰাষ্ট্ৰৰ বাবে আছুতীয়াকৈ ৰাখি থৈছিল ।

গণৰাজ্যত থকা তেওঁৰ মৌলিক ধাৰণাবোৰ পোনপটীয়াকৈ লিখা হোৱা নাছিল। গণৰাজ্যখন এবাৰ পঢ়িলে ইয়াৰ সাৰমৰ্ম বুজা টান। ইয়াত থকা যুক্তি আৰু তুলনাৰ প্ৰাচুৰ্যই প্ৰথমে পাঠকৰ মনত এটা খেলিমেলিৰহে সৃষ্টি কৰে। পুথিখনৰ লগত ভালকৈ পৰিচিত হৈ উঠাৰ পাছত অৱস্থাৰ উন্নতি হয় । পুথিখনৰ ওপৰত অলপ দখল স্থাপন কৰি ল'ব পাৰিলে ইয়াৰ প্ৰধান মতবাদবোৰ কিছুমান মৌলিক পৰিগ্ৰহণৰ (assumption) চাৰিওফালে পৰিষ্কাৰভাৱে সজাই পৰাই ৰখা দেখিবলৈ পোৱা যায়। এইখিনি বুজি উঠাৰ পাছত প্লেটোৰ আন আন ধাৰণাবোৰ বুজাত আপেক্ষিকভাৱে সহজ হৈ পৰে ।

প্লেটোৰ গণৰাজ্যত প্ৰয়োগ কৰা প্ৰধানতম পৰিগ্ৰহণ হৈছে সদগুণেই জ্ঞান । ইয়াৰ অৰ্থ হৈছে সাপেক্ষিক সত্য সদায় থাকে আৰু ইয়াক জানিব পাৰি। আন প্ৰকাৰে ক'বলৈ গ'লে ভালৰ এটা বৈষয়িক অস্তিত্ব আছে আৰু সূক্ষ্ম দৃষ্টিৰে চালে দেখিবলৈ পোৱা যায়। সেই গতিকে সদগুণে মানুহক জ্ঞানী কৰে ।

এই নিশ্চিত পৰিগ্ৰহণটোৰ তলতে আন সকলোবোৰ কথা গুলমি আছে। কিন্তু এই পৰিগ্ৰহণটোও এটা ডাঙৰ সমস্যাৰূপৰাহে উদ্ভৱ হৈছে। সেই ডাঙৰ সমস্যাটো হৈছে প্ৰকৃতি বনাম বিশেষ অৱস্থা। এই সমস্যাটোৱে 'গণৰাজ্য'ৰ জন্ম হোৱাৰ আগেয়ে সুদীৰ্ঘ এশ বছৰ জুৰি গ্ৰিক দাৰ্শনিকসকলক জুৰুলা কৰি আছিল। এই প্ৰশ্নটো পোনপটীয়াভাৱে এনেকৈ উত্থাপন কৰিব পাৰি— কোনো এটা বিশেষ অৱস্থাৰ ওপৰত মূল্য নিৰ্ভৰশীল হয়নে সাৰ্বজনীন মূল্য থকা কিছুমান বস্তু আছেনে যিবোৰৰ মূল্য চাৰিওফালে আৱৰি থকা বিশেষ অৱস্থাৰ ওপৰত নিৰ্ভৰশীল নহয় ? মানুহৰ সমস্যা সমাধান কৰিবলৈ প্ৰকৃত জ্ঞান পোৱাটো সম্ভৱ নে আমি ভাৱবাৰে ব্যক্তিৰ আত্মসাপেক্ষ মতামতৰ ওপৰত নিৰ্ভৰশীল হ'ব লাগিব ? ইয়াতেই ছফিষ্টসকলৰ লগত প্লেটোৰ মতভেদ দেখা যায়। প্লেটোৰ মতে ছফিষ্টসকলে গ্ৰিক সভ্যতা বুজাত ভুল কৰিছিল। গতিকে তেওঁ নিশ্চিতভাৱে কৈছিল যে সাপেক্ষিক সত্য আছে আৰু এই সত্য লাভ কৰিব পাৰি। অৱশ্যে সকলো মানুহৰ বাবে এইটো সম্ভৱপৰ নহয়। কিছুমান বছা বছা মানুহৰ ক্ষেত্ৰতহে এইটো সম্ভৱ। এই বছা বছা মানুহবোৰৰ অন্তৰ্মুখী চিন্তা ভাৱনা আন মানুহতকৈ যথেষ্ট বেছি হ'ব লাগিব। প্লেটোৰ ৰাজনৈতিক

দৰ্শনৰ দ্বিতীয় প্ৰধান গ্ৰহণযোগ্য বিষয় হৈছে ঃ মৌলিকভাৱে মানুহবোৰ অসমান। এই অসমতা মানুহৰ ভাৱনা সাহস জ্ঞান ন্যায় বিচাৰ আদিত পৰিষ্কাৰভাৱে দেখিবলৈ পোৱা যায়। প্লেটোৱে মানুহৰ এই গুণকেইটাক চাৰিটা মৌলিক গুণ বুলি কৈছে। এই গুণবোৰৰ অধিকাৰী হোৱা বাবেই কিছুমান মানুহে শত্ৰুৰ বিৰুদ্ধে যুদ্ধ কৰি ৰাষ্ট্ৰ এখন ৰক্ষা কৰিব পাৰে কিয়নো তেওঁলোকৰ বল আৰু সাহস আছে। আন কিছুমানে আকৌ নিজৰ বুদ্ধি বৃত্তি আৰু জ্ঞান থকা বাবে ৰাষ্ট্ৰ এখন শাসন কৰিবলৈ যোগ্যবান হয়। সেই গতিকে প্লেটোৰ মতে গণতান্ত্ৰিক ৰাষ্ট্ৰ ভাল ৰাষ্ট্ৰ নাছিল। কিয়নো ইয়াত সকলোকে সমান গুণৰ অধিকাৰী বুলি ধৰি লৈ সকলোৰে ওপৰত সমান ৰাজনৈতিক অধিকাৰ অৰ্পণ কৰা হৈছিল।

প্লেটোৰ মতে ৰাজনীতি-ক্ৰিয়া কেৱল বিজ্ঞানেই নহয় ই সকলোবোৰ বিজ্ঞানশাস্ত্ৰৰ ভিতৰতে আটাইতকৈ কঠিন বিজ্ঞান। সকলোবোৰ মানুহক কোনেও চিকিৎসক কৰিব নোৱাৰে। তথাপি গণতন্ত্ৰই কিছুমান অসম্ভৱ কথা ধৰি লয়। গণতন্ত্ৰত ধৰি লোৱা হয় যে প্ৰত্যেক মানুহ শাসক আৰু শাসিত হ'ব পাৰে। ইয়াত ধৰি লোৱা হয় যে ৰাষ্ট্ৰৰ জটিল কথাবোৰতো সকলোবোৰ নাগৰিকে অংশ গ্ৰহণ কৰিব পাৰে। এইবোৰ ধৰি লোৱাৰ পাছতো এইটো কথা সত্য যে গণতন্ত্ৰই হৈছে বিদ্ৰোহ আৰু দলাদলিৰ মূল কাৰণ। এই কাৰণেই এথেন্সত ৰাজনৈতিক ক্ষমতা দখলৰ বাবে বাৰে বাৰে বিদ্ৰোহ আৰু দলাদলিৰ সৃষ্টি হৈছিল। আৰু সেই কাৰণেই বোধহয় প্লেটোৱে সুশৃংখল আৰু নিয়ন্ত্ৰিত জীৱনৰ ওপৰত গুৰুত্ব বৰ বেছিকৈ দিছিল। তেওঁ ৰাষ্ট্ৰত সদায় এটা সুস্থিৰ অৱস্থা বিৰাজ ক'ৰ থকাটো বিচাৰিছিল যিটো অৱস্থা তেও এথেন্সত কোনোদিনে দেখিবলৈ পোৱা নাছিল। প্লেটোৰ মতে গণতান্ত্ৰিক দেশবোৰত মানুহৰ কোনো নিশ্চয়তা আৰু স্থিৰতা নাই। এজন মানুহেই ইয়াত এবাৰ যোদ্ধা এবাৰ খেলুৱৈ আৰু কেতিয়াবা সংগীতজ্ঞ সাহিত্যিকৰ ভূমিকা পালন কৰিবলগীয়া হয়। গণতান্ত্ৰিক দেশত ৰাজনীতিবিদসকলে ইটোৰ পিছত সিটো উপায় অৱলম্বন কৰি ক্ষমতা দখল কৰিবলৈ বদ্ধপৰ হৈ থাকে আৱশ্যকমতে তেওঁলোকে সঁচাই মিছাই কথাৰ সুৰ সলাই থাকে। এনে অৱস্থাত গণতান্ত্ৰিক দেশত কোনেও প্ৰকৃত সুখ শান্তি পাব নোৱাৰে। কিয়নো মানুহৰ প্ৰকৃত সুখ মানসিকভাৱে উচ্চ জীৱন যাপনৰ ওপৰতহে নিৰ্ভৰ কৰে। এনে এটা জীৱনত মানুহে তেওঁৰ বাবে আটাইতকৈ উপযুক্ত এটা কাম কৰিবৰ বাবেহে সক্ষম হয়।

মানসিকভাৱে উচ্চ জীৱন-যাপন কৰিব লাগিলে ইয়াৰ লগত খাপখোৱা এখন চৰকাৰ থাকিব লাগিব। এই চৰকাৰখন কেৱল মুষ্টিমেয় সৎগুণী মানুহবোৰৰদ্বাৰা পৰিচালিত হ'ব লাগিব। আৰু বেছি স্পষ্টভাৱে ক'লে কেৱল দাৰ্শনিকসকলেহে শাসনৰ ভাৰ ল'ব লাগিব।

প্লেটোৱে কৈছিল যে নাগৰিকসকলৰ ভিতৰত শাসকশ্ৰেণীৰ লোকসকলে

কোনো আইনবিলাকৰ বাধাপ্ৰাপ্ত নোহোৱাকৈ নিজৰ ইচ্ছামতে শাসন কৰাৰ ক্ষমতা পাব লাগিব। শাসকসকলে প্ৰত্যেকটো কথা তাৰ গুণাগুণ বিচাৰ কৰি সিদ্ধান্ত কৰিব, যেনেকৈ চিকিৎসকসকলে ৰোগীৰ লক্ষণ চাই দৰবৰ ব্যৱস্থা কৰে। বেলেগ বেলেগ ৰোগীক বেলেগ বেলেগ ঔষধ দিব লগাৰ দৰে বেলেগ বেলেগ কথাত সুকীয়া সুকীয়া সিদ্ধান্ত লবলগীয়াও হয়। প্লেটোৰ মতে আইন একে ধৰণৰ ব্যৱহাৰ বা কথাতহে প্ৰয়োগ কৰিব পাৰি। কিন্তু মানুহৰ সমস্যাবোৰ একে ধৰণৰ নহয় আৰু সেইবাবে ইয়াৰ সমাধানৰ বাবে সুকীয়া দৃষ্টি আৰু পন্থা অৱলম্বন কৰিবলগীয়া হয়। এই ভিন্ন চৰিত্ৰৰ সমস্যাবোৰ সমাধান কৰিবলৈ শাসকসকলে নিজৰ শুদ্ধ বিবেক-বুদ্ধি প্ৰয়োগ কৰিবলগীয়া হয়।

নাগৰিকসকলৰ বাবে প্লেটোৱে যথেষ্ট ক্ষমতা লাগে বুলি কৈছিল যদিও তেওঁ কেতিয়াও সেই ক্ষমতাবোৰৰ অপপ্ৰয়োগ হোৱাটো বাঞ্ছা কৰা নাছিল। নাগৰিকসকলৰ বাবে তেওঁ বিশেষ সা সুবিধাৰ কথাও চিন্তা কৰা নাছিল। নাগৰিকসকলৰ প্ৰধান কাম আছিল ৰাষ্ট্ৰৰ কল্যাণ সাধন কৰা। প্লেটোৱে আশা কৰিছিল যে নাগৰিকসকলে তেওঁলোকৰ ওপৰত ন্যস্ত কৰা এই গুৰু দায়িত্বটো পালন কৰিবলৈ নিজকে সৰ্বতোপ্ৰকাৰে পাৰদৰ্শী কৰি গঢ়ি তুলিব।

শাসকশ্ৰেণীৰ প্ৰধান গুণ হৈছে বিশেষ জ্ঞান। এখন ৰাষ্ট্ৰৰ ভিতৰত থকা একশ্ৰেণী লোকৰ বিশেষ জ্ঞান থাকিলে অন্যান্য লোকসকলৰো আন কিবা জ্ঞান বা সামৰ্থ্য থাকিব লাগিব। প্লেটোৱে আদৰ্শ সমাজ এখনত থকা আন আন শ্ৰেণীৰ লোকসকলৰ বাবেও কামৰ খতিয়ান কৰিছিল। সেইটো নহ'লে ৰাষ্ট্ৰ এখনত কোনোমতে ন্যায় প্ৰতিষ্ঠিত হ'ব নোৱাৰে।

এখন সমাজৰ বাবে সেইখন সমাজত বাস কৰা আটাইবোৰ মানুহবেই বিভিন্ন কাৰণত আৱশ্যক। কোনেও নিজৰ আৱশ্যকতাখিনি অকলে পূৰণ কৰি ল'ব নোৱাৰে। সেই গতিকে সমাজত এজনে ভালদৰে উৎপাদন কৰিব পৰা বস্তু আন এজনৰ লগত সাল সলনি কৰি নিজৰ অভাৱ মোচন কৰে। এই বিনিময় প্ৰথাটোৰ প্ৰচলন বৌদ্ধিকৈ বাঢ়ি অহাৰ লগে লগে সমাজত উচ্চ হাৰত পৰস্পৰ নিৰ্ভৰশীলতাৰ সৃষ্টি হয় আৰু শেষত ইয়েই শ্ৰেণী নিৰ্ভৰশীলতাৰ ৰূপ লয়। সমাজৰ একশ্ৰেণীৰ লোক আন একশ্ৰেণীৰ লোকৰ ওপৰত নিৰ্ভৰশীল হ'ব লগীয়াত পৰে। এনেকৈ সমাজত তিনিশ্ৰেণী লোকৰ সৃষ্টি হয়। প্লেটোৰ মতে সমাজত তিনি ধৰণৰ বিশেষ চৰিত্ৰৰ বিশিষ্ট মানুহ থাকে। এই শ্ৰেণীকেইটাৰ লোকবোৰ হৈছে—শ্ৰমিক সৈনিক আৰু নাগৰিকসকল। শ্ৰমিকসকল সদায় ভোক আৰু ইচ্ছাবিলাকৰ পৰিচালিত হয়। ভালদৰে খাবলৈ থাকিবলৈ আৰু ভোগ কৰিবলৈ পালেই তেওঁলোক সন্তুষ্ট থাকে। মুঠতে বৈষয়িক সুখ সম্ভোগেই তেওঁলোকৰ কাম্য বস্তু। সৈনিকসকলৰ প্ৰধান গুণ হৈছে সাহস বা বীৰত্ব দেখুৱাবলৈ আগ্ৰহ। তেওঁলোকৰ প্ৰধান কাম হৈছে সমাজৰ ৰক্ষক হিচাপে সেৱা

আগবঢ়োৱা আৰু নাগৰিকসকলৰ কৰ্তব্য হৈছে ৰাষ্ট্ৰ শাসন কৰা। প্লেটোৱে কয় যে এই তিনিওটা শ্ৰেণীৰ লোকে নিজৰ নিজৰ কাম নিৰ্দিষ্ট স্থানৰপৰা কৰি থাকিলে আৰু এটা শ্ৰেণীৰ লোকে আনটো শ্ৰেণীৰ কামত হস্তক্ষেপ নকৰিলে ৰাষ্ট্ৰ এখনত ন্যায় প্ৰতিষ্ঠা হয়।

প্লেটোৰ ৰাজনৈতিক দৰ্শনৰ চৰম লক্ষ্য হৈছে ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা কৰা। তেওঁৰ মতে ৰাষ্ট্ৰ এখনত বাস কৰা লোকসকলৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বিৰাজ কৰি থাকিলেই ন্যায় প্ৰতিষ্ঠা হ'ব নোৱাৰে। ৰাষ্ট্ৰ এখনত প্ৰকৃত ন্যায় বিৰাজ কৰিবৰ লাগিলে ইয়াত প্ৰজা মানুহবোৰে যথেষ্ট পৰিমাণে যুক্তিৰদ্বাৰা পৰিচালিত হ'ব লাগিব আৰু স্বেচ্ছাই তেওঁলোকৰ ওপৰত অৰ্পণ কৰা কৰ্তব্যবোৰ মানি ল'ব লাগিব। প্লেটোৱে বিশ্বাস কৰিছিল যে শ্ৰমিক সকলেও তেওঁলোকলৈ আগবঢ়োৱা সাৰ্বজনীন ন্যায়ৰ কথা বুজি পালে স্বেচ্ছাই নিজৰ জীৱনৰ স্থান বাছি ল'ব পাৰিব।

প্লেটোৰ মতে এজন মানুহক তেওঁৰ প্ৰাপ্যাধিনি দিলেই সমাজত ন্যায় প্ৰতিষ্ঠা নহয়। তেওঁ যীশুখ্ৰীষ্টৰপৰা এটা বহল ন্যায়ৰ সূত্ৰ পাবলৈ আশা কৰিছিল য'ত বেয়াৰ বাবেও ভাল কৰিব পাৰি। এজন মানুহে এটা কাম তেওঁৰ সামৰ্থ্যৰে উৎকৃষ্টভাৱে কৰি এনেকুৱা সুখ পাবলৈ বিচাৰে যাৰদ্বাৰা তেওঁৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰ সুযোগ ঘটে। ব্যক্তিৰ নৈতিক পূৰ্ণতা লাভেই গণৰাজ্যৰ অন্তৰ্নিহিত উদ্দেশ্য আছিল। এই কাৰণেই বহু সমালোচকে প্লেটোৰ লিখনিক ৰাজনীতি বুলি মানি ল'ব খোজা নাছিল। এই সমালোচকসকলৰ মতে প্লেটোৱে মানৱ আত্মাৰ বিকাশৰ কাৰণেহে ৰাষ্ট্ৰৰ সংস্কাৰ সাধন কৰিবলৈ বিচাৰিছিল। দৰাচলতে এই সমালোচকসকলে প্লেটোক ভালদৰে বুজিব পৰা নাছিল। প্লেটোৱে কেতিয়াও পৰমাত্মাৰ বিকাশৰ কাৰণে ৰাষ্ট্ৰযন্ত্ৰৰ সংস্কাৰ সাধনৰ চিন্তা কৰা নাছিল। প্লেটোৱে যেতিয়া ন্যায়ক স্বাস্থ্য আৰু অন্যায়ক বেমাৰৰ লগত তুলনা কৰিছিল তেতিয়া তেওঁ একেলগে ব্যক্তি আৰু ৰাষ্ট্ৰৰ বিষয়ে কৈছিল। তেওঁৰ মতে এজন মানুহৰ স্বাস্থ্য ভাল হ'ব লাগিলে যুক্তিৰ দ্বাৰাই তেওঁৰ ভোক আৰু উত্তেজনা নিয়ন্ত্ৰণ কৰিব লাগিব। সেই একেদৰে ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা কৰিব লাগিলেও সদগুণীসকলে দেশৰ শাসন কাৰ্য্য হাতত লৈ যুক্তিৰদ্বাৰা শ্ৰমিক আৰু সৈনিকসকলৰ কাম নিয়ন্ত্ৰণ কৰিব লাগিব।

প্লেটোৱে পোষণ কৰা ন্যায়ৰ এই ধাৰণা গণৰাজ্যত দুবাৰ বিৰোধিতাৰ সন্মুখীন হৈছিল। থ্ৰেছিমেকাছ নামৰ ছফিষ্ট এগৰাকীয়ে কথোপকথনৰ মাজত সোমাই কৈছিল যে ন্যায়ৰ অৰ্থ আন একো নহয়—বলবান জনৰ স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থাহে। বলেহে কেৱল নিজৰ অধিকাৰ ৰক্ষা কৰিব পাৰে। চমুকৈ ক'বলৈ গ'লে চৰকাৰে কেৱল শাসকসকলৰ মংগলৰ কাৰণেহে কাম কৰে, শাসিতসকলৰ মংগলৰ কাৰণে নহয়। ছক্ৰেটিছে এইটোকে অন্যায় বুলি কৈছিল। কিন্তু

শাসকৰ বাবে এইটোৱেই ন্যায় আছিল। অৰ্থাৎ ন্যায়তকৈ অন্যায়ক শাসকে বেছি সন্মান কৰিছিল। ইয়াৰ উত্তৰ প্লেটোৱে এইদৰে দিছিল ঃ চিকিৎসকৰ কাম হৈছে ৰোগী আৰোগ্য কৰা ভেড়াৰখীয়াৰ কাম হৈছে ভেড়া পালন কৰা আৰু প্ৰকৃত শাসকৰ কাম হৈছে অকপটভাৱে জনসাধাৰণৰ মংগল সাধন কৰি যোৱা। অন্যায়ক ন্যায়তকৈ ভাল বুলি কোৱাৰ উত্তৰত তেওঁ কৈছিল—এজন ন্যায় পৰায়ণ লোক এজন অন্যায়কাৰীতকৈ শেষত বেছি সুখী আৰু বেছি ভাল হ'বই। কিয়নো সময়ত অন্যায়কাৰীজনৰ মনত অন্তৰ্দ্বন্দৰ সৃষ্টি হৈ তেওঁ ভেই পৰি মৰিবই। প্লোকনৰ মতে ন্যায় কোনো প্ৰাকৃতিক আইন নহয়, এক প্ৰকাৰৰ দেশাচাৰহে। তেওঁ ভাবে যে সকলো মানুহে অন্যায় কৰিবলৈ বিচাৰিব যদি কেৱল তেওঁকেই অন্যায় কৰিবলৈ অনুমতি দিয়া হয়। বাস্তৱ ক্ষেত্ৰত কিন্তু সেইটো নঘটে। এজনে অন্যায় কৰিব লাগিলে আন এজনৰ ক্ষতি সাধন কৰিহে তেওঁ অন্যায় কৰিব লাগিব। এই সমস্যাটোৰ এটাই মাত্ৰ সমাধানৰ উপায় আছে। সেইটো হৈছে ইজনে সিজনক অন্যায় নকৰো বুলি চুক্তিবদ্ধ হ'ব লাগিব আৰু চুক্তিটোৱেই হ'ব চৰকাৰৰ ভেটি। গতিকে এইটো মানুহেই ৰচনা কৰা এটা দেশাচাৰহে প্লেটোৱে বিশ্বাস কৰাৰ দৰে প্ৰাকৃতিক আইন নহয়।

প্লোকনৰ এই যুক্তিৰ উত্তৰ দিয়াটো সহজ নহয়। এই যুক্তিৰ উত্তৰ দিব লাগিলে প্লেটোৱে প্ৰমাণ কৰিব লাগিব যে ন্যায় হৈছে এটি সাৰ্বজনীন নীতি আৰু সকলো ভাল মানুহৰ বাবে সকলো ঠাইতে এইটো এটা অত্যাৱশ্যকীয় অৱস্থা। প্লোকনৰ যুক্তিৰ উত্তৰ দিবলৈ গৈ প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত ন্যায়ৰ প্ৰকৃতি কেনেকুৱা হ'ব লাগিব তাৰ সূক্ষ্ম বিচাৰ কৰিবলগীয়া হৈছিল। এই সমস্যাটো সমাধানৰ বাবে প্লেটোৱে গণৰাজ্যত ভালেমান ঠাই দিবলগীয়া হৈছিল আৰু ইয়াৰ বাবে তেওঁ যথেষ্ট মানসিক পৰিশ্ৰম কৰিবলগীয়া হৈছিল। ৰাষ্ট্ৰত সঁচাকৈ ন্যায় প্ৰতিষ্ঠা কৰিব পাৰিলে আৰু সেই ন্যায় প্ৰতিষ্ঠাৰদ্বাৰা সাৰ্বজনীন উপকাৰ সাধিত হ'লে প্লেটোৱে প্লোকনক মিছা প্ৰমাণিত কৰিব পাৰিলে-হেঁতেন। এতিয়া সমস্যা দুটা হৈছে—ন্যায় আৱিষ্কাৰ কৰা আৰু বাস্তৱত সেই ন্যায়ৰ সাপেক্ষিক মূল্য প্ৰদৰ্শন কৰা। এই ন্যায় আৱিষ্কাৰ কৰিবলৈ প্লেটোৱে যি পদ্ধতি অৱলম্বন কৰিছিল ৰাজনীতিত ইয়াক অৱশিষ্ট নিৰ্ণয় পদ্ধতি বুলি কোৱা হয়। ইয়াৰ অৰ্থ হৈছে, সকলোবোৰ আঁতৰ কৰি এটা বস্তু বিচাৰি উলিওৱা। প্লেটোৱে এইটো কৰিবলৈ গৈ প্ৰথমে ৰাষ্ট্ৰৰ সকলোবোৰ গুণ বিচাৰি উলিয়াইছিল। সেইবোৰ গুণ হৈছে—ভাবপ্ৰৱণতা, সাহস জ্ঞান আৰু ন্যায়। প্লেটোৱে ওপৰত কৈ অহা তিনি শ্ৰেণীৰ লোকৰ গাত প্ৰথম তিনিবিধ গুণ থকা বুলি কৈছে। প্লেটোৰ মতে ৰাষ্ট্ৰৰ এই চতুৰ্থবিধ গুণৰ ভূমিকাও বেলেগ। প্ৰথম তিনিবিধ গুণবিশিষ্ট আকাৰত প্ৰকাশ কৰিব পাৰি, কিন্তু ন্যায়ৰ চৰিত্ৰ বেলেগ। এইটো সকলোৰে অস্তিত্ব কাৰণ আৰু অৱস্থা। নিৰ্দিষ্টকৈ কবলৈ

গ'লে এইটো হৈছে সকলোৱে নিজৰ কামত আত্মনিয়োগ কৰি থাকিবলৈ ইচ্ছা কৰা আৰু আনৰ কামত হস্তক্ষেপ কৰিবলৈ ইচ্ছা নকৰা গুণ। এনেকুৱা ন্যায় প্ৰতিষ্ঠা হ'লে সকলোৰে বাবে মংগল। নিজৰ বাবে যোগ্য কামৰপৰা আঁতৰি গৈ আনৰ কামত হস্তক্ষেপ কৰাৰ ফলত কাজিয়া-পেচাল আৰু ধ্বংসৰ পথ মুকলি হয়। প্লেটোৰ মতে ন্যায় ৰক্ষিত হ'লেহে মানুহৰ আন আন গুণবোৰৰ বিকাশ সাধন হ'ব পাৰে।

নাগৰিকসকলে কি ধৰণৰ জীৱন-যাপন কৰা উচিত সেই বিষয়েও প্লেটোৱে যথেষ্ট কৈ গৈছে। তেওঁলোকৰ শিক্ষা পৰিয়ালৰ সম্পৰ্ক সম্পত্তিৰ অধিকাৰ আদিৰ বিষয়েও গণৰাজ্যত দীঘলীয়া আলোচনা কৰা হৈছে। নাগৰিকসকলৰ শিক্ষাৰ বিষয়ে ইয়াত ইমান সুশৃংখলভাৱে আৰু দীঘলীয়াকৈ আলোচনা কৰা হৈছে যে গণৰাজ্যখনক বহুতে শিক্ষা বিষয়ৰ গ্ৰন্থ বুলিও ভুল কৰিব খোজে। আনকি বিখ্যাত ৰাজনীতিবিদ ৰুছোৱেও শিক্ষা বিষয়ৰ গ্ৰন্থবোৰৰ ভিতৰত প্লেটোৰ গণৰাজ্য'ক উচ্চস্থানত বহুৱাইছিল। এইটো কথা সঁচা যে প্লেটোৱে শিক্ষা ব্যৱস্থাৰ ওপৰত সম্ভৱপৰ সম্পূৰ্ণ গুৰুত্ব দিছিল। তেওঁ বিশ্বাস কৰিছিল যে শিক্ষাৰ ব্যৱস্থাও এনে এপাট অস্ত্ৰ যাৰদ্বাৰা কলংক আৰু অসম্পূৰ্ণতাৰে ভৰা সমাজক নতুন ঠাঁচত গঢ়ি তুলিব পাৰি। তেওঁৰ মতে সকলো অস্ত্ৰ ব্যৰ্থ হ'লেও সময়ৰ অভাৱ নহ'লে শিক্ষাৰদ্বাৰা কাৰ্য্য সিদ্ধি কৰিব পাৰি।

প্লেটোৱে শ্ৰমিক সৈনিক নাগৰিক সকলো শ্ৰেণীৰ লোকৰ ল'ৰা-ছোৱালীৰ বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ব্যৱস্থা কৰিবলৈ কৈছিল। তেওঁ প্ৰশিক্ষণক দুটা ভাগত ভাগ কৰিছিল। প্ৰথম ভাগত মনৰ প্ৰশিক্ষণৰ কথা কৈছিল আৰু সংগীত শিৰোনামাৰে তেওঁ এই প্ৰশিক্ষণ দিয়াৰ কথা ভাবিছিল। সংগীতৰ প্ৰশিক্ষণ লওঁতে শিকাৰুসকলে কবিতা আৰু অন্যান্য সাহিত্যও পঢ়িব লগা হৈছিল আৰু গীত গোৱাৰ লগতে বাদ্যও বজাব লাগিছিল। কোনো প্ৰকাৰৰ অনিষ্ট সাধনকাৰী সাহিত্য কবিতা আৰু সংগীত চৰ্চা কৰিবলৈ দিয়া নহৈছিল। দ্বিতীয়টো প্ৰশিক্ষণ আছিল ব্যায়ামৰ। ইয়াৰ ভিতৰত আছিল আত্মনিয়মানুবৰ্ত্তিতাৰ শিক্ষা আৰু অন্যান্য পুৰুষোচিত গুণবোৰ আয়ত্ত কৰা। ল'ৰাকালৰ শেষলৈকে এই শিক্ষা চলি আছিল। এই সময়ছোৱা শেষ হোৱাৰ পাছত বেছিভাগ শিকাৰুৱে শিক্ষা সাং কৰি শ্ৰমিকশ্ৰেণীৰ কামত ভৰ্ত্তি হয় আৰু যিসকল শিকাৰুৰ উচ্চশিক্ষা গ্ৰহণ কৰিবলৈ সামৰ্থ্য আৰু প্ৰবল ইচ্ছা থাকে তেওঁলোকক উচ্চশিক্ষাৰ বাবে প্ৰস্তুত কৰা হয়। শিক্ষাৰ দ্বিতীয় সময়ছোৱা আৰম্ভ হয় ২০ বছৰৰপৰা ৩০ বছৰলৈকে। এই সময়ৰ শিক্ষাৰ বাবে মতা তিৰোতা উভয়ে নিৰ্বাচিত হ'ব পাৰে। এই সময়ছোৱাৰ শিক্ষাত পাঠ্যক্ৰমৰ উল্লেখযোগ্য উন্নতি পৰিলক্ষিত হয়। এই সময়ছোৱাত তৰ্কশাস্ত্ৰ গ্ৰহ বিজ্ঞান আৰু গণিতশাস্ত্ৰ অধ্যয়ন কৰিব লাগে। ৩০ বছৰৰপৰা ৩৫ বছৰলৈ সময়ছোৱাৰ শিক্ষাত দৰ্শনৰ ওপৰত অধিক মনোযোগ দিয়া

হয় আৰু ইয়াতে দ্বন্দ্বমূলক চিন্তাৰ প্ৰশিক্ষণ দিয়া হয়। ইয়াৰ পাছত ১৫ বছৰীয়া শিকাৰুসকলৰ ভিতৰত উৎকৃষ্টবোৰক চৰকাৰ চলোৱা আৰু যুদ্ধ চলোৱা কামত নিয়োগ কৰা হয়। তাতে তেওঁলোকে চৰকাৰ আৰু যুদ্ধৰ বিষয়ে প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰিব পাৰে। ৫০ বছৰ বয়সত যিসকলে সকলোবোৰ পৰীক্ষাত যোগ্যভাৱে উত্তীৰ্ণ হ'ব পাৰে তেওঁলোকৰ [illegible] নাগৰিকৰ দায়িত্ব অৰ্পণ কৰা হয়। এই সময়তহে তেওঁলোকৰ চকুৱে সাৰ্বজনীনতাৰ পোহৰ দেখ [illegible] পায় আৰু ৰাষ্ট্ৰত ন্যায় আৰু শৃংখলা বজাই ৰাখিবলৈ দায়িত্ব বহন কৰিব দিয়া হয়। নাগৰিকৰ দায়িত্ব পালন কৰিবলৈ তেওঁলোকক চিন্তা কৰিবলৈ আৰু ভাবৰ ওপৰত প্ৰতিফলন পেলাবলৈ সময়ো দিয়া হয়। সময় আহিলে তেওঁলোক ৰাজনীতিত অংশ গ্ৰহণ কৰিব লাগে আৰু জনকল্যাণৰ কাৰণে শাসনদণ্ড হাতত ল'ব লাগে।

পৰিয়ালৰ সম্বন্ধ সম্পৰ্কে প্লেটোৱে কৈছিল যে শ্ৰমিকসকলৰ ব্যক্তিগত পৰিয়াল থাকিব আৰু তেওঁলোকৰ মাজত বিবাহ প্ৰথা চলি থাকিব। কিন্তু নাগৰিকসকলৰ ক্ষেত্ৰত সেইটো হ'ব নোৱাৰে। প্লেটোৱে যুক্তি দেখুৱাইছিল যে নাগৰিকসকলে তেওঁলোকৰ কৰ্তব্য কৃতকাৰ্যতাৰে সম্পন্ন কৰিব লাগিলে তেওঁলোক সম্পূৰ্ণৰূপে স্বাৰ্থহীন হ'ব লাগিব। আনকি তেওঁলোকে নিজৰ ল'ৰা ছোৱালীৰ ক্ষেত্ৰতো পক্ষপাতিতা অৱলম্বন কৰিব নোৱাৰে। এনেকুৱা পক্ষপাতিত্বৰ দ্বাৰাও তেওঁলোকৰ ৰাষ্ট্ৰীয় কৰ্তব্য পালনত অসুবিধাৰ সৃষ্টি হ'ব পাৰে। সেই গতিকে প্লেটোৱে তেওঁলোকৰ বাবে পৰিয়ালৰ সমষ্টিবাদৰ পোষকতা কৰিছিল। সকলো মতা তিৰোতা ল'ৰা ছোৱালী একেলগে থাকিব আৰু সকলোৱে এটা সমূহীয়া জীৱন যাপন কৰিব। ইয়াৰ ফলত অন্যান্য কিছুমান অসুবিধাৰ সৃষ্টি হ'ব। তিৰোতাসকল দৈনন্দিন জীৱনত চলি থকা পৰিয়ালৰ জীৱনৰ পৰা মুক্ত হ'ব আৰু তেওঁলোকে যোগ্যতা অনুসাৰে সমাজত নিজৰ স্থান অধিকাৰ কৰি ল'ব পাৰিব। পৰিয়ালৰ সমষ্টিবাদ চলিলে সম্ভৱ উৎকৃষ্ট সন্তান জন্ম দিবলৈ পুৰুষ তিৰোতা বাছি লোৱাতো সুবিধা হ'ব। এইটোৱে প্লেটোক বৰ বেছিকৈ আকৰ্ষণ কৰিছিল। তেওঁ বিশ্বাস কৰিছিল যে উৎকৃষ্ট সন্তানৰ জন্ম হ'লেহে উৎকৃষ্ট বুদ্ধি বৃত্তিসম্পন্ন অৰ বীৰ লোকৰ সৃষ্টি হ'ব।

প্লেটোৱে কেৱল প্ৰচলিত বিবাহ পদ্ধতিৰ আপত্তি কৰা নাছিল তেওঁ প্ৰচলিত ব্যক্তিগত সম্পত্তি ব্যৱস্থাৰো ঘোৰ বিৰোধিতা কৰিছিল। এক বিবাহ আৰু এক পৰিয়ালকো তেওঁ ব্যক্তিগত সম্পত্তিৰ ভিতৰত ধৰিছিল। তেওঁৰ মতে ইয়াৰ ফলত হিংসা পৰশ্ৰীকাতৰতা আৰু লোভ মোহৰ সৃষ্টি হয়। নাগৰিকসকলৰ এটাই মাত্ৰ প্ৰধান কৰ্তব্য সেইটো হৈছে ৰাষ্ট্ৰৰ উন্নতি সাধন কৰা। ব্যক্তিগত পৰিয়াল আৰু ব্যক্তিগত সম্পত্তি থাকিলে তেওঁলোকে দায়িত্বপালনত অসুবিধা পাব। সেই গতিকে এই দুটা ব্যক্তিগত অনুষ্ঠান উঠাই দিব লাগে। প্লেটোৰ মতে নাগৰিক-

সকলৰ কোনো ব্যক্তিগত সম্পত্তি থাকিব নালাগে। তেওঁলোকে চৰকাৰী ঘৰত থাকিব লাগে আৰু চৰকাৰী খাদ্য চৰকাৰী ভোজনালয়ত খাব লাগে। শ্ৰমিকসকলে তেওঁলোকৰ আৱশ্যকতাখিনিৰ যোগান ধৰিব লাগে।

প্লেটোৱে পোনপ্ৰথমে ভাল আৰু বেয়া দুটা ভাগত চৰকাৰৰ শ্ৰেণী বিভাগ কৰিছিল। তেওঁৰ মতে ভাল চৰকাৰ বেয়া চৰকাৰলৈ অধঃপতিত হব পাৰে। তাৰ পাছত আকৌ এখন ভাল চৰকাৰলৈ ৰূপান্তৰিত হ'ব পাৰে। সৰ্বাংগসুন্দৰ অভিজাততন্ত্ৰক তেওঁ ভাল চৰকাৰবোৰৰ ভিতৰত শীৰ্ষ স্থানত বহুৱাইছিল। জ্ঞানীসকলে ন্যায়বদ্বাৰা অনুপ্ৰাণিত হৈ এই চৰকাৰৰ শাসনভাৰ গ্ৰহণ কৰিছিল। ইয়াৰ পিছত তেওঁৰ মতে দ্বিতীয় ভাল চৰকাৰ আছিল আঢ্যতন্ত্ৰ (timocracy)। ইয়াত শাসকশ্ৰেণীটো ন্যায়ৰ পৰিবৰ্তে যশস্যা বা সন্মান লাভৰদ্বাৰা প্ৰভাবান্বিত হয়। ইয়াৰ পিছতে আছে স্বল্পতন্ত্ৰ (oligarchy)। ইয়াৰ অধীনত ৰাজনৈতিক ক্ষমতা সম্পত্তিশালী লোকসকলৰ হাতলৈ আহে। স্বল্পতন্ত্ৰত শাসকসকলৰ অত্যাচাৰত জনসাধাৰণ অতীষ্ঠ হৈ উঠিলে তেওঁলোকৰ মাজত জাগৰণৰ সৃষ্টি হয় আৰু ইয়াৰ পিছত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠা হয়। গণতান্ত্ৰিক চৰকাৰৰ অধীনত স্বাধীনতাৰ অপপ্ৰয়োগ হ'লে অৰাজকতাৰ সৃষ্টি হ'ব পাৰে। সকলোবে তলত যিখন চৰকাৰৰ স্থান সেইখনেই হৈছে অত্যাচাৰী শাসন (tyranny)। জনসাধাৰণৰ মাজত যেতিয়া বিৰাট অনৈক্যই দেখা দিয়ে তেতিয়া এজন শক্তিশালী শাসনকৰ্তাৰ প্ৰয়োজন হয়। তেওঁৰ শাসনকে অত্যাচাৰী শাসন বোলা হয়। প্লেটোৱে এই শাসনক আটাইতকৈ নিকৃষ্ট চৰকাৰ বুলি কৈছে।

ৰাজনীতিবিদ নামৰ গ্ৰন্থত প্লেটোৱে কেৱল আদৰ্শ ৰাষ্ট্ৰৰ কথা নকৈ সম্ভৱপৰ ভাল ৰাষ্ট্ৰৰ কথা বোলিছকৈ কৈছে। ইয়াত তেওঁ আদৰ্শ শাসনকৰ্তা আৰু ৰাজনীতিবিদৰ লগত প্ৰভেদ বিচাৰি উলিয়াইছে ৰাষ্ট্ৰৰ সাপেক্ষিক বিজ্ঞান আৰু প্ৰকৃত শাসন পদ্ধতিৰ মাজত প্ৰভেদ দেখুৱাইছে। গণৰাজ্য'ত প্ৰকাশ কৰা তেওঁৰ ধাৰণাবোৰ ৰাজনীতিবিদ'ত নিৰ্দিষ্ট আৰু স্পষ্টভাৱে তেওঁ ব্যাখ্যা কৰিছে। ইয়াত তেওঁ কৈছে যে প্ৰকৃত ৰাজনীতিবিদ হৈছে সকলো কালৰ পৰা বিজ্ঞ দাৰ্শনিক আৰু ৰাজনীতিৰ লক্ষ্য হৈছে সদগুণ আৰু ন্যায়ৰদ্বাৰা জন সাধাৰণক শিক্ষিত কৰি তোলা। সেই গতিকে এজন আদৰ্শবান শাসনকৰ্তা পালে কোনো আইনৰ প্ৰয়োজন নাই কিয়নো তেনে এজন শাসনকৰ্তা সকলো বেয়া গুণৰপৰা মুক্ত হ'ব। কিন্তু তেনে এজন শাসনকৰ্তা পোৱাটো কোনো পধ্যে সম্ভৱপৰ নহয় কাৰণে লিখিত আইন কানুন আৰু দেশাচাৰৰ গুৰুত্ব আছে। কিয়নো এইবোৰেই হৈছে বাস্তৱজ্ঞান আৰু অভিজ্ঞতাৰ বাহিঃপ্ৰকাশ। সেই গতিকে ত্ৰুটীবিশিষ্ট চৰকাৰী ব্যৱস্থাত আইন মানি চলাৰ প্ৰয়োজন আছে।

এইবোৰ ধাৰণাৰ ভিত্তিত প্লেটোৱে চৰকাৰৰ আৰু এটা শ্ৰেণীবিভাগ

কৰিছে। ইয়াত তেওঁ চৰকাৰী ক্ষমতা প্ৰয়োগ কৰা লোকৰ সংখ্যা আৰু তেওঁলোকে মানি চলা আইনৰ পৰিমাণৰ ওপৰত গুৰুত্ব দিছে। ইয়াত তেওঁ কৈছে যে চৰকাৰে আইন মানি চলিলে ৰাজতন্ত্ৰই আটাইতকৈ ভাল চৰকাৰ আৰু শ্ৰেণীতন্ত্ৰই আটাইতকৈ বেয়া চৰকাৰ। অভিজাততন্ত্ৰৰ স্থান এই দুয়োটাৰ মাজত। চৰকাৰে আইন মানি নচলিলে গণতন্ত্ৰ আটাইতকৈ ভাল চৰকাৰ আৰু স্বেচ্ছাচাৰতন্ত্ৰ আটাইতকৈ বেয়া চৰকাৰ স্বল্পতন্ত্ৰৰ স্থান এই দুয়োটাৰ মাজতে। এজনৰ শাসন আটাইতকৈ ভাল হ'ব পাৰে আৰু আটাইতকৈ বেয়াও হ'ব পাৰে। তেনেকৈ অভিজাততন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ স্থান মাজত। এইবোৰ চৰকাৰো ভালো হ'ব পাৰে আৰু বেয়াও হ'ব পাৰে। আইনত প্লেটোৰ ব্যৱহাৰিক ৰাজনীতিৰ ক্ষেত্ৰৰ পৰাও এখোজ আগবাঢ়ি গৈছে। ইয়াত তেওঁ ভালদৰে বুজি পাইছে যে ত্ৰুটীবিশিষ্ট মানুহৰ মাজত এখন আদৰ্শ চৰকাৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ নহয় আৰু সেই কাৰণে আইনৰ শাসন প্ৰতিষ্ঠা কৰিব লাগিব। সেই বাবে ইয়াত তেওঁ এটা বিধিসন্মত ব্যৱস্থাৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে সেই ব্যৱস্থাটো প্ৰৱৰ্তন কৰিলে শুভ ফল পোৱা যাব। ইয়াত তেওঁ আগৰ সিদ্ধান্তৰ কিছু পৰিবৰ্তন কৰিছে। 'আইনত' তেওঁ কঠোৰ চৰকাৰী নিয়ন্ত্ৰণৰ অধীনত নাগৰিকসকলক ব্যক্তিগত সম্পত্তি আৰু পাৰিবাৰিক জীৱন উপভোগ কৰিবলৈ অনুমতি দিছে। শিক্ষা ব্যৱস্থাৰ ওপৰত চৰকাৰী নিয়ন্ত্ৰণ ইয়াত কিছু পৰিমাণে ঢিলাই দিয়া হৈছে যদিও নাগৰিকসকলৰ বৌদ্ধিক উন্নতি আৰু শাৰীৰিক স্বাৰ্থ ৰক্ষাৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণ বাহাল ৰখা হৈছে। শাসনৰ কৰ্তৃত্ব ইয়াত কেৱল বুদ্ধিমত্তাৰ ওপৰত ভিত্তি কৰিয়েই দিবলৈ কোৱা হোৱা নাছিল মাটি সম্পত্তিৰ অধিকাৰৰ ভিত্তিত জনসমষ্টি ভাগ কৰি লৈ তাৰ ওপৰতো চৰকাৰী কৰ্তৃত্ব অৰ্পণ কৰিবলৈ উপদেশ দিয়া হৈছিল। প্লেটোৱে ইয়াত ৰাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ দোষবোৰ নথকা আন এটা চৰকাৰী ব্যৱস্থাৰ প্ৰস্তাৱ আগবঢ়াইছিল। তেওঁ ইয়াত কৈছিল যে শাসকৰ স্বেচ্ছাচাৰী কৰ্তৃত্বক বাধা দিব পাৰি আৰু গণতন্ত্ৰত নাগৰিকসকলে উপভোগ কৰা স্বাধীনতাৰ ফলত অৰাজক অৱস্থাৰ সৃষ্টি হ'ব নোৱাৰিব। প্ৰতিজন নাগৰিকে চৰকাৰত অংশ গ্ৰহণ কৰিবলৈ সুযোগ পাব লাগিব যদিও সেই সুযোগ তেওঁ তেওঁৰ সামৰ্থ্য অনুযায়ীহে লাভ কৰিব। আইনত প্লেটোৰ শাসন পদ্ধতিৰ বিস্তাৰিত বিৱৰণ দাঙি ধৰিছে। ইয়াত তেওঁ অভিজাততন্ত্ৰ আৰু গণতন্ত্ৰৰ উপাদানবোৰৰ সমাৱেশ ঘটাই বহুল ভিত্তিত অপৰিমিত ব্যৱহাৰিক বাধা দিয়াৰ ব্যৱস্থা কৰি ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষা কৰিবলৈ বিচাৰে।

দ্বিতীয় অধ্যায়

প্লেটোৰ গণৰাজ্য

জীৱনৰ বেলেগ বেলেগ সময়ত প্লেটোৱে একোখন মূল্যবান গ্ৰন্থ লিখি থৈ গৈছে। ইয়াৰে প্ৰথমছোৱা সময় আছিল তেওঁৰ জীৱনৰ ৪০ বা ৪১ বছৰ বয়সলৈ ক। এই সময়ছোৱাৰ ভিতৰত সৃষ্টি হোৱা তেওঁৰ লিখনিবোৰ আছিল বৰ সবল আৰু তেজস্বী। এই লিখনিবোৰত নাটকীয় কলাসুলভ সম্ভাৱো মিহলি হৈ আছিল। এই সময়ছোৱাৰ পিছতহে তেও তেওঁৰ বিখ্যাত স্কুলখন এথেন্সত প্ৰতিষ্ঠা কৰিছিল। ৬৭ বছৰ বয়সৰপৰা ৮১ বছৰ বয়সৰ ভিতৰত তেও ভালেমান গ্ৰন্থ ৰচনা কৰিছিল। সেইবোৰৰ ভিতৰত আছিল ৰাজনীতি (Politics) আৰু আইন। আইনখন তেওঁ নিশ্চয় খ্ৰীঃ পূঃ ৩৬০ চনৰপৰা তেওঁৰ মৃত্যুৰ পূৰ্বে ৰচনা কৰিছিল।

৩৬টা কথোপকথনৰ নাম থকা এখন তালিকা আছে। এই তালিকাখনত নাম থকা বিষয়বোৰৰ ওপৰত প্লেটোৱে তেওঁৰ মন্তব্য দাঙি ধৰিছিল বুলি কোৱা হয়। এই বিষয়বোৰত প্লেটোৰ দৰ্শন আৰু চিন্তা সন্নিৱিষ্ট হৈ থকাটো ধ্ৰুপ। এই বিষয়বোৰ তেওঁৰ জীৱনৰ বেলেগ বেলেগ সময়ত ৰচনা কৰা হৈছিল কাৰণে এই বোৰত তেওঁৰ বেলেগ বেলেগ চিন্তা ফুটি ওলাইছিল। তেও ডেকাকালত লিখা বিষয়বোৰত ছক্ৰেটিছৰ প্ৰভাৱ বাৰুকৈয়ে পৰিছিল। তেও নিজৰ স্কুলত থাকি যিবোৰ গ্ৰন্থ লিখিছিল সেইবোৰত তেওঁৰ নিজস্ব চিন্তা আৰু তত্ত্ব ফুটি ওলাই ছিল। তেওঁৰ পিছৰ লিখাবোৰত ছফিষ্টসকলৰ প্ৰভাৱ পৰাও দেখিবলৈ পোৱা যায়।

তেওঁৰ গণৰাজ্য সেই যুগৰ এখন অতি মূল্যবান গ্ৰন্থ। বৰ্তমান যুগতো ইয়াৰ মূল্য কোনোগুণে কমা নাই। এই পুথিখনৰ যথাৰ্থতাৰ ওপৰত কোনেও গুৰুত্বপূৰ্ণ সন্দেহ প্ৰকাশ কৰা নাই। বৰং ইয়াৰ সমৰ্থনত বহুতো সমসাময়িক যুগৰ সাক্ষ্যহে পোৱা যায়। সেইদৰে তেওঁৰ আইনৰ যথাৰ্থতা প্ৰমাণিত হৈছে। স্বয়ং এৰিষ্টটলেই ইয়াৰ সাক্ষ্য দাঙি ধৰিছে। তেওঁৰ ৰাজনীতি অলপ সন্দেহ জনক। সম্ভৱতঃ এই গ্ৰন্থখন গণৰাজ্য অৰু আইন লিখাৰ মাজৰ সময়খিনিত ৰচনা কৰা হৈছিল।

শ্লেৰিমেকাৰৰ মতে প্লেটোৱে তেওঁৰ গ্ৰন্থবোৰ ৰচনা কৰিবলৈ মনতে এটা সাধাৰণ আৰু সুসংহত আঁচনি কৰি লৈ ছিল। এই আঁচনি অনুসৰিহে তেও গ্ৰন্থ বোৰ ৰচনা কৰি গৈছিল। কিন্তু বৰ্তমান যুগৰ প্লেটোৰ বহুতো ছাত্ৰই এই মতটো

গ্ৰহণ কৰিবলৈ টান পায়। তথাপি তেওঁৰ গ্ৰন্থবোৰ সাৱধানে অধ্যয়ন কৰিলে আৰু তেওঁৰ মতবাদবোৰ ভালদৰে বিশ্লেষণ কৰিলে তেওঁৰ মতবাদবোৰত কোনো মৌলিক ব্যৱধান দেখিবলৈ পোৱা নাযায়। উদাহৰণস্বৰূপে তেওঁৰ 'গণৰাজ্য' আৰু আইনৰ কথাকে উল্লেখ কৰিব পাৰি। বিভিন্ন সময়ত তেওঁৰ ধাৰণাবোৰৰ ওপৰত গুৰুত্ব দিয়াৰ পৰিমাণ প্লেটোৱে কম বেছি কৰিছিল যদিও তাৰদ্বাৰা তেওঁৰ মূল ধাৰণাবোৰৰ কোনো মৌলিক পৰিৱৰ্তন হোৱা নাছিল। ইয়াৰ প্ৰমাণ তেওঁৰ আইনত পোৱা যায়। আইনত তেও তেওঁৰ সবাতোকৈ মৌলিক আৰু আশ্চৰ্য্যজনক তত্ত্ব পৰিয়ালৰ সমস্বত্ববাদ আৰু সম্পত্তিৰ সাম্যবাদক একেবাৰে বাদ দিয়া নাছিল। আইনত তেও পুনৰ দোহাৰি কৈছিল যে— Whether there is now or ever will be this community of women and children and of property—I say that no man, acting upon any other principle will ever constitute a state more exalted in virtue or truer or better than this"

প্লেটোৰ গ্ৰন্থবোৰত ৰাজনীতি বিজ্ঞানৰ বাবে অত্যাৱশ্যকীয় ৰাষ্ট্ৰৰ বিষয়ে নিৰ্দিষ্ট বৰ্ণনা আৰু সংক্ষিপ্ত সংকল্পনাৰ অভাৱ দেখিবলৈ পোৱা যায়। ফ্ৰেডেৰিক পলকৰ মতে প্লেটোৰ গণৰাজ্যক দৰ্শনসুলভ কল্পনাৰ এটি অতি উজ্জ্বল অনুশীলনী বুলি বিবেচনা কৰিব লাগে ই ৰাজনীতি বিজ্ঞানলৈ কোনো ডাঙৰ বৰঙণি নহয়। কিয়নো প্লেটোৱে ইয়াত ৰাষ্ট্ৰৰ বিষয়ে কোনো মতবাদ স্পষ্টভাৱে দাঙি ধৰা নাই।

প্লেটোৰ গণৰাজ্যখন গ্ৰীক শব্দ Politeia ৰূপৰ অনুবাদ কৰা হৈছে। এই শব্দটোৰ সাধাৰণ অৰ্থ গণৰাজ্য নহয়। সাধাৰণতে এই শব্দটোৰ অৰ্থ হৈছে ৰাজনৈতিক সংবিধান। আইনখনৰ কথা বাদ দিলে এইখনেই তেওঁৰ আটাইতকৈ দীঘলীয়া গ্ৰন্থ আৰু এইখনকেই তেওঁৰ আটাইতকৈ মূল্যবান গ্ৰন্থ বুলি গণ্য কৰা হয়। পৰিণত বয়সত প্লেটোৱে এই গ্ৰন্থখন লিখি উলিয়াইছিল। গ্ৰন্থখন লিখি শেষ কৰাৰ সময়ত তেওঁৰ বয়স ৪০ বছৰ হৈছিল। গণৰাজ্যক কেন্দ্ৰ কৰিয়েই প্লেটোৱে তেওঁৰ আন আন গ্ৰন্থবোৰ ৰচনা কৰিছিল। গণৰাজ্যত প্লেটোৰ ধাৰণাৰ যি প্ৰসস্ততা লিখাৰ যি নিপুণতা আৰু জ্ঞানৰ যি গভীৰতা দেখিবলৈ পাইছে আন কোনোখন গ্ৰন্থত তেওঁ সেই যোগ্যতা আৰু পৰিপক্কতা দেখুৱাব পৰা নাই। গণৰাজ্যখন পঢ়িলে তেওঁৰ আশ্চৰ্য্যজনক প্ৰতিভা অসাধাৰণ কল্পনাশক্তি আৰু সাৰ্বজনীন চিন্তা চৰ্চাৰ পৰিচয় পোৱা যায়। গণৰাজ্যত কেৱল এটা যুগৰ নহয় সমস্ত যুগৰ সকলো সময়ৰ আৰু নতুন আৰু পুৰণি ধাৰণাৰ সমন্বয় ঘটিছে। ই ৰাজনীতিৰ লগত দৰ্শনৰ সংযোগ ঘটাইছে জীৱনৰ লগত কল্পনাক মেৰখুৱাই ৰাখিছে। পুৰণি গ্ৰিক দৰ্শনক ই সৰ্বোচ্চ স্থানলৈ লৈ আহিছে। দৰ্শন ৰাজনীতি আৰু শিক্ষাৰ আদৰ্শৰ ক্ষেত্ৰত 'গণৰাজ্য' সকলোৱে

পিতৃস্বৰূপ। চিন্তাৰ বিকাশ সূত্ৰ উদ্ভাৱন বৈপৰীত্যৰ আইন প্ৰণয়ন তৰ্কত যুক্তি প্ৰদৰ্শন আৰু সকলো মৌলিক আৰু আকস্মিক ধাৰণাৰ উন্নতি সাধনৰ বাবে গণৰাজ্যত সমল ভাব আছে। গণৰাজ্যত তেওঁৰ যুক্তিবোৰ দাঙি ধৰাৰ সময়ত প্লেটো এজন নিপুণ শিল্পীৰূপে দেখা দিছিল। তাত তেওঁ কঠিন আৰু বিবদমান প্ৰশ্ন আৰু সমস্যাবোৰৰ উত্তৰ তৎকালীনভাৱে দিদি উন্নত আৰু উত্তৰোত্তৰ অনুসন্ধানৰ বাবে ৰাখিছিল। পাঠকসকলে এটা কঠিন সমস্যাৰ ওপৰত দখল স্থাপন কৰিব নোৱৰা পৰ্য্যন্ত দ্বিতীয় এটা কঠিন সমস্যা সমাধানৰ বাবে দিয়া নাছিল আৰু তেওঁ নিজেই কঠিন সমস্যাবোৰৰ সমাধানৰ বাবে কঠিন উপায় অবলম্বন কৰিছিল।

নেটেলাচপৰ ভাষাত গণৰাজ্য মানৱ জীৱনৰ নাটকীয় দৰ্শন। গণৰাজ্যত প্লেটোৱে মানুহৰ প্ৰকৃতি অধ্যয়ন আৰু বিশ্লেষণৰ দায়িত্ব হাতত লৈছিল আৰু ইয়াৰদ্বাৰা তেওঁ দেখুৱাইছিল যে সামাজিক সংগঠন আৰু সামাজিক নৈতিকতাৰ প্ৰকৃত ভেটি হৈছে মানুহৰ আচল গঠন। আচলতে গোটেই গণৰাজ্যখনত প্লেটোৰ মনোবিজ্ঞানৰ ফলৰপৰা মানুহৰ প্ৰকৃতি বিশ্লেষণৰ আপ্ৰাণ চেষ্টা কৰিছে যিবোৰ বিষয়ৰ ওপৰত তেওঁৰ অধ্যয়ন আৰু বিশ্লেষণ সন্নিবিষ্ট কৰা হৈছিল সেইবোৰ বিষয় আছিল—সমাজৰ সকলোবোৰ অনুষ্ঠান শ্ৰেণী সংগঠন আইন ধৰ্ম কথা আদি। প্লেটোৰ মতে এই সকলোবোৰেই মানুহৰ প্ৰকৃতিৰপৰা হোৱা বস্তু। তেওঁ বিশ্বাস কৰে যে জীৱনৰ এটা অন্তৰ্নিহিত নীতিয়ে বিভিন্ন ৰূপত সকলোতে কাম কৰি আছে। ব্যক্তিয়ে যেতিয়া তেওঁৰ সৰ্বোচ্চ ক্ষমতা আৰু সামৰ্থ্য লাভ কৰিব পাৰিব তেতিয়া সামাজিক সংগঠন আৰু অনুষ্ঠানৰ ৰূপ কি হ'ব তাৰো বৰ্ণনা প্লেটোৱে গণৰাজ্যত দি গৈছে। মানুহে কেনেকৈ তেওঁৰ প্ৰকৃত সত্তা লাভ কৰিব পাৰে আৰু কেনেকৈ এটা সুখৰ জীৱন যাপন কৰিব পাৰে তাৰো নীতিগত পৰামৰ্শ প্লেটোৱে দি গৈছে। ইয়েই হৈছে মানুহৰ জীৱনৰ নৈতিক আৰু বৈষয়িক অধ্যয়নৰ মূল ভেটি। ষ্টলবমৰ মতে গণৰাজ্যই ন্যায়ৰদ্বাৰা বিশুদ্ধীকৃত এখন ৰাষ্ট্ৰৰ মানুহৰ জীৱনৰ সঠিক প্ৰতিনিধিত্ব কৰিছে যিখন ৰাষ্ট্ৰৰ শাসনৰ মূলমন্ত্ৰ হৈছে ভালৰ ধাৰণা। গণৰাজ্যত এখন আদৰ্শ সমাজৰ চিত্ৰ দাঙি ধৰা হৈছে। এই আদৰ্শ সমাজখনক বহুতে অবাস্তৱ কাল্পনিক সমাজ বুলি কব খোজে। সেয়ে হ'লেও গণৰাজ্যই প্লেটোৰ দিনৰ সমাজত বিৰাজ কৰি থকা অৱস্থাৰ তীক্ষ্ণ সমালোচনা আগবঢ়াইছে। শেষলৈকে প্লেটোৱে গণৰাজ্যত ৰূপায়িত কৰা আদৰ্শৰ ওপৰতে খামোচ মাৰি ধৰি আছিল। ৰাজনীতি আৰু আইনত তেওঁৰ দ্বিতীয় উৎকৃষ্ট চিন্তাৰহে অভিব্যক্তি ঘটিছিল। পাছত তেওঁ কিছুমান ব্যৱহাৰিক অসুবিধা দেখা পাইছিল আৰু সেই কাৰণে সেই অসুবিধাবোৰৰপৰা হাত সাৰিবলৈ তেওঁ ৰাজনীতি আৰু আইনত গণৰাজ্যত থকা আদৰ্শৰপৰা সাময়িক ভাৱে অলপ ফালৰি কাটি আহিছিল। তথাপি প্লেটোৱে গণৰাজ্যত উত্থাপন কৰা

কোনো কথা উঠাই লোৱা নাছিল কেৱল বাস্তৱ অভিজ্ঞতাৰ ভিত্তিত নতুন কথাৰ অৱতাৰণা কৰিছিল।

প্লেটোৱে গণৰাজ্যত উল্লেখ কৰা প্ৰধান প্ৰধান চৰিত্ৰবোৰ হৈছে— চেফালাচ পলিমাৰ্কাচ থ্ৰেচিমেকাছ প্লোকন এডিমেণ্টাছ আৰু ছক্ৰেটিছ। প্ৰথম খণ্ডৰ শেষত প্ৰথম তিনিজনক বাদ দিয়া হৈছে আৰু শেষৰ তিনিজনে আলোচনাত প্ৰধান অংশ গ্ৰহণ কৰিছে। তিনিটা দৃষ্টিকোণৰপৰা গণৰাজ্যত সমস্যাবোৰ আলোচনা কৰা হৈছে। সেই দৃষ্টিকোণকেইটা হৈছে— চেফালাচ আৰু তেওঁৰ তনয় পলিমাৰ্কাছৰ অসাৰ আদৰ্শনীয় চলিত দেশাচাৰৰ প্ৰতিনিধিত্বমূলক দৃষ্টিভংগী থ্ৰেচিমেকাছে গ্ৰহণ কৰা নতুন নৈতিকতাৰ দৃষ্টিভংগী আৰু ছক্ৰেটিছে প্ৰতিনিধিত্ব কৰা দাৰ্শনিক চিন্তাৰ দৃষ্টিভংগী। গণৰাজ্যত থকা ছক্ৰেটিছৰ উক্তিবোৰ বৰ সংহতিপূৰ্ণ নহয়। উদাহৰণস্বৰূপে ছফিষ্টসকলৰ প্ৰতি ছক্ৰেটিছৰ বিৰোধিতা তীক্ষ্ণ আছিল যদিও গণৰাজ্যৰ পিছৰ খণ্ডবিলাকত এইবোৰ কিছু কোমল হৈ পৰিছে।

কোনোৱে প্ৰশ্ন কৰে গণৰাজ্যখন নীতিশাস্ত্ৰ আছিল নে ৰাজনীতিৰ কিতাপ আছিল? ইয়াৰ মূল বিষয়বস্তু সদাচাৰ নে আদৰ্শ ৰাষ্ট্ৰ? প্ৰকৃত সত্যটো হৈছে ছক্ৰেটিছ আৰু প্লেটোৰ মতামতৰ ফালৰপৰা বিচাৰ কৰিলে নীতিশাস্ত্ৰ আৰু ৰাজনীতিৰ মাজত কোনো প্ৰভেদ নাই। নীতিশাস্ত্ৰীয় আইনবোৰ ব্যক্তি আৰু সমাজৰ কাৰণে একেই। এই আইনবোৰ ব্যক্তিগত নৈতিকতাৰ প্ৰাথমিক আদৰ্শ। এই আইনবোৰে মানুহক নিজৰ অধিকাৰবোৰ ৰক্ষা আৰু নিজৰ জীৱন পৰিচালিত কৰিবলৈ ক্ষমতা দিয়ে। এইবোৰে ৰাজনীতিৰ এটা নৈতিক ভেটি ৰচনা কৰে। এই আইনবোৰত নীতিশাস্ত্ৰতকৈ ৰাজনীতি সহজে বিচাৰি উলিয়াব পাৰি, কিয়নো ৰাজনীতিত এইবোৰ সঘনে ব্যৱহৃত হয়। এটা মৌলিক প্ৰশ্নেৰে গণৰাজ্যখন আৰম্ভ কৰা হৈছে। এই প্ৰশ্নটো হৈছে—ন্যায় কি? এই প্ৰশ্নটো পোন প্ৰথমে উত্থাপন কৰাৰ অৰ্থও আছে। প্লেটোৰ উদ্দেশ্যই আছিল সকলোবোৰ সদগুণকে সামৰি লোৱা ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত এটা নতুন সমাজ ব্যৱস্থা স্থাপন কৰা। গণৰাজ্য মানৱ প্ৰকৃতি আৰু মানৱ আত্মাৰ ওপৰত লিখা এখন অনন্যসাধাৰণ গ্ৰন্থ। কেনেকৈ সকলোৱে উৎকৃষ্টভাৱে জীৱন যাপন কৰিব পাৰে তাৰ বিষয়ে ইয়াত বহুলভাৱে আলোচনা কৰা হৈছে। প্লেটো সদায় নিশ্চিত আছিল যে মানুহে ভালদৰে জীৱন যাপন কৰিব লাগিলে এখন সুসংগঠিত সমাজৰ প্ৰয়োজন আছে আৰু তেওঁলোকৰ নগৰ ৰাষ্ট্ৰই আছিল তেনে এখন সংগঠিত সমাজ। সেই গতিকে তেওঁ যেতিয়া উৎকৃষ্ট জীৱন আৰু উৎকৃষ্ট জীৱন পদ্ধতিৰ বিষয়ে অনুসন্ধান কৰিছিল তেতিয়া একেলগে এখন উৎকৃষ্ট মানৱ সমাজ সংগঠনৰ বিষয়েও চিন্তা কৰিছিল। তেওঁৰ মতে ৰাষ্ট্ৰ হৈছে দূৰৱীণ যন্ত্ৰেৰে চাই দেখা পোৱা ব্যক্তি। গতিকে ৰাষ্ট্ৰ আৰু ব্যক্তিৰ গুণৰ মাজত

প্ৰভেদ নাই। তেওঁৰ ভাষাত ক'বলৈ গলে এইদৰে ক'ব লাগিব : "Must we not acknowledge I said that in each of us there are the same principles and habits which are there in the state" প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰত ব্যক্তিৰ জীৱন মহান আৰু উৎকৃষ্ট অংশকে ৰূপায়িত কৰিছে। গতিকে প্লেটোৰ গণৰাজ্য নৈতিক আৰু ৰাজনৈতিক সমাজৰ বিষয়ে লিখা এখন মহৎ গ্ৰন্থ। ইয়াত তেওঁ মানুহক ৰাষ্ট্ৰৰ অবিচ্ছেদ্য অংশ আৰু ৰাষ্ট্ৰক নৈতিক সমাজ হিচাপে গ্ৰহণ কৰিছে। তেওঁৰ মতে ৰাজনীতি ৰাষ্ট্ৰ আৰু ইয়াৰ ভিতৰত থকা সমাজৰ নীতিশাস্ত্ৰ। কিয়নো সমাজ ভাল কৰাই ৰাষ্ট্ৰৰ লক্ষ্য। সমাজত থকা মানুহবোৰৰ চৰিত্ৰৰপৰাই ৰাষ্ট্ৰৰ চৰিত্ৰ গঠিত হয়। সকলোবোৰ দাৰ্শনিক অনুসন্ধানৰ উদ্দেশ্য হৈছে মানুহৰ কাৰণে নিৰ্ভুল জীৱনৰ জ্ঞান আৰু আচাৰ ব্যৱহাৰৰ মৌলিক চৰিত্ৰৰ জ্ঞান আৱিষ্কাৰ কৰা। গতিকে কোনো দাৰ্শনিক অনুসন্ধান কাৰ্যই ৰাজনৈতিক সমাজ ব্যৱস্থাৰ লগত থকা মানুহৰ সম্পৰ্ক আওকাণ কৰিব নোৱাৰে। প্লেটোৰ মতে ৰাজনৈতিক দৰ্শন সাধাৰণ দৰ্শনৰ এটা অংশহে। তেওঁৰ গণৰাজ্য মানুহৰ জীৱনৰ ওপৰত লিখা এখন পূৰ্ণাংগ দৰ্শন। সামাজিক কাৰ্য্যত মানুহৰ চৰিত্ৰৰ বিষয়ে ইয়াত আলোচনা কৰা হৈছে। গতিকে মূলত ইয়াৰ চৰিত্ৰ ৰাজনৈতিক আৰু নীতিশাস্ত্ৰীয়।

প্লেটোৰ মতে শান্তি শৃংখলা বজাই ৰখা আৰু আইনৰ শাসন প্ৰৱৰ্তন কৰাই ৰাজনীতিৰ প্ৰধান কাম নহয় মানুহক উৎকৃষ্ট কৰি গঢ় তোলাহে ইয়াৰ লক্ষ্য। এজন ভাল নাগৰিক হ'ব লাগিলে প্ৰথম এজন ভাল মানুহ হ'ব লাগিব আৰু তেওঁ এখন ভাল ৰাষ্ট্ৰত বাস কৰিব লাগিব। ইয়েই মনোবিজ্ঞানক সমাজবিজ্ঞানৰ ওচৰলৈ লৈ আহিছে। এজন ভাল মানুহ আৰু এখন ভাল ৰাষ্ট্ৰৰ সমস্যা একেটা পইচাৰে দুটা পিঠি। এজন মানুহ এখন সমাজৰ অবিচ্ছেদ্য অংগ। কোনো মানুহ ভাল হ'লে তাৰ প্ৰভাব সমাজত পৰিব আৰু কোনো মানুহ বেয়া হ'লে তাৰো প্ৰভাৱ সমাজত নপৰাকৈ নাথাকে। সমাজত প্ৰভাৱ নেপেলোৱাকৈ কোনেও নিজৰ কাৰণে নিজে ভাল হৈ থাকিব নোৱাৰে। সেই গতিকে প্লেটোৰ মতে নীতিশাস্ত্ৰ আৰু ৰাজনীতিৰ মাজত এৰাব নোৱৰা সম্বন্ধ আছে।

বিভাজনৰ দৃষ্টিৰে চালে গণৰাজ্যত পৰস্পৰ সম্পৰ্ক থকা বহুতো সংকীৰ্ণ সমস্যাৰ বিষয়ে আলোচনা কৰা হৈছে। প্লেটোৰ এই সকলোবোৰ বিষয়কে কলাসুলভ দৃষ্টিভংগীৰ আলোচনা কৰি এটা মূল বিষয়ৰ অধীনলৈ আনিছে। ইয়েই তেওঁৰ চৰম প্ৰতিভাৰ চানেকি।

গণৰাজ্য কেৱল ৰাজনীতি আৰু নীতিশাস্ত্ৰত আবদ্ধ থকা নাই। ইয়াত বহুতো দাৰ্শনিক তত্ত্বও সন্নিবিষ্ট হৈ আছে কিয়নো ভালৰ ধাৰণাৰেই সকলো বস্তুৰ মাজত ঐক্যৰ নিদৰ্শনো দাঙি ধৰিছে। মৃত্যুৰ পিছৰ জীৱনৰ লগতো

ইয়াৰ সম্বন্ধ আছে আৰু সেই জীৱনৰ প্ৰস্তুতিৰ বিষয়ে ইয়াত আলোচনা কৰা হৈছে। নৈতিক দৰ্শনৰ ওপৰত গণৰাজ্যই চমৎকাৰ মন্তব্য দাঙি ধৰিছে। কিয়নো ইয়াত মানৱ আত্মাৰ গুণৰ বিষয়ে অনুসন্ধান কৰি ন্যায়ৰ যোগেদি মানুহে আত্মাৰ পূৰ্ণতা লাভ হ'ব বুলি দেখুউৱা হৈছে। ইয়াত ঐতিহাসিক পৰিবৰ্তনৰ পথ বিষয়েও ব্যাখ্যা কৰা হৈছে। সেই ফালৰপৰা ইয়াক ইতিহাসৰ দৰ্শন বুলিও ক'ব পাৰি। প্লেটোৰ গণৰাজ্যত সমাজবিদ্যা আৰু অৰ্থনীতিৰ সকলো পোৱা যায়। তেওঁৰ সাম্যবাদৰ তত্ত্বত সমাজবিদ্যা আৰু জীৱবিদ্যাৰ সোৱাদ আছে। সমাজৰ উন্নতিৰ কাৰণে তেওঁ সম্পত্তি আৰু বিবাহৰ ওপৰত নিয়ন্ত্ৰণ বিচাৰিছিল। সুযোগ্য সন্তান জন্ম দিবৰ বাবে তেওঁ ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত মতা তিৰোতাৰ বাসস্থানৰ কথা ভাবিছিল আৰু আৱশ্যক মতে তেওঁ অবৈধ সন্তান জন্ম দানৰ পক্ষপাতীও আছিল।

গণৰাজ্যত যথেষ্ট পৰিমাণৰ ৰাজনৈতিক অৰ্থনীতিও আছে। ইয়াৰপৰাই আমি ৰাষ্ট্ৰৰ উৎপত্তিৰ অৰ্থনৈতিক তত্ত্বৰ সন্ধান পাওঁ। প্ৰত্যেকজন মানুহৰেই বহুতো বকমৰ আৱশ্যকতা আছে। কিন্তু তেওঁৰ সামৰ্থ্য সীমাবদ্ধ। গতিকে নিজৰ পৰিশ্ৰমৰদ্বাৰা তেওঁ তেওঁৰ সকলোবোৰ অভাৱ পূৰণ কৰিব নোৱাৰে। ইয়াৰপৰাই ব্যক্তিসকলৰ মাজত অৰ্থনৈতিক সহযোগিতাৰ সূত্ৰপাত হয়। এই অৰ্থনৈতিক সহযোগ আৰম্ভ হৈছিল শ্ৰমৰ বিভাজন আৰু কাজ কামৰ বিশিষ্টকৰণৰ ভিত্তিত। এইখিনিতে অৱশ্যে এইটো কথা মনত ৰাখিব লাগিব যে প্লেটোৱে শ্ৰমৰ বিভাজন আৰু কাজ কামৰ বিশিষ্টকৰণ তেওঁৰ ন্যায়ৰ ধাৰণাৰ ওপৰতহে কৰিছিল। সেই গতিকে ইয়াত নৈতিক তত্ত্ব নিহিত আছিল অৰ্থনৈতিক গুৰুত্ব নহয়। প্লেটোৰ গণৰাজ্যত ধৰ্মৰ উপাদানো আছিল। ইয়াৰ দশম পুস্তিকাৰ দ্বিতীয় অংশত প্লেটোৱে পৰমাত্মাৰ অমৰত্বৰ বিষয়ে আলোচনা কৰিছিল। তেওঁ ইয়াত দাবী কৰিছিল যে আত্মাৰ আচল প্ৰকৃতি আৰু ক্ষমতা পাৰ্থিব ৰাষ্ট্ৰত দেখিবলৈ পোৱা নাযায়।

আগতেই উল্লেখ কৰা হৈছে যে বহুতোৱে প্লেটোৰ গণৰাজ্যক শিক্ষাৰ ওপৰত লিখা এখন চমৎকাৰ গ্ৰন্থ বুলি বৰ্ণনা কৰিছে। প্লেটোৱে ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত যিখন আদৰ্শ ৰাষ্ট্ৰ গঢ়ি তুলিবলৈ ইচ্ছা কৰিছিল সেইখন ৰাষ্ট্ৰ বাস্তৱত প্ৰতিষ্ঠিত কৰিবৰ বাবে দুটা প্ৰধান কামৰ প্ৰয়োজন হৈছিল। সেই দুটা প্ৰধান কাম হৈছে—ৰাষ্ট্ৰৰদ্বাৰা পৰিচালিত এটা সমূহীয়া শিক্ষা ব্যৱস্থা আৰু সাম্যবাদ। ৰাষ্ট্ৰৰদ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থাৰ লক্ষ্য আছিল মানুহবোৰক বিশেষ বিশেষ কামৰ বাবে প্ৰশিক্ষণ দিয়া আৰু ন্যায় প্ৰতিষ্ঠাৰ বাবে মানুহৰ মনত স্বাৰ্থহীন কৰ্তব্যপৰায়ণতাৰ ভাব সৃষ্টি কৰা। ৰাষ্ট্ৰই কৰিবলগীয়া শিক্ষা বিষয়ক কাৰ্যৰ গুৰুত্ব প্লেটোৱে ভালদৰে উপলব্ধি কৰিব পাৰিছিল। তেওঁ শিক্ষা-ব্যৱস্থাৰ ওপৰত ইমান গুৰুত্ব দিবলৈ বাধ্য হৈছিল গণৰাজ্যত থকা তেওঁৰ মৌলিক ৰাজ

নৈতিক ধাৰণাৰ কাৰণে। গণৰাজ্যত এইটো স্পষ্টভাৱে উল্লেখ কৰা হৈছে যে দাৰ্শনিকসকলহে ৰাজনীতিবিদ হোৱা উচিত আৰু শাসকবৰ্গ হোৱা উচিত যথেষ্ট জ্ঞানী আৰু সংস্কৃতিসম্পন্ন।

ৰাজনীতি জগতলৈ আগবঢ়োৱা গণৰাজ্য প্লেটোৰ এক শ্ৰেষ্ঠ অবদান। ইয়াত তেওঁ কলাকাৰ আৰু দাৰ্শনিক হিচাপে সম্পূৰ্ণ কৃতকাৰ্য্যতাৰ পৰিচয় দিছে। প্লেটোৱে নিম্নলিখিত সমস্যাবোৰৰ বিষয়ে নিজৰ দৃষ্টিভংগী সুস্পষ্টভাবে ব্যাখ্যা কৰিছে।

(১) ভাল কি ? সদগুণ আৰু ন্যায্য কামৰ নীতি কি ? ন্যায় কি ? ন্যায়ক সৰ্বোচ্চ সদগুণ হিচাপে লৈ তেওঁ এখন আদৰ্শ ৰাজ্যৰ কল্পনা কৰিছিল য'ত ন্যায় সৰ্বোচ্চ স্থানত থাকিব পাৰিব।

(২) যিহেতু সদগুণ আহৰণ কৰিব পাৰি কি শিক্ষা ব্যবস্থাই আটাইতকৈ বেছি সদগুণ সৃষ্টি কৰিব পাৰিব ?

(৩) আদৰ্শ মানুহ কোন ? এজন আদৰ্শবান নাগৰিকৰ কোনবোৰ বিশেষ গুণ থকা উচিত ?

(৪) কোনটো ৰাজনৈতিক সংগঠনত ওপৰত উল্লেখ কৰা সদগুণবোৰৰ সম্ভৱপৰ পূৰ্ণ প্ৰকাশ আৰু বিকাশ হ'ব ? কোন ৰাষ্ট্ৰত মানুহৰ নৈতিক সত্তাৰ প্ৰকৃত বিকাশ হ'ব ?

প্লেটোৰ গণৰাজ্যই সমসাময়িক অনুষ্ঠান প্ৰথা আৰু মতামতবোৰৰ ওপৰত তীক্ষ্ণ সমালোচনা আগবঢ়াইছিল। গণৰাজ্যৰ ভিতৰত থকা এই সৰটোৰে মানুহক ভাবিবলৈ বাধ্য কৰাইছিল যে গণৰাজ্য এখন ব্যংগাত্মক গ্ৰন্থ তেতিয়াৰ সামাজিক আৰু ৰাজনৈতিক ব্যৱস্থাৰ সংস্কাৰ সাধন কৰিবলৈ এইখন লিখা হৈছিল। প্লেটোৱে এই গ্ৰন্থখন লিখাৰ সময়ত তেওঁৰ চকুৰ আগত জিলিকি আছিল অন্যায় অত্যাচাৰ অনাচাৰবোৰ। এইবোৰৰ ওপৰত চকু ৰাখি তেওঁ যেতিয়া হাতত কাপ তুলি লৈছিল তেতিয়া নিশ্চয় তেওঁৰ চিন্তা আৰু ভাবত সামান্য হলেও অস্থিৰতা আৰু পক্ষপাতিত্বই ঠাই পাইছিল। সেই গতিকে গণৰাজ্যক সমসাময়িক ৰাজনীতি আৰু ছফিষ্টসকলৰ বিৰুদ্ধবাদী দৰ্শন বুলি গণ্য কৰা হয়। গণৰাজ্যই ছফিষ্টসকলৰ অৰাজকতাবাদ আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰক কঠোৰভাৱে সমালোচনা কৰিছিল। ছফিষ্ট সকলে আত্মসন্তুষ্টিৰদ্বাৰা ন্যায় প্ৰতিষ্ঠা হয় বুলি কৈছিল। ইয়াৰ বিৰোধিতা কৰি প্লেটোৱে গণৰাজ্যত কৈছিল যে ন্যায়ৰ ধাৰণা মানুহৰ মনৰ এটা ডাঙৰ গুণ। এই গুণৰ অধিকাৰী নাগৰিকসকলে ৰাষ্ট্ৰৰ কাৰণে নিজকে উছৰ্গা কৰিব পাৰে। ছফিষ্টসকলে ব্যক্তিবাদ সমৰ্থন কৰিছিল আৰু প্লেটোৱে ইয়াৰ বিৰোধিতা কৰিছিল। প্লেটোৰ মতে ৰাষ্ট্ৰ মানে স্বাৰ্থপৰ ব্যক্তিসকলৰ সভা নহয়। ই হৈছে নৈতিক উদ্দেশ্য সাধনৰ বাবে যুক্তি আৰু আৱশ্যকতাৰ ভিত্তিত মিলিত হোৱা মানুহৰ সমাজ। এই সমাজখন আত্মাৰ প্ৰকৃতি আৰু পৃথিবীৰ উদ্দেশ্য বুজি পোৱা মানুহৰদ্বাৰা পৰিচালিত।

গণৰাজ্যৰ পাঁচটা প্ৰধান ভাগ আছে। যেনে— (১) প্ৰথম পুস্তিকা আৰু দ্বিতীয় পুস্তিকাৰ অংশবিশেষ। ইয়াত প্ৰস্তাৱনা অংশ সন্নিবিষ্ট কৰা হৈছে। মানুহৰ জীৱন ন্যায়ৰ প্ৰকৃতি আৰু নৈতিকতাৰ অৰ্থ বিষয়ে ইয়াত প্ৰাচীনাধুনিক মতামতৰ ওপৰত আলোচনা কৰা হৈছে। (২) দ্বিতীয় পুস্তিকাৰপৰা ৪ৰ্থ পুস্তিকালৈ প্ৰথম ৰাষ্ট্ৰৰ গঠন আৰু শিক্ষাৰ প্ৰকৃত ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত প্লেটোৱে বৰ্ণনা কৰিছে—মানুহৰ সমাজৰ উৎকৃষ্ট গঠন কি হ'ব সামাজিক অনুষ্ঠানবোৰ কেনেকৈ ন্যায় বিচাৰৰ উপযোগী হ'ব লাগিব আৰু মানুহৰ প্ৰকৃতিত থকা তিনিটা উপাদান বিচাৰি মানুহৰ সমাজ গঠনত দেখিবলৈ পোৱা যায়। (৩) পঞ্চম পুস্তিকাৰপৰা সপ্তম পুস্তিকালৈ প্লেটোৱে ন্যায়ৰ বিষয়ে আলোচনা চলাইছে। ইয়াৰ দ্বিতীয় ৰাষ্ট্ৰখন সাম্যবাদৰ নীতিৰ ওপৰত গঢ়ি তোলা হৈছে। এই ৰাষ্ট্ৰত তেওঁ দাৰ্শনিকসকলক শাসনৰ গাদীত বহুৱাবলৈ বিচাৰিছে। ঈশ্বৰ ধাৰণাৰ চিন্তাই ইয়াত সামাজিক ৰাজনৈতিক গুণ চৰ্চাৰ ঠাই অধিকাৰ কৰিছে। (৪) অষ্টম পুস্তিকাৰপৰা নৱম পুস্তিকালৈ ৰাষ্ট্ৰ আৰু ব্যক্তিৰ প্ৰকৃতিৰ অৱক্ষয় পৰ্যায় আলোচনা কৰা হৈছে। তদুপৰি ইয়াত আনন্দৰ প্ৰকৃতি আৰু স্বেচ্ছাচাৰী শাসনৰ নীতি সম্পৰ্কে আকৌ বিশ্লেষণ কৰা হৈছে। (৫) দশম পুস্তিকাত গণৰাজ্যৰ অৱশিষ্ট অংশবোৰৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াৰ দুটা খণ্ড আছে। প্ৰথম খণ্ডত কলাৰ লগত দৰ্শনৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা হৈছে। বিশেষকৈ [illegible] দৰ্শন আৰু [illegible]ভাৱৰ সম্বন্ধৰ বিষয়ে আলোচনা কৰা হৈছে। দ্বিতীয় খণ্ডত মানৱ আত্মাৰ লক্ষ্য আৰু সামৰ্থ্যৰ বিষয়ে উল্লেখ কৰা হৈছে। গণৰাজ্যৰ মধ্য খণ্ড পঞ্চম পুস্তিকাৰপৰা সপ্তম পুস্তিকালৈকে বিস্তৃত। এই খণ্ডত প্লেটোৱে তেওঁৰ সাম্যবাদৰ আচাৰ আৰু আদৰ্শ ৰাষ্ট্ৰৰ আচাৰ কাৰ্য্যত পৰিণত কৰিব পৰা মাধ্যম [illegible] অনুসন্ধান কৰিব চাইছে। গণৰাজ্যৰ এই অংশটো দাৰ্শনিক ধৰ্ম প্ৰচাৰক ধৰ্ম সমাজ আৰু ৰাজনীতি সংস্কাৰক [illegible] কাৰণে যথেষ্ট মূল্যবান আৰু অৰ্থপূৰ্ণ।

প্ৰায় এহেজাৰ বছৰৰ কাৰণে গণৰাজ্যৰ কোনো ইতিহাস নাছিল। কেৱল ছিচাৰো আৰু ঋষি আগষ্টাইনৰ লিখনিতহে ইয়াৰ উল্লেখ পোৱা গৈছিল। ছিচাৰোৰ De Republica নামৰ গ্ৰন্থত প্লেটোৰ গণতন্ত্ৰৰ অনুবাদ প্ৰকাশ পাইছিল। ইয়াতে প্লেটোৱে চিত্ৰিত কৰা স্বেচ্ছাচাৰী শাসনৰ হুবহু ছবি এখনো দেখিবলৈ পোৱা গৈছিল। ছিচাৰো প্লেটোৰ দৰে ডাঙৰ কলাবিদ নাছিল। অৱশ্যে প্লেটোৰ দৰে ছিচাৰোৰ পদ্ধতিও আছিল কথোপকথন। প্লেটোৰ দৰে ছিচাৰোৱেও স্বৰ্গীয় জীৱনৰপৰা আৰম্ভ কৰি সামাজিক আৰু ৰাজনৈতিক জীৱনলৈ নামি আহিছিল। প্লেটোৰ দৰে তেওঁ যুক্তি আৰু ন্যায়ৰ শাসন পছন্দ কৰিছিল। তেওঁ এখন সম্মিলিত চৰকাৰ গঠনৰ পোষকতা কৰিছিল। প্লেটোৱে ন্যায্য আৰু অন্যায্যৰ যি বৰ্ণনা দিছিল তেওঁ তাৰ লগত একমত প্ৰকাশ কৰিছিল। তাৰা

আৰু সংখ্যাৰ ওপৰত ছিছাৰোৰ যি মতামত তাক প্লেটোৰপৰা ধাৰ কৰি অনা হৈছিল। বিষয়বস্তু আৰু প্ৰকাশভংগী উভয়তে ছিছাৰোৰ স্থান প্লেটোৰ বহুত তলত।

ঋষি আগাষ্টাইনে তেওঁৰ De civitate Dei নামৰ গ্ৰন্থ ছিছাৰোৰ De Republica ৰ ওপৰত ভিত্তি কাৰয়েই লিখিছে। গতিকে আগষ্টাইনেও মূলতঃ প্লেটোকে অনুকৰণ কৰিছে। যেনেকৈ গ্ৰিক ৰাষ্ট্ৰৰ অধঃপতনে প্লেটোৰ গণৰাজ্যৰ বিষয়বস্তুৰ ওপৰত প্ৰভাৱ পেলাইছে তেনেকৈ ৰোমৰ সাম্ৰাজ্যৰ ধ্বংসই আগাষ্টইনৰ De civitate Dei ৰ ওপৰত প্ৰভাৱ পেলাইছে। প্লেটোৰ গণৰাজ্যত গীৰ্জাৰ ছাঁবিহ বেছিকৈ ফুটি ওলাইছে। কিয়নো ইয়াত এখন স্বৰ্গীয় ৰাষ্ট্ৰৰ আদৰ্শহে পোৱা যায়। ঋষি আগাষ্টাইনৰ De civitate Dei ৰ মাজতো ইয়াৰ ছাঁ এটা দেখিবলৈ পোৱা যায়। গণৰাজ্যই ছফিষ্টসকলৰ ওপৰত তীক্ষ্ণ বান হানিছে আৰু De civitate Dei যে পৌত্তলিকতাৰ ওপৰত সমালোচনা আগবঢ়াইছে। প্লেটোৱে কিছু পৰিমাণে পুৰণি ধৰ্মতত্ত্বৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছে।

বেথিয়াসৰ De consolatione philosophi নামৰ গ্ৰন্থতো সঘনে প্লেটোৰ গণৰাজ্যৰ উদ্ধৃতি পোৱা যায়। ইয়াত তেওঁ প্লেটোৰ দৰে দাৰ্শনিকসকলে ৰজা হোৱা উচিত বুলি কৈছে।

প্ৰায় এহেজাৰ বছৰ গণৰাজ্য অন্ধকাৰত পাৰ আছিল যদিও ই তেতিয়াও মৃতপ্ৰায় অৱস্থাত নাছিল। মধ্যযুগীয় বস্তুবাদীসকলে গণৰাজ্যৰপৰা যথেষ্ট অনুপ্ৰেৰণা আৰু সমল পোৱাটাইছিল। মধ্য যুগৰ শিক্ষাব্যৱস্থাৰ এটা শকত অংশ প্লেটোৰ গণৰাজ্যত বহুবছৰ আগেয়ে প্ৰকাশ পাইছিল। মধ্য যুগৰ চাৰিটা জনপ্ৰিয় গুণৰ নীতিও প্লেটোৱে কৰি থৈ যোৱা বিভাজনৰপৰাই লোৱা হৈছে। মধ্যযুগীয় সমাজক যি তিনিটা ভাগত বিভক্ত কৰা হৈছে ইয়াকো প্লেটোৰ নাগৰিক সৈনিক আৰু শ্ৰমিকসকলৰ লগত তুলনা কৰিব পাৰি। মধ্যযুগৰ গণিত জ্যামিতি গ্ৰহবিজ্ঞান সংগীতৰ স্থান প্লেটোৰ গণৰাজ্যতো আছে। গণৰাজ্যৰ সাম্যবাদ মধ্যযুগীয় সন্যাসধৰ্মীয় সমাজৰ ৰূপত প্ৰকাশ পাইছে। গ্ৰেসীয়সকলেও প্লেটোৰ সাম্যবাদ সমৰ্থন কৰিছিল আৰু সঘনে তেওঁৰ উদ্ধৃতি দিছিল। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ আৰু মধ্যযুগীয় গীৰ্জা প্ৰায় একধৰণৰ। দুয়োটাৰে গঠন আৰু কাজ কাম প্ৰায় একেই। প্লেটোৰ আদৰ্শৰাষ্ট্ৰৰ শাসনকৰ্তা আছিল দাৰ্শনিকসকল আৰু মধ্যযুগীয় গীৰ্জাবোৰ শাসন কৰিছিল পুৰোহিতসকলে। ডান্টেৰ De Monarchia ৰ চৰিত্ৰও গণৰাজ্যৰ দৰে আছিল। ডান্টেই লিখিছিল ইটালিৰ শান্তি আৰু একতাৰ বাবে। ডান্টেৰ সাৰ্বজনীন ৰজাইও ন্যায় আৰু আইন অনুসৰি শাসন কৰিব লাগিছিল। গতিকে প্লেটোৰ দাৰ্শনিক ৰজা আৰু ডান্টেৰ সাৰ্বজনীন ৰজাৰ মাজত বিশেষ প্ৰভেদ নাছিল।

নৱজাগৰণৰ সময়ত আৱিষ্কৃত সঠিক প্ৰকৃতি বিজ্ঞানকো প্লেটোৰ তত্ত্ব আৰু ধাৰণাবোৰে যথেষ্ট সহায় কৰিছিল। নৱজাগৰণৰ লগে লগে গণৰাজ্যই এটা নতুন জীৱন লাভ কৰিছিল। ১৪৭৭ চনত Ficinoৱে প্লেটোৰ লিখাবোৰ লেটিন ভাষালৈ অনুবাদ কৰিছিল। Sir Thomas Moreৰ Utopiaত আমি প্লেটোৰ পুনৰ অভ্যুদয় দেখিবলৈ পাওঁ। সেই সময়ৰ সামাজিক আৰু ধৰ্মীয় ব্যভিচাৰ আৰু অনাচাৰৰ প্ৰতিবাদত Utopia ৰ দ্বিতীয় গ্ৰন্থত More এ প্লেটোৰ সহায়ত এখন আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰ আঁকিছিল। প্লেটোৰ দৰে Thomas More ও সেই সময়ৰ কুসংস্কাৰবোৰৰপৰা মুক্ত আছিল আৰু প্লেটোৰ দৰে তেওঁকো নৈতিক আৰু ৰাজনৈতিক কল্পনাশক্তি যথেষ্ট প্ৰখৰ আছিল। প্লেটোৰ দৰে তেওঁ চৰকাৰ ৰাজকুমাৰ পৃথিৱীৰ অৱস্থা আৰু চলিত জ্ঞানভাণ্ডাৰৰ ওপৰত ব্যংগাত্মক মন্তব্য কৰিছিল। প্লেটোৰ দৰে তেওঁ সম্পত্তিৰ সাম্যবাদ আৰু তিৰোতাৰ মুক্তি বিচাৰিছিল। কিন্তু তেওঁলোকৰ মাজত এটা পাৰ্থক্যও আছিল। সেইটো হৈছে প্লেটোৰ লিখাত কঠোৰ নিয়ম পালনৰ বিধান আছিল আৰু More ৰ লিখাত ভোগ সুখবাদৰ স্পৰ্শ আছিল। দুয়োজনৰে সাম্যবাদৰ আৰ্হি আৰু উদ্দেশ্যবো পাৰ্থক্য আছিল। ৰাজনৈতিক আৰু নৈতিক বিবেচনাৰদ্বাৰা প্লেটোৰ সাম্যবাদ ৰচিত হৈছিল আৰু More ৰ সাম্যবাদৰ ভেটি আছিল অৰ্থনীতি। প্লেটোৰ সাম্যবাদে কেৱল নাগৰিকশ্ৰেণীকহে স্পৰ্শ কৰিছিল More ৰ সাম্যবাদে কিন্তু সকলো শ্ৰেণীৰ মানুহকে সামৰি লৈছিল।

Companella ৰ 'City of the Sun নামৰ গ্ৰন্থৰ লগতো প্লেটোৰ গণৰাজ্যৰ বহুতো মিল আছে। এই পুথিখনেও তিৰোতা আৰু ল'ৰা ছোৱালীৰ সাম্যবাদ সমৰ্থন কৰিছে। Bacon ৰ New Atlontis Harrington ৰ Occana আৰু Sir John Eliot ৰ Monarchy of Man আদি গ্ৰন্থবোৰতো প্লেটোৰ গণৰাজ্যৰ স্পৰ্শ পোৱা যায়। আধুনিক যুগৰ সামাজিক চুক্তি তত্ত্বইও প্লেটোৰ গণৰাজ্যৰপৰা উৎসাহ পাইছে। কিয়নো গণৰাজ্যৰ দ্বিতীয় গ্ৰন্থত এইদৰে লিখা আছে—

মানুহে যেতিয়া নিজে আনক অন্যায় কৰে আৰু আনৰপৰাও অন্যায় ভোগ কৰে আৰু এনেকৈ দুয়োটাৰে অভিজ্ঞতা লাভ কৰে আনক অন্যায় কৰি নিজে অন্যায়ৰ হাত সাৰিব নোৱাৰে তেতিয়া মানুহে ভাবে যে তেওঁলোকৰ মাজত এটা চুক্তি হোৱাই ভাল যে কোনেও কাকো অন্যায় কৰিব নালাগে ইয়াৰপৰাই আইন আৰু পৰস্পৰে মানি চলা চুক্তিবোৰৰ জন্ম হয় আৰু এনেকৈ যিটো আইনৰ সহায়ত পোৱা যায় সেইটোকে আইনসংগত আৰু ন্যায্য বুলি কোৱা হয়। এইটো প্লেটোৰ নহয় ছফিষ্টসকলৰহে দৰ্শন। ইয়াৰপৰা ৰাষ্ট্ৰৰ উৎপত্তি হোৱা বুলি ছফিষ্টসকলেহে কৈছে প্লেটোৱে কোৱা নাই। কিন্তু প্লেটোৱে কোৱা কথাত ই গণৰাজ্যত ঠাই পাইছে।

ৰুছোৰ দিনৰপৰাহে প্লেটোৰ ৰাজনৈতিক তত্ত্বই আধুনিক যুগৰ ৰাজনৈতিক চিন্তাৰ ওপৰত স্থিৰভাৱে প্ৰভাৱ পেলাবলৈ আৰম্ভ কৰে। এথেন্সে যেনেকৈ প্লেটোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল জেনেভাই তেনেকৈ ৰুছোৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল। প্লেটোৰ সহায়ত ৰুছোৱে লকৰ ব্যক্তিবাদ এৰি আঁতৰি পাৰিছিল আৰু সামাজিক চুক্তিৰদ্বাৰাই সমষ্টিবাদ সমৰ্থন কৰিছিল। ৰুছোৰ ধাৰণা হৈছে ৰাষ্ট্ৰৰদ্বাৰাই ন্যায় আইন আৰু নৈতিকতা ৰক্ষা হ'ব লাগিব। এই ধাৰণাও ৰুছোৱে প্লেটোৰপৰা পাইছিল। ৰাষ্ট্ৰৰ আয়তন আৰু সামুদ্ৰিক বাণিজ্যৰ বিষয়ে ৰুছোৰ যি ধাৰণা আছিল সেইটোও প্লেটোৰপৰা পোৱা।

প্লেটোৰ দৰে Auguste Comte এ বিশ্বাস কৰিছিল যে বিজ্ঞানসন্মত জ্ঞানৰদ্বাৰাহে ৰাষ্ট্ৰ এখন শাসিত হোৱা উচিত। প্লেটোৱে জাৰ্মান আৰু ইংলণ্ডৰ ভাববাদী দাৰ্শনিকসকলৰ ওপৰতো গভীৰ প্ৰভাৱ পেলাইছিল। ৰাষ্ট্ৰৰ আধুনিক জৈৱিক সিদ্ধান্তও প্লেটোৰ ব্যক্তি আৰু ৰাষ্ট্ৰৰ তুলনাৰ ওপৰত প্ৰতিষ্ঠিত। এনেকি সাম্যবাদী আৰু ফাছিবাদীসকলেও ন্যায় প্ৰতিষ্ঠাৰ বাবে নিৰ্বাচন আৰু দমনৰ সময়ত প্লেটোৰ তত্ত্বৰ আশ্ৰয় গ্ৰহণ কৰিছিল। তেওঁলোকে দাৰ্শনিক ৰজা আৰু দাৰ্শনিক শাসকসকলক নিজ লক্ষ্য পূৰণৰ বাবে ব্যৱহাৰ কৰিছিল।

তৃতীয় অধ্যায়

প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ

অজ্ঞতা আৰু অযোগ্যতাই গ্ৰিক গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ অভিশাপস্বৰূপ আছিল। গণতান্ত্ৰিক ব্যৱস্থাত ৰাজনীতিজ্ঞসকলে কেৱল জনসাধাৰণৰ অজ্ঞতাৰ আৰু দুৰ্বলতাৰ সুযোগ গ্ৰহণ কৰিব'ল লয়। তেওঁলোকৰ বহুতেই আনকি চলন্ত আৰু ৰাজনীতিৰ মৌলিক নীতিবোৰো ভালদৰে নাজানে। প্লেটোৰ দিনত গ্ৰীচদেশৰ ৰাজনৈতিক বাতাবৰণ বৰ বেয়া আছিল। তোতয়াৰ গ্ৰীচদেশৰ জনসাধাৰণৰ মাজত কাজিয়া-পেচাল খিয়লা খিয়লি বিৰাজ কৰি আছিল। ৰাজনীতিবিদসকলে জনসাধাৰণৰ সমূহীয়া স্বাৰ্থৰ ফালে পিঠি দি নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ সততে যত্ন কৰাছিল। গ্ৰীচদেশৰ সেই অৱস্থাই প্লেটোক ৰাষ্ট্ৰৰ চৰিত্ৰ আৰু প্ৰকৃতিৰ বিষয়ে গভীৰভাৱে চিন্তা কৰিবলৈ বাধ্য কৰাইছিল। ইয়াৰ ফলত জন্ম হৈছিল তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ।

ছক্ৰেটিছে কৈছিল আদৰ্শই প্ৰকৃত বস্তু। ছক্ৰেটিছৰ এই তত্ত্বই প্লেটোৰ দৰ্শনৰ ওপৰত বাৰুকৈয়ে প্ৰভাৱ পেলাইছিল। ছক্ৰেটিছৰ এই তত্ত্বৰ অৰ্থ হৈছে—কোনো বস্তুৰ ওপৰত কৰা ধাৰণাৰপৰা বাস্তৱতাৰ জন্ম হয়। কিন্তু এই ধাৰণা স্থায়ী ধাৰণা হ'ব লাগিব। কোনো বস্তু দেখি তাৰ ওপৰত কোনো এটা অস্থায়ী ধাৰণা কৰিলে তাৰপৰা বাস্তৱতাৰ জন্ম হ'ব নোৱাৰে। কিয়নো বস্তুৰ পৰিবৰ্তন হয় আৰু ই হব পাৰে। যিকোনো বস্তুৰে স্থায়ী চৰিত্ৰক প্লেটোৱে ধাৰণা বুলি কৈছে। বস্তুৰ ওপৰত থকা এই ধাৰণা সনাতন আৰু চূড়ান্ত। সকলো বস্তুৰে একোটা বাস্তৱ অৱয়ৱ আছে যদিও বস্তুৰ এটা সূকীয়া আৰু সাপেক্ষিক অস্তিত্ব আছে। এইটোৱেই হৈছে নিভূ'ল প্ৰকৃত আৰু সনাতন ধাৰণা।

দুখন পৃথিৱী আছে। এখন পৃথিৱী স্থবিৰ ইয়াত কোনো পৰিবৰ্তন নহয়। এইখন সৰ্বাংগসুন্দৰ পৃথিৱী। আনখন পৃথিৱী গতিশীল। ইয়াত সদাসৰ্বদাই পৰিবৰ্তন হৈ থাকে। এইখন ত্ৰুটীযুক্ত পৃথিৱী। সৰ্বাংগসুন্দৰ পৃথিৱীখনেই আদৰ্শ পৃথিৱী আৰু এইখনেই প্ৰকৃত পৃথিৱী। এইখন পৃথিৱীত সাৰ্বজনীন ধাৰণাবোৰে ৰাজত্ব কৰি আছে। সকলো সময় আৰু সকলো ঠাইতে এই ধাৰণাবোৰ একেদৰেই থাকে। এইবোৰৰ কোনো পৰিবৰ্তন নহয় এইবোৰ কেতিয়াও ধ্বংস নহয় এইবোৰ সনাতন। আনখন পৃথিৱী আমোৱাহেবে ভ্ৰম, অবাস্তৱ আৰু মায়াময়। এইখন পৃথিৱী অনিশ্চয়তাৰ মাজেৰে আগবাঢ়ি গৈ আছে। প্ৰকৃত পৃথিৱীখন যুক্তিসম্মাৰা পৰিচালিত হয় আৰু আনখন পৃথিৱী

লোভ মোহ আদি ইন্দ্ৰিয়শক্তিৰদ্বাৰা পৰিচালিত হয়। প্ৰকৃত পৃথিৱীখন আদৰ্শৰ আৰু আনখন পৃথিৱী বাস্তৱৰ।

আদৰ্শই প্ৰকৃত বস্তু বাস্তৱ প্ৰকৃত বস্তু নহয়। বাস্তৱ প্ৰকৃত বস্তু নোহোৱাৰ কাৰণ হৈছে ই অনবৰত পৰিবৰ্তন হৈ থাকে। ইয়াৰ স্থিৰতা আৰু দৃঢ়তা নাই। সেই গতিকে ই প্ৰকৃত নহয়। কোনো বাস্তৱ ৰাষ্ট্ৰই প্ৰকৃত ৰাষ্ট্ৰ হ'ব নোৱাৰে কিয়নো এই ৰাষ্ট্ৰবোৰৰ সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিবৰ্তন হৈ থাকে। সাৰ্বজনীন আৰু সনাতন নীতিৰ ওপৰত প্ৰতিষ্ঠিত এখন সৰ্বাংগসুন্দৰ আদৰ্শ ৰাষ্ট্ৰহে প্ৰকৃত ৰাষ্ট্ৰ হ'ব পাৰে। আদৰ্শ সদায় বাস্তৱতাৰ ওপৰত থাকে আৰু বাস্তৱতাই আদৰ্শ লগ পাবলৈ সদায় যত্ন কৰিব লাগে। গতিকে আদৰ্শ আৰু বাস্তৱতাৰ মাজত এটা উদ্দেশ্যগত সম্পৰ্ক আছে।

বাস্তৱ পৃথিৱীখন কেৱল পৰিবৰ্তনশীলেই নহয় এই পৃথিৱীৰ জ্ঞান ৰাশিও অসম্পূৰ্ণ কল্পিত নিৰ্ভৰ কৰিব নোৱৰা অসংলগ্ন আৰু অবাস্তৱ। আদৰ্শৰ লগতহে প্ৰকৃত জ্ঞান থাকে আৰু এই জ্ঞান অনুধাবন আৰু যুক্তিৰ দ্বাৰাহে লাভ কৰিব পাৰি। প্ৰকৃত জ্ঞান বৈষয়িক।

আগৰ এটা অধ্যায়ত উল্লেখ কৰা হৈছে যে প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ এখন কল্পনাৰ সমাজ বাস্তৱত ইয়াক ৰূপায়িত কৰিব নোৱাৰি। প্লেটোৱে নিজেও কৈছে যে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন মনৰ ৰাজ্য আৰু এই আদৰ্শ ৰাষ্ট্ৰখনৰ ছবিটো আগত ৰাখি তেওঁ যুক্তিৰে যিমানদূৰ যাব লাগে সিমান দূৰলৈ যায়। সম্ভৱতঃ কল্পনাৰ আদৰ্শ ৰাষ্ট্ৰখনৰ দৰে ৰাষ্ট্ৰ এখন স্বৰ্গতহে আছে মৰ্ত্যত এনে ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ নহয়। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ উদ্দেশ্য সুখী জীৱনৰ ব্যৱস্থা কৰা। এই উদ্দেশ্য আগত ৰাখি প্লেটোৱে চিন্তাৰে সীমাহীন দূৰলৈ আগবাঢ় গৈছিল। আনকি শেষত তেওঁ এই উদ্দেশ্য সাধনৰ বাবে এই সময় আৰু এই পৃথিৱীৰপৰাও আঁতৰি গৈ এটা নতুন সময় আৰু এখন নতুন পৃথিৱীত ভাবি দিছিল। যদিও প্লেটোৰ চিন্তা তেওঁ বাস কৰা যুগৰ চিন্তাৰপৰা সম্পূৰ্ণ পৃথক না ছিল আৰু তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ ছবিত সেই যুগৰ ৰাষ্ট্ৰ আৰু তাৰ ভিতৰুৱা অনুষ্ঠানবোৰৰ চেহেৰা আৰু চৰিত্ৰ কিছু পৰিমাণে প্ৰতিভাত হৈছিল তথাপি প্লেটোৰ গণৰাজ্য এখন কল্পনাৰ সমাজ আছিল কিয়নো গণৰাজ্যত তেওঁ এনে এখন ৰাষ্ট্ৰৰ ছবি আঁকিছিল যিখন মূলতঃ ভালৰ ধাৰণাৰ মূৰ্ত প্ৰকাশ আছিল। প্লেটোৱে আশা কৰিছিল যে ভৱিষ্যত ৰাজনীতিবিদসকলে তেওঁৰপৰা ভালৰ ধাৰণা গ্ৰহণ কৰিব আৰু তাৰ ভিত্তিত এখন ভাল ৰাষ্ট্ৰ গঢ়ি তুলিবলৈ চেষ্টা কৰিব। প্লেটোৱে বিশ্বাস কৰিছিল যে ৰাজনীতিবিদসকলৰ কেৱল সমসাময়িক ৰাষ্ট্ৰবোৰৰ বিষয়ে ধাৰণা থাকিলেই নহয়, এখন আদৰ্শ ৰাষ্ট্ৰ কি আৰু কেনেকুৱা হোৱা উচিত তেওঁলোকে তাক জানিব লাগে। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ তেনেকুৱা এখন ৰাষ্ট্ৰই আছিল। এই ৰাষ্ট্ৰখন সকলো সময় আৰু সকলো ঠাইৰ বাবে প্লেটোৱে

আদর্শৰ আহি হিচাপে বনাইছিল। যেনেকুৱা এখন ৰাষ্ট্ৰ [illegible] সেয়া সম্ভৱ হ'ব নে নহয় সেইটোৰ কাৰণে সেইটো বৰ ডাঙৰ [illegible] গতিকে প্লেটোৱে আদর্শ ৰাষ্ট্ৰৰ বাবে যিবোৰ অনুষ্ঠানৰ [illegible] বোৰ কাৰ্যক্ষেত্ৰত গঢ়ি তুলিব নোৱৰা বাবে দুখ প্ৰকাশ কৰা নাছিল। তেওঁ কেৱল দেখুৱাবলৈ চেষ্টা কৰিছিল নীতি আৰু তত্ত্বৰ কালৰূপৰ ৰাষ্ট্ৰ এখন কেনে হোৱা উচিত। বহুতো সময়ত তেওঁ স্বীকাৰ কৰিছিল যে সাম্যবাদ আৰু দর্শনৰ শাসনৰ ওপৰত প্ৰতিষ্ঠিত তেওঁৰ আদর্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাটো সহজ কাম নহব কিন্তু তথাপি তেও আদর্শৰ আৱশ্যকতাৰ বিষয়ে ফঁহিয়াই দেখুৱাইছিল। প্লেটোৰ প্ৰস্তাৱিত ৰাষ্ট্ৰখন আদর্শৰ আছিল যদিও সেই আদর্শৰ কাৰ্যকৰী লক্ষ্য আছিল সদগুণৰ সৃষ্টি কৰা।

প্লেটোৱে তেওঁৰ আদর্শ ৰাষ্ট্ৰ গঠনৰ কামটো এজন শিল্পীয়ে এখন আদর্শ ছবি অঁকা কামৰ লগত তুলনা কৰিছে। শিল্পীজনে যেতিয়া এখন আদর্শ ছবি আঁকিবলৈ লয় তেতিয়া তেওঁৰ সেই আদর্শ ছবিখনত থকা ব্যক্তিগত চৰিত্ৰবোৰ প্ৰকৃতিত বিচাৰিলে পোৱা যাব নে নাযায় তেও চিন্তা নকৰে। সেইদৰে প্লেটো বেও চিত্ৰিত কৰা আদর্শ ৰাষ্ট্ৰখন পৃথিৱীৰ বুকুত এদিন স্থাপন কৰিব পৰা যাব নে নাযায় সেই বিষয়ে চিন্তা কৰি সময় নষ্ট কৰা নাছিল। প্লেটোৰ গণৰাজ্যই কেৱল ৰাষ্ট্ৰ এখনৰ ধাৰণা এটাৰ প্ৰতিনিধিত্ব কৰিছিল ৰাষ্ট্ৰখন প্ৰকৃতত কেনে ধৰণৰ হোৱা উচিত। যেতিয়া তেও আদর্শ ৰাষ্ট্ৰ গঠনৰ চিন্তা কৰিছিল তেতিয়া তেওঁৰ মাত এটা ধাৰণাহে আছিল সেই ধাৰণাটোৰ কাৰ্যকৰণৰ কথা ভাবি তেও মূৰ ঘমোৱা নাছিল।

প্লেটোৰ আদর্শ ৰাষ্ট্ৰ কল্পনাৰ সমাজ হ'ব পাৰে কিন্তু কল্পিত বিকতা কাৰৰ প্ৰাণী নহয়। আংশিকভাৱে হলেও এই ৰাষ্ট্ৰখন চলিত বাস্তৱ অৱস্থাৰ ওপৰত প্ৰতিষ্ঠিত আৰু বাস্তৱ জীৱন গঢ়ি তুলিবলৈ বা বাস্তৱ জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিবলৈ এই ৰাষ্ট্ৰখনৰ বিষয়ে চিন্তা কৰা হৈছিল। স্পাৰ্টা আৰু অন্যান্য গ্ৰিক ৰাষ্ট্ৰত থকা অনুষ্ঠানবোৰৰপৰা আদর্শ ৰাষ্ট্ৰৰ বাবে সমল ধাৰ কৰা হৈছিল আৰু সেইবোৰত থকা ত্ৰুটী বিচ্যুতিবোৰ আঁতৰ কৰিবলৈ মৌলিক ঔষধৰ ব্যৱস্থা কৰিছিল। এই মৌলিক ঔষধই আছিল যুক্তিৰ সাৰ্বভৌমত্ব দর্শনৰ শাসন ৰাষ্ট্ৰৰদ্বাৰা চালিত আৰু নিয়ন্ত্ৰিত শিক্ষা ব্যৱস্থা আৰু সম্পত্তি আৰু পৰিয়ালৰ সমস্বত্ববাদ প্ৰতিষ্ঠাৰদ্বাৰা ব্যক্তিক প্ৰবৃত্তিৰ কবলৰপৰা মুক্ত কৰা ইত্যাদি। গ্ৰীচ দেশৰ ৰাজনৈতিক বেমাৰৰ চিকিৎসাৰ বাবে যি ঔষধৰ ব্যৱস্থা কৰা হৈছিল সেই ঔষধ আংশিকভাৱে হলেও স্থানীয় উপাদানৰপৰাই প্ৰস্তুত কৰা হৈছিল। সাম্যবাদৰ মহলা স্পাৰ্টা আৰু ক্ৰেটৰপৰা লোৱা হৈছিল আৰু শিক্ষা ব্যৱস্থাৰ ভালেখিনি সমল তেতিয়াও স্কুলতে পোৱা গৈছিল।

প্লেটো যেনেকৈ ৰাজনৈতিক আদর্শবাদী আছিল তেনেকৈ তেওঁ ৰাজনৈতিক

বাস্তৱবাদীও আছিল। ইয়াৰ প্ৰমাণ তেওঁৰ স্বীকৃত উক্তিৰপৰাই পোৱা যায়। তেও এঠাইত কৈছিল আমাৰ শাসকসকলে জনসাধাৰণৰ ভালৰ কাৰণে আৱশ্যকীয় মিছা আৰু প্ৰৱঞ্চনাৰ আশ্ৰয় লবও লাগিব। তেওঁৰ ৰাজনৈতিক বাস্তৱতাৰ পৰিচয় আন এটা কথাৰপৰা পৰিষ্কাৰভাৱে পোৱা যায়। সেইটো হৈছে তেও ৰাষ্ট্ৰ ব্যৱস্থাৰ আটাইতকৈ কঠিন কামটো (অৰ্থাৎ শাসনৰ কাম) সেই উদ্দেশ্যে প্ৰশিক্ষিত কাৰ তোলা নাগৰিকশ্ৰেণীৰ ওপৰত অৰ্পণ কৰিছিল। ইয়াৰপৰা আম অনুমান কৰিব পাৰোঁ যে প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন প্ৰতিষ্ঠিত হ'ব বুলি আশা কৰিছিল। এইটো তেও অতি কঠিন কাম বুলি ভাবিছিল যদিও তেওঁৰ মতে ই দিনৰ সপোন নাছিল। আমি আদৰ্শ এটা যেনেভাৱে আছে তেনেভাবে একেলগে বাস্তৱত পৰিণত কৰা কথাটো আৰু সেই আদৰ্শটোৰপৰা লাভ কৰা শক্তিখিান কাৰ্য্যকৰী কৰা কথাটোৰ মাজত থকা ব্যৱধানখিনি জানিব লাগিব। প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন প্ৰতিষ্ঠা কৰাৰ কথা ভাবিছিল যদিও তাত তেওঁৰ যথেষ্ট সন্দেহো আছিল কিন্তু আদৰ্শ ৰাষ্ট্ৰৰপৰা লাভ কৰা শক্তিখিনি কাৰ্য্যকৰী কৰাত তেওঁৰ অকণো সন্দেহ নাছিল। প্লেটোৱে ভাবিছিল তেওঁৰ আদৰ্শ ৰাষ্ট্ৰই ৰাষ্ট্ৰ পাৰবৰ্তনৰ ঔষধ হিচাপে কাম কৰিব। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন বাস্তৱতাৰপৰা সম্পূৰ্ণ অতিৰক্ত নাছিল। এটা অৰ্থত এইখন আদৰ্শ ৰাষ্ট্ৰ আছিল। অৰ্থাৎ ৰাষ্ট্ৰ এখন যেনেকুৱা হোৱা উচিত ই তাৰেই প্ৰতিচ্ছবি আছিল। এই ৰাষ্ট্ৰখনৰ ছবিটো আগত ৰাখি আৰু সেইটোকে নিৰ্দিষ্ট মানদণ্ড হিচাপে ধৰি লৈ তেতিয়াৰ ৰাষ্ট্ৰীয় অনুষ্ঠানবোৰ পৰীক্ষা কৰি চাবপৰা গৈছিল। প্লেটোৱে মানুহৰ প্ৰকৃত গঠনৰ মৌলিক আইনৰ ওপৰত ভিত্তি কৰি তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন ৰচনা কৰিব খুজিছিল। তেওঁৰ মতে সমাজত এনেকৈয়ে মানুহৰ মনৰ উন্নতি লাহে লাহে সাধন হয় আৰু সেইগতিকে এনে আহি'ৰ আদৰ্শ অনুসৰণ কৰা উচিত। ৰাষ্ট্ৰ এখন এনে এটা বস্তু নহয় যিটো ব্যক্তিৰ ওচৰতে বহুৱাই ৰাখিব পাৰি। আদৰ্শ ৰাষ্ট্ৰ হৈছে মানুহৰ উৎকৃষ্ট মন আৰু মহান ব্যক্তিত্বৰ মধুৰ কল্পনাৰ ৰাষ্ট্ৰ। এনে এখন ৰাষ্ট্ৰ জগতত প্ৰতিষ্ঠা হ'লে তাত মানুহৰ ব্যক্তিত্বৰ পৰ্ণ বিকাশ হ'ব। কেৱল এনে এখন আদৰ্শ ৰাষ্ট্ৰতহে ভাল মানুহবোৰে এটা সৰ্বাংগসুন্দৰ অৱস্থা লাভ কৰিব পাৰিব।

তিনিটা অনুক্ৰমিক অৱস্থাত প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰ গঠন কৰিবলৈ বিচাৰিছিল। প্ৰথম অৱস্থাত তেও মতা আৰু তিৰোতা উভয়কে একে শিক্ষা আৰু একে কাম দিয়া উচিত বুলি দেখুৱাইছিল। দ্বিতীয় অৱস্থাত তেও প্ৰথম দুটা শ্ৰেণীৰ মানুহৰ মাজত সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদৰ ভিত্তিত পাৰয়ালৰ অৱসান ঘটাই এই দুটা শ্ৰেণীৰ মানুহবোৰক এটা পৰিয়ালৰ মানুহত পৰিণত কৰিবলৈ বিচাৰিছিল। তৃতীয় অৱস্থাত তেওঁ কৈছিল যে মানুহৰ সমাজত মুক্তি সাধনৰ বাবে দাৰ্শনিকসকলৰ হাতত শাসনভাৰ অৰ্পণ কৰিব লাগিব।

গঠন আৰু কাৰ্যত প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ ৰাজকীয় চৰিত্ৰৰ। কিয়নো ইয়াৰ সকলো শ্ৰেণীৰ মানুহৰ চৰিত্ৰ ৰাজকীয় ধৰণৰ। নাগৰিকসকলেও ইয়াত তেওঁলোকৰ নিজ গুণ (জ্ঞান) লাভ কৰাৰ উপৰিও আন দুটা শ্ৰেণীৰ মানুহৰ গুণো কিছু পৰিমাণে লাভ কৰিব পাৰে। কিন্তু নিম্নশ্ৰেণীৰ মানুহবোৰে উচ্চশ্ৰেণীৰ মানুহৰ গুণ লাভ কৰিব নোৱাৰে। নিম্নশ্ৰেণীৰ মানুহবোৰে উচ্চশ্ৰেণীৰ মানুহবোৰৰ আন একো গুণ লাভ কৰিব নোৱাৰিলেও এটা গুণৰ অংশ পাব লাগিব সেইটোৱেই হৈছে ন্যায়।

প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ সৰ্বোচ্চ স্থানত বহুৱাবলৈ বিচৰা হৈছিল এজন দাৰ্শনিক শাসকক। সেই দাৰ্শনিক শাসকজন সকলো কুসংস্কাৰ আৰু উত্তেজনাৰ ওপৰত থাকিব লাগিব কামত তেওঁৰ সদগুণ প্ৰকাশ পাব লাগিব। তেওঁ চলোৱা বিজ্ঞ আৰু কল্যাণকামী শাসনত তেওঁ কেতিয়াও আইনৰদ্বাৰা বাধাপ্ৰাপ্ত হ'ব নালাগিব। কিন্তু সমস্ত জাতিটোৰ উন্নতি অৱনতি এজন মাত্ৰ দাৰ্শনিক শাসকৰ ওপৰত নিৰ্ভৰশীল হোৱাটো উচিত নহয়। সেই গতিকে প্লেটোৱে আৰু এচাম দাৰ্শনিক নাগৰিক গঢ়ি তোলাৰ পোষকতা কৰিছিল। তেওঁলোকেই হ'ব শাসক শ্ৰেণীৰ লোক।

যিসকলে ৰাষ্ট্ৰ এখন শাসন কৰিব তেওঁলোক কেনে প্ৰকৃতিৰ লোক হ'ব লাগিব ? প্লেটোৰ এই উত্তৰৰ ওপৰতে শাসকশ্ৰেণীৰ গঠন নিৰ্ভৰ কৰে। এওঁলোকৰ কাম হৈছে ৰাষ্ট্ৰৰ অভিভাৱকত্ব কৰা। যিজন মানুহে তেওঁৰ স্বাৰ্থৰ লগত ৰাষ্ট্ৰৰ স্বাৰ্থ একেবুলি ভাবিব সেইজন মানুহে ৰাষ্ট্ৰক আটাইতকৈ ভালকৈ ৰক্ষণাবেক্ষণ দিব পাৰিব। যিসকল মানুহক নাগৰিকত্ব প্ৰশিক্ষণ দিয়া হ'ব সেইসকলৰ পৰা কিছুমানক শাসক হিচাপে নিৰ্বাচিত কৰিব লাগিব। ইয়াৰ বাবে সকলো সময়তে আৰু সকলো অৱস্থাতে আমি এইটো চাব লাগিব যে তেওঁলোক নিজৰ স্বাৰ্থৰ বাবে যিটো আটাইতকৈ ভাল বুলি ভাবে সেইটোকে ৰাষ্ট্ৰৰ স্বাৰ্থৰ বাবেও ভাল বুলি গণ্য কৰে। ৰাজহুৱা জীৱনত প্ৰবেশ কৰা এজন মানুহে সদায় আনৰ উপকাৰৰ কাৰণে আনৰপৰা কিছুমান নীতি মানি চলিব লাগিব। এই কথাখিনি পৰীক্ষা কৰিলেই আমি বুজিব পাৰিম নিৰ্বাচিত নাগৰিকসকল ৰাষ্ট্ৰৰ উপযুক্ত অভিভাৱক হ'ব নে নহয় তেওঁলোকে নিজৰ ব্যক্তিগত লোভ মোহবোৰ পৰিত্যাগ কৰিব পাৰিব নে নোৱাৰে। নাগৰিকসকলৰ জীৱনৰ সকলো সময়তে এই পৰীক্ষাটো কৰি থাকিব লাগিব। কিয়'না এই পৰীক্ষাটোৰপৰাই জানিব পৰা যাব তেওঁলোক নিজৰ কাৰণে আৰু ৰাষ্ট্ৰৰ কাৰণে ভাল নাগৰিক হয় নে নহয়। যিসকলে এই সকলোবোৰ পৰীক্ষাতে ভালদৰে উত্তীৰ্ণ হ'ব সেইসকলকহে শাসক নিযুক্ত কৰিব লাগে। নীতিগতভাৱে এই সীমাৰেখাৰ ভিতৰত শাসকসকল নিযুক্ত হ'ব লাগে। যিসকল নাগৰিকে শেষলৈকে সকলোবোৰ পৰীক্ষাতে উত্তীৰ্ণ হ'ব প্ৰাপ্ত বয়সত তেওঁলোক পূৰ্ণ অৰ্থত নাগৰিক হ'ব আৰু ডেকা বয়সত তেওঁলোকে পূৰ্ণ

নাগৰিকসকলক সহায় কৰিব। এইখিনিতে দুটা সাধাৰণ নীতি আমাৰ চকুত পৰে। আৰু এই নীতি দুটা কাৰ্যকৰী কৰাৰ উপায়ো ইয়াৰ লগতে আছে। প্ৰথম নীতিটো হৈছে—এজন মানুহে যিমানখিনি তেওঁৰ নিজা স্বাৰ্থ পৰিহাৰ কৰিব পাৰে সেই অনুপাতেহে জাতিৰ কাৰণে সেৱা আগবঢ়াব পাৰে। দ্বিতীয় নীতিটো হৈছে—মানুহে যিমানখিনি দায়িত্ব বহন কৰাৰ যোগ্যতা দেখুৱাব পাৰে সেই অনুপাতেহে তেওঁক ৰাষ্ট্ৰীয় সেৱাত উন্নতি কৰিব লাগে। আনহাতে আমি দেখিবলৈ পাওঁ যে ৰাষ্ট্ৰই শৈশৱৰপৰা পিছৰ বয়সলৈ ল'ৰা ছোৱালীৰ শিক্ষাৰ দায়িত্ব বহন কৰে আৰু শিক্ষাৰ ক্ষেত্ৰত প্ৰত্যেক পৰ্যায়ত তেওঁলোকৰ শিক্ষা জ্ঞানৰ প্ৰগতি পৰীক্ষা কৰি থাকে। বৰ্তমান যুগৰ ধাৰণাৰ লগত ইয়াৰ মিল নাই।

দ্বিতীয় প্ৰশ্ন হৈছে—কেনেকৈ কৰ্তৃপক্ষ প্ৰতিষ্ঠা কৰা যায় আৰু কৰ্তৃপক্ষক জাতিৰ বাবে গ্ৰহণীয় কৰি তুলিব পৰা যায়। ইয়াতো আমি দুটা মূল কথা মনত ৰাখিব লাগিব। এটা হৈছে সমাজত ঐক্য বজাই ৰখা আৰু আনটো হৈছে—কামৰ ভিত্তিত সমাজৰ মাজত গঢ়ি উঠা শ্ৰেণীবোৰৰ পাৰ্থক্য বাহাল ৰখা। আন এটা কথা হৈছে কিহৰ ভিত্তিত জাতি এটাৰ মানুহৰ মনত ৰাষ্ট্ৰৰ প্ৰতি প্ৰেম আৰু কৰ্তৃপক্ষৰ প্ৰতি আনুগত্য গঢ়ি উঠিব। ইয়াৰ উত্তৰত প্লেটোৱে কৈছে যে সৰ্বসাধাৰণ ৰাইজে এই নীতিবোৰৰ কথা একো বুজিব নোৱাৰে আৰু সেই গতিকে তেওঁলোকক এটা অতিকথা (Myth) বা এটা অলৌকিক কথাৰদ্বাৰা বান্ধি ৰাখিব লাগিব। তেওঁলোকক তেনে এটা অলৌকিক কথা মানি লবলৈ পতিয়ন নিয়াব লাগিব। তেতিয়াহে তেওঁলোকে নিজে বাস কৰা দেশখনক ভাল পাবলৈ শিকিব আৰু ইয়াক মাতৃৰ দৰে জ্ঞান কৰিব দেশৰ মানুহবোৰক ভ্ৰাতৃ বুলি ভাবিবলৈ ল'ব আৰু শ্ৰেণীবিভক্ত সমাজখনক স্বৰ্গীয় অনুষ্ঠান বুলি মানি ল'ব। প্লেটোৱে আকৌ কৈছে যে তেতিয়াও সমাজত এনে কিছুমান লোক ওলাব যিবোৰে এই অলৌকিক কথা বিশ্বাস নকৰিব আৰু তেওঁলোকৰ বাবে স্বদেশপ্ৰেম আৰু আনুগত্যৰ কাৰণ কোনো অলৌকিক কথা হ'ব নোৱাৰে। তেওঁলোকে ভাবে মানুহৰ প্ৰকৃতি আৰু গঠনেহে ইয়াৰ কাৰণ বিচাৰি উলিয়াব আৰু মানুহৰ শান্তি আৰু প্ৰগতিৰ বাবেই দেশপ্ৰেম আৰু দেশৰ প্ৰতি আনুগত্য প্ৰকাশ কৰিব। কিন্তু বাকীবোৰ মানুহক অলৌকিক কথাৰদ্বাৰাই উৎসাহিত কৰিব লাগিব আৰু তেতিয়াহে তেওঁলোকে বিশ্বাস কৰিব যে মানুহৰ সমাজৰ নীতিবোৰক বজাৰ ঐশ্বৰিক ক্ষমতাৰ নীতিৰ লগত তুলনা কৰিব পাৰি।

প্লেটোৱে যিখন সামাজিক সংগঠনক ঐশ্বৰিক ৰূপেৰে বলিয়ান কৰিবলৈ বিচাৰিছিল প্ৰথমতে ইয়াক এটা জাতিৰ সমাজৰ লগত তুলনা কৰিব পাৰি। কিন্তু জাতি ব্যৱস্থাত জন্মই মানুহৰ স্থান নিৰ্ণয় কৰে। আনহাতে প্লেটোৱে তেওঁৰ সমাজব্যৱস্থাক জন্মৰ ওপৰত নিৰ্ভৰশীল নকৰি ব্যক্তি আৰু যোগ্যতাৰ ওপৰত নিৰ্ভৰশীল কৰিবলৈ বিচাৰিছিল। তেওঁ সম্পূৰ্ণভাৱে স্বীকাৰ কৰিছিল যে ল'ৰা-

ছোৱালীয়ে সদায় মাক-দেউতাকৰ চৰিত্ৰ আৰু সামৰ্থ্য লাভ কৰিব নোৱাৰে, কিন্তু তেনে এটা সাধাৰণ প্ৰৱণতা থাকে। সেইবাবে তেওঁ জোৰ দি কৈছিল যে প্ৰত্যেক মানুহক তেওঁৰ চৰিত্ৰ আৰু সামৰ্থ্যলৈ চাই উপযুক্ত কাম আৰু স্থান দিব লাগে। তেওঁলোকৰ পিতৃ-মাতৃ বিষেই নহওক লাগিলে পিতৃ-মাতৃয়ে যি কাম কৰিছিল বা কৰে তাতকৈ উচ্চ বা নীচ সামাজিক কামৰ ব্যৱস্থা ল'ৰা-ছোৱালীৰ বাবে ৰাখিব লাগে। প্লেটোৰ মতে বংশানুক্ৰমিক নীতি সাধাৰণভাৱে ফলে বুলি অনুমান কৰিব পাৰি বিশেষভাৱে নহয়। সেই গতিকে মাজে মাজে যেতিয়া বংশানুক্ৰমিক নীতিৰ ব্যতিক্ৰম ঘটিব তাৰবাবে শুদ্ধ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

প্লেটোৱে ৰাষ্ট্ৰৰ জনসাধাৰণৰ খাতিৰত যি অলৌকিকতাবাদ ব্যৱহাৰৰ প্ৰস্তাৱ কৰিছিল সেইটো মানি লৈ কাম কৰাত যথেষ্ট বিপদ আছে। কিয়নো খাৰ পাৰপৰা জন্ম হোৱা সত্তাৰ লগত ঐতিহাসিক সত্যক তুলনা কৰাটো সঠিক নহয়। কিন্তু প্লেটোৱে কি কাৰণে এই প্ৰস্তাৱটো আগবঢ়াইছিল আমি সেইটো পাহৰি গলেও নহ'ব। এইটো আমি কেতিয়াও অস্বীকাৰ কৰিব নোৱাৰো যে বেলেগ বেলেগ মানুহে সত্যক বেলেগ বেলেগভাৱে গ্ৰহণ কৰে। ধৰ্মীয় ৰাজনৈতিক সামাজিক আৰু বিজ্ঞানসম্মত সত্য অশিক্ষিত আৰু অনুন্নত মানুহৰ মনত এটা ৰূপত প্ৰকাশ পায় আৰু শিক্ষিত আৰু উন্নত মানুহৰ মনত বেলেগ এটা ৰূপত প্ৰকাশ পায়। এই কথাটো প্লেটোৱে ভালদৰে বুজি পাইছিল। প্লেটোক আমি সমালোচনা কৰি ক'ব পাৰো যে সমাজৰ নিম্নশ্ৰেণীৰ মানুহবোৰৰ বৌদ্ধিক উন্নতিৰ পৰ্য্যায় আগ বঢ়াই আনিবলৈ ব্যৱস্থা গ্ৰহণ কৰাটো সমাজ আৰু ৰাষ্ট্ৰৰ অৱশ্য কৰ্তব্য। এইটো যে ৰাষ্ট্ৰ আৰু সমাজৰ একপ্ৰকাৰ কৰ্তব্য বিশেষ তাক আজিকালি মানি লোৱা হয়। কিন্তু এই অৱস্থাটো আঁতৰ কৰিবলৈ একো কৰা নহয়। গতিকে অৱস্থা একেদৰেই চলি থাকে। মানুহে সদায় মৌলিক সত্য থকা কথাবোৰত বিশ্বাস কৰিব যিবোৰ কথা প্ৰমাণ কৰিব পাৰি। এই কথাত আমাৰ মাজত মতামতৰ কোনো প্ৰকৃত বিৰোধ নাই। সত্য কথা কিৰূপে আৰু কি ধৰণে প্ৰকাশ পায় তাত আমি পাৰ্থক্য দেখিবলৈ পাওঁ। যি ৰূপত সত্য প্ৰকাশিত হয় সেই ৰূপ আৰু ধৰণো সম্ভৱপৰ এক কৰিবলৈ আৰু পৰিষ্কাৰ কৰিবলৈ আমি চেষ্টা কৰিব লাগে। তেতিয়াহে সত্য প্ৰত্যেকৰে বাবে চৰম সত্য হৈ পৰিব। এইটোৱে হ'ব লাগে শিক্ষাৰ প্ৰকৃত উদ্দেশ্য।

আমি আগতেই উল্লেখ কৰি আহিছোঁ যে গোটেইটো সামাজিক জীৱন জুৰি নাগৰিকসকল আৰু তেওঁলোকৰ সহকাৰীসকলৰ কাম কাজ লক্ষ্য কৰি থাকিব লাগিব আৰু পৰীক্ষা কৰি থাকিব লাগিব। এই পৰীক্ষাদ্বাৰা তেওঁলোকে শিক্ষাব্যৱস্থাৰ সহায়ত লাভ কৰা গুণবাৰ কিমানদূৰ কাৰ্য্যত পৰিণত কৰিব পাৰিছে সেইটো চাব লাগিব। এই পৰীক্ষাবোৰৰ ফলৰ ওপৰতে তেওঁলোকৰ ভৱিষ্যত উন্নতি অৱনতি নিৰ্ভৰ কৰিব। শিক্ষাব্যৱস্থাৰপৰা লাভ কৰা গুণ আৰু

নীতিজবাৰ কাৰ্য্যকৰী কৰিবলৈ তেওঁলোকে বা'হৰৰ কাৰ্য্যাৱলী আৰু পৰিবেশৰ মাজতো সুবিধা পাব লাগিব। আন কথাত তেওঁলোকৰ জীৱন ধাৰণৰ উপায় আৰু ব্যৱস্থা শিক্ষাব্যৱস্থাৰ পৰিপূৰক হ'ব লাগিব। কিয়'না মানুহৰ জীৱনৰ চৰম লক্ষ্য একেই। প্ৰত্যেক মানুহকে এইটো বুজাই তুলিব লাগিব যে প্ৰথম আৰু প্ৰধানকৈ তেওঁ জাতি বা ৰাষ্ট্ৰৰ এজন সেৱকহে। এই উদ্দেশ্য আগত ৰাখি'য়ে প্লেটোৱে তেওঁৰ সাম্যবাদৰ প্ৰস্তাৱ আগবঢ়াইছিল। তেওঁ কৈছিল মানুহৰ সুখ দুখ নিৰ্ভৰ কৰে তেওঁ কৰা কাম কাজৰ ওপৰত আৰু তেওঁ কি কাম কৰিব পাৰে তাৰ ওপৰত। সেই গতিকে মানুহৰ কাম-কাজ সম্ভৱপৰভাৱে যিমান কঠিন হয় সিমানেই ভাল। তেতিয়াহে ডেকা নাগৰিকসকলে সামাজিক কামত সোমালে সামাজিক স্বাৰ্থৰ প্ৰতি অৱহেলা নকৰিব। কিয়নো ব্যক্তিস্বাৰ্থৰ লগত জড়িত তেওঁলোকৰ নিজা ঘৰ মাটি টকা পইচা সা সম্পত্তি একেবাৰেই নাথাকিব তেওঁলোকে একপ্ৰকাৰ সন্ন্যাসী হৈ জীৱন যাপন কৰিব লাগিব। মধ্যযুগৰ সন্ন্যাস ধৰ্মৰ তত্ত্বকো এইদৰে ব্যাখ্যা কৰিব পাৰি : তুমি ভগৱানক সেৱা কৰিবলৈ ওলাইছা তোমাৰ শৰীৰক তাকে কৰিবলৈ দিয়া ভগৱানক সেৱা কৰিবলৈ যিবোৰ নহলেও চলে সেইবোৰ নোহোৱাকৈ প্ৰত্যেকটো কাম কৰি যোৱা। প্লেটোৰ মতবাদো একেই আছিল। কেৱল তেওঁ ভগৱানৰ কথা নকৈ সম্প্ৰদায় বা ৰাষ্ট্ৰৰ কথা কৈছিল। দুয়োটা তত্ত্বতেই এইটো বিশ্বাস কৰা হৈছিল যে বেয়া কাম কৰাৰ কাৰণে মানুহক বৈষয়িক অসুবিধাবোৰ লোক নিদিয়াকৈ থাকিব পাৰিলে মানুহৰ চৰিত্ৰ ভালেখিনি পবিত্ৰ হয়। কিয়নো তেতিয়া তেওঁলোকে বাহ্যিকভাৱে এটা নিশ্চিত ধৰণৰ জীৱন-যাপন কৰিবলৈ বাধ্য হয়। মানুহক তেনেকুৱা এটা শিক্ষা দি বৈষয়িক অথবা সুবিধাৰপৰা মুক্ত কৰি ৰাখিব পাৰিলে প্ৰকৃততে কিমানখিনি ভাল হ'ব পাৰে এই প্ৰশ্নটো বিভিন্ন যুগত কম বেছি গুৰুত্বসহ বাৰে বাৰে উঠি থাকে। ইউৰোপৰ ইতিহাসত কেইবাশ বছৰৰ কাৰণে প্লেটোৱে কোৱা কথাবোৰ আক্ষৰিকভাৱে কাৰ্য্যকৰী কৰা হৈছিল। এটা ব্যৱস্থাই যেনেকৈ অনিষ্ট সাধন কৰে তেনেকৈ সেই ব্যৱস্থাই বহুতো ভালো কৰে। সেই গতিকে এটা বিশেষ পৰিবেশ আৰু অৱস্থাত এটা ব্যৱস্থাৰদ্বাৰা যিখিনি মংগল হয় সেই অৱস্থাত আন এটা ব্যৱস্থা প্ৰৱৰ্তন কৰা হলে সেইখিনি মংগল হ'লহেঁতেন নে নাই সেইটোও ভাবিবলগীয়া কথা। প্লেটোৰ সময়তে গ্ৰিক ৰাষ্ট্ৰ কিছুমানত বিশেষকৈ স্পাৰ্টাত আংশিকভাৱে প্ৰস্তাৱ কাৰ্য্যকৰী কৰা হৈছিল আৰু ইয়েই স্পাৰ্টাক বহুতো অন্যায় সাধিত হোৱাৰপৰা ৰক্ষা কৰিছিল। গোটেই গণৰাজ্যখনতেই আমি প্ৰায়ে সাপেক্ষিক নিয়মানুবৰ্তিতাৰ স্পাৰ্টীয় নীতি আৰু পুৰণি সংস্কৃতিৰ ওপৰত প্ৰৱৰ্তিত এথেন্সীয় নীতি মিহলি হৈ থকা দেখিবলৈ পাওঁ।

এতিয়া আমি শাসকশ্ৰেণীটোৰ সুখৰ কথালৈ আহোঁ। এই শ্ৰেণীটোৰ লোকসকল বুদ্ধি-বৃত্তি থকা আৰু শক্তিসম্পন্ন। যিবোৰ বস্তু ব্যৱহাৰ কৰি এটা ভাল আৰু

ভদ্ৰ জীৱন যাপন কৰিব পৰা যায় তেওঁলোকক সেইবোৰ বস্তুৰপৰা বঞ্চিত কৰাটো উচিত হ'ব জানো ? প্লেটোৰে কোৱামতে তেওঁলোকে ভ্ৰমণ কৰিব নোৱাৰে। উপ-পত্নী ৰাখিব নোৱাৰে বন্ধু বান্ধৱক সোধ-পোছ কৰিব নোৱাৰে নিজৰ কাৰণে ব্যক্তিগত ত্যাগ কৰিব নোৱাৰে আনকি তেওঁলোকক কোনো টকা পইচাৰ নিৰ্দিষ্ট বেতন দিয়া নহয় কেৱল তেওঁলোকৰ বাবে আৱশ্যকীয় খাদ্য-বস্তু আৰু সা সুবিধা খিনিহে দিয়া হ'ব। ইয়াৰ উত্তৰত প্লেটোৱে কৈছে যে এই প্ৰশ্নটো বিবেচনা কৰিব লগীয়া অৱস্থা আৰু সময় হোৱা নাই সম্প্ৰতি আমি যিটো নীতিৰে আৰম্ভ কৰিছোঁ সেই নীতিটোত থাকিলেই আমি আগবাঢ়ি যাব লাগিব। তেওঁ আকৌ কৈছে মানুহ সমাজৰ এটা অংশহে। গতিকে সমাজখনক সুখী কৰিব নোৱাৰিলে এজন মানুহক সুখী কৰিবলৈ যোৱাটো একপ্ৰকাৰ নিৰৰ্থক। এই কথাটো পৰিষ্কাৰ কৰিবলৈ তেওঁ এটা ভাল অথচ সৰল উদাহৰণ দাঙি ধৰিছে। আমি যেতিয়া এটা মূৰ্তি সাজোঁ তেতিয়া সেই মূৰ্তিটোৰ চকু দুটা বেঙুনীয়া ৰঙৰ কৰাটো আমি ভাল বুলি নাভাবো কিয়নো আমি জানোৱেই যে বেঙুনীয়া এটা ধুনীয়া ৰং। সৌন্দৰ্য্য এটা সাপেক্ষিক বস্তু নহয়। এটা বস্তুৰ লগত তুলনা মূলকভাৱেহে আন এটা বস্তুৰ সৌন্দৰ্য্য সদায় বিবেচনা কৰা হয়। যিহেতু ৰঙৰ কোনো সাপেক্ষিক সৌন্দৰ্য্য নাই এটা ৰঙৰ লগত আন এটা ৰং মিহলালে নতুন এটা ৰঙৰ সৃষ্টি হয় সেয়ে ৰঙৰ সাপেক্ষিক সৌন্দৰ্য্য আঁকিব পৰা নাযায়। এই ক্ষেত্ৰত আমি গোটেই শৰীৰটোৰ লগত সম্পৰ্ক ৰাখিহে চকু দুটা অঁকাৰ কথাটো বিবেচনা কৰিব লাগিব। এই একে নীতিক মানুহৰ সুখৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিব পাৰি। বহুত ভাবে মানুহৰ সুখী জীৱনৰ বাবে কিছুমান বস্তু যেনে—ভাল ঘৰ বাৰী অত্যাৱশ্যকীয়। কিন্তু ইবোৰ সাপেক্ষিকভাৱে আৱশ্যকীয় নহয়। এই বস্তুবোৰ ভাল হয় নে নহয় সেইটো নিৰ্ভৰ কৰিব তেওঁলোকৰ ওপৰতহে যাৰ এই বোৰ আছে। নাগৰিকসকলৰ ক্ষেত্ৰত এইটো কোৱা বাহুল্য মাথোন যে ৰাষ্ট্ৰ এখনৰ ভিতৰত তেওঁলোক উৎকৃষ্ট মানুহ আৰু তেওঁলোকে উৎকৃষ্ট বস্তু পাব লাগিব। এইটো হ'লে একো এটা আচৰিত কথা নহ'ব যে তেওঁলোক ৰাষ্ট্ৰৰ ভিতৰত আটাইতকৈ সুখী লোক। কিন্তু আমাৰ কথা হৈছে—তেওঁলোকক সমাজৰ কামৰ কাৰণে উপযুক্ত কৰিব লাগিব কিয়নো সমাজত তেওঁলোকে যি কাম কৰে তাৰ পৰাহে সমাজত তেওঁলোকৰ স্থান নিৰ্ণয় হ'ব যেনেকৈ মানুহৰ শৰীৰৰ লগত সংগতি ৰাখিহে মানুহৰ চকু দুটা ভগৱানে তৈয়াৰ কৰিছে। আমাৰ উদ্দেশ্য হৈছে কেৱল নাগৰিকসকলকে নহয় ৰাষ্ট্ৰৰ ভিতৰত থকা সকলোবোৰ মানুহকে সকলোৰে যিমান বেছি পৰা যায় সিমান বেছি সুখ দিয়া। গতিকে মানুহৰ সুখ-দুখ প্ৰাকৃতিক অৱস্থাৰদ্বাৰা নিৰ্ণয় হ'বলৈ দিয়াই ভাল। কিয়নো যেতিয়ালৈকে আমি ৰাষ্ট্ৰৰ বিভিন্ন শ্ৰেণীৰ মানুহৰ কাৰ্য্য-কলাপ ঠিক নকৰো তেতিয়ালৈকে বিভিন্নশ্ৰেণীৰ মানুহৰ সুখ দুখৰ প্ৰশ্নটো বিবেচনা কৰাৰ বিশেষ অৰ্থ নাই। আমি যদি ৰাখিবলৈ

পথাৰত কাম কৰা খেতিয়ক বা ছিমেণ্ট তৈয়াৰ কৰা কাৰখানাত কাম কৰা বনুৱাক ভাল ধনীয়া পোছাক পিন্ধাও আৰু তেওঁলোকক কওঁ যে তেওঁলোকে আৰু কাম কৰিব নালাগে তাৰদ্বাৰা তেওঁলোকক ভদ্ৰলোক বনোৱা নহব বৰং সমাজৰ মানুহ হিচাপে তেওঁলোকৰ অনিষ্ট সাধন কৰাহে হ'ব। গতিকে ইয়াৰদ্বাৰা তেওঁলোকৰ সুখ আনিবও পৰা নাযাব আৰু ৰাষ্ট্ৰবো একো সুবিধা নহব। সকলো শ্ৰেণীৰ মানুহৰ ক্ষেত্ৰতে এই নিয়ম খাটে।

ৰাষ্ট্ৰ শাসন কৰোঁতে নাগৰিকসকলে কৰিবলগীয়া কৰ্তব্য কিছুমানৰ কথাও আমি বিবেচনা কৰিব লাগিব। শ্ৰমিকশ্ৰেণীৰ মানুহৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা নীতিটো প্ৰয়োগ কৰিলে যেনেকৈ অনিষ্ট সাধন হ'ব পাৰে নাগৰিকসকলৰ হাতত বৰ বেছি বা কম সম্পত্তি থাকিলেও তেওঁলোকৰ ওপৰত অৰ্পণ কৰা কাৰ্য্য কৰাত অসুবিধাৰ সৃষ্টি হ'ব পাৰে। ইয়াৰ ফলত শ্ৰমিকসকল এলেহুৱা হয় আৰু নাগৰিকসকলৰ কাৰ্য্যপটুতা কমি যায়। কাৰ্য্যকৰী কৰা উপায়ৰ কথা বিবেচনা নকৰিলেও এই নীতিটো ধৰ্য্য কৰি দিব পাৰি যে নাগৰিকসকল ৰাষ্ট্ৰৰ ভিতৰত ধনী হোৱা বা দুখীয়া হোৱাৰপৰা আঁতৰত থাকিব লাগিব। ইয়াৰপৰা এটা ডাঙৰ অসুবিধাও আহিব। কিয়নো সম্পত্তিয়েই হৈছে জাতি এটা বা ৰাষ্ট্ৰ এখনৰ ডাঙৰ বল। আমি সদায় মনত ৰাখিব লাগিব যে এখন ৰাষ্ট্ৰই নিজৰ অস্তিত্ব আৰু সাৰ্বভৌমত্ব ৰক্ষাৰ বাবে আন ৰাষ্ট্ৰৰ লগত যুদ্ধ কৰিবলগীয়া হ'ব পাৰে। গ্ৰিক ৰাষ্ট্ৰবোৰৰ সেই সময়ৰ অৱস্থাৰ ওপৰত তীব্ৰ উপহাস কৰি প্লেটোৱে এই কথাৰ উত্তৰ দিছিল। তেওঁ কৈছিল প্ৰশিক্ষিত খেলুৱৈসকলে যেনেকৈ যুদ্ধ কৰে তেনেকৈ প্ৰশিক্ষিত নাগৰিকসকলেও তেওঁলোকৰ বিৰুদ্ধে যুদ্ধ কৰিব পাৰিব। এই তুলনাটো কৰোঁতে প্লেটোৰ মনত আহিছিল গ্ৰিছ দেশৰ ধনী ডেকা মানুহবোৰলৈ। সেই ডেকাসকলে মুষ্টিযুদ্ধ আৰু আন প্ৰকাৰৰ মল্লযুদ্ধও কৰিব জানিছিল যদিও শাৰীৰিকভাৱে তেওঁলোক বৰ শিথিল হৈ গৈছিল আৰু যুদ্ধবিদ্যাত তেওঁলোক বৰ অপটু আছিল। কিন্তু ইয়াতকৈও ডাঙৰ কথা হৈছে এয়ে যে এখন প্ৰকৃততে ঐক্যবদ্ধ ৰাষ্ট্ৰই আন ৰাষ্ট্ৰবোৰৰ যিকোনো ৰাষ্ট্ৰতে নিজৰ নিজৰ ভিতৰত বিভাজনৰ সৃষ্টি কৰিব পাৰিব। কিয়নো তাৰ প্ৰত্যেকখন ৰাষ্ট্ৰতে দুটা শ্ৰেণী আছে। এটা শ্ৰেণী ধনী আৰু আনটো শ্ৰেণী দুখীয়া। দুখীয়া শ্ৰেণীটোৱে ধনী শ্ৰেণীটোক কেতিয়াও ভাল নাপায়। সেই ৰাষ্ট্ৰবোৰৰ কোনোখনকে প্ৰকৃতাৰ্থত ৰাষ্ট্ৰ বুলিব নোৱাৰি। গতিকে সেই ৰাষ্ট্ৰবোৰে এনেকুৱা প্ৰশিক্ষিত সৈন্যৰ লগত যুদ্ধ কৰিবলৈও সক্ষম নহ'ব।

ৰাষ্ট্ৰ এখনৰ ঐক্য বজাই ৰাখিবলৈ নাগৰিকসকল কেৱল বৰ বেছি সম্পত্তি বা বৰ বেছি গৰীৱ অৱস্থাৰপৰা আঁতৰত থাকিলেই নহ'ব তেওঁলোকে ৰাষ্ট্ৰৰ জনসংখ্যাও এটা ঠিক পৰ্য্যায়ত ৰাখিব লাগিব। ৰাষ্ট্ৰ এখনৰ জনসংখ্যা খুব বেছি হ'লেও ৰাষ্ট্ৰখন ঐক্যবদ্ধ কৰি ৰাখিব পৰা নাযায় আৰু খুব কম হ'লেও ৰাষ্ট্ৰৰ

বাবে আৱশ্যকীয়খিনিৰ যোগান ধৰিব পৰা নাযায়। তদুপৰি যিটো ব্যৱস্থাৰ ওপৰত সামাজিক শ্ৰেণীবোৰ বিভক্ত হৈ আছে সেই শ্ৰেণীবোৰো গুণৰ ভিত্তিত বজাই ৰাখিব লাগিব কেৱল জন্মৰ ভিত্তিত নহয়।

প্লেটোৰ মতে নাগৰিকসকলৰ বাবে এইবোৰ সহজ কাম। ব্যংগব্যক্তি যাৰ দি তেওঁ আকৌ কৈছে—প্ৰকৃত শিক্ষাৰদ্বাৰা শিক্ষিত হ'লে নাগৰিকসকলে তুলনামূলকভাৱে এইবোৰ কাম কৰিবলৈ সহজ পাব। এবাৰ তেওঁলোক জাতিৰ প্ৰতি উৎসৰ্গৰ নীতিত দীক্ষিত হৈ উঠিলে সেই নীতিৰ ফলাফল স্বীকাৰ কৰিবলৈ তেওঁলোক অকণো দ্বিধাবোধ নকৰিব। এই কথাটোকে বহলকৈ ব্যাখ্যা কৰিবলৈ গৈ তেওঁ এটা ভাব প্ৰকাশ কৰিছিল। সেইটো হৈছে—সকলো কামৰে প্ৰগতিৰ এটা প্ৰাকৃতিক প্ৰৱণতা আছে শুদ্ধ ভেটিৰ ওপৰত প্ৰতিষ্ঠিত এখন সংবিধান ঠিকভাৱে কাৰ্যকৰী কৰিবলৈ আৰম্ভ কাৰলে দিনে দিনে ইয়াৰ কাৰ্যকৰী শক্তি বাঢ়ি যাব যেনেকৈ এটা চকা ঘূৰাই থাকিলে লাহে লাহে ইয়াৰ ঘূৰণ শক্তি বাঢ়ি যায়। গতিকে নাগৰিকসকলক যিটো ঘৰত থাকিবলৈ দিয়া হ'ব সেই ঘৰটো ভালকৈ সাজি লব লাগিব। সেইটো নকৰিলে কেৱল আইনৰদ্বাৰা বিশেষ একো কাম নহ'ব। প্লেটোৱে কৈছে যে ৰাষ্ট্ৰৰ ওপৰত গুৰুত্বপূৰ্ণ প্ৰভাৱ নেপেলোৱাকৈ কোনো ঠাইতে সংগীতৰ ধৰণ পৰিবৰ্তন নহয়। সাধাৰণ আৰম্ভণীৰপৰাই আইনহীনতাৰ জন্ম হয়। সংগীতৰ ক্ষেত্ৰত যতিয়া ই আৰম্ভ হয় প্ৰথমতে ই কোনো অনিষ্ট সাধন নকৰে কিন্তু লাহে লাহে ই মানুহৰ মনত প্ৰৱেশ কৰে আৰু সময়ত ডাঙৰ ধ্বংসকাৰী শক্তিত পৰিণত হয়। গতিকে যথেষ্ট সাৱধানতা অৱলম্বন কৰি নাগৰিকসকলৰ বং বহইচৰ ক্ষেত্ৰতো আইনৰ তাৎপৰ্য্য সুমুৱাই দিবলৈ চেষ্টা কৰিব লাগিব।

প্লেটোৰ বিশ্বাস কৰিছিল যে জনপ্ৰিয় সংগীতৰ ধৰণৰ পৰিবৰ্তন হ'লে ডাঙৰ ৰাজনৈতিক পৰিবৰ্তন হোৱাৰ সংকেত পোৱা যায়। তেওঁৰ এই বিশ্বাস অতিৰঞ্জিত আছিল। এজন আধুনিক যুগৰ লিখকে সংগীতৰ ধৰণৰ পৰিবৰ্তন আৰু ৰাজনৈতিক পৰিবৰ্তনৰ মাজত কিবা সম্পৰ্ক দেখিলেও দূৰ সম্পৰ্কহে দেখিব। অৱশ্যে এই ধাৰণাটো আধুনিক যুগতো একেবাৰে অপ্ৰাসংগিক নহয়। ইয়াত কোনো সন্দেহ নাই যে ডাঙৰ ডাঙৰ ৰাজনৈতিক পৰিবৰ্তনৰ আগে আগে কিছুমান পূৰ্বলক্ষণ দেখিবলৈ পোৱা যায়। ভালকৈ লক্ষ্য কৰিলে এনে ধৰণৰ সাধাৰণ পৰিবৰ্তনৰ আগে আগেও আমি তেনে কিছুমান পূৰ্বলক্ষণ দেখিবলৈ পাও। যিকোনো ডাঙৰ বিপ্লৱৰ পাছতে মানুহে এই পূৰ্বলক্ষণবোৰ অধ্যয়ন কৰিবলৈ লয়। কিন্তু গ্ৰীছ দেশৰ এটা সৰু স্বাধীন জাতিৰ মনৰ ভাব অধ্যয়ন কৰাটো যিমান সহজ আছিল লক্ষ লক্ষ মানুহৰ মানসিক আৰু নৈতিক অৱস্থা অধ্যয়ন কৰাটো সিমান সহজ নহয়।

ইয়াৰ পিছত প্লেটোৱে আমাক কৈছে যে এজন ৰাজনীতি শাস্ত্ৰৰ দাৰ্শনিক হিচাপে তেওঁ যিকোনো বিষয়ে আইনৰ ওপৰত বিশেষভাৱে কোৱা ঠিক নহয়।

যিবোৰ বিষয়ৰ ওপৰত আইন কৰিব লাগে তেওঁৰ মতে সেই বিষয়বোৰ হৈছে— পুলিছ বেপাৰ বাণিজ্য ৰাজনৈতিক সংগঠন পোছাক পৰিচ্ছদ নম্ৰ ব্যৱহাৰ আদি। স্পাৰ্টাৰ দৰে ৰাষ্ট্ৰৰ কোনো লিখিত আইন কানুন নাছিল। তথাপি তাত এই সকলোবোৰ বিষয় প্ৰচলিত দেশাচাৰসমূহৰ দ্বাৰা নিয়ন্ত্ৰিত হৈছিল। সেই দেশাচাৰবোৰৰো আইনৰ দৰে বল আছিল। তেওঁৰ মতে আইনৰ লগত জড়িত সকলোবোৰ প্ৰশ্ন আপোনা আপুনি নিষ্পত্তি হৈ যাব যদিহে নাগৰিক সকলে শিক্ষাব্যৱস্থাত লাভ কৰি অহা জ্ঞানখিনি কাৰ্যক্ষেত্ৰত ঠিকভাৱে প্ৰয়োগ কৰে। আৰু শিক্ষাব্যৱস্থাই নাগৰিকসকলৰ মনত সদ্‌গুণৰ সৃষ্টি কৰিব নোৱাৰিলে কোনো বিষয়ৰ ওপৰত গ্ৰহণ কৰা আইনে ৰাষ্ট্ৰত চলি থকা বেয়া কামবোৰ বন্ধ কৰিব নোৱাৰে।

প্লেটোৰ মতে মানুহৰ মনত তিনিটা উপাদান আছে। এইকেইটা হৈছে— ভোক বা ক্ষুধা সাহস আৰু যুক্তি। ৰাষ্ট্ৰত এই তিনি ধৰণৰ মন থকা মানুহো আছে। এই মানুহবোৰ হৈছে শাসক সৈনিক আৰু উৎপাদনকাৰীসকল। প্ৰথম শ্ৰেণীৰ মানুহক তেওঁ নাগৰিক বুলি ধৰিবলৈ কৈছে। নাগৰিকসকলৰ ভিতৰত মতা আৰু তিৰোতা উভয় থাকিব। উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰে জন সাধাৰণৰ কাৰণে আৱশ্যকীয় বয়বস্তুবোৰৰ যোগান ধৰিব। কিন্তু শাসন কাৰ্যত তেওঁলোকৰ কোনো অংশ নথাকিব। সৈনিকশ্ৰেণীয়ে ৰাষ্ট্ৰখনক বাহিৰা শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা কৰিব। শাসক শ্ৰেণীয়ে তেওঁলোকৰ জ্ঞান আৰু যুক্তিৰ দ্বাৰা ৰাষ্ট্ৰৰ কাৰ্য্য পৰিচালনা কৰিব। কিয়নো তেওঁলোকৰহে কেৱল ৰাষ্ট্ৰকাৰ্য্য চলোৱাৰ দৰে এটা মহান কামৰ বাবে আৱশ্যকীয় মানসিক আৰু নৈতিক জ্ঞান আছে। প্লেটোৱে কৈছে এজন মানুহৰ মনৰ তিনিওটা উপাদানে সংগতিপূৰ্ণ ভাৱে কাম কৰিলে মানুহৰ মনৰ অভ্যন্তৰীণ ভাৱসাম্য ৰক্ষা হৈ থাকে আৰু তেনেকৈ ৰাষ্ট্ৰখনত থকা তিনিওটা শ্ৰেণীৰ মানুহে নিজৰ নিজৰ নিৰ্দিষ্ট ঠাইত ঠিকভাৱে কাম কৰি থাকিলে আৰু কোনেও কাৰো কামৰ ওপৰত হস্তক্ষেপ নকৰিলে সেই ৰাষ্ট্ৰখনো আদৰ্শ ৰাষ্ট্ৰ হয়।

কিহে ৰাষ্ট্ৰ এখনক জ্ঞানী কৰে ? খেতিয়ক আৰু মন্ত্ৰীসকল জ্ঞানী হ'ব লাগিলে তেওঁলোক তেওঁলোকৰ কামবোৰ ভালদৰে কৰিব লাগিব। কিন্তু ৰাষ্ট্ৰখনত ভাল খেতিয়ক আৰু ভাল মন্ত্ৰী থাকিলেই ৰাষ্ট্ৰ এখন জ্ঞানী হ'ব নোৱাৰে। ৰাষ্ট্ৰ এখন জ্ঞানী হ'ব লাগিলে ৰাষ্ট্ৰৰ নাগৰিকসকল জ্ঞানী হ'ব লাগিব। ৰাষ্ট্ৰখনৰ সমূহীয়া মংগলৰ বাবে কোনবোৰ কাম আৰু বস্তুৰ আৱশ্যক সেই বিষয়ে তেওঁলোকৰ এটা স্পষ্ট ধাৰণা থাকিব লাগিব আৰু তেওঁলোক ৰাষ্ট্ৰখনৰ অভ্যন্তৰীণ আৰু বহিঃসম্বন্ধ ভালদৰে চলাই থাকিবলৈ সমৰ্থ হ'ব লাগিব। গতিকে ৰাষ্ট্ৰ এখনৰ জ্ঞান বুলিলে আমি ৰাষ্ট্ৰৰ প্ৰশাসক নাগৰিকসকলৰ জ্ঞানকে বুজিব লাগিব। ৰাষ্ট্ৰখনক যেতিয়ালৈকে জ্ঞানী ৰাষ্ট্ৰ বুলি কোৱা হ'ব সেতিয়ালৈকে ৰাষ্ট্ৰৰ মুৰব্বীসকলে ৰাষ্ট্ৰৰ হকে জ্ঞানীৰ দৰে কাম কৰি থাকিব।

ৰাষ্ট্ৰ এখনৰ সাহস সৈনিকসকলৰ গাত দেখিবলৈ পোৱা যায়। অৱশ্যে, ৰাষ্ট্ৰ এখনৰ মানুহবোৰৰ ভিতৰত কেৱল সৈনিকসকলেই সাহসী হ'ব লাগিব আন বোৰ ভীৰু ভয়াতুৰ হ'লেও হ'ব এনে নহয়। সৈনিকসকল হৈছে যুদ্ধত ৰাষ্ট্ৰৰ প্ৰতিনিধি। যুদ্ধক্ষেত্ৰত তেওঁলোকে যি পৰিমাণৰ বীৰত্ব আৰু সাহসিকতাৰ পৰিচয় দিব পাৰে ৰাষ্ট্ৰখনো সেই পৰিমাণে সাহসী বুলি পৰিগণিত হয়। কিন্তু যুদ্ধক্ষেত্ৰৰ সাহসিকতাই চৰম সাহসিকতা নহয়, যুদ্ধক্ষেত্ৰত যি সাহসিকতা দেখুউৱা হয় সেই সাহসিকতা জন্তুৰ দৰে অন্ধ প্ৰবৃত্তিৰপৰাও আহিব পাৰে যা দানৱৰ দৰে স্বতঃস্ফূৰ্ত বাধ্যতাৰপৰাও আহিব পাৰে। আদৰ্শ ৰাষ্ট্ৰৰ সৈনিকসকলৰ সাহসিকতা শিক্ষাৰপৰা লাভ কৰা চৰিত্ৰৰ ওপৰত গঠিত হ'ব লাগিব। তেওঁলোকে ভালদৰে জানিব লাগিব ৰাষ্ট্ৰৰ বাবে আচল বিপদ কি আৰু সেই বিপদৰ সন্মুখীন কেনেকৈ হ'ব লাগিব। আন কথাত ক'বলৈ গলে যুদ্ধক্ষেত্ৰৰ সাহসিকতা কেৱল এক প্ৰকাৰ উচ্চ থাপৰ জ্ঞান আৰু ইয়াক ৰাষ্ট্ৰীয় সন্মানৰ প্ৰতি জ্ঞান বা নৈতিক সাহস বুলিব পাৰি। যিখন ৰাষ্ট্ৰৰ সৈনিকসকল এই ধৰণৰ সাহসেৰে সাহসী প্ৰকৃত অৰ্থত সেই ৰাষ্ট্ৰখনো সাহসী।

আত্মনিয়ন্ত্ৰণ হৈ'ছ শ্ৰমিকসকলৰ বিশেষ জ্ঞান। এই শ্ৰেণীৰ লোকসকলে নাগাৰিকসকলক মানি চলে। যিহেতু তেওঁলোকে নিজকে নিয়ন্ত্ৰণ কৰিবলৈ সক্ষম নহয় আনৰদ্বাৰা নিয়ন্ত্ৰিত হ'বলৈ সন্মত থকাটোৱেই তেওঁলোকৰ গুণ। সেই গুণটোক ইয়াক শ্ৰমিকসকলৰ এটা গুণ বুলি নধৰি তেওঁলোকৰ মাজত শান্তি সম্প্ৰীতি ৰক্ষা কৰিবলৈ মানি চলা চুক্তি বুলিও ক'ব পাৰি। এই কথাটো ব্যাখ্যা কৰিবলৈ গৈ প্লেটোৱে এটা উদাহৰণ দাঙি ধৰিছিল। এজন মানুহে কৈছিল—তেওঁ নিজেই নিজৰ মালিক। এজন মানুহে নিজৰ ওপৰত মালিক হ'ব খুজিলে নিজৰ তলত থকাৰ দাসো হ'ব লাগিব ইয়াৰ অৰ্থ হৈছে— প্ৰত্যেক মানুহৰে কেবাটাও অংশ থাকে। এটা উচ্চ আৰু আনটো নিম্ন। এটা অংশৰদ্বাৰা শাসন কৰিব লাগে আৰু আনটো অংশৰদ্বাৰা শাসিত হ'ব লাগে। সমাজতো এনেকৈ দুটা শ্ৰেণীৰ মানুহ আছে। আত্মনিয়ন্ত্ৰণৰ অৰ্থ হৈছে— উচ্চ শ্ৰেণীৰ মানুহবোৰে শাসন কৰিব লাগে আৰু নিম্ন শ্ৰেণীৰ মানুহবোৰে শাসন মানি চলিব লাগে। ৰাষ্ট্ৰ এখনৰ মানুহবোৰে স্বেচ্ছাই শাসকসকলৰ ওপৰত আনুগত্য প্ৰকাশ কৰিলে আৰু ৰাষ্ট্ৰখনৰ ভিতৰত থকা বিভিন্ন শ্ৰেণীৰ মানুহবোৰৰ মাজত শান্তি সম্প্ৰীতি বিৰাজ কৰি থাকিলে সেই ৰাষ্ট্ৰখনক আত্মনিয়ন্ত্ৰিত ৰাষ্ট্ৰ বুলি ক'ব পৰা যায়। যায়। আত্মনিয়ন্ত্ৰণ প্ৰধানকৈ শ্ৰমিকশ্ৰেণীৰ গুণ যদিও সৈনিকসকলৰ মাজতো আত্মনিয়ন্ত্ৰণৰ আৱশ্যকতা আছে। ৰাষ্ট্ৰৰ স্বাৰ্থত সৈনিকসকলো আত্মনিয়ন্ত্ৰিত হ'ব লাগিব আৰু তেওঁলোকেও শাসকসকলক মানি চলিব লাগিব।

ন্যায় কোনো এটা শ্ৰেণীৰে নিজৰীয়া গুণ নহয়, এই গুণটো সকলো শ্ৰেণীৰ মানুহৰ সম্পৰ্কৰ মাজতহে পোৱা যায়। এই গুণটো আনবোৰ গুণৰ ওপৰত।

অৱশ্যে এই গুণটো মানুহৰ গাত বিচাৰি পোৱাটো কঠিন। সেই গতিকে প্লেটোৱে অৱশেষত ন্যায়ৰ ব্যাখ্যা এইদৰে দিছিল। শিক্ষা আৰু সামৰ্থ্যৰ ফালৰপৰা উপযুক্ত কাম প্ৰত্যেকক দিয়া হ'ব। প্ৰত্যেকে নিজৰ নিজৰ কাম নিজৰ নিজৰ নিৰ্দিষ্ট স্থানত কৰি থাকিব কোনেও আন কাৰো কামৰ ওপৰত হস্তক্ষেপ নকৰিব। তেতিয়াহে ৰাষ্ট্ৰত ন্যায় বিৰাজ কৰিব। গতিকে ন্যায় কোনো বিশেষ গুণ নহয় আৰু অন্য গুণবোৰৰ দৰে প্ৰকৃতাৰ্থত এটা গুণ নহয় আন গুণবোৰৰ মৌলিক নীতিহে। এই নীতিটোৰদ্বাৰা সকলো শ্ৰেণীৰ মানুহক এটা সমূহীয়া লক্ষ্য সাধনৰ বাবে এখন সমাজত বান্ধ খুৱাই ৰখা হয়।

এখন ন্যায়ৰ ৰাষ্ট্ৰ হৈছে সকলো শ্ৰেণীৰ মানুহৰ এটা সংগঠন ইয়াত প্ৰত্যেকজন মানুহে তেওঁৰ সামৰ্থ্য অনুযায়ী কাম আৰু স্থান পাব আৰু প্ৰত্যেকজন মানুহে তেওঁৰ নিৰ্দিষ্ট স্থানৰপৰা ৰাষ্ট্ৰৰ মংগলৰ কাৰণে স্বেচ্ছাকৃত সেৱা আগবঢ়াই থাকিব। এই অৱস্থাত ন্যায়ৰ সমূহীয়া প্ৰকাশ দেখলৈ পোৱা যাব মানুহৰ জ্ঞান সাহস আৰু আত্মনিযন্ত্ৰণত। অৰ্থাৎ ৰাষ্ট্ৰ এখন ন্যায়ৰ ৰাষ্ট্ৰ হ'ব লাগিলে ইয়াৰ শাসকসকল জ্ঞানী হ'ব লাগিব সৈনিকসকল সাহসী হ'ব লাগিব আৰু ৰাষ্ট্ৰত থকা শ্ৰেণীকেইটাৰ মাজত শান্তি সম্প্ৰীতি বিৰাজ কৰি থাকিব লাগিব।

এখন আদৰ্শ ৰাষ্ট্ৰ হঠাতে ৰাতিৰ ভিতৰতে প্ৰতিষ্ঠা কৰিব নোৱাৰি। তিনিটা নিৰ্দিষ্ট আনুক্ৰমিক পৰ্য্যায়ৰ মাজেদিহে আদৰ্শ ৰাষ্ট্ৰ এখন প্ৰতিষ্ঠা কৰিব পাৰি। এই তিনিটা নিৰ্দিষ্ট পৰ্য্যায়ত ওপৰত উল্লেখ কৰা তিনি শ্ৰেণী মানুহৰ সৃষ্টি হয়। এই কথাটোকে পৰিষ্কাৰভাৱে কবলৈ গৈ প্লেটোৱে ৰাষ্ট্ৰৰ উৎপত্তিৰ বিষয়েও কৈছিল। তেওঁৰ মতে মানুহৰ বেলেগ বেলেগ ধৰণৰ আশা আকাংক্ষা আছিল আৰু সেইবোৰ কোনেও ব্যক্তিগতভাৱে পূৰণ কৰিব নোৱাৰি সমূহীয়াভাৱে পৰস্পৰ সহায় সহযোগিতাৰ মাজেদি পূৰণ কৰিবলৈ তেওঁলোকে ৰাষ্ট্ৰৰ সৃষ্টি কৰিছিল। ৰাষ্ট্ৰ উন্নয়নৰ প্ৰথম পৰ্য্যায়ত ৰাষ্ট্ৰৰ কেৱল উৎপাদনকাৰী শ্ৰেণীৰ মানুহহে আছিল। এই মানুহবোৰৰ মনত প্ৰধানকৈ এটা গুণ আছিল। সেইটোৱে হৈছে ক্ষুধা বা ভোক। গতিকে তেতিয়া ৰাষ্ট্ৰখন সম্পূৰ্ণ নাছিল। কিয়নো সেই ৰাষ্ট্ৰত মানুহৰ মনৰ প্ৰধান তিনিটা গুণৰ প্ৰতিনিধিত্ব কৰিব পৰা মানুহৰ অভাৱ আছিল।

কিছু কালৰ পাছত ৰাষ্ট্ৰত সৈনিকশ্ৰেণীৰ সৃষ্টি হ'ল। এই শ্ৰেণীৰ মানুহবোৰে ৰাষ্ট্ৰখনক বাহিৰৰ আক্ৰমণ আৰু বিদেশী শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰিছিল। ৰাষ্ট্ৰত এওঁলোক মানুহৰ মনৰ আন এটা গুণ সাহসক প্ৰতিনিধিত্ব কৰিছিল। এনেকৈ ৰাষ্ট্ৰই দ্বিতীয় পৰ্য্যায়ৰ উন্নয়নত ভৰি দিয়ে। উৎপাদনকাৰীশ্ৰেণীৰ মানুহৰ ভিতৰৰে কিছুমানক সৈনিকৰ কামত ব্যৱহাৰ কৰি ৰাষ্ট্ৰখনক বিদেশীৰ আক্ৰমণৰপৰা ৰক্ষা কৰা হয়। কিন্তু এই দ্বিতীয় পৰ্য্যায়তো ৰাষ্ট্ৰ এখন সম্পূৰ্ণ নহয়। কিয়নো ৰাষ্ট্ৰত তেতিয়াও কোনো শাসকশ্ৰেণী নাই। কোনো এটা শাসকশ্ৰেণী নোহোৱাকৈ ৰাষ্ট্ৰ এখনে এটা আদৰ্শ স্থানত উপনীত হ'ব নোৱাৰে।

শাসকশ্ৰেণীটোৰ আৱিৰ্ভাৱ হোৱাৰ লগে লগে ৰাষ্ট্ৰ এখনে ইয়াৰ উন্নয়নৰ শেষ পৰ্য্যায পাযগৈ। এই শাসকশ্ৰেণীটোৱে মানুহৰ মনৰ 'যুক্তি' নামৰ গুণটোক প্ৰতিনিধিত্ব কৰে। এনেকৈ সমাজৰ বাবে আৱশ্যকীয় তিনিটা শ্ৰেণীৰ মানুহৰ সৃষ্টি হ'লে সমাজত উৎপাদনকাৰী ৰক্ষক আৰু প্ৰশাসকৰ অভাৱ পূৰণ হয়। এজন মানুহৰ অভ্যান্তৰীণ শান্তি আৰু সুখ নিৰ্ভৰ কৰে যুক্তিয়ে তেওঁৰ ক্ষুধা প্ৰবৃত্তি আৰু সাহসিকতা নিয়ন্ত্ৰণ কৰাৰ ওপৰত। সেইদৰে এখন শান্তিপূৰ্ণ আৰু আদৰ্শ ৰাষ্ট্ৰ হ'ব লাগিলেও শাসক শ্ৰেণীৰদ্বাৰা উৎপাদনকাৰী শ্ৰেণী আৰু সৈনিকশ্ৰেণী নিয়ন্ত্ৰিত হ'ব লাগিব আৰু এই তিনিশ্ৰেণীৰ মানুহে প্ৰত্যেকে নিজৰ নিজৰ কৰ্তব্য নিজৰ নিজৰ স্থানত ভালদৰে পালন কৰিব লাগিব। আন কথাত ক'বলৈ গ'লে জাতি এটা বা ৰাষ্ট্ৰ এখনৰ সৰ্বাংগীন মংগল সাধনৰ কাৰণে শাসক শ্ৰেণীটোৰ প্ৰধান কাম হৈছে আন দুটা শ্ৰেণীৰ মানুহবোৰৰ কাম কাজ পৰিচালনা কৰা আৰু তেওঁলোকৰ কাৰ্য্যৰ মাজত সংহতি বজাই ৰখা। আগতেই বিশদভাৱে আলোচনা কৰি অহা হৈছে যে দাৰ্শনিক নাগৰিকসকলেই শাসক। তেওঁলোক নিজৰ কাৰ্য্যত সদায় যুক্তিৰদ্বাৰা পৰিচালিত হয়। তেওঁলোকে ৰাষ্ট্ৰৰ মানুহবোৰক অন্তৰভৰি ভাল পায আৰু এই মানুহবোৰৰ উত্তৰোত্তৰ উন্নতিৰ কাৰণে আন্তৰিকতাৰে কাম কৰে। এনেকুৱা এখন ৰাষ্ট্ৰকে প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰ বুলি কৈছে।

প্লেটোৱে আন এঠাইত আকৌ কৈছে যে দাৰ্শনিকসকলৰ সংখ্যা কম। সেই গতিকে আমি কিছুমান সদগুণী মানুহৰ শাসনকে গ্ৰহণ কৰিব লাগিব। তেওঁলোকৰ শাসনেই হ'ব অভিজাততন্ত্ৰ। এনেকুৱা এখন ৰাষ্ট্ৰতো শাসকসকল মানুহৰ ভিতৰত দেৱতাৰ দৰে হ'ব আৰু তেওঁলোকৰ কথাই সকলোৰেপৰা সন্মান আৰু আনুগত্য লাভ কৰিব।

গতিকে নিৰ্দিষ্ট আকাৰত ক'বলৈ গ'লে প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ আছিল সাপেক্ষিক ৰাজতন্ত্ৰ বা আইনৰদ্বাৰা অনিয়ন্ত্ৰিত অভিজাততন্ত্ৰ। প্লেটোৰ মতে তেনেকুৱা এখন ৰাষ্ট্ৰতহে ন্যায় প্ৰতিষ্ঠিত হ'ব পাৰে আৰু ন্যায় প্ৰতিষ্ঠিত হোৱা ৰাষ্ট্ৰই ঐক্যবদ্ধ ৰাষ্ট্ৰ হয়—যি ৰাষ্ট্ৰত শান্তি আৰু স্থিৰতা অব্যাহত থাকে।

প্লেটোৱে তেওঁৰ শেষ জীৱনত খুব সম্ভৱ ত্ৰুটীপূৰ্ণ পৃথিৱীৰ বাস্তৱ অভিজ্ঞতা আৰু ছাত্ৰসকলৰদ্বাৰা প্ৰভাৱান্বিত হৈ তেওঁৰ আদৰ্শৰাষ্ট্ৰৰ কিছু সংশোধন কৰিছিল। তেতিয়া তেওঁ ভালদৰে বুজি উঠিছিল যে দাৰ্শনিক ৰজা পোৱা নাযায় আৰু দাৰ্শনিক নাগৰিকসকলো নিজৰ পৰিয়াল আৰু সা-সম্পত্তি ত্যাগ কৰিবলৈ প্ৰস্তুত নহয়। সেই গতিকে 'আইন' নামৰ গ্ৰন্থত তেওঁ বাস্তৱলৈ নামি আহিছিল আৰু এখন কাৰ্য্যকৰী কৰিব পৰা আদৰ্শ ৰাষ্ট্ৰৰ প্ৰস্তাৱ আগ বঢ়াইছিল। তাত তেওঁ মত প্ৰকাশ কৰিছিল যে দাৰ্শনিক ৰজাৰ অবিহনে চৰম ক্ষমতা শাসকৰ ওপৰত অৰ্পণ নকৰি আইনৰ ওপৰত অৰ্পণ কৰা উচিত।

দ্বিতীয়তে ৰজাই তেওঁৰ ওপৰত অৰ্পণ কৰা ক্ষমতা ৰাষ্ট্ৰৰ মংগলৰ কাৰণে ব্যৱহাৰ নকৰি নিজৰ স্বাৰ্থৰ কাৰণে ব্যৱহাৰ কৰিলে ভাল ৰজাই স্বেচ্ছাচাৰী শাসকৰূপে পৰিগণিত হ'ব আৰু গণতান্ত্ৰিক শাসনতো নাগৰিকসকলৰ ওপৰত অৰ্পণ কৰা স্বাধীনতাৰ অপব্যৱহাৰ হ'লে বিশৃংখলতা আৰু অস্থিৰতাই দেখা দিব পাৰে। সেইগতিকে প্লেটোৱে এখন মিশ্ৰিত সংবিধানৰ প্ৰস্তাৱ আগবঢ়াইছিল। এই সংবিধানখনে ৰাজতন্ত্ৰৰ কিছুমান বছা বছা উপাদান আৰু গণতন্ত্ৰৰ কিছুমা' ভাগ ভাল উপাদান সামৰি লৈছিল। ৰাজতন্ত্ৰৰপৰা লোৱা উপাদানবোৰ হৈছে জ্ঞান আৰু শৃংখলা আৰু গণতন্ত্ৰৰপৰা লোৱা উপাদানবোৰ হৈছে সমতা স্বাধীনতা আদি। এই উপাদানবোৰ একেলগ কৰি এখন সংবিধানৰ সৃষ্টি কৰিব পাৰি লেও ইয়াৰ ওপৰত ভিত্তি কৰি আন এখন আদৰ্শ ৰাষ্ট্ৰৰ প্ৰবৰ্তন কৰিব পৰা যায়। বয়স ভালৰ ঘৰত জন্ম আৰু সম্পত্তিৰ ওপৰত ভিত্তি কাৰ নিৰ্বাচন কৰা শাসক সকলৰ গাতো কিছু পৰিমাণে জ্ঞান থাকিব বুলি আশা কৰিব পাৰি। সেইদৰে নিম্নশ্ৰেণীৰ মাজৰপৰাও কিছু সংখ্যক শাসক নিৰ্বাচন কৰিলে সমতা আৰু স্বাধীনতাৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰা হয়। সেইগতিকে প্লেটোৱে আইন নামৰ গ্ৰন্থত আইন সভাত উচ্চশ্ৰেণীবোৰ আৰু নিম্নশ্ৰেণীবোৰৰ বাবে সমান প্ৰতিনিধিত্ব পোষকতা কৰিছিল। কিন্তু আইন সভাত উপস্থিত থকাৰ বাবে কোনো পাৰিশ্ৰমিকৰ ব্যৱস্থা কৰা হোৱা নাছিল আৰু কেৱল উচ্চশ্ৰেণীৰ প্ৰতিনিধি সকলৰ বাবেহে উপস্থিতি বাধ্যতামূলক কৰা হৈছিল।

তেওঁৰ দ্বিতীয় আদৰ্শ ৰাষ্ট্ৰত প্লেটোৱে সম্পত্তিৰ সাম্যবাদ আৰু পৰিবাৰ ল'ৰা ছোৱালীৰ সমস্বত্ববাদৰ আঁচনি পৰিহাৰ কৰিছিল। ইয়াৰ পৰিবৰ্তে তেওঁ সম্পত্তিৰ ব্যক্তিগত অধিকাৰ সমৰ্থন কৰিছিল যদিও আইনৰদ্বাৰা ইয়াৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰাৰ কথাও কৈছিল। অৰ্থাৎ তেওঁ নাগৰিকসকলৰ বাবে সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্ব সমৰ্থন কৰিছিল এটা চৰ্তত। সেই চৰ্তটো হৈছে—মাটিৰপৰা উৎপন্ন হোৱা বস্তুবোৰ সমূহীয়াভাৱে সকলোৱেই একেলগে উপভোগ কৰিব লাগিব। কিন্তু মাটিত খেতি কৰিব লাগিব কেৱল দাসসকলে, নাগৰিকসকলক কোনো প্ৰকাৰৰ শাৰীৰিক শ্ৰমসম্পন্ন কাম কাজ ব্যৱসায় বাণিজ্যত লগাব নোৱাৰিব। আইনত কিন্তু প্লেটোৱে মতা তিৰোতা উভয়ৰে কাৰণে একে শিক্ষা আৰু সামৰিক আৰু আন আন ৰাষ্ট্ৰীয় কাৰ্যত সমান অংশ লাভ কৰাৰ পোষকতা কৰিছিল।

গতিকে গণৰাজ্যত প্লেটোৱে যিখন আদৰ্শ ৰাষ্ট্ৰৰ কথা কৈছিল সেইখন আদৰ্শ ৰাষ্ট্ৰত বিশেষভাৱে প্ৰশিক্ষিত আৰু নিৰ্ব্বাচিত শাসকসকলে আইনৰ উৰ্ধত থাকি ৰাষ্ট্ৰ শাসন কৰিব পাৰিছিল। কিন্তু আইনত তেওঁ যিখন আদৰ্শ ৰাষ্ট্ৰৰ কথা কৈছিল ইয়াত আইনহে আছিল সাৰ্বভৌমত্বৰ অধিকাৰী শাসক আৰু শাসিত উভয় আইন মানি চলিব লাগিছিল।

আদৰ্শ ৰাষ্ট্ৰৰ সমালোচনা ঃ জেনেটৰ ভাষাত "প্লেটোৰ গণৰাজ্যত দুটা অংশ

আছে। এটা অংশ কাল্পনিক আৰু আনটো অংশ আদৰ্শগত। ইয়াৰে কাল্পনিক অংশটোৰ ইতিমধ্যে মৃত্যু হৈছে ইয়াৰ কেতিয়াও পুনৰ জন্ম হ'ব নোৱাৰে আৰু আদৰ্শগত অংশটো সনাতন। মানুহৰ সমাজ এখনক অপৰিবৰ্তনীয় কিছুমান ভাগত বিভক্ত কৰা পৰিয়াল আৰু ব্যক্তিগত সম্পত্তিৰ উচ্ছেদ সাধন কৰি সামাজিক ঐক্য আৰু শান্তি প্ৰতিষ্ঠা কৰা মতা আৰু তিৰোতাৰ একে শক্তি আৰু সামৰ্থ্য থকা বুলি বিবেচনা কৰা শিক্ষাব্যৱস্থাৰদ্বাৰা ৰাষ্ট্ৰত আইনৰ স্থান অধিকাৰ কৰা দৰ্শনৰ শাসন প্ৰবৰ্তন কৰি ৰাজনৈতিক কাৰ্য্যকলাপৰ লগত ৰাজনৈতিক চিন্তা ভাৱনাবোৰক একাকাৰ কৰি লোৱা আদি কথাবোৰ কল্পনাপ্ৰসূত। কিন্তু প্লেটোৰ ন্যায়ৰ ধাৰণা কাল্পনিক নাছিল কিয়নো প্লেটোৱে ন্যায় প্ৰতিষ্ঠা কৰাকে ৰাষ্ট্ৰৰ চৰম উদ্দেশ্য বুলি কৈছিল। ৰাষ্ট্ৰত প্ৰকৃত ক্ষমতাৰ জন্ম হয় সদগুণবোৰৰপৰা। শিক্ষাই হৈছে সদগুণবোৰৰ উৎস আৰু ৰাষ্ট্ৰৰ ভাগ্য সদগুণী আৰু জ্ঞানীসকলৰ হাতত থাকে। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ কাল্পনিক অংশটো অবাস্তৱ স্বেচ্ছাচাৰী আৰু অকাৰ্য্যকৰী। কিন্তু তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ সনাতন অংশটোৱে এখন প্ৰকৃত আধুনিক ৰাষ্ট্ৰৰ বিষয়ে এটা বাস্তৱ ধাৰণা দিবলৈ চেষ্টা কৰিছিল।

প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰখন আছিল সাম্প্ৰতিক আৰু সৰ্বাধিকাৰী। এই ৰাষ্ট্ৰৰ অধীনত ৰাষ্ট্ৰই জনসাধাৰণৰ মানসিক আধ্যাত্মিক আদি সকলো বিষয়তে হস্তক্ষেপ কৰিব পাৰিছিল। প্লেটোৱে চিন্তা কৰাৰ স্বাধীনতা আৰু সংস্থা গঠনৰ স্বাধীনতাত বিশ্বাস কৰা নাছিল। বৰং শিক্ষাব্যৱস্থাৰদ্বাৰা তেওঁ শিল্পকলা আদি নিয়ন্ত্ৰিত হোৱাটোহে বিচাৰিছিল। প্লেটোৱে এখন সৰ্বাধিকাৰী ৰাষ্ট্ৰ প্ৰতিষ্ঠা হোৱাটো কামনা কৰিছিল যদিও সেই ৰাষ্ট্ৰখন তেওঁ সৰ্বোচ্চ জ্ঞানৰ অধিকাৰী সকলৰদ্বাৰাহে শাসিত হোৱাৰ কথা কৈছিল।

গণৰাজ্যত চিত্ৰিত কৰা প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ ওপৰত সচৰাচৰ এইবোৰ সমালোচনা আগবঢ়োৱা হয়। আদৰ্শ ৰাষ্ট্ৰখনৰ গঠন আৰু সাংগঠনিক চিন্তাত প্লেটোৱে অনাৱশ্যকীয়ভাৱে ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজত সাদৃশ্য দেখুৱাইছে। তেওঁ মানুহৰ প্ৰকৃতিক তিনিটা উপাদানত ভাগ কৰিছে— যেনে বুদ্ধি সাহস আৰু ক্ষুধা। মানুহৰ প্ৰকৃতিৰ এই উপাদানবোৰৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ মানুহৰ সমাজখনকো তিনিটা কঠিন ভাগত ভাগ কৰিছে। ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত বহুতো বিষয়ত সাদৃশ্য থকা বুলি ধৰিব ললে অনাৱশ্যকীয় খেলিমেলিৰ সৃষ্টি হয়। প্লেটোৱে ৰাজনীতিক নীতিশাস্ত্ৰৰপৰা পৃথক কৰি অনাৰ ক্ষেত্ৰত ব্যৰ্থ হৈছিল। তেওঁ কেৱল এখন সংগোনপুৰী গঢ়ি তুলিছিল যত নগৰ আৰু নাগৰিক বুলিলে এটা বস্তুকে বুজা গৈছিল। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ ৰাষ্ট্ৰীয় ব্যৱস্থাত মানুহৰ জীৱনৰ ওপৰত ৰাষ্ট্ৰৰ ইমান হস্তক্ষেপ কৰিবলৈ হৈছিল যে মানুহে স্বকীয় ভাৱে নিজৰ মনোবৃত্তি আৰু ইন্দ্ৰিয়শক্তিৰ পূৰ্ণ উন্নতি সাধন কৰিবলৈ সুযোগ পোৱাৰ কোনো আশা নাছিল। প্লেটোৱে কাৰ্য্যৰ বিশেষীকৰণৰ ওপৰত অধিক

গুৰুত্ব দিছিল আৰু ন্যায় প্ৰতিষ্ঠা কৰিবলৈ তেওঁ এজন মানুহৰ ওপৰত মাত্ৰ এটা কাম অৰ্পণ কৰাৰ কথাহে কৈছিল। ইয়াৰ ফলত বিভিন্ন মানুহৰ গাত আৰু মনত থকা আন আন গুণবোৰ মৰহি যোৱাৰ যথেষ্ট সম্ভাৱনা আছিল। দাৰ্শনিক হেগেলে প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ ওপৰত সমালোচনা আগবঢ়াই কৈছিল যে প্লেটোৱে কৰ্তৃপক্ষীয় স্বাধীনতাৰ ওপৰত বৰ বেছি গুৰুত্ব দিছিল। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰত ছম্পদ উৎপাদনকাৰী শ্ৰেণীটোৰ কোনো স্থান নাছিল। প্লেটোৱে এই শ্ৰেণীটোক সম্পূৰ্ণৰূপে অৱজ্ঞা কৰিছিল। প্লেটোৰ তেওঁলোকক সমাজত কোনো উচ্চ স্থান দিয়া নাছিল। তেওঁলোক কেৱল নিত্য প্ৰয়োজনীয় বয়বস্তুৰ উৎপাদনকাৰীহে আছিল। প্লেটোৱে চৰিত্ৰতকৈ বুদ্ধি-বৃত্তিক উচ্চ স্থান দিছিল। তেওঁৰ মতে আটাইতকৈ বেছি বুদ্ধিমানসকলেই আছিল আটাইতকৈ বেছি গুণী। ফলত নিম্ন-শ্ৰেণীৰ লোকসকলৰ আদৰ্শ ৰাষ্ট্ৰত কাৰ্য্যত কোনো স্থান নাছিল। তেওঁলোকৰ মুক্তিৰ কাৰণে তাত কোনো ব্যৱস্থা ৰখা হোৱা নাছিল অথবা ইয়াৰ বাবে প্লেটোৱে যুক্তি প্ৰদৰ্শন কৰাও নাছিল। এইখিনিত অৱশ্যে আমি এইটো কথা মনত ৰাখিব লাগিব যে গণৰাজ্যত প্লেটোৰ প্ৰধান উদ্দেশ্য আছিল ন্যায় প্ৰতিষ্ঠা কৰা। তেওঁৰ মতে ন্যায় কাম কৰিবলৈ জ্ঞানৰ প্ৰয়োজন। যিহেতু সেই জ্ঞান মাত্ৰ কিছুমানৰ বাহিৰে সকলোৰে নাছিল বা থাকিব নোৱাৰে সেইবাবে প্লেটোৱে সেই জ্ঞানীসকলৰ জৰিয়তেই এখন ভাল ৰাষ্ট্ৰ তৈয়াৰ কৰি তাত থকা সকলো শ্ৰেণীৰ মানুহৰ বাবে সুখী জীৱন গঢ়ি তুলিবলৈ বিচাৰিছিল। এৰিষ্টটলৰ মতে প্লেটোৱেও বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰখনেই আছিল শাসকশ্ৰেণী। নিম্নশ্ৰেণী লোকসকলৰ কোনো জিৰণি বা আহৰি নাছিল আৰু সেই গতিকে ৰাষ্ট্ৰৰ মংগলৰ বাবে চিন্তা ভাৱনা কৰিবলৈ তেওঁলোক যোগ্য নাছিল।

প্লেটোৱে নিম্নশ্ৰেণীৰ লোকসকল নাগৰিকসকলৰ শ্ৰেণীলৈ উন্নীত হোৱাটো কামনা কৰিছিল যদিও তাৰবাবে তেওঁ নিম্নশ্ৰেণীৰ লোকৰ বাবে শিক্ষাব্যৱস্থা ৰখা নাছিল। নিম্নশ্ৰেণীৰ লোকসকলক উপযুক্ত শিক্ষা দিয়াৰ ব্যৱস্থা নকৰাৰ ফলত তেওঁলোকৰ মাজৰপৰা কোনো মানুহেই নাগৰিকলৈ উন্নীত হোৱাৰ সম্ভাৱনা বৰ কম আছিল। ইয়াৰ ফলত ৰাষ্ট্ৰত থকা অধিক সংখ্যক লোকৰ মাজত অসন্তুষ্টি আঁতৰি যোৱা নাছিল। এইদৰে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰটো সমাজৰ নিৰীহ শ্ৰেণীৰ লোকসকলৰ মুক্তিৰ বাবে কোনো আঁচনি নোহোৱা বাবে তেওঁলোকৰ অৱস্থা একেদৰেই থাকি গৈছিল। প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ আঁচনি প্ৰস্তুত কৰোঁতে সেই সময়ৰ এটা মূল অনুষ্ঠানৰ কথা বিবেচনা কৰা নাছিল। সেইটো হৈছে দাসত্ব। দাসত্বই তেতিয়াৰ সমাজত এটা বিশিষ্ট ভূমিকা গ্ৰহণ কৰিছিল। প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰৰ আঁচনি প্ৰস্তুত কৰাৰ সময়ত দাসত্বৰ সমস্যাটো তেওঁৰ দৃষ্টিগোচৰলৈ অহা নাছিল আৰু এই অনুষ্ঠানটোক গৰিহণা দিয়া নাছিল। দাসত্বক তেওঁ মৌলিকভাৱে বেয়া অনুষ্ঠান বুলিও ভবা নাছিল। প্লেটোৰ আদৰ্শ

ৰাষ্ট্ৰৰ ব্যৱস্থাই মানুহৰ প্ৰকৃতি আৰু চৰিত্ৰক যথাযোগ্য স্থান দিয়া নাছিল আৰু তাত বহুতো প্ৰচলিত মতৰ বিৰুদ্ধে মত আছিল। সেইকেইটা হৈছে— (১) সম্পত্তিৰ সাম্যবাদ আৰু (২) পৰিয়ালৰ সাম্যবাদ। প্লেটোৰ সাম্যবাদ সেই সময়ৰ মানুহৰ গ্ৰহণযোগ্য হোৱা নাছিল। তেওঁলোকে ইয়াত দুৰ্নীতি কৰাৰ যথেষ্ট সুবিধা দেখিবলৈ পাইছিল। নাগৰিকসকলৰ বাবে তেওঁ যি অস্থায়ী বিবাহৰ ব্যৱস্থা কৰিছিল সিও কাৰ্যকৰী হোৱাৰ সম্ভাৱনা নাছিল।

আদৰ্শ ৰাষ্ট্ৰত প্লেটোৱে দাৰ্শনিক ৰজাসকলৰদ্বাৰা শাসিত যি দৰ্শনৰ শাসনৰ আঁচনি প্ৰস্তুত কৰিছিল সিও কাৰ্যকৰী কৰিবপৰা বিধৰ নাছিল। প্লেটোৱে দাৰ্শনিক ৰজাৰ হাতত সাপেক্ষিক ক্ষমতা অৰ্পণ কৰাৰ কথা কৈছিল। ক্ষমতা পোৱাৰ পাছত দাৰ্শনিক ৰজাসকলেও ইয়াৰ অপব্যৱহাৰ কৰাৰ সম্ভাৱনা যথেষ্ট আছিল আৰু তেতিয়া দাৰ্শনিক ৰজাই গৈ স্বেচ্ছাচাৰী ৰজাত পৰিণত হৈছিল।

প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰীয়ব্যৱস্থাত সমাজৰ কেইটামান অতি আৱশ্যকীয় কথাৰ প্ৰতি চকু দিয়া নাছিল। বিষয়াসকলৰ নিয়োগ সম্বন্ধে তেওঁ কোনো আইন আৰু বিধিৰ ব্যৱস্থা কৰা নাছিল। আইন-আদালতৰ বিষয়েও তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত কোনো কথা সন্নিবিষ্ট কৰা নাছিল। প্লেটোৰ মতে চৰকাৰ হৈছে একপ্ৰকাৰ কলা। ই প্ৰকৃত বিজ্ঞানৰ ভিত্তিত গঢ়ি উঠে। তেওঁৰ দিনত কোনো বিজ্ঞানসম্মত বিধিশাস্ত্ৰ নাছিল। সেই গতিকে তেওঁ এইবোৰ কথা আদৰ্শ ৰাষ্ট্ৰৰ আঁচনিত অন্তৰ্ভুক্ত কৰিব পৰা নাছিল। আকৌ তেওঁ যিখন প্ৰকৃত ৰাষ্ট্ৰৰ ছবি আঁকিছিল তাতো আইনৰ উৎস হিচাপে দেশাচাৰ আৰু লোকাচাৰবোৰে ঠাই পোৱা নাছিল। দৰাচলতে প্লেটো ৰাজনীতিজ্ঞ নাছিল নীতিবিদহে আছিল। তেওঁ কৈছিল যে ৰাষ্ট্ৰই নাগৰিকসকলৰ গোটেই জীৱনটো নিয়ন্ত্ৰণ কৰিব পাৰে আৰু নিয়ন্ত্ৰণ কৰা উচিতো। প্লেটোৰ এইটো ধাৰণা আৰু বিশ্বাস সম্পূৰ্ণ শুদ্ধ নাছিল। কিয়নো প্লেটোৱে ভবামতে সকলোবোৰ মানুহ নিজকে নিয়ন্ত্ৰণ কৰিবলৈ অক্ষম নাছিল। অৱশ্যে কিছুমান অক্ষম হ'ব পাৰে। তদুপৰি প্লেটোৱে শাসকসকলক দায় দোষৰ বাহিৰত ৰাখি বৰ ভুল কৰিছিল। প্লেটোৱে ধৰি লৈছিল যে সৰ্বজ্ঞানী অৰ্থাৎ স্বাৰ্থহীন নাগৰিকসকলে সদাসৰ্বদাই পৰৰ উপকাৰৰ কাৰণে জীৱন উছৰ্গা কৰিবলৈ ৰাজী আছিল আৰু ৰাষ্ট্ৰৰ ভিতৰত থকা অন্যান্য লোকসকল সদায় নিম্নপায় অৱস্থাত থাকিবলৈ প্ৰস্তুত আছিল। এটা কথাত প্ৰকাশ কৰিবলৈ গলে প্লেটোৰ গণৰাজ্য কোনো কালতপৰাই কাৰ্যকৰী আৰু গ্ৰহণযোগ্য নাছিল। প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত যি অভিজাততান্ত্ৰিক একনায়কত্ববাদৰ পোষকতা কৰিছিল সেইটো সমৰ্থনযোগ্য নহয় যদিও ৰাষ্ট্ৰৰ লক্ষ্য এটা সন্মুখত ৰাখি তেওঁ ৰাজনৈতিক দৰ্শনৰ ওপৰত ভিত্তি কৰি যিখন ৰাজনৈতিক আঁচনি যুগুত কৰিছিল তাক উলাই কৰিব নোৱাৰি। অন্ততঃ সমৰ্থবান অভিজাতলোকৰদ্বাৰা নিয়ন্ত্ৰিত চৰকাৰ এখনৰ প্ৰয়োজন সেই সময়ত বাদুকৈয় আছিল।

এৰিষ্ট'টলে প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰখনক বিভিন্ন কোণৰপৰা সমালোচনা কৰিছিল। তেওঁৰ মতে প্লেটোৰ সম্পত্তিৰ সাম্যবাদ মানৱ প্ৰকৃতিৰ বিৰুদ্ধ বস্তু আছিল। প্লেটোৱে ৰাষ্ট্ৰত ত্ৰুটীশূন্য ঐক্য প্ৰতিষ্ঠা হোৱাটো বিচাৰিছিল। কিন্তু এৰিষ্ট'টলৰমতে ত্ৰুটীশূন্য একতা ৰাষ্ট্ৰৰপক্ষে অনিষ্টকৰহে আছিল। কিয়নো ৰাষ্ট্ৰৰ আচল প্ৰকৃতি ত্ৰুটীশূন্য একতাত দেখিবলৈ পোৱা নাযায়। ৰাষ্ট্ৰ এখনত বিভিন্ন চৰিত্ৰৰ মানুহ থাকে। এই বিভিন্ন চৰিত্ৰৰ মানুহবোৰৰ মাজত এটা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক গঢ়ি তুলিব পাৰিলেহে ৰাষ্ট্ৰত প্ৰকৃত ঐক্য গঢ়ি উঠে। এই খিনিতে এৰিষ্ট'টলে প্লেটোক বুজাত ভুল কৰিছে। প্লেটোৱেও ৰাষ্ট্ৰত বিভিন্ন মানুহৰ বাবে বিভিন্ন কাম-কাজৰ ব্যৱস্থাৰ ওপৰত জোৰ দিছিল আৰু কামৰ ভিত্তিত মানুহৰ শ্ৰেণীবিভাগৰ কথা কৈছিল। সকলো শ্ৰেণীৰ মানুহে নিজৰ নিজৰ কাম নিজৰ নিজৰ ঠাইত নিষ্ঠাৰে কৰিলে শ্ৰেণীবিভক্ত সমাজতো প্লেটোৰ ঐক্য স্থাপিত হ'ব পাৰে বুলি ভাবিছিল। অৰ্থাৎ প্লেটোৱে প্ৰভেদ বা বিভিন্নতাৰ মাজতে একতাৰ বীজ ৰোপণ কৰিবলৈ বিচাৰিছিল। প্লেটোৱে অৱশ্যে উচ্চ শ্ৰেণী দুটাৰ মানুহৰ মাজত সদায় ঐক্য বজাই ৰখাটো কামনা কৰিছিল। এৰিষ্ট'টলে প্লেটোক নিম্নশ্ৰেণীৰ মানুহবোৰক অৱহেলা কৰা বুলি দোষাৰোপ কৰিছিল। এই অৱহেলাৰ কাৰণে ৰাষ্ট্ৰ আৰু সমাজখন দুটা বিবদমান শিবিৰত ভাগ হৈ যাব বুলি এৰিষ্ট'টলে আশংকা কৰিছিল। কিন্তু নিম্নশ্ৰেণীৰ লোকসকলক নাগৰিকত্বৰ অধিকাৰ দিয়াৰ পক্ষপাতী তেওঁ নিজেও নাছিল। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰখনক কাল্পনিক সমাজ বুলি ধৰিলৈও আমি ইয়াক এখন ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত আৱশ্যকীয় ৰাষ্ট্ৰৰ আৰ্হি হিচাপে গ্ৰহণ কৰিব পাৰোঁ। পিছৰ যুগত প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰই মানুহৰ চিন্তা আৰু কৰ্মজগতত গভীৰ আৰু প্ৰভূত প্ৰভাৱ পেলাইছে। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰক কেন্দ্ৰ কৰিয়েই ইয়াৰ পাছত আৰু বহুতো কাল্পনিক ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল। আংশিকভাৱে হ'লেও প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ বাস্তৱত ৰূপায়িত কৰিবলৈ আধুনিক যুগৰ ৰাজনীতিবিদসকলে এচামে চেষ্টা কৰিছে। সাম্যবাদ বৃত্তিগত বিশেষীকৰণ বুদ্ধিজীৱীক শাসন আদিয়েই প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ বিদ্যমান অতি গুৰুত্বপূৰ্ণ উপাদান। তত্ত্ব আৰু কাৰ্য্য উভয়তে সম্পত্তিৰ সাম্যবাদ বৰ্তমান পৃথিৱীৰ চিন্তাজগতৰ এটা ডাঙৰ আবেদন। পৃথিৱীৰ দুই তৃতীয়াংশ ৰাষ্ট্ৰত বৰ্তমান সম্পত্তিৰ ওপৰত সমষ্টিবাদ চলিছে। আধুনিক যুগৰ ক্ষমতাৰ পৃথকীকৰণ তত্ত্বৰ উৎস প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰতে পোৱা যায়। বৰ্তমান যুগৰ চৰকাৰবোৰৰ কাৰ্য্যপালিকাক বহুতো বিভাগত বিভক্ত কৰাৰ তত্ত্বও প্লেটোৰ বৃত্তিগত বিশেষীকৰণতে দেখিবলৈ পোৱা যায়। বৰ্তমান যুগতো সামৰিক আৰু বেসামৰিক বিষয়াসকলক উপযুক্তভাৱে শিক্ষিত আৰু প্ৰশিক্ষিত কৰি তোলা হয়। ৰাষ্ট্ৰৰদ্বাৰা নিৰ্ধাৰিত নিয়ন্ত্ৰিত আৰু পৰিচালিত শিক্ষাব্যৱস্থাতো প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ গোন্ধ আছে।

চতুৰ্থ অধ্যায়

প্লেটোৰ ন্যায়ৰ অৱধাৰণা

'গণৰাজ্য'ৰ আলোচ্য বিষয় এটা প্ৰশ্নেৰে আৰম্ভ কৰা হৈছে। সেই প্ৰশ্নটো হৈছে —ন্যায় কি ? সৰ্বসাধাৰণ লোকে তেওঁলোকৰ কথা-বতৰাত ন্যায় সন্মান ভাল— এইবোৰ শব্দ প্ৰায়ে ব্যৱহাৰ কৰে যদিও এই শব্দবোৰৰ সংজ্ঞা বা ব্যাখ্যা বিচাৰি মূৰ নঘমায়। চিন্তাবিদ আৰু চিন্তাশীল ব্যক্তিবোৰেহে এই শব্দবোৰৰ সংজ্ঞা আৰু ব্যাখ্যা বিচাৰি সমস্যাৰ সৃষ্টি কৰে আৰু তেওঁলোকেই এই সমস্যাবোৰ সমাধান কৰিবলৈ চেষ্টা কৰিবলগীয়া হয়। এয়ে হৈছে নৈতিক দৰ্শনৰ বিশেষ লক্ষণ। ইয়াৰ বিষয়বস্তুবোৰ সাধাৰণ মানুহৰ অভিজ্ঞতাৰপৰাই সৃষ্টি হয়। প্লেটোৱেও তেওঁৰ আলোচনা দাৰ্শনিকসকলৰ লগত কৰা নাছিল কৰিছিল তেওঁৰ সাধাৰণ বন্ধুবৰ্গৰ লগতহে।

ছ'ক্ৰেটিছে কৈছিল—'মই যোৱাকালি প্লেটোকনৰ লগত দেৱীৰ ওচৰত প্ৰাৰ্থনা জনাবলৈ পিৰাউছলৈ গৈছিলো। প্ৰথমবাৰৰ কাৰণে তাত অনুষ্ঠিত হোৱা উৎসৱটো চোৱাৰো আমাৰ ইচ্ছা আছিল। আমি আমাৰ প্ৰাৰ্থনা সমাপন কৰিলো। ঠাইখন চাবলৈ আমাৰ যিকণ কৌতূহল আছিল সিও পৰিতৃপ্ত হ'ল। আমি আমাৰ নগৰখনলৈ উভতি আহোঁতে চেফালাছৰ পুত্ৰ পলিমাৰ্কাছে আমাক দূৰৰপৰা দেখি চাকৰজনক লৰালৰিকৈ পঠাই দি আমাক তেওঁৰ বাবে অলপ অপেক্ষা কৰিবলৈ ক'লে। পলিমাৰ্কাছ আৰু তেওঁৰ বন্ধুবৰ্গৰ লগত ছক্ৰেটিছ তেওঁলোকৰ ঘৰলৈ গ'ল। তাত তেওঁৰ দেউতাক চেফালাছৰ লগত ছ'ক্ৰেটিছৰ কথা-বতৰা হ'ল। কথা প্ৰসংগত প্ৰশ্ন এটা উঠিল— ন্যায় কি ? চেফালাছ একন সাধু, বৃদ্ধ লোক। গোটেই জীৱনটো তেও সাধুতা আৰু ন্যায়ৰ আশ্ৰয়তে কটাইছিল। তেওঁকে প্ৰথমে এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ কোৱা হৈছিল। তেও কিন্তু কোনো উত্তৰ দিব পৰা নাছিল। ছক্ৰেটিছে কোনো উত্তৰো দিয়া নাছিল আৰু প্ৰশ্নও কৰা নাছিল।

পাছত পলিমাৰ্কাছে আলোচনাত যোগ দিলে। পলিমাৰ্কাছ আছিল একন সংস্কৃতিসম্পন্ন নবীন যুৱক। তেওঁ হয়তো কবিতাৰ পুথি অধ্যয়ন কৰিছিল আৰু তাৰপৰা যথেষ্ট জ্ঞানো আহৰণ কৰিছিল। কিন্তু মানৱ জীৱনৰ ওপৰত তেওঁৰ জ্ঞান আছিল সীমিত। দেউতাকৰ নিচিনাকৈ তেওঁৰ কোনো পুষ্ট অভিজ্ঞতা নাছিল। নৈতিকতাৰ ওপৰত তেওঁৰ কোনো নিজা মত নাছিল। গতিকে নৈতিকতাৰ ওপৰত তেও যি মতামত দাঙি ধৰিছিল সেয়া আছিল অতীত যুগৰ মহান পুৰুষসকলৰ মতামত।

পলিমাৰ্কাছৰ মতে প্ৰত্যেক মানুহকে তেওঁৰ প্ৰাপ্যখিনি দিয়াকে ন্যায় বোলে ছক্ৰেটিছৰ পৰামৰ্শমতে পলিমাৰ্কাছে ন্যায়ক কলাৰ শ্ৰেণীত ধৰিছিল। সংগীত কলা জোতা নিৰ্মাণ কলা শাসন কলা সুকুমাৰ কলা আদি সকলোৰে বাবে এক প্ৰকাৰ বিশেষ জ্ঞান আৰু ব্যুৎপত্তিৰ প্ৰয়োজন। এই বিশেষ জ্ঞান আৰু ব্যুৎপত্তি থাকিলেহে যিকোনো কলাৰে উৎকৰ্ষ সাধন কৰিব পৰা যায়। সেইদৰে এজন ভাল মানুহেও জানিব লাগিব কোনো এটা বিশেষ বস্তু কোন অৱস্থাত এজনৰ প্ৰাপ্য আৰু লগতে সেই বিশেষ বস্তুটো সেই অৱস্থাত তেও সেই মানুহজনক দিবলৈ সমৰ্থ হ'ব লাগিব।

ছক্ৰেটিছে এই ধৰণৰ যুক্তি সহজে খণ্ডন কৰি দিছিল আৰু তাত থকা দোষ বোৰ আঙুলিয়াই দি কৈছিল যে বহুতো ক্ষেত্ৰত এইটো প্ৰযোজ্য নহয়। উদাহৰণ স্বৰূপে তেওঁ কৈছিল এজন বলিয়া মানুহৰ হাতত কটাৰী এখন নি দিয়াটো অন্যায় নহয় যদিও সেইখন তেওঁৰেই কটাৰী। কিয়নো কটাৰীখন হাতত তুলি দিলে সেইখনেৰে তেও নিজক বা আনক আঘাত কৰিব পাৰে। কোনো বিশেষ জ্ঞান আৰু ব্যুৎপত্তি থকা মানুহে কোনো বিশেষ কাম কৰিলেই ন্যায় কৰা হ'ব নোৱাৰে। ছক্ৰেটিছে কৈছে যে ইয়াকে ন্যায় বুলি মানি ললে এনেকুৱা বহুতো ক্ষেত্ৰ ওলাব য'ত ন্যায় প্ৰয়োগ কৰিবৰ ঠাই নাথাকিব। এজন ন্যায়পৰায়ণ মানুহৰ ওপৰত এখন পাম পৰিচালনা কৰাৰ দায়িত্ব বা এখন জাহাজ বিক্ৰী কৰাৰ দায়িত্ব দিব নোৱাৰি এই দায়িত্ব দিব লাগিব এনে একোজন লোকৰ ওপৰত যি সেই বিষয়ত পাৰ্গত। জীৱনৰ প্ৰতি খোজতে এই একেটা কথাই খাটে। গতিকে নৈতিক চৰিত্ৰবিহীন ন্যায়ৰ সংজ্ঞা অৰ্থহীন। পলিমাৰ্কাছে তেতিয়াহে নিজৰ অজ্ঞতা স্বীকাৰ কৰিছিল আৰু কৈছিল তেনেহ'লে বন্ধুৰ প্ৰতি ভাল কৰা আৰু শত্ৰুৰ প্ৰতি অনিষ্ট কৰাই ন্যায়। ছক্ৰেটিছে তাৰ উত্তৰত কৈছিল যে মানুহ এজনৰ অনিষ্ট সাধন কৰা মানে তেওঁক এজন বেয়া মানুহ কৰা আৰু সেইবাবে তেনে কাম কৰা মানুহ কম ন্যায়পৰায়ণ। কিয়নো তেতিয়া হ'লে ন্যায়ৰ অৰ্থ হ'ব ন্যায়পৰায়ণ নোহোৱাহে ন্যায়পৰায়ণ হোৱা নহয়।

এই ধৰণৰ মৌলিক যুক্তিৰদ্বাৰা পলিমাৰ্কাছে কবিতা পঢ়ি গ্ৰহণ কৰা ন্যায়ৰ ধাৰণা আঁতৰ কৰা হৈছিল। পলিমাৰ্কাছে বুজি পাইছিল যে তেওঁ ইমান দিনে কবিসকলৰ কবিতাৰপৰা পোৱা ন্যায়ৰ ধাৰণা আৰু অৰ্থ অস্পষ্ট আৰু অসম্পূৰ্ণ। কবিসকলে বিচাৰেই নকওক লাগিলে সম্পত্তিৰ ক্ষেত্ৰত সাধুতাই ন্যায় নহয় আৰু কোনো কামৰ ওপৰত থকা ব্যুৎপত্তিয়েই নৈতিকতা হ'ব নোৱাৰে।

চেফালাছ আৰু পলিমাৰ্কাছ ন্যায়ৰ জীৱন্ত প্ৰতীক আছিল। তেওঁলোক আছিল জাতীয় ঐতিহ্যৰ বিষয়ে জ্ঞানৰ সাক্ষীস্বৰূপ। তেওঁলোকে 'ন্যায় কি' ব্যাখ্যা কৰিব নোৱৰাত পাছত প্লেটোৱে ন্যায় সম্পৰ্কে ছফিষ্টসকলে গ্ৰহণ কৰা মতামতবোৰ পৰীক্ষা কৰিবলৈ লৈছিল।

ছফিষ্টসকল দৰাচলতে কোনো দাৰ্শনিক নাছিল। তেওঁলোক আছিল বৃত্তিধাৰী শিক্ষক। বেলেগ বেলেগ ছফিষ্টৰ বেলেগ বেলেগ ধাৰণা আৰু মতামত আছিল। অৱশ্যে তেওঁলোকৰ কিছুমান ধাৰণাৰ মিল আছিল। বেছিভাগ সময়তে ৰাজনৈতিক চিন্তাবিদ হিচাপে তেওঁলোক ব্যক্তিবাদী আছিল। তেওঁলোকে প্ৰাকৃতিক আইন আৰু মানুহে সৃষ্টি কৰা আইনৰ মাজত প্ৰভেদ দেখা পাইছিল। যিবোৰ সামাজিক আইন জাতি-ধৰ্ম নিৰ্বিশেষে সকলো সময়তে সকলো মানুহৰ ক্ষেত্ৰত সমানে প্ৰয়োগ হয় সেইবোৰ প্ৰাকৃতিক আইন আৰু ৰাষ্ট্ৰই সৃষ্টি কৰা আইনবোৰৰ প্ৰাকৃতিক আইনৰ লগত সংগতি থাকিব লাগিব। ৰাষ্ট্ৰৰ আইনবোৰ প্ৰকৃতিৰ লগত সংগতি ৰক্ষা কৰি ৰচনা কৰিলেহে ঠিক হয়। কিন্তু বাস্তৱত ৰাষ্ট্ৰই ন্যায়পৰায়ণ নহয়। দাসত্বৰ অস্তিত্ব আৰু শাসকশ্ৰেণীটোৰ শ্ৰেষ্ঠতা আদিয়ে আদিম সমতাৰ নীতি ভংগ কৰিছে। ছফিষ্টসকলৰ মতে এইটোও প্ৰকৃতিৰ নিয়মেই আছিল। এই অসমতাৰ সৃষ্টি হৈছিল কিছুমান লোক বা কোনো এটা শ্ৰেণীৰ লোকে নিজৰ স্বাৰ্থ পূৰণৰ বাবে যত্ন কৰি সফল হোৱা বাবেই। কিছুমানৰ মতে সবলসকলৰ স্বাৰ্থতে এইবোৰ আইন সৃষ্টি কৰা হৈছিল আৰু এই আইনবোৰৰ সহায়ত সবলসকলে দুৰ্বলসকলৰ ওপৰত সুবিধা গ্ৰহণ কৰিছিল। আন এগৰাকী ছফিষ্টৰ মতে দুৰ্বলসকলৰ স্বাৰ্থতহে এই আইনবোৰ ৰচনা কৰা হৈছিল আৰু এই আইনবোৰৰ সহায়ত দুৰ্বলসকলক সবলসকলৰ বিৰুদ্ধে ৰক্ষণাবেক্ষণ দিয়া হৈছিল। কিন্তু দুয়োটা ক্ষেত্ৰতে আইনৰ উৎস আছিল নিজৰ স্বাৰ্থ। আইনৰ উৎপত্তিৰ বিষয়ে এই দুয়োটা ব্যাখ্যা প্লেটোৰ গণৰাজ্যত পোৱা যায়।

থ্ৰেচিমেকাছক ছফিষ্টসকলৰ ভিতৰত চৰমপন্থীসকলৰ প্ৰতিনিধি বুলি কোৱা হয়। তেওঁৰ মতে ন্যায়ৰ উদ্দেশ্য হৈছে সবলসকলৰ স্বাৰ্থ ৰক্ষা কৰা। ইয়াৰ অৰ্থ হৈছে চৰকাৰ সদায় প্ৰজাবোৰতকৈ শক্তিশালী আৰু চৰকাৰে নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে আইন ৰচনা কৰে আৰু যিয়ে এই আইনবোৰ মানি নচলে তেওঁলোকক অন্যায় কৰাৰ দোষত দোষী সাব্যস্ত কৰে। তৰ্কৰ খাতিৰত ছক্ৰেটিছে কৈছিল যে প্ৰকৃত অৰ্থত এজন শাসকে তেওঁৰ বাবে কোনটো উৎকৃষ্ট হ'ব তাত ভুল নকৰে। অন্য কথাত এজন শাসকে তেওঁৰ শাসন কৰা সামৰ্থাধিন হেৰোৱা লগীয়া হ'লে তেওঁ আৰু শাসক নামৰ যোগ্য হৈ নাথাকে। শাসকে এনেকুৱা ভুল কৰাৰ সম্ভাৱনা নিশ্চয় আছে। এই কথাখিনিৰ দ্বাৰাই ছক্ৰেটিছে থ্ৰেচিমেকাছক স্বীকাৰ কৰিবলৈ বাধ্য কৰাইছিল যে কোনো ৰোগ আৰোগ্য কৰা নাও চলোৱা আদি যেনেকৈ এটা কলা চৰকাৰ চলোৱাটোও একপ্ৰকাৰ কলা। কলাকাৰৰ যেনেকৈ ভুল হ'ব পাৰে শাসকসকলৰো তেনেকৈ ভুল হোৱাটো স্বাভাৱিক। কিয়নো শাসকসকলো কেতিয়াবা কেতিয়াবা নিজৰ স্বাৰ্থ নিহিত থকা উদ্দেশ্যৰ দ্বাৰা পৰিচালিত হ'ব পাৰে। যিকোনো কলাৰ উদ্দেশ্য হৈছে কোনো এটা অসম্পূৰ্ণ

উপাদানৰপৰা নিখুঁত বস্তু তৈয়াৰ কৰা। এজন বেমাৰী মানুহৰ শৰীৰটো ত্ৰুটী পূৰ্ণ ডাক্তৰে চিকিৎসা কৰি সেই ত্ৰুটীপূৰ্ণ শৰীৰটো ঠিক কৰিব লাগে। ইয়াৰ বাবে হয়তো তেওঁ পইচাও পাব। বনুৱাসকলৰ স্বাৰ্থ হৈছে তেওঁলোকৰ কাম যিমান সম্ভৱ সিমান ভালকৈ কৰা ভালকৈ কাম কৰিলে তেওঁলোকে তাৰ বাবে সন্মান প্ৰশংসা আৰু মজুৰিও পাব। কিন্তু তেওঁলোকৰ লক্ষ্য হ'ব লাগিব কামটো ভালকৈ কৰাহে ভাল বেতন আদায় কৰা নহয়। ধন ঘটাটোৱেই যিজন ডাক্তৰৰ লক্ষ্য প্ৰকৃত অৰ্থত তেওঁ ডাক্তৰেই নহয়। এই একেটা কথাই শাসকসকলৰ ক্ষেত্ৰতো খাটে। ডাক্তৰসকলৰ ধন ঘটাটোৱেই যেনেকৈ লক্ষ্য হ'ব নোৱাৰে শাসকসকলৰো বাহ্যিক মান সন্মান পোৱাটোৱেই লক্ষ্য হ'ব নোৱাৰে। যিজন শাসকে প্ৰজাসকলৰ কল্যাণৰ অৰ্থে কাম কৰে তেৱেঁই প্ৰকৃত শাসক। যিজন শাসকে নিজৰ স্বাৰ্থৰ বাবে কাম কৰে প্ৰজাসকলৰ স্বাৰ্থৰ প্ৰ ত পিঠি দিয়ে আছে অৰ্থত তেওঁ শাসক নহয়।

ছক্ৰেটিছে এনে ধৰণৰ যুক্তিৰদ্বাৰা থ্ৰেছিমেকাছক কিছু সময়ৰ বাবে নিমাত কৰিব পাৰিছিল যদিও এইবোৰ মূল প্ৰশ্নটোৰ ওপৰত পতিয়ন নিয়াব পৰা উত্তৰ নাছিল। এইটো সত্য যে থ্ৰেছিমেকাছৰ দৰে আমিও যদি শাসকৰ কাৰ্য্যৰ কিছুমান ধাৰণাৰপৰা আৰম্ভ কৰোঁ সবলসকলৰ স্বাৰ্থ ৰক্ষা'ক ন্যায়ৰ উদ্দেশ্য বুলি প্ৰমাণ কৰাৰ কাৰণে অসুবিধা আছে।

ছক্ৰেটিছৰ কথাবোৰৰ উত্তৰ দি থ্ৰেছিমেকাছে সুধিছিল তেনেহ'লে প্ৰকৃততে ন্যায় কি ? ছক্ৰেটিছৰ যুক্তিবোৰৰ প্ৰত্যক্ষ উত্তৰ নিদিয়াকৈ থ্ৰেছিমেকাছে গ্ৰিছদেশীয় চৰাকৰবোৰৰ দুৰ্নীতিবোৰ দেখুৱাইছিল। তেওঁ কৈছিল যে ভেৰা ৰখীয়াবোৰে ভেৰাবোৰক যেনেকৈ ব্যৱহাৰ কৰে শাসকসকলেও প্ৰজাবোৰক তেনেকৈ ব্যৱহাৰ কৰে আৰু এনেকৈ প্ৰজাসকলৰ ক্ষতিসাধন কৰি নিজৰ উন্নতি সাধন কৰে। তেওঁৰ মতে ন্যায়পৰায়ণ মানুহবোৰ বৰ দুৰ্বল আৰু সেইগতিকে অন্যায়কাৰীসকলে তেওঁলোকৰ ন্যায়পৰায়ণতাৰ সুযোগ গ্ৰহণ কৰি অনিষ্ট সাধন কৰিব পাৰে। কেতিয়াবা কেতিয়াবা অৱশ্যে অন্যায়কাৰীয়ে শাস্তি ভোগ কৰিবলগীয়া হয়। সেইটোও কেৱল সম্ভৱ সাধাৰণ দোষীবোৰৰ ক্ষেত্ৰতহে যিবোৰে কাৰোবাৰপৰা এটা সামান্য বস্তু নেদেখা কৰি আনি ধৰা পৰে বা কাৰোবাক সামান্য অলপ ঠগাই দোষী সাব্যস্ত হয়। সবল আৰু ক্ষমতাশীলসকলে বৃহৎ অন্যায় কৰিলেও তেওঁলোকক শাস্তি দিয়াটো সম্ভৱ নহয়। তেওঁলোকৰ বাবে অন্যায় কৰাটো স্বাভাৱিক আৰু বৰ লাভজনক। এই দৃষ্টিকোণৰপৰা চালে জোৰ যাৰ মুলুক তাৰ অন্যায়ে ন্যায়। চমুকৈ কলে শুদ্ধ-অশুদ্ধৰ মাজত থ্ৰেছিমেকাছে কোনো পাৰ্থক্য দেখা নাছিল। কিয়নো মানুহৰ সকলোবোৰ কাৰ্য্য নিজস্ব স্বাৰ্থ সিদ্ধিৰ বাবেহে কৰা হৈছিল। যিয়ে নিজৰ স্বাৰ্থৰক্ষাত কৃতকাৰ্য্য হৈছিল তেওঁকেই ন্যায়পৰায়ণ আৰু ঠিক মানুহ বুলি ক'ব লাগিছিল।

এইবাৰ ছক্রেটিছে স্বীকাৰ কৰিছে যে থ্ৰেছিমেকাছে এটা অতি গুৰুত্বপূৰ্ণ প্ৰশ্ন উত্থাপন কৰিছে। এইবাৰ তেওঁ ন্যায়ৰ প্ৰকৃতিৰ বিষয়ে তেওঁৰ মৌলিক প্ৰশ্নটোৰপৰা অলপ আঁতৰি জোৰ দি কৈছে যে ন্যায়তকৈ অন্যায় বেছি লাভ জনক। ন্যায়পৰায়ণ হোৱাতকৈ অন্যায়কাৰী হোৱাটো বেছি লাভজনক হয়নে নহয় সঠিককৈ কোৱা টান। কিয়নো ইয়াৰ লগত নৈতিকতাৰ সমস্যাটো জড়িত আছে। নৈতিক কথাবোৰ বাদ দি প্ৰশ্নটোৰ উত্তৰ দিব লাগিলে সহজে ক'ব পৰা যায় যে ন্যায়পৰায়ণ হোৱাতকৈ অন্যায়কাৰী হোৱাটোৱেই বেছি লাভজনক। এজন মানুহ ভাল মানুহ হৈ থাকিব লাগিলে যদি তেওঁৰ অনিষ্ট সাধন হয় তেওঁক কেতিয়াও ভাল মানুহ বুলি ক'ব নোৱাৰি। ছক্রেটিছে চূড়ান্ত দক্ষতাৰে এই প্ৰশ্নটোৰ উত্তৰ দিছিল। তেওঁ কৈছিল যে অন্যায় কৰাটো লাভজনক হওকেই বা নহওক অন্যায়ৰদ্বাৰা আত্মাৰ ওপৰত আঘাত কৰা হয় আৰু ইয়াৰদ্বাৰা আত্মাৰ ওপৰত যি আঘাত কৰা হয় কোনো প্ৰকাৰৰ পাৰ্থিৱ লাভে তাৰ ক্ষতিপূৰণ কৰিব নোৱাৰে। এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ তেওঁ যিবোৰ যুক্তিৰ অৱতাৰণা কৰিছিল সেই বোৰ তিনিটা মূল খুঁটিৰ ওপৰত প্ৰতিষ্ঠিত কৰা হৈছিল আৰু ইয়াৰদ্বাৰাই তেওঁ অন্যায়ৰ ওপৰত ন্যায়ৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিছিল। প্ৰথমতে তেওঁ দেখুৱাইছিল যে ন্যায়েই হৈছে প্ৰকৃত জ্ঞান। ইয়াতো তেওঁ কলা আৰু শিল্পবিদ্যাৰ তুলনাবোৰ আগবঢ়াইছিল। তেওঁ কৈছিল যে এজন ভাল গায়কে আন এজন প্ৰতিদ্বন্দ্বী গায়কক চেৰ পেলাবলৈ গান গাওঁতে এটা সুৰ যিমান দীঘলীয়াকৈ টানিব লাগে তাতকৈ বেছি দীঘলীয়া নকৰে। কিয়নো গান এটাৰ কোনো এটা ফাকিৰ সুৰ কিমান দীঘলীয়াকৈ টানিব লাগিব তাৰ সীমা এটা আছে সেই সীমা পাৰ হৈ গ'লে গানটো ভাল নহৈ বেয়াহে হ'ব। সেইদৰে গায়কজনে গানৰ সুৰ টানোঁতে সেই সীমাত উঠিব নোৱাৰিলেও গানটো ভাল নহ'ব। এজন শিল্পীয়ে যিবোৰ উপাদানেৰে কাম কৰে সেই উপাদানবোৰৰ চৰিত্ৰ তেওঁ ভালদৰে জানিব লাগিব আৰু তেতিয়াহে তেওঁ সেইবোৰ উপযুক্তভাৱে প্ৰয়োগ কৰিব পাৰিব। এইবোৰ প্ৰয়োগ কৰাত ভুল হ'লে বা বেছি কম হ'লে তেওঁ কেতিয়াও এজন ভাল শিল্পী বুলি পৰিচয় দিব নোৱাৰে। কিন্তু এজন অন্যায়কাৰী মানুহে কোনো আইন মানি নচলে। থ্ৰেছিমেকাছেও এইটো স্বীকাৰ কৰিছে। গতিকে শিল্পকলাৰ দিশৰপৰা বিচাৰ কৰি চালেও অন্যায়কাৰীসকল জ্ঞানী নহয়। দ্বিতীয়তে ন্যায়ৰ লগত শক্তি জড়িত হৈ আছে। কোনো এখন সমাজৰ লোকে তেওঁলোকৰ নিজ নিজ স্বাৰ্থ ৰক্ষাতে লাগি থাকি সামাজিক স্বাৰ্থৰ প্ৰতি পিঠি দিলে সেই সমাজখন একত্রিত হৈ থাকিব নোৱাৰে। ৰাষ্ট্ৰ এখনে সমৃদ্ধি লাভ কৰিব লাগিলে ৰাষ্ট্ৰখনৰ নাগৰিক-সকলৰ প্ৰতিজনৰ ওপৰত প্ৰত্যেকৰে কিছু পৰিমাণৰ বিশ্বাস থাকিব লাগিব আৰু তেওঁলোকৰ এটা সমূহীয়া আনুগত্যৰ কৰ্তৃপক্ষ থাকিব লাগিব। ৰাষ্ট্ৰ এখনৰ নাগৰিকসকলে কেৱল নিজৰ স্বাৰ্থ পূৰণত লাগি থাকিলে তাৰ ফল হ'ব প্ৰত্যেকে

সকলোবে বিৰুদ্ধে সংগ্ৰাম কৰা আৰু ব্যক্তিগত সুবিধা লাভৰ বাবে চলোঁতা এই সংগ্ৰামৰ ফলত ৰাষ্ট্ৰত সকলো প্ৰকাৰৰ শান্তি শৃংখলাও নাইকিয়া হ'ব। সেইদৰে নাগৰিকসকলৰ মাজত শাসনৰ বাবে প্ৰয়োজনীয় ঐক্য নাথাকিলে আৰু তেওঁ লোকে নিজৰ সকলোবোৰ ভাল বেয়া ইচ্ছা আৰু ভাব কাৰ্যত পৰিণত কৰিবলৈ গ'লে তেওঁলোকৰ জীৱনৰ প্ৰকৃত অৰ্থই নাইকিয়া হৈ যাব। মানুহৰ সংঘাতপূৰ্ণ ইচ্ছাবোৰৰ মাজত সংগতি ৰক্ষা কৰিবলৈ মানুহৰ আত্মাত কিবা এটা শাসকীয় নীতি থাকিবই লাগিব। ৰাষ্ট্ৰ আৰু ব্যক্তি উভয়ৰ ক্ষেত্ৰতে একতাই হৈছে প্ৰধান শক্তি। সেইবাবে ৰাষ্ট্ৰ এখনৰ অস্তিত্ব বজাই ৰাখিবলৈ হ'লেও ন্যায়ৰ প্ৰয়োজন আছে আৰু যিখন ৰাষ্ট্ৰত ন্যায়ৰ শক্তি বেছি সেইখন ৰাষ্ট্ৰই শক্তিশালী। ততীয়তে ন্যায়েই হৈছে আচল সুখ। ছক্ৰেটিছে বিতৰ্কৰ এই বিষয়টো এটা বিখ্যাত যুক্তিৰ দ্বাৰা প্ৰমাণ কৰিছে। তেওঁৰ মতে যিকোনো বস্তুৱে শৰীৰ বা মনে কাম কৰে। চকুৰ কাম হৈছে দেখা পোৱা আৰু কাণৰ কাম হৈছে শুনা। তদুপৰি প্ৰত্যেক কামৰে এটা চাৰিত্ৰিক বৈশিষ্ট্য আছে। চকুৰ চাৰিত্ৰিক বৈশিষ্ট্য হৈছে ভালদৰে দেখা পোৱা। তেন্তে মানুহৰ চাৰিত্ৰিক বৈশিষ্ট্য কি ? যিকোনো মানুহে নিজৰ কাম ঠিকভাৱে কৰিলেহে সুখী হ'ব পাৰে আৰু মানুহৰ এইটোৱে চাৰিত্ৰিক বৈশিষ্ট্য। সেইদৰে আত্মাৰ চাৰিত্ৰিক বৈশিষ্ট্য হ'ব ভালদৰে কাম কৰাটো। এই গুণটোকে ন্যায় বুলিব পাৰি আৰু ই মানুহক সুখ দিব পাৰে।

ছক্ৰেটিছে থ্ৰেছিমেকাছৰ যুক্তিবোৰ খণ্ডন কৰি দিছিল যদিও প্লেটোৰ মতে ছক্ৰেটিছে ছফিষ্টসকলৰ মতামতবোৰ একেবাৰে অমূলক বুলি প্ৰতিপন্ন কৰিব পৰা নাছিল। গ্লোকন আৰু তেওঁৰ ভ্ৰাতৃ এডিমেণ্টাছে ছক্ৰেটিছৰ লগত ছফিষ্টসকলৰ হকে আকৌ মতামত দাঙি ধৰিছিল। তেওঁলোক সুয়োজনেই ছফিষ্টসকলৰ প্ৰতি সহানুভূতিশীল নাছিল। কিন্তু তেওঁলোকে ছফিষ্টসকলৰ মতামতবোৰ অহৰহ শুনি আছিল আৰু সেইবোৰৰ ওপৰত কোনো যথাযথ উত্তৰ দিব পৰা নাছিল। তেওঁলোকে ভাবিছিল যে ছফিষ্টসকলে দাঙি ধৰা জনপ্ৰিয় মতামতবোৰ ছক্ৰেটিছৰ আগত ভালদৰে উত্থাপন কৰিব পাৰিলে ছক্ৰেটিছে তেওঁ লোকক উত্তৰ দিয়াত সহায় কৰিব।

কিছুমান বিষয়ত তেওঁলোকৰ যুক্তি আৰু থ্ৰেছিমেকাছৰ যুক্তি একেই আছিল। তাৰ মাজতেই এটা পাৰ্থক্য আছিল। তেওঁলোকেও একেটা প্ৰশ্নকে পুনৰ অৱতাৰণা কৰিছিল ন্যায় আৰু অন্যায়ৰ ভিতৰত কোনটো বেছি লাভ জনক ? কিন্তু তেওঁলোকে এটা সীমাৰেখা দি ইয়াৰ পাৰ্থক্য উলিয়াইছিল। তেওঁলোকৰ মতে কিছুমান বস্তু বা কাম নিজগুণেই ভাল আৰু আন কিছুমান বস্তু বা কাম তাৰ বাহিৰৰ কাৰণেহে ভাল। থ্ৰেছিমেকাছৰ চকুত এই পাৰ্থক্যটো ধৰা পৰা নাছিল। তেওঁ ধৰি লৈছিল যে পাৰ্থিৱ উন্নতিৰ আহিলা হিচাপেহে ন্যায় ভাল বা বেয়া হ'ব পাৰে। আনহাতে গ্লোকন আৰু তেওঁৰ ভাতৃয়ে বিশ্বাস

কৰিছিল যে ন্যায় একপ্ৰকাৰ উচ্চতম স্তৰৰ ভাল ই নিজগুণেতে ভাল আৰু ভাল ফল দিব পৰা কাৰণেও ভাল। কিন্তু কবিসকলে গ্ৰহণ কৰা আৰু ধৰ্মীয় কাম কাজত প্ৰচলিত সমূহীয়া মতামতবোৰৰ ন্যায়ৰ মূল্য ই আনিব পৰা লাভালাভ আৰু সন্মানৰ প্ৰতি লক্ষ্য কৰি ধাৰ্য্য কৰা নহয়। কিন্তু গ্লোকনৰ মতে বাহ্যিক সা সুবিধা লাভৰ বাবে যদি ন্যায় চৰ্চা কৰিবলগীয়া হয় তেতিয়া ন্যায়পৰায়ণ নহৈ ন্যায়পৰায়ণ হোৱা বুলি দেখুৱাব পাৰিলেই বেছি সুবিধাজনক হয়। এইক্ষেত্ৰত যবোৰ মানুহে জীৱনত বৰ বেছি পাৰ্থিব উন্নতিসাধন কৰিব পাৰে সেইবোৰ মানুহ চূড়ান্ত অন্যায়ৰ প্ৰতীক। এই মানুহবোৰৰ অন্যায় কৰিবলৈ সামৰ্থ্য থাকে আৰু সেই সামৰ্থ্যৰে নিজৰ স্বাৰ্থবোৰ পূৰণ কৰি লৈ আনন্দ উপভোগ কৰে। কিন্তু একে সময়তে তেওঁলোকে নিজকে ন্যায়পৰায়ণ বুলি সমাজত প্ৰতিপন্ন কৰিবও পাৰে আৰু ইয়াৰদ্বাৰা অন্যায় কৰাৰ বাবে পাবলগীয়া শাস্তিৰপৰা ৰক্ষা পৰে আৰু ন্যায়ৰ পূজাৰী হিচাপে পুৰস্কাৰ পায়। গতিকে ছক্ৰেটিছে তেওঁলোকক বুজাই দিব লাগিব যে বাহ্যিক ফলাফললৈ লক্ষ্য নকৰি আত্মাৰ বাবে ন্যায় কেনেকৈ উৎকৃষ্ট হ'ব পাৰে। তেওঁলোকে ছক্ৰেটিছক কৈছে 'আপুনি আমাৰ আগত অন্যায়তকৈ ন্যায় ভাল বুলি প্ৰমাণ কৰিলেই নহ'ব আপুনি আমাক দেখুৱাব লাগিব এজন মানুহৰ ওপৰত ন্যায় আৰু অন্যায়ৰ ফলাফলবোৰ কি দেৱতা আৰু মানুহে এইবোৰ দেখা পায় নে নাপায় যে ইয়াৰে এটা আশীৰ্বাদ আৰু আনটো হলাহল'। তেওঁলোকে এইদৰে আলোচনাৰ গতি আকৌ সেই মৌলিক প্ৰশ্নটালৈ লৈ যায়—প্ৰশ্নটো হৈছে ন্যায় কি?

যুক্তি প্ৰসংগত গ্লোকনে ৰাষ্ট্ৰৰ উৎপত্তিৰ বিষয়ে এটা দৃষ্টিভংগী দাঙি ধৰে। পাছৰ যুগত তেওঁৰ এই দৃষ্টিভংগীয়ে বিভিন্ন আকাৰত আধুনিক ৰাজনৈতিক চিন্তাৰ ওপৰত প্ৰভূত প্ৰভাৱ বিস্তাৰ কৰিছিল। গ্লোকনৰ মতে মানুহৰ সমাজ থন আদিতে স্বাক্ষৰিত হোৱা এটা সামাজিক চুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াত ন্যায়ৰ স্থান হৈছে শাস্তি ভোগ কৰিব নলগাকৈ অন্যায় কৰিব পৰা আটাইতকৈ ভাল সুবিধা আৰু প্ৰতিকাৰ কৰিব নোৱাৰা অন্যায় ভোগ কৰাৰ বাবে আটাইতকৈ বেয়া সুবিধাৰ মাজত। অৰ্থাৎ অন্যায় কৰিও শাস্তি ভোগ কৰিব নালাগিলে ভাল আৰু অন্যায় ভোগ কৰিও তাৰ কোনো প্ৰতিকাৰ কৰিবৰ উপায় নাথাকিলে বেয়া। ন্যায়ৰ স্থান এই দুটাৰ মাজতে। আন অৰ্থত ন্যায় হৈছে এটা আপোচ মীমাংসা। যদি এজন মানুহে তেওঁৰ ওপৰত কোনেও অন্যায় নকৰাকৈ বাধা দি ৰাখিব পাৰে তেনেহ'লে তেওঁ নিজে অন্যায়কাৰী হোৱাই ভাল। কিয়নো তেওঁ আনক অন্যায় কৰিলেও আনে তেওঁক অন্যায় কৰিব নোৱাৰে। কিন্তু কাৰো ক্ষেত্ৰতে এইটো সম্পূৰ্ণৰূপে সম্ভৱপৰ নহয়। আনকি যিজন আটাইতকৈ শক্তিশালী তেওঁ তেতিয়া দুৰ্বলতা অনুভৱ কৰিব যেতিয়া তেওঁক সকলোৱে বিৰুদ্ধে থিয় দিবলৈ কোৱা হয়। সেই গতিকে সকলোবোৰ মানুহে এই দুৰ্বলতাটো মনতে স্বীকাৰ কৰি লৈ পৰস্পৰ সহিষ্ণুতাৰ বাবে এটা চুক্তি সম্পাদিত কৰি লৈছে। সেই চুক্তি

মতে প্ৰত্যেকজন মানুহে ন্যায়পৰায়ণ হ'ব বুলি প্ৰতিশ্ৰুতি দিছে এটা চৰ্তত সেইটো হৈছে—আন সকলোবোৰ মানুহে অন্যায় কৰাৰপৰা বিৰত থাকিব। পাছত যিবোৰ আইন আৰু চুক্তি ৰচিত হৈছে সেই আটাইবোৰত এই মৌলিক কথাটোৰ সবিশেষ পোৱা যায়। এইখিনিতে এটা কথা আমি মন কৰিব লাগিব। সেইটো হৈছে —থ্ৰেচিমেকাছৰ মতে ৰাষ্ট্ৰ আৰু আইন সবলসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে সংগঠিত কৰা হৈছিল কিন্তু গ্লোকনৰ মতে দুৰ্বলসকলৰ স্বাৰ্থতহে আইনবোৰৰ উৎপত্তি হৈছিল।

প্লেটোৱে তেওঁৰ সহচৰসকলৰ এই যুক্তিৰ কি উত্তৰ দিব ? তেওঁৰ সহচৰসকলে আকৌ তেওঁক কৈছে যে এজন ন্যায়পৰায়ণ মানুহেও তেওঁৰ দুৰ্দিনত কেতিয়াবা বেয়া মানুহ হিচাপে কষ্ট ভোগ কৰিবলগীয়া হয় তেতিয়াও বাৰু আমি কমনে যে ন্যায়েই আটাইতকৈ ভাল। অথবা ন্যায়পৰাণ বুলি দেখুৱাই অন্যায়কাৰী হোৱাই ভাল নেকি ? প্লেটোৱে এই প্ৰশ্নবোৰৰ কোনো প্ৰত্যক্ষ উত্তৰ দিয়া নাছিল। গোটেই গণৰাজ্যখনেই ইয়াৰ উত্তৰ আছিল। কেইটামান বাক্যৰে এনে এটা জটিল প্ৰশ্নৰ উত্তৰ দিয়াটো কেতিয়াও সমীচীন নহয়। এই প্ৰশ্নবোৰ মানুহৰ প্ৰকৃতি আৰু পৰস্পৰ সম্বন্ধৰ লগত জড়িত থকা কিছুমান অনুমানৰ ওপৰত প্ৰতিষ্ঠিত। এই প্ৰশ্নবোৰৰ উত্তৰ দিব লাগিলে প্লেটোৰ তেওঁৰ নিজৰ দৃষ্টিভংগী দীঘলীয়াকৈ ব্যাখ্যা কৰিব লাগিব।

প্লেটোৱে ওপৰত উল্লেখ কৰা ন্যায়ৰ তত্ত্ববোৰ পৰীক্ষাৰ সহায়ত অগ্ৰাহ্য কৰি ছক্ৰেটিছৰ মুখেৰে তেওঁৰ নিজৰ ন্যায়ৰ তত্ত্ব উত্থাপন কৰাইছিল। ন্যায়ৰ প্ৰকৃত চৰিত্ৰ আৰু স্থিতি আবিষ্কাৰ কৰি উলিওৱাৰ দায়িত্ব তেওঁ গ্ৰহণ কৰিছিল। গণৰাজ্যত তেওঁ ন্যায়ৰ ওপৰত অসাধাৰণ গুৰুত্ব আৰোপ কৰিছিল। তেওঁ তেতিয়া নগৰ ৰাষ্ট্ৰবোৰত চলি থকা ৰাজনৈতিক আৰু সামাজিক অন্যায়বোৰ যদি দূৰ কৰিবলৈ ন্যায় প্ৰতিষ্ঠাত বাহিৰে অন্য কোনো পথ দেখিবলৈ পোৱা নাছিল। প্লেটোৱে সহজে বোধগম্য সমস্যাবোৰৰ সমাধানৰদ্বাৰাই কঠিন ৰহস্যপূৰ্ণ সমস্যাবোৰৰ সমাধানৰ উপায় বিচাৰি উলিয়াইছিল। আদৰ্শ ৰাষ্ট্ৰ এখনৰ সহায়ত তেওঁ ন্যায় আবিষ্কাৰ কৰি উলিয়াইছিল আৰু ইয়াৰ সংজ্ঞা ব্যাখ্যা কৰিছিল। তেওঁৰ মতে কোনো এটা আদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ সংগঠিত কৰা ৰাষ্ট্ৰ এখনতহে ন্যায় থাকিব পাৰে আৰু ই সম্পূৰ্ণ গুণৰাশিৰ লগত একে। চাৰিটা গুণেৰে সম্পূৰ্ণ গুণৰাশি গঠিত হয়। এই গুণকেইটা হৈছে—জ্ঞান যিটো কেৱল দাৰ্শনিক সকলৰহে থাকে সাহস যাৰ লগত থাকে মনোবল, বাধ্যতা আৰু নিয়মানুবৰ্ত্তিতা মিতাচাৰ বা আত্মনিয়ন্ত্ৰণ আৰু ন্যায়। প্লেটোৰ মতে যিকোনো ৰাষ্ট্ৰতে ন্যায় থাকিব লাগিলে আনকেইটা গুণ যেনে—জ্ঞান সাহস আৰু মিতাচাৰ বা আত্মনিয়ন্ত্ৰণ ৰাষ্ট্ৰখনত সম্পূৰ্ণৰূপে থাকিব লাগিব আনহাতে ৰাষ্ট্ৰখনত ন্যায় থাকিলেহে আনবোৰ গুণ থাকিব পাৰে। সেই গতিকে তেওঁ ন্যায়ৰ ধাৰণাটো আদৰ্শ ৰাষ্ট্ৰৰ

ধাৰণাৰপৰা কেতিয়াও আঁতৰ কৰিব নোৱাৰে। এই দুয়োটা এনেভাৱে যোৰা লাগি আছে যে ইটোক সিটোৰপৰা আঁতৰ কৰিব নোৱাৰি আঁতৰ কৰিলে দুয়োটাই নষ্ট হৈ যাব। ন্যায়েই ৰাষ্ট্ৰ এখনৰ প্ৰকৃত অৱস্থা বুজাই দিব পাৰে আৰু এখন আদৰ্শ ৰাষ্ট্ৰত ন্যায়ৰ প্ৰতিবিম্ব দেখিবলৈ পোৱা যায়। আদৰ্শ ৰাষ্ট্ৰ এখন ন্যায়ৰ শৰীৰ আৰু ন্যায় হৈছে ইয়াৰ আত্মা। দাৰ্শনিক হেগেলৰ মতে ৰাষ্ট্ৰ হৈছে বাস্তৱ ৰূপ আৰু ন্যায় ইয়াৰ তত্ত্বীয় ধাৰণা।

ৰাষ্ট্ৰ এখনত থাকিবলগীয়া গুণবোৰ ফঁহিয়াই চালে কথাটো বুজিবলৈ সহজ হ'ব। তলত এই গুণবোৰ চমুকৈ ব্যাখ্যা কৰা হ'ল।

জ্ঞান : ৰাষ্ট্ৰ এখনক কিহে জ্ঞানী কৰে? মিস্ত্ৰী আৰু খেতিয়কসকলৰ নিজৰ নিজৰ ব্যক্তিগত জ্ঞান থাকে কিন্তু এখন ৰাষ্ট্ৰত ভাল ভাল মিস্ত্ৰী আৰু খেতিয়ক থাকিলেই ৰাষ্ট্ৰ এখন জ্ঞানী হ'ব নোৱাৰে। কিছুমান গুণে ৰাষ্ট্ৰ এখনক জ্ঞানী কৰে আৰু সেইবোৰ গুণ গোটেই ৰাষ্ট্ৰখনৰ স্বাৰ্থৰ লগত জড়িত থাকে। এই গুণবোৰ সকলোৰে গাত থাকিব নোৱাৰে থাকে মাত্ৰ একশ্ৰেণীৰ মানুহৰ গাত সেই শ্ৰেণীটোৱে হৈছে অভিভাৱক শ্ৰেণী। এই শ্ৰেণীৰ লোকসকলে ৰাষ্ট্ৰ এখনৰ সমূহীয়া উন্নতিৰ কাৰণে কোনবোৰ বস্তু আৰু কামৰ আৱশ্যক সেয়া জানে তেওঁলোকে ৰাষ্ট্ৰ এখনৰ মানুহবোৰৰ মাজত অভ্যন্তৰীণ আৰু বাহ্যিক সম্পৰ্ক ৰক্ষা কৰি ৰাষ্ট্ৰখন চলাই থাকিব পাৰে। গতিকে ৰাষ্ট্ৰৰ ক্ষেত্ৰত ব্যৱহৃত জ্ঞানৰ অৰ্থ হৈছে শাসক শ্ৰেণীৰ গাত থকা বিশেষ গুণ। ৰাষ্ট্ৰ এখন তেতিয়ালৈকে জ্ঞানী হৈ থাকিব যেতিয়ালৈকে ৰাষ্ট্ৰৰ শাসকসকলে ৰাষ্ট্ৰখন জ্ঞানৰদ্বাৰা পৰিচালিত হৈ শাসন কৰি থাকিব।

সাহস : ৰাষ্ট্ৰ এখনৰ সাহস সৈনিকসকলৰ গাত দেখিবলৈ পোৱা যায়। কিন্তু সৈনিকসকলৰ বাহিৰে আৰু আন কাৰো গাত সাহস থাকিব নোৱাৰে বুলি ক'লে ভুল হ'ব। ৰাষ্ট্ৰত থকা আন মানুহৰ গাতো সাহস থাকিব পাৰে আৰু থাকে। কিন্তু যুদ্ধক্ষেত্ৰত সৈনিকসকলেই হৈছে ৰাষ্ট্ৰৰ সাহসৰ প্ৰতীক। সৈনিকসকলে যুদ্ধক্ষেত্ৰত যি সাহসৰ পৰিচয় দিয়ে তাৰ ওপৰত ভিত্তি কৰিয়েই ৰাষ্ট্ৰ এখনক সাহসী বা ভীৰু বুলি কোৱা হয়। কিন্তু সাহসে কেৱল যুদ্ধক্ষেত্ৰত দেখুওৱা বীৰত্বকে নুবুজায় সাহসৰ অৰ্থ ইয়াতকৈ গভীৰ। ৰাজনীতিত সাহস বুলিলে বন্য জন্তুৱে দেখুওৱা সাহসক নুবুজায়। আদৰ্শ ৰাষ্ট্ৰৰ সৈনিকসকলৰ সাহস তেওঁলোকৰ চৰিত্ৰত ফুটি উঠে আৰু এই সাহস তেওঁলোকে শিক্ষাব্যৱস্থাৰপৰা লাভ কৰে। সৈনিকসকলে ভালকৈ জানিব লাগিব আচল বিপদ কি আৰু সেই বিপদৰ সন্মুখত কেনেকৈ তেওঁলোকে কৃতকাৰ্যতাৰে সন্মুখীন হ'ব পাৰে। যুদ্ধক্ষেত্ৰত দেখুওৱা বীৰত্ব হৈছে সাহসিকতা গুণৰ এটা ফাল। প্ৰকৃত সাহসিকতা হৈছে নৈতিক সাহসিকতা যিটোৰ উৎপত্তি হয় সন্মানবোধৰপৰা। যিখন ৰাষ্ট্ৰৰ সৈনিকসকলৰ এই নৈতিক সাহস আছে সেইখন ৰাষ্ট্ৰহে প্ৰকৃততে সাহসী।

মিতাচাৰ : মিতাচাৰ বা আত্মনিয়ন্ত্ৰণ হৈছে শ্ৰমিকসকলৰ বিশেষ গুণ। শ্ৰমিকসকলে তেওঁলোকতকৈ শ্ৰেষ্ঠসকলৰ প্ৰতি আনুগত্য দেখুৱাই তেওঁলোকৰ এই গুণটো প্ৰকাশ কৰে। কিন্তু তেওঁলোকে নিজকে নিজে নিয়ন্ত্ৰণ কৰিব নোৱাৰে আৰু সেই গতিকে তেওঁলোকে আনৰদ্বাৰা নিয়ন্ত্ৰিত হ'বলৈ আপত্তি নকৰে। এইটো তেওঁলোকৰ এটা ঋণাত্মক গুণহে। গতিকে শ্ৰমিকসকলৰ এই গুণটোক গুণ নুবুলি তেওঁলোকৰ মাজত স্বাক্ষৰিত হোৱা এটা শৃংখলা ৰক্ষাৰ চুক্তি বোলাহে উচিত। এই কথাটোকে ব্যাখ্যা কৰিবলৈ গৈ প্লেটোৱে কৈছে এজন মানুহে নিজকে নিজৰ ওপৰত প্ৰভু বুলি দাবী কৰিব পাৰে। কিন্তু তেওঁ নিজৰ ওপৰত প্ৰভুত্ব চলাব লাগিলে নিজৰ দাসো হ'ব লাগিব। ইয়াৰ অৰ্থ হৈছে প্ৰত্যেক মানুহৰে মনৰ দুটা অংশ আছে। এটা অংশই শাসন কৰে আৰু আনটো অংশই শাসন মানে। মিতাচাৰৰ অৰ্থ হৈছে এটা সাধাৰণ সত্য স্বীকাৰ কৰি লোৱা। সেই সত্যটো হৈছে—শ্ৰেষ্ঠসকলৰ শাসন কৰিবলৈ অধিকাৰ আছে আৰু নিকৃষ্টসকলে শাসন মানি চলাটো কৰ্তব্য। যেতিয়া কোনো এখন ৰাষ্ট্ৰৰ নাগৰিকসকলে স্বেচ্ছাই শাসকসকলৰ ওচৰত তেওঁলোকৰ আনুগত্য প্ৰদান কৰে সেইখন ৰাষ্ট্ৰকে মিতাচাৰী বা আত্মনিয়ন্ত্ৰণ ৰাষ্ট্ৰ বুলি ক'ব পাৰি আৰু সেইখন ৰাষ্ট্ৰৰ সকলো শ্ৰেণীৰ মানুহৰ মাজত শান্তি প্ৰীতি থাকে। মিতাচাৰ বা আত্মনিয়ন্ত্ৰণ প্ৰধানকৈ শ্ৰমিক সকলৰ গাত থকা গুণ যদিও সৈনিকসকলৰ গাতো এই গুণ থাকিব লাগে। ৰাষ্ট্ৰৰ স্বাৰ্থত সৈনিকসকলেও আত্মনিয়ন্ত্ৰণ কৰিব লাগে আৰু নাগৰিকসকলৰ শাসনৰ প্ৰতি নিজৰ আনুগত্য প্ৰদান কৰিব লাগে। এইদৰে আমি ৰাষ্ট্ৰত থকা মানুহবোৰৰ গাত বিভিন্ন গুণবোৰ দেখিবলৈ পাও। শ্ৰমিকসকলৰ প্ৰধান গুণ মিতাচাৰ বা আত্মনিয়ন্ত্ৰণ। সৈনিকসকলৰ গাতো এই গুণ থাকিব লাগে আৰু তেওঁলোক সাহসী হ'ব লাগে আৰু অভিভাৱকসকলৰ গাত এই গুণবোৰৰ উপৰিও প্ৰকৃত জ্ঞান থাকিব লাগে।

ন্যায় : এই পৰ্য্যন্ত তিনিটা গুণৰ বিষয়ে ব্যাখ্যা কৰা হ'ল। চতুৰ্থ গুণ ন্যায়ৰ বিষয়ে এতিয়াও অনুসন্ধান কৰিবলৈ বাকী আছে। এই গুণটো আগৰ তিনিটা গুণৰ দৰে কোনো শ্ৰেণীৰ মানুহৰ গাতে একচেটিয়াভাৱে পোৱা নাযায়। এই গুণটো সকলো শ্ৰেণীৰ মানুহৰ মাজত থকা সম্পৰ্কত বিচাৰিলে পোৱা যায়। এই গুণটো অন্য সকলোবোৰ গুণৰ ওপৰত আৰু ইয়াক চিনি উলিওৱাটো বৰ কঠিন। সেইহে প্লেটোৱে ন্যায়ৰ সূত্ৰ এটা সাধাৰণ কথাত ব্যৱহাৰ কৰা বাক্যত দেখিবলৈ পাইছিল। এই বাক্যটোৱে প্ৰত্যেক মানুহকে নিজৰ কাম কৰিবলৈ আহ্বান কৰিছে। প্ৰত্যেক মানুহৰে কাম তেওঁৰ সামৰ্থ্য আৰু শিক্ষাৰ ওপৰত ভিত্তি কৰি ঠিক কৰিব লাগে। কিয়নো ইয়াৰদ্বাৰাহে কোনজন মানুহ কোনটো কামৰ বাবে আটাইতকৈ বেছি উপযুক্ত ঠিক কৰিব পৰা যায়। যিখন ৰাষ্ট্ৰৰ সকলোবোৰ মানুহে নিজৰ নিজৰ কৰ্তব্যখিনি সমাপন কৰে আৰু আনৰ কামত হস্ত

ক্ষেপ নকৰে সেইখনেই ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰ। গতিকে ন্যায় কোনো বিশেষ গুণ নহয় অইন তিনিটা গুণৰ দৰে ই এটা গুণ নহয় ই সকলোবোৰ গুণৰে মৌলিক নীতিহে। এই গুণটোৱে সকলোবোৰ শ্ৰেণীৰ মানুহকে এখন সমাজত একত্ৰিত কৰি ৰাখে আৰু সকলোবোৰ মানুহৰ কামকে এটা সমূহীয়া উদ্দেশ্য সাধনৰ ফালে চলাই লৈ যায়। এখন ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰত সকলো শ্ৰেণীৰ মানুহকে সংগঠিত কৰি লোৱা হয় আৰু তাত প্ৰত্যেকজন মানুহে তেওঁৰ শক্তি আৰু সামৰ্থ্য অনুযায়ী কাম কৰিবলৈ সুবিধা পায়। আনহাতে ইয়াত প্ৰত্যেকজন মানুহে ৰাষ্ট্ৰৰ উন্নতি আৰু সংহতিৰ বাবে স্বেচ্ছাই নিজৰ কৰ্তব্যখিনি সম্পাদন কৰে। এই অৱস্থাত বিভিন্ন শ্ৰেণীৰ মানুহে নিজৰ কৰ্তব্য কৰোঁতে তেওঁলোকৰ সাহস জ্ঞান মিতাচাৰ বা আত্মনিয়ন্ত্ৰণ আদিৰ মাজেদি ন্যায়ৰ প্ৰকৃত অভিব্যক্তি হয়। আন অৰ্থত ৰাষ্ট্ৰ এখন ন্যায়পৰায়ণ হ'লে ৰাষ্ট্ৰৰ শাসকসকল জ্ঞানী সৈনিকসকল সাহসী হ'বই আৰু ৰাষ্ট্ৰত থকা সকলো শ্ৰেণীৰ মানুহৰ মাজত সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্কও গঢ়ি উঠিব। এইদৰে প্লেটোৱে ব্যক্তি আৰু সমাজৰ ক্ষেত্ৰত ন্যায়ৰ অৰ্থ ব্যাখ্যা কৰিছিল। ব্যক্তিৰ ক্ষেত্ৰত ন্যায় হৈছে চৰিত্ৰৰ প্ৰকাশ যাৰ ফলত ব্যক্তিয়ে নিজৰ কৰ্তব্যখিনি স্বেচ্ছাই সম্পন্ন কৰে। ৰাষ্ট্ৰৰ ক্ষেত্ৰতো ন্যায়ৰ প্ৰকাশ হয় ৰাষ্ট্ৰৰ চৰিত্ৰত। যিখন ৰাষ্ট্ৰই তাত থকা সকলো শ্ৰেণীৰ মানুহৰে সমূহীয়া উন্নতিৰ অৰ্থে কাম কৰে সেইখন ৰাষ্ট্ৰই ন্যায়ৰ ওপৰত প্ৰতিষ্ঠিত। এটা ভাল আৰু ন্যায়ৰ জীৱন এখন সমাজতহে কটাব পাৰি আৰু সেইখন সমাজত থকা সকলোবোৰ মানুহৰে কাৰ্য্যবোৰৰ মাজত ভাৰসাম্য থাকিব লাগিব। মানুহবোৰৰ কাৰ্য্যত ভাৰসাম্য ৰক্ষা কৰিব লাগিলে মানুহবোৰক মনোবৈজ্ঞানিক ভিত্তিত ভোকাতুৰ সাহসী আৰু যুক্তিবাদী—এই তিনিটা শ্ৰেণীত ভাগ কৰি ল'ব লাগিব। ৰাষ্ট্ৰখনত এই তিনি শ্ৰেণীৰ মানুহে যিবোৰ কাম কৰিব সেই কামবোৰত বিসংগতি নঘটিলে ৰাষ্ট্ৰত ন্যায় চলি থাকিব। প্লেটোৰ ন্যায়ৰ অৰ্থই হৈছে নিজেই নিজৰ কৰ্তব্যত সম্পূৰ্ণ মনোযোগ দিবলৈ আৰু আনৰ কৰ্তব্য ক্ষেত্ৰত হস্তক্ষেপ নকৰিবলৈ কৰা ইচ্ছা আৰু প্ৰত্যেকে নিজৰ কৰ্তব্যক্ষেত্ৰত তেওঁৰ কৰ্তব্যখিনি সম্পন্ন কৰা'। ন্যায় হৈছে ৰাষ্ট্ৰৰ আন আন গুণবোৰৰ চৰ্ত আৰু ই ৰাষ্ট্ৰত থকা মানুহবোৰৰ কাৰ্যৰ বিভাজন আৰু বিশেষীকৰণৰ ওপৰত থিতি থাকে আৰু থাকে। "নাগৰিকসকলৰ কৰ্তব্য-জ্ঞানেই হৈছে ৰাষ্ট্ৰৰ ন্যায়।" প্লেটোৰ ন্যায়ৰ এই ধাৰণা ব্যক্তিবাদৰ সম্পূৰ্ণ বিৰোধী। কিয়নো ন্যায়ৰ এই ধাৰণা মতে এজন মানুহে সমাজৰপৰা পৃথক এটা গোট হিচাপে নিজৰ অভাৱ-অভিযোগ আশা আকাংক্ষা আদিৰ বিষয়ে চিন্তা কৰিব নোৱাৰে চিন্তা কৰিব লাগিব ৰাষ্ট্ৰৰ এটা অংশ হিচাপেহে। প্লেটোৰ মতে সমাজ এখনৰ নৈতিক জীৱনৰ ন্যায় হৈছে এটা অপৰিহাৰ্য্য গুণ। প্লেটোৰ ন্যায়ত ব্যক্তিগত অধিকাৰৰ স্থান নাই।

প্লেটোৱে এখন ন্যায়পৰায়ণ ৰাষ্ট্ৰৰ বিষয়ে আলোচনা কৰি এজন ন্যায়-

পৰায়ণ মানুহ কোন সেই বিষয়ে বিচাৰ কৰিছে। আলোচনাৰ আৰম্ভণিতে তেওঁ কৈছে যে ৰাষ্ট্ৰ এখনক এজন মানুহ বুলি ধৰিব পাৰি। ৰাষ্ট্ৰ এখনৰ গঠন তাত থকা মানুহবোৰৰ গঠনৰ ওপৰত নিৰ্ভৰ কৰে আৰু ইয়াৰ চৰিত্ৰ মানুহবোৰৰ চৰিত্ৰৰপৰা বেলেগ নহয়। ৰাষ্ট্ৰ এখনৰ গুণবোৰ মানুহৰ গাতে থাকে। ৰাষ্ট্ৰ এখনত যেনেকৈ তিনিটা শ্ৰেণীৰ মানুহ থাকে মানুহৰ আত্মাৰো তিনিটা মূল উপাদান থাকে। এই তিনিটা উপাদান হৈছে—ভোক আকাংক্ষা বা সাহস আৰু যুক্তি। ভোকেই আত্মাৰ নীচতম উপাদান। এই উপাদানটোৱে সাধাৰণতে শাৰীৰিক আশা আকাংক্ষাকে বুজায়। কিন্তু ধন নহ'লে বহুতো শাৰীৰিক আশা আকাংক্ষা পূৰণ কৰিব নোৱাৰি। গতিকে মানুহৰ ধনৰ প্ৰতি যি লোভ তাকো ভোকৰ ভিতৰতে অন্তৰ্ভুক্ত কৰা হয়। শ্ৰমিক শ্ৰেণীক ভোকৰ লগত তুলনা কৰা হয় আৰু ইয়াক নিয়ন্ত্ৰণৰ ভিতৰত ৰাখিব লাগে। দ্বিতীয় উপাদান সাহসক সৈনিক শ্ৰেণীৰ লগত তুলনা কৰা হয়। সাহসে মানুহক তেওঁৰ ওপৰত হোৱা সকলো প্ৰকাৰৰ আক্ৰমণ প্ৰতিৰোধ কৰিবলৈ উৎসাহ দিয়ে। সাহসৰদ্বাৰা মানুহে প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হবলৈ উৎসাহ পায়। সাহসক আত্মপক্ষ নদি সমৰ্থন কৰাৰ প্ৰেৰণতা বুলিব পাৰি। সাহস সদায় যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত নহ'ব পাৰে, কিন্তু নিয়মানুৱৰ্তিতাৰদ্বাৰা সাহসক যুক্তিপূৰ্ণ কৰি তোলা হয়। সাহস যুক্তিৰদ্বাৰা নিয়ন্ত্ৰিত হ'লে ইয়াৰদ্বাৰা ভাৱপ্ৰেৰণতাক নিয়ন্ত্ৰণ কৰিব পাৰি। ৰাষ্ট্ৰত সাহস সৈনিক শ্ৰেণীৰ অনুৰূপ আৰু সেই গতিকে ই শ্ৰমিক শ্ৰেণীৰ ওপৰত। সাহসী সৈনিকসকলক শাসকসকলে পৰিচালনা কৰে আৰু সৈনিকসকলে শ্ৰমিকসকলক নিয়ন্ত্ৰণ কৰি ৰাখে। আত্মাৰ সৰ্বোচ্চ উপাদান হৈছে যুক্তি। সাধাৰণ অৰ্থত ইয়াক বুদ্ধিবৃত্তি বুলি ক'ব পাৰি। অনিশ্চয়তাৰ মাজত ইয়াৰ জন্ম হয় আৰু বিজ্ঞান আৰু দৰ্শনলৈ উন্নীত হয়। ইয়াতে প্লেটোৱে যুক্তিৰ লগত আশা-আকাংক্ষাৰ পাৰ্থক্য দেখুৱাইছে কিয়নো যুক্তিয়ে সদায় মানুহৰ পশু প্ৰবৃত্তিবোৰৰ বিৰোধিতা কৰে আৰু এইবোৰক নিয়ন্ত্ৰিত কৰিবলৈ চেষ্টা কৰে। ৰাষ্ট্ৰত যুক্তিৰ অনুৰূপ উপাদান হৈছে শাসক শ্ৰেণী।

এজন জ্ঞানী মানুহ সদায় যুক্তিৰদ্বাৰা পৰিচালিত হয় আৰু তেওঁ ভালদৰে জানে তেওঁৰ আচল স্বাৰ্থ কি আৰু ক'ত। সাহসী লোকসকল যুক্তিৰদ্বাৰা গঠিত নীতিবোৰৰ প্ৰতি বিশ্বাসী তেওঁলোকে আনন্দ কষ্ট আদিৰপৰা অহা সকলোবোৰ লোভ মোহ পৰাভূত কৰি যুক্তিৰদ্বাৰা গঠিত নীতিৰ প্ৰতি অচল অটলভাৱে বিশ্বাসী হৈ থাকে। মিতাচাৰী মানুহবোৰৰ ভাবাবেগবোৰ নিয়ন্ত্ৰিত হৈ থাকে কিয়'না তেওঁৰ আত্মাৰ উচ্চ আৰু নীচ অংশবোৰৰ মাজত এটা সমন্বয় আছে, উচ্চ অংশবোৰে নীচ অংশবোৰক শাসন কৰে আৰু নীচ অংশবোৰে সেই শাসন নিৰ্বিবাদে মানি চলে। গতিকে ন্যায়পৰায়ণ আত্মাৰ সকলোকেইটা অংশই নিজ নিজ স্থানত নিজ নিজ কৰ্তব্য কৰে আৰু ইয়াৰ ফলত আত্মাৰ নিখুঁত সংহতি ৰক্ষিত

হয়। এজন ন্যায়পৰায়ণ মানুহৰ আত্মাৰ ভিতৰত কোনো সংঘাত নাই ই একেটা উদ্দেশ্যৰ বাবে কাম কৰে। এইটোৱে হৈছে প্ৰকৃত ন্যায় ৰাষ্ট্ৰ এখনৰ ন্যায় হৈছে ইয়াৰ প্ৰতিবিম্বহে। কিয়নো ৰাষ্ট্ৰৰ গঠন মানুহৰ আত্মাৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে আৰু ৰাজনৈতিক ন্যায় মানুহৰ আত্মাৰ সংহতিৰপৰা উদ্ভৱ হোৱা ন্যায়ৰ বহিঃপ্ৰকাশ।

ব্যক্তিৰ ন্যায় তেওঁৰ ব্যক্তিগত গুণ আৰু সামাজিক গুণ। কিয়নো ইয়াৰ দ্বাৰা তেও নিজৰ আৰু সমাজৰ সৰ্বোচ্চ উন্নতিৰ বাবে চেষ্টা কৰে। সমাজৰ এজন হিচাপে তেও তেওঁৰ ওপৰত অৰ্পিত কৰ্তব্যখিনি উৎকৃষ্টভাৱে সমাপন কৰি ন্যায় প্ৰদৰ্শন কৰে আৰু এজন ব্যক্তি হিচাপে তেওঁ তেওঁৰ আত্মাৰ তিনিওটা উপাদান যথাস্থানত ৰাখি ন্যায় প্ৰদৰ্শন কৰে। এইখিনি কৰিলেই জ্ঞান সাহস আৰু আত্মনিয়ন্ত্ৰণ আটাইকেইটা গুণেই প্ৰদৰ্শন কৰা হয়।

প্লেটোৰ মতে এজন গুণী মানুহকে এজন ন্যায়পৰায়ণ মানুহ বুলি কব পাৰি। কিন্তু যি গুণৰদ্বাৰা মানুহ এজন ভাল মানুহ হয় সেই গুণ আৰু বিভাগীয় গুণৰ মাজত পাৰ্থক্য আছে। বিভাগীয় গুণে মানুহ এজনক কোনো এটা বিশেষ কামৰ বাবেহে গুণী কৰে মানুহ হিচাপে গুণী নকৰে। ফুটবল খেলৰ গুণে মানুহ এজনক ভাল ফুটবল খেলুৱৈ কৰিব পাৰে ভাল মানুহ কৰিব নোৱাৰে। এজন মানুহৰ এনেকুৱা বহুতো বিভাগীয় গুণ থাকিব পাৰে এই আটাইবোৰ গুণ থকা সত্ত্বেও তেও বেয়া মানুহ হ'ব পাৰে। মানৱীয় গুণেহে মানুহক ভাল মানুহ কৰিব পাৰে বিভাগীয় গুণে নহয়। ন্যায়ে মানুহৰ মনত আত্মসংযম আৰু আত্ম নিয়ন্ত্ৰণৰ ভাবৰ সৃষ্টি কৰে আৰু ই মানুহক সমাজৰ এজন আৱশ্যকীয় সভ্য হিচাপে গঢ়ি তোলে। গতিকে ন্যায় কেৱল ব্যক্তিগত গুণ নহয় সামাজিক গুণো। ইয়াৰদ্বাৰা সমাজবোৰ আৰু ৰাষ্ট্ৰবোৰক সংযোগ কৰি ৰাখিব পাৰি। ন্যায়ে মানুহৰ মনত সৎ ভাব আৰু সমাজহিতৈষী ভাব জগাই তোলে যাৰ ফলত তেওঁলোকে সমাজত এটা ভাল সম্পৰ্ক ৰক্ষা কৰি থাকিব পাৰে।

প্লেটোৱে আকৌ আইনসংগত ন্যায় বা বিশেষ ন্যায় আৰু সাৰ্বজনীন ন্যায়ৰ মাজত পাৰ্থক্য দেখুৱাইছিল। গণৰাজ্যত চিত্ৰিত কৰা আদৰ্শ ৰাষ্ট্ৰখনৰ দৰে ৰাষ্ট্ৰ এখনতহে সাৰ্বজনীন ন্যায় প্ৰতিষ্ঠা কৰিব পৰা যায়। কিয়নো এই ন্যায় প্ৰকৃত শিক্ষা সাম্যবাদৰ নীতি ব্যক্তিগত কৰ্ম বিভাগ আৰু দাৰ্শনিক ৰজাৰ নিখুঁত জ্ঞানৰ ওপৰত প্ৰতিষ্ঠিত হ'ব লাগিব। যিখন ৰাষ্ট্ৰ আদৰ্শ ৰাষ্ট্ৰ নহয় আৰু যিখন ৰাষ্ট্ৰ আইনৰ ওপৰত ভিত্তি কৰি গঠন কৰা হৈছে সেইখন ৰাষ্ট্ৰত আইনসংগত বা বিশেষ ন্যায়হে থাকিব পাৰে। এই ন্যায় আইনৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হয়। সেই গতিকে এই ধৰণৰ ন্যায়ৰ বহুত দোষো থাকে। আইনসংগত ন্যায় দোষযুক্ত হোৱা সত্ত্বেও এই ন্যায় সাৰ্বজনীন ন্যায়ৰ এটা অংশ আৰু ইও একপ্ৰকাৰৰ প্ৰাকৃতিক ন্যায়। প্লেটোৰ আইনসংগত ন্যায়ৰ মত ছফিষ্টসকলৰ ন্যায়ৰ মতৰ লগত বেলেগ।

ছ'ফিষ্টসকলৰ মতে আইন আৰু ন্যায় প্ৰাকৃতিক নহয় কৃত্ৰিম আৰু প্ৰথাগত মুহূৰ্তৰ আৱশ্যকতাৰ ওপৰত ভিত্তি কৰি এইবোৰ সৃষ্টি কৰা হয়। প্লেটোৰ মতে মানুহে তেওঁলোকৰ সামৰ্থ্য অনুযায়ী বিষয়বাব পাব লাগে আৰু মানুহে ৰাষ্ট্ৰৰ প্ৰতি নিষ্ঠাৰে তেওঁলোকৰ কৰ্তব্য পালন কৰিব লাগে আৰু সামৰ্থ্য বোলোঁতে নৈতিক আৰু মানসিক সামৰ্থ্যকে বুজিব লাগে।

প্লেটোৰ ন্যায়ৰ গোটেই অৱধাৰণাটো এইবোৰ উপাদানৰ ভিত্তিত গঠিত।

(১) মানুহৰ আত্মা তিনিটা উপাদানেৰে গঠিত আৰু এই তিনিটা উপাদান অনুসৰি সমাজত তিনি শ্ৰেণীৰ মানুহ আছে। যিবোৰ মানুহৰ মন যুক্তিৰদ্বাৰা পৰিচালিত তেওঁলোকৰ ভিতৰত আছে দাৰ্শনিক ৰজাসকল আৰু প্ৰকৃত অভিভাৱকসকল যিবোৰ মানুহৰ মন সাহসৰদ্বাৰা পৰিচালিত তেওঁলোকৰ ভিতৰত আছে সৈনিকসকল কৰ্মচাৰীসকল আৰু তেওঁলোকৰ সহায়কাৰী সকল আৰু যিসকলৰ মন ভোকৰদ্বাৰা পৰিচালিত তেওঁলোকৰ ভিতৰত আছে সম্পত্তি উৎপাদনকাৰী শ্ৰেণীৰ লোকসকল বা সমাজৰ আন সকলোবোৰ জন সাধাৰণ। মানুহৰ মনৰ যুক্তি নামৰ উপাদানটোৱে মানুহৰ কাৰ্য্যবোৰ চলাই নিয়ে আৰু মানুহৰ মনত সংহতি ৰক্ষা কৰে। ই মানুহক জনা বুজা কৰে। মানুহৰ মনৰ উৎসাহ নামৰ উপাদানটোৱে সাহস শৌৰ্য্য সন্মান আদিক বুজায় আৰু ই যুক্তিৰ সহায়ক। ভোকে মানুহৰ আনন্দ সন্তুষ্টি আদিক বুজায় ।

(২) মানুহক তেওঁলোকৰ জীৱনৰ বাবে আৱশ্যকীয় শিক্ষাদান কৰিবৰ বাবে এটা সুসংগঠিত আৰু সুপৰিচালিত শিক্ষাৰ আঁচনিৰ প্ৰয়োজন।

(৩) বৃত্তিগত বিশেষীকৰণৰ ভিত্তিত ৰাষ্ট্ৰৰ সংগঠন একজন মানুহৰ বাবে এটা কাম। এজন মানুহে এটা কামত মনোনিবেশ কৰিলে তেওঁৰ ব্যক্তিগত কাৰ্য্যপটুতা বাঢ়ে আৰু ইয়াৰ ফলত জাতীয় জীৱন সমৃদ্ধ হয়।

(৪) দাৰ্শনিক শাসকসকলে কোনো প্ৰকাৰৰ শাৰীৰিক পৰিশ্ৰম কৰিব নালাগে আৰু তেওঁলোকক ব্যক্তিগত অভাৱ অসুবিধাৰপৰা মুক্ত কৰি ৰাখিব লাগে। সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠা কৰিলেহে সেইটো সম্ভৱপৰ হ'ব।

(৫) অকপট বুদ্ধিজীৱীসকলে শাসনদণ্ড ধৰিব লাগে। ৰাজনীতিত কোনো অজ্ঞলোকৰ স্থান নাই। অজ্ঞলোকে ৰাজনীতিত অংশ গ্ৰহণ কৰিব নালাগে। ৰাজনীতিৰপৰা কপটতা আৰু স্বাৰ্থপৰতা দূৰীভূত কৰিব লাগে।

(৬) তিৰোতাসকলক মুক্ত কৰি ৰাজহুৱা জীৱনত তেওঁলোকক উপযুক্ত স্থানত বহুৱাব লাগে।

(৭) মানুহৰ মনত সেৱাৰ মনোবৃত্তি গঢ়ি উঠিব লাগে আৰু ব্যক্তিয়ে ৰাষ্ট্ৰৰ মংগলৰ কাৰণে নিষ্ঠাৰে কাম কৰিব লাগে। ব্যক্তিয়ে নিজৰ অধিকাৰ আৰু ক্ষমতাৰ কাৰণে লাগি থাকিব নালাগে। ৰাষ্ট্ৰৰ ব্যক্তিৰ জন্ম আৰু ৰাষ্ট্ৰৰ হকে

ব্যক্তিয়ে কাম কৰিব লাগে। ৰাষ্ট্ৰৰ বাহিৰত ব্যক্তিৰ জীৱনৰ কোনো অৰ্থ নাই। ব্যক্তি বনাম ৰাষ্ট্ৰ বুলি প্লেটোৰ ন্যায়ৰ অৱধাৰণাত কোনো স্থান নাই।

(৮) প্লেটোৰ ন্যায় হৈছে সাৰ্বজনীন, ই আইনসম্মত বা বিশেষ ন্যায় নহয়। ই মানুহৰ ঠেক ক্ষুদ্ৰ আৰু আইনসংগত মনটোৰ ওপৰলৈ উঠি গৈ নিজৰ স্থান দখল কৰি লৈছে। আইনসংগত ন্যায়ে মানুহৰ নৈতিক জীৱনৰ ওপৰত সীমাবদ্ধতা আনি দিয়ে। সেই গতিকে সাৰ্বজনীন ন্যায়ৰ প্ৰয়োজন। সাৰ্বজনীন ন্যায়ে মানুহৰ সমস্ত কৰ্তব্যকে বুজায় কেৱল আইনসংগত কৰ্তব্যই নহয়। প্লেটোৰ ন্যায়ৰ ঠাই মানুহৰ নৈতিক জগততহে আছে। আইনগত ন্যায়ে মানুহৰ নৈতিক জগতত প্ৰবেশ কৰিব নোৱাৰে। প্লেটোৰ ন্যায়ৰ ধাৰণা আছিল গ্ৰিছদেশীয়। গ্ৰিছদেশীয় ন্যায়ৰ ধাৰণা দৰ্শনৰ ওপৰত প্ৰতিষ্ঠিত আৰু ৰোম দেশীয় ন্যায়ৰ ধাৰণা আইনৰ ওপৰত প্ৰতিষ্ঠিত। প্লেটোৱে এখন আইনসংগত সমাজৰ কথা ভবা নাছিল যিখন সমাজত আইনসংগত অধিকাৰ আৰু কৰ্তব্য থাকিব পাৰে। তেওঁ এখন নৈতিক সমাজৰ কথাহে ভাবিছিল যিখন সমাজত মানুহৰ নৈতিক কৰ্তব্যবোধ থাকিব। এই ধাৰণাটো সামাজিক নীতিশাস্ত্ৰত পোৱা যায় আৰু ই আইনতকৈ কোনো গুণে কম নহয়। এই ধাৰণাটোৱে হৈছে সামাজিক সম্পৰ্কৰ ভিত্তি। প্লেটোৰ মতে সামাজিক নীতিশাস্ত্ৰ আৰু ন্যায়ৰ সাৰমৰ্ম বিচাৰিব জানিলে এই ধাৰণাটোতে পোৱা যায়— মোৰ কৰ্মক্ষেত্ৰ আৰু ইয়াৰ কৰ্তব্য'।

প্লেটোৱে বিভিন্ন গুণৰ বিষয়ে আলোচনা কৰোঁতে পোনপ্ৰথমবাৰৰ বাবে নীতিশাস্ত্ৰৰ বাবে এটা মনোবৈজ্ঞানিক ভেটি ৰচনা কৰিছে। কিন্তু প্লেটোৰ কোনো পূৰ্বপ্ৰস্তুত মনোবিজ্ঞান নাছিল। যেতিয়া কোনো এটা বিষয়ৰ ওপৰত অনুসন্ধান কৰোঁতে মনোবৈজ্ঞানিক বিশ্লেষণৰ আৱশ্যক হৈছিল, প্লেটোৱে তেতিয়া আৱশ্যক অনুযায়ী মনোবিজ্ঞান তৈয়াৰ কৰি লৈছিল। সেই গতিকে ভাষ্যকাৰসকলে প্লেটোৰ মনোবৈজ্ঞানিক ধাৰণাবোৰ একে লগ কৰি এখন মনোবিজ্ঞানত পৰিণত কৰিবলগীয়া হৈছিল। গণৰাজ্যত প্লেটোৱে যিখিনি মনো বৈজ্ঞানিক ধাৰণাৰ অৱতাৰণা কৰিছে সেইখিনি পৰীক্ষা কৰিলেই প্লেটোৰ মনোবিজ্ঞান বুজিব পৰা যায়।

প্লেটোৰ মনোবিজ্ঞানৰ মৌলিক সমস্যা হৈছে শৰীৰ আৰু আত্মাৰ সম্পৰ্ক বিচাৰ। এই সমস্যাটোৰ উদ্ভৱ হৈছে এটা প্ৰশ্নৰ পৰা। প্ৰশ্নটো হৈছে—মানুহৰ আত্মা প্ৰকৃততে একনে ? বিশ্লেষণৰ সহায়ত তেওঁ দেখুৱাইছে যে আমাৰ তিনিটা অপৰিৱৰ্তনীয় উপাদান আছে যেনে—যুক্তি সাহস আৰু আশা-আকাংক্ষা। আত্মাৰ এই উপাদানবোৰৰ বিষয়ে আগতেই বিতংভাৱে আলোচনা কৰা হৈছে। আলোচনাত এইটো দেখুওৱা হৈছে যে প্লেটোৱে মানসিক সংঘাত থকা কিছুমান ঘটনা পৰীক্ষা কৰি দেখুৱাইছে যে যুক্তি প্ৰদৰ্শনত মানুহৰ আত্মাৰ

দৃষ্টিভংগী সম্পূৰ্ণ সুকীয়া। আনহাতে সাহস প্ৰদৰ্শনত আত্মাৰ দৃষ্টিভংগী আৰু বেলেগ। তেতিয়া আত্মা বহু পৰিমাণে ভাৱপ্ৰৱণতাৰদ্বাৰা পৰিচালিত হয়। আকৌ আশা আকাংক্ষাৰ ক্ষেত্ৰত আত্মাই বেলেগ ধৰণে ব্যৱহাৰ কৰে। ভাৱপ্ৰৱণতা আৰু আশা আকাংক্ষা পূৰণৰ বাবে আত্মাই শৰীৰক কিবোৰ কৰিবলৈ আদেশ দিয়ে যুক্তিয়ে সেইবোৰ কৰিবলৈ মানা কৰে। সেই গতিকে তেওঁ মন্তব্য কৰিছে যে যিহেতু মানুহৰ আত্মাই একেটা বস্তুৰ ওপৰত একে সময়তে বেলেগ বেলেগ আৰু সংঘাতপূৰ্ণ দৃষ্টিভংগী গ্ৰহণ কৰে আত্মাৰ নিশ্চয় তিনিটা সুকীয়া উপাদান আছে। আত্মাৰ এই উপাদানবোৰৰ ভিতৰত থকা পাৰ্থক্যৰ বিষয়ে তেওঁ বাৰে বাৰে বেলেগ বেলেগ প্ৰসংগত উল্লেখ কৰিছিল।

এতিয়া প্ৰশ্ন হৈছে কেনেকৈ আত্মাৰ এই বেলেগ বেলেগ উপাদানবোৰক এক উদ্দেশ্যে কাম কৰোৱা যায়। প্লেটোৱে তেওঁৰ গণৰাজ্যৰ চতুৰ্থ পুস্তিকাত ৰাষ্ট্ৰৰ সাদৃশ্যৰদ্বাৰা পৰিচালিত হৈ কৈছিল যে এখন ৰাষ্ট্ৰত বহুতো শ্ৰেণীৰ মানুহ থাকিলেও তেওঁলোকৰ মাজত ঐক্য বিৰাজ কৰি থাকে। মানুহৰ আত্মাৰ উপাদানবোৰৰ ভিতৰত যুক্তি সৰ্বশ্ৰেষ্ঠ। যুক্তিয়ে সাহসৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে আৰু বিভিন্ন ধৰণৰ আশা আকাংক্ষাবোৰ সংগঠিত কৰে। এইদৰে মানুহৰ আত্মাই এক হিচাপে কাম কৰে। সমস্যাটো এইদৰে সমাধান কৰা হ'ল যদিও প্লেটো ইয়াত সন্তুষ্ট হ'ব পৰা নাছিল। আত্মা আৰু শৰীৰক সুকীয়াকৈ ধৰি লৈ তেওঁ আৰম্ভ কৰিছিল আৰু সেই গতিকে যুক্তি আৰু আন দুটা উপাদানৰ মাজত তেওঁ বাহ্যিক সম্পৰ্কহে দেখিছিল যিটো সম্পৰ্ক আত্মা আৰু শৰীৰৰ মাজতো থকা যেন অনুমান হৈছিল। সেই একেটা সমস্যাই গণৰাজ্যত অন্য ধৰণে দেখা দিছিল। দশম পুস্তিকাত অমৰত্বৰ বিষয়ে আলোচনা কৰোঁতে প্লেটোৱে আকৌ সুধিবলৈ বাধ্য হৈছিল যে—আত্মা এটা নে বহুতো। ইয়াকে তেওঁ প্ৰশ্নটোৰ উত্তৰ বিচাৰি পাইছিল। এই উত্তৰ পাইছিল তেওঁ এটা কথা ধৰি লৈ। সেইটো হৈছে, জ্ঞানৰ প্ৰতি ভালপোৱাই আত্মাৰ প্ৰধান চাৰিত্ৰিক বৈশিষ্ট্য। প্লেটোৰ মতে আত্মাৰ যিহেতু কেইবাটাও উপাদান আছে আত্মা সহজে সনাতন হ'ব নোৱাৰে। সেইমতে তেওঁ কৈছিল যে আত্মাৰ উপাদানবোৰে একে উদ্দেশ্যে কাম কৰা বৰ টান কিয়নো আত্মা শৰীৰৰ লগত একেলগে থাকে আৰু শৰীৰটোৱে আত্মাৰ বেলেগ বেলেগ উপাদান-বোৰে বিভিন্ন ৰকমে পৰিচালনা কৰে। যুক্তি আৰু আত্মাৰ আন উপাদানবোৰৰ মাজত যেনেকৈ বৈপৰীত্য আছে জ্ঞান আৰু আন গুণবোৰৰ মাজতো তেনেকৈ বৈপৰীত্য আছে। প্লেটোৱে তেওঁৰ সপ্তম পুস্তিকাত এই আমোদজনক তুলনাটো কৰিছে। আত্মাৰ অন্যান্য তথাকথিত গুণবোৰ অভ্যাস আৰু ব্যৱহাৰৰ ফলত শৰী-ৰৰ লগত একীভূত হৈ যায় কিন্তু জ্ঞানৰূপৰ সৃষ্টি হোৱা গুণ মানৱীয় যদিও ইয়াত স্বৰ্গীয় গুণৰ পৰশো আছে। গণৰাজ্যত উল্লেখ কৰা বেলেগ বেলেগ অংশ-বোৰ আলোচনা পৰ্য্যালোচনা কৰি চালে দেখিবলৈ পোৱা যায় যে প্লেটোৱে আত্মা

আৰু শৰীৰৰ মাজত যিটো দ্বৈত নীতি দেখিছিল তাৰপৰা তেওঁ মুক্ত হ'ব পৰা নাছিল। 'ফিলেবাছ' (Philebus) নামৰ তেওঁৰ পিছৰ পুথিত তেওঁ এই বিষয়ে এটা সিদ্ধান্তত উপনীত হ'ব পাৰিছিল। তাত তেওঁ কৈছিল যে বিবিধত্ব নোহোৱাকৈ একত্ব হ'ব নোৱাৰে। বিবিধত্ব থাকিলেহে তাৰপৰা একত্ব কৰিব পৰা যায়। বিবিধত্বই যদি নাথাকে একত্বৰ প্ৰয়োজনেই বা ক'ত ? উত্তেজনা আৰু আশা আকাংক্ষাবোৰৰ জন্ম আত্মাৰ বাহিৰত নহয় ভিতৰতহে। গতিকে তেওঁ আত্মাক দুটা ভাগত ভাগ কৰিছিল। এটা ভাগৰ যুক্তি আছে আৰু আনটো ভাগে কিছু পৰিমাণে যুক্তি গ্ৰহণ কৰে। গতিকে যুক্তি আৰু আশা আকাংক্ষাৰ মাজত থকা বৈপৰীত্যৰ ঠাইত ধাৰণাৰ একত্ব আৰু পৃথিৱীৰ বিচক্ষণতাৰ মাজত থকা বৈপৰীত্যহে বেছি প্ৰণিধানযোগ্য আৰু শক্তিশালী। প্লেটোৱে এইবোৰ অসুবিধাৰ মাজেদিয়েই তেওঁৰ অনুসন্ধান-কাৰ্য্য চলাই গৈছিল আৰু বিৰোধিতাৰ মাজত আৰম্ভ কৰি বিভিন্নতাৰ মাজত একতা আবিষ্কাৰ কৰিছিল।

ন্যায়পৰায়ণ আৰু অন্যায়পৰায়ণ জীৱনৰ তুলনা

প্লেটোৱে মানুহৰ জীৱনৰ সুখৰ বিষয়ে আলোচনা কৰিবলৈ গৈ এজন ন্যায়পৰায়ণ মানুহৰ লগত এজন অন্যায়পৰায়ণ মানুহৰ তুলনা দাঙি ধৰিছিল। তিনিটা বেলেগ বেলেগ দৃষ্টিভংগীৰপৰা তেওঁ তিনিটা উপমা আনিছিল। গ্লোকনে অন্যায়ৰ দাবীৰ বিষয়ে বৰ্ণনা কৰি তিনিটা অলিম্পিক প্ৰতিযোগিতাৰ কথা কৈছিল যিকেইটাত অন্যায়কাৰীসকল জয়যুক্ত হ'ব পাৰিছিল। ইয়াৰ পাছত হোৱা আলোচনাখিনি বৰ সন্তোষজনক নাছিল। সাধাৰণতে বিভিন্ন পৰ্য্যায়ৰ সচেতন ৰাষ্ট্ৰবোৰৰ আপেক্ষিক মূল্যৰ বিষয়ে চলোৱা আলোচনা এনেধৰণৰ হয়েই। কোনেও এইটো প্ৰমাণ কৰিব নোৱাৰে যে তেওঁৰ জীৱন আনৰ জীৱনতকৈ বেছি সুখী বা তেওঁৰ জীৱনৰ সুখ আনৰ জীৱনৰ সুখতকৈ বেছি। কিয়নো, প্ৰত্যেকে নিজৰ সুখ দুখৰ বিষয়ে নিজেই বিচাৰ কৰে। কিন্তু কোনো এটা বিষয়ৰ ওপৰত আলোচনা কৰোঁতে যদি আলোচনাটো হোৱাৰ আগেয়েই কোনো এজন ব্যক্তি বিশেষে প্ৰশ্নটোৰ ওপৰত নিজৰ বিচাৰৰ ফলটো ঘোষণা কৰি দিয়ে, আমি তেওঁক চাব লাগিব কি সূত্ৰ বা নীতিৰ সহায়ত তেওঁ সেই সিদ্ধান্তত উপনীত হ'ল আৰু তাত তেওঁ কিহৰ ভিত্তিত প্ৰশ্নটো সমালোচনাৰ চকুৰে চাইছিল। প্লেটোৱে মানুহৰ জীৱনবোৰৰ মাজত তুলনা কৰিবলৈ এটা নীতি ধাৰ্য্য কৰি উলিয়াইছিল। সেই নীতিটো হৈছে মানুহ এজনক তেওঁৰ বাহ্যিক অৱয়ৱ আৰু কাৰ্য্য-কলাপৰ পৰা বিচাৰ কৰিলে নহব তেওঁক বিবেচনা কৰিবলৈ তেওঁৰ অন্তৰ-আত্মাত প্ৰৱেশ কৰিব লাগিব। কিয়নো, তাতেহে তেওঁৰ আচল প্ৰকৃতি আৰু চৰিত্ৰ দেখিবলৈ পোৱা যায়, বাহিৰত তেওঁ যি ৰূপ সেইটো মানুহক দেখুৱাৰ বাবেহে কৰে। অৰ্থাৎ মানুহ এজনৰ বিষয়ে বিচাৰ কৰিব লাগিলে সম্পূৰ্ণ মানুহজনক জানিবলৈ

অধ্যয়ন কৰিবৰ লাগিব। প্লেটোৱে মানুহৰ বিষয়ে বিচাৰ কৰোঁতে এই নীতিটো অৱলম্বন কৰিছিল।

প্লেটোৱে পোনপ্ৰথমে মানুহৰ সুখৰ তিনিটা প্ৰধান আহিলা হাতত লৈছিল। সেইকেইটা হৈছে— স্বাধীনতা সম্পত্তি আৰু ভয়ৰপৰা নিৰাপত্তা। গণতান্ত্ৰিক স্বল্পতান্ত্ৰিক আৰু আত্যতান্ত্ৰিক চৰিত্ৰৰ ৰাষ্ট্ৰবোৰত এইকেইটা উপাদানে মানুহৰ সুখ শান্তি কাঢ়িয়াই অনা দেখিবলৈ পোৱা যায়। এজন বুদ্ধিমান নিৰপেক্ষ বাহিৰা লোকৰ দৃষ্টিভংগীৰে তেওঁ প্ৰশ্ন কৰিছিল— মানুহৰ জীৱনৰ বিষয়ে যিবোৰ বৰ্ণনা কৰা হয় তেনে জীৱন কোন মানুহে যাপন কৰিছে কোনজন মানুহ প্ৰকৃততে স্বাধীন কোন প্ৰকৃত ধনী কাৰ প্ৰকৃততে কোনো ভয় নাই — সবাতোকৈ বেছি ন্যায়পৰায়ণজনৰ নে সবাতোকৈ বেছি অন্যায়কাৰীজনৰ ? এই অংশত আটাইতকৈ বেছি ভালকৈ বিবেচনা কৰিবলগীয়া কথাটো হৈছে স্বাধীনতাৰ ধাৰণা। এইটো নিঃসন্দেহে ক'ব পাৰি যে স্বেচ্ছাচাৰী লোকসকলেই আটাইতকৈ বেছি মুক্ত কিয়নো তেওঁলোকে যিহকে মন যায় তাকেই কৰিব পাৰে বিশেষকৈ অৱস্থাই সুবিধা দিলে তেওঁলোকে নিজকে ক্ষমতাশালী আৰু সৰ্বশক্তিমান কৰি গঢ়ি তুলিব পাৰে। প্লেটোৱে ইয়াৰ বিৰোধিতা কৰি জোৰ দি কৈছিল যে স্বেচ্ছা চাৰী সম্ৰাট এজন সাপেক্ষিক দাস কিয়নো আমি যদি তেওঁৰ আত্মাৰ ওপৰত দৃষ্টিপাত কৰোঁ তেতিয়া আমি দেখিবলৈ পাম যে তেওঁ অতি কম কামহে নিজৰ ইচ্ছামতে কৰিব পাৰে। প্লেটোৱে এইদৰে মানুহৰ ইচ্ছাৰ স্বাধীনতাৰ ধাৰণাৰ বিষয়ে সৰলভাৱে ব্যাখ্যা কৰিছিল। সেইজন মানুহেই সবাতোকৈ বেছি মুক্ত যিজন যি কৰিব খোজে তাকেই কৰিব পাৰে। ইয়াৰ অৰ্থ হৈছে—এজন মানুহৰ সমস্ত সত্তাটোৱে যিটো কৰিব খোজে সেইটো কৰিব পাৰিলেই তেওঁ মুক্ত। এজন স্বেচ্ছাচাৰী মানুহৰ ক্ষেত্ৰত তেওঁৰ আচল সত্তাটো প্ৰায়ে সুপ্ত অৱস্থাত থাকে। এই সত্তাটোক মানুহৰ প্ৰকৃতিৰ কোনো এটা দুষ্ট বলবান অংশই শিকলি লগাই থৈ দিয়ে। সেই গতিকে জৰ্জিয়াছত (Gorgias) প্লেটোৱে উচ্চস্বৰে কৈছে যে অত্যাচাৰী শাসকসকলে নিজৰ ইচ্ছামতে কোনো কাম নকৰে। ইয়াতে এটা কথা মন কৰিব লাগিব। সেইটো হৈছে মানুহে যিটো ইচ্ছা কৰে সেইটো প্ৰকৃততে ইচ্ছা কৰিবলগীয়া বিধৰ হ'ব লাগিব। এতিয়া প্ৰশ্ন উঠিব প্ৰকৃততে ইচ্ছা কৰিবলগীয়া কোনটো ? প্ৰকৃততে ইচ্ছা কৰিবলগীয়া সেইটোৱে যিটো কৰিবলৈ বা পাবলৈ প্ৰকৃত সত্তাটোৰ বিচাৰে। আৰু প্ৰকৃত সত্তা হৈছে মানুহৰ সম্পূৰ্ণ সত্তা। প্লেটো আৰু এৰিষ্টটলৰ নৈতিক দৰ্শনৰ সকলো ঠাইতে এটা শৃংখলাৰ অৱধাৰণা দেখিবলৈ পোৱা যায় আৰু এই ধাৰণাটো যে কেৱল প্ৰাকৃতিক জগতত্তে প্ৰযোজ্য এনে নহয় নৈতিক জগততো প্ৰযোজ্য। এই অৱধাৰণাটোৰ লগতে আৰু এটা আনুসংগিক ধাৰণা আছে। সেইটো হৈছে ক'বলৈ গ'লে উচ্চ প্ৰকৃতি বা চৰিত্ৰই নীচ প্ৰকৃতি বা চৰিত্ৰৰ সত্য। অৰ্থাৎ উচ্চ প্ৰকৃতি সন্তুষ্ট হ'লে নীচ প্ৰকৃতিও সন্তুষ্ট

হয়। আত্মাৰ যুক্তিয়ে কোনো কথা মানি ললে সেইটোকে আন উপাদানবোৰেও মানি ল'বলৈ বাধ্য হয়। সেইমতে স্বাধীনতাৰ অৰ্থ যাৰ্ক বি ইচ্ছা তাকে পূৰণ কৰিব পৰা শক্তি যিবোৰ পূৰণ কৰিলে গোটেই আত্মাটোৱে সন্তুষ্টি লাভ কৰে।

ইয়াৰ পাছত তেও প্ৰকৃত সম্পত্তিৰ বিষয়ে এটা ধাৰণা তেওঁৰ তৃতীয় পুস্তিকাত দাঙি ধৰিছে। তাত তেওঁ অভিভাৱকসকলক ধন-সম্পদ আৰু মাটি সম্পত্তিত ধনী হ'বলৈ দিবলৈ অস্বীকাৰ কৰিছে। ইয়াৰ কাৰণ হৈছে অভিভাৱক-সকলে নিজৰ স্থানত ঠিকভাৱে কাম কৰি থাকিলে এনেয়ে তেওঁলোক প্ৰকৃত সম্পত্তিৰ মালিক হ'ব পাৰিব। কিয়নো তেওঁলোকৰ আত্মা যথেষ্ট সম্পদশালী। কিন্তু অত্যাচাৰীসকলৰ আত্মা বৰ গৰীব ই কেতিয়াও সন্তুষ্ট নহয় সদায় নতুন নতুন আশা-আকাংক্ষা ইয়ালৈ আহিয়েই থাকে আৰু এই আশা আকাংক্ষাবোৰ সম্পূৰ্ণভাৱে পূৰণ কৰিবলৈ তেওঁলোকৰ আত্মাৰ সামৰ্থ্য নাই। সেইদৰে তেওঁ-লোকৰ আত্মাই সদায় কিহবাৰ বাবে ভয় কৰি থাকে আৰু ই কেতিয়াও সুৰক্ষিত বুলি অনুভৱ নকৰে।

অত্যাচাৰী ৰজাসকলৰ আত্মা অপৰিতৃপ্ত আশা আকাংক্ষাৰে ভৰা। কিন্তু তেওঁলোকৰ আত্মাৰ এই আদৰ্শৰ দৈন্যৰ বিষয়ে সম্পূৰ্ণৰূপে উপলব্ধি কৰিব লাগিলে এজন অত্যাচাৰী মানুহক সম্পূৰ্ণৰূপে অত্যাচাৰী হ'বলৈ যিখিনি সুযোগ সুবিধা দিব লাগে সেইখিনি সুযোগ-সুবিধা দিব লাগিব। যেনেকৈ এজন দাৰ্শনিক ভাল ৰজা হ'ব লাগিলে তেওঁক এখন ভাল ৰাষ্ট্ৰ লাগিব আৰু তাতহে তেওঁৰ গুণৰাশি ফুটি উঠিব, তেনেকৈ এজন অত্যাচাৰী মানুহকো অত্যাচাৰৰ চূড়ান্ত সীমাত উপনীত হ'বলৈ পৰিস্থিতি আৰু পৰিবেশ লাগিব। তেনে এজন মানুহে এখন ৰাষ্ট্ৰৰ শাসকৰ ভাৰ পালে তাতহে তেওঁ তেওঁৰ ধ্বংসকাৰী শক্তি-বোৰ প্ৰয়োগ কৰিব পাৰে আৰু সেইটো কৰিলে তেওঁক কোনেও ভাল নোপোৱা হয় সকলোৱে তেওঁৰপৰা আঁতৰত থাকিবলৈ বিচাৰে আৰু এনেকৈ তেওঁ এটা সাপেক্ষিক বিচ্ছিন্ন অৱস্থাত দিন কটাব লগীয়া হয়। প্ৰত্যেক মানুহে তেওঁৰ ওচৰ চুবুৰীয়া বন্ধু বান্ধৱসকলৰ মংগলৰ কাৰণে চিন্তা কৰা উচিত এইটোৱে মানুহৰ জীৱনৰ চিৰন্তন আদৰ্শ। অত্যাচাৰী লোকসকলৰ এই আদৰ্শ নাই কাৰণে তেওঁলোক আন মানুহৰপৰা মনৰ আঁতৰত থাকিবলগীয়া হয়। তেওঁলোকে আন সকলো মানুহতকৈ বেছি মুক্ত আৰু বেছি শক্তিশালী বুলি ভাবি সদায় এটা অনিশ্চিত ভয়ৰ মাজত বাস কৰে।

ন্যায়পৰায়ণ আৰু অন্যায়কাৰী মানুহৰ মাজত তুলনা কৰিবলৈ গৈ প্লেটোৱে এই দুই শ্ৰেণীৰ মানুহে উপভোগ কৰা আনন্দৰ বিষয়টোও উত্থাপন কৰিছিল। তেওঁ মনোবৈজ্ঞানিক দৃষ্টিকোণৰপৰা এই বিষয়টো বিচাৰ কৰিছিল আৰু ই তেওঁৰ আত্মাৰ ধাৰণাৰ ওপৰত যথেষ্ট পোহৰ পেলাইছিল। আগতেই উল্লেখ কৰা হৈছে যে মানুহৰ আত্মাৰ তিনিটা অংশ আছে— বুদ্ধি সাহস আৰু স্পৃহা।

আত্মাৰ এই তিনিটা অংশৰপৰা তিনি ধৰণৰ আকাংক্ষাৰ সৃষ্টি হয় আৰু আনন্দই সেই আশা আকাংক্ষা পূৰণৰ কামত সহায় কৰে। প্লেটোৱে আত্মাৰ উচ্চ অংশ দুটাৰ লগত আশা আকাংক্ষাৰ সম্পৰ্ক স্থাপন কৰিছিল। আত্মাৰ বহুতো ধৰণৰ আশা আকাংক্ষা থাকিব পাৰে। যেনে— খোৱা খাদ্যৰ বাবে আকাংক্ষা। সাধাৰণতে আত্মাৰ আকাংক্ষা বুলিলে ক্ষুধা পূৰণৰ আকাংক্ষাকে বুজা যায়। ক্ষুধা পূৰণৰ আকাংক্ষাবোৰ পূৰ্ণ হ'লেহে সাধাৰণ মানুহৰ আত্মাত আন আন আকাংক্ষাবোৰ শক্তিশালী হৈ উঠে। ক্ষুধা পূৰণৰ সকলোবোৰ বস্তুৰ ভিতৰত বৈষয়িক সম্পত্তিৰ স্থান ওপৰত কিয়নো ইয়াৰ সহায়তহে মানুহে আন আন ক্ষুধাবোৰ পূৰণ কৰিব পাৰে। সেই গতিকে প্লেটোৱে আত্মাৰ এই অংশটোক সম্পত্তি বিচৰা বা লাভ লাভ বিচৰা আত্মাৰ অংশ বুলি কৈছে। আৰু যিসকল লোকৰ ক্ষুধা প্ৰবত্তিৰ শক্তি অতি প্ৰবল তেওঁলোকৰ মাজত গণতান্ত্ৰিক আৰু স্বেচ্ছাচাৰী চৰিত্ৰৰ লোক আছে। ক্ষুধা প্ৰবত্তিৰ প্ৰাবল্য থকা মানুহবোৰৰ সকলোকে তেওঁ ভোগবিলাসী, কামুক মানুহ বুলি ক'ব খোজা নাছিল। এই মানুহবোৰৰ প্ৰধান চৰিত্ৰ হৈছে এয়ে যে তেওঁলোকে প্ৰাকৃতিক সুখ-সম্ভোগ বেছিকৈ বিচাৰে আৰু এইখিনি দিব পৰাও যায়। প্ৰত্যেকখন ৰাষ্ট্ৰতে এনে মানুহৰ সংখ্যা সৰহ তেওঁলোকৰ ভিতৰত বহুতো ভোগবিলাসী আৰু কামুকো থাকে কিন্তু আটাইবোৰ ভোগবিলাসী আৰু কামুক নহয়। অধিকভাগ মানুহৰ জীৱনতে স্পৃহাই বৰ বেছি ক্ৰিয়া কৰে। পোনকৈ ক'বলৈ গ'লে বৈষয়িক লাভৰ আনন্দই মানুহৰ আত্মাৰ সেই অংশটোৰ বৈশিষ্ট্যপূৰ্ণ আনন্দ। আত্মাৰ সাহস নামৰ অংশটোৰ প্ৰধান আকাংক্ষা হৈছে জয়লাভ কৰা সুনাম অৰ্জন কৰি পুৰস্কাৰ লাভ কৰা ইত্যাদি। আত্মাৰ এই অংশটোৱে যুদ্ধ বিগ্ৰহ আৰু মান-সন্মান ভাল পায়। শেহৰ আত্মাৰ যুক্তি বা বিচাৰ শক্তিসম্পন্ন অংশটো গুণ আৰু জ্ঞানৰ প্ৰতি বৰ আসক্ত।

মানুহৰ আত্মাৰ এই তিনিটা উপাদানৰ ভিত্তিত মানুহবোৰ তিনিটা ডাঙৰ শ্ৰেণীত ভাগ কৰা হৈছে। প্ৰত্যেক শ্ৰেণীৰ মানুহে আনন্দক সৰ্বোৎকৃষ্ট আনন্দ বুলি ভাবে আৰু আন শ্ৰেণীৰ মানুহবোৰৰ আনন্দ উপভোগ্য নহয় বুলি বিবেচনা কৰে। কোনটো শ্ৰেণীৰ মানুহৰ আনন্দ বেছি উপভোগ্য তাৰ বিচাৰ কেনেকৈ কৰা যায় ? যুক্তি আৰু অভিজ্ঞতাৰপৰা লাভ কৰা জ্ঞানৰ সহায়ত এই প্ৰশ্নটোৰ মীমাংসা কৰিব লাগিব। এই তিনিটা শ্ৰেণীৰ মানুহৰ ভিতৰত কোনটো শ্ৰেণীৰ মানুহৰ বহুল ভিত্তিক অভিজ্ঞতা আছে বি অভিজ্ঞতাৰ সহায়ত প্ৰশ্নটো বিচাৰ কৰি চাব পৰা যাব। দাৰ্শনিকসকলে কম বয়সৰেপৰা আনন্দৰ অভিজ্ঞতা লাভ কৰে বিটো অভিজ্ঞতা আনবোৰ মানুহে ব্যক্তিগত লাভৰপৰাহে লাভ কৰে। জয়লাভ কৰা আনন্দ আৰু জয়লাভ কৰি লাভ কৰা সন্মানৰ আনন্দ সকলো মানুহেই লাভ কৰিব পাৰে। কিয়নো কৃতকাৰ্য্যতা আৰু তাৰ বাবে লাভ কৰা পুৰস্কাৰ কোনো মানুহৰ বাবে বিশেষ অধিকাৰ নহয়। গতিকে ব্যক্তিগত অভিজ্ঞতাৰ কথা থাকিলে

দাৰ্শনিকসকলে আন মানুহে লাভ কৰা অভিজ্ঞতাও লাভ কৰে তেওঁলোকৰ প্ৰত্যক্ষ অভিজ্ঞতা নাই আৰু তেওঁলোকে লাভ কৰা অভিজ্ঞতাবোৰ বৰ পুৰঠো নহয়। কিন্তু কোনো বিষয়ৰ ওপৰত যুক্তি প্ৰদৰ্শন কৰিব লাগিলে তেওঁলোকে বৰ ভালদৰে যুক্তি প্ৰদৰ্শন কৰিব পাৰে। গতিকে তেওঁলোকক উৎকৃষ্ট বিচাৰক বুলিব পাৰি।

ওপৰত উল্লেখ কৰা যুক্তিটো সিমান সন্তোষজনক নহয়। কিয়নো এজন মানুহে অভিজ্ঞতাৰদ্বাৰা কোনো এটা সমস্যাৰ সমাধান কৰিব লাগিলে তেওঁ নিজৰ ব্যক্তিগত অভিজ্ঞতাৰদ্বাৰাহে কৰিব পাৰিব। এজন মানুহক নিজে উপভোগ নকৰা এটা আনন্দক তেওঁ উপভোগ কৰা আন এটা আনন্দতকৈ ভাল বুলি গ্ৰহণ কৰিবলৈ কলে তেওঁ সেইটো অন্তৰেৰে গ্ৰহণ কৰিবলৈ টান পাব। কাৰণ সেইটো আনন্দৰ বিষয়ে তেওঁৰ ব্যক্তিগত অভিজ্ঞতা নাই। এনে আবেদনে কোনো মানুহৰ মনত ক্ৰিয়া কৰিব লাগিলে তেওঁৰ নিজৰ গাতে উচ্চ আৰু নীচ ব্যক্তিত্বৰ ধাৰণা থাকিব লাগিব। কিন্তু এই কথাটো এই কাৰণেই আমোদজনক আৰু গুৰুত্বপূৰ্ণ যে প্লেটোৱে দাৰ্শনিক আত্মাৰ মানুহবোৰক আন মানুহকপৰা একেবাৰে বেলেগ বুলি ধৰিব পৰা নাছিল। তেওঁলোকৰো আন মানুহবোৰৰ দৰে সাহস, ক্ষুধা আদি আত্মাৰ গুণবোৰ কম-বেছি পৰিমাণে আছিল। দাৰ্শনিকসকলত তেও মানৱ প্ৰকৃতিৰ পূৰ্ণ বিকাশ দেখিছিল। ব্যক্তিত্বৰ পূৰ্ণ বিকাশৰপৰা আমি যিমানেই তললৈ নামি যাওঁ সিমানেই আমাৰ অভিজ্ঞতা সীমিত হৈ আহে। উদাহৰণস্বৰূপে আমি প্ৰতিভাশালী ব্যক্তিসকলৰ কথা ক'ব পাৰোঁ। আমি সকলোৱে ছেক্সপিয়েৰক এজন প্ৰতিভাশালী ব্যক্তি বুলি মানি লৈছোঁ। তেওঁৰ ব্যক্তিত্বও সাপেক্ষিক নাছিল কিন্তু তেওঁ সকলোধৰণৰ জীৱনৰ অভিজ্ঞতা লাভ কৰিছিল। তেনেকুৱা এজন প্ৰতিভাশালী ব্যক্তিৰ লেখনীবোৰ আমি সম্পূৰ্ণভাৱে বুজিব নোৱাৰোঁ কিয়নো সেইবোৰ বুজিবলৈ আমাৰ অভিজ্ঞতাৰ অভাৱ। গতিকে সৰহভাগ মানুহেই প্ৰতিভাশালী ব্যক্তিবোৰক ভালদৰে বুজিব নোৱাৰে। কিন্তু আমি যিমান দূৰলৈ তেওঁলোকৰ কামবোৰ বুজিব পাৰোঁ সিমান দূৰলৈ আমিও তেওঁলোকৰ অভিজ্ঞতাৰ ভাগ ল'ব পাৰোঁ। গতিকে আমি এইটো স্বীকাৰ কৰাটো উচিত হ'ব যে আমি প্ৰতিভাশালী ব্যক্তিসকলৰ কামৰ লগত পৰিচিত হৈ আমাৰ অভিজ্ঞতাৰ ভঁৰাল চহকী কৰিব পাৰোঁ। অভিজ্ঞতা বুলিলে প্লেটোৱে কিহকে বুজাইছিল সেই কথা আমি কোঁতিয়াও পাহৰি যাব নালাগিব। প্লেটোৱে কোঁতিয়া কৈছিল যে দাৰ্শনিকসকলৰ গাত অন্য মানুহৰ অভিজ্ঞতাও থাকে কোঁতিয়া তাৰ দ্বাৰা তেওঁ এইটো বুজোৱা নাছিল যে দাৰ্শনিকসকলে অভিজ্ঞতা লাভৰ বাবে গোটেই পৃথিৱীতে বেলেগ বেলেগ জীৱনৰ সোৱাদ লৈ ফুৰিছিল। তাৰদ্বাৰা তেওঁ এইটোকে বুজাইছিল যে দাৰ্শনিকসকলে অভিজ্ঞতাৰপৰা কম সময়তে আৰু কম পৰিশ্ৰমতে বেছিকৈ শিকে আৰু তেওঁলোকৰ অভিজ্ঞতাধীন আন আন মানুহবোৰৰ উন্নতিৰ কাৰণে প্ৰয়োগ কৰে। এই কথাটো নিঃসন্দেহে সত্য।

তৃতীয়তে প্লেটোৱে বেলেগ বেলেগ ধৰণৰ জীৱনৰ আনন্দবোৰ অন্য এটা উপায়ে তুলনা কৰিছে। তেওঁৰ মতে নিম্ন ধৰণৰ জীৱনৰ আনন্দ তুলনামূলকভাৱে একো আনন্দ নহয়। প্ৰথমতে তেওঁ এইটো দেখুৱাবলৈ চেষ্টা কৰিছিল যে যিবোৰ আচলতে আনন্দ নহয় সেইবোৰকে মোহ আৰু মায়াৰ কাৰণে আনন্দ বুলি ধৰি লোৱা হয়। আচল আনন্দ কোনো এটা কষ্টৰপৰা আৰাম পালেই পোৱা নাযায় সেইদৰে আচল কষ্ট এটা সাময়িকভাৱে নাইকিয়া হৈ গ'লেও আনন্দ পোৱা নাযায়। আনন্দ আৰু কষ্টৰ মাজতো এটুকুৰা ঠাই আছে। সেই ঠাইটুকুৰা আনন্দও নহয় আৰু কষ্টও নহয়। মানুহৰ কষ্ট আঁতৰি গৈ প্ৰথমে এই ঠাইটুকুৰাত প্ৰবেশ কৰে। মানুহে ইয়াকে আনন্দ বুলি কয়। একেদ'ৰেই আনন্দও আঁতৰি গৈ এইখিনি ঠাইতে প্ৰবেশ কৰে। মানুহে ইয়াক কষ্ট বুলি কয়। কিন্তু যুক্তিৰ ফালৰপৰা এনেদৰে কোৱাটো আচৰিত কিয়নো ইয়াত আনন্দও পোৱা নাযায় আৰু কষ্টও পোৱা নাযায়, দুয়োটাকে কম-বেছি পৰিমাণে পোৱা যায়। এই নিৰপেক্ষ ঠাইখিনি হৈছে স্থিৰতা বা নিশ্চলতাৰ। আনহাতে আনন্দ আৰু কষ্টৰ গতি আছে—এইবোৰ স্থিৰ নহয়। আকৌ এইটো সাধাৰণ উদাহৰণৰদ্বাৰাই দেখুৱাব পৰা যায় যে বহুতো আনন্দৰ আগতে মুঠেও কষ্ট পোৱা নাযায় আৰু সেইবোৰ আনন্দ নাইকিয়া হ'লেও কষ্ট নহয়। কিন্তু শাৰীৰিক আনন্দবোৰৰ বেছিভাগেই কষ্টৰ উপশম হোৱাৰ পাছতহে পোৱা যায় আৰু এইবোৰক আচল আনন্দ বুলিব নোৱাৰি। কিন্তু মানুহে এইবোৰকে আনন্দ বুলি ধৰি লয়। যেনেকৈ এজন মানুহে কোনো উচ্চ স্থানৰ আধালৈ উঠি সেইখিনি উচ্চতাকে চূড়ান্ত উচ্চতা বুলি ভাবিব পাৰে সেইদৰে কষ্টৰ উপশম হোৱাটোকে কিছুমান মানুহে আনন্দ বুলি ধৰি ল'ব কিয়নো তেওঁলোকে আচল আনন্দৰ অভিজ্ঞতা লাভ কৰিব পৰাই নাই। তেন্তে আচল আনন্দনো কি ? আনন্দৰ অৰ্থ হৈছে সন্তুষ্ট হোৱা। যিহে সন্তুষ্ট কৰিব পাৰে তাৰ লগত সন্তুষ্ট হোৱা। আনন্দ পোৱাৰ পৰিমাণ সন্তুষ্টি লাভ কৰাৰ পৰিমাণৰ লগত আনুপাতিক। লাভ কৰা সন্তুষ্টি অস্থায়ী হ'লে আৰু অভাৱৰ অৱসান নহ'লে আচল সন্তুষ্টি পোৱা নাযায় আৰু তেতিয়া আচল আনন্দও মনলৈ নাহে। আৰু সেই গতিকে আচল আনন্দ কি এই প্ৰশ্নটোৰ উত্তৰ বিচাৰি আমি এটা পুৰণি প্ৰশ্নলৈ ঘূৰি যাবলগীয়া হয়। সেই প্ৰশ্নটো হৈছে—মানুহৰ আত্মাৰ আটাইতকৈ প্ৰকৃত উপাদানটো কি ? বা আমি আমাৰ বুলিলে কি বুজোঁ ? কিয়নো যিহে আমাক নিজক সন্তুষ্ট কৰিব পাৰে সেয়েই প্ৰকৃত সন্তুষ্টি।

প্লেটোৱে কিছুমান আনন্দক আচল আনন্দ বুলি বিবেচনা কৰা নাই। এই কথাটো বুজিবলৈ বৰ কঠিন। অনুভূতিৰপৰা উদ্ভৱ হোৱা সত্যৰ বিষয়ে যিকোনো প্ৰশ্ন বুজাতে কঠিন। এটা অৰ্থত সকলোবোৰ অনুভূতিয়েই প্ৰকৃত আমি যি ভাবোঁ সেয়া আমি ভাবোৱেই আমি আৰু ধৰি ল'ব নোৱাৰোঁ যে প্লেটোৱে আমাক ভাবিবলৈ নিদিয়ে। এই অৰ্থত সকলো বস্তুৱেই প্ৰকৃত আৰ আমি যেতিয়া

সোধোঁ এইটো প্ৰকৃত হয়নে ? তেতিয়া আমি এইটো অৰ্থ নকৰোঁ যে এইটো যি, প্ৰকৃততে সি এয়েই হয়নে ? আমি তেতিয়া ইয়াকে বুজাব খোজোঁ যে এইটোৱে যি অৰ্থ কৰে সেইটো হয়নে ? প্ৰকৃততে এইটো নিৰ্ঘাত সত্য যে আমি যেতিয়া কোনো এটা বস্তু প্ৰকৃত হয়নে নহয় বুলি সোধোঁ আমি তেতিয়া সদায় আন কিবা বেলেগ বস্তুৰ বিষয়ে জানিব বিচাৰোঁ। অনুভূতিৰ বিষয়ে এজন মানুহে এটা প্ৰশ্ন কৰিব পাৰে। মই প্ৰকৃতপক্ষে উত্তেজিতনে ? এই প্ৰশ্নটো এটা সুবুদ্ধিসম্পন্ন প্ৰশ্ননে ? এই প্ৰশ্নটোৰ উত্তৰ দিব লাগিলে থাৰ্মমিটাৰেৰে তেওঁৰ উত্তাপ জোখ ক'ৰিব লাগিব বা তেনে কিবা এটা কৰিব লাগিব। এই প্ৰশ্নটোকে অলপ বুদ্ধি খটুৱাই সুধিব পাৰি আৰু উত্তৰ দিব পাৰি। প্লেটোৱে আনন্দ আৰু কষ্টৰ ওপৰত যিটো প্ৰশ্নৰ অৱতাৰণা কৰিছে তাত এইটো প্ৰয়োগ কৰিব লাগিলে মানুহে আনন্দ আৰু কষ্ট অনুভৱ কৰেনে নকৰে সেই বিষয়ে আলোচনা কৰাৰ কোনো প্ৰয়োজন নাই। কিয়নো মানুহ এজনৰ অনুভূতিৰ বিষয়ে যুক্তি প্ৰদৰ্শন কৰিব নোৱাৰি। গতিকে প্লেটোৰ প্ৰশ্নটো বুদ্ধি খটুৱাই সুধিব আৰু উত্তৰ দিব লাগিলে আনন্দ বা কষ্টক আন বস্তু বা কথাৰ প্ৰসংগত আলোচনা কৰিব লাগিব।

সন্তুষ্টি লাভ কৰিলেই আনন্দ পোৱা যায় সঁচা কিন্তু ইয়াৰদ্বাৰা আত্মাৰ কোনো এটা উপাদানেহে আনন্দ পায় আনবোৰ উপাদানে সন্তুষ্টি পাব নোৱাৰে। পানী খালে আমাৰ ভোক নুগুচে আৰু ভাত খালেও আমাৰ পিয়াহ নপলায়। তেনেহ'লে কোনটো উৎকৃষ্ট আৰু প্ৰকৃত আনন্দ ? আমি আত্মাক এটা বস্তু হিচাপে ধৰি লৈ এই প্ৰশ্নটোৰ উত্তৰ দিব পাৰোঁ। তেতিয়া আকৌ এটা প্ৰশ্ন সুধিব লাগিব। কোন প্ৰকাৰৰ সন্তুষ্টি লাভ কৰিলে আত্মাই আটাইতকৈ বেছি আৰু প্ৰকৃত আনন্দ পাব ? প্লেটোৱে এই অৰ্থত প্ৰকৃত আনন্দৰ কথা কৈছিল আৰু অতি সহজ ভাষাত প্ৰশ্নটোৰ অৱতাৰণা কৰিছিল। মানুহৰ আত্মাই ভোক গুচিলে আৰু সত্য লাভ কৰিলে একে পৰিমাণৰ সন্তুষ্টি লাভ কৰেনে ? সন্তুষ্টি স্থায়ী হ'লেহে প্ৰকৃত সন্তুষ্টি হয়। আমাৰ পেটৰপৰা ভোক গুচিলে আমি যি সন্তুষ্টি লাভ কৰোঁ সেই সন্তুষ্টি ক্ষণস্থায়ী কিয়নো পাছত আমাৰ আৰু ভোক লাগে। আমি এইটো কেতিয়াও ক'ব নোৱাৰোঁ যে বয়স হ'লে আমাৰ ক্ষুধা বেছি সন্তুষ্ট হয়। এই কথাটোকে আমি আন প্ৰকাৰে ক'বলৈ গ'লে এইবুলি ক'ব লাগিব যে খোৱা পিয়াৰদ্বাৰা আত্মাৰ যিটো অংশই সন্তুষ্টি লাভ কৰে সেই অংশটো ভাঙৰো নহয় আৰু আত্মাত সদায় স্থায়ীভাৱে উপস্থিতো নাথাকে। আমি এনেকুৱা এটা আত্মাৰ কথা কল্পনা কৰিব পাৰোঁ যাৰ শাৰীৰিক ক্ষুধাখিনি নাইকিয়া কৰিলেই সি সন্তুষ্ট হৈ থাকে। ইয়াৰদ্বাৰা তেওঁ কিমান পৰিমাণৰ সন্তুষ্টি লাভ কৰিলে আমি তেওঁক সুধিব পাৰোঁ। আমি সদায় এইটো মনত ৰাখিব লাগিব যে আত্মা আৰু আত্মাৰ সন্তুষ্টিক কেতিয়াও পৃথক কৰিব নোৱাৰি। এইবোৰ আত্মাৰ আনন্দ আৰু কষ্টৰ সদায় উঠা-নমা হৈ থাকিব কেতিয়াবা ই আনন্দ পায় আৰু কেতি-

য়াবা কষ্ট পাব। দৰাচলতে এইবোৰ আত্মাই যিখিনি সন্তুষ্টি লাভ কৰে সেইখিনি বৰ কম। ইয়াৰ পাছত আমি আন এটা প্ৰশ্ন সুধিব পাৰোঁ ঃ কিয় আমি সকলোৱে সেইবোৰ মানুহক ঘৃণা কৰোঁ—যিবোৰে কেৱল খোৱাৰ বাবেহে জীয়াই আছে ? ইয়াৰ কাৰণ হৈছে, সেই মানুহবোৰৰো সন্তুষ্টি লাভ কৰিবৰ সামৰ্থ্য আৰু উপাদান আছে কিন্তু তেওঁলোকে সেইখিনি নকৰে। গতিকে তেওঁলোকৰ আত্মাৰ এটা সামান্য অংশইহে সন্তুষ্টি লাভ কৰে বাকী অংশ অসম্ভৱ হৈয়েই থাকে। প্লেটোৰ কথাত ক'বলৈ গ'লে যি কেৱল খাবলৈ বাচি থাকে তেওঁ নিজৰ সম্পূৰ্ণ সত্তাটো ইয়াৰ এটা সামান্য অংশৰ ওপৰত উছৰ্গা কৰে। এটা বৰ ভাল বাস্তৱ পৰীক্ষাৰ সহায়ত বিভিন্ন ধৰণৰ সন্তুষ্টিবোৰৰ মূল্যায়ন কৰিব পাৰি। নিজৰ আৱশ্যকীয়খিনিৰ কিমানখিনি সৎ উপায়েৰে পূৰণ কৰি ল'ব পাৰি ? বেলেগ বেলেগ মুহূৰ্তৰ সন্তুষ্টিয়ে মানুহৰ আত্মাৰ পূৰ্ণ সন্তুষ্টি নহয়। বেলেগ বেলেগ সন্তুষ্টিবোৰক আত্মাৰ সন্তুষ্টিৰ অংশ হিচাপেহে গণ্য কৰিব লাগিব। ইয়াৰ প্ৰমাণ এইটো কথাতে পোৱা যায় যে সন্তুষ্টিৰ সময়তো কেতিয়াবা আমি অনুতপ্ত অনুভৱ কৰোঁ।

প্লেটোৰ উচ্চ জীৱনৰ আনন্দ আৰু নীচ জীৱনৰ আনন্দৰ তুলনাক এইদৰে ক'ব পাৰি ঃ উচ্চ জীৱনত আত্মাৰ সৰু আৰু অস্থায়ী অংশহে সন্তুষ্ট হয়। দেখা গৈছে যে শাৰীৰিক ক্ষুধাবোৰৰ সন্তুষ্টিয়ে মানুহক যি আনন্দ দিয়ে সি আপেক্ষিক। তদুপৰি মিশ্ৰিত আনন্দও আছে। এইবোৰ আনন্দৰ গভীৰতা পূৰ্বৱৰ্তী কোনো কষ্টৰ লগত তুলনা কৰিহে অনুভৱ কৰা যায়। গতিকে এই আনন্দবোৰ বিশুদ্ধ আনন্দ নহয় আৰু এইবোৰক অমিশ্ৰিত আনন্দ বুলিও ক'ব পৰা নাযায়। কোনো কোনো ক্ষেত্ৰত আত্মাৰ অনুভূতিক আনন্দ বা কষ্ট কোনোটো বুলিয়েই কোৱা টান। তেনেকুৱা এটা অনুভূতিক বুজাবলৈ তিক্ত মিঠা আদি খণ্ডবাক্য ব্যৱহাৰ কৰা হয়। এই কথাটোত অৱশ্যে সৰহভাগ মানুহেই একমত হ'ব যে উচ্চ থাপৰ সন্তুষ্টি আৰু তাৰপৰা উদ্ভৱ হোৱা আনন্দত মন বা আত্মাৰ পৰিৱৰ্তনৰ প্ৰাবল্য বৰ কম আৰু শাৰীৰিক আনন্দত ই বৰ প্ৰবল।

শাৰীৰিক ক্ষুধা নিবাৰণৰ বাবে প্লেটোৱে যিখিনি কথা কৈছে সেইখিনি কথা আত্মাৰ 'সাহস' নামৰ উপাদানটোৰ ক্ষেত্ৰতো প্ৰযোজ্য। আত্মাৰ এই উপাদানটোৱে ব্যক্তিগত সুনাম আৰু সুখ্যাতি লাভ কৰিবলৈ বিচাৰে আনৰ ওপৰত জয় লাভ কৰিব খোজে আৰু আনৰ ওপৰত নিজৰ খং চৰিতাৰ্থ কৰিবলৈ বাঞ্ছা কৰে। অৱশ্যে সাহসী কাৰ্য্য সম্পাদন কৰি আত্মাই যি সন্তুষ্টি লাভ কৰে তাৰ মূল্য আৰু স্থায়িত্ব অলপ বেছি। উদাহৰণস্বৰূপে ক'ব পাৰি—যিজন মানুহ কেৱল খোৱাৰ বাবে বাচি আছে সেইজন মানুহে পাই যি সন্তুষ্টি লাভ কৰে সেই সন্তুষ্টি কম স্থায়ী আৰু কম মূল্যবান। আনহাতে, যিজন মানুহে কিবা এটা ভাল কাম কৰিবৰ বাবেহে খায় সেইজন মানুহে খোৱাৰপৰা লাভ কৰা সন্তুষ্টি বেছি স্থায়ী

আৰু মূল্যবান। এই ধৰণৰ কৃষা পুৰণৰপৰা লাভ কৰা সন্তুষ্টি অলপ উচ্চ-খাপৰ। সৈনিকসকলে দেশ ৰক্ষা কৰি যি সন্তুষ্টি লাভ কৰে আৰু তাৰপৰা যি আনন্দ পায় তাৰ মূল্য আৰু স্থায়িত্ব একেবাৰে কম নহয়।

ছক্রেটিছে এতিয়া তেওঁৰ সমস্ত যুক্তিবোৰলৈ আকৌ এবাৰ উভতি চাব লগীয়া হৈছে আৰু থ্রেছিমেকাছে কোৱা কথা ('মানুহৰ প্ৰকৃত স্বাৰ্থ অন্যায় কৰাটোহে') ভাবি চাবলগীয়া হৈছে। ইয়াতো প্লেটোৱে তেওঁৰ মানৱ প্ৰকৃতিৰ বিশ্লেষণ পুনৰ উত্থাপন কৰিছে। মানুহ এজনক কেৱল তেওঁৰ শাৰীৰিক অৱ য়ৱটোৰপৰা বিচাৰ কৰিব নোৱাৰি তেওঁৰ প্ৰকৃত সত্তা বা আত্মাটোকো মানুহ জনৰ এৰাব নোৱৰা অংগ হিচাপে লৈহে বিচাৰ কৰিব লাগিব। মানুহ এবিধ জটিল প্ৰাণী। যিবোৰ উপাদানেৰে মানুহটো গঠিত হৈছে সেইবোৰৰ ৰূপৰত ইয়াত নতুন পোহৰ পেলোৱা হৈছে। প্লেটোৱে ইয়াত মানুহৰ উপাদানবোৰক কিছুমান প্ৰাণীৰ লগত তুলনা কৰিছে। মানুহৰ কুধাজড়িত উপাদানটোক এটা বহুশূঁড়ীয়া জন্তুৰ লগত তুলনা কৰা হৈছে। এই বহুশূঁড়ীয়া জন্তুটো সঘনে পৰিৱৰ্তিত হৈ থাকে আৰু এনেকৈ পৰিৱৰ্তন হৈ গৈ পুৰণি শূঁড়বোৰৰপৰা নতুন শূঁড়ৰ সৃষ্টিও হয়। এই জন্তুটো আংশিকভাৱে বনৰীয়া আৰু আংশিকভাৱে পোহনীয়া। মানৱ প্ৰকৃতিৰ এইটোৱেই শকত উপাদান। মানুহৰ সাহসী উপাদান টোক এটা সিংহৰ লগত তুলনা কৰা হৈছে। প্লেটোৱে তুলনাবোৰক ৰূপক হিচাপে ব্যৱহাৰ কৰা নাছিল। তেওঁ পৰিষ্কাৰভাৱে বিশ্বাস কৰিছিল যে মানুহৰ জীৱন বিভিন্ন ৰূপত প্ৰকাশিত হয় আৰু এই বিভিন্ন ৰূপবোৰৰ মাজত এটা সংযোগ আছে। কিবা কাৰণত আত্মাৰ উত্থান পতন হয় আৰু তাৰ ফলত মানুহৰ জীৱনৰ ৰূপৰ পৰিৱৰ্তন হয়। কিন্তু মানুহৰ আত্মাৰ কিছুমান উপাদান আৰু অন্যান্য জৈৱিক প্ৰাণীৰ আত্মাৰ কিছুমান উপাদানৰ মাজত মিল আছে। আধুনিক ক্ৰম বিকাশৰ অৱধাৰণাৰপৰাও প্লেটোৰ সেই ধাৰণাই নতুন পোহৰ পাইছে। মানৱ প্ৰকৃতিৰ তৃতীয় উপাদানটো আটাইতকৈ সৰু আৰু এইটোৱেই প্ৰকৃততে মানৱীয় উপাদান। আমাৰ ভিতৰত এইটোৱেই প্ৰকৃত মানুহ। এই উপাদানটোক মানুহৰ ভিতৰত স্বৰ্গীয় উপাদান বুলি কোৱা হয়। মানুহৰ প্ৰকৃতিৰ তত্ত্বৰ বিষয়ে আলোচনা কৰিবলৈ এইটো অতি গুৰুত্বপূৰ্ণ ধাৰণা। প্লেটো আৰু এৰিষ্টটল উভয়ে বিশ্বাস কৰিছিল যে মানুহৰ প্ৰকৃতিত অসম্পূৰ্ণভাৱে ভগৱান উপস্থিত থাকে আৰু এইটো হৈছে ভগৱানৰ সেই স্বৰ্গীয় উপস্থিতি আৰু ইয়েই মানুহৰ প্ৰকৃতিৰ সৃষ্টি কৰিছে। প্লেটোৱে ইয়াত আচল মানুহৰ প্ৰকৃতিক দেৱতাৰ প্ৰকৃতিৰ লগত ৰিজাইছে।

মানুহৰ প্ৰকৃত লাভ-লোকচানৰ কথাটো এই বিশ্লেষণৰ ভিত্তিত বিবেচনা কৰিব লাগিব। যেতিয়া এজন মানুহে কয় যে অন্যায়ৰপৰা মানুহৰ প্ৰকৃতিৰ আচল স্বাৰ্থ ৰক্ষা পৰে তেতিয়া তেওঁ কি কৈছে নিজেই তাৰ অৰ্থ বুজি

নাপায় গতিকে তেওঁক সেই বিষয়ে বুজাব লাগিব। তাকে কৰিবলৈ প্লেটোৱে নৈতিকতাৰ ফলাফলৰ স্বীকৃত ভাল আৰু বেয়া কিছুমান হাতত লৈছিল আৰু তেও মানুহৰ আত্মাৰ বিশ্লেষণৰ ভিত্তিত সেইবোৰ ভালনে বেয়া প্ৰমাণ কৰি দেখুৱাইছিল। মানুহৰ প্ৰকৃত মানৱীয় উপাদানটোৱে যিহকে কৰিবলৈ নিৰ্দেশ দিয়ে মহান আৰু ন্যায়পৰায়ণ মানুহবোৰে তাকেই কৰে মানুহৰ এইটোৱে স্বৰ্গীয় কৰ্তব্য। আমাৰ ভিতৰত থকা মানৱীয় সত্তাটোক দমন কৰি ৰাখিলে যি অৱস্থা হয় জন্তুবোৰ ঠিক সেই অৱস্থাত থাকে। মানৱীয় সত্তাটো দমন হৈ থকা অৱস্থাত অন্যায়কাৰী আৰু নীচ কামকে প্ৰকৃত কাম বুলি জ্ঞান কৰে। যেতিয়া এজন মানুহে কয় যে ভেটি খোৱাৰপৰা তেও লাভবান হৈছে তেতিয়া তেও বুজি নাপায় যে তেও তেওঁৰ বাবে অতি মূল্যবান মানৱীয় সত্তাটোক দমন কৰিহে সেই লাভৰ গৰাকী হ'ব পাৰিছে। অসংযম বা অমিতাচাৰৰ অৰ্থ হৈছে আমাৰ ভিতৰত থকা বন্য জন্তুটোক মুক্তভাৱে চৰি ফুৰিবলৈ এৰি দিয়া। আমাৰ প্ৰকৃতিত থকা সিংহসদৃশ উপাদানটোৰ বিসংগতি ঘটিলে ব্যক্তি-চিন্তা আৰু অসন্তোষৰ সৃষ্টি হয়। ইয়াত সাহস আৰু ক্ষুধা দুয়োটাই জড়িত থাকে। আত্যন্তিক মানুহৰ প্ৰকৃতিত সাহসৰ পৰিমাণ বেছি থাকে আৰু তাৰ ফলত তেওঁলোক ব্যক্তিকেন্দ্ৰিক হৈ পাৰে। এই সাহসৰ প্ৰভাৱত আন্ধাৰত তেওঁলোকৰ ক্ষুধাবোৰ অতিপাত বাঢ়ি যায়। কিয়নো তেতিয়া তেওঁলোকৰ গাত মানুহৰ গাত থাকিব লগীয়া উচ্চতম উপাদানটো আঁতৰি থাকে। ইন্দ্ৰিয়সুখৰ আকাংক্ষা আৰু বিলাসিতাৰ লগত জড়িত থকা দোষবোৰ আমাৰ ভিতৰত থকা সাহসী উপাদানটোৰ দুৰ্বলতাৰ কাৰণে সৃষ্টি হয়। তোষামোদ আৰু নীচতাৰ অৰ্থ হৈছে এই যে ই আমাক ক্ষুধাতুৰসকলৰ দৰে দমন কৰি ৰাখে আৰু ইয়াৰ ফলত আমাৰ ভিতৰত থকা সিংহটো বান্দৰত পৰিণত হয়।

উপসংহাৰত প্লেটোৱে এজন জ্ঞানী মানুহে তেওঁৰ জীৱনটো কেনেকৈ পৰিচালনা কৰে আৰু কি নীতি অৱলম্বন কৰে সেইবোৰ কথা চমুকৈ উল্লেখ কৰিছে। প্ৰথমে তেও কি শিকিবলৈ ইচ্ছা কৰিব আগতে উল্লেখ কৰা মানৱীয় সত্তাটোৰ উন্নতিৰ কাৰণে যিবোৰ অধ্যয়নে সহায় কৰিব পাৰে তেওঁ সেইবোৰহে অধ্যয়ন কৰে। দ্বিতীয়তে তেও কেৱল ইন্দ্ৰিয়সুখকে তেওঁৰ শাৰীৰিক সন্তুষ্টি বুলি গণ্য নকৰে শাৰীৰিক স্বাস্থ্য আৰু শক্তি লাভ কৰাই তেওঁৰ প্ৰধান লক্ষ্য নহয় কিয়নো তেওঁৰ স্বাস্থ্য আৰু শক্তিয়ে তেওঁৰ ভিতৰত থকা যুক্তিক পৰিচালনা কৰিব পাৰিবও লাগিব। তেওঁ তেওঁৰ শৰীৰটো তেওঁৰ আত্মাৰ উন্নতিৰ বাবেহে ব্যৱহাৰ কৰে। সেইদৰে সা সম্পত্তিৰ ক্ষেত্ৰতো তেওঁ এইটো কথাকে বিবেচনা কৰে। সা সম্পত্তি লাভ কৰিলে তেওঁৰ আত্মাৰ উন্নতি হ'বনে অৱনতি ঘটিব—সেইটো হৈছে তেওঁৰ বিবেচ্য বিষয়। সন্মান আৰু ক্ষমতাৰ বেলিকাও তেওঁ কেৱল আত্মাৰ উন্নতিৰ কথাহে চিন্তা কৰে। আত্মাৰ উন্নতিৰ বাবেহে

তেওঁ সম্মান আৰু ক্ষমতা বিচাৰে। সম্মান আৰু ক্ষমতালাভৰপৰা আত্মাৰ অৱনতি ঘটাৰ সম্ভাৱনা থাকিলে তেওঁ কেতিয়াও সেই সম্মান আৰু ক্ষমতা নিবিচাৰে।

প্লেটোৰ ন্যায়ৰ অৱধাৰণাৰ ওপৰত সমালোচনা

বিভিন্ন দৃষ্টিকোণৰপৰা প্লেটোৰ ন্যায়ৰ অৱধাৰণাৰ ওপৰত সমালোচনা আগবঢ়োৱা হৈছে। এই সমালোচনাবোৰৰ কিছুমান তেওঁৰ ন্যায়ৰ অৱধাৰণাৰ বিৰুদ্ধে নগৈ তেওঁৰ ৰাষ্ট্ৰৰ অৱধাৰণাৰ বিৰুদ্ধেহে গৈছে।

এজন আধুনিক পাঠকৰ কাৰণে প্লেটোৰ ন্যায়ৰ অৱধাৰণা বৰ সন্দেহ কিয়নো তেওঁ ইয়াৰপৰা লাগতিয়াল অংশ গ্ৰহণ কৰি অলাগতিয়াল অংশ বাদ দিব পাৰে। কোনো অৰ্থতে এইটো আইনসংগত ন্যায়ৰ সূত্ৰ নহয়। আত্মনিয়ন্ত্ৰণ সমাজৰ স্বাৰ্থত নিষ্ঠাৰে আত্মোৎসৰ্গ আদি কথাবোৰেই প্লেটোৰ ন্যায়ৰ অৱধাৰণাৰ মূল ভেটি। এই আটাইবোৰ নৈতিক দৰ্শনৰ কথা সামাজিকভাৱে সুৰক্ষিত নহয়। মানুহৰ ইচ্ছাৰ মাজত সংঘাত আছে আৰু স্বাৰ্থৰ কাৰণে মানুহৰ মাজত কাজিয়া হয়। প্লেটোৰ ন্যায়ৰ ধাৰণাত এইবোৰ কথা চিন্তা কৰা হোৱা নাছিল। ই কেৱল নিৰস সমৰূপতা আৰু সামাজিক জীৱনৰ একতাৰ ওপৰতহে জোৰ দিছিল। তেওঁৰ গোটেই ন্যায়ৰ অৱধাৰণাটো ব্যক্তিগত বিশেষীকৰণৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছিল কিন্তু তেওঁ এই ব্যক্তিগত বিশেষীকৰণৰ দোষবোৰৰফালে লক্ষ্য কৰা নাছিল। মানুহৰ আত্মাত কেইবাটাও উপাদান থাকিলেও মানুহ মূলতঃ এটাই। এই কথাটো তেও ভালদৰে উপলব্ধি কৰা নাছিল। কোনো এটা বিশেষ কামৰ বাবে মানুহ এজনক নিন্দা কৰা মানে তেওঁক কেৱল সেইটো কামৰ বাবেহে অনুপযুক্ত বুলি ধৰি লোৱা হয়। অথচ একেজন মানুহ বহুতো কামৰ বাবেও যোগ্য হ'ব পাৰে। দৰাচলতে সকলোবোৰ মানুহৰে গাত আটাইবোৰ মানৱীয় উপাদান থাকে হয়তো এই উপাদানবোৰৰ আৱশ্যকীয় বিকাশ আৰু সন্তুষ্টি লাভ নহ'ব পাৰে। প্লেটোৱে মানৱীয় উপাদানবোৰ বেলেগ বেলেগকৈ দেখিছে আৰু যিবোৰ মানুহে কেৱল এটা উপাদানৰদ্বাৰা পৰিচালিত হৈ কাম কৰে সেইবোৰ মানুহক নিন্দা কৰিছে। মানুহবোৰক তেও যুক্তি সাহস আৰু ক্ষুধাৰ সেৱক হিচাপে দাৰ্শনিক সাহসী আৰু ক্ষুধাতুৰ বুলি আখ্যা দিছে। কিন্তু মানুহবোৰৰ গাত এটাই মাত্ৰ উপাদান নাথাকে আন দুটা উপাদানো কম-বেছি পৰিমাণে থাকে। এজন মানুহক কেৱল এটা কামৰ বাবে যোগ্য বুলি ধৰি লৈ মানুহবোৰৰ মাজত কামৰ ভাগ কৰি দিলে মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ হ'ব নোৱাৰে আৰু ইয়াৰ ফলত জাতি এটাৰো পূৰ্ণ আৰু বিচিত্ৰতাৰে ভৰা উন্নতি হ'ব নোৱাৰে। গতিকে প্লেটোৰ ন্যায় স্থাবিৰ আৰু নিষ্ক্ৰিয়। ই বৰ বেছি আধুনিক আৰু কাল্পনিক। সেইবাবে মানুহক পৰিচালনাৰ বাবে ইয়াক ব্যৱহাৰ কৰিব নোৱাৰি। প্লেটোৱে যোগ্যতা আৰু সামৰ্থ্য চাই মানুহক কাম আৰু পুৰস্কাৰ দিয়াৰ ব্যৱস্থা কৰিবকৈ

কৰিছিল। এজন মানুহক তেওঁ এটা মাত্র কামৰ বাবে প্রস্তুত কৰি তুলিবলৈ পৰামর্শ আগবঢ়াইছিল আৰু প্রত্যেককে একে ঠাইতে ৰাখিবলৈ বিচাৰিছিল। এইবোৰৰ-দ্বাৰা মানুহৰ বিভিন্ন গুণৰ বিকাশ বন্ধ কৰি ৰখা হৈছিল আৰু ইয়াৰ ফলত বহুতো মানুহে সামাজিক স্বীকৃতি লাভ কৰিব পৰা নাছিল। মানুহৰ ব্যক্তিত্বৰ বিকাশ আৰু ধাৰাবাহিক উন্নতিৰ কাৰণে মানুহক নতুন আৰু বিস্তৃত সুবিধাৰ আৱশ্যক। প্লেটোৱে এইবোৰ কথা চিন্তা কৰা নাছিল। প্লেটোৰ ন্যায়ৰ অৱধাৰণা মতে শাসন-ক্ষমতা কেৱল দার্শনিকসকলকহে দিব লাগে। কিয়নো দার্শনিক সকলহে নৈতিক আৰু আধ্যাত্মিকভাৱে শাসনক্ষমতা লাভ কৰাৰ যোগ্য। ইয়াত এটা ডাঙৰ বিপদ আছে। দার্শনিক শাসনকর্তাসকল যিমানেই নীতিপৰায়ণ আৰু প্রশিক্ষিত নহওক লাগিলে একেবাৰে তেওঁলোকে ক্ষমতা ভোগ কৰিবলৈ পালে সময়ত তেওঁলোকো অত্যাচাৰী হৈ পৰিব নৈতিকতাবিহীন হ'ব আৰু ইয়াৰ ফলত ৰাষ্ট্ৰখন দুর্নীতিৰে ভৰি পৰিব। দার্শনিক শাসকসকলেও নিজৰ শ্রেণী স্বার্থক ৰাষ্ট্ৰীয় স্বার্থৰ লগত সান মিহলি কৰি পেলাই ৰাষ্ট্ৰৰ স্বার্থৰক্ষাৰ নামত নিজৰ স্বার্থ ৰক্ষা কৰিবলৈ যত্নপৰ হ'ব। বহুতো লেখকে এইটো ক'ব খোজে যে প্লেটোৰ এথেন্সৰ গণতন্ত্রৰ বিষয়ে তিক্ত অভিজ্ঞতা আছিল আৰু সেইবাবে তেওঁ জনসাধাৰণৰ হাতত ক্ষমতা তুলি দিয়াৰ পক্ষপাতী নাছিল। মানুহৰ আত্মাত যদিহে উপাদানৰ কোনো এটা অংশ নহ'লে মানুহৰ আত্মাই সৃষ্টি হ'ব নোৱাৰে। ভাটী বয়সত প্লেটোৱে এইটো বুজিব পাৰিছিল আৰু সেই গতিকে তেওঁ 'ৰাজনীতি' আৰু 'আইন'ত সকলোবোৰ নাগৰিককে ৰাজনৈতিক ক্ষমতাৰ অংশ দিয়াৰ পোষকতা কৰিছিল।

এইটো আকৌ কোৱা হয় যে সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ স্থাপন ক'ৰি প্লেটোৱে যি ন্যায় প্রতিষ্ঠা কৰিবলৈ বিচাৰিছিল তাৰদ্বাৰা তেওঁ মানুহৰ মনো-বৈজ্ঞানিক তথ্যক অচল কৰিছে আৰু মানৱ আত্মাৰ মৌলিক ইচ্ছাবোৰ পূৰণত বাধাৰ সৃষ্টি কৰিছে। মানুহৰ নিষ্ঠা লাভৰদ্বাৰা তেওঁ বহুত বেছি পাবলৈ আশা কৰিছিল যিটো বাস্তৱত কেতিয়াও সম্ভৱপৰ নহয়। এইটো সত্য যে প্লেটোৰ ন্যায়ৰ অৱধাৰণাই ব্যক্তিক এটা সুকীয়া গোট হিচাপে নধৰি সমাজ জীৱনৰ এটা সক্রিয় আৰু অবিচ্ছেদ্য অংশ হিচাপে ধৰিছে। কিন্তু প্লেটোৱে এই ধাৰণাটো চূড়ান্ত পর্য্যায়লৈ লৈ গৈ ব্যক্তি-স্বাধীনতা খর্ব কৰিছে। ব্যক্তি-স্বাধীনতা নাথাকিলে মানুহে তেওঁৰ নৈতিক কার্য্য সম্পাদন কৰিব নোৱাৰে আৰু ইয়াৰ ফলত তেওঁৰ নৈতিক ব্যক্তিত্বৰ বিকাশ নহয়।

কোনো কোনো মহলত আকৌ কোৱা হয় যে প্লেটোৰ ন্যায়ৰ অৱধাৰণাই মানুহক ৰাষ্ট্ৰৰ দাসত পৰিণত কৰিছে। লগতে এইটোও কোৱা হয় যে উৎপাদন-কাৰী মানুহশ্রেণীৰ ক্ষেত্রত কোনো প্রকাৰৰ ৰাজনৈতিক সা-সুবিধা নাই, তেওঁ-লোক উচ্চ শ্রেণী দুটাৰ মানুহৰ বাবে খৰিকটীয়া আৰু পানীতোলাৰ দৰে।

পপাৰৰ মতে তেওঁলোকে কোনো প্ৰশ্ন নকৰাকৈ শাসকসকলক মানি চলিব লাগে কিয়নো জ্ঞানীসকলৰ ইচ্ছাৰদ্বাৰা অজ্ঞানসকলৰ ইচ্ছাবোৰ নিয়ন্ত্ৰিত হ'ব লাগে। উৎপাদনকাৰীসকলে তেওঁলোকৰ প্ৰকৃতিৰ উপাদানবোৰৰ কেৱল ক্ষুধা পূৰণ কৰিব পাৰিলেই জীয়াই থাকিব পাৰে, তেওঁলোকৰ সাহস আৰু বুদ্ধি একেবাৰে সুপ্ত অৱস্থাত থাকে। আনহাতে উচ্চ শ্ৰেণী দুটাৰ মানুহবোৰে পাৰিবাৰিক জীৱন যাপন কৰিব নোৱাৰে। ৰাষ্ট্ৰৰ স্বাৰ্থৰ কাৰণে তেওঁলোকে সকলোবোৰ ব্যক্তি স্বাৰ্থ ত্যাগ কৰিব লাগে। দাৰ্শনিক ৰজাৰ শাসনৰ ওপৰত প্লেটোৰ ন্যায়ৰ অৱধাৰণা ৰচনা কৰা হৈছে আৰু ই ব্যক্তিৰ স্বাধীনতা ধ্বংস কৰাৰ যথেষ্ট থল আছে।

প্লেটোৱে এই ধৰণৰ সমালোচনাবোৰ আহিব বুলি আগেয়েই জানিছিল আৰু সেইবাবে ইয়াৰ প্ৰত্যুত্তৰো যুগুতাই ৰাখিছিল। এই প্ৰত্যুত্তৰবোৰ তেওঁৰ গণৰাজ্যত বিচাৰিলে পোৱা যায়। তেওঁ কৈছিল যে আদৰ্শ ৰাষ্ট্ৰ এখন অভিভাৱক সকলৰ সুখ-শান্তিৰ বাবে প্ৰতিষ্ঠা কৰাৰ কোনো প্ৰয়োজন নাই প্ৰয়োজন আছে সমাজ আৰু ৰাষ্ট্ৰৰ কল্যাণৰ বাবেহে। তেওঁ কৈছিল 'আমাৰ সমালোচকসকলে কোনো এটা উৎসৱত খেতিয়কসকলে তামাচা স্ফূৰ্তি কৰাৰ বিষয়েহে চিন্তা কৰিছে ৰাষ্ট্ৰৰ কাৰণে নিষ্ঠাৰে কৰ্তব্য পালন কৰি থকা নাগৰিকসকলৰ বিষয়ে হ'লে চিন্তা কৰা নাই। এই উক্তিটোৰপৰা এইটো প্ৰতীয়মান হয় যে প্লেটোৱে ব্যক্তিগত নাগৰিকসকলৰ সুখ-শান্তি আৰু প্ৰগতিৰ কাৰণে বিশেষ চিন্তা কৰা নাছিল তেওঁ কেৱল তেওঁলোকৰ মাজত একতা স্থাপন কৰিবলৈ বিচাৰিছিল। কিন্তু ইয়াৰপৰা আমি এইটো ধৰি ল'লে ভুল হ'ব যে প্লেটো ব্যক্তিৰ স্বাৰ্থৰ প্ৰতি উদাসীন আছিল। প্লেটোৱে যিটো কথাৰ ওপৰত গুৰুত্ব দিছিল সেইটো হৈছে— ব্যক্তিবোৰ অসংলগ্ন গোট নহয় যাৰ স্বাৰ্থ ৰাষ্ট্ৰৰ স্বাৰ্থৰ লগত বেলেগ ব্যক্তিবোৰ হৈছে ৰাষ্ট্ৰৰ একো একোটা অবিচ্ছেদ্য অংশ আৰু ৰাষ্ট্ৰীয়-জীৱনৰ লগত সংগতি ৰক্ষা কৰিহে ব্যক্তিয়ে নিজৰ জীৱনৰ মূল্য আৰু গুৰুত্ব লাভ কৰিব পাৰে। ব্যক্তিৰ মাত্ৰ এটা অধিকাৰ আছে। সেইটো হৈছে তেওঁৰ কৰ্তব্য পালন কৰাৰ অধিকাৰ। তেওঁৰ আন সকলোবোৰ অধিকাৰ এই অধিকাৰটোক কেন্দ্ৰ কৰিয়েই তেওঁ লাভ কৰিব পাৰে। তেওঁৰ স্বাধীনতাৰ অৰ্থ হৈছে—সমাজত তেওঁ তেওঁৰ ভূমিকা পালন কৰা আৰু এই ভূমিকাটো ভালদৰে পালন কৰা। বাৰ্কাৰৰ মতে "সাম্যবাদী ব্যৱস্থা প্ৰতিষ্ঠাৰদ্বাৰা প্লেটোৱে ব্যক্তি সমাজত তেওঁৰ যোগ্য স্থান লাভ কৰি থকাত বাধা দিব পৰা অসুবিধাবোৰ আঁতৰ কৰি ব্যক্তিক মুক্ত কৰিবলৈ চেষ্টা কৰিছিল আন কথাত ব্যক্তিয়ে তেওঁৰ ওপৰত অৰ্পণ কৰা কৰ্তব্যবোৰ পালন কৰিবলৈ যি অৱস্থা আৰু অধিকাৰৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছিল, ইয়াৰ দ্বাৰা সেই অৱস্থা আৰু অধিকাৰ সৃষ্টি কৰিবলৈ বিচৰা হৈছিল।" গতিকে প্লেটোৰ ন্যায়ৰ অৱধাৰণাই ব্যক্তিৰ ব্যক্তিগত অধিকাৰ ধ্বংস কৰিবলৈ বিচৰা

নাছিল বৰং ইয়াৰম্বাৰা ব্যক্তিৰ প্ৰকৃত অধিকাৰ সৃষ্টি কৰিবলৈ আৰু ৰক্ষা কাৰ-বলৈহে চেষ্টা কৰা হৈছিল। বাৰ্কাৰে আকৌ কৈছে স্বাৰ্থ যিমানেই বহল হয় ব্যক্তিত্বও সিমানেই বহল হয়। যেতিয়া এজন মানুহে কেৱল তেওঁৰ নিজৰ স্বাৰ্থৰ কাৰণেই ভাবে আৰু আন কোনো স্বাৰ্থৰ বাবে চিন্তা নকৰে তেতিয়া তেওঁ আটাইতকৈ বেছি ঠেক গণ্ডীৰ মাজত থাকে আৰু যেতিয়া তেওঁ নিজৰ স্বাৰ্থক আনৰ স্বাৰ্থ আৰু সমাজৰ স্বাৰ্থৰ লগত একে বুলি ধৰি লৈ সমাজৰ এটা অংশ হিচাপে কাম কৰে তেতিয়া তেওঁ আটাইতকৈ বহল পৰিধিৰ মাজত থাকে। কৰ্ম ক্ষেত্ৰৰ পৰিধিটো যিমানেই বহল হৈ যায় সিমানেই ব্যক্তিয়ে বহৎ স্বাৰ্থৰ হকে কাম কৰিবলগীয়া হয় আৰু সিমানেই তেওঁৰ ব্যক্তিত্ব মহান হৈ যায়।'

প্লেটোৰ ন্যায়ৰ অৱধাৰণাৰ ওপৰত সমালোচনা আগবঢ়োৱাৰ আগেয়ে আমি তেওঁৰ উদ্দেশ্যৰ বিষয়ে অবগত হ'ব লাগিব। ৰাষ্ট্ৰৰ ওচৰত ব্যক্তিৰ বশবৰ্তিতা প্লেটোৰ উদ্দেশ্যৰ বহিভূৰ্ত কথা। এইটো তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ আঁচনিতে পোৱা যায়। এইখিনিতে আমি এটা কথা নিশ্চিতভাৱে জানি থ'ব লাগিব যে প্লেটোৰ বাবে ৰাষ্ট্ৰ এখন স্বয়ংসম্পূৰ্ণ নাছিল। তেওঁৰ মতে ব্যক্তিক ৰক্ষণাবেক্ষণ দিয়াৰ বাবেহে ৰাষ্ট্ৰ এখন লাগে। ৰাষ্ট্ৰৰ উদ্দেশ্য হৈছে মহান ব্যক্তিৰ সৃষ্টি কৰা। ৰাষ্ট্ৰশক্তি আৰু সন্মান তাত থকা নাগৰিকসকলৰ জ্ঞান শাসকসকলৰ নিষ্ঠাৰ ওপৰত নিৰ্ভৰ কৰে — ৰাজ্যক্ষেত্ৰ সম্পদ আৰু সেনাবাহিনীৰ ওপৰত নহয়।

প্লেটোৱে আত্মাক বিচাৰশক্তিসম্পন্ন আৰু ক্ৰোধশীল—এই দুটা ভাগত বিভক্ত কৰিছে। কিন্তু তেওঁ আত্মাৰ কোনটো অংশ ক'ত থাকিব সেই বিষয়ে একো স্পষ্ট ভাৱে কোৱা নাই। তেওঁৰ মতে ক্ৰোধশীল অংশটোৱে বিচাৰশক্তিসম্পন্ন অংশটোক সমৰ্থন কৰা উচিত। সেই গতিকে তেওঁলোকৰ ওপৰত ন্যায্য শাস্তি প্ৰদান কৰা হ'লে তেওঁলোকে বেয়া পাব নালাগে। আমি সকলোৱে জানো যে দোষীসকলৰ বেছি ভাগেই তেওঁলোকৰ ওপৰত ন্যস্ত শাস্তি প্ৰদান কৰা হ'লেও ভাল নাপায়। দাৰ্শনিকসকলৰ ক্ষেত্ৰত এইটো সম্ভৱপৰ হ'লেও দোষীসকলৰ ক্ষেত্ৰত কেতিয়াও সম্ভৱপৰ নহয়।

আত্মাৰ তিনিটা গুণৰূপৰা তিনিটা শ্ৰেণীৰ মানুহৰ সৃষ্টি হোৱা বুলি প্লেটোৱে যিটো কথা কৈছে সিও আমাৰ বাবে গ্ৰহণযোগ্য নহয়। কিয়নো মানুহৰ আত্মাৰ এটা উপাদানে এটা শ্ৰেণীৰ মানুহৰ সৃষ্টি কৰিছে বুলি আজিলৈ কোনেও প্ৰমাণ দাঙি ধৰিব পৰা নাই। তদুপৰি তেওঁ মানুহৰ আত্মাক যি তিনিটা উপাদানত ভাগ কৰিছে সিও বিজ্ঞানসন্মত আৰু সম্পূৰ্ণ নহয়। ইয়াৰম্বাৰা মোটামুটিভাৱে মানুহৰ কামৰ মতলবৰ বিষয়ে কোৱা হৈছে। মানুহৰ অভিজ্ঞতাৰ বেলেগ বেলেগ দিশ আছে। প্লেটোৱে সেই দিশবোৰ পৰীক্ষা কৰি নাচালে।

সৰ্বোপৰিত প্লেটোৰ ন্যায়ৰ অৱধাৰণা বৰ্তমান যুগৰ ন্যায়ৰ অৱধাৰণাৰ লগত সম্পূৰ্ণ বেলেগ। প্লেটোৱে প্ৰত্যেককে নিজৰ নিজৰ নিৰ্দিষ্ট কাম নিৰ্দিষ্ট

স্থানৰপৰা সম্পাদন কৰিবলৈ পৰামৰ্শহে দিছে। কিন্তু বেলেগ বেলেগ স্থানত কাম কৰি থকা মানুহবোৰৰ মাজত কোনো বিবাদ বা কাজিয়াৰ সৃষ্টি হ'লে সেইবোৰৰ কেনেকৈ মীমাংসা কৰিব লাগিব প্লেটোৱে তাৰ কোনো ব্যৱস্থা কৰি নগ'ল। এই অৰ্থত তেওঁৰ ন্যায়ৰ অৱধাৰণা অসম্পূৰ্ণ আৰু ত্ৰুটীপূৰ্ণ। কিন্তু আমি সততে মনত ৰাখিব লাগিব যে প্লেটোৰ ন্যায় নৈতিক নীতিৰ ওপৰতহে প্ৰতিষ্ঠিত, ইয়াৰ বাবে আইনগত অনুমোদনৰ কোনো প্ৰয়োজন নাই। গতিকে প্লেটোৰ ন্যায়ৰ অৱধাৰণাক নাগৰিকসকলৰ অধিকাৰ আৰু ক্ষমতাৰ মাপকাঠীৰে জোখ কৰাটো উচিত নহ'ব নাগৰিকসকলৰ কাৰ্য্য আৰু কৰ্তব্যৰ মাপকাঠীৰেহে জুখিব লাগিব প্লেটোৰ ন্যায়ৰ অৱধাৰণাক আমি আইনৰ সূত্ৰ বুলি গণ্য কৰিব নালাগিব।

পঞ্চম অধ্যায়

প্লেটোৰ দৰ্শনৰ শাসন

গণৰাজ্য'ৰ পঞ্চম আৰু ষষ্ঠ পুস্তিকাত প্লেটোৱে দৰ্শনৰ শাসনৰ বিষয়ে আলোচনা কৰিছে। তেওঁৰ মতে ৰাজনৈতিক ক্ষমতা আৰু বিজ্ঞানসম্মত জ্ঞান (দৰ্শন) এজন মানুহৰ গাত নাথাকিলে ৰাষ্ট্ৰ আৰু মানৱ সমাজৰ কাৰণে দুখৰ সীমা নোহোৱা হয়। এই উক্তিটোৰদ্বাৰাই প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ চৰকাৰৰ বিষয়ে তেওঁৰ দৃষ্টিভংগীৰ মোখনি মাৰিছে।

ছক্ৰেটিছে বাস্তৱৰ লগত আদৰ্শৰ সম্পৰ্কৰ বিষয়ে প্ৰথমে কেইটামান প্ৰাৰম্ভিক মন্তব্য কৰিছে। তেঁও কৈছে যে এটা আদৰ্শ বাস্তৱত ৰূপায়িত কৰিব নোৱৰা কাৰণেই বেয়া হ'ব নোৱাৰে। আমি যেতিয়া এজন মানুহক ন্যায়পৰায়ণ মানুহ বুলি কওঁ তেতিয়া আমি ধৰি নলওঁ যে সেই মানুহজনৰ গাত ন্যায়পৰায়ণ তাৰ সকলোবোৰ গুণ আছে। ন্যায়পৰায়ণতা হৈছে এটা আৰ্হি আৰু মানুহে এই আৰ্হিটো চাই ন্যায়পৰায়ণ হ'বলৈ যত্ন কৰে। যি যিমান বেছি ন্যায়পৰায়ণ হ'ব পাৰে সিমানেই তেওঁৰ ভাল। আন কথাত যিকোনো বিষয়ৰে মৌলিক ৰূপ আৰু বাস্তৱ ৰূপৰ মাজত এটা পাৰ্থক্য থাকিবই। প্লেটোৱে তেওঁৰ ন্যায়ৰ বিষয়ে যিটো অন্ন ধাৰণা আমাৰ আগত দাঙি ধৰিছে বাস্তৱত সেইটো কাৰ্য্যকৰী কৰিলে তাৰ ৰূপ নিশ্চয় অলপ বেলেগ হ'বই। সেইদৰে যিকোনো বস্তুৰে আদৰ্শ ৰূপ আৰু বাস্তৱ ৰূপৰ মাজত পাৰ্থক্য থাকেই। মানুহৰ একপ্ৰকাৰৰ কাৰ্য্যৰদ্বাৰা ন্যায় প্ৰতিষ্ঠিত হয়। আমি যিখন আদৰ্শ সমাজৰ কথা ভাবোঁ, সি হৈছে মানৱ জীৱনৰ সত্য। প্ৰকৃত মানৱ জীৱন আমি যিভাৱে গঢ়ি তোলোঁ সেইভাৱেই গঢ়ি উঠিব। মানৱ জীবনৰ প্ৰকৃত গঠনে কিছু পৰিমাণে সত্যৰ অপলাপ কৰে। সত্যৰপৰা মানৱ জীৱন কিছু আঁতৰত থাকে। যেতিয়া কোনোবাই আমাক কোনো এটা আদৰ্শৰ সম্ভাবনাৰ বিষয়ে সোধে আমি তেতিয়া প্ৰথমতে নিশ্চিতভাৱে ক'ব লাগিব যে কোনো আদৰ্শই সম্পূৰ্ণৰূপে বাস্তৱত পৰিণত কৰাটো সম্ভৱপৰ নহয় আৰু এইটো সম্ভৱপৰ হয় বুলি ভবাটোৱেই ভুল। কিয়নো সকলো বস্তুৰে এইটো এটা প্ৰাকৃতিক ধৰ্ম যে ভাবত বা কথাত সত্য যিমান পৰিস্ফুট হৈ উঠে কাৰ্য্যত কেতিয়াও সিমান উজ্জ্বল হৈ নুঠে। এই নীতিটো সকলো আদৰ্শৰ ক্ষেত্ৰতে সমানে প্ৰযোজ্য। সেই গতিকেই প্লেটোৱে তেওঁৰ আইনত এইবুলি কৈছিল যে 'গণৰাজ্যত তেওঁ' যিখন আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰ আঁকিছে সেইখন হৈছে প্ৰকৃত আদৰ্শ ৰাষ্ট্ৰৰ আৰ্হি, কিন্তু তেনে এখন

ৰাষ্ট্ৰ কেৱল দেৱতাসকলে আৰু তেওঁলোকৰ বংশধৰসকলেহে বাস্তৱত প্ৰতিষ্ঠা কৰিব পাৰিব। গণৰাজ্যত তেওঁ তেওঁৰ আদৰ্শৰপৰা অলপো আঁতৰি অহা নাছিল, তাত তেওঁ তেওঁৰ আদৰ্শটো প্ৰদৰ্শন কৰিব পাৰিলেই সন্তুষ্ট আছিল। যেতিয়া তেওঁৰ আদৰ্শৰ ওপৰত কোনোবাই প্ৰত্যাহ্বান জনাইছিল তেতিয়া তেওঁ এইদৰে কোৱা নাছিল যে মানুহৰ প্ৰকৃতিৰ ফালৰপৰা বিবেচনা কৰিলে আদৰ্শ ৰাষ্ট্ৰ বাস্তৱত প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ নহয়। তেওঁ কৈছিল যে যিমানদূৰ পৰা যায় আদৰ্শ ৰাষ্ট্ৰখন বাস্তৱত ৰূপায়িত কৰিবলৈ চেষ্টা কৰিব লাগে।

ইয়াতে এটা প্ৰশ্ন উঠিব পাৰে। মানুহৰ জীৱনৰ কি দোষৰ কাৰণে আদৰ্শ ৰাষ্ট্ৰখন বাস্তৱত কাৰ্য্যকৰী কৰিব পৰা নাযায় ? অৱস্থাৰ কি পৰিবৰ্ত্তনে ইয়াক বাস্তৱত ৰূপ দিয়াত বাধা প্ৰদান কৰে ? আদৰ্শবান ভাল মানুহ আৰু মানুহৰ গাত থকা বেয়া গুণৰ উৎস একেটা প্ৰশ্নতে সোমাই আছে। এটা পৰিবৰ্তন অৱশ্যে হ'ব পাৰে যিটোৱে মানুহৰ জীৱনৰ আদৰ্শৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। মানুহৰ জীৱনত বেয়া গুণৰ এটা ডাঙৰ উৎস আছে। এই পৰিবৰ্তনটোৰ ফলত দৰ্শনে সাৰ্বভৌম ক্ষমতা পাব, অৰ্থাৎ ৰাজনৈতিক ক্ষমতা দাৰ্শনিকৰ হাতলৈ আহিব। ৰাজনৈতিক ক্ষমতা দাৰ্শনিকসকলৰ হাতত নথকাটোৱেই মানৱ সমাজৰ অনিষ্টৰ মৌলিক কাৰণ। দাৰ্শনিকসকলে ৰাজনৈতিক ক্ষমতা লাভ কৰিলে অযোগ্য লোক সকলে ৰাজনৈতিক ক্ষমতাৰপৰা আঁতৰ হ'ব লাগিব আৰু দাৰ্শনিক গুণ নথকা লোকে দাৰ্শনিকৰ শাৰীত থিয় দিব নোৱাৰিব। এইটো কৰিবলৈ গ'লে যথেষ্ট বিৰোধিতা আৰু জননেতাসকলৰ ক্ৰোধৰ সম্মুখীন হ'ব লাগিব। কিয়নো ই নেতৃস্থানীয় ৰাজনীতিবিদ আৰু চিন্তাবিদসকলৰ কোমল অংশত আঘাত কৰিব আৰু এই কাৰণেই প্লেটোৱে এই কথাটো প্ৰতিপন্ন কৰিবলৈ ভালেখিনি কষ্ট কৰিবলগীয়া হৈছিল। এইটো প্ৰতিপন্ন কৰিবলৈ তেওঁ চিন্তাবিদসকলক লক্ষ্য কৰি কৈছিল যে শাসকসকলৰ ভুলৰ কাৰণে যিবোৰ অনিষ্ট সাধন হয় সেইবোৰ সহনীয় কিন্তু কল্পনাপ্ৰিয় চিন্তাবিদসকলৰ ভুলৰ কাৰণে যিবোৰ অনিষ্ট সাধন হয় সেইবোৰ বেছি গুৰুতৰ। গণৰাজ্যৰ ষষ্ঠ পুস্তিকাত তেওঁ প্ৰতিভাবান মানুহবোৰৰ প্ৰতিভা আৰু শক্তিৰ কেনেকৈ অপচয় হয় আৰু তাৰ ফলত সমাজৰ কিমানবোৰ অনিষ্ট সাধন হয় তাৰ বহুতো দৃষ্টান্ত দাঙি ধৰিছে। আমি সাধাৰণতে দাৰ্শনিক বুলিলে যাক বুজোঁ প্লেটোৱে তেনে মানুহক দাৰ্শনিক বুলি গণ্য কৰা নাছিল। কোনো এটা বিশেষ বিষয়ৰ ওপৰত প্ৰতিভা থাকিলেই মানুহ এজনক আমি দাৰ্শনিক বুলি ভাবোঁ। প্লেটোৱে কিন্তু দাৰ্শনিক বুলিলে এই শব্দটোৰ পূৰ্ণ অৰ্থত প্ৰকৃততে প্ৰতিভাবান মানুহবোৰকহে বুজাবলৈ বিচাৰিছিল। তেওঁৰ মতে এজন মানুহ দাৰ্শনিক হ'ব লাগিলে এজন মহৎ লোকৰ গাত যিবোৰ গুণ থাকে সেই আটাইবোৰ গুণ তেওঁৰ গাত থাকিব লাগিব।

সপ্তম পুস্তিকাৰ শেষলৈকে প্লেটোৱে দাৰ্শনিক কোন, দাৰ্শনিকসকলেহে শাসনৰ দায়িত্ব বহন কৰিব পাৰে আদি কথাবোৰ আলোচনা কৰি গৈছে। দাৰ্শনিক-

সকলৰ গাতহে এজন নিখুঁত মানুহৰ গাত থাকিবলগীয়া সকলোবোৰ প্ৰতিভা আৰু সদগুণ থাকে। এইখিনি কথাৰপৰাই আমি প্লেটোৰ দাৰ্শনিক প্ৰকৃতিৰ আদৰ্শ দেখিবলৈ পাওঁ আৰু ইয়াৰপৰা আমি তেওঁৰ দৰ্শনৰ অৰ্থ উপলব্ধি কৰিব পাৰোঁ। ইয়াৰ পাছত তেওঁ এখন ওলোটা ছবি আমাক দেখুৱাইছে। ইয়াত তেও কৈছে বাস্তৱ জীৱনত দৰ্শনৰ অৰ্থ কি ? ইয়াত তেওঁ দাৰ্শনিকৰ প্ৰকৃত আদৰ্শ আৰু প্ৰকৃত ঘটনাৰ মাজত থকা বৈসাদৃশ্যবোৰ ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে। এই বৈসাদৃশ্যবোৰৰ প্ৰধান কাৰণ হৈছে দাৰ্শনিকৰ প্ৰকৃতি আৰু ইয়াৰ পৰিৱেশৰ মাজত থাকিবলগীয়া সমন্বয়ৰ অভাৱ। তাৰবাবে অৱশ্যে সমাজেই দোষী কিয়নো সমাজে ইয়াত থকা মহৎ লোকসকলৰ প্ৰতিভাখিনি ব্যৱহাৰ কৰিব পৰা নাই। সমাজে তেওঁলোকক দুৰ্নীতিপৰায়ণ আৰু অকৰ্মণ্য কৰি পেলাইছে। গতিকে দৰ্শনৰ লগত সমাজৰ কি উপায়ে সমন্বয় ঘটাব পৰা যায় আৰু কেনেকৈ দাৰ্শনিক প্ৰকৃতিৰ পৰিৱেশ অনুকূল কৰিব পৰা যায় সেইটোৱেই হৈছে সমস্যা। এই সমস্যাটোৱে আকৌ আমাক শিক্ষাব্যৱস্থাৰ মাজলৈ লৈ যায়। কিয়নো আত্মাৰ লগত ইয়াৰ চাৰিউকাষৰ অৱস্থাৰ সমন্বয় ঘটাব লাগিলে বহল অৰ্থত শিক্ষাৰ প্ৰশ্নটো জড়িত কৰিব লাগিবই। মানুহৰ দাৰ্শনিক প্ৰকৃতিক বিজ্ঞানসন্মত প্ৰশিক্ষণৰদ্বাৰাই উৰ্দ্ধ্ব কৰি তুলিব লাগিব আৰু ইয়েই শেষত তেওঁক দৰ্শন অধ্যয়নৰ ফালে টানি লৈ যাব। দাৰ্শনিক প্ৰকৃতিৰ মূল বস্তু হৈছে এয়ে যে এই প্ৰকৃতিৰ মানুহে সকলো কথা বা বস্তুৰ বিষয়ে বুজিবলৈ বিচাৰে আৰু এই বিষয়ে নানা প্ৰশ্ন কৰে—যিবোৰ প্ৰশ্নৰ উত্তৰ পৃথিৱী আৰু মানুহৰ সম্বন্ধৰ মাজত পোৱা যায় আৰু এইদৰে তেওঁলোকে প্ৰকৃত সত্য উদ্ধাৰ কৰিব খোজে। বিজ্ঞানতো মানুহে পৃথিৱীক বুজিবলৈ চেষ্টা কৰে আৰু এনেকৈয়ে আত্মাই পৃথিৱীক বুজিবলৈ প্ৰয়াস কৰে।

আমি এতিয়া প্লেটোৱে বিশ্লেষণ কৰা দাৰ্শনিক প্ৰকৃতিৰ মানুহৰ বিষয়ে অবগত হ'ব লাগিব। আমি ইয়াত কোনো এটা সিদ্ধান্তলৈ আহোঁতে যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগিব। এই বিষয়ে প্লেটোৱে কি কৈছে সেইটো ভালদৰে জুকিয়াই চাইহে আমি কোনো সিদ্ধান্তত উপনীত হ'ব পাৰিম।

প্লেটোৱে প্ৰথমে দাৰ্শনিকসকলৰ বংশগত চৰিত্ৰ বিশ্লেষণ কৰি চাইছে আৰু তাৰ পাছত তেওঁলোকৰ চৰিত্ৰ আৰু আন মানুহবোৰৰ চৰিত্ৰৰ মাজত থকা মিল আৰু অমিলবোৰ বিচাৰি উলিয়াইছে। তেওঁলোকৰ বংশগত চৰিত্ৰ এটা সাধাৰণ শব্দৰ অৰ্থৰপৰাই তেওঁ উপপাদন কৰিছে। সেই শব্দটো হৈছে 'গুণ'। দাৰ্শনিক সকল গুণৰ প্ৰেমিক। সম্ভৱতঃ প্লেটোৰ সময়ত সাধাৰণ ব্যৱহাৰত গুণৰ অৰ্থ আছিল একপ্ৰকাৰৰ উচ্চ সংস্কৃতি আৰু কোনো এটা বিষয়ৰ ওপৰত সাধাৰণ মানুহে যিদৰে চৰ্চা কৰে তাতকৈ উচ্চ স্তৰত চৰ্চা কৰা। গতিকে সেই অৰ্থত শিল্পী, বৈজ্ঞানিক ৰাজনীতিবিদ আদিক দাৰ্শনিক বুলিব লাগিলে তেওঁলোক নিজা নিজা বিষয়ৰ ওপৰত বিশেষজ্ঞ নহ'লেও হ'ব কেৱল তেওঁলোকে এটা উচ্চ

জীৱন-চেতনা অনুভৱ কৰি থাকিব লাগিব। বেলেগ বেলেগ মানুহে বেলেগ বেলেগ বস্তু ভাল পায়। কোনোবাই সৌন্দৰ্য্য ভাল পায়, কোনোবাই মদ ভাল পায়, কোনো বাই আকৌ সন্মান সুনাম বীৰত্ব আদিহে ভাল পায়। কিন্তু দাৰ্শনিকসকলে এই বোৰৰ একোৱেই ভাল নাপায়। তেওঁলোকৰ কেৱল নতুন অভিজ্ঞতাৰ বাবে সীমাহীন কৌতুহল থাকে। কিন্তু যিবোৰ মানুহৰ এই বংশগত চৰিত্ৰটো থাকে সেইবোৰ মানুহক আমি আজন্ম দাৰ্শনিক বুলি ক'ব নোৱাৰো। এই চৰিত্ৰটো বহুত মানুহৰে গাত থাকিব পাৰে। কিন্তু সেইবুলিয়েই সকলো মানুহ দাৰ্শনিক হ'ব নোৱাৰে। থুব বেছি দাৰ্শনিকসকলৰ এটা গুণৰ লগত তেওঁলোকৰ গুণৰ সামঞ্জস্য থাকিব পাৰে। তেনেহ'লে এইসকল মানুহ আৰু দাৰ্শনিকসকলৰ মাজত পাৰ্থক্য কি ? যিকোনো এটা নতুন বস্তুৰ প্ৰতি দৃষ্টিপাত কৰিবলৈ ভাল পালেই দাৰ্শনিক হ'ব নোৱাৰে। যিয়ে সত্যৰ ওপৰত দৃষ্টিপাত কৰিবলৈ ভাল পায় তেওঁহে দাৰ্শনিক হ'ব পাৰে।

দাৰ্শনিকসকলৰ সাধনাৰ নিৰ্দিষ্ট বস্তু সত্য মানে আমি কি বুজো আৰু আমি কেনেকৈ সত্য বিচাৰি উলিয়াব পাৰো প্লেটোৱে সাধাৰণ আৰু প্ৰাথমিকভাৱেই এই প্ৰশ্নটোৰ উত্তৰ দিছিল আৰু তেওঁৰ সেই উত্তৰ শ্ৰোতাসকলে তেওঁৰ মুখৰপৰা আন প্ৰসংগতো শুনিবলৈ পাইছিল।

বস্তু বা প্ৰাণীৰ কিছুমান নিৰ্দিষ্ট আৰু স্পষ্ট আকাৰ আৰু গুণ থাকে আৰু এইবোৰৰ সহায়ত এই বস্তু বা প্ৰাণীক আন বস্তু বা প্ৰাণীৰ মাজত চিনিব পৰা যায়। যেনে—অন্যায়ৰ লগত ন্যায় সম্পূৰ্ণ বেলেগ বেয়াৰ লগত ভাল বেলেগ কুশ্চৰ লগত ধুনীয়া বেলেগ ইত্যাদি। আৰু যেতিয়া আমি কোনো এটা বস্তুৰ আকাৰ বা প্ৰকাৰৰ বিষয়ে কওঁ উদাহৰণস্বৰূপে ন্যায় বা সৌন্দৰ্য্যৰ বিষয়ে তেতিয়া আমি মাত্ৰ নিৰ্দিষ্ট এটা বস্তুৰ কথাকে কওঁ। এনে ধৰণৰ সকলো বস্তুৰ মাজত এটা ডাঙৰ সাদৃশ্য থাকে। উদাহৰণস্বৰূপে ন্যায়ৰ কথাকে উল্লেখ কৰিব পাৰো। ন্যায় বুলিলে আমি যিহকে নুবুজো লাগিলে ন্যায় এটা আৰু একে। সাধাৰণ মানুহে যেনেকৈ চকুৰে ৰঙা নীলা সেউজীয়া আদি বস্তু দেখে আৰু কাণেৰে বহু ধৰণৰ শব্দ আৰু মাত শুনে তেনেকৈ দাৰ্শনিকসকলেও এইবোৰ দেখে আৰু শুনে। কিন্তু সাধাৰণ মানুহে কোনো এটা ধুনীয়া বস্তুহে দেখে সৌন্দৰ্য্য কি তেওঁলোকে ভালদৰে নাজানে। দাৰ্শনিকসকলে সৌন্দৰ্য্য দেখিবলৈ পায়, কিয়নো সৌন্দৰ্য্য কি তেওঁলোকে ভালদৰে জানে। সাধাৰণ মানুহবোৰৰ মাজৰপৰা দাৰ্শনিকসকলক এইবোৰ পৰীক্ষাৰ সহায়তে বিচাৰি উলিয়াব পাৰি। দাৰ্শনিকসকলে বস্তু এটাৰ গঠন বা প্ৰকাৰ বাছি উলিয়াব পাৰে যিটো সাধাৰণ মানুহে নোৱাৰে। দাৰ্শনিক সকলৰ জ্ঞান আছে সাধাৰণ মানুহবোৰৰ মতামতহে আছে। সাধাৰণতে আমি ভাবক বা মতামতক জ্ঞান বুলি নধৰো। মতামত বা ভাবৰ স্থান দুটাইদুন্যে জ্ঞান আৰু দুটাইদুন্যে অজ্ঞতা বা অন্ধকাৰৰ মাজত। জ্ঞান আৰু মতামত দুয়োটাকে

মনোবৃত্তি বুলি কোৱা হয়। এই দুটা মনোবৃত্তি একেলগে থাকিলে দুয়োটাকে কেনেকৈ চিনাক্ত কৰিব পৰা যাব ? জ্ঞান আৰু মতামতক আমি চকুৰে দেখা নাপাও কোনো আকৃতি বা ৰঙৰম্বাৰাও এইবোৰ কাৰ্য্য চিনিব নোৱাৰি। আমি এই বোৰৰ লগত চিনাকি হ'ব লাগিব এইবোৰৰ কাৰ্য্য আৰু থকা ঠাই জানিব লাগিব। জ্ঞান আৰু মতামতৰ বেলেগ বেলেগ শক্তি আছে গতিকে সিহঁতৰ নিশ্চয় বেলেগ বেলেগ কাৰ্য্য আৰু কৰ্মস্থলীও থাকিব লাগিব। সিহঁতৰ কাৰ্য্যৰ ফলো বিভিন্ন ৰকমৰ হ'ব। জ্ঞানৰ উদ্দেশ্য হৈছে মানুহৰ মনত চেতনা জগাই তোলা। মতা মতৰো নিশ্চয় কিবা এটা উদ্দেশ্য আছে। আমি যিবোৰ চিন্তা কৰোঁ তাৰ একেবাৰে অৰ্থ নোহোৱা নহয়। কিন্তু মতামত আৰু জ্ঞানৰ উদ্দেশ্য একেটাই হ'ব নোৱাৰে। মতামতৰ উদ্দেশ্য নিশ্চয় হোৱাটো আৰু নিশ্চয় নোহোৱাটোও। মতা মতবোৰক সম্পূৰ্ণ অৰ্থত হয় বুলিও ক'ব নোৱাৰি আৰু সম্পূৰ্ণ অৰ্থত নহয় বুলিও ক'ব নোৱাৰি। এইটো নিশ্চিতভাৱে ক'ব পাৰিলে মতামত আৰু জ্ঞানৰ মাজত পাৰ্থক্য নাথাকিব আৰু সেইদৰে মতামত আৰু অজ্ঞতাৰ মাজতো কোনো পাৰ্থক্য নাথাকিব।

কিছুমান মানুহ আছে যিবোৰে তেওঁলোকৰ মন চকুৰে দেখা আৰু কাণেৰে শুনা পৃথিৱীখনতে মগ্ন ৰাখে। তেওঁলোকৰ মনত চকুৰে দেখা আৰু কাণেৰে শুনা বস্তু আৰু কামবোৰেই কেৱল বাস্তৱ আৰু কেবল এইবোৰকহে বিশ্বাস কৰিব লাগে। আনহাতে আৰু কিছুমান লোক আছে যিসকলে প্লেটোৱে কৈ যোৱা বাস্তৱতাক চিনি পায়। সেই বাস্তৱতা হৈছে—কিছুমান নীতিৰ আদৰ্শ যেনে—সৌন্দৰ্য ন্যায় আদি। এইবোৰ বাস্তৱতা কিছুমান বিষয় বা প্ৰাণীৰ মাজেৰে প্ৰকাশিত হয়। আমি যদি প্ৰথমে উল্লেখ কৰা মানুহ বাৰক সোধোঁ যে সৌন্দৰ্য্য ন্যায় জ্ঞান কি— তেতিয়া তেওঁলোকে কোনো ধুনীয়া বস্তু ন্যায়পৰায়ণ মানুহ ওজন থকা বস্তু আদি দেখুৱাই দিব। কিন্তু আমি এই বাস্তৱতাবোৰৰ যিকোনো এটাক বেলেগ এঠাইত বা অৱস্থাত পৰীক্ষা ক'ৰ চালে ইয়াৰ বেলেগ ৰূপ দেখিবলৈ পাম। এটা ধুনীয়া ৰং আন এটা ৰঙৰ লগত মিহলালে তাৰপৰা বেলেগ এটা ৰঙৰ সৃষ্টি হ'ব। ৰঙা ৰং লগ লগালে দুয়োটা ৰঙেই নষ্ট হৈ যাব। এজন ভাল মানুহ এটা বেয়া পৰিবেশত পৰিলে বেয়া মানুহ হৈ যাব পাৰে আৰু এজন বেয়া মানুহো ভাল পৰিবেশ পালে ভাল মানুহ হ'ব পাৰে। এটা গধুৰ বস্তুক তাতোকৈ বেছি গধুৰ আন এটা বস্তুৰ লগত তুলনা কৰিলে প্ৰথম বস্তুটো দ্বিতীয় বস্তুটোতকৈ পাতল হৈ যাব। দাৰ্শনিক প্ৰকৃতিৰ সত্তাৰ ওপৰত দৃষ্টিপাত কৰিবলৈ ভাল পায় আৰু ই বিচিত্ৰতাৰে ভৰা সাধাৰণ মানুহৰ অভিজ্ঞতাৰ মাজত একতাৰ জৰী টানি-বলৈ বিচাৰে। আমাৰ সাধাৰণ অভিজ্ঞতাবোৰ বহুতো বিষয় আৰু ঘটনাৰ লগত জড়িত। আমি যেতিয়া এই আটাইবোৰ ঘটনা আৰু কামৰ কথা ভাবোঁ আৰু চিন্তা কৰোঁ আমি তেতিয়া বুজি পাওঁ যে এই সকলোবোৰ লগ লগালেও আমাৰ বাস্তৱ-

তাৰ ধাৰণা সম্পূৰ্ণ নহয়। আমি আকৌ এই কাম আৰু ঘটনাবোৰৰ লগত নিহিত থকা নীতি আইন আদি বিচাৰিবলগীয়া হয়। প্ৰত্যেক মানুহে এইটো কম-বেছি পৰিমাণে স্বীকাৰ কৰে। উদাহৰণস্বৰূপে আমি সকলোৱে স্বীকাৰ কৰিব লাগিব যে কোনো এখন বিশেষ আইনৰপৰা ন্যায়ৰ সৃষ্টি নহয় আৰু কোনো এখন বিশেষ আইন অচল হৈ গ'লেও ন্যায়ৰ মৃত্যু নহয়। গতিকে প্ৰকৃত আইন আৰু সমাজৰ প্ৰথাবোৰৰ সামৰি ল'বলৈ ন্যায়ৰ কিছুমান স্থায়ী নীতি থাকিব লাগিব। প্লেটোৰ দাৰ্শনিক মনৰ অৱধাৰণাটো চমুকৈ ক'বলৈ গ'লে এনেকৈ ক'ব পাৰি— দাৰ্শনিকজনে অবিৰতভাৱে নীতি আৰু আইনৰ অন্বেষণ কৰে আৰু আমাৰ নানা-তৰহৰ অভিজ্ঞতাৰপৰা সৃষ্টি হোৱা জ্ঞানবোৰ অধ্যয়ন কৰি নতুন নীতি ৰচনা কৰে।

প্লেটোৱে আন এঠাইত কৈছে যে নীতি আৰু আদৰ্শবোৰ কাম আৰু শৰীৰত প্ৰতিভাত হয়। আমি যিবোৰ ন্যায্য কাম কৰা দেখিবলৈ পাওঁ সেইবোৰ কামৰ গোটেইখিনি ন্যায্য নহয় তাতো অন্যায়ৰ কিছু মাত্ৰা থাকে। ন্যায়ক বিভিন্ন কাম আৰু বস্তুত সুমুৱাই দিব পাৰি আৰু এই কাম আৰু বস্তুবোৰে ন্যায়ৰ গুণ নষ্ট নকৰাকৈ ইয়াৰ কিছু অংশ গ্ৰহণ কৰে। সেইদৰে সমাজ এখনৰ সমূহীয়া স্বাৰ্থতো সমাজৰ সকলোবোৰ মানুহে কম-বেছি পৰিমাণে অংশ গ্ৰহণ কৰে। কোনো এটা নিৰ্দিষ্ট কাম মানুহ বা বস্তুত বহুতো নীতি বা আদৰ্শৰ মিলন হয় আৰু আমি তাত সম্পূৰ্ণ ন্যায় কেতিয়াও দেখিবলৈ নাপাওঁ।

প্লেটোৱে পৰিষ্কাৰ পূৰ্ণ সত্য আৰু অস্পষ্ট সত্যৰ মাজত বৈসাদৃশ্য দেখিবলৈ পাইছে। এই দুয়োটা সত্যক তেওঁ চেতন অৱস্থাত দেখা বস্তু আৰু সপোনত দেখা বস্তুৰ লগত তুলনা কৰিছে। সপোনত দেখা বস্তুবোৰৰ দৰে সাধাৰণ মানুহবোৰেও কিবা এটা বস্তুক আন কিবা এটা বুলি ভুল কৰে। তেওঁলোকে কেতিয়াবা অন্যায় বস্তুকে ন্যায্য বুলি ভাবে আৰু কেতিয়াবা ন্যায্য বস্তুকো অন্যায্য বস্তু বুলি জ্ঞান কৰে। এই মানুহবোৰে কোনো বিশেষ ন্যায়সংগত আইন আৰু ন্যায়সংগত কাৰ্য্যক ন্যায়ৰ নীতিৰ লগত একে বুলি ধৰে। সাধাৰণ মানুহে এজনক ন্যায় কি বুলি সুধিলে তেওঁ এইবোৰকে দেখুৱাই দিব। ন্যায়ৰ এইবোৰ একো একোটা প্ৰধান অংশ। কিন্তু এইবোৰেই সম্পূৰ্ণ ন্যায় নহয়। এজন মানুহে কোনো এখন আইনকে ন্যায় বুলি ধৰি ললে পাছত অসুবিধা হ'ব পাৰে। কিয়নো, পাছত কিবা কাৰণত সেই আইনখন অচল হৈ গ'লে ন্যায়ৰ স্থানো নাইকিয়া হ'ব। গতিকে মানুহক এনে কিছুমান নীতি লাগে যিবোৰ পৰিবৰ্ত্তিত পৃথিৱীতো একে হৈ থাকে। আইনৰ পৰিবৰ্তন হ'ব পাৰে, কিন্তু ন্যায় অপৰিবৰ্তনীয়।

ওপৰৰ আলোচনাৰপৰা এইটো স্পষ্ট হৈ পৰে যে দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰৰ কোনো বস্তুৰ বিষয়ে জানিবলৈ অদম্য হেঁপাহ থাকে তেওঁলোক জ্ঞানৰ অন্বেষণত ব্যস্ত। এতিয়া আমি সুধিব লাগিব, দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰ কি

কাৰণে শাসক হোৱাৰ যোগ্য ? আন কথাত এজন ভাল শাসক বা অভিভাৱকক কোনবোৰ গুণৰ আৱশ্যক ?

কোনো এটা বস্তু ভালকৈ ৰাখিবলৈ হ'লে বা কোনো এটা বস্তুক ৰক্ষণা বেক্ষণ দিবলৈ হ'লে সেই বস্তুটোৰ বিষয়ে আমাৰ নিৰ্ভুল আৰু স্পষ্ট ধাৰণা থাকিব লাগিব। এজন মানুহে আইন আৰু আইনব্যৱস্থা প্ৰতিষ্ঠিত অনুষ্ঠানবোৰ ৰক্ষা কৰিব লাগিলে অথবা সেইবোৰৰ সংস্কাৰ কৰি উন্নতি সাধন কৰিব লাগিলেও তেও কেতিয়াও এইবোৰৰ প্ৰতি অন্ধ হ'ব নালাগিব। এই বিষয়ে তেওঁৰ মনত স্পষ্ট আদৰ্শ আৰু নীতি থাকিব লাগিব তেতিয়াহে তেও ক'ব পাৰিব তেও যিবোৰ কৰি আছে সেইবোৰ প্ৰকৃততে ন্যায্য আৰু যুক্তিযুক্ত হৈছে নে নাই আৰু যেতিয়া তেও সেই অনুষ্ঠানবোৰৰ পৰিবৰ্তন সাধন কৰিবলৈ বিচাৰিব তেতিয়া তেও সেই আদৰ্শ আৰু নীতিৰ ওপৰত ভিত্তি কৰিহে আবেদন জনাব পাৰিব। এজন ৰাজনীতিজ্ঞৰ মনত নিৰ্দিষ্ট নীতি আৰু আদৰ্শ নাথাকিলে কেতিয়া এখন চৰকাৰে ইয়াৰ প্ৰকৃত উদ্দেশ্য সাধনত ব্যৰ্থ হৈছে আৰু কি ধৰণে এই চৰকাৰ খনৰ সংস্কাৰ সাধন কৰিব লাগিব তেও ক'ব নোৱাৰিব। গতিকে এজন শাসকৰ বাবে নীতি আৰু আদৰ্শৰ উপলব্ধি অতি আৱশ্যকীয় কথা। যিজন মানুহৰ এইটো থাকে আৰু ইয়াৰ লগত তেওঁৰ অভিজ্ঞতা যোগ হয় তেওঁৰে শাসক হ'বলৈ আৱশ্যকীয় অৰ্হতা থকা বুলি কোৱা হয়। কিছুমান কামৰপৰা শাসকসকলে আগতীয়াকৈ অভিজ্ঞতা লাভ কৰিব লাগে। বাস্তৱ জীৱনত নীতি বা আদৰ্শ কেনেকৈ প্ৰয়োগ কৰিব লাগিব মানুহ এজনে সেইটো নাজানিলে তেওঁ কেতিয়াও ভাল শাসক হ'ব নোৱাৰে। কোনো নীতিৰ ওপৰত প্ৰকৃত জ্ঞান লাভ কৰিব লাগিলে সেই নীতিবোৰ কাৰ্য্যকৰী কৰিবও লাগিব। প্লেটোৱে এই বাস্তৱ সত্যটো ভাল দৰে উপলব্ধি কৰিব পাৰিছিল আৰু তেও তেওঁৰ সপ্তম পুস্তিকাত দাৰ্শনিক শিক্ষাৰ শিতানত ৩৫ বছৰ বয়সৰপৰা ৫০ বছৰ বয়সলৈকে ১৫ বছৰ কাল এই উদ্দেশ্যে ধাৰ্য্য কৰি ৰাখিছিল। এই কালছোৱাতে ভৱিষ্যতৰ শাসকসকলক শাসনৰ বাবে বাস্তৱ অভিজ্ঞতাৰে পুষ্ট কৰি তুলিবলৈ কোৱা হৈছিল। কিন্তু ইয়াতো এটা কথাৰ ওপৰতে সবাতোকৈ বেছি গুৰুত্ব দিয়া হৈছিল। সেইটো হৈছে তেওঁলোকৰ মনত অবিৰতভাৱে থকা নীতি বা আদৰ্শ। এইটো নাথাকিলে আদৰ্শৰ কোনো মূল্য নাই।

এতিয়া আমি আন এটা প্ৰশ্ন উত্থাপন কৰিব পাৰোঁ। দাৰ্শনিক প্ৰকৃতিৰ লগত নৈতিক বৌদ্ধিক আদি গুণবোৰ একেলগে থাকেনে ? এই গুণবোৰ নাথাকিলে এজন ভাল আৰু মহৎ চৰিত্ৰৰ মানুহ গঢ়ি উঠিব নোৱাৰে। এই প্ৰশ্নটো প্লেটোৱে তেওঁৰ দ্বিতীয় পুস্তিকাত উত্থাপন কৰা 'সাহস' আৰু ভদ্ৰতাৰ লগত থাকিব পাৰেনে বোলা প্ৰশ্নটোৰ সমপ্ৰকৃতিৰ। এই প্ৰশ্নটোৰ উত্তৰ দি প্লেটোৱে কৈছিল, প্ৰকৃততে এই দুটা গুণৰ এটাই আনটোক বুজায় আৰু ইয়াতো প্লেটোৰ উত্তৰ একেটাই।

সত্যৰ প্ৰতি ভালপোৱাৰ সাধাৰণ অৱধাৰণাটোৰ সহায়ত প্লেটোৱে সকলোবোৰ নিভৰ্ুল মানৱ প্ৰকৃতিৰ অংশ বুলি উপপাদন কৰিছে। প্ৰথমে তেওঁ শক্তিশালী ভাষাত দাৰ্শনিক প্ৰকৃতিৰ মৌলিক গুণবোৰ ব্যাখ্যা কৰিছিল। দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰৰ বাস্তৱতাৰ প্ৰতি এটা টান থাকে আৰু এইটো পাৰলে তেওঁলোকে স্থায়ী আইন আৰু নীতিৰ আশ্ৰয় গ্ৰহণ কৰে। এই প্ৰকৃতিৰ মানুহবোৰৰ অধ্যয়নৰ কাৰণে কোনো কথাই বৰ ডাঙৰ নহয় আৰু কোনো কথাই বৰ সৰুও নহয়। যিয়েই তেওঁলোকক সত্যৰ ওচৰলৈ লৈ যাব পাৰে সেয়ে তেওঁলোকৰ বাবে ডাঙৰ। এনেকুৱা এটা প্ৰৱণতাৰ পৰাই তেওঁলোকৰ মনত অসত্যৰ প্ৰতি স্বতঃপ্ৰবৃত্ত ঘৃণা ওপজে। ইয়াৰ ফলতে তেওঁলোকে নিজকে নিয়ন্ত্ৰণ কৰিব পাৰে আৰু তেওঁলোকৰ সত্যৰ প্ৰতি প্ৰেম প্ৰবল আৰু ঘনীভূত হৈ উঠে। তেওঁলোকৰ মানত সত্যৰ প্ৰতি প্ৰেমো একপ্ৰকাৰ ক্ষুধা। কোনো মানুহৰ মনত যেতিয়া এই ক্ষুধা প্ৰবল হয় তেতিয়া তেওঁৰ আন ক্ষুধাবোৰ দুৰ্বল হৈ যায়। যেতিয়া মানুহৰ অতিপাত ভোক লাগে তেতিয়া তেওঁক সংগীতে আনন্দ দিব নোৱাৰে। এটা পানীৰ সোঁত কেইবাটাও ভাগত ভাগ হ'লে যিটো ভাগেৰে অধিক পৰিমাণৰ পানী যাব শেষত সেইটোৱেই সোঁতটো বৈ গৈ নদীৰ সৃষ্টি হ'ব পাৰে। এনে প্ৰকাৰৰ মানৱ প্ৰকৃতিত কোনো ৰকমৰ নীচতা বা বিদ্বেষ বা ঠেক মনোবৃত্তিৰ ঠাই নাই। ইয়াৰ লগত সাহসো থাকিব লাগিব। মৃত্যুৰ কাৰণে ভয় কৰাটো এই প্ৰকৃতিৰ মানুহৰ বাবে অসম্ভৱ। কিয়নো মানুহৰ জীৱন পৰমাত্মাৰ এটা অংশহে। আৰু এদিন ই পৰমাত্মাৰ লগত বিলীন হৈ যাবই। যিবোৰ মানুহৰ লোভ মোহ বা ভয় নাই সেইবোৰ মানুহহে ন্যায়পৰায়ণ হ'ব পাৰে। এইবোৰ মানুহক ব্যক্তিগত ভাবাবেগবোৰে অন্য পথলৈ লৈ যাব নোৱাৰে। এই প্ৰকৃতিৰ মানুহবোৰৰ বৌদ্ধিক গুণো থাকিব লাগিব। তেওঁলোকে এই গুণবোৰ কম সময়ৰ ভিতৰতে আহৰণ কৰি লৈ ধাৰণ কৰিব পাৰিব লাগিব। কিয়নো এজন মানুহে কোনো কথা শিকিবলৈ যাওঁতে যথেষ্ট কষ্ট স্বীকাৰ কৰিবলগীয়া হ'লে তেও সেই কথা শিকিবলৈ এৰি দিবই পাৰে। তেওঁলোকে একপ্ৰকাৰৰ মানসিক সমানুপাতিক লাভ কৰিব লাগিব। এইবোৰ গুণে মানুহৰ মনক বস্তু বা কামৰ প্ৰকৃতিৰ লগত মিলা মিছা কৰাত সহায় কৰে।

মানুহৰ শাৰীৰিক অসুখ আৰু শাৰীৰিক বিকলতাৰ দৰে মানুহৰ মনকো দুইপ্ৰকাৰ ব্যাধিয়ে আক্ৰমণ কৰিব পাৰে। একপ্ৰকাৰ ব্যাধি হৈছে পাপ বা অধৰ্ম আৰু আন প্ৰকাৰ ব্যাধি অজ্ঞতা। দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰক এইবোৰ ব্যাধিয়ে আক্ৰমণ কৰি একো কৰিব নোৱাৰে তেওঁলোকে এইবোৰক সহজে পৰাভূত কৰিব পাৰে। কিয়নো তেওঁলোকে সকলো কথা বা কামকে নিৰ্দিষ্ট নীতি আৰু আদৰ্শৰ মাপকাঠীৰে জুখিহে বিচাৰ কৰে। দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰৰ এই গুণাৱলী ব্যাখ্যা কৰি প্লেটোৱে শ্ৰোতাসকলক লক্ষ্য কৰি প্ৰশ্ন কৰিছিল—কোনে ইমানবোৰ গুণেৰে বিভূষিত দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰৰ হাতত ৰাষ্ট্ৰ শাসনৰ ভাৰ গতাই দিবলৈ সংকোচ কৰিব ?

ইমান পৰে প্লেটোৱে দাৰ্শনিক প্ৰকৃতিৰ বিষয়ে সম্পূৰ্ণৰূপে ব্যাখ্যা কৰিলে। আদৰ্শৰ দিশৰপৰা মানৱ প্ৰকৃতিৰ ই হৈছে উত্তম প্ৰকাশ। মানুহৰ প্ৰকৃতিত থকা সকলোবোৰ প্ৰতিভা মুক্তভাৱে বিকাশ হোৱাৰ সুযোগ পালে মানুহৰ প্ৰকৃতিৰ এই উত্তম প্ৰকাশ সম্ভৱপৰ হয়। আমি দাৰ্শনিক শব্দটো যি অৰ্থত ব্যৱহাৰ কৰোঁ প্লেটোৱে সেই অৰ্থত ব্যৱহাৰ কৰা নাছিল। কিন্তু এইটো সম্পূৰ্ণ সত্য যে মানুহৰ আত্মাৰ দাৰ্শনিক উপাদানখিনিৰ বিকাশ লাহে লাহে হয়। মানুহৰ আত্মাত থকা এই উপাদানটোৰ প্ৰধান চৰিত্ৰ হৈছে এই যে ই আত্মাৰপৰা ওলাই গৈ ইয়াৰ সম লেখীয়া আন বস্তু বা উপাদানৰ লগত লগ লাগিবলৈ বিচাৰে। এইটো মানুহৰ গাত থকা বেলেগ বস্তুৰ উৎস বা সমল। ইযেই ভদ্ৰতা আৰু সামাজিকতাৰ উৎস বা উৎপত্তিস্থান কিযনো ইয়াৰদ্বাৰা উদ্বুদ্ধ হৈয়েই মানুহে মানুহৰ লগত লগ লাগে। সাহিত্যৰ প্ৰতি ভালপোৱা শিল্পীসুলভ ভালপোৱা আৰু সৌন্দৰ্য্য প্ৰেমৰো ইযেই উৎস। শেষত সত্যৰ প্ৰতি প্ৰেমৰো ইযেই উৎপত্তি স্থান। আমি সকলোৱে জানো যে আমি কোনো এজন মানুহক বুজিবলৈ ইচ্ছা কৰিলে বা তেওঁৰ প্ৰকৃতিৰ বিষয়ে জানিবলৈ বিচাৰিলে প্ৰথমে তেওঁৰ প্ৰতি সহানুভূতিশীল হ'ব লাগিব। এজন সহানুভূতিহীন মানুহ মূৰ্খ। যিবোৰ মানুহে মানৱ প্ৰকৃতিৰ বিষয়ে অধ্যযন কৰি বহুতো মূল্যবান তত্ত্ব আৰু জ্ঞান আমাৰ বাবে থাকি গৈছে সেইসকল লোক সকলো শ্ৰেণীৰ মানুহৰ প্ৰতি বৰ সহানুভূতিশীল আছিল। সেইদৰে আমি কোনো এটা বিষয়ৰ ওপৰত অধ্যয়ন বা গৱেষণা কৰিব লাগিলেও প্ৰথমে আমাৰ বিষয়টোৰ ওপৰত মাদকতা জন্মিব লাগিব। এই মাদকতাখিনিকে আমি বিষয়টোৰ প্ৰতি সহানুভূতি বুলি ক'ব পাৰোঁ।

মানুহৰ গাত থকা দাৰ্শনিক উপাদানটো মূলত এটা মানৱীয উপাদানেই ই মানুহক মানুহ হিচাপে গঢ়ি তোলে আৰু সেই গতিকে সম্পূৰ্ণ অৰ্থত ইয়াক নিৰ্ভুল মানৱতা সম্পূৰ্ণৰূপে প্ৰতিভাৱে ভৰা মানৱ প্ৰকৃতি বুলিব পাৰি। ইয়াৰ লগত তুলনা কৰিব পৰা বৰ্তমান যুগৰ সমান্তৰাল অৱধাৰণা হৈছে ধৰ্মীয় চিন্তাৰ মূল কথা। সেইদৰে সকলোবোৰ সদগুণেৰে বিভূষিত এজন ত্ৰুটীশূন্য মানুহ গঢ়ি তোলাই মানুহৰ গাত থকা দাৰ্শনিক উপাদানখিনিৰ প্ৰধান কৰ্তব্য। দৰ্শনৰ অৱধাৰণাত বিজ্ঞানসম্মত চেতনা আৰু ধৰ্মীয় চেতনা উচ্চস্তৰত মিলিত হৈছে। দুয়োটা চেতনাই প্ৰকৃতিৰ আইনৰ লগত মিলিত হ'বলৈ আৰু ইয়াৰ মতে চলিবলৈ বাঞ্ছা কৰে। প্লেটোৰ মতে পৃথিৱীখনৰ জন্ম হৈছে স্বৰ্গীয় বুদ্ধি-বৃত্তিৰ দ্বাৰা আৰু ই প্ৰকৃতি আৰু ভগৱানৰ সৃষ্টি।

দাৰ্শনিক প্ৰকৃতিৰ লোকসকল শাসনকাৰ্য্যৰ বাবে যোগ্য লোক—এই কথা-ষাৰৰ ওপৰত প্ৰথমে আপত্তি দৰ্শাইছিল এডিমেণ্টাছে। তেওঁৰ আপত্তি বৰ যুক্তি-পূৰ্ণ আছিল। তেওঁ কৈছিল যে আমি যদি দাৰ্শনিকসকললৈ এবাৰ চাওঁ, তেনেহলে আমি দেখিবলৈ পাম যে তেওঁলোকৰ ভিতৰত বেছিভাগেই কোনো

কামৰ বাবে যোগ্য নহয়, তেওঁলোকৰ কিছুমান খেয়ালী মনৰ ব্যক্তি আৰু, কিছুমান বদনামী লোক। দাৰ্শনিকসকলৰ বিৰুদ্ধে এডিমেণ্টাছে কৰা এই মন্তব্যটো ছক্ৰেটিছে দলিয়াই নেপেলাই অন্তৰৰপৰা মানি লৈছিল। এই ঘটনাপ্ৰবাহে দেখুৱাইছে পোৱা সত্যৰ প্ৰভাৱতে তেওঁ ক'বলৈ বাধ্য হৈছিল যে অনুধ্যান আৰু কাৰ্যৰ মাজত থকা বিভেদৰপৰাই মানুহৰ জীৱনত অশান্তিৰ সৃষ্টি হয়। গতিকে তেওঁ স্বীকাৰ কৰিছিল যে মুষ্টিমেয় কেইজনমান দাৰ্শনিকৰদ্বাৰা একো লাভ নহয় বৰঞ্চ বেছিভাগ দাৰ্শনিকে দুৰ্নীতিৰ আশ্ৰয় লয় আৰু দাৰ্শনিকৰ নামটো অনাৱশ্যকীয় বাক চাতুৰীৰদ্বাৰা লাভ কৰিব খোজে।

প্লেটোৱে এডিমেণ্টাছৰ সমালোচনাৰ উত্তৰ দিবলৈ গৈ এটা ৰূপক আমাৰ আগত দাঙি ধৰিছে। ৰূপকটো এনেকুৱা। এখন জাহাজৰ ছবিৰদ্বাৰা* তেওঁ কেইজনমান প্ৰকৃত দাৰ্শনিক থকা পৃথিৱীখনক বুজাইছে। জাহাজখনৰ মালিকজন এজন এথেন্সীয় লোক। জাহাজখনৰ ভিতৰত তেওঁ সৰ্বময় কৰ্তা। প্লেটোৱে এই মানুহজনৰ বিষয়ে যিটো বৰ্ণনা দিছে সেই বৰ্ণনাটো মন কৰিব লগীয়া। যদিও তেওঁ জাহাজখনৰ ভিতৰত আটাইতকৈ ডাঙৰ আৰু শক্তিশালী লোক তেওঁ কাণেৰে নুশুনে আৰু চকুৰে কম দেখে আৰু ভাল বিজ্ঞানৰ বিষয়ে তেওঁ অজ্ঞ কিন্তু তেওঁ মহান প্ৰকৃতিৰ লোক মূলতঃ বৰ ভাল। ইয়াৰ পাছত তেওঁ কৈছে এই সাধাৰণ মানুহবোৰ ওপৰত বৰ কঠিন নহ'বা তেওঁলোকে নিজ দোষত দৰ্শনবিৰোধী হোৱা নাই। তেওঁলোক দৰ্শনবিৰোধী হোৱাৰ কাৰণ হৈছে তেওঁলোকক কেতিয়াও দৰ্শনৰ বিষয়ে বুজোৱা হোৱা নাই। প্লেটো জন্ম আৰু বুদ্ধিবৃত্তিৰ ফালৰপৰা আভিজাত শ্ৰেণীৰ মানুহ আছিল। গতিকে তেওঁৰ জনসাধাৰণৰ প্ৰতি আধা ঘৃণা আৰু আধা সহানুভূতি আছিল। তেওঁ কিন্তু ৰাজনীতি আৰু দৰ্শনৰ জনোৎপ্ৰেৰক (নেতা) সকলক প্ৰকৃততে ঘৃণা কৰিছিল। জাহাজৰ নাবিকবোৰ ৰাজনীতিজ্ঞ আৰু জননেতা। জাহাজ এখন চলাবলৈ নৌবিজ্ঞান জানিব নালাগে আৰু প্ৰকৃততে এই বিদ্যাটোৰ ওপৰত আনুষ্ঠানিক প্ৰশিক্ষণ দিয়াও নহয়। জাহাজত থকা যিজন মানুহে জাহাজখন চলাব জানে তেওঁৰ তত্ত্বীয় জ্ঞান আৰু আদেশ দিয়া বুদ্ধি দুয়োটাই থাকে। সেইজন মানুহে প্ৰকৃত দাৰ্শনিকক প্ৰতিনিধিত্ব কৰিব পাৰে। এই ৰূপকটোৰদ্বাৰাই প্লেটোৱে দাৰ্শনিকসকলৰ অকৰ্মণ্যতা বা অনাৱশ্যকতাৰ বিষয়ে ব্যাখ্যা কৰিছে। প্লেটোৰ মতে দাৰ্শনিকসকল পৃথিৱীত অকৰ্মণ্য হৈ আছে এই কাৰণেই যে তেওঁলোকক কামত লগোৱা হোৱা নাই। এই বিষয়ে তেওঁ আৰু এটা উদাহৰণ দাঙি ধৰিছে। ডাক্তৰসকলে ৰোগীৰ ঘৰে ঘৰে গৈ কাৰোবাৰ বেমাৰ হৈছে নেকি আৰু বেমাৰীক চিকিৎসা কৰিব লাগিব নেকি সোধোৱে। যাৰ বেমাৰ হয় তেওঁৰ পক্ষৰপৰা ডাক্তৰক মাতিব লাগে তেতিয়াহে ডাক্তৰ আহে আৰু বেমাৰীক চিকিৎসা কৰে। স্বাভাৱিক সম্পৰ্কটো হৈছে, যিয়ে দিব পাৰে তেওঁৰ ওচৰলৈ যাৰ আৱশ্যক তেওঁ যোৱা উচিত।

দ্বিতীয়তে দাৰ্শনিকসকলৰ অকৰ্মণ্যতাই ৰাষ্ট্ৰৰ ধ্বংসৰ কোনো ডাঙৰ কাৰণ নহয়। ডাঙৰ কাৰণ হৈছে দাৰ্শনিক হ'বলৈ যোগ্যতা থকা মানুহবোৰৰ বেছিভাগেই অধঃপতিত হোৱাটোহে। এই কথাটো ব্যাখ্যা কৰাৰ আগেয়ে প্লেটোৱে আকৌ উল্লেখ কৰিছে যে আত্মা আৰু বাস্তৱতাৰ লগত আত্মা একত্ৰিত নোহোৱা লৈকে দাৰ্শনিক প্ৰকৃতিৰ মানুহ সন্তুষ্ট নহয়। ইয়াতে কোনোবাই প্ৰশ্ন কৰিব পাৰে দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰ তেন্তে কিয় অধঃপতিত হয়? ইয়াৰ উত্তৰত প্লেটোৱে কৈছে যে তেওঁলোকৰ প্ৰতিভাবোৰ বিকাশ কৰাৰ কোনো সুবিধা তেওঁলোকে নাপায়। আৰু যেতিয়া তেওঁলোক দৰ্শনৰ পৰা আঁতৰি যায় তেতিয়া এই বোৰেই তেওঁলোকক অধঃপতনৰ পথলৈ লৈ যায়। সৌন্দৰ্য্য শক্তি সম্পত্তি শক্তিশালী গঠন আদি বাহ্যিক জীৱনৰ ভাল ভাল বস্তুবোৰেও তেওঁলোকক ধ্বংসৰ পথলৈ টানি নিয়ে। সকলো বস্তু থাকিবলৈ আৰু বাঢ়িবলৈ এটা পৰিবেশ লাগে। বেয়া পৰিবেশত ভাল বস্তুবোৰ অতি সোনকালে নষ্ট হয়। প্ৰতিভাবান আত্মাবোৰো অস্বাস্থ্যকৰ আৰু বিষাক্ত পৰিবেশত বৰ বেয়াকৈ অধঃপতিত হয়। পৃথিৱীৰ ডাঙৰ ডাঙৰ খুনী লোকবোৰো একেবাৰে সৰু ব্যক্তি নাছিল। গতিকে আমি দাৰ্শনিক আত্মাবোৰ কেনে পৰিবেশত জন্ম হয় সেই বিষয়েও জনা উচিত। এইবোৰ জনমতৰ এটা পৰিবেশত জন্ম হয়। এই জনমত সভা সমিতি আইন আদালত থিয়েটাৰ সৈন্যৰ ছাউনী আদিত তৈয়াৰ হয়। জনমতবোৰ অজেয় আৰু দায়িত্বহীন। অতিমানৱীয় প্ৰতিভা থকা লোকসকলৰ বাহিৰে কোনো ব্যক্তিয়ে নিজৰ স্বাধীন মত জনমতৰ আগত জোৰ দি প্ৰকাশ কৰিব নোৱাৰে। জনমতেই আইনৰ সমল ই মানুহক নানা শিক্ষাও দিয়ে। জনমতক যিসকলৰ মত বুলি চলাই দিয়া হয় সেইসকলক প্ৰকৃততে ছ'ফিষ্টসকলে নষ্ট কৰি পেলায় আৰু ছ'ফিষ্টসকলৰ মতকে জনমত বুলি প্লেটোৱে ছ'ফিষ্টসকলৰ প্ৰতি ঘৃণামিশ্ৰিত পুনৌ দেখুৱাইছে। এওঁলোকেই সমাজৰ তথাকথিত নেতা আৰু এওঁলোকে জনমত গঠন কৰে। যিহৰ বিষয়ে তেওঁলোকে কয় সেইবিলাকৰ ওপৰত তেওঁলোকৰ প্ৰত্যক্ষ জ্ঞান নাই। তেওঁলোকে ভাল বেয়া ন্যায় অন্যায় আদিৰ বিষয়ে কয়। কিন্তু এইবোৰ তেওঁলোকৰ কথা নহয়। মানুহবোৰে ভাল পাই বা বেয়া পাই কিছুমানক বেয়া বুলি কয় কিছুমানক ন্যায় বুলি কয়। ছ'ফিষ্টসকলে মানুহবোৰৰ এইবোৰ কথাকে তেওঁলোকৰ মুখেৰে কয়। সাধাৰণ মানুহবোৰ কেতিয়াও দাৰ্শনিক নহয় বৰং দাৰ্শনিক নীতিৰ প্ৰতি অবিশ্বাসী আৰু বিৰোধী হয়। এনেকুৱা এটা পৰিবেশত জন্মগ্ৰহণ কৰা দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰ কেনে হ'ব পাৰে সেইটো সহজে অনুমেয়।

তৃতীয়তে প্লেটোৱে কৈছে যে যিসকল লোক দৰ্শনৰ ভক্ত হ'ব লাগিছিল সেইসকলে দৰ্শন বৰ্জন কৰিছে। কিন্তু দাৰ্শনিক নামটো জোৰাৰ্থ আৰু দাৰ্শনিক সুনামখিনি লাভ কৰাৰ হেপাহ আৰু দুৰাকাংক্ষা বহুতৰে আছে। দাৰ্শনিক

নামটো লাভ কৰিবৰ বাবে যত্নতে যুদ্ধ কৰে। কিয়নো এই নামটোৰ এটা শ্ৰেষ্ঠত্ব আছে। প্লেটোৱেও এই নামটো পাবলৈ ইচ্ছা কৰিছিল আৰু দৰ্শনৰ প্ৰকৃত অৱধাৰণা কি হোৱা উচিত তেও তাক ভালদৰে দেখুৱাবলৈ বিচাৰিছিল আৰু ইয়াকে কৰিবলৈ যাওঁতে তেওঁ আনবোৰ দাৰ্শনিকৰ কটাক্ষৰ লক্ষ্য হৈ পৰিছিল। সেই সময়ত সাহিত্যত প্লেটোকো এজন ছুঁফিষ্ট বুলি খাতি লোৱা হৈছিল আৰু তেওঁক দাৰ্শনিক বুলি গণ্য কৰা হোৱা নাছিল। কিন্তু প্লেটোৱে গ্ৰিক দৰ্শনক এটা চূড়ান্ত পৰ্যায়লৈ লৈ গৈছিল। ইয়াৰ পাছত তেওঁ শক্তিশালী আৰু স্পষ্ট ভাষাত বৰ্ণনা কৰিছে, কেনেকৈ অযোগ্য লোকসকলে দাৰ্শনিকৰ নামটো নষ্ট কৰিছে। গভীৰভাৱে এই অংশটো ব্যক্তিগত কথাৰে ভৰা। এই অযোগ্য মানুহ বোৰ বোলোঁতে কোনবোৰ মানুহক প্লেটোৱে বুজাইছিল সেই বিষয়ে আমি নিশ্চিত হৈ একো ক'ব নোৱাৰোঁ। আমি কেৱল অনুমান কৰিব পাৰোঁ যে সেইবোৰ মানুহ আছিল নিম্নস্তৰৰ আইনজ্ঞ আৰু আলংকাৰিকসকল। প্লেটোৱে কৈছে যে এই বোৰ মানুহৰ আত্মা বা মন তেওঁলোকৰ বৃত্তি বা ব্যৱসায়ৰদ্বাৰা বাধাপ্ৰাপ্ত হৈছে। আইন আদালতৰ দাসত্বয়ো মানুহক এনেকৈ নীচ কৰে আৰু মানুহৰ আত্মাৰ সৰলতা নষ্ট কৰে। নিজৰ নিজৰ বৃত্তি বা ব্যৱসায়ত উৎহালী এই সাধাৰণ মানুহ বোৰে দাৰ্শনিকৰ শাৰীলৈ আহিবলৈ একোটা জাঁপ মাৰে। নিজৰ সামাজিক ৰূপৰ পৰিবৰ্তন ঘটাবলৈ তেওঁলোকে চেষ্টা কৰে আৰু ইয়াৰ ফলস্বৰূপে জাৰজ দাৰ্শনিক তত্ত্ব আৰু ধাৰণাৰ সৃষ্টি হয় আৰু এইবোৰকে দাৰ্শনিক নীতি বুলি পৃথিৱীত প্ৰচাৰ কৰা হয়। এইবোৰেই দৰ্শনৰ ওপৰলৈ বদনাম মাতি আনিছে। এই দৰ্শন কেৱল অনাৱশ্যকেই নহয় প্ৰৱঞ্চনামূলকো।

দৰ্শনৰ সেৱাত প্ৰকৃত দাৰ্শনিক প্ৰকৃতিৰ মানুহবোৰে আত্মনিয়োগ কৰে। কেতিয়াবা কেতিয়াবা একোজন মহান প্ৰকৃতিৰ সুশিক্ষিত মানুহক সমাজৰপৰা বহিষ্কাৰ কৰা হয় আৰু ইয়াৰ ফলতে তেওঁৰ দাৰ্শনিক প্ৰকৃতিটো অধঃপতনৰপৰা ৰক্ষা পৰে। কেতিয়াবা কেতিয়াবা একোটা মহান আত্মা একোখন সৰু ৰাষ্ট্ৰত জন্ম গ্ৰহণ কৰে আৰু তেওঁ তাৰ ৰাজনৈতিক জীৱনক অৱজ্ঞা কৰি চলিও দৰ্শন চৰ্চা কৰে। কিছুমান আকৌ নিজৰ কলা বা বৃত্তিত অসন্তুষ্ট হৈ আহি দৰ্শনৰ ভক্ত হয়। দুৰ্বল স্বাস্থ্যৰ কাৰণে ৰাজনীতিত সক্ৰিয় অংশ গ্ৰহণ কৰিব নোৱাৰিও কিছুমানে দাৰ্শনিক হ'বলৈ প্ৰয়াস কৰে। মাত্ৰ কিছুমানেহে দাৰ্শনিক প্ৰকৃতিৰ আত্মা ভগবানৰপৰা লাভ কৰি দৰ্শন চৰ্চাত আত্মনিয়োগ কৰে। ছক্ৰেটিছ তেনে এজন লোক আছিল। শেষত উল্লেখ কৰা বিধৰ বাহিৰে আটাইবোৰে অস্বাভাৱিক অৱস্থাত দাৰ্শনিক শাৰীলৈ আহিবলগীয়া হয়। পৃথিৱীখন প্ৰকৃততে যেনেকুৱা হ'ব লাগিছিল তেনে হোৱা হ'লে এনে অৱস্থাৰ সৃষ্টি কেতিয়াও নহ'লহেঁতেন। এই অৱস্থাত বিকেইজন প্ৰকৃত দাৰ্শনিক আছে তেওঁলোকে নিজকে নিৰ্দ্বন্দ্ব ৰাখি অপেক্ষা কৰি থকাত বাহিৰে আন একো কৰিব নোৱাৰে। কিন্তু এৰিষ্টটলৰ

মতে যিজন মানুহে এনে এটা জীৱন চলাই থাকিব পাৰে সেইজন মানুহে মৃত্যুৰ আগেয়ে কিবা নহয় কিবা এটা ডাঙৰ কাম কৰি যাব পাৰিব। এডিমেণ্টাছৰ এই কথাষাৰ ছক্ৰেটিছে সমৰ্থন কৰিছিল। কিন্তু তেওঁ ইয়াৰ লগত যোগ দি কৈছিল যে তাৰবাবে তেনে এজন মানুহে এখন উপযুক্ত ৰাষ্ট্ৰও পাব লাগিব আৰু তেতিয়াহে তেও নিজক আৰু দেশক ৰক্ষা কৰিবলৈ তেওঁৰ গাত থকা সামৰ্থ্যখিনি প্ৰয়োগ কৰিব পাৰিব।

দৰ্শন আৰু বাস্তবৰ মাজত বিচ্ছেদ ঘটাটো দুয়োটাৰ পক্ষে অনিষ্টকৰ। সেই গতিকে দৰ্শন আৰু বাস্তৱৰ মাজত বিচ্ছেদ ঘটিবলৈ নিদি দুয়োটাৰে মাজত এৰাব নোৱৰা সম্পৰ্ক স্থাপন কৰিব লাগিব। আগৰ আলোচনাখিনিতে আমি পাই আহিছোঁ দৰ্শন প্ৰকৃততে কি দৰ্শনে মানুহৰ জীৱন কেনেকৈ ত্ৰুটীশূন্য কৰে মানুহৰ সমাজৰ প্ৰকৃত অবস্থা কি। এতিয়া আমি আগতে উল্লেখ কৰা বৈপৰীত্যবোৰৰ মাজত উপযুক্ত সমন্বয় স্থাপন কৰিব লাগিব। এই সমন্বয় স্থাপন হোৱাৰ ফলতেই ছক্ৰেটিছ আৰু থ্ৰেছিমেকাছৰ মাজত বন্ধুত্ব স্থাপন হৈছিল। প্লেটোৱে কৈছিল যে পৃথিৱীখন আমি বহুতে ভবাৰ দৰে বেয়া নহয় মানুহবোৰ দৰ্শনৰ প্ৰতি বীতশ্ৰদ্ধ হোৱাৰ কাৰণ হৈছে তেওঁলোকৰ দৰ্শনৰ প্ৰতি থকা অজ্ঞতা। তেওঁলোকক দৰ্শনৰ বিষয়ে ভালদৰে বুজাই দিব পাৰিলে তেওঁলোকে দৰ্শনৰ প্ৰতি বিৰুদ্ধাচৰণ কৰিবলৈ এৰি দিব। সাধাৰণতে মানুহে দৰ্শন বুলিলে যি বুজে সি হৈছে কিছুমান শব্দ আৰু ভাবৰ কৃত্ৰিম অৰ্থহীন বাক্য। মানুহক হতভম্ব কৰিবলৈ এইবোৰকে তাত লগ কৰি ৰখা হয়। কিন্তু প্ৰকৃত দৰ্শনে তত্ত্ব বাস্তৱ কথা আৰু কামৰ মাজত এটা স্বাভাৱিক আৰু প্ৰাকৃতিক সমন্বয়ৰ সৃষ্টি কৰে। আকৌ তথাকথিত দাৰ্শনিকসকল হৈছে নিজৰ ব্যক্তিত্ব প্ৰতিষ্ঠা কৰিবলৈ যিকোনো উপায়ে চেষ্টা কৰা এক শ্ৰেণীৰ মানুহ কিন্তু প্ৰকৃত দাৰ্শনিকৰ স্বভাৱ হৈছে সকলো মানুহৰে লগত সুখ শান্তিত বাস কৰা। কিয়নো তেও এনে এখন শান্তিৰ ৰাজ্যৰ কথা ভাবে য'ত কোনেও অন্যায় নকৰে আৰু কোনেও অন্যায় ভোগ কৰিবলগীয়া নহয়। সেইখন পৃথিৱীত আইনৰ পৰিবৰ্তন নহয় কিয়নো তাৰ আইনবোৰ সদায় যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। তেনে এখন পৃথিৱীত কোনো মানুহেই ত্ৰুটীশূন্য আৰু নিখুঁত আইনবোৰ মানৱীয় চৰিত্ৰ আৰু অনুষ্ঠানত পৰিবৰ্তন কৰিবলৈ নিবিচাৰিব। এজন মহান শিল্পীয়ে মানুহৰ প্ৰকৃতি বৰ্ণনা কৰিব লাগিলে তেও প্ৰথমে মানুহৰ প্ৰকৃতি অধ্যয়ন কৰি ল'ব আৰু পাছত তেওঁৰ নিজৰ উচ্চ অৱধাৰণাৰ পোহৰত ইয়াৰ ৰূপ দিব। অৰ্থাৎ আমি বাস্তৱ আৰু আদৰ্শৰ মাজত সমন্বয় সাধন কৰা উচিত। এই কামটো যথেষ্ট কষ্টসাধ্য হ'ব কিন্তু অসম্ভৱ নহয়। কিয়নো যিকোনো ৰাষ্ট্ৰতে বিচাৰিলে কিছুমান প্ৰকৃত দাৰ্শনিক ওলাব আৰু তেওঁলোকক কোনো প্ৰকাৰৰ পাৰ্থিব মায়া-মোহে অবঃ-পতিত কৰিব নোৱাৰিব আৰু মানুহে তেওঁলোকৰ বাক্য শুনিব।

মানুহৰ সমাজত থকা অসমতাই চৰকাৰ আৰু আইনৰ শাসনৰ আৱশ্যকতা আনি দিছে। দাৰ্শনিকসকলৰ জ্ঞানতকৈ আইন কম নমনীয়। দাৰ্শনিক ৰজাসকলে তেওঁলোকৰ পুৰঠ জ্ঞান ব্যৱহাৰ কৰি ৰাজাজ্ঞাবোৰ তৈয়াৰ কৰে আৰু সেইবোৰ প্ৰজাসকলৰ মাজত ঘোষণা কৰা হয়। তেওঁলোকৰ বিচাৰ বিবেচনাবোৰ অনমনীয় আইনবোৰতকৈ বেছি ভাল হয়। কিয়নো আইনবোৰৰ এটা সৰ্বৰূপ আছে আৰু এইটো প্ৰকৃত ন্যায়ৰ অনুকূল নহয়। সেই গতিকে প্লেটোৱে যুক্তিক আইনৰ ওপৰত স্থান দিছিল। তেওঁৰ মতে আইনবোৰ যুক্তিৰ মাপকাঠীৰে জুখিহে কাৰ্য্যকৰী কৰিব লাগে। প্লেটোৰ দাৰ্শনিক ৰজাৰ স্থান আইনৰ ওপৰত আছিল। তেওঁৰ মনত কোনো সংকীৰ্ণতাৰ ঠাই নাছিল। প্ৰত্যেক মানুহে তেওঁৰ ওচৰত উপযুক্ত বিচাৰ পাইছিল আৰু কোনেও তেওঁৰ প্ৰাপ্যখিনি নোপোৱাকৈ থাকিব লগা হোৱা নাছিল। অৱশ্যে কোনো অস্তিত্বহীন লোকৰ কাৰণে আইনে দিয়া সুবিধা দাৰ্শনিক ৰজাৰ শাসনত নাছিল। নিজৰ মুক্ত বিচাৰ বুদ্ধি প্ৰয়োগ কৰি তেওঁ ৰাজ্য শাসন কৰিব লাগিছিল। ৰাজ্য শাসনৰ বাবে তেওঁ কেৱল নিজৰ বিবেকৰ ওচৰতহে দায়ী আছিল। এজন দাৰ্শনিক ৰজা আইনৰ বান্ধোনৰদ্বাৰা বাধাপ্ৰাপ্ত হোৱা উচিত নহয়। প্লেটোৱে সেই গতিকে দাৰ্শনিক ৰজাজনৰ হাতত চৰ্তশূন্য ক্ষমতা থকাটো বাঞ্ছা কৰিছিল। তেওঁক লিখিত আইনৰপৰা অহা ধৰা বন্ধা নীতি নিয়মবোৰে কোনো কথাতে হকা-বধা কৰিব নোৱাৰিছিল। কিন্তু তেওঁ কিছুমান সীমাবদ্ধতাৰ মাজত কাম কৰিব লাগিছিল। লিখিত আইনৰপৰা তেওঁ মুক্ত আছিল যদিও সকলো প্ৰকাৰ আত্মনিয়ন্ত্ৰণ তেওঁ মানি চলিব লাগিছিল। তেওঁ ৰাষ্ট্ৰৰ সংবিধানত থকা মৌলিক অনুচ্ছেদবোৰক সন্মান কৰিব লাগিছিল। নিজৰ ইচ্ছামতে তেওঁ ৰাষ্ট্ৰৰ মৌলিক নীতিবোৰ সংশোধন কৰিব নোৱাৰিছিল। ৰাষ্ট্ৰৰ যিবোৰ মৌলিক নীতি তেওঁ ততাতৈয়াকৈ পৰিবৰ্তন কৰিব নোৱাৰিছিল সেইবোৰ হৈছে—(১) ৰাষ্ট্ৰত থকা মানুহবোৰৰ সম্পত্তি ৰক্ষা আৰু পৰিচালনা (২) ৰাষ্ট্ৰৰ পৰিসীমা (৩) ৰাষ্ট্ৰৰ ভিতৰত আইনৰ শাসন (৪) শিক্ষাব্যৱস্থা। প্লেটোৰ দাৰ্শনিক ৰজাও মৌলিক সমাজব্যৱস্থাৰ সেৱকস্বৰূপ আছিল।

শিক্ষাব্যৱস্থাৰ সহায়ত প্লেটোৱে এটা বুদ্ধিজীৱী শ্ৰেণী গঢ়ি তুলিবলৈ বিচাৰিছিল। এই শ্ৰেণীটোৰ মানুহক তেওঁ অভিভাৱক আখ্যা দিছিল আৰু তেওঁলোকৰ হাতত প্লেটোৱে ৰাজ্য শাসনৰ ভাৰ গতাই দিবলৈ ইচ্ছা কৰিছিল। স্বভাৱতে ইয়াৰ ফলত বুদ্ধিজীৱীৰ অভিজাততন্ত্ৰ সৃষ্টি হোৱাৰ থল আছিল। প্লেটো দাৰ্শনিক ৰজাৰদ্বাৰা ৰাষ্ট্ৰ শাসনৰ পক্ষপাতী আছিল যদিও ৰাষ্ট্ৰৰ ভিতৰত থকা ৰাষ্ট্ৰ শাসনৰ বাবে যোগ্য আন আন লোকসকলৰ প্ৰতিও তেওঁ অন্ধ নাছিল। তেওঁ কৈছিল যে ৰাষ্ট্ৰৰ ভিতৰত থকা সুশিক্ষিত চৰিত্ৰবান লোকসকলৰ লগত দাৰ্শনিক ৰজাজনে আৱশ্যকীয় কোৱা-মেলা কৰি ৰাষ্ট্ৰ শাসন কৰিব লাগে আৰু সেইবোৰ লোকৰ ওপৰতো কিছু পৰিমাণৰ ক্ষমতা অৰ্পণ কৰিব লাগে।

প্লেটোৱে এইটো নিশ্চিতভাৱে বিশ্বাস কৰিছিল যে দৰ্শনৰ শাসন সবাতোকৈ উৎকৃষ্ট শাসন আৰু এই শাসনৰ কাৰ্য্যকাৰিতা কোনো যুগতে কমি নাযায়। বৰ্তমান যুগত যি অভিজাততান্ত্ৰিক গণতন্ত্ৰ চলিছে এই গণতন্ত্ৰও জন্ম বা সম্পত্তিৰ ওপৰত বৰ্তি থকা নাই ৰাষ্ট্ৰৰ সেৱাৰ ওপৰতে বৰ্তি আছে। আৰু সেই গতিকে ইয়াকো বুদ্ধিজীৱীৰ অভিজাততন্ত্ৰ বুলি ক'ব পাৰি। প্লেটোৱে ৰাষ্ট্ৰশাসন কাৰ্য্য বিশেষজ্ঞ আৰু সুশিক্ষিত লোকৰ ওপৰত অৰ্পিত হোৱাটো বিচাৰিছিল আৰু বৰ্তমান যুগৰ ৰাজনীতিত যিটো সেৱাৰ অনুধাৱণা ফুটাই তোলা হয় ইয়াৰ বাবেও তেনেকুৱা এটা আদৰ্শৰে প্ৰয়োজন।

প্লেটোৰ দৰ্শনৰ শাসনৰ সমালোচনা

ৰাজনৈতিক ক্ষমতা আৰু দাৰ্শনিক অন্তৰ্দৃষ্টি এজন মানুহৰ গাত থাকিব লাগিলে দুটা কথা হ'ব পাৰে। এটা হৈছে—মিল লক বেন্হাম নিউটন আদিৰ দৰে সকলোবোৰ মানুহ শাসক হ'ব লাগিব আৰু আনটো হৈছে— সকলোবোৰ শাসকে বাধ্যতামূলকভাৱে ৰাষ্ট্ৰৰ ক্ৰমবিকাশ দৰ্শন আদি অধ্যয়ন কৰিব লাগিব। কিন্তু প্লেটোৱে দাৰ্শনিক শাসনৰ অৰ্থ এইটো বুলি কোনো ঠাইতে উল্লেখ কৰা নাছিল। দৰ্শনৰ প্ৰকৃত অৰ্থ বুজি নোপোৱা বাবে বহুতৰে মনত এই ভ্ৰান্ত ধাৰণাটোৱে ঠাই পাইছিল। সাধাৰণ মানুহে দাৰ্শনিক বুলিলে এনে এজন মানুহক বুজে যি কেৱল বস্তুনিৰপেক্ষ বা বিমূৰ্ত চিন্তাতে আত্মনিয়োগ কৰে যি পাৰ্থিৱ জীৱনৰপৰা আঁতৰি থাকে আৰু অন্তঃজগতৰ চিন্তাতে মগ্ন থাকে। তেনে এজন মানুহক পৃথিৱীৰ বিষয়ে অজ্ঞ মানুহ বুলি ধৰি লোৱা হয় আৰু তেওঁক কোনো কামৰ বাবে যোগ্য ব্যক্তি বুলি বিবেচনা কৰা নহয়। কিন্তু প্লেটোৱে তেনেকুৱা এজন মানুহক দাৰ্শনিক বুলি ধৰি লোৱা নাছিল। তেওঁৰ মতে বিমূৰ্ত চিন্তাবিদসকলৰ ভাবধাৰা অভিজ্ঞতাৰপৰা পৰিপুষ্ট নাছিল। প্লেটোৰ 'দাৰ্শনিক'সকল জ্ঞানৰ প্ৰকৃত পূজাৰী আছিল। তেওঁলোকে মানৱ জীৱনৰ কিছুমান বিশেষ দায়িত্ব পালন কৰিছিল আৰু ইয়াৰ ওপৰত এনেকুৱাভাৱে দখল স্থাপন কৰি ল'ব পাৰিছিল যে তেওঁলোকে প্ৰত্যেক মানুহকে তেওঁৰ যোগ্য স্থানত বহুৱাব পাৰিছিল। নীতি আৰু দৃঢ় বিশ্বাসৰ ওপৰত তেওঁলোকৰ পৰিষ্কাৰ জ্ঞান থাকে আৰু সেই গতিকে তেওঁলোকে তত্ত্ব আৰু বাস্তৱৰ সমন্বয় ঘটাই সহকৰ্মীসকলৰ বাবে উপযুক্ত কাৰ্য্যৰ ব্যৱস্থা কৰিব পাৰে ।

প্লেটোৱে কিন্তু জানিছিল সাধাৰণ মানুহে দাৰ্শনিকসকলক কিভাৱে গ্ৰহণ কৰিব। সেই গতিকে তেওঁ এজন সহকৰ্মীৰ মুখেৰে কোৱাইছিল যে তত্ত্বৰ বিশ্বপৰা দাৰ্শনিকসকল বিয়েই নহওক লাগিলে বাস্তৱ জীৱনত তেওঁলোক একোজন শঠ আৰু কোনো বিশেষ কামৰ বাবে যোগ্য ব্যক্তি নহয়। প্লেটোৱে এই কথাৰ কোনো প্ৰতিবাদ কৰা নাছিল। বৰং তেওঁ কৈছিল যে প্ৰকৃত দাৰ্শনিকৰ সংখ্যা

কম তাকৰ আৰু যিবোৰ লোকে নিজকে দাৰ্শনিক বুলি দাবী কৰে তেওঁলোকৰ সৰহভাগেই কোনো দাৰ্শনিক নহয়, খুব বেছি তেওঁলোকক সত্যৰ প্ৰেমিক বুলি ক'ব পাৰি। এই মানুহবোৰে দৰ্শনৰ ওপৰত বদনাম আনিছে। কেৱল সেয়ে নহয় যিখিনি তাকৰীয়াসংখ্যক লোকৰ দাৰ্শনিক অন্তদৃষ্টি আছে তেওঁলোকৰ ভিতৰতো আটাইবোৰ সৎ আৰু নিষ্ঠাবান নহয়। তদুপৰি, হীন প্ৰকৃতিৰ মানুহবোৰক সহজে দুনীতিত নমাব পাৰি। এওঁলোকৰ কিছুমানক আকৌ তোষামোদৰদ্বাৰা নষ্ট কৰিব পাৰি আৰু আন কিছুমানে নিজেই সত্যৰপৰা আঁতৰি যায়। দাৰ্শনিকসকলক দুনীতিপৰায়ণ কৰা বাবে কিছুমান মানুহে ছফিষ্টসকলক দোষাৰোপ কৰিছিল। প্লেটোৱে কিন্তু এই কথাটো মানি লোৱা নাছিল। সেই সময়ত ডেকা মানুহবোৰৰ বেছিভাগেই অজ্ঞাত আৰু চেতনাহীনভাৱেই দুনীতিৰ কবলত পৰিছিল। তেওঁলোক সেই সময়ত চলি থকা দেশাচাৰ আৰু পৰম্পৰাবোৰৰ মাজৰপৰা ওলাই আহিব পৰা নাছিল। আৰু যিসকলে প্ৰতিষ্ঠিত সমাজব্যৱস্থাৰ বিপক্ষে মাত মাতিছিল তেওঁলোকৰ ওপৰতো কঠোৰ শাস্তি প্ৰদান কৰা হৈছিল। যিসকলে এই সকলোবোৰ জালৰ মাজৰপৰা ওলাই আহিব পাৰিছিল আৰু নভবা-নিচিন্তাকৈ চলিত ধাৰণা আৰু প্ৰথাবোৰ মানি ল'বলৈ অস্বীকাৰ কৰিছিল তেওঁলোকেই আছিল প্ৰকৃত দাৰ্শনিক। এই মানুহবোৰক প্লেটোৱে কল্পনাপ্ৰসূত জীৱন পৰিত্যাগ কৰিবলৈ আহ্বান জনাইছিল। কিয়নো, বাস্তৱৰ লগত সম্বন্ধ নথকা কাল্পনিক চিন্তাই মানুহৰ কোনো বৈষয়িক উন্নতি সাধন কৰিব নোৱাৰে। প্লেটোৱে এই মানুহবোৰকে ৰাষ্ট্ৰৰ সৰ্বোচ্চ আসনত বহুৱাই আৰু তেওঁলোকৰ উৎকৃষ্ট অৱধাৰণাবোৰ ৰাষ্ট্ৰৰ কাৰ্য্যত খটুৱাই এখন আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। কিন্তু দুৰ্ভাগ্যবশতঃ আমাৰ বৰ্তমানৰ ৰাষ্ট্ৰবোৰত এই মানুহবোৰৰ বাবে কোনো কাম নাই।

'গণৰাজ্য' আৰু 'ৰাজনীতি'ত প্লেটোৱে এজন প্ৰকৃত দাৰ্শনিক ৰজাৰ গুণাৱলী আৰু কাৰ্য্যাৱলী বৰ্ণনা কৰিছে। দৰ্শনৰ শাসন আৰু দাৰ্শনিক ৰজাৰ গুণাৱলী বৰ্ণাবলৈ যাওঁতে প্লেটোৱে কিছুমান গুৰুত্বপূৰ্ণ কথা অৱজ্ঞা কৰি থোৱা যেন লাগে। সেইবোৰৰ ভিতৰত বিশেষ উল্লেখযোগ্য হৈছে—

ৰাষ্ট্ৰৰ শাসনৰ দায়িত্ব এজন দাৰ্শনিক ৰজাৰ ওপৰত অৰ্পণ কৰিবলৈ গৈ প্লেটোৱে ৰাষ্ট্ৰৰ বিষয়ত গ্ৰীছ দেশত চলি থকা মূল অৱধাৰণাৰ কথাটো অৱজ্ঞা কৰিছে। গ্ৰীছ দেশত সেই সময়ত সাৰ্বভৌমত্ব সকলোৱে মানি লৈছিল আৰু গ্ৰীছদেশীয় ৰাষ্ট্ৰ আছিল সমপৰ্য্যায়ৰ লোকসকলৰ ৰাষ্ট্ৰীয় সংঘ। আদৰ্শ ৰাষ্ট্ৰত তেওঁ যিজন দাৰ্শনিক ৰজাৰ কল্পনা কৰিছিল বাস্তৱত তেওঁ এজন স্বেচ্ছাচাৰী ৰজা হিচাপে দেখা দিলেহেঁতেন আৰু তেতিয়া তেনে এজন দাৰ্শনিক ৰজা আৰু এজন অত্যাচাৰী সম্ৰাটৰ মাজত বিশেষ পাৰ্থক্য নাথাকিলেহেঁতেন। তেওঁৰ দাৰ্শনিক ৰজাৰ শাসনক নতুন ৰাজতন্ত্ৰ বুলি ক'ব পাৰি। এই শাসন তেওঁৰ কালত

ভাল বেয়া আৰু অভিৰুচিৰ ওপৰত প্ৰতিষ্ঠিত। আইনে তেওঁৰ শাসনত কোনো প্ৰকাৰৰ বাধা প্ৰদান কৰিব নোৱাৰে। আইনৰদ্বাৰা মুঠেও বাধাপ্ৰাপ্ত নোহোৱা শাসন সহজে কল্যাণকামী স্বেচ্ছাচাৰী শাসনত পৰিবৰ্তিত হোৱাৰ ভয় থাকে। প্লেটোৱে জ্ঞানীসকলৰ সৰ্বোচ্চ ক্ষমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰি ৰাষ্ট্ৰৰ সৰহভাগ লোকক ৰাজনৈতিক যন্ত্ৰৰ একো একোটা নিৰ্জীৱ অংশৰ পৰ্য্যায়লৈ নমাই আনিছে। ইয়াৰদ্বাৰা পূৰ্বেৰ গ্ৰিছদেশীয় চিন্তা আৰু বৰ্তমান যুগৰ চিন্তাতো স্বাধীনতাৰ নৈতিক মূল্য আৰু আত্মশাসনৰ গুণবোৰৰ ওপৰত কঠোৰ আঘাত হনা হৈছে। প্লেটোৱে বিশ্বাস কৰিছিল যে জ্ঞান অতি কমসংখ্যক মানুহৰ গাতহে থাকিব পাৰে। কেইজনমান দাৰ্শনিক অভিভাৱকৰ জ্ঞানতকৈ জনসাধাৰণৰ সমূহীয়া জ্ঞান বেছি বুলি তেও বিশ্বাস কৰা নাছিল। গতিকে তেওঁ প্ৰত্যক্ষ গণতন্ত্ৰ আৰু পৰোক্ষ গণতন্ত্ৰ কোনোটোকে সমৰ্থন নকৰিছিল।

দাৰ্শনিক ৰাজনীতিজ্ঞসকলে অৰ্থনীতি আইন সৈনিকবিদ্যা আদি অধ্যয়ন কৰি জ্ঞান আহৰণ কৰিব লাগে বুলি প্লেটোৱে ভবা নাছিল। কেৱল তেও ভালৰ ধাৰণাৰ ওপৰত পৰিষ্কাৰ আৰু স্পষ্ট জ্ঞান লাভ কৰাৰ উদ্দেশ্যে দাৰ্শনিক ৰাজনীতিজ্ঞসকলক অংকশাস্ত্ৰত ব্যুৎপত্তি লাভ কৰিবলৈ পৰামৰ্শ দিছিল। এখন শক্তিশালী আৰু ভাল চৰকাৰৰ কাৰণে সেয়েই যথেষ্ট নাছিল। কোনটো ভাল আৰু কোনটো বেয়া সেয়া জানিলেই এজন মানুহ ভাল শাসক হ'ব পাৰিব বুলি কোনেও নদি ক'ব নোৱাৰে। বেলেগ বেলেগ ৰাষ্ট্ৰ আৰু বেলেগ বেলেগ অৱস্থাত মানুহৰ ভাল বেয়াৰ ধাৰণা একে নহয়। সেইবাবে প্লেটোৱে ভবাৰ দৰে অংকশাস্ত্ৰ আৰু তৰ্কবিদ্যাত জ্ঞান আহৰণ কৰি দাৰ্শনিক শাসক হৈ কেনেকৈ তেওঁলোকে ৰাষ্ট্ৰ এখন পৰিচালনা কৰিবলৈ সমৰ্থ হয় বুজা টান। এখন আদৰ্শ ৰাষ্ট্ৰৰ কাৰণে তেওঁলোক উপযুক্ত শাসক হ'ব বুলি ভাবিবৰ থল আছে যদিও চলিত ৰাষ্ট্ৰৰ শাসক হিচাপে তেওঁলোক কৃতকাৰ্য্য হব বুলি বিশ্বাস কৰিব নোৱাৰি। অষ্ট্ৰেলিয়াৰ ২য় জোছেফৰ দৰে ইতিহাসত দুই-এজন দাৰ্শনিক ৰাজনীতিজ্ঞৰ নাম পোৱা যায়। কিন্তু ইতিহাসৰ কোনো সময়তে দাৰ্শনিক ৰাজনীতিজ্ঞৰ অৱধাৰণাটোৱে জনপ্ৰিয়তা লাভ কৰিব পৰা নাছিল। ইয়াৰ কাৰণ হৈছে দাৰ্শনিক ৰাজনীতিজ্ঞসকলে জনসাধাৰণক তেওঁলোকৰ বিশ্বাসত লোৱা নাছিল আৰু জনসাধাৰণৰ আগত তেওঁলোকে নিজৰ প্ৰশাসনৰ উদ্দেশ্য ব্যাখ্যা কৰিবলৈ ইচ্ছা প্ৰকাশ কৰা নাছিল। দাৰ্শনিক প্ৰশাসকসকলে কম সময়ৰ ভিতৰতে গুৰুত্বপূৰ্ণ আৰু বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিবলৈ ইচ্ছা কৰিছিল যদিও তাৰ বাবে তেওঁলোকৰ আৱশ্যকীয় অভিজ্ঞতা আৰু প্ৰস্তুতি নাছিল। তেওঁলোকে মহৎ উদ্দেশ্য সাধন কৰিবলৈ গৈ সময়ে সময়ে শাসিতসকলৰ অনুভূতিৰ ওপৰত আঘাত কৰিছিল আৰু তাৰ ফলত শাসিতসকল তেওঁলোকৰ প্ৰতি বৈৰীভাবাপন্ন হৈ পৰিছিল। নিজৰ প্ৰশাসনীয় ব্যুৎপত্তি আৰু দক্ষতা দেখুউৱাৰ উদ্দেশ্যে তেওঁলোকে দূৰ অতীতৰপৰা অভিজ্ঞতা লাভ কৰিবলৈ চেষ্টা

কৰিছিল আৰু দূৰ ভৱিষ্যতৰ ছবি এখনৰ ফালে চাই নিজৰ কৰ্তব্য সম্পাদন কৰি গৈছিল। ইয়াৰ ফলত মাজে মাজে তেওঁলোকে বৰ্তমানৰ লগত নিজৰ সম্পৰ্ক হেৰুৱাই পেলাইছিল।

দাৰ্শনিক প্ৰশাসকসকলে কোনো এটা বিষয়ৰ ওপৰত সিদ্ধান্ত ল'বলৈ যাওঁতে ভাবনা চিন্তা কৰিয়েই ভালেমান সময় কটায়। এনে কৰোঁতে কেতিয়াবা অতি জৰুৰী সিদ্ধান্ত লওঁতে তেওঁলোকৰ যথেষ্ট পলম হৈ যায় আৰু ইয়াৰ ফলত শাসিতসকলে দুখ দুৰ্গতি ভোগ কৰিবলগীয়া হয়। বাহিৰা শত্ৰুৱে কৰা আক্ৰমণ আৰু অভ্যন্তৰীণ ৰাজনৈতিক সংকট উপস্থিত হ'লে ততাতৈয়াকৈ ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হয়। এনে অৱস্থাত দাৰ্শনিক ৰাজনীতিজ্ঞসকলে ক্ষিপ্ৰ আৰু সময়োপযোগী ব্যৱস্থা গ্ৰহণ কৰিব নোৱাৰিলে জনসাধাৰণে অশেষ কষ্ট ভোগ কৰিবলগীয়া হয়। তেওঁলোক যদি ৰাজনৈতিক জীৱন আৰু বাস্তৱ জগতৰ বিষয়ে অভিজ্ঞতাসম্পন্ন নহয় তেনেহলে চতুৰ আৰু নীতিজ্ঞানশূন্য মানুহবোৰে তেওঁলোকক সহজে কলুষিত আৰু প্ৰতাৰণা কৰিব পাৰে। বহুতো দাৰ্শনিক শাসকে ৰাষ্ট্ৰৰ ৰাজনৈতিক জীৱনৰ দৈনন্দিন কামখিনিও সুচাৰুৰূপে সমাধা কৰিব নোৱাৰে। এনেকুৱা কামত নলগা দাৰ্শনিক প্ৰসাশকতকৈ দলীয় স্বাৰ্থ আৰু দলীয় ধ্বনিৰদ্বাৰা পৰিচালিত হোৱা এজন সাধাৰণ ৰাজনীতিজ্ঞই ভাল, কিয়নো, এনে এজন সাধাৰণ ৰাজনীতিজ্ঞই সাংবিধানিক সংকটৰ সময়ত দলীয় নেতৃত্বদ্বাৰা পৰিচালিত হৈ নিজৰ কৰ্তব্য সম্পাদন কৰিব পাৰিব।

বৰ বেছি দাৰ্শনিক চিন্তা-ভাবনাই মানুহৰ মনত খাম-খেয়ালিৰ ভাব সৃষ্টি কৰে আৰু খাম-খেয়ালিপূৰ্ণ মানুহৰ শাসনত জনসাধাৰণ কেতিয়াও সন্তুষ্ট হ'ব নোৱাৰে। তেনে লোকৰ শাসনত ভাৰসাম্য ৰক্ষা নপৰে আৰু অন্যায় আহি তাত প্ৰবেশ কৰিবলৈ ধৰে।

এজন দাৰ্শনিক শাসকে নিজৰ স্বাৰ্থ আৰু জনসাধাৰণৰ স্বাৰ্থক একে বুলি গণ্য কৰিব পাৰে। প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰখনৰ বাবে এজন দাৰ্শনিক শাসক লাগে বুলি তেওঁ কৈছিল আৰু সেই শাসকজনৰ হাতত তেওঁ সীমাহীন ক্ষমতা দিবলৈ বিচাৰিছিল। তেনে এখন আদৰ্শ ৰাষ্ট্ৰক বৰ্তমান যুগৰ সৰ্বাত্মক ৰাষ্ট্ৰৰ লগত তুলনা কৰিব পাৰি। প্লেটোৰ দাৰ্শনিক ৰজাৰ দৰে বৰ্তমান সৰ্বাত্মক ৰাষ্ট্ৰ বোৰতো একনায়ক আৰু আমোলাতান্ত্ৰিক বিশেষজ্ঞসকল আছে। প্লেটোৰ দাৰ্শনিক অভিভাৱকসকলক বৰ্তমান যুগৰ পলিটব্যুৰোৰ সদস্যসকলৰ লগত তুলনা কৰিব পাৰি।

দাৰ্শনিক ৰজাৰ সাপেক্ষিক ক্ষমতা সমৰ্থন কৰিবলৈ গৈ প্লেটোৱে মিছাকৈ আইনৰ দৃঢ়তাৰ প্ৰতি ভয় খাইছিল আৰু দাৰ্শনিক ৰজাক আইনৰ বাহিৰত ৰাখি থবলৈ পৰামৰ্শ দিছিল। কিয়নো আইনৰ অনমনীয়তা সদায় আপেক্ষিক আৰু কেতিয়াও সাপেক্ষিক নহয়। আৰু আইনৰ দৃঢ়তাৰ নিজা সামাজিক উদ্দেশ্য আছে। সামাজিক উদ্দেশ্য সাধনৰ বাবেহে আইনৰ দৃঢ়তা পালন কৰা হয়।

প্লেটোৰ দাৰ্শনিক ৰজাসকল অনুপৰন্ত সাপেক্ষিক শাসনকৰ্তা নাছিল। গ্ৰিকসকলে ভবাৰ দৰে তেওঁলোক একনায়কত্ববাদী হোৱাৰ সম্ভাৱনা বৰ উজ্জ্বলো নাছিল। তেওঁলোক ৰাষ্ট্ৰৰ লিখিত আইন আৰু জনমতৰ ওপৰত আছিল যদিও সংবিধানৰ মৌলিক অনুচ্ছেদবোৰ তেওঁলোকেও মানি চলিব লাগিছিল আৰু ৰাষ্ট্ৰৰ মৌলিক নীতিবোৰক প্ৰথা কৰিব লাগিছিল। তেওঁলোকৰ গাত যিবোৰ নৈতিক গুণ আছিল সেইবোৰে তেওঁলোকক অত্যাচাৰী আৰু স্বেচ্ছাচাৰী হোৱাৰ পৰা বিৰত ৰাখিছিল। আনেই তেওঁলোকক নীচ পৰশ্ৰীকাতৰ আপোনপেটা স্বভাৱৰ হ'বলৈ দিয়া নাছিল। তেওঁলোক ক্ষমতা আৰু ধন-সম্পত্তিৰ উপাসক নাছিল। তেওঁলোক আছিল সত্য আৰু জ্ঞানৰ প্ৰেমিক। তেওঁলোকৰ পাছত যিসকলে চূড়ান্ত জ্ঞান লাভ কৰিছিল তেওঁলোক মানুহৰ ভিতৰত দেৱতাসদৃশ আছিল।

প্লেটোৱে বিশ্বাস কৰিছিল যে দাৰ্শনিক চৰিত্ৰৰ মানুহ কেৱল উচ্চ শ্ৰেণীৰ ভিতৰতহে আছে উৎপাদনকাৰী আৰু শিল্পীসকলৰ মাজত নাই। সেই গতিকে তেওঁ উৎপাদনকাৰী আৰু শিল্পীসকলৰ বাবে উচ্চ শিক্ষাৰ ব্যৱস্থা কৰিব খোজা নাছিল। অৱশ্যে প্লেটোৱে স্বীকাৰ কৰিছিল যে কেতিয়াবা কেতিয়াবা সোণ থকা প্ৰকৃতিৰ ল'ৰা-ছোৱালী ৰূপ বা লো থকা পিতৃ মাতৃৰপৰাও জন্মগ্ৰহণ কৰে। কিন্তু উৎপাদনকাৰী শ্ৰেণীটোৰ মাজৰপৰা এনেকুৱা প্ৰকৃতিৰ মানুহ বিচাৰি উলিওৱাটো বৰ কঠিন। প্লেটোৱে অৱশ্যে আবেগপূৰ্ণ ভাষাত কৈছিল যে উৎপাদনকাৰীসকলৰ মাজৰপৰাও অভিভাৱক বাছি উলিওৱাটো কেৱল সম্ভৱেই নহয় অতি দৰকাৰীও। ইয়াৰবাবে তেওঁ শিক্ষাব্যৱস্থাত ঠাই ৰাখিছিল। দাৰ্শনিক শাসকসকলে শাসনৰ দৈনন্দিন কাৰ্য্য পৰিচালনাত অপাৰগতা দেখুওৱাৰ আশংকা থকাৰ দৰে সাধাৰণ ৰাজনীতিজ্ঞসকলেও অসাধাৰণ সংকটৰ সময়ত কাৰ্য্য পন্থা স্থিৰ কৰোঁতে ভুল কৰাৰ সম্ভাৱনা নোহোৱা নহয়। দাৰ্শনিক ৰজাসকলক পুৰণি ৰীতি নীতি ন্যস্তস্বাৰ্থ আৰু দলীয় কুপ্ৰভাৱে নষ্ট কৰিব নোৱাৰে। গতিকে তেও সময়ৰ লক্ষণ বুজি কাম কৰিব পাৰে। সাপেক্ষিক চিন্তা ভাবনাৰ ওপৰত তেওঁক যি প্ৰশিক্ষণ দিয়া হয় সিও শাসনকাৰ্য্য পৰিচালনাৰ লগত জড়িত। তেওঁ ভালৰ বিষয়ে অনুধাৱন কৰি যিখিনি দিকে সেইখিনি স্বাস্থ্যকৰ সামাজিক কাৰ্য্যত পৰিণত কৰিব লাগে। দাৰ্শনিক শিক্ষা, প্ৰশাসনিক প্ৰশিক্ষণ আৰু সাম্যবাদী জীৱন যাপনৰদ্বাৰা প্লেটোৱে এটা অভিভাৱক শ্ৰেণী গঢ়ি তুলিবলৈ বিচাৰিছিল। এই শ্ৰেণীৰ লোকসকল দিবাস্বপ্নদ্ৰষ্টা নহৈ বাস্তৱবাদী আৰু আদৰ্শপৰায়ণ হ'ব বুলি তেওঁ বিশ্বাস কৰিছিল।

প্লেটোৰ দৰ্শনৰ শাসনৰ ওপৰত যিমানেই কঠোৰ সমালোচনা নহওক লাগিলে তেওঁৰ মৌলিক ধাৰণাবোৰৰপৰা আমি বহুতো সত্য উদ্ধাৰ কৰিব পাৰোঁ। এই বিষয়ত প্লেটোৰ লগত আমাৰ কোনো মতভেদ নাই যে চৰকাৰী প্ৰশাসন চলোৱাটো এটা ডাঙৰ কাম আৰু ইয়াৰ বাবে সুকীয়া শিক্ষা আৰু প্ৰশিক্ষণৰ

প্ৰয়োজন। ৰাষ্ট্ৰৰ সমস্যাৰ ওপৰত বিজ্ঞানসম্মত দৃষ্টিভংগী থকা এচাম মানুহৰ দ্বাৰা গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰ পৰিচালিত নহ'লে গণতান্ত্ৰিক শাসন কৃতকাৰ্য্য হ'ব নোৱাৰে। ৰাজনৈতিক ক্ষমতা যুক্তিপৰায়ণ মানুহৰ হাতত থাকিব লাগে, ৰাজনীতিজ্ঞসকলৰ গভীৰ জ্ঞান থাকিব লাগে জ্ঞানশূন্য মানুহবোৰক ৰাজনৈতিক ক্ষমতাৰপৰা আঁতৰত ৰাখিব লাগে, ইত্যাদি কথাবোৰৰ অৱতাৰণা কৰি প্লেটো তেওঁৰ পাছৰ যুগৰ ৰাজনৈতিক চিন্তাবিদসকলৰ বাবে গভীৰ শ্ৰদ্ধাৰ পাত্ৰ হৈছে। এইবোৰ কথাৰ প্ৰতি মনোযোগ নিদিয়াকৈ প্ৰশাসন পৰিচালিত হ'লে জনসাধাৰণ নানা অসুবিধাৰ সন্মুখীন হ'বলগীয়া হয়। আজিৰ পৃথিৱীৰ বেছিভাগ ৰাষ্ট্ৰতে জ্ঞান আৰু ৰাজনৈতিক ক্ষমতাক একেলগে দেখা নহয় বাবেই জনসাধাৰণে প্ৰশাসনৰ পৰা সুফল লাভ কৰিব নোৱাৰে। দাৰ্শনিক ৰজাৰ শাসনে শ্ৰেণীসংগ্ৰামৰ সৃষ্টি হোৱাত বাধা দিব পাৰে। বৰ্তমান যুগৰ ৰাষ্ট্ৰবোৰত ধনী আৰু গৰীব দুটা শ্ৰেণীৰ মানুহ আছে। এই শ্ৰেণী দুটাৰ মানুহৰ মাজত সদায় এটা দ্বন্দ্ব আছে। যিকোনো সময়তে এই শ্ৰেণী দুটাৰ মানুহৰ মাজত সংগ্ৰামৰ সৃষ্টি হ'ব পাৰে। কিয়নো ধনী শ্ৰেণীৰ লোকসকলে গৰীব শ্ৰেণীৰ লোকসকলক অবিৰতভাৱে শোষণ কৰি আছে। শাসকচক্ৰৰ মানুহবোৰে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে তেওঁলোকৰ হাতত থকা ৰাজনৈতিক ক্ষমতা অপব্যৱহাৰ কৰিলে শ্ৰেণীসংগ্ৰাম হোৱাৰ ভয় সদায় বৰ্তমান। কিন্তু যেতিয়া শাসকসকলে শাসিতসকলৰ স্বাৰ্থপূৰণৰ বাবে একনিষ্ঠভাৱে কাম কৰি থাকে তেতিয়া শ্ৰেণীসংগ্ৰামৰ ভয় বৰ কম। অভিভাৱকসকল আৰু দাৰ্শনিক ৰজাৰ শাসনৰ অৱধাৰণাটোৰ মৌলিক তত্ত্বই হৈছে সমূহীয়া উন্নতি আৰু মংগলৰ বাবে একনিষ্ঠভাৱে কাম কৰি শাসকসকলে পৰম আনন্দ আৰু সুখ অনুভৱ কৰা। গতিকে তেওঁলোকে ৰাজহুৱা স্বাৰ্থৰ বিনিময়ত নিজৰ স্বাৰ্থ সিদ্ধি কৰাটো একপ্ৰকাৰ অসম্ভৱ। দাৰ্শনিক ৰজাসকলৰ জীৱন ত্যাগ আৰু সেৱাৰ জীৱন। সা সম্পত্তি শাৰীৰিক ভোগলিপ্সা আৰু পাৰিবাৰিক জীৱন তেওঁলোকে পৰিহাৰ কৰাৰ পুৰস্কাৰস্বৰূপে তেওঁলোকক ৰাজনৈতিক ক্ষমতা দিয়া হয়। প্লেটোৱে সকলো শ্ৰেণীৰ মানুহৰপৰাই ত্যাগৰ দাবী কৰিছিল। সেই গতিকে তেওঁ পৰামৰ্শ দিছিল যে উৎপাদনকাৰী শ্ৰেণীটোৱে ৰাজনৈতিক ক্ষমতা আৰু বেসামৰিক অধিকাৰবোৰ পৰিত্যাগ কৰিব লাগে আৰু উচ্চ শ্ৰেণী দুটাৰ লোকসকলে চিৰকালৰ বাবে তেওঁলোকৰ অৰ্থনৈতিক ক্ষমতা ত্যাগ কৰিব লাগে আৰু তেতিয়া শ্ৰেণীসংগ্ৰামৰ থল আপোনাআপুনি নাইকিয়া হ'ব। এইদৰে প্লেটোৰ দাৰ্শনিক ৰজাৰ শাসনৰ অৱধাৰণাত কিছুমান স্থায়ী মূল্য থকা উপাদান আছিল। কিন্তু কথা হৈছে, বাস্তৱ জগতত প্ৰকৃত দাৰ্শনিক ৰজা পাবলৈ নাই। ইতিহাসত আমি এজন প্ৰকৃত দাৰ্শনিক ৰজাৰ দৃষ্টান্ত দেখিবলৈ পোৱা নাই। ঠিক তেনেকৈ ভালৰ ধাৰণা থকা যথেষ্টসংখ্যক অভিভাৱক বিচাৰি উলিওৱা বা প্ৰশিক্ষিত কৰি তোলাও সহজসাধ্য হয়। তেনেকুৱা এজন দাৰ্শনিক ৰজা হ'ব পৰা মানুহৰ জন্ম

হ'ব পাৰে কিন্তু তেওঁক বিচাৰি উলিয়াই প্ৰশিক্ষিত কৰি তোলাহে কঠিন আৰু একপ্ৰকাৰ দুৰূহ কাম। তদুপৰি জনসাধাৰণৰ আটাইতকৈ শকত অংশটোক ৰাজনৈতিক ক্ষমতাৰপৰা আঁতৰত ৰাখিলে সেই অংশটো সন্তুষ্ট হৈ থাকিব বুলি ভাবি থকাটোও শুদ্ধ নহয়। জনসাধাৰণৰ এই অসন্তুষ্ট অংশটোৱে শেষত শাসক-সকলৰ আনুগত্য প্ৰকাশ কৰিবলৈ অসন্মতি জনালেও আচৰিত হ'বলৈ একো নাথাকিব। এই কাৰণেই প্লেটোৱে পৰামৰ্শ দি যোৱা দৰ্শনৰ শাসন আজিলৈকে পৃথিৱীৰ কোনো ৰাষ্ট্ৰতে প্ৰতিষ্ঠিত হোৱা নাই।

প্লেটোৱে এথেন্সবাসীসকলক অজ্ঞ অনুপযুক্ত স্বাৰ্থান্ধ আৰু অৰাজকতা-পূৰ্ণ শাসনৰপৰা ৰক্ষা কৰিবলৈ ঈশ্বৰপ্ৰদত্ত জ্ঞানসম্পন্ন কৰিবলৈ কিছুমান লোকক প্ৰশিক্ষিত কৰি তুলি তেওঁলোকৰ ওপৰত চৰকাৰ পৰিচালনাৰ ভাৰ অৰ্পণ কৰিবলৈ বিচাৰিছিল। তেওঁ দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে গণতন্ত্ৰৰ অধীনত সৃষ্টি হোৱা ৰাষ্ট্ৰৰ বিশৃংখল অৱস্থাৰ অৱসান ঘটাবলৈ দাৰ্শনিক ৰজাৰ শাসন প্ৰতিষ্ঠা কৰাত বাহিৰে অন্য উপায় নাই। দাৰ্শনিক ৰজাৰ শাসনৰ ৰাজনৈতিক অৱধাৰণাটো প্লেটোৰ চিন্তাৰ অন্যতম মৌলিক তত্ত্ব। কিন্তু প্লেটোৱে যি আহিৰ্ৰ দাৰ্শনিক ৰজাৰ কথা কৈছিল সেই ৰজা পোৱাটো বা সৃষ্টি কৰাটো একপ্ৰকাৰ অসম্ভৱ। এই কথাটো প্লেটোৱেও পাছত উপলব্ধি কৰিছিল আৰু সেই গতিকে তেওঁ দাৰ্শনিক ৰজা নাপালে জ্ঞান আৰু বুদ্ধি-বৃত্তিৰ মাপকাঠীৰে জুখি অভিজাতশ্ৰেণীৰ লোকসকলৰ দ্বাৰা প্ৰশাসনিক কাৰ্য্য পৰিচালনা কৰিবলৈ পৰামৰ্শ আগবঢ়াইছিল। তেওঁ কিন্তু সম্পত্তি আৰু জন্মৰ ভিত্তিত শাসকমণ্ডলী বাছি লোৱাৰ পক্ষপাতী নাছিল। এই শ্ৰেণীৰ শাসকসকল জ্ঞান আৰু যুক্তিৰদ্বাৰা পৰিচালিত হৈছিল। তেওঁলোককো সকলো আইন আৰু নিয়ম কানুনৰ ওপৰত স্থান দিয়া হৈছিল। কোনো বিচাৰালয়ৰ আগত তেওঁলোকক হাজিৰ কৰাব পৰা নগৈছিল। যদিও তেওঁলোকক আইনে কোনো বাধাপ্ৰদান কৰিব নোৱাৰিছিল আৰু তেওঁলোক জনমতৰ ওচৰত দায়ী নাছিল তথাপি তেওঁলোক সকলোপ্ৰকাৰ বাধানিষেধৰ ওপৰত নাছিল। তেওঁ-লোকেও ৰাষ্ট্ৰৰ সংবিধানৰ মৌলিক অনুচ্ছেদবোৰ মানি চলিব লাগিছিল আৰু তেওঁলোকে হঠাতে ইচ্ছা কৰিয়েই সংবিধানৰ মৌলিক উপাদানবোৰ সংশোধন কৰিব ল'ব নোৱাৰিছিল।

ষষ্ঠ অধ্যায়

প্লেটোৰ সাম্যবাদ

প্লেটোৰ 'গণৰাজ্য'ৰ পঞ্চম পুস্তিকাৰপৰা সপ্তম পুস্তিকালৈ যিবোৰ বিষয় আলোচনা কৰা হৈছে সেইবোৰক গণৰাজ্য'ৰ এটা সুকীয়া অংশ বুলি ক'ব পাৰি। কিয়নো এই অংশটো ইয়াৰ আগৰ অংশ আৰু ইয়াৰ পিছৰ অংশৰ লগত যথেষ্ট বেলেগ। সেই গতিকে কিছুমান সমালোচকে ভাবে যে গণৰাজ্য'ৰ এই অংশটো পাছত লিখি মাজতে সুমুৱাই দিছিল। গণৰাজ্য'ৰ পাঠকসকলে চতুৰ্থ পুস্তিকাৰ শেষৰ-পৰা অষ্টম পুস্তিকাৰ আৰম্ভলৈকে বিষয়বস্তুৰ কোনো বিসংগতি লক্ষ্য নকৰাকৈ অধ্যয়ন কৰি যাব পাৰে। গণৰাজ্যৰ এই অংশটোৰ সুৰ আগৰ অংশৰ লগত বেলেগ। ইয়াত প্লেটোৱে মানৱ জাতিক আৱৰি থকা অনিষ্টকৰ আৰু বিপদসংকুল কথাবোৰৰ ওপৰত তীব্ৰ তিক্ততা ব্যক্ত কৰিছে আৰু সেইবোৰৰ সংস্কাৰৰ বাটত থকা অসুবিধাবোৰ পুংখানুপুংখৰূপে আলোচনা কৰিছে।

প্লেটোৰ প্ৰথম চাৰিখন পুস্তিকা প্ৰথমে প্ৰকাশ পাইছিল আৰু এইবোৰৰ ওপৰত সমালোচকসকলে আগবঢ়োৱা কঠিন সমালোচনাবোৰ তেওঁ যথাযথভাৱে পৰীক্ষা কৰি পাছৰ পুস্তিকাবোৰত আদৰ্শৰাষ্ট্ৰৰ ছবিখন বেছি স্পষ্ট আৰু নিখুঁত কৰিবলৈ চেষ্টা কৰিছে। অৱশ্যে তেওঁ গণৰাজ্যৰ আৰম্ভণিৰপৰাই এই অংশটোৰ বিষয়ে মাজে মাজে ইংগিত দি আছিল। কথাপ্ৰসংগত তেওঁ মাজে মাজে উল্লেখ কৰিছিল যে কিছুমান গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত তেওঁৰ বহুতো ক'ব-লগীয়া আছে। আধুনিক বিখ্যাত গ্ৰন্থবোৰতো লেখকসকলে মূল প্ৰতিপাদ্য বিষয়টো প্ৰথমে সাধাৰণ আৰু উপৰুৱাভাৱে উল্লেখ কৰে। ইয়াৰ কাৰণ এইটো নহয় যে তেওঁলোকে পাঠকসকলক এটা উৎকণ্ঠিত অৱস্থাত ৰাখিবলৈ বিচাৰে। ইয়াৰ কাৰণ হৈছে লেখকসকলে তেওঁলোকৰ গ্ৰন্থৰ শেষাংশতহে মূল বিষয়টো খৰচি মাৰি আলোচনা কৰিবলৈ ভাল পায়। প্লেটোৱেও একেদৰেই তেওঁৰ বিষয়বস্তুবোৰ উপস্থাপন কৰিছিল।

গণৰাজ্যৰ পঞ্চম পুস্তিকাৰ লগত আগৰ পুস্তিকাবোৰৰ সম্বন্ধ দেখুৱাবলৈ আগতে আলোচনা কৰা দুই-এটা কথা পুনৰ উল্লেখ কৰিব লাগিব। প্লেটোৱে এটা মূল নীতি আৱিষ্কাৰ কৰিবলৈ অনবৰত চেষ্টা কৰিছিল যিটো নীতিৰ সহায়ত মানৱসমাজত উৎকৃষ্ট মানৱ জীৱন গঢ়ি তুলিব পাৰি। অনুসন্ধান কৰি তেওঁ এইটো দেখিবলৈ পাইছিল যে কোনো মানুহেই স্বয়ংসম্পূৰ্ণ নহয়, প্ৰত্যেককে সমাজৰ সহায়-সহযোগ লাগে আৰু লগতে প্ৰত্যেকেই সমাজৰ উন্নতিৰ বাবে কিবা

অলপ বৰগুণি যোগাব পাৰে। ইয়াৰপৰা এই কথাটো ওলাই পৰে যে মানৱসমাজৰ আদৰ্শ হৈছে সকলোবোৰ মানুহকে সুসংবদ্ধভাৱে সংগঠিত কৰা। ইয়াত প্ৰত্যেকে যিমান পাৰে সিমান বেছি বৰগুণ সমাজৰ উন্নতিৰ বাবে আগবঢ়াব লাগে আৰু সমাজৰপৰা তেওঁৰ বাবে যিমান বেছি আৱশ্যক সিমান বেছি সুবিধা পাব লাগে। সমাজত প্ৰত্যেকে নিজৰ যোগ্যতা অনুসৰি কাম কৰিব লাগে আৰু ইয়াৰ ফলত প্ৰত্যেকে নিজৰ ভালৰ বাবে আৰু আনৰ ভালৰ বাবে তেওঁৰ সাধ্যানুসৰি তেওঁৰ বাবে উপযুক্ত কাৰ্যখিনি উৎকৃষ্টভাৱে কৰিব। যিটো মূল নীতিৰ ভিত্তিত এনে এখন মানৱসমাজ গঠিত হ'ব পাৰে সেই মূল নীতিটো ন্যায়ৰ আধাৰত ৰচিত হ'ব লাগিব। ন্যায় স্থায়ীভাৱে প্ৰতিষ্ঠিত কৰিবলৈ প্লেটোৱে যিখন নিখুঁত ৰাষ্ট্ৰৰ কল্পনা কৰিছিল সেই ৰাষ্ট্ৰখনৰ ধাৰণা ছেণ্ট প'লৰ নিখুঁত গীৰ্জা বা সৰ্বাংগসুন্দৰ নৈতিক সমাজৰ ধাৰণাৰপৰা বেলেগ নহয়। মানুহক নিখুঁত আৰু সৰ্বাংগসুন্দৰ কৰি গঢ়ি তোলাৰ উদ্দেশ্যেই প্লেটোৰ দৰে ছেণ্ট প'লেও চিন্তা কৰিছিল।

ওপৰত উল্লেখ কৰা নীতিৰ ওপৰত প্ৰতিষ্ঠিত ৰাষ্ট্ৰ এখনৰ বৰ্ণনাত এটা মূল বিষয় প্লেটোৰ গণৰাজ্যৰ চতুৰ্থ পুস্তিকা আৰু পঞ্চম পুস্তিকাৰ মাজত সংযোগ কৰিছে। এই বিষয়টোৱেই হৈছে তেওঁৰ বহু বিতৰ্কিত পৰিবাৰৰ সাম্যবাদৰ প্ৰস্তাৱ। ইয়াৰ লগতে তেওঁ পুৰুষ আৰু নাৰীৰ সামাজিক কাৰ্য্যৰ বিষয়েও এটা প্ৰস্তাৱ আগবঢ়াইছে। প্ৰথমতে তেওঁ উপযুক্তভাৱে কৈছে যে আদৰ্শ সমাজত অভিভাৱকসকলৰ মাজত ব্যক্তিগত পৰিয়াল আৰু ব্যক্তিগত সম্পত্তি থাকিব নোৱাৰে। ইয়াৰ অৰ্থ হৈছে সমাজৰ সামাজিক জীৱনত পুৰুষ আৰু নাৰী উভয়ে অংশ গ্ৰহণ কৰা উচিত। প্লেটোৱে আগবঢ়োৱা এই পৰামৰ্শটো অসম্ভৱ যেন লাগিলেও তেওঁ এইটো অসংগত আৰু সাময়িকভাৱে উলিয়াই দিয়া নাছিল। আদৰ্শ সমাজৰ বাবে আগবঢ়োৱা প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ প্ৰস্তাৱটো আশ্চৰ্য্য আৰু লগতে অনন্যও আছিল। আদৰ্শ সমাজ এনেকুৱা এখন সমাজ হ'ব যিখন সমাজৰ প্ৰত্যেকজন মানুহ সমাজৰ একো একোটা সাপেক্ষিক অংশগ্ৰহণকাৰী হ'ব। তেওঁৰ কোনো ব্যক্তিগত বস্তু নাথাকিব সমূহীয়া জীৱনৰ কিছুমান বাহ্যিক কাম কৰিয়েই তেওঁ সন্তুষ্ট থাকিব নোৱাৰে তেওঁ নিজে অন্তৰৰপৰা অনুভৱ কৰিব লাগিব যে তেওঁ নিজেও আন আনুহবোৰৰ দৰে এজন। 'পৰিবাৰৰ সাম্যবাদ' এই বিবদমান কথাটোৰ অৱতাৰণা কৰি প্লেটোৱে ইয়াৰ মৌলিক নীতিটো ব্যাখ্যা কৰিবলৈ আগবাঢ়িছে আৰু ইয়াৰ পূৰ্ণ ফলাফলবোৰ বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছে।

কিন্তু পঞ্চম পুস্তিকাত তেওঁ যিবোৰ কথা আলোচনা কৰিছে সেইবোৰৰ লগত ইয়াৰ চকুত পৰা সম্পৰ্ক বৰ কম। এই পুস্তিকাখনৰ বিভাজন কৰোঁতে তেওঁ তিনিটা প্ৰধান অসুবিধাৰ সম্মুখীন হৈছিল। এই অসুবিধাকেইটাক ছক্ৰেটিছে তিনিটা ঢৌৰ লগত তুলনা কৰিছে। ক্ৰমান্বিত অহা এই ঢৌ তিনিটা ক্ৰমশঃ বেছি প্ৰবল হৈ আহিছিল। প্ৰথম ঢৌটো হৈছে পুৰুষ আৰু নাৰীক কেনেকৈ একে

শিক্ষাব্যৱস্থা দিয়া যায় আৰু কেনেকৈ তেওঁলোকে একে সামাজিক কামৰ বাবে উপযুক্ততা লাভ কৰিব পাৰে। দ্বিতীয় টোটো হৈছে—উচ্চ শ্ৰেণীৰ লোকসকলৰ মাজত বৰ্তমানে চলি থকা পৰিয়ালবোৰ নাইকিয়া হ'ব আৰু ইয়াৰ ঠাইত তেওঁ-লোক আটায়ে এটা পৰিয়ালত মিলিত হ'ব। তৃতীয় টোটো হৈছে—দাৰ্শনিক শাসকৰ সাৰ্বভৌমত্ব প্ৰতিষ্ঠিত হ'লেহে সমাজৰ প্ৰকৃত মুক্তি সাধিত হ'ব। শেষৰ টোটোৰ অতি সহজ অৰ্থ হৈছে—মানুহৰ জীৱনটো আদৰ্শ জীৱন কৰি গঢ়ি তুলিব লাগিলে সম্ভৱপৰ উৎকৃষ্ট জ্ঞানৰদ্বাৰা মানুহৰ জীৱনটো নিয়ন্ত্ৰণ কৰিব লাগিব আৰু এই নিয়ন্ত্ৰণ সকলো ফালৰপৰা সকলো বিষয়ৰে ওপৰত চলিব লাগিব আৰু সমাজৰ আদৰ্শ কাৰ্য্যত পৰিণত কৰিব লাগিলে গভীৰ জ্ঞানসম্পন্ন মানুহবোৰে শাসনভাৰ গ্ৰহণ কৰিব লাগিব। ইয়াতে আমি মনত ৰখা উচিত হ'ব যে প্লেটোৱে বহুদিন ধৰি মনতে সাঁচি ৰখা আৰু ভয়তে ব্যক্ত নকৰা এটা ভাৱৰ কথা ইয়াত ব্যক্ত কৰিছে। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন তেওঁ যিটো মূল নীতিৰ ওপৰত প্ৰতিষ্ঠিত কৰিবলৈ বিচাৰিছিল ই তাৰেই শেষ পৰিণতি। ইয়াত তেওঁ কথাবোৰ এনেভাৱে বৰ্ণনা কৰিছে যেন তেওঁৰ মনত থকা এই ধাৰণাটো আৰু সাম্যবাদৰ মাজত কিবা এটা ঘনিষ্ঠ সম্পৰ্ক আছে। গতিকে তিনিটা টোৰ ওপৰত যিবোৰ যুক্তিৰ অৱতাৰণা কৰা হৈছে সেইবোৰেই এটা দীঘলীয়া আলোচনাৰ ঠাই দখল কৰিছে। বহুতে প্ৰথমে আচৰিত হ'ব পাৰে যে এই দুটা বিষয়ৰ মাজত কি বিশেষ সম্পৰ্ক থাকিব পাৰে। প্লেটোৱে এই বিষয়ে যিটো সম্পৰ্কৰ কথা ভাবিছিল সেইটো হৈছে এই—প্ৰকৃত জ্ঞানৰদ্বাৰা সমাজখন পৰিচালিত হ'লে মানুহবোৰে তেওঁলোকৰ প্ৰকৃত স্বাৰ্থ ভালদৰে আৰু পৰিষ্কাৰভাৱে দেখিলে তেওঁলোকে বুজি উঠিব যে নিখুঁত সমূহীয়া জীৱন যাপন কৰিব পাৰিলেহে তেওঁলোকে প্ৰকৃত সুখ-শান্তি পাব। প্লেটোৱে মানুহৰ প্ৰকৃতিত এনে কিছুমান উপাদান দেখিবলৈ পাইছিল যিবোৰ উপাদান ঠিকভাৱে ব্যৱহাৰ কৰিব পাৰিলে সমূহীয়া জীৱন-প্ৰতিষ্ঠা কৰা আৰু চলোৱা টান কাম নহয়। মানুহৰ আটাইতকৈ উচ্চতম বস্তুটো হৈছে সেইটো যিটোৱে তেওঁক মানুহ কৰি গঢ়ি তোলে আৰু যিটোৰ সহায়ত তেওঁ স্বৰ্গীয় আনন্দ পাব পাৰে। এই উপাদানটো দাৰ্শনিক উপাদান। এই উপাদানটোৱে মানুহৰ ওপৰত যিমান বেছি প্ৰভাৱ বিস্তাৰ কৰে সিমানেই ভাল। মানুহৰ গাত থকা নীচ উপাদানবোৰৰ ওপৰত এই উপাদানটোৱে সম্পূৰ্ণ প্ৰাধান্য বিস্তাৰ কৰিলে এটা নিখুঁত সমূহীয়া জীৱনৰ সৃষ্টি হয়। আন কথাত কবলৈ গ'লে মানুহৰ গাত থকা দাৰ্শনিক উপাদানটোৱে আন আন উপাদানবোৰৰ ওপৰত সম্পূৰ্ণ প্ৰাধান্য বিস্তাৰ কৰিব পাৰিলেহে এখন নিখুঁত সমাজ গঢ়ি উঠে। অন্য এটা ফালৰপৰা কথাটোৰ ওপৰত দৃষ্টিপাত কৰিলে এইটো দেখিবলৈ পোৱা যায় যে, জীৱনৰ সকলোবোৰ অমংগল আৰু অনিষ্ট আপোনপেটা স্বভাৱৰপৰা উদ্ভৱ হয়। আপোনপেটীয়া স্বভাৱৰ কাৰণে মানুহে তুলকৈ নিজৰ স্বাৰ্থ সিদ্ধি কৰি-

বলৈ বিচাৰে। ইয়াৰপৰা মানুহে যিখিনি সন্তুষ্টি লাভ কৰে সেইখিনিৰপৰা মানুহৰ উচ্চ উপাদানবোৰ পৰিতৃপ্ত নহয় কেৱল নীচ উপাদানবোৰহে পৰিতৃপ্ত হয়। উদাৰ স্বভাৱৰ মানুহে আনৰ লগত সম্পূৰ্ণভাৱে সমহীয়া জীৱন যাপন কৰিব পাৰে কিয়নো তেনেবোৰ মানুহক তেওঁৰ গাত থকা দাৰ্শনিক উপাদান টোৱে পৰিচালনা কৰে। এইদৰে সাম্যবাদ আৰু দৰ্শনৰ সাৰ্বভৌমত্বক লগ লগাই প্লেটোৱে এই পুস্তিকাখনত আলোচনা কৰিছে আৰু ইযেই তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ অন্তৰ্নিহিত নীতিৰ শেষ পৰিণতি আছিল।

প্লেটোৱে যেতিয়া এই প্ৰস্তাৱটো দাঙি ধৰিছিল যে কিবা প্ৰকাৰে দৰ্শনক ৰাষ্ট্ৰৰ ভিতৰত সাৰ্বভৌম কৰিব লাগিব তেতিয়া আমি তেওঁৰ মনৰ এই ধাৰণাটোৰ দুটা ফাল একেলগে লক্ষ্য কৰিব পাৰোঁ।

মানুহৰ মনত থকা দাৰ্শনিক উপাদানটোৱে মানুহক বোধশক্তি দিয়ে আৰু আনৰ লগত ভাই বন্ধুৰ দৰে থাকিবলৈ শিকায়। এই উপাদানটোকে আমি কেতিয়াবা কেতিয়াবা কাল্পনিক উপাদান বুলিও কওঁ। এই উপাদানটোৱে আমাক স্বাধীনভাৱে চিন্তা কৰিবলৈ স্বতঃস্ফূৰ্ত উদগনি দিযে যাৰদ্বাৰা মানুহে যি কোনো বস্তু বা কামৰ গুৰি কথা বিচাৰি উলিয়াবলৈ ইচ্ছা কৰে। এটা নিশ্চিত সীমাৰ ভিতৰত প্ৰত্যেক মানুহৰে এই উপাদানটো আছে আৰু এইটো অবিহনে মানুহ প্ৰকৃততে মানুহ নামৰ উপযোগী হ'বই নোৱাৰে, কিন্তু বেছিভাগৰে ক্ষেত্ৰত এই উপাদানটো অপ্ৰধান আকৃতিত থাকে। এই উপাদানটোৱে মানুহক যুক্তিৰপৰা অহা কিছুমান উপদেশ মানি চলিবলৈ শিকায়, সমাজেও তেওঁলোকক এইবোৰ শিক্ষা দিযে। এইবোৰ মানি চলি তেওঁলোকে ঠিক কাম কৰা বুলি অনুভৱ কৰে। কিন্তু এই উপাদানটো মাত্ৰ কিছুমান মানুহৰ মনতহে থাকে। এইটো পৰিষ্কাৰ যে মানুহৰ মনত এই উপাদানটো শক্তিশালী নহলে ইয়াৰ ফলত বহুতো অন্যায় আৰু অসুবিধাৰ সৃষ্টি হয়। প্লেটো এই কথাত বিশেষভাৱে পতিয়ন গৈছিল। আকৌ এই উপাদানটোৰ উন্নতি ভুলকৈ হ'লে ইয়াৰ ফলত সমাজ এখন ধ্বংসও হ'ব পাৰে। পৃথিৱীত সৰহসংখ্যক মানুহে কোনো ডাঙৰ ভাল কামো নকৰে আৰু কোনো ডাঙৰ অন্যায়ো নকৰে। পৃথিৱীত যিয়ে ডাঙৰ অন্যায় কৰে বা মহৎ ক্ষতিসাধন কৰে তেও এইটো কৰাৰ কাৰণ হৈছে তেওঁৰ মনত থকা দাৰ্শনিক উপাদানটো ভুল পথে পৰিচালিত হোৱা। মানুহৰ মংগল সাধন কৰিব লগীয়া হ'লে মানুহৰ গাত থকা এই উপাদানটো ধ্বংসকাৰী শক্তি হিচাপে গঢ়ি উঠিবলৈ দিব নালাগিব মানুহৰ সেৱাত লগা শক্তি হিচাপেহে গঢ়ি তুলিব লাগিব আদৰ্শ ৰাষ্ট্ৰত শিল্পীসুলভ প্ৰবৃত্তি আৰু যুদ্ধপ্ৰিয় প্ৰবৃত্তি ৰাষ্ট্ৰৰ সেৱাৰ কামত ব্যৱহাৰ কৰিবলৈ লোৱা হৈছে। মানুহৰ মনৰ সবাতোকৈ শক্তিশালী উপাদান চিন্তাশক্তিকো ৰাষ্ট্ৰৰ সেৱাৰ কামত ব্যৱহাৰ কৰা উচিত। আকৌ মানুহৰ মনৰ দাৰ্শনিক উপাদানটোক আধ্যাত্মিক উপাদান বুলিও কোৱা হৈছিল। মধ্য যুগ

আৰু আধুনিক যুগত দাৰ্শনিকসকলৰদ্বাৰা শাসিত হোৱা ৰাষ্ট্ৰক 'আধ্যাত্মিক ৰাষ্ট্ৰ' বুলি আখ্যা দিয়া হৈছিল। আধ্যাত্মিক ৰাষ্ট্ৰৰ অৰ্থ বিভিন্ন মানুহে বিভিন্ন ধৰণে কৰিছিল। ৰাষ্ট্ৰৰ এই অৱধাৰণাটো বেলেগ বেলেগ সময়ত বেলেগ বেলেগ যুগত প্ৰকাশ পাইছিল। মধ্য যুগৰ কেথলিক গীৰ্জাও ইয়াকেই এটা ফল বুলি বহুতে ভাবে। সোতৰ শতিকাত ইংলেণ্ডত বহুতো মানুহৰ ধাৰণা আছিল যে ধৰ্মৰদ্বাৰা ৰাষ্ট্ৰ শাসিত হোৱা উচিত।

ৰাষ্ট্ৰৰ প্ৰকৃত ধাৰণাৰ ওপৰত প্লেটোৱে বৈপ্লৱিক পৰিবৰ্তন সাধন কৰিব বুলি বিচাৰিছিল আৰু এই পৰিবৰ্তনৰ আহিলা হিচাপে তেওঁ সাম্যবাদৰ আঁচনি যুগুত কৰিছিল । ৰাষ্ট্ৰৰ ধাৰণা পৰিবৰ্তনৰ ক্ষেত্ৰত সাম্যবাদৰ স্থান সেই গতিকে বিশেষ উল্লেখযোগ্য। সাম্যবাদৰ বিষয়ে আলোচনা কৰাৰ আগেয়ে আমি ইয়াৰ বিৰুদ্ধে সততে উঠি থকা ভুল বুজাবুজি বা ভ্ৰান্তিবোৰৰ বিষয়ে জানি ল'ব লাগিব। এটা কথা সততে কোৱা হয় যে সাম্যবাদে ব্যক্তিৰ স্থান নাইকিয়া কৰিব। সাম্যবাদৰ অধীনত ব্যক্তিয়ে তেওঁৰ সকলোখিনি ৰাষ্ট্ৰৰ নামত ত্যাগ কৰিব লাগিব আৰু তাৰ ফলত ব্যক্তিৰ ব্যক্তিত্ব বিকাশৰ পথ বন্ধ হৈ যাব প্লেটোৱে যেতিয়া সাম্যবাদৰ আঁচনি যুগুত কৰিছিল তেতিয়া তেওঁৰ মনলৈ এইবোৰ চিন্তা অহা নাছিল। তেওঁৰ মনত সাম্যবাদৰ অৰ্থ আছিল এয়ে যে ব্যক্তিবোৰে এটা সমূহীয়া জীৱন যাপন কৰা উচিত। তেওঁ এইটো ভবা নাছিল যে ব্যক্তিয়ে এটা সমূহীয়া জীৱন যাপন কৰিব লাগিলে তেওঁৰ সৰ্বস্ব সমাজ বা জাতিৰ নামত উছৰ্গা কৰিব লাগিব। বৰং তেও তেতিয়া দাবী কৰিছিল যে সমাজৰ উন্নতিৰ কাৰণে সকলো ব্যক্তিয়ে উৎকৃষ্টভাৱে কাম কৰিব লাগিব। তেওঁ তেতিয়া মুঠেও ভবা নাছিল যে তাৰ ফলত ব্যক্তিৰ কিবা অনিষ্ট সাধন হ'ব। তেও তেতিয়া ইয়াৰদ্বাৰা ব্যক্তিৰ যোগ্যতা আৰু সামৰ্থ্যখিনিৰ উৎকৰ্ষ সাধন হৈ সমাজৰ উন্নতিৰ লগতে ব্যক্তিৰো উন্নতি সাধন হ'ব বুলিহে বিশ্বাস কৰিছিল । কিয়নো সমাজৰ উন্নতি হ'লেই ব্যক্তিৰ উন্নতি হয় সমাজৰ উন্নতিৰ ভাগ ব্যক্তিয়ে উপভোগ নকৰিব কোনে উপভোগ কৰিব ? ব্যক্তিৰ জীৱন সৰ্বোচ্চ স্তৰলৈ উন্নীত হ'ব লাগিলে ৰাষ্ট্ৰৰ কামত আটাইতকৈ বেছিসংখ্যক ব্যক্তিয়ে অংশগ্ৰহণ কৰিবলৈ সুযোগ পাব লাগিব। আটাইতকৈ কমসংখ্যক ব্যক্তিয়ে ৰাষ্ট্ৰৰ কামত অংশগ্ৰহণ কৰিবলৈ সুযোগ পালে আৰু বাকীবোৰ বঞ্চিত হ'লে ব্যক্তিৰ জীৱন আটাইতকৈ নিম্ন স্তৰত থাকি যাব। ব্যক্তিসকলে সমূহীয়া জীৱনত অংশগ্ৰহণ কৰিবলৈ সুযোগ পোৱা মানেই ৰাষ্ট্ৰৰ কামত অংশগ্ৰহণ কৰিবলৈ সুযোগ পোৱা হ'ল। কিয়নো এই সমূহীয়া জীৱনযাপনৰ যোগেদি ৰাষ্ট্ৰৰ উন্নতি সাধন হ'ব।

প্লেটোৱে সাম্যবাদৰ প্ৰস্তাৱটো বহুতো দৃষ্টিকোণৰপৰা বিবেচনা কৰিবহে উত্থাপন কৰিছে। বৰ্তমান যুগৰ সাম্যবাদৰ লগত প্লেটোৰ সাম্যবাদৰ প্ৰস্তাৱৰ বৰ বেছি মিল নাই। দৰিদ্ৰতাৰ ফলত উদ্ভৱ হোৱা অনিষ্ট আৰু অমংগলবোৰ

নাইকিয়া কৰিবলৈ প্লেটোৱে তেওঁৰ সাম্যবাদৰ প্ৰস্তাৱ আগবঢ়োৱা নাছিল। প্লেটোৱে কেৱল উচ্চ শ্ৰেণী দুটাৰ মানুহবোৰৰ বাবেহে তেওঁৰ সাম্যবাদৰ প্ৰস্তাৱ কাৰ্য্যকৰী কৰিবলৈ বিচাৰিছিল। কিন্তু সকলোবোৰ সাম্যবাদী ব্যৱস্থাৰে এটা কথাত মিল আছে ঃ সেইটো হৈছে সকলোবোৰ সাম্যবাদী ব্যৱস্থাই সমাজত চলি থকা অপায় অমংগলবোৰ মানুহৰ বাহ্যিক জীৱন নিয়ন্ত্ৰণ কৰি সমাধান কৰিব'ল বিচাৰে। কিছুমান সাম্যবাদী ব্যৱস্থাত মানুহৰ সমস্ত বাহ্যিক জীৱন নিয়ন্ত্ৰণৰ ব্যৱস্থা আছে আৰু আন কিছুমান সাম্যবাদী ব্যৱস্থাত মানুহৰ বাহ্যিক জীৱনৰ অংশবিশেষ নিয়ন্ত্ৰণৰহে ব্যৱস্থা আছে। প্লেটোৱে মানুহৰ জীবনৰ ওপৰত বাহ্যিক নিয়ন্ত্ৰণ স্থাপন কৰাৰ উপৰিও মানুহৰ মনৰ ওপৰতো নিয়ন্ত্ৰণ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। মানুহৰ মনৰ পৰিবৰ্তন সাধন কৰিবলৈ আৰু মানুহৰ মনটো এটা নিৰ্দিষ্ট আৰ্হিৰে গঢ়ি তুলিবলৈ প্লেটোৱে শিক্ষাব্যৱস্থাৰ আশ্ৰয় গ্ৰহণ কৰিছিল। আইনৰদ্বাৰা মানুহৰ মনৰ পৰিবৰ্তন সাধন কৰাটো তেওঁ সম্ভৱপৰ বুলি ভবা নাছিল। সেই গতিকে তেওঁ আইন কৰি বাধ্যত সাম্যবাদ প্ৰতিষ্ঠা কৰাৰ কথা ভবা নাছিল। মানুহৰ মন ঠিক অৱস্থাত নাথাকিলে মানুহৰ শৰীৰ ঠিক অৱস্থাত কেতিয়াও থাকিব নোৱাৰে। মানুহৰ মন ঠিক কৰিব লাগিলে মানুহৰ মনক দৰৱ খুৱাব লাগিব আৰু এই দৰৱ হ'ব উপযুক্ত শিক্ষা। সেই বুলি প্লেটোৱে মানুহৰ বাহ্যিক জীবনৰ ওপৰত নিয়ন্ত্ৰণ থাকিব নালাগে বুলিও কোৱা নাছিল। কিয়নো মানুহৰ নিয়ন্ত্ৰণ স্থাপন কৰিলে তাৰ ফল নৈতিক জীৱনৰ ওপৰতো পৰে। অন্ততঃ নৈতিক জীৱনৰ উন্নতিৰ বাবে পৰিপূৰক হিচাপে ই কাম কৰিব পাৰে। মানুহৰ মনৰ পৰিবৰ্তন সাধন কৰিবলৈ প্লেটোৱে ব্যক্তিগত পৰিয়ালৰ বিলুপ্তিসাধন কৰিবলৈ ইচ্ছা কৰিছিল। তেওঁৰ মনত যথেষ্ট শিল্পীসুলভ সহানুভূতি থকা সত্ত্বেও প্লেটোৱে শিল্পকলাৰ ব্যৱহাৰৰ ক্ষেত্ৰত যিটো মতবাদ প্ৰচাৰ কৰিছিল সেইটো কাৰ্য্যকৰী কৰা হ'লে মানুহৰ জীৱনৰ ওপৰত শিল্পকলাৰ প্ৰভাৱ নাইকিয়া হ'লহেঁতেন। এই বিষয়ে তেওঁৰ মনত দুটা অনুভূতি জাগিছিল। তাৰে এটা হৈছে শিল্পকলাই মানুহৰ ভালৰ কাৰণে কি কৰিব পাৰে আৰু আনটো হৈছে শিল্পকলাই মানুহৰ অমংগলৰ বাবে কি কৰিব পাৰে। এই অনুভূতি দুটা পৰস্পৰবিৰোধী আছিল। এই অনুভূতি দুটাৰ সমন্বয় সাধনৰ ফল হ'ব দুয়োটাকে সীমিত কৰি ৰাষ্ট্ৰৰ সেৱাৰ বাবে শিল্প-কলাৰ প্ৰয়োগ কৰা। তেওঁ যেতিয়া সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ কথা ভাবিছিল তেওঁৰ মন তেতিয়া ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়ালৰ লগত জড়িত হৈ থকা অমংগলবোধে আবৰি ধৰিছিল। ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়াল এই দুটাই আপোনপেটীয়া স্বভাৱ সৃষ্টি হোৱা আৰু বৰ্দ্ধিত হোৱাৰ ভাণ্ডৰ আৰু সুৰক্ষিত স্থান আছিল। সেইবাবে তেওঁ ভাবিছিল যে মানুহে সমূহীয়া জীৱন যাপন কৰিলেহে উচ্চ জীৱন লাভ কৰিব পাৰিব।

এইটো কথাত কোনো সন্দেহ নাই যে ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়ালৰ লগত আপোনপেটীয়া স্বভাৱ জড়িত হৈ আছে। কিন্তু এই অনুষ্ঠান দুটাৰ দ্বাৰাই আপোনপেটীয়া স্বভাৱৰ জন্ম হৈছে নে নাই, সেইটোহে বিচাৰ কৰিবলগীয়া কথা। সমাজ সংস্কাৰৰ বাবে প্লেটো অতি উৎসাহী আছিল আৰু সেই উৎসাহৰ বশৱৰ্তী হৈ তেওঁ লিখিছিল যে এই অনুষ্ঠান দুটাই মানুহৰ মনত আপোনপেটীয়া ভাৱ সৃষ্টিৰ বাবে দায়ী। বাস্তৱত সমূহীয়া জীৱন প্ৰতিষ্ঠাৰ বাবে এই অনুষ্ঠান দুটাৰ অৱসান ঘটাব লাগিব আৰু ইয়াৰ লগত আপোনপেটীয়া স্বভাৱৰ অন্যান্য উৎসবোৰ নাইকিয়া হ'ব।

গণৰাজ্য'ৰ এই অংশটোত দুটা স্পষ্ট ধাৰণা একেলগ হৈ আছে। এটা ধাৰণা হৈছে, সমূহীয়া জীৱনেই সৰ্বোচ্চ জীৱন। এজন মানুহে সমূহীয়া জীৱন লৈ থকা মানে উচ্চ জীৱন লৈ থকা আৰু আনটো ধাৰণা হৈছে মানুহক সমূহীয়া জীৱন যাপন নকৰিবলৈ সকলোবোৰ লোভ-মোহ দেখুৱাই প্ৰৱঞ্চিত কৰা। পিছৰ ধাৰণাটোৱে সদায় মানুহক বেছিকৈ আকৰ্ষণ কৰে। পৃথিৱীত এই ধাৰণা দুটাৰ মাজত অবিৰতভাৱে সংঘাত চলি আছে। অনিষ্ট আৰু অমংগলৰ সকলোবোৰ সা সুবিধা আৰু স্থল নাইকিয়া কৰি প্লেটোৱে এখন আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। আনহাতে, অনিষ্ট আৰু অমংগলৰ স্থল আৰু সুবিধাবোৰ ৰাখিও আদৰ্শ নীতি প্ৰয়োগ কৰি মানুহক তাৰপৰা আঁতৰত ৰাখিব পৰা যায় আৰু এনেকৈও মানুহে উৎকৃষ্ট জীৱন লাভ কৰিব পাৰে। আগৰ ধাৰণাটো প্লেটোৱে পোষণ কৰিছিল আৰু পিছৰ ধাৰণাটো আছিল এৰিষ্টটলৰ। পিছৰ ধাৰণাটোও আদৰ্শ বাদৰ বিপৰীত নাছিল। এৰিষ্টটলৰো মানুহৰ জীৱনৰ ওপৰত আদৰ্শনীয় অৱ ধাৰণা আছিল। মানুহৰ জীৱনৰ সকলোখিনি উচ্চ জীৱন লাভ কৰিবলৈ প্ৰয়োগ কৰাটো কেতিয়াও সহজ কাম হ'ব নোৱাৰে। সেইবাবে অনিষ্ট আৰু অমংগলৰ ভয় থকা কিছুমান বস্তু বা কামৰ লগত সহযোগিতা ৰখা নকৰিলেও উপায় নাই। প্লেটোৰ তত্ত্বক সন্ন্যাস ধৰ্মৰ লগতো তুলনা কৰিব পাৰি। সন্ন্যাস ধৰ্মত পোৱা যায় যে মানুহে ভগৱানক সেৱা কৰিব লাগিলে ভগৱান অসন্তুষ্ট হোৱা কিছুমান লোভ-মোহৰপৰা আঁতৰত থাকিব লাগিব। আৰু এই কাৰণেই কেতিয়াবা কেতিয়াবা কোৱা হয় যে মানুহে ভগৱানক সন্তুষ্ট কৰিবলৈ পাৰ্থিৱ সুখ-শান্তিৰপৰাও আঁতৰি থাকিব লাগিব। অৱশ্যে কিছুমান লোকে ইয়াৰ বিপৰীত মতবাদ পোষণ কৰে তেওঁলোকে ক'ব যে এই পৃথিৱীত ভগৱানক সেৱা কৰাটো বৰ কঠিন আৰু ডাঙৰ কাম। এইখিনিতে এই কথাটোও মনত ৰাখিব লাগিব যে এই পৃথিৱীতে ভগৱানক সেৱা কৰিবলৈ কিছুমান মানুহে সন্ন্যাস আশ্ৰমত বাস কৰিবলৈ লয়। এই মানুহবোৰে পাৰ্থিৱ অৱস্থাৰ পাৰ্থিৱ ব্যৱহাৰ কৰিব নোৱাৰি এনেকৈ সন্ন্যাস ধৰ্ম গ্ৰহণ কৰে। কেতিয়াবা কেতিয়াবা ডাঙৰ মানুহবোৰ এটা আদৰ্শৰ দ্বাৰা প্ৰভাৱান্বিত হয়। সেই ভাৱটো হৈছে, মানুহৰ সমাজত বৌদ্ধজ্ঞান মানুহে

তেওঁলোকক আবৰি থকা অৱস্থাৰ প্ৰকৃত ব্যৱহাৰ কৰিব নোৱাৰে। আকৌ কেতিয়াবা কেতিয়াবা তেওঁলোক আন এটা ভাবৰদ্বাৰা প্ৰভাৱান্বিত হয়। সেইটো ভাব হৈছে—অৱস্থাৰ লগত চলাটোৱেই উত্তম উপায় অৱস্থাৰপৰা পলাই যোৱাটো ভাল নহয়।

পুৰুষ আৰু মহিলাই একে শিক্ষা আৰু একে কাৰ্য্যত অংশ গ্ৰহণ কৰিব পাৰিবনে ? প্লেটোৱে এই প্ৰশ্নটো প্ৰথমে আলোচনা কৰিছিল। আৰম্ভণিতে তেওঁ এটা নীতিৰ সহায়ত প্ৰশ্নটো আলোচনা কৰিবলৈ বিচাৰিছিল। তেওঁ কৈছিল যে এই প্ৰশ্নটো মীমাংসা কৰিবলৈ সমাজত নাৰীসকল কি কামৰ বাবে যোগ্য চাব লাগিব। প্লেটোৱে শাসকসকলক অভিভাৱক আখ্যা দিছিল। নাৰী বুলিলে তেওঁ অভিভাৱকসকলৰ তিৰোতাসকলকহে বুজাইছিল আনবোৰ নহয়। ইয়াৰপৰা এটা তুলনাৰ কথা তেওঁ কৈছিল। এই তুলনাটোৰদ্বাৰা তেওঁ অভিভাৱকসকলক ৰখীয়া কুকুৰৰ লগত ৰিজাইছিল। ৰখীয়া কুকুৰৰ ক্ষেত্ৰত লিংগৰ প্ৰশ্ন নুঠে মতা কুকুৰ আৰু মাইকী কুকুৰ উভয়কে ৰখীয়া কুকুৰৰ দায়িত্ব দিব পাৰি। মানুহৰ ক্ষেত্ৰত এইটো কিয় হ'ব নোৱাৰে তাৰ কিবা ভাল যুক্তি আছে জানো ? যদি কোনো ভাল যুক্তি নাই নাৰীসকলকো উপযুক্ত প্ৰশিক্ষণ দি পুৰুষৰ দৰে ৰাষ্ট্ৰীয় কামত নিয়োগ কৰিব পাৰি। প্ৰথমতে ইয়াৰ ফল উপহাসজনক আৰু হাস্যাস্পদ হ'ব পাৰে সেইটো কোনো ডাঙৰ চিন্তাৰ বিষয় নহয় চিন্তাৰ বিষয় হৈছে সমাজৰ মংগল সাধন কৰাটোহে। 'গণৰাজ্য'ৰ আৰম্ভণিৰপৰা শেষলৈকে প্লেটোৱে এই নীতিটোকে ব্যাখ্যা কৰিছে। এই বিষয়ত প্লেটো অপৰিমিতভাৱে উপযোগিতাবাদী আছিল আৰু সেই বাবে তেওঁ সমাজৰ মংগলক সকলোৰে ওপৰত স্থান দিছিল। এই খণ্ডত আমি প্লেটোৰ উপযোগিতাবাদৰ তীব্ৰ প্ৰকাশ দেখিবলৈ পাওঁ।

ওপৰত উল্লেখ কৰা নীতিটো গ্ৰহণ কৰিব লাগিলে আমি প্ৰথমে পুৰুষ আৰু নাৰীৰ পক্ষে একে কামতে অংশ গ্ৰহণ কৰাটো সম্ভৱপৰনে সুবিধ লাগিব। যদি এইটো সম্ভৱপৰ হয় প্লেটোৱে নিঃসন্দেহে কৈছে যে এইটো যুক্তিসংগত। কিন্তু প্লেটোৱে গণৰাজ্য'ৰ বিভিন্ন ঠাইত নিজ মুখেৰেই কৈছে যে ৰাষ্ট্ৰত বিভিন্ন মানুহৰ বাবে বিভিন্ন কাৰ্য্যব্যৱস্থা কৰিব লাগে আৰু এইটো নকৰিলে ৰাষ্ট্ৰত নানা অমংগল আৰু অনিষ্ট সংঘটিত হয়। গতিকে পুৰুষ আৰু নাৰীৰ বাবে বেলেগে বেলেগ কাৰ্য্যৰ ব্যৱস্থা থকাটো উচিত। কিন্তু প্লেটোৱে কৈছে যে এই যুক্তিটো গভীৰ আৰু শক্তিশালী নহয়। ই হৈছে কোনো এটা কলাৰ এটা নমুনা বা বাক-বিতণ্ডাৰ নমুনাহে যুক্তিৰ নমুনা নহয়। উপৰুৱাকৈ বিবেচনা কৰিলে এইটো সত্য যেন লাগে যদিও ভালকৈ বিচাৰ কৰিলে প্ৰকৃত পাৰ্থক্যবোৰ ওলাই পৰে। পুৰুষ আৰু নাৰীক বেলেগ বুলি ধৰি লৈ তেওঁলোকক বেলেগ বেলেগ বাজহুৱা কাৰ্য্য দিয়াটো, যেনে, দীঘল চুলি থকা মানুহ

আৰু মূৰত চুলি নোহোৱা বা টপমূৰা মানুহক বেলেগ বুলি ধৰি লৈ তেওঁলোকক জোতা চিলাই কৰিবলৈ নিদিয়াটোও তেনে। 'পাৰ্থক্য' বুলিলে শব্দটোৰ অৰ্থ বহল আৰু অস্পষ্ট। সেইবাবে আমি পুৰুষ আৰু নাৰীৰ মাজত কোনবোৰ পাৰ্থক্য আছে সেইটো বিচাৰ নকৰি তেওঁলোকৰ মাজত থকা বিশেষ পাৰ্থক্য দুই এটা উলিয়াই লৈ আমি যিবোৰ কাম তেওঁলোকৰ ওপৰত ন্যস্ত কৰিবলৈ বিচাৰোঁ সেইবোৰ কামৰ বাবে তেওঁলোকৰ সামৰ্থ্য আছে নে নাই সেইটো চোৱাহে প্ৰয়োজন। এইটোৱেই হৈছে আমাৰ বাস্তৱ প্ৰশ্ন বা সমস্যা। এইখিনিতে প্লেটোৱে আন এটা কথাৰ অৱতাৰণা কৰিছে। সেইটো হৈছে পুৰুষক পুৰুষ হিচাপে আৰু নাৰীক নাৰী হিচাপে প্ৰকৃতিয়ে বা ভগৱানে কোনো বিশেষ গুণ বা সামৰ্থ্য দিছে নেকি? উত্তৰত তেওঁ কৈছে দিয়া নাই। প্ৰায় সকলোবোৰ কাৰ্যতে পুৰুষে নাৰীতকৈ বেছি যোগ্যতা দেখুৱায়। এনেকুৱা এটা সাধাৰণ শ্ৰেষ্ঠত্ব পুৰুষৰ ক্ষেত্ৰত প্ৰায়ে দেখিবলৈ পোৱা যায়। কিন্তু তাৰবাবে পুৰুষ আৰু নাৰীয়ে কোনো বিশেষ প্ৰকতিদত্ত গুণ লাভ কৰিব নালাগে। এই কথাটো সত্য হ'লে পুৰুষৰ মাজত যেনেকৈ প্ৰকৃতিদত্ত পাৰ্থক্য আছে তেনেকৈ নাৰীৰ মাজতো প্ৰকতিদত্ত পাৰ্থক্য আছে। কিছুমান নাৰী দাৰ্শনিক হোৱাৰ যোগ্য কিছুমান সৈনিক হোৱাৰ যোগ্য আৰু তেনেকৈ আনবোৰ আন আন কামৰ বাবে যোগ্য।

প্লেটোৱে কৈছে যে ৰাষ্ট্ৰৰ স্বাৰ্থতে ৰাষ্ট্ৰৰ ভিতৰত থকা সকলো পুৰুষ নাৰীক উৎকৃষ্ট মানুহ হিচাপে গঢ়ি উঠিব আৰু কোনো এটা শিক্ষাব্যৱস্থাই ভাল পুৰুষ সৃষ্টি কৰিব পাৰিলে ভাল নাৰীও সৃষ্টি কৰিব পাৰিব। গতিকে শাসকসকলে যিবোৰ বিষয় অধ্যয়ন কৰিব লাগে আৰু যিবোৰ কাৰ্য্য কৰিব লাগে তেওঁলোকৰ পৰিবাৰসকলেও সেইবোৰ বিষয় অধ্যয়ন আৰু সেইবোৰ কাৰ্য্য কৰিব লাগে। ইয়াত প্লেটোৱে আকৌ তেওঁ প্ৰথমতে উল্লেখ কৰা নীতিটোৰে পুনৰ অৱতাৰণা কৰিছে। তেওঁৰ মতে কেৱল এটা বস্তুৱেই ধুনীয়া যিটোৱে ভাল কৰে আৰু এটা বস্তুৱেই কুৎচিৎ যিটোৱে অন্যায় কৰে।

আলোচনাপ্ৰসংগত প্লেটোৱে কোনো ঠাইতে নাৰীৰ অধিকাৰৰ বিষয়ে কোৱা নাছিল। তেওঁ কেৱল সমাজৰ প্ৰতি নাৰীসকলৰ কৰ্তব্যৰ বিষয়েহে কৈছিল। প্লেটোৱে নাৰীসকলক এটা শ্ৰেণী হিচাপে ধৰি তেওঁলোকৰ স্বাৰ্থ ৰক্ষাৰ বাবে কোনো প্ৰস্তাৱ আগবঢ়োৱা নাছিল বৰং সমাজৰ স্বাৰ্থ ৰক্ষাৰ বাবেহে তেওঁলোকৰ কাৰ্য্য নিৰ্ধাৰণ কৰিছিল। সমাজৰ প্ৰকৃত উন্নতি সাধনে আন সকলো কথাৰ ওপৰত স্থান পাব লাগে। প্লেটোৰ এই কথাষাৰত বেছিভাগ মানুহৰে আপত্তি কৰিবলৈ একো নাই। সমাজৰ মংগলৰ অৰ্থে সকলোবোৰ মানুহৰ মাজত সহযোগিতা যিমানেই বাঢ়ে আৰু প্ৰত্যেকেই ইয়াৰ বাবে যিমানেই বেছি বৰঙণি যোগায় সিমানেই ভাল। কিন্তু সমস্যাটো হৈছে কেনেকৈ জনমংগলৰ এই অৱধাৰণাটো উৎকৃষ্টভাৱে বাস্তৱত ৰূপায়িত কৰিব পৰা যায়। প্লেটোৰ মতে পুৰুষ আৰু নাৰী উভয়ে একেলগে সমাজৰ মংগলৰ বাবে

কাম কৰিব পাৰে। প্লেটোৰ দৃষ্টিত ৰাষ্ট্ৰৰ প্ৰধান কাৰ্য্য হৈছে সিদ্ধান্তমূলক, প্ৰশা-সনীয় আৰু যুদ্ধ-বিগ্ৰহ সম্পৰ্কীয়। কিন্তু মানুহে সংসদৰ সদস্য নোহোৱাকৈ বা সৈন্য বিভাগত যোগ নিদিয়াকৈও বহুতো ৰকমে সমাজৰ প্ৰতি সেৱা আগবঢ়াব পাৰে। গতিকে আমি প্লেটোৰ নীতি আৰু ইয়াৰ কাৰ্য্যকাৰিতাৰ মাজত থকা পাৰ্থক্যখিনি বিচাৰি উলিয়াব লাগিব আৰু সেইটো কৰিব লাগিলে তেওঁৰ সময়ৰ বাস্তৱ পৰি স্থিতিৰ বুজ ল'ব লাগিব। পুৰুষ আৰু নাৰীৰ মাজত সহযোগিতা বাঢ়ি গ'লেই সমাজৰ উন্নতিও বাঢ়ি যাব বুলি ধৰি ল'ব নোৱাৰি। কিন্তু আমি তেওঁৰ সিদ্ধান্তটো এইবুলি কৈয়েই অগ্ৰাহ্য কৰিব নোৱাৰোঁ যে পুৰুষ আৰু নাৰী বেলেগ আৰু সেই-বাবে পুৰুষ আৰু নাৰীয়ে বেলেগ বেলেগ কাম কৰিব লাগিব। পুৰুষ আৰু নাৰীৰ মাজত কোন কোন বিষয়ত পাৰ্থক্য আছে আমি সেইটো বিবেচনা কৰিব লাগিব। এৰিষ্টটলে এই প্ৰশ্নটোৰ বিষয়ে আলোচনা কৰোঁতে এটা মূল তত্ত্বৰপৰা আৰম্ভ কৰিছিল। সেই তত্ত্বটো হৈছে—পুৰুষ আৰু নাৰীৰ মাজত থকা পাৰ্থক্যই সমাজত তেওঁলোকে কৰিবলগীয়া কাৰ্য্যৰ ওপৰত প্ৰভাৱ পেলাইছে। গতিকে তেওঁলোকে একে কাম কৰা উচিত নহয়। বেলেগ বেলেগ কাম কৰি পুৰুষ নাৰী উভয়েই উভয়ৰ পৰিপূৰক হোৱা উচিত। মানুহক বন্য জন্তুৰ লগত তুলনা কৰাৰ সাৰ্থকতা নাই। কিছুমান বিষয়ত পুৰুষ আৰু নাৰীৰ মাজত চৰিত্ৰৰ বৰ বেছি পাৰ্থক্য নাথাকিব পাৰে। জন্তুবোৰে মানুহৰ দৰে বিকাশ লাভ কৰিব নোৱাৰে। মানুহ হৈছে আটাইতকৈ বেছি বিকশিত প্ৰাণী আৰু সেই গতিকে মানুহৰ মাজত পুৰুষ আৰু নাৰীৰ পাৰ্থক্য বেছি।

প্লেটোৱে শাসকসকলৰ মাজৰপৰা ব্যক্তিগত পৰিয়ালৰ অৱসান ঘটাই তেওঁ-লোকৰ মাজত ৰাষ্ট্ৰীয় পৰিয়ালৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। সেইটো হ'লে ৰাষ্ট্ৰৰ বাবে অত্যাৱশ্যকীয় মানুহবোৰৰদ্বাৰা এটা ডাঙৰ পৰিয়াল গঠন হ'লহেঁতেন। ইয়াতো আকৌ আমি প্লেটোৰ আদৰ্শ আৰু সেই আদৰ্শ কাৰ্য্যকৰীকৰণৰ বাবে তেওঁ আগবঢ়োৱা যন্ত্ৰৰ মাজত অসামঞ্জস্য দেখিবলৈ পাওঁ। তেওঁ যিবোৰ নীতি ব্যাখ্যা কৰিছিল সেইবোৰ নিঃসন্দেহে অতি উচ্চ স্তৰৰ নীতি আছিল। কিন্তু তেওঁ সেই নীতিবোৰ কাৰ্য্যকৰী কৰিবলৈ যিবোৰ পন্থা অৱলম্বন কৰিবলৈ কৈছিল সেই পন্থা-বোৰ অৱলম্বন কৰা হ'লে গ্ৰিক সভ্যতা বৰ্বৰোচিত সভ্যতাত পৰিণত হ'লহেঁতেন। কিন্তু তেওঁ যিবোৰ কথা কৈছিল সেইবোৰ অসম্ভৱ বুলি বা এটা হাঁহি মাৰি উৰুৱাই দিব পৰা বিষয় নাছিল। যদি তেওঁ কিবা ভুল কৰিছিল আমি ক'ব লাগিব তেওঁ কি ভুল কৰিছিল আৰু কোনখিনিত ভুল কৰিছিল। তেওঁৰ পৰিয়ালৰ সাম্যবাদৰ প্ৰস্তাৱটো দুটা মূল যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত আছিল। প্ৰথম যুক্তিটো হৈছে সমাজত জন্মগ্ৰহণ কৰিবলগীয়া ল'ৰা ছোৱালীৰ সংখ্যা নিয়ন্ত্ৰণ কৰা আৰু নিয়ন্ত্ৰিত হাৰত জন্মগ্ৰহণ কৰা ল'ৰা-ছোৱালীবোৰক ভালদৰে লালন পালন কৰি সুশিক্ষিত আৰু সুসভ্য কৰি গঢ়ি তোলা। দ্বিতীয় যুক্তিটো হৈছে, ব্যক্তিগত পৰি-

য়ালৰ অৱসান ঘটাই ইয়াৰ লগত মিহলি হৈ থকা বিভিন্ন ৰকমৰ স্বাৰ্থপৰতাবোৰ আঁতৰ কৰি সমাজৰ প্ৰতি ভালপোৱা ভাব আৰু অনুভূতি গঢ়ি তোলা। এই উদ্দেশ্যে তেওঁ এটা বিস্তৃত কাৰ্য্যব্যৱস্থা ঠিক কৰিছিল। ইয়াৰদ্বাৰা তেওঁ শাসকশ্ৰেণীটোৰ লৰা ছোৱালী উৎপাদন আৰু লালন পালন কৰি ডাঙৰ দীঘল কৰাৰ ওপৰত ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ স্থাপন কৰিবলৈ বিচাৰিছিল আৰু এই নিয়ন্ত্ৰণ বিজ্ঞানসন্মত নীতিৰ সহায়ত প্ৰবৰ্তন কৰিবলৈ বিচাৰিছিল। প্লেটোৱে সেই সময়তে উত্থাপন কৰা প্ৰশ্নটোৱে আজিকালি বহুতো মানুহৰ মনত গভীৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কি অৱস্থা আৰু পৰিবেশত সমাজত মানুহৰ জন্ম হয় সেইটো বৰ মন কৰিবলগীয়া কথা আৰু এইটো কথাৰ ওপৰত গুৰুত্ব নিদি ব্যৱস্থা গ্ৰহণ কৰাৰ ফলত অশেষ অনিষ্ট ঘটিব পাৰে। কিন্তু এই অৱস্থাটো বুজি লৈ পুৰুষ আৰু নাৰীক বিবাহৰ ক্ষেত্ৰত কিমান দূৰ নিয়ন্ত্ৰণ কৰিব পৰা যায় সেইটোও ভাবিবলগীয়া কথা। প্লেটোৱে স্বীকাৰ কৰিছে যে তেওঁৰ প্ৰস্তাৱটো কাৰ্য্যকৰী কৰিব লাগিলে একপ্ৰকাৰ সংগঠিত প্ৰতাৰণাৰ আশ্ৰয় ল'ব লাগিব। সেইটো কৰিব নোৱাৰিলে ই কেতিয়াও সম্ভৱ নহ'ব। কিয়নো যিবোৰ পুৰুষ বা নাৰীয়ে নিজৰ ইচ্ছাৰ বিৰুদ্ধে ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত বিবাহত সন্মতি দান কৰিব লাগিব তেওঁলোকৰ পক্ষে এইটো সঁচাকৈ বৰ অসহনীয় আৰু বেদনাদায়ক হ'ব। কোনো সমাজতে এনেকুৱা মহান আৰু অতি জ্ঞানী ব্যক্তি নাথাকে যিবোৰৰ ওপৰত আন সকলোবোৰ মানুহে বিশ্বাস কৰি তেওঁলোকৰ বাবে পাত্ৰ বা পাত্ৰী ঠিক কৰাৰ সাপেক্ষিক দায়িত্ব এৰি দিব পাৰে। আনহাতে কোনো মানুহৰ ওপৰত এনেকুৱা নিয়ন্ত্ৰণৰ দায়িত্ব এৰি দিয়া মানে নিজেই নিজৰ ওপৰত বিশ্বাস হেৰুৱাই পেলোৱা আৰু নিজেই নিজকে অজ্ঞৰ দৰে ব্যৱহাৰ কৰা। মানুহে ঘৰচীয়া জন্তু পুহিলেও তাৰ উদ্দেশ্য থাকে। নিজৰ ভালৰ বাবেহে মানুহে ঘৰচীয়া জন্তু পোহে বেয়াৰ বাবে নহয়। ঘৰচীয়া জন্তুৰ পোৱালি জগোৱাৰ উদ্দেশ্যও একেটাই। গৃহস্থৰ আৱশ্যক মতে ঘৰচীয়া জন্তুৰ পোহ পাল আৰু পোৱালি জন্মৰ নিয়ন্ত্ৰণ কৰা হয়। এই ব্যৱস্থাটো মানুহৰ সমাজত প্ৰবৰ্তন কৰাৰ অৰ্থ হ'ব মানুহৰ সমাজত কিছুমান মানুহে আনবোৰ মানুহৰ ভাগ্য আৰু সুখ দুখ নিয়ন্ত্ৰণ কৰিবলৈ অধিকাৰ পোৱা। দাসত্বক মানৱতাৰ প্ৰতি এটা মহৎ অন্যায় বুলি বিবেচনা কৰা হয় কিয়নো ইয়াত মানুহক নীচ জন্তুৰ দৰে ব্যৱহাৰ কৰা হয় আৰু মানুহৰ অধিকাৰবোৰৰ ওপৰত কোনো গুৰুত্ব দিয়া নহয়। যিকোনো সমাজব্যৱস্থাত একশ্ৰেণীৰ মানুহে আন সকলোবোৰ মানুহৰ ওপৰত এনে কৰ্তৃত্ব লাভ কৰাটো নীতিবিৰুদ্ধ কথা আৰু অন্যায়।

প্লেটোৱে আন এটা যুক্তিৰদ্বাৰা ৰাষ্ট্ৰ আৰু নাগৰিকৰ সম্বন্ধৰ অৱধাৰণাটো উত্থাপন কৰিছে। এইটো প্ৰায়ে কোৱা হয় যে প্লেটোৱে ব্যক্তিত্বক অৱজ্ঞা কৰি মৌলিক ভুল কৰিছে। কিয়নো, ইয়াৰদ্বাৰা তেওঁ ব্যক্তিৰ সকলোবোৰ অধিকাৰ সমাজৰ নামত উছৰ্গা কৰিছে। এই কথাটো সম্পূৰ্ণ সত্য নহয়। প্লেটোৰ দৰে

আমিও ব্যক্তিৰ অনিয়ন্ত্রিত অধিকাৰত বিশ্বাস কৰিব নোৱাৰোঁ। ব্যক্তিয়ে নিজৰ স্বার্থৰ কাৰণে যি ইচ্ছা তাকে কৰিব নোৱাৰে আৰু ইচ্ছা থাকিলেও তেওঁ ল'ৰা ছোৱালী জন্ম দিয়াৰ ক্ষেত্রত ৰাষ্ট্রৰ প্রতি পিঠি দিব নোৱাৰে। ব্যক্তিয়ে নিজে কোনো অধিকাৰ লাভ কৰিব লাগিলে তেওঁ আনৰ অধিকাৰবোৰো মানি ল'ব লাগিব আৰু তেওঁৰ অধিকাৰবোৰ কিছুমান চৰ্তৰ ওপৰত নিৰ্ভৰশীল। আমি স্বীকাৰ কৰি লোৱা উচিত যে ব্যক্তিত্ব আৰু সামাজিকতা পৰস্পৰ বাদ দিব পৰা বস্তু নহয়। ব্যক্তি আৰু সমাজৰ মাজত সংঘাত থাকিব পাৰে। ব্যক্তি আৰু সমাজৰ মাজত যিটো সংঘাত আছে প্রকৃততে সেইটো বিভিন্ন ব্যক্তিত্বৰ মাজত থকা সংঘাতহে। কোনো ব্যক্তিয়েই আন সকলো ব্যক্তিৰপৰা স্বাধীন হ'ব নোৱাৰে। তেনেকৈ এনে কোনো সমাজো নাই যিখন ব্যক্তিৰ সমষ্টি নহয় এনে এটা সমূহীয়া জীৱন নাই বা এনে এটা সমূহীয়া স্বার্থও নাই যিটো মতা মাইকী উভয়ে যাপন নকৰে বা ভোগ নকৰে। সমূহীয়া জীৱন আৰু সমূহীয়া স্বার্থত অংশগ্রহণ কৰিলে প্রকৃত অৰ্থত ব্যক্তিৰ ব্যক্তিত্বৰ হানি নহয়। ৰাজকৰ্মচাৰীসকলে ৰাষ্ট্ৰৰ কামত আত্মনিয়োগ কৰিলে তেওঁলোকৰ ব্যক্তিত্বৰ বিনাশ নঘটে। মানুহে সমূহীয়া স্বার্থৰ বাবে আত্মনিয়োগ কৰিব পাৰে আৰু আনৰ ভালৰ বাবেও নিজৰ জীৱন উছৰ্গা কৰিব পাৰে। এইবোৰ কৰিলে মানুহৰ ব্যক্তিত্ব হানি নহয় বৰং ব্যক্তিত্বই মহত্ত্বহে লাভ কৰে। এই দৃষ্টিভংগীৰে বিচাৰ কৰিলে দেখা যায় প্লেটোৱে সাম্যবাদ প্রতিষ্ঠা কৰি ব্যক্তিত্বৰ বিনাশ সাধন কৰি বলে বিচৰা নাছিল বৰং ব্যক্তিত্বৰ উন্নতি সাধন কৰিবলৈহে বিচাৰিছিল।

এৰিষ্ট'টলে কৈছে যে প্লেটোৰ ব্যক্তিগত পৰিয়ালৰ বিলোপ সাধন কৰি তাৰ ঠাইত প্লেটোৱে ভবা মতে বহল ভিত্তিত পৰিয়াল সৃষ্টি কৰা আঁচনিখনে ফল দিব নোৱাৰে। ব্যক্তিগত পৰিয়ালৰ ঠাইত যি পৰিয়ালৰ সৃষ্টি হ'ব তাত প্রকৃততে পৰিয়ালৰ অনুভূতি নাথাকিব। ব্যক্তিগত পৰিয়ালৰ মানুহবোৰৰ মাজত পৰিয়ালৰ যি সৌহাৰ্দ্যৰ ভাব থাকে সেই সৌহাৰ্দ্যৰ ভাব প্লেটোৱে সৃষ্টি কৰিব খোজা ৰাষ্ট্ৰীয় পৰিয়ালত থাকিব বুলি ভবাৰ কোনো স্থল নাই। ৰাষ্ট্ৰীয় পৰিয়ালৰ মানুহবোৰৰ মাজত বৰ বেছি এটা পনীয়া সৌহাৰ্দ্যৰ ভাব থাকিব পাৰে। এৰিষ্ট'টলৰ এই সমালোচনাখিনিৰ যথাৰ্থতা নুই কৰিব নোৱাৰি আৰু ইয়াৰ সহায়তে আমি ক'ব পাৰোঁ যে নিগমবোৰৰ কোনো বিবেক নাই। এইটো এটা বাস্তব সত্য যে বহুতো মানুহে কোনো এটা কাম কৰিলে সেই কামটোৰ ওপৰত থকা তেওঁলোকৰ গাইগুটীয়া দায়িত্ব কিছু কমিহে যায় নাবাঢ়ে। কিন্তু ইয়াতো একে লগে কাম কৰা বাবে মানুহবোৰৰ ব্যক্তিত্বৰ বিনাশ নঘটি পুৰণি ব্যক্তিত্বৰ ঠাইত নতুন ব্যক্তিত্বৰ সৃষ্টি হয়। পুৰণি ব্যক্তিত্বৰ তুলনাত নতুন ব্যক্তিত্বৰ মূল্য কম আৰু নতুন ব্যক্তিত্বতকৈ পুৰণি ব্যক্তিত্ব বেছি উচ্চ। নিগমবোৰৰ বিবেক নাই' সকলো মানুহৰ কাৰ্য্য মানে কোনো মানুহৰে কাৰ্য্য নহয় — আদি উক্তিবোৰে এটা মূল্যবান সত্য আমাৰ আগত দাঙি ধৰে। সেই সত্যটো হৈছে, এটা সমূহীয়া

জীৱন যাপন কৰিবলৈ মানুহৰ প্ৰকৃতিৰ সীমাবদ্ধতা আছে। মানুহৰ প্ৰকৃতিৰ ওপৰত অযথা বোজা জাপি দিলে আৰু মানুহক সমূহীয়া জীৱন যাপন কৰিবলৈ বাধ্য কৰিলে মানুহৰ উচ্চ ব্যক্তিত্বৰ অনিষ্ট সাধন হোৱাৰ ভয় আছে।

এতিয়া আমি এই কথাটো এটা পৰিয়ালৰ ক্ষেত্ৰত প্ৰয়োগ কৰিব পাৰোঁ। ইযাত কোনো সন্দেহ নাই যে প্লেটোৱে ব্যক্তিগত পৰিয়ালৰ লগত যিবোৰ অমংগল আৰু অনিষ্টৰ বীজ থকা বুলি কৈছিল সেইবোৰৰ প্ৰায়খিনিয়েই সত্য। প্লেটোৱে ব্যক্তিগত পৰিয়ালক নীচতা আৰু স্বাৰ্থপৰতাৰ কেন্দ্ৰ স্থান বুলি গণ্য কৰিছিল। এই কথাষাৰো একপ্ৰকাৰ সত্য। বৰ্তমান যুগত যি স্বজনপ্ৰিয়তা চলি আছে ইয়াৰ উৎসও হৈছে ব্যক্তিগত পৰিয়াল। ইতিহাসত এনেকুৱা দৃষ্টান্ত ভৰি আছে। পৰিয়ালৰ স্বাৰ্থৰ কাৰণে বা পৰিয়ালৰ কোনো সদস্যবিশেষৰ স্বাৰ্থৰ কাৰণে পৃথিৱীত বহুতো অমংগল সাধন হৈছে। পৰিয়ালৰ ক্ষেত্ৰত স্বাৰ্থপৰতাই যি ভীষণ ৰূপ লয় আন কোনো ক্ষেত্ৰতে তেনে ৰূপ নলয়। পুৰুষ আৰু নাৰীৰ মাজত থকা ভালপোৱাৰ কাৰণে আৰু পিতৃমাতৃ আৰু ল'ৰা ছোৱালীৰ মাজত থকা প্ৰেমৰ কাৰণে পৃথিৱীত বহুতো মহৎ কাম হয় আৰু বহুতো নীচ কামো হয়। মানুহৰ পৰিয়ালৰ ক্ষেত্ৰত ভালৰ বাবেই হওক বা বেয়াৰ বাবেই হওক আত্মপক্ষক জোৰেৰে সমৰ্থন কৰে। এই কথাখিনি বাস্তৱ আৰু প্ৰকৃত বুলি ধৰি সমস্যাটো এনেদৰে উত্থাপন কৰিব পাৰি মানুহৰ প্ৰকৃতিত এনে কিছুমান প্ৰাথমিক আৰু গূঢ়াৰ নোৱৰা প্ৰবৃত্তি আছেনে যিবোৰ এটা সময়ত আটাইতকৈ স্বাৰ্থযুক্ত আৰু আন এটা সময়ত একেবাৰে স্বাৰ্থহীন হ'ব পাৰে ? সেয়ে যদি হয় তেন্তে এই প্ৰবৃত্তিবোৰ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা অনুষ্ঠানবোৰৰ লগত কি ধৰণে কাৰ্য্য চলোৱা যাব ? প্লেটোৱে কৈছে যে যিমান দূৰ পৰা যায় এই প্ৰবৃত্তিবোৰৰ স্বাৰ্থযুক্ত বিকাশৰ সুবিধা আৰু থলবোৰ নাইকিয়া কৰিব লাগিব আৰু যিবোৰ ক্ষেত্ৰত আৰু ঠাইত এই প্ৰবৃত্তিবোৰৰ স্বাৰ্থহীন বিকাশ হোৱাৰ যথেষ্ট সম্ভাৱনা আছে তাত এইবোৰৰ বিকাশ ৰোধ কৰিব লাগিব। এই ধাৰণাটোৰ পাছৰ অংশখিনি কাৰ্য্যকৰী কৰাটো সম্ভৱপৰ নহয় আৰু এইটো ক'ৰিবলৈ গ'লে এখিলিটলৈ কোৱাৰ দৰে পনীযা সৌহাৰ্দ্যৰ সৃষ্টি হোৱাত বাদে আন একো নহয়। গতিকে এই অসৎ প্ৰবৃত্তিবোৰ নাইকিয়া কৰিবলৈ ব্যক্তিগত পৰিয়ালব্যৱস্থা উঠাই দি অভিভাৱকসকলৰ বাবে ৰাষ্ট্ৰীয় পৰিয়ালব্যৱস্থাৰ সৃষ্টি কৰিলে নহ'ব ব্যক্তিগত পৰিয়ালকে উন্নত কৰি লৈ উচ্চ জীৱনৰ বাবে প্ৰস্তুত কৰি ল'ব লাগিব। ৰাষ্ট্ৰ এখনক আমি এটা প্ৰকাণ্ড পৰিয়ালত পৰিণত কৰিব নোৱাৰোঁ কিন্তু আমি পৰিয়ালৰ জীৱনটো ৰাষ্ট্ৰৰ সেৱাৰ বাবে প্ৰস্তুত ক'ৰি তুলিব পাৰোঁ। আৰম্ভণিৰে পৰা এটা পৰিয়ালৰ মানুহবোৰক স্বাৰ্থহীনভাৱে গঢ়ি তুলিব পাৰিলে শেষত গোটেই পৰিয়ালটোৱেই স্বাৰ্থহীন পৰিয়াল হৈ পৰিব।

এৰিষ্টটলে কৈছে যে প্লেটোৱে একতাৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰিছে। এইটোৱেই তেওঁৰ ডাঙৰ ভুল হৈ গৈছে। এই কথাষাৰ আন প্ৰকাৰেও স্পষ্টভাৱে ক'ব পাৰি। একতাৰ ওপৰত প্লেটোৰ যিটো অৱধাৰণা আছিল সেইটো একতৰপীয়া আৰু বিভ্ৰান্তিকৰ। তেও কেতিযাও বুজা নাছিল যে মানৱ সমাজত বৈচিত্ৰ্যৰ মাজতহে একতা প্ৰতিষ্ঠা হয়। এখন আদৰ্শ ৰাষ্ট্ৰত বৈচিত্ৰ্যময় ব্যক্তিত্বৰ বিকাশৰ যথেষ্ট থল থাকিব লাগিব আৰু তেতিয়াহে তাত প্ৰকৃত একতা স্থাপিত হ'ব।

সন্তান উৎপাদন আৰু ইয়াৰ নিয়ন্ত্ৰণ সম্পৰ্কে প্লেটোৱে যিটো দাবী কৰিছিল বেছিভাগ মানুহে এই বিষয়ে চিন্তা কৰিছিল আৰু বেছিভাগ মানুহ প্লেটোৰ লগত একমত আছিল। সন্তান উৎপাদনে সমাজৰ মংগলৰ ক্ষেত্ৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰে আৰু সেই গতিকে সন্তান উৎপাদন ব্যৱস্থাটো ভাল দৰে নিয়ন্ত্ৰিত হ'ব লাগে আৰু সমাজৰ প্ৰত্যেকজন মানুহে এই বিষয়ে তেওঁৰ দায়িত্ব অনুভৱ কৰিব লাগে। এই বিষয়ে প্লেটোৰ বক্তব্য আছিল এয়ে যে সন্তান উৎপাদনৰ নিয়ন্ত্ৰণৰ দায়িত্ব কেইজনমান উচ্চ প্ৰশিক্ষিত আৰু সৰ্বশক্তিমান মানুহৰ ওপৰত এৰি দিব লাগে। প্লেটোৰ এই কথাষাৰ বাস্তৱ ক্ষেত্ৰত কিমান দূৰ প্ৰযোজ্য হ'ব সেই বিষয়ে ভালকৈ বিচাৰ বিবেচনা কৰিব লাগিব।

ওপৰত আলোচনা কৰি অহা কথাবোৰকে আমি এতিয়া বাস্তৱ দৃষ্টি ভংগীৰে পুংখানুপুংখৰূপে পৰীক্ষা কৰি চাওঁহক। প্লেটোৱে ন্যায়ৰ সাৰ্বভৌমত্ব থকা আদৰ্শ ৰাষ্ট্ৰ এখনৰ ছবি দাঙি ধৰি এটা নতুন সমাজব্যৱস্থা আবিষ্কাৰ কৰিছিল। এই সমাজব্যৱস্থাটোকে সাম্যবাদী সমাজব্যৱস্থা বুলি কোৱা হৈছিল। এই সমাজব্যৱস্থাৰ অধীনত শাসক শ্ৰেণীটোৱে ৰাষ্ট্ৰৰ স্বাৰ্থত তেওঁলোকৰ ব্যক্তিগত পৰিয়াল আৰু ব্যক্তিগত সম্পত্তি পৰিত্যাগ কৰিব লাগিছিল। প্লেটোৱে যিখন আদৰ্শ সমাজ ৰচনা কৰিবলৈ বিচাৰিছিল সেইখন সমাজৰ বাবেই পৰিয়ালৰ সাম্যবাদ আৰু সম্পত্তিৰ সাম্যবাদ প্ৰতিষ্ঠা কৰিবলগীয়া হৈছিল। তেওঁৰ সাম্যবাদ আছিল আদৰ্শ সমাজৰ বৈষয়িক আৰু অৰ্থনৈতিক পৰিপূৰক। ইয়াৰ সহায়তে তেও মানুহৰ সমাজৰ নৈতিক সংস্কাৰ সাধন কৰিবলৈ বিচাৰিছিল। অৱশ্যে মানুহৰ নৈতিক চৰিত্ৰৰ সংস্কাৰ সাধনৰ বাবে তেও শিক্ষাব্যৱস্থাকহে প্ৰধান আহিলা হিচাপে গ্ৰহণ কৰিছে। গতিকে এই বিষয়ে তেওঁৰ সাম্যবাদ ব্যৱস্থাৰ স্থান অপ্ৰধান আৰু গৌণ আছিল কিন্তু সেই কাৰণেই প্লেটোৰ সাম্যবাদী অনুষ্ঠান দুটাক আমি কম গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰিব নোৱাৰোঁ। এখন আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিব লাগিলে আৰু সেই ৰাষ্ট্ৰখনত ন্যায়ে সাৰ্বভৌম অধিকাৰ পাব লাগিলে সেই ৰাষ্ট্ৰখনত থকা মানুহবোৰৰ মন ঠিকভাৱে গঠিত আৰু প্ৰশিক্ষিত হ'ব লাগিব আৰু মানুহৰ মনক এনেভাৱে গঢ় দিব লাগিলে ইয়াৰ বাবে আৱশ্যকীয় সামাজিক আৰু বৈষয়িক অৱস্থাৰ সৃষ্টি কৰিব লাগিব। মানুহৰ

মনবোৰ পবিত্ৰ আৰু সৎ কৰিবলৈ প্লেটোৱে সাম্যবাদী অনুষ্ঠান দুটা প্ৰতিষ্ঠা কৰি ইয়াৰ বাবে পটভূমি তৈয়াৰ কৰিবলৈ বিচাৰিছিল। কিয়নো তেওঁৰ মতে ন্যায়ৰ শক্তি গোটেই সমাজখনতে বিয়পি পৰিব আৰু ন্যায়ৰ দ্বাৰা সমাজখনক সজীৱ কৰি তুলিবলৈ সুবিধা পাব। সাম্যবাদে মানুহৰ মাজত চলি থকা নিজত্বৰ ভ্ৰান্ত ধাৰণাটো নাইকিয়া কৰি পেলাব। কিয়নো প্ৰতিজন মানুহৰ যি নিজত্ব আছে সেইটো সমাজৰ এটা অবিচ্ছেদ্য অংশ হিচাপে থকা নিজত্বহে সমাজৰপৰা বিচ্ছিন্ন অংশ এটাৰ নিজত্ব নহয়।

প্লেটোৰ সাম্যবাদী তত্ত্ব তেওঁৰ নিজৰ দেশৰ আৰু নিজৰ যুগৰ ভাবধাৰা আৰু কাৰ্য্যাৱলীৰপৰা বেছি দূৰৰ নহয়। সাম্যবাদৰ ধাৰণা প্লেটোৰ বহুদিন আগৰপৰাই চলি আহিছিল। ইয়াৰ বাবে আমি স্পাৰ্টাৰ দৃষ্টান্তকে আঙুলিয়াই ধৰিব পাৰোঁ। তেতিয়াৰ স্পাৰ্টাত ৰাষ্ট্ৰৰ উদ্দেশ্যে পৰিবাৰসকলক নিৰ্দিষ্ট সময়ৰ বাবে ব্যৱহাৰ কৰা হৈছিল সাত বছৰ বয়সতে ল'ৰাবোৰক মাক-দেউতাকৰ ঘৰৰপৰা লৈ যোৱা হৈছিল আৰু সিহঁতক ৰাষ্ট্ৰই ডাঙৰ-দীঘল কৰিছিল। শাসকশ্ৰেণীৰ মানুহবোৰৰ এটা উমৈহতীয়া ভোজনব্যৱস্থা আছিল তেওঁলোকে একেলগে বাস কৰি কিছু পৰিমাণে এটা সমূহীয়া জীৱনযাপন কৰিছিল। ক্ৰেটেত ৰাজহুৱা মাটি আছিল আৰু এই মাটিবোৰ ক্ৰীতদাসবোৰে একেলগে চহাই খেতি কৰিছিল। পাইথাগোৰীয়সকলৰ এটা উক্তি আছে। উক্তিটো হৈছে— বন্ধুৰ বস্তুই সমূহীয়া বস্তু। এই উক্তিটোৱে প্লেটোৰ সাম্যবাদক তাত্ত্বিক সমৰ্থন কৰা যেন লাগে। খ্ৰিষ্টপূৰ্ব পঞ্চম শতিকাত এথেন্সতো সাম্যবাদী তত্ত্ববোৰ ওলাইছিল। আদিম যুগৰ মানুহবোৰৰ বৰ বেছি নিজা বস্তু আৰু সম্পত্তি নাছিল। প্ৰায়বোৰ বস্তুকে তেওঁলোকে উমৈহতীয়াভাৱে উপভোগ কৰিছিল। সেই সময়ত মানুহৰ আদিম প্ৰকৃতিক এটা আদৰ্শ ৰূপ দিবলৈ এটা প্ৰবণতাৰ সৃষ্টি হৈছিল। প্ৰকৃতিৰ ৰাজ্যলৈ ঘূৰি যোৱাৰ উদ্দেশ্যেই ব্যক্তিগত সম্পত্তিৰ বিলুপ্তিসাধন কৰিবলৈ বিচৰা হৈছিল। গ্ৰিছ দেশত প্ৰথমতে দাসসকলক ব্যক্তিগত সম্পত্তি হিচাপে ব্যৱহৃত হোৱাৰ প্ৰতিবাদ উঠিছিল আৰু পাছত সাধাৰণ সম্পত্তিৰ অধিকাৰৰ ওপৰত আক্ৰমণ চলিছিল ।

সেই সময়ৰ চৰকাৰবোৰৰ গাত থকা সহ্য কৰিব নোৱৰা দোষত্ৰুটীবোৰত অতিষ্ঠ হৈ প্লেটোৱে এখন আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল যিখন ৰাষ্ট্ৰত স্বাৰ্থপৰ মানুহৰ কোনো স্থান নাথাকিব আৰু য'ত নিখুঁত ঐক্য আৰু শৃংখলা বিৰাজ কৰিব। প্লেটোৰ ন্যায়ৰ অৱধাৰণাৰপৰাই তেওঁৰ সাম্যবাদী অনুষ্ঠানৰ জন্ম হৈছে। প্লেটোৰ মতে সমাজৰ এজন হিচাপেহে ব্যক্তিৰ গুৰুত্ব আছে সমাজৰ এজন বুলি নধৰিলে ব্যক্তিৰ কোনো গুৰুত্ব নাই। এজন নাগৰিকে তেওঁৰ বাবে নিৰ্দিষ্ট কৰি দিয়া কামটোতে আত্মনিয়োগ কৰিব লাগে আৰু সেই শ্ধান কৰিলেই ৰাষ্ট্ৰৰ প্ৰতি তেওঁৰ কৰ্তব্য সম্পাদন কৰা হয় আৰু ইয়াতেই

তেওঁৰ স্বাৰ্থ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থ এক হৈ থাকে। আমি আগতেই পাই আহিছোঁ যে প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰত তিনিশ্ৰেণীৰ মানুহ আছিল—(ক) প্ৰকৃত শাসক অভিভাৱকসকল (খ) সৈনিকসকল আৰু বিষযাসকল (গ) প্ৰথম শ্ৰেণী দুটাত নপৰা আন সকলোবোৰ সামাজিক আৰু বৃত্তিধাৰী লোকসকল। প্ৰথম শ্ৰেণী দুটাৰ মানুহে তেওঁলোকৰ কৰ্তব্য অকপটভাৱে পালন কৰিব লাগিলে তেওঁলোকক সাম্যবাদৰ অধীনলৈ আনিব লাগিব। এই দুটা শ্ৰেণীৰ মানুহে মানুহৰ মনৰ যুক্তি আৰু সাহস এই দুটা উপাদানক প্ৰতিনিধিত্ব কৰে। এই শ্ৰেণী দুটাৰ মানুহে যুক্তি আৰু সাহসৰদ্বাৰা পৰিচালিত হ'ব লাগিব আৰু তেওঁলোকৰ ওপৰত ক্ষুধাই প্ৰভাৱ বিস্তাৰ কৰিব নালাগিব। সেইবাবে তেওঁলোকে জীৱনৰ অৰ্থনৈতিক ফালটো ত্যাগ কৰিব লাগিব। জীৱনৰ অৰ্থনৈতিক ফালটো মূলত ক্ষুধাৰ লগত জড়িত আৰু ইয়াত কেৱল খেতিয়কসকল আৰু শিল্পীসকলে অংশগ্ৰহণ কৰে। শাসকসকলক ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়ালৰপৰা আঁতৰত ৰাখিব নোৱাৰিলে ক্ষুধাই যুক্তিৰ ঠাই দখল কৰি তেওঁলোকক ব্যক্তিগত দুৰাকাংক্ষা স্বাৰ্থপৰতা কৰ্তব্যৰ প্ৰতি অৱহেলা আদি দোষত ৰত কৰি পেলাব। সাম্যবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে যুক্তি নিষ্ক্ৰিয় হৈ থাকিব আৰু ক্ষুধাৰদ্বাৰা ই বাধাপ্ৰাপ্ত হ'ব। ক্ষুধাই এটা পোহনীয়া কুকুৰক বাঘত পৰিণত কৰিব পাৰে। প্লেটোৰ মতে ৰাষ্ট্ৰত ন্যায প্ৰতিষ্ঠা কৰিব লাগিলে সাম্যবাদী সমাজব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগিব। সাম্যবাদী সমাজব্যৱস্থাতহে উচ্চ শ্ৰেণীৰ মানুহবোৰ অৰ্থনৈতিক আৰু ঘৰুৱা অসুবিধাবোৰৰপৰা আঁতৰত থাকিব পাৰে। প্লেটোৰ ভাষাত — সম্পত্তিৰ সাম্যবাদ আৰু পৰিয়ালৰ সাম্যবাদ উভয়ে তেওঁলোকক বেছি প্ৰকৃত অভিভাৱক কৰি তুলিব। তেওঁলোকে ৰাষ্ট্ৰখনৰ এই অংশটো মোৰ আৰু সেই অংশটো মোৰ নহয এইবোৰ কৰি ৰাষ্ট্ৰ এখন টুকুৰা টুকুৰ কৰি ভাঙি নেপেলায় প্ৰত্যেকে যিমান পাৰে মাটি নিজৰ গালৈ টানি আনি নিজৰ বাবে একোখন সুকীয়া ঘৰ নাসাজে য'ত তেওঁৰ নিজা ল'ৰা তিৰোতা থাকিব য'ত তেওঁৰ নিজস্ব সুখ দুখ থাকিব কিবা দুখ বা আনন্দ হ'লে সেই দুখ সকলোৱে সহ্য কৰিব লাগিব আৰু সেই আনন্দও সকলোৱে উপভোগ কৰিব পাৰিব কিয়নো তেওঁলোকৰ সকলোৰে এটাই মত কোনটো তেওঁলোকৰ মৰমৰ আৰু আপোন। গতিকে তেও লোক সকলোৱে একে উদ্দেশ্যেই কাম কৰে। অভিভাৱকসকলক তেওঁলোকৰ নিজা ঘৰ আৰু সা সম্পত্তি ৰাখিবলৈ দিব নালাগিব। নিজা ঘৰ বাৰী আৰু সা সম্পত্তি থাকিলে তেওঁলোকৰ মন বিপথে চলি যাব আৰু তেওঁলোকে মেহুৰোৰ সম্প্ৰসাৰণ কৰিবলৈ উৎসাহ পাব।

প্লেটোৱে তিনিটা অনুক্ৰমিক পৰ্য্যায়ত তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। দ্বিতীয় পৰ্য্যায়ত তেওঁ সম্পত্তিৰ সাম্যবাদ আৰু পৰিবাৰৰ সাম্যবাদৰ ভিত্তিত উচ্চ শ্ৰেণী দুটাৰ মানুহৰ মাজৰপৰা ব্যক্তিগত পৰিয়ালৰ উচ্ছেদ

সাধন কৰি এই শ্ৰেণী দুটাৰ মানুহবোৰক এটা পৰিয়ালত সংঘবদ্ধ কৰিবলৈ ইচ্ছা কৰিছিল। প্লেটোৰ সম্পত্তিৰ সাম্যবাদ আৰু পৰিবাৰৰ সাম্যবাদৰ গোটেই মতবাদ টোতে এটা মৌলিক ধাৰণা দেখিবলৈ পোৱা যায়। সেই মৌলিক ধাৰণাটো হৈছে— বৈষয়িক বেযাবোৰ আৰু প্ৰলোভনবোৰ আঁতৰ কৰিব পাৰিলে ভালেখিনি নৈতিক বেযাও নাইকিয়া কৰিব পাৰি। গতিকে ৰাষ্ট্ৰৰ বাবে একতা অতি প্ৰয়োজনীয় আৰু এই একতা প্ৰতিষ্ঠা কৰিব লাগিলে ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত শিক্ষাব্যৱস্থা সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠা কৰিব লাগিব। এই একতাৰ কাৰণে ব্যক্তিয় বহুযুগৰপৰা চলি অহা অনুষ্ঠান ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়াল বিসৰ্জন দিবলগীয়া হ'লেও দিব লাগিব যদিহে তাৰদ্বাৰা ৰাষ্ট্ৰৰ উন্নতি সাধন হয়। প্লেটোৱে বিশ্বাস কৰিছিল যে এখন আদৰ্শ সমাজৰ প্ৰত্যেকে সমূহীয়া কাম আৰু কামবোৰৰ অংশীদাৰ আৰু এটা বৃহৎ পৰিয়ালৰ একোজন সদস্য। ৰাষ্ট্ৰীয় পৰিয়ালৰ সদস্য হিচাপেহে ব্যক্তিয়ে উচ্চ জীৱন লাভ কৰিব পাৰে এটা ব্যক্তিগত পৰিয়ালৰ সদস্য হিচাপে নোৱাৰে। প্লেটোৰ মতে সামাজিক জীৱনে অভিভাৱকসকলৰ ব্যক্তিত্ব নাশ কৰিব নোৱাৰে। কিয়নো ব্যক্তি আৰু সমাজৰ স্বাৰ্থ পৰস্পৰবিৰোধী নহয়। প্লেটোৱে সাম্যবাদৰ জৰিয়তে মানুহৰ ব্যক্তিত্ব আধ্যাত্মিক ক্ষেত্ৰত উচ্চতম স্তৰলৈ লৈ যাবলৈ বিচাৰিছিল। প্লেটোৰ সম্পত্তিৰ সাম্যবাদ আৰু পৰিয়ালৰ সাম্যবাদৰ মাজত এটা প্ৰধান পাৰ্থক্য আছে। সম্পত্তিৰ ক্ষেত্ৰত সকলোবোৰ অভিভাৱকে তেওঁ লোকৰ সমস্ত সম্পত্তি পৰিত্যাগ কৰিব লাগিব তেওঁলোকক সম্পত্তিৰ উমৈহতীয়া মালিক কৰা নহয়। আনহাতে পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ ক্ষেত্ৰত সাম্যবাদৰ মতে সকলোবোৰ পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ উমৈহতীয়া মালিক হৈছে অভিভাৱকসকল।

আগতেই উল্লেখ কৰি অহা হৈছে যে প্লেটোৱে সাম্যবাদ প্ৰতিষ্ঠা কৰিব খোজাৰ প্ৰধান আৰু সহজবোধ্য কাৰণ হৈছে অৰ্থনৈতিক আৰু ৰাজনৈতিক ক্ষমতা একেবোৰ মানুহৰ হাতত পৰিলে ৰাষ্ট্ৰৰ অনিষ্টসাধন হয়। এইটো সাৰ্বজনীন অভিজ্ঞতাৰদ্বাৰা প্ৰমাণিত হৈছে। প্লেটোৱে অভিভাৱকসকলক একচেটিয়াভাৱে ৰাজনৈতিক অধিকাৰ দিবলৈ বিচাৰিছিল আৰু তেওঁ এইটো ভালদৰে বুজিছিল যে তেওঁলোকৰ হাতত ব্যক্তিগত সম্পত্তি আৰু অৰ্থনৈতিক ক্ষমতা থাকিলে ৰাজ নৈতিক ক্ষমতা আৰু অৰ্থনৈতিক ক্ষমতা লগ হৈ তেওঁৰ দাৰ্শনিক শাসনকৰ্তাসকলৰ অধঃপতন মাতি আনিব আৰু তাৰ ফলত ৰাষ্ট্ৰখন ধনতন্ত্ৰত পৰিণত হ'ব। প্লেটোৱে তেওঁৰ গণৰাজ্যত আদৰ্শ ৰাষ্ট্ৰৰ ভিতৰত কেনেকৈ অনুক্ৰমিক দুৰ্নীতি সোমাইছিল তাৰ বিশদ বিশ্লেষণ কৰিছিল আৰু তাত তেওঁ এটাই মাত্ৰ প্ৰধান উৎস দেখিবলৈ পাইছিল সেইটো হৈছে ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতাৰ একত্ৰীকৰণ। ইয়াৰপৰা দুটা ফল ঘটে।

(১) ৰাজনৈতিক ক্ষমতাৰ অধিকাৰীসকল বৰ লোভী হয় আৰু সেইবাবে তেওঁলোকে নিজৰ ক্ষমতা আৰু পদবী ব্যৱহাৰ কৰি যথেষ্ট পৰিমাণৰ সম্পত্তি

আর্জ্জ ল'বলৈ বিচাৰে আৰু তেতিয়া তেওঁলোকে জ্ঞানৰ পথ অৱলম্বন কৰিবলৈ এৰি দিয়ে।

(২) শাসকসকলে এইদৰে ক্ষমতাৰ অপব্যবহাৰ কৰিলে শাসিতসকল ক্ষুব্ধ হয় আৰু তেওঁলোকে আৱশ্যকমতে আন্দোলন আৰু বিদ্ৰোহৰ পথ বাছি লয়। প্লেটোৱে দঢ়ভাৱে বিশ্বাস কৰিছিল যে যিবোৰ মানুহৰ ওপৰত দেশ শাসনৰ অসাধাৰণ দায়িত্ব অৰ্পণ কৰা হ'ব তেওঁলোকৰ অসাধাৰণ যোগ্যতাও থাকিব লাগিব আৰু তেওঁলোকে কেৱল অত্যাৱশ্যকীয় আইন কানুন বোৰহে মানি চলিব। সেইবাবে প্লেটোৱে কেৱল উচ্চ শ্ৰেণী দুটাৰ মাজতহে সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল গোটেই সমাজখনৰ বাবে তেও সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ বিচৰা নাছিল। প্লেটোৰ সাম্যবাদে তৃতীয় শ্ৰেণীটোৰ বাবে সাম্যবাদী ব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ বিচৰা নাছিল। এই তৃতীয় শ্ৰেণীটোৱেই আছিল উৎপাদনকাৰী শ্ৰেণী। এই শ্ৰেণীত অন্তৰ্ভুক্ত মানুহবোৰৰ ব্যক্তিগত সম্পত্তি আছিল। গতিকে তেওঁৰ সাম্যবাদে সমাজৰ অৰ্থনৈতিক বুনিয়াদৰ ওপৰত সামগ্ৰিক প্ৰভাৱ পেলাব পৰা নাছিল আৰু সমাজত আগৰ দৰে ব্যক্তিবাদী পদ্ধতিৰে উৎপাদনব্যৱস্থা চলি আছিল। অভিভাৱকসকলে কেৱল পৰিত্যাগ কৰাত অংশগ্ৰহণ কৰিব লাগিছিল। তেওঁলোকৰ নিজা মাটি আৰু ঘৰ নাছিল। তেওঁলোকে সমূহীয়া ঘৰত থাকিব লাগিছিল আৰু সমূহীয়াভাৱে ভোজন কৰিব লাগিছিল। প্লেটোৰ সাম্যবাদৰ ধাৰণা অভিজাততান্ত্ৰিক আছিল আৰু ই সমাজৰ উৎকৃষ্ট অংশটোৰপৰা ত্যাগ বিচাৰিছিল। প্লেটোৰ সাম্যবাদৰ ধাৰণা ৰাজনৈতিক আছিল অৰ্থনৈতিক নহয়। সেই কাৰণে প্লেটোৰ সাম্যবাদক বহুতে আধা সাম্যবাদ বুলি কৈছিল আৰু ইয়াৰ কাৰ্য্যকাৰিতাও সন্দেহপূৰ্ণ আছিল।

প্লেটোৰ সাম্যবাদ আৰু আধুনিক সাম্যবাদৰ তুলনা

প্লেটোৰ সাম্যবাদ আৰু বৰ্তমান যুগৰ সাম্যবাদৰ মাজত বহুতো মিল আৰু বহুতো অমিল আছে। প্লেটোৰ সাম্যবাদ আৰু মাৰ্ক্সীয় সাম্যবাদ উভয়ে মানুহৰ ব্যক্তিত্বক অৱজ্ঞা কৰিছে আৰু ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বই মানুহৰ ব্যক্তিত্বক সামৰি লৈছে। প্লেটোৰ সাম্যবাদ আৰু আধুনিক যুগৰ সাম্যবাদ দুয়োটাই মানৱ প্ৰকৃতি আৰু মানৱ প্ৰবৃত্তিৰ সাৰভাগক অৱজ্ঞা কৰিছে। বহল ভিত্তিত প্ৰয়োগ কৰিব লাগিলে দুয়োবিধ সাম্যবাদেই কাৰ্য্যকৰী কৰিব পৰা বিধৰ নহয়। দুয়োবিধ সাম্যবাদৰ অধীনতে ব্যক্তিবাদৰ ওপৰত প্ৰতিষ্ঠিত অনিয়ন্ত্ৰিত অৰ্থনৈতিক প্ৰতিযোগিতাৰ অৱসান ঘটাবলৈ বিচৰা হৈছে। দুয়ো প্ৰকাৰৰ সাম্যবাদেই ৰাজনৈতিক ঐক্য আৰু সামাজিক শৃংখলা বঢ়াই মানুহৰ মনত সমাজ সেৱাৰ প্ৰবল ইচ্ছা সৃষ্টি কৰিবলৈ ইচ্ছা কৰে। প্লেটোৰ সাম্যবাদৰ

অধীনত ওপৰ শ্ৰেণী দুটাৰ মানুহবোৰৰ ব্যক্তিগত সম্পত্তি থাকিব নোৱাৰে। আধুনিক সাম্যবাদৰ অধীনতো কোনো মানুহৰ ব্যক্তিগত সম্পত্তি থাকিব নোৱাৰে। দুয়ো প্ৰকাৰ সাম্যবাদতে এটা সমাজব্যৱস্থাৰ বিধান আছে য'ত ব্যক্তিয়ে সমাজৰ সাধাৰণ স্বাৰ্থ পূৰণ কৰাৰ মাজেদিহে নিজস্ব স্বাৰ্থ পূৰণ কৰি লব পাৰিব।

প্লেটোৰ সাম্যবাদ আৰু মাৰ্ক্সীয় সাম্যবাদৰ মাজত যিখিনি মিল আছে তাৰ তুলনাত অমিল বহুত। তলত প্ৰধান কেইটামান অমিলৰ বিষয়ে উল্লেখ কৰা হ'ল।

(১) মাৰ্ক্সীয় সাম্যবাদ প্ৰধানতঃ পৃথিবীৰ বৈষয়িক উন্নতি আৰু সম বিতৰণৰ লগত জড়িত। ইয়াৰদ্বাৰাই মাৰ্ক্স আটাইতকৈ বেছিসংখ্যক মানুহক সুখী আৰু সমৃদ্ধিশালী কৰি গঢ়ি তুলিবলৈ বিচাৰিছিল। সেই গতিকে মাৰ্ক্সীয় সাম্যবাদ ইতিবাচক নৈতিবাচক নহয়। কিন্তু প্লেটোৰ সাম্যবাদে ভাল জীৱন গঢ়ি তোলাৰ পথত থকা হেঙাৰবোৰ আঁতৰ কৰিবলৈ বিচাৰিছিল। সেই কাৰণে তেওঁ অভিভাৱকসকলক তেওঁলোকৰ সকলোবোৰ সা সম্পত্তি বিসৰ্জন দিবলৈ আহ্বান জনাইছিল আৰু সকলোবোৰ বৈষয়িক আনন্দ উপভোগো ব্যক্তিগতভাৱে কৰিব নালাগে বুলি কৈছিল। সেইবাবে প্লেটোৰ সাম্যবাদ আছিল নেতিবাচক।

(২) মাৰ্ক্সীয সাম্যবাদৰ চৰিত্ৰ অৰ্থনৈতিক। ই সম্পত্তিৰ সমাজীকৰণ আৰু শিল্পোদ্যোগৰ জাতীয়কৰণ কৰিবলৈ বিচাৰে। কিন্তু প্লেটোৰ সাম্যবাদ মূলতঃ ৰাজনৈতিক আছিল। ইয়াৰ প্ৰধান উদ্দেশ্য আছিল ৰাষ্ট্ৰত ঐক্য প্ৰতিষ্ঠা কৰা। ৰাষ্ট্ৰৰ মানুহবোৰৰ মাজত সম্পত্তিৰ সমবিতৰণ কৰিবলৈ প্লেটোৰ সাম্যবাদে কেতিয়াও বিচৰা নাছিল।

(৩) মাৰ্ক্সীয় সাম্যবাদে যে কেৱল ৰাষ্ট্ৰৰ সকলোবোৰ মানুহকে সামৰি লৈছিল এনে নহয় মাৰ্ক্সীয সাম্যবাদে গোটেই পৃথিবীতে সাম্যবাদৰ ধ্বজা উৰুৱাবলৈ বিচাৰিছিল। গতিকে মাৰ্ক্সীয় সাম্যবাদৰ চৰিত্ৰ আন্তৰ্জাতিক। কিন্তু প্লেটোৰ সাম্যবাদ অৰ্ধসাম্যবাদ আছিল। কিয়নো ই কেৱল প্ৰথম শ্ৰেণী দুটাৰ ভিতৰত থকা মানুহবোৰকহে সামৰি লৈছিল। ৰাষ্ট্ৰৰ সকলোবোৰ মানুহৰ ভিতৰত তেওঁলোক এটা ক্ষুদ্ৰ অংশহে আছিল। উৎপাদনকাৰী শ্ৰেণীটোৰ মানুহবোৰক প্লেটোৰ সাম্যবাদে অন্তভুৰ্ক্ত কৰা নাছিল।

(৪) প্লেটোৱে অৰ্থনৈতিক ক্ষমতাৰ লগত ৰাজনৈতিক ক্ষমতাক একেলগ হ'বলৈ দিয়াৰ পক্ষপাতী নাছিল। তেওঁ অৰ্থনৈতিক ক্ষমতাৰপৰা ৰাজনৈতিক ক্ষমতাৰ পৃথকীকৰণ বিচাৰিছিল। কিন্তু মাৰ্ক্সীয় সাম্যবাদে শ্ৰমিক শ্ৰেণীৰ হাতত ৰাজনৈতিক ক্ষমতা তুলি দিবলৈ বিচাৰিছিল। প্লেটোৱে কিন্তু সেই শ্ৰেণীটোৰ হাতত মুঠেও ৰাজনৈতিক ক্ষমতা দিয়াৰ পক্ষপাতী নাছিল। তেওঁৰ মতে উৎপাদনকাৰী শ্ৰেণীৰ মানুহে ৰাজনৈতিক ক্ষমতা উপভোগ কৰিব নালাগে। কিন্তু মাৰ্ক্সীয় সাম্যবাদে উৎপাদনকাৰী শ্ৰেণীটোৰ হাতত ৰাষ্ট্ৰীয় যন্ত্ৰ পৰিচালনাৰ ভাৰ গতাই দিবলৈ বিচাৰিছিল।

(৫) প্লেটোৰ সাম্যবাদে সমাজৰ অৰ্থনৈতিক গাঁথনিৰ কোনো পৰিবৰ্তন সাধন কৰিবলৈ বিচৰা নাছিল। বস্তুৰ ব্যক্তিবাদী উৎপাদনব্যৱস্থাৰ ওপৰত তেওঁ মুঠেও হাত দিয়া নাছিল। প্লেটোৰ সময়ত শ্ৰমিক শ্ৰেণীৰ ওপৰত কোনো প্ৰকাৰৰ দুৰূহ অৰ্থনৈতিক শোষণ চলা নাছিল আৰু সেই কাৰণে দাৰিদ্ৰই তেওঁলোকক বিশেষ তাড়না দিয়া নাছিল। আন কথাত শোষণ আৰু দাৰিদ্ৰ্য সেই সময়ৰ ডাঙৰ সমস্যা নাছিল। মাৰ্ক্সীয় সাম্যবাদে সমাজৰ অৰ্থনৈতিক গাঁথনিৰ আমূল পৰিবৰ্তন সাধন কৰিবলৈ বিচাৰিছিল। ই শ্ৰমিকসকলৰ ওপৰত পুঁজিবাদীসকলৰ শোষণ চিৰদিনলৈ নাইকিয়া কৰিবলৈ বিচাৰিছিল। মাৰ্ক্সীয় সাম্যবাদৰ অধীনত উৎপাদনৰ আহিলাবোৰৰ মালিকীস্বত্ব ব্যক্তিৰ হাতৰপৰা কাঢ়ি আনি ৰাষ্ট্ৰৰ ওপৰত অৰ্পণ কৰা হয় আৰু ব্যক্তিবাদী উৎপাদনব্যবস্থা আৰু বণ্টনব্যৱস্থাৰ ঠাইত সমাজবাদী উৎপাদনব্যৱস্থা আৰু বণ্টনব্যৱস্থা প্ৰবৰ্তন কৰা হয। আন কথাত প্লেটোৰ সম্পত্তিৰ সাম্যবাদে দৈনন্দিন ব্যবহাৰ্য্য বস্তু ভাত কাপোৰ আদিক সামৰি লৈছিল আনহাতে মাৰ্ক্সীয় সাম্যবাদে উৎপাদনৰ আহিলাসমূহ আৰু বণ্টনৰ আহিলাসমূহ ৰাষ্ট্ৰীয়কৰণ কৰিছিল। প্লেটোৰ সাম্যবাদৰ অধীনত অভিভাৱকসকলে মাটি বা পুঁজিৰ সমূহীয়া মালিকীস্বত্ব লাভ কৰিছিল। মাৰ্ক্সীয় সাম্যবাদে দৈনন্দিন ব্যৱহাৰৰ কাৰণে কিছুমান বস্তুৰ ব্যক্তিগত মালিকীস্বত্ব স্বীকাৰ কৰি লৈছিল। কিন্তু প্লেটোৰ সাম্যবাদৰ অধীনত উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰে অভিভাৱকসকলক দৈনন্দিন ব্যৱহাৰৰ বাবে যিবোৰ বস্তুৰ যোগান ধৰিছিল সেইবোৰ বস্তু তেওঁলোকৰ মাজত ব্যক্তিগত ব্যৱহাৰৰ বাবে ভগাই দিয়া হোৱা নাছিল। সেই বস্তুবোৰ তেওঁলোকে একেলগে উপভোগ কৰিব লাগিছিল।

(৬) প্লেটোৰ সাম্যবাদৰ চৰিত্ৰ একপ্ৰকাৰ বৈৰাগ্যধৰ্মী আছিল। ত্যাগেই ইযাৰ প্ৰধান ধৰ্ম আছিল। ত্যাগ কৰিবলৈ সমাজৰ উচ্চ শ্ৰেণী দুটাৰ মানুহক বাধ্য কৰোৱা হৈছিল। অভিভাৱক শ্ৰেণীৰ মানুহবোৰক তেওঁলোকৰ হাতত থকা সোণ ৰূপবোৰ পৰিত্যাগ কৰিবলৈ আদেশ দিয়া হৈছিল কিয়নো এইবোৰেই তেওঁলোকৰ বাবে প্ৰতিবন্ধকস্বৰূপ আছিল। কিন্তু মাৰ্ক্সীয সাম্যবাদে বস্তুৰ ন্যায বণ্টনব্যৱস্থা স্থাপন কৰিবলৈ বিচাৰিছিল।

(৭) মাৰ্ক্সীয সাম্যবাদ আৰু প্লেটোৰ সাম্যবাদে সমাজত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। কিন্তু ন্যায়ৰ অৰ্থ মাৰ্ক্সীয় সাম্যবাদ আৰু প্লেটোৰ সাম্যবাদত একে নাছিল। প্লেটোৰ সাম্যবাদত ন্যায়ৰ অৰ্থ হৈছে— প্ৰত্যেক মানুহে তেওঁৰ ওপৰত অৰ্পণ কৰা কামখিনি নিৰ্দিষ্ট ঠাইৰপৰা নিজৰ সামৰ্থ্য অনুসৰি সমাপন কৰা। এইদৰে সকলোবোৰ মানুহে নিজ নিজ ঠাইৰপৰা নিজ নিজ কৰ্তব্যবোৰ নিজৰ সাধ্য অনুসৰি পালন কৰিলে ৰাষ্ট্ৰত ন্যায প্ৰতিষ্ঠা হয়। কিন্তু মাৰ্ক্সীয় সাম্যবাদৰ অধীনত কামৰ ভিত্তিতহে পাৰিশ্ৰমিক আৰু পুৰস্কাৰ দিয়া হয় কোনেও কাম নকৰাকৈ ৰাষ্ট্ৰত থাকিব নোৱাৰে সকলোৰে বাবে ৰাষ্ট্ৰই উপযুক্ত কামৰ ব্যৱস্থা কৰে। এনেকৈয়ে ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা হয়।

(৮) প্লেটোৰ সাম্যবাদৰ চৰিত্ৰ একতান্ত্ৰিক আৰু অভিজাততান্ত্ৰিক আছিল। প্লেটোৰ সাম্যবাদৰ অধীনত বৃত্তিধাৰী প্ৰশিক্ষিত লোকসকলৰ ওপৰতহে চৰকাৰ চলোৱাৰ দায়িত্ব অৰ্পণ কৰা হৈছিল। গতিকে অসমৰ্থ আৰু অদক্ষ লোকে ৰাষ্ট্ৰ শাসনত ভাগ ল'ব নোৱাৰিছিল। কিন্তু মাৰ্ক্সীয় সাম্যবাদৰ অধীনত গণতান্ত্ৰিক চৰকাৰ গঠিত হয়। প্লেটোৱে ৰাজনীতিৰ ক্ষেত্ৰত প্ৰতিদ্বন্দ্বিতাৰ অৱসান ঘটাবলৈ ইচ্ছা কৰিছিল আৰু মাৰ্ক্সে অৰ্থনৈতিক ক্ষেত্ৰত প্ৰতিদ্বন্দ্বিতাৰ বিলোপ সাধন কৰিবলৈ বিচাৰিছিল।

(৯) প্লেটোৰ সাম্যবাদীব্যৱস্থা ৰচিত হৈছিল সৰু সৰু নগৰ ৰাষ্ট্ৰবোৰৰ বাবে কিন্তু মাৰ্ক্সীয় সাম্যবাদীব্যৱস্থা ৰচিত হৈছে সৰু-ডাঙৰ সকলোবোৰ ৰাষ্ট্ৰৰ বাবে। ১৯১৭ চনৰপৰা এতিয়ালৈ পৃথিৱীৰ প্ৰায় এক তৃতীয়াংশ মানুহৰ মাজত আৰু বহুতো সৰু ডাঙৰ ৰাষ্ট্ৰত মাৰ্ক্সীয় সাম্যবাদীব্যৱস্থা প্ৰবৰ্তিত হৈছে।

(১০) দুটা মূল কথাৰ ওপৰত প্লেটোৰ ৰাষ্ট্ৰীয় তত্ত্ব সৃষ্টি হৈছে। যেনে— (ক) সংগঠিত সামাজিক জীৱনৰ বাবে এটা প্ৰশিক্ষিত শাসকশ্ৰেণীৰ প্ৰয়োজন। (খ) চৰকাৰ পৰিচালনা কাৰ্য্য কিছুসংখ্যক গুণসম্পন্ন আৰু সংস্কৃতিসম্পন্ন অভিজাত শ্ৰেণীৰ মানুহৰ হাতত এৰি দিব লাগে। মাৰ্ক্সবাদে সৰ্বশেষত কোনো ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা নাই বুলি বিশ্বাস কৰিছে আৰু সেইবাবে মানুহৰ সামাজিক জীৱনৰ বাবে কোনো প্ৰশিক্ষিত শাসকশ্ৰেণীৰ প্ৰয়োজনীয়তা অনুভৱ কৰা নাছিল। প্লেটোৰ দ্বিতীয় কথাটোৰ ওপৰত মাৰ্ক্সে কৈছিল যে অভিজাতশ্ৰেণীৰ শাসকশ্ৰেণীৰ ঠাইত সৰ্বহাৰাৰ একনায়কত্ববাদহে প্ৰতিষ্ঠা হ'ব লাগে। প্লেটোৰ উৎপাদনকাৰী শ্ৰেণীটোৰ ভিতৰত শ্ৰমিক আৰু পুঁজিপতিসকলো আছিল।

প্লেটোৰ সম্পত্তিৰ সাম্যবাদৰ ওপৰত সমালোচনা

প্লেটোৰ সম্পত্তিৰ সাম্যবাদৰ ওপৰত বিভিন্ন দিশৰপৰা তীব্ৰ সমালোচনা আগবঢ়োৱা হৈছে। আটাইতকৈ তীব্ৰ সমালোচনা আগবঢ়াইছে তেওঁৰে শিষ্য এৰিষ্টটলে। এৰিষ্টটলে আগবঢ়োৱা প্ৰধান প্ৰধান সমালোচনাবোৰ তলত সন্নিবিষ্ট কৰা হ'ল।

(১) প্লেটোৱে তেওঁৰ সাম্যবাদ কেৱল অভিভাৱকশ্ৰেণীটোৰ মাজতহে প্ৰৱৰ্তন কৰিবলৈ বিচাৰিছিল কিন্তু এই শ্ৰেণীটোৰ মানুহৰ সংখ্যা সবাতোকৈ কম আছিল। প্লেটোৱে যদি ব্যক্তিগত সম্পত্তিকে প্ৰকৃত অন্যায় অসন্তুষ্টি আৰু অপাৰ অমংগলৰ কাৰণ বুলি ভাবিছিল তেন্তে কিয় তেওঁ উৎপাদনকাৰীসকলক ব্যক্তিগত সম্পত্তি ৰাখিবলৈ অনুমতি দিছিল ? এইটো যদি সঁচাকৈ বেয়াই ইয়াক সম্পূৰ্ণৰূপে সমাজ জীৱনৰপৰা আঁতৰ কৰিব লাগিছিল। এখন ৰাষ্ট্ৰৰ সৰহসংখ্যক মানুহে ব্যক্তিগত সম্পত্তি ভোগ কৰি থাকিব পাৰিলে কেৱল নিৰ্দিষ্ট কিছুমান

মানুহৰ মাজত ব্যক্তিগত সম্পত্তি নোহোৱা হোৱাৰপৰা একো লাভ নহয়। সৰ্বাধিক মানুহে ব্যক্তিগত সম্পত্তি ভোগ কৰি থাকিলে তাৰ প্ৰভাৱ সকলো নাগৰিকৰ জীৱনৰ ওপৰত পৰিবই। তদুপৰি যেতিয়া উৎপাদনকাৰী শ্ৰেণীটোৰ মানুহবোৰৰ মাজত অসন্তুষ্টি দেখা দিয়ে আৰু তাৰ ফলত ওপৰৰ শ্ৰেণী দুটাৰ মানুহে প্ৰয়োজনীয় সা সুবিধাবোৰ নোপোৱা হয় তেতিয়া তেওঁলোকে নিজৰ কৰ্তব্য ঠিকভাৱে আৰু নিষ্ঠাৰে সম্পন্ন কৰিব নোৱাৰে।

(২) এৰিষ্ট'টলৰ মতে ব্যক্তিগত সম্পত্তি থকা ভাবটোতে এটা প্ৰকাশ কৰিব নোৱৰা বা ক'ব নোৱৰা সুবিধা আছে। মানুহে কিছুমান বস্তুক নিজৰ বুলি কৈ বৰ আনন্দ আৰু সন্তুষ্টি লাভ কৰে। সম্পত্তিৰ সমূহীয়া মালিকীস্বত্ব সৃষ্টি হ'লে তাৰদ্বাৰা অপব্যয় আৰু অমিতাচাৰ সংঘটিত হ'ব। কিয়নো তেতিয়া সকলো মানুহৰে ওপৰত সমান দায়িত্ব পৰিব আৰু কোনেও নিজৰ দায়িত্ব ভালদৰে পালন নকৰা হ'ব। সাধাৰণতে দুই ৰকমৰ বস্তুৰ ওপৰত মানুহৰ অন্তৰৰ মৰম ওপজে যিবোৰ বস্তু নিজৰ সেইবোৰৰ ওপৰত আৰু যিবোৰক ভাল পোৱা যায় সেইবোৰৰ ওপৰত। মানুহৰ এইটো একপ্ৰকাৰ ধৰ্মই বুলি ক'ব পাৰি যে যিবোৰ তেওঁৰ নিজৰ সেইবোৰৰ ওপৰত তেও যত্ন লয় আৰু যিবোৰ তেওঁৰ নিজৰ নহয় অথচ তেওঁৰ ওপৰত দায়িত্ব দিয়া হৈছে সেইবোৰৰ ওপৰত তেও কম যত্ন লয়। সেইদৰে মানুহে নিজকে ভাল পোৱাটো এটা ঈশ্বৰপ্ৰদত্ত অনুভূতি। আকৌ মানুহে বিপদ আৰু আৱশ্যকতাৰ সময়ত আনক সহায় কৰি আনক খুৱাই-বুৱাই বৰ আনন্দ আৰু সন্তুষ্টি লাভ কৰে। নিজৰ ব্যক্তিগত সম্পত্তি থাকিলেহে মানুহে এইবোৰ কৰিব পাৰিব নহ'লে কেনেকৈ কৰিব ? এৰিষ্ট'টলৰ এই সমালোচনাবোৰৰ মূল্যায়ন কৰিলে দেখা যায় যে এইবোৰ সৰ্ববাদীসন্মত সমালোচনা হ'ব নোৱাৰে। এজন মানুহৰ অপৰ্য্যাপ্ত পৰিমাণে ধন সোণ সা সম্পত্তি থাকিলে তেওঁ বৰ সন্তুষ্টি লাভ কৰিব পাৰে সঁচা কিন্তু লগতে এইটোও সঁচা যে এজনৰ ধন সম্পত্তি নথকা বাবেই তেও সদায় অসন্তুষ্টি ভোগ কৰি থাকে। সম্পত্তি আৰু ভালপোৱাৰ অনুভূতি সাপেক্ষিক নহয় আপেক্ষিকহে। মানুহৰ এতিয়া নিজা নিজা সম্পত্তি আছে বাবেই তেওঁৰ সম্পত্তিৰ প্ৰতি লোভ আৰু মোহ আছে। কাইলৈ কোনো মানুহৰ নিজা সম্পত্তি নাইকিয়া হ'লে সকলো সম্পত্তি ৰাষ্ট্ৰ বা সমাজৰ হৈ গ'লে আৰু সকলোৱে নিজৰ জীৱননিৰ্বাহৰ বাবে ৰাষ্ট্ৰৰ অধীনত বাধ্যতামূলকভাৱে কাম কৰিবলগীয়া হ'লে মানুহৰ ভালপোৱা আৰু সম্পত্তিৰ অনুভূতি পৰিবৰ্তন হৈ যাব। সমূহীয়া মংগলৰ কাৰণে সম্পত্তিৰ সমূহীয়া মালিকীস্বত্ব কেতিয়াও অপব্যয়ৰ কাৰণ হ'ব নোৱাৰে যদিহে আৰম্ভণীতে ইয়াৰ পৰিচালনা আৰু নিয়ন্ত্ৰণত কেৰোণ নালাগে। মানুহৰ ভালপোৱা ভাব সদায় একে নাথাকে, সময় পৰিবেশ আৰু অৱস্থাৰ লগে লগে পৰিবৰ্তন হৈ থাকে। ৰাষ্ট্ৰ যেতিয়া সকলোবোৰ সম্পত্তিৰ গৰাকী হ'ব আৰু সকলো মানুহে সম্পত্তিবোৰ উপভোগ কৰিবলৈ সমানে সুবিধা পাব তেতিয়া কোনো মানুহৰ বাবে ব্যক্তিগত সহায়ৰ প্ৰয়োজন নোহোৱা হ'ব।

(৩) এৰিষ্ট'টলে যুক্তি দেখুৱাইছে যে সম্পত্তিৰ সাম্যবাদ হ'লে কিছুমান মানুহে বেছিকৈ পৰিশ্রম কৰিও কম সুবিধা পাব। গতিকে যেতিয়া কোনো মানুহে পাবলগাখিনিতকৈ কম পায় তেতিয়া তেওঁৰ মনত অসন্তুষ্টিয়ে দেখা দিয়ে। এই কথাটো অৱশ্যে মিছা নহয়। কিন্তু প্লেটোৰ সম্পত্তিৰ সাম্যবাদত এইটো প্রযোজ্য নহয়। কিয়নো প্লেটোৱে উৎপাদনকাৰীসকলৰ মাজত সাম্যবাদ প্রতিষ্ঠা কৰিব খোজাই নাছিল।

(৪) এৰিষ্ট'টলে ঐতিহাসিক যুক্তিও দাঙি ধৰিবলৈ বিচাৰিছিল। তেও কৈছিল আমি কেতিয়াও বহু যুগৰেপৰা লাভ কৰি অহা অভিজ্ঞতাবোৰ দলিয়াই পেলাব নালাগিব। যদি বছৰৰ পাছত বছৰ জুৰি এই অনুষ্ঠানবোৰ ভাল আছিল, তেনেহ'লে হঠাৎ এতিয়া এইবোৰ কেনেকৈ বেয়া হ'ব পাৰে ? এইটো কোনো সুচিন্তিত আৰু সবল যুক্তি নহয়। অতীতত সম্পত্তিৰ সাম্যবাদ নাছিল বাবেই এতিয়াও হ'ব নোৱাৰে এনে কথাৰ কোনো প্রমাণিত মূল্য নাই। এইটো অবাঞ্ছিত। অতীতকে বৰ্তমানৰ ভেটি হিচাপে গ্রহণ কৰিলে অতীতৰ অনুষ্ঠানবোৰৰ কোনো পৰিবৰ্তন নকৰিলে সমাজত এটা নিশ্চল অৱস্থাৰ সৃষ্টি হ'ব আৰু ইয়াৰ ফলত সমাজখন ধ্বংসৰ পথেৰে আগবাঢ়ি যাব। ইয়াৰম্বাৰা বৰ্তমান যুগ আৰু ভৱিষ্যত যুগৰ মানুহবোৰক কোনো নতুন কথা আৰু ভাল কথা শিকিবলৈ বা আৱিষ্কাৰ কৰিবলৈ আৰু সেইবোৰ কাৰ্য্যকৰী কৰিবলৈ সুবিধা দিয়া নহ'ব। ফলত মানুহৰ মন অশান্ত আৰু বিদ্রোহী হৈ পৰিব।

(৫) এইটো সততে কোৱা হয় যে সম্পত্তিৰ ভাগ নথকা আৰু লাভৰ অংশ নথকা কামত মানুহে অংশ গ্রহণ কৰি একেলগে থাকিবলৈ বৰ টান পাব। সম্পত্তিৰ সাম্যবাদ প্রতিষ্ঠা হ'লে মানুহৰ কাম কৰাৰ উদ্যম আৰু উৎসাহ নাইকিয়া হ'ব। কিন্তু সম্পত্তি ব্যক্তিৰ মালিকীস্বত্বত থাকিলে ইয়াক বঢ়াবলৈ আৰু উন্নত কৰিবলৈ ব্যক্তিৰ উদ্যোগ আৰু উৎসাহ বাঢ়ি যায়। সাম্যবাদী ৰাষ্ট্রবোৰত বৰ বেছি পৰিমাণে সংযোগন কৰা হয় আৰু ইয়াৰ ফলত মানুহে নিজৰ ইচ্ছা মতে বস্তু ব্যৱহাৰ কৰা বা উপভোগ কৰাৰ স্বাধীনতা কমি যায়। এই সমালোচনাবোৰো প্লেটোৰ সাম্যবাদৰ ক্ষেত্রত প্রযোজ্য নহয়।

(৬) এৰিষ্ট'টলে প্রশ্ন কৰিছিল— ব্যক্তিগত সম্পত্তি নথকা অভিভাৱক বোৰে কেনেকৈ ব্যক্তিগত সম্পত্তি থকা মানুহবোৰৰ জীৱনৰ মতলব বুজিবলৈ সমৰ্থবান হ'ব আৰু তেওঁলোকক পৰিচালনা কৰিব পাৰিব ? তেওঁৰ সমালোচনাৰ এই যুক্তিটোও সাৰ্থক নহয়। কিয়নো যিবোৰ মানুহ নিজে ধনীয়া নহয় তেও লোকে ধনীয়া মানুহবোৰৰ মতলব আৰু মন বুজিব নোৱাৰে বুলি ভবাটো উচিত নহয়

(৭) এৰিষ্ট'টলে দাবি কৈছিল, ব্যক্তিগত সম্পত্তি থকা বাবেই যে সমাজত অন্যায় আৰু অসাধুতা আছে এনে নহয়, মানুহৰ প্রকৃতিত থকা অসততাৰ ফলতহে

সমাজত অন্যায আৰু অসাধুতাৰ সৃষ্টি হৈছে। এই অসততাৰ বাবে মানুহবোৰ স্বাৰ্থপৰ আৰু পৰশ্ৰীকাতৰ হৈছে। গতিকে ই এটা নৈতিক ৰোগ আৰু ইয়াক নৈতিক ঔষধেৰে চিকিৎসা কৰিব লাগিব। মানুহৰ প্ৰকৃতিৰপৰা স্বাৰ্থপৰতা আৰু পৰশ্ৰীকাতৰতা আঁতৰ ক'ৰব লাগিলে একপ্ৰকাৰৰ সূক্ষ্ম আৰু উদ্দেশ্যধৰ্মী শিক্ষা ব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগিব। সম্পত্তিৰ সাম্যবাদ প্ৰৱৰ্তন কৰি মানুহৰ মনৰপৰা স্বাৰ্থপৰ আৰু পৰশ্ৰীকাতৰ ভাব আঁতৰ কৰিব পৰা নাযাব।

(৮) সম্পত্তিৰ সাম্যবাদৰ অধীনত যেতিয়া প্ৰতিজন মানুহ আন বহুতৰ ওপৰত নিৰ্ভৰশীল হ'ব তেতিয়া তেওঁলোকৰ মাজত কাজিয়াৰ সূত্ৰপাত হোবাৰ যথেষ্ট সম্ভাবনা আছে। প্ৰত্যেক মানুহে তেতিয়া যিমান পাৰে সিমান বেছিকৈ উপভোগ কৰিবলৈ বিচাৰিব আৰু উৎপাদন কাৰ্য্যত কমকৈ মনোযোগ আৰু শক্তি প্ৰয়োগ কৰিব প্লেটোৰ সাম্যবাদৰ ক্ষেত্ৰত এই কথাষাৰো প্ৰযোজ্য নহয। আকৌ উচ্চ ক্ষমতাসম্পন্ন নিয়ন্ত্ৰণকাৰীসকলে বেছিকৈ দাবী কৰিলেই যে মানুহক বেছিকৈ দিব তেনে নহয আৱশ্যক অনুসৰিহে দিব। তদুপৰি প্ৰত্যেকে নিজৰ সামৰ্থ্য অনুসৰি কামত মনোযোগ দিবই লাগিব আৰু নিজৰ শক্তি প্ৰয়োগ কৰিবও লাগিব। নহ'লে ইয়াৰ অন্যথাকাৰীসকলৰ ওপৰত চৰকাৰে কঠোৰ অনুশাসনমূলক ব্যৱস্থা গ্ৰহণ কৰিব।

প্লেটোৰ সম্পত্তিৰ সাম্যবাদৰ ওপৰত যিবোৰ সমালোচনা আগবঢ়োৱা হৈছে তাৰ আটাইবোৰ যুক্তি আৰু ঐতিহাসিক সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। ব্যক্তিগত সম্পত্তি বোলা অনুষ্ঠানটোৰ বয়স চাৰি হাজাৰ বা পাঁচ হাজাৰ বছৰৰ ওপৰ হোৱা নাই। আদিম সমাজত মাটি আৰু অন্যান্য ভালেমান বস্তু জাতিবোৰে বা গাওঁবোৰে সমূহীয়াভাৱে অধিকাৰ কৰিছিল আৰু ব্যৱহাৰ কৰিছিল। আদিম যুগত খ্ৰিষ্টিয়ান সকলৰ মাজতো সমূহীয়া সম্পত্তিৰ প্ৰচলন আছিল। বৰ্তমান যুগত সম্পত্তিৰ ওপৰত যিটো পবিত্ৰতাৰ ভাব সৃষ্টি হৈছে সেইটো বৰ পুৰণি নহয়। ব্যক্তিগত সম্পত্তিতকৈও বেছি পবিত্ৰ বুলি ভবা বহুতো অনুষ্ঠান সময়ৰ সোঁতত উটি ভাঁগি গৈছে। বহুতৰ মতে ব্যক্তিগত সম্পত্তিৰ ধাৰণাটোৱেই কৃত্ৰিম ই প্ৰাকৃতিক আৰু সাৰ্বজনীন নহয। ব্যক্তিগত সম্পত্তিৰ এই ধাৰণাটো বেলেগ বেলেগ সময় ঠাই আৰু অৱস্থাত বেলেগ বেলেগ আছিল। সামাজিক উপযুক্ততাৰ ওপৰত ব্যক্তিগত সম্পত্তিৰ অধিকাৰ বৰ্ত্তি আছে। ব্যক্তিগত সম্পত্তিৰ ওপৰত নানা ধৰণৰ কৰ লগাই হস্ত ক্ষেপো কৰা হৈছে। যদি এইটো কোৱা হয় যে প্লেটোৰ সাম্যবাদে সমাজৰ পূজাৰ বেদীত ব্যক্তিক উছৰ্গা কৰিছে তেনেহ'লে লগতে এইটোও ক'ব লাগিব যে আধুনিক অৰ্থনৈতিক ব্যক্তিবাদে ব্যক্তিৰ স্বাৰ্থ পূৰণৰ বাবে সমাজক উছৰ্গা কৰিছে।

এৰিষ্ট'টলে মানুহৰ ব্যক্তিত্বৰ বিকাশ সাধনৰ বাবে ব্যক্তিগত সম্পত্তিৰ অধিকাৰ ৰক্ষা কৰিবলৈ বিচাৰিছিল যদিও তেওঁ ব্যক্তিগত সম্পত্তিবোৰ সমূহীয়াভাৱে ব্যৱহাৰ হ'ব লাগে বুলিও কৈছিল। তেওঁ এইটো স্বীকাৰ কৰিছিল যে বহুতো

ৰাষ্ট্ৰত মাটিবোৰ সমূহীয়াভাৱে ব্যৱহাৰ কৰা হৈছিল আৰু তাৰপৰা উৎপন্ন হোৱা বস্তুবোৰ ভাগ কৰি লোৱা হৈছিল। আকৌ আন কিছুমান ৰাষ্ট্ৰত মাটিবোৰ ব্যক্তিৰ অধিকাৰত আছিল যদিও তাত সমূহীয়াভাৱে খেতি বাতি কৰা হৈছিল আৰু তাৰপৰা উৎপাদিত হোৱা সামগ্ৰীবোৰ বিতৰণ কৰি লোৱা হৈছিল। বৰ্তমান ব্যক্তিৰ অধিকাৰত আছিল যদিও তাত সমূহীয়াভাৱে খেতি বাতি কৰা হৈছিল তৃতীয়াংশ মানুহৰ মাজৰপৰা বহল অৰ্থত ব্যক্তিগত সম্পত্তিৰ অধিকাৰ উঠি গৈছে। পৃথিৱীৰ প্ৰায়বোৰ দেশতে এতিয়া ব্যক্তিগত সম্পত্তিৰ ওপৰত নিয়ন্ত্ৰণ চলিবলৈ ধৰিছে। বৰ্তমান প্ৰৱণতা হৈছে ব্যক্তিগত সম্পত্তিৰ অধিকাৰ উঠাই দিয়াৰ ফালে এই অধিকাৰ ৰক্ষা কৰাৰ ফালে নহয়।

পৰিয়ালৰ সাম্যবাদ

আগতেই উল্লেখ কৰি অহা হৈছে যে প্লেটোৱে অভিভাৱকসকলৰ মাজৰপৰা কেৱল ব্যক্তিগত সম্পত্তি উঠাই দিয়াৰ কথাই ভবা নাছিল তেওঁলোকৰ মাজৰপৰা ব্যক্তিগত পৰিয়ালো নাইকিয়া কৰি দিবলৈ বিচাৰিছিল। কিয়নো ব্যক্তিগত পৰিয়াল থাকিলে এইবোৰ চলাবলৈ ব্যক্তিগত বয় বস্তু আৰু সম্পত্তিৰো প্ৰয়োজন হয়। সেই বাবেই ব্যক্তিগত সম্পত্তি নাথাকিলে ব্যক্তিগত পৰিয়ালো ৰাখিব নোৱাৰি। প্লেটোৱে গ্ৰীছ দেশৰ কিছুমান চলিত কাম কাজ আৰু সাহিত্যত তেওঁৰ পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠা কৰাৰ সমল বিচাৰি পাইছিল। হিৰ'ড'টাছৰ মথা অগাথিৰ চিথান লিহি য়ানৰ নেচোচমানিচ আৰু এছিয়াৰ মেচাগেটিছসকলৰ তিৰোতাবোৰ উমৈহতীয়া আছিল। স্পাৰ্টাত গিৰীয়েকে ঘৈণীয়েকক কেতিয়াবা কেতিয়াবা ভাৰালৈ দিছিল আৰু এনেকৈও ৰাষ্ট্ৰৰ বাবে ল'ৰা-ছোৱালীৰ জন্ম দিয়া হৈছিল। ইউৰিপাইডসকলেও তিৰোতাৰ সাম্যবাদ সমৰ্থন কৰিছিল। গ্ৰিকসকলৰ বাবে তেওঁলোকৰ পত্নীসকল ল'ৰা-ছোৱালীৰ জন্মদাত্ৰী আহিলাহে আছিল। তেওঁলোকৰ বাবে বিবাহত কোনো পবিত্ৰতা নাছিল। পুৰুষ আৰু পুৰুষৰ লগত জড়িত সকলো কথাৰপৰা নাৰী সকলক সম্পূৰ্ণ আঁতৰত ৰখাটোৱে নাৰীসুলভ গুণ আছিল। প্লেটোৱে সমাজত নাৰীসকলৰ স্থান উন্নত কৰিবলৈ বিচাৰিছিল আৰু তেওঁলোকক ৰাষ্ট্ৰৰ সেৱাৰ কাৰ্য্যত নিযুক্ত কৰিবলৈ ইচ্ছা কৰিছিল। তেওঁলোকক ঘৰুৱা সংসাৰখনৰপৰা উলিয়াই আনি সামাজিক জীৱনৰ সোৱাদ ল'বলৈ দিলহে তেওঁলোকৰ বুদ্ধি বৃত্তি আৰু চৰিত্ৰৰ বিকাশ সাধন হ'ব পাৰে। তেওঁলোকক অজ্ঞ দাসত্বৰপৰা উদ্ধাৰ কৰিব লাগে আৰু স্বাধীন জীৱনযাপনৰ সুযোগ দিব লাগে। প্লেটোৱে ব্যক্তিগত পৰি য়ালৰ জীৱন নাইকিয়া কৰি সমাজৰ উৎকৃষ্ট পুৰুষ আৰু নাৰীসকলক স্বাধীনভাৱে জীৱনযাপন কৰাই ৰাষ্ট্ৰৰ শক্তি ঐক্য আৰু সংহতি নিখুঁতভাৱে গঢ়ি তুলিবলৈ ইচ্ছা কৰিছিল। তেওঁৰ মতে ব্যক্তিগত ঘৰখনেই সকলো অসাধুতা আৰু স্বাৰ্থ-

পৰতাৰ কেন্দ্ৰ। পৰিয়ালৰ ভিতৰত থকা স্বাৰ্থপৰতাৰপৰাই পৰিয়ালবোৰৰ মাজত কাজিয়া পেচালৰ সৃষ্টি হয় আৰু ইয়াৰ ফলত সামাজিক বিশৃংখলা আৰু আন্দোলন হ'বও পাৰে। পৰিয়ালৰ অনুভূতি আৰু পৰিয়ালব্যৱস্থাই ব্যক্তিগত আশা আৰু দুৰাকাংক্ষাৰ প্ৰধান কাৰণ। ই ৰাষ্ট্ৰৰ প্ৰতি মানুহৰ আনুগত্য কমাই আনে আৰু ৰাষ্ট্ৰৰ স্বাৰ্থৰ ওপৰত ব্যক্তিৰ স্বাৰ্থক স্থান দিয়ে। সেই কাৰণে ব্যক্তিগত পৰিয়াল আৰু ব্যক্তিগত খোৱা-লোৱাৰ ব্যৱস্থা অভিভাৱকসকলৰ মাজত থকাটো উচিত নহয়। প্লেটোৱে এইটো দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে কেৱল এক প্ৰকাৰৰ সুস্থ শিক্ষা ব্যৱস্থাৰ আঁচনি কৰিলেই নহ'ব সেই শিক্ষা আঁচনি কাৰ্য্যকৰী কৰিবলৈ উপযুক্ত পৰিবেশ আৰু অৱস্থাও লাগিব। সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰিলে কোনো সুস্থ আৰু কাৰ্য্যকৰী শিক্ষাব্যৱস্থা সুচাৰুৰূপে চলোৱাটো সহজ নহয়। সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠা কৰি সকলোবোৰ আৱশ্যকীয় অভিভাৱক তৈয়াৰ কৰিব লাগিব আৰু তেওঁলোকৰ ভৰণ-পোষণৰ ব্যৱস্থা কৰিব লাগিব। কিন্তু যদিও তেওঁ এটা অৰ্থত অভিভাৱকসকলৰ মাজৰপৰা ব্যক্তিগত পৰিয়াল উঠাই দিছিল আন অৰ্থত তেওঁ অভিভাৱকসকলেৰে গঠিত এটা ডাঙৰ আৰু সুশৃংখল পৰিয়ালৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল বিশেষকৈ ৰাষ্ট্ৰৰ শাসক সকলক তেওঁ এটা পৰিয়ালত মিলিত কৰি ৰাখিবলৈ ইচ্ছা কৰিছিল। তেওঁ ভাবিছিল যে এই ব্যৱস্থা বলবৎ হ'লে ৰাষ্ট্ৰ আৰু পৰিয়ালৰ মাজত থকা বৈৰী ভাব আঁতৰি যাব। প্লেটোৱে অভিভাৱকসকলৰ মাজত বিবাহ প্ৰথা উচ্ছেদ কৰাৰো সুপ্ৰজননীয় কাৰণ আছিল। এথেন্সত থকা তেতিয়াৰ দুৰ্বল আৰু শক্তি সামৰ্থ্যহীন পুৰুষ নাৰীসকল তেওঁ বিবাহৰ ভুলতে দেখিবলৈ পাইছিল বুলি ভাবিছিল। কিয়নো তেতিয়াৰ এথেন্সত সকলো সময়তে ভাল স্বাস্থ্যবান ডেকাৰ লগত ভাল আৰু স্বাস্থ্যৱতী ছোৱালীবোৰক বিবাহ বান্ধোনত আবদ্ধ কৰা হোৱা নাছিল। দুৰ্বল আৰু ৰুগীয়া ছোৱালীৰ লগতো সবল আৰু স্বাস্থ্যবান ল'ৰাৰো বিয়া হৈছিল আৰু ইয়াৰ ফলত বেমাৰী পঁয়ালগা সতি সন্ততিৰ জন্ম হৈছিল। সেই কাৰণে তেওঁ ভৱিষ্যত বংশধৰসকলক সবল, সুস্থ আৰু শক্তিশালী কৰি গঢ়ি তুলিবলৈ অভিভাৱকসকলৰ মাজৰপৰা বিবাহ প্ৰথা উঠাই দিবলৈ বিচাৰিছিল।

ওপৰৰ কথাখিনিৰপৰা এইটো পৰিষ্কাৰভাৱে ওলাই পৰিছিল যে প্লেটোৰ পৰিবাৰৰ সাম্যবাদত দুটা উদ্দেশ্য নিহিত আছে যেনে— (১) তিৰোতাসকলৰ মুক্তি আৰু (২) বিবাহৰ সংস্কাৰ। তিৰোতাক ঘৰুৱা কাম কাজতে আবদ্ধ ৰখাৰ ক্ষেত্ৰত প্লেটো ঘোৰ বিৰোধী আছিল। নাৰীৰ সংখ্যাও পুৰুষৰ সমানেই। গতিকে তেওঁলোকক কাম কাজ আৰু অস্তিত্বৰ ফালৰপৰা উচ্চ স্তৰলৈ আগবঢ়াই আনিব লাগে তেওঁলোকক কেৱল ঘৰৰ গৃহিণী কৰি ৰাখিলেই নহয়। প্লেটোৱে জোৰ দি কৈ গৈছে যে পুৰুষ আৰু নাৰীৰ মাজত প্ৰকৃতিগত বা প্ৰকাৰৰ বিশেষ প্ৰভেদ নাই। শাৰীৰিক শক্তিত দুৰ্বল হ'লেও নাৰীৰ প্ৰকৃতি পুৰুষৰ প্ৰকৃতিতকৈ বেয়া নহয়। নাৰীসকলৰ প্ৰকৃতিতো যুক্তি সাহস আৰু ক্ষুধা আছে। এই উপাদানবোৰ

সকলো পুৰুষৰ ক্ষেত্ৰত সমানে নথকাৰ দৰে সকলো নাৰীৰ ক্ষেত্ৰতো সমানে নাই। শক্তি-সামৰ্থ্যত পুৰুষ আৰু নাৰীৰ মাজত পাৰ্থক্য থকাৰ দৰে কেৱল পুৰুষৰ মাজতো শক্তি আৰু সামৰ্থ্যৰ ক্ষেত্ৰত পাৰ্থক্য আছে। কিছুমান বিষয়ত নাৰী-সকলতকৈ পুৰুষৰ সামৰ্থ্য বেছি আৰু আন কিছুমান বিষয়ত পুৰুষতকৈ নাৰীৰ সামৰ্থ্য বেছি। মানুহ হিচাপে পুৰুষ আৰু নাৰীৰ মাজত কোনো মৌলিক পাৰ্থক্য নাই। প্ৰশাসনৰ কথাত প্ৰকৃতিয়ে পুৰুষ আৰু নাৰীৰ মাজত কোনো পাৰ্থক্যৰ সৃষ্টি কৰা নাই। গতিকে নাৰীয়ে শিক্ষাৰ ক্ষেত্ৰত পুৰুষৰ লগত অংশ গ্ৰহণ কৰিব লাগে ল'ৰা-ছোৱালী ডাঙৰ দীঘল কৰোঁতেও পুৰুষৰ লগতে দায়িত্ব গ্ৰহণ কৰিব লাগে আৰু শান্তি আৰু যুদ্ধৰ সময়ত শাসক হিচাপে দায়িত্ব পালন কৰিব লাগে। শিয়ালে চিকাৰ কৰিব পাৰে, ভেৰাবখীয়াই ভেৰা ৰাখিব পাৰে আৰু নাৰীসকলেও ৰাষ্ট্ৰৰ ৰক্ষণাবেক্ষণৰ দায়িত্ব ল'ব পাৰে। নাৰীয়ে সামৰিক আৰু অসামৰিক বিষয়বোৰ লৈ কৃতকাৰ্য্যতাৰে নিজৰ দায়িত্ব পালন কৰিব পাৰে। প্লেটোৱে কৈছিল 'নাৰীৰ বাবে চৰকাৰী বিষয়বাব গ্ৰহণ কৰাৰ বয়স ৪০ বছৰ হওক আৰু পুৰুষৰ বাবে ৩০ বছৰ হওক। 'সামৰিক সেৱাৰ ক্ষেত্ৰত পুৰুষৰ বয়স ২০ বছৰৰপৰা ৬০ বছৰ হওক আৰু নাৰীৰ ক্ষেত্ৰত ল'ৰা ছোৱালী জন্ম দিয়া শেষ হোৱাৰ পাছত ৫০ বছৰলৈ থাকক।

প্লেটোৱে নাৰীক জাতিৰ সেৱাত ব্যৱহাৰ কৰিবলৈ বিচাৰিছিল আৰু সেই বাবে তেওঁ নাৰীক ঘৰুৱা জীৱনৰপৰা উলিয়াই আনি ৰাষ্ট্ৰীয় কৰ্তব্য পালন কৰিবলৈ দিবলৈ বিচাৰিছিল। তেওঁ নাৰীৰ অধিকাৰতকৈ কৰ্তব্যৰ কথাহে বেছিকৈ ভাবিছিল। তেওঁ নাৰীৰ ওপৰত কিছুমান বিশেষ কাৰ্য্যৰ দায়িত্ব দিছিল। তেওঁলোকে বিবাহ আৰু ল'ৰা ছোৱালীক প্ৰতিপালন আৰু পৰিচালনা কৰিব লাগিছিল। আইনত তেওঁ লিখিছে যে ধাতসকলেৰে গঠিত নাৰীৰ এটা সমিতিয়ে বিবাহিত পুৰুষ নাৰীসকলক বিয়াৰ পাছত ১০ বছৰলৈ চোৱা চিতা কৰিব লাগে আৰু বিবাহিত পুৰুষ নাৰীসকলৰ অসংগত ব্যৱহাৰৰ বিষয়ে প্ৰতি-বেদন দিব লাগে। ধাতুসকলে ল'ৰা ছোৱালীৰ তত্ত্বাৱধান আৰু নিয়ন্ত্ৰণ কৰিব লাগে। তিৰোতা ধাতসকলেই সিদ্ধান্ত ল'ব লাগিব ডেকা বয়সতে বিধবা হোৱা তিৰোতাবোৰে পুনৰ বিয়া কৰাব লাগে নে নালাগে। তিৰোতা ধাতুসকলৰপৰা ১০ জনী আৰু আইনৰ অভিভাৱকসকলৰপৰা ১০ জন সদস্য লৈ এখন আদালত গঠন কৰিব লাগে আৰু এই আদালতে স্বামী-স্ত্ৰীৰ মাজত গুচাব নোৱৰা অমিল দেখা পালে বিবাহ বিচ্ছেদৰ অনুমতি দিব লাগে।

বিবাহ সংস্কাৰ সংক্ৰান্তত প্লেটোৱে একগামিতা বা এজন স্বামী, এজনী স্ত্ৰীৰ ঠাইত বহুগামিতা বা এজন স্বামী কেইবাজনী স্ত্ৰী অথবা এজনী স্ত্ৰীৰ একাধিক স্বামীৰ সমৰ্থন কৰিছিল। ইয়েই আছিল তেওঁৰ পৰিয়ালৰ সাম্যবাদ। ইয়াৰ অধীনত অভিভাৱকসকলৰ কোনো ব্যক্তিগত স্ত্ৰী বা ল'ৰা-তিৰোতা নাথা-

কিব সকলোবোৰ তিৰোতাই তেওঁলোকৰ সমূহীয়া বৈণীয়েক আৰু সকলোবোৰ ল'ৰা ছোৱালীয়েই তেওঁলোকৰ উমৈহতীয়া ল'ৰা ছোৱালী। এনে অৱস্থাত বিবাহৰ অৰ্থ আছিল মতা তিৰোতাক যৌন সংগম কৰিবলৈ ৰাজহুৱাভাৱে অনুমতি দিয়া আৰু ৰাষ্ট্ৰৰ উদ্দেশ্যে ল'ৰা-ছোৱালী জন্ম দিবলৈ আদেশ দিয়া। উৎকৃষ্ট পুৰুষৰ লগত উৎকৃষ্ট নাৰীক উপযুক্ত বয়সত লগ লগাই দিব লাগে। পুৰুষৰ বাবে উপযুক্ত বয়স হৈছে ৩০ বছৰৰপৰা ৫০ বছৰলৈ আৰু নাৰীৰ বাবে উপযুক্ত বয়স হৈছে ২০ বছৰৰপৰা ৪০ বছৰলৈ। মাজে মাজে অস্থায়ী বিবাহৰ ব্যবস্থাও কৰিব লাগে আৰু এই অস্থায়ী বিবাহৰ ফলত জন্ম লাভ কৰা ল'ৰা ছোৱালীবোৰৰ লালন পালনৰ দায়িত্বও ৰাষ্ট্ৰই মূৰ পাতি লব লাগে। এই ল'ৰা ছোৱালীবোৰক ৰাষ্ট্ৰীয নাৰ্ছাৰিত ৰাখিব লাগে। নগৰ ৰাষ্ট্ৰৰ জনসংখ্যা বঢ়াবলগীয়া হ'লে সাধাৰণতে অস্থায়ী বিবাহৰ ব্যৱস্থা কৰিব লগীয়া হয়। এনে ধৰণৰ নাৰীৰ সাম্যবাদ প্ৰবৰ্তিত হ'লে পিত মাতয়ে তেওঁলোকৰ নিজৰ লৰা ছোঁৱালীক চিনি নাপায় আৰু ল'ৰা ছোৱালীযেও তেওঁলোকৰ মাক বাপেক কোন ক'ব নোৱাৰে। গতিকে পুৰুষ নাৰীক লগ কৰিবলৈ যিবোৰ বিবাহ উৎসব পালন কৰা হয় সেইবোৰত যিবোৰ নাৰীক কইনা সজোৱা হয় আৰু যিবোৰ পুৰুষক দৰা সজোৱা হয় সেই আটাইবোৰকে নিজৰ পিতৃ মাতৃ বুলি জ্ঞান কৰে। এইদৰে গোটেই অভিভাৱক শ্ৰেণীটো এটা পৰিয়ালত পৰিণত হ'ব আৰু এই পৰিবালটো সামাজিক আনন্দ সুখ দুখ কষ্ট আৰু স্বাৰ্থৰ বান্ধোনত একলগ হৈ থাকিব। এইখিনিতে এই কথাটো মনত ৰাখিব লাগিব যে প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ অৰ্থ এইটো নাছিল যে সকলোৱে যৌনজীৱন সমূহীযাভাবে উপভোগ কৰিব পাৰিব। অৰ্থাৎ প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ অৰ্থ যৌনজীৱনৰ সমাজীকৰণ নহয়। অভিভাৱকসকলৰ মাজত মতা তিৰোতা ঠিক কৰি দিয়া হয় আৰু সেই ঠিক কৰি দিয়া মতা তিৰোতা দুজনৰ মাজত যৌনজীৱন সীমাবদ্ধ ৰখা হয়। এই যৌনজীৱন উপভোগৰ ওপৰত কঠোৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা আছে। সেই নিয়ন্ত্ৰণব্যৱস্থাৰ শক্তি ধৰ্মীয বা নৈতিক নিৰ্দেশতকৈ বহুত বেছি। অভিভাৱকসকলৰ পুৰুষ আৰু নাৰীৰ ওপৰত যথেষ্ট পৰিমাণে ৰাষ্ট্ৰীয় কৰ্তব্য অৰ্পণ কৰা হৈছিল আৰু সেইবাবে তেওঁলোকে যৌনজীৱন উপভোগ কৰিবলৈ অতি কম সময়হে পাইছিল। তেওঁলোকে কেৱল শাৰীৰিক উপভোগৰ কাৰণে যৌনজীৱনত লিপ্ত হোৱা নাছিল, ৰাষ্ট্ৰৰ স্বাৰ্থতহে যৌনজীৱন উপভোগ কৰিছিল।

প্লেটোৱে নৈতিক ৰাজনৈতিক আৰু প্ৰজননীয় যুক্তিত পৰিবাৰৰ সাম্যবাদ সমৰ্থন কৰিছিল। তেওঁ পুৰুষ-নাৰী উভয়কে ধৰি গোটেই অভিভাৱক শ্ৰেণীটোক এটা বৃহৎ পৰিয়ালত পৰিণত কৰি ৰাষ্ট্ৰত ৰাজনৈতিক একতাৰ উন্নতি সাধন কৰিবলৈ ইচ্ছা কৰিছিল। অভিভাৱকসকলক সামৰি লৈ এনে এটা বৃহৎ পৰিয়াল গঢ়ি উঠিলে ইয়াৰদ্বাৰা ৰাজহুৱা কৰ্তব্য আৰু ব্যক্তিস্বাৰ্থৰ মাজত

উন্তৱ হোৱা কাজিয়াবোৰ প্ৰতিৰোধ কৰিব পৰা যাব আৰু কিছু পৰিমাণে অন্য ধৰিক বেমেজালিবোৰো আঁতৰ কৰিব পৰা যাব। নৈতিকভাৱে ব্যক্তিগত পৰিয়াল ব্যক্তিগত স্বাৰ্থ আৰু আশা আকাংক্ষাৰ অৱসান ঘটাই তেওঁ সমাজত ভ্ৰাতৃত্বৰ ভাব সৃষ্টি কৰিবলৈ বিচাৰিছিল। ল'ৰা-ছোৱালী তিৰোতাৰ ময় লোৱা সিহঁতৰ লালন পালন আৰু ভৰণ-পোষণৰ বাবে সম্পত্তি অৰ্জন কৰা জন্মৰ গৌৰৱ আৰু পৰিয়ালৰ প্ৰতি নিষ্ঠাই মানুহক ৰাজহুৱা কৰ্তব্য আৰু ৰাষ্ট্ৰীয় আদৰ্শৰপৰা আঁতৰাই আনে। সাম্যবাদ প্ৰতিষ্ঠিত হ'লে ব্যক্তিৰ আনুগত্য আৰু নিষ্ঠাৰ কাৰণে ৰাষ্ট্ৰৰ লগত প্ৰতিযোগিতা কৰিবলৈ কোনো ব্যক্তিগত পৰিয়াল নাথাকিব। ব্যক্তিগত পৰিয়ালৰ অনুপস্থিতিয়ে মানুহৰ মাজত ভ্ৰাতৃত্বৰ ভাব শক্তিশালী কৰি তুলিব। প্ৰজননীয় দৃষ্টিভংগীৰ ফালৰপৰাও প্লেটোৱে বিশ্বাস কৰিছিল যে পুৰুষ আৰু নাৰীক স্বামী স্ত্ৰী হিচাপে বাস কৰিবলৈ অনুমতি দিয়াৰ সময়ত কেৱল উৎকৃষ্ট পুৰুষসকলক উৎকৃষ্ট নাৰীসকলৰ লগত বিবাহসূত্ৰত বান্ধ খুৱাই দিব লাগে। সেইটো কৰিব পাৰিলেহে জাতি এটাৰ শাৰীৰিক আৰু মানসিক শ্ৰীবৃদ্ধি হয়। এই কথাটো গুৰুত্বসহকাৰে বুজাবলৈ প্লেটোৱে জন্তুৰ তুলনা আগবঢ়াই ছিল। তেওঁ দুৰ্বল আৰু বুগীয়া কেঁচুৱাবোৰ মাৰি পেলোৱাৰ পক্ষপাতী আছিল। কিয়নো সিহঁতৰপৰা ৰাষ্ট্ৰৰ অনিষ্ট সাধন হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা থাকে। সম্পত্তিৰ সাম্যবাদৰ বাবে পথ প্ৰশস্ত কৰিবলৈও তেওঁ পৰিবাৰৰ সাম্যবাদ প্ৰবৰ্তন কৰিবলৈ আঁচনি প্ৰস্তুত কৰিছিল। কিয়নো ব্যক্তিগত পৰিয়ালবোৰৰ মাজত উমৈহতীয়া সম্পত্তি ৰখাটো টান। এইদৰে প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ লগত বহুতো উদ্দেশ্য জড়িত হৈ আছিল। জাতীয় জীৱনৰ উন্নতি সাধনৰ উদ্দেশ্যে প্ৰজননবাদীসকলৰ বাবে এইখন এখন নতুন আঁচনি আছিল। ইয়াৰদ্বাৰা নাৰীক ঘৰুৱা জীৱনৰ জঞ্জালৰপৰা মুক্ত কৰিবলৈ বিচৰা হৈছিল আৰু পৰিয়ালবোৰৰ জাতীয়কৰণ কৰা হৈছিল আৰু ইয়াৰদ্বাৰা ৰাষ্ট্ৰীয় ঐক্য আৰু সংহতি শক্তিশালীকৈ গঢ়ি তুলিবলৈ বিচৰা হৈছিল। প্লেটোৱে কৈছিল— তিৰোতা আৰু ল'ৰা-ছোৱালীবোৰ উমৈহতীয়া হ'লে ইয়াৰ উপযোগিতা সম্বন্ধে কোনো প্ৰকাৰৰ ডাঙৰ প্ৰশ্নৰ উদয় নহ'ব বুলি মই নাভাবো তেনে ধৰণৰ প্ৰশ্ন উঠাটো অন্য এটা কথা আৰু নিশ্চয় এইটো এটা বিবদমান বিষয় হৈ পৰিব। প্লেটোৱে ব্যক্তি আৰু ৰাষ্ট্ৰৰ স্বাৰ্থৰ দিশৰপৰাহে পৰিবাৰৰ সাম্যবাদৰ প্ৰশ্নটো বিবেচনা কৰিছিল। চলিত প্ৰথা আৰু পৰিবেশত ইয়াৰ পৰিণাম কি হ'ব পাৰে সেইটো কথা প্লেটোৱে ভালদৰে ভাবি চোৱা নাছিল।

প্লেটোৰ সময়ৰ গ্ৰিকসকলৰ মানত নাৰীসকল ল'ৰা ছোৱালী উৎপাদনকাৰী আহিলা মাথোন আছিল। তেওঁলোকৰ বাবে বিবাহত কোনো পবিত্ৰতা নাছিল। নাৰীক ৰাজহুৱা জীৱন আৰু পুৰুষপৰা আঁতৰত ৰাখিলেহে নাৰীৰ নাৰীসুলভ চমৎকাৰিতা প্ৰকাশ পাব। নাৰীৰ বুদ্ধিৰ পক্ষে মত ব্যক্তি ধৰা চিন্তাবিদ

সকলৰ ভিতৰত প্লেটোই প্ৰধান আছিল। প্লেটোৱে সমাজৰ সেৱাত নাৰীক নিযুক্ত কৰি তেওঁলোকৰ সামাজিক মৰ্য্যাদা বঢ়াবলৈ ইচ্ছা কৰিছিল। গতিকে তেওঁৱেই প্ৰথম স্ত্ৰী-পুৰুষৰ সমান অধিকাৰৰ প্ৰবক্তা। তেওঁ সৰল যুক্তি দেখুৱাই কৈছিল যে নাৰীক যেনেতেনে ঘৰুৱা জঞ্জালৰপৰা উলিয়াই আনিব লাগিব। তেওঁলোকৰ বুদ্ধি বৃত্তি আৰু চৰিত্ৰৰ পূৰ্ণ আৰু বিচিত্ৰ বিকাশৰ বাবে তেওঁলোকক অনুমতি দিব লাগিব। তেওঁলোকক অজ্ঞতাৰ বশৱৰ্তী হৈ দাসত্বৰ সেৱা কৰি থকা অৱস্থাৰ পৰা মুক্ত কৰিব লাগিব।

প্লেটোৱে এইটো দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে নাৰীক সামাজিক জীৱনলৈ আনিব পাৰিলে ৰাষ্ট্ৰৰ ঐক্য আৰু সংহতি কটকটীয়া কৰিব পৰা যাব। তেওঁৰ মনত সেইবাবে পৰিবাৰৰ সাম্যবাদৰ আৱশ্যকতা কাৰ্য্যকাৰিতা আৰু সম্ভাৱনীয়তাৰ বিষয়ে সন্দেহ নাছিল। পুৰুষ আৰু নাৰীৰ মাজত প্ৰকাৰগত পাৰ্থক্য নাই পৰিমাণগত পাৰ্থক্যহে আছে। প্লেটোৱে কৈছিল ৰাষ্ট্ৰৰ কোনো কাৰ্য্য বা দায়িত্ব পুৰুষক পুৰুষ হিচাপে দিয়া নহয়। প্ৰশাসন আৰু ৰাজহুৱা সেৱাৰ ক্ষেত্ৰত পুৰুষ আৰু নাৰীৰ মাজত কোনো পাৰ্থক্য নাই। নাৰীসকলেও বেসামৰিক আৰু সামৰিক বিষয়বাব লৈ বিচক্ষণতাৰে পালন কৰিব পাৰে। সেই গতিকে কাম-কাজ আৰু ৰাজহুৱা স্থানত অভিভাৱকসকলৰ পুৰুষ আৰু নাৰীসকলৰ মাজত সম্পূৰ্ণ মমতা থাকিব লাগিব আৰু নাৰীসকলেও পুৰুষসকলৰ লগত একে শিক্ষা লাভ কৰিব লাগিব।

পাছত প্লেটোৱে নাৰীসকলৰ উন্নতি সাধন কৰিবলৈ বহুগামিতাৰ বিৰোধিতা কৰিছিল আৰু একগামিতাৰ সমৰ্থন কৰিছিল। 'আইন'ত তেওঁ পৰামৰ্শ আগবঢ়াইছিল যে যিসকল মানুহ ৩৫ বছৰ বয়সৰ পাছতো অবিবাহিত হৈ থাকিব তেওঁলোকৰ ওপৰত গধুৰ কৰ লগাব লাগে। প্লেটোৱে খুব বেছি সুৰাপান কৰাৰ বিৰোধিতা কৰিছিল। কিয়নো ইয়াৰ ফলত তেওঁ পৰিয়ালৰ জীৱন দুনীতিগ্ৰস্ত হোৱা আৰু নাৰীৰ জীৱনলৈ দাৰিদ্ৰ্য নামি অহাৰ শংকা কৰিছিল। আমি এইটো উপলব্ধি কৰিব লাগিব যে প্লেটোৱে নাৰীসকলক ৰাষ্ট্ৰৰ সেৱাৰ কাৰ্য্যত নিযুক্ত কৰিবলৈহে ঘৰুৱা জীৱনৰপৰা উলিয়াই আনি মুক্ত কৰিবলৈ বিচাৰিছিল। গতিকে প্লেটোৱে তেওঁলোকৰ অধিকাৰতকৈ কৰ্তব্যৰ বিষয়েহে বেছিকৈ চিন্তা কৰিছিল। নাৰীসকলক ৰাষ্ট্ৰৰ সেৱাকাৰ্য্যত ব্যৱহাৰ কৰাই সামাজিক জীৱনত, পুৰুষ আৰু নাৰীৰ স্থান সমান কৰিবলৈ চিন্তা কৰিছিল। কিন্তু এইখিনিতে আমি মনত ৰাখিব লাগিব যে প্লেটোৱে নাৰীসকলৰ বাবেহে তেওঁৰ সাম্যবাদ প্ৰৱৰ্তন কৰিবলৈ ইচ্ছা কৰিছিল উৎপাদনকাৰী শ্ৰেণীটোৰ নাৰীসকলৰ বাবে প্লেটোৱে কোনো মাত মতা নাছিল।

বহুতে ভাবে যে প্লেটোৰ পৰিবাৰৰ সাম্যবাদ কিছুমান ভ্ৰান্ত ধাৰণাৰ ওপৰত ৰচনা কৰা হৈছিল। পুৰুষ আৰু নাৰীসকলৰ মাজত কেৱল লিংগ আৰু

পৰিমাণগত প্ৰভেদেই নাই প্ৰকাৰগত প্ৰভেদো আছে। নাৰীসকল ভদ্ৰ, নম্ৰ, অনুভূতিপ্ৰৱণ আৰু দয়াশীলা। পুৰুষসকল উৎসাহী শক্তিশালী আৰু বুদ্ধি বৃত্তিসম্পন্ন। পুৰুষ আৰু নাৰীসকলৰ মাজত থকা এই চাৰিত্ৰিক বৈশিষ্ট্যবোৰে ব্যক্তিৰ প্ৰকৃতিৰ ওপৰত প্ৰভাৱ পেলায়। প্লেটোৱে পুৰুষ আৰু নাৰীৰ একে সামৰ্থ্য থকা বুলি ধৰি লৈ ভুল কৰিছিল। প্লেটোৰ পুৰুষ প্ৰকৃতিৰ সম্পৰ্কত কোনো অনুভূতি বা কল্পনাৰ স্থান নাছিল। তেওঁৰ ব্যৱস্থাত ভালপোৱা, দয়া, বদান্যতা আদি অতি আৱশ্যকীয় মানৱীয় অনুভূতিবোৰৰ কোনো স্থান নাছিল। আনকি চৰাই আৰু জন্তুবোৰৰ মাজতো ইটোৰ প্ৰতি সিটোৰ বিশ্বাস আছে, সিহঁতেও নিজৰ সৰু সৰু পোৱালিবোৰক মৰম চেনেহ কৰে। গতিকে প্লেটোৰ পৰিবাৰৰ সাম্যবাদে ভৱিষ্যতে জন্মগ্ৰহণ কৰিবলগীয়া নিউটন বা বাইৰনৰ সৃষ্টিত প্ৰতিবন্ধকস্বৰূপেহে থিয় দিব। তদুপৰি মানুহৰ জন্মব্যৱস্থাৰ লগত জন্তুবোৰৰ জন্মব্যৱস্থা একে হ'ব নোৱাৰে। ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত বিবাহপ্ৰথাৰদ্বাৰা এটা সংস্কৃতিসম্পন্ন আৰু শক্তিশালী জাতি গঢ়ি তোলাটো সম্ভৱপৰ নহয়। প্লেটোৰ ব্যৱস্থাই মানুহক জন্তুজগতৰ ফালে আগবঢ়াই লৈ যাবলৈ ধৰিছিল আৰু ই বহুগামিতাৰ সৃষ্টি কৰি মানুহবোৰক প্ৰকৃতিৰ বিৰুদ্ধে ঠেলি দিবলৈ বৃথা চেষ্টা কৰিছিল। আচলতে প্লেটোৰ ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত বিবাহব্যৱস্থা স্পাৰ্টাত চলি থকা বিবাহব্যৱস্থাৰে অন্য এটা ৰূপ আছিল। স্পাৰ্টাই কেতিয়াও পেৰিক্লি, প্লেটো এৰিষ্টটলৰ দৰে পুৰুষৰ জন্ম দিব পৰা নাছিল। প্লেটোৱে ভালক ভালৰ লগত লগ লগাই দিবলৈ বিচাৰিছিল। কিন্তু তেও ব্যাখ্যা কৰি বুজোৱা নাছিল কেনেকৈ সেই ভালবোৰ বিচাৰি উলিয়াই তেওঁলোকক লগ লগাই দিব।

প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ ওপৰত সমালোচনা

প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ ওপৰতো তেওঁৰ প্ৰিয় শিষ্য এৰিষ্টটলে তীব্ৰ সমালোচনা আগবঢ়াইছিল। এৰিষ্টটলৰ বাস্তব জীৱন আৰু বাস্তৱতাৰ ওপৰত থকা বোধশক্তি আছিল প্ৰবল। মানৱ প্ৰকৃতিৰ ওপৰত তেওঁৰ গভীৰ অনুধাৱন আছিল আৰু অতীতৰ প্ৰথা আৰু নিয়ম-কানুনবোৰৰ প্ৰতি তেওঁৰ শ্ৰদ্ধা আছিল অসীম। সেইবোৰ গুণ তেওঁৰ গাত থকা বাবেই তেওঁ প্লেটোৰ পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ সাম্যবাদৰ আঁচনিখন সৰ্বাংগে অগ্ৰাহ্য কৰিবলৈ যুক্তিবোৰ দাঙি ধৰিছিল।

আমি আগতেই পাই আহিছোঁ যে ৰাষ্ট্ৰত ঐক্য কটকটীয়া কৰিবলৈ প্লেটোৱে পৰিবাৰ আৰু ল'ৰা-ছোৱালীৰ সাম্যবাদ প্ৰৱৰ্তন কৰিবলৈ বিচাৰিছিল। তেওঁৰ সাম্যবাদৰ কোনো লক্ষ্য বা উদ্দেশ্য নাছিল, কোনো লক্ষ্য বা উদ্দেশ্যত উপনীত হ'বলৈ আহিলাহে আছিল। ৰাষ্ট্ৰৰ বাবে আটাইতকৈ বেছি মংগল আৰু

ৰাষ্ট্ৰত নিখুঁত ঐক্য প্ৰতিষ্ঠা কৰাৰ আহিলা হিচাপেহে প্লেটোৱে তেওঁৰ পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ সাম্যবাদ আঁচনিখন প্ৰস্তুত কৰিছিল। প্লেটোৱে ভাবিছিল যে সকলোবোৰ অভিভাৱকে সকলোবোৰ ল'ৰা ছোৱালীক নিজৰ ল'ৰা ছোৱালী বুলি জ্ঞান কৰিলে আৰু কাৰো ঘৰ বাৰী নাথাকিলে ৰাষ্ট্ৰত প্ৰকৃত একতা গঢ়ি উঠিব। ৰাষ্ট্ৰ এখনৰ বাবে একতাৰ অতীব প্ৰয়োজন আছে তাত কোনো সন্দেহ নাই আৰু এই বিষয়ে প্লেটোৰ লগত এৰিষ্টটলৰ কোনো মতদ্বৈধতাও নাছিল। কিন্তু এৰিষ্টটলৰ মতে প্লেটোৰ একতাৰ ধাৰণাটো সুস্থ নাছিল পৰিয়ালৰ মাজত থকা একতা আৰু ৰাষ্ট্ৰৰ বাবে আবশ্যকীয় একতা দুটা বেলেগ বস্তু। ৰাষ্ট্ৰ এখনক এটা বহৎ পৰিয়াল বুলি ধৰিব লোৱাটো ভুল। ৰাষ্ট্ৰ এখন কিছুমান বেলেগ বেলেগ গোটেৰে গঠিত। নিখুঁত একতা প্ৰতিষ্ঠা কৰিবলৈ গৈ ব্যক্তিসকলৰ মাজত থকা বিবিধতাবোৰ ধ্বংস কৰিবলৈ বিচাৰিলে ৰাষ্ট্ৰ এখন এটা পৰিয়ালত পৰিণত হ'ব আৰু শেহত এটা ব্যক্তিত পৰিণত হ'ব সেয়ে হ'লে ই ৰাষ্ট্ৰৰ একতা প্ৰতিষ্ঠাৰ ঠাইত ৰাষ্ট্ৰৰ একতা ধ্বংসহে কৰিব। ৰাষ্ট্ৰত একতা স্থাপিত হোৱাৰ ফলত মানুহৰ ব্যক্তিত্ব ধ্বংস হ'ব নালাগে। ৰাষ্ট্ৰত প্ৰকৃত ঐক্য স্থাপিত হয় বিবিধতাৰ মাজত। এৰিষ্টটলৰ এই ধৰণৰ আক্ৰমণ সত্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। প্লেটোৱে ৰাষ্ট্ৰখনক এটা পৰিয়াললৈ ৰূপান্তৰিত কৰিবলৈ বিচৰা নাছিল। ৰাষ্ট্ৰত থকা সকলোবোৰ মানুহক তেওঁ একে ৰকমৰ আৰু একে চৰিত্ৰৰ কৰিবলৈও বিচৰা নাছিল। প্লেটোৱে ব্যক্তিবোৰক তিনিটা নিৰ্দিষ্ট ভাগত বিভক্ত কৰিছিল আৰু প্ৰত্যেক ভাগকে বেলেগ বেলেগ কাম দিছিল। গতিকে প্লেটোৰ ৰাষ্ট্ৰত বেলেগ বেলেগ কাৰ্য্য কৰা বিভিন্ন উপাদান আছিল।

এৰিষ্টটলে কৈছিল যে প্লেটোৰ পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ সাম্যবাদৰ অধীনত এগৰাকী তিৰোতা সকলোবোৰ মানুহৰে উমৈহতীয়া সম্পত্তি আছিল প্ৰত্যেকৰে ঘৈণীয়েকসকল আন সকলোবোৰ মানুহৰ ঘৈণীয়েক আছিল। ইয়াৰ ফলত নানা অশান্তি বিশৃংখলা জেদাজেদি স্বাৰ্থপৰতা আদিৰ উৎপত্তি হ'ব। এই সমালোচনাটোও বাস্তৱধৰ্মী নহয়। প্লেটোৱে কোনো ঠাইতে কোৱা নাছিল যে প্ৰত্যেক মানুহৰ ঘৈণীয়েক আন সকলোবোৰ মানুহৰ ঘৈণীয়েক আছিল। তেওঁ কেতিয়াও কৌমাৰ্য্য সমৰ্থন কৰা নাছিল। তেওঁ কেৱল স্থায়ী বিবাহব্যৱস্থা উঠাই দিবলৈ বিচাৰিছিল আৰু তাৰ ঠাইত ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত অস্থায়ী বিবাহ ব্যৱস্থা প্ৰৱৰ্তন কৰিবলৈ ইচ্ছা কৰিছিল। কিন্তু অস্থায়ী বিবাহৰ ফলতো নানা অশান্তি বিশৃংখলা জেদাজেদি আদি সৃষ্টি হোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছিল আৰু সেইটো হ'ব লাগিলে ৰাষ্ট্ৰৰ নৈতিক গাঁথনিত এটা ডাঙৰ আঘাত পৰিলহেঁতেন।

কিন্তু এৰিষ্টটলৰ সমালোচনাৰ প্ৰধান বিষয় হৈছে এইটোহে। স্বামী-স্ত্ৰীৰ মাজৰ সম্পৰ্ক আৰু পিতৃ মাতৃ আৰু ল'ৰা ছোৱালীবোৰৰ মাজৰ সম্পৰ্কৰ ফলত এক ক'ব নোৱৰা ধৰণৰ আনন্দ আৰু সন্তুষ্টিৰ ভাব গঢ়ি উঠে। পুৰুষ আৰু নাৰী

সকলক কেৱল যৌনক্ষুধা চৰিতাৰ্থ কৰিবলৈ লগ লগাই দিয়া নহয়। ল'ৰা-ছোৱালী জন্ম দিয়াই তেওঁলোকৰ একমাত্ৰ কাম নহয়। মানৱীয় অনুভূতিবোৰৰ সন্তুষ্টি লাভ কৰিবলৈ পুৰুষ আৰু নাৰীক বিবাহ বান্ধোনত সুমুৱাই দিয়া হয়। ফলত তেওঁলোকৰ মাজত এটা জীৱনজোৰা বন্ধুত্ব গঢ়ি উঠে কোনেও কাকো এৰিব নোৱৰা হয়। কিছুমান নৈতিকতাৰ ওপৰত তেওঁলোকৰ মাজত এই বন্ধুত্ব গঢ়ি উঠে। সেইদৰে মাক পিতাক আৰু ল'ৰা ছোৱালীবোৰৰ মাজতো জীৱনব্যাপি এক মধুৰ সম্বন্ধ গঢ়ি উঠে মাক পিতাকে ল'ৰা ছোৱালীবোৰক অত্যন্ত মৰম-চেনেহ কৰে আৰু ল'ৰা ছোৱালীবোৰে মাক পিতাকক শ্ৰদ্ধা ভক্তি কৰে। ৰাজহুৱা নাৰ্চাৰিত ল'ৰা ছোৱালীবোৰে সেই মৰম চেনেহ কেতিয়াও পাব নোৱাৰে। প্লেটোৰ পৰিবাৰ আৰু ল'ৰা ছোবালীৰ সাম্যবাদৰ আঁচনি অনুসৰি প্ৰত্যেকটো ল'ৰা ছোৱালীৰে হাজাৰ হাজাৰ পিতৃ থাকিব আৰু প্ৰত্যেকজন পিতৃৰে হাজাৰ হাজাৰ ল'ৰা ছোৱালী থাকিব। ইয়াৰ ফলত পিতৃ আৰু পুত্ৰ কন্যা বোলা শব্দবোৰৰ ব্যৱহাৰ উঠি যাব। পৰিবাৰৰ সাম্যবাদৰ অধীনত দুটা অৰ্থত প্ৰত্যেকটো ল'ৰা সকলোবোৰ অভিভাৱকৰ পুত্ৰ হ'ব। এটা অৰ্থ হৈছে—গোটেই সমাজখনে ল'ৰাটোক সমাজৰ পুত্ৰ বুলি গ্ৰহণ কৰি ল'ব পাৰে আৰু আনটো অৰ্থ হৈছে—সকলোবোৰ ল'ৰা সকলোবোৰ অভিভাৱকৰে ল'ৰা হ'ব পাৰে। কিন্তু এজন পুত্ৰ সকলোবোৰ অভিভাবকৰে পুত্ৰ হ'ব নোৱাৰে। এইটো শাৰীৰিকভাৱেই অসম্ভৱ। দ্বিতীয়তে যেতিয়া গোটেই সমাজখনকে ল'ৰা ছোৱালীবোৰৰ ওপৰত তত্ত্বাৱধান ল'বলৈ দায়িত্ব দিয়া হ'ব প্ৰকততে তেতিয়া ল'ৰা ছোৱালীবোৰৰ ওপৰত কোনেও উপযুক্তভাৱে তত্ত্বাবধান নোলোবা হ'ব। ল'ৰা ছোৱালীৰ ওপৰত প্ৰকত পিতৃ মাতৃৰ যিকণ মৰম স্নেহ থাকিব সেইকণ মৰম চেনেহ আৰু কাৰো অন্তৰত থাকিব নোৱাৰে। সেই কাৰণে এৰিষ্টটলে কৈছিল যে প্লেটোৰ সাম্যবাদৰ অধীনত পুত্ৰ হৈ জন্মগ্ৰহণ কৰাতকৈ আত্মীযস্বজন হৈ জন্মগ্ৰহণ কৰাই ভাল। কিছুমান পিতৃ মাতৃয়ে নিজৰ ল'ৰা ছোৱালীক ভালদৰে তুলি তালি ডাঙৰ দীঘল কৰিব নোৱাৰিব পাৰে কিন্তু সেই কাৰণে পৰিয়ালৰ বিলুপ্তি সাধন কৰাটো উত্তম ব্যৱস্থা হ'ব নোৱাৰে। পিতৃ মাতৃযে ল'ৰা ছোবালীবোৰক যিথিনি যত্ন ল'ব লাগে তেওঁলোকৰদ্বাৰা সেইথিনি সম্ভৱ নহ'লে ৰাষ্ট্ৰই তেওঁলোকক সহায় কৰিবলৈ ব্যৱস্থা কৰিব পাৰে। এৰিষ্ট টলৰ মতে পৰিযালবোৰেই হৈছে ল'ৰা ছোৱালীৰ শৈশৱ অৱস্থাৰ বাবে সকলো গুণৰ আধাৰ। দয়া ত্যাগ বদান্যতা আত্মনিয়ন্ত্ৰণ আদি গুণবোৰ ল'ৰা ছোৱালী বোৰে সৰু কালতে পৰিয়ালৰ আন আন লোকসকলৰপৰা শিকি লয়। পৰিয়ালৰ দৈনন্দিন কাৰ্য্যত এইবোৰ গুণৰ চৰ্চা হৈ থাকে। ল'ৰা-ছোৱালীবোৰে এইবোৰ নিজ চকুৰে দেখে আৰু নিজ কাণেৰে শুনে আৰু তাৰপৰা শিক্ষাগ্ৰহণ কৰে। এই মহৎ গুণবোৰৰ ল'ৰা ছোৱালীৰ পৰৱৰ্তী জীৱনত বৰ প্ৰয়োজন থাকে। পৰিয়ালত নথকা হ'লে ল'ৰা-ছোৱালীবোৰে এই গুণবোৰ আহৰণ কৰিবলৈ সুযোগ নাপাব।

গতিকে সমাজ আৰু ব্যক্তি উভয়ৰে কাৰণে পৰিয়ালৰ নৈতিক আৰু আধ্যাত্মিক প্ৰয়োজনীয়তা আছে। পৰিয়ালৰ বিলুপ্তি সাধন কৰিলে সমাজৰ নৈতিক গাঁথনিয়েই ভাগি যাব।

এৰিষ্টটলৰ মতে ৰাষ্ট্ৰ এখনৰ স্থায়িত্ব আৰু শক্তি প্ৰধানকৈ নিৰ্ভৰ কৰে পৰিয়ালৰ সংহতিৰ ওপৰত। ব্যক্তিগত পৰিয়ালব্যৱস্থা উঠি গ'লে সামাজিক অনুভূতিৰ ওপৰত চেঁচা পানী পৰিব। এইটো সদায় সত্য নহয় যে পৰিয়ালৰ প্ৰতি আনুগত্য আৰু প্ৰীতিহে দুৰ্বলতাৰ উৎস। বিচাৰিলে দুৰ্বলতাৰ আন বহুতো কাৰণ ওলাব।

আদৰ্শ ৰাষ্ট্ৰত প্লেটোৱে ভাবিছিল যে সাম্যবাদ প্ৰতিষ্ঠিত হ'লে পিতৃসকলে নিজৰ ল'ৰা-ছোৱালীবোৰ চিনি নাপাব আৰু ল'ৰা-ছোৱালীবোৰেও নিজৰ পিতাকক চিনি নাপাব। প্লেটোৰ এই ধাৰণাটোক সম্পূৰ্ণ সত্য বুলি গ্ৰহণ কৰিব নোৱাৰি। আদৰ্শ ৰাষ্ট্ৰত সাম্যবাদৰ অধীনতো মুখৰ আকৃতি আৰু শাৰীৰিক গঠনৰপৰা কোন কাৰ পিতাক কোন কাৰ ল'ৰা ছোৱালী আৰু কোন কাৰ ভাই ভনী কিছু পৰিমাণে উলিয়াব পৰা যাব।

প্লেটোৱে মানৱ জগতৰ লগত জন্তু জগতৰ তুলনা কৰি এটা ডাঙৰ ভুল কৰিছিল। মানুহ আৰু জন্তুৰ মাজত বহুতো প্ৰভেদ আছে। জন্তুবোৰে সিহঁতৰ শাৰীৰিক শক্তি বৃদ্ধি আৰু উৎকৰ্ষ সাধনৰ বাবে আহাৰ খায়। কিন্তু মানুহৰ এটা সামাজিক আৰু সাংস্কৃতিক জীৱন আছে। প্লেটোৱে এটা মূল সূত্ৰ এৰাই গৈছিল। সেইটো হৈছে—এজন পুৰুষৰ বাবে এজনী নাৰী এইটো প্ৰকৃতি আৰু ভগৱানে সৃষ্টি কৰি থৈ যোৱা নিয়ম। আনকি মহান জন্তু আৰু চৰাইবোৰৰ ক্ষেত্ৰতো এই নিয়মটো কিছু পৰিমাণে চলি থকা দেখিবলৈ পোৱা যায়। পৃথিৱীৰ সকলোবোৰ সভ্য মানুহৰ মাজতে একগামিতা এটা সুপ্ৰচলিত নিয়ম। যিবোৰ ৰাষ্ট্ৰই বহুগামিতা প্ৰচলন কৰিছিল সেইবোৰ ৰাষ্ট্ৰ অধঃপতিত হৈছিল। স্পাৰ্টাত নাৰীৰ সাম্যবাদ প্ৰচলন কৰা হৈছিল আৰু ইয়াৰ ফল অত্যন্ত বিষময় হৈছিল। স্পাৰ্টাই ছক্ৰেটিছ ছোপোকলৰ দৰে কোনো মহৎ লোক জন্ম দিব পৰা নাছিল।

প্লেটোৰ পৰিবাৰ আৰু ল'ৰা-ছোৱালীৰ সাম্যবাদৰ অধীনত মাক পুত্ৰেক পিতাক জীয়েক ভায়েক ভনীয়েক আদিৰ মাজত অবৈধ সম্পৰ্ক ঘটাৰ যথেষ্ট সম্ভাৱনা আছিল। কিয়নো তাত ইজনৰ লগত সিজনৰ সম্বন্ধ কি তেওঁলোকে জানিব নোৱাৰে। গতিকে এইটো নিতান্ত স্বাভাৱিক যে কোনো এটা উৎসৱত জন্ম-গ্ৰহণ কৰা এজন ল'ৰা বা এজনী ছোৱালীয়ে তেওঁৰে ভনীয়েকে বা ভায়েক এজনক জীৱনৰ সংগিনী হিচাপে আন এটা উৎসৱত বাছি লোৱাটো কোনো আচৰিত কথা হ'ব নোৱাৰে।

প্লেটোৱে পুৰুষ আৰু নাৰীক সমপৰ্য্যায়লৈ আনিবলৈ যিটো প্ৰয়াস কৰিছিল তাৰ বাবে নিসন্দেহে তেওঁ প্ৰশংসাৰ পাত্ৰ। আধুনিক জগতেও তেওঁৰ এই

কথাটো সাদৰে গ্ৰহণ কৰিছে। কিন্তু ইয়াতো প্লেটোৱে মানুহে চুকি লোপোৱা উচ্চতালৈ মানুহক লৈ যাবলৈ বিচাৰিছিল। কিয়নো পুৰুষ আৰু নাৰীৰ চৰিত্ৰ আৰু গুণৰ পাৰ্থক্য আছে। ভদ্ৰতা অমায়িকতা ভাৱপ্ৰৱণতা লাজ আদি নাৰীৰ গুণ আৰু সাহসিকতা শক্তি উচ্চ বুদ্ধি-বৃত্তি তেজস্বিতা আদি পুৰুষৰ গুণ। আকৌ প্লেটোৱে পূৰ্বপুৰুষৰপৰা লাভ কৰা গুণ আৰু চৰিত্ৰৰ ওপৰত অবথা গুৰুত্ব দিছিল। পূৰ্বপুৰুষৰপৰা উত্তৰাধিকাৰী সূত্ৰে লাভ কৰা গুণবোৰক একেবাৰে উলাই কৰিব পৰা নাযায় যদিও এইবোৰ জোখ মাপ কৰাৰ কোনো উপায় নাই। সন্তানসকলৰ ওপৰত পিতৃ মাতৃ আৰু তেওঁলোকৰ উৰ্দ্ধপুৰুষবোৰৰ চৰিত্ৰ আৰু গুণৰ কিছু প্ৰভাৱ পৰে সঁচা কিন্তু প্ৰধানকৈ নিজৰ ইচ্ছাশক্তি আৰু সামৰ্থ্য ব্যৱহাৰ কৰিহে মানুহে নিজৰ জীৱন গঢ়ি তোলে। মহান পুৰুষ আৰু মহান নাৰীয়ে সদায় মহান পুত্ৰ আৰু কন্যা জন্ম দিব নোৱাৰে। সাধাৰণ মানুহৰ ঔৰসত আৰু সাধাৰণ নাৰীৰ গৰ্ভতো বীৰ পুত্ৰ কন্যাৰ জন্ম হোৱা দৃষ্টান্ত ইতিহাসত ভৰি আছে। কথাতে কয় শামুকৰ পেটতো মাণিকৰ জন্ম হয়।

জনসংখ্যাৰ বৃদ্ধিৰ হাত সাৰিবলৈ প্লেটোৱে যি অস্থায়ী বিবাহব্যৱস্থাৰ কথা ভাবিছিল সিও কাৰ্য্যকৰী কৰিব পৰা বিধৰ নাছিল। যৌনকামনা হৈছে মানুহৰ আটাইতকৈ শক্তিশালী উত্তেজনাদায়ক লিপ্সা। মানুহে যেতিয়া যৌনকামনাৰ পৰি-তৃপ্তি সাধন কৰিবলৈ বিচাৰে তেতিয়া খুব কমেইহে নৈতিকতা আৰু আধ্যাত্মিকতাৰ কথা মানি চলে। প্লেটোৰ সময়ত আজিৰ দৰে পৰিয়াল পৰিকল্পনাৰ উপায়বোৰো নাছিল। এৰিষ্টটলে আকৌ কৈছিল যে পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠা হ'লে ঘৰুৱা জীৱনৰ কাম কাজত বহুতো অসুবিধাই দেখা দিব। এই কথাটো কোৱাৰ সময়ত তেওঁ পাহৰি গৈছিল যে অভিভাৱকসকলৰ মাজত কোনো ব্যক্তিগত ঘৰ-বাৰীয়েই নাছিল। প্লেটোৱে তিৰোতাসকলৰ হতুৱাই সামৰিক আৰু বেসামৰিক কাম কৰি-বলৈ বিচাৰিছিল যদিও তিৰোতাসকলৰ পক্ষে এইটো প্ৰায়ভাগ ক্ষেত্ৰতে সম্ভৱপৰ নাছিল। ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণাধীন বিবাহব্যৱস্থাৰ প্ৰৱৰ্তন কৰি প্লেটোৱে মানুহক জন্তু জানোৱাৰৰ শাৰীলৈ নমাই আনিছিল। ইয়াতেই তেওঁ মানুহৰ মনোবৈজ্ঞানিক চিন্তাধাৰাক অৱজ্ঞা কৰিছে আৰু সেই বাবে তেওঁৰ এই আঁচনি কাৰ্য্যকৰী হৈ পৰিছিল। প্লেটোৱে নিজেই পাছত এই আঁচনিখনৰ কাৰ্য্যকাৰিতাৰ ওপৰত সন্দেহ প্ৰকাশ কৰিছিল। যিটো ব্যৱস্থাৰদ্বাৰা মানুহৰ জাতিগত আৰু পিতৃত্ব-মাতৃত্বৰ প্ৰাকৃতিক প্ৰবৃত্তিবোৰ নষ্ট কৰি দিবলৈ বিচৰা হৈছিল সেই ব্যৱস্থাটো শেষত ব্যৰ্থ হ'বলৈ বাধ্য হৈছিল।

আদৰ্শ ৰাষ্ট্ৰ এখনত যেতিয়া প্ৰত্যেকজন মানুহৰ বাবে তেওঁৰ ইচ্ছা আৰু সামৰ্থ্য অনুসৰি কামৰ দায়িত্ব দিয়া হ'ব, ল'ৰা-ছোৱালীবোৰকো কিছুমান উপযুক্ত মানুহৰ যত্ন আৰু তত্বাৱধানত ৰখা হ'ব। সাধাৰণ বিচাৰ-বুদ্ধিৰ কামৰপৰা চালেও এইটো সহজে জনা কথা যে এজনী তিৰোতাই সকলোবোৰ অভিভাৱকৰ পত্নী হ'ব

নোৱাৰে। কেনেবাকৈ এইটো হ'ব লগা হ'লে ইয়াৰ ফলত শান্তি আৰু একতাৰ ঠাইত অশান্তি আৰু বিশৃংখলতাই ভৰি পৰিব। পৰিয়ালবোৰ হৈছে নৈতিক ব্যৱহাৰৰ প্ৰাকৃতিক স্কুল আৰু ৰাষ্ট্ৰৰ কাৰণে ইও এটা প্ৰস্তুতি। পৰিয়ালতে ল'ৰা ছোৱালীৰ মনত কৰ্তব্যবোধৰ সৃষ্টি হয়। পৰিয়ালৰ সদস্যসকলৰ মাজত থকা প্ৰীতি আৰু সৌহাৰ্দ্যৰ কাৰণে ল'ৰা ছোৱালীবোৰৰ মনত ক'ব নোৱৰাকৈয়েই কৰ্তব্য বোধৰ বীজ অংকুৰিত হয়। পৰিবাৰৰ সাম্যবাদে মানুহৰ মিতাচাৰ ধ্বংস কৰিব। মিতাচাৰ মানৱ চৰিত্ৰৰ এটা প্ৰধান উপাদান। প্লেটোৱে ৰাষ্ট্ৰখনক এটা পৰিয়ালকৈ ৰূপান্তৰিত কৰি ৰাষ্ট্ৰৰ মৌলিক অৱস্থা এটা ধ্বংস কৰিবলৈ ধৰিছিল। সেইটো হৈছে—আত্মনিৰ্ভৰশীলতা। ৰাষ্ট্ৰৰ আচল প্ৰকৃতিয়েই নিৰ্ভৰ কৰিছে বিবিধতাৰ বহুত্বৰ ওপৰত আৰু এইটোকে প্লেটোৰ সাম্যবাদে ধ্বংস কৰিবলৈ ওলাইছিল।

প্লেটোৱে তেওঁৰ আইন'ত পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ সাম্যবাদৰ আঁচনিখন কাৰ্য্যকৰী কৰিব পৰা নাযাব বুলি বুজি পাইছিল আৰু সেইবাবে এই আঁচনিখনৰ মৌলিক সংশোধন ঘটাইছিল। আইন'ত তেও অভিভাৱক শ্ৰেণীটোৰ লগত ৰাজনৈতিক নৈতিক আৰু আধ্যাত্মিকভাৱে ৰিজাবপৰা কোনো এটা শ্ৰেণীৰ মানুহৰ কথা কোৱা নাছিল। ইয়াত তেও সংশোধিত সাম্যবাদী ব্যৱস্থাৰ কথা কৈছিল। এটা নিৰ্দিষ্ট সীমাৰ বাহিৰত থকা সম্পত্তিখিনিহে তেওঁ ৰাষ্ট্ৰৰ ওচৰত সোধাই দিবলৈ কৈছিল। কিন্তু তথাপি তেওঁ এটা কথাত অচল অটল আছিল। সেইটো হৈছে—সমাজত নাৰীসকলকো পুৰুষৰ শাৰীলৈ উঠাই আনিব লাগিব সামাজিক জীৱনত তেওঁলোকে অংশ গ্ৰহণ কৰিব লাগিব। বিবাহব্যৱস্থা ৰাষ্ট্ৰৰ স্বাৰ্থত নিয়ন্ত্ৰণ কৰিব লাগিব। প্ৰত্যেক মাহতে কিছুমান উৎসৱ অনুষ্ঠিত হ'ব লাগিব আৰু এই উৎসৱবোৰত ডেকা ডেকেৰীসকলে নাচ গান কৰিব আৰু তাত তেওঁলোকক ইচ্ছামতে প্ৰেমত পৰিবলৈ সুবিধা দিব লাগিব। বিবাহ বান্ধোনত সোমাই পৰাৰ আগেয়ে দৰা কন্যাই ইজনে সিজনৰ স্বাস্থ্য সম্পৰ্কে ভালদৰে বুজি লৈহে বিবাহত সন্মতি প্ৰদান কৰিব লাগিব। প্লেটোৰ মতে বিবাহ হৈছে এটা বাধ্যতামূলক অনুষ্ঠান। ৩৫ বছৰ বয়সপ্ৰাপ্ত হোৱাৰ পাছতো যদি কোনোবা পুৰুষ বিবাহসূত্ৰত আবদ্ধ নহয় তেওঁৰ ওপৰত বছৰেকীয়া কৰ লগাব লাগে। যদি তেওঁ সেই কৰ দিবলৈ অমান্তি হয় তেওঁৰ ওপৰত তাৰ দুগুণ জৰিমনা লগাব লাগে। বিবাহৰ পাছত বিবাহিত দম্পত্তিয়ে পিতাক মাকৰ ঘৰ এৰি গৈ সুকীয়াভাৱে বসবাস কৰিব লাগে। এই বিবাহিত জীৱন এটা ধাতৃসকলেৰে গঠিত সমিতিয়ে নিয়ন্ত্ৰণ কৰিব লাগে। তেওঁলোকে বিবাহিত জীৱনৰ দহ বছৰ পৰ্য্যন্ত দৰা কন্যাক উপদেশ দিব পৰিচালনা কৰিব ইত্যাদি। ডেকা দম্পত্তিসকলৰ কাম কাজ চাবলৈ ধাতৃসকলে তেওঁলোকৰ বাসস্থানত প্ৰবেশ কৰিব পাৰিব। দহ বছৰৰ ভিতৰত কোনো দম্পতীয়ে ল'ৰা ছোৱালী জন্ম দিব নোৱাৰিলে তেওঁলোকৰ দাম্পত্য জীৱন বাতিল কৰি দিয়া হ'ব। ল'ৰা-ছোৱালী এৰি কোনো তিৰোতাৰ মৃত্যু হ'লে, তেওঁৰ গিৰীয়েকজনৰ

পুনৰ বিবাহ কৰিবলৈ মানা কৰিব লাগে। যদি কোনো ল'ৰা-ছোৱালী নাথাকে তেওঁক পুনৰ বিবাহ কৰিবলৈ বাধ্য কৰিব লাগে। বিধবাৰ ক্ষেত্ৰত বয়স বেছি নহ'লে পুনৰ বিবাহৰ ব্যৱস্থা থাকিব লাগে।

প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ গুৰুত্ব আৰু কাৰ্য্যকাৰিতাৰ বিষয়ে মূল্যায়ন কৰিবলৈ হ'লে আমি এটা কথা সদায় মনত ৰাখিব লাগিব। সেইটো হৈছে—ৰাষ্ট্ৰৰ সমুদায় জনসংখ্যাৰ এটা সৰু অংশকহে তেওঁৰ সাম্যবাদে সামৰি লৈছিল আৰু ৰাষ্ট্ৰৰ কাৰ্য্যৰ বাবে উপযুক্তকৈ গঢ়ি তুলিবলৈ বিচাৰিছিল। তেওঁৰ অভিভাৱকসকল সাধাৰণ শ্ৰেণীৰ মানুহ নাছিল। তেওঁৰ অভিভাৱকসকলৰ কিছুমান বিশেষ গুণ আছিল আৰু প্লেটোৱে সাম্যবাদ প্ৰতিষ্ঠাৰদ্বাৰা সেই গুণবোৰেৰে অভিভাৱক সকলক বিভূষিত কৰিবলৈ বিচাৰিছিল। প্লেটোৱে অভিভাৱকসকলক একচেটিয়া ভাৱে ৰাজনৈতিক ক্ষমতা দিবলৈ বিচাৰিছিল আৰু তাৰ বিনিময়ত তেওঁ অভিভাৱক সকলৰপৰা যিমান পাৰে সিমান বেছি কাম আদায় কৰিবলৈ ইচ্ছা কৰিছিল। প্লেটোৱে ত্যাগ আৰু নিয়মানুবৰ্তিতাৰ সংযোগ সাধন কৰি এটা যুক্তিপূৰ্ণ সমাজ ব্যৱস্থা প্ৰৱৰ্তনৰ চিন্তা কৰিছিল য'ত ভাল মানুহ আৰু ভাল নাগৰিকৰ বাবে একেখন ঠাই হ'ব। সেই গতিকে প্লেটোৰ সাম্যবাদক সমালোচনা কৰিবলৈ যাওঁতে আমি সততে মনত ৰাখিব লাগিব যে প্লেটোৰ সাম্যবাদে এক শ্ৰেণী সাম্প্ৰতিকভাৱে যুক্তি মানি চলা অভিভাৱকৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। এই শ্ৰেণীৰ লোকসকল অৰ্থনৈতিক আৰু সামাজিকভাৱে সমাজৰ বাকী অংশ লোকৰপৰা আঁতৰত থাকিব লাগিছিল। গতিকে তেওঁলোকৰ সমাজৰ বিষয়ে প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰাৰ সুযোগ অতি কম আছিল আৰু তেওঁলোকে বিচিত্ৰতাৰে ভৰা সমাজ জীৱনৰ সমস্যা বোৰ ভালদৰে বুজিব নোৱাৰিছিল। এৰিষ্টটলৰ মতে প্লেটোৰ সেই অসামাজিক অভিভাৱকসকল হয় দেৱতা নহয় জন্তু আছিল।

সপ্তম অধ্যায়

প্লেটোৰ শিক্ষাব্যৱস্থা

মানুহৰ প্ৰকৃতিৰ প্ৰধান উপাদানবোৰৰ বিষয়ে থূলমূল আভাস দি প্লেটোৱে তেওঁৰ অন্যতম আলোচনাৰ বিষয় শিক্ষাব্যৱস্থাৰ কথালৈ আহিছে। ইয়াত তেও ৰাষ্ট্ৰৰ এটা অতি গুৰুত্বপূৰ্ণ কাৰ্য্যৰ ওপৰত তেওঁৰ মনোযোগ সন্নিবিষ্ট কৰিছে। সেই কাৰ্য্যটো হৈছে ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা। এই বিষয়ে তেও আমাক কৈছে যে যিসকল লোকে ৰাষ্ট্ৰ এখনৰ প্ৰতিৰক্ষাৰ ভাৰ গ্ৰহণ কৰিব তেওঁলোকৰ প্ৰকৃতিত দুটা প্ৰধান উপাদান শক্তিশালীভাৱে থাকিব লাগিব। এতিয়া প্ৰশ্ন হৈছে কেনেকৈ সেইসকল লোকক প্ৰশিক্ষিত কৰি তুলিব পৰা যাব। এই প্ৰসংগতে তেওঁ এনে এটা শিক্ষাব্যৱস্থাৰ কথা চিন্তা কৰিছিল যিটো শিক্ষা ব্যৱস্থাৰদ্বাৰা ৰাষ্ট্ৰৰ উচ্চ স্তৰৰ কাৰ্য্যবোৰৰ বাবে মানুহ গঢ়ি তুলিব পৰা যাব। প্ৰকৃতি আৰু শিক্ষাই মানুহৰ চৰিত্ৰ গঠন কৰে। এই দুটাৰ এটা নহ'লেও মানুহৰ চৰিত্ৰ গঢ়ি নুঠে। মানুহে চৰিত্ৰ গঠনৰ বাবে আৱশ্যকীয় প্ৰকৃতি সৃষ্টি কৰিব নোৱাৰে কিন্তু শিক্ষাৰদ্বাৰাই ইয়াত বাদে আন সকলোবোৰ বস্তু তৈয়াৰ কৰিব পাৰে আৰু প্ৰকৃত শিক্ষা লাভ কৰিব নোৱাৰিলে উৎকৃষ্ট প্ৰকৃতিও নষ্ট হৈ যাব পাৰে।

শিক্ষাৰ ওপৰত তেওঁৰ সাধাৰণ মতামত প্লেটোৱে গণৰাজ্যৰ সপ্তম পুস্তিকাত শক্তিশালীভাৱে দাঙি ধৰিছে। শিক্ষাৰ উদ্দেশ্য ব্যাখ্যা কৰিবলৈ গৈ প্লেটোৱে কৈছে যে ভগৱানে মানুহক চকু দিছে শিক্ষাৰদ্বাৰাই মানুহক চকুৰে পোহৰ দেখা কৰিব লাগে। এই ৰূপকটোৰদ্বাৰা প্লেটোৱে যিটো নীতিৰ কথা বুজাবলৈ বিচাৰিছে সেইটো হৈছে—শিক্ষাই মানুহৰ মনত জ্ঞানৰ বোজা জাপি নিদিয়ে মানুহৰ মনত থকা উৎকৃষ্ট গুণবোৰ বাহিৰলৈ উলিয়াইহে আনে আৰু সেই গুণবোৰ ঠিক কাম বা উদ্দেশ্যত ব্যৱহাৰ কৰে। এইটো কি উপায়ে কৰিব পৰা যায়? এইটো কৰিব লাগিলে প্ৰথমে মানুহৰ মনটো এনে কিছুমান বস্তু বা কামৰ মাজত সুমুৱাই ৰাখিব লাগিব যিবোৰৰপৰা সেই ধাৰণা আৰু চৰিত্ৰ বোৰ লাভ কৰিব পৰা যাব। এইটো কৰিবলৈ প্লেটোৱে যিটো পদ্ধতিৰ কথা কৈছিল সেইটো এটা তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত। এই তত্ত্বটো হৈছে— মানুহৰ মন মৌলিকভাৱে অনুকৰণপ্ৰিয়। ইয়াৰ অৰ্থ হৈছে মানুহে অৱস্থা আৰু পৰিবেশৰপৰা শিক্ষা গ্ৰহণ কৰে। 'গণৰাজ্য'ৰ ৬ষ্ঠ পুস্তিকাত প্লেটোৱে মানুহৰ আত্মা বা মনক এটা জীৱন্ত বস্তু বুলি ধৰি লৈ কৈছে—যেনেকৈ

এটা গছৰ গুটি মাটিত সিঁচিলে মাটিৰ গুণ অনুসৰি গুটিটো গজি পুলি হয় আৰু পাছত গছ হয় মানুহৰ মনো সেইদৰে গঢ়ি উঠে। প্লেটোৰ মতে মানুহৰ আত্মাৰ মৰণ নাই। কিন্তু যদিও বেয়া শিক্ষাই মানুহৰ আত্মা বা মনক সম্পূৰ্ণৰূপে ধ্বংস কৰিব নোৱাৰে বেয়া শিক্ষাৰদ্বাৰা মানুহৰ মনৰ প্ৰায়বোৰ উপাদানেই নষ্ট হৈ যাব পাৰে। গতিকে শিক্ষাৰ প্ৰধান সমস্যা হৈছে মানুহৰ মনক উপযুক্ত পৰিৱেশ আৰু অৱস্থাৰ যোগান ধৰা। অৱস্থা আৰু পৰিৱেশ মানুহৰ মনৰ ওপৰত এইদৰে প্ৰভাৱ বিস্তাৰ কৰে। মানুহৰ মনৰ আগত যিবোৰ বস্তু আৰু ভাব দাঙি ধৰা হয় মানুহৰ মনে সেইবোৰ বস্তুকে পাবলৈ বিচাৰে আৰু সেইবোৰ ভাবকে কাৰ্য্যত পৰিণত কৰিব খোজে। আমি যদি কোনো এটা কাম বা কোনো এটা বস্তু ভাল পাওঁ আমাৰ সেই কামটো কৰিবলৈ ইচ্ছা হয় বা সেই বস্তুটো লাভ কৰিবলৈও মন যায়। সেই গতিকে প্লেটোৱে শিক্ষাব্যৱস্থাৰ বিষয়ে আলোচনা কৰোঁতে প্ৰথমে প্ৰত্যক্ষ শিক্ষাৰ বিষয়ে কোৱা নাছিল। মনটোৰ চাৰিওফালে আগুৰি থকা বস্তু আৰু অৱস্থাৰ সহায়তহে তেওঁ শিক্ষাব্যৱস্থাৰ পাতনি মেলিছিল। মানুহৰ মনৰ অনুকৰণপ্ৰৱণতাৰ বিষয়ে প্লেটোৱে যিটো প্ৰথম আৰু প্ৰধান দৃষ্টান্ত দাঙি ধৰিছিল সেইটো হৈছে— অন্য মানুহৰ উদাহৰণবোৰে আমাৰ মনৰ ওপৰত কাম কৰা শক্তি। সেইবাবে মানুহৰ মনক মহৎ লোকৰ বিষয়ে ভাবিবলৈ শিকাব লাগে আৰু মানুহৰ মনত আমি প্ৰাৰ্থনা কৰা ঈশ্বৰৰ বিষয়ে এটা স্পষ্ট ধাৰণা থাকিব লাগে। শিল্পকলাৰ ফলাফলৰ বিষয়ে বিবেচনা কৰিলেও আমি সেই একেটা কথাকে দেখিবলৈ পাওঁ। সেই গতিকে প্লেটোৱে ভাবিছিল আত্মাই বা মনে গভীৰভাৱে চিন্তা কৰিলেহে প্ৰকৃত সৌন্দৰ্য্য দেখিবলৈ পায়। বিজ্ঞান শিক্ষাৰ বাবে আলোচনা কৰিলেও সেইটো কথাকে দেখিবলৈ পোৱা যায়। এই সকলোবোৰৰপৰা এইটো পৰিস্কাৰ যে মানুহৰ আত্মা বা মনে পাৰিপাৰ্শ্বিক অৱস্থাক অনুকৰণ কৰে। সেইবাবে পাৰিপাৰ্শ্বিক অৱস্থানো কি আমি ভালদৰে জানি ল'ব লাগিব।

এতিয়া আমি জানিব লাগিব প্লেটোৱে শিক্ষাৰ কোনবোৰ আহিলা তেওঁৰ হাতত তুলি লৈছিল ? তেওঁৰ মূল আৰু প্ৰধান আহিলা আছিল সাহিত্য। প্ৰতিজন এথেন্সবাসী এটা সাধাৰণ কৃষ্টিৰ মাজত ডাঙৰ দীঘল হৈছিল প্ৰতিজন এথেন্সীয় ভদ্ৰলোকে নিজৰ দেশৰ শিল্প-সাহিত্য চৰ্চা কৰিব লাগিছিল এইবোৰৰ উপৰিও তেওঁলোকে শিল্পকলাৰ বিষয়েও প্ৰাথমিক জ্ঞান লাভ কৰিব লাগিছিল আৰু সংখ্যাৰ বিষয়ে সাধাৰণ জ্ঞান আহৰণ কৰিব লাগিছিল। ব্যায়াম চৰ্চাও সাধাৰণ অভ্যাসৰ ভিতৰতে আছিল। তেওঁৰ দিনত চলি থকা এই উপাদানবোৰকে প্লেটোৱে প্ৰথমে হাতত লৈছিল আৰু সেইবোৰৰ ওপৰত তেওঁ নতুন আৰু গভীৰ গুৰুত্ব দিছিল। প্লেটোৱে এইটো ভালদৰে বুজিছিল যে মানুহৰ মনৰপৰা উৎকৃষ্টখিনি উলিয়াই অনাৰ প্ৰধান আহিলা হৈছে সাহিত্য।

সাহিত্যৰ ভিতৰত আছে গল্প আৰু কবিতা। প্ৰথমতে সৰু সৰু ল'ৰা-ছোৱালী বোৰৰ আগত গল্প ক'ব লাগে আৰু কিছু বয়স হোৱাৰ পাছত কবিতা পঢ়ি শুনাব লাগে। দ্বিতীয়তে তেওঁলোকক সংগীত চৰ্চা কৰাব লাগে। সংগীত চৰ্চা কৰা মানে গান বাজনা কৰা আৰু খেলা ধূলা কৰা দুয়োটাকে বুজায়' তৃতীয়তে ভাস্কৰ্য্যাদি গঠনমূলক শিল্প চৰ্চাও কৰিব লাগে ।

গণৰাজ্যৰ দ্বিতীয় আৰু তৃতীয় পুস্তিকাত প্লেটোৱে ল'ৰা ছোৱালী বোৰৰ প্ৰথম সময়ছোৱাৰ শিক্ষাৰ বিষয়ে আলোচনা কৰিছিল। ষষ্ঠ আৰু সপ্তম পুস্তিকাত তেওঁ পচিশ বছৰ বয়সৰ বাবে এটা বিস্তৃত শিক্ষাব্যৱস্থাৰ বিষয়ে বৰ্ণনা কৰিছিল। প্লেটোৱে ল'ৰা ছোৱালীৰ ১৮ বছৰ বয়সলৈ প্ৰথমছোৱা শিক্ষাৰ ব্যৱস্থা কৰিছিল। তাৰ পাছত তেওঁ কিছুমান শিক্ষাৰ্থীৰ বাবে বিশেষ ব্যায়াম সম্বন্ধীয় প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা ৰাখিছিল। এই ব্যায়াম সম্বন্ধীয় প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্য আছিল কিছুমান ডেকা নাগৰিকক সামৰিক কাম আৰু অন্যান্য সাহসমূলক কামৰ বাবে গঢ়ি তোলা। কিয়নো এইবোৰ কামৰ বাবে শক্তিশালী আৰু স্বাস্থ্যবান শৰীৰৰ প্ৰয়োজনীয়তা আছিল। তাৰ পাছত তেওঁ বিজ্ঞান শিক্ষাৰ ব্যৱস্থা কৰিবলৈ ইচ্ছা কৰিছিল আৰু শেষত দৰ্শন চৰ্চা কৰিব লাগে বুলি কৈছিল।

ইয়াৰ পাছতে লক্ষ্য কৰিবলগীয়া কথা হৈছে—প্লেটোৰ শিক্ষাব্যৱস্থাটো কিছুমান মতবাদৰ ওপৰত প্ৰতিষ্ঠিত কৰা হৈছিল আৰু সেই মতবাদবোৰ মানুহৰ প্ৰকৃতিৰ লগত জড়িত আছিল। মানুহৰ শৰীৰটো বাঢ়ি অহাৰ লগে লগে মানুহৰ মনৰ পৰিবৰ্তন হৈ আহে আৰু মানুহৰ মনটো বিভিন্ন অৱস্থা আৰু পৰিবেশত বিভিন্ন ৰূপত প্ৰকাশ পায়। প্ৰথমতে কিছুমান সংবেদনশীলতাই মানুহৰ মনৰ ওপৰত প্ৰভাৱ পেলায়। উদাহৰণস্বৰূপে খেয়াল আৰু কল্পনাৰ কথাকে ক'ব পাৰি। গণৰাজ্য'ৰ দ্বিতীয় আৰু তৃতীয় পুস্তিকাত প্লেটোৱে এইবোৰৰ জৰিয়তে শিক্ষাদানৰ ব্যৱস্থা কৰিবলৈ কৈছিল। এই উপাদানবোৰে মনৰ ওপৰত এটা সময়ত প্ৰবলভাৱে ক্ৰিয়া কৰে আৰু সেই সময়ছোৱাত কল্পনা অনুভূতি স্বৰ্গবিলাস আদি ভাববোৰ মানুহৰ মনৰ সক্ৰিয় শক্তিত পৰিণত হয়। ষষ্ঠ আৰু সপ্তম পুস্তিকাত তেওঁ ওপৰত উল্লেখ কৰা শিক্ষাব্যৱস্থাৰ পৰিপূৰক হিচাপে মনৰ প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিবলৈ কৈছিল। কিয়নো, তেতিয়া মানুহৰ মনত থকা বুদ্ধিশক্তিৰ বিকাশসাধন হয় আৰু তাৰ বাবে প্ৰশিক্ষণৰ প্ৰয়োজন হয়। প্ৰথমছোৱা সময়ত অৰ্থাৎ ১৮ বছৰ বয়সলৈকে যি শিক্ষা দিয়া হয় সেই শিক্ষাৰদ্বাৰা ল'ৰা-ছোৱালীবোৰে ধুনীয়া বস্তুক ভাল পাবলৈ শিকিব লাগে আৰু যিকোনো ৰূপতে ধুনীয়া বস্তু বোৰ চিনি পাব লাগে। ইয়াৰ পিছৰছোৱা শিক্ষাত মানুহৰ মনে সত্য বিচাৰি পাব লাগ'। সেই গতিকে এইছোৱা সময়ত বিজ্ঞান শিক্ষা দিব লাগে আৰু বিজ্ঞানৰ প্ৰশিক্ষণৰদ্বাৰা মানুহৰ মনত সত্যৰ প্ৰতি ভালপোৱাৰ সৃষ্টি কৰিব লাগে। গতিকে দুয়োছোৱা সময়ৰে শিক্ষাব্যৱস্থাৰ চৰম লক্ষ্য হৈছে মানুহৰ মনৰ আগত বিভিন্ন

ৰূপত ভাল বস্তু আৰু ভাল কাম উপস্থিত কৰা। কোনো কোনো ৰূপত সৌন্দৰ্য্য ভাল বস্তু আৰু তেনেকৈ সত্যও ভাল কাম বা বস্তু। চতুৰ্থ পুস্তিকাত প্লেটোৱে ভালৰ যি বৰ্ণনা কৰিছে তাৰপৰা পোৱা যায় যে ভালেই পোহৰৰ সৰ্বোচ্চ উপাদান ভালেই সত্য ভালতেই সৌন্দৰ্য্য প্ৰতিভাত হয়। শিক্ষাই ইয়াৰ চৰম লক্ষ্যত উপনীত হ'ব লাগিলে শিক্ষাৰম্ভৰ পৰা এইবোৰ গুণ লাভ কৰিব লাগিব। মানুহে শিকিব লগীয়া সবাতোকৈ ডাঙৰ কথাটো হৈছে মানুহৰ মনত থকা যুক্তিশক্তি আৰু স্বৰ্গীয় বুদ্ধি বৃত্তিবোৰ নিজৰ মাপকাঠীৰে বিচাৰি উলিওৱা। গতিকে আৰম্ভণিৰেপৰা শিক্ষাই মানুহক ভাল বস্তু দেখা আৰু ভাল কাম কৰাত সহায় কৰে।

প্ৰাথমিক শিক্ষাব্যৱস্থাৰ উদ্দেশ্য হৈছে বিভিন্ন ৰকমৰ কাল্পনিক ৰূপত ভালৰ ধাৰণা শিক্ষাৰ্থীসকলৰ মনৰ আগত উপস্থিত কৰা। পাছৰছোৱা সময়ত এই ধাৰণাবোৰকে যুক্তিযুক্ত ৰূপত প্ৰকাশ কৰিব লাগে। কিন্তু কথা হৈছে কি ৰূপত আৰু কি পদ্ধতিত এই ধাৰণাবোৰ প্ৰকাশ কৰা যায় ? কিহেৰে শিক্ষা ব্যৱস্থা অৰম্ভ কৰা হ'ব ? ধৰ্মৰ কথাৰে শিক্ষা আৰম্ভ কৰিব লাগে। অৰ্থাৎ ভালৰ ধাৰণাটো মানুহৰ মনৰ আগত উপস্থিত কৰিবলৈ এনে এজন মানৱ বা অতিমানৱৰ ছবি দাঙি ধৰিব লাগে যাক আমি ভালৰ আৰু সত্যৰ নিখুঁত প্ৰতীক হিচাপে গ্ৰহণ কৰিব পাৰোঁ। তেনেকুৱা এজন মানৱৰ বা অতিমানৱৰ নামেই হ'ব ভগৱান বা ঈশ্বৰ বা আন কিবা। তেনেকুৱা এজন মানৱ বা অতিমানৱৰ বিষয়ে শিকোৱাৰ উদ্দেশ্য হৈছে মানুহৰ মনটোকো ভগৱানৰ মনৰ দৰে কৰি গঢ়ি তোলা। সেই গতিকে ঈশ্বৰৰ আচল প্ৰকৃতি নিৰ্ণয় কৰাৰ যথেষ্ট গুৰুত্ব আছে। কিয়নো ঈশ্বৰৰ সেই আচল ৰূপটোহে অতি সহজ আৰু পৰিষ্কাৰকৈ ল'ৰা ছোৱালীবোৰৰ মানস পটত দাঙি ধৰিব লাগে। সেইবাবে প্লেটোৰ শিক্ষাব্যৱস্থা আৰম্ভ হৈছিল কিছুমান পৌৰাণিক আৰু কাল্পনিক গল্প কোৱাৰ জৰিয়তে। এই গল্পবোৰত ভগৱানৰ শক্তি আৰু কীৰ্তিৰ বিষয়ে আলোচনা কৰা হৈছিল। ভগৱানৰ শক্তি আৰু কামৰ মূল উপাদান আছিল ভাল আৰু সত্য। এনে ধৰণৰ গল্প কবিতাৰ জৰিয়তেও ভাল কথা কোৱা হয়। কবিতাৰ জৰিয়তে কোৱা গল্পবোৰৰ উদ্দেশ্যও সেই একেটাই আছিল। পাছত এইবাৰকে যুক্তিৰ কাৰণেও অধ্যয়নৰ বিষয়বস্তু হিচাপে মনৰ আগত উপস্থিত কৰিব পাৰি। ভগৱানক সাপেক্ষিক ভাল আৰু সত্যৰ প্ৰতীক হিচাপে উপস্থিত কৰি শিক্ষাৰ জৰিয়তে কিছুমান বীৰ-বীৰাংগনাৰ চৰিত্ৰও শিকাৰুসকলৰ আগত দাঙি ধৰিব লাগে। এনেকৈ মানুহৰ প্ৰকৃতিৰ উচ্চতম আৰু চৰম সত্যখিনি শিক্ষাৰ্থীসকলৰ সন্মুখত উপস্থিত কৰিব লাগে। ইয়াৰ পাছত সৌন্দৰ্যৰ বিষয়ে যুক্তি তত্ত্ববোৰ আগবঢ়াব লাগে। শৃংখলা শিল্প কলা, ভাস্কৰ্য্য, সংগীত ৰূপ আদি নানা বস্তু আৰু কামৰ মাজেদি সৌন্দৰ্য্য প্ৰকাশ পায়। গতিকে সৌন্দৰ্য্য উপভোগ কৰিবলৈ প্ৰথমতে শিক্ষাৰ্থীসকলে নিজৰ চাৰিওকালে থকা চকুৰে দেখা আৰু ইন্দ্ৰিয়ৰে অনুভৱ কৰিব পৰা পৃথিৱীখনৰ কথা জানিব লাগে।

শিক্ষাৰ উদ্দেশ্য ফলৱতী হ'ব লাগিলে মানুহৰ মনে শিল্প কলা প্ৰকৃতি মানব জীৱন আদিৰ পৃথিৱীখনত থকা বিভিন্ন ৰূপৰ ভালবোৰ চিনি পাব লাগিব।

গোটেই গণৰাজ্য'খনতে আৰু শিক্ষাবিষয়ৰ আলোচনাটোৰ জৰিয়তে প্লেটোৱে নিজে যিটো শুদ্ধ আৰু ন্যাষ্য বুলি ভাবিছিল সেইটোক ব্যাখ্যা কৰিছিল আৰু সেই প্ৰসংগত তেওঁ তৌতিয়াৰ অনুষ্ঠানবোৰৰ ওপৰত কটু সমালোচনা আগ বঢ়াইছিল। সেই অনুষ্ঠানবোৰৰ ওপৰত তেওঁ এনেকৈ তীক্ষ্ন সমালোচনাৰ বাণ হানিছিল আৰু সেইবোৰত তেওঁ ইমান সময় খৰচ কৰিছিল যে সাধাৰণ শ্ৰোতাই তেওঁৰ আলোচনাৰ অনন্যসাপেক্ষ বা প্ৰকৃত ফালটো ধৰিবই নোৱাৰিছিল। প্লেটো'ৰ তেওঁৰ মতবাদবোৰ সক্ৰিয় বিৰোধিতা বা বিপক্ষতাৰ সহায়ত প্ৰকাশ কৰিছিল। তেওঁ বুজি পাইছিল যে গ্ৰিকসকলে হোমাৰ হেৰিঅড আৰু অন্যান্য লেখকসকলৰ পুথিবোৰ অধ্যয়ন কৰিছিল আৰু তেওঁলোকক গ্ৰিকসকলে বৰ শ্ৰদ্ধাৰ চকুৰে চাই ছিল। কিন্তু সেই লেখকসকলৰ মহান বৰগুণিৰ প্ৰতি তেওঁলোকক শ্ৰদ্ধা জনোৱা নাছিল। প্লেটোৱে সেই লেখকসকলৰ পুথিবোৰ সমালোচনা কৰিবহে আৰম্ভ কৰি ছিল। তেওঁৰ সমালোচনাবোৰ আমাৰ বাবে কেতিয়াবা কেতিয়াবা বৃথা পাণ্ডিত্য প্ৰদৰ্শনৰ সামগ্ৰী যেন লাগিব পাৰে। কিন্তু গ্ৰিক কবিসকলক আমি আজি যিভাবে দেখোঁ প্লেটোৱে সেইভাৱে দেখা নাছিল। আমি তেওঁলোকৰ কবিতাবোৰ খুব বেছি মনোযোগেৰে নাচাওঁ কিন্তু গ্ৰিকসকলে এইবোৰ বৰ মনোযোগেৰে অধ্যয়ন কৰি ছিল। প্লেটোৰ দিনৰ ডেকা গ্ৰিকসকলৰ মনৰ এইবোৰেই প্ৰধান খোৰাক আছিল। প্লেটোৱে নিজেই এইটো অনুভৱ কৰিছিল যে সেই সময়ৰ গ্ৰিক কবিসকলক সমালোচনা কৰি তেওঁ যিখিনি বাস্তৱ সেৱা আগবঢ়াইছিল সেই পৰিমাণে তেওঁ নিজেই সাহিত্য ভঁৰাললৈ বৰঙণি যোগাব পৰা নাছিল। গতিকে তেওঁ ক্ষমা বিচৰাৰ সুৰত আমাক কৈছে যে তেওঁৰ উদ্দেশ্য কবিতা লিখা নহয় ৰাষ্ট্ৰ এখনৰ প্ৰকৃত গাঁথনি ঠিক কৰাহে আৰু সেইমতে তেওঁ এখন আদৰ্শ ৰাষ্ট্ৰত কবিসকলে কি উদ্দেশ্যে আৰু কেনে ধৰণে কবিতা লিখিব লাগে সেই বিষয়েহে ক'ব পাৰে।

প্লেটোৱে প্ৰথমে জনপ্ৰিয় অৰ্থত শিক্ষাব্যৱস্থাক দুটা ভাগত ভাগ কৰিব খুজিছিল—এটা ভাগত শিক্ষাব্যৱস্থাৰদ্বাৰা মানুহৰ মনটো প্ৰশিক্ষিত কৰিব আৰু আনটো ভাগত শিক্ষাব্যৱস্থাৰদ্বাৰা মানুহৰ শৰীৰটো প্ৰশিক্ষিত কৰিব। পাছত তেওঁ এই ধাৰণাটো সংশোধন কৰিছিল। এইটো সংশোধন কৰাৰ কাৰণ হৈছে দুয়োটা ভাগৰ শিক্ষাই একেলগে মন আৰু শৰীৰৰ ওপৰত ক্ৰিয়া কৰে মনটো ঠিক হ'লে ইয়াৰ প্ৰভাৱ শৰীৰৰ ওপৰত পৰে আৰু শৰীৰটো ঠিক হ'লে ইয়াৰ প্ৰভাৱ মনৰ ওপৰত নপৰাকৈ নাথাকে। আচল কথা হৈছে বেলেগ বেলেগ উপায়েৰে আৰু শৰীৰ আৰু মনৰ বেলেগ বেলেগ উপাদানৰ জৰিয়তে মানুহৰ মন আৰু শৰীৰ প্ৰশিক্ষিত কৰি তুলিব লাগিব। সেইবাবে প্ৰথমে তেওঁ সাহিত্যৰ বিষয়ে আলোচনা কৰিছিল আৰু তাৰ পাছত সংগীত আৰু শেষত ভাস্কৰ্য্য শিল্প।

সাহিত্য চৰ্চাক তেওঁ দুটা ভাগত বিভক্ত কৰিছিল—এটা ভাগত সাহিত্যৰ বিষয়বস্তুৰ বিষয়ে আলোচনা কৰা হৈছিল আৰু আনটো ভাগত সাহিত্যৰ বিভিন্ন ৰূপৰ বিষয়ে আলোচনা কৰা হৈছিল। কি কাৰণে সাহিত্যক তেওঁ এই দুটা ভাগত বিভক্ত কৰি-ছিল তাৰ ব্যাখ্যা কোনো ঠাইতে পোৱা নাযায়। আমি আজিকালি সাহিত্যৰ ৰূপ অলংকাৰ আদিৰদ্বাৰা যিবোৰ কথা বুজোঁ প্লেটোৱে সেইবোৰ কথাত কোনো মনোযোগ দিয়া নাছিল। সেই কাৰণে ইয়াতো আমাৰ প্ৰধান প্ৰশ্ন হ'ব এইটোৱেই—মানুহৰ মনটোক কি শিকাবলগীয়া আছে ? সাহিত্যৰ কিছুমান ধৰণ বা ৰূপে মানুহৰ মনৰ ওপৰত বিশেষ ৰকমে প্ৰভাৱ বিস্তাৰ কৰে আৰু সেইবাবে সাহিত্যৰ ধৰণ বা ৰূপৰ বিষয়ে সুকীয়াকৈ বিবেচনা কৰিব লাগে নেকি ?

সাহিত্যৰ বিষঁয়বস্তু কি হ'ব লাগে ? শিক্ষাবিষয়ক সাহিত্যৰ বিষয়বস্তুৰ ভিতৰত স্বৰ্গীয় প্ৰকৃতিৰ বিষয়ে আলোচনা হ'ব লাগে। এই বিষয়ে প্ৰথমে ভগৱানৰ কীৰ্তিকলাপ থকা আখ্যান গল্প আদি পঢ়াব লাগে। তাৰ পাছত ভগৱানৰ কিছুমান চৰিত্ৰ থকা মানুহৰ গল্প আদি পঢ়াব লাগে। এই গল্পবোৰৰদ্বাৰা ভগৱানৰ গুণ বিশিষ্ট অতিমানব আৰু বীৰ বীৰাংগনাসকলৰ বিষয়ে শিক্ষাৰ্থীসকলক অৱগত কৰিব লাগে। এই বিভাজনটোৰ সমান্তৰালভাৱে আৰু এটা বিভাজন আছে। সাহিত্যই মানুহৰ মনত যিবোৰ নৈতিক শিক্ষা প্ৰদান কৰা উচিত সেই দিশৰপৰা এই বিভাজনটো কৰা হয। এই নৈতিক গুণবোৰৰ ওপৰত প্লেটোৱে আধ্যাত্মিক গুৰুত্ব আৰোপ কৰিছিল আৰু সেই গুণবোৰক তেওঁ মানৱ চৰিত্ৰৰ ভেটি হিচাপে গ্ৰহণ কৰিছিল। প্লেটোৱে সৰু ছোৱালীবোৰক পোন প্ৰথমে দুটা মৌলিক গুণ শিকাবলৈ বিচাৰিছিল। সেই দুটা হৈছে—পিতৃ মাতৃৰ প্ৰতি ভক্তি আৰু ভ্ৰাতৃত্বৰ ভাব। ইয়াৰ পাছত তেওঁ তৃতীয় পুস্তিকাৰ আৰম্ভণিৰপৰা বাঢ়ি অহা ল'ৰা ছোৱালীবোৰৰ কাৰণে নৈতিক গুণৰ কথা কোৱা নাই প্ৰাপ্তবয়স্কসকলৰ বাবে প্ৰয়োজনীয় গুণৰ কথাহে কৈছে। ইয়াত তেওঁ দুটা স্বীকৃত মৌলিক গুণৰ কথা কৈছে। সেই দুটা হৈছে—সাহস আৰু আত্মনিয়ন্ত্ৰণ আৰু শেষত তেওঁ তৃতীয় এটা মৌলিক গুণৰ কথা কৈছে —সেইটো হৈছে সত্যবাদিতা।

প্লেটোৱে এটা আশ্চৰ্য্যজনক নিশ্চিত উক্তিৰে বিষয়টোৰ ভিতৰত প্ৰৱেশ কৰিছিল। এই উক্তিটো হৈছে—মিথ্যা কথাৰে শিক্ষাব্যৱস্থা আৰম্ভ কৰিব লাগে। তেওঁৰ মতে কোনো এটা কথা দুটা অৰ্থত মিছা হ'ব পাৰে। এটা অৰ্থত সকলো সাহিত্য আৰু সকলো কথাই মিছা। কিয়নো সকলো সাহিত্য আৰু সকলো কথাই প্ৰকৃত কথা বা প্ৰকৃত ঘটনা ঢাকি ৰাখি এটা বাহ্যিক ৰূপহে প্ৰকাশ কৰে। এই অৰ্থত পুৰাণবোৰো অসত্য। ভগৱানে মানুহৰ দৰে কথা নকয় বা কাম নকৰে। কিন্তু পুৰাণ শাস্ত্ৰবোৰত ভগৱানকো মানুহৰ নিচিনাকৈ কাম কৰা বুলি বা মানুহৰ দৰে কথা কোৱা বুলি দেখুউৱা হৈছে। সেই কাৰণে প্লেটোৱে কৈছে যে সকলো বোৰ অতি-কথাই মিছা। তেওঁ ইচ্ছা কৰিছেই অতি কথাবোৰ যুক্তিৰদ্বাৰা বিচাৰ

কৰা নাছিল আৰু সেই সময়ত কোনেও সেইবোৰ যুক্তিৰ মাপকাঠীৰে জোখ মাপ কৰি নাচাইছিল। প্লেটোৱে প্ৰকাশ্যভাৱে এইবোৰ অগ্ৰাহ্য কৰি কৈছিল যে মতে এইবোৰ কোনো লাভজনক কথা নাছিল। কিন্তু প্লেটোৰ দৰে কোনো লেখকে ইয়াৰ আগেয়ে সেই অতি কথাবোৰ ইমান ফলপ্ৰসূভাৱে ব্যৱহাৰ কৰা নাছিল। টিমায়াছত (Timaeus) তেও কৈছে যে যদিও তেও এই পাথিৱীখন কি কাৰণে সৃষ্টি কৰা হৈছে সেই বিষয়ে প্ৰকৃত তথ্যৰ সন্ধান দিব নোৱাৰে তথাপি তেও চমৎকাৰ ভাষাত ইয়াৰ এটা বৰ্ণনা দাঙি ধৰিব পাৰে। কিন্তু যেতিয়া ঈশ্বৰৰ প্ৰকৃতিৰ বিষয়ে তেও অতি নিষ্ঠাৰে কিবা ক'ব খোজে তেতিয়া তেওঁ পুৰাণৰ ভাষাত কোনো কথা নকয় দৰ্শনৰ ভাষাতহে কয়। প্লেটোৱে ভগৱান বা দেৱতাৰ বিষয়ে আলোচনা কৰা ঈশ্বৰৰ মানৱীয় ভাষাবোৰক সদায় পৌৰাণিক অতি কথা হিচাপে ধৰি লৈ অগ্ৰাহ্য কৰিছিল।

কিন্তু মিছা শব্দটোৰ আৰু এটা অৰ্থ আছে আৰু এই অৰ্থত সকলোবোৰ পৌৰাণিক কথাই অসত্য নহয়। পুৰাণ শাস্ত্ৰবোৰত বহুতো কাহিনী পোৱা যায়। এই কাহিনীবোৰৰ কিছুমান খুব ভালকৈ কোৱা হয় আৰু কিছুমান বেয়াকৈ কোৱা হয়। যেতিয়া কোনো এটা কাহিনীৰদ্বাৰা এটা সত্য ধাৰণা বুজাবলৈ চেষ্টা কৰা হয় আৰু সেই চেষ্টাটো ফলৱতী হয় তেতিয়া সেই কাহিনীটোক সত্য বুলি ধৰি ল'ব পাৰি। যিবোৰ পৌৰাণিক আখ্যানে স্বৰ্গীয় প্ৰকৃতিৰ হুবহু চিত্ৰ আঁকি দেখুৱাব পাৰে বা প্ৰায় তেনে এটা হুবহু চিত্ৰ আঁকি দেখুৱাই সেইবোৰ পুৰাণ কাহিনীকো সত্য বুলি জ্ঞান কৰিব পাৰি। কিন্তু যিবোৰ পৌৰাণিক কাহিনীয়ে ভগৱানে বেয়া কাম কৰাটো দেখুৱায় সেইবোৰক অসত্য বুলি গণ্য কৰিব লাগে। সেই কাৰণে প্লেটোৱে কিছুমান পৌৰাণিক কাহিনী অসত্য বুলি জানিও সেই বোৰ ব্যৱহাৰ কৰিছিল। কিয়নো সেইবোৰে কিছুমান মৌলিক সত্যৰ ধাৰণা দিব পাৰিছিল।

কিছুমান অমৰণশীল পৌৰাণিক কাহিনীত দেৱতাসকলক তেওঁলোকৰ পিতৃ মাতৃৰ প্ৰতি কৰ্তব্যহীন বুলি দেখুউৱা হৈছে। প্লেটোৱে এইবোৰ কাহিনীক কঠোৰ সমালোচনা কৰিছিল। পাছত তেওঁ ভগৱানক কেনেকৈ আৰু কি ৰূপত বৰ্ণনা কৰিব লাগে সেই বিষয়ে কিছুমান নীতি আৰু আহি ঠিক কৰি দিছিল। সেই নীতিবোৰৰ সহায়ত কোনবোৰ পৌৰাণিক কাহিনী সত্য আৰু কোনবোৰ অসত্য নিৰ্ণয় কৰিব পৰা গৈছিল। এই নীতিবোৰৰ প্ৰথমটো হৈছে—ঈশ্বৰ ভাল আৰু ঈশ্বৰেই ভালৰ কাৰণ দ্বিতীয়টো হৈছে—ঈশ্বৰ সত্য ঈশ্বৰৰ পৰিৱৰ্তন নহয় আৰু ঈশ্বৰে কোনো প্ৰৱঞ্চনা নকৰে। জনপ্ৰিয় ধৰ্মত থকা কিছুমান মিথ্যা ধাৰণাৰ বিৰুদ্ধে প্লেটোৱে এই নীতি সম্বন্ধীয় আদৰ্শ দুটা প্ৰয়োগ কৰিছিল।

প্লেটোৱে যেতিয়া ভগৱানৰ মহত্ত্বৰ বিষয়ে কৈছিল তেতিয়া তেওঁৰ মনত থকা প্ৰধান ধাৰণাটো আছিল এই— ভগৱান সকলোৰে বাবে মংগলময়। আমি নৈতিক

মহত্ত্ব আৰু মহত্ত্বৰ মাজত পাৰ্থক্য দেখিবলৈ পাওঁ সক্ৰিয় মহত্ত্ব আৰু মহান কামৰ মাজতো পাৰ্থক্য দেখোঁ প্লেটোৱে এনেবোৰ পাৰ্থক্য দেখা নাছিল। সেই কাৰণে তেওঁ যিবোৰ পৌৰাণিক কাহিনীত ভগৱানক মানুহৰ অনিষ্টসাধনকাৰী বা ক্ষতিকাৰী হিচাপে দেখুউৱা হৈছে সেইবোৰ কাহিনী একেবাৰে অগ্ৰাহ্য কৰিছে। এই প্ৰসংগতে তেও ইযাকেলৰ (Ezekiel) এটা অধ্যায়ত থকা এটা উপ কথাৰ উল্লেখ কৰিছে। উপকথাটো এই— পিতাকসকলে কেঁচা আঙুৰ খাইছে আৰু ল'ৰা ছোৱালীবোৰৰ দাঁত কচকচাইছে। এনে ধৰণৰ জনপ্ৰিয় মতামতৰ বিৰুদ্ধে প্লেটোৱে তেওঁৰ সাধাৰণ যুক্তিৰম্বাৰা পৰিপুষ্ট সিদ্ধান্তবোৰ দাঙি ধৰিছিল। কৈছিল ভগৱান যদি মহৎ হয় তেওঁ কেতিয়াও বেয়া কাম বা কথাৰ কাৰণ হ'ব নোবাৰে। ভগৱানে এই পৃথিৱীখন সৃজন কৰিছে ভালৰ বাবে কিয়নো তেওঁ নিজেই ভাল আৰু সকলোবোৰ তেওঁৰ দৰে ভাল হোৱাটো উচিত বুলিয়েই তেও ভাবে কিন্তু সকলোবোৰক তেওঁৰ সমান ভাল আৰু মহান কৰিব নোৱাৰিলেও যিমান দূৰ সম্ভৱ সিমান দূৰ ভাল আৰু মহান হ'বলৈ চেষ্টা কৰিব পাৰি। এইদৰে প্লেটো পৃথিবীৰ উৎপত্তি সম্পৰ্কে পুৰণি প্ৰশ্নটোৰ মাজলৈ আহে। তেওঁ এইটো স্বীকাৰ কৰে যে মানুহৰ জীৱনত ভাল কামতকৈ বেয়া কামৰ সংখ্যা বহুত বেছি। এই সমস্যাটোৰ তেও এটা সাধাৰণ আৰু সহজ সমাধানৰ উপায় দিছে। তেও কৈছে হয় আমি ক'ব লাগিব যে আমাৰ দুৰ্ভাগ্যবোৰ ভগৱানৰ সৃষ্টি নহয় নতুবা এইবোৰক আমি কোনো দুৰ্ভাগ্য বা বেয়া কথা বুলি ভাবিবই নালাগিব। আমি তেতিয়া ক'ব নালাগিব যে ভগৱান মানুহৰ দুখ দৈন্যৰ কাৰণ, আমি মানুহক দুখ পোৱা বুলিও ক'ব নালাগিব কিয়নো মানুহে দুখ পাবলগীয়া থাকিলেহে দুখ পায় এনেয়েতো নাপায়। ইয়াৰ প্ৰকৃত অৰ্থ হৈছে—দুৰ্ভাগ্য বুলি কোনো বেয়া কথা নাই।

এই প্ৰশ্নটো প্লেটোৱে তেওঁৰ কথোপকথনৰ বহুতো ঠাইত উল্লেখ কৰিছে। গণৰাজ্য'ৰ বিভিন্ন অংশত আমি পাওঁ যে কিবা নহয় কিবা এটা অৰ্থত মানুহৰ জীৱনৰ বাবে বেযাও এটা প্ৰয়োজনীয় উপাদান আৰু পাৰ্থিৱ জগত আৰু নৈতিক জগতত মানৱীয় প্ৰকৃতিত ই সদায় বৰ্তমান কেৱল মাত্ৰ স্বৰ্গীয় প্ৰকৃতিত ইয়াৰ স্থান নাই। তেন্তে আমি আমাৰ জীৱনত এই আৱশ্যকীয় উপাদানটোক কিভাৱে গ্ৰহণ কৰিব পাৰোঁ ? আইন নামৰ পুথিত প্লেটোৱে এই প্ৰশ্নটোৰ উত্তৰ এইদৰে দিছে : আমি আমাৰ নিজৰ অজ্ঞতাৰ বাবে বহুতো বস্তু বা কামক বেয়া বুলি কওঁ যিকোনো বস্তু বা কামৰে আমি এটা ক্ষুদ্ৰ অংশহে দেখিবলৈ পাওঁ বা বুজিব পাৰোঁ। সেই কাৰণে বস্তুটো বা কামটোৰ ওপৰত আমাৰ প্ৰকৃত জ্ঞান নহয়, এই বিষয়ে আমি মূলতঃ অজ্ঞ হৈয়েই থাকোঁ আৰু আমি ইয়াক বেয়া বুলি কওঁ। কিন্তু আমি গোটেই বস্তুটো ভালকৈ দেখিলে বা গোটেই কামটো ভালদৰে বুজিলে ইয়াৰ ওপৰত আমাৰ ধাৰণা সলনি হৈ যাব, তেতিয়া আমি সকলো কামেই ভালৰ

বাবে হৈ থকা দেখিবলৈ পাম। গণৰাজ্য'ত তেওঁ ভালক সকলোৰে কাৰণ আৰু জ্ঞানৰ সৰ্বোচ্চ উদ্দেশ্য হিচাপে দাঙি ধৰি যিটো ধাৰণাৰ সৃষ্টি কৰিছে তাৰো মূল তত্ত্ব এয়েই। মানুহে পৃথিৱীত ইয়াকে পাবলৈ বিচাৰে। এই পৃথিৱীখনক জানিব লাগিলে ভাল কি চিনিব লাগিব পৃথিৱীত ভাল কি চিনিব পাৰিলেহে যি কোনো কাম বা বস্তুৰে কাৰণ আৰু উদ্দেশ্য বিচাৰি উলিয়াব পৰা যাব। পৃথিৱীত এতিয়ালৈ কোনো মানুহে ইমান দূৰ গৈ পোৱা নাই আৰু ভৱিষ্যতেও কোনোবাই ইমান দূৰ গৈ পাব বুলি আশা কৰিব নোৱাৰি। গতিকে এইটো এটা আদৰ্শহে আৰু এই আদৰ্শটোৰদ্বাৰা মানুহৰ অপৰিপূৰ্ণ জ্ঞানবোৰ চালিত হ'ব লাগে। এই বিষয়টোৰ ওপৰত প্লেটোৰ দুটা প্ৰধান দৃঢ় বিশ্বাস আছিল। তেওঁ কৈছে যে মানুহৰ অভিজ্ঞতাই যিমান দূৰ চুকি পাইছে তাৰপৰা বিবেচনা কৰিলে এই পৃথিৱীখন মূলত অপৰিপূৰ্ণ আৰু ত্ৰুটীৰে ভৰা আৰু ইয়াত যথেষ্ট বেয়া আছে। এই পৃথিৱীত এটা উপাদান আছে যিটোৱে যুক্তিৰ প্ৰভাৱ বা ঈশ্বৰৰ ইচ্ছাত বাধা প্ৰদান কৰে। কিন্তু তেও সমানে গুৰুত্ব দি লগতে কৈছে যে যিমানে আম কথা বা কামবোৰ বুজি পাও সিমানে আমি অনুভৱ কৰোঁ যে বেয়া হোৱাৰো এটা যুক্তি আছে আৰু সেই গতিকে ই আচলতে বেয়া নহয়। প্লেটোৱে তেওঁৰ এই দুটা দৃঢ় বিশ্বাসক চৰম সত্য বুলি গণ্য কৰিছিল আৰু তেওঁ ক'তো এই কথা দুটাৰ সত্যতা মানি লোৱা নাছিল। প্লেটোৱে ভাল আৰু বেয়াৰ নীতিৰ মাজত কিবা সম্পৰ্ক বা সমন্বয়ৰ বিষয়ে বিশ্বাস কৰিল নে নাই এইটো সঠিকভাৱে কোৱা টান। মুঠতে তেওঁৰ লেখাত স্বৰ্গীয় যুক্তিৰ মহান নিদৰ্শনবোৰ বলিষ্ঠ ভাষাত ফুটি উঠিছিল।

প্লেটোৱে গণৰাজ্য'ৰ দ্বিতীয় পুস্তিকাত তেওঁৰ দ্বিতীয় নীতিটো সন্নিৱিষ্ট কৰিছে। এই নীতিটো হৈছে— ভগৱান সত্য। প্লেটোৱে ইয়াৰদ্বাৰা দুটা কথা বুজাবলৈ চেষ্টা কৰিছিল— প্ৰথম ভগৱানৰ পৰিবৰ্তন হ'ব নোৱাৰে দ্বিতীয় ভগৱানে মিছা ক'ব নোৱাৰে। পৰিবৰ্তনৰ বিষয়ে তেওঁ কৈছে— দুই ধৰণৰ পৰিবৰ্তন আছে। বাহিৰৰ পৰিবৰ্তনবোৰ কিছুমান বাহিৰা শক্তিৰদ্বাৰা সংঘটিত হয় আৰু ভিতৰৰ পৰিবৰ্তনবোৰ মানুহৰ ইচ্ছাৰদ্বাৰা সংঘটিত হয়। এতিয়া আমি চাব লাগিব বাহিৰা শক্তিৰদ্বাৰা ভগৱানৰ কিবা পৰিবৰ্তন হ'ব পাৰেনেকি ? প্লেটোৱে গ্ৰিক দৰ্শনৰ এটা বৈশিষ্ট্যপূৰ্ণ ধাৰণাৰ ব্যাখ্যা কৰি এই প্ৰশ্নটোৰ উত্তৰ দিছিল। সেইটো হৈছে বাহিৰৰপৰা জাপি দিয়া পৰিবৰ্তনবোৰ হয় ভিতৰত থকা সহজাত দুৰ্বলতা বা অসৎ গুণৰ ফলত। এই কথাটো ব্যাখ্যা কৰিবলৈ তেওঁ বিভিন্ন ধৰণৰ দৃষ্টান্তবোৰ দাঙি ধৰিছিল। এই দৃষ্টান্তবোৰৰ ভিতৰত আছে— জীৱন্ত বস্তুবোৰ মানুহৰ আত্মা শিল্প কলাৰ কামবোৰ। এই সকলোবোৰতে তেওঁ এটা নীতিকে প্ৰয়োগ কৰিছে। সেইটো হৈছে—বস্তু বা কামবোৰ যিমানেই ভাল সিমানেই এইবোৰ বাহ্যিক শক্তি আৰু প্ৰভাৱৰদ্বাৰা পৰিবৰ্তিত নহয়। ভগৱান সকলো

বস্তুৱে ওপৰত আৰু সেই কাৰণে ভগৱানৰ পৰিবৰ্তন নহয়। সেইদৰে যিবোৰ বস্তু বা মানুহে বাহিৰা প্ৰভাৱৰদ্বাৰাই সহজে প্ৰভাৱান্বিত হয় সেইবোৰক আমি নিম্নগুণবিশিষ্ট বুলি জ্ঞান কৰিব লাগে। মানুহজন সবল হ'লে জলবায়ু, খাদ্য আদিয়ে তেওঁৰ ওপৰত বৰ বেছি প্ৰভাৱ বিস্তাৰ কৰিব নোৱাৰে আৰু তেনে মানুহৰ গাত নৈতিক দুৰ্বলতাৰ লক্ষণো নাথাকে। গতিকে তেও তেওঁৰ ওচৰলৈ অহা পৰিবৰ্তনৰ হেঁচাবোৰ ঠেলি আঁতৰ কৰি দিব পাৰে। প্লেটোৱে পোষণ কৰা এই মতামতটোত বৈৰাগ্য ধাৰণাৰ বীজ থকা যেন লাগে। এই অৰ্থত শক্তি বা গুণৰ বলত যিকোনো অৱস্থাতে মানুহ পৰিবৰ্তিত হৈ থাকে। ভগৱানে নিজে নিজৰ পৰিবৰ্তন সাধন কৰে নেকি ? এই প্ৰশ্নটোৰ উত্তৰ দিব লাগিলেও আমি ভগৱানৰ স্বৰ্গীয় পৰিপূৰ্ণতাৰ বিষয়ে জানিব লাগিব। কেৱল অভাৱৰ কাৰণেহে স্বেচ্ছাই মানুহে কেতিযাবা পৰিবৰ্তন ঘটায়। ভগৱান স্বয়ংসম্পূৰ্ণ ভগৱানৰ কোনো অভাৱ নাই। গতিকে ভগৱানৰ পৰিবৰ্তনো নহয়।

স্বৰ্গীয় প্ৰকৃতি অবিৰত আৰু অপৰিবৰ্তনীয়। ওপৰত উল্লেখ কৰা নীতিবোৰ গ্ৰিক দেৱতাসকলৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা হৈছিল। প্লেটোৱে ভূত প্ৰেতৰ চৰিত্ৰ থকা গল্প ল'ৰা ছোৱালীবোৰক শুনাবলৈ মানা কৰিছিল কিয়নো সেইবোৰৰদ্বাৰা ল'ৰা ছোৱালীহ'তে ভয় খাব পাৰে আৰু সেইবোৰ প্লেটোৰ দৃষ্টিত স্বৰ্গীয় প্ৰকৃতিৰ অপভ্ৰংশ। প্লেটোৱে কোৱা বহুতো পৌৰাণিক কথা আধুনিক ইউৰোপৰ জনপ্ৰিয় ধৰ্ম আৰু কুসংস্কাৰবোৰৰ মাজেদি বহু দিনলৈ বৰ্তি আছিল। তেওঁৰ সময়ৰ সাধাৰণ ভাষাতে প্লেটোৱে ভগৱান আৰু দেৱতা সকলৰ আকাৰ আৰু প্ৰকৃতি সম্বন্ধে বিনাদ্বিধাই সকলো কথা কৈছিল। এই বিষয়ে তেও যিটো নীতি বান্ধি দিছিল সেইটো মূলতঃ একেশ্বৰবাদী নীতিয়েই আছিল ইয়াত ভগৱানক নিৰাকাৰ বুলি বৰ্ণনা কৰা হৈছে ভগৱানৰ কোনো অৱয়ব নাই কিয়নো আকাৰ থাকিলেই তাৰ কিবা পৰিবৰ্তন হ'ব পাৰে। কিন্তু যেতিয়া তেও শিক্ষাৰ বিষয়ে কৈছিল আৰু ধৰ্মীয় ধাৰণাবোৰ ল'ৰা-ছোৱালীবোৰৰ মনত সহজবোধ্য আকৃতিত সুমুৱাই দিয়াৰ কথা বিবেচনা কৰিছিল তেতিয়া তেও জনপ্ৰিয় ধৰ্মৰ ভাষাত ক'বলৈ সংকোচ নকৰিছিল। কিছুমানে ভগৱানক পাৰ্থিৱ আকৃতিত দেখে। ইয়াৰ কাৰণ হৈছে—ভগৱান সম্বন্ধে তেওঁলোকৰ পৰিষ্কাৰ ধাৰণা নাই। ভগৱানক তেওঁলোকে উপকথাৰ নায়ক হিচাপেহে জানে।

ইয়াৰ পিছৰ প্ৰশ্নটো হৈছে— ভগৱানে মিছা কথা ক'ব পাৰেনে ? যদিও দেৱতাসকলৰ পৰিবৰ্তন নহয় দেৱতাসকলে আমাক প্ৰতাৰণা কৰিব পাৰে আৰু পৰিবৰ্তিত হোৱাৰ ছল কৰি বিভিন্ন ৰূপত আমাৰ আগত দেখা দিব পাৰে। এই-বোৰে সাধাৰণতে মিছা কথাৰ বিবেচনালৈ আমাক লৈ আহে। এই সিদ্ধান্ত প্লেটোৱে বৃথা বিশ্বাস সৃষ্টিৰ সকলোবোৰ বিষয়ে আলোচনা কৰিছে। কিন্তু প্ৰথমতে তেওঁ এটা অনন্য অৰ্থত মিথ্যা শব্দটোৰ বৰ্ণনা কৰিছে। এই অৰ্থত

মানুহ বা দেৱতা কোনেও মিথ্যাক প্ৰশ্ৰয় নিদিয়ে। কাৰোবাক প্ৰতাৰণা কৰিবলৈ মিথ্যা কথা কোৱাৰ উপৰিও কেতিয়াবা কেতিয়াবা মিথ্যা কথাৰদ্বাৰা নিজেই নিজৰ বলি হোৱাও দেখা যায়। এইটোকে প্লেটোৱে নিজৰ মনক ফাঁকি দিয়া বুলি কৈছে আৰু আমি ইয়াক আত্মপ্ৰবঞ্চনা বুলি ক'ব পাৰোঁ। এই ধৰণৰ মিথ্যাবাদক মানুহ আৰু দেৱতা উভয়ে ঘৃণা কৰে। অজ্ঞতাৰ বিষয়ে প্ৰথমতে বৰ জোৰেৰে ক'ব পাৰি। ছ'ফিষ্ট'ত থকা অজ্ঞতাৰ বিষয়ে একাংশ আলোচনাৰ লগত তুলনা ক'ৰিলে আমি এই কথাষাৰ পৰিষ্কাৰভাৱে বুজিব পাৰোঁ। তাত তেওঁ কৈছে যে দুই প্ৰকাৰৰ মানসিক বেয়া বস্তু আছে একপ্ৰকাৰ হৈছে অধৰ্ম বা পাপ ইয়াক তেওঁ শাৰীৰিক ৰোগৰ লগত তুলনা কৰিছে আৰু আন প্ৰকাৰ হৈছে অজ্ঞতা ইয়াক তেওঁ শাৰীৰিক বিকলতাৰ লগত তুলনা কৰিছে। তেওঁৰ মতে অজ্ঞতাৰ অৰ্থ হৈছে মানুহৰ মনত সত্যৰ প্ৰতি এটা প্ৰবল ধাউতি থকা সত্ত্বেও যিবোৰ মানুহে নিজৰ শৰীৰটো নিজৰ ইচ্ছামতে চলাই নিব নোৱাৰে তেওঁলোকক অজ্ঞ মানুহ বুলি ক'ব পাৰি। মানুহৰ মনৰ এই বেয়া বস্তুটোক প্লেটোৱে আনুপাতিক জ্ঞানৰ অভাৱ বুলি কৈছে। সেই গতিকে গণৰাজ্যৰ ষষ্ঠ পুস্তিকাত তেওঁ ইয়াৰ বিপৰীত গুণটোক মনৰ আনুপাতিক জ্ঞান বুলি কৈছে। তেওঁৰ মতে মানুহৰ মনৰ আনুপাতিক জ্ঞান আৰু আনুপাতিক জ্ঞানহীনতাৰ পৰিচয় পাবলৈ হ'লে মানুহে সত্য ভালকৈ ধ'ৰিব পাৰিছেনে নাই তাক চাব লাগিব। যি সত্যক ভালকৈ ধৰিব পাৰে তেওঁৰেই আনুপাতিক জ্ঞান আছে আৰু যিয়ে নোৱাৰে তেওঁৰেই আনুপাতিক জ্ঞানৰ অভাৱ। মানুহৰ হাতেৰে কিবা এটা বস্তু ধৰিব লাগিলেও এই কথাটো প্ৰয়োগ কৰিব পাৰি। বস্তু এটা ধৰোঁতে মানুহৰ হাতৰ আনুপাতিক মাফটো পোৱা যায়। আমি অজ্ঞতা বুলিলে সাধাৰণতে খবৰ বাতৰিৰ অভাৱকে বুজোঁ। প্লেটোৱেও অজ্ঞতা বুলিলে এইটো নুবুজাকৈ থকা নাছিল কিন্তু তেওঁৰ বাবে ইয়াৰ এটা বৈপ্লৱিক অৰ্থও আছিল আৰু সেই অৰ্থতহে অজ্ঞতা শব্দটো তেওঁ ব্যৱহাৰ কৰিছিল। অজ্ঞতা মানে পৃথিৱীৰ সত্য ঘটনাবোৰৰ লগত সম্পৰ্ক নোহোৱা। সত্য ঘটনাবোৰ চিনিব নোৱাৰাটোকে কাৰ্লাইলে অসমৰ্থতা বুলি কৈছিল আৰু প্লেটোৱেও প্ৰায় একে ভাষাতেই অজ্ঞতাৰ কথা কৈছিল। কিছুমান মানুহৰ মনত শক্তিশালী প্ৰতাৰণাৰ সমল থাকে আৰু মানুহেও মিছা কথাত বিশ্বাস কৰে। সত্যক মানৱ চৰিত্ৰৰ এটা গুণ হিচাপে লৈ প্লেটোৱে ইয়াৰ অৰ্থ বিচাৰি উলিয়াইছে। তেওঁৰ মতে এখন প্ৰকৃত ৰাষ্ট্ৰত সকলোবোৰ মানুহে সত্য ঘটনা আৰু পৃথিৱীৰ শৃংখলা মানি চলে আৰু সেয়েই হৈছে সত্য আনহাতে গভীৰ অৰ্থত ইয়াৰ বিপৰীতটোৱেই হৈছে অজ্ঞতা। অজ্ঞতাক মানুহে স্বজ্ঞানে ভাল নাপায়। যদি আমি কেতিয়াবা কোনো এজনক সোধোঁ— তুমি মিছা কথা বিশ্বাস কৰিবলৈ ইচ্ছা কৰানে ? তেওঁ উত্তৰ দিব কেতিয়াও নকৰোঁ এইটো একপ্ৰকাৰ বাতুলতা মিছা কথা বিশ্বাস কৰাটো এক প্ৰকাৰৰ চূড়ান্ত আৰু স্থায়ী ধৰণৰ বাতুলতা।

মিছাৰ এই ধৰণৰ অৰ্থ বাতিল কৰিবৰ কাৰণেই ইয়াত উল্লেখ কৰা হৈছে। ভগৱানক আমি কেতিয়াও আমাৰ বাবে মোহৰ সৃষ্টি কৰা বুলি ক'ব নোৱাৰোঁ কিয়নো তেওঁ নিজেই মোহৰ বলি নহয়। ভগৱানে আমাক কোনো এটা মিছা কথা কৈ বা আমাৰ আগত প্ৰতাৰণামূলক অৱস্থাৰ সৃষ্টি কৰি আমাক প্ৰতাৰণা কৰিব পাৰেনে ? এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ আমি প্ৰথমতে সুধিব লাগিব এনেকুৱা কিবা অৱস্থা আছেনে যি অৱস্থাত মিথ্যাবাদ নিন্দনীয় নহয় ? প্ৰতি ৰোধ বা প্ৰতিকাৰমূলক ব্যৱস্থা হিচাপে মিথ্যাবাদৰ প্ৰয়োজন আছে। বাতুলৰ লগত ঔষধ হিচাপে মিছা কথা কেতিয়াবা ক'বলগীয়া হয় যুদ্ধৰ সময়তো মিছাৰ আশ্ৰয় লৈ দেশ এখন শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰিব পাৰিলে বৰ বেয়া নহয়। মিছা কথা কোৱা বা মিছাৰ আশ্ৰয় লোৱাটো নিশ্চয় বেয়া। কিন্তু দুটা বেয়াৰ ভিতৰত এইটো অলপ ভাল। মিছা কথা কৈ বাতুলতা গুচাব পাৰিলে বা মিছাৰ আশ্ৰয় লৈ দেশ এখন শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰিব পাৰিলে বৰ বেয়া নহয়। কেতিয়াবা আকৌ অজ্ঞতাৰ কাৰণেও মিছা কথাৰ আশ্ৰয় ল'বলগীয়া হয়। এই ক্ষেত্ৰতো মিছা কথা সমৰ্থনীয় হ'ব পাৰে। যেতিয়া আমি গোটেই সত্যখিনি নাজানো তেতিয়া যিমানখিনি জানো সিমানখিনিহে ক'ব পাৰোঁ যদিও আমি জানো যে যিখিনি কৈছোঁ সেইখিনি আংশিকভাৱেহে সত্য। কিন্তু ভগৱানৰ ক্ষেত্ৰত ই প্ৰযোজ্য নহয় কিয়নো তেওঁৰ ভয় কৰিবলৈ কোনো নাই বাতুল মানুহৰ লগত কথা বতৰা কোৱাৰ দৰে কোনো জৰুৰী কাৰণ নাই তেওঁ সৰ্বশক্তিমান সৰ্বজ্ঞ। গতিকে আমি এইটো মন্তব্য কৰিব পাৰোঁ যে ভগৱান কথা আৰু কামত সম্পূৰ্ণ সৰল আৰু সত্য তেওঁৰ কেতিয়াও পৰিবৰ্তন নহয় আৰু তেওঁ কাকো প্ৰতাৰণা নকৰে।

ওপৰৰ কথাখিনিৰপৰা কোনোবাই ভাবিব পাৰে যে প্লেটো'ৱে অজ্ঞতাতকৈ ইচ্ছাকৃতভাৱে কোৱা মিছা কথাকে ভাল বুলি বিবেচনা কৰিছিল। কিয়নো ইয়াত নৈতিক দোষৰ কথা সমূলি উত্থাপন কৰা হোৱা নাছিল। সেইটো ভাবিলে ভুল হ'ব। কিয়নো প্লেটোৱে কেৱল কৈছিল যে প্ৰতাৰণাৰ অৱস্থা এটা কোনেও ভাল নাপায় সকলোৱে তেনে এটা অৱস্থাক ঘৃণাৰ চকুৰে চায়। ইয়াৰ অৰ্থ হৈছে— কোনো এটা অতি গুৰুত্বপূৰ্ণ সত্যৰ বিষয়ে সম্পূৰ্ণ প্ৰতাৰণামূলক অৱস্থা এটাত থকাতকৈ মানুহে মিছা কথা কোৱাটোকে ভাল বুলি ভাবিব পাৰে। এই কথাটো প্লেটোৱে একপ্ৰকাৰ ঠিকেই কৈছিল। আনক প্ৰতাৰণা কৰাৰ নৈতিকতাৰ বিষয়ে ক'বলৈ গৈ তেও ইয়াক মতলব আৰু উদ্দেশ্যসাধনৰ এটা সমস্যা হিচাপে গ্ৰহণ কৰিছে। যদি মিথ্যাৰ আশ্ৰয় লৈ কোনো এটা কাম কৰা হয় আৰু তাৰপৰা যিখিনি ভাল হয় ইয়াৰ পৰিমাণ ইয়াৰদ্বাৰা হোৱা অনিষ্টতকৈ সৰহ আৰু যদি মিথ্যাৰ আশ্ৰয় নোলোৱাকৈ সেই কামটো কৰাত আন কোনো উপায় নাথাকে তেতিয়া মিথ্যাক বেয়া বুলিব নোৱাৰি। পাছত প্লেটোৱে এই নীতি অনুসৰিয়েই শাসকসকলে মিছা

বুলি জানিও কিছুমান বিশ্বাস সাধাৰণ মানুহৰ মাজত চলাই ৰাখিছিল বুলি কৈছে। সাধাৰণ মানুহবোৰে বৰ বেছি যুক্তিৰ কথা নাজানিছিল আৰু যুক্তিৰদ্বাৰা তেওঁলোকৰ মনত স্বদেশপ্ৰেমৰ ভাব জগাই তুলিব পৰাও নগৈছিল। কিন্তু সেই-বোৰ বিশ্বাসৰদ্বাৰা তেওঁলোকৰ মনত স্বদেশপ্ৰেমৰ ভাব অংকুৰিত কৰিব পৰা গৈছিল। কিছুমান মিছা কথাৰপৰা মানুহৰ বিপদ হয় আৰু কিছুমানৰপৰা বিপদ নহয়। তথাপি প্লেটোৱে যেতিয়া মিছা কথা সমৰ্থনীয় বুলি ভাবিছিল তেতিয়া তেওঁৰ মনলৈ মানৱীয় দুৰ্বলতাবোৰ আহিছিল আৰু এই মানৱীয় দুৰ্বলতাবোৰ থকা বাবেহে তেও মিছা কথাৰ সমৰ্থন কৰিছিল। মানুহৰ মনত কিছুমান দুৰ্বলতা আছে আৰু মিছাৰ আশ্ৰয় নোলোৱাকৈ আন উপায়েৰে এই দুৰ্বলতাবোৰ জয় কৰা বৰ টান। এই কথাটোত মানুহৰ মাজত বিশেষ মতদ্বৈধ নাই মতদ্বৈধ আছে মানুহে কেতিয়া মিছাৰ আশ্ৰয় ল'বলগীয়া হয় সেইটো কথাতহে। মানুহ যিমানেই মহৎ হয় সিমানেই তেওঁৰ মিছা কথা কোৱাৰ প্ৰয়োজন নাইকিয়া হয় বিভিন্ন অৱস্থাত আৰু পৰিবেশত সত্য কথা কোৱাৰ সম্ভাবনীয়তাই শক্তিশালী চৰিত্ৰৰ এটা ডাঙৰ প্ৰমাণিত উপাদান।

এই বিষয়ে কোনো সন্দেহ নাই যে সত্য কথা কোৱাটো গ্ৰিকসকলৰ জাতীয় গুণ নাছিল। প্লেটোৱে সত্য কথা কোৱাতকৈ সত্য অৱস্থাত থকাৰ ওপৰতহে বেছি গুৰুত্ব দিছিল। এখন প্ৰকৃত ৰাষ্ট্ৰত থকা সত্যৰ ধাৰণা আৰু আমি ভবা সত্যবাদিতাৰ মাজত এটা সংযোগ সূত্ৰ আছে। এই গুণটোকে এৰিষ্টটলে 'সত্য' বুলি কৈছে। সাধাৰণতে এইটো সত্যবাদিতা নহয় ই কেৱল নিজে কোৱা আৰু কৰা কামৰ সত্য-বাদিতাৰ কথাহে বুজায়। আমি যাক সত্যবাদিতা বুলি কওঁ গ্ৰিকসকলৰ দৃষ্টিত সেইটো সত্যবাদিতা নাছিল। আমি জানো যে কিছুমান গ্ৰিক লোকে যিকোনো উপায়ে একপ্ৰকাৰ উদ্দেশ্যহীন বহুমুখী প্ৰতিভাৰ প্ৰতি আকৰ্ষিত হৈছিল আৰু সম্ভৱতঃ সেই কাৰণেই প্লেটোৱে ইয়াৰ ওপৰত ইমান গুৰুত্ব দিছিল।

তৃতীয় পুস্তিকাৰ আৰম্ভণিতে প্লেটোৱে ভগৱান বা দেৱতাসকলৰ বিষয়ে বিবেচনা কৰিবলৈ এৰি মানুহৰ প্ৰকৃতিৰ লগত মিহলি হৈ থকা স্বৰ্গীয় প্ৰকৃতিৰ বিষয়ে বিবেচনা কৰিবলৈ লৈছে। ইয়াত তেও যিবোৰ অতিকথাৰ ওপৰত সমা লোচনা আগবঢ়াইছে আৰু যিবোৰ অতিকথাৰ প্ৰতি আমাৰ মনোযোগ আকৰ্ষণ কৰিছে সেইবোৰৰ বেছিভাগৰ ভগৱান বা দেৱতাসকলৰ লগত কোনো সম্পৰ্ক নাই, এইবোৰৰ সম্পৰ্ক আছে অৰ্ধ স্বৰ্গীয় লোক আৰু বীৰ বীৰাংগনাসকলৰ জীৱনৰ লগত। আনবোৰ উপকথাৰ লগত দেৱতাসকল জড়িত আছে যদিও তেওঁলোকে তাত মানৱীয় অনুভূতিৰদ্বাৰা প্ৰভাৱান্বিত হৈছে। গতিকে প্লেটোৱে ইয়াত দেৱতা আৰু মানৱৰ সীমান্ত ৰাজ্যত প্ৰবেশ কৰিছে। ইয়েই প্লেটোক তেওঁৰ চূড়ান্ত নৈতিক প্ৰকৃতিৰ ধাৰণাটো অনন্য সাপেক্ষভাৱে সম্প্ৰসাৰিত কৰিবলৈ সুযোগ দিছিল আৰু তেতিয়াৰ চলিত ধাৰণাবোৰক নেতিবাচকভাৱে সমালোচনা কৰিবলৈ সমৰ্থ

যোগান ধৰিছিল। ইয়াৰ সহায়ত তেওঁ কবিসকলক পৰামৰ্শ দিছিল তেওঁলোকে কেনে ধৰণৰ কবিতা লিখিব লাগে আৰু কেনে ধৰণৰ কবিতা লিখিব নালাগে। তাৰবাবে তেও বহুতো দৃষ্টান্তও দাঙি ধৰিছিল। গণৰাজ্য'ত এই দ্বৈত পদ্ধতিটো বাৰুকৈয়ে পৰিলক্ষিত হৈছিল আৰু ইয়াত প্ৰায়ে সমালোচনাৰ দৃষ্টিভংগীয়ে প্ৰাধান্য লাভ কৰিছিল। ইয়াৰপৰাই প্লেটোৱে শিক্ষাৰ ভেটিৰ বিষয়ে বিবেচনা কৰিবলৈ এৰি দিছিল। শিক্ষাৰ ভেটি হিচাপে তেও কৈছিল শিক্ষাৰ্থীসকলে দেৱতাসকলক প্ৰাৰ্থনা কৰিব লাগে পিতৃ-মাতৃক ভক্তি কৰিব লাগে আৰু তেওঁলোকৰ মনত ভ্ৰাতৃত্বৰ ভাব গঢ়ি উঠিব লাগে। ইয়াত তেও সাহস সত্যবাদিতা আৰু আত্মনিয়ন্ত্ৰণৰ বিষয়ে আলোচনা কৰিছে। এই গুণবোৰ লাভ কৰিবলৈ শিক্ষাৰ্থীসকলৰ মনত সাঁচ থৈ যাব পৰা বীৰ বীৰাংগনাৰ কাহিনী ক'ব লাগিব —যেনেকৈ আগডোখৰ সময়ৰ শিক্ষাত নৈতিকতা সাধুতা আৰু অপৰিবৰ্তনীয়তাৰ বিষয়ে সমল থকা স্বৰ্গীয় প্ৰকৃতিৰ বিষয়ে গল্প কোৱা হৈছিল। প্লেটোৱে তেওঁৰ দ্বিতীয় পুস্তিকাৰ শেষ ভাগত ল'ৰা ছোৱালীবোৰৰ শিক্ষাৰ বিষয়ে প্ৰধানকৈ আলোচনা কৰিছিল আৰু তৃতীয় পুস্তিকাৰ আৰম্ভণিতে তেওঁৰ মনত ডেকা গাভৰুসকলৰ ছবিহে ভাহি আছিল ল'ৰা ছোৱালীৰ কথা নাছিল। গণৰাজ্য'ৰ এই অংশটো চাৰিওপিনৰপৰা বৰ গুৰুত্বপূৰ্ণ। কিয়নো ইয়াত প্লেটোৱে কেৱল শিক্ষাব্যৱস্থাৰ বিষয়ে আলোচনা কৰিয়েই এৰা নাই ইয়াত তেওঁ আংশিকভাৱে নৈতিক নীতিবোৰ ব্যাখ্যা কৰিছে আৰু চলিত শিক্ষাব্যৱস্থাৰ ওপৰত ফলপ্ৰসূ সমালোচনা আগবঢ়াইছে। প্ৰথমে তেওঁ সাহসৰ বিষয়ে আলোচনা কৰিছে। গণৰাজ্য'ৰ বেলেগ বেলেগ অংশত গুণৰ বিষয়ে বেলেগ বেলেগ বৰ্ণনা আছে আৰু সেই গতিকে আমি গুণ সম্বন্ধে প্লেটোৰ ধাৰণা বোৰৰ প্ৰকৃত জ্ঞানলাভ কৰিব লাগিলে এই আটাইবোৰ অংশ একেলগে অধ্যয়ন কৰি তাৰ ওপৰত এটা বিজ্ঞানসম্মত পৰ্য্যালোচনা কৰিব লাগিব। এইবোৰ কথা অধ্যয়ন নকৰাকৈ সাহসৰ বিষয়ে অধ্যয়ন কৰিলে কঠিনতা পোৱা যাব। গতিকে আমি পাছত আকৌ সাহসৰ বিষয়ে আলোচনা কৰিব লাগিব। ইয়াতো আমি গ্ৰিক-সকলৰ মাজত সাহসৰ বিষয়ে চলি থকা এটা জনপ্ৰিয় ধাৰণাৰপৰা আৰম্ভ কৰিব লাগিব। গ্ৰিকসকলৰ মতে সাহসৰ অৰ্থ হৈছে 'মৰণলৈ ভয় নকৰা। গ্ৰিকসকলৰ কাৰণ মৃত্যু বৰ ভয়াবহ বস্তু আছিল আৰু সেইবাবে যিসকলে মৰিবলৈ ভয় কৰা নাছিল তেওঁলোকেই আটাইতকৈ সাহসী মানুহ বুলি কোৱা হৈছিল। পাছত তেওঁ সাহসৰ ধাৰণাটো আৰু বহল কৰিছিল আৰু সকলো ধৰণৰ ভয়াবহ বস্তু বা কামৰ বিৰুদ্ধে যিসকলে বীৰদৰ্পে থিয় হ'ব পাৰিছিল তেওঁলোককেই সাহসী মানুহ বুলি আখ্যা দিয়া হৈছিল। সাহসৰ এই প্ৰাথমিক ধাৰণাটোৱে প্লেটোক কেইটামান মন্তব্য দিবলৈ উদগনি দিছিল। প্লেটোৱে মৃত্যুৰ প্ৰকৃতি আৰু মৃত্যুৰ পাছত আত্মাৰ জীৱনৰ বিষয়ে এই মন্তব্যকেইটা আগবঢ়াইছিল। তেও কৈছিল যে যিকোনো কাৰণতে এজন সাধু মানুহৰ মৃত্যুক ভয়াবহ বুলি ভবাৰ কোনো যুক্তি নাই। তেনে

এজন মানুহে তেওঁৰ ভাল আৰু সাধু বন্ধুসকলৰ বাবে মৃত্যু কোনো ভয়ৰ কাৰণ নহয় বুলি ভাবিব। সকলোবোৰ মানুহৰ ভিতৰত সাধু মানুহবোৰ বৰ স্বাধীন চিতীয়া আৰু এই মানুহবোৰে তেওঁলোকৰ সাধু বন্ধুসকলৰ বাবে আৱশ্যক হ'লে ত্যাগ আৰু ক্ষতি স্বীকাৰ কৰিব পাৰে। পৃথিৱীৰ বিষয়ে কিছুমান ভয়াবহ চিত্ৰ অংকন কৰা হয়। কবিতা বা কবিৰ দৃষ্টিত এইবোৰ ফলপ্ৰসূ আৰু এইবোৰে কল্পনা আৰু অনুভূতিৰ সৃষ্টি কৰে। তথাপি এইবোৰ সত্য নহয় আৰু এইবোৰে ভাল নকৰে। আমি এইটো চাব লাগিব যে প্লেটোৱে সদায় যিকোনো বিশ্বাসত থকা সত্যতাক ইয়াৰ যুক্তিযুক্ততাৰ লগত সামৰি লৈছিল। কিন্তু তেওঁ কোনো বিশ্বাসৰ সত্যতা আৰু ইয়াৰ যুক্তিযুক্ততাক এটা আৰু একেটা বস্তু বুলি ভবা নাছিল তেওঁৰ মনত এইবোৰ পৰস্পৰ সম্পৰ্ক থকা বস্তুহে আছিল।

সাহসক মানুহে নিজৰ মৰণৰ প্ৰতি ভয় নথকা আৰু নিজৰ বন্ধুৰ মৃত্যুৰ প্ৰতিও ভয় নথকা বুলি ওপৰত ব্যাখ্যা কৰা হ'ল। ইযাৰ পাছত প্লেটোৱে সাহসৰ নিষ্ক্ৰিয় ফালটো সহ্য'ৰ বিষয়ে আলোচনা কৰিছে। ইযাতে তেওঁ হোমাৰৰ শোকৰ বৰ্ণনাৰ অনাৱশ্যকীয অংশৰ ওপৰত কটূক্তি কৰিবলগীযা হৈছে। হোমাৰৰ লেখাৰ এই অংশটো মানুহ আৰু বীৰপুৰুষসকলৰ মুখত পৰিলে তেওঁলোকৰ মনত দুখ শোকৰ বিষযে অনাৱশ্যকীয় ভীতিৰ সঞ্চাৰ হ'ব বুলিয়েই তেও এই সমালোচনা আগবঢ়াবলগীযা হৈছিল। শোকত অভিভূত হৈ পৰা এজন বীৰৰ চিত্ৰ প্ৰকৃততে ভাল চিত্ৰনে ? দুখ শোকৰ নিযন্ত্ৰণ কৰিব পৰা শক্তিকে সহ্য' গুণ বুলি ধৰি লৈছে আমি সাধাৰণতে অতি বেছি অনুভূতি নিয়ন্ত্ৰণ কি বুজিব পাৰোঁ। সাহস আৰু আত্মনিয়ন্ত্ৰণৰ মিলন স্থল হৈছে সহ্য গুণ। প্লেটোৰ চিন্তা আৰু লেখাৰ এইটো এটা বৈশিষ্ট্যই যে তেওঁ সাধাৰণ মানুহে দেখাত বেলেগ বস্তুবোৰৰ মাজত সম্বন্ধ স্থাপন কৰিব পাৰিছিল তেওঁৰ হাতত পৰিলে অবধাৰণাবোৰে কোনোমতে জিৰণি নাপায় এইবোৰক তেওঁ এঠাইৰপৰা আনঠাইলৈ লৈ যায় আৰু এটাৰ লগত আন এটাৰ সম্পৰ্ক বিচাৰি উলিয়ায়। তেওঁ এই গুণবোৰৰ ব্যাখ্যা কৰোঁতে আমি এটা মৌলিক গ্ৰিক ধাৰণা প্ৰতিভাত হৈ থকা দেখিবলৈ পাওঁ। সেইটো হৈছে— দুখ শোক সুখ স্বাচ্ছন্দ্য আনন্দ উৎসৱ হাঁহি-ধেমালি ভোক পিয়াহ ভাবপ্ৰৱণতা অনুভূতি আদি একোৰে অতিশয্য বা অমিতাচাৰ যথাৰ্থতে ভাল নহয়। এইখিনিতে আমি এটা কথা মনত পেলাব লাগিব যে সন্মান গ্ৰিক চৰিত্ৰৰ ডাঙৰ কথা নাছিল। গ্ৰিকসকল বা তেওঁলোকৰ ভিতৰৰ এটা ডাঙৰ অংশ প্ৰবল অনুভূতিৰদ্বাৰা বৰকৈ প্ৰভাৱান্বিত হৈছিল সেই গতিকে গ্ৰিক নৈতিক দাৰ্শনিকসকলে অনুভূতি নিয়ন্ত্ৰণৰ বাবে চিন্তা কৰিবলগীয়া হৈছিল। গ্ৰিকসকলৰ এটা প্ৰকৃতিগত অভাৱ আছিল। সেইটো হৈছে— তেওঁলোকৰ আত্মসন্মান নাছিল আৰু তেওঁলোকে নিজকে পাহৰি গৈছিল। এই কথাখিনি মনত নাৰাখিলে দুখ-শোকৰ বিবেচনা কৰা টান হয় আৰু মানুহৰ জীৱনলৈ ঔদাসিন্য আহে আৰু কেতিয়াবা মানুহৰ হাঁহিও

আশ্চৰ্য্যত পৰিণত হ'ব পাৰে। প্লেটোৱে দুখ-শোক অনুভৱ কৰিবলৈ কেতিয়াও মানা কৰা নাছিল তেওঁ কেৱল কৈছিল যে বৰ বেছি অনুভূতিয়ে মানুহৰ চৰিত্ৰ ঘৃণীয়া আৰু দুৰ্বল কৰে।

সাহস আৰু আত্মনিয়ন্ত্ৰণৰ মাজতে প্লেটোৱে সত্যবাদিতাৰ বিষয়ে কৈছিল। সত্যবাদিতাক প্লেটোৱে বাধ্যতাৰ এটা অংশ হিচাপে বিবেচনা কৰিছিল আৰু বাধ্যতাৰদ্বাৰা তেওঁ সাধাৰণতে কৰ্ত্তৃপক্ষক মানি চলাটোকে বুজাইছিল। সাধাৰণতে এইটো ধৰি লোৱা হয় যে মিথ্যাবাদিতা নিন্দনীয়। অৱশ্যে অৱস্থাই মিথ্যাবাদিতাৰ প্ৰয়োজনীয়তা আনি দিয়ে। কিন্তু সেয়ে হ'লেও প্লেটোৰ মতে কৰ্ত্তৃত্ব থকা লোকেহে অৱস্থাৰ প্ৰয়োজনীয়তাত মিথ্যাবাদিতাৰ আশ্ৰয় ল'ব পাৰে। এজন চিকিৎসকে ৰোগীৰ আৰোগ্যৰ কাৰণে ৰোগীক মিছা কথা ক'ব পাৰে শাসক-সকলে জনসাধাৰণৰ মংগলৰ কাৰণে জনসাধাৰণক ফাঁকি দিব পাৰে। আন কোনেও মিছা কথা ক'ব নোৱাৰে। আন সকলোৰে বাবে সত্যবাদিতা এটা নীতি। ইয়াত কোনো আপত্তি থাকিব নোৱাৰে। ৰোগীয়ে চিকিৎসকৰ ওচৰত মিছা কথা কোৱা যেনে নাগৰিকসকলে শাসকসকলৰ আগত মিছা কথা কোৱাও তেনে।

আত্মনিয়ন্ত্ৰণৰ মূল অৰ্থ হৈছে কৰ্ত্তৃপক্ষৰ প্ৰতি একান্ত বাধ্য হৈ থকা। কৰ্ত্তৃপক্ষ বুলিলে আমি শাসকসকলকো বুজিব পাৰোঁ আৰু আমাৰ ভিতৰতে থকা উচ্চ উপাদানবোৰকো বুজিব পাৰোঁ। প্লেটোৱে প্ৰথমতে কৰ্ত্তৃত্ব থকা মানুহৰ প্ৰতি বাধ্য হোৱাকে আত্মনিয়ন্ত্ৰণ বুলি বিবেচনা কৰিছিল দ্বিতীয়তে তেওঁ ইয়াক ক্ষুধা নিয়ন্ত্ৰণ বুলি ভাবিছিল। ক্ষুধা নিয়ন্ত্ৰণ বুলিলে তেওঁ প্ৰধানকৈ শাৰীৰিক লোভ আৰু ধনলোভৰ কথাকে বুজিছিল। 'গণৰাজ্য'ত প্লেটোৱে ধনলোভক শাৰী-ৰিক ক্ষুধাৰ লগত একত্ৰিত কৰি ৰাখিছিল। তৃতীয়তে আত্মনিয়ন্ত্ৰণৰদ্বাৰা প্লেটোৱে বিলাসিতা ঔদ্ধত্য আৰু অহমিকা নিয়ন্ত্ৰণৰ কথা বুজাইছিল। এই কথাবোৰ তেওঁ এছিলিৰ গল্প কৈ ব্যাখ্যা কৰিছিল। এই গুণবোৰ বুজিবলৈ ইয়াৰ বিপৰীত গুণ-বোৰৰ লগত পৰিচিত হোৱাৰ প্ৰয়োজন আছে। এই বিপৰীত গুণবোৰ হৈছে— কৰ্ত্তৃপক্ষৰ বিৰুদ্ধে থিয় দিয়া স্বৰ্গীয় আইন আৰু সুপ্ৰতিষ্ঠিত কৰ্ত্তৃপক্ষক অসন্মান প্ৰদৰ্শন কৰা যুক্তিৰ আইনৰ বিৰুদ্ধে ক্ষুধাৰ বিদ্ৰোহ ইত্যাদি। এই গুণটোত কিছু পৰিমাণে নম্ৰতাও মিহলি হৈ আছে। এইটো প্ৰায়ে কোৱা হয় যে গ্ৰীক নৈতিক আইনত নম্ৰতা গুণক স্বীকৃতি দিয়া নহয় কিন্তু যিসকল মানুহ ভগৱানৰ ওচৰত নত হৈ চলে তেওঁলোক বিনীত লোক আৰু যিসকল লোকে ভগৱানৰ ওচৰত নতি স্বীকাৰ কৰিব নোখোজে বাইবেলৰ ভাষাত তেওঁলোক অহংকাৰী মানুহ। গ্ৰীকসকলে স্বৰ্গীয় আৰু বীৰ প্ৰকৃতিৰ কেতিয়াবা কেতিয়াবা ভুল অৰ্থ কৰিছিল আৰু প্লেটোৱে সেইবোৰ তীক্ষ্ণভাৱে সমালোচনা কৰিছিল। ইহুদীসকলে মানৱীয় দুৰ্বলতাবোৰক ভগৱানৰ দুৰ্বলতা বুলি ভুল কৰিছিল আৰু প্লেটোৱে সেইবোৰৰ ওপৰত কটুক্তি প্ৰকাশ কৰিছিল। যং, আপোনপেটীয়া স্বভাৱ প্ৰতিহিংসা প্ৰতি-

শোধ আদিয়েই প্ৰধান। মানৱীয় দুৰ্বলতা আৰু স্বৰ্গীয় প্ৰকৃতিৰ মূল মৰ্ম হৈছে ন্যায় আৰু সত্যবাদিতা। মানৱীয় দুৰ্বলতাৰ বাবে ভগৱানক দোষাৰোপ কৰাৰ কোনো সাৰ্থক যুক্তি নাই।

এতিয়ালৈ আমি প্লেটোৰ দৃষ্টিভংগীত দেৱতা আংশিকভাৱে দেৱতা আদিৰ আচল প্ৰকৃতিৰ বিষয়ে কেইটামান নীতিৰ কথা আলোচনা কৰিলোঁ। ইয়াৰ পাছত প্লেটোৱে মানব প্ৰকৃতি আৰু সাহিত্যত মানৱ প্ৰকৃতিৰ প্ৰকাশ সম্বন্ধে কিছুমান নিয়ম বান্ধি দিয়াৰ কথা ভাবিছে। কিয়নো সেইটো নহ'লে সাহিত্যৰ মাজেদি বিভ্ৰান্তিকৰ মানৱচৰিত্ৰ প্ৰকাশ পোৱাৰ ভয় আছে। স্বৰ্গীয় প্ৰকৃতিৰ বিষয়ে কিছুমান নিয়ম আছে। এই নিয়মবোৰ ভংগ কৰিলে দেৱতাৰ বিষয়ে ৰচনা কৰা গল্পবোৰ সঁচা গল্প হ'ব নোৱাৰে। মানৱপ্ৰকৃতি আৰু মানৱজীৱনৰ বিষয়েও কিছুমান নিশ্চিত নিয়ম আছে। এই নিয়মবোৰ জনপ্ৰিয় সাহিত্য আৰু জনপ্ৰিয় ধাৰণাবোৰত প্ৰকাশিত হোৱা দেখিবলৈ পোৱা নাযায়। আমি এইটো প্ৰায়ে শুনি থাকোঁ য অন্যায়কাৰীসকল সুখী আৰু ন্যায়পৰায়ণসকলৰ দুখৰ অন্ত নাই। মানৱজীৱনৰ বিষয়ে আমাৰ ধ্যান ধাৰণা এই কথাটোৰ ওপৰত ভালেখিনি নিৰ্ভৰ কৰে। এই কথাটো সঁচানে ? এই প্ৰশ্নটোৰ এনেকৈ ইয়াত উত্তৰ দিব পৰা নাযায় বুলি প্লেটোৱে কৈছে প্ৰকতাৰ্থত গোটেই গণৰাজ্যখনতে এই মৌলিক প্ৰশ্নটোৰ উত্তৰ দিবলৈ চেষ্টা কৰা হৈছে। আমি যদি শেহান্তৰত দেখিবলৈ পাও যে মানৱজীৱনৰ এইটো প্ৰকৃত দৰ্শন নহয় ন্যাযৰপৰা প্ৰকৃততে লোকচান নহয আৰু অন্যায়ৰপৰাও প্ৰকৃততে লাভ নহয় তেতিয়া আমি এই প্ৰশ্নটোৰ উত্তৰ এইদৰে দিব পাৰিম যে মানুহৰ জীৱনৰ বিষয়ে দিয়া সেই জনপ্ৰিয় ধাৰণাবোৰ প্ৰকৃততে শুদ্ধ নহয়। বৰ্তমান অৱস্থাত আমি এইটো কেৱল আশা কৰিবহে পাৰোঁ।

সাহিত্যৰ কৌশল

ইমানপৰে আমি প্লেটোৰ দৃষ্টিত সাহিত্যৰ বিষয়বস্তু সম্বন্ধে আলোচনা কৰিলোঁ। এতিয়া প্লেটোৰে সাহিত্যৰ কৌশল সম্বন্ধে তেওঁৰ মন্তব্যবোৰ দাঙি ধৰিবলৈ ওলাইছে। এই বিষয়ে পোনতে তেও দুটামান প্ৰশ্নৰ অৱতাৰণা কৰিছে। সাহিত্যৰ বিষয়বস্তুবোৰ কেনেকৈ কোৱা যাব ? সাহিত্যৰ গঠন কেনে ধৰণৰ হ'ব ? শিক্ষা সম্বন্ধে তেওঁ কৈছে যে শিক্ষাই বিভিন্ন পৰ্য্যায়ৰ শিক্ষাৰ্থীসকলৰ মনটো ক্ৰমগতিত গঢ়ি তোলে আৰু ইয়াৰ পাছত এটা পৰ্য্যাযত মানুহৰ মনত কলাসুলভ প্ৰবৃত্তিৰ জন্ম হয আৰু তেতিয়া মানুহৰ মনৰ এই প্ৰবৃত্তিটোক সন্তুষ্ট কৰিবলৈ চেষ্টা কৰিবলগীয়া হয। শিক্ষা যেতিয়ালৈকে ল'ৰা-ছোৱালীবোৰৰ মনটো গঢ়ি তোলাৰ আহিলা হিচাপে ব্যৱহাৰ হয় বা কিছুমান নিৰ্দিষ্ট সাধাৰণ নৈতিক

গুণ সৃষ্টিৰ বাবে ব্যৱহাৰ কৰা হয় তেতিয়ালৈকে কলাসুলভ প্ৰবৃত্তিবোৰ পৰিতুষ্ট কৰাৰ প্ৰশ্ন নুঠে আৰু তেতিয়ালৈ কি ধৰণ বা আকৃতিত সত্যক প্ৰকাশ কৰা হয় সেই বিষয়ে বৰকৈ চিন্তা চৰ্চা কৰা নহয়। কিন্তু এটা নিৰ্দিষ্ট সময় আৰু পৰ্য্যায়ত এই প্ৰশ্নটো গুৰুত্বপূৰ্ণ হৈ পৰে কিয়নো তেতিয়া মানুহৰ সাংস্কৃতিক মনটো কলাসুলভ গুণ থকা বস্তু বা কামবোৰৰ প্ৰতি বৰকৈ আকৃষ্ট হয়। গতিকে এতিয়াৰেপৰা সাহিত্যৰ বিষয়ে আলোচনা কৰোঁতে ইয়াৰ গঠন আৰু ধৰণৰ ওপৰত গুৰুত্ব দিব লাগিব। সাহিত্য সংগীত ভাস্কৰ্য্য কলা আদি সকলোতে এই বিষয়টোৰ ওপৰত মনোযোগ দিব লাগিব।

সাহিত্যৰ গঠন সম্বন্ধে প্লেটোৱে কৈছিল যে সাহিত্যত অনুকৰণ পৰিলক্ষিত হয়। গতিকে প্ৰথম আমি অনুকৰণৰ ধাৰণাটো সাহিত্যত কিভাৱে প্ৰয়োগ হয় তাৰ ব্যাখ্যা কৰিব লাগিব। তাৰ পাছত সাহিত্যৰ শিক্ষা সম্বন্ধীয় আৱশ্যকতা খিনি চাব লাগিব যিখিনিয়ে আৱশ্যকীয় চৰিত্ৰ গঠন আৰু বিকাশত বৰঙণি যোগায়। ইয়াৰ পাছত ভাল আৰু বেয়া সাহিত্যৰ মাজত ব্যৱধান বিচাৰি উলিয়াব লাগিব। এইটো কৰিব লাগিলে ভাল সাহিত্য আৰু বেয়া সাহিত্যৰ ফলাফল পৰীক্ষা কৰি চাব লাগিব আৰু শেষত কবিতাৰ ওপৰত এটা মতামত প্ৰকাশ কৰা হ'ব। এই সকলোবোৰ কথাৰ ভিতৰত প্ৰথমে আমি বুজিব লাগিব প্লেটোৰ মনত কোনটো প্ৰশ্নই ঠাই পাইছিল। এই বিষয়ে প্ৰথমে আমাৰ ধাৰণা হ'ব এইটোৱে যে প্লেটোৱে কেৱল সাহিত্য সম্বন্ধীয় বা সৌন্দৰ্য্য বিচাৰ সম্বন্ধীয় বিষয়হে আলোচনা কৰিবলৈ বিচাৰিছিল আৰু সেইবাবে তেওঁ কবিতা মহাকাব্য নাটক গীতিকাব্য আদিৰ প্ৰকৃতি বা গঠন সম্বন্ধে কৈছিল। আৰু এইবোৰৰ ভিতৰত শিক্ষাৰ কাৰণে কোনটো উৎকৃষ্ট তাকে তেওঁ ভাবিছিল। কিন্তু প্ৰকৃততে তেওঁ এইবোৰ একোকে কৰা নাছিল। ভাল কবিতা কি ? এই প্ৰশ্নটোৰ উত্তৰ তেওঁ সাহিত্যৰ সমালোচনাৰ জৰিয়তে দিয়া নাছিল দিছিল নীতিবিজ্ঞানৰ সহায়তহে। সাহিত্যৰ গঠন সম্বন্ধে যিটো প্ৰশ্ন আমাৰ আগত আছে তাৰেপৰাই আন এটা প্ৰশ্নৰ উদয় হয়। সেইটো হৈছে—আমি যিবোৰ মানুহক অনুকৰণশীল কৰি প্ৰশিক্ষিত কৰোঁ তেওঁলোকে কিহৰ অনুকৰণ কৰে ?

তেন্তে প্ৰথমে আমি প্লেটোৰ অনুকৰণৰ অৱধাৰণাটো পৰীক্ষা কৰিব লাগিব। 'অনুকৰণ শব্দটো গণৰাজ্য'ত দুই ধৰণে ব্যৱহাৰ কৰা হৈছে —সাধাৰণ অৰ্থত আৰু বিশেষ অৰ্থত। সাধাৰণ অৰ্থত সাহিত্যত এই শব্দটো ব্যৱহাৰ আমি আগেয়ে পাইছোঁ। কবিসকলে দেৱতাসকলৰ হুবহু নকল কৰিব নোৱৰা বাবে তেওঁলোকক নিন্দা কৰা হৈছে আৰু অতিকথাবোৰৰ ব্যৱহাৰৰ ক্ষেত্ৰত এইটো কোৱা হৈছে যে অতিকথাবোৰে দেৱতাসকল আৰু বীৰ-বীৰাংগনাবাবৰ চৰিত্ৰবোৰ যিমান দূৰ সম্ভৱ হুবহুভাৱে চিত্ৰিত কৰিব লাগে। 'অনুকৰণ' শব্দটোৰ এই সাধাৰণ অৰ্থত কবিতাই কেনেকৈ অনুকৰণ কৰে ? আমি আমাৰ মনৰপৰা এটা

ভাব আঁতৰ কৰি ৰখাই ভাল। সেই ভাবটো হৈছে—এজন কবিয়ে বা এজন শিল্পীয়ে প্ৰকৃতিক অনুকৰণ কৰে এজন কবিয়ে বা এজন শিল্পীয়ে নতুন কিছুবাৰ জন্ম দিয়ে বা সৃষ্টি কৰে। যেতিয়া প্লেটোৱে সাধাৰণ অৰ্থত কবিয়ে অনুকৰণ কৰা বুলি কৈছিল তেতিয়া তেওঁ ভাবিছিল যে কবিয়ে কোনো কথা বা কোনো কামৰ প্ৰতিনিধিত্ব কৰিছে। কবিৰ আহিলা হৈছে শব্দ আৰু শিল্পীৰ আহিলা হৈছে ৰং। ইয়াৰে কবি বা শিল্পীয়ে কিছুমান বস্তু বা ঘটনাৰ চিত্ৰ আমাৰ আগত দাঙি ধৰে। বহল অৰ্থত অনুকৰণ শব্দটোৰ ব্যৱহাৰ গ্ৰিকসকলৰ মাজত প্ৰচলিত আছিল। গ্ৰিকসকলে শিল্পী আৰু কবিক ওচৰা উচৰিকৈ ঠাই দিছিল। অনুকৰণ শব্দটোক বহল অৰ্থত ব্যৱহাৰ কৰিলে অভিনয় শব্দটোৰ লগতো তুলনা কৰিব পাৰি ।

ইয়াত আকৌ আমি মনত পেলোৱা উচিত হ'ব যে প্লেটোৱে মানব মনক মূলতঃ অনুকৰণপ্ৰিয় বুলি কৈছিল আৰু সেইবাবে মানুহৰ মনে প্ৰাকৃতিক আৰু প্ৰবৃত্তিগতভাৱেই বাহিৰৰ অবস্থাৰ অনুকৰণ কৰিছিল। আমি যেতিয়া কোনো পুথি অধ্যয়ন কৰোঁ বা কোনো গল্প শুনো বা কোনো নাটৰ অভিনয় চাওঁ আৰু যদি আমি তাৰ কোনো এটা চৰিত্ৰৰ প্ৰতি বিশেষভাৱে আকৰ্ষিত হও তেতিয়া জ্ঞাত আৰু অজ্ঞাতসাৰে আমি সেই চৰিত্ৰটো অনুকৰণ কৰিবলৈ চেষ্টা কৰোঁ। সেইদৰে প্লেটোৱে যেতিয়া অনুকৰণৰ বিষয়ে কৈছিল তেতিয়া তেওঁৰ মনলৈ নাটকীয় কবিসকল বা অভিনেতাসকলৰ ছবিবোৰ আহিছিল তেওঁৰ চকুৰ আগতো দৰ্শকসকল ভাহি উঠিছিল। প্লেটোৰ দৃষ্টিত এইবোৰ আহি নপৰা হ'লে তেওঁৰ লেখাত সাহিত্যই ইমান গুৰুত্বপূৰ্ণ স্থান লাভ কৰিব নোৱাৰিলে হেঁতেন। মানুহ স্বাভাৱিকতে অনুকৰণপ্ৰিয় আৰু সাহিত্যিক মানুহে সহজে অনুকৰণ কৰিবলৈ ভাল পায়। সকলোবোৰ অনুকৰণতে প্ৰকৃত বস্তুত বা কামত পৰিণত কৰিবলৈ চেষ্টা কৰা হয়। কোনো এটা বস্তু অনুকৰণ কৰাৰদ্বাৰা প্ৰকৃত বস্তুটোৰ যিমানখিনি পৰা যায় সিমানখিনি একে কৰিবলৈ চেষ্টা কৰা হয় মানুহে যিটো বস্তু ভাল পায় সেইটো বস্তুহে অনুকৰণ কৰে আৰু মানুহে যিটো অনুকৰণ কৰে সেইটোৰ দৰে হ'বলৈ লাহে লাহে চেষ্টা কৰে। তেওঁৰ মনত সাহিত্যৰ প্ৰভাৱৰ বিষয়ে এই অৱধাৰণাটো লৈ প্লেটোৱে প্ৰশ্ন কৰিছে— মানুহৰ প্ৰকৃতিৰ উৎকৃষ্টতাখিনি চিত্ৰিত কৰিবলৈ সবাতোকৈ ভাল সাহিত্য কি এই প্ৰশ্নটোক কেন্দ্ৰ কৰিয়েই তেওঁ গোটেই আলোচনাটো আগবঢ়াইছিল।

আলোচনাটো আৰম্ভ কৰোঁতে তেওঁ প্ৰথমে বিশেষ অৰ্থত অনুকৰণ সাহিত্যৰ মূল্যৰ কথাটো উত্থাপন কৰিছে। সকলোবোৰ সাহিত্যই অনুকৰণশীল যদিও অনুকৰণৰ ধৰণ আৰু মাত্ৰা একে নহয়। অনুকৰণৰদ্বাৰা আচল অৱস্থা কিমানখিনি প্ৰতিভাত কৰিব পৰা যায় সেইটোহে কথা। ইয়াত অনুকৰণ শব্দটো সাধাৰণ অৰ্থত ব্যৱহাৰ কৰা হোৱা নাই, বিশেষ অৰ্থতহে ব্যৱহাৰ কৰা হৈছে ।

যি সাহিত্যাই অতি উৎকৃষ্টভাৱে অনুকৰণ কৰিব পাৰে আৰু যি অনুকৰণ বাস্তৱবাদী হয় তাকেই বিশেষ অৰ্থত হোৱা অনুকৰণ বুলি কোৱা হয়। কবি সকলে হয় বৰ্ণাত্মকভাৱে কথাবোৰ কৈ যায়, নহয় অনুকৰণৰ উপায় ব্যৱহাৰ কৰে আৰু কেতিয়াবা দুয়োটাকে প্ৰয়োগ কৰে। প্লেটোৱে ইয়াত অনুকৰণৰ অৰ্থ কৰিছে—আন মানুহৰ ব্যক্তিত্বৰ হুবহু বৰ্ণনা। কবিয়ে যেতিয়া কোনো মানুহৰ চৰিত্ৰ তেওঁৰ কবিতাত ফুটাই তুলিব খোজে তেতিয়া তেওঁ যিমান দূৰ সম্ভৱ সেই মানুহজনৰ দৰে হ'বলৈ মনতে ভাবে। নাট্যসাহিত্যত এইটো বিশেষভাৱে দেখিবলৈ পোৱা যায় মহাকাব্যিক কবিতাত দুয়োটা উপায়কে অৱলম্বন কৰা হয়, কিছুমান ধৰণৰ গীতিকবিতাত কেৱল বৰ্ণাত্মক পদ্ধতিহে অৱলম্বন কৰা হয়।

ওপৰত উল্লেখ কৰা তিনি ধৰণৰ সাহিত্যৰ মাজত থকা পাৰ্থক্যবোৰ দেখুৱাই প্লেটোৱে আমাক কৈছে যে নাটক কবিতা গীতিকাব্য আদি সাহিত্যত অনুকৰণৰ পৰিমাণ কিমানখিনি আছে সেইটো বিচাৰি উলিওৱা আমাৰ লক্ষ্য নহয় আমাৰ লক্ষ্য হৈছে ভৱিষ্যতৰ বাবে ৰাষ্ট্ৰৰ অভিভাৱকসকলক গঢ়ি তোলা। এই অভিভাৱকসকল অনুকৰণশীল হ'ব লাগিবনে ? কেৱল সাহিত্যৰ ধৰণৰ বিষয়ে কৰিবলৈ ইচ্ছা কৰিলে প্লেটোৱে সাহিত্যৰ পৰিধিতে মানুহবোৰক ভাল অভিনেতা কৰি তুলিব খুজিলেহেঁতেন কিন্তু প্ৰকৃততে তেওঁ সেইটো কৰা নাছিল। মানুহ কিমানখিনি অনুকৰণশীল হ'ব লাগে তেওঁ সেই বিষয়ে বেছি কথা কোৱা নাছিল মানুহে কি আৰু কিমানখিনি অনুকৰণ কৰা উচিত সেই বিষয়েহে তেওঁ আলোচনা কৰিছিল। কোনবোৰ চৰিত্ৰ মানুহে অনুকৰণ কৰিব লাগে আৰু সেই অনুকৰণ কৰা চৰিত্ৰবোৰ কিহৰ লগত তুলনা কৰিব লাগে এইবোৰ কথাহে প্লেটোৱে আলোচনাৰ মাজলৈ টানি আনিছিল। গতিকে তেওঁৰ মনত থকা মূল প্ৰশ্নটো হৈছে—সাহিত্যত কি মানৱ প্ৰকৃতি অনুকৰণ কৰাৰ বাবে যোগ্য ? নাটক কাব্য কবিতা বা গীতিকাব্য আদিবোৰ সাহিত্যৰ প্ৰকৃত ধৰণ হয় নে নহয় সেইটো তেওঁৰ বাবে ডাঙৰ কথা নাছিল। কি উপায় অৱলম্বন কৰি সাহিত্যত মানৱ প্ৰকৃতি ফুটাই তুলিব পৰা যাব কি ধৰণৰ মানৱ প্ৰকৃতি খুব ভালকৈ অনুকৰণ কৰিব পৰা যাব কি বিশেষ ধৰণে এই মানৱ প্ৰকৃতি সাহিত্যত প্ৰকাশিত হ'লে ইয়াৰদ্বাৰা মানুহৰ মনত কল্পনা শক্তি সাৰ্থকভাৱে সঞ্চাৰ হ'ব ? কবিসকলে তেওঁলোকৰ গাত থকা সমস্ত প্ৰতিভাৰে যিকোনো বস্তু বা ঘটনাকে চিত্তাকৰ্ষক আৰু উত্তেজনাদায়ক কৰি তুলিবলৈ চেষ্টা কৰা উচিতনে ? আৰু কবিসকলে নিজকে ৰাষ্ট্ৰৰ একনিষ্ঠ সেৱক হিচাপে ভাবি লৈ তেওঁলোকৰ মনলৈ অহা ঘটনা বা বস্তুবোৰৰ মাজৰপৰা ভাল আৰু উৎকৰ্ষখিনি বাছি লৈ সেই-বোৰৰ ওপৰতহে নিজৰ প্ৰতিভাৰে কবিতা লিখি মানৱ প্ৰকৃতি ৰূপায়িত কৰাটো উচিতনে ? মানৱ প্ৰকৃতিৰ বাস্তৱ ৰূপ দিওঁতে তেওঁলোকে সদায় ইয়াৰ উৎকৃষ্ট আৰু মহানখিনিৰ কথাহে ভবা উচিতনে ? প্লেটোৰ বাবে ইয়াৰ মাত্ৰ এটা উত্তৰ

আছিল। তেওঁ কৈছিল যে মানুহৰ নিজৰ চৰিত্ৰই মানৱ প্ৰকৃতিৰ যিটো অংশ ভালদৰে অনুকৰণ কৰিব পাৰে সেই অংশটোকহে শিল্পীয়ে অনুকৰণ কৰে। এজন মহৎ লোকৰ চৰিত্ৰ যদি এনেকুৱা হয় যে তেওঁ বেলেগ বেলেগ পৰিস্থিতি আৰু চৰিত্ৰত নিজকে খাপ খুৱাই চলিব পাৰে তেতিয়া মহান কবি এজনেও তেনে এজন মহৎ লোক হ'বলৈ তেওঁৰ তুলিকাৰে চেষ্টা কৰিব। কিন্তু প্লেটোৱে কৈছে যে মানুহৰ প্ৰকৃতি এনেকুৱা কিছুমান সৰু সৰু অংশৰদ্বাৰা গঠিত আৰু এই অংশবোৰৰ মাজত থকা সম্বন্ধটো ইমান ঢিলা যে এজন মানুহে একে ধৰণৰ জীৱনহে অনুকৰণ কৰিব পাৰে তাতকৈ বেছি অনুকৰণ কৰাটো কাচিৎহে কাৰোবাৰ পক্ষে সম্ভৱপৰ। গতিকে মানুহে যিখিনি অনুকৰণ কৰে সেইখিনিও তেওঁৰ প্ৰকৃতিৰ অংশবিশেষত পৰিণত হয়। ইয়াক তেওঁৰ প্ৰকৃতিৰ দ্বিতীয় অংশ বুলিব পাৰি। তেওঁৰ প্ৰকৃতিৰ প্ৰথম অংশ আৰু দ্বিতীয় অংশৰ মাজত থকা প্ৰভেদখিনি তেওঁ জানিব লাগে। এজন ভাল লেখকে তেওঁৰ নিজৰ ব্যক্তিত্ব হেৰুৱাই আন কোনোবা তেওঁতকৈ বেছি ব্যক্তিত্বসম্পন্ন লেখকৰ ব্যক্তিত্ব গ্ৰহণ কৰিলেও নিজৰ স্বকীয় ব্যক্তিত্বখিনি একেবাৰে নাইকিয়া হৈ নাযায়। এই কথাষাৰ কেৱল লেখকসকলৰ ক্ষেত্ৰতে প্ৰযোজ্য নহয় দৰ্শক আৰু পাঠকসকলৰ ক্ষেত্ৰতো সমানে প্ৰযোজ্য ।

উৎকৃষ্ট সাহিত্য কি ? প্লেটোৱে এই প্ৰশ্নটোৰ বহল ব্যাখ্যা কৰা নাছিল। এই প্ৰশ্নটো তেওঁ সকলোৰে বাবে খোলাকৈ ৰাখিছিল। মহৎ কবিসকলে তেওঁ লোকৰ কবিতাত কিহৰ ছবি আঁকিব লাগিব সেইটো কবিসকলে নিজেই ঠিক কৰিব। কিন্তু কবিসকলৰ ওপৰত ৰাইজৰ দাবী আছে। কবিসকলে সেই দাবী উপেক্ষা কৰাটো উচিত নহ'ব। প্লেটোৱে কেৱল কবিসকলৰ বাবে কিছুমান পথ প্ৰদৰ্শনকাৰী ৰেখা আঁকি দিছে। প্ৰথমে তেওঁ কবিসকলক দাবী কৰিছে যে এটা অৰ্থাৎ তেওঁলোক সমাজৰ সেৱক হ'ব লাগিব অন্যথাই সমাজত তেওঁলোকৰ বাবে ঠাই নাই। ইয়াৰ পাছত তেওঁ কবিসকলক কৈছে— মানুহৰ জীৱনটোক জীৱন্তভাৱে সাহিত্যত ফুটাই তুলিবলৈ আপোনাসকলৰ প্ৰতিভা আছে আপোনা-লোক মানুহৰ জীৱনটোক সাহিত্যত এনেভাৱে ৰূপ দিব পাৰে যে ইয়াৰদ্বাৰা পাঠকৰ মনত সহজে কল্পনাৰ সৃষ্টি হয় আপোনালোকে নিজৰ প্ৰতিভাৰদ্বাৰা পাৰ্থিৱ বস্তু বা ঘটনাবোৰৰ যোগ্য অনুকৰণ কৰিব পাৰে। প্লেটোৱে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে মানুহৰ ওপৰত সাহিত্যই বাৰুকৈয়ে প্ৰভাব বিস্তাৰ কৰিব পাৰে মানুহৰ চৰিত্ৰৰ ওপৰত ইয়াৰ প্ৰভাব অসমান্য। সেইমতে তেওঁ কৈছিল যে কেৱল ভাল সাহিত্য হ'লেই ই মানুহৰ নৈতিক চৰিত্ৰৰ উন্নতি সাধন কৰিব নোৱাৰে। যি সাহিত্যই মানৱ প্ৰকৃতি ৰূপায়িত কৰিব পাৰে সেই সাহিত্যইহে মানুহৰ গাত থকা উৎকৃষ্টখিনিৰ বিকাশসাধন কৰিব পাৰে। প্লেটোৰ মতে দুই শ্ৰেণীৰ কবি আছে। যথেষ্ট প্ৰতিভা থাকিলেও বেয়া কবিসকলে ভাল-বেয়া

সকলোবোৰ চৰিত্ৰকে নিজৰ কবিতাত ঠাই দিয়ে আৰু এনেকৈ তেওঁলোকে জনসাধাৰণৰ বিশেষকৈ ল'ৰা-ছোৱালী আৰু দাসসকলৰ মাজত বৰ জনপ্ৰিয় হৈ পৰে। আনহাতে যিসকল কবিৰ উপযোগিতা আৰু অনুপাতৰ জ্ঞান আছে আৰু তেওঁলোকে যেতিয়া কোনো মহৎ লোকৰ কাৰ্য্য বা কথাৰ বিষয়ে কবিতা লিখে তেতিয়া তেওঁলোকে সেই কাৰ্য্য বা কথাবোৰ যিমান নিখুঁতভাৱে পাৰে সিমান নিখুঁত আৰু নাটকীয়ভাৱে ৰূপ দিবলৈ চেষ্টা কৰে দুৰ্বল ত্ৰুটীপূৰ্ণ আৰু অকৃতকাৰ্য্য চৰিত্ৰবোৰৰ ওপৰত তেওঁলোকে কম গুৰুত্ব দিয়ে বাতুলতা ৰূপীয়া আদি অযোগ্য চৰিত্ৰ আৰু বিষয়বোৰৰ ওপৰত বিশেষ গুৰুত্ব নিদিয়ে। হাস্যৰস সৃষ্টিৰ খাতিৰত যিখিনি সময় খৰচ কৰিব পাৰি সেইখিনি সময়হে এই কবিসকলে অযোগ্য আৰু অনাৱশ্যকীয় চৰিত্ৰ সৃষ্টিৰ বাবে খৰচ কৰে। কি ধৰণৰ সাহিত্যৰদ্বাৰা এই প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব লাগিব সেই বিষয়ে প্লেটোৱে নিজে একো নকৈ বিষয়টো কবি সাহিত্যিকসকলৰ ওপৰতে পেলাই দিছে।

প্লেটোৱে কিছুমান সমসাময়িক ঘটনা আৰু সমসাময়িক কবিৰ বিষয়ে প্ৰত্যক্ষভাৱে লিখিছিল। সম্ভৱত অনুকৰণশীল সাহিত্যৰ অপব্যৱহাৰৰ বিষয়ে তেও যিবোৰ উদাহৰণ দাঙি ধৰিছে সেইবোৰ তেওঁৰ সময়ৰ সাহিত্যিকসকলৰে সৃষ্টি। তেও আকৌ বিয়োগান্ত নাটকৰ কিছুমান নতুন প্ৰৱণতাৰ বিষয়ে উল্লেখ কৰিছে। আৰু সম্ভৱত ইউৰিপাইডৰ দৰে বহুতো নাট্যকাৰে বিয়োগান্ত নাটকৰ চৰিত্ৰৰ পৰিবৰ্তন সাধন কৰিছে। মিলনান্ত নাটকৰ বিষয়ে কওঁতে তেওঁ মঞ্চস্থ হোৱা কোলাহলপূৰ্ণ নাটকৰ কথা উল্লেখ কৰিছে আৰু মানুহৰ ওপৰত বহুল ভাৱে প্ৰভাৱ বিস্তাৰ কৰিব পৰা উপন্যাসৰ কথা কৈছে। ঘোঁৰাৰ চেঁচনি অনুকৰণ কৰা ষাঁড় গৰুৰ চিৎকাৰ অনুকৰণ কৰাৰদ্বাৰা সাহিত্য বা শিল্পৰ সৃষ্টি হ'লেও তাৰদ্বাৰা ৰাষ্ট্ৰ বা সমাজৰ কোনো উপকাৰ নহয়। দশম পুস্তিকাত থকা বহুতো কথা আৰু আইন'ৰ কোনো কোনো অংশত প্লেটোৱে বাবুকৈয়ে অনুভৱ কৰিছিল যে গ্ৰিক সাহিত্য আৰু সংগীত তেওঁৰ সময়ত ক্ষিপ্ৰ গতিত ম্লান হৈ আহিছিল। তেওঁৰ মতে সেই সময়ৰ সাহিত্যই কেৱল ব্যাধিগ্ৰস্ত কল্পনাক অলপ ৰস-জীপ দিব পাৰিছিল। তেওঁৰ সময়ৰ শিল্প কলাত তেওঁ কেৱল উদ্দেশ্যবিহীন আৰু নীতিবিহীন পৰিবৰ্তনবোৰ দেখিবলৈ পাইছিল। এই পৰিবৰ্তনবোৰ সঘনে ঘটিছিল। গণতান্ত্ৰিক মানুহৰ চৰিত্ৰ গঠনৰ বাবে এই ধৰণৰ সাহিত্য কলাই বিশেষ কোনো বৰঙণি যোগাব পৰা নাছিল।

বেছিভাগ মানুহে সাহিত্যত যিবোৰ নীতি প্ৰয়োগ কৰিব খোজে প্লেটোৱে তাতকৈ বহুত বেছি গুৰুতৰ নীতি অৱলম্বন কৰাৰ কথা ভাবিছিল আৰু আমাৰ বাবে তেওঁৰ মনোভাৱ ৰূঢ় আৰু স্বেচ্ছাচাৰী হ'ব পাৰে। এইটো কেৱল তেওঁৰ সীমাবদ্ধ দৃষ্টিভংগীৰ কাৰণেই নহয়, বিষয়টোৰ ওপৰত তেওঁ গ্ৰহণ কৰা গুৰুত্বৰ কাৰণেহে। প্লেটোৱে যিটো সময়ত ৰাষ্ট্ৰ আৰু সমাজৰ বিষয়ে চিন্তা কৰিবলগীয়া

হৈছিল আমি যদি তেনেকুৱা এটা সময় আৰু অৱস্থাত পৰিলোহেঁতেন আমিও তেতিয়া নাটক বা প্ৰেমৰ কথা নাভাবি বাইবেল আৰু ইয়াৰপৰা ধৰ্মীয় সাহিত্যৰ প্ৰতি বেছি মনোযোগ দিলোহেঁতেন। তেতিয়া আমি ভালদৰে বুজি পালোঁহেঁতেন প্লেটোৱে সাহিত্যৰ ক্ষেত্ৰত কেনে ধৰণৰ সমস্যাৰ সন্মুখীন হৈছিল। আৰু যদি আমি সাহিত্যক গুৰুত্বৰ অৰ্থত গ্ৰহণ কৰোঁ আৰু সমাজত সাহিত্যৰ শিক্ষা বিষয়ক আটাইতকৈ বেছি ক্ষমতা থকা বুলি ভাবোঁ তেতিয়া আমি সাহিত্যক কিভাবে প্ৰযোগ কৰা উচিত জানিব লাগিব। তেতিয়া সাহিত্যৰ উদ্দেশ্য হ'ব সমাজক মৌলিকভাবে উন্নত কৰা।

প্লেটোৰ সাহিত্যিকসকলক যিকেইটা নীতি অৱলম্বন কৰি সাহিত্য সৃষ্টি কৰিবলৈ উপদেশ দিছিল সেই নীতিকেইটাৰ কোনো মহৎ সাহিত্য বা কলাৰ লগত সংঘাত হোৱা নাছিল আৰু সেই নীতিকেইটাই মহান কবিসকলৰ প্ৰতিভা বিকাশত কোনো বাধাৰ সৃষ্টি কৰাও নাছিল। কি বিশেষ উপায়ৰদ্বাৰা সাহিত্যই কিছুমান ধৰাবন্ধা নিয়ম মানি চলিব পাৰে? এইটো এটা ডাঙৰ প্ৰশ্ন আৰু কঠিন প্ৰশ্ন। কিছুমান ধৰ্মীয় অনুষ্ঠানত বাহিৰে কোনো ৰাষ্ট্ৰ বা সমাজে এই প্ৰশ্নটোৰ বাস্তৱ উত্তৰ দিবলৈ চেষ্টা কৰা নাই। কিন্তু পৃথিৱীৰ মহান কবিসকলে মিলনান্ত নাটকৰ বাহিৰে আন সাহিত্যত মানৱ প্ৰকৃতিৰ উৎকৃষ্টতাখিনি ফুটাই তুলিবলৈ চেষ্টা কৰিছে। অৱশ্যে এই কবিসকলৰ মাজত মানৱ প্ৰকৃতিৰ উৎকৃষ্টতা আৰু মানৱ প্ৰকৃতিৰ সৌন্দৰ্য্যৰ বিষয়ে মতৰ অমিল আছে। সেই গতিকে এই প্ৰশ্নটোৰ এটা নিৰ্দ্দিষ্ট আৰু চূড়ান্ত উত্তৰ নাই। প্লেটোৱে যিটো চেতনা আৰু উদ্দেশ্যেৰে সাহিত্যত কিছুমান ধৰা বন্ধা নীতি প্ৰযোগ কৰিবলৈ বিচাৰিছিল সেই দৃষ্টিভংগীৰে চালে বৰ্তমান যুগৰ বেছিভাগ চিন্তাবিদে প্লেটোক সমৰ্থন নকৰে। আনহাতে আধুনিক মানুহৰ মনে কলাক চূড়ান্ত পৰ্য্যায়ত যিভাৱে আৰু যি অৰ্থত গ্ৰহণ কৰিছে গ্ৰিকসকলে সেইভাৱে আৰু সেই অৰ্থত গ্ৰহণ কৰা নাছিল। মুঠতে প্লেটোৱে মানৱ প্ৰকৃতিৰ উৎকৃষ্টতা আৰু সৌন্দৰ্য্যৰ বিষয়ে এটা বহল আৰু সমাজধৰ্মী মনোভাব গ্ৰহণ কৰিছিল। কিন্তু মানুহৰ মনলৈ আৰু এটা প্ৰশ্ন আহে। এই প্ৰশ্নটো আহে এইদৰে—মহৎ কলা আৰু ক্ষুদ্ৰ কলাৰ পাৰ্থক্য কি? সুন্দৰ আৰু কুৎচিতৰ মাজত পাৰ্থক্য কি? আমি এইটো নিশ্চয় ভাবিব পাৰোঁ যে এখন ৰাষ্ট্ৰই বা ভাৰতৰ সংসদে সাহিত্যিকসকলৰ বাবে কিছুমান নিয়ম বান্ধি দিব নোৱাৰে কিন্তু সাহিত্যিক বা কলাকাৰসকলৰ ওপৰত কোনো নিয়ম নীতি থাকিব নোৱাৰে বুলি ভবাও ভুল হ'ব। সমাজবাদী দেশবোৰত বৰ্তমান সাহিত্যিকসকলে কেৱল সমাজতন্ত্ৰক সমৰ্থন কৰিহে সাহিত্য সৃষ্টি কৰিব পাৰে সমাজতন্ত্ৰৰ বিৰুদ্ধে আৰু ধনতন্ত্ৰৰ সমৰ্থনত সাহিত্য সৃষ্টি কৰিব নোৱাৰে। নিজৰ তত্ত্ব আৰু সূত্ৰৰ কথা সদাই নকলাকৈয়ে পৃথিৱীৰ মহান শিল্পীসকলে তেওঁলোকৰ শিল্প সৃষ্টিত কিছুমান নিয়ম মানি চলি গৈছে আৰু চলি আছে।

মৌলিক নীতিৰ ক্ষেত্ৰত মহান কবি আৰু শিল্পীসকলৰ মাজত কোনো ডাঙৰ পাৰ্থক্য নাই। এটা প্ৰধান বিষয়ত তেওঁলোকে প্লেটোৰ নীতি মানি চলিছে। সকলো মহান শিল্পী আৰু কবি আদৰ্শৰ পূজাৰী। যিবোৰ বিষয়ে তেওঁলোকৰ মনক সবাতোকৈ বেছিকৈ আকৰ্ষণ কৰে সেইবোৰ বিষয় মানুহৰ জীৱনৰ সাধাৰণ পৰ্য্যায়তকৈ ওপৰত থাকে। আনহাতে এটা বিষয়ত কোনো কবিয়ে, প্লেটোৱে বিচৰা মতে সাহিত্যৰ সৃষ্টি কৰিবলৈ উঠি পৰি লগা নাছিল কোনোৱে ইচ্ছাকৃত ভাবে সমাজৰ শিক্ষক বা সংস্কাৰক হিচাপে ভূমিকা পালন কৰিবলৈ হাতত কলম তুলি লোৱা নাছিল। তথাপি আমি এনে কিছুমান মহান কবিৰ কথা ক'ব পাৰোঁ যিসকলে সমাজৰ ওপৰত প্ৰভাৱ সৃষ্টি কৰিবলৈ সাহিত্যৰ সেৱা কৰা নাছিল যদিও তেওঁলোকৰ সাহিত্যই হাজাৰ হাজাৰ বছৰ জুৰি মানুহৰ জীৱনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰি আছে। ইটালিৰ মহান কবি ডাণ্টেৰ নাম এইখিনিতে বিশেষ উল্লেখযোগ্য।

সংগীত আৰু কলা

প্লেটোৱে সাহিত্যত যিটো নীতি প্ৰয়োগ কৰিছিল সংগীতৰ ক্ষেত্ৰতো সেই একেটা নীতিকে প্ৰয়োগ কৰিবলৈ বিচাৰিছিল। অৰ্থাৎ সংগীতে মানুহৰ চৰিত্ৰৰ ওপৰত ভাল প্ৰভাৱ পেলায় নে বেয়া প্ৰভাৱ পেলায় সেইটো বিবেচনা কৰিহে ইয়াক নিন্দা কৰা লাগে সমালোচনা কৰিব লাগে বা অনুমোদন কৰিব লাগে।

ওপৰত উল্লেখ কৰা নীতিটোৰ ভিত্তি কি ? আমি মানুহৰ কাৰ্য্য আৰু চৰিত্ৰৰ বিষয় প্ৰত্যক্ষভাৱে অনুকৰণ কৰা সাহিত্যৰ বিষয়ে আলোচনা কৰিলোঁ। ইয়াত আমি ইয়াৰ লগত অলপ বেলেগ কলাৰ বিষয়ে আলোচনা কৰিব লাগিব। সংগীত আৰু প্ৰত্যেকটো কলাই মানুহৰ মনৰ চৰিত্ৰ প্ৰকাশ কৰে আৰু মানুহৰ মনটোৱে যিটো চৰিত্ৰ সৃষ্টি কৰে আৰু যিটো চৰিত্ৰই মানুহৰ মনক বেছিকৈ আকৰ্ষণ কৰে সেইটো চৰিত্ৰ প্ৰকাশ কৰিবলৈ সংগীতে চেষ্টা কৰে। এটা কলা সৃষ্টিৰ বাবে যিটো মাধ্যম ব্যৱহাৰ কৰা হয় আন এটা কলা সৃষ্টিৰ বাবে সেইটো মাধ্যম ব্যৱহাৰ কৰিব নোৱাৰা হ'বও পাৰে। গতিকে মাধ্যম ব্যৱহাৰৰ ক্ষেত্ৰত বিভিন্ন কলাৰ মাজত পাৰ্থক্য আছে। কিন্তু সকলো কলাৰে ভাল বা বেয়া চৰিত্ৰ আছে। গতিকে কোনো শিল্পই শিক্ষা হিচাপে সহায় কৰিব নোৱাৰে ই কেৱল চৰিত্ৰৰ ওপৰত প্ৰভাৱ পেলাব পাৰে কাৰণ ই চৰিত্ৰ প্ৰকাশ কৰে। এই সাধাৰণ নিয়মটো আমি সংগীত বা কলাই মানুহৰ চৰিত্ৰৰ ওপৰত কেনেভাৱে প্ৰভাৱ বিস্তাৰ কৰে বা কৰিব পাৰে সেই বিষয়ে কোনো মন্তব্য নকৰাকৈও গ্ৰহণ কৰিব পাৰোঁ। সংগীতক আমি কথাত পৰিণত কৰিব নোৱাৰোঁ, ছবিকো আমি কথাৰে প্ৰকাশ কৰিব নোৱাৰোঁ, আৰু এইটো কৰিবলৈ যোৱাটো অনিষ্টকৰ।

প্ৰত্যেক শিল্পই নিজৰ নিজৰ মাধ্যম ব্যৱহাৰ কৰে প্ৰত্যেক শিল্পৰে স্বকীয়া নিয়ম আৰু আদব কায়দা আছে । আমি কেৱল এটা কথাই ক'ব পাৰোঁ যে সকলো ধৰণৰ শিল্পতে মানে মনৰ লগত কথা কয় প্ৰত্যেক শিল্পৰে নিজা ভাবৰ ধৰণ আছে আৰু এই ভাবৰ জৰিয়তে এটা মনৰ লগত আন এটা মনৰ সম্পৰ্ক ঘটে।

প্লেটোৱে সংগীতৰ ক্ষেত্ৰত যিটো দৃষ্টিভংগী গ্ৰহণ কৰিছে সেইটো তেওঁ সাহিত্যৰ ক্ষেত্ৰত গ্ৰহণ কৰা দৃষ্টিভংগীতকৈও বেছি ৰক্ষণশীল আৰু গোড়া বুলি তেওঁৰ সমসাময়িক লেখকসকলে ভাবিছিল। তেওঁ সংগীতজ্ঞসকলক এই কথাটো কৈয়েই ক্ষান্ত থকা নাছিল যে তেওঁলোকে ৰাষ্ট্ৰত এটা কাম কৰিব লাগিব তেওঁ গ্ৰিক সংগীতত কি ধৰণ আৰু তান গ্ৰহণ কৰিব লাগিব সেই কথাটো কৈছিল আৰু আনবোৰ ধৰণ আৰু তান গ্ৰহণ কৰিব নালাগে বুলিও কৈছিল। সেই সময়ৰ সংগীতত দুটা ধাৰা প্ৰবাহিত হৈছিল–ডৰিয়ান (Dorian) আৰু ফ্ৰিজিয়ান (Phrygian) । এই দুটা ধাৰাৰ বাহিৰে প্লেটোৱে আন কোনো ধাৰা অনুকৰণ কৰিবলৈ সংগীতজ্ঞসকলক মানা কৰিছিল। সংগীতত ব্যৱহাৰ কৰা বাদ্যযন্ত্ৰৰ ভিতৰত তেওঁ কেৱল বীণা আৰু চিতাৰহে ভাল বুলি কৈছিল আৰু পান পাইপ (Pan-Pipes) ব্যৱহাৰ কৰিব পাৰি বুলিও কৈছিল। এইবোৰৰ বাহিৰে মানুহৰ মনত জটিল প্ৰভাৱ পেলাব পৰা সকলোবোৰ বাদ্য যন্ত্ৰ ব্যৱহাৰ কৰাৰ তেওঁ পক্ষপাতী নাছিল। বিশেষকৈ তেওঁ বেণু বজাবলৈ একেবাৰে মানা কৰিছিল। তাল আৰু লয়ৰ ক্ষেত্ৰতো তেওঁ সীমা বান্ধি দিছিল – তাল আৰু লয়ৰ ব্যৱহাৰ তেওঁ উঠাই দিব খোজা নাছিল ইয়াক যিমান পাৰে সিমান সৰল কৰিবলৈহে ইচ্ছা কৰিছিল। তেওঁ সংগীতত এনেকুৱা তাল আৰু লয়ৰ ব্যৱহাৰ হোৱাটো উচিত বুলি ভাবিছিল যি তাল আৰু লয় এজন শৃংখলাবদ্ধ সাহসী মানুহে ভাল পাব পাৰে। শেষত প্লেটোৱে আকৌ কৈছিল যে যিবোৰ কথাৰে সংগীত ৰচিত হয় সংগীতে তাৰ অধীনত কাম কৰিব লাগে, সংগীতৰ তাল আৰু লয় ইয়াৰ কথাৰ লগত সংগতি ৰাখিহে স্থিৰ কৰিব লাগে তাল আৰু লয়ৰ লগত সংগতি ৰক্ষা কৰি সংগীতৰ কথা স্থিৰ নহয়। এই কথাখিনিৰ ওপৰত মন্তব্য কৰি তেওঁ কৈছে— আমি এতিয়া চৌখীন চহৰখন সংশোধিত কৰিবলৈ আৰম্ভ কৰিছোঁ যিবোৰ প্ৰকৃততে মূল্যবান নহয় সভ্যতাৰ সেই সকলোবোৰ উপাদান আঁতৰ কৰিবলৈ আৰম্ভ কৰিছোঁ এই আঁতৰ কৰা উপাদানবোৰ সাধাৰণ বিলাসিতা বা ভোগ বিলাসৰ উপাদানত বাহিৰে আন একোৱেই নাছিল।

প্লেটোৱে তেওঁৰ সময়ৰ সংগীত কলা আৰু সাহিত্যৰ ওপৰত যিবোৰ সমালোচনা আগবঢ়াইছিল তাত থকা প্ৰধান ধাৰণাটো সহজে বিচাৰি পোৱা যায়। এই ধাৰণাটো সৰলতাৰহে জটিলতাৰ নহয়। শুদ্ধ অৰ্থত আৰু অশুদ্ধ অৰ্থত এইটো ক'ব পাৰি যে কলা সৰল হোৱা উচিত। প্লেটোৱে মানৱ জীৱনক জযেমহে

অনুকৰণ কৰাটো ভাল নাপাইছিল। ইয়াৰ কাৰণ হৈছে এনেকৈ অযথেমধে মানৱ জীৱন অনুকৰণ কৰোঁতে ভাল বেয়া কোনো নীতি মানি চলা নহয়। তেওঁ কোৱা কথাষাৰৰ (মানুহ সৰল হোৱা উচিত বহুৰূপী হোৱা উচিত নহয়) অৰ্থ হৈছে সংগীত কলা গ্ৰহণৰ ক্ষেত্ৰত কোনো এটা নীতি মানি চলিব লাগে। সেই গতিকে তেওঁ যেতিয়া সংগীতৰ কথা কৈছে তেতিয়া তেওঁ বহুতো ধৰণৰ তাল আৰু লয় থকা সকলোবোৰ সংগীতকে বৰ্জন কৰিব লাগে বুলি কৈছে। কিয়নো ইয়াতো তেওঁ সাহিত্যৰ দৰে নানা ধৰণৰ দোষবোৰ মিহলি হৈ থকা দেখিবলৈ পাইছে। ইযাত প্লেটোৱে সৰলতাক দুটা ধৰণৰ মাজত খেলিমেলিৰ সৃষ্টি কৰিছে। এটা অৰ্থত শিল্প কলাৰ প্ৰত্যেকটো মহৎ কামতে সৰলতা আছে কিয়নো ইযাবস্বাৰা কিছুমান সৰল অথচ মহান ধাৰণাক জটিল উপায় অৱলম্বন কৰি হলেও সৰলভাৱে ৰূপ দিয়া হয়। কিন্তু আন এটা অৰ্থতো কলা সৰল হব পাৰে। এই অৰ্থত প্লেটোৱে আদিম কলাৰ কথা মনলৈ আনিছে। আদিম যুগৰ কলাৰ প্ৰধান বৈশিষ্ট্য আছিল সৰলতা। সেই যুগৰ শিল্প-কলাবোৰ সৰল আছিল এই অৰ্থত যে সেইবোৰৰ অৰ্থ মুখতে বা ওপৰতে ওলাই আছিল সকলো সাধাৰণ বিচাৰ বুদ্ধিৰ মানুহে সেইবোৰৰ অৰ্থ বুজিবলৈ টান নাপাই ছিল। আদিম যুগৰ চিত্ৰবোৰত তুলনামূলকভাৱে বৰ বেছি একো নাছিল সেই চিত্ৰবোৰ অংকন কৰাৰ উদ্দেশ্য— আকাৰ ইংগিত মানুহৰ সহজে বোধগম্য হৈছিল। কি উদ্দেশ্যত আৰু কি নীতিত সেই যুগৰ শিল্প কলাবোৰৰ সৃষ্টি কৰা হৈছিল সেই কথা বুজাত মানুহে কঠিনতা অনুভৱ কৰিবলগীয়া হোৱা নাছিল। সেই যুগত যিবোৰ চৰিত্ৰৰ সৃষ্টি হৈছিল সেইবোৰো বৰ সৰল আছিল মানুহে সেই চৰিত্ৰবোৰৰ কাৰ্য্যাৱলী সহজে বুজি পাইছিল সিহঁতৰ অনুভূতি আৰু সিহঁতে গ্ৰহণ কৰা নীতিবোৰতো সৰলতা মিহলি হৈ আছিল। তাৰ বিপৰীতে আমি এতিয়া ক'ব পাৰোঁ যে যিমানেই আমাৰ সভ্যতা আগবাঢ়ি আহিছে সিমানেই মানুহৰ জীৱন বেছি জটিল আৰু ভাৰাক্ৰান্ত হৈ পৰিছে। এজন আদিম শিল্পীৰ মনত কোনো এটা কলাই খেলিমেলিৰ সৃষ্টি কৰিব পাৰে কিন্তু পাছৰ যুগৰ মহান শিল্পীসকলৰ শিল্প কলাই কোনো খেলিমেলিৰ সৃষ্টি কৰা নাছিল। আদিম যুগৰ শিল্পীসকলৰ দৰে পাছৰ যুগৰ মহান শিল্পীসকলৰো নিজা নিজা স্পষ্ট আৰু প্ৰধান ধাৰণা আছিল। কথা হৈছে—পাছৰ যুগৰ শিল্পী সকলক প্ৰকাশ কৰা আৰু বুজাত অলপ কঠিন। গতিকে এইটো নিশ্চিত যে সময় বহু দূৰ পাৰ হৈ যোৱাৰ পাছতো শিল্পীসকলে যিবোৰ চৰিত্ৰ অংকন কৰিছিল সেই চৰিত্ৰবোৰৰপৰা সৰলতা আঁতৰি যোৱা নাছিল মহৎ চৰিত্ৰবোৰে সদায় উদ্দেশ্যৰ ঐক্য আৰু একাগ্ৰতা ৰক্ষা কৰিছিল কিন্তু সেইবোৰ ব্যাখ্যা কৰাটোহে অলপ কঠিন। কিন্তু এটা মাত্ৰ সমতানত বহুতো উপাদান লগ হৈ থাকিলে সেইবোৰ বিশ্লেষণ কৰাটো বৰ টান আৰু এই অৰ্থত সংগীত আৰু কলাত জটিলতাৰ সৃষ্টি হ'ব পাৰে।

আনহাতে নীতিবিহীন আৰু খেলিমেলিৰ সৃষ্টি হ'লে সংগীত কলাত জটিলতাই ঠাই পায়। সংগীত কলাৰ ক্ষেত্ৰত সৃষ্টি হব পৰা ওপৰত উল্লেখ কৰা দুই বিধ জটিলতাৰ মাজত বিৰাট পাৰ্থক্য আছে। কিন্তু কলাকাৰৰ কাৰ্য্যৰ বিষয়ে সুধিব লগীয়া সবাতোকৈ ডাঙৰ প্ৰশ্নটো হৈছে—ইয়াত কিবা ৰহস্য আছেনে ইয়াত কিবা ঐক্যতান আছেনে ?

এইটো ঠিক যে প্লেটোৱে প্ৰত্যেক ক্ষেত্ৰতে এথেন্সবাসীসকলক তেওঁলোকৰ সৰলতা হেৰুউৱা দেখিবলৈ পাইছিল। সেই কাৰণে আমি কেতিয়াও ভাবিব নালাগিব যে প্লেটোৱে আকৌ তেওঁলোকক আদিম যুগৰ সৰলতালৈ লৈ যাবলৈ বিচাৰিছিল। তেও শিল্প কলা আৰু সংগীতত বাস্তৱ ৰূপ দিবলৈ বিচাৰিছিল। গ্ৰিকসকলক তেও এটা জাতিৰ অভিনেতাৰ বেশত চাই থাকিবলৈ ভাল পোৱা নাছিল গ্ৰিক সকলক তেও প্ৰকৃত মানৱ চৰিত্ৰেৰে গঢ়ি তুলিবলৈ ইচ্ছা কৰিছিল। তেওঁৰ মতে তেওঁৰ সময়ৰ এথেন্সখন এটা ৰংগমঞ্চৰ দৰে হৈ পৰিছিল। কলাৰ ক্ষেত্ৰতো তেও একেটা ৰোগকেই দেখিবলৈ পাইছিল খেলিমেলিৰ মাজত কলাই জটিল ৰূপ ধাৰণ কৰিছিল কলাৰ কোনো নিৰ্দিষ্ট নীতি নাছিল আৰু ই কোনো বাছ বিচাৰ নকৰাকৈ সকলোকে নিজৰ বুকুত ঠাই দিছিল। অৱশ্যে সকলো কলাৰে অন্তৰ্নিহিত ধাৰণা বোৰ যথেষ্ট সত্যই আছিল সমানৰ অৰ্থত মহৎ চৰিত্ৰৰ দৰে মহান কলাও নিসন্দেহে সৰল আছিল। কিন্তু কলাৰ এই ধাৰণাটোকে কাৰ্য্যত পৰিণত কৰিবলৈ প্লেটোৱে প্ৰকৃত অৰ্থত পশ্চাদগামী কিছুমান কথা সমৰ্থন কৰিবলগীয়া হৈছিল যিবোৰ শিল্প কলা আৰু সাধাৰণ সভ্যতাৰ বিকাশত বাধাস্বৰূপ হৈ পৰিছিল। এটা সময়ত তেও সমস্ত শিল্প কলাৰ ঘোৰ বিৰোধী যেন হৈ পৰিছিল। এইটো হোৱাৰ কাৰণ হৈছে তেও নিজেই তেওঁৰ নীতিৰ প্ৰতি সত্যবাদী হ'ব পৰা নাছিল। তেও তেওঁৰ মতামত ইমান ঠেক গণ্ডীৰ মাজলৈ লৈ গৈছিল যে তেওঁ নিজৰ চকুত পৰা বা চকুত পৰা যেন দেখা পোৱা বস্তু বা কাম'বাৰৰ ওপৰতহে তেওঁ মনোযোগ দিব পাৰিছিল। তেও যেতিয়া সম্পত্তি আৰু পৰিয়ালৰ কথা কৈছিল তেতিয়াও তেওঁৰ মনত এই কথাটোৱেই ঠাই পাইছিল। এইদৰে কলাৰ অনিষ্ট সাধনকাৰী বা কলাৰ সীমাবদ্ধতা আনিব পৰা কোনো কথা বা শক্তি তেওঁৰ নীতিত নাছিল কিন্তু যেতিয়া তেও নীতিবোৰ কাৰ্য্যত পৰিণত কৰিবলৈ লৈছিল তেতিয়া তাত সীমাবদ্ধতা আহি গৈছিল। যিসকলে প্লেটোৰ নীতিত মাদকতা পায় তেও সেইসকল লোকৰ বাবে কৈছে— প্ৰত্যেক কলাই কিবা এটা প্ৰকাশ কৰক যিহকে প্ৰকাশ কৰ সিয়েই কিছু পৰিমাণে যোগ্য প্ৰকাশ হওক কলাৰ প্ৰকাশ অৰ্থহীন হ'ব নালাগে কলাই কেৱল জনতাৰ ৰোগগ্ৰস্ত কল্পনাৰ উন্নতি সাধন কৰিলেই নহয় বা মানুহৰ উত্তেজনা বঢ়োৱাত সহায় কৰিলেই নহয়। কিন্তু আনহাতে তেওঁৰ সমসাময়িক লোকসকলৰ মতে প্লেটোৱে সেই যুগত সৃষ্টি হোৱা মূল্যবান শিল্প কলাৰ এটা ডাঙৰ অংশ অগ্ৰাহ্য কৰিছে। মিঃ ৰাস্কিনৰ ক্ষেত্ৰতো আমি প্লেটোৰ এই গুণ দুটাই দেখিবলৈ পাও ।

গণৰাজ্য'ৰ এটা ক্ষুদ্ৰ অংশত প্লেটোৱে বহুল কলাক্ষেত্ৰত কলাৰ শিক্ষা সম্বন্ধীয় ক্ষমতা সম্প্ৰসাৰণ কৰাৰ অন্তৰ্ধাৰণাটোৰ বিষয়ে উল্লেখ কৰিছিল। কলা সম্বন্ধে যিবোৰ বৰ্ণনা তেওঁ আমাৰ আগত দাঙি ধৰিছে তাত তেওঁৰ সমালোচনাৰ সৰ্বশেষ নাই। গতিকে আমি এই সম্বন্ধে তেওঁৰ লিখনিৰ সমালোচনাৰ অংশটো ইয়াতে সামৰি কলাৰ নৈতিক প্ৰভাৱৰ বিষয়ে তেওঁৰ অনন্যসাপেক্ষ তত্ত্বৰ কথালৈ আহিব পাৰোঁ। ইয়েই কলাৰ কাৰ্য্যাৱলীৰ ওপৰত সীমাবদ্ধতা আনি দিয়ে ইয়াক উদাৰ কৰে আৰু ইয়াৰ লক্ষ্য উৰ্ধ্বলৈ লৈ যায়।

প্লেটোৱে প্ৰথমেই আমাক কৈছে যে চিত্ৰবিদ্যা ভাস্কৰবিদ্যা বয়ন চিকণৰ কাম কলহ টেকেলী আৰু কাঠৰ কাম স্থাপত্য শিল্প আৰু অন্যান্য সকলোবোৰ অংশগত প্ৰকৃতিৰ কলাৰ সৌন্দৰ্য্য আছে। আচলতে মানুহৰ ইন্দ্ৰিয়বোৰে চিনি পোৱা গঠনৰ সকলোবোৰ শিল্পই ধুনীয়া বা কুৎচিৎ হ'ব পাৰে। সেইদৰে চৰিত্ৰও ধুনীয়া বা কুৎচিৎ হ'ব পাৰে। ধুনীয়া বা কুৎচিৎ চৰিত্ৰৰ লগত ধুনীয়া গঠন বা ধুনীয়া শব্দৰ কলাৰ সম্বন্ধ আছে। মানুহৰ মনৰ ওপৰত শিল্প কলা আৰু সংগীতে প্ৰভাৱ বিস্তাৰ কৰে। এটা সৌন্দৰ্য্যৰ পৰিবেশৰদ্বাৰা সংগীত আৰু কলা আবৃত হৈ থাকে আৰু ইয়াৰ প্ৰভাৱ সংগীত কলাৰ ক্ৰিয়কসকলৰ ওপৰত পৰে। তথাপি কেতিয়াও ধৰি ল'ব নালাগিব যে প্লেটোৱে কেৱল শিল্প কলাৰদ্বাৰা পৃথিৱী খনৰ সংস্কাৰসাধন কৰিম বুলি ভাবিছিল। তেওঁ মানৱ জীৱনৰ অন্যান্য উপাদান বোৰৰ মাজত শিল্প কলাৰ বাবেও এটা কাৰ্য্য নিৰ্দিষ্ট কৰি ৰাখিছিল। শিল্পী সকলৰপৰা যিটো মূল্যবান আৰু গুৰুত্বপূৰ্ণ কাম হ'ব লাগে বুলি তেওঁ ভাবি ছিল আন দাৰ্শনিকসকলে সিমানাধিনি ভবা নাছিল।

কলাই কি কৰিব পাৰে বুলি তেওঁ ভাবিছিল ? শিল্প কলাই মানুহৰ মনৰ ওপৰত নৈতিক প্ৰভাৱ পেলাব পাৰে। শিক্ষাৰ ওপৰত প্লেটোৰ যিটো দীঘলীয়া আলোচনাই অৱতাৰণা কৰিছে এই আলোচনাটোৰ ঠায়ে ঠায়ে তেওঁ কৈছে যে মানুহৰ মনত এটা সাধাৰণ ধাৰণা উপস্থিত থাকে। এই ধাৰণাটো হৈছে—মানুহৰ মনৰ কিছুমান শক্তি বা প্ৰৱণতা পৰিবেশৰদ্বাৰা কামত লগোৱা হয়। যিবোৰ মাধ্যমৰ জৰিয়তে এই শক্তি বা প্ৰৱণতাবোৰ বাহিৰত প্ৰকাশিত হয় সেইবোৰৰ ভিতৰত দুটা প্ৰধান মাধ্যম আছে—দেখা আৰু শুনা। এই দুটা মাধ্যমৰ জৰিয়তে মানুহৰ মনটোৰ বাহ্যিক জগতৰ লগত সম্পৰ্ক স্থাপন হয়। প্ৰথমতে এই দুটা মাধ্যমৰ জৰিয়তেই মানুহৰ মনে জ্ঞান আহৰণ কৰে। অৰ্থাৎ মানুহৰ মনে দেখা আৰু শুনাৰ জৰিয়তেই বাহিৰৰ পৃথিৱীখনৰ সত্তাৰ লগত পৰিচিত হয়। এই সত্তাটোৰ অন্যান্য দিশবোৰ আলোচনা কৰিলে আমি দেখিবলৈ পাওঁ যে মানুহৰ মনে চকু আৰু কাণৰ সহায়তে বাহিৰৰ জগতখনৰ সৌন্দৰ্য্যৰাশি দেখিবলৈ আৰু শুনিবলৈ পায়। প্লেটোৰ মনত গোটেই পৃথিৱীখনেই সৌন্দৰ্য্যৰে ভৰা। পৃথিৱীত যুক্তি আছে আৰু ইয়েই পৃথিৱীখনক বোধগম্য কৰিছে সৌন্দৰ্য্যৰ ক্ষেত্ৰতো পৃথিৱীত যুক্তিয়ে প্ৰাধান্য

বিস্তাৰ কৰিছে। সেই গতিকে টিমায়াছ'ত (Timaeus) প্লেটোৱে কৈছে যে দেখা আৰু শুনাৰ মহৎ মূল্য এইটোৱে যে ইয়াৰদ্বাৰা মানুহৰ মনে পৃথিৱীৰ লয় আৰু সমতান স্পষ্টভাৱে দেখে আৰু শুনে। নক্ষত্ৰবোৰৰ চলন ফুৰণত মহৎ ধৰণৰ লয় আৰু তাল প্ৰস্ফুটিত হয় আৰু তাতেই গ্ৰিকসকলে যুক্তিৰ সুশৃংখল চলন ফুৰণ দেখিবলৈ পায়। গতিকে শিল্পীসকলে আমাক পৃথিৱীখনৰ সৌন্দৰ্য্য দেখুৱাব লাগে। প্লেটোৱে কৈ গৈছে—আমি এনেকুৱা কিছুমান শিল্পী বিচাৰি উলিয়াব লাগে যিসকলে যতেই সৌন্দৰ্য্য আৰু লাৱণ্য দেখিবলৈ পায তাতেই সেইবোৰ তেওঁলোকৰ মানসপটত আঁকি লব পাৰে। যিসকলে এই পৃথিৱীত থাকিও নিজৰ চকুৰে পৃথিবীত থকা সৌন্দৰ্য্য আৰু লাবণ্য দেখিবলৈ নাপায় বা কাণেৰে শুনিব নোৱাৰে সেইসকল লোককো শিল্পীসকলে পৃথিবীব সৌন্দৰ্য্য আৰু লাৱণ্য দেখুৱাব লাগে। প্লেটোৱে লয আৰু তালক যুক্তিযুক্ত গতি বুলি ধাৰণা কৰিছে এই গতিটো কিছুমান নিৰ্দিষ্ট নীতিৰদ্বাৰা চালিত হয। এইদৰে ধুনীয়া ধুনীয়া গঠন আৰু আকাৰবোৰো কিছুমান নীতিৰ ওপৰত প্ৰতিষ্ঠিত। সকলো শিল্পৰদ্বাৰা যিবোৰ বস্তু উৎপন্ন হয সেইবোৰৰ লয সমতান গঠন আদিত ভাল বা বেয়া গুণ আছে। শুদ্ধ লয বা শুদ্ধ গঠন এহাতে যুক্তি লয় আৰু তাৰ লগত একজাতীয —গোটেই পৃথিবীতে এইটো দেখিবলৈ পোৱা যায আৰু আনহাতে এইবোৰ মানৱ চৰিত্ৰৰ বিশুদ্ধতা আৰু যুক্তিযুক্ততাৰ লগতো সমজাতীয। এইটোৱে হৈছে শিল্প কলা আৰু চৰিত্ৰ বা নৈতিকতাৰ মাজত থকা প্ৰকৃত সম্বন্ধ।

শিল্পীসুলভ পৰিবেশে মানুহৰ চৰিত্ৰৰ ওপৰত কি নিৰ্দিষ্ট উপায়ে প্ৰভাৱ বিস্তাৰ কৰে ? এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ প্লেটোৱে আমাৰ আগত দুটা বৰ্ণনা দাঙি ধৰিছে। এই বৰ্ণনা দুটাৰপৰা কলাসুলভ পৰিবেশে মানুহৰ চৰিত্ৰৰ ওপৰত কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰিব পাৰে সেই বিষয়ে কিছু কথা জানিবলৈ পোৱা যায়। এটা বৰ্ণনাৰদ্বাৰা তেওঁ বেছি নৈতিক কথাবোৰ সুকীয়াকৈ দেখুৱাইছে আৰু আনটো বৰ্ণনাৰদ্বাৰা শিল্প কলাৰ বৌদ্ধিক প্ৰভাৱৰ কথা সুকীয়াকৈ দেখুৱাইছে। কিন্তু তেওঁৰ দৃষ্টিত দুয়োটাৰ মাজত বিশেষ প্ৰভেদ নাছিল। তেওঁ আমাক কৈছে যে মানুহৰ মনে লয় তান আৰু সুন্দৰৰ বৈশিষ্ট্যবোৰ আয়ত্ত কৰি লয়। এই বিষয়ে তেওঁৰ অকণো সন্দেহ নাছিল যে মানুহৰ মনৰ এই বিশেষ চৰিত্ৰটো মানুহৰ শৰীৰৰ আচল গতি কথা বতৰা অংগী ভংগী আদিত প্ৰকাশ পায়। মানুহৰ কিছুমান নিৰ্দিষ্ট গতি থাকে যিবোৰে মানুহৰ মনৰ নৈতিক আৰু আধ্যাত্মিক গুণবোৰ প্ৰকাশ কৰে আৰু এইবোৰক স্বীকৃতি দিয়াও হয়। ইয়াৰপৰা আন এটা কথা ওলায়। সেইটো হৈছে—সংগীতৰ লয়ৰ অৰ্থ গঠনৰ অৰ্থ আৰু চৰিত্ৰৰ প্ৰকৃত অৰ্থৰ মাজত এটা ঘনিষ্ঠ সম্পৰ্ক আছে। শিল্প-কলাৰ প্ৰভাৱৰ বিষয়ে প্লেটোৱে যিটো মতামত দাঙি ধৰিছে সেইটো পৃথিৱীখনক বুজিবলৈ তেওঁ ব্যৱহাৰ কৰা এটা ৰূপকত ভালদৰে ফুটি উঠিছে। তেওঁ কৈছে যে আমি পৃথিৱীখনত কি ভাল-

বস্তু আৰু কাম আছে সেইটো বুজিবলৈ পৃথিৱীখন ভালকৈ অধ্যয়ন কৰিব লাগে। পৃথিৱীখন প্ৰথমে আমি যিভাৱে দেখিবলৈ পাইছোঁ সেইভাৱেই চালে ইয়াত আমি জীৱন্ত বস্তু যেনে—মতা মানুহ তিৰোতা মানুহ আৰু এই জীৱন্ত বস্তুবোৰৰ প্ৰতিবিম্ব বা প্ৰতিফলন বিভিন্ন ৰূপত দেখিবলৈ পাও। এই প্ৰতিবিম্ব আৰু প্ৰতিফলনবোৰ কথা সংগীত ৰং আদি নানা মাধ্যমৰ জৰিয়তে প্ৰকাশিত হয়। গতিকে সমস্যাটো হৈছে এই পৃথিৱীখনক অধ্যয়ন কৰিবলৈ শিকাটোহে। আমি আচল পৃথিৱীখনক অধ্যযন কৰিবলৈ সমৰ্থ হ'লেহে এই পৃথিৱীখনৰ প্ৰতিফলন দেখিবলৈ পাম আৰু ইয়াক অধ্যয়ন কৰিব পাৰিম। সৌন্দৰ্য্য দেখাৰ বাবে প্ৰকৃত চকু থাকিলেহে সেই চকুৰে আচল পৃথিৱীখন দেখিবলৈ পোৱা যায়। প্ৰকৃত চকুৰেহে মানুহে আত্মনিয়ন্ত্ৰণ কৰিব পাৰে আৰু ইয়াৰদ্বাৰাই মানুহে পৌৰুষ উদাৰতা আৰু আন সকলোবোৰ ভাল গুণ আৰু তাৰ বিপৰীতে থকা দোষবোৰ দেখিবলৈ পায়। ডাঙৰ বস্তু আৰু কথাবোৰৰপৰা যেনেকৈ শিকিবলৈ আছে সৰু সৰু বস্তু আৰু কথাবোৰৰপৰাও তেনেকৈ শিকিবলৈ আছে। শিল্প কলাত প্ৰতিভাত হোৱা ভাল ভাল গুণবোৰৰ প্ৰতিফলন দেখিবলৈ পালে আৰু সেইবোৰ মূল্যায়ন কৰিব পাৰিলেহে আমি প্ৰকৃত জীৱনত এই গুণবোৰৰ স্বৰূপ বুজিব পাৰিম আৰু সেই বোৰৰ মূল্যায়ন কৰি যথাৰ্থত স্বীকৃতি দিব পাৰিম।

আমি আকৌ এইটোও লক্ষ্য কৰিব লাগিব যে আমাৰ ইন্দ্ৰিয়ৰে দেখা পৃথিৱীখন বা আমি সাধাৰণ অভিজ্ঞতাৰ মাজেৰে পোৱা পৃথিৱীখন অধ্যয়ন কৰিব জানিলেহে এই পৃথিৱীখনকে অন্য ধৰণে অধ্যয়ন কৰিবলৈ আমাৰ প্ৰস্তুতি হ'ব। কোনো এজন মানুহে এই ধৰণে শিক্ষালাভ কৰিলে কোনটো ধুনীয়া আৰু কোনটো কুৎচিৎ চিনি পাবলৈ তেওঁৰ এটা প্ৰবৃত্তিগত জ্ঞান হ'ব আৰু তাৰ বাবে এটাক ভাল পাব আৰু আনটোক ঘৃণা কৰিব। কিন্তু তেতিয়াও তেওঁৰ মনে কি যুক্তিত এটাক ভাল পালে আৰু আনটোক বেয়া পালে ভালদৰে ক'ব নোৱাৰিব। কিন্তু যেতিয়া তেওঁৰ মনলৈ যুক্তি আহিব তেতিয়া তেও ভাল বেয়াৰ স্বীকৃতি দিব আৰু যিটোক ভাল পাব সেইটোকে অভিনন্দন জনাব। কিয়নো তেতিয়া তেওঁৰ নিজৰ অনুভূতি তেও ভালপোৱা বস্তুটোৰ লগ লাগি যাব। প্লেটোয়ে শিল্প কলাৰ শিক্ষা আৰু বিজ্ঞান আৰু দৰ্শনৰ শিক্ষাৰ মাজত এটা প্ৰকৃত নিৰৱচ্ছিন্নতা দেখিবলৈ পাইছে। পাছত তেও এইটোকে অনুসৰণ কৰিছিল। শৈশৱ কালত মানুহৰ মন সম্পূৰ্ণৰূপে ইন্দ্ৰিয়'ৰ লাভ কৰা জ্ঞানৰদ্বাৰা পৰিসীমিত হয় আৰু তেতিয়া যিবোৰ উপলব্ধি হয় সেইবোৰৰ প্ৰায়খিনিয়েই বিশৃংখলিত। লাহে লাহে মানুহৰ মন ইন্দ্ৰিয়বোৰৰ প্ৰবল প্ৰভাৱৰপৰা মুক্ত হৈ আহে আৰু তেতিয়া যিবোৰ উপলব্ধি হয় সেইবোৰ সুশৃংখল কিয়নো কেৱল ইন্দ্ৰিয়ৰদ্বাৰা দেখিলেই বা শুনিলেই সেই উপলব্ধিবোৰ নহয় ইয়াৰ পাছতো যথেষ্ট ভাবনা-চিন্তাৰ পাছতহে উপলব্ধিবোৰে স্থিতি লয়। কিছুমান ডাঙৰ ডাঙৰ কাৰ্যকৰী শক্তি বা প্ৰতিনিধিৰদ্বাৰা

এই কাৰ্য্যটো চলি থাকে। তাৰ ভিতৰত দুটা প্ৰধান কাৰ্য্যকৰী শক্তি আছে। সেই দুটা হৈছে—প্ৰথম শৈশবৰ শিক্ষা আৰু দ্বিতীয় বিজ্ঞান আৰু দৰ্শনৰ শিক্ষা। প্লেটোৰ মতে দুয়োটাতে যুক্তি আছে প্ৰথম অৱস্থাত ইন্দ্ৰিয়ৰে ধৰিব পৰা আকৃতি লয় তান আদৰ মাধ্যমত এইবোৰ প্ৰকাশ হয় আৰু পাছত নীতি বা আইন নামেৰে এইবোৰৰ অভিব্যক্তি হয় আৰু তেতিয়া এইবোৰ দেখিবলৈ বা চিনিবলৈ বুদ্ধি বৃত্তিৰ প্ৰয়োজন হয়।

গতিকে শৈশৱ কালৰ শিক্ষাক বহল অৰ্থত চকুৰে দেখা আৰু কাণেৰে শুনা শিক্ষা বুলিব পাৰি। এই শিক্ষা সমাপন কৰিব লাগিলে ভাল বস্তু বা ভাল কাম চকুৰ আগত দেখুৱাব লাগিব আৰু কাণত শুনাব লাগিব আৰু ইয়েই মনৰ আগত পৃথিৱীৰ সৌন্দৰ্য্যখিনি দাঙি ধৰিব আৰু ব্যাখ্যা কৰিব আৰু তেতিয়াহে মানুহৰ মনে সৌন্দৰ্য্য দেখিবলৈ পাব। শিল্পীয়ে মানুহৰ মনৰ খোৰাক যোগাবলৈ সৌন্দৰ্য্যৰ পৰিবেশৰ সৃষ্টি কৰিব পাৰে ইয়াৰ বিকাশ সাধন কৰিব পাৰে বিভিন্ন আকৃতি আৰু ৰূপত কি আৰু কোনটো প্ৰকৃতিতে ধুনীয়া তাৰ বিচাৰ কৰিব পাৰে।

এইটো বহস্যজনক যে প্লেটোৱে ভাস্কৰ্যবিদ্যাত শিক্ষাগত প্ৰভাৱ যিখিনি থকা বুলি ভাবিছিল তাতোকৈ বহুত বেছি শিক্ষাগত প্ৰভাৱ তেও সংগীতত থকা বুলি কৈছিল। আমি গ্ৰিকসকলক এটা ভাস্কৰবিদৰ জাত বুলি ভাবোঁ আমি তেওঁলোকক এটা সংগীতজ্ঞৰ জাতি বুলি নাভাবোঁ। আমি আশা কৰিছিলোঁ যে প্লেটোৱে শব্দৰ পূজাৰ ওপৰত যেনেকৈ সমালোচনাৰ তীক্ষ্ন শেল হানিছিল সেই একেদৰেই আকৃতি বা গঠনৰ পূজাৰ ওপৰতো তীক্ষ্ন শেল হানিব। কিন্তু প্লেটোৱে ভাস্কৰ্যবিদ্যাকো এটা কলা হিচাপে উল্লেখহে কৰিছিল ইয়াৰ বিষয়ে তেও সাবশেষ একো কোৱা নাছিল। গতিকে এথেন্সত মহৎ ভাস্কৰ্যবিদ্যাই কোনো গুৰুত্বপূৰ্ণ ঠাই অধিকাৰ কৰি থকা নাছিল আৰু ই কোনো উল্লেখযোগ্য শিক্ষাগত প্ৰভাৱো পেলাব পৰা নাছিল। আনহাতে গ্ৰিকসকলক ভাল কথাৰে বৰকৈ আকৰ্ষণ কৰিব পৰা গৈছিল। বিশেষকৈ তেওঁলোকক লয় আৰু ছন্দেৰে ভৰা শব্দবোৰে বাৰুকৈ আকৰ্ষণ কৰিব পাৰিছিল। গতিকে প্লেটোৱে সংগীতত লয় আৰু তানৰ বিষয় কৈছিল আৰু শব্দৰ লগৰীয়া হিচাপে তেও এই দুয়োটাকে লগত ৰাখিছিল। কিয়নো এই দুয়োটাই মানুহৰ মনৰ মাজলৈ গৈ মানুহৰ মনত গভীৰ ৰেখাপাত কৰিব পাৰিছিল। এৰিষ্টটলেও তেওঁৰ ৰাজনীতিত সংগীতৰ বিষয়ে প্ৰায় একে সুৰতে কথা কৈছে। তেওঁৰ মতে মানুহৰ মনৰ ওপৰত ভাস্কৰ্য্যাদি গঠন মূলক কলাৰ প্ৰভাৱ তুলনামূলকভাৱে কম।

মানুহৰ আকৃতি বা গঠনৰ সৌন্দৰ্য্যৰ বিষয়ে আলোচনা কৰি প্লেটোৱে সংগীতৰ ওপৰত কৰা আলোচনাটোৰ সামৰণি পেলাইছে। যিসকল মানুহৰ ওপৰত সংগীত শিক্ষাৰ আৱশ্যকীয় প্ৰভাৱ পৰিব আৰু যিসকল মানুহ প্ৰকৃততে সংগীতানুৰাগী তেওঁলোকৰ প্ৰত্যেক ঠাইতে সৌন্দৰ্য্যৰ ওপৰত চোকা উপলব্ধি থাকিব

আৰু তেওঁলোকে শৰীৰৰ সৌন্দৰ্য্যতকৈ মনৰ সৌন্দৰ্য্যৰ ওপৰত বেছি গুৰুত্ব দিব। শাৰীৰিক সৌন্দৰ্য্য ভাল পাবলগীয়া মনটোৰ প্ৰকৃত প্ৰকাশ নহয় আৰু সেই গতিকে ই সকলো মানুহকে আকৰ্ষণ কৰিব নোৱাৰে। তদুপৰি প্লেটোৱে আমাক কৈছে যে ওপৰত উল্লেখ কৰা অৰ্থত সৌন্দৰ্য্য আৰু পাশৱিক উপভোগৰ বাবে আৱশ্যকীয় সৌন্দৰ্য্যৰ মাজত কোনো ঘনিষ্ঠতা নাই। তেওঁৰ মতে অত্যাধিক বিষৰ দৰে অত্যাধিক উত্তেজনাই মানুহক কষ্ট দিয়ে। তেও ভাবে যে বাতুলতা আৰু উত্তেজনাৰ মাজত এটা প্ৰকৃত ঘনিষ্ঠতা আছে। যিকোনো শক্তিশালী উত্তেজনাৰে প্ৰভাবত মানুহৰ উপলব্ধি কৰা ক্ষমতা প্ৰায়ে নিৰ্বাপিত হয়। স্বাৰ্থপৰতা ভয় বা অন কোনো উত্তেজনাৰ বশবৰ্তী হৈ দিয়া হুকুমবোৰৰ ওপৰত কাৰো বিশ্বাস বা আস্থা নাথাকে। প্লেটোৰ মতে অত্যাধিক উত্তেজনাৰ বশবৰ্তী হৈ মানুহে সৌন্দৰ্য্যৰ উপলব্ধি কৰিব নোৱাৰে। এই কথাষাৰ অভিজ্ঞতাপ্ৰসূতভাৱে সত্য। কবিসকলৰ বিষয়ে এইটো সচাকৈ কোৱা হয় যে তেওঁলোকে প্ৰায়ভাগ সময়তে উগ্ৰ অনুভূতিৰ প্ৰভাৱত পৰি কবিতা ৰচনা নকৰে সেই অনুভূতিৰ সময়খিনি পাৰ হৈ যোৱাৰ পাছতহে কবিতা ৰচনা কৰে। গতিকে এই বিষয়ে কোনো সন্দেহ নাই যে মানুহৰ সৌন্দৰ্য্যৰ বিষয়ে জ্ঞান আৰু উপলব্ধি যিমানেই গভীৰ হয় সিমানেই তেওঁৰ মনৰপৰা পাশৱিক উত্তেজনাবোৰ আঁতৰি যায়।

ওপৰৰ আলোচনাত আমি সৌন্দৰ্য্যৰ এটা উচ্চ আৰু সম্প্ৰসাৰিত অৰ্থ পাইছোঁ। এই অৰ্থত এজন শিল্পীসুলভ মনৰ মানুহৰ বাবে তেওঁৰ জীৱনটোৱেই এটা উচ্চ কলা আৰু অলপ পাছত আমি দেখিছোঁ যে মানুহে প্ৰকৃত সৌন্দৰ্য্য লাভ কৰিব লাগিলে নিজৰ জীৱনটো সুশৃংখলিতভাৱে গঢ় তুলিব লাগিব শৰীৰৰ ব্যায়াম সম্বন্ধীয় আৰু আন আন উপাদানবোৰৰ লগত সংগতি ৰাখি শৰীৰটো সৌন্দৰ্য্যৰ আধাৰ কৰি গঢ় দিব পাৰিব লাগিব। প্লেটোৱে নৈতিকতাক বুজাবলৈ বিছুমান শব্দ আৰু খণ্ডবাক্য ব্যৱহাৰ কৰিছিল। এই শব্দ আৰু খণ্ডবাক্যবোৰৰ ব্যৱহাৰলৈ চাই কোনোবাই মন্তব্য কৰিব পাৰে যে গ্ৰীক নৈতিকতা সৌন্দৰ্য্যবোধ সম্পন্ন নৈতিকতা আছিল। কিন্তু প্ৰকৃত সত্য সেইটো নহয়। প্লেটোৱে নৈতিক শ্ৰেষ্ঠতাক সৌন্দৰ্য্যবোধসম্পন্ন শ্ৰেষ্ঠতা বুলি কোৱা নাছিল। কিন্তু তেওঁৰ কাপত সৌন্দৰ্য্য শৃংখলা বা তান, লয় আদি শব্দবোৰে আমি সাধাৰণতে ভবাতকৈ বহল অৰ্থ লাভ কৰিছিল।

আইন আৰু ঔষধৰ অপ্ৰাসংগিকতা

মানুহৰ শৰীৰটোক প্ৰশিক্ষণ দিবলৈ ব্যায়ামশাস্ত্ৰৰ প্ৰয়োজন আছিল। আমি এতিয়ালৈ ব্যায়ামশাস্ত্ৰৰ বিষয়ে আলোচনা কৰা নাই। প্লেটোৱে ব্যায়ামশাস্ত্ৰৰ

বিষয়ে আলোচনা আগবঢ়াবলৈ গৈ বহুতো বেলেগ বেলেগ বিষয়ৰ মাজত সোমাই পৰিছে। এই বিষয়ে তেওঁৰ তত্ত্বখিনি চমুকৈ এইদৰে ক'ব পাৰি

(ক) মানুহৰ শৰীৰটো পৰিচালিত আৰু প্ৰশিক্ষিত কৰিবলৈ প্লেটোৱে যিটো নীতি বান্ধি দিছে সেই নীতিটোৰ লগত তেওঁ শিল্প কলাৰ বাবে নিৰ্দিষ্ট কৰি দিয়া নীতিটোৰ পাৰ্থক্য নাই এই নীতিটো হৈছে সৰলতা। জীৱনৰ সৰলতাই এফালে মানুহৰ শাৰীৰিক স্বাস্থ্যৰ উন্নতসাধন কৰে আৰু আনফালে মনত আত্মনিয়ন্ত্ৰণ সুস্থতা আদিৰ সৃষ্টি কৰে। এটাই শৰীৰটোৰ শ্ৰীবৃদ্ধি কৰে আৰু আনটোৱে মনৰ বিকাশ সাধন কৰে আৰু দুয়োটাৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে।

(খ) ই এথেন্সৰ জীৱনৰ দুটা তুলনামূলক ঘটনাৰ বিষয়ে বিবেচনা কৰিছে—আইন সম্বন্ধীয় কাৰ্য্য বা বিবৰণ আৰু ঔষধ। এই দুটাৰ ভিতৰত প্ৰথমটো বেছি প্ৰধান আৰু পিছৰটোৱে নতুন বিকাশত প্ৰবেশ কৰিছে। সঘনে আইন আৰু ঔষধৰ আশ্ৰয় গ্ৰহণ কৰিবলগীয়া হোৱাটো সভ্যতাৰ দোষ। সভ্যতাৰ এই দোষবোৰ আঁতৰ কৰিবলৈ প্লেটোৱে কিছুমান নীতি তৈয়াৰ কৰিছিল।

(গ) এজন ভাল চিকিৎসক গঢ়ি তুলিবলৈ যিবোৰ অৱস্থাৰ প্ৰয়োজন আৰু এজন ভাল বিচাৰক তৈয়াৰ কৰিবলৈ যিবোৰ অৱস্থাৰ প্ৰয়োজন সেই অৱস্থাবোৰৰ মাজত পাৰ্থক্য আছে। এই পাৰ্থক্যটোৰ মূল ভেটি হৈছে শৰীৰ আৰু মনৰ মাজত থকা বৈশিষ্ট্যটোহে।

(ঘ) শৰীৰ আৰু মন দুয়োটাকে লগালগিকৈ বিবেচনা কৰি প্লেটোৱে এইটো সিদ্ধান্তত উপনীত হৈছে যে আইন আৰু ঔষধ দুয়োটাই বেলেগ বেলেগ ফলবৰ্তী মনৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে। তেওঁ আমাক কৈছে যে দুটা সুসংহত চৰিত্ৰ সৃষ্টি কৰিবলৈ শিক্ষাৰ আদৰ্শ হ'ব লাগে এই দুয়োটাৰে মাজত অৰ্থাৎ শৰীৰ আৰু মনৰ মাজত সমন্বয় স্থাপন কৰা ইয়াত তেওঁ একতৰফীয়া শিক্ষাৰ দোষবোৰো আঙুলিয়াই দিছে।

প্লেটোৱে প্ৰথমতে ভাল নাগৰিক সৈনিক সৃষ্টি কৰিবলৈ কি ধৰণৰ শাৰীৰিক প্ৰশিক্ষণৰ প্ৰয়োজন সেই বিষয়ে বিবেচনা কৰিছে। সেই সময়ৰ এথেন্সত তেওঁ এক শ্ৰেণীৰ বৃত্তিধাৰী মল্লযোদ্ধা সৃষ্টিৰ বাবে বহল ভিত্তিত প্ৰশিক্ষণব্যৱস্থা দেখিবলৈ পাইছিল। তেওঁৰ মতে সেই প্ৰশিক্ষণব্যৱস্থাই আধুনিক জীৱনৰ মাজলৈ জটিলতা আনি দিছিল। তেওঁ সেই প্ৰশিক্ষণব্যৱস্থাটোক সমালোচনা কৰাৰ এইটোৱেই কাৰণ আছিল যে ই সৈনিকসকলৰ বাবে প্ৰয়োজনীয় শাৰীৰিক অভ্যাস সৃষ্টি কৰিব পৰা নাছিল। প্ৰথমতে এই প্ৰশিক্ষণব্যৱস্থাৰদ্বাৰা সৈনিকসকলৰ গাত নিদ্ৰালু অভ্যাসৰ সৃষ্টি হৈছিল আৰু এই অভ্যাসটো মাজে মাজে অস্বাভাৱিক অৱস্থাত কম সময়ৰ বাবে ভংগ হয়। দ্বিতীয়তে এই প্ৰশিক্ষণ ব্যৱস্থাই এনেকুৱা কিছুমান শাৰীৰিক অভ্যাসৰ সৃষ্টি কৰে যিবোৰৰ ফলত

তেওঁলোকে আহাৰ বা খাদ্য জলবায়ু আদিৰ পৰিবৰ্তন সহ্য কৰিব নোৱাৰে। এই সমালোচনাটো মূলতঃ এৰিষ্টটলৰ সমালোচনাৰ লগত একেই। শাৰীৰিক প্ৰশিক্ষণৰ বাবে আটাইতকৈ ডাঙৰ কথা হৈছে খাদ্যৰ সৰলতা। সেই গতিকে প্লেটোৱে ছিৰাকুইছৰ খাদ্য চিচিলিৰ গোষ্ঠবুক্ত পানীয় এথেন্সৰ মিষ্টান্ন আৰু অন্যান্য বিলাসৰ সামগ্ৰীবোৰ বৰ্জন কৰিব লাগে বুলি নদি কৈছিল। ইয়াত প্লেটোৱে শাৰীৰিক স্বাস্থ্য আৰু মানসিক আত্মনিয়ন্ত্ৰণৰ মাজত ঘনিষ্ঠ সম্বন্ধ দেখিবলৈ পাইছিল। এই দুটাৰ মাজত তেওঁ যি সম্পৰ্ক দেখিবলৈ পাইছিল সেই সম্পৰ্কটো কেৱল আত্মনিয়ন্ত্ৰণবিহীনতাৰ ফলত ৰোগৰ সৃষ্টি হয় বুলি ক'লেই বুজা নাযায়। ইয়াৰ তাতোকৈ বেছি গূঢ় অৰ্থ আছে। ইয়াত আমি মনৰ বিষয়ে চিন্তা কৰিব লাগিব বাকচৰ ভিতৰত বস্তু থকাৰ দৰে মানুহৰ শৰীৰৰ ভিতৰতো মন থাকে। মানুহৰ মনৰ প্ৰাথমিক অৰ্থ হৈছে ঐক্যৰ নীতি মানুহৰ মনে শৰীৰৰ ভিতৰত ফুৰাচকা কৰে আৰু ই শৰীৰটোক সৌন্দৰ্যশালী আৰু জীৱন্ত কৰি তোলে। মানুহৰ শৰীৰ ৰোগগ্ৰস্ত হ'লে আৰু মানুহৰ মন আত্ম নিয়ন্ত্ৰণবিহীন হলেহে আইন আৰু ঔষধৰ আশ্ৰয় ল'বলগীয়া হয়। প্লেটোৱে এইবোৰৰ সাম্প্ৰতিক বিকাশৰ ওপৰত সমালোচনা আগবঢ়াইছে । তেনেকৈ তেওঁ সেইবোৰ কলাৰ ওপৰতো কটূক্তি কৰিছে। তেওঁ কৈছে যে সঘনে আইনৰ আশ্ৰয় ল'বলৈ যোৱাটোকে শিক্ষাৰ অভাৱ থকা বুলি ক'ব পাৰি। চিকিৎসকৰ সহায় নোলোৱাকৈ স্বাস্থ্য ৰক্ষণ কৰিবলৈ সমৰ্থ হোৱাৰ ক্ষেত্ৰতো একেটা কথাকেই ক'ব পাৰি। ইয়াৰপৰাই আমি বুজিব পাৰোঁ প্লেটোৱে কিমান বহল অৰ্থত শিক্ষাৰ কথা ভাবিছিল। তেওঁৰ মতে যিজন মানুহে নিজৰ জীৱনটো শাৰীৰিক আৰু নৈতিকভাৱে চলাই নিব জানে সেইজন মানুহেই শিক্ষিত মানুহ। তেওঁ ঔষধৰ বিকাশৰ বিষয়ে তীব্ৰ ঘৃণাৰে কৈছিল যে ঔষধবোৰ ধনীসকলৰ বিলাসৰ সামগ্ৰী আছিল। কিয়নো তেওঁলোকে নিজৰ কাম-বন কাটি কৰি থৈ স্বাস্থ্যৰ উন্নতিৰ বাবে শৰীৰটোক শুশ্ৰূষা কৰি থাকিবলৈ সময় পাইছিল। তেওঁৰ মতে যিসকল মানুহ মৌলিকভাৱে ৰোগী আৰু তাৰ বাবে তেওঁলোকে জীৱনৰ কাজ কৰ্ম কৰিব নোৱাৰে সেইসকল মানুহৰ বাবে মৃত্যুৱেই শ্ৰেয় কিয়নো এজন গৰীব মানুহে উপযুক্ত চিকিৎসা কৰি নিজৰ স্বাস্থ্য ৰক্ষা কৰিব নোৱাৰে। চিকিৎসকসকলে অদৰকাৰী জীৱনবোৰ ৰক্ষা কৰি সমাধিস্থল খালী কৰি ৰাখিলে ৰাষ্ট্ৰ আৰু সমাজৰ একো উপকাৰ নহয়। এই কামটোৰপৰা আমি লাভ কৰিবলগীয়া সাধাৰণ ধাৰণাটো হৈছে দুৰ্ঘটনা আদিৰ দৰে কিছুমান অৱস্থাৰ বাহিৰে মানুহে চিকিৎসকৰ সহায় নোলোৱাকৈ নিজৰ স্বাস্থ্য ঠিক ৰাখিবলৈ সমৰ্থ হোৱা উচিত। প্লেটোৱে ঔষধৰ ওপৰত যিটো মন্তব্য কৰিছে সেইটো যথেষ্ট তৰল আৰু অসম্পূৰ্ণ। জীৱনত সৰলতা প্ৰতিষ্ঠা কৰিবলৈ তেওঁৰ মনত থকা অত্যধিক আগ্ৰহে তেওঁক ভালেখিনি নিষ্ঠুৰ কৰি তুলিছিল। ইয়েই তেওঁক কলাৰ ক্ষেত্ৰত বৰ কঢ়া কৰি তুলিছিল।

তেওঁৰ সমসাময়িক বহুতো লেখকৰ বাবে প্লেটোৱে ঈশ্বৰৰ ওপৰত যিটো আলোচনা আগবঢ়াইছিল সেইটো একেবাৰে অধোগামী আছিল আৰু ইয়াৰদ্বাৰা তেও সভ্য তাৰ অগ্ৰগতি স্বীকাৰ কৰি ল'বলৈ নিজৰ অপ্ৰস্তুতিৰ কথাহে ঘোষণা কৰিছিল। এই কথাটো বিবেচনা কৰিলে প্লেটোৱে নিজৰ গাত সংস্কাৰ গুণৰ অভাৱ থকাটোকে বুজাইছিল কিয়নো তেও বাস্তৱৰ লগত দাৰ্শনিক তত্ত্বৰ সমন্বয় সাধন কৰিবলৈ সমৰ্থ হোৱা নাছিল বাস্তৱৰ প্ৰতি তেও যি অধৈৰ্য্যতা প্ৰকাশ কৰিছিল তাৰদ্বাৰা তেওঁৰ তত্ত্বও দোষযুক্ত হৈ পাৰিছিল। তেওঁৰ মন্তব্য যিসকল মানুহৰ কোনো প্ৰয়োজন নাই সেইসকল মানুহৰ বাবে মৃত্যুৱেই শ্ৰেয় অতি মাৰাত্মক। এইটো কাৰ্য্যকৰী কৰিবলৈ গ'লে ইয়াৰ ফল বিষময় হ'ব। এতিয়ালৈ অৱশ্যে তেওঁৰ সেই মন্তব্যটো কাৰ্য্যকৰী কৰিবলৈ কোনো ৰাষ্ট্ৰতে চেষ্টা চলোৱা হোৱা নাই। কেৱল সেয়ে নহয়। আমি সকলোৱে এইটো অনুভৱ কৰোঁ যে মানুহে নিজেই তেও লোকৰ কিবা প্ৰয়োজনীয়তা আছে নে নাই সেইটো বিবেচনা কৰিব আৰু যেতিয়া তেও লোকে নিজক প্ৰয়োজনীয়তা নাই বুলি ভাবিব তেতিয়া তেও লোকৰ বাচি থকাৰ প্ৰয়োজনীয়তা আছে নে নাই সেইটোও তেওঁলোকে নিজেই ঠিক কৰিব। সেইদৰেই আমি ঠিকভাৱে অনুভৱ কৰোঁ যে ৰোগী আৰু দুৰাৰোগ্য ব্যাধিবোৰৰ অস্তিত্বৰ পৰাও আমি বহুতো জ্ঞান লাভ কৰিব পাৰোঁ।

ঘটনাক্ৰমে প্লেটোৱে প্ৰশ্ন কৰিছিল—এজন ভাল ডাক্টৰ আৰু এজন ভাল বিচাৰক হ'বলৈ শাৰীৰিক ৰোগৰ ডাঙৰ অভিজ্ঞতা আৰু দুৰ্গুণী আৰু অপৰাধী হোৱাৰ অভিজ্ঞতাৰ প্ৰয়োজনীয়তা আছেনে ? উত্তৰত তেও কৈছিল যে দুয়োটা কথা বেলেগ বেলেগ চৰিত্ৰৰ। এজন ভাল ডাক্টৰ হ'বলৈ তেওঁক কেৱল ৰোগৰ বিষয়ে বিজ্ঞানসম্মত জ্ঞান হ'লেই নহ'ব ৰোগৰ বিষয়ে তেওঁৰ বহল ভিত্তিক অভিজ্ঞতাও থাকিব লাগিব আৰু তেওঁৰ কাৰণে এইটো উত্তম যে তেও নিজেই নিজৰ শৰীৰত বেয়া স্বাস্থ্যৰ অভিজ্ঞতা লাভ কৰিব লাগে কিয়নো তেওঁৰ নিজা শাৰীৰিক দুৰ্বলতাই তেওঁৰ মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ নকৰে তেওঁৰ মনেহে আনৰ ওপৰত কাম কৰে। কিন্তু বিচাৰকৰ কথাটো সুকীয়া। বিচাৰকে নিজে অপৰাধ কৰি অভিজ্ঞতা লাভ কৰিলে তেওঁৰ মনত এটা মানসিক ৰোগৰহে সৃষ্টি হ'ব আৰু তেতিয়া তেওঁৰ মনটোৱে আনৰ ওপৰত কাম কৰিবলৈ যাওঁতে বাধাৰ সন্মুখীন হ'ব। প্লেটোৰ মতে যিসকল মানুহে অশুদ্ধ কাম কৰি নিজৰ অভিজ্ঞতা বঢ়ায় তেও লোকক দেখাত বুধিয়ক যেন লাগে যদিও তেওঁলোকৰ সেই অভিজ্ঞতা তেও লোকৰ দৰে মানুহৰ লগত কাম কৰিবলগীয়া হ'লেহে ব্যৱহাৰ কৰিব পাৰে। তেও নিজৰ অভিজ্ঞতাৰ মাজলৈ অহা দৃষ্টান্তবোৰৰ সহায়তহে নিজৰ সিদ্ধান্তবোৰ গ্ৰহণ কৰিছিল। সেই গতিকে যেতিয়া তেওঁ বেলেগ চৰিত্ৰ বেলেগ মতলব আৰু বেলেগ আচাৰ ব্যৱহাৰৰ মানুহবোৰৰ লগত কাৰ্য্য কৰিবলগীয়া হৈছিল তেতিয়া তেওঁ একপ্ৰকাৰ হতবুদ্ধি হৈ পৰিছিল। ইয়েই মানুহৰ অভিজ্ঞতা আৰু কাৰ্যৰদ্বাৰা

লাভ কৰা জ্ঞান আৰু নীতিৰ ওপৰত প্ৰতিষ্ঠিত জ্ঞানৰ মাজত তফাৎ আমাক দেখুৱাই দিছে। অভিজ্ঞতা আৰু কাৰ্য্যৰপৰা লাভ কৰা জ্ঞান এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত থাকে আৰু নীতিৰ ওপৰত গঢ়ি উঠা জ্ঞান সীমাৰ বাহিৰলৈ ওলাই যায়। মানুহৰ প্ৰকৃতিত থকা ভাল আৰু বেয়াৰ বিষয়ে প্ৰকৃত জ্ঞান লাভ কৰিবলৈ আৰম্ভণিৰপৰা মানুহৰ মনটো সুস্থ কৰি ৰাখিব লাগিব। যিজন মানুহ সুস্থ পৰিবেশৰ মাজত ডাঙৰ দীঘল হৈছে তেওঁৰ মনটোও সুস্থ। তেনে এজন মানুহেহে অন্য মানুহৰ গাত থকা দোষবোৰ দেখিবলৈ পায়। তেও বেয়া দোষ ত্ৰুটীৰ বিষয়ে প্ৰত্যক্ষ অভিজ্ঞতা লাভ কৰা মানুহবোৰতকৈ বেছি জানে। কিন্তু আমি এইটো কেতিয়াও ধৰি ল'ব নালাগিব যে প্লেটোৱে এজন নীতিজ্ঞ সবল মানুহক মানুহৰ চৰিত্ৰৰ উপযুক্ত বিচাৰক বুলি ভাবিছিল আৰু পৃথিৱীৰ বিষয়ে অভিজ্ঞতা সম্পন্ন এজন মানুহক তেনে কামৰ বাবে অযোগ্য বুলি বিবেচনা কৰিছিল। তেও উত্থাপন কৰা সমস্যাটো এই

সমান সামৰ্থ্যৰ মানুহ দুজনক এইটো কামৰ বাবে নিৰ্বাচিত কৰা হৈছে। তেওঁলোকে নিজৰ কাম সমাধা কৰিবৰ বাবে যথেষ্ট পৰিমাণে অসৎ অভিজ্ঞতা লাভ কৰিব লাগিবনে ? বা তেওঁলোকে নিজৰ মন সকলো ধৰণৰ অসৎ কামৰপৰা আঁতৰত ৰাখিবনে ? আৰু জীৱনৰ শেষ বয়সতহে তেওঁলোকে পৃথিৱীত চলি থকা অসৎ কামবোৰৰ বিষয়ে অভিজ্ঞতা লাভ কৰিবনে যেতিয়া তেওঁলোকৰ চৰিত্ৰই চূড়ান্ত ভাৱে গঠন লব ? প্লেটোৰ মতে কোনো মানুহক বিচাৰকৰ বাবে প্ৰশিক্ষিত কৰি তুলিব লাগিলে তেওঁলোকৰ গাত থকা উৎকৰ্ষখিনি নৈতিক আৰু বৌদ্ধিকভাৱে চূড়ান্ত পৰ্য্যায়লৈ বিকাশ কৰি ল'ব লাগে আৰু তাৰ পাছতহে তেওঁলোকৰ অনুধাৱন আৰু যোগ্যতাৰ ওপৰত বিশ্বাস স্থাপন কৰিব লাগে। ইয়াৰ অৰ্থ হৈছে মানুহৰ নৈতিক প্ৰকৃতি আৰু বৌদ্ধিক প্ৰকৃতিৰ মাজত কোনো বিভাজনকাৰী ৰেখা টানিব নোৱাৰি। আমি যিহকে জ্ঞান বুলি কওঁ ই মানুহৰ মনৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিব পৰা মানুহৰ শৰীৰৰ অন্যান্য অংশৰপৰা সম্পূৰ্ণ বেলেগ মনৰ অংশ নহয়। মানুহৰ মনৰ এটা অংশতহে নৈতিক দোষবোৰে আক্ৰমণ কৰিব পাৰে এনে নহয় আৰু তৎসত্ত্বেও মনৰ আন অংশবোৰে বৌদ্ধিক অনুধাৱন কৰি থাকিব পাৰে তেনেও নহয়। আমাৰ কেতিযাবা কেতিয়াবা ধাৰ ল'বলৈ ইচ্ছা হয় যে এজন মানুহে তেওঁৰ বৌদ্ধিক বিচাৰ বা হুকুম তেওঁৰ ব্যক্তিগত চৰিত্ৰৰপৰা আঁতৰত ৰাখিব পাৰে। প্লেটোৱে কিন্তু এই কথাটো নাদি নহয় বুলি কৈছিল। তেওঁৰ মতে কোনো মানুহৰ চৰিত্ৰৰ ওপৰত প্ৰভাৱ পৰিলে তেওঁৰ বিচাৰৰ ওপৰতো প্ৰভাৱ পৰিব কিয়নো মানুহৰ মন এটাই আৰু ই নিৰৱচ্ছিন্ন। আমি তেওঁৰ ষষ্ঠ আৰু সপ্তম পুস্তিকাত এইটো স্পষ্টভাৱে দেখিবলৈ পাওঁ যে দাৰ্শনিক আৰু দৰ্শন শিক্ষাৰ বিষয়ে তেওঁৰ গোটেই অৱধাৰণটোৱে মানুহৰ মনৰ বৌদ্ধিক আৰু নৈতিক শক্তিৰ মাজত থকা সম্বন্ধটোৰ ওপৰত প্ৰতিষ্ঠিত।

এইটো আকৌ সুধিব পাৰি মানৱ প্ৰকৃতিৰ বস্তুবোৰ বুজাৰ সম্ভাৱনীয়তাৰ ওপৰত প্লেটোৱে যিটো মতামত দাঙি ধৰিছে সেইটো কিমান দূৰ অভিজ্ঞতাপ্ৰসূত যত নিজৰ অভিজ্ঞতা অতি কমেই থাকে। সাধাৰণ তৰপৰ মানুহবোৰৰ ক্ষেত্ৰত এইটো কমেই থাকে কিন্তু মহান পুৰুষবোৰৰ ক্ষেত্ৰত এইটো যথেষ্ট পৰিমাণে থকা দেখিবলৈ পোৱা যায়। আমি যদি কেৱল ডাঙৰ মানুহবোৰৰ কথাকে ধৰোঁ যিসকলে যথেষ্ট জ্ঞান আহৰণ কৰিছে আৰু যিসকলে মানৱ প্ৰকৃতি সম্বন্ধে যথেষ্ট অনুধাৱন কৰিছে তেওঁলোকৰ ক্ষেত্ৰত অভিজ্ঞতাপ্ৰসূত জ্ঞানৰ মূল্য অসাধাৰণ। প্ৰতিভাশালী মানুহবোৰে কেনেকৈ পৃথিৱীৰ জ্ঞান লাভ কৰে কোনেও নাজানে। উদাহৰণস্বৰূপে ছেক্সপিয়াৰে যিমানবোৰ লিখিছিল সিমানবোৰৰ এটা সাধাৰণ অংশৰ ওপৰতো তেওঁৰ ব্যক্তিগত অভিজ্ঞতা নাছিল। দৰাচলতে প্ৰতিভাশালী লোকসকলৰ অভিজ্ঞতা হ'লেও বহুতো জ্ঞান লাভ কৰিবৰ শক্তি আছে। কোনো এটা বস্তু বা কামক বুজিবলৈ যিখিনি অভিজ্ঞতাৰ প্ৰয়োজন সেইখিনি বিচাৰ কৰি লেই মানুহৰ মাজত থকা এটা ডাঙৰ পাৰ্থক্য ওলাই পৰে। কিছুমান মানুহে বিশেষকৈ তিৰোতাসকলে সহজাত প্ৰবৃত্তি বা জ্ঞানৰদ্বাৰা অন্য মানুহৰ চৰিত্ৰ বুজিব পাৰে বুলি অনুমান হয়। এই শক্তি থকা সকলোবোৰ দৃষ্টান্তৰ ভিতৰত আটাইতকৈ ডাঙৰ দৃষ্টান্তটো হৈছে যীশুখ্ৰীষ্ট। এইটো কোৱা হয় যে সাধাৰণ অৰ্থত জীৱনত অসৎ কাম কাজৰ বিষয়ে কোনো অভিজ্ঞতা সঞ্চয় নকৰাকৈ তেওঁ মানৱ প্ৰকৃতিৰ সকলোখিনি বুজিব পাৰিছিল। কিন্তু এই অংশটোত যিটো প্ৰধান মনোবৈজ্ঞানিক প্ৰশ্ন উত্থাপন কৰা হৈছে সেইটো এই—মানুহৰ প্ৰকৃতিৰ এটা অংশই আন অংশৰপৰা স্বাধীনভাৱে কিমান দূৰ কাম কৰিব পাৰে চৰিত্ৰৰপৰা আঁতৰত থাকি কিমান দূৰ বৌদ্ধিক বিচাৰ সম্ভৱপৰ ? এই বিষয়টোৰ ওপৰত দিয়া মানুহৰ মতামতবোৰৰ মাজত যথেষ্ট পাৰ্থক্য আছে। কিবনো কিছুমান মানুহে তেওঁ লোকৰ মনৰ বিভিন্ন অংশক বেলেগ বেলেগকৈ বেছি পৰিমাণে চলাই নিব পাৰে আৰু কিছুমানে কম পৰিমাণেহে সেইটো কৰিব পাৰে। প্লেটোৱে মানুহৰ মন আৰু শৰীৰৰ মাজত এটা চূড়ান্ত সম্পৰ্ক স্থাপন কৰিছে। শাৰীৰিক প্ৰশিক্ষণত ভুল হ'লে বা শাৰীৰিক প্ৰশিক্ষণৰ প্ৰতি অৱহেলা কৰিলে ইয়াৰ প্ৰত্যক্ষ প্ৰভাৱ মানুহৰ চৰিত্ৰৰ ওপৰত পৰে। তেনেকৈ কৃষ্টি সংস্কৃতিত ভুল হ'লেও বা ইয়াৰ প্ৰতি অৱহেলা কৰিলেও ইয়াৰ প্ৰভাৱ মানুহৰ চৰিত্ৰৰ ওপৰত নপৰাকৈ নাথাকে। মানুহৰ মনৰ উপাদানবোৰৰ বিকাশ সাধন কৰিবলৈ এই দুয়োটা বস্তুৰে প্ৰয়োজন আছে আৰু এইটো এজন ভাল অভিভাৱকৰ কাৰণে অতি আৱশ্যকীয়। ব্যায়ামৰ প্ৰশিক্ষণে মানুহৰ সাহসৰ ওপৰত কাম কৰে এই প্ৰশিক্ষণটো ঠিকভাৱে দিব পাৰিলে ইয়াৰ ফল সাহস আৰু পৌৰুষত্ব প্ৰকাশ পায় কিন্তু যদি মনৰ আনবোৰ উপাদানক অৱহেলা কৰি কেৱল ব্যায়াম শিক্ষাৰ ওপৰত অধিক জোৰ দিয়া হয় ইয়াৰ ফলত মানুহৰ মনত কঠিনতা আৰু নিৰ্দয়তাৰ জন্ম হয়। সাহিত্য আৰু

কলাৰ প্ৰশিক্ষণে মানুহৰ মনৰ দাৰ্শনিক উপাদানৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। মানুহৰ মনৰ এইটোৱেই আটাইতকৈ ভদ্ৰ উপাদান আৰু ইয়াক জ্ঞান আৰু নীতিয়ে সবাতোকৈ বেছিকৈ আকৰ্ষণ কৰে। এইবোৰ উপাদানৰ সঠিক বিকাশ সাধন হ'লে ইয়ে মানুহক কোমল ইন্দ্ৰিয়পৰায়ণ অস্থিৰ আৰু দুৰ্বল চৰিত্ৰৰ কৰে। মানুহৰ চৰিত্ৰৰ এই দুয়োটা ফালৰ মাজত সমন্বয় সৃষ্টি কৰাটোৱেই শিক্ষাৰ প্ৰধান সমস্যা। যিজন মানুহে মানুহৰ প্ৰকৃতিক আটাইতকৈ ভালকৈ সুৰ দিব পাৰে তেৱেঁই সংগীতজ্ঞ বুলি আখ্যা পাব পাৰে।

পুৰণি গ্ৰিছ দেশৰ শিক্ষা

শিক্ষা কি বস্তু আছিল এইটো বিচাৰ কৰিবলৈ পুৰণি গ্ৰিকসকল যিমান ভাগ্যবান আছিল তাতকৈ আমি বেছি ভাগ্যবান নহয়। আনকি এৰিষ্টটলেও সুধিবলৈ বাধ্য হৈছিল তেনেহলে শিক্ষা কি আৰু আমি কেনেকৈ শিক্ষিত হ'ব পাৰো ? ইয়াৰ অন্য অৰ্থ আৰু তাৎপৰ্য্য বাদ দিলেও পুৰণি গ্ৰিকসকলৰ কাৰণে শিক্ষাৰ প্ৰধান অৰ্থ আছিল গুণ। এথেন্সৰ বেলেগ বেলেগ ঠাইত আৰু বিভিন্ন সময়ত গুণ শব্দটোৰ বেলেগ বেলেগ অৰ্থ কৰা হৈছিল কিন্তু সকলো সময় আৰু সকলো ঠাইতে শব্দটোৰ এটা আনুপাতিক অৰ্থ আছিল। ব্যক্তিৰ বেলেগ বেলেগ উপাদানবোৰৰ মাজত ই শৃংখলা সৃষ্টি কৰাটো বুজাইছিল। ব্যক্তি আৰু সমাজৰ মাজত আৰু ব্যক্তি আৰু ভগবানৰ মাজত ঐক্য স্থাপনৰ কথাও ই বুজাইছিল। ব্যক্তিৰ চমৎকাৰিত্বই শাৰীৰিক সম্পূৰ্ণতা আৰু ইন্দ্ৰিয়বোৰৰ ওপৰত নিয়ন্ত্ৰণ থকাকে বুজাইছিল। ব্যক্তিৰ সকলো কাৰ্য্য সামাজিক প্ৰয়োজনীয়তাৰদ্বাৰা নিয়ন্ত্ৰিত হৈছিল কিয়নো ৰাষ্ট্ৰই ব্যক্তিৰ ওপৰত সম্পূৰ্ণ প্ৰাধান্য বিস্তাৰ কৰিছিল।

ব্যক্তিৰ চিন্তা আৰু কামত ভাৰসাম্য আৰু সুশৃংখলা কৰাটো প্ৰধানকৈ সামাজিক আছিল যদিও ৰাষ্ট্ৰত মানুহক ব্যক্তিবাদীধাৰাত বিকশিত হোৱাৰ বাবেও বহুজন পৰিমাণৰ সুযোগ দিয়া হৈছিল। কিছু সময়ৰ কাৰণে গোটেই সাহিত্য আৰু বিজ্ঞানসম্বন্ধীয় শিক্ষাক মোটামুটিভাৱে আখৰ বুলি কোৱা হৈছিল। স্পাৰ্টাবাসী আৰু এথেন্সবাসীসকলে গ্ৰিকসকলৰ সাধাৰণ চৰিত্ৰ আৰু শিক্ষাগত আদৰ্শৰ প্ৰতিনিধিত্ব কৰিছিল কিন্তু কেতিয়াবা কেতিয়াবা তেওঁলোকৰ মানসিক দৃষ্টিভংগী পৰস্পৰ বৈৰীভাৱাপন্ন আছিল। তেওঁলোক প্ৰত্যেকে নিজৰ নিজৰ জাতীয় জীৱনৰ ধৰণ জাতিতত্ত্বগীয়া কৰি ৰাখিবলৈ বিচাৰিছিল। তেওঁলোকৰ মনত শিক্ষাৰ যিটো লক্ষ্য আছিল সেইটোকে তেওঁলোকে নিজৰ ব্যক্তিগত স্বাৰ্থৰ লগত সংঘাত নোহোৱাকৈ কাৰ্য্যকৰী কৰিবলৈ বিচাৰিছিল।

স্পাৰ্টাবাসীসকলে ছক্ৰেটিছৰ আগৰ ধৰ্মীয় পুৰণি শিক্ষাব্যৱস্থা পৰিহাৰ কৰাৰ ঠাইত সেই শিক্ষাব্যৱস্থাকে অলপ নতুন ৰূপ দি চলাই নিবলৈ বিচাৰিছিল আৰু ইয়াৰদ্বাৰা আইন মানি চলা আৰু শক্তিশালী নাগৰিক তৈয়াৰ কৰিব বুলি বিচাৰিছিল। ছক্ৰেটিছৰ আগৰ শিক্ষাব্যৱস্থাক ছক্ৰেটিছৰ পাছৰ শিক্ষা-ব্যৱস্থাৰপৰা সহজে পৃথক কৰিব পৰা যায়। নগৰৰাষ্ট্ৰবোৰৰ কিছুমানে স্পাৰ্টাৰ শিক্ষানীতি গ্ৰহণ কৰিছিল। স্পাৰ্টাৰ শিক্ষাৰ মূলমন্ত্ৰ আছিল শক্তি। ব্যক্তি আৰু ৰাষ্ট্ৰৰ শক্তি বঢ়োৱাটোৱেই ইয়াৰ লক্ষ্য আছিল। স্পাৰ্টাথন বৈৰীভাৱাপন্ন জন-সাধাৰণৰদ্বাৰা আগুৰা আছিল আৰু সেইবাবে স্বাধীন স্পাৰ্টাবাসীসকলে জাতীয় ভিত্তিত নিয়মানুবৰ্তিতা আৰু সামৰিক শিক্ষাৰ কঠোৰ প্ৰশিক্ষণ গ্ৰহণ কৰিছিল। আনকি প্লেটো আৰু এৰিষ্টটলৰ দৰে এথেন্সবাসীসকলেও স্পাৰ্টাৰ শিক্ষাব্যৱস্থাৰ সংগঠন আৰু নিয়মতন্ত্ৰক ভূয়সী প্ৰশংসা কৰিছিল। এই শিক্ষা ব্যৱস্থাই ব্যক্তিৰ জীৱনৰ সময়খিনি কেইবাটাও ছোৱাত ভাগ কৰিছিল। যেনে—কেঁচুৱাকাল ল'ৰাকাল ডেকাকাল আৰু প্ৰাপ্তবয়সৰ কাল। সাত বছৰ বয়সত ৰাষ্ট্ৰই ইয়াৰ নিজা খৰচত স্বাধীন ল'ৰাবোৰৰ শিক্ষাৰ দায়িত্ব প্ৰত্যক্ষভাৱে গ্ৰহণ কৰে। এই ল'ৰাবোৰ ৰাষ্ট্ৰৰদ্বাৰা পৰিচালিত ছাত্ৰাবাসবোৰত থাকে আৰু তাতে তেওঁলোকৰ মনত সমতা আৰু সামাজিকতাৰ ভাৱৰ উদয় হয়। কিয়নো একেখন আৰু একেৰকমৰ ছাত্ৰাবাসতে ধনী আৰু গৰীৱ ঘৰলোবোৰ মানুহৰে ল'ৰাবোৰ থাকে। এইছোৱা সময়ত ব্যায়াম, সংগীত আৰু সমবেত নাচৰ শিক্ষা দিয়া হয়। এইছোৱা সময়তে লিখিব পঢ়িব আৰু সাধাৰণ অংক কৰিব পৰা জ্ঞানো দিয়া হয়। কিন্তু এইবোৰৰ গুৰুত্ব ব্যায়াম আৰু যুদ্ধ নাচৰ গুৰুত্বতকৈ কম। এই ধৰণৰ অত্যাধিক শাৰীৰিক প্ৰশিক্ষণে স্পাৰ্টাবাসীসকলক নিষ্ঠুৰ কৰি তুলিছিল আৰু তেওঁলোকৰ নিষ্ঠুৰতা লাঘৱ কৰিবলৈ আৱশ্যকীয় পৰিমাণে তেওঁলোকে নৈতিক আৰু বৌদ্ধিক শিক্ষা লাভ কৰিব পৰা নাছিল। ২০ বছৰ আৰু ৩০ বছৰৰ ভিতৰৰ সময়ছোৱাৰ বাবে অধ্যয়নৰ যি বিষয়বস্তু স্থিৰ কৰা হৈছিল সেইখিনি প্ৰকৃত যুদ্ধবিদ্যাৰ শিক্ষাৰ বিষয়তকৈ অলপ মাত্ৰহে কম আছিল। এইছোৱা সময়ত নিয়মানুবৰ্তিতা আৰু সহিষ্ণুতাই বৌদ্ধিক চমৎকাৰিত্বৰ ওপৰত স্থান পাইছিল।

স্পাৰ্টাবাসীসকলেই ছাত্ৰাবাসত থাকিবলগীয়া স্কুলব্যৱস্থাৰ প্ৰকৃত জন্মদাতা। স্পাৰ্টাৰ সেই স্কুলবোৰে কেৱল স্বাধীন ল'ৰাবোৰকহে ভৰ্তি কৰাইছিল। এই স্কুলবোৰত দিয়া শিক্ষাৰদ্বাৰা এক বিশেষ চৰিত্ৰ আৰু মানসিক দৃষ্টিভংগীৰ মানুহ তৈয়াৰ কৰিবলৈ বিচৰা হৈছিল। এই স্কুলত শিক্ষা গ্ৰহণ কৰা লোক-সকলৰ ৰাষ্ট্ৰ ইয়াৰ সংবিধান আইন কানুন আৰু ৰাষ্ট্ৰীয় অনুষ্ঠানবোৰৰ প্ৰতি গভীৰ নিষ্ঠাৰ ভাৱ গঢ়ি উঠিব লাগিছিল। কিয়নো তেওঁলোকৰ মাজৰপৰাই স্পাৰ্টাৰ ভৱিষ্যত শাসকসকল ওলাব লাগিছিল।

এথেন্সৰ শিক্ষাব্যৱস্থাত গ্ৰিছদেশীয় মন আৰু আদৰ্শ উৎকৃষ্টভাৱে ফুটি উঠিছিল। ইয়াৰ শিক্ষাব্যৱস্থা স্পাৰ্টাৰ সামৰিক সমাজবাদী শিক্ষাব্যৱস্থাৰ বিপৰীত আছিল। এথেন্সতো নগৰৰাষ্ট্ৰবোৰেই সকলোবোৰ অনুষ্ঠানৰ প্ৰাণ কেন্দ্ৰ আছিল। স্পাৰ্টাৰ প্ৰাধিকাৰবাদৰ এথেন্সত কোনো ঠাই নাছিল। এথেন্সত ব্যক্তিৰ পূৰ্ণবিকাশৰ সকলো সুযোগ আৰু সুবিধা আছিল আৰু সেই সুযোগ সুবিধাবোৰ ব্যক্তিয়ে নিজৰ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থ পূৰণৰ বাবে ব্যৱহাৰ কৰিব পাৰিছিল। এথেন্সৰ শিক্ষাব্যৱস্থাই ব্যক্তিগত নৈতিকতা আৰু সামাজিক নৈতিকতাৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। ই কেৱল সৈনিকৰ সৃষ্টি কৰিবলৈ বিচৰা নাছিল মানুহৰ সৃষ্টি কৰিবলৈ বিচাৰিছিল। ব্যক্তিবাদী দৃষ্টিভংগীত শিক্ষাব্যৱস্থা প্ৰণয়ন কৰা হৈছিল ব্যায়াম আৰু সংগীত ইয়াৰ প্ৰধান উপাদান আছিল। সংগীতৰ ওপৰত এথেন্সবাসীসকলৰ যিটো অৱধাৰণা আছিল সেইটো স্পাৰ্টাবাসীসকলৰ সংগীতৰ অৱধাৰণাতকৈ বহুত বেছি উদাৰ আৰু সাৰ্বজনীন আছিল। সংগীতৰপৰা ইয়াত উদাৰ কলাৰ সৃষ্টি হৈছিল। প্ৰথমতে সংগীতৰ ভিতৰত সংগীত আৰু কবিতা দুয়োটাই আছিল। ছক্ৰেটিছৰ মতে দৰ্শনেই আটাইতকৈ উচ্চ সংগীত আছিল। এৰিষ্টটলৰ সময়ত সংগীতৰ ভিতৰত ব্যাকৰণ অলংকাৰ তৰ্কবিদ্যা গণিত জ্যামিতি গ্ৰহবিজ্ঞান ছাব আৰু সাধাৰণ অৰ্থত গান বাজনাকো ধৰা হৈছিল। এথেন্সবাসীসকলে সংগীত আৰু কবিতাৰ ওপৰত আটাইতকৈ বেছি গুৰুত্ব দিছিল। সংগীতে মানুহৰ মনত উত্তেজনাৰ সৃষ্টি কৰিছিল আৰু উত্তেজনা প্ৰশমিতও কৰিছিল আৰু ইয়াৰ ওপৰত ব্যক্তি আৰু সমাজৰ শৃংখলা নিৰ্ভৰ কৰিছিল। কবিতা আৰম্ভণিতে সকলো সাহিত্য প্ৰকাশৰ বাহক আছিল।

সাত বছৰ বয়সত এথেন্সৰ ল'ৰাবোৰে দুখন স্কুলত উপস্থিত থাকিবলগীয়া হৈছিল—এখন সংগীত শিক্ষাৰ স্কুল আৰু আনখন শাৰীৰিক প্ৰশিক্ষণৰ স্কুল। শৰীৰৰ উন্নতি সাধনৰ বাবে ব্যায়াম আৰু মনৰ আনন্দ উৎসাহৰ বাবে সংগীত। ১৫ বছৰ বয়সলৈ প্ৰায় সকলোবোৰ স্বাধীন নাগৰিকৰ ল'ৰাবোৰে এই স্কুলবোৰত উপস্থিত হ'ব লাগিছিল। কিন্তু উচ্চ শিক্ষা কিছুমান বিশেষ সুবিধা থকা লোকৰ ল'ৰাৰ বাবেহে নিৰ্দিষ্ট কৰি ৰখা হৈছিল। তাত কোনো ধৰ্মীয় শিক্ষা নাছিল আৰু তিৰোতাসকলেও স্কুলীয়া শিক্ষা পোৱা নাছিল। এথেন্সৰ শিক্ষাৰ প্ৰধান লক্ষ্য আছিল চৰিত্ৰ গঢ়ি তোলা। স্কুলত কাৰিকৰী শিক্ষা লাভ কৰাত ধৰ্মীয় বাধা আছিল। কিয়নো এথেন্সবাসীসকলে কেৱল শৰীৰটো নিখুঁত কৰিবলৈ আৰু মানসিক কাম কাজ আৰু সংস্কৃতিৰ উন্নতি সাধন কৰিবলৈহে বিচাৰিছিল।

স্পাৰ্টাৰ শিক্ষাব্যৱস্থা আৰু এথেন্সৰ শিক্ষাব্যৱস্থাৰ তুলনামূলক আলোচনা কৰিলে এইটো দেখা যায় যে এথেন্সৰ শিক্ষাব্যৱস্থাত সাধাৰণ গ্ৰিছদেশীয় আৰু

স্থানীয় উপাদানবোৰ ভৰি আছিল। স্পাৰ্টাৰ শিক্ষাব্যৱস্থা আছিল সমাজবাদী আৰু এথেন্সৰ শিক্ষাব্যৱস্থা ব্যক্তিবাদী। আকৌ স্পাৰ্টাৰ শিক্ষা আছিল বাধ্যতা মূলক উপযোগিতাবাদী আৰু মতা তিৰোতা উভয়ৰ বাবে আনহাতে এথেন্সৰ শিক্ষা মূলতঃ আছিল ইচ্ছাধীন মানবীয় আৰু কেৱল পুৰুষৰ বাবেহে। স্পাৰ্টাৰ শিক্ষাত ব্যায়ামৰ প্ৰাত প্ৰৱণতা আছিল অধিক এথেন্সৰ শিক্ষাত সংগীতৰ প্ৰতিহে বেছি প্ৰৱণতা আছিল। সাধাৰণ সাহিত্যসম্বন্ধীয় শিক্ষাত বাহিৰে স্পাৰ্টাই সাহিত্য চৰ্চাৰ ওপৰত কোনো গুৰুত্ব দিয়া নাছিল কিন্তু এথেন্সত ছ'ফিষ্টসকলে স্থাপন কৰা ব্যক্তিগত স্কুলবোৰৰদ্বাৰা উচ্চ শিক্ষাৰ সম্প্ৰসাৰণত উৎসাহ প্ৰদান কৰা হৈছিল। দাসসকলৰ বাবে স্পাৰ্টা আৰু এথেন্সৰ শিক্ষাব্যৱস্থাত কোনো সুবিধা নাছিল।

প্লেটোৰ শিক্ষাতত্ত্বৰ মূল নীতি

আমি আগতেই পাই আহিছোঁ যে প্লেটোৰ ন্যায়ৰ অৱধাৰণাটো কাৰ্য্যকৰী কৰিবলৈ দুটা অনুষ্ঠানৰ প্ৰয়োজন হৈছিল।

(১) ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত আৰু চালিত এটা সমূহীয়া শিক্ষাব্যৱস্থা আৰু

(২) সাম্যবাদৰ ভিত্তিত স্থাপিত এটা সমাজব্যৱস্থা ।

ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত শিক্ষাব্যৱস্থাৰদ্বাৰা শাসকসকলক বিভিন্ন কামৰ বাবে বহুপ্ৰতিভাসম্পন্ন কৰি গঢ়ি তুলিবলৈ বিচৰা হৈছিল আৰু তেওঁলোকৰ মনত এনে কুৰা কিছুমান প্ৰবৃত্তিৰ সৃষ্টি কৰিবলৈ যত্ন কৰা হৈছিল যিবোৰ থাকিলেহে তেওঁলোকে ন্যায়ৰ খাতিৰত স্বাৰ্থহীনভাৱে নিজৰ কৰ্তব্যবোৰ কৰি যাব পাৰিব। ৰাষ্ট্ৰৰ শিক্ষাসম্পৰ্কীয় কাৰ্য্যৰ ওপৰত প্লেটোৱে যথেষ্ট পৰিমাণে গুৰুত্ব দিব লাগে বুলি পতিয়ন গৈছিল আৰু সেইবাবে তেওঁ ৰাষ্ট্ৰীয় শিক্ষাৰ ওপৰত ইমান মনোযোগ দিছিল। বাৰ্কাৰে কোৱামতে প্লেটোৰ বাবে শিক্ষা আছিল সামাজিক ন্যায় প্ৰতিষ্ঠাৰ উপায় আৰু সত্যক বাস্তৱত পৰিণত কৰাৰ উপায়। ই সামাজিক কৃতকাৰ্য্যতাৰ বাবে কোনো অস্ত্ৰ নহয়। নিঃসন্দেহে শিক্ষা এটা সামাজিক পদ্ধতি আৰু ই ব্যক্তিক সমাজত উপযুক্ত স্থান লাভ কৰাৰ বাবে প্ৰস্তুত কৰে আৰু ইয়াৰ এটা ব্যক্তিকেন্দ্ৰিক দিশো আছে। শিক্ষাৰদ্বাৰাই সত্য আহৰণ কৰিব পাৰি আৰু ইয়াৰ সহায়ত ভালৰ ধাৰণা বাস্তৱত ৰূপায়িত কৰিব পাৰি। এই দুটা কাম কৰাৰ প্ৰয়োজনীয়তা সকলো সময় আৰু সকলো ঠাইতে আছে।

প্লেটোৰ মতে শিক্ষাই মানুহৰ মনক এনে এটা পাৰিপাৰ্শ্বিক অৱস্থাৰ মাজলৈ লৈ যায় যিটো অৱস্থাত ইয়াৰ বিকাশৰ প্ৰতিটো পৰ্য্যায়েই শিক্ষাৰ বিকাশত যথেষ্ট পৰিমাণে সহায় কৰে। সেইবাবে শিক্ষাৰ উদ্দেশ্য হৈছে— "মানুহৰ মানস চকুক পোহৰ দেখিবলৈ সক্ষম কৰা। আগতেই উল্লেখ কৰি অহা হৈছে যে শিক্ষাই মানুহৰ মনক জ্ঞানৰ যোগান ধৰিব নালাগে, মানুহৰ মনত সুপ্ত অৱ-

স্থাত থকা উৎকৃষ্ট বস্তুবোৰ বাহিৰলৈ উলিয়াই আনিবহে লাগে আৰু এইবোৰ ঠিকভাৱে পৰিচালিত কৰিব লাগে। গতিকে শিক্ষাৰ সমস্যা হৈছে ঠিক পৰিবেশ আৰু পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি কৰা। সুস্থ পাৰিপাৰ্শ্বিকতাত মানুহৰ মনৰ কেনেকৈ প্ৰতিক্ৰিয়া হয় সেইটোও এটা সমস্যা। গতিকে শিক্ষা হৈছে এটা জীৱনজোৰা পদ্ধতি। আনকি ৫০ বছৰ বয়সত চৰকাৰী চাকৰিৰপৰা অৱসৰ গ্ৰহণ কৰাৰ পাছতো অভিভাৱকসকলে দৰ্শন অধ্যয়ন কৰিব লাগিছিল আৰু ভালৰ ধাৰণা সম্বন্ধে অনুধাবন কৰিব লাগিছিল।

প্লেটোৱে এইটো ভালকৈ উপলব্ধি কৰিছিল যে যিকোনো শিক্ষাব্যৱস্থাই মানুহৰ মনৰ প্ৰকৃতিৰ সঠিক ধাৰণাৰ ওপৰত স্থিতি লাভ কৰিব লাগে। বেলেগ বেলেগ মাধ্যম আৰু বেলেগ বেলেগ কাৰ্যসাধিকা শক্তিৰ জৰিয়তে মানুহৰ মনটো বেলেগ বেলেগ পৰ্য্যায়লৈ গৈ থাকে। শৈশৱ কালত কল্পনা অনুভূতি আদিয়ে মানুহৰ জীৱনৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। দ্বিতীয় পৰ্য্যায়ত মানুহৰ মনত যুক্তি শক্তিৰ উদয় হয় আৰু তৃতীয় পৰ্য্যায়ত মানুহৰ মনত ধুনীয়া বস্তুৰ প্ৰতি মৰম আৰু ভালপোৱাৰ সৃষ্টি হয় আৰু শেষৰ পৰ্য্যায়ত মানুহৰ মনত সত্যৰ প্ৰতি প্ৰেম ভাবৰ সৃষ্টি হয়। বিজ্ঞান শিক্ষাৰ প্ৰশিক্ষণ দিয়াৰ উদ্দেশ্য হৈছে মানুহৰ মনক সত্য ভাল পাবলৈ শিকোৱা। শিক্ষাৰ উদ্দেশ্য হৈছে মানুহৰ মনক বেলেগ বেলেগ আকাৰ আৰু ৰূপত ধুনীয়া আৰু ভাল বস্তু দেখিবলৈ সমৰ্থবান কৰা। শিক্ষাই অন্ধক চকু দান নকৰে ই মানুহৰ মনক পবিত্ৰ কৰিবলৈ পোহৰলৈ লৈ আহে। শিক্ষাৰ কাৰ্য্য হৈছে এনে পাৰিপাৰ্শ্বিকতাৰ সৃষ্টি কৰা যি পাৰিপাৰ্শ্বিকতাত সক্ৰিয় আৰু স্মৰণশীল মনটোৱে ধুনীয়া আৰু ভাল বস্তুবোৰ দেখিবলৈ পায়।

প্লেটোৱে বিশ্বাস কৰিছিল যে প্ৰকৃতিজ্ঞানে এজন মানুহক বিজ্ঞ পৃথিৱী খনৰ এটা অংশ হ'বলৈ সমৰ্থ কৰে। প্ৰকৃত জ্ঞান মানুহৰ মনৰ ভিতৰত থাকে, বাহিৰত নাথাকে। খুব কম মানুহৰহে প্ৰকৃত জ্ঞান থাকে আৰু সেইবাবে মানুহ মূলতঃ অসমান। মানুহৰ মনত এই জ্ঞান সুমুৱাই দিব নোৱাৰি মানুহৰ মনৰপৰা এই জ্ঞান উলিয়াই আনিবহে পাৰি। শিক্ষাৰ জৰিয়তে লাভ কৰা জ্ঞান সাধাৰণ বৌদ্ধিক জ্ঞানতকৈ বেছি আৰু ই গুণগ্ৰাহী কামৰ এটা সক্ৰিয় নীতিক প্ৰতিনিধিত্ব কৰে। ইয়েই আমাক প্ৰকৃত শিক্ষাৰ গুৰুত্বৰ কথা বুজাই দিয়ে আৰু সেই শিক্ষাৰ চৰিত্ৰৰ ওপৰতে প্লেটোৱে গুৰুত্ব আৰোপ কৰিছিল। প্লেটোৱে ছক্ৰেটিছৰ এটা ধাৰণা গ্ৰহণ কৰিছিল। সেই ধাৰণাটো হৈছে—কোনেও জানি বা ইচ্ছা কৰি বেয়া কাম নকৰে। সেই কাৰণেই প্লেটোৱে শিক্ষাৰ ওপৰত ইমান গুৰুত্ব দিছিল আৰু শিক্ষাক ৰাষ্ট্ৰৰ প্ৰধান কাম হিচাপে বিবেচনা কৰিছিল। এই কাৰণেই প্লেটোৰ ৰাষ্ট্ৰক বহুতে এটা বিশ্ববিদ্যালয়, এটা গীৰ্জা বা এটা ৰাজনৈতিক অনুষ্ঠান বুলি কৈছিল।

প্লেটোৱে সকলোকে সমান শিক্ষা দিবলৈ ইচ্ছা কৰা নাছিল। অৱশ্যে প্ৰথম পৰ্য্যায়ত শিক্ষা লাভ কৰিবলৈ সকলোকে সমান সুবিধা দিয়াৰ কথা কৈছিল। তেওঁ বিশ্বাস কৰিছিল যে সকলো মানুহৰ বহুজন পৰিমাণৰ শক্তি বুদ্ধি বৃত্তি বা নৈতিক ব্যক্তিত্ব আছিল। তেও অভিভাৱকসকলৰ কাৰণে এটা প্ৰণালীবদ্ধ আৰু পৰ্য্যায় ক্ৰমিক শিক্ষাব্যৱস্থা গঢ়ি তুলিবলৈ বিচাৰিছিল। ইয়াৰপৰাই আৰু এটা প্ৰশ্নৰ উদ্ভব হৈছিল ৰাষ্ট্ৰই অভিভাৱকসকলক সৃষ্টি কৰে নে অভিভাৱকসকলে ৰাষ্ট্ৰ সৃষ্টি কৰে ? ৰাষ্ট্ৰৰ মুখ্য উদ্দেশ্য বুদ্ধি বৃত্তিসম্পন্ন এটা সৰু অভিজাতশ্ৰেণীৰ মানুহ গঢ়ি তোলা নে ৰাষ্ট্ৰৰ সকলো মানুহৰ মংগল সাধন কৰা ?

প্লেটোৱে বিশ্বাস কৰিছিল যে শিক্ষাৰ এটা অংশ ৰাষ্ট্ৰ আৰু ব্যক্তিৰ সংযোগত গঠিত হৈছিল আৰু এই অংশটোৰদ্বাৰা শিকাৰুসকলক কেৱল জ্ঞান দিবলৈয়ে বিচৰা হোৱা নাছিল তেওঁলোকক পৌৰ বৈজ্ঞানিক কাৰ্য্যবোৰ শিকাবলৈও চিন্তা কৰা হৈছিল। নাগৰিকসকলৰ কাৰণে শিক্ষাৰ অৰ্থ আছিল তেওঁলোকৰ মনত সৎ গুণৰ সৃষ্টি কৰা। কিন্তু বেলেগ বেলেগ গঠনৰ চৰকাৰৰ অধীনত সৎ গুণৰ অৰ্থ বেলেগ আছিল। শিক্ষাৰদ্বাৰা মানুহৰ মনত আৰু কামত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছিল আৰু ইয়াৰদ্বাৰাই মানুহক ৰাষ্ট্ৰত তেওঁৰ বাবে ঠিক কৰি দিয়া কাৰ্য্য যথাস্থানত সম্পন্ন কৰিবলৈ সমৰ্থবান কৰিবলৈ ইচ্ছা কৰা হৈছিল। গতিকে শিক্ষাৰদ্বাৰা মতা মাইকী নিৰ্বিশেষে সকলো মানুহক সামাজিক অৰ্থ নৈতিক বৌদ্ধিক আৰু ৰাজনৈতিকভাৱে আৱশ্যকমতে উপযুক্ত কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছিল। ৰাষ্ট্ৰ এখনে ন্যায় আৰু ঠিক কাম কৰিব লাগিলে ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত এটা সুস্থ শিক্ষাব্যৱস্থা লাগিব যাৰদ্বাৰা মানুহক শাৰীৰিক আৰু মানসিকভাৱে পৈণত কৰিব পৰা যাব। প্লেটোৱে তেওঁৰ শিক্ষাব্যৱস্থাৰ নক্সাখন আঁকোতে সময়ত এথেন্সতকৈ স্পাৰ্টাৰপৰা বেছিকৈ উৎসাহ পাইছিল। তেওঁৰ সময়ত এথেন্সত কোনো ভাল শিক্ষাৰ সংগঠন নাছিল আৰু প্লেটোৱে এইটো বৰ বেয়া পাইছিল। তেও কৈছিল যে স্পাৰ্টাৰ দৰে এথেন্সৰ শিক্ষাব্যৱস্থাও ৰাষ্ট্ৰই পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰিব লাগে। এনেকুৱা এটা শিক্ষাব্যৱস্থাইহে উপযুক্ত নাগৰিকৰ সৃষ্টি কৰিব আৰু সেই নাগৰিকসকল ৰাষ্ট্ৰৰ প্ৰয়োজনীয়তা আৰু সংবিধানৰ লগত ভালদৰে পৰিচিত হ'ব। আন আন গ্ৰিক লেখকসকলে যি'বাৰ শিক্ষাব্যৱস্থাৰ কথা কৈছিল সেইবোৰতকৈ প্লেটোৰ শিক্ষাব্যবস্থা বেছি নিয়মানু-বৰ্তিতাপূৰ্ণ আছিল আৰু তেওঁ মতা মাইকী উভয়ৰে বাবে একে শিক্ষাব্যৱস্থা চলিব লাগে বুলি কৈছিল। তেও এইটো ভালদৰে অনুভৱ কৰিছিল যে এজন আদৰ্শ নাগৰিকৰ প্ৰকৃত জীৱন নিয়মানুবৰ্তিতাৰ জীৱন মৌলিক চিন্তা আৰু অনুধাবনৰ জীৱন আৰু সত্যৰ খাতিৰতে সত্যক ভাল পোৱাৰ জীৱন। তেওঁৰ শিক্ষাব্যৱস্থাই ব্যক্তিৰ জীৱনক অৱহেলা কৰা নাছিল। সেইবাবে তেওঁৰ শিক্ষা-ব্যৱস্থাক স্পাৰ্টা আৰু এথেন্সৰ শিক্ষাব্যৱস্থাৰ এটা আপোচ সূত্ৰ বুলি কব পাৰি।

তেওঁৰ শিক্ষাব্যৱস্থাৰ দুটা পৰ্য্যায় আছিল। প্ৰথম পৰ্য্যায়টো ১৮ বছৰ বয়স পৰ্য্যন্ত চলিছিল আৰু এই পৰ্য্যায়ত মানুহৰ অনুভূতিবোৰৰ নৈতিক চৰ্চাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। এই পৰ্য্যায়ৰ শিক্ষাই আত্মনিয়ন্ত্ৰণ সাহস আৰু শৰীৰৰ উন্নতি সাধন কৰিছিল। দ্বিতীয় পৰ্য্যায়ত যুক্তিৰ প্ৰশিক্ষণ দিয়া হৈছিল আৰু ইয়াৰ বিকাশ সাধন কৰা হৈছিল।

প্লেটোৰ শিক্ষাব্যৱস্থা আংশিকভাৱে পুৰণি গ্ৰীচদেশীয় আৰু আংশিক ভাবে আদৰ্শৰদ্বাৰা গঠিত। এই শিক্ষাৰ প্ৰভাৱ মৃত্যুৰ পাছলৈও চলি আছিল। প্লেটোৱেই প্ৰথম গ্ৰিক লেখক আছিল যিয়ে গোটেই জীৱনজোৰা এটা শিক্ষা ব্যৱস্থাৰ পোষকতা কৰিছিল। তেও জোৰ দি কৈছিল যে প্ৰকৃত জ্ঞান মানুহৰ মনৰপৰা উলিয়াই আনিব লাগিব আৰু এই জ্ঞান ধাৰণাৰ মাজত বিচাৰিব লাগিব কোনো এটা বিশেষ অৰ্থত বিচাৰিলে নহব।

প্ৰাথমিক শিক্ষা

ওপৰত উল্লেখ কৰি অহাই হৈছে যে প্লেটোৱে নাগৰিকসকলৰ শিক্ষাক দুটা প্ৰধান পৰ্য্যায়ত ভাগ কৰিছিল— প্ৰাথমিক শিক্ষা আৰু উচ্চ শিক্ষা। প্ৰাথমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ বিষয়ে সবিশেষ বিবৰণ দিবলৈ গৈ তেওঁ গণৰাজ্যৰ এটা ডাঙৰ অংশ ভৰাই পেলাইছিল। ইয়াত তেওঁ বহুত সংস্কাৰ আৰু নতুন বিষয়ৰ সমাবেশ ঘটাইছিল। ৰুছোৱে প্লেটোৰ শিক্ষাবিষয়ক এই আলোচনাটিক পৃথিৱীৰ ভিতৰতে উচ্চ স্থান দিছিল। দুটা পৰ্য্যায়ৰ শিক্ষাৰ মাজত যিটো পাৰ্থক্য আছিল ই প্ৰধানকৈ বয়সৰ ওপৰত নিৰ্ভৰ কৰিছিল। ই শ্ৰেণীৰ মাজত থকা পাৰ্থক্যও বুজাইছিল। প্ৰাথমিক শিক্ষাৰদ্বাৰা ডেকাসকলক প্ৰশিক্ষিত কৰি তোলা হৈছিল আৰু ইয়াৰদ্বাৰা সৈনিক শ্ৰেণীটোও গঢ়ি তোলা হৈছিল। উচ্চ শিক্ষাৰদ্বাৰাই মধ্যম বয়সীয়াসকলক প্ৰশিক্ষিত কৰি তুলিবলৈ বিচৰা হৈছিল আৰু ইয়াত নাগৰিক শ্ৰেণীটোক প্ৰশিক্ষণ দিয়া হৈছিল। অনুভূতিৰ জৰিয়তে ডেকাসকলৰ চৰিত্ৰৰ প্ৰশিক্ষণ দিয়া হৈছিল।

প্লেটোৱে প্ৰাথমিক শিক্ষাৰ বিষয়ে আমাক এখন অভিনৱ আঁচনি দি থোৱা নাই। তেওঁৰমতে প্ৰাথমিক পৰ্য্যায়ত আটাইতকৈ ভাল শিক্ষা আছিল— মনৰ বাবে সংগীত আৰু শৰীৰৰ বাবে ব্যায়াম। ব্যায়ামৰ প্ৰশিক্ষণৰদ্বাৰা মানুহৰ শৰীৰবোৰ স্বাস্থ্যবান কৰি গঢ়ি তুলিবলৈ বিচৰা হৈছিল আৰু সংগীতৰ প্ৰশি ক্ষণৰদ্বাৰা মানুহৰ চৰিত্ৰ গঢ়ি তুলিবলৈ বিচৰা হৈছিল। সংগীতৰ ভিতৰত আছিল সাহিত্য কবিতা গান বাজনা আৰু খেলা ধূলা আদি। সেইদৰে ব্যায়ামৰ ভিতৰত আছিল শাৰীৰিক শ্ৰম খাদ্য আৰু ঔষধ। দুয়োটা প্ৰশিক্ষণৰে উদ্দেশ্য আছিল চৰিত্ৰ গঠন কৰা। ব্যায়ামৰ প্ৰশিক্ষণে মানুহৰ মনত সাহস, সহ্য আদি

গুণৰ সৃষ্টি কৰে। ইয়াৰদ্বাৰাই সৈনিকসকলৰ জীৱনৰ প্ৰস্তুতি চলোৱা হয়। সংগীত মানুহৰ মনৰ প্ৰত্যক্ষ প্ৰশিক্ষণ। ই মানুহৰ মনৰ খোৰাক। সংগীতৰ জৰিয়তে মানুহৰ মনটো লয় আৰু শৃংখলাৰ সংস্পৰ্শলৈ আহে। বিজন মানুহৰ মনটোৱে সুশৃংখলভাৱে কাম কৰে তেও কেতিয়াও অন্যায়কাৰী হ'ব নোৱাৰে। গতিকে সংগীতে সদায় এটা নৈতিক শিক্ষা দিয়ে। যিকোনো বস্তু বা কথাকে ডেকা মানুহৰ মনৰ আগত দাঙি ধৰিব নালাগে কিয়নো ইয়াৰ ফলত পাছৰ জীৱনত তেওঁলোকৰ চৰিত্ৰ নষ্ট হ'ব পাৰে। এই সকলোবোৰ কথা বিবেচনা কৰি প্লেটোৱে সংগীত আৰু কবিতাৰ আমূল সংস্কাৰৰ পৰামৰ্শ দিছিল। তেওঁ ৰাষ্ট্ৰৰদ্বাৰা সংগীত আৰু কবিতাৰ পৰীক্ষা হ'ব লাগে বুলি কৈছিল। ৰাষ্ট্ৰই অনুমোদন কৰা সংগীত আৰু কবিতাহে প্ৰচাৰ আৰু পঠিত হ'ব লাগে বুলি তেওঁ কৈছিল।

গল্পবোৰ সঁচা আৰু মিছাও হ'ব পাৰে। ল'ৰা ছোৱালীবোৰে মিছা গল্প শিকিব নালাগে। প্ৰথমতে তেওঁলোকে সহজ সৰল সত্য শিকিব লাগে আৰু তাৰ পাছত নৈতিক সত্য শিকিব লাগে। গতিকে ৰাষ্ট্ৰই শিশুসকলৰ বাবে ৰচিত গল্পবোৰৰ দোষ গুণবোৰো পৰীক্ষা কৰা উচিত ত্ৰুটী থকা গল্পবোৰৰ প্ৰচাৰ বন্ধ কৰিব লাগে আৰু ত্ৰুটী নথকা গল্পবোৰ চলি থাকিবলৈ দিব লাগে। ৰাষ্ট্ৰই নিৰ্বাচন কৰি দিয়া গল্পবোৰহে মাতৃ আৰু ধাতসকলে ল'ৰা-ছোৱালীবোৰৰ আগত ক'ব লাগে। উদাহৰণ হিচাপে ক'ব পাৰি—ভগবান এক তেৱেঁই সত্য আৰু ভালৰ উৎস। ভগবানৰ লোভ মোহ আৰু প্ৰৱঞ্চনাৰ কথা ল'ৰা-ছোৱালী-বোৰৰ মনৰপৰা আঁতৰত ৰাখিব লাগে দেৱতাসকলৰ ভিতৰত যিবোৰ যুদ্ধ বিগ্ৰহ হৈছিল সেইবোৰ ল'ৰা-ছোৱালীবোৰৰ আগত ক'ব নালাগে। ল'ৰা ছোৱালীবোৰক এইটোহে ক'ব লাগে ভগবানৰ কোনো পৰিবৰ্তন নহয়, তেও সদায় উৎকৃষ্ট আৰু সৌন্দৰ্য্যশালী। তেও নিখুঁত অনন্যসাপেক্ষ আৰু স্বৰ্গীয়। এইটো ল'ৰা ছোৱালীবোৰক শিকিবলৈ দিয়াটো উচিত নহয় যে ভগ-বানে তেওঁৰ ইচ্ছা মতে বেলেগ বেলেগ সময়ত বেলেগ বেলেগ আকাৰ আৰু ৰূপত দেখা দিব পাৰে। তেওঁলোকক এইটোও কোৱা উচিত নহয় যে ভগবানে ছলনা কৰে আৰু এটা সময়ত এজন ভিক্ষাৰীৰ ৰূপ লয় আৰু আন এটা সময়ত এটা দৈত্যৰ ৰূপ ল'ব পাৰে।

কবিসকলে নৰকৰ চিত্ৰ অঁকাটো উচিত নহয় কিয়নো, তেনে ধৰণৰ কবিতাই ডেকাসকলৰ মনত সাহসৰ সঞ্চাৰ কৰিব নোৱাৰে বৰং এইবোৰে তেওঁলোকক নিৰুৎসাহিত আৰু মৃত্যুৰ প্ৰতি ভয়াতুৰ কৰিহে তুলিব। ডেকাসকলক বৰং এইটোহে শিকাব লাগিব যে ভীৰু হৈ বাচি থকাতকৈ যুদ্ধক্ষেত্ৰত মৃত্যুবৰণ কৰাই শ্ৰেয়।

কবিসকলে হয় ভাল চৰিত্ৰৰ চিত্ৰ অঁকা উচিত, নহলে কোনো চিত্ৰই অঁকা উচিত নহয়। এই একে নিয়মটোকে অন্যান্য শিল্পীসকলেও তেওঁলোকৰ শিল্প-সৃষ্টিৰ সময়ত সততে মনত ৰখা উচিত। যদি তেওঁলোকে এই নিয়মটো মানি

সকলে তেওঁলোকক শিল্প চৰ্চা কৰিবলৈকে দিব নালাগে। বিয়োগান্ত নাটক কাকো লিখিবলৈ দিব নালাগে আৰু এইবোৰ কোনেও পঢ়িব নালাগে। মিলনান্ত নাটকৰ সৃষ্টি হ'ব পাৰে কিন্তু অভিভাৱকসকলক অভিনয়ত অংশ গ্ৰহণ কৰিবলৈ দিব নালাগে। কোনো মানুহেই কলহপ্ৰিয় শোকাকুল আৰু কান্দি থকা তিৰোতাৰ অভিনয় কৰিব নালাগে। এজন জ্ঞানী আৰু গুণী মানুহে কেৱল ভাল কামহে কৰে আৰু ভাল কথাহে কয়।

সংগীতৰ বাবে প্ৰয়োজনীয় বাদ্যযন্ত্ৰৰ বিষয়ে প্লেটোৱে এইদৰে কৈছিল ঃ জটিল আৰু বহুতো ঘাত থকা বাদ্যযন্ত্ৰ যেনে—বাঁহী বজাবলৈ নিষেধ কৰিব লাগে আৰু সহজ বাদ্যযন্ত্ৰ যেনে—বীণা ব্যৱহাৰ কৰিবলৈ অনুমতি দিব লাগে। এইদৰে প্লেটোৱে সংগীতৰ ওপৰতো ৰাষ্ট্ৰৰ কৰ্তৃত্ব স্থাপন কৰিবলৈ বিচাৰিছিল।

কেইটামান বিশেষ কাৰণত প্লেটোৱে কবিতাৰ ক্ষেত্ৰতো ৰাষ্ট্ৰৰ কৰ্তৃত্ব প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল। প্ৰথম তেওঁৰ সময়ত কবিতাৰ মানদণ্ড বৰ তললৈ নামি আহিছিল। দ্বিতীয়, অভিনেতাসকলৰ বস্তিও বৰ অধোগামী হৈছিল। কিয়নো এজন মানুহেই তেওঁৰ জীৱনত বহুতো চৰিত্ৰ ৰূপায়িত কৰিবলগীয়া হৈছিল। এইদৰে তেও কলাৰ দাস হৈ পৰিছিল কলাৰ গুৰু হ'ব পৰা নাছিল।

সামৰিক অভিভাৱকসকলৰ বাবে এই প্ৰশিক্ষণ ১৮ বছৰ বয়স পৰ্যন্ত চলিব লাগিছিল। সামৰিক শ্ৰেণীৰ এইটো প্ৰথম পৰ্য্যায়ৰ শিক্ষা আছিল। ইয়াৰ পাছত তেওঁলোকৰ দ্বিতীয় পৰ্য্যায়ৰ প্ৰশিক্ষণ আৰম্ভ হৈছিল। এই পৰ্য্যায়ত তেওঁলোকক ব্যায়াম শিক্ষাৰ প্ৰশিক্ষণ দিয়া হৈছিল। শৰীৰৰ শক্তিশালী গঠনৰ বাবে প্লেটোৱে ব্যায়াম শিক্ষাৰ ব্যৱস্থা কৰিছিল। এই শাৰীৰিক প্ৰশিক্ষণ দিয়াৰ প্ৰধান উদ্দেশ্য আছিল সৈনিকসকলক খাদ্য পানীয় আৰু তাপ মাত্ৰ সহ্য কৰিবলৈ প্ৰস্তুত কৰি তোলা। ব্যায়ামৰ ক্ষেত্ৰতো প্লেটোৱে সৰলতাৰ কথাকে দোহাৰি কৈছিল। তেওঁ কৈছিল যে শাৰীৰিক চমৎকাৰিত্বই ভাল চৰিত্ৰৰ সৃষ্টি কৰিব নোৱাৰে তাৰবাবে মানুহৰ মনৰ চমৎকাৰিত্বহে প্ৰয়োজন। সেইবাবে প্লেটোৱে অভিভাৱকসকলক কোনো শক্তিশালী পানীয় গ্ৰহণ কৰিবলৈ মানা কৰিছিল। আনকি তেও কৈছিল যে অভিভাৱকসকলে শক্তিশালী মাছ আৰু সিদ্ধ মাংস খোৱাও উচিত নহয়, তেওঁলোকে ভজা মাংসহে খোৱা ভাল। এই প্ৰশিক্ষণকাল মাত্ৰ দুবছৰীয়া হোৱা উচিত।

উচ্চ শিক্ষা

প্ৰাথমিক শিক্ষা ২০ বছৰ বয়স পৰ্যন্ত চলিছিল। ইয়াৰ পাছত প্ৰাপ্তবয়স্ক লোকসকলৰ বাবে শিক্ষা আৰম্ভ হৈছিল। এই পৰ্যায়ৰ শিক্ষাব্যৱস্থা মানুহবোৰক নিখুঁত অভিভাৱক বা ৰাষ্ট্ৰৰ শাসক হিচাপে গঢ়ি তুলিবলৈ চেষ্টা কৰা হৈছিল। যিসকলে কৃতকাৰ্য্যতাৰে প্ৰাথমিক শিক্ষা শেষ কৰে সেই আটাইবোৰক উচ্চ শিক্ষাৰ

বাবে নিৰ্বাচন কৰা নহয়। যিসকলৰ ভৱিষ্যত সম্ভাৱনাপূৰ্ণ যেন দেখিবলৈ পোৱা যায় আৰু যিসকলে প্ৰাথমিক পৰ্য্যায়তে বিজ্ঞানসম্মত অধ্যয়নৰ প্ৰতি তেওঁলোকৰ একাগ্ৰতা আৰু ইচ্ছা দেখুৱাব পাৰে তেওঁলোককহে উচ্চ শিক্ষাৰ বাবে নিৰ্বাচন কৰা হয। উচ্চ শিক্ষাৰ এই পৰ্য্যায়টো ২০ বছৰ বযসত আৰম্ভ হয় আৰু ৩০ বছৰ বয়সলৈকে চলিব লাগে।

শাসকশ্ৰেণীটোৰ বাবে প্ৰধান গুণ হৈছে জ্ঞান আৰু সেইবাবে উচ্চ শিক্ষাৰ বাবে বিষযবস্তু ঠিক কৰোঁতে প্লেটোৱে এই কথাটো ভালদৰে মনত পেলাইছিল। উচ্চ শিক্ষাৰ পাঠ্যক্ৰমৰম্বাৰা শিকাৰুসকলক জ্ঞানী কৰিবলৈ চেষ্টা কৰা হৈছিল। অংকশাস্ত্ৰ আৰু গ্ৰহবিজ্ঞানৰ অধ্যযনৰ জাৰযতে প্লেটোৱে উচ্চ শিক্ষাৰ এই উদ্দেশ্যটো সাধন কৰিবলৈ বিচাৰিছিল। প্লেটোৰ মতে অংকশাস্ত্ৰই হৈছে দৰ্শনৰ প্ৰচাৰৰ বাবে প্ৰকৃত আৰু সঠিক অস্ত্ৰ। অংকশাস্ত্ৰৰম্বাৰা চিন্তাৰ সুপ্ত শক্তিবোৰ জাগৰিত কৰিব পাৰি। এই সমযছোৱাত গণিত জ্যামিতি আৰু গ্ৰহবিজ্ঞান শিকাবা উচিত। জ্যামিতিযে ভালৰ ধাৰণাৰ বিষযে চিন্তা কৰাত সহায় কৰে আৰু এইদৰে মানুহৰ মনটোক এটা সত্য বস্তু হিচাপে ভালৰ ধাৰণা বুজিবলৈ শিকায। গ্ৰহ-বিজ্ঞানে মানুহক স্বৰ্গৰ বিষযে জ্ঞান আহৰণ কৰাত সহায কৰে। এই জ্ঞান লাভ কৰাটো কৃষিকাৰ্য্য নৌবিজ্ঞান আৰু সামৰিক কৌশলৰ বাবে অতি প্ৰযোজনীয়। যুদ্ধৰ সময়ত সংখ্যাৰ ব্যবহাৰৰ বাবে গণিতৰ জ্ঞান আৱশ্যক হয। ব্যাকৰণ আৰু অলংকাৰে প্লেটোৰ শিক্ষাব্যবস্থাত কোনো স্থান পোৱা নাছিল।

এই সময়ছোৱাত চলি থকা প্ৰশিক্ষণত এটা কথা লক্ষ্য কৰিব লাগিব। সেইটো হৈছে—কোন কোন দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰই শিক্ষাৰ প্ৰতি ধাউতি আৰু প্ৰবণতা দেখুৱাইছে ? ৩০ বছৰ বয়সত শিক্ষাৰ্থীসকলৰ মাজত আৰু এটা নিৰ্বাচন কৰা হয। এই নিৰ্বাচনটো কৰা হয় সেইসকলৰ মাজত যিসকলে কৃতকাৰ্য্যতাৰে দ্বিতীয পৰ্য্যায়ৰ শিক্ষা সম্পূৰ্ণ কৰিছে। এইসকলৰ ভিতৰৰপৰা কিছুমানক দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰ অধ্যযনৰ বাবে নিৰ্বাচন কৰা হয। অধ্যযনৰ এই কালছোৱা ৫ বছৰ সময়ৰ বাবে চলে। প্লেটোৱে অংকশাস্ত্ৰতকৈও দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰৰ ওপৰত অধিক গুৰুত্ব দিছিল। কিযনো ই প্ৰকৃতিৰ ৰহস্য উদঘাটন কৰি তাৰ সূত্ৰ আৰু ব্যাখ্যা দিছিল। দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰৰ সহায়ত মানুহে সাপেক্ষিক সত্যত উপনীত হ'ব পাৰিছিল। দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰৰ সহায়ত মানুহে বিশুদ্ধ ধাৰণাৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিছিল। যিসকল মানুহে এই জ্ঞানৰ ওপৰত দখল স্থাপন কৰিব পাৰিব তেওঁলোকৰ মনত আনুপাতিক জ্ঞানবো উদয় হ'ব। যেতিয়ালৈকে তেওঁ-লোকে প্ৰকৃত সত্য বিচাৰি নাপায় তেতিয়ালৈকে তেওঁলোক সন্তুষ্ট নহয়।

যিসকলে কৃতকাৰ্য্যতাৰে দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰ অধ্যয়ন সম্পূৰ্ণ কৰে ৩৫ বছৰ বয়সত তেওঁলোকৰ ওপৰত দায়িত্বপূৰ্ণ সমাজসেৱাৰ কাম বা ৰাষ্ট্ৰীয় দায়িত্ব অৰ্পণ কৰা হয়। এই সময়ছোৱা ১৫ বছৰ চলে। এই সময়ছোৱাত অভিভাৱক-

সকলে শাসকৰ বাবে প্ৰয়োজনীয় বাস্তৱ অভিজ্ঞতা গোটাই লয়। কিয়নো, এই সময়ছোৱাতে তেওঁলোকে বিভিন্ন ধৰণৰ ভাল কাম বা বস্তু বেয়া কাম বা বস্তুৰ সংস্পৰ্শলৈ আহে যিবোৰৰ বিষয়ে আগতে তেওঁলোকে তত্ত্বীয় জ্ঞান লাভ কৰিছিল। ইযাতেই তেওঁলোকে পৰীক্ষা কৰি চাব পাৰে তেওঁলোকে লাভ কৰা তত্ত্বীয় জ্ঞানৰ লগত বাস্তৱ জ্ঞানৰ সামঞ্জস্য আছে নে নাই। যি এই সকলো বোৰ পৰীক্ষাতে উত্তীৰ্ণ হৈ ওলাই আহিব পাৰে তেওঁলোকক শেষত দাৰ্শনিক ৰজা পতা হয়।

50 বছৰ বয়সৰপৰা তেওঁলোকে কিছু সময় অনুধাবন কৰি কটাব লাগিছিল আৰু বাকীখিনি সময় ভবিষ্যতৰ অভিভাৱকসকলক প্ৰশিক্ষণ দিব লাগিছিল।

চমুকৈ ক'বলৈ গ'লে, গণৰাজ্য'ত চিত্ৰিত কৰা প্লেটোৰ শিক্ষাব্যৱস্থাৰ লক্ষ্য আছিল দাৰ্শনিক ৰজা আৰু সাহসী নিৰ্ভীক সৈনিকৰ সৃষ্টি কৰা। এটা অতি দীঘলীয়া শিক্ষাকালৰ অন্তত এটা অতি সৰু শ্ৰেণীৰ লোক হৈ গৈছিল আৰু এই সৰু শ্ৰেণীৰ লোকসকলেই চৰম জ্ঞান আৰু চৰম বুদ্ধিবৃত্তি লাভ কৰিছিল। তেওঁলোক সৰ্বোচ্চ দাৰ্শনিক জ্ঞানৰ অধিকাৰী হ'ব পাৰিছিল। তেওঁলোক এক অসাধাৰণ বুদ্ধিবৃত্তিসম্পন্ন আৰু ত্যাগী সংখ্যালঘিষ্ঠ শ্ৰেণীৰ মানুহ আছিল আৰু ৰাষ্ট্ৰৰ সুশৃংখলিত উন্নতি আৰু বিকাশৰ কাৰণে তেওঁলোকে নিজৰ সেৱা আগবঢ়াবলৈ সদাসৰ্বদা প্ৰস্তুত আছিল।

প্লেটোৰ শিক্ষাব্যৱস্থাৰ মূল্যায়ন

প্লেটোৰ শিক্ষাব্যৱস্থাত ব্যক্তিগত আৰু কাৰিকৰী শিক্ষাৰ কোনো স্থান নাছিল। এই বিষয়ত প্লেটোকো এজন মুক্ত সাধাৰণ গ্ৰিক মানুহৰ লগত ৰাখিব পাৰি। কিয়নো সেই সাধাৰণ গ্ৰিক মানুহবোৰেও ব্যক্তিগত শিক্ষাৰ ওপৰত কোনো ধৰণৰ গুৰুত্ব দিয়া নাছিল। প্লেটোৰ শিক্ষাব্যৱস্থাই নেতৃত্ব তৈয়াৰ কৰিবলৈ বিচাৰিছিল। তেওঁৰ মতে নেতাসকল অৰ্থাৎ অভিভাৱকসকল ভাল মানুহ হ'বই লাগিব। জ্ঞান অভিজ্ঞতা আৰু চৰিত্ৰত তেওঁলোক আনতকৈ ভাল হ'ব লাগিব। তেওঁলোকৰ সাহস আৰু আত্মনিয়ন্ত্ৰণ থাকিব লাগিব। তেওঁলোকৰ বুদ্ধিবৃত্তি জ্ঞান আৰু অন্তৰ্দৃষ্টি থাকিব লাগিব।

নেতাসকলৰ কাৰণে ব্যায়াম আৰু সংগীতৰ শিক্ষাই যথেষ্ট নহয়। কলা-বিষয়ক শিক্ষাৰদ্বাৰা মানুহৰ বিচাৰশক্তিৰ বিকাশসাধন নহয় কিয়নো কলাই মানুহৰ অনুভূতিৰ প্ৰতিহে আবেদন জনায় বিচাৰশক্তিৰ প্ৰতি নহয়। বিজ্ঞান শিক্ষাই নেতা গঢ়ি তোলাত সহায় কৰিব কিন্তু পাইথাগোৰীয়সকলে যি বিজ্ঞান শিক্ষাৰ ব্যৱস্থা কৰিছিল তাৰদ্বাৰা নেতা গঢ়ি তুলিব পৰা নাযায়। কিয়নো পাইথাগোৰীয়সকলে অংকৰ সূত্ৰতহে সকলোবোৰ কথা প্ৰকাশ কৰিবলৈ বিচাৰিছিল।

প্লেটোৱে পাইথাগোৰীয় * বিজ্ঞানৰ পদ্ধতি আৰু প্ৰয়োগৰ কৌশলবোৰ গ্ৰহণ কৰিছিল কিন্তু সেইবোৰক প্ৰকৃত সবিশেষ আৰু অভিজ্ঞতাজনিত প্ৰয়োগৰদ্বাৰা আঁতৰ কৰি ৰাখিছিল আৰু সেইবোৰক তত্ত্বীয় বিজ্ঞান হিচাপেহে অধ্যয়ন কৰিব লাগে বুলি কৈছিল । কোনো এটা বিশেষ ক্ষেত্ৰত প্ৰয়োগ কৰাৰ কথা ভাবি প্লেটোৱে অনুধাবন কৰাৰ কথা ভবা নাছিল। তেওঁৰ মতে বিশুদ্ধ চিন্তাৰ লগত ইন্দ্ৰিয়পৰায়ণতাৰ বৰ ঘনিষ্ঠ সম্বন্ধ নাই। এয়ে হৈছে যুক্তিবিজ্ঞান।

প্লেটোৰ শিক্ষাব্যৱস্থাক অগণতান্ত্ৰিক বুলি সততে সমালোচনা কৰা হয়। কিয়নো তেওঁৰ শিক্ষাব্যৱস্থাই কেৱল উচ্চ শ্ৰেণী দুটাৰ ল'ৰা-ছোৱালীবোৰকহে সামৰি লৈছিল। তেওঁৰ শিক্ষাব্যৱস্থাই কাৰিকৰ ব্যৱসায়ী কৃষক বনুৱা আৰু দাসসকলৰ কাৰণে কোনো স্থান ৰখা নাছিল। সেইবাবে তেওঁৰ শিক্ষা আঁচনি আধুনিক যুগত ব্যৱহাৰ কৰিব নোৱাৰি। আমি কিন্তু এটা কথা মনত পেলাব লাগিব যে তেওঁৰ সময়ত সকলোবোৰ মানুহৰ ল'ৰা ছোৱালীয়ে শিক্ষা লাভ কৰিবলৈ আগ্ৰহ কৰিছিল জানো ? বৰ্তমান যুগতো ভাৰতবৰ্ষৰ দৰে বহৎ গণ তান্ত্ৰিক দেশত শতকৰা ৬০ ভাগতকৈও বেছি মানুহ নিৰক্ষৰ হৈ থকা নাই জানো ? গতিকে সেই সময়ত প্লেটোৱে ওপৰত উল্লেখ কৰা মানুহবোৰৰ কাৰণে ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ আৰু পৰিচালনাত শিক্ষাৰ কোনো ব্যৱস্থা নকৰাটো ডাঙৰ কথা নহয়। আচলতে প্লেটোৱে ৰাষ্ট্ৰৰ ভিতৰত থকা সকলোবোৰ মানুহকে প্ৰশিক্ষিত কৰিবলৈ কোনো আঁচনি যুগুত কৰা নাছিল তেওঁ কেৱল শাসক শ্ৰেণীটো তৈয়াৰ কৰিব লৈহে শিক্ষাৰ আঁচনিখন প্ৰস্তুত কৰিছিল। গণতান্ত্ৰিক উপায় অৱলম্বন কৰিয়েই তেওঁ উচ্চ শিক্ষাৰ কাৰণে শিক্ষাৰ্থী নিৰ্বাচন কৰিছিল। এই নিৰ্বাচনৰ বাবে শিক্ষাৰ্থীসকলৰ চৰিত্ৰ বুদ্ধি বৃত্তি অভিজ্ঞতা, ইচ্ছা আদি কথাবোৰ বিবেচনাৰ ভিতৰত ৰাখিছিল। প্ৰত্যেকজন অভিভাৱকে যিমান শিক্ষা ল'বলৈ ইচ্ছা কৰে সিমানেই শিক্ষা ল'ব পাৰে। এইটোৱে আছিল সুবিধাৰ সমতা আৰু বৰ্তমান গণতন্ত্ৰৰ ই এটা অত্যাৱশ্যকীয় উপাদান ।

প্লেটোৰ শিক্ষাব্যৱস্থাত মানুহৰ মনত থকা উপাদান অনুযায়ী মানুহ বোৰক তিনিটা ভাগত ভাগ কৰা হৈছিল আৰু তেওঁ শিক্ষাৰ আঁচনিখন প্ৰস্তুত কৰোঁতে মানুহৰ মনত থকা তিনিওটা উপাদানৰ প্ৰগতিশীল প্ৰণালীবদ্ধ বিকাশৰ কথাহে চিন্তা কৰিছিল। এই আঁচনিখন ভাৰাক্ৰান্ত নাছিল ইয়াত কোনো অন্ধ বোধৰ ঠাই নাছিল। এই শিক্ষা আঁচনিখনত থকা পাঠ্যক্ৰমৰদ্বাৰা মানুহৰ মনত থকা সুপ্ত শক্তিবোৰ জগাই তুলিবলৈ চেষ্টা কৰা হৈছিল। ইয়াত তত্ত্ব আৰু কাৰ্য্যকাৰিতাৰ পৰ্য্যায়ক্ৰমিক পৰিবৰ্তন অবিৰতভাৱে হৈ আছিল। এই শিক্ষা-ব্যৱস্থাটোৱে শৰীৰ আৰু মন দুয়োটাৰে বাবে পাঠ্যক্ৰমৰ ব্যৱস্থা কৰিছিল। প্লেটোৰ শিক্ষাব্যৱস্থাৰ লক্ষ্য আছিল নৈতিকতা ধৰ্মীয় চিন্তা সংগীত আৰু ব্যায়ামত সবলতাৰ সৃষ্টি কৰা। এই লক্ষ্যত উপনীত হ'বলৈ ৰাষ্ট্ৰৰ হাতত সাহিত্য,

সংগীত আৰু ব্যায়াম আদিৰ পৰীক্ষা নিৰীক্ষাৰ ক্ষমতা অৰ্পণ কৰা হৈছিল। প্লেটোৱে শিক্ষাব্যৱস্থাৰদ্বাৰা শাৰীৰিক নিয়মানুবৰ্তিতা আৰু ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত সম্পূৰ্ণ শৃংখলতা স্থাপন কৰিবলৈ বিচাৰিছিল। প্লেটোৰ ব্যৱস্থাই পাইথাগোৰীয়সকলৰ সংখ্যাৰ অৱধাৰণা আৰু সংখ্যাগত অনুপাতৰ প্ৰতি শ্ৰদ্ধা প্ৰদৰ্শন কৰিছিল।

প্লেটোৰ শিক্ষাব্যৱস্থাটো এটা মূল স্বীকৃতিৰ ওপৰত থিয় কৰোৱা হৈছিল। এই স্বীকৃতিটো হৈছে—'মানুহৰ মনটোৱে এটা জীৱন্ত পদাৰ্থৰ দৰে কাম কৰে আৰু ই চাৰিওফালৰ অৱস্থাৰ লগত মিলি যাবলৈ চেষ্টা কৰে।" সেই গতিকে শিক্ষাৰ প্ৰধান সমস্যাই হৈছে মানুহৰ মনটোক এক সঠিক পৰিৱেশ আৰু অৱস্থা হজম কৰিবলৈ দিয়া যিটো পৰিৱেশ আৰু অৱস্থাত মানুহৰ মনৰ উপাদানবোৰৰ উত্তৰোত্তৰ বিকাশ সাধন হ'ব পাৰে। মানুহৰ মনৰ দাবীবোৰ শিক্ষাব্যৱস্থাৰদ্বাৰা পূৰণ কৰিব লাগিব আৰু যেতিয়ালৈকে মানুহৰ মনটোৰ উন্নতি আৰু বিকাশ সাধন কৰিবলৈ বল আৰু সামৰ্থ্য থাকে তেতিয়ালৈকে শিক্ষাৰ কাম চলি থাকিব লাগে। এইদৰে শিক্ষাৰ সম্পৰ্ক মানুহৰ জীৱনৰ লগত। জীৱন থাকে মানে শিক্ষাৰো কাম থাকে। কিয়নো মানুহৰ গোটেই জীৱনটোতে মানুহে ইচ্ছা কৰিলে আৰু সুবিধা থাকিলে শিক্ষা লাভ কৰি থাকিব পাৰে। শিক্ষাৰ ঘাই ঘাই মাধ্যমবোৰ হৈছে সেইবোৰ যিবোৰে মানুহৰ মনৰ গঠন আৰু বিকাশত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰে। এই মাধ্যমবোৰ হৈছে— ধৰ্ম, কলা বিজ্ঞান দৰ্শন সামাজিক অনুষ্ঠানবোৰ আৰু চৰকাৰ। প্লেটোৰ মতে বিজ্ঞান আৰু কলাৰ মাজত কোনো বৈৰীভাব নাই। সেইদৰে বাস্তৱ জীৱন আৰু অনুধাবনত লাভ কৰা জীৱনৰ মাজতো কোনো মৌলিক বিৰোধ নাই। এই সকলোবোৰে একেডাল শিকলিৰে একো একোটা আঙঠি হিচাপে কাম কৰা উচিত। তেওঁৰ শিক্ষাব্যৱস্থাটো ঠিকভাৱে পৰ্যায়ভুক্ত কৰা হৈছিল। কিয়নো, এই ব্যৱস্থাটোত প্ৰথমতে কলাৰ চৰ্চা কৰোৱা হৈছিল ইয়াৰ পাছত বিজ্ঞানৰ জ্ঞান দিয়া হৈছিল আৰু শেষত দৰ্শন অধ্যয়ন কৰোৱা হৈছিল।

প্লেটোৱে প্ৰকৃত অভিভাৱকসকলৰ কাৰণে দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰৰ পাঠ্যক্ৰমৰ ওপৰত বেছিকৈ গুৰুত্ব দিছিল। কিয়নো তেওঁৰ মতে দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰৰ অৰ্থ হৈছে প্ৰকৃত যুক্তিসংগত প্ৰণালী আৰু ই মিথ্যা বা ধৰিলোৱা প্ৰণালীৰ সম্পূৰ্ণ পৰিপন্থী। ইয়াৰ আন অৰ্থ হৈছে সম্পূৰ্ণ আৰু প্ৰণালীবদ্ধ জ্ঞান। দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰই প্ৰণালীবদ্ধভাৱে যিকোনো বস্তু বা কামৰে প্ৰকৃত সূত্ৰ আৰু ব্যাখ্যা দিবলৈ চেষ্টা কৰে আৰু সেই গতিকে ইয়াক মানুহৰ জ্ঞানৰ প্ৰধান ভিত্তি বুলি কোৱা হয়।

প্লেটোৱে তেওঁৰ প্ৰাথমিক শিক্ষাৰদ্বাৰা সেই সময়ত গ্ৰীছ দেশত চলি থকা শিক্ষাৰ বিষয়বস্তুবোৰৰ সম্পূৰ্ণ সংস্কাৰ সাধন কৰিবলৈ বিচাৰিছিল।

তেওঁ একেবাৰে এটা নতুন ব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ বিচৰা নাছিল। প্লেটোৱে তেওঁৰ শিক্ষাব্যৱস্থাত এথেন্সৰ শিক্ষাৰ উৎকৰ্ষখিনি আৰু স্পাৰ্টাৰ শিক্ষাৰ উৎকৰ্ষখিনি সামৰি লবলৈ বিচাৰিছিল। তেওঁৰ শিক্ষাব্যৱস্থাৰ আটাইতকৈ মৌলিক অংশটো হৈছে ২০ বছৰৰপৰা ৩৫ বছৰলৈ দিবলগীয়া উচ্চ শিক্ষাৰ আঁচনিখন। তেওঁৰ নিজা স্কুলখনেই এনেধৰণৰ শিক্ষাৰ আদৰ্শস্থান হিচাপে সেৱা আগবঢ়াইছিল। সমসাময়িক গ্ৰীছ দেশত তেওঁৰ স্কুলখনৰ সমকক্ষ আৰু কোনো শিক্ষানুষ্ঠান নাছিল। আভভাৱকসকলৰ উচ্চ শিক্ষাৰ উদ্দেশ্য আছিল তেও লোকৰ বাবে বস্তুগত পাৰদৰ্শিতাৰ সৃষ্টি কৰা আৰু অভিভাৱকসকলৰ শৰীৰ আৰু মনৰ বিকাশ সাধন কৰা।

যোৱেটে প্লেটোৰ শিক্ষা আঁচনিখনত দুটা প্ৰধান প্ৰচলিত ধাৰণা আৰু মতৰ বিৰুদ্ধভাবাপন্ন তথ্য দেখিবলৈ পাইছিল। সেই দুটা হৈছে—সংগীতৰ অসাধাৰণ ব্যৱহাৰ আৰু শৰীৰৰ ওপৰত মনৰ সাপেক্ষিক নিয়ন্ত্ৰণ। কিন্তু যদিহে সংগীতে জনপ্ৰিয় অনুভূতিৰ ওপৰত উত্তেজনাৰ সৃষ্টি কৰে তেনেহ'লে ভালৰ ওপৰতো সংগীতৰ শক্তিশালী প্ৰভাৱ পৰিব। প্ৰত্যেক দেশৰে জাতীয় সংগীত বোৰে মানুহবোৰৰ মনত সুস্থ দেশপ্ৰেমৰ ভাব জাগৰিত কৰি তোলে। কিছুমান বিষয়ত প্লেটো আধুনিক শিক্ষাৰ ধাৰণাৰপৰা পিছ পৰি আছিল আৰু আন কিছুমান বিষয়ত তেওঁৰ শিক্ষাৰ ধাৰণা আধুনিক শিক্ষাৰ ধাৰণাতকৈও আগবঢ়া আছিল কিয়নো তেওঁৰ শিক্ষাব্যৱস্থাই মানুহৰ গোটেইটো জীৱন আৰু মৃত্যুৰ পাছতো কাম কৰিছিল। কিন্তু প্লেটোৱে এইটো বুজিব পৰা নাছিল যে শিক্ষাৰ ব্যক্তিৰ চৰিত্ৰৰ লগত সম্পৰ্ক থাকিব লাগে। তেওঁৰ শিক্ষাব্যৱস্থাই সকলো মানুহৰ মনকে প্ৰায় একে ধৰণে বা একে আহিঁতে আকৰ্ষণ কৰিছিল। আগতেই কৈ অহা হৈছে যে গণৰাজ্যত চিত্ৰিত কৰা প্লেটোৰ শিক্ষাব্যৱস্থাই কেৱল অভিভাৱক শ্ৰেণীটোকহে সামৰি লৈছিল। তেওঁ আমাক কোনো ঠাইত কোৱা নাই কেনেকৈ তেও কাৰিকৰসকলক প্ৰশিক্ষিত কৰি তুলিব। তেওঁৰ ন্যায়ৰ অৱধাৰণা অনুসৰি প্ৰত্যেক মানুহে ৰাষ্ট্ৰই তেওঁৰ ওপৰত অৰ্পণ কৰা কৰ্তব্যখিনি নিজৰ স্থানত থাকি যিমান দক্ষতাৰে পালন কৰিব পাৰি সিমান দক্ষতাৰে পালন কৰিব লাগে। আনহাতে প্লেটোৱে শিক্ষাব্যৱস্থাৰদ্বাৰা কেৱল অভিভাৱকসকলকহে প্ৰশিক্ষিত কৰি তুলিবলৈ বিচাৰিছিল। এই দুটা কথাৰ মাজত এটা অসামঞ্জস্য ওলাই পৰে। তেওঁৰ শিক্ষাব্যৱস্থাই সাহিত্যৰ প্ৰভাৱ কম কৰিছিল আৰু অংকশাস্ত্ৰৰ প্ৰভাৱ বৃদ্ধি কৰিছিল আৰু ইয়াৰদ্বাৰা অংক শাস্ত্ৰৰ প্ৰভাৱক অতিৰঞ্জিত কৰা হৈছিল। তেওঁৰ শিক্ষাব্যৱস্থাই এজন আদৰ্শনীয় দাৰ্শনিকহে সৃষ্টি কৰিছিল এজন আদৰ্শনীয় কামৰ মানুহ বা কাৰ্যবীৰ সৃষ্টি কৰিব পৰা নাছিল আৰু সেই গতিকে ই কেৱল কিছুমান মানুহৰ বাবেহে উপযোগী আছিল সকলোবোৰ মানুহৰ বাবে উপযোগী

নাছিল। তেওঁৰ শিক্ষাতত্ত্বত কিছু পৰিমাণে কৰ্মৰ আদৰ্শ আৰু অনুধাবনৰ আদৰ্শৰ মাজত অস্থিৰতাও আছিল। ইয়াত কেতিয়াবা ভালৰ ধাৰণাকে লক্ষ্য বুলি কোৱা হৈছিল আৰু কেতিয়াবা সমাজসেৱাকে লক্ষ্য স্থান বুলি গণ্য কৰা হৈছিল। এটা সময়ত নিখুঁত আত্মবিকাশকে প্লেটোৱে তেওঁৰ শিক্ষাৰ লক্ষ্য হিচাপে বাছি লৈছিল আৰু আন সময়ত সামাজিক প্ৰগতিৰ ওপৰতহে বেছিকৈ প্ৰাধান্য দিয়া হৈছিল।

প্লেটোৱে শিক্ষাক ৰাষ্ট্ৰ আৰু চৰকাৰৰ সৃষ্টি আৰু কাৰ্য্য হিচাপে নলৈ শিক্ষাৰ ফল হিচাপে চৰকাৰৰ কথা ভাবিছিল। তেওঁৰ অভিভাৱক শাসক সকল তেওঁৰ শিক্ষাব্যৱস্থাৰ ফল আছিল। তেও দঢ়তাৰে বিশ্বাস কৰিছিল যে শাসকীয় কৰ্তব্যৰ লগত বহুলাভিত্তিক জ্ঞান-কৃষ্টি লগ হৈ থাকিব লাগে আৰু ৰাজনীতিজ্ঞসকল দাৰ্শনিক হ'ব লাগে। ইয়াৰপৰা এইটো অৱধাৰণাৰে সৃষ্টি হ'ব যে অভিভাৱক শ্ৰেণীটোৱেই ৰাষ্ট্ৰ। প্লেটোৱে তেওঁৰ সাম্যবাদৰ আঁচনি আৰু শিক্ষাব্যৱস্থাৰদ্বাৰা অভিভাৱক শ্ৰেণীটোক সামৰিক সন্যাসবাদৰ সেৱক কৰি তুলিবলৈ চেষ্টা কৰিছিল। ৩৫ বছৰ বয়সলৈ চলি থকা তেওঁৰ শিক্ষা ব্যৱস্থা কেৱল ব্যয়বহুলেই নাছিল এই শিক্ষাব্যৱস্থাই মানুহৰ উদ্যম আৰু ইচ্ছাশক্তিৰ অৱনতিসাধনো কৰিছিল। কিয়নো ইমান বছৰ বয়সলৈ মানুহৰ উদ্যমশক্তি একেবাৰে নাথাকে। গতিকে তেওঁৰ শিক্ষাব্যৱস্থাক বহুতে আত্ম পৰাজয়ৰ নিদৰ্শন বুলিও সমালোচনা কৰে।

আগতে উল্লেখ কৰা হৈছে যে প্লেটোৱে সকলো প্ৰকাৰ সাহিত্য আৰু কলাৰ ওপৰত কঠোৰ ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ ব্যৱস্থা ৰাখিছিল। শিক্ষাৰ নামত তেও ব্যক্তিসকলৰ বাক স্বাধীনতা বা কথা কোৱাৰ স্বাধীনতা উছৰ্গা কৰিবৰ্ল ওলাইছিল। সমালোচকসকলৰ মতে তেনে ধৰণৰ কঠোৰ অনুশাসন আৰু নিয়ন্ত্ৰণে কলাসুলভ প্ৰতিভাৰ উন্নতি সাধন নকৰি ধ্বংসহে সাধন কৰে। কিয়নো প্ৰতিভাশালী কলাকাৰসকলে তেতিয়া মুক্তভাৱে কলা চৰ্চা কৰিবলৈ সুবিধা নাপায়। যেতিয়া কলাৰ ওপৰত অনুশাসন চলোৱা হয় আৰু ৰাষ্ট্ৰই কলাক নৈতিক উন্নতি সাধন কৰিবলৈ ব্যৱহাৰ কৰে তেতিয়া কলাই মানুহৰ সুন্দৰ অনুভূতি আবেদন ক'ৰব নোৱৰা হয় আৰু ই মানুহৰ অন্তৰৰাজ্যত প্ৰৱেশ কৰিব নোৱাৰে। কল্পনাশক্তিৰ প্ৰভাৱ শিল্পকলা আৰু সাহিত্যত যথেষ্ট পৰিমাণে কমাই দিয়া হৈছিল আৰু ইয়াৰ ফলত চিন্তা ভাবা আৰু সত্যৰ প্ৰকাশত যথেষ্ট বাধাৰ সৃষ্টি হৈছিল। মানুহৰ চিন্তাৰ স্বাধীনতা অতি আৱশ্যকীয় ইয়াৰ অবিহনে মানুহৰ ব্যক্তিত্বৰ বিকাশ অসম্ভৱ।

প্লেটোৱে সত্য ঘটনাৰ বিনিময়ত সাপেক্ষিক নীতিৰ ওপৰত বহুত বেছি গুৰুত্ব দিছিল। ৰাষ্ট্ৰৰ শাসনৰ বাবে অৰ্থনীতি আইন সামৰিক বিজ্ঞান আদি অধ্যয়নৰ গুৰুত্ব তেওঁ বুজিব পৰা নাছিল। এইবোৰৰ পৰিবৰ্তে তেওঁ তাত্বিক

ধাৰণাত উপনীত হ'বলৈ সাপেক্ষিক অংকশাস্ত্ৰ অধ্যয়নৰ ওপৰত অনাৱশ্যকীয় গুৰুত্ব দিছিল। এইটো অত্যন্ত সন্দেহজনক যে অংকশাস্ত্ৰ অধ্যয়নৰদ্বাৰা অভিভাৱকসকল চতুৰ আৰু পৈণত ৰাজনীতিজ্ঞ হ'ব পাৰিবনে ? এই বিষয়ে কোনো সন্দেহ নাই যে অংকশাস্ত্ৰ অধ্যয়নৰদ্বাৰা মানুহৰ মনোযোগশক্তি তীক্ষ্ণ হয় শৃংখলাবোধৰ সৃষ্টি হয় আৰু মানুহৰ মনে প্ৰাকৃতিক ঘটনাবোৰৰ মাজত থকা সংখ্যাগত পাৰ্থক্য সহজে ধৰিব পাৰে। কিন্তু ই মানুহৰ মনৰ উচ্চ বৌদ্ধিক ধাৰণাবোৰৰ বিকাশত বিশেষ সহায় কৰিব নোৱাৰে। সাহিত্যৰ বৌদ্ধিক ধাৰণাবোৰৰ বিকাশত এটা বৃহৎ ভূমিকা পালন কৰিবলগীয়া আছে প্লেটোৱে এই কথাটো ভালদৰে উপলব্ধি কৰিব নোৱাৰিলে ।

এই সকলোবোৰ সমালোচনা থকা সত্ত্বেও এই কথাটো নিসন্দেহে সত্য যে প্লেটোৰ জীৱনজোৰা শিক্ষাব্যৱস্থাই বৰ্তমান আমাৰ সময়লৈকে কিছুমান মূল্যবান বাণী কঢ়িয়াই আনিছে। শিক্ষা আৰু জ্ঞানৰ কোনো পৰিসীমা নাই। নিজৰ জীৱনত কোনেও শিক্ষা আৰু জ্ঞান লাভ কৰি শেষ কৰিব নোৱাৰে। সেই গতিকে পূৰ্ণ শিক্ষা আৰু জ্ঞান সদায় আদৰ্শৰ বস্তু হৈ থাকে। কিন্তু সাধাৰণ মানুহৰ জীৱনজোৰা শিক্ষা লাভ কৰিবলৈ শক্তি আৰু ইচ্ছা কোনো টোৱেই নাই। বেছিভাগ মানুহে জ্ঞান আৰু গুণ লাভৰ বাবে তেওঁলোকৰ বৈষয়িক সুখ সম্ভোগ আৰু ভোগ বিলাস পৰিত্যাগ কৰিবলৈ প্ৰস্তুত নাছিল। প্লেটোৱে এইটো বুজিব পাৰিছিল আৰু সেই গতিকে তেওঁৰ শিক্ষাব্যৱস্থাৰ শেষত মাত্ৰ কিছুমান লোকহে দাৰ্শনিক অভিভাৱক হৈ ওলাব পাৰিছিল। যিসকল লোকৰ জ্ঞান লাভ কৰিবলৈ হেপাহ আছে তেওঁলোকে প্লেটোৱে তেওঁৰ শিক্ষাব্যৱস্থাত সন্নিবেশিত কৰা উপদেশবোৰ অনুকৰণ কৰিব পাৰে। জ্ঞানৰ পূজাৰীসকলে প্ৰথমে ঠিক কৰি ল'ব লাগিব কোনটো বিষয়ৰ জ্ঞান লাভ কৰিবলৈ তেওঁলোকৰ মাদকতা বেছি আৰু সেই জ্ঞান লাভ কৰি আটাইতকৈ বেছি পৰিমাণে আনন্দ পাব। তাৰ পাছত তেওঁ সেই বিষয়টোৰ ওপৰত ডাঙৰ ডাঙৰ পণ্ডিতসকলে দিয়া বক্তৃতা শুনিব লাগিব বিষয়টোৰ ভিতৰৰপৰা তেওঁ কিছুমান মূল কথা বাছি উলিয়াব লাগিব আৰু সেইবোৰৰ অনুসন্ধান আৰু ব্যাখ্যা বিচাৰিব লাগিব। সেই বিষয়টোৰ ওপৰত লিখা প্ৰখ্যাত লেখকসকলৰ গ্ৰন্থ তেও অধ্যয়ন কৰিব লাগিব। তেওঁ তেওঁৰ সীমাবদ্ধতাৰ প্ৰতি সদায় সজাগ থাকিব লাগিব। তেওঁ লাহে লাহে কিন্তু স্থিৰভাৱে আগবাঢ়ি যাব লাগিব। যদি তেওঁ দিনে এঘণ্টাকৈও এই বৌদ্ধিক চৰ্চাত আত্মনিয়োগ কৰে ইয়েই তেওঁক যথেষ্ট জ্ঞানৰ অধিকাৰী কৰিব।

প্লেটোৰ শিক্ষাব্যৱস্থাই যি শাৰীৰিক আৰু মানসিক প্ৰশিক্ষণৰ পাঠ্যক্ৰম যুগেত কৰিছিল ইয়াৰ আৱশ্যকতাৰ প্ৰতি প্ৰশ্ন কৰিবলৈ বিশেষ প্ৰয়োজন নাই। বৰ্তমান যুগত সমাজবাদী পৃথিৱীখনে ৰাষ্ট্ৰৰদ্বাৰা মুক্ত আৰু বাধ্যতামূলক

শিক্ষাব্যৱস্থাৰ নীতি গ্ৰহণ কৰি' কাৰ্যকৰী কৰিছে আৰু ইয়াৰদ্বাৰা সেই দেশবোৰৰ শিক্ষাই সমাজবাদী চিন্তা আৰু কাৰ্যৰ আৰ্হিত মানুহৰ চৰিত্ৰ গঠনত প্ৰভূত বৰঙণি যোগাইছে।

'আইনছ'ত প্লেটোৰ শিক্ষাব্যৱস্থা

গণৰাজ্য'ত প্লেটোৱে যিখন শিক্ষাৰ আৰ্হি দাঙি ধৰিছিল 'আইন'ত তাৰ ভালেখিনি পৰিৱৰ্তন সাধন কৰিছিল। ইয়াত তেওঁ শিক্ষাক দুটা শ্ৰেণীত ভাগ কৰিছিল—আংশিক শিক্ষা আৰু সাধাৰণ শিক্ষা। আংশিক শিক্ষাই আছিল কাৰিকৰী শিক্ষা আৰু সাধাৰণ শিক্ষাৰদ্বাৰা মানুহক নাগৰিকৰ গুণবোৰ শিকোৱা হৈছিল। সাধাৰণ শিক্ষাৰ উদ্দেশ্য আছিল ডেকাসকলক আইনৰ বিষয়বস্তু আৰু জীৱনীশক্তিৰে উদ্বুদ্ধ কৰি তোলা।

প্লেটোৰ মতে জন্মৰেপৰা মানুহৰ শৰীৰৰ গঠন ভাল হ'লে দেখিবলৈ ধুনীয়া হয়। সেই গতিকে নাৰীসকলে সময়ত খোজকঢ়া উচিত আৰু এনেকৈ খোজকঢ়াৰ সময়তে গৰ্ভৱতী নাৰীৰ পেটৰ ভিতৰত সন্তানৰ গঠন আৰম্ভ হয়। জন্ম হোৱাৰ পাছত কেঁচুৱাবোৰক সবল ধাত্ৰীসকলে কোলাত লৈ ফুৰাব লাগে। তিনিবছৰ বয়স নোহোৱালৈকে কেঁচুৱাবোৰক খোজ কাঢ়িবলৈ দিব নালাগে। তিনি বছৰ বয়সলৈকে কেঁচুৱাবোৰক দুখ, কষ্ট দিব আৰু ভয়ৰপৰা যিমান পৰা যায় সিমান মুক্ত কৰি ৰাখিব লাগে। তিনি বছৰৰপৰা ছয় বছৰলৈ সিহঁতক আনন্দত ৰাখিব লাগে। খেলা ধূলাৰ বাবে সিহঁতক গাৱঁৰ মঠ-মন্দিৰবোৰলৈ লৈ যাব লাগে আৰু তাত সিহঁতক ধাত্ৰীসকলৰ তত্ত্বাৱধানত ৰাখিব লাগে। সৰু সৰু ল'ৰা ছোৱালীবোৰৰ তত্ত্বাৱধানকাৰী ধাত্ৰীসকল বাৰজনী তত্ত্বাৱধায়িকাৰ ওচৰত দায়ী থাকিব লাগে আৰু এই বাৰজনী তত্ত্বাৱধায়িকাক প্ৰতি বছৰে বাৰটা ফৈদৰ নাৰীয়ে প্ৰত্যেক ফৈদৰপৰা এজনীকৈ নিৰ্বাচন কৰি দিব লাগে। ছয় বছৰ বয়সত ল'ৰাবোৰে ঘোঁৰাত উঠা আৰু অস্ত্ৰ-শস্ত্ৰ শিক্ষাত অংশ গ্ৰহণ কৰিব লাগে ছোৱালীবোৰেও ইচ্ছা কৰিলে এইবোৰ শিক্ষা গ্ৰহণ কৰিব পাৰে। কিন্তু এই বয়সত ল'ৰাবোৰক ছোৱালীবোৰৰ সংগৰপৰা আঁতৰ কৰিব লাগে। দহ বছৰ বয়সলৈকে ল'ৰা-ছোৱালীবোৰক ব্যায়ামৰ প্ৰশিক্ষণ দিব লাগে। ব্যায়ামৰ প্ৰশিক্ষণৰ দুটা অংশ আছে— নাচ আৰু মল্লযুদ্ধ। নাচৰ অৰ্থ হৈছে স্বাস্থ্য, শক্তি আৰু সৌন্দৰ্যবৃদ্ধিৰ বাবে সংগীতৰ আবৃত্তি কৰা আৰু শৰীৰৰ প্ৰশিক্ষণ দিয়া। ১০ বছৰ বয়সত তেওঁলোকক মাধ্যমিক স্কুললৈ পঠাব লাগে। ১০ বছৰৰপৰা ১৩ বছৰলৈ ল'ৰা-ছোৱালীবোৰে সাহিত্য অধ্যয়ন কৰিব লাগে। এই সময়খিনিত তেওঁলোকে ভালকৈ লিখিবলৈ আৰু পঢ়িবলৈ শিকিব লাগে আৰু পুৰণি গ্ৰিক গ্ৰন্থবোৰ মুখস্থ কৰিব লাগে। দহবছৰ বয়সতে আৰম্ভ হোৱা ব্যায়ামৰ প্ৰশিক্ষণ ১৬ বছৰ বয়সলৈ চলি থাকিব লাগে। ১৩ বছৰৰপৰা ১৬ বছৰলৈ সংগীতৰ প্ৰশিক্ষণ দিব লাগে কিন্তু সংগীতৰ এই প্ৰশিক্ষণত জটিলতা থাকিব নালাগে। সংগীতৰ ৰচনাবোৰ পৰীক্ষা কৰি নিৰ্বাচন কৰিবৰ বাবে ৫০ বছৰৰ বেছি বয়সৰ

মানুহেৰে গঠিত এটা বিচাৰকমণ্ডলী থাকিব লাগে। এই বিচাৰকমণ্ডলীটোৱে নিৰ্বাচন কৰি দিয়াৰ পাছতহে সংগীতৰ ৰচনাবোৰ চৰ্চাৰ বাবে উলিয়াই দিব লাগে। ১৬ বছৰৰপৰা ২০ বছৰলৈ ৪ বছৰ কালৰ বাবে প্লেটোৱে কোনো শিক্ষাৰ ব্যৱস্থা কৰা নাছিল।

আইনত প্লেটোৱে মুক্ত আৰু বাধ্যতামূলক শিক্ষাব্যৱস্থাৰ সপক্ষে তেওঁৰ মত দাঙি ধৰিছিল আৰু এই শিক্ষা ল'ৰা-ছোৱালী উভয়কে দিয়া উচিত বুলি কৈছিল।

পাঠ্যক্ৰমৰ বিষয়ে আলোচনা কৰি তেও কৈছিল যে ৰাষ্ট্ৰই সংগীত চৰ্চা আৰু শিক্ষা নিয়ন্ত্ৰণ কৰিব লাগে। কোনো প্ৰকাৰৰ শোকৰ কথা ক'বলৈ বা শোক প্ৰকাশ কৰিবলৈ অনুমতি দিব নালাগে। কোনো দুৰ্দিনৰ সময়ত শোক প্ৰকাশ কৰিবলগীয়া হ'লেও ভাৰাতীয়া মানুহৰ দ্বাৰাইহে শোক প্ৰকাশ কৰিব লাগে। ভাল বা মংগলৰ কাৰণে প্ৰাৰ্থনাৰ লগতে উছৰ্গাও হ'ব লাগে। অভিভাৱক আৰু বিচাৰকসকলে পৰীক্ষা কৰি অনুমোদন কৰি নিদিয়ালৈকে কোনো কবিতা প্ৰকাশিত আৰু প্ৰচাৰিত হ'ব নালাগে। ভগৱান দেৱ-দেৱতা আৰু বীৰ-বীৰাংগনাসকলক প্ৰাৰ্থনা কৰিব লাগে। পুৰুষ নাৰী নিৰ্বিশেষে কোনো মানুহকে জীৱন কালত প্ৰশংসা কৰিব নালাগে। বিচাৰকসকলৰ অনুমোদন নোহোৱাকৈ কোনো দুখজনক ঘটনাৰ বিৱৰণ প্ৰকাশিত আৰু প্ৰচাৰিত হ'বলৈ অনুমতি দিব নালাগে। দাস আৰু বিদেশীসকলকহে মিলনান্ত নাটকৰ অভিনয় কৰিবলৈ অনুমতি দিব লাগে কিন্তু সেই অভিনয়বদ্বাৰা তেওঁলোকে নাগৰিকসকলক উপহাস কৰিব নোৱাৰিব। জাকজমক আৰু সাহসিক চৰিত্ৰবোৰ মতামানুহবোৰে অনুশীলন কৰিব লাগে আৰু মাইকী মানুহবোৰে অমায়িক আৰু নম্ৰ চৰিত্ৰবোৰৰ অভিনয় কৰিব লাগে।

শিক্ষাবিভাগৰ তদাৰক কৰিবলৈ এজন মন্ত্ৰী লাগিব। তেও বিবাহিত কেইবাটাও ল'ৰা ছোৱালীৰ পিতৃ আৰু ৫০ বছৰৰ ওপৰ বয়সৰ মানুহ হ'ব লাগিব। অভিভাৱকসকলৰ মাজৰপৰা মন্ত্ৰীজন নিৰ্বাচন কৰিব লাগিব। সকলোবোৰ বিচাৰকেৰে গঠিত এটা সমিতিয়ে মন্ত্ৰীজন নিৰ্বাচন কৰিব। শিক্ষামন্ত্ৰী জনেই ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰীও হ'ব। ইয়াৰ উপৰিও দুজন সংগীতৰ পৰীক্ষক আৰু তিনিজন ব্যায়ামৰ পৰীক্ষক লাগিব। সংগীতত মাদকতা থকা সাধাৰণ সভাৰ সদস্যসকলে সংগীতৰ পৰীক্ষক দুজন নিৰ্বাচন ক'ৰিব। প্ৰথম তিনিটা শ্ৰেণীৰ নাগৰিকসকলে দ্বিতীয় আৰু তৃতীয় শ্ৰেণীৰ নাগৰিকসকলৰ মাজৰপৰা ব্যায়ামৰ পৰীক্ষক তিনিজন নিৰ্বাচন কৰিব।

'গণৰাজ্য'ত প্লেটোৱে দ্বন্দ্বাত্মক তৰ্কশাস্ত্ৰৰ ওপৰত বিশেষ জোৰ দিছিল, কিন্তু 'আইনত তেও' ইয়াৰ বিষয়ে কোনো উল্লেখ কৰা নাই। 'আইনত তেওঁ' শাসকসকলৰ বাবে দাৰ্শনিক হোৱাটো অপৰিহাৰ্য্য বুলি বিবেচনা কৰা নাছিল। পাছৰ বয়সত অধ্যয়নৰ বাবে তেওঁ কোনো নিয়মীয়া পাঠ্যক্ৰমৰ ব্যৱস্থা 'আইনত' সন্নিবেশিত কৰা নাছিল।

অষ্টম অধ্যায়

বৃত্তিগত বিশিষ্টকৰণ

প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ আঁচনি তেওঁৰ বৃত্তিগত বিশিষ্টকৰণৰ অৱধাৰণাৰ ওপৰত গঢ়ি তোলা হৈছিল। তেওঁৰ এই বৃত্তিগত বিশিষ্টকৰণৰ তত্ত্বটোৰ ইংগিত ছক্রেটিছৰ এটা মতবাদৰ যোগে হৈছিল। ছক্রেটিছৰ এই মতটো আছিল "চৰকাৰী কাৰ্য্য পৰিচালনাৰ বাবে বিশেষজ্ঞৰ জ্ঞান প্রয়োজন।" প্লেটোৰ সময়ত পেছাদাৰ চৈনিক আৰু পেছাদাৰ বক্তাসকল আছিল আৰু সেই গতিকে বিশিষ্টকৰণৰ গুণ আৰু কাৰ্য্যকাৰিতাৰ বিষয়ে বিবেচনা কৰিবলৈ প্লেটো বাধ্য হৈছিল। ইয়াৰ উপৰিও এথেন্সৰ প্রশিক্ষণবিহীন জনসাধাৰণৰ কিছুমান অপেছাদাৰী অনধিকাৰ চর্চাইও প্লেটোক বিশিষ্টকৰণৰ প্রয়োজনীয়তাৰ বিষয়ে অনুভৱ কৰাইছিল। প্লেটোৰ সময়ত এথেন্সত যি গণতন্ত্ৰ চলিছিল তাৰ অধীনত অজ্ঞ আৰু অনভিজ্ঞ জনতাই বিশেষজ্ঞসকলৰ স্থান দখল কৰিছিল আৰু প্রত্যেকে নিজৰ ইচ্ছামতে সকলো কাম কৰিবৰ অধিকাৰ বিচাৰিছিল। গতিকে সেই সময়ৰ গণতন্ত্ৰৰ অৱধাৰণা প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ অৱধাৰণাৰ সম্পূৰ্ণ পৰিপন্থী আছিল। কিয়নো প্লেটোৰ আদর্শ ৰাষ্ট্ৰৰ ভেটি আছিল বৃত্তিগত বিশিষ্টকৰণ। এই বৃত্তিগত বিশিষ্টকৰণ কৰা হৈছিল মানুহৰ প্রকৃতিগত গুণ আৰু ইয়াৰ ওপৰত ভিত্তি কৰি আৰু ৰাষ্ট্ৰ পৰিচালনাৰ দায়িত্ব দিয়া হৈছিল বিশেষভাৱে তুলি তালি ডাঙৰ-দীঘল আৰু প্রশিক্ষিত কৰি তোলা এটা অভিভাৱক শ্ৰেণীৰ ওপৰত। স্পাৰ্টাবাসীসকলে সামৰিক পাৰদৰ্শিতাৰ ওপৰত বেছি গুৰুত্ব দিছিল। প্লেটোৱে সামৰিক পাৰদৰ্শিতাৰ আৱশ্যকতা নুই কৰা নাছিল। কিন্তু স্পাৰ্টাৰ শিক্ষাব্যৱস্থাই সামৰিক পাৰদৰ্শিতাৰ সৃষ্টি কৰিবলৈ যে যি সমৰুপতা আৰু মূৰ্খতা গঢ়ি তুলিছিল প্লেটোৱে সেইটো বিপদ আঁতৰ কৰিবলৈ মানুহৰ প্রবৃত্তি, ইচ্ছা আৰু বুদ্ধি-বৃত্তিৰ ওপৰত ভিত্তি কৰি বৃত্তিগত বিশিষ্টকৰণৰ ব্যৱস্থা আগবঢ়াইছিল।

প্লেটোৰ বৃত্তিগত বিশিষ্টকৰণৰ মতবাদটো মানুহৰ পাৰস্পৰিক আৱশ্যকতা আৰু শ্ৰমৰ বিভাজনৰ আৱশ্যকতাৰ অৱধাৰণাৰ ওপৰত প্রতিষ্ঠিত। মানুহৰ পাৰস্পৰিক আৱশ্যকতাৰ পৰাই সমাজৰ জন্ম হৈছে। এখন সমাজত বাস কৰি থকা মানুহবোৰৰ বহুতো আৱশ্যকতা আৰু অভাৱ-অসুবিধা থাকে। কোনো মানুহে ব্যক্তিগতভাৱে নিজৰ সকলোবোৰ আৱশ্যকতা আৰু অভাৱ মোচন কৰিব নোৱাৰে। এইটো কৰিবলৈ কাৰো বাবে সময় আৰু সামৰ্থ্য থকাটো সম্ভৱ। প্লেটোৰ ভাষাত "আমি কোনেও নিজতে সর্বাংগসম্পূর্ণ হৈ জন্ম গ্ৰহণ কৰা নাই।

আমি সকলোৱে একে নহয় আমাৰ বেলেগ বেলেগ আকৃতি-প্ৰকৃতি আছে। আমাৰ ভিতৰত কোনোবা এজন কোনো এটা কাম কৰিবলৈ উপযুক্ত আৰু আন এজন হয়তো অন্য এটা কাম কৰিবলৈ উপযুক্ত । প্ৰত্যেকৰে ন্যূনতম আহাৰ কাপোৰ কানি ঘৰ-দুৱাৰৰ প্ৰয়োজনীয়তা আছে। এই ন্যূনতম আৱশ্যকতা-খিনি পূৰণ কৰিবলৈ হ'লেও আমাক বহুতো বস্তু লাগে। নিজৰ বাবে ন্যূনতম আৱশ্যকীয় বস্তুখিনি প্ৰস্তুত কৰি লোৱা বা যোগাৰ কৰি লোৱাটো সাধাৰণতে প্ৰায় সকলোবোৰ ব্যক্তিৰ কাৰণেই সামৰ্থ্যৰ বাহিৰত। ইয়াৰ ফলতেই ব্যক্তিবোৰৰ মাজত সহায় সহযোগিতাৰ প্ৰয়োজন হয় ইজন ব্যক্তিয়ে সিজন ব্যক্তিৰ সহায় সহযোগিতা বিচাৰিবলগীয়া হয়। এই প্ৰয়োজনীয়তাৰ বাবেই ব্যক্তিবোৰ লগ লাগে আৰু তেওঁলোকৰ অভাৱ অসুবিধাবোৰ পূৰণ কৰিবলৈ অৰ্থনৈতিক সংস্থা গঠন কৰে। ইয়াৰ পাছতে তেওঁলোকে বিশিষ্টকৰণৰ সা সুবিধাবোৰ শিকিবলৈ আৰু বুজিবলৈ আৰম্ভ কৰে। এইবোৰ কথা বুজিবলৈ তেওঁলোকৰ বেছি সময় লগা নাছিল। প্লেটোৰ মতে সকলোবোৰ বস্তুকে যথেষ্ট পৰিমাণে আৰু সহজে উৎপন্ন কৰিব পৰা যায় আৰু এই উৎপাদিত বস্তুবোৰৰ গুণো বেছি ভাল হয় তেতিয়াহে যেতিয়া এজন মানুহে তেওঁৰ বাবে উপযুক্ত এটা কামহে কৰে আৰু সেই কামটো ঠিক সময়ত কৰে আৰু আনবোৰ কাম কৰিবলৈ এৰি দিয়ে।' প্ৰকৃতিৰ নিয়ম অনুসৰি এই এজন মানুহৰ বাবে এটা কাম নীতিটোৰ ফলস্বৰূপে আন কিছুমান আনুসংগিক নীতি মানি চলিবলগীয়া হয়। সেই নীতিবোৰ কাৰ্যকৰী কৰিলেহে শ্ৰমৰ বিভাজন পাৰস্পৰিক আৱশ্যকতাৰ সন্তুষ্টি আৰু সেৱাৰ বিনিময় সম্ভৱপৰ কৰি তুলিব পাৰি। প্ৰকৃততে বিভিন্ন সেৱাৰ মাজত ঠিকভাৱে বিনিময় কৰিব লাগিলেই শ্ৰমৰ সঠিক বিভাজন কৰিব লাগিব আৰু কাৰ্যৰ বিশিষ্টকৰণ বন্যপ্ৰাণীৰ দৰে কেৱল প্ৰকৃতিগত প্ৰবৃত্তিবোৰৰ ওপৰত ভিত্তি কৰি কৰা নহয় ইয়াৰ প্ৰধান ভিত্তি হৈছে উদ্দেশ্যধৰ্মী পৰিচালনা আৰু ন্যায়ৰ গুণাৱলী। যিখন সমাজত মানুহে মুক্তভাৱে সংবিদা আৰু অনুবন্ধ সম্পাদন কৰিবলৈ সামাজিক সম্বন্ধবোৰ স্থাপন কৰি লয় প্লেটোৰ বৃত্তিগত বিশিষ্ট-কৰণৰ অৱধাৰণাটো সেইখন সমাজৰ অৱধাৰণাৰ লগত একে নহয়।

প্লেটোৰ ন্যায়ৰ অৱধাৰণাৰপৰাই তেওঁৰ বৃত্তিগত বিশিষ্টকৰণৰ মতা-মতটো প্ৰত্যক্ষভাৱে আহিছে। তেওঁৰ ন্যায়ৰ অৱধাৰণাত আমি পাই আহিছোঁ যে সমাজত প্ৰত্যেক মানুহে নিজৰ স্থানত থাকি তেওঁৰ বাবে উপযুক্ত আৰু তেওঁৰ ওপৰত ৰাষ্ট্ৰই অৰ্পণ কৰা কামটো তেওঁৰ সাধ্যানুসৰি উৎকৃষ্টভাৱে কৰিব লাগে আৰু কোনেও কাৰো কামত হস্তক্ষেপ কৰিব নালাগে। সেইমতে এজন মানুহে ৰাষ্ট্ৰই তেওঁৰ ওপৰত অৰ্পণ কৰা কামটো উৎকৃষ্টভাৱে সম্পন্ন কৰিব লাগে কিয়নো, ৰাষ্ট্ৰ আৰু তেওঁৰ উন্নতি আৰু প্ৰগতিৰ বাবে তেওঁৰ সেই কামটোৰ বাবেই আটাইতকৈ বেছি উপযুক্ত।' প্লেটোৰ মতে সমাজখন এটা সেৱা

ব্যৱস্থাহে। ইয়াত থকা প্ৰত্যেক মানুহে দিবও লাগে আৰু পাবও লাগে। এখন আদৰ্শ ৰাষ্ট্ৰত মানুহৰ প্ৰয়োজনীয়তা আৰু অভাৱবোৰৰ সম্পূৰ্ণ হিচাপ ৰাষ্ট্ৰৰ হাতত থাকিব লাগে আৰু ৰাষ্ট্ৰই সেই আটাইবোৰৰ সন্তুষ্টিৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব লাগে। ইয়াৰ বাবে বিভিন্ন সেৱাবোৰৰ মাজত বিনিময় ঘটোৱাৰ প্ৰয়োজন হয় আৰু ৰাষ্ট্ৰই আটাইতকৈ সুশৃংখলিতভাৱে এই বিনিময় ব্যৱস্থা গ্ৰহণ কৰিব লাগে। প্ৰকৃতিয়ে মানুহক মুক্ত ইচ্ছা আৰু মুক্তভাৱে কাম কৰাৰ সামৰ্থ্য আৰু বিশেষ সা-সুবিধা দান কৰিছে। কিন্তু ৰাষ্ট্ৰই ব্যক্তিক যিমান স্বাধীনতা আৰু অধিকাৰ দিয়ে সেইখিনিৰে ব্যক্তিয়ে তেওঁৰ মুক্ত ইচ্ছাক কাৰ্যকৰী কৰিব নোৱাৰে। তদুপৰি ব্যক্তিৰ ওপৰত যিবোৰ সামাজিক দায়িত্ব অৰ্পণ কৰা হয় সেইবোৰ পালন কৰিবলৈও সমাজত সেৱাৰ বিনিময় অত্যাৱশ্যকীয়া হয়।

কাৰ্যৰ বিশিষ্টকৰণৰ প্ৰয়োজনীয়তা আৰু উপকাৰিতাৰ বিষয়ে বহলভাৱে কওঁতে প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ মানুহবোৰক তিনিটা ভাগত ভাগ কৰিছিল —(ক) অভিভাৱকসকল, (খ) সৈনিক আৰু প্ৰশাসকসকল, আৰু (গ) কাৰিকৰ আৰু খেতিয়কসকল। এই প্ৰত্যেকভাগ মানুহৰ ওপৰত ৰাষ্ট্ৰই নিৰ্দিষ্ট কামৰ ভাৰ অৰ্পণ কৰে আৰু প্ৰত্যেক ভাগৰ অন্তৰ্ভুক্ত মানুহবোৰে নিজৰ ওপৰত অৰ্পণ কৰা কাম সম্পন্ন কৰিবলৈ তেওঁৰ সমস্ত শক্তি সামৰ্থ্য আৰু মনোযোগ দিব লাগে। জীৱিকাৰ বাবে কৰিবলগীয়া অৰ্থনৈতিক কাম কাজ ৰাষ্ট্ৰক শত্ৰুৰ হাতৰপৰা ৰক্ষা কৰা আৰু চৰকাৰ পৰিচালনা কৰা— এই তিনিটাই ৰাষ্ট্ৰৰ অত্যাৱশ্যকীয় আৰু প্ৰধান কাম। এই তিনিটা প্ৰধান কামক তিনিটা বৃত্তিত পৰিণত কৰা হৈছে আৰু তিনিটা বৃত্তিকে তিনিশ্ৰেণীৰ মানুহৰ ওপৰত অৰ্পণ কৰা হৈছে। আগতেই উল্লেখ কৰি অহা হৈছে যে উন্নত আৰু উৎকৃষ্ট মানুহ সৃষ্টি কৰিবলৈ আৰু গঢ়ি তুলিবলৈ ৰাষ্ট্ৰৰ জন্ম দিয়া হৈছে আৰু সেই গতিকে বিশেষ ধৰণৰ সহায়-সহযোগিতা আৰু বৃত্তিগত বিশিষ্টকৰণৰ মূলতো আছিল ক্ষুধা, সাহস, বুদ্ধি আদি মানৱীয় গুণবোৰ। মানুহৰ গাত আৰু মনত এই গুণবোৰ থকা বাবেই মানুহে সহায়-সহযোগিতাৰ আশ্ৰয় লয় আৰু নিজৰ সুবিধাৰ কাৰণে বৃত্তিগত বিশিষ্টকৰণো মানি লয়। এই গুণবোৰৰ কাৰণেই মানুহবোৰক প্লেটোৱে শ্ৰমিক, সৈনিক আৰু দাৰ্শনিক শাসক নামৰ তিনিটা বৃত্তিধাৰী শ্ৰেণীত ভাগ কৰিছিল। প্লেটোৱে সমাজৰ মানুহবোৰক যিভাৱে শ্ৰেণীবিভক্ত কৰিছিল পাইথাগোৰীয়ানসকলেও তেনেকৈ সমাজখনক ভাগ কৰিছিল। সমসাময়িক ইজিপ্টতো সমাজৰ মানুহবোৰক তিনিটা শ্ৰেণীত ভাগ কৰা হৈছিল। অৰ্থনৈতিক ক্ষেত্ৰত প্ৰথমে বৃত্তিগত বিশিষ্টকৰণৰ আৰম্ভ হৈছিল আৰু তাতেই প্ৰথমে মানুহবোৰে ইয়াৰ উপযোগিতা আৰু সুফলবোৰ দেখিবলৈ পাইছিল আৰু ইয়াৰ বাবেহে ইয়াক সমাজৰ অন্যান্য

ক্ষেত্ৰলৈ সম্প্ৰসাৰিত কৰা হৈছিল। বিশিষ্টকৰণৰ ফলত যদি এজন সাধাৰণ মানুহৰ সামৰ্থ্য আৰু কাৰিকৰী জ্ঞানৰ উন্নতি সাধন হয় তাতেৰ মানুহবোৰৰ ক্ষেত্ৰত ইয়াৰ প্ৰয়োগ হ'লে ইয়াৰ ফল বেছি গভীৰ আৰু সুদূৰপ্ৰসাৰী হ'ব। বিশিষ্টকৰণে যদি এজন জোতা চিলাইকাৰীৰ সামৰ্থ্য আৰু কাৰিকৰী জ্ঞান বঢ়াব পাৰে ই নিশ্চয় এজন সৈনিক আৰু এজন অভিভাৱকক নিখুঁত কৰি গঢ়ি তোলাত সহায় কৰিব।

প্লেটোৱে দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে ব্যক্তিগত বিশিষ্টকৰণৰদ্বাৰাহে ৰাষ্ট্ৰৰ একীকৰণ সম্ভৱপৰ হ'ব। তেওঁ ৰাষ্ট্ৰৰ একীকৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তেওঁ এইটো ভাবিছিল যে বিশেষভাৱে গঢ়ি তোলা আৰু প্ৰশিক্ষিত কৰি তোলা এটা সুকীয়া শ্ৰেণীৰ হাতত চৰকাৰ পৰিচালনাৰ দায়িত্ব অৰ্পণ কৰিলে ক্ষমতাৰ গাদী দখল কৰাৰ বাবে মানুহবোৰে ভাল বেয়া নানা উপায়ে কৰা উদ্যোগ গ্ৰহণ কৰে সেইবোৰৰ অৱসান ঘটিব আৰু ইয়াৰ বাবে মানুহৰ শক্তি আৰু সময়ৰ অপচয় নঘটিব অযথা শত্ৰুতা আৰু অবিশ্বাসৰ নাইকিয়া হ'ব। এইবোৰেই সেই সময়ৰ এথেন্সক ঘেৰি আছিল। প্ৰত্যেকটো বৃত্তিধাৰী শ্ৰেণীয়ে নিজৰ সীমাৰ ভিতৰতে কাৰ্য্য কৰি থাকিলে আৰু কোনেও কাৰো সীমা পাৰ হৈ আনৰ ক্ষেত্ৰত হস্তক্ষেপ নকৰিলে কোনো প্ৰকাৰৰ শ্ৰেণীকলহ সৃষ্টি নহয়। শ্ৰেণীকলহ আৰু শ্ৰেণী সংগ্ৰাম সৃষ্টি হ'লে ৰাষ্ট্ৰত সামাজিক আৰু ৰাজনৈতিক বিশৃংখলা ঘটে আৰু ইয়াৰ ফলত ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ ভিতৰত থকা জনসাধাৰণৰ উন্নতি ব্যাহত হৈ যায়। সেয়ে নহ'লে ৰাষ্ট্ৰত থকা মানুহবোৰৰ মাজত ঐক্যৰ জৰীডাল বেছি শকত আৰু টান হয় আৰু লাহে লাহে মানুহবোৰৰ মনৰ পৰা স্বাৰ্থপৰতাৰ ভাব আঁতৰি যাবলৈ ধৰে। কিয়নো, এজন মানুহে তেওঁৰ নিজৰ ক্ষেত্ৰত সীমা পাৰ হৈ গৈ আনৰ ক্ষেত্ৰত প্ৰৱেশ কৰাটোতেই স্বাৰ্থপৰতাৰ বীজ নিহিত হৈ থাকে। ব্যক্তিগত বিশিষ্টকৰণ প্ৰতিষ্ঠিত হ'লে প্ৰায়বোৰ ক্ষেত্ৰতে চলি থকা অনাৱশ্যকীয় আৰু সীমাহীন প্ৰতিযোগিতাৰ অৱসান ঘটিব আৰু ইয়াৰ ফলত শান্তি ঐক্য আৰু কাৰ্য্যকৰী পাৰদৰ্শিতাৰ প্ৰভূত পৰিমাণে বৃদ্ধি পাব। প্লেটোৰ ভাষাত—"উদ্দেশ্যটো এয়ে আছিল প্ৰকৃতিয়ে দিয়া জ্ঞান আৰু সামৰ্থ্যখিনি ব্যৱহাৰ কৰিবলৈ প্ৰত্যেকজন মানুহকে এটা কামত নিয়োগ কৰা উচিত। এজন মানুহক মাত্ৰ এটা কাম দিব লাগে আৰু তেতিয়া প্ৰত্যেকজন মানুহে তেওঁৰ নিজা কাম কৰিব, প্ৰত্যেকজন মানুহ এজন হৈ থাকিব বহুত নহয়। গতিকে গোটেই ৰাষ্ট্ৰখনেই এখন হৈ থাকিব, বহুত হৈ নাযায়।'।

বৃত্তিগত বিশিষ্টকৰণৰ ওপৰত ভিত্তি কৰি প্লেটোৱে ৰাষ্ট্ৰখনক তিনিটা ভাগত বিভক্ত কৰিছিল। ইয়াৰ ভিতৰত তৃতীয় শ্ৰেণীটোত তেওঁ কেৱল খেতিকাৰী বা স্বাস্থ্য উৎপাদনকাৰী কাৰিকৰলকল আৰু খেতিয়কসকলক অন্তৰ্ভুক্ত

কৰা নাছিল, ইয়াৰ ভিতৰত তেওঁ বহুতো নাগৰিকক অন্তৰ্ভুক্ত কৰিছিল। এই শ্ৰেণীটোত মানুহ অন্তৰ্ভুক্ত কৰোঁতে তেওঁ মানুহবোৰৰ অৰ্থনৈতিক মানদণ্ডৰ কথা বিবেচনা কৰা নাছিল। আদৰ্শ ৰাষ্ট্ৰত প্লেটোৱে অৰ্থনৈতিক ভিত্তিত সমাজৰ বিভাজন কৰা নাছিল মানুহে ৰাষ্ট্ৰ আৰু সমাজৰ বাবে আগ-বঢ়োৱা বিভিন্ন সেৱাৰ ওপৰত ভিত্তি কৰিহে সমাজৰ বিভাজন কৰিছিল। কিন্তু প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰত ওপৰৰ শ্ৰেণী দুটাৰ মানুহবোৰৰ বাবে ব্যক্তিগত সম্পত্তিৰ সুবিধা ৰখা নাছিল। গতিকে এইটো সত্যই আছিল যে শ্ৰমজীৱিসকল বৃত্তিধাৰী কাৰিকৰসকল আৰু শ্ৰমিক নিয়োগকাৰীসকল আদি তৃতীয় শ্ৰেণীৰ মানুহবোৰৰ হাতত ৰাষ্ট্ৰৰ সমস্ত সম্পত্তি আছিল আৰু সেই গতিকে তেওঁলোকক অৰ্থনৈতিকভাৱেও ওপৰৰ শ্ৰেণী দুটাত অন্তৰ্ভুক্ত মানুহবোৰৰ মাজৰ পৰা সহজে বিচাৰি উলিয়াব পাৰি।

শাসক সৈনিক আৰু উৎপাদনকাৰী—এই তিনিটা শ্ৰেণীৰ মানুহেৰে ভৰা প্লেটোৰ শ্ৰেণীৰাষ্ট্ৰ দ্বৈতনীতিৰ ওপৰত গঢ়ি তুলিবলৈ বিচৰা হৈছিল। এই নীতি দুটা হৈছে—কাৰ্য্যৰ বিভাজন আৰু গুণ লাভৰ বাবে সামৰ্থ্য। শ্ৰমিক, কাৰিকৰ, খেতিয়ক শ্ৰমিক নিয়োগকৰ্তা আদি উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰে বেলেগ বেলেগ কাম কৰে কিন্তু তেওঁলোক পৰস্পৰ সমান। তেওঁলোক আটাইবোৰেই নিকৃষ্ট গুণৰ মানুহ। অভিভাৱক শ্ৰেণীৰ মানুহবোৰৰ লগত তেওঁলোকৰ এই সমতা নাই। অভিভাৱক শ্ৰেণীৰ মানুহবোৰ বেছি ভাল মানুহ তেওঁলোকৰ গুণ বেছি। গতিকে এই শ্ৰেণীৰ মানুহবোৰ গুণত উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰতকৈ শ্ৰেষ্ঠ। আকৌ অভিভাৱকসকলৰ ভিতৰতো সৈনিকসকলতকৈ শাসকসকলৰ গুণ বেছি। সেই গতিকে শাসকসকল সৈনিকসকলতকৈ উৎকৃষ্ট। আগতে উল্লেখ কৰাই হৈছে যে প্লেটোৰ আদৰ্শৰাষ্ট্ৰ শ্ৰেণীৰাষ্ট্ৰ আছিল। তেওঁ গুণৰব্যৱস্থাহে কৰ্তৃত্বৰ পৰিচয় দিয়াটো পচন্দ কৰিছিল। সেই গতিকে তেওঁ বিশ্বাস কৰিছিল যে উক্ত শ্ৰেণীৰ অভিভাৱক থকা এখন ৰাষ্ট্ৰত গুণ আহৰণৰ দৃষ্টিৰে বিচাৰ কৰিলেহে মানুহৰ মাজত অসমতা থকাটো স্বাভাৱিক। তেওঁৰ মতে উৎপাদনকাৰী শ্ৰেণীটোৰ মানুহবোৰে জ্ঞান আৰু গুণৰ প্ৰতিনিধিত্ব কৰা অভিভাৱকসকলৰ পৰিচালনা আৰু নিয়ন্ত্ৰণ মানি চলা উচিত আৰু ইয়াৰ ফলত উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰে লাভ হ'ব লাগে। কিয়নো উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰৰ নিজকে চলাই নিয়াৰ আৰু নিয়ন্ত্ৰণ কৰিবলৈ বুদ্ধি-বৃত্তিৰ অভাৱ, তেওঁলোকে নিজৰ স্বাৰ্থ আৰু হিতৰ বাবে নিজেই কাম কৰিব নোৱাৰে। সেই গতিকে অভিভাৱক শ্ৰেণীৰদ্বাৰা পৰি-চালিত আৰু নিয়ন্ত্ৰিত হোৱাটো তেওঁলোকৰ নিজৰ বাবেই প্ৰয়োজন আৰু ই ৰাষ্ট্ৰৰ উন্নতি আৰু প্ৰগতিতো সহায় কৰে।

গণৰাজ্যত প্লেটোৱে বৃত্তিগত বিশিষ্টকৰণৰ ভিত্তিত নিজৰ আদৰ্শৰাষ্ট্ৰৰ ছবি আঁকিছিল আৰু তাৰ বিচাৰ সামৰিক পৰিধি আঁকিলে সেইটোক প্ৰতিভাৰ...

বুলি বৰ্ণনা কৰা হৈছিল। সেই সমাজখনত যিটো তৃতীয় শ্ৰেণী আছিল তাৰ ভিতৰত আধুনিক শ্ৰমিক শ্ৰেণী বা শিল্পৰ শ্ৰমিকসকলকো ধৰা হৈছিল। প্ৰকৃততে গণৰাজ্যত জাতিৰ কোনো ব্যৱস্থাই নাছিল। মানুহ জাতিগতভাৱে জন্মে আৰু ইয়াৰপৰা ওলাই যাব নোৱৰা হয়। এইটো অৱশ্যে সঁচা যে প্লেটোৱে মানুহৰ পূৰ্বপুৰুষগত শক্তিশালী প্ৰভাৱত দৃঢ়ভাৱে বিশ্বাস কৰিছিল আৰু প্ৰত্যেক মানুহক তেওঁ নিজৰ শ্ৰেণীত স্বাভাৱিক স্থানত বহুৱাইছিল—যিটো শ্ৰেণীৰপৰা তেও আহিছিল। সেই গতিকে প্লেটোৱে ল'ৰা ছোৱালীবোৰে সাৱধানেৰে সুপ্ৰজননৰ নিয়ম নীতিবোৰ মানি চলিব লাগে বুলি মত প্ৰকাশ কৰিছিল আৰু তাৰ বাবে বিহিত ব্যৱস্থাও কৰিছিল। কিন্তু প্লেটোৱে যিটো শ্ৰেণীবিভাগ কৰিছিল সেইটোও সম্পূৰ্ণ আৰু প্ৰশস্ত নাছিল। বিভিন্ন শ্ৰেণীত অন্তৰ্ভুক্ত মানুহবোৰে তেওঁলোকৰ জীৱনৰ আগডোখৰত বহুতো পৰীক্ষা নিৰীক্ষাৰ সম্মুখীন হ'বলগীয়া হৈছিল। তেওঁলোকৰ চৰিত্ৰ আৰু বুদ্ধি বৃত্তিৰ বিচাৰ কৰিবলৈ এই পৰীক্ষা নিৰীক্ষাবোৰ কৰা হৈছিল আৰু এইবোৰৰ সহায়তে নিম্নশ্ৰেণীৰ মানুহক ওপৰ শ্ৰেণীলৈ উন্নীত কৰা হৈছিল আৰু সেইদৰে উচ্চ শ্ৰেণীৰ মানুহকো নিম্নশ্ৰেণীলৈ অধোনমিত কৰা হৈছিল। প্ৰকৃতিপ্ৰদত্ত মানসিক গুণ আৰু সামৰ্থ্যৰ ওপৰত ভিত্তি কৰিয়েই এই উন্নতি অৱনতিবোৰ সংঘটিত কৰা হৈছিল। সামৰ্থ্য আৰু চৰিত্ৰৰ বলতে মানুহে নিজৰ জীৱন ভালদৰে গঢ়ি তুলিব পাৰিছিল। প্লেটোৰ ভাষাত তোমালোকৰ কিছুমানৰ আদেশ দিবৰ সামৰ্থ্য আৰু শক্তি আছে। যিসকলৰ আদেশ দিবৰ সামৰ্থ্য আছে তেওঁলোকৰ গঠনত প্লেটোৱে সোণ মিহলি হৈ থকা বুলি কৈছিল যিহৰ বাবে তেওঁলোকে সমাজত সবাতোকৈ বেছি সন্মান লাভ কৰিব পাৰিছিল। আন কিছুমানৰ গঠনত তেওঁ ৰূপ মিহলি হৈ থকা দেখিবলৈ পাইছিল আৰু সেইসকলেই আছিল ৰাষ্ট্ৰ ৰক্ষাকাৰী সৈনিক। আকৌ, আনবোৰ আছিল মাটি চহাই শস্য উৎপাদন কৰা খেতিয়কসকল আৰু কাৰিকৰসকল। তেওঁলোকৰ শাৰীৰিক গঠনত লো আৰু পিতল মিহলি হৈ থকা বুলি প্লেটোৱে কৈছে আৰু এওঁলোকৰ ল'ৰা ছোৱালীবোৰৰ গাতো একে উপাদান থাকি যোৱাটো স্বাভাৱিক। কিন্তু সকলোবোৰ মানুহেই এটা মৌলিক গোত্ৰৰপৰা আহিছে আৰু সেই গতিকে কেতিয়াবা কেঁতিয়াবা সোণ গাত থকা বা সোণালী পিতৃ-মাতৃৰো ৰূপালী পুত্ৰ জন্মিব পাৰে আৰু সেইদৰে ৰূপ গাত থকা বা ৰূপালী পিতৃ-মাতৃৰো সোণালী পুত্ৰ জন্মিব পাৰে। অৰ্থাৎ শাসক পিতৃ মাতৃৰপৰাও সৈনিক পুত্ৰৰ জন্ম হ'ব পাৰে আৰু সেইদৰে সৈনিক পিতৃ-মাতৃৰপৰাও শাসক পুত্ৰৰ জন্ম হোৱাটো একো আচৰিত কথা নহয়। এই কথাখিনিৰপৰা এইটো স্পষ্ট হৈ ওলাই পৰিছে যে প্লেটোৰ সমাজ-ব্যৱস্থাত জাতিব্যৱস্থাৰ কোনো দৃঢ়তা নাছিল৷ দাৰ্শনিকসকলেহে প্লেটোৰ দৃষ্টিত সৰ্বোচ্চ শ্ৰেণীৰ মানুহ আছিল পুৰোহিতসকল নহয় আৰু কেৱল দাসসকলেই আটাইতকৈ নিম্নশ্ৰেণীৰ মানুহ বুলি তেওঁ গণ্য কৰা নাছিল। তেওঁ ওপৰ শ্ৰেণীৰ

মানুহবোৰৰ হাতত সম্পত্তিৰ সমাবেশ ঘটাবলৈ আৰু তেওঁলোকৰ মাজতে সম্পত্তি সীমাবদ্ধ কৰি ৰাখিবলৈ বিচৰা নাছিল। নিম্নশ্ৰেণীৰ মানুহবোৰৰ মাজতহে সম্পত্তি সীমাবদ্ধ কৰি ৰাখিবলৈ ইচ্ছা কৰিছিল। 'আইন' নামৰ গ্ৰন্থত তেওঁ ৰাষ্ট্ৰখনৰ মানুহবোৰক তিনিটা শ্ৰেণীত ভাগ কৰাটো বাদ দি কেৱল দুটা শ্ৰেণীৰ মাজতহে ভাগ কৰিছিল। সেই দুটা শ্ৰেণী হৈছে— (ক) ব্যৱসায় বাণিজ্যত নথকা মুক্ত মানুহবোৰ আৰু (খ) শ্ৰমশিল্পত কাম কৰা মানুহবোৰ। তেওঁ ৰাষ্ট্ৰৰ জনসংখ্যাক সম্পত্তি অনুসৰি চাৰিটা শ্ৰেণীত বিভক্ত কৰিছিল। প্লেটোৱে ব্যক্তিগত বিশিষ্টকৰণৰ ভিত্তিত ৰাষ্ট্ৰখনত মানুহবোৰক বিভক্ত কৰাৰ উদ্দেশ্য আছিল ৰাষ্ট্ৰত ঐক্য সংহতি আৰু কাৰ্য্যকৰী পাৰদৰ্শিতাৰ প্ৰগতি সাধন কৰা। কিন্তু সকলো সময়তে বিশিষ্টকৰণে কাৰ্য্যকৰী পাৰদৰ্শিতাত সহায় নকৰে আৰু ইয়াৰদ্বাৰা কিছুমান কামৰ গতিও ক্ষীপ্ৰ নহয়। বিশিষ্টকৰণ নিঃসন্দেহে এটা ভাল কাম কিন্তু প্লেটোৱে বিশিষ্টকৰণক ইমান ভাল পাইছিল যে তেওঁ সম্ভৱতঃ অন্ধভাৱেই কেইটামান গুৰুত্বপূৰ্ণ কথাৰ প্ৰতি আৱশ্যকীয় মনোযোগ দিবলৈ পাহৰি গৈছিল।

মানুহ মূলতঃ এটাই—এই কথাটো তেওঁ ভালদৰে আৰু যথেষ্ট পৰিমাণে উপলব্ধি কৰিব পৰা নাছিল। এজন মানুহৰ ব্যক্তিত্ব এটা জটিল বস্তু আৰু ইয়াক কিছুমান পৃথক অনমনীয় ভাগত বিভক্ত কৰিব নোৱাৰি। প্ৰায়বোৰ মানুহৰে গাত আৰু মনত ক্ষুধা সাহস আৰু যুক্তি এই তিনিওটা উপাদানেই থাকে, কাৰোবাৰ কোনোবা এটা উপাদানৰ পৰিমাণ বেছি থাকে আৰু বাকী দুটাৰ পৰিমাণ কম থাকে, যাৰ যিটো উপাদানৰ পৰিমাণ বেছি থাকে সেইটো উপাদানে আন দুটা উপাদানৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰে। এনেকৈ কিছুমান মানুহৰ দুটা উপাদানৰ পৰিমাণ সমানো থাকিব পাৰে আৰু তেনে ধৰণৰ মানুহে আৱশ্যক অনুযায়ী উপাদানবোৰ ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে, এজন মানুহৰ সাহস বেছি আছে, কিন্তু তেওঁৰ যুক্তিশক্তি আৰু ক্ষুধা প্ৰবৃত্তি কম। সেইজন মানুহ সাহসী, সাহসে তেওঁৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰে। এনেকৈ কিছুমান মানুহৰ দুটা উপাদানৰ পৰিমাণ আন দুটা উপাদানৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিব পাৰে। আনহাতে আন এজন মানুহৰ সাহস আৰু যুক্তিশক্তি যথেষ্ট পৰিমাণে আছে। সেইজন মানুহে যুদ্ধক্ষেত্ৰত সাহস দেখুৱায় আৰু ৰাষ্ট্ৰ আৰু জনসাধাৰণৰ স্বাৰ্থত কৌশলেৰে সাহস দমায়ো ৰাখে। প্ৰকৃততে মানুহে তেওঁলোকৰ সকলোবোৰ শক্তি আৰু গুণৰ ব্যৱহাৰ কৰিব খোজে। প্ৰত্যেকজন মানুহৰ যুক্তিশক্তি আছে আৰু ইয়াৰদ্বাৰাই তেওঁৰ কাম কাজবোৰ পৰিচালিত হয়। প্ৰত্যেকজন মানুহৰে সাহস আছে আৰু ই তেওঁক শক্তি যোগায়। প্ৰত্যেকজন মানুহৰে ক্ষুধা আছে আৰু ক্ষুধা পূৰণ হ'লেহে তেওঁ কাম কৰিবলৈ উৎসাহ-উদ্দীপনা পায়। যদি প্ৰত্যেকজন মানুহকে মাত্ৰ এটাহে কাম কৰিবলৈ দিয়া হয় আৰু শক্তি, সামৰ্থ্য, বুদ্ধি

থকা সত্ত্বেও তেওঁক আন কোনো কামত হাত দিবলৈ দিয়া নহয় তেও তেওঁৰ ব্যক্তিত্ব বিকাশ কৰিবলৈ সুবিধা নাপাব তেওঁৰ ব্যক্তিত্ব বিকাশ হ'ব নোৱাৰিব, ফলত জীৱনত তেও পূৰ্ণতা লাভ বা উপলব্ধি কৰিব নোৱাৰিব। ইয়াৰ ফলত তেওঁৰ কেৱল ব্যক্তিগত ক্ষতিয়েই নহ'ব গোটেই জাতিটোৱে ইয়াৰ অশুভ ফল ভোগ কৰিব লাগিব। প্লেটোৱে মানুহৰ মনৰ তিনিটা উপাদানৰ মাজত সমন্বয় ঘটি মানুহৰ মনৰ ঐক্যস্থাপন হোৱাটো দেখিবলৈ পোৱা নাছিল। তেওঁৰ মতে মানুহৰ মনৰ দুটা উপাদানক তৃতীয়টো উপাদানে দমাই ৰাখিছিল আৰু তেনে কৈয়ে মানুহৰ মনটোৱে কাম কৰিছিল। ইয়াৰ ফলত মানুহৰ মনৰ ঐক্য স্থাপিত হৈছিল। সেই একেটা কথাকে তেও আদৰ্শ ৰাষ্ট্ৰৰ ক্ষেত্ৰতো ব্যৱহাৰ কৰিছিল। অৰ্থাৎ তেওঁৰ মতে শ্ৰেণীবোৰৰ মাজত অত্যাধিক পৃথকীকৰণো আছিল আৰু অত্যাধিক সংযোগো আছিল।

বৃত্তিগত বিশিষ্টকৰণৰ ফলত মানুহে তেওঁলোকৰ গাত থকা সকলোবোৰ সামৰ্থ্য আৰু গুণ এটা কামৰ বাবে ত্যাগ কৰিবলগীয়া হৈছিল। সাধাৰণতে প্ৰায়বোৰ মানুহৰে কেইবাটাও কাম কৰিবলৈ সামৰ্থ্য আৰু যোগ্যতা থাকে অৱশ্যে কোনোটো কামকে তেওঁলোকে বিশেষজ্ঞৰ দৰে কৰিব নোৱাৰিব পাৰে । আনহাতে বিশেষজ্ঞসকলে কোনো এটা কাম নিখুঁত আৰু বৰ ভালকৈ কৰিব পাৰে। বিশেষজ্ঞসকলৰ কোনো কাম কৰিবৰ বাবে বিশেষ জ্ঞান থাকে । এটা মাত্ৰ কামৰ বাবে মানুহবোৰ নিয়োজিত হ'লে সেই মানুহবোৰে আন কাম কৰিবলৈ সময়ত পাহৰি যাব। তেওঁলোকৰ গাত থকা সামৰ্থ্য আৰু গুণবোৰ ধ্বংস হৈ যাব। গতিকে অনাবিশেষজ্ঞ সাধাৰণ মানুহবোৰৰ মতামতৰ লগত বিশেষজ্ঞসকলৰ মতামতৰ সংযোগ সাধন কৰাটো উচিত আছিল। প্লেটোৰ ৰাষ্ট্ৰীয়ব্যৱস্থাত এইটো কৰাটো সম্ভৱপৰ নাছিল। বৰ্তমান সময়ৰ গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰে অনাবিশেষজ্ঞসকলৰ মতামতৰ লগত বিশেষজ্ঞসকলৰ মতামতৰ সমন্বয় সাধন কৰিছে আৰু সেই গতিকে বৰ্তমান গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰৰ সংবিধানবোৰ উৎকৃষ্ট সংবিধানত পৰিণত হৈছে।

প্লেটোৰ কাৰ্য্যৰ বিশিষ্টকৰণৰ ব্যৱস্থাই ৰাষ্ট্ৰখনক বহুতো বিশেষজ্ঞৰ দলত ভাগ কৰি পেলাব আৰু শেষলৈ গোটেই ব্যৱস্থাটোৱে এটা আমোলাতান্ত্ৰিক ব্যৱস্থাত পৰিণত হোৱাৰ ভয় আছে। আমোলাতান্ত্ৰিক ব্যৱস্থাৰ দোষৰ অন্ত নাই। ইয়াৰ ফলত ৰাষ্ট্ৰখনৰ ধ্বংসৰ পথ সুগম হয়।

প্লেটোৰ কাৰ্য্যৰ বিশিষ্টকৰণৰ ব্যৱস্থাৰ অধীনত চৰকাৰী ক্ষমতাবোৰ এটা শ্ৰেণীৰ মানুহৰ ওপৰত অৰ্পণ কৰা হয়। এই শ্ৰেণীটোৱেই হৈছে অভিভাৱক শ্ৰেণী। ইয়াৰ অৰ্থ হৈছে—চূড়ান্ত পৰ্য্যায়ত ৰাষ্ট্ৰখন সমাজৰ এটা শ্ৰেণীৰ মানুহবোৰৰ লগত এক হৈ যায়। দাৰ্শনিকসকলেই হৈছে সমাজৰ এই শ্ৰেণীৰ মানুহ। তেওঁলোক ৰাষ্ট্ৰৰ লগত এক হৈ যায়। ৰাষ্ট্ৰ বুলিলে প্ৰধানকৈ তেওঁ

লোককে বুজা যায়। এতিয়া ৰাষ্ট্ৰত থকা আন সকলোবোৰ মানুহক বঞ্চিত কৰি ৰাজনৈতিক ক্ষমতা নিৰ্দিষ্টভাৱে কেৱল দাৰ্শনিকসকলৰ বাবে আহুতীয়াকৈ ৰাখিলে এদিন নহয় এদিন শাসক শ্ৰেণীটো স্বাৰ্থপৰ হৈ উঠিব। কিয়নো মানুহৰ প্ৰকৃতিত স্বাৰ্থপৰতাৰ বীজ মিহলি হৈ আছে। সুবিধা থাকিলে আৰু বাধা পোৱাৰ ভয় নাথাকিলে মানুহ সাধাৰণতে স্বাৰ্থপৰ হৈ যায়। কেৱল এটা শ্ৰেণীৰ মানুহৰ হাতত ক্ষমতা কেন্দ্ৰীভূত হৈ থাকিলে সেই শ্ৰেণীটোৰ মানুহবোৰ স্বাৰ্থপৰ হৈ গ'লে আচৰিত হ'বলৈ একোৱেই নাই। গতিকে প্লেটোৰ ব্যক্তিগত বিশিষ্টকৰণৰ ওপৰত থিয় দি থকা আদৰ্শ ৰাষ্ট্ৰৰ শাসক দাৰ্শনিকসকলে ৰাজহুৱা স্বাৰ্থৰ ওপৰত নিজৰ স্বাৰ্থক স্থান দিয়াটো কোনো বিচিত্ৰ কথা নহয়। সম্পূৰ্ণৰূপে নিঃস্বাৰ্থ আৰু পৰৰ উপকাৰৰ বাবে জীৱন উছৰ্গা কৰিব পৰা এটা শ্ৰেণীৰ মানুহ পোৱাটো প্ৰায় অসম্ভৱ। তেনেকুৱা মানুহ দুই চাৰিজন হয়তো আছে। কিন্তু তেনেকুৱা এটা শ্ৰেণীৰ মানুহ পোৱাটো অসম্ভৱ বুলিয়েই ক'ব লাগিব। গতিকে তেনেকুৱা এটা শ্ৰেণীৰ মানুহে এখন ৰাষ্ট্ৰ এটা দীঘলীয়া সময়ৰ বাবে শাসন কৰিব পাৰে কেনেকৈ? যেতিয়া শাসক শ্ৰেণীৰ মানুহ-বোৰে নিজৰ স্বাৰ্থ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থ একেটা কৰি পেলাব আৰু ৰাষ্ট্ৰৰ স্বাৰ্থৰ ওপৰত নিজৰ স্বাৰ্থক স্থান দিব তেতিয়া ৰাষ্ট্ৰত অশান্তি অসন্তুষ্টি, বিক্ষোভ বিশৃংখলা আদিয়ে দেখা দিব আৰু ইয়াৰ ফলত অৰাজকতা আৰু ৰাজনৈতিক বিদ্ৰোহৰ সৃষ্টি হ'ব পাৰে। এইবোৰ হ'ব লাগিলে চৰকাৰৰ গোটেই ব্যৱস্থাটোৱে ওলট পালট হৈ যাব পাৰে।

এখন ৰাষ্ট্ৰৰ আটাইতকৈ বেছি পৰিমাণৰ সাধাৰণ মংগল সাধন কৰিব লাগিলে ৰাষ্ট্ৰখনৰ আটাইতকৈ বেছিসংখ্যক মানুহৰ সহযোগ আৰু মিলাপ্ৰীতিৰ প্ৰয়োজন তেতিয়াহে তেওঁলোকে ৰাষ্ট্ৰৰ সাধাৰণ মংগলৰ বাবে তেওঁলোকৰ মানসিক আৰু শাৰীৰিক বৰঙণিখিনিৰ যোগান ধৰিব পাৰে। কঠিন বিশিষ্টকৰণৰ ওপৰত প্ৰতিষ্ঠিত প্লেটোৰ ৰাষ্ট্ৰীয়ব্যৱস্থাত এইটো কৰাটো সম্ভৱপৰ নহয়।

প্লেটোৰ ব্যক্তিগত বিশিষ্টকৰণব্যৱস্থা আৰু এইটো কাৰ্যকৰী কৰিবলৈ আগবঢ়োৱা তেওঁৰ পৰামৰ্শ কেৱল অভিভাৱক শ্ৰেণীটোৰ ওপৰতহে প্ৰয়োগ কৰিবলৈ বেছিকৈ মনোনিবেশ কৰা হৈছিল। তেওঁৰ ব্যৱস্থাই তুলনামূলকভাৱে ৰাষ্ট্ৰত থকা আন আন শ্ৰেণীৰ মানুহবোৰক অৱজ্ঞা কৰিছিল আৰু সেই গতিকে তেওঁৰ ব্যক্তিগত বিশিষ্টকৰণব্যৱস্থাক একতৰফীয়া ব্যৱস্থা বুলি ক'ব পাৰি। তদুপৰি তেওঁৰ দাৰ্শনিক শাসকসকল সকলো সময় আৰু সকলো অৱস্থাৰ বাবে দৰ্শক আছিল আৰু তেওঁলোক মানুহৰ চূড়ান্ত ভালৰ কাৰণে অনুপ্ৰেৰণ কৰিছিল। কিন্তু কাৰ্যক্ষেত্ৰত তেওঁলোকে ৰাজনৈতিক বাস্তৱ জ্ঞানৰ পৰিচয় দিব পৰা নাছিল। ৰাজহুৱা চিন্তা আৰু কাৰ্যাৱলীত শাসকসকলৰ বাবে ৰাজনৈতিক বাস্তৱ জ্ঞানৰ প্ৰয়োজনীয়তা কোনেও নুই কৰিব নোৱাৰে। প্লেটোৰ দাৰ্শনিক শাসকসকলৰ গাত এইটো বৰ ডাঙৰ অভাৱ আছিল আৰু ইয়াৰ কুফল ৰাষ্ট্ৰৰ জনসাধাৰণেও ভোগ কৰিবলগীয়া হৈছিল।

নৱম অধ্যায়

প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ পতন

আগতেই উল্লেখ কৰা হৈছে যে প্লেটোৱে ন্যায়ৰ প্ৰকৃতিৰ বিষয়ে আলোচনাৰে তেওঁৰ গণৰাজ্যখন আৰম্ভ কৰিছে আৰু ইয়াৰ প্ৰথম চাৰিখন পুস্তিকাত আদৰ্শ ৰাষ্ট্ৰৰ গঠনৰ বিষয়ে বৰ্ণনা কৰিছে। ইয়াত তেওঁ কেৱল ন্যায়ৰ প্ৰকৃত চৰিত্ৰৰ বিষয়ে আলোচনা কৰিয়ে সন্তুষ্ট থকা নাই ন্যায় বেছি লাভজনক নে অন্যায় বেছি লাভজনক এই প্ৰশ্নটোৰ কম বেছি পৰিমাণে হ'লেও এটা পূৰ্ণ উত্তৰ দিছে। ছক্ৰেটিছে ৰাষ্ট্ৰখনৰ যিখন ছবি তেওঁৰ শ্ৰোতাসকলৰ আগত দাঙি ধৰিছিল সেই ছবিখনে থেৰ্‌াছিমেকাছকে ধৰি শ্ৰোতাসকলক যথেষ্ট মদকতা দিব পাৰিছিল। শ্ৰোতাসকলে তেওঁক আৰু বহুতো প্ৰশ্ন সুধিছিল। সেই প্ৰশ্নবোৰৰ ভিতৰত এইটো এটা গুৰুত্বপূৰ্ণ প্ৰশ্ন আছিল— আদৰ্শ ৰাষ্ট্ৰখন বাস্তৱত গঢ়ি তুলিব পৰা যাবনে ?

ছক্ৰেটিছে সাম্যবাদী ৰাষ্ট্ৰখন গঢ় তোলাৰ পথত থকা অন্তৰায়বোৰ দেখি পাইছিল আৰু তেওঁ সেইবোৰক অসুবিধাৰ ঢৌ (waves of difficulty) আখ্যা দিছিল। তেওঁৰ মতে আটাইবোৰ ঢৌৰ ভিতৰতে শেষৰটো বেছি ডাঙৰ আৰু শক্তিশালী আছিল। সেইটো হৈছে —আদৰ্শ ৰাষ্ট্ৰখন বাস্তৱত গঢ়ি তোলাটো সম্ভৱনে ? এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ প্ৰথমে তেওঁ নিজকে ৰক্ষণাবেক্ষণ দি লৈছে। তেওঁ এইটো স্বীকাৰ কৰা নাই যে আদৰ্শ ৰাষ্ট্ৰখন বেয়া ৰাষ্ট্ৰ যদিও এই ৰাষ্ট্ৰখন বাস্তৱত গঢ়ি তুলিব পৰা নাযায়। যিসকল শিল্পীয়ে মানুহৰ সৌন্দৰ্যৰ বিষয়ে যিমান চিন্তা কৰে আন মানুহবোৰেও সৌন্দৰ্যৰ বিষয়ে তাতকৈ কম চিন্তা নকৰে। কিয়নো তেনেকুৱা কোনো মানুহ নাই আৰু থাকিবও নোৱাৰে। যদিও প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰখন গঢ়ি তুলিব পৰা নাযায় তথাপি এই ৰাষ্ট্ৰখন স্বৰ্গীয় আহিৰ ৰাষ্ট্ৰ, স্বৰ্গতো ই সনাতন। আমাৰ ৰাজনীতিজ্ঞ সকলে পৃথিৱীত এই ৰাষ্ট্ৰখনক আদৰ্শ হিচাপে লৈ আগবাঢ়িলে ইয়েই তেওঁ লোক আৰু তেওঁলোকৰ ৰাষ্ট্ৰক ভাল কৰিব। আনকি ছক্ৰেটিছে এইটো স্বীকাৰ কৰিবলৈও প্ৰস্তুত আছিল যে এটা অৰ্থত এইটোৱে সত্য আছিল। আদৰ্শতকৈ বাস্তৱ সদায় বেলেগ। এটা বস্তু বা কামৰ বিষয়ে কোৱাটো যিমান সহজ সেই বস্তুটো লাভ কৰা বা সেই কামটো সম্পন্ন কৰাটো সিমান সহজ নহয়। একে সময়তে তেওঁ আদৰ্শ ৰাষ্ট্ৰ এখন একেবাৰে গঢ়ি তুলিব নোৱাৰি বুলিও ভবা নাছিল। এটা চৰ্ত পূৰণ কৰিব পাৰিলে প্ৰকৃত ৰাষ্ট্ৰবোৰেও আদৰ্শ ৰাষ্ট্ৰৰ ওচৰ চাপিব পাৰে। সেই চৰ্তটো হৈছে— 'দাৰ্শনিকসকল নিশ্চয় ৰজা হ'ব লাগিব।'

দাৰ্শনিক অন্তৰ্দৃষ্টি আৰু ৰাজনৈতিক ক্ষমতা এজন মানুহৰ হাতত থাকিব লাগিলে হয় নিউটন লক বেন্থাম মিল আদিৰ দৰে দাৰ্শনিকসকল মন্ত্ৰী হ'ব লাগিব নহয় মন্ত্ৰীসকলে দৰ্শনৰ পৃথিৱীবোৰৰপৰা ৰাষ্ট্ৰৰ ক্ৰমবিকাশ আৰু পৰিচালনা আদিৰ বিষয়ে দাৰ্শনিক তত্ত্ববোৰ ভালদৰে অধ্যয়ন কৰি ল'ব লাগিব। কিন্তু প্লেটোৱে এইটো অৰ্থ কৰা নাছিল। দাৰ্শনিক শব্দটোৰ ঠিক অৰ্থ কৰা বাবেহে এই ভুল ধাৰণাটোৰ সৃষ্টি হৈছে। সাধাৰণ অৰ্থত দাৰ্শনিক লোকসকলে সাংপাক্ষিক চিন্তাত আত্মনিয়োগ কৰে পাৰ্থিৱ জগতখনত থাকিও তেওঁ আন্তঃজগতৰ লগত ঘনিষ্ঠ সম্পৰ্ক স্থাপন কৰে। তেনেকুৱা মানুহক আমি পৃথিৱীৰ বিষয়ে অজ্ঞ মানুহ বুলি কও আৰু পাৰ্থিৱ কামৰ বাবে তেওঁলোকক অযোগ্য বুলি ভাবোঁ। কিন্তু প্লেটোৱে এইবোৰ মানুহৰ ওপৰত ৰাষ্ট্ৰ পৰিচলোৱাৰ দায়িত্ব এৰি দিব খোজা নাছিল। সাংপাক্ষিক চিন্তাবিদসকল একতৰপীয়া মানুহ। জীৱনৰ বিভিন্ন কামত সক্ৰিয় অংশ গ্ৰহণ নকৰাকৈয়ে তেওঁলোকে মানুহৰ জীৱনৰ নীতিৰ বিষয়ে অন্তৰ্দৃষ্টি লাভ কৰে। আনহাতে প্লেটোৰ দাৰ্শনিকসকল জ্ঞানৰ প্ৰকৃত প্ৰেমিক আছিল। তেওঁলোকে জীৱনৰ বিশিষ্ট কৰ্তব্যবোৰ পালন কৰিছিল আৰু এনেকৈ তেওঁলোকে জীৱনৰ ওপৰত এনে এটা দখল স্থাপন কৰিছিল যিটোৰ সহায়ত তেওঁলোকে প্ৰত্যেককে বা প্ৰত্যেক কামক ঠিক ঠাইত ৰাখিব পাৰিছিল। তেওঁলোকেই নীতি আৰু দৃঢ়বিশ্বাসৰ পুৰস্কাৰ জ্ঞানৰ প্ৰতীক আছিল আৰু এই জ্ঞান জনসাধাৰণৰ সেৱাৰ কামত ব্যৱহৃত হৈছিল।

প্লেটোৱে এইটো ভালদৰে জানিছিল যে সাধাৰণ মানুহে দাৰ্শনিকসকলক এইদৰে নাচাব। সেই কাৰণে তেওঁ এজন বক্তাৰদ্বাৰাই এইটো দাবী কৰোৱাইছিল যে তত্ত্বৰ দিশৰপৰা দাৰ্শনিকসকল যিয়েই নহওক লাগিলে প্ৰকৃত জীৱনত তেওঁলোকৰ বেছিভাগেই শঠ দুৰ্জন আৰু যিকোনো ক্ষেত্ৰতে পৃথিৱীত তেওঁলোকৰ প্ৰয়োজনীয়তা কম। ভাবিলে আচৰিত লাগে প্লেটোৱে এই কথাটো নহয় বুলি কোৱা নাছিল কিন্তু তেওঁ এইটো ব্যাখ্যা কৰিছিল। তেওঁ এইটো জোৰেৰে কৈছে যে প্ৰকৃত দাৰ্শনিকৰ সংখ্যা বৰ কম বা নাই বুলিলেও হয় আৰু এনেকুৱা বহুতো লোক আছে যিসকলে নিজকে দাৰ্শনিক বুলি দাবী কৰিলেও প্ৰকৃততে তেওঁলোক দাৰ্শনিক নহয় তেওঁলোকক সত্যৰ প্ৰেমিক বুলি দেখুউৱা হয় কিয়নো সত্যৰ প্ৰেমিক বুলি জনাজাত হ'লে তেওঁলোকেও প্ৰশংসা লাভ কৰে। এই মানুহবোৰে দৰ্শনৰ ওপৰত বদনাম আনিছে। তাতোকৈ ডাঙৰ কথা হৈছে যিকেইজন মানুহৰ দাৰ্শনিক অন্তৰ্দৃষ্টি আছে তেওঁলোকো ইয়াৰ পোহৰৰদ্বাৰা আলোকিত নহয় আৰু ইয়াৰ প্ৰতি বিশ্বাসী নহয়। মহান প্ৰকৃতিবোৰ সহজে দুৰ্নীতিগ্ৰস্ত হয় আৰু এওঁলোকৰ মাজৰ কিছুমানক তোষামোদৰদ্বাৰাও নষ্ট কৰিব পাৰি আৰু আনবোৰে নিজে সত্যৰপৰা আঁতৰি

আহিবলৈ ইতস্ততঃ নকৰে। কিছুমান মানুহে দাৰ্শনিকসকলক দুনীতিপৰায়ণ কৰা বাবে ছ'ফিষ্টসকলক নিন্দা কৰিছিল। প্লেটো কিন্তু সেইসকল মানুহৰ লগত একমত নাছিল। তেওঁৰ মতে হয় ডেকাসকলে অজ্ঞাতসাৰে তেওঁলোকৰ চাৰিউফালে আগৰ পৰা থকা দেশাচাৰ আৰু ৰীতি নীতিবোৰ গ্ৰহণ কৰি পেলাইছিল নহয় তেওঁলোকে প্ৰতিষ্ঠিত দেশাচাৰবোৰৰ বিৰুদ্ধে যুঁজিও কোনো সুবিধা কৰিব পৰা নাছিল। প্ৰশাসনে তেওঁলোকক শাস্তিৰে দমাই ৰাখিছিল। যিকেইজন এই সকলোবোৰৰ পৰা হাত সাৰি থাকিব পাৰে আৰু চলিত ধাৰণা আৰু কাৰ্য্যবোৰ মানি নচলাকৈ থাকিব পাৰে সেইকেইজনেই প্ৰকৃত দাৰ্শনিক কিয়নো দেশাচাৰ আৰু দেশ প্ৰথাৰ বিৰুদ্ধে কোনো বিদ্ৰোহ নকৰাকৈ চিন্তাবিদসকলে নিজৰ ইচ্ছামতে দেশাচাৰৰ বিৰুদ্ধৰ দৰে নীতিৰ ওপৰত অন্তৰ্দৃষ্টি নিক্ষেপ কৰিব নোৱাৰে। এই মানুহবোৰক প্লেটোৱে কল্পনাৰ জীৱন পৰিহাৰ কৰিবলৈ বাধ্য কৰিছিল কিয়নো তেওঁলোকৰ ওপৰত যিটো কামৰ গুৰুভাৰ অৰ্পণ কৰিবলৈ বিচৰা হৈছিল তাৰ ফল কেৱল তেওঁলোকেই ভোগ কৰিব নালাগিব, ৰাষ্ট্ৰৰ সকলো লোকেই ভোগ কৰিব লাগিব। তেওঁলোকক দেশৰ প্ৰশাসনৰ মুৰব্বী কৰিব পাৰিলে জীৱনৰ বিষয়ে উৎকৃষ্ট ধাৰণাবোৰ ৰাষ্ট্ৰৰ কামত তেওঁলোকৰদ্বাৰাই প্ৰয়োগ কৰাব পাৰিলে আদৰ্শ ৰাষ্ট্ৰ এখন গঢ়ি তুলিব পৰা যাব। কিন্তু দুৰ্ভাগ্যবশত চলিত ৰাষ্ট্ৰবোৰত এনেকুৱা মানুহৰ বাবে কোনো কাম নাই আৰু কোনো ৰাষ্ট্ৰয়েই তেওঁলোকৰ সেৱা নিবিচাৰে।

গণৰাজ্যৰ অষ্টম আৰু নৱম পুস্তিকাই ইতিহাসৰ এটা দৰ্শনিক প্ৰকৃত নিৰ্ধাৰণ কৰিছে। এই পুস্তিকা দুখনত প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখনৰ অধঃপতনৰ কাৰণবোৰ আৰু ইয়াৰ অধঃপতনৰ গতিধাৰা ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছে। ইতিহাসৰ কোনো এটা কালত যদি তেনে এখন আদৰ্শ ৰাষ্ট্ৰ আছিল সেই ৰাষ্ট্ৰখনৰ কেনেকৈ পতন ঘটিল প্লেটোৱে সেই বিষয়ে আমাক একো কোৱা নাই আৰু ইয়াৰ লগত তেওঁৰ বিশেষ সম্পৰ্কও নাছিল। তেনে এখন ৰাষ্ট্ৰ আছিল বুলি তেওঁ জনাও নাছিল। তেওঁ কেৱল আমাৰ আগত কেনেকৈ আদৰ্শ ৰাষ্ট্ৰ এখনৰ অধঃপতনৰ পৰ্য্যায়বোৰ ক্ৰমগতিত আহিব পাৰে বা আহিব বুলি আশা কৰা যায় তাৰ এখন চিত্ৰ দাঙি ধৰিছে।

আদৰ্শ ৰাষ্ট্ৰখনৰ পতনৰ বিষয়ে আলোচনা কৰিবলৈ লৈ প্লেটোৰ গুৰুত্বসহকাৰে কৈছে যে ৰাষ্ট্ৰখন সামাজিক মনৰ উৎপাদিত বস্তু আৰু সামাজিক মনটো ব্যক্তিবোৰৰ মনবোৰৰদ্বাৰাই গঠিত। আন কথাত মানুহৰ মনোবৈজ্ঞানিক দৃষ্টিৰ আধাৰত ৰাষ্ট্ৰবোৰ প্ৰতিষ্ঠিত হয়। সেই গতিকে তেওঁ আদৰ্শ ৰাষ্ট্ৰৰ পতনৰ বিষয়ে আলোচনা কৰিবলৈ গৈ মানুহৰ মনৰ পতনৰ বিষয়ে আলোচনা কৰিছে আৰু ইয়াৰ লগত কেনেকৈ মানুহৰ সমাজৰ পতন ঘটে তাৰো উল্লেখ কৰিছে। মানুহৰ মনৰ কাৰ্যত বিশৃঙ্খলা ঘটাৰ বাবে বা মানুহৰ

মনটোৱে অসংগঠিতভাৱে কাম কৰা যাবে এই পতন ঘটে। তেনেকৈ সমাজত থকা বিভিন্ন উপাদানবোৰৰ মাজত কাৰ্য্যৰ বিজুতি ঘটিলে বা সমাজৰ বিভিন্ন উপাদানবোৰে অসংগঠিতভাৱে কাম কৰিলে সমাজৰ পতন ঘটিব পাৰে। এখন আদৰ্শ ৰাষ্ট্ৰ বা সমাজৰ তেতিয়াৰপৰাই পতন ঘটিবলৈ আৰম্ভ হয় যেতিয়াৰপৰা সেই ৰাষ্ট্ৰ বা সমাজখনৰ বিভিন্ন উপাদানবোৰে বৰ বেছিকৈ অসংগঠিত আৰু ভ্ৰান্তভাৱে কাম কৰিবলৈ আৰম্ভ কৰে।

এখন ৰাষ্ট্ৰক আদৰ্শ ৰাষ্ট্ৰ বুলি এই কাৰণেই কোৱা হয় যে এই ৰাষ্ট্ৰখন কিছুমান ন্যায়ৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত আৰু ইয়াত মানুহৰ কাৰ্য্য আৰু সামৰ্থ্যৰ শক্তিৰ মাজত যিটো সমন্বয় আছে তাৰ কিবা উল্লেখযোগ্য বিজুতি ঘটিব লাগিব আৰু এই বিজুতি ঘটাৰ কাৰণবোৰো শক্তিশালী হ'ব লাগিব। মানুহৰ কৰ্য্য আৰু সামৰ্থ্য শক্তিৰ সমন্বয়ৰ বিজুতি ঘটোৱা কাৰণবোৰৰ শক্তি আৰু দৃঢ়তাৰ ওপৰত আদৰ্শ ৰাষ্ট্ৰ এখনৰ পতনৰ পৰ্য্যায় আৰু ধাৰা নিৰ্ভৰ কৰে। প্ৰত্যেক ৰাষ্ট্ৰৰে কিছুমান মৌলিক নীতি আছে। এই মৌলিক নীতিবোৰ দোষযুক্ত হ'লে বা এইবোৰত দুৰ্নীতিয়ে বাহ ল'লে ৰাষ্ট্ৰখনো দোষযুক্ত বা দুৰ্নীতিপৰায়ণ হয় আৰু ইয়াৰ ফলত ৰাষ্ট্ৰৰ অধঃপতন নামি আহে।

প্লেটোৱে ৰাষ্ট্ৰৰ পতন আৰু ব্যক্তিৰ পতনৰ মাজত এটা সুস্পষ্ট আৰু পৰিষ্কাৰ সম্বন্ধ স্থাপন কৰিছে। মানুহৰ মনেই মানুহৰ সমাজৰ চলন্ত শক্তি আৰু ই নিজৰ মনটোক উপযুক্ত চৰিত্ৰেৰে গঢ়ি তুলিব লাগে। উদাহৰণস্বৰূপে, যদি বৈষয়িক স্বাৰ্থপৰতাৰ নীতিৰস্বাৰাই মানুহৰ মনটো পৰিচালিত হয় ইয়াৰ ফলত এখন স্বল্পতান্ত্ৰিক সমাজৰ সৃষ্টি হ'ব। ৰাষ্ট্ৰ আৰু সমাজৰ অধঃপতনৰ প্ৰধান প্ৰধান কাৰণবোৰৰ ভিতৰত এটা কাৰণ হৈছে শাসকসকলৰ মাজত থকা বিভাজন আৰু হাই কাজিয়া। মানুহৰ সমাজৰো পতন ঘটে যদিহে ই নিজৰ জীৱনৰ নীতিৰ বিষয়ে বুজিবলৈ আৰু সেইমতে কাৰ্য্য কৰিবলৈ অসমৰ্থ হয়। সমাজৰ পতনৰ অন্য এটা শক্তিশালী কাৰণ হৈছে আধিক্য আৰু এই আধিক্যই সৃষ্টি কৰা বিপৰীতমুখী প্ৰতিক্ৰিয়া। প্ৰত্যেকখন দূষিত ৰাষ্ট্ৰই যেনে—স্বল্পতন্ত্ৰ, গণতন্ত্ৰ বা অত্যাচাৰী শাসনে ইয়াৰ মৌলিক উদ্দেশ্যটো পূৰণ কৰিবলৈ চূড়ান্ত পৰ্য্যায়লৈ চেষ্টা কৰে আৰু নিজৰ ভিতৰতে লাগিলে অশান্তিৰ সৃষ্টি কৰে। অত্যাধিক সম্পত্তিৰ বাবে সংগ্ৰাম কৰাৰ ফলত স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰৰ পতন ঘটে অত্যাধিক স্বাধীনতা আৰু সমতাৰ ওপৰত গুৰুত্ব দিয়া বাবে গণতান্ত্ৰিক ৰাষ্ট্ৰও ধ্বংস হোৱাৰ ভয় থাকে।

আদৰ্শ ৰাষ্ট্ৰ এখনে ক্ৰমগতিত পতনমুখী হৈ আহোঁতে কেইবাটাও পৰ্য্যায় অতিক্ৰম কৰিব লাগে। ইয়াত প্ৰথমে প্ৰবেশ কৰা দোষটো হৈছে দুৰ্নীতি। এই পৰ্য্যায়ত আদৰ্শ ৰাষ্ট্ৰখনে আত্মতন্ত্ৰৰ ৰূপ লয় আৰু ইয়াত যুক্তি বা দৰ্শনৰ প্ৰাধান্য নাথাকে। ই মানুহৰ মনটোৰ ওপৰত নিয়ন্ত্ৰণকাৰী উপাদান

হিচাপে কাম কৰিব নোৱাৰে। আঢ্যতন্ত্ৰত সাহসে প্ৰাধান্য বিস্তাৰ কৰে আৰু ইয়েই মানুহৰ মনত নিয়ন্ত্ৰণকাৰী উপাদান হিচাপে কাম কৰে। অৱশ্যে আঢ্য তন্ত্ৰতো মানুহৰ মনৰ দাৰ্শনিক উপাদানটো একেবাৰে নাইকিয়া নহয় ই সাহসৰম্বাৰাই নিয়ন্ত্ৰিতহে হয় আৰু সেই গতিকে ইয়াত যুক্তিয়ে নিজৰ কাৰ্য্য কৰিব নোৱাৰে। আদৰ্শ সমাজৰ বিবাহৰ আঁচনিখন ভুল হৈ যাব পাৰে আৰু তাৰ ফলত সোণ ৰূপ আৰু পিতলৰ সংমিশ্ৰণ ঘটিব পাৰে। অৰ্থাৎ আদৰ্শ সমাজৰ বিবাহৰ আঁচনিৰ ভুলৰ বাবে বেলেগ বেলেগ শ্ৰেণীৰ ল'ৰা ছোৱালীৰ মাজত বিবাহ সংঘটিত হ'ব পাৰে যেনে—এজন শাসক শ্ৰেণীৰ ল'ৰাই এজনী সৈনিক শ্ৰেণীৰ ছোৱালীক বিয়া কৰাব পাৰে। এইদৰে ভালৰ লগত বেয়াৰ বিবাহ হলে তাৰ ফলত যিবোৰ সন্তান সন্ততিৰ জন্ম হ'ব সিহঁতৰ গুণ কমি যাব পাৰে। এনেকৈ শ্ৰেণীগত পবিত্ৰতা আৰু কাৰ্য্যৰ বিশৃঙ্খতাত ব্যাঘাত জন্মে। তেতিয়া অভিভাৱকৰ শ্ৰেণীটো এটা মিশ্ৰিত শ্ৰেণীত পৰিণত হয় আৰু সেই গতিকে আঢ্যতন্ত্ৰ মিশ্ৰিত সংবিধানৰ ওপৰত প্ৰতিষ্ঠিত হয়। আঢ্য তন্ত্ৰৰ মৌলিক নীতি হৈছে সন্মান আৰু উচ্চ চিন্তা। ইয়েই ৰাষ্ট্ৰখনক উচ্চ আকাংক্ষা আৰু যুদ্ধৰ ফালে আগবঢ়াই লৈ যায়। প্লেটোৰ সময়ত স্পাৰ্টাত সামৰিক চৰিত্ৰৰ ৰাষ্ট্ৰ আছিল আৰু আঢ্যতন্ত্ৰও আছিল মৌলিকভাৱে এখন সামৰিক ৰাষ্ট্ৰই। এইখন ৰাষ্ট্ৰত লাহে লাহে সমাজৰ ন্যায় নাইকিয়া হ'বলৈ ধৰে আৰু ইয়াৰ লগতে সমাজৰ ভাবসাম্য শৃংখলা আৰু ঐক্যও নাইকিয়া হয়। ইয়াত সৈনিকসকলে দাৰ্শনিকসকলৰ ঠাই দখল কৰে আৰু সন্মানেই যুক্তিৰ ঠাই অধিকাৰ কৰে।

আৰম্ভণিতে সন্মান আৰু ব্যক্তিগত প্ৰতিষ্ঠাই আছিল আঢ্যতান্ত্ৰিক ৰাষ্ট্ৰৰ পথ প্ৰদৰ্শনকাৰী নীতি। কিন্তু সময় বাগৰি যোৱাৰ লগে লগে আৰু মানুহৰ মনৰ অধঃপতন ঘটাৰ ফলত ইয়াত থকা সন্মানৰ অৰ্থ নিজৰ স্বাৰ্থ বজায় ৰখালৈ অধঃপতিত হয় আৰু ইয়াৰ ফলত মানুহৰ মনৰ ক্ষুধা নামৰ উপাদানটো প্ৰাধান্যৰ স্থান হৈ আহে। যেতিয়া ক্ষুধাই মানুহৰ মনত প্ৰাধান্য বিস্তাৰ কৰে আৰু ইয়াৰ যুক্তি আৰু সাহস নামৰ উপাদান দুটাক নিয়ন্ত্ৰণ কৰে তেতিয়াই আদৰ্শ সমাজৰ পতনে দ্বিতীয় পৰ্য্যায়ত প্ৰৱেশ কৰে। আৰু তেতিয়া ৰাষ্ট্ৰৰ উদ্দেশ্য হয় মানুহৰ বৈষয়িক উন্নতিৰ বাবে চেষ্টা কৰা আৰু বৈষয়িক অভাৱবোৰ বা প্ৰয়োজনীয়তাবোৰ পূৰণ কৰি লোৱা। এখন মিশ্ৰিত সংবিধান হিচাপে আঢ্য তান্ত্ৰিক ৰাষ্ট্ৰত ক্ষুধা নামৰ উপাদানটো আছেই। এইটো এটা স্বল্পতান্ত্ৰিক উপাদান। ক্ষুধা নামৰ উপাদানটোৱে তেতিয়া সমাজৰ নিয়ন্ত্ৰণকাৰী নীতি হিচাপে কাম কৰে ইয়াৰ ফলত আদৰ্শ সমাজখন স্বল্পতান্ত্ৰিক সমাজত পৰিণত হয় আৰু ই আদৰ্শ সমাজৰ দ্বিতীয় দুৰ্নীতিক প্ৰতিনিধিত্ব কৰে। আদৰ্শ সমাজত ন্যায়ৰ নীতিয়ে যি সন্মান আৰু শ্ৰদ্ধা লাভ কৰি প্ৰাধান্য বিস্তাৰ কৰি আছিল

সি ইয়াত এটা প্ৰবল হেঁচাৰ সম্মুখীন হয় আৰু ইয়াৰ ওপৰত এই প্ৰবল হেঁচাটো পৰে। এখন আঢ্যতান্ত্ৰিক ৰাষ্ট্ৰত ই আংশিকভাৱেহে স্বীকৃতি লাভ কৰিছিল আৰু আংশিকভাৱেহে ইয়াৰ প্ৰয়োগ কৰা হৈছিল যদিও ইয়াত সামৰিক গুণে আন সকলোবোৰ গুণ তল পেলাইছিল। স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত ন্যায়ৰ নীতিক অৱজ্ঞা কৰা হয়। ব্যক্তিগত সামৰ্থ্য আৰু গুণৰ ওপৰত স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত চৰকাৰ গঠিত নহয় ধনসম্পত্তি থকাৰ ওপৰতহে ইয়াৰ চৰকাৰ গঠিত হয়। সম্পত্তিৰ কাৰণেই ইয়াত সম্পত্তি লাভ কৰিবলৈ বিচৰা হয়। ইয়াৰ ফলত অৰ্থনৈতিক ব্যক্তিবাদৰ সৃষ্টি হয় আৰু অৰ্থনৈতিক ব্যক্তিবাদৰ প্ৰাদুৰ্ভাৱত সমাজত স্বাৰ্থপৰতা আৰু দল উপদলৰ পয়োভৰ বাঢ়ে। ইয়াত গুণ বা প্ৰশিক্ষণৰ ওপৰত বিবেচনা নকৰাকৈয়ে পদবীবোৰ দিয়া হয়। সম্পত্তিৰ কাৰণে সকলোৱে চেষ্টা কৰে আৰু তাৰ ফলত সমাজখন ধনী আৰু দুখীয়া দুটা শ্ৰেণীত বিভক্ত হৈ যায় দুয়োটা শ্ৰেণীৰ মানুহৰ মনতে লাহে লাহে শ্ৰেণীচেতনাৰ উদয় হয়। সমাজত বিভাজন আৰু অনৈক্য প্ৰস্ফুটিত হৈ উঠে।

আমি এইটো ভালদৰে অনুভৱ কৰিব লাগিব যে আদৰ্শ ৰাষ্ট্ৰ এখনৰ মৌলিক নীতি হৈছে যুক্তি আৰু আঢ্যতান্ত্ৰিক ৰাষ্ট্ৰৰ মৌলিক নীতি হৈছে দুৰ্নীতি সন্মান আদি আৰু স্বল্পতন্ত্ৰ গণতন্ত্ৰ অত্যাচাৰী শাসন আদিৰ মৌলিক নীতি হৈছে ক্ষুধা। স্বল্পতন্ত্ৰৰ অধীনত মানুহে সম্পত্তি লাভৰ বাবে যি সংগ্ৰাম কৰে তাৰ ফলত আক্ৰমণকাৰী ব্যক্তিবাদৰ ভাব সৃষ্টি হয় আৰু তেতিয়া স্বল্পতন্ত্ৰ গণতন্ত্ৰলৈ অধঃপতিত হয় আৰু ই আদৰ্শ ৰাষ্ট্ৰৰ তৃতীয় দুৰ্নীতিটোক প্ৰতিনিধিত্ব কৰে। গণতন্ত্ৰৰ মৌলিক নীতি হৈছে ক্ষুধা আৰু ক্ষুধা পূৰণৰ বাবে ইয়াত স্বাধীনতা আৰু সমতাৰ ভিত্তিত চেষ্টা চলোৱা হয়। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত গুণাগুণ বিচাৰ নকৰাকৈ ৰাষ্ট্ৰৰ সকলোবোৰ পদবীৰ বাবে সকলোবোৰ মানুহে সমানে দাবী কৰিব পাৰে। সেই গতিকে প্লেটোৰ মতে গণতন্ত্ৰ অৰাজকতা তকৈ একো ভাল নাছিল। মানুহৰ মাজত প্ৰাকৃতিক অসমতা আছে, কিন্তু গণতান্ত্ৰিক নীতিয়ে মানুহক এই প্ৰাকৃতিক অসমতাৰ বিৰুদ্ধে থিয় দিবলৈ উদগনি দিয়ে। গণতান্ত্ৰিক ৰাষ্ট্ৰত নাগৰিকসকলৰ ইচ্ছা অনিচ্ছাৰ প্ৰতি লক্ষ্য নৰখাকৈও পদবী আৰু সন্মানবোৰ দিয়া হয়। গণতান্ত্ৰিক স্বাধীনতা এক প্ৰকাৰ অনুজ্ঞাপত্ৰহে। ইয়াত আত্মনিয়ন্ত্ৰণ আৰু সামাজিক দায়িত্বৰ বাবুকৈয়ে অভাৱ আছে। গণতান্ত্ৰিক ৰাষ্ট্ৰত স্বাধীনতা আৰু সমতাৰ ওপৰত অনাৱশ্যকীয় আৰু অত্যাধিক গুৰুত্ব দিয়া হয়। সেই গতিকে গণতন্ত্ৰই ৰাষ্ট্ৰৰ ভিতৰতে আৰু বহুতো ৰাষ্ট্ৰৰ সৃষ্টি কৰে। এনেকৈ গণতান্ত্ৰিক ৰাষ্ট্ৰত সকলো ফালৰপৰা আৰু সকলো ক্ষেত্ৰতে আধিকাৰ মাত্ৰাবোৰ বাঢ়ি যায় আৰু এইবোৰেই শেষত গণতন্ত্ৰৰ মৰণ মাতি আনে। গণতান্ত্ৰিক ৰাষ্ট্ৰত ক্ষুধাতুৰ উপাদান আৰু উদাৰ উপাদানবোৰৰ মাজত সমাজত প্ৰভুত্ব বিস্তাৰৰ বাবে সংগ্ৰাম হয় আৰু এই সংগ্ৰাম যেতিয়া তীব্ৰতৰ হৈ উঠিব তেতিয়া অত্যাচাৰী

শাসকসকলে ইয়াৰ সুবিধা গ্ৰহণ কৰি গণতান্ত্ৰিক ৰাষ্ট্ৰৰ অৱসান ঘটায়। এইদৰেই অত্যাচাৰী শাসনে গণতন্ত্ৰৰ ঠাই দখল কৰে।

যেতিয়া প্ৰতিদ্বন্দ্বী উপাদানবোৰৰ ভিতৰত আটাইতকৈ নিম্ন হীন সৰ্বাতোকৈ বেছি আক্ৰমণাত্মক আৰু দায়িত্বজ্ঞানহীন উপাদানটোৱে ৰাষ্ট্ৰ এখনক সাপেক্ষিকভাৱে নিয়ন্ত্ৰণ কৰিবলৈ ধৰে তেতিয়াই আদৰ্শ সমাজৰ অধঃপতনৰ শেষ পৰ্য্যায়টো আহে। ইয়াকেই অত্যাচাৰী শাসন বুলি কোৱা হয়। আদৰ্শ ৰাষ্ট্ৰত দৰ্শনৰ যে স্বাৰ্থহীন শাসনৰ কথা প্লেটোৱে কৈছে অত্যাচাৰী শাসন তাৰ ঠিক বিপৰীত। অত্যাচাৰী শাসনৰ মৌলিক নীতি হৈছে— পাশৱিক আৰু আইন কানুনবিহীন ক্ষুধা মাংসৰ বাবে স্পৃহা বা লোভ আৰু ক্ষমতাৰ অহমিকা।

ইয়াতে আকৌ এবাৰ আমি মনত পেলোৱা উচিত হ'ব যে প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ পতনৰ বিষয়ে আলোচনাহে কৰিছে তাত তেওঁ প্ৰশ্নটোৰ ঐতিহাসিক দিশটো বিবেচনা কৰা নাছিল। ইয়াত তেওঁ কেৱল আদৰ্শ ৰাষ্ট্ৰৰ পতনৰ গতিধাৰাটোহে শ্ৰোতা আৰু পাঠকসকলক স্পষ্টভাৱে ক'বলৈ বিচাৰিছিল। এই প্ৰসংগত তেওঁ কোনো নিৰ্দিষ্ট আদৰ্শ নোহোৱা ৰাষ্ট্ৰবোৰৰ যেনে—আঢ্যতন্ত্ৰ স্বল্পতন্ত্ৰ অত্যাচাৰী শাসন আদিৰ চিত্ৰ আঁকি দেখুৱাইছিল আৰু ইয়াৰদ্বাৰাই তেওঁ আমাৰ ঐতিহাসিক ৰাষ্ট্ৰবোৰক বাস্তৱ ৰাষ্ট্ৰৰ লগত তুলনা কৰি চাবলৈ সমলৰ যোগান ধৰিছে।

প্লেটোৱে আদৰ্শ ৰাষ্ট্ৰৰ পতনৰ বিষয়ে যিটো চিত্ৰ আমাক দি গৈছে এৰিষ্টটলে সেইটোৰ ওপৰত ঐতিহাসিক দৃষ্টিকোণৰপৰা সমালোচনা আগবঢ়াইছে। তেওঁ নদি কৈছে যে সমাজ এখনে ইয়াৰ ৰূপান্তৰ আৰু অধঃপতনৰ ক্ষেত্ৰত প্লেটোৱে ব্যাখ্যা কৰি যোৱাৰ দৰে কোনো গতিধাৰা আৰু পৰিণাম অনুকৰণ নকৰে। স্বল্পতন্ত্ৰৰপৰা সদায় গণতন্ত্ৰৰ সৃষ্টি নহয় আৰু গণতন্ত্ৰৰপৰাও সদায় অত্যাচাৰী শাসন নাহে। গণতন্ত্ৰৰ পাছত স্বল্পতান্ত্ৰিক শাসন আহিব পাৰে ব' গণতন্ত্ৰৰ পাছত অত্যাচাৰী শাসনো আহিব পাৰে। এইটো আমি নিশ্চয়কৈ বুজিব লাগিব যে প্লেটোৰ ইতিহাসৰ দৰ্শনৰ প্ৰতি প্ৰৱণতা আছিল আৰু সেই গতিকে তেওঁ মূলতঃ ইয়াৰ ওপৰত অগ্ৰাধিকাৰ দি লিখিছিল আৰু এৰিষ্টটলে তেওঁৰ দিনৰ প্ৰকৃত ইতিহাসৰ ওপৰত ভিত্তি কৰিহে তেওঁৰ সিদ্ধান্ত আৰু মন্তব্যবোৰ প্ৰস্তুত কৰিছিল।

দশম অধ্যায়

প্লেটোৰ বিচাৰত ব্যক্তিবাদৰ স্থান

প্লেটোক পৃথিৱীৰ প্ৰথম সাম্যবাদী বুলি কোৱা হয় আৰু তেওঁকেই পৃথিৱীৰ প্ৰথম সৰ্বাধিকাৰী চিন্তাবিদ বুলিও জনা যায়। কিন্তু তেওঁৰ ৰাষ্ট্ৰৰ তত্ত্বত ব্যক্তিবাদৰ চিনো দেখিবলৈ পোৱা যায়। তেওঁ যি সমষ্টিবাদৰ কথা কৈছিল ই তেওঁৰ প্ৰত্যক্ষ চিন্তাৰপৰা অহা ফল। তেওঁৰ দিনত এথেন্সত চলি থকা উগ্ৰ ব্যক্তিবাদৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া হিচাপে তেওঁ সমষ্টিবাদৰ কথা কোৱা নাছিল। উগ্ৰ ব্যক্তিবাদে এথেন্সৰ নাগৰিক জীৱনত প্ৰৱাহিত হৈ থকা শান্তি শৃংখলা ধ্বংস কৰি ছিল আৰু এই উগ্ৰ ব্যক্তিবাদে এথেন্সত গা কৰি উঠাৰ বাবে ছফিষ্টসকল এটা শ্ৰেণী হিচাপে বহু পৰিমাণে দায়ী আছিল। ছফিষ্টসকলৰ চিন্তাত আৰু শিক্ষাত ব্যক্তি বাদী চিন্তাধাৰা এটাৰ প্ৰবল প্ৰৱণতা আছিল। কিয়নো ছফিষ্টসকলৰ মতে মানুহৰ জীৱনৰ মৌলিক নীতি হৈছে নিজকে প্ৰতিষ্ঠা কৰা। সামাজিক অনুষ্ঠানবোৰে বাধা দিয়া নকৰিলে ব্যক্তিসকলে তেওঁলোকৰ জীৱন ভালকৈ গঢ়ি তুলিব পাৰে। তেওঁলোকৰ মতে মানুহো এবিধ জন্তু। আন আন জন্তুৰ দৰে মানুহো প্ৰয়োজনীয়তা আৰু সুবিধাৰ সৃষ্টি। বন্ধনবিহীন পৃথিৱীখনত তেওঁলোকে নিজৰ জীৱন চলাই যাব লাগে। প্ৰকৃতিয়ে মানুহক কিছুমান প্ৰবৃত্তিগত ভাব দিছে। সেইবোৰ হৈছে-ভয় অহমিকা ক্ষমতা আৰু সন্মানৰ প্ৰতি লোভ ইত্যাদি। প্ৰত্যেক মানুহে পাৰিলে আনৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিবলৈ আৰু আনৰ আগত ক্ষমতা দেখুৱাবলৈ ইচ্ছা কৰে। যদি কোনোবাই আনৰ অসুবিধা আৰু ক্ষতি সাধন কৰি নিজৰ সুখ আৰু উন্নতি কৰিব পাৰে তেওঁক সেইটো কৰিবলৈ দিয়া উচিত অৱশ্যে তেওঁ সেইটো শাস্তি ভোগ নকৰাকৈ কৰিব পাৰিব লাগিব। যদি ৰাষ্ট্ৰৰ আইনে সেইটো কৰিবলৈ নিদিয়ে শাস্তি ভোগ কৰিব লগীয়া নোহোৱাকৈ আইন ভংগ কৰিব পাৰিলে বেয়া নহয়। চৰকাৰৰ প্ৰতি সদায় বাধ্য থাকিব লাগে বুলি কোনো কথা নাই। এইটো ব্যক্তিগত সুবিধা আৰু আৱশ্যকতাৰ ওপৰত নিৰ্ভৰ কৰে ই কোনো নৈতিক কৰ্তব্য নহয়। অনিবাৰ্য্য কাৰণত আৰু প্ৰয়োজন হ'লেহে মানুহে চৰকাৰক মানি চলা উচিত আৰু যেতিয়া পৰা যায় নিজৰ সুবিধাৰ কাৰণে চৰকাৰক অমান্য কৰিব লাগে।

ছফিষ্টসকলে মানুহকে মানৱচিন্তা আৰু অধ্যয়নৰ কেন্দ্ৰস্থল বুলি কৈছিল। তেওঁলোকৰ এই চিন্তাধাৰাটো প্ৰোটাগোৰাছ নামৰ এজন বিখ্যাত ছফিষ্টৰ এটা উক্তিত ভালদৰে প্ৰকাশ পাইছে। সেই উক্তিটো হৈছে "মানুহেই সকলো কামৰ মাপ

কাঠি। মানুহে বস্তুবোৰ যিভাৱে ৰাখিব বিচাৰে আৰু মানুহে কোনো বস্তু বা কামৰ বিষয়ে যিটো সিদ্ধান্ত কৰে বস্তুবোৰ সেইভাৱে থাকে আৰু কামবোৰো সেইভাৱে সম্পন্ন হয়। প্ৰত্যেক মানুহে কোনো বস্তু বা কামক যিভাৱে গ্ৰহণ কৰে সেই বস্তু বা কাম সেইভাৱে থাকে বা কৰিবলগীয়া হয়। নৈতিক ক্ষেত্ৰলৈ এই তত্ত্বটো ৰূপান্তৰিত কৰিব লাগিলে ই ব্যক্তিক নিজা নীতি আৰু ৰাজনীতি প্ৰস্তুত কৰিবলৈ ক্ষমতা দিব। ইয়াৰদ্বাৰাই ব্যক্তিয়ে নিজে তেওঁৰ নৈতিক মানদণ্ড স্থিৰ কৰিব আৰু প্ৰত্যেক মানুহে কোনটো ভাল আৰু কোনটো বেয়া বিচাৰ কৰাৰ পূৰ্ণ অধিকাৰ লাভ কৰিব। এইটো সঁচা কথা যে প্ৰোটাগোৰাছ হীন ব্যক্তিবাদী নাছিল আৰু তেওঁ মানুহক সমানভাৱেই ন্যায় আৰু শ্ৰদ্ধাৰ জীৱন যাপন কৰিবলৈ আহ্বান জনাইছিল আৰু এটা সমূহীয়া সামাজিক আৰু ৰাজনৈতিক জীৱন গঢ়ি তুলিবলৈ উপদেশ দিছিল। তেনেকুৱা এটা জীৱন যাপন কৰিবলৈ আৰু গঢ়ি তুলিবলৈ হ'লে সকলো কাৰ্য্যৰে কিছুমান নিৰ্দিষ্ট সামাজিক মানদণ্ড লাগিব। কিন্তু তেওঁৰ উক্তিটো (মানুহেই সকলো কামৰে মাপকাঠি) অন্যান্য ছ'ফিষ্টসকলে বেলেগ ধৰণ ব্যাখ্যা কৰিছিল আৰু সেইবোৰ ব্যাখ্যাত যথেষ্ট পৰিমাণে উগ্ৰ ব্যক্তিবাদৰ সমল দেখিবলৈ পোৱা যায়। আন এগৰাকী বিখ্যাত ছ'ফিষ্ট এণ্টিফোনেও উগ্ৰ ব্যক্তিবাদৰ পক্ষে থিয় দিছিল আৰু কম বেছি পৰিমাণে প্লেটোৰ গণৰাজ্য'ত উল্লেখ কৰা থ্ৰেছিমেকাছৰ দৰেই স্থান অধিকাৰ কৰিছিল। এণ্টিফোনৰ মতে আইন মানি চলাটো বেয়া। কিয়নো মুঠতে আইন মানি চলাৰদ্বাৰা মানুহৰ বিশেষ লাভ নহয় লোকচান হোৱাৰহে ভয় আছে। ই নীতি আৰু পাৰদৰ্শিতাৰ কোনোটো পৰীক্ষাতে উত্তীৰ্ণ হ'ব নোৱাৰে। তেওঁৰ মতে যিবোৰ আইন বল প্ৰয়োগৰদ্বাৰা কাৰ্য্যকৰী কৰা হয় সেইবোৰ আইন জীৱনৰ প্ৰাকৃতিক আইনৰ পৰিপন্থী। বস্তু আৰু কামৰ ওপৰত এনেকুৱা দৃষ্টিভংগী গ্ৰহণ কৰি এণ্টিফোন আৰু তেওঁৰ সহযোগী ছ'ফিষ্ট সকলে সাপেক্ষিক ব্যক্তিবাদৰ এটা নীতি অনুসৰণ কৰিছিল আৰু নীতিটো জীৱনৰ বাস্তৱতাৰপৰা আঁতৰত আছিল। ছ'ফিষ্টসকলে এজন ব্যক্তিক সমাজৰ এটা বিচ্ছিন্ন গোট হিচাপে ধৰি লৈছিল। ব্যক্তিক সামাজিক প্ৰাণী বুলি ভবা নাছিল। সেই গতিকে সামাজিক আইনবোৰ ব্যক্তিস্বাৰ্থৰ বাবে আৱশ্যকীয় হ'ব লাগে বুলি তেওঁলোকে কৈছিল। উদাহৰণস্বৰূপে যিবোৰ আইনে সম্পত্তিৰ অধিকাৰ আৰু সম্পত্তিৰ প্ৰতি শ্ৰদ্ধা দেখুৱাবলৈ ৰচনা কৰা হৈছে সেইবোৰ আইন সকলো ব্যক্তিৰ বাবে সুবিধাজনক বুলি তেওঁলোকে স্বীকাৰ কৰিছে। ছ'ফিষ্টসকলৰ ব্যক্তিবাদে ৰাজনৈতিক চিন্তাধাৰাটো ৰাষ্ট্ৰৰ চুক্তিভিত্তিক তত্ত্বলৈ লৈ গৈছে।

আমি আগৰ এটা অধ্যায়তে উল্লেখ কৰি আহিছোঁ যে গ্ৰিকসকলৰ ৰাজনৈতিক তত্ত্বৰ ওপৰত ছ'ফিষ্টসকলৰ প্ৰভাৱ অসামান্য। প্লেটো তেওঁৰ বিখ্যাত 'গণৰাজ্য' ৰচনাৰ বাবে ছ'ফিষ্টসকলৰ ওচৰত ধৰুৱা আছিল। আদৰ্শ ৰাষ্ট্ৰত প্লেটোৱে যিজন দাৰ্শনিক ৰজাৰ কথা কৈছিল তেওঁ থ্ৰেছিমেকাছৰ শক্তিশালী

মানুহজনৰ লেখনীয়াই আছিল। ছফিষ্টসকলৰ ব্যক্তিবাদৰ বিৰুদ্ধে তেওঁ সাম্যবাদৰ তত্ত্ব প্ৰচাৰ কৰিছিল। ইউৰিপাইড আৰু এণ্টিফোনৰ দৰেই ছফিষ্টসকলে সাম্যবাদ আৰু সমাজখনক তিনিটা শ্ৰেণীত ভাগ কৰাটো সমৰ্থন কৰিছিল। মূলতে ছফিবাদৰ পৰা ব্যক্তিবাদৰ সৃষ্টি হোৱা বুলি ধৰিব লাগে প্লেটোৱে সামাজিক ব্যক্তিত্ব বিশ্বাস কৰিছিল। গণৰাজ্যত প্লেটোৱে যিবোৰ আটাইতকৈ উৎকৃষ্ট কথোপকথনৰ সৃষ্টি কৰিছিল আৰু যিবোৰ কথোপকথন উৎকৃষ্টভাৱে প্ৰতিনিধিত্বমূলক আছিল সেই বোৰত তেওঁ ন্যায়ৰ স্থিতি আৰু প্ৰকৃতি বিচাৰি উলিওৱাৰ দায়িত্বটো নিজৰ ওপৰতে লৈছিল আৰু এইটো তেওঁ প্ৰতিজন মানুহতে দেখিবলৈ পাইছিল। প্ৰত্যেক মানুহে তেওঁৰ জীৱনৰ প্ৰকৃত বৃত্তি বাছি ল'ব পাৰিছিল আৰু সেই বৃত্তিত একান্তভাৱে লাগি থাকি তাৰ জেউতি চৰাব পাৰিছিল। যদিও প্লেটোৱে ব্যক্তিৰ সামাজিক চমৎকাৰিত্বৰ ওপৰত গুৰুত্ব দিছিল তথাপি ব্যক্তিৰ নিজৰ এটা মন আছে আৰু সেই মনটোৰপৰা একেবাৰে বাহিৰলৈ ওলাই আহিব নোৱাৰে। নৈতিক বৌদ্ধিক আৰু শাৰীৰিক দৃষ্টিকোণৰপৰা প্ৰকৃতিয়ে মানুহক যিবোৰ অৱদান দিয়ে মানুহে সেইবোৰ অৱদানৰ সহায়ত কাৰৰ পৰা কোনো এটা কাম বা কোনো ধৰণৰ কাম আৱিষ্কাৰ কৰি ল'ব লাগিব আৰু সেই কামটোতে তেওঁ আত্মনিয়োগ কৰিব লাগে। প্লেটোৰ মতে মানুহে কোনো এটা কামত আত্মনিয়োগ কৰিলে তেওঁৰ ব্যক্তিত্বৰ বিনাশ নঘটে বৰং ইয়াৰ উন্নতি সাধনহে হয়। সকলোবোৰ কামকে অলপ অলপ জনাতকৈ কোনো এটা কাম ভালকৈ জনাটোৱেই বিধেয়। কাৰণ কথাতে কোৱা হয়— বহু বিদ্যা যাৰ ভাতে নাজোৰে তাৰ। এজন মানুহে কোনো এটা কামত নিজৰ দখল স্থাপন কৰিলে ইয়াৰ জৰিয়তে তেওঁ নিজৰ ওপৰতে দখল স্থাপন কৰিব পাৰে। প্লেটোৱে কেতিয়াও ব্যক্তিসকলক অৱজ্ঞা কৰা নাছিল। এই কথাটো তেওঁৰ এটা উক্তিৰপৰা আমি পৰিষ্কাৰভাৱে জানিব পাৰো। সেই উক্তিটো হৈছে— 'এখন প্ৰকৃত আৰু ঠিক ৰাষ্ট্ৰত ব্যক্তিয়ে নিজে তেওঁৰ সম্প্ৰসাৰণ কৰি ল'ব আৰু তেওঁৰ নিজৰ স্বাৰ্থ পূৰণৰ লগতে সমূহীয়া স্বাৰ্থও পূৰণ কৰিব।' প্লেটোৱে এইটো বাৰুকৈয়ে অনুভৱ কৰিছিল যে অন্য সকলোবোৰ বাদ দি এটা মাত্ৰ বৃত্তিত মানুহে তেওঁৰ জীৱনত আত্মনিয়োগ কৰিলে আৰু তাতেই ভালকৈ নৈপুণ্য লাভ কৰিব পাৰিলে তাৰপৰাই তেওঁ আটাইতকৈ বেছি সুবিধা আৰু লাভা-লাভ পায়। প্ৰকৃতিয়ে মানুহক যিবোৰ অৱদান দিছে সেইবোৰৰ উন্নতি আৰু বিকাশ সাধন কৰিব পাৰিলেই মানুহৰ ব্যক্তিত্বৰ আটাইতকৈ বেছি আৰু উৎকৃষ্ট সম্প্ৰসাৰণ হয়। তেওঁ ৰাষ্ট্ৰৰ নামত বা ৰাষ্ট্ৰৰ পূজাত ব্যক্তিক উৎসৰ্গা কৰিবলৈ বিচৰা নাছিল। সমাজৰ এটা অতি লঘিষ্ঠ অংশকহে তেওঁ ৰাষ্ট্ৰৰ লগত লগ লগাই দিবলৈ ইচ্ছা কৰিছিল। সমাজৰ এই ক্ষুদ্ৰ অংশটোৰ লোকসকলেই আছিল অভিভাৱকসকল। কেৱল তেওঁলোককহে প্লেটোৱে ৰাষ্ট্ৰৰ লগত একাকাৰ কৰি পেলাইছিল। ৰাষ্ট্ৰৰ মংগলৰ কাৰণে তেওঁ উৎপাদনকাৰী শ্ৰেণীটোক ৰাষ্ট্ৰৰ লগত মিলিত

হৈ যাবলৈ আহ্বান জনোৱা নাছিল। সমাজত এওঁলোকৰ সংখ্যাই আছিল আটাইতকৈ সৰহ। প্লেটোৱে এই শ্ৰেণীটোৰ লোকসকলক তেওঁৰ সাম্যবাদৰ অধীনলৈ আনিবলৈ বিচৰা নাছিল। প্ৰকৃতপক্ষে এই শ্ৰেণীৰ জনসাধাৰণৰ মংগলৰ কাৰণেই তেওঁ অভিভাৱক শ্ৰেণীটোক উছৰ্গা কৰিবলৈ বিচাৰিছিল। কিয়নো অভিভাৱকসকলৰ হাততহে তেও সম্পত্তি ৰাখিব খোজা নাছিল আৰু তেওঁলোকৰ মাজত ব্যক্তিগত পৰিয়ালৰ অৱসান ঘটাবলৈ ইচ্ছা কৰিছিল। এইদৰে তেওঁৰ দৃষ্টিত ৰাষ্ট্ৰৰ মংগল আৰু ৰাষ্ট্ৰত থকা প্ৰজাসকলৰ মংগল একেটাই কথা আছিল। তেও শাসকসকলৰ পৰা ত্যাগৰ দাবী কৰিছিল শাসিতসকলৰপৰা এইটো দাবী কৰা নাছিল।

এতিয়া আমাৰ প্ৰশ্ন হৈছে প্লেটোৰ সাম্যবাদৰ ব্যৱস্থাই কিমানাখিনি ব্যক্তিবাদ ধ্বংস কৰিছিল আৰু ই কিমানদূৰ ব্যক্তিবাদ বিৰোধী আছিল ? এটা কথাৰ কাৰণ আমি এইটো বুজাব লাগিব যে তেওঁৰ সাম্যবাদে সমাজৰ সৰহভাগ লোকক স্পৰ্শ কৰা নাছিল বিশেষকৈ উৎপাদনকাৰী শ্ৰেণীটোৰ মানুহক ই সামৰি লোৱা নাছিল। প্লেটোৱে উৎপাদনৰ ব্যক্তিবাদী ব্যৱস্থাটো সম্পূৰ্ণৰূপে একেদৰেই ৰাখিছিল ইয়াৰ ওপৰত তেওঁ হাত ফুৰুউৱা নাছিল। তেওঁৰ সাম্যবাদ আৰু সমষ্টিবাদে সৰু অভিভাৱক শ্ৰেণীটোকহে পৰিবৰ্তন কৰিবলৈ বিচাৰিছিল। তেওঁৰ সাম্যবাদে অভিভাৱক শ্ৰেণীটোৰ মানুহবোৰৰ স্বাধীনতা আৰু ব্যক্তিত্ব ধ্বংস কৰেনে ? তেও নিশ্চয়কৈ ব্যক্তিবাদৰ ভ্ৰান্ত ধাৰণাটোৰ ঘোৰ বিৰোধী আছিল। সেইদৰে তেও প্ৰাকৃতিক আৰু জন্মগত অধিকাৰ আৰু স্বাধীনতাৰো বিৰোধী আছিল। কিয়নো এইবোৰ অধিকাৰে মানুহক ইচ্ছামতে যিকোনো কাম কৰিবলৈ অনুমতি দিয়ে। প্লেটোৰ মতে ব্যক্তিবোৰ সমাজৰপৰা বিচ্ছিন্ন গোট নহয়। ব্যক্তিবোৰ হৈছে সমাজৰ একো একোটা অবিচ্ছেদ্য অংগ আৰু সেই গতিকে সমাজত ব্যক্তিৰ বাবে নিৰ্দিষ্ট স্থান আছে। সমাজত তেও নিজৰ ভূমিকা পালন কৰিবলগীয়া আছে। ব্যক্তিয়ে সমাজত নিজৰ ভূমিকা যিমান মুক্ত আৰু মহানভাৱে পালন কৰিব পাৰে সিমানেই ভাল। সমাজৰ প্ৰতি ব্যক্তিয়ে নিজৰ বৰঙণি যোগাব পাৰিলেহে তেওঁৰ ব্যক্তিত্ব স্বাধীনতা আৰু অধিকাৰবোৰ মূল্যবান হৈ পৰে। এজন ব্যক্তিৰ যি স্বাধীনতা আৰু অধিকাৰ আছে সিযেই তেওঁৰ বাবে এনে এটা অৱস্থাৰ সৃষ্টি কৰিব যত তেও নিজৰ সামাজিক দায়িত্ব যোগ্যতাৰে পালন কৰিব পাৰিব। প্লেটোৰ সাম্যবাদে ব্যক্তিৰ বাবে এনেবোৰ স্বাধীনতা আনি দিবলৈ বিচাৰিছিল যাৰ সহায়ত তেওঁলোক জীৱনৰ প্ৰকৃত বৃত্তি চলাই থকাত পোৱা অসুবিধাবোৰ আঁতৰ কৰি ল'ব পাৰিব। ইয়াৰ ফলত তেওঁলোকৰ নিজা ব্যক্তিত্ব আৰু সমাজৰ সমৃদ্ধি সাধন হ'ব। ব্যক্তি সকলে যেতিয়া নিজৰ ওপৰতে ভৰ দি সদায় চলিবলগীয়া হয় তেতিয়াই তেওঁৰ ব্যক্তিত্বৰ বিকাশত যথেষ্ট বাধা বিঘিনি আহে আৰু যেতিয়া ব্যক্তিয়ে সমাজৰ এটা অবিচ্ছেদ্য অংশ হিচাপে কাম কৰে তেতিয়া তেওঁৰ ব্যক্তিত্ব বহল আৰু সম্প্ৰসাৰিত হয়। সেই গতিকে প্লেটোৱে এই কথাষাৰ নিশ্চিতভাৱেই কৈছিল যি ব্যক্তিয়ে নিজে

নিজে চলে তেৱেঁই সবাতোকৈ ঠেক আৰু নীচ ব্যক্তি। কিন্তু এজন ব্যক্তিৰ ব্যক্তিত্বই তেওঁৰ স্বাৰ্থৰ সকলোখিনি নহয়নে ? প্লেটোৰ সূত্ৰ— এটা মানুহৰ বাবে এটা কাম — ই ব্যক্তিৰ স্বাৰ্থবোৰৰ ওপৰত কুঠাৰাঘাত কৰা নাইনে আৰু ইয়াৰ ফলত তেওঁৰ ব্যক্তিত্ব নষ্ট হৈ নাযায়নে ? এই ধৰণৰ যুক্তিবোৰৰ উত্তৰ প্লেটো আৰু তেওঁৰ সমৰ্থকসকলে এইদৰে দিয়ে যে ব্যক্তিৰ উপৰুৱা বা তৰল স্বাৰ্থবোৰ কোনো ডাঙৰ স্বাৰ্থ নহয় গভীৰ বা ঘনীভূত স্বাৰ্থবোৰহে ডাঙৰ স্বাৰ্থ আৰু প্লেটোৱে এই স্বাৰ্থবোৰৰ ওপৰতহে গুৰুত্ব দিছিল কিয়নো সেইবোৰ স্বাৰ্থ পূৰণ কৰিব পাৰিলেহে ব্যক্তিৰ ব্যক্তিত্ব সমৃদ্ধিশালী হয়। প্লেটোৰ ন্যায়ৰ অনুধাৰণাই ব্যক্তি সকলৰ এইবোৰ স্বাৰ্থলৈহে লক্ষ্য ৰাখিছিল আৰু ইয়েই তেওঁক প্ৰকৃত ব্যক্তিবাদীলৈ লৈ গৈছিল।

প্লেটোৱে গণতন্ত্ৰৰ প্ৰতি যিটো মনোভাৱ পোষণ কৰিছিল সিও ভ্ৰান্ত ব্যক্তিবাদৰ বিৰুদ্ধে থকা তেওঁৰ ঘৃণা প্ৰকাশ কৰিছিল। ইয়াৰদ্বাৰাই তেওঁ ব্যক্তিৰ সাপেক্ষিক স্বাধীনতা আৰু সকলো ব্যক্তিৰ মাজত থকা সমতাৰ বিৰুদ্ধে মাত মাতিছিল। যি গণতন্ত্ৰই প্ৰাকৃতিক সমতা আৰু অসমতা বিচাৰ নকৰাকৈ সকলো মানুহকে সমান বুলি গণ্য কৰিছিল প্লেটো সেই গণতন্ত্ৰৰ বিৰুদ্ধে আছিল। তেওঁৰ মতে সমতাৰ আচল অৰ্থ সমান সামৰ্থ্যৰ বাবে সমান অধিকাৰ দিয়া উচিত। প্ৰকৃতিয়ে বিভিন্ন মানুহক বিভিন্ন শক্তি সামৰ্থ্য দিছে। প্ৰাকৃতিক অনুদান আৰু পৰিবেশে মানুহৰ মাজত যি পাৰ্থক্যৰ সৃষ্টি কৰিছে ইয়েই বেলেগ বেলেগ মানুহক বেলেগ বেলেগ সামৰ্থ্য দিছে। ব্যক্তিবোৰৰ মাজত প্লেটোৱে যদিও প্ৰাকৃতিক অসমতা দেখিবলৈ পাইছিল আৰু সকলো মানুহকে সমান অধিকাৰ দিয়াত তেওঁ বিৰোধী আছিল যদিও এজন প্ৰকৃত ব্যক্তিবাদৰ সমৰ্থক হিচাপে তেওঁ সকলোকে সমান সুবিধা দিবলৈ প্ৰস্তুত আছিল। তেওঁৰ শিক্ষাব্যৱস্থাটো ভালদৰে অধ্যয়ন কৰিলে আমি ইয়াৰ প্ৰমাণ পাওঁ। তেওঁৰ শিক্ষাব্যৱস্থাতে ব্যক্তিবাদৰ নিভুল লক্ষণবোৰ আছে। প্লেটোৱে তেওঁৰ শিক্ষাব্যৱস্থাত ব্যক্তিৰ বাবে সা সুবিধাৰ সমতাৰ নীতি আৰু ব্যক্তিসকলৰ মাজত বিৰাজ কৰি থকা মৌলিক অসমতাৰ নীতিৰ সমন্বয় ঘটাইছে। কিয়নো ২০ বছৰ বয়সলৈকে তেওঁ সকলোৰে বাবে একে শিক্ষা দিবলৈ কৈছিল আৰু সেইডোখৰ সময়ত পুৰুষ নাৰী উভয়ৰে বাবে একে শিক্ষাৰ ব্যৱস্থা কৰিছিল। ইয়াৰ বাবে তেওঁ অৱস্থাৰ সমৰূপতা আৰু সকলো মানুহৰ বাবে সমান সুবিধাৰ সৃষ্টি হ'ব লাগে বুলি কৈছিল। ২০ বছৰ বয়সত কম বুদ্ধি বৃত্তি থকা লোকসকলৰ মাজৰপৰা বেছি বুদ্ধি বৃত্তিসম্পন্ন ভাগ্যবান লোকসকলক বিচাৰি উলিয়াই তেওঁলোকৰ বাবে বিশেষ প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ এটা পৰীক্ষা লোৱাৰ কথা কৈছিল। এই পৰীক্ষাত উত্তীৰ্ণ হোৱাসকলক ১০ বছৰৰ বাবে আৰু এটা পাঠ্যক্ৰমৰ প্ৰশিক্ষণ দিবলৈ বিচৰা হৈছিল আৰু তাৰ পাছতো আৰু এটা পৰীক্ষা লোৱাৰ ব্যৱস্থা আছিল। সেইটো পৰীক্ষাৰ সহায়তো আৰু কিছুমানক

আঁতৰ কৰা হৈছিল। প্ৰত্যেক মানুহকে প্ৰকৃতিয়ে বেলেগ বেলেগ শক্তি আৰু সামৰ্থ্য দিছে এই কথাটো ভালদৰে বুজিয়েই প্লেটোৱে ব্যক্তিসকলক তেওঁলোকৰ জীৱনৰ প্ৰকৃত বৃত্তি বাছি ল'বলৈ আহ্বান জনাইছিল আৰু যিকোনো এটা নিজৰ সামৰ্থ্যৰ লগত মিল থকা বৃত্তিতে আত্মনিয়োগ কৰি তেওঁলোকৰ ব্যক্তিত্ব গঢ়ি তুলিবলৈ উপদেশ দিছিল। ব্যক্তিগত স্বাধীনতাৰ ভ্ৰান্ত ধাৰণা আৰু ভ্ৰান্ত গণতান্ত্ৰিক তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত ব্যক্তিবাদৰ প্লেটো ঘোৰ বিৰোধী আছিল। ভ্ৰান্ত স্বাধীনতাই ব্যক্তি আৰু সমাজৰ ধ্বংস সাধন কৰিব পাৰে। স্বাধীনতাৰ বিষয়ে ভুল ধাৰণা লৈ থকা এজন মানুহে সকলোৰে ওপৰত হাত দিব বিচাৰে কিন্তু তেও কোনোটো কাম বা কথাই ভালদৰে কৰিব নোৱাৰে। কোনো কামতে ভালদৰে আত্মনিয়োগ কৰিবলৈ তেওঁৰ শক্তি নাই আৰু তেও নিজৰ ওপৰত নিজে অনুশাসন চলাব নোৱাৰে। মানুহৰ ব্যক্তিত্বৰ প্ৰকৃত বিকাশৰ কাৰণে এইবোৰ গুণৰ অতি প্ৰয়োজন।

গণৰাজ্য তকৈও তেওঁৰ পাছৰ গ্ৰন্থবোৰতহে ব্যক্তিবাদৰ চিন বেছিকৈ দেখি বলৈ পোৱা যায়। প্ৰাপ্তবয়সত প্লেটোৱে তেওঁ আগবয়সত লিখা সমষ্টিবাদৰ সংশোধন সাধন কৰিছিল। আইন নামৰ গ্ৰন্থত তেও ব্যক্তিৰ ব্যক্তিত্বৰ স্বীকৃতি দিছিল গণৰাজ্য'ত উল্লেখ কৰা সাম্যবাদে তেওঁৰ ব্যক্তিত্বক সিমানখিনি স্বীকৃতি দিয়া নাছিল। ইয়াত তেও অভিভাৱকসকলেও সম্পত্তি ৰাখিব পাৰে বুলি মত প্ৰকাশ কৰিছিল। প্লেটোৰ পাছতহে গ্ৰিক ৰাজনৈতিক তত্ত্ব নিসন্দেহে বেছি ব্যক্তি বাদী হৈ পৰিছিল। এৰিষ্টটলে প্লেটোৰ সাম্যবাদক তীব্ৰভাৱে নিন্দা কৰিছিল। এইটো সঁচা যে এৰিষ্টটলৰ মতে যিজন মানুহ ৰাষ্ট্ৰৰ বাহিৰত থাকে তেও হয় দেৱতা নহয় জন্তু। এৰিষ্টটলে মানুহৰ প্ৰকৃত ব্যক্তিত্ব ৰাষ্ট্ৰত থাকিলেহে বিকাশ হ'ব পাৰে বুলি নদি কৈছে। কিন্তু সমাজৰ এটা বিচ্ছিন্ন গোট হিচাপে নহয় সমাজৰ এটা অবিচ্ছেদ্য অংশ হিচাপেহে ব্যক্তিয়ে আত্মনিৰ্ভৰশীলতা লাভ কৰিব পাৰে বুলি এৰিষ্টটলে দৃঢ়ভাৱে বিশ্বাস কৰিছিল। আত্মনিৰ্ভৰশীলতা লাভ কৰিবলৈ মানুহবোৰ নাগৰিক হয়। এৰিষ্টটলৰ পাছতো গ্ৰিছ দেশীয় ৰাজনৈতিক তত্ত্ব আৰু বেছিকৈ ব্যক্তিবাদী হৈ পৰে আৰু ইয়াৰ ব্যক্তিবাদী চেহেৰা প্ৰস্ফুটিত হৈ উঠে। ইয়াৰ পাছত ব্যক্তিবাদৰ সমৰ্থক যিসকল ৰাজনৈতিক তত্ত্ববিদ ওলাইছিল তেওঁলোকৰ মতে ব্যক্তিবাদেই সকলো ব্যৱস্থাৰ মৌলিক ভেটি। তেওঁলোকৰ মতে ব্যক্তিসকল তেওঁলোকৰ নিজৰ বাবে যথেষ্ট হ'ব লাগিব। সমাজৰ কথা বিচাৰ নকৰাকৈ ব্যক্তিয়ে তেওঁৰ নিজৰ সুখ সম্ভোগ আৰু মংগলৰ বাবে কাম কৰি যাব লাগিব। ৰাষ্ট্ৰ আৰু সমাজে ব্যক্তিৰ ওপৰত কোনো কামৰ ভাৰ জাপি দিব নালাগে। ব্যক্তিসকলৰ কাৰণে ৰাষ্ট্ৰ বা সমাজে কোনো কামৰ পন্থতি ঠিক কৰি দিব নালাগে। ব্যক্তিয়ে নিজেই এইবোৰ ঠিক কৰি লৈ নিজৰ কাম বাছি ল'ব পাৰিব। প্ৰত্যেক মানুহে নিজেই তেওঁৰ ব্যৱহাৰৰ ধৰণ ঠিক কৰি ল'ব।

প্লেটোৰ সাম্যবাদীব্যৱস্থা আৰু আধুনিক সমাজবাদৰ সকলোবোৰ ব্যৱস্থাৰ মাজত থকা পাৰ্থক্যখিনি মনলৈ ননাকৈ কেৱল 'সমাজবাদ' শব্দটো

থকা বাবেই প্লেটোৱে ৰাষ্ট্ৰ সম্বন্ধে দিয়া মতবাদক আধুনিক জগতৰ লগত তুলনা কৰিবলৈ যোৱাটো বিভ্ৰান্তিকৰ হ'ব। কিয়নো প্লেটোৰ সাম্যবাদ আৰু আধুনিক সমাজবাদৰ মাজত মৌলিক পাৰ্থক্য আছে, এইটো হৈছে উদ্দেশ্যগত পাৰ্থক্য আৰু ইয়াৰপৰাই দৃষ্টিভংগীৰ পাৰ্থক্য আহিছে। আধুনিক সমাজবাদী সকলে ব্যক্তিৰ স্বাৰ্থতে বেছি পৰিমাণে ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ সমৰ্থন কৰে। প্লেটোৰ সমাজবাদ ৰাষ্ট্ৰৰ স্বাৰ্থতহে প্ৰতিষ্ঠা কৰিবলৈ বিচৰা হৈছিল। ইয়াত তেওঁৰ বল আৰু দুৰ্বলতা দুয়োটাই আছিল। কিয়নো ইয়াৰ বাবেই তেও ঠিকভাৱেই জোৰ দি কৈছিল যে ভাল নাগৰিকত্বই যিকোনো প্ৰকৃত ব্যক্তিত্বৰ ভেটি। ইয়াতে তেওঁ এটা মূল্যবান কথা বুজিবলৈ চেষ্টা নকৰিলে। সেইটো হৈছে—ৰাষ্ট্ৰৰ প্ৰকৃত আংগিক দৃষ্টিভংগীৰ অৰ্থ হৈছে—নাগৰিকসকলৰ ৰাজহুৱা কৰ্তব্যৰ বাহিৰত কিছুমান নিজা স্বাৰ্থ আছে। ৰাষ্ট্ৰৰ লগত ব্যক্তিৰ সম্পৰ্কৰ বিষয়ে প্লেটোৰ অৱধাৰণাটো তেও পৰামৰ্শ দিয়া এই দুটা দৃষ্টিকোণৰপৰা আমি বিচাৰ কৰিব পাৰোঁ।

প্ৰথমতে প্লেটোৱে ৰাষ্ট্ৰৰ ওচৰত ব্যক্তিৰ নিৰ্ভৰশীলতাৰ বিষয়ে ঠিকভাৱেই গুৰুত্ব দিছিল। ব্যক্তিয়ে নিজৰ ব্যক্তিত্বৰ স্বত্ব হিচাপে ৰাষ্ট্ৰৰ ওচৰত নিৰ্ভৰশীল হৈ থাকিব লাগে। চতুৰ্থ পুস্তিকাৰ আৰম্ভণিত কোনো এটা উল্লেখযোগ্য অংশত প্লেটোৱে এইটো পৰিষ্কাৰভাৱে কৈছে। এডিমেণ্টাছে (Adeimantus) আপত্তি দেখুৱাই কৈছিল যে অভিভাৱকসকলৰপৰা জোৰ কৰি ইমানখিনি ত্যাগ বিচাৰিলে তেওঁলোক বৰ অসন্তুষ্ট আৰু অসুখী হ'ব। ইয়াৰ উত্তৰ প্লেটোৱে ছক্ৰেটিছৰদ্বাৰা দিয়াইছিল। ছক্ৰেটিছে কৈছিল যদিও তেওঁ ইয়াত আচৰিত নহয় যে অভিভাৱকসকল তেওঁলোকৰ জীৱনৰ কঠিন অৱস্থাতো সুখী আছিল ৰাষ্ট্ৰৰ উদ্দেশ্য কোনো এটা শ্ৰেণীৰ মানুহক বিশেষভাৱে সুখী কৰাটো নহয় সমস্ত ৰাষ্ট্ৰখনকে সম্ভৱপৰ আটাইতকৈ বেছি সুখী আৰু সমৃদ্ধিশালী কৰাটোহে আৰু সেইটোকে নিশ্চিত কৰিবলৈ সাম্যবাদী ব্যৱস্থাটো চুপাৰিশ কৰা হৈছে। মানুহৰ সামাজিক জীৱনটোক প্লেটোৱে এই দৃষ্টিভংগীৰে চাইছিল আৰু এই দৃষ্টিভংগীৰে বিচাৰ কৰিলে প্লেটোৰ আধুনিক জগতৰ লগত মূল কথাত বৰ বেছি পাৰ্থক্য নাই। সম্ভৱতঃ আমি অন্য শ্ৰেণীৰ মানুহবোৰৰ মংগলৰ কাৰণে এটা শ্ৰেণীৰ মানুহে ভোগ কৰি থকা সুখ-স্বাচ্ছন্দ্যবোৰ এৰি দিবলৈ কবলৈ সংকোচ বোধ কৰিম। কিন্তু আমি এটা নীতি স্বীকাৰ কৰোঁ যে জনসাধাৰণৰ সাধাৰণ মংগল আৰু উন্নতি এটা শ্ৰেণীৰ মানুহৰ মংগলৰ আৰু উন্নতিৰ ওপৰত স্থান দিব লাগিব। সেইদৰে যদিও আমি কোনো মানুহৰ ওপৰত প্ৰত্যক্ষভাৱে বাধ্য বাধকতা জাপি দিব নোৱাৰোঁ আৰু কোনো মানুহক তেওঁৰ বাবে উপযুক্ত কামটো কৰিবলৈ জোৰ কৰি লগাই দিব নোৱাৰো তথাপি আমি প্লেটোৰ লগত একমত নহৈ নোৱাৰোঁ যে মানুহে তেওঁৰ বাবে যিটো উপযুক্ত কাম সেইটো কৰিব

নোৱাৰিলে কেতিয়াও প্রকৃত সুখ নাপায়। প্লেটোৱে এই বিষয়ে যিখিনি চিন্তা ক'ৰ গৈছে আমি তাতকৈ বেছি একো চিন্তা কৰা নাই। মানুহে নিজৰ স্বার্থ আৰু ইচ্ছামতে স্বতন্ত্রভাৱে কাম কৰিব পাৰিলেহে তেওঁৰ ব্যক্তিত্ব গঢ়ি উঠে বা সমূহীয়া সামাজিক জীৱনত অংশ গ্রহণ কৰিলে মানুহৰ ব্যক্তিত্বৰ অৱশ্যম্ভাৱী হানি হয়।

নাগৰিকত্বকে প্লেটোৱে ব্যক্তিত্বৰ ভেটি হিচাপে গ্রহণ কৰি ঠিকেই কৰি'ছে কিন্তু ব্যক্তিৰ ওপৰত ৰাষ্ট্ৰৰ কৰ্তৃত্ব বাহাল ৰাখিবলৈ ইচ্ছা কৰি তেওঁ ব্যক্তিৰ নাগৰিক হিচাপে কৰিবলগীয়া কর্তব্যখিনিৰ অতিৰঞ্জন কৰিছে। প্লেটোৱে এইটো ভাবিছিল যে নাগৰিকসকল ৰাজহুৱা কামৰপৰা আন কামলৈ যোৱা বাবে তেওঁ লোকৰ মনত থকা দেশপ্ৰেমৰ ভাব দুৰ্বল হৈ পৰিছিল আৰু ইয়াৰপৰাই তেওঁ এটা ভ্ৰান্ত সিদ্ধান্তত উপনীত হৈছিল। সেইটো হৈছে—ৰাষ্ট্ৰৰ মংগল আৰু ব্যক্তিৰ মংগল একেলগে হ'ব নোৱাৰে। ইয়াৰ ফলত ৰাষ্ট্ৰ আৰু ব্যক্তিৰ বিষয়ে তেওঁ যিটো দৃষ্টিভংগী গ্ৰহণ কৰিছিল সেইটোও ভুল হৈ গৈছিল বা ত্ৰুটীশূন্য নাছিল। ইয়াৰদ্বাৰাই তেওঁ যিমানদূৰ পৰা যায় সকলোবোৰ ব্যক্তিগত অনুভূতি আৰু স্বাৰ্থ পৰিহাৰ কৰাই ৰাষ্ট্ৰত ঐক্য স্থাপন কৰিবলৈ চেষ্টা কৰি'ছিল। এই উদ্দেশ্যটো আগত ৰাখিয়েই তেওঁ কৈছে যে অভিভাৱকসকলে মাটি টকা পইচা বা যিকোনো আকৃতিৰ ব্যক্তিগত সম্পত্তিবোৰ থাকে তেওঁলোক কম বিশ্বাসী নাগৰিক হয়। ইয়েই ৰাষ্ট্ৰখনক দুটা বিবদমান শিবিৰত ভাগ কাৰ পেলায়—এটা ধনীৰ শিবিৰ আনটো গৰীবৰ শিবিৰ। ইয়াৰ ফলত মানুহবোৰ ৰাষ্ট্ৰৰ কল্যাণ আৰু মংগলতকৈ নিজৰ ব্যক্তিগত লাভৰ প্ৰতি বেছি সচেতন হয়। সেইবোৰেই ৰাষ্ট্ৰৰ ভিতৰত থকা মানুহবোৰৰ মাজত সঘনে ঘটি থকা হাই কাজিয়াৰ প্ৰধান কাৰণ। তেওঁ পৰিয়ালৰ বিলুপ্তি সাধনৰ ওপৰতো জোৰ দিছিল। তেওঁৰ মতে পৰিয়ালবোৰ হৈছে ৰাষ্ট্ৰৰ ভিতৰতে একো একোখন সৰু ৰাষ্ট্ৰ যিকোনো সময়তে এই পৰিয়ালবোৰৰ সদস্যসকলৰ লগত ৰাষ্ট্ৰৰ সংঘাত হ'ব পাৰে। গতিকে প্লেটোৱে অভিভাৱকসকলৰ ব্যক্তিগত ঘৰুৱা জীৱনৰ অৱসান ঘটাই আৰু তেওঁলোকক ৰাজহুৱা শিবিৰত একেলগে ৰাখি আৰু একেলগে খোৱা লোৱা কৰাই তেওঁলোকৰপৰা ৰাষ্ট্ৰৰ প্ৰতি একনিষ্ঠ সেৱা আদায় কৰিব পাৰিব বুলি আশা কৰিছিল।

প্লেটোৰ সাম্যবাদৰ প্ৰস্তাৱৰ ওপৰত তেওঁৰ সুযোগ্য শিষ্য এৰিষ্টটলে যিবোৰ সমালোচনা আগবঢ়াইছিল সেইবোৰ অতি মূল্যবান। এৰিষ্টটল নিজে সম্পত্তিৰ অধিকাৰৰ চৰ্তবিহীন অধিবক্তা আছিল। তেওঁ আগবঢ়োৱা সমালোচনাবোৰ মৌলিকভাৱে ঠিক। প্লেটোৱে ব্যক্তিগত মালিকীস্বত্বৰপৰা যিবোৰ বেয়া ভাব আৰু বেয়া প্ৰবৃত্তি অহা বুলি ভাবিছিল এৰিষ্টটলৰ মতে আচলতে সেইবোৰ মানুহৰ প্ৰকৃতিৰ দুৰ্বলতাৰপৰাহে আহিছে। প্লেটোৱে এইবোৰ

নাইকিয়া কৰিবলৈ ইতিহাসৰপৰা শিক্ষা লাভ কৰা নাছিল ইয়াৰ বাবে তেওঁ অতীতৰ অভিজ্ঞতা বিচাৰ কৰা নাছিল। এই উদ্দেশ্যে তেও ৰাষ্ট্ৰৰম্বাৰা নিয়ন্ত্ৰিত এক নতুন শিক্ষাব্যৱস্থা প্ৰবৰ্তন কৰিবলৈ বিচাৰিছিল, চলিত আইন কানুন আৰু দেশাচাৰবোৰৰ পৰিবৰ্তন সাধন কৰিব খুজিছিল। তেওঁ ভাবিছিল যে এইবোৰ কাৰণে মানুহবোৰে স্বেচ্ছাই তেওঁলোকৰ ব্যক্তিগত সা সম্পত্তিবোৰ তেওঁলোকৰ নগৰীয়াসকলৰ সেৱাৰ বাবে ব্যৱহাৰ কৰিব। ইতিহাসৰপৰা পোৱা এটা শিক্ষা হিচাপে এৰিষ্টটলে স্পষ্টভাৱে দেখুৱাই দিছে যে সমূহীয়া সম্পত্তিৰ বাবেও মানুহ'বাৰৰ মাজত সঘনে কাজিয়া লাগিছিল। সেই গতিকে তেওঁৰ ভয় হয় ব্যক্তিগত সম্পত্তিৰ অৱসান ঘটালে মানুহে নিজৰ বস্তু বা সম্পত্তি বুলি যিটো আনন্দ পাই আছে সেই আনন্দটো নাইকিয়া হৈ যাব। মানুহক প্ৰকৃতিয়ে এই অনুভূতিটো দিছে আৰু এই অনুভূতিটো থকা বাবেই মানুহে উৎকৃষ্টভাৱে কাম কৰিবলৈ উৎসাহ পায়। ব্যক্তিগত সম্পত্তি নহ'লে মানুহে স্বাৰ্থহীনতা বদান্যতা আৰু বন্ধুত্বৰ ভাব আৰু কাম দেখুৱাবলৈ সুবিধা নাপাব। ইয়াৰ ফলত যে কেৱল অভিভাৱক শ্ৰেণীৰ মানুহবোৰেই অসুবিধা ভোগ কৰিব লাগিব এনে নহয় ৰাষ্ট্ৰৰ সকলোবোৰ মানুহে অসুবিধা পাব। এটা কথাত ক'বলৈ গ'লে গোটেই ৰাষ্ট্ৰখনে ইয়াৰ অশুভ ফল ভোগ কৰিব লাগিব। যিখন ৰাষ্ট্ৰত নাগৰিকসকলৰ মাজত সম্পত্তিৰ বিষয়ত কোনো পাৰ্থক্য নাই সেই ৰাষ্ট্ৰখন অতি সাধাৰণ আৰু নিম্নস্তৰৰ হ'বলৈ বাধ্য। যিখন ৰাষ্ট্ৰত নাগৰিক সকলৰ ব্যক্তিগত জীৱন নাই সেইখন ৰাষ্ট্ৰই তাৰ জনসাধাৰণক একেলগ কৰি ৰাখিব নোৱাৰে সামাজিক জীৱনত ঐক্য প্লেটোৱে ভবাৰ দৰে সিমান সহজে আনিব পৰা নাযায়। এইটো কথা অৱশ্যে সঁচা যে নাগৰিকসকলৰ মাজত কিছুমান সমূহীয়া স্বাৰ্থ নাথাকিলে কোনো ৰাষ্ট্ৰ বাচি থাকিব নোৱাৰে কিন্তু তেওঁলোকৰ মাজত যিখিনি সমূহীয়া স্বাৰ্থ থাকে তাতকৈ তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থৰ পৰিমাণ বহুত বেছি আৰু এই দুয়োটাৰ স্বাৰ্থই তেওঁলোকক সমাজৰ লগত বান্ধ খুৱাই ৰাখে। গতিকে সেইখন ৰাষ্ট্ৰই উৎকৃষ্ট ৰাষ্ট্ৰ যিখন ৰাষ্ট্ৰত নাগৰিকসকলৰ মাজত গভীৰ পাৰ্থক্যবোৰ দেখিবলৈ পোৱা যায় কিন্তু তথাপিও তাৰ সকলোবোৰ নাগৰিকে সমূহীয়া স্বাৰ্থৰ প্ৰতি আনুগত্য দেখুৱায়।

একাদশ অধ্যায়

প্লেটো আৰু তেওঁৰ 'ভাল'ৰ ধাৰণা

মানুহৰ দাৰ্শনিক প্ৰকৃতিৰ বিষয়ে প্লেটোৱে যিবোৰ কথা তেওঁৰ দ্বিতীয় পুস্তিকাত আৰম্ভ কৰি নবম পুস্তিকাত শেষ কৰিছে সেইবোৰক এটা সাধাৰণ ধাৰণাৰে প্ৰকাশ কৰিব পাৰি। সেই ধাৰণাটো হৈছে মানুহৰ মনৰ দাৰ্শনিক উপাদান। মানুহৰ মনৰ এই উপাদানটোৱে মানুহৰ মনটোক সন্তুষ্টি দিবলৈ মনটোৱে ভালপোৱা আৰু মনৰ লগত খাপ খোৱা আন বস্তুৰ সান্নিধ্যলৈ লৈ যায়। নানান অৰ্থত মানুহৰ দাৰ্শনিক উপাদানটো আন মানুহ প্ৰকৃতি বা কলাৰ ধুনীয়া বস্তু বা সত্যৰ প্ৰতি আকৰ্ষিত হয়। এই সকলোবোৰতে প্লেটোৱে মানুহৰ মনৰ এই উপাদানটোৰ কম বেছি পৰিমাণে বিকাশ হোৱা দেখিবলৈ পাইছিল। মানুহৰ মনৰ দাৰ্শনিক উপাদানটোৰ যেতিয়া পূৰ্ণ বিকাশ হ'ব তেতিয়া ই কেৱল মানুহৰ সৌন্দৰ্য্য আৰু বিভিন্ন বস্তুৰ মাজেৰে ফুটি উঠা সৌন্দৰ্য্য দেখিলেই সন্তুষ্ট নহৈ পৃথিৱীৰ সৌন্দৰ্য্য দেখিবলৈ যত্নবান হ'ব আৰু তেতিয়াহে ই লগৰীয়া মানুহৰ লগত একেলগে থাকি যি সন্তোষ লাভ কৰে পৃথিৱীৰ সৌন্দৰ্য্য দেখিলেও সেই সন্তোষেই লাভ কৰিব। বেছিভাগ মানুহৰ মনৰ দাৰ্শনিক উপাদানটো ভাল নাগৰিক হিচাপে জীৱন যাপন কৰিবলৈ পালেই সন্তুষ্ট হৈ থাকে কিয়নো এজন ভাল নাগৰিকে তেওঁৰ ভাই বন্ধুসকলৰ লগত একেলগে সমাজৰ উন্নতি আৰু নিজৰ উন্নতিৰ বাবে কাম কৰিবলৈ সুযোগ আৰু সুবিধা পায়। কিন্তু অতি কম সংখ্যক হলেও এটা শ্ৰেণীৰ মানুহ আছে যিসকলৰ মনৰ দাৰ্শনিক উপাদানটোক এই খিনিয়ে পূৰ্ণ সন্তুষ্টি দিব নোৱাৰে। তেওঁলোকে পৃথিৱী আৰু পৃথিৱীত গঢ়ি উঠা অনুষ্ঠানবোৰৰ সৌন্দৰ্য্য উপভোগ কৰিবলৈ বিচাৰে আৰু তাৰবাবে তেওঁলোকক সুকীয়া মানসিক খাদ্যৰ যোগান ধৰিবলগীয়া হয়। এই লোকসকলক মানসিক খাদ্যৰ যোগান ধৰি তেওঁলোকৰ মনৰ দাৰ্শনিক উপাদানটোৰ বিকাশ সাধন কৰা টো কেৱল তেওঁলোকৰ বাবেই আৱশ্যকীয় নহয় সমাজৰ বাবেও অতি প্ৰয়োজনীয়। সেই গতিকে তেওঁলোকক উপযুক্তভাৱে প্ৰশিক্ষিত কৰি তোলা উচিত। সেইটো নকৰিলে তেওঁলোকৰ মনৰ দাৰ্শনিক উপাদানটো ভুল পথে পৰিচালিত হোৱাৰ সম্ভাৱনা থাকে।

যিটো নীতি অৱলম্বন কৰি অতি পুৰণি কালত শাসকসকলক নিৰ্বাচিত কৰা হৈছিল সেই নীতিটো হৈছে— 'যিকোনো বস্তুকে ৰক্ষা কৰিবলৈ তেৱেঁই উৎকৃষ্ট লোক যিয়েই বস্তুটোক সবাতোকৈ বেছি ভাল পায়। সেইমতে ৰাষ্ট্ৰৰ

অভিভাৱকৰ সৰ্বোচ্চ গুণ আছিল এইটোৱে যে তেওঁ ৰাষ্ট্ৰখনক প্ৰকৃততে ভাল পাইছিল। তেওঁৰ গাত সেই গুণটো আছে নে নাই তাৰো পৰীক্ষা কৰা হৈছিল। তাৰ বাবে তেওঁৰ অনুভূতি পৰীক্ষা কৰিবলৈ তেওঁক তামাছা স্ফূৰ্তি, দুখ কষ্ট, ভয় ভীতিৰ মাজত পেলাই দিয়া হৈছিল আৰু সেইবোৰত তেওঁৰ কাম আৰু ব্যৱহাৰ লক্ষ্য কৰা হৈছিল। এই সকলো অৱস্থাতে ৰাষ্ট্ৰৰ ভালৰ কাৰণে যিটো উৎকৃষ্ট কেৱল সেইটোহে যদি তেওঁ কৰে তেতিয়াহে তেওঁ প্ৰকৃততে ৰাষ্ট্ৰক সবাতোকৈ বেছি ভাল পোৱা বুলি ধৰি লোৱা হৈছিল। এই সকলোবোৰ পৰীক্ষাতে ভালদৰে উত্তীৰ্ণ হ'ব পাৰিলেহে আৰু সকলোবোৰ বাধা বিঘিনি অতিক্ৰম কৰি ৰাষ্ট্ৰক প্ৰকৃততে ভাল পাই থাকিলেহে তেওঁক পূৰ্ণ অভিভাৱকৰ মৰ্য্যাদা দিয়া হৈছিল। কিন্তু এইবোৰ পৰীক্ষাৰ সহায়ত অভিভাৱকসকলৰ নিৰ্বাচন কৰা হৈছিল যদিও সেই নিৰ্বাচন অস্থায়ী আৰু চৰ্তসাপেক্ষ আছিল। সেই গতিকে ইয়াতো আমি যুক্তিৰ খাতিৰত পুনৰ আগতে উল্লেখ কৰি অহা এটা প্ৰশ্নৰ উত্তৰ দিব লগীয়া হয়। সেই প্ৰশ্নটো হৈছে— সম্পূৰ্ণ অৰ্থত অভিভাৱক হ'বলৈ কোনবোৰ মানুহ উপযুক্ত উত্তৰত আমি ক'ব লাগিব—দাৰ্শনিকসকল। মানুহক প্ৰকৃত দাৰ্শনিক হিচাপে গঢ়ি তুলিবলৈ তেওঁ লোকক পূৰ্ণ পৰ্য্যায়ৰ প্ৰশিক্ষণ দিব লাগিব আৰু তেওঁ লোকৰ চৰিত্ৰ কঠিনভাৱে পৰীক্ষা কৰিব লাগিব। ইয়াৰ অৰ্থ হৈছে যিসকল মানুহক শাসনৰ দায়িত্ব গ্ৰহণ কৰিবলৈ দিয়া হ'ব তেওঁলোকৰ মনৰ দাৰ্শনিক উপাদানটো বৰ শক্তিশালী হ'ব লাগিব আৰু সেই উপাদানটো বিকাশৰ যথেষ্ট সম্ভাৱনাও থাকিব লাগিব। এক শ্ৰেণীৰ মানুহৰ মনত এই উপাদানটো আৰম্ভণিৰেপৰাই দেখিবলৈ পোৱা যায় পাছত ইয়াৰ কেৱল বিকাশ সাধনহে কৰিব লাগে। মানুহৰ মনৰ এই উপাদানটোৰপৰা মানুহৰ প্ৰকৃতিত অদম্য কাল্পনিক অনুভূতিৰ জন্ম হয়। মানুহৰ প্ৰকৃতিৰ কাল্পনিক অনুভূতিবোৰ দুমুখীয়া বস্তু। সেই গতিকে অভিভাৱকসকলক নিৰ্বাচন কৰোঁতে কেৱল তেওঁলোকৰ চৰিত্ৰত থকা দৃঢ়তা আৰু অপৰিবৰ্তনীয়খিনি পৰীক্ষা কৰিলেই নহ'ব তেওঁলোকৰ প্ৰকৃতিত থাকিবলগীয়া আন এটা গুণো চাব লাগিব। সেই গুণটো ইয়াৰ বিপৰীতপন্থী গুণ। সাধাৰণতে মানুহৰ কল্পনা-প্ৰিয় প্ৰকৃতি সুশৃংখল কঠিন আৰু দৃঢ় প্ৰকৃতিৰ লগত খাপ নাখায়। কল্পনাপ্ৰিয় প্ৰকৃতিৰ মানুহবোৰ বেছি খৰ অধৈৰ্য্য আৰু উদ্যমশীল। মানুহৰ প্ৰকৃতিৰ এই ফালটোক কেতিয়াও অৱহেলা কৰিব নোৱাৰি। আনহাতে আমি আগেয়ে অভি-ভাৱকসকলৰ বাবে যি দৃঢ়তা অপৰিবৰ্তনশীলতাৰ প্ৰয়োজনৰ কথা উল্লেখ কৰিছো তাকো কোনোমতে এৰিব নোৱাৰি। সেই গতিকে মানুহৰ প্ৰকৃতিত থকা এই দুয়োবিধ বিপৰীতধৰ্মী গুণৰ মাজত সমন্বয় সাধন কৰিব লাগিব। অভিভাৱক-সকলৰ গাত বৌদ্ধিক অস্থিৰতা আৰু প্ৰগতি চঞ্চলতা থাকিব লাগিব যদিও তেওঁ-লোক সুশৃংখল আৰু দৃঢ় হ'বও লাগিব। কিয়নো এই দুয়োটা গুণেই ভাল প্ৰকৃতিৰ বাবে অত্যাৱশ্যকীয়। সেই গতিকে অভিভাৱকসকলক নিৰ্বাচন কৰোঁতে

এই দুয়োটা গুণৰে পৰীক্ষা কৰিব লাগিব। তামাছা-স্ফূৰ্তি দুখ কষ্ট ভয় ভীতিৰ পৰীক্ষাত উত্তীর্ণ হলে ভৱিষ্যত অভিভাৱকসকলৰ বৌদ্ধিক কামৰ পৰীক্ষাও কৰিব লাগিব। তেওঁলোকৰ বৌদ্ধিক কামৰ প্ৰকৃত জোখ ল'ব পাৰিলেহে তেওঁলোকে কিমানখিনি দাৰ্শনিকৰ গুণ লাভ কৰিছে তাৰ প্ৰমাণ পোৱা যাব। ইয়াত তেওঁলোকক সৌন্দৰ্য্যৰ প্ৰেমিক হিচাপে বিবেচনা কৰা নহয় বিবেচনা কৰা হ'ব জ্ঞানৰ প্ৰেমিক আৰু উপাসক হিচাপেহে।

প্লেটোৱে তেওঁৰ গণৰাজ্যৰ আগৰ ডোখৰৰ পুস্তিকাবোৰত মানুহৰ নৈতিকতাৰ বিষয়ে যিটো বৰ্ণনা দাঙি ধৰিছে তাত এটা প্ৰধান অভাৱ ৰৈ গৈছে। মানুহৰ মনৰ তিনিটা প্ৰধান উপাদানৰ বিষয়হে সেইবোৰ পুস্তিকাত উল্লেখ কৰা হৈছে আৰু তাত চাৰিটা প্ৰধান গুণৰ বিষয়ে বিশ্লেষণ কৰা হৈছে। প্লেটোৰ সেই বৰ্ণনা সম্পূৰ্ণ আৰু যথেষ্ট নহয়। মানুহৰ নৈতিক প্ৰকৃতিৰ বিষয়ে প্লেটোৱে আগেয়ে কোনো ঠাইত স্পষ্টভাৱে উল্লেখ কৰা নাই। মানুহ প্ৰকৃততে কি আৰু মানুহৰ আৱশ্যকতা কি এই বিষয়ে প্লেটোৱে আগেয়ে আমাক যিটো অৱধাৰণা দিছে সেইটোকে আমি আগবঢ়াই আনি সম্পূৰ্ণ কৰিব লাগিব। গতিকে আমি এতিয়া জানিব লাগিব কি অতিৰিক্ত জ্ঞানৰদ্বাৰা মানুহৰ প্ৰকৃতিৰ সেই অভাৱটো পূৰণ কৰিব পৰা যাব। প্লেটোৱে আমাক আগেয়ে দিয়া গুণৰ অৱধাৰণাটোকে কেনেকৈ এটা নিখুঁত অৱধাৰণালৈ ৰূপান্তৰিত কৰিব পৰা যায় সেইটোৱে হৈছে বৰ্তমান আমাৰ সমস্যা। ভৱিষ্যত অভিভাৱকসকলক কি ধৰণৰ জ্ঞান দিব পাৰিলে তেওঁলোক প্ৰকৃতাৰ্থত পূৰ্ণ অভিভাৱক হ'ব পাৰিব ? ইয়াৰ উত্তৰ হৈছে ভালৰ জ্ঞান। তেওঁলোকক ভালৰ জ্ঞান দিব পাৰিলেই তেওঁলোক পূৰ্ণ অভিভাৱকৰ শাৰীত উঠিব পাৰিব। যেতিয়ালৈকে অভিভাৱকসকলে ন্যায়ৰ ভাল ক'ত আছে ক'ব নোৱাৰে তেতিয়ালৈকে তেওঁলোক ন্যায়ৰ দুৰ্বল অভিভাৱক হৈয়েই থাকিব। যেতিয়ালৈকে কোনো এজন মানুহে বিভিন্ন ফলৰপৰা কেনেকৈ প্ৰকৃত অন্তৰ্নিহিত আৰু যথাৰ্থত ভালৰ জন্ম হয় ক'ব নোৱাৰে তেতিয়ালৈকে তেওঁ জ্ঞানৰ অধিকাৰী নহৈ মতৰ অধিকাৰী হৈয়েই থাকিব। ভালৰ জ্ঞানে অভিভাৱকসকলৰ নৈতিকতাৰ সকলোখিনি সম্পূৰ্ণ ধাৰণা পূৰ্ণ কৰি পেলায়। জ্ঞানৰ ইয়েই হৈছে চূড়ান্ত লক্ষ্যস্থান আৰু ইয়াৰেই মানুহৰ কল্পনা প্ৰবৃত্তি'য় পূৰ্ণ সন্তুষ্টি লাভ কৰে। এই জ্ঞান লাভ কৰিবলৈ অভিভাৱকসকলৰ বাবে উন্নত ধৰণৰ শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগিব। কিয়নো তেতিয়াহে তেওঁলোকে ভালৰ অৱধাৰণা কি বুজিবলৈ সমৰ্থ হ'ব।

প্লেটোৰ ভালৰ ধাৰণা বুজিব লাগিলে আমি গ্ৰিক দৰ্শন ভালদৰে অধ্যয়ন কৰিব লাগিব। গ্ৰিক দৰ্শনক দুটা ভাগত ভাগ কৰা হয়— নৈতিক দৰ্শন আৰু জ্ঞানৰ দৰ্শন। গ্ৰিক দৰ্শনত ভালৰ ধাৰণাই প্ৰকৃততে কেনে স্থান অধিকাৰ কৰি আছে সেইটো ভালদৰে জানিব লাগিলে আমি প্লেটোৰ দৰ্শনৰ লগত গ্ৰিক দৰ্শনৰ

পৰ্য়োটা ভাগতে অধ্যয়ন কৰিব লাগিব। প্লেটোৱে এতিয়া ভালৰ বিষয়ে যিখিনি কথা ক'বলৈ ওলাইছে তাত আমি প্ৰধানকৈ তিনিটা ধাৰণা দেখিবলৈ পাওঁ। সাধাৰণ দৃষ্টিত এই ধাৰণা তিনিটাৰ মাজত বিশেষ ঘনিষ্ঠতা দেখিবলৈ পোৱা নাযায়। কিন্তু প্লেটোৰ মতে এই ধাৰণাকেইটা লগ হৈ আছে এটা ধাৰণাকো আন দুটা ধাৰণাৰ পৰা আঁতৰ কৰিব নোৱাৰি। এই ধাৰণাকেইটা হৈছে প্ৰথমতে ভালেই জীৱনৰ শেষ আৰু চৰম লক্ষ্য অৰ্থাৎ ভালেই মানুহৰ সকলোবোৰ আশা আকাংক্ষাৰ সৰ্বোচ্চ লক্ষ্য দ্বিতীয়তে ভালেই জ্ঞানৰ প্ৰধান অৱস্থা আৰু ইয়েই পৃথিৱীখন মানুহৰ বাবে বোধগম্য কৰে আৰু মানুহৰ মনটো বুদ্ধিৰে ভৰপূৰ কৰে আৰু তৃতীয়তে ভালেই পৃথিৱীৰ সৃজনশীল আৰু চলন্ত কাৰণ। এতিয়া আমাৰ প্ৰশ্ন হৈছে— প্লেটোৱে কেনেকৈ দেখাত ইমান দূৰত্বত থকা ধাৰণাকেইটাক এটা মাত্ৰ অৱধাৰণাত লগ লগাইছিল ?

আৰম্ভণিতে আমি ভাল শব্দটোৱে সাধাৰণ অৰ্থত কি বুজায় সেইটো আমাৰ মনৰপৰা আঁতৰত ৰাখিব লাগিব। উদাহৰণস্বৰূপ এজন ভাল মানুহ বুলিলে আমি সাধাৰণতে কি বুজোঁ সেই কথা আমাৰ মনলৈ আনিব নালাগিব। কিয়নো ভালৰ এই সাধাৰণ ধাৰণাটোৱে প্ৰথম অৱস্থাত কোনো নৈতিক গুণৰ কথা নবুজায়। গ্ৰীকসকলৰ মাজত সাধাৰণ মানুহ আৰু দাৰ্শনিক উভয়ে ভাল বুলিলে কোনো আকাংক্ষাৰ বস্তু বুলিয়েই ধৰি লৈছিল যিটো পাবলৈ সকলোৱে বিচাৰিছিল। আমি কিতাপত এনেকুৱা বহুত আকাংক্ষাৰ বস্তুৰ লগত পৰিচিত হৈছোঁ। এইবোৰ মানুহৰ মনৰ আকাংক্ষাৰ বস্তু বুলি আমি জানোঁ কিন্তু এইবোৰৰ অৰ্থ বুজিবলৈ আমি প্ৰায়ে চেষ্টা নকৰোঁ। আমাৰ কাৰণে এইটো বুজাৰ উত্তম উপায় হৈছে ইয়াকে কোৱা যে কোনো এডোখৰ নিৰ্দিষ্ট সময়ত কোনো এজন নিৰ্দিষ্ট মানুহৰ বাবে সেইটোৱে ভাল বা সন্তোষজনক যিটোকে তেওঁ ভাল বুলি ভাবে বা যিটোকে তেওঁ ভাল বুলি কৰে। যদি কোনো এডোখৰ নিৰ্দিষ্ট সময়ত এজন মানুহে অৰ্থলাভৰ বাবে বা ৰাষ্ট্ৰৰ নিৰাপত্তাৰ বাবে বা প্ৰতিশোধ ল'বলৈ নিজৰ জীৱন দিব পাৰে তেওঁৰ বাবে সেই সময়খিনিত অৰ্থ লাভ বা দেশৰ নিৰাপত্তা বা প্ৰতিশোধ লোৱাই ভাল। কিয়নো এইবোৰৰ বাবে তেওঁ যিকোনো বস্তু পৰিত্যাগ কৰিবলৈ সেই সময়খিনিত প্ৰস্তুত থাকে। গতিকে আমাৰ বাবে যিটো ভাল সেইটোৰ প্ৰতিদিনে পৰিবৰ্তন হৈ থাকে। প্ৰত্যেক মুহূৰ্ততে আমি কিবা এটা আমাৰ বাবে ভাল বুলি ভাবোঁ। গ্ৰীক দৰ্শন আৰু তেওঁলোকৰ জনপ্ৰিয় চিন্তাত এইটো একপ্ৰকাৰৰ চৰম সত্য যে মানুহ এনেকুৱা এটা প্ৰাণী যি কিবা এটা পোৱাৰ আশাত জীৱন ধাৰণ কৰি থাকে অৰ্থাৎ তেওঁৰ কিবা এটা ভাল আছে সেইটোকে তেওঁ পাবলৈ বিচাৰে আৰু আশা কৰে। মানুহৰ বিষয়ে জানিবলৈ হ'লে এই মৌলিক কথাটো আমি জানিবই লাগিব তেওঁ সদায় কিবা এটা ভাল পোৱাৰ আশাত বাচি থাকে লাগিলে তেওঁ সেইটো পাবলৈ যিমানেই চেষ্টা কৰক বা নকৰক।

গ্রিকসকলৰ বাবে মানুহ যে বিচাৰশক্তিসম্পন্ন প্রাণী তাৰ সৰল অর্থ হৈছে মানুহে কিবা এটা উদ্দেশ্য আগত ৰাখিহে সকলো কাম কৰে মানুহ লক্ষ্য আৰু লক্ষ্যপথৰ যাত্রী। গতিকে মানুহে যিহকে কৰে তাকেই তেওঁৰ সেই প্রকৃতিগত চৰিত্রৰ ফালৰপৰা বিবেচনা কৰিব লাগিব। গ্রিক নৈতিক দর্শনৰ এইটো এটা প্রধান লক্ষ্য কৰিবলগীয়া কথা। এই কাৰণেই প্লেটো আৰু এৰিষ্ট-টলে যুক্তি আৰু ভালৰ মাজত অবিচ্ছেদ্য সম্পর্ক স্থাপন কৰিছে। কিছুমান বিশেষ ভাল বস্তু বা কাম জীৱনৰ কোনো প্রকৃত লক্ষ্য আৰু কোনো বিশেষ ধৰণৰ যুক্তিৰ মাজত তেওঁলোকে এই অবিচ্ছেদ্য সম্পর্ক স্থাপন কৰা নাছিল। তেওঁলোকে এই সম্পর্ক স্থাপন কৰিছিল যুক্তি আৰু মানুহৰ জীৱনৰ চৰম লক্ষ্যৰ মাজত। মানুহৰ বিচাৰ বুদ্ধি থকাৰ অর্থ হৈছে এয়ে যে মানুহ এনেকুৱা এটা প্রাণী যাৰ আদর্শ আছে আৰু যি আদর্শ নোহোৱাকৈ থাকিব নোবাৰে। আদর্শ হৈছে এনেকুৱা এটা বস্তু যিটো কোনো এটা বিশেষ বস্তু বা কামৰ মাজেদিহে কোনো এটা বিশেষ মুহূর্তত সম্পূর্ণৰূপে প্রকাশ নাপায ইয়াৰ কোনো এটা অংশহে এটা সময বা মুহূর্তত কোনো বস্তু বা কামৰ মাজত ফুটি উঠিব পাৰে। কোনো এটা আদর্শৰ অৱধাৰণাটোৱে এইটোকে বুজায যে ইয়াক কেতিয়াও সম্পূর্ণৰূপে বাস্তৱত ৰূপায়িত কৰিব নোৱাৰি। অথচ ইয়াক ধাৰাবাহিকভাৱে কার্য্যত পৰিণত কৰি থাকিব পৰা যায়। মানুহে যিবোৰ বস্তুৰ লগত কাম কৰি থাকে সেইবোৰৰ যিমান বেছি আৰু যিমান সঘনে পৰি বর্তন হৈ থাকক লাগিলে মানুহে বস্তুনিৰপেক্ষভাৱে কেৱল বর্তমানতে আবদ্ধ নাথাকে কাম কৰি থকাৰ প্রত্যেক মুহূর্ততে তেও পাছৰ মুহূর্তটোৰ কথা ভাবে আৰু বিচাৰ বুদ্ধি থকা বাবেই তেও সেইদৰে ভাবিব পাৰে। এই কাৰণেই মানুহক আমি নৈতিক জ্ঞানসম্পন্ন প্রাণী বুলিও কওঁ। মানুহৰ বিচাৰ-বুদ্ধি আছে বাবেই মানুহ নৈতিকতা থকা প্রাণী হ'ব পাৰিছে। মানুহৰ মনত থকা বিচাৰ বুদ্ধিয়ে মানুহক কোনো এটা উদ্দেশ্যৰ বাবে বাচি থাকিবলৈ বাধ্য কৰিছে। গ্রিকসকলৰ বাবে নৈতিক দর্শনৰ সমস্যাটো এই মৌলিক অৱধাৰণাটোৰপৰাই আৰম্ভ হৈছে। মানুহে কি প্রকৃত লক্ষ্যত উপনীত হোৱা উচিত সেইটো নির্ধাৰণ কৰাই আছিল তেওঁলোকৰ সমস্যা। গ্রিক চিন্তাবিদসকলৰ বাবে নৈতিক জীৱন আৰু বিচাৰ বুদ্ধিৰে পৰিচালিত হোৱা জীৱন বস্তুত একেই আছিল। নৈতিক জীৱনৰ অর্থ হৈছে এয়ে যে এই জীৱন যাপন কৰা মানুহে যিবোৰ কাম কৰে সেই সকলোবোৰ কামৰে লক্ষ্য হৈছে প্রকৃত ভাল আৰু ভাল উপায়েৰেই সকলোবোৰ কাম কৰা হয়। যিজন মানুহে কৰা সকলোবোৰ কামতে প্রকৃত ভাল অবিচল আৰু অবিৰতভাৱে থাকে সেইজন মানুহকে উৎকৃষ্ট মানুহ বুলি ক'ব পাৰি। উৎকৃষ্ট জীৱনেই হৈছে সবাতোকৈ বেছি জ্ঞানৰদ্বাৰা পৰিচালিত জীৱন কিয়নো উৎকৃষ্ট জীৱনতহে মানুহৰ চিন্তা আৰু কামৰ সমন্বয় ঘটে আৰু উৎকৃষ্ট জীৱন যাপন কৰা মানুহহে

জীৱনৰ চৰম লক্ষ্যত উপনীত হ'বলৈ প্ৰকৃত পথেৰে আগবাঢ়িব পাৰে। গ্ৰিকসকলে মানুহৰ জীৱনৰ এই চৰম লক্ষ্যকে ভাল বুলি অভিহিত কৰিছিল। ইয়াতেই গ্ৰিক দৰ্শনত থকা জীৱনৰ নৈতিক আৰু বৈজ্ঞানিক দৃষ্টিভংগী মিলিত হোৱা দেখিবলৈ পোৱা যায়।

ভালৰ অৰ্থ কি ? সংক্ষেপ কৰি ক'লে ভাল' শব্দটোৰ অৰ্থ হৈছে যিকোনো কিবা এটা কৰা বা হোৱা য'ত যুক্তি বা জ্ঞান বিচাৰিলে পোৱা যায়। যিকোনো কথা বা কামকে ভাল বুলি ক'লে বুজিব লাগিব যে তাত যুক্তি বা জ্ঞানে ক্ৰিয়া কৰিছে। মানুহ প্ৰকৃতি আৰু গোটেই পৃথিবীখনতে যুক্তিয়ে নিজৰ স্থানত থাকি কাম কৰি আছে। পৃথিৱীৰ সকলো ঠাইতে যুক্তিৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। য'ত ভাগমান উপাদান একেলগ হৈ থাকে তাতো এটা নিৰ্দিষ্ট ঐক্য দেখিবলৈ পাবা যায় কোনো নিৰ্দিষ্ট নীতিয়ে সেই উপাদানবোৰ একেলগ কৰি ৰাখে আৰু সেই নিৰ্দিষ্ট নীতিটো বুজিলেহে সেই উপাদানবোৰক বুজিব পৰা যায়। এইদৰে প্লেটোৰ মতে ভাল হৈছে নৈতিকতা আৰু মৌলিক বুজাবুজিৰ চৰ্ত। এই দুটা পৃথক বস্তু নহয় একেটাই আৰু একেটা নীতিয়ে নৈতিকতা আৰু বুজাবুজিৰ কাৰণে কাম কৰে।

এতিয়া আমি মানুহৰ জীৱন আৰু নৈতিকতাৰ ফালে ঘূৰি আহোঁ। মানুহৰ জীৱন আৰু নৈতিকতাৰ ক্ষেত্ৰত ওপৰত উল্লেখ কৰা নীতিটোৱে কেনেকৈ কাম কৰে ? প্ৰথমতে ইয়াৰ অৰ্থ হৈছে মানুহৰ ব্যক্তিগত জীৱন আৰু মানুহৰ সমাজ জীৱনক কোনো লক্ষ্যত উপনীত হ'বলৈ আহিলা হিচাপে ব্যৱহাৰ কৰা হয় আৰু সেই শক্তিকে মানৱ সমাজ আৰু ব্যক্তিক কিছুমান সজীৱ পদাৰ্থ বুলি জ্ঞান কৰা হয়। প্লেটোৱে সমাজৰ বিষয় গণৰাজ্যৰ চতুৰ্থ পুস্তিকাৰ আৰম্ভণিতে অভিভাৱকসকলক প্ৰকৃততে সুখী কৰিব পৰা গৈছেনে বোলা প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ কৈছে যে কোনো এটা বস্তু সম্পূৰ্ণ ভাল কৰিব লাগিলে সেই বস্তুটোৰ অংশ বিশেষক ভাল কৰাটোহে প্ৰথমে বিবেচনা কৰিব লাগিব। যিকোনো এটা বস্তুৱে যিহে ভাল কৰিব পাৰে তাকে ইয়াৰ গুণ বোলা হয় কোনো এটা বস্তুক ভাল বোলাৰ অৰ্থ এয়ে যে ইয়াৰ কাম ভালদৰে কৰে বিজন মানুহে নিজৰ কাম ভালদৰে কৰে সেইজন মানুহক পৃথিৱীত থকাৰ বাবে ঠিক কৰি ৰখা ঠাইখিনি দখল কৰা বুলি ক'ব পাৰি। পৃথিৱীৰ প্ৰত্যেকজন মানুহৰ বাবে ঠাই আৰু কাম আছে। সেইদৰে প্ৰত্যেকটো পদাৰ্থৰ সকলোবোৰ অংশৰে নিজা নিজা ঠাই আৰু কাম আছে। মানুহৰ মনৰ প্ৰত্যেকটো উপাদানে নিজৰ নিজৰ কাম নিজৰ নিজৰ নিৰ্দিষ্ট ঠাইত ভালদৰে কৰা উচিত। মানুহৰ মনৰ প্ৰত্যেকটো উপাদানৰ কাম কি হ'ব সেইটো ঠিক কৰিব লাগিব গোটেই মনটোৰ ভাল বা স্বাৰ্থৰক্ষাৰ বাবে। আমি যিবোৰ কাম কৰোঁ সেই কামবোৰ ভাল হয়নে নহয় তাকো পৰীক্ষা কৰিব পৰা যায় আন এটা প্ৰশ্নৰ সহায়ত। এই প্ৰশ্নটো হৈছে—আমি সততাৰে ক'ব পাৰোনে যে আমি কৰা কামবোৰে আমাৰ সম্পূৰ্ণৰূপে ভাল কৰিছে ?

এইদৰে নৈতিক প্ৰয়োগৰ ভালৰ ধাৰণাটোক নীতিৰ ধাৰণাৰ লগত তুলনা কৰিব পাৰি। এজন নীতিৰ মানুহ বুলিলে আমি এনেকুৱা এজন মানুহকে বুজোঁ যিজন মানুহে আন মানুহবোৰতকৈ কোনো এটা লক্ষ্য পাবলৈ অবিৰতভাৱে লাগি থাকে তেওঁৰ ভাব চিন্তা আশা আকাংক্ষা আৰু কাম কাজ কোনো এটা লক্ষ্যত উপনীত হ'বলৈ আগবাঢ়ি গৈ থাকে। এইখিনিতে কোনোবাই ক'ব পাৰে যে ওপৰত উল্লেখ কৰা মানুহজনক ভাল মানুহ বুলি গণ্য কৰিব লাগিলে যিসকল মানুহৰ ভালেই হওক বা বেয়াই হওক এটা শক্তিশালী ইচ্ছাশক্তি থাকে সেই সকলোবোৰ মানুহকে ভাল মানুহ বুলি আখ্যা দিব লাগিব। ইয়াৰ উত্তৰত আমি ক'ব লাগিব যে প্ৰত্যেকজন মানুহ এখন পৃথিৱীৰ এখন সমাজৰ আৰু গোটেই বিশ্ব ব্ৰহ্মাণ্ডৰ একো একোটা উপাদান। সেইমতে যিটো উদ্দেশ্যই মানুহৰ জীৱনত আধিপত্য বিস্তাৰ কৰে সেইটোৱে হৈছে তেওঁৰ বাবে ভাল আৰু সেই ভালৰ বাবে তেওঁ জীয়াই থাকে তেওঁৰ বাবে যিটো ভাল সেইটো সমাজৰ বাবেও ভাল হ'ব লাগিব। কিয়নো তেতিয়াহে তেওঁৰ সেই ভালটোৱে এটা বহল উদ্দেশ্যত সেৱা কৰিব আৰু ইয়েই শেষত পৃথিৱীৰ ভালৰ বাবেও কাম কৰিব।

নৈতিকভাৱে এজন মানুহৰ জীৱন ভাল হ'ব লাগিলে তেওঁ এনে এটা উদ্দেশ্যে কাম কৰিব লাগিব যিটোৱে তেওঁৰ ব্যক্তিগত স্বাৰ্থৰ বাহিৰলৈ গৈ সমূহীয়া স্বাৰ্থত সহায় কৰিব। আমাৰ জীৱনৰ বেছিভাগ সময় আমি উদ্দেশ্যবিহীনভাৱে কটাই দিওঁ আৰু এই কাৰণেই আমাৰ জীৱনৰ মূল্য বৰ কম। কিবা এটা সৰ্বোচ্চ মূল্যৰ বিষয়ে আমাৰ এটা ধাৰণা আছে কিবা এটা ভালৰো আমাৰ ধাৰণা আছে কিন্তু সেইটো প্ৰকৃততে কি আমি নাজানো। আমি নিজেই নাজানো আমি ক'লৈ গৈ আছোঁ আৰু কি কৰি আছোঁ। সেই গাতকে আমি ব্যৱহাৰ কৰা বেছিভাগ আহিলা আৰু আমাৰ লক্ষ্যৰ বেছিভাগ তথাকথিত ভাল বস্তুৰপৰা আমাৰ খুব কমহে লাভ হয়। এনেকি ন্যায় আৰু সন্মানৰ বিষয়ে আমাৰ যিটো ধাৰণা আছে সেই ধাৰণা অনুসৰিও আমি বিশেষ লাভবান নহও। সেই গতিকে অভিভাৱকসকলৰ ভালৰ বিষয়ে নিখুঁত জ্ঞান থকাটো উচিত কিয়নো তেওঁলোকৰ কামেই হৈছে আনক শাসন কৰা আৰু জাতি এটাৰ নৈতিক উদ্দেশ্য পৰিচালনা কৰা। যিজন মানুহে ন্যায় আৰু সন্মানত কি ভাল আছে সেইটো বুজি নাপায় তেওঁ কেতিয়াও অভিভাৱক হোৱাৰ বাবে যোগ্য নহয় কিয়নো তেওঁৰ ভালৰ বিষয়ে কোনো স্পষ্ট জ্ঞানেই নাই। সেই গতিকে মানুহৰ জীৱনৰ বিচিত্ৰময় আৰু দুখীত অংশবোৰ পৰিপূৰ্ণ কৰিবলৈ মানুহৰ বাবে ভালৰ অৱধাৰণা অতীব প্ৰয়োজনীয়। যিজন মানুহে প্ৰকৃততে কি কৰি আছে আৰু তাৰ ফল কি হ'ব ভালদৰে জানে সেইজন মানুহে জীৱনৰ মূল্য কি তাকো ভালদৰে বুজিছে তেওঁৰ বাবে জীৱনটো কেৱল এটা নক্সা নহয় জীৱন হৈছে পৰিকল্পিত আৰু ইয়াৰ এটা স্বকীয় গঠন আছে। যিজন মানুহৰ জীৱনলৈ যিমানেই এই উপলব্ধি আহিব সিমানেই তেওঁৰ জীৱনটো

কিছুমান বুদ্ধিবৃত্তিৰ কামৰ সমষ্টি হৈ পৰিব। যিকোনো এটা বস্তু কিমান ভাল প্ৰথমে আমি সেইটোহে বিচাৰ কৰোঁ। সকলো ভালৰ ওপৰত আছে সৰ্বোচ্চ বা চূড়ান্ত ভাল আৰু ইয়াতেই সকলো বস্তুৰ ভালবোৰ লগ লাগে। প্লেটোৰ ৰূপকত সূৰ্য্যই গোটেই পৃথিৱীখনক পোহৰ দিছে আৰু সৰ্বোচ্চ ভাল হৈছে সেই সূৰ্য্যৰ পোহৰৰ দৰে। বোধগম্যতা হৈছে সৰ্বোচ্চ বা চূড়ান্ত উদ্দেশ্যৰ প্ৰতিফলিত পোহৰ আৰু এই পোহৰে গোটেই পৃথিৱীখনক আলোকিত কৰি তোলে আৰু বিভিন্ন মাধ্যমৰ এই পোহৰ আমাৰ প্ৰতিফলিত হৈ আছে। এই পৃথিৱীত থকা প্ৰত্যেকটো বস্তুৰ সেই পোহৰত উজ্জ্বল হৈ উঠে। গতিকে আমি এতিয়া ক'ব পাৰোঁ যে প্লেটোৰ ভালৰ ধাৰণাত এজন মানুহ ভাল হ'ব লাগিলে তেওঁ সেই পোহৰত বাস কৰিব লাগিব। সেই পোহৰত বাস কৰাৰ অৰ্থ হৈছে এইটোৱেই যে তেওঁ যিখন সমাজ, ৰাষ্ট্ৰ, অৰ্থনীতি আৰু যিখন পৃথিৱীত বাস কৰি আছে তাত তেওঁৰ নিজৰ স্থান কোনখিনিত সেইটো ভালদৰে বুজি পাব লাগিব আৰু সেইমতে তেওঁ তেওঁৰ কৰ্তব্য কৰি যাব লাগিব। ইয়াতো আকৌ আমি দেখিবলৈ পাওঁ প্লেটোৰ মনত নৈতিকতা আৰু জ্ঞানৰ সম্বন্ধ কিমান ঘনিষ্ঠ আছিল। মানুহৰ ভালৰ এই আদৰ্শটোৰ নিখুঁত জ্ঞান আৰু সঠিক অনুভূতিৰ আদৰ্শ বুলিও ক'ব পাৰি। কিয়নো ইয়াৰদ্বাৰা মানুহে নিজৰ জীৱনৰ বিষয়ে এটা নিৰ্ভুল আৰু সঠিক ধাৰণাত উপনীত হৈ পৃথিৱীৰ এটা ক্ষুদ্ৰ অংশ হিচাপে নিজৰ কাম নিখুঁত [illegible]ভাৱে কৰি যাবলৈ পথ বিচাৰি পায়। গতিকে আমি পৃথিৱীখন বা ইয়াৰ এটা ক্ষুদ্ৰ অংশক বুজিব লাগিলেও ভালৰ পোহৰত পৃথিৱীখন বা ইয়াৰ এটা ক্ষুদ্ৰ অংশক [illegible] লাগিব কিয়নো ভালৰ পোহৰতহে আমি বুজিব পাৰিম পৃথিৱীখন আৰু ইয়াৰ সৰু ক্ষুদ্ৰ অংশবোৰৰ এটা চূড়ান্ত সমূহীয়া উদ্দেশ্য [illegible] আছে নে নাই। কোনো এজন মানুহ সকলো দিশৰপৰা ভাল হ'ব লাগিলে তেওঁ নিজৰ কামবোৰ এনেভাৱে কৰিব লাগিব যাতে তেওঁ কৰা কামবোৰ [illegible] গুণগত আৰু ক্ৰমশ স্তৰ [illegible] উৎকৃষ্ট আৰু সেই কামবোৰে পৃথিৱীখনৰ ভালৰ বাবে বৰঙণি যোগাব পাৰে।

আমি এতিয়া দেখিলোঁ যে ভালেই জীৱনৰ লক্ষ্য। আমি যেতিয়া জীৱনৰ লক্ষ্যৰ কথা কওঁ তেতিয়া আমি এইটো মনত পেলাব লাগিব যে আমি যিটো অৰ্থত জীৱনৰ লক্ষ্যৰ কথা ভাবোঁ সেই অৰ্থত গ্ৰীকসকলে ভবা নাছিল। জীৱনৰ লক্ষ্য বুলিলে তেওঁলোকৰ মতে আছিল এটা সম্পূৰ্ণ বা পৰিসমাপ্ত কাম। মানুহৰ ক্ষেত্ৰত জীৱনৰ লক্ষ্য হৈছে জীৱন কালতে কিবা এটা হোৱা যিটো হ'বলৈ প্ৰকৃতিয়ে মানুহক শক্তি সামৰ্থ্য দিছে। আমি ভালকে যেতিয়া জীৱনৰ লক্ষ্য বুলি কওঁ তেতিয়া আমি কেতিয়াও ধৰি ল'ব নালাগে যে ভাল এনেকুৱা এটা বস্তু যিটো মানুহে পাব পাৰে আৰু যিটো মানুহে কৰিব পাৰে। ভাল হৈছে এটা আদৰ্শ যিটো সম্ভৱতঃ কোনেও সম্পূৰ্ণৰূপে লাভ কৰিব নোৱাৰে।

আৰু কোনোবাই লাভ কৰিলেও সি আদৰ্শ হৈ নাথাকিব। প্লেটো আৰু এৰিষ্ট টলৰ মতে এইটো যিমান সত্য আনৰ মতেও এইটো সেমানেই সত্য। এই চূড়ান্ত আদৰ্শটোৰ অৰ্থ কাৰোমতে সম্পত্তি স্বাস্থ্য ক্ষমতা বা জ্ঞান নহয় ইয়াৰ অৰ্থ হৈছে এনে এটা গুণ যি য় সকলোৰে বাবে এইবোৰ ভাল কৰে। এটা কথাৰদ্বাৰা এইটো প্ৰমাণিত হয় যে কোনও বকম মোৰ ভাল হৈছে মোৰ আৰু বেছি ভাল হ'বলৈ নাই। মানুহে তেওঁৰ বাবে আৱশ্যকীয় চূড়ান্ত ভালৰ লগত জীৱনৰ সকলো বোৰ কথাক সামৰিব লয়।

প্লেটোৰ মতে ভাল কেৱল জীৱনৰ লক্ষ্য আৰু সকলো বস্তু বজাৰ কাৰণ হয় পৃথিৱীৰ সকলো বস্তু বা কাম চলি থকাৰ সম লা। প্ৰকৃততে ভাল সকলো বস্তু যেনে আছে তেনে হোৱাত সহায় কৰে আৰু সকলো বস্তু বা কাম চলাই ৰাখে। গণৰাজ্যৰ চতুৰ্থ পুস্তিকাত প্লেটোৱে এই কথাটো উদাহৰণ দি ব্যাখ্যা কৰিছে। এই প্ৰসংগতে তেওঁ এটা প্ৰশ্নৰ উত্তৰ দিবলগীয়া হৈছিল। প্ৰশ্নটো আছিল— এই অভিভাৱকসকল সুখী হ'বনে ? মানুহৰ সমাজখনৰ প্ৰতি লক্ষ্য কৰিলে আমি দেখিবলৈ পাওঁ যে এই সমাজখনত থকা এজন মানুহৰ স্থান নিৰ্ণয় হয় সমাজখনত থাকি তেওঁ কি কাম কৰে তাৰ ওপৰত। মানুহৰ শৰীৰৰ অংগ হিচাপে হাত বা ভৰিয়ে যি কাম কৰে সেই কামৰ ওপৰতহে হাত বা ভৰিৰ স্থান নিৰ্ণয় হয়। কোনো এটা বস্তু কি বুলি আমাক সুধিলে আমি সেই বস্তুটোৱে কি কৰে তাকেই ক'ব লাগিব বা তাৰপৰা কি হয় তাকেই ক'ব লাগিব। যিকোনো এটা বস্তু চলি থকা মানে বস্তুটোৱে নিজৰ কামবোৰ কৰি থকা। এনে মানুহ যিবোৰ কাম কৰিবলৈ যোগ্য তেওঁ যদি সেইবোৰ কাম নকৰে তেন্তে তেওঁ আৰু সেইজন মানুহ হৈ নাথাকে। যিবোৰ মানুহে ৰাষ্ট্ৰত থাকি নাগৰিকৰ কামবোৰ নকৰে সেইবোৰ মানুহ নাগৰিক নহয়। মানুহৰ শৰীৰৰপৰা হাত এখন কাটি পেলালে পাছত সেইখন হাত হৈ নাথাকে। এই সহজ সৰল নীতিটোৰ সহায়তে প্লেটোৱে কৈছিল যে ভালেই বস্তু আৰু কামবোৰ চলি থকাৰ সমল। কোনো এটা বস্তু বা কামে যিটো অৰ্থ কৰে সেইটোৱে তাৰ বাস্তৱৰূপ সেই বস্তু বা কামটোৱে কি অৰ্থ কৰে সেইটো স্থিৰ হয় সেই বস্তু বা কামটোৱে সমাজত অধিকাৰ কৰি থকা স্থানৰ ওপৰত সেই বস্তু বা কামটোৱে সমাজৰ বাবে যিখিনি ভাল কৰে তাৰ ওপৰতে সমাজত বস্তু বা কামটোৰ স্থান নিৰ্ভৰ কৰে কিয়নো ভাল কৰাটোৱেই সকলো সমাজ ব্যৱস্থাৰ মৌলিক নীতি।

ভালৰ এই অৱধাৰণাটো গণৰাজ্যৰ আন আন ঠাইত দেখিবলৈ পোৱা যায়। ভালকেই পৃথিৱীৰ চূড়ান্ত কাৰণ বুলি গণৰাজ্যৰ বেলেগ বেলেগ ঠাইত বেলেগ বেলেগ প্ৰসংগত উল্লেখ কৰা হৈছে আৰু ইয়েই প্ৰকৃত অৰ্থত পৃথিৱী খনক একত্ৰিত কৰি ৰাখিছে। বৈষয়িক কাৰণৰ লগত ভালৰ পাৰ্থক্য আছে। প্লেটোৱে বৈষয়িক কাৰণবোৰক কিছুমান অৱস্থা বুলি বৰ্ণনা কৰিছে আৰু

এইদৰে নোহোৱাকৈ কোনো কৰণেই হ'ব নোৱাৰে বুলি কৈছে। ফিলিবাছত তেওঁ তিনটা প্ৰধান আকাৰত ভালৰ প্ৰকাশ দেখিবলৈ পাইছে। সেইকেইটা হৈছে—সত্য সৌন্দৰ্য্য আৰু সমানুপাত। কিন্তু সকলো দৃষ্টিকোণৰপৰা বিচাৰ কৰিলে পৃথিৱীৰ শৃংখলা আৰু সুখ শান্তিৰ এইটোৱেই মৌলিক নীতিৰ কাৰণ।

গণৰাজ্যত প্লেটোৱে যিটো ভালৰ অৱধাৰণা আমাৰ আগত দাঙি ধৰিছে আমি এতিয়া সংক্ষেপে সেই অৱধাৰণাটো এইদৰে বৰ্ণনা কৰিব পাৰো: প্লেটোৱে প্ৰথমতে তাত সাধাৰণতে কিছু পৰিমাণে প্ৰচলিত ভালৰ এটা ধাৰণা উপস্থিত কৰিছে। প্ৰথমতে প্ৰত্যেকে এইটো মানি লয় যে ভালে আন বিহকেই পৰিপূৰ্ণ লাগিলে ভাল আন সকলো বস্তুক বা কামকে তাৰ মূল্য দিয়ে। ভাল বুলিলে আমি এনেকুৱা এটা বস্তু বুলি ধৰি ল'ব লাগিব যে এই বস্তুটো হাতত পালে পাৰিব না ইয়াৰ সহায়ত ধন সম্পত্তি স্বাস্থ্য মান সম্ভ্ৰম লাভ কৰিব পাৰিব। ভাল মানে এনেকুৱা এটা গুণ যিটোৱে প্ৰত্যেক বস্তু বা কৰ্মক যোগ্য কৰিব পাৰে সাধাৰণ মানুহ আৰু দাৰ্শনিকৰ বাবে ইয়াৰ অৰ্থ একেই। এই প্ৰসংগতে প্লেটোৱে দুটা চলিত তত্ত্বৰ কথা উল্লেখ কৰিছে আৰু সেই তত্ত্ব দুটাৰদ্বাৰা পৃথিৱীৰ আটাইতকৈ বেছি পালনীয় বা হ'বলগীয়া কি তাক বুজাইছে। কিছুমানে আনন্দক ভাল বুলি কয়। তেওঁলোকৰ মতে মানুহে সদায় সম্পূৰ্ণ আনন্দৰ কামনা কৰিবলৈ বিচাৰে আৰু তাকে সদায় উপভোগ কৰিবলৈ বিচাৰে। কিছুমানৰ মতে বুদ্ধি-বৃত্তিৰ চৰ্চা কিয়নো মানুহে সকলো কথা কাম বা বস্তুকে বুজিবলৈ বিচাৰে। প্লেটোৱে এই দুয়োটা তত্ত্বৰ ত্ৰুটী থকা আঙুলিয়াই দেখুৱাইছে। তেওঁ কৈছে যে যিবোৰ মানুহে আনন্দ লাভ কৰাটোকে জীৱনৰ উদ্দেশ্য বুলি ভাবে তেওঁলোকে আনন্দত ভাল আৰু বেয়া দুটা ফাল দেখিবলৈ পাব আৰু এইটো দেখা পালেই বুজিব লাগিব যে আনন্দ পোৱাটোৱেই ভালৰ মানদণ্ড হ'ব নোৱাৰে। আৰু যিসকলে কোনো এটা বস্তুৰ বিষয়ে বুজি পোৱাটোকে প্ৰকৃত ভাল বুলি ভাবে তেওঁলোকেও নিজৰ নিজৰ মতটোত তেওঁলোকৰ নিজৰ নিজৰ এটা ধাৰণা ত্যাগ কৰিবলগীয়া হয় কিয়নো যেতিয়া তেওঁলোকক সোধা হ'ব বস্তুটোৰ বিষয়ে তেওঁলোকে কি বুজি পাইছে তেতিয়া তেওঁলোকে উত্তৰ দিব বস্তুটোৰ ভাল কি তাকেই বুজি পাইছে। গতিকে ওপৰত উল্লেখ কৰা দুয়োটা তত্ত্ব নিৰ্ভুল নহয়। এই তত্ত্ববোৰত যথেষ্ট অসংগতি আৰু অসামঞ্জস্যতা থকা সত্ত্বেও এই কথাটো সত্য যে কোনো মানুহে যেতিয়া কিবা এটাক ভাল বুলি কয় তেওঁ নিজৰ মতে সেইটোক আচলতে ভাল বুলিয়েই ভাবে। বহুতে নিজকে নৈতিক বুলি দেখুৱাবলৈ সততে চেষ্টা কৰে তেওঁলোকে নিজকে নৈতিক বুলি দেখুওৱাৰো এটা মূল্য আছে কিন্তু কোনেও ইচ্ছা কৰি নিজক ভাল বুলি দেখুৱাব নোৱাৰে কিয়নো, কোনো এজনে নিজৰ বাবে যিটো ভাল বুলি ভাবে বা কৰে সেই ভালটোৰ আনৰ ভালৰ লগতো সম্পৰ্ক আছে আৰু সেই গতিকে আনেও সেই ভালটো বিচাৰিব লাগিব।

কিন্তু এই প্ৰকৃত বস্তুটো কি কোনেও ভালদৰে নাজানে আৰু কোনেও স্পষ্টভাৱে দেখা নাই। প্ৰত্যেক মানুহে অনুমান কৰে আৰু মনতে ভাবে যে ভাল বোলা বস্তু এটা বস্তু আছে যিটোৰ লগত তুলনা কৰিবলৈ পৃথিৱীত আন কোনো বস্তু নাই। কিন্তু প্ৰত্যেকৰে সন্দেহ আছে, আচলতে ভাল বোলা বস্তুটো কি। এই বিষয়ে কোনো মানুহৰ নিশ্চিত আৰু স্থায়ী বিশ্বাস নাই। ভালৰ বিষয়ে থকা আমাৰ অনিশ্চয়তা সকলো বস্তু আৰু সকলো কামতে ব্যৱহাৰ হয়। চূড়ান্ত সত্য আৰু ভালৰ বিষয়ে আমি যে অন্ধ আমাৰ এই ধাৰণাটো অন্যান্য সাধাৰণ তথাকথিত ভাল বস্তুৰ ওপৰতো পৰে আৰু এইদৰে আমাৰ জীৱনৰ উদ্দেশ্যও অনিশ্চয় কৰি পেলায়। এই চূড়ান্ত ভাল বা সত্যৰ বিষয়ে সাধাৰণ মানুহবোৰ অন্ধকাৰত থাকিলেও অভিভাৱকসকল অন্ধকাৰত থকাটো উচিত নহয়, কিয়নো তেওঁলোকৰদ্বাৰা ৰাষ্ট্ৰ এখন শাসিত হয়।

ভালৰ বিষয়ে থকা সমসাময়িক বিশ্বাস আৰু বিপৰীতধৰ্মী তত্ত্ববোৰৰ কথা আলোচনা কৰি ছক্ৰেটিছে ভালৰ বিষয়ে নিজে পোষণ কৰা ধাৰণা ব্যক্ত কৰিছিল। ছক্ৰেটিছে নিজে ভালৰ প্ৰকৃতিৰ বিষয়ে অনুসন্ধান কৰি তেওঁৰ জীৱনৰ বেছিভাগ সময় খৰচ কৰিছিল। তেওঁ কৈছিল যে ভালৰ বিষয়ে তেওঁৰ নিজৰ যিটো ধাৰণা আছে সেইটো তেওঁ এটা উপমাৰদ্বাৰা ব্যাখ্যা কৰিব পাৰে। তেওঁ কৈছিল মই আপোনালোকক ভালৰ সন্ধান এটা দেখুৱাব পাৰো। ইয়াৰপৰা এইটো পৰিষ্কাৰ যে প্লেটোৱে পৃথিৱীখনক যিভাৱে দেখিছিল আমিও সেইভাৱে চালে দেখিম পৃথিৱীখন হৈছে মানুহৰ মন আৰু চেতনাৰে দেখা পোৱা বা বোধগম্য এখন সমাজ। গতিকে ইন্দ্ৰিয়ৰ সহায়ত পৃথিৱীখনৰ আচল ৰূপটো দেখা পোৱা নাযায়। সেই গতিকে প্লেটোৱে কোৱাৰ দৰে আমি চকুৰে দেখা পোৱা পৃথিৱীখন আৰু ইন্দ্ৰিয়ৰে দেখা নোপোৱা নীতিবোৰৰ মাজত ফুটি উঠা প্ৰভেদবোৰ দেখিব লাগিব। প্লেটোৰ মতে বোধগম্য পৃথিৱীখনতহে ভাল দেখিবলৈ পোৱা যায়। ইন্দ্ৰিয়ৰে দেখা পৃথিৱীখনত সূৰ্য্যহে সকলোবে দেখে। পোহৰ আৰু দৃষ্টি তত্ত্বৰ জৰিয়তে প্লেটোৱে ভালক সূৰ্য্যৰ লগত তুলনা কৰিছিল। তেওঁৰ এই তুলনাটো শুদ্ধ নহয় যদিও তেওঁ ভালৰ বিষয়ে যিটো ধাৰণা আমাৰ আগত দাঙি ধৰিছে এই তুলনাই তাৰ কোনো বিনষ্ট সাধন কৰা নাছিল। ভালৰ বিষয়ে তেওঁ পোষণ কৰা ধাৰণাটো চমুকৈ এই দৰে কব পাৰি—প্ৰথমতে ভাল হৈছে মানুহৰ মনৰ বুদ্ধিবৃত্তিৰ উৎস আৰু ইয়াৰ সহায়ত বস্তু বা কামৰ গুণাগুণ বিচাৰ কৰিব পৰা যায়। সূৰ্য্য হৈছে চকুৰ দৃষ্টিৰ উৎস আৰু ইয়াৰ সহায়ত আমি যিকোনো বস্তু দেখিবলৈ পাওঁ। সেই গতিকে প্লেটোৱে ভালক সূৰ্য্যৰ লগত তুলনা কৰিছে। সত্য হৈছে ভালৰ প্ৰতিফলন। ভাল সম্পূৰ্ণভাৱে বা দুৰ্বলভাৱে প্ৰতিফলিত হোৱাৰ ওপৰত আমাৰ বাবে পৃথিৱীখন কম বেছি পৰিমাণে বোধগম্য হয় আৰু আমাৰ মনৰ বুদ্ধিবৃত্তি কম বেছি হয়। যেনেকৈ পোহৰ নহলেও ৰং আৰু দৃষ্টি থাকে তেনেকৈ আমাৰ বাবে বোধগম্য

[illegible]লেও কোনো বস্তু থাকিব পাৰে আৰু বৰ্দ্ধিত নহ'লেও মানুহৰ মন বা চ থা[illegible]। কিয়নো মানুহৰ মন আৰু পৃথিৱীত ভালৰ পোহৰ নপৰিলে ই কেতিয়াও [illegible] আৰু শক্তিশালী হ'ব নোৱাৰে। দ্বিতীয়তে যেনেকৈ সূৰ্য্য কেৱল পোহৰ আৰু [illegible] উৎস নহয় পৃথিৱীখনৰ গঠন আৰু প্ৰকৃত উপাদানৰো উৎস তেনেকৈ [illegible] সত্য আৰু [illegible]ৰেই উৎস নহয় ই মানুহৰ জীৱন আৰু পৃথিৱীত এই [illegible] একোৰো উৎস। এই কথাখিনিয়ে ভালক পৃথিৱীত যোগ্য স্থান দিছে। পৃথিৱীখনক যদি আ[illegible] আমাৰ ইন্দ্ৰিয়ৰে চাওঁ পৃথিৱীখন এটা প্ৰতিবিম্বত [illegible] নয় আৰু ই ভালৰ সন্তানৰূপে আমাৰ আগত দেখা দিয় আৰু বৰ্দ্ধি[illegible]লেও পৃথিৱীখনক সেইদৰেই দেখা যায়। সেই গতিকে এটা কথাত ক[illegible] গোটেই পৃথিৱীখনতে ভালৰ প্ৰতিফলন হয়।

ওপৰত আলোচনা কৰা প্লেটোৰ ভালৰ ধাৰণাবোৰ ছাত্ৰ আৰু পাঠকসকলৰ সুবিধাৰ কাৰণে আকৌ ইয়াত সংক্ষেপে উল্লেখ কৰি দুটা অধ্যায়টোৰ সামৰণি মৰা হ'ল। প্লেটোৱে ভালৰ প্ৰকৃতি বিশ্লেষণ কৰিবলৈ গৈ কৈছে যে কিছুমানৰ বাবে [illegible] হৈছে জ্ঞান আৰু কিছুমানৰ বাবে ই হৈছে আনন্দ। সেয়ে হ'লে কাৰোবাৰ [illegible] আনন্দ হ'ব পাৰে আৰু কাৰোবাৰ বেয়াৰ বাবেও আনন্দ হ'ব পাৰে। [illegible] কেতিয়াও ভাল আনন্দ হ'ব নোৱাৰে। প্লেটোৰ মতে ভালৰ অৰ্থ হৈছে [illegible]। [illegible] এই একতাই সকলো সময় আৰু সকলো অৱস্থাতে স্থিতি লয়। ভালেই [illegible] সকলোৰে সত্য আৰু পোহৰ ভাল যতেই থাকে তাতেই বৰ্দ্ধি বাঢ়িয়ে ইয়াক [illegible] পায় কাৰণ ই মানৱীয় আৰু স্বৰ্গীয়। সকলো বস্তু আৰু কামৰে ভালেই [illegible] শক্তি আৰু বলতে সকলো বস্তু চলি আছে। ভালেই হৈছে মানুহৰ [illegible] উলিয়াই আনা সাৰ্বজনীন চৰিত্ৰ। ইয়েই পৃথিৱীৰ জীৱন আৰু ইয়াৰ [illegible] সকলো জ্ঞান আৰু সকলো শক্তি ইয়াত বিচাৰিলেই পোৱা যায়। সঠিক [illegible] সহায়তহে ভাল বিচাৰি পোৱা যায় আৰু এই বিজ্ঞানবোৰো ভালৰ ওপৰত [illegible]। [illegible] ভাষাত প্লেটোৰ ভালৰ ধাৰণাৰ অৰ্থ হৈছে পৃথিৱীত [illegible] শৃংখলা ৰক্ষাৰ বাবে ভাল বিজ্ঞ নীতি ভাল মানুহ আৰু প্ৰকৃতি উভয়কে [illegible]। উদ্দেশ্যৰ ফলস্বৰূপে [illegible] ভালৰ ধাৰণাটো একপ্ৰকাৰৰ [illegible] কাৰণ—ই অন্তৰৰ পৃথিৱীখনৰ লগত সংগতি নৰখাকৈ বাহিৰৰ পৃথিৱী[illegible]। মানুহৰ জ্ঞানৰ পৃথিৱীত ভালৰ ধাৰণাটো বুজিবলৈ আটাইতকৈ [illegible] বস্তু ভালৰ এই ধাৰণাটো এবাৰ বুজি পালে ইয়েই সকলো বস্তুৰে ন্যায্যতা [illegible] কাৰণ ই পাৰ আৰু ই সত্য আৰু যুক্তিৰ পোহৰেৰে গোটেই পৃথিৱীখনক আলোকিত কৰি পেলায়।

আমি আগতে পাই আহিছো যে এজন নিখুঁত শাসক হ'ব লাগিলে তেওঁ দাৰ্শনিক হ'বই লাগিব কিয়নো দাৰ্শনিকসকলেহে ন্যায় সৌন্দৰ্য্য শান্তি-শৃংখলাৰ অৰ্থ ভালদৰে বুজে আৰু তেওঁলোকেই শাসিতসকলৰ জীৱন আৰু চৰিত্ৰ সেইদৰে

গঢ় দিব পাৰে। তেওঁ নিশ্চিতভাৱে জানিব লাগিব যে কেৱল ভালৰ ধাৰণাৰপৰাহে ন্যায় সৌন্দৰ্য্য আদিৰ ধাৰণাবোৰ আহিছে। এজন দাৰ্শনিক শাসকে সকলো কাম আৰু সকলো প্ৰাণীৰ উদ্দেশ্য কি ভালদৰে জানিব লাগিব আৰু মানুহ কিয় বাচি থাকিব লাগে তাৰো উদ্দেশ্য তেওঁ জানিব লাগিব। এইবোৰ নাজানিলে তেওঁৰ ওপৰত ন্যস্ত কৰ্তব্য তেওঁ কেতিয়াও ভালৰ উদ্দেশ্যে পালন কৰিব নোৱাৰে।

প্লেটোৱে বিশ্বাস কৰিছিল যে মানুহৰ কাম আৰু চিন্তাৰ এটা চৰম উদ্দেশ্য আছে। তেওঁ আৰু বিশ্বাস কৰিছিল যে মানুহৰ মনে পৃথিৱীৰ অৱস্থিতি বুজি পায় আৰু ইয়াৰ কাম কৰিব পাৰে। কাৰ্য্য জ্ঞান আৰু অৱস্থিতি সকলোতে ভালৰ ধাৰণা এটা আছে জ্ঞানৰ পোহৰত সকলোবোৰ ভাল কাম কৰা হয় আৰু ভালেই সকলো অৱস্থিতিৰ কাৰণ। প্ৰকৃত শিক্ষাই মানুহক ভালৰ ধাৰণাৰ জ্ঞান দিয়ে। এটা বিশেষ উদ্দেশ্যৰ পোহৰত পৃথিৱীখনক জানিব লাগিলে সেইমতে কামো কৰিব লাগিব। শিক্ষাৰদ্বাৰা মানুহে কোনো কথা জানিবলৈ আৰু কোনো কাম কৰিবলৈ শিকে। গতিকে ভালৰ ধাৰণাটো ভালদৰে জানিব লাগিলে কাম কৰাৰ কৌশলো জানিব লাগিব। সকলোবোৰ ঠিক কামেই এটা নিৰ্দিষ্ট ভাল উদ্দেশ্যৰ জ্ঞানৰদ্বাৰা পৰিচালিত হয়। ইয়াৰদ্বাৰা বুজা যায় যে গুণেই মানুহৰ জ্ঞান।

প্লেটোৰ মতে ভালৰ ধাৰণাটো কেৱল এটা বস্তুনিৰপেক্ষ অৱধাৰণা নহয় ইয়াক কোনো এটা জাগতিক বস্তুৰ লগত একে বুলিও ক'ব নোৱাৰি এই ধাৰণাটো প্ৰত্যেক বস্তুতে প্ৰতিফলিত হয়। সকলো সত্য জ্ঞান সৌন্দৰ্য্য আৰু নৈতিকতাৰ ভালেই উৎস। মানুহৰ মনত বোধশক্তি হিচাপে থিতাপি হ'লে ইয়াক গুণ বুলি কোৱা হয় মনৰদ্বাৰা ইয়াক বুজিব পাৰিলেই জ্ঞানৰূপে প্ৰকাশ পায় মনত ই পোহৰ দিলে ইয়াৰ নাম হয় সৌন্দৰ্য্য বাস্তৱত ই ন্যায়ৰূপে দেখা দিয়ে। যুক্তিৰদ্বাৰা ভালৰ ধাৰণাটো বুজিব পাৰি কিন্তু ইয়াৰ প্ৰকৃতি উপমাৰ সহায়তহে বৰ্ণনা কৰিব পাৰি। যেনেকৈ সূৰ্য্যই আমি চকুৰে দেখা পৃথিৱীখন আলোকিত কৰে আমাৰ চকুৰ দৃষ্টি আৰু সকলো বস্তুৰ বৃদ্ধি আৰু স্বাস্থ্যৰ প্ৰধান উৎস হিচাপে কাম কৰে তেনেকৈ ভালৰ ধাৰণাটোৱে বোধগম্য পৃথিৱীখনক পোহৰ দিয়ে জ্ঞানৰ বিষয় বস্তুক প্ৰকৃত সমল যোগায় আৰু মনটোক জ্ঞান লাভ কৰিবলৈ শক্তি দিয়ে—যাৰ ফলত মনটো গুণ আৰু জ্ঞানত বলবান হয়। গতিকে ভালেই সকলো জ্ঞানৰ উৎস আৰু ইয়েই জ্ঞানৰ চূড়ান্ত বিষয়। ভালৰ ধাৰণাই সকলো প্ৰকাৰৰ জ্ঞানৰ ওপৰত পোহৰ পেলায় আৰু সকলো জ্ঞানৰ মূল্য বঢ়ায়।

প্লেটোৰ বাবে ভালৰ ধাৰণাটো আছিল দুৰ্বোধ্য বিশ্বাসৰ এটা বিষয় তেওঁ এই ধাৰণাটোক যুক্তিপূৰ্ণ অনুভূতি হিচাপে গ্ৰহণ কৰা নাছিল আৰু এই বিষয়ে প্লেটোৰ বৰ বেছি জনা বুলি দাবী কৰাও নাছিল। সেই গতিকে তেওঁৰ সমালোচক সকলে তেওঁৰ ভালৰ ধাৰণাটো বিভিন্ন ৰকম ব্যাখ্যা কৰিছিল। ইয়াৰ অৰ্থ আছিল ঐক্য, যিটো সকলো সময় আৰু সকলো অৱস্থাতে ইয়াত দেখিবলৈ পোৱা গৈছিল।

সকলো বস্তু আৰু সকলো কামৰ ইয়েই আছিল সত্য আৰু ইয়াৰদ্বাৰাই সকলো বোৰ আলোকিত হৈছিল। ইয়েই সকলো বস্তু আৰু শক্তিৰ কাৰণ আৰু ইয়েই সাৰ্বজনীন যন্ত্ৰ। পৃথিৱীখনক ইয়েই জীৱন আৰু পোহৰ দিয়ে। সকলো জ্ঞান আৰু সকলো শক্তি ইয়াতেই দেখিবলৈ পোৱা যায়। প্লেটোৰ মতে সঠিক বিজ্ঞান বোৰৰ সহায়তহে ইয়াক বুজিব পাৰি সংখ্যা শৃংখলা শান্তি আৰু প্ৰগতিৰ ধাৰণাবোৰ ইয়াত সোমাই আছে।

প্লেটোৰ বিশ্বাস কৰিছিল যে সকলো মানুহে জীৱনৰ কৃতকাৰ্যতা লাভ কৰি জীৱনটো সুখময় আৰু শান্তিময় কৰিবলৈ বিচাৰে। ভালৰপৰাহে মানুহৰ সুখ শান্তি আৰু কৃতকাৰ্যতা আহে। যিজন মানুহে তেওঁৰ নিজৰ ঘৰৰ কাম বোৰ আৰু তেওঁৰ ৰাষ্ট্ৰীয় কৰ্তব্যবোৰ ভালদৰে কৰে সেইজনেই ভাল মানুহ। প্ৰকৃত অৰ্থত মানুহ জীৱনত কৃতকাৰ্যতা লাভ কৰা মানে ভাল লাভ কৰা। পাৰ্থিৱ বস্তুবোৰ আমি ভালদৰে ব্যৱহাৰ কৰিব জানিলেহে এইবোৰ ভাল বস্তু হৈ থাকে এই বস্তুবোৰত অন্তৰ্নিহিত কোনো ভাল গুণ নাই। যিয়ে বাঁহী বজাব জানে তেওঁৰ কাৰণে বাঁহী এটা ভাল বস্তু। সেইদৰে যেসকল লোকে ভালদৰে ব্যৱহাৰ কৰিব জানে তেওঁলোকৰ বাবে পাৰ্থিৱ বস্তুবোৰ ভাল। মানুহৰ মনে মানুহৰ শৰীৰটো ব্যৱহাৰ কৰে আৰু মানুহৰ পাৰ্থিৱ সম্পত্তিবোৰো মানুহৰ মনৰ কথা মতেহে ব্যৱহৃত হয়। ভাল হ'ব লাগিলে বা ভাল হ'বলৈ ইচ্ছা কৰিলে আমি চাব লাগিব আমাৰ মনটো ভাল আৰু স্বাস্থ্যকৰ অৱস্থাত আছেনে নাই। স্বাস্থ্যকৰ আৰু ভাল মনেহে ভাল জ্ঞান আৰু গুণ লাভ কৰিব পাৰে আৰু মানুহৰ মনৰ ভাল জ্ঞান আৰু গুণেহে মানুহৰ শৰীৰটো আৰু সা সম্পত্তিৰ ভাল ব্যৱহাৰ কৰিব পাৰে জ্ঞান লাভ কৰিব লাগিলে মানুহে নিজক ভালদৰে জানিব লাগিব।

এটা ভাল বাঁহীয়ে এজন মানুহক সুখী কৰিব পাৰে যদিহে তেওঁ সেই বাঁহীটো ভালদৰে বজাব জানে। কিন্তু তেওঁৰ সেই ভাল আৰু সুখ ব্যক্তিগতহে সামাজিক নহয়। আন একপ্ৰকাৰৰ ভাল আৰু জ্ঞান আছে যি ভাল আৰু জ্ঞান ৰাষ্ট্ৰৰ শৰীৰত বৰ্তি থাকে আৰু তাৰপৰাই সকলোকে পৰিচালনা কৰে আৰু সকলো বোৰ বস্তু প্ৰয়োজনীয় কৰি তোলে। এই ভালটোকে ৰাষ্ট্ৰীয় কলা বা ৰাজনৈতিক গুণত দেখিবলৈ পোৱা যায়। এই ভালটোক অভিভাৱকসকলক শিকাবলৈ প্লেটোৰ গণৰাজ্যত এক দীঘলীয়া আৰু কঠিন শিক্ষাব্যৱস্থাৰ আঁচনি দাঙি ধৰিছে কিয়নো দুইয়োহে অভিভাৱকসকলে তেওঁলোকৰ ভাল জ্ঞানৰ সহায়ত এখন ভাল আৰু নিখুঁত ৰাষ্ট্ৰ গঢ়ি তুলিব পাৰিব। বৰ্তমান যুগৰ এজন সমালোচকে প্লেটোৰ ভালৰ ধাৰণাৰ ওপৰত কটাক্ষৰ বাণ হানিব পাৰিব কিন্তু এটা আদৰ্শ ধাৰণাই নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ বাটত আমাক সহায় কৰে ইয়াৰদ্বাৰা মানুহৰ চিন্তাৰ প্ৰখৰতা বৃদ্ধি হয় আৰু মানুহে বহুত দূৰলৈ চাবলৈ শিকে।

দ্বাদশ অধ্যায়

গণতন্ত্ৰৰ গ্ৰীচদেশীয় অৱধাৰণা

এথেন্সত পেৰিক্লিছৰ যুগটোক গ্ৰীক গণতন্ত্ৰৰ উল্লাস আৰু আনন্দৰ যুগ বুলিব পাৰি। এই যুগটোত গঢ়ি উঠা গ্ৰীক গণতন্ত্ৰ দুটা প্ৰধান উপাদানৰ ওপৰত প্ৰতিষ্ঠিত হৈছিল। সেই প্ৰধান উপাদান দুটা হৈছে —জনসাধাৰণৰ দ্বাৰা গঠিত নগৰ ৰাষ্ট্ৰৰ চৰকাৰ আৰু ব্যক্তিৰ বিকাশ। এথেন্সত সেই সময়ত প্ৰত্যক্ষ গণতন্ত্ৰ চলিছিল। সেই সময়ত নগৰ ৰাষ্ট্ৰৰ অভ্যন্তৰীণ আৰু বৈদেশিক সকলোবোৰ বিষয় কোনো স্বাভাৱিক মন্ত্ৰীপৰিষদ নোহোৱাকৈ পৰিচালনা কৰা হৈছিল। এথেন্সত তেতিয়া সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী আছিল জনপ্ৰিয় সভাখন যিখনে পাৰিষদক নিৰ্বাচন কৰিছিল। এই জনপ্ৰিয় সভাখনে শান্তি প্ৰতিষ্ঠা কৰিছিল আৰু যুদ্ধ বিগ্ৰহ চলাইছিল সেনা। সেনাপতি নিৰ্বাচন কৰিছিল আৰু বিদেশৰ পৰা অহা ৰাষ্ট্ৰদূতসকলৰ আদৰণি জনাইছিল। গ্ৰীচদেশীয় গণতন্ত্ৰৰ এই যুগটোৱে পৃথিৱীক শক্তিৰ ঠাইত আইনৰ ধাৰণা দিছিল আৰু বিত্তমান বা বিশেষ সা সুবিধাৰ ঠাইত সকলোৰে বাবে আইনসঙ্গত ক্ষমতাৰ অধিকাৰ দিছিল। এই যুগটোৰ ভিতৰত গ্ৰীচদেশখন আধ্যাত্মিকতা আৰু সৌন্দৰ্যৰ উচ্চতাৰ চৰম শিখৰত উঠিছিল আৰু এই যুগটোতে গ্ৰীচদেশে মানৱ সভ্যতা চহকী কৰিবলৈ অতুলনীয় বৰঙণি যোগাইছিল। এই সময়ছোৱাৰ ভিতৰত তাত নগৰ আৰু নাগৰিকসকলৰ মাজত ঘনিষ্ঠ সম্বন্ধ স্থাপিত হৈছিল। ৰাষ্ট্ৰৰ স্বাৰ্থ ৰক্ষা কৰি নাগৰিকসকলে তেওঁলোকৰ জীৱন যাপন কৰিছিল। ৰাষ্ট্ৰৰ আইন নাগৰিকসকলেই সৃষ্টি কৰিছিল আৰু সেই গতিকে ৰাষ্ট্ৰীয় আইনত নাগৰিকসকলৰ মতামতবোৰেই সন্নিবিষ্ট হৈ আছিল। ৰাষ্ট্ৰৰ সকলোবোৰ কাম কাজত নাগৰিকসকলে মনোযোগ দিছিল। পেৰিক্লিছে তেওঁৰ এটা বক্তৃতাত এনেদৰে কৈছিল 'যিজন মানুহে ৰাষ্ট্ৰৰ কাম কাজত কোনো মনোযোগ নিদিয়ে সেইজনক আমি কেৱল কোনো অনিষ্ট নকৰা মানুহ বুলিয়েই জ্ঞান নকৰোঁ আমি তেওঁক অনাৱশ্যকীয় আৰু অযোগ্য চৰিত্ৰৰ মানুহ বুলিও জ্ঞান কৰোঁ আৰু আমি এথেন্সবাসী সকলোৱে সেইটো বিচাৰ কৰিবলৈ সমৰ্থ।'

গ্ৰীকসকলে তেওঁলোকৰ দৃষ্টান্তৰ দ্বাৰাই পৃথিৱীখনক শিকাইছিল যে গণতন্ত্ৰ এনে ধৰণৰ এখন চৰকাৰ যিখন চৰকাৰৰ অধীনত প্ৰত্যেকজন নাগৰিকৰ মানৱীয় গুণ আৰু চমৎকাৰিত্বৰ উৎকৃষ্টভাৱে উন্নতি সাধন হয় আৰু প্ৰত্যেকৰ

দেশে রাষ্ট্রীয় মাদকতা সৃষ্টি হয়। গণতান্ত্রিক রাষ্ট্রে একমাত্র এটা পরিবেশেই সম্ভব হয় যেটা পরিবেশে প্রতিভার বিকাশ হতে পারে আর তার ফলে পরিবেশ সমৃদ্ধ হয়। গ্রিক গণতন্ত্রের দিনগুলোতেই পৃথিবীতে দর্শন সাহিত্য উৎকর্ষে, বলা যায় এদের শুভারম্ভ হয়েছে আর গ্রিক গণতন্ত্রেই আমরা বারবার বিজ্ঞান আর কলা সম্পর্কে প্রণালীবদ্ধভাবে পেয়েছি। সেই শতকের পেরিক্লিস থেকেই আমাদের নগর সভ্যতা আর অন্যান্য আচরণবাচক বিচার পরিবর্তে অমর করে প্রয়োজনীয় মাপকাঠি দিচ্ছে। তত্ত্বায় গণতন্ত্রেরপরই আজ লাইন চবকার সমতা আর স্বাধীনতার ধারণাগুলোর অনুসরণ করছে। গ্রিক গণতন্ত্রেরপরই আমি আত্মসমালোচনা আর আত্মপ্রগতির বাণী প্রথমে শুনেছি।

গ্রিক গণতন্ত্র ছিল প্রত্যক্ষ গণতন্ত্র। এইটা হতে এই কারণেই সম্ভবপর হয়েছিল যে গ্রিক চহরগুলোর সব সময় আয়তন আর সেই চহরগুলোর জনসংখ্যাও ছিল যথেষ্ট কম। একেকটা গ্রিক চহরই ছিল একেকটা গ্রিক রাষ্ট্র। এই নগর রাষ্ট্রগুলো সব সময় জাতির মানুষগুলোকে প্রতিনিধিত্ব করেছিল তবে সেই সব জাতিগুলোর একজন পূর্বপুরুষ থেকে উদ্ভব হয়েছিল আর সেইজন্য তাদের লোকদের মাঝে যথেষ্ট ঘনিষ্ঠতা বিরাজ করেছিল। তেওলোকের চেহারার আকৃতি যেখানে নষ্টক লাগলে নাগরিকসকলের হাতেই সামর্থ্য ছিল। গ্রিক জনসাধারণের সমষ্টিগত উপাসনার ঠাইও ছিল আর তারা সেই লোকে একসঙ্গে চবকারী থেকে উপাসনা করেছিল তবে নগর রাষ্ট্রের যেসব দেবতা ছিল সেইগুলোরই ব্যক্তিগত নাগরিকসকলের দেবতা ছিল। শক্তিগুলোর নগর রাষ্ট্রগুলোর এবার নেতৃবৃন্দ অগ্র ছিল। নগর রাষ্ট্র লোকের ছিল বাইরে রাজনৈতিক জীবনের বাইরে ঈশ্বর সম্বন্ধে আছিল সে গ্রিকরা তাদের ঘরের জীবনের সোবাদ তাদেরকে অনন্তরই করতে নোয়ারিছিল। গ্রিকসকলের বাবে রাষ্ট্র সমাজ পরিত্রাণ এই ধারণাটা অবাধ্য আছিল। কিয়নো গ্রিকসকল রাষ্ট্রের জগতে লোকেদের স্বার্থ যোজনা দিতে তলাই না ছিল।

গ্রিক গণতন্ত্র প্রত্যক্ষ আছিল যদিও সীমিত অর্থেহে ই প্রত্যক্ষ আছিল। নগর রাষ্ট্রের বহু থকা সকলোবের মানুষ নাগরিকত্ব দেওয়া নাছিল। নগর রাষ্ট্রত থকা মস্ত মানুহলোককহ নাগরিক বুলি হৈছে গণ্য কৰা হৈছিল। গ্রিকসকলর মতে নাগরিকত্বর অর্থ হৈছে শাসন কাৰ্যত আৰু শাসিত হোৱাৰ সমর্থ লোক। সেই গুণটিক বিসকলৰ এই মতবাদটো গুণ থাকে লোকেদের নাগরিক হোৱাৰ যোগ্য। নগর রাষ্ট্রবোৰত থকা দাস আৰু শ্রমিকসকলৰ ওপৰত নাগৰিকৰ দায়িত্ব আৰু কৰ্তব্য অৰ্পণ কৰা হোৱা নাছিল তেওঁলোকে চৰকাৰৰ কামত অংশ গ্ৰহণ কৰিব নোৱাৰিছিল। গ্রিক ৰাষ্ট্ৰবোৰৰ নাগৰিকসকলে চৰকাৰৰ কামত সক্রিয় অংশ গ্ৰহণ কৰিব লাগিছিল। গ্রিক গণতন্ত্ৰ জ্ঞানদাৰ চলিছিল কিয়নো গ্রিক

জনসাধাৰণৰ ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰই সৃষ্টি কৰা আইনৰ প্ৰতি গভীৰ শ্ৰদ্ধা আৰু আনুগত্য আছিল। ছক্রেটিছে নগৰ ৰাষ্ট্ৰখনৰ আইনখনক ন্যায়ৰ লগত এক বুলি তুলনা কৰিছিল আৰু সেই নীতিকে ৰাষ্ট্ৰৰ আইনৰ কৰ্তৃত্বৰ ওপৰত কোনেও প্ৰশ্ন কৰিব নোৱাৰিছিল। আইনৰ দৃষ্টিত সকলোবোৰ মানুহ সমান আছিল। গ্ৰিক গণতন্ত্ৰৰ এই ধাৰণাটোৱে ব্যক্তিগত স্বাধীনতাৰ প্ৰগতি সাধন কৰিছিল।

কিন্তু সময়ৰ সোঁতত গ্ৰিক গণতন্ত্ৰৰ চেহেৰা আৰু চৰিত্ৰৰ পৰিবৰ্তন ঘটিছিল। সীমিত নাগৰিকসকলে অংশগ্ৰহণ কৰিব পৰা গণতন্ত্ৰত সকলো মানুহে পাছত অংশগ্ৰহণ কৰিব পৰা হ'ল। অশিক্ষিত আৰু অজ্ঞলোকসকলেও চৰকাৰৰ কামত অংশগ্ৰহণ কৰিবলৈ ধৰিলে। সেই লোকসকলৰ বেছিভাগেই কোনো নীতি আদৰ্শৰ কথা বুজি নাপাইছিল বা বুজি পাবলৈ চেষ্টাও কৰা নাছিল। তেওঁলোক কেৱল মুক্তভাৱে বসবাস কৰাৰ প্ৰতি সজাগ আৰু সচেতন আছিল। তেওঁলোকে বিশ্বাস কৰিছিল যে অধিক সংখ্যকে ভুল কৰিব নোৱাৰে বা ভুল নকৰে। এইদৰে গ্ৰিছদেশৰ গণতন্ত্ৰৰ ঠাইত জনতন্ত্ৰ স্থাপিত হ'ল। তেতিয়াৰেপৰা এথেন্সৰ গণতন্ত্ৰবাদীসকলে প্ৰকৃতিৰ আইন আৰু দেশাচাৰৰ ওপৰত গুৰুত্ব দিবলৈ ধৰিলে। কেৱল সেয়ে নহয় তেওঁলোকে ৰাষ্ট্ৰ আৰু সমাজৰ ওপৰত ব্যক্তিবিশেষক প্ৰশংসা কৰিবলৈও আৰম্ভ কৰিলে। এইদৰে শক্তিশালী ব্যক্তিবোৰৰ স্বাৰ্থই ন্যায়ত পৰিণত হ'ল আৰু ইয়াৰ ফলত অত্যাচাৰী শাসকৰ বাবে পথ পৰিষ্কাৰ হৈ আহিল। সেই সময়ত গ্ৰিকসকলে আনৰ অধিকাৰ আৰু সম্পত্তিৰ ওপৰত হস্তক্ষেপ কৰিবলৈহে সমতাৰ কথা বৰকৈ কৈছিল। স্বাধীনতাৰ বাণী প্ৰচাৰ কৰি বহুতো লোকে দাস সকলৰ পৰিশ্ৰমৰ ওপৰত নিজৰ জীৱন যাপন কৰিছিল। এইদৰে গ্ৰিক গণতন্ত্ৰ দায়িত্বহীন ব্যক্তিবাদৰ দোষৰ দূষিত হৈছিল। ব্যক্তিগত দুৰাকাংক্ষা অবিদ্যা আৰু আত্মনিয়ন্ত্ৰণৰ অভাৱ বিশেষ স্বাৰ্থৰ অন্বেষণ আদিয়ে গ্ৰিক গণতন্ত্ৰ কলুষিত কৰি পেলাইছিল। মানুহৰ প্ৰকৃতি যুদ্ধ উত্তেজনা দলাদলি ক্ষুধা আদি সকলোবোৰ শান্তিপূৰ্ণ নগৰীয়া জীৱন আৰু ৰাষ্ট্ৰীয় গুণৰ বিৰুদ্ধে একেলগে থিয় দিছিল। মুঠতে তাত এনেকুৱা এটা অৱস্থাৰ সৃষ্টি হৈছিল যিটো অৱস্থাই প্লেটো আৰু এৰিষ্টটলৰ মনত গভীৰ দুখৰ ধাৰণা এটাৰ সৃষ্টি কৰিছিল।

গণতন্ত্ৰৰ সমালোচকৰ এটা পৰিয়ালত প্লেটোৰ জন্ম হৈছিল। গণতন্ত্ৰৰ অধীনত তেওঁ গ্ৰিছ দেশখন ধ্বংস হোৱা দেখিবলৈ পাইছিল। তাতোকৈ ডাঙৰ ঘটনা এটা তেওঁৰ চকুৰ আগতে ঘটিছিল। তেওঁ নিজে গ্ৰিছদেশীয় গণতন্ত্ৰবাদী সকলৰ আদেশত তেওঁৰ গুৰু ছক্রেটিছে মৃত্যুবৰণ কৰা দেখিবলৈ পাইছিল। বোধকৰো সেইবাবেই তেওঁ গণতন্ত্ৰৰ দোষবোৰ বেছিকৈ দেখিবলৈ পাইছিল আৰু সেইবোৰ অতিৰঞ্জিত কৰি বৰ্ণনাও কৰিছিল। প্লেটোৱে গ্ৰিছদেশৰ নাগৰিকসকলৰ জীৱনত গণতন্ত্ৰৰ দুটা বিচ্যুতিবোৰ প্ৰতিফলিত হোৱা দেখিবলৈ পাইছিল। তেওঁ

গণতন্ত্ৰত কাকো পৰোৱাই নকৰা ভাব এটা ফুটি উঠা দেখিবলৈ পাইছিল। তেওঁৰ মতে গণতন্ত্ৰ একপ্ৰকাৰৰ মোহনীয় অৰাজকতাৰ চৰকাৰ আৰু ই বৈচিত্ৰতা আৰু বিশৃংখলাৰে ভৰপূৰ। সেই গণতন্ত্ৰত আইন সদায় মৃত অৱস্থাত থাকে ইয়াত থকা স্বাধীনতাই অৰাজকতাৰ সৃষ্টি কৰে আৰু ইয়াৰ সমতা হৈছে অসমতাৰে ভৰপূৰ। হিৰোডটাছ আৰু থুচিডাইডছৰ মতে গণতন্ত্ৰত জনসাধাৰণ শৃংখলিত স্বাধীনতা ঐক্য আৰু সমতাবোধৰ দ্বাৰা অনুপ্ৰাণিত হৈ ৰাষ্ট্ৰখনত একজন নাগৰিকৰ দৰে বাস কৰে। প্লেটোৱে কিন্তু তেওঁলোকৰ সেই অৱধাৰণাৰ লগত একমত হ'ব পৰা নাছিল। তেওঁ গণতন্ত্ৰক এনে এটা সমাজব্যৱস্থাৰ ৰূপত দেখিবলৈ পাইছিল য'ত প্ৰত্যেক মানুহে নিজৰ ইচ্ছামতে মুক্তভাৱে সকলো কাম কৰিব পাৰিছিল আৰু এজনে আন সকলোৰে লগত সমানে বহি বিবেচনা কৰিব ছিল। তেওঁৰ মতে এথেন্সৰ গণতন্ত্ৰই এখন বিশৃংখল আৰু সুসভ্য জীৱন বিহীন ৰাষ্ট্ৰকহে প্ৰতিনিধিত্ব কৰিছিল আৰু সেই ৰাষ্ট্ৰখনত প্ৰত্যেক নিজৰ স্বাৰ্থ আৰু অভিলাষ পূৰ্ণ কৰিবলৈ ব্যস্ত হৈ আছিল। সমূহীয়া স্বাৰ্থৰ প্ৰতি সকলোৱে পিঠি দিছিল। তেওঁৰ মতে গণতান্ত্ৰিক চৰকাৰ আছিল সন্তোষদায়ক আইন শৃংখলাবিহীন বিচিত্ৰ ধৰণৰ চৰকাৰ। এই গণতন্ত্ৰৰ অধীনত নাগৰিকসকলে কৰ্তৃপক্ষৰ পৰা কোনো বাধা বিঘিনি নোপোৱাকৈ নিজৰ ইচ্ছামতে সকলোবোৰ কাম কৰিব পাৰিছিল আৰু শেষত তেওঁলোকে আনকি ৰাষ্ট্ৰৰ আইন-কানুনকো ভয় নকৰা হৈছিল। তেওঁলোকৰ ধাৰণাত তেওঁলোকৰ ওপৰত কোনোৱেই নাছিল। জনতাৰ স্বাধীনতাৰ প্ৰতাপ ইমান বাঢ়ি গৈছিল যে এসময়ত ধন দি কিনি আনিব পৰা দাসবোৰেও সমান স্বাধীনতা উপভোগ কৰিব পৰা হৈছিল। মতা তিৰোতা উভয়ে স্বাধীনতা আৰু সমতাৰ ভাগ ল'ব পাৰিছিল। সেই গতিকে প্লেটোৱে ব্যংগ কৰিছিল যে এথেন্সৰ গণতন্ত্ৰত আনকি ঘোঁৰা আৰু গাধবোৰেও মুক্ত নাগৰিকসকলৰ অধিকাৰ আৰু সন্মান দাবী কৰিব পাৰিছিল। ইয়াত মূৰ্খ আৰু অজ্ঞান সকলেও বিশেষজ্ঞৰ ঠাই দখল কৰিব পাৰিছিল শিক্ষকসকলে ছাত্ৰসকলক ভয় কৰি চলিব লাগিছিল আৰু ৰাজনীতিজ্ঞসকলে অজ্ঞ জনতাৰ ভাল পোৱা বেয়া পোৱাৰ হিচাপ নিকাচ কৰিহে তেওঁলোকৰ ৰাজনৈতিক কৌশল স্থিৰ কৰিব লাগিছিল। এনেকুৱা এখন গণতান্ত্ৰিক ৰাষ্ট্ৰ প্লেটোৱে বৰ্ণনা কৰা আদৰ্শ ৰাষ্ট্ৰৰ সম্পূৰ্ণ পৰিপন্থী আছিল। কিয়নো প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰখন ব্যক্তিগত বিশেষীকৰণৰ ওপৰত গঢ়ি তুলিবলৈ বিচৰা হৈছিল আৰু তাত বিশেষভাৱে তুলি তালি ডাঙৰ দীঘল কৰা এটা প্ৰশিক্ষিত শ্ৰেণীৰ হাতত ৰাজনৈতিক ক্ষমতা অৰ্পণ কৰিবলৈ বিচৰা হৈছিল।

চৰকাৰৰ গঠনত চক্ৰাকাৰ পৰিবৰ্তনৰ অনিবাৰ্যতাত প্লেটোৱে বিশ্বাস কৰিছিল। তেওঁৰ মতে চৰকাৰৰ গঠনত এইধৰণ পৰিবৰ্তন হৈছিল— ৰাজতন্ত্ৰৰ পৰা

অভিজাততন্ত্ৰ আৰু অভিজাততন্ত্ৰৰ পৰা স্বল্পতন্ত্ৰ স্বল্পতন্ত্ৰৰ পৰা গণতন্ত্ৰ আৰু গণতন্ত্ৰৰ পৰা অত্যাচাৰী শাসন। স্বল্পতন্ত্ৰত কেইজনমান ধনী আৰু সম্পত্তিশালী মানুহে নিজ স্বাৰ্থ পূৰণৰ বাবে ৰাষ্ট্ৰ শাসন কৰে আৰু তাৰ ফলত বহুতৰ মাজত অসন্তোষৰ সৃষ্টি হয় আৰু সেই অসন্তুষ্ট লোকসকলে স্বল্পতান্ত্ৰিক শাসন ওফৰাই পেলায় তাৰ পাছত দৰিদ্ৰলোকে নিজ শাসনৰ গাদী দখল কৰে স্বাধীনতা আৰু সমতাৰ সমালোচনা কৰিবলৈ আৰম্ভ কৰে। প্লেটোৰ আমাৰ আগত গণতন্ত্ৰৰ যাথাৰ্থ বৰ্ণনা দাঙি ধৰিছে তাৰ পৰা আমি গণতন্ত্ৰৰ জন্মৰ এটা মনস্তাত্ত্বিক বিশ্লেষণ দেখিবলৈ পাওঁ। এইখিনিতে আমি মনত ৰাখিব লাগিব যে প্লেটোৰ গণতন্ত্ৰই যি ৰূপ আৰু ধৰণৰ চৰকাৰ এখনক বুজাইছিল এৰিষ্টটলৰ মতে সেয়া আছিল চৰম গণতন্ত্ৰ যত স্বাধীনতা আৰু সমতাৰ অৰ্থ কৰা হৈছিল যিকোনো কাম কৰিবলৈ অবাধ আৰু অনিয়ন্ত্ৰিত অধিকাৰ আৰু সকলো বিষয় আৰু ক্ষেত্ৰতে সমান আৰু অসমান সকলোৰে বাবে সমান অধিকাৰ আৰু কৰ্তৃত্ব আছিল। সেই কাৰণে প্লেটোৰ মতে গণতন্ত্ৰই মানুহৰ সমাজৰ প্ৰথম মৌলিক নীতিটোকে ভংগ কৰিছে। মানুহৰ সমাজৰ এই প্ৰথম মৌলিক নীতিটো হৈছে—এজন মানুহৰ আৰু এজন মানুহৰ লগত পাৰ্থক্য আছে আৰু যিজন মানুহ যি কামৰ বাবে যোগ্য সেইজন মানুহে সেই কামহে কৰা উচিত। গণতন্ত্ৰই এই মৌলিক নীতিটো অমান্য কৰি সমান আৰু অসমান সকলোকে সমান অধিকাৰ দিছে। প্লেটো আৰু এৰিষ্টটলৰ মতে সমতাৰ অৰ্থ সকলো মানুহৰ বাবে সমান অধিকাৰ নহয় সমান সমৰ্থ আৰু যোগ্যতা থকা মানুহবোৰৰ বাবেহে সমান অধিকাৰ। প্লেটোৰ গণতন্ত্ৰক এইকাৰণেই ভাল পোৱা নাছিল যে এই শাসনকাৰ্য্যৰ বাবে যোগ্যতা বিচাৰ কৰা নাছিল আৰু যোগ্য অযোগ্য সমৰ্থ অসমৰ্থ জ্ঞানী অজ্ঞানী প্ৰশিক্ষিত অশিক্ষিত সকলোৰে বাবে সমান সুবিধা আগবঢ়াইছিল। ৰাজনীতিজ্ঞসকলৰ শিক্ষা আৰু প্ৰশিক্ষণৰ ওপৰত গণতন্ত্ৰই গুৰুত্ব দিয়া নাছিল।

ৰাজনীতিবিদ নামৰ গ্ৰন্থখনত প্লেটোৱে দুটা প্ৰধান ভিত্তিত চৰকাৰৰ শ্ৰেণীবিভাগ কৰিছিল

(১) ৰাজনৈতিক ক্ষমতা প্ৰয়োগ কৰিব পৰা মানুহৰ সংখ্যা।

(২) আইনৰ লগত চৰকাৰৰ সম্বন্ধ।

এই দুটা ভিত্তিত তেওঁ চৰকাৰবোৰক দুটা শ্ৰেণীত ভাগ কৰিছিল। এটা ভাগত আছিল ৰাজতন্ত্ৰ অভিজাততন্ত্ৰ আৰু গণতন্ত্ৰ আৰু আনটো ভাগত আছিল অত্যাচাৰী শাসন স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰ। ৰাজতন্ত্ৰ অভিজাততন্ত্ৰ আৰু গণতন্ত্ৰই আইন মানি চলিছিল। অত্যাচাৰী শাসন আৰু স্বল্পতন্ত্ৰই আইন মানি চলা নাছিল। গণতন্ত্ৰৰ অধীনত আইনৰ শক্তি আছিল যদিও ইয়াত আইনৰ বৰ দুৰ্বল আছিল। সেই কাৰণেই প্লেটোৱে কৈছিল যে আইন মানি চলা চৰকাৰবোৰৰ ভিতৰত গণতন্ত্ৰই আছিল আটাইতকৈ বেয়া আৰু আইন মানি নচলা চৰকাৰবোৰৰ ভিতৰত গণতন্ত্ৰই আছিল সৰ্বাতোকৈ ভাল চৰকাৰ।

প্লেটোৱে গণতন্ত্রক ভাল নোপোৱাৰ কাৰণ বুজাটো কঠিন নহয়। কিয়নো তেওঁ প্ৰশিক্ষিত বুদ্ধি বৃত্তিসম্পন্ন মানুহৰ হাতত হে ৰাজনৈতিক ক্ষমতা অৰ্পণ কৰিব বিচাৰিছিল। তেওঁৰ মতে সুবিকশিত কলা কাৰিকৰী ওপৰতহে ৰাষ্ট্ৰ ... ক্ষমতাৰ ভেটি স্থাপন হব লাগে। তেওঁ প্ৰথম অগ্ৰাধিকাৰ দিছিল দাৰ্শনিক ... দ্বিতীয় অগ্ৰাধিকাৰ দিছিল বুদ্ধিবৃত্তিসম্পন্ন অভিজাত শ্ৰেণীৰ ... কিছু সংখ্যক লোকৰ শাসনত। গণতান্ত্ৰিক চৰকাৰ এখনৰ ধাৰণা ... আলোচনা কৰিবলৈ তেওঁৰ ধৈৰ্যই নাছিল ... চৰকাৰ এখ ... কথাটো দূৰৰেই কথা। গণতন্ত্ৰৰ মাজেৰে চৰকাৰ এটা জীৱন্ত চিত্ৰ ... আগত দাঙি ধৰিছে। ... সেই মানুহবোৰৰ ... অনুৰাগ থাকে ... ভৱপুৰ। তেওঁ লোক ... ভাল কাৰ মিতাচাৰক ... সমতা ... আৰু অৰাজকতাত পৰিণত কৰে আৰু স্বাধীনতাক অনুজ্ঞাপত্ৰ ... প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ এটা আদৰ্শ ধাৰণাৰ ওপৰত গঢ় তুলা ... আৰু ... গণতন্ত্রৰ প্ৰশ্নটো উঠাই নাছিল। ন্যায় প্ৰতিষ্ঠাই ... ৰাষ্ট্ৰৰ ... আৰু কাৰ্যত জ্ঞানৰ প্ৰতিফলনেই আছিল ন্যায়। অসাধাৰণ ... আৰু গুণৰ অধিকাৰী এজন দাৰ্শনিক ৰজাৰ জাতি এটা ... সকলো জ্ঞান আৰু বুদ্ধি বৃত্তি আছিল। যিখন ৰাষ্ট্ৰত ... এজন দাৰ্শনিক ৰজা গঢ় তুলিব পৰা নাযায় তাত বুদ্ধিবৃত্তিসম্পন্ন অভিজাত শ্ৰেণীৰ মানুহ ... হাতত ৰাষ্ট্ৰীয় ক্ষমতা অৰ্পণ কৰিব পৰা যায় এই দৰ্শনেই আছিল প্লেটোৰ মতে ভাল চৰকাৰ। অজ্ঞ জনসাধাৰণৰ ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ ... আৰু ইচ্ছা কোনোটোৱে নাছিল। ইয়াৰ বাবে আৱশ্যকীয় শিক্ষা দীক্ষা ... আৰু আন সকলোবোৰ গুণৰ তেওঁলোকৰ অভাৱ আছিল।

প্লেটো গণতন্ত্রৰ সমৰ্থক নাছিল যদিও গণতন্ত্রৰ গুণবোৰ তেওঁৰ চকুৰ ... আৰু তেওঁ সেইবোৰক স্বীকৃতি দিবলৈ অকণো সংকোচ কৰা নাছিল। সেইবাবেই তেওঁ মহান আছিল। গণতন্ত্রত সকলো মানুহে স্বাধীনতাৰ সমান অংশ পাইছিল আৰু সকলো মানুহে ক্ষমতা লাভৰ বাবে সমান সুবিধা পাইছিল। গণতান্ত্ৰিক ৰাষ্ট্ৰত মানুহৰ প্ৰকৃতিয়ে বহুতো ধৰণে আত্মপ্ৰকাশ কৰিছিল। গণতন্ত্রক উপহাস কৰি তেওঁ কৈছিল যে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত মানুহে ভাওৰ পদবী লাভ কৰিবও পাৰে আৰু কৰ্মহীন হৈ বহি থাকিবলগীয়া হ'বও পাৰে; শান্তিত দিন কটাবও পাৰে আৰু যুদ্ধত প্ৰাণ বিসৰ্জন দিবলগীয়া হ'বও পাৰে।

প্লেটোৱে গণতন্ত্রৰ কটু সমালোচনা কৰিবলৈ গৈ আৰু আদৰ্শ ৰাষ্ট্ৰৰ গুণ গান গাই পাহৰিয়েই গৈছিল যে দাৰ্শনিক ৰজাৰ শাসন বা বুদ্ধি-বৃত্তিসম্পন্ন অভিজাত শ্ৰেণীৰ লোকৰ শাসন দীঘলীয়া সময়ৰ বাবে তিষ্ঠি থাকিব নোৱাৰিছিল।

সেই গতিকে গণতন্ত্ৰ বা স্বল্পতন্ত্ৰ কোনোবা এটা চৰকাৰ মানুহে বাচি লব-লগীয়া হৈছিল। প্লেটোৱে গণতন্ত্ৰৰ কিছুমান গুণৰ প্ৰশংসা কৰিবলৈ বৰ টান পাইছিল। গণতন্ত্ৰৰ অধীনত মানুহে চৰকাৰী কামত অংশ গ্ৰহণ কৰি যথেষ্ট সামাজিক আৰু ৰাজনৈতিক শিক্ষা লাভ কৰিছিল। প্লেটোৱে ইয়াৰ যথাৰ্থতা ভালদৰে উপলব্ধি কৰিব পৰা নাছিল আৰু সেই গতিকে তেওঁ ইয়াৰ ওপৰত অতি কম গুৰুত্ব দিছিল। সাধাৰণ জনসাধাৰণৰো সূক্ষ্ম সাধাৰণ বিচাৰ বুদ্ধিৰ অভাব নাই আৰু এই কথাটো পেৰিক্লি আৰু এৰিষ্টটলে ভালদৰে উপলব্ধি কৰিছিল কিন্তু প্লেটোৱে পৰা নাছিল। সকলোবোৰ ত্ৰুটী বিচ্যুতি থকা সত্ত্বেও গণতন্ত্ৰৰ অধীনত মানুহে স্বাধীনতা আৰু সমতা উপভোগৰ আটাইতকৈ বেছি সুবিধা পায় বেছিসংখ্যক মানুহে ৰাজনৈতিক শিক্ষা লাভ কৰে চৰকাৰী কাম কাজত আটাইতকৈ বেছিসংখ্যক মানুহে অংশ গ্ৰহণ কৰিবলৈ সুযোগ পায় আৰু কৃষ্টি সংস্কৃতিৰ প্ৰভূত বিকাশ হয়।

এৰিষ্টটলে আমাক কৈছে যে কিছুমান মানুহৰ মতে যিসকল মানুহক প্ৰকৃতিয়ে সমান কৰি সৃষ্টি কৰিছে সেইসকল মানুহে সমান অধিকাৰ আৰু মূল্য পোৱা উচিত। এই কথাটো আলোচনা কৰিবলৈ গৈ তেওঁ এটা প্ৰাসংগিক প্ৰশ্ন সুধিছে—কিহৰ সমতা ? এই সমতা শৰীৰৰ মানসিক চৰিত্ৰৰ নে সমাজৰ প্ৰতি একাগ্ৰতাৰ ? এৰিষ্টটলে কৈছে যে দুটা মূল নীতিৰ মাজেদি গণতন্ত্ৰৰ বৈশিষ্ট্য ফুটি উঠে। সেই মূল নীতি দুটা হৈছে—স্বাধীনতা আৰু সংখ্যাগৰিষ্ঠৰ চৰকাৰ। মানুহে ভাবে যে প্লেটোৰ ন্যায় সেইটোৱে সমতা আৰু সমতা হৈছে জনসাধাৰণৰ মতৰ সৰ্বোচ্চ কৰ্তৃত্ব। স্বাধীনতা আৰু সমতাৰ অৰ্থ হৈছে মানুহে যিহকে ইচ্ছা কৰে তাকে কৰিব পৰা ক্ষমতা। আকৌ এইটো কোৱা হয় যে প্ৰত্যেকজন নাগৰিকৰে সমতা থাকিব লাগে আৰু সেইবাবে গণতন্ত্ৰত গৰীৱসকলৰ ধনীসকলতকৈ বেছি ক্ষমতা আছে কিয়নো তেওঁলোকৰ সংখ্যা ধনীসকলৰ সংখ্যাতকৈ বহুত বেছি আৰু বেছিসংখ্যকৰ মতেই সৰ্বোচ্চ মত। এজন গণতন্ত্ৰবাদীয়ে নিজৰ ইচ্ছামতে থাকিবলৈ বিচাৰে আৰু নিজৰ ইচ্ছামতে স্বাধীনতা উপভোগ কৰিবলৈ ভাল পায়। ইয়াৰপৰাই মানুহৰ মনত এটা ইচ্ছাৰ সৃষ্টি হয়। সেই ইচ্ছাটো হৈছে—সম্ভৱপৰ হলে তেওঁ কাৰোদ্বাৰা শাসিত হ'ব নোখোজে। কিন্তু এইটো সম্ভৱপৰ নহয় বাবেই নিজে শাসক হ'বলৈও বিচাৰে আৰু লাগিলে শাসিত হ'বলৈও বিচাৰে।

এৰিষ্টটল সকলো মানুহক সমান অধিকাৰ দিয়া গণতন্ত্ৰৰ বিৰোধী আছিল। কিয়নো তেওঁ সমান গুণ থকা মানুহবোৰকহে সমান বুলি জ্ঞান কৰিছিল। গতিকে তেওঁলোকৰ মাজত যি সমতা আছে সেই সমতাতহে তেওঁৰ বিশ্বাস আছিল। নাগৰিকসকলৰ মাজতহে সমান গুণ আছিল। এৰিষ্টটলৰ নাগৰিক শ্ৰেণীৰ মানুহবোৰক প্লেটোৰ অভিভাৱক শ্ৰেণী দুটাৰ মানুহবোৰৰ লগত তুলনা

কৰিব পৰা হৈছিল। যিসকল মানুহে গোটেই দিনটো পৰিশ্ৰম কৰিবলগীয়া হৈছিল তেওঁলোকৰ গাত এৰিষ্টটলৰ মতে নাগৰিকৰ গুণ থাকিব নোৱাৰে। সেই গতিকে তেওঁ দাস বিদেশী লোক তিৰোতা কাৰিকৰ ব্যৱসায়ী আৰু খেতিয়কসকলক নাগৰিক শ্ৰেণীৰপৰা বাদ দি থৈছিল। কেৱল জিৰণি পোৱা শ্ৰেণীৰ মানুহবোৰেহে গণতন্ত্ৰত অংশগ্ৰহণ কৰিব পাৰিছিল। জিৰণি পোৱা মানুহ বোলোঁতে এৰিষ্টটলে কাম কাজ নোহোৱা মানুহবোৰক বুজোৱা নাছিল। এৰিষ্টটলৰমতে জিৰণি বুলিলে কাম কাজ নোহোৱা সময় এনে বুজোৱা নহয়। এই জিৰণিৰ সময়খিনিতে নাগৰিকসকলে তেওঁলোকৰ ওপৰত অৰ্পণ কৰা কাম কাজবোৰৰ বিষয়ে গভীৰভাৱে চিন্তা কৰিব লাগিছিল। তেওঁলোকৰ চিন্তাৰ বিষয় আছিল ভাল জীৱন গঢ়ি তোলাৰ বাবে বিজ্ঞান আৰু দৰ্শনৰ অধ্যয়ন। ইয়াৰ বাবে তেওঁলোকক সৰুৰেপৰা গঢ়ি তোলা হৈছিল।

প্লেটোৰ তুলনাত এৰিষ্টটলৰ গণতন্ত্ৰ বিৰোধিতা কম প্ৰকট আছিল। তেওঁৰ মতে গণতন্ত্ৰত সৰ্বোচ্চ ক্ষমতা মুক্ত মানুহবোৰৰ হাতত আছিল। ইয়াৰ পৰাই বুজা যায় যে সেই গণতন্ত্ৰত দাসসকলে ৰাজনৈতিক অধিকাৰ লাভ কৰা নাছিল আৰু সিহঁতে চৰকাৰত অংশগ্ৰহণ কৰিবও পৰা নাছিল। আন অৰ্থত সেই গণতন্ত্ৰ আছিল মুক্ত মানুহবোৰৰ অভিজাততন্ত্ৰ। গণতন্ত্ৰত মুক্ত দুখীয়া মানুহবোৰৰ হাতত ৰাজনৈতিক ক্ষমতা থাকিব লাগে কাৰণ তেওঁলোকৰ সংখ্যা সৰহ। এৰিষ্টটল বেছি বাস্তৱবাদী আৰু ৰক্ষণশীল আছিল আৰু সেই গতিকে তেওঁ প্লেটোৰ দৰে এখন আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰ আঁকিবলৈ ইচ্ছা কৰা নাছিল। দুটা ভিত্তিৰ ওপৰত তেওঁ চৰকাৰবোৰক ছটা ভাগত বিভক্ত কৰিছিল। এই ভিত্তি দুটা হৈছে (১) সৰ্বভৌম ক্ষমতা হাতত থকা মানুহৰ সংখ্যা আৰু (২) চৰকাৰে অৱলম্বন কৰা আদৰ্শ। তলত আটাইকেইটা চৰকাৰৰ নাম আৰু গুণ উল্লেখ কৰা হ'ল।

স্বাভাৱিক চৰকাৰ	দূষিত চৰকাৰ
(১) ৰজাতন্ত্ৰ—যত্ৰ এজন শাসকৰ হাতত সাৰ্বভৌম ক্ষমতা থাকে আৰু তেওঁ শাসিতসকলৰ কল্যাণ আৰু মংগলৰ কাৰণে কাম কৰে।	(১) অত্যাচাৰী শাসন-ইয়াতো এজন মানুহৰ হাতত সাৰ্বভৌম ক্ষমতা থাকে। শক্তি প্ৰৱঞ্চনা আদিৰে তেওঁ এই ক্ষমতা অধিকাৰ কৰে আৰু তেওঁ জনসাধাৰণৰ স্বাৰ্থৰ প্ৰতি পিঠি দি নিজৰ স্বাৰ্থৰ বাবে কাম কৰে।
(২) অভিজাততন্ত্ৰ—কেইজনমান অভিজাত শ্ৰেণীৰ মানুহৰ হাতত সাৰ্বভৌম ক্ষমতা থাকে। গুণ আৰু সম্পত্তিৰ ওপৰত এই চৰকাৰ ৰক্ষিত থাকে। এই চৰকাৰেও জনসাধাৰণৰ মংগলৰ কাৰণে কাম কৰে।	(২) স্বল্পতন্ত্ৰ— কেইজনমান ধনী মানুহৰ হাতত সাৰ্বভৌম ক্ষমতা থাকে। সম্পত্তিৰ জোৰতেই এই শাসনৰ মূলমন্ত্ৰ। এই শাসনে জনসাধাৰণৰ অনিষ্ট সাধন কৰিও শাসকসকলৰ স্বাৰ্থ পূৰণ কৰে।

(৩) মধ্যবিত্তৰ শাসন—কিছুমান মধ্যবিত্ত মানুহৰ হাতত সাৰ্বভৌম ক্ষমতা থাকে। বৈষয়িক আৰু মধ্যমীয়া গুণৰ ওপৰত এই শাসন প্ৰৱৰ্তিত। এই শাসনেও জনসাধাৰণৰ মংগল আৰু উন্নতিৰ কাৰণে চেষ্টা কৰে। শাসকসকলৰ নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবেও শাসকবৰ্গ উৎসাহী। তথাপি জনসাধাৰণৰ স্বাৰ্থৰ ফালে পিঠি দিয়া নহয়।

(৩) গণতন্ত্ৰ —গৰীব জনসাধাৰণৰ হাতত সাৰ্বভৌম ক্ষমতা থাকে। এই শাসনে স্বাধীনতা আৰু সমতাৰ নীতি অৱলম্বন কৰে। কেৱল গৰীবসকলৰ মংগল আৰু কল্যাণৰ বাবেহে এই চৰকাৰে চেষ্টা কৰে আৰু ধনীসকলক ধ্বংস কৰিবলৈ বিচাৰে ।

এৰিষ্টটলে বিশ্বাস কৰিছিল যে এখন ৰাষ্ট্ৰৰ সকলোবোৰ মানুহৰ গুণ আৰু সামৰ্থ্যবোৰ লগ লগালে সেই ৰাষ্ট্ৰখনৰ একাংশ মানুহৰ গুণ আৰু সামৰ্থ্যৰ পৰিমাণতকৈ বেছি হ'ব। জনসাধাৰণৰ বেছি ভাগেই শাসনকাৰ্য্যৰ সবিশেষ নাজানে আৰু শাসনকাৰ্য্যৰ বিষয়ে তেওঁলোকৰ কাৰিকৰী জ্ঞান নাই। সেই গতিকে তেওঁলোকে শাসনকাৰ্য্যৰ ওপৰত মূল্যবান মতামত দিব নোৱাৰে। কিন্তু তেওঁলোকৰ বেছি ভাগৰে সূক্ষ্ম সাধাৰণ বিচাৰ বুদ্ধি আছে আৰু এই বিচাৰ বুদ্ধি প্ৰয়োগ কৰি তেওঁলোকে কাৰ হাতত আইন প্ৰণয়ন কৰাৰ ক্ষমতা আৰু ৰাজনৈতিক কৰ্তৃত্ব দিব লাগে সেইটো ভালদৰে জানে। ৰাজনৈতিক ক্ষমতা হাতত তুলি দিব পৰা মানুহবোৰ বাছি ল'বলৈ তেওঁলোকৰ বুদ্ধি বৃত্তিৰ অভাৱ নহয়। সেই গতিকে এৰিষ্টটল একপ্ৰকাৰ অস্পষ্ট ধৰণৰ গণতন্ত্ৰৰ সমৰ্থক আছিল। তেওঁ চূড়ান্ত ৰাজনৈতিক ক্ষমতা জনসাধাৰণৰ হাতত গতাই দিবলৈ প্ৰস্তুত আছিল যদিও প্ৰকৃত শাসনৰ যন্ত্ৰটো আৰু ইয়াৰ কৰ্তৃত্ব কেৱল নাগৰিকসকলৰ মাজতে সীমাবদ্ধ কৰি ৰাখিবলৈ বিচাৰিছিল । ইয়াতো আমি ভালদৰে মনত ৰাখিব লাগিব যে এৰিষ্টটলৰ গণতন্ত্ৰই সংখ্যাধিক্য নাগৰিকসকলৰ শাসনকহে বুজাইছিল সকলো জনসাধাৰণৰ সংখ্যাধিক্যৰ শাসনক বুজোৱা নাছিল। গতিকে তেওঁ জনসাধাৰণৰ সাৰ্বভৌমত্বৰ পক্ষপাতী নাছিল।

এৰিষ্টটলৰ মতে বাস্তৱত ৰূপায়িত কৰিব পৰা উৎকৃষ্ট চৰকাৰ হৈছে মধ্যবিত্তৰ শাসন আৰু এই শাসন প্ৰায়ে গণতন্ত্ৰলৈ অধঃপতিত হয়। গণতন্ত্ৰ হৈছে সংখ্যাধিক্য লোকৰ শাসন এই শাসনে সকলোৰে স্বাৰ্থৰ হকে কাম নকৰে কেৱল গৰীব লোকসকলৰ স্বাৰ্থৰ বাবেহে কাম কৰে। এৰিষ্টটলৰ মতে তিনিবোৰ উপাদানে ৰাষ্ট্ৰত সাৰ্বভৌমত্বৰ বাবে প্ৰতিদ্বন্দ্বিতা কৰে সেই উপাদানবোৰ হৈছে—গুণ জন্ম সম্পত্তি আৰু স্বাধীনতা। স্বাধীনতাৰ লগত সমতাও থাকে কিয়নো সমতা হৈছে স্বাধীনতাৰ এটা অত্যাৱশ্যকীয় উপাদান। যেতিয়া স্বাধীনতা নামৰ উপাদানটোৱে আন সকলোবোৰ উপাদানৰ ওপৰত আধিপত্য প্ৰতিষ্ঠা কৰে তেতিয়া গণতান্ত্ৰিক শাসন স্থাপন হয়। গণতান্ত্ৰিক শাসনত ক্ষমতা নাগৰিকসকলৰ সাধাৰণ

পৰিবাৰ-স্বাৰ্থত পৰে আৰু ইয়াত ৰাজনৈতিক পদবীবোৰ ভাগ্য পৰীক্ষাৰ সহায়ত বিতৰণ কৰা হয়। কিয়নো তেতিয়াহে নাগৰিকসকলৰ মাজত সমতা ৰক্ষিত হয়।

ৰাজনীতি নামৰ গ্ৰন্থত এৰিষ্টটলে যিখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ছবি আমাৰ আগত দাঙি ধৰিছে আধুনিক গণতান্ত্ৰিক ধাৰণাৰ লগত সেই ছবিখনৰ গভীৰ পাৰ্থক্য আছে। আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰ হৈছে একো একোখন বিশাল জাতিৰাষ্ট্ৰ আৰু এই ৰাষ্ট্ৰবোৰত প্ৰতিনিধিত্বমূলক চৰকাৰ আছে। এৰিষ্টটলৰ গণতান্ত্ৰিক ৰাষ্ট্ৰৰ জনসংখ্যা কম আছিল আৰু ৰাজ্যক্ষেত্ৰ ঠেক আৰু ক্ষুদ্ৰ আছিল। তেওঁৰ মতে এখন সৰু ৰাষ্ট্ৰতহে সকলোবোৰ নাগৰিকে পূৰ্ণ উদ্যমেৰে আৰু পাৰদৰ্শিতাৰে তেওঁলোকৰ সকলো ক্ষমতা প্ৰয়োগ কৰিব পাৰিছিল আৰু তেওঁলোকৰ সকলো কাৰ্য্য কৃতকাৰ্য্যতাৰে সম্পাদন কৰিব পাৰিছিল। এখন ৰাষ্ট্ৰত এজন নাগৰিকে তেওঁৰ লগৰীয়া নাগৰিকসকলক ঘনিষ্ঠভাৱে জানিব লাগে। প্ৰত্যেকজন নাগৰিকে তেওঁ বাস কৰা ৰাষ্ট্ৰখনৰ আৱশ্যকতা আৰু সামৰ্থ্যৰ কথা ভালদৰে জানিব লাগে। সকলোবোৰ নাগৰিকে আইন প্ৰণয়ন কাৰ্য্য আৰু বিচাৰকাৰ্য্যত অংশগ্ৰহণ কৰিবলৈ সমৰ্থ হোৱা উচিত। আগতেই উল্লেখ কৰি অহা হৈছে যে এৰিষ্টটলে বিদেশী লোক দাস আৰু ৰাষ্ট্ৰত অস্থায়ীভাৱে বাস কৰা লোকসকলক গণতান্ত্ৰিক চৰকাৰত অংশগ্ৰহণ কৰাৰ পৰা বিৰত ৰাখিছিল। এৰিষ্টটলে বৰ্তমান যুগৰ আধুনিক গণতন্ত্ৰক স্বল্পতন্ত্ৰ বুলি অভিহিত কৰিলেহেঁতেন কাৰণ বৰ্তমান যুগৰ আধুনিক গণতান্ত্ৰিক শাসনত সম্পত্তিশালী লোকসকলেহে আধিপত্য বিস্তাৰ কৰি আছে আৰু ই তেওঁলোকৰ স্বাৰ্থহে প্ৰধানকৈ ৰক্ষা কৰি আছে।

ত্ৰয়োদশ অধ্যায়

প্লেটোৰ দৰ্শনত গ্ৰিছদেশীয় চিন্তাধাৰা

প্লেটোৰ ৰাজনৈতিক দৰ্শনত গ্ৰিছদেশীয় চিন্তা আৰু অনুষ্ঠানৰ পৰোক্ষ বাৰুকৈয়ে পৰিলক্ষিত হয়। তেওঁৰ ৰাজনৈতিক তত্ত্ব আৰু গ্ৰিছদেশীয় ধাৰণাৰ মাজত ঘনিষ্ঠ সম্বন্ধ আছিল আৰু এই তত্ত্ববোৰ গ্ৰিছদেশীয় অনুষ্ঠানবোৰৰ কাৰ্য কলাপৰপৰা মন্থন কৰি উলিওৱা হৈছিল। প্লেটোৰ ৰাজনৈতিক দৰ্শনত সাৰ্বজনীনতাই উল্লেখযোগ্য স্থান অধিকাৰ কৰিছিল। সেই গতিকে তেওঁৰ লিখনিয়ে কেৱল তেওঁৰ সময়ৰ পৃথিৱীখনৰ লোকসকলৰ স্বাৰ্থত সহায় কৰা নাছিল তেওঁৰ লিখনিবোৰৰ মূল্য আৰু প্ৰভাৱ গোটেই পৃথিৱীতে ভৱিষ্যত বংশধৰসকলৰ ওপৰত বিয়পি পৰিছিল। ৰাজনৈতিক সাহিত্যত প্ৰথমপ্ৰথমে প্লেটোৱে ৰাষ্ট্ৰ আৰু সমাজৰ মাজত থকা পাৰ্থক্য দেখুৱাইছে। প্লেটোৱে তেওঁৰ প্ৰথম নগৰখন আৰু গণৰাজ্যত চিত্ৰিত কৰা নগৰখনৰ মাজত যিটো পাৰ্থক্য দেখুৱাইছে তাৰে পৰাই আমি ৰাষ্ট্ৰ আৰু সমাজৰ মাজত থকা পাৰ্থক্য উলিয়াই ল'ব পাৰোঁ।

প্লেটোৰ গণৰাজ্যৰ ভেটি বস্তুনিৰপেক্ষ নীতিশাস্ত্ৰ আৰু তৰ্কশাস্ত্ৰৰ ওপৰত প্ৰতিষ্ঠিত কৰা হৈছিল সঁচা কিন্তু গণৰাজ্যত প্লেটোৱে ৰাষ্ট্ৰৰ যিখন ওপৰৰ গাঁথনি দাঙি ধৰিছে সেই গাঁথনিটো সাধাৰণভাৱে আৰু প্ৰায় ক্ষেত্ৰত বিশেষ ভাৱেও লাইকাৰ্গিয়ান (Lycurgean) অনুষ্ঠানবোৰৰ আৰ্হিত অংকিত কৰা হৈছিল। তেওঁৰ গণৰাজ্যত উল্লেখ কৰাৰ দৰে স্পাৰ্টা ৰাষ্ট্ৰত শাসক শ্ৰেণীটোৰ মানুহবোৰ কেৱল শাসনকাৰ্যতে আবদ্ধ আছিল আৰু তেওঁলোকে কঠিন ভাৱে এটা ব্যৱস্থা মানি চলিছিল যিটো ব্যৱস্থাই নাগৰিকসকলৰ মাজত সমৰূপতা ৰক্ষা কৰিছিল। স্পাৰ্টাবাসীসকলে তেওঁলোকৰ ব্যক্তিগত আৰু পৰিয়ালৰ স্বাৰ্থ ৰাষ্ট্ৰৰ স্বাৰ্থত হেলাৰঙে ত্যাগ কৰিছিল। প্লেটোৰ গণৰাজ্যত বৰ্ণনা কৰাৰ দৰে স্পাৰ্টাত নিৰ্দিষ্ট শ্ৰেণীবোৰ আৰু অৱস্থাবোৰৰ কাৰণে সোণ ৰূপ আৰু লিখিত আইন কোনো ভাল বস্তু নাছিল। ৰাষ্ট্ৰৰ স্বাস্থ্যৰ খাতিৰত দুৰ্বল আৰু বিকৃত কেঁচুৱাবোৰ মৃত্যুৰ কাৰণে অনাশ্ৰিত স্থানত এৰি দিয়া হৈছিল। স্পাৰ্টাৰ ৰাজনৈতিক পাৰদৰ্শিতা আৰু সামৰিক কৃতকাৰ্যতাই গ্ৰিক চিন্তাবিদসকলৰ মনত ৰেখাপাত কৰিছিল আৰু তাৰ প্ৰভাৱ প্লেটোৰ ওপৰতো নপৰাকৈ থকা নাছিল। আন আন গ্ৰিক চিন্তাবিদসকলৰ দৰে স্বাভাৱিকতে প্লেটোৱেও স্পাৰ্টাৰ সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানবোৰ আৰু ইয়াৰ সংবিধানত কিছুমান বিশেষ গুণে

দেখিবলৈ পাইছিল। কিন্তু স্পাৰ্টাবাসীসকল বৌদ্ধিক দিশৰপৰা পিছপৰা আছিল আৰু সেই গতিকে প্লেটো স্পাৰ্টাবাসীসকলৰ এই দুৰ্বলতাটোৰ প্ৰতি সততে সজাগ আছিল। গণৰাজ্য ৰচনা কৰোঁতে প্লেটোৱে শাৰীৰিক যোগ্যতা আৰু বৌদ্ধিক প্ৰখৰতাৰ মাজত ভাৰসাম্য ৰক্ষা কৰিবলৈ চেষ্টাৰ ত্ৰুটি কৰা নাছিল। প্লেটোৰ গণৰাজ্যত থকা বিষয়বস্তুবোৰৰ বেছিভাগেই স্পাৰ্টীয় আৰু কমভাগহে এথেন্সীয়। কিন্তু শেষৰ আইন নামৰ গ্ৰন্থখন ৰচনা কৰাৰ সময়ত এথেন্সে আংশিকভাবে হ'লেও ইয়াৰ হেৰোৱা গৌৰৱ আৰু স্থান পুনৰ লাভ কৰিছিল আৰু সেই গতিকে আইনত প্লেটোৱে এথেন্সৰ অনুষ্ঠানবোৰৰ ওপৰত বেছি গুৰুত্ব দিছিল। আইনত প্লেটোৱে যিখন সংবিধানৰ কথা বৰ্ণনা কৰিছে সেই সংবিধানখনে ৰাষ্ট্ৰৰ জনসাধাৰণক সম্পত্তিৰ ভিত্তিত চাৰিটা শ্ৰেণীত বিভক্ত কৰিছিল আৰু ইয়াত যথন মহৎ প্ৰশাসনিক পৰিষদৰ উল্লেখ কৰা হৈছে আৰু সেই সভাৰ গঠন আৰু কাৰ্য এথেন্সৰ সংবিধানৰ লগত প্ৰায় একে আছিল। আইনৰ অভিভাৱকসকল আৰু ৰজনীকালীন পৰিষদ (nocturnal council) থকাৰ গঠন আৰু চৰিত্ৰ এৰিঅ'পেগাছৰ ছিনেট সভাৰ দৰেই আছিল। পৰৱৰ্তী গ্ৰীকৰ লগৰ বোৰ আগত ৰাখিয়েই প্লেটোৱে চিন্তা কৰিছিল আৰু লিখিছিল। গতিকে এইটো কব পাৰি যায় যে সাধাৰণতে প্লেটোৰ ৰাজনৈতিক দৰ্শনে গ্ৰীকদেশীয় অনুষ্ঠানবোৰৰ ব্যাখ্যাক প্ৰতিনিধিত্ব কৰিছিল আৰু ইয়াত এথেন্সৰ ব্যক্তিবাদ আৰু সংৰক্ষণশীলতাৰ লগত স্পাৰ্টাৰ বিশিষ্টকৰণ আৰু স্বৈৰাচাৰতন্ত্ৰৰ সমন্বয় ঘটিছিল। প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ আৰু পাইথাগোৰিয়ান লিগৰ মাজতো কিছুমান মিল দেখিবলৈ পোৱা যায়। পাইথাগোৰিয়ান লিগ আছিল গুণৰ একপ্ৰকাৰ অভিজাততন্ত্ৰ।

প্ৰধানকৈ স্পাৰ্টাৰ ফালে লক্ষ্য কৰিয়েই প্লেটোৰ গণৰাজ্যত আদৰ্শ ৰাষ্ট্ৰৰ ছবিখন আঁকি উলিয়াইছিল। তেওঁ গণৰাজ্যত দিয়াৰ পৰামৰ্শ আগবঢ়াইছে সেইবোৰৰ বেছিভাগেই স্পাৰ্টীয় মূলৰপৰা অহা। এই পৰামৰ্শবোৰ হৈছে— যেনে মানুহবোৰৰ বাবে সমূহীয়া আহাৰ সম্পৰ্ক আৰু পৰিবাৰৰ সাম্যবাদ যুৱকসকলৰ বাবে সামৰিক প্ৰশিক্ষণ তিৰোতাৰ বাবে শাৰীৰিক ব্যায়াম শাসক শ্ৰেণীৰ মানুহৰ বাবে বেপাৰ বাণিজ্য কৰা নিষেধ ৰাষ্ট্ৰৰ ওচৰত ব্যক্তিৰ সম্পূৰ্ণ অধীনতা যেনে তিৰোতাৰ সমতা কবিসকলৰ প্ৰতি ঘৃণা আৰু বিদ্বেষৰ ভাব। প্লেটোৰ আইনত বিজ্ঞ লোকসকলেৰে গঠিত যিখন পৰিষদৰ কথা কৈছিল সেইখনৰো স্পাৰ্টীয় গেৰুছিয়াৰ লগত কিছুমান বিষয়ত মিল আছিল। গণৰাজ্যত প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখনৰ অধঃপতনৰ কথা বৰ্ণনা কৰিছিল আৰু তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন প্ৰথমে অধঃপতিত হৈ প্ৰায় সম্পূৰ্ণভাৱে স্পাৰ্টীয় অনুষ্ঠানবোৰলৈ পৰিৱৰ্তিত হৈছিল। প্লেটোৰ ৰাষ্ট্ৰ যুদ্ধৰ বাবে যিমানখিনি সাজু আছিল শান্তিৰ বাবে সিমান নাছিল। প্লেটোৱে গ্ৰীক দেশৰ অৱস্থা আৰু পৰম্পৰাৰ লগত সামঞ্জস্য ৰাখিয়েই

তেওঁৰ ৰাষ্ট্ৰৰ গঠন আৰু কাৰ্য্যও নিৰূপণ কৰিছিল। প্লেটোৰ শিক্ষাব্যৱস্থাত অভিভাৱকসকলৰ বাবে সাহিত্য আৰু দৰ্শনৰ যিবোৰ উপাদান সমূহ উৰা হৈছিল সেই উপাদানবোৰতো গ্ৰিছ দেশীয় স্পৰ্শ আছিল। প্লেটোৱে ব্যৱসায় বাণিজ্যক নিন্দা কৰিছিল গ্ৰিকসকলক দাসত্বৰ শিকলিৰে আবদ্ধ কৰিবলৈ নিষেধ কৰিছিল আৰু দাসত্বক স্পষ্টভাৱে নিন্দা কৰা নাছিল। এই কথাবোৰেও তেওঁৰ চিন্তাত গ্ৰিছদেশীয় প্ৰভাৱ স্পষ্টভাৱে আমাক দেখুৱাইছে।

প্লেটোৱে অভিভাৱকসকলৰ বাবে যিখন শিক্ষা আঁচনি প্ৰস্তুত কৰিছিল আৰু তেওঁলোকৰ বাবে পৰিবাৰ আৰু সম্পত্তিৰ যি সাম্যবাদ প্ৰতিষ্ঠা কৰিব খুজিছিল তাতো গ্ৰিছদেশীয় কৃষ্টি সংস্কৃতি প্ৰস্ফুটিত হৈ উঠিছিল। সাধাৰণ গ্ৰিক পৰম্পৰাৰ প্ৰতি সমৰ্থন জনায়েই তেও ৰাষ্ট্ৰৰ শিক্ষা বিষয়ক কাৰ্য্যৰ ওপৰত গুৰুত্ব আৰু অগ্ৰাধিকাৰ দিছিল। আৰু সেই কাৰণেই তেও বিশ্বাস কৰিছিল যে শিক্ষাৰ প্ৰধান উদ্দেশ্য হৈছে নাগৰিকসকলক ৰাষ্ট্ৰৰ সংবিধানৰ আদৰ্শৰে অনুপ্ৰাণিত কৰি গঢ়ি তোলা। কিয়নো তেতিয়াহে নাগৰিকসকলে ৰাষ্ট্ৰত তেওঁলোকৰ কৰ্তব্য সুচাৰুৰূপে পালন কৰিবলৈ সমৰ্থ হ'ব। সেই গতিকে তেও শিক্ষাব্যৱস্থাত স্পাৰ্টাৰ প্ৰশাসনিক সংগঠন আৰু এথেন্সৰ পাঠ্যক্ৰমৰ সংযোগ সাধন কৰিছিল। পৰিবাৰ আৰু সম্পত্তিৰ সাম্যবাদৰ আঁচান প্ৰস্তুত কৰোঁতেও তেও গ্ৰিছদেশীয় প্ৰচলিত কাৰ্য্য আৰু তত্ত্বৰপৰা যথেষ্ট উৎসাহ আৰু উদগনি পাইছিল। গ্ৰিক চিকাৰীসকলে অন্য মানুহৰ ভঁৰালৰপৰা আৱশ্যকীয় বস্তু আনি ইজনে সিজনক সহায় কৰাটো একপ্ৰকাৰ সাধাৰণ নিয়ম আছিল। স্পাৰ্টাত কিছুমান সম্পত্তি ব্যক্তিগত মালিকীস্বত্বত আছিল। সম্পত্তিৰ সমূহীয়া ব্যৱহাৰ আৰু ব্যক্তিগত ব্যৱহাৰ একে লগে কৰা হৈছিল। ক্ৰেটেত সম্পত্তিৰ সাম্যবাদ আৰু এথেন্স আগবঢ়া আছিল। তাত চৰকাৰী দাসবোৰে খেতি কৰিছিল আৰু তাৰপৰা উৎপন্ন হোৱা শস্যবোৰ সমূহীয়া আহাৰৰ কাৰণে ব্যৱহাৰ কৰা হৈছিল আৰু শস্য বেচি পোৱা ধন চৰকাৰৰ সাধাৰণ কামত খৰচ কৰা হৈছিল। ৫শ খ্ৰীষ্টপূৰ্বৰ শেষাৰ্ধত এথেন্সতো সাম্যবাদী তত্ত্ববোৰে মূৰ দাঙি উঠিবলৈ আৰম্ভ কৰিছিল। পৰিবাৰৰ সাম্যবাদৰ বিষয়ে হিৰডটাছে কৈ গৈ যে এগাথিৰছিয়ানসকলে তেওঁলোকৰ তিৰোতাসকলক সমূহীয়া ব্যৱহাৰৰ কাৰণে উলিয়াই দিছিল। স্পাৰ্টাত তিৰোতাসকলে মতা মানুহৰ শিক্ষা আৰু প্ৰশিক্ষণত অংশ গ্ৰহণ কৰিছিল আৰু তিৰোতাসকলক তেওঁলোকৰ স্বামীসকলে ৰাষ্ট্ৰৰ কাৰণে সন্তান জন্ম দিবলৈ ধাৰলৈ দিছিল। পেটেক্লিজাছত ইউৰিপাইডে পৰিবাৰৰ সাম্যবাদ সমৰ্থন কৰিছিল।

প্লেটো কেৱল এজন বাস্তৱ বুদ্ধিসম্পন্ন চিত্ৰকৰেই নাছিল বৰং কেৱল তেওঁৰ দিনৰ গ্ৰিছদেশীয় অৱস্থা আৰু অনুষ্ঠানবোৰৰ হুবহু অনুকৰণ কৰিবলৈ তেওঁৰ তুলিকা ব্যৱহাৰ কৰিছিল। আধুনিক সভ্যতাত যিবোৰ উৎকৃষ্ট অনুষ্ঠান

ঠন ধৰি উঠিছে সেইবোৰৰো বেছিভাগৰে প্লেটোৱেই জন্মদাতা। এই অনুষ্ঠানবোৰেই প্লেটোৰ লিখনিত থকা সাৰ্বজনীনতাৰ প্ৰমাণ দাঙি ধৰে আৰু মানবীয়তাৰ ফালৰপৰা ইয়াত চিৰস্থায়ী গুৰুত্ব আছে। তেওঁ ন্যায় বুদ্ধিবৃত্তিসম্পন্ন লোকৰ শাসন বৃত্তিগত বিশিষ্টকৰণ তিৰোতাৰ মুক্তি আৰু স্বাধীনতা তিৰোতা আৰু মতা মানুহৰ মাজৰ সমতা আৰু ঈশ্বৰ বিধিৰ নিয়মবোৰৰ ওপৰত যি গুৰুত্ব আৰোপ কৰিছে সেইবোৰৰ স্থায়ী মূল্য আৰু গুৰুত্ব সকলোৰে বাবে অনস্বীকাৰ্য। তেওঁৰ ৰাজনৈতিক দৰ্শনৰ এই দিশবোৰেই হৈছে চিৰস্থায়ী আৰু সাৰ্বজনীন মাদকতাৰ বিষয়। প্লেটোৰ গণৰাজ্যত এনেকুৱা বহুতো কথা আছে যিবোৰত শিক্ষাৰ অচেতনতা আৰু অৰ্ধচেতনৰ গুৰুত্বৰ বিষয়ে নানা কথাৰ অৱতাৰণা কৰা হৈছে। আৰু এনেকুৱা কিছুমান কথাও আছে যিবোৰে মানুহৰ নিম্ন স্তৰৰ প্ৰকৃতি উদঙাই দেখুৱাবলৈ সপোনৰ গুৰুত্ব ব্যাখ্যা কৰিছে। সেইবোৰৰ কথা এতিয়াৰ অতি আধুনিক মনোবিজ্ঞানতো বিভিন্ন ৰূপত পোৱা যায়। পাছৰ যুগত ৰাজনীতি বিজ্ঞান হিচাপে অধ্যয়ন কৰা বহুতো কথা প্লেটোৰ আদৰ্শৰপৰাই আহিছে। তেওঁ লিখি থৈ যোৱা ৰাষ্ট্ৰৰ আদৰ্শ দাৰ্শনিকসকলৰ জীৱন জীৱনজোৱা শিক্ষাব্যৱস্থা মতা তিৰোতা উভয়ৰে শিক্ষা ঐক্যৰ আদৰ্শ আৰু ইয়াৰ জ্ঞানৰ সম্বন্ধ আদি কথাৰ বাবে আজিৰ পৃথিৱীখন তেওঁৰ ওচৰত ঋণী। এজন দাৰ্শনিকৰ বিষয়ে প্লেটোৰ যিটো নিজস্ব ধাৰণা আছিল তেওঁ নিজেও সেই ধৰণৰ এজন দাৰ্শনিক আছিল আৰু তেওঁ সকলো প্ৰাণী আৰু সকলো সময়ৰ বিষয়ে গভীৰভাৱে চিন্তা কৰিছিল।

মধ্যযুগত যি শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰা হৈছিল সেই শিক্ষাব্যৱস্থাৰো প্লেটোৰ শিক্ষাব্যৱস্থাৰ লগত যথেষ্ট মিল আছিল। মধ্যযুগৰ বহুতো অৱধাৰণাৰ লগত প্লেটোৰ চিন্তাৰ সাদৃশ্য দেখিবলৈ পোৱা যায়। নৱজাগৰণ সংস্কাৰ সাধন আন্দোলন মানৱ অধিকাৰ আন্দোলন আদিয়েও প্লেটোৰ দৰ্শনৰপৰা উৎসাহ পাইছিল আৰু এইদৰেও তেওঁৰ দৰ্শনৰ সাৰ্বজনীনতাক বজায়। প্লেটোৰ তেওঁৰ আইনত বিধান নকটাৰনেল পৰিষদৰ কথা কৈছে ই আধুনিক যুগৰ অনুসন্ধান কাৰ্য আৰু বিবেচনা কাৰ্যৰ প্ৰতি আমাৰ দৃষ্টি আকৰ্ষণ কৰে। প্লেটোৰ সাম্যবাদৰ লগত আধুনিক সাম্যবাদৰ পাৰ্থক্য আছে সঁচা কিন্তু দুয়োবিধ সাম্যবাদৰে লক্ষ্য হৈছে ৰাষ্ট্ৰৰপৰা ব্যক্তিবাদী প্ৰতিদ্বন্দ্বিতা আৰু স্বাৰ্থপৰতাৰ অৱসান ঘটাই ৰাষ্ট্ৰত ঐক্য আৰু সংহতি দৃঢ়ভাৱে গঢ়ি তোলা। প্লেটোৰ আইনব্যৱস্থা ফৌজদাৰী আৰু দেৱানী মোকৰ্দমাৰ মাজত তেওঁ দেখুওৱা পাৰ্থক্য আৰু আইন শাস্তিমূলক নহৈ সংস্কাৰমূলক হোৱাহে উচিত আদি তেওঁ কোৱা কথাবোৰ আধুনিক যুগৰ বিধায়ী আৰু ৰাজনীতিজ্ঞসকলৰ বাবে শিক্ষাৰ বস্তু আৰু বিশ্লেষণমূলক মুখবন্ধ। ৰাষ্ট্ৰত থকা সকলোবোৰ স্থাৱৰ সম্পত্তিৰে তেওঁ চৰকাৰী জৰীপ কৰিবলৈ আৰু হিচাপ ৰাখিবলৈ পৰামৰ্শ আগবঢ়াইছিল আৰু বস্তুৰ জোখ মাপৰ বাবেও তেওঁ এটা চৰকাৰী

মানদণ্ড ঠিক কৰিবলৈ কৈছিল। এইবোৰ এতিয়া পৃথিবীৰ সকলো ৰাষ্ট্ৰৰে দৈনন্দিন কাৰ্য্যত পৰিণত হৈছে। সাংবিধানিক আৰু বিভক্ত সাৰ্বভৌমত্বৰ নীতিৰ ওপৰত তেওঁ যি সূত্ৰ দি গৈছে আৰু প্ৰাকৃতিক ধৰ্মতত্ত্বৰ ওপৰত তেওঁ যিবোৰ কথা কৈ গৈছে সেইবোৰ আমাৰ বাবে বৰ প্ৰয়োজনীয়। মানুহৰ মাজত যি সম্বন্ধ গঢ়ি উঠে তাক যুক্তিসংগত অধ্যয়নৰ উদ্দেশ্য হিচাপে ব্যৱহাৰ কৰিব পাৰি আৰু ইয়াক সুবুদ্ধিসম্পন্ন পৰিচালনাৰদ্বাৰা বিশৃঙ্খলতাৰ কবলৰ পৰা ... প্লেটোৱে এইবোৰ স্বীকৃত সত্যৰ ওপৰত তেওঁৰ তত্ত্ববোৰ প্ৰতিষ্ঠিত কৰিছিল। বৰ্তমান যুগৰ সমাজ বিজ্ঞানীবোৰৰ এইবোৰেই গুৰুৰ কথা। প্লেটোৰ দৰ্শনৰ গভীৰতা জীৱনৰ মৌলিকতাৰ ওপৰত তেওঁৰ দখল আৰু তেওঁৰ ৰাজনৈতিক মৌলিকতা সকলো সময় আৰু ঠাইৰ বাবে পথপ্ৰদৰ্শকস্বৰূপ।

মানুহৰ চিন্তাৰ ওপৰত প্লেটোৱে যি নেতৃত্ব কৰিছিল তাৰ প্ৰমাণ পাছৰ যুগৰ ফেচিষ্টবাদত পোৱা যায়। আধুনিক যুগৰ অন্যতম ৰাজনৈতিক মতবাদ ফেচিজমে প্লেটোৰ আদৰ্শৰপৰা যথেষ্ট সমল গোটাইছিল। প্লেটো গণতন্ত্ৰবিৰোধী আছিল আৰু ফেচিষ্টবাদে ১৯শ শতিকাৰ উদাৰ নীতি স্বাধীনতাৰ ঘোৰ নিন্দা কৰিছিল। প্লেটোৰ দাৰ্শনিক ৰজাৰ একনায়কত্ব সমৰ্থন কৰিছিল ফেচিষ্ট দলৰ নেতাজনৰ একনায়কত্ব আছিল ফেচিষ্টবাদ। প্লেটোৱে বুদ্ধি বৃত্তিসম্পন্ন লোকসকলৰ শাসন পছন্দ কৰিছিল আৰু অভিভাৱকসকলৰদ্বাৰা পৰিচালিত সংখ্যালঘিষ্ঠৰ শাসনকে উৎকৃষ্ট কাৰ্যকৰী বিধৰ চৰকাৰ বুলি মন্তব্য কৰিছিল। ফেচিষ্টবাদত ফেচিষ্ট দলত থকা বুদ্ধিবৃত্তিসম্পন্ন লোকসকলে শাসন চলাইছিল আৰু ইও ফেচিষ্ট দলৰদ্বাৰা পৰিচালিত সংখ্যালঘিষ্ঠ লোকৰ শাসন আছিল। বস্তুত প্লেটোবাদে মানৱ সমতা স্বীকাৰ কৰি লোৱা নাছিল বৰং ইয়াক বৰ্জন কৰিবলৈ পৰামৰ্শহে দিছিল আৰু ই নাগৰিক আৰু দাসসকলৰ মাজত পাৰ্থক্য দেখুৱাই সন্তুষ্ট হোৱা নাছিল নাগৰিকসকলৰ ভিতৰতো পাৰ্থক্য বিচাৰি উলিয়াইছিল। কিয়নো নাগৰিকসকলৰ ভিতৰত কিছুমান চিন্তাবিদ আছিল আৰু আনবোৰ চিন্তাবিদ নাছিল। ফেচিষ্টবাদেও মানৱ সমতাৰ নীতি স্বীকাৰ কৰি লোৱা নাছিল। প্লেটোবাদ আৰু ফেচিষ্টবাদ উভয়ে ব্যক্তিৰ অনিয়ন্ত্ৰিত স্বাধীনতাৰ বিৰোধিতা কৰিছিল। দুয়োটা আদৰ্শই ৰাষ্ট্ৰৰদ্বাৰা ব্যক্তিক কামত ব্যৱহাৰ কৰাৰ পোষকতা কৰিছিল। সক্ৰিয় নাগৰিকতাৰ ওপৰত প্লেটোবাদ আৰু ফেচিষ্টবাদ উভয়ে গুৰুত্ব দিছিল আৰু নাগৰিকসকলৰ ওপৰত ৰাষ্ট্ৰৰ প্ৰতি আনুগত্যৰ ওপৰত দুয়োটাই বিশেষ জোৰ দিছিল। ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণত সকলো ধৰণৰ জাতীয় জীৱন সংগঠিত কৰাৰ ওপৰত প্লেটোবাদ আৰু ফেচিষ্টবাদ উভয়ে গুৰুত্ব দিছিল। আইন আৰু শৃংখলা ৰক্ষাৰ কাৰণে দুয়োটা আদৰ্শই যথেষ্ট মন দিছিল। প্লেটোৰ কাৰণে নগৰৰাষ্ট্ৰই আছিল সৰ্বোচ্চ বাস্তৱ ৰাষ্ট্ৰ আৰু ফেচিষ্টবাদীসকলৰ বাবে জাতি ৰাষ্ট্ৰই আছিল সৰ্বোচ্চ বাস্তৱ ৰাষ্ট্ৰ। প্লেটোবাদে দাসসকলক সংগঠিত অভিমত প্ৰকাশ কৰিবলৈ কোনো সুবিধা দিয়া

নাছিল আৰু ইয়াৰ অধীনত ৰাষ্ট্ৰত দাসসকলৰ কোনো নিৰ্দিষ্ট সন্মানৰ স্থান নাছিল। ফেছিবাদৰ অধীনতো অনা-ফেছিবাদীসকলে সংগঠিত অভিমত প্ৰকাশ কৰিব নোৱাৰিছিল আৰু ৰাষ্ট্ৰত তেওঁলোকৰ বাবে কোনো সন্মানৰ ঠাই নাছিল। তথাপি প্লেটোবাদ আৰু ফেছিবাদৰ মাজত কিছুমান লক্ষ্য কৰিবলগীয়া পাৰ্থক্যও আছে। প্লেটোৱে সকলোবোৰ কথা নগৰ ৰাষ্ট্ৰৰ লগত সম্পৰ্ক ৰাখিহে ভাবিছিল আৰু লিখিছিল আৰু তেওঁ সাম্ৰাজ্যবাদৰ ঘোৰ বিৰোধী আছিল কিন্তু ফেছিবাদৰ চৰিত্ৰ নিঃসন্দেহ সাম্ৰাজ্যবাদী আছিল। প্লেটোবাদে ৰাজনৈতিক আদৰ্শৰ প্ৰতিনিধিত্ব কৰিছিল কিন্তু ফেছিবাদে ৰাজনৈতিক বাস্তৱবাদ সমৰ্থন কৰিছিল। প্লেটোৱে দৰ্শনৰ ভিত্তিত এটা ৰাজনৈতিক গাঁথনিৰ সৃষ্টি কৰিছিল কিন্তু ফেছিবাদী দৰ্শনে মূলতঃ ফেছিবাদী ৰাষ্ট্ৰখনকহে অনুসৰণ কৰিছিল। প্লেটোৱে ৰাজনীতিক নীতিশাস্ত্ৰৰ অধীনত ৰাখিছিল কিন্তু ফেছিবাদে নীতিশাস্ত্ৰক ৰাজনীতিৰ অধীনলৈ লৈ আহিছিল। প্লেটোবাদে সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদ প্ৰৱৰ্তন কৰিবলৈ বিচাৰিছিল আৰু ফেছিজিম আছিল হেগেলীয় অৰ্থাৎ সাম্যবাদৰ দ্বন্দ্ব-মূলক [illegible] বস্তু।

চতুৰ্দশ অধ্যায়

প্লেটোৰ 'ৰাজনীতিবিদ'

প্লেটোৱে তেওঁৰ ৰাজনীতিবিদ (Politicus) নামৰ গ্ৰন্থখন তেওঁৰ মাজ বয়সত ৰচনা কৰিছিল। ইয়াত তেও গণৰাজ্য'ত প্ৰকাশ কৰা আদৰ্শবাদৰ পৰা ভালেখিনি আঁতৰি আহিছে আৰু আইনত প্ৰকাশ কৰা বাস্তৱবাদৰপৰাও ভালেখিনি দূৰতে আছে। সেই গতিকে এই গ্ৰন্থখনক গণৰাজ্য'ৰপৰা আইন'লৈ যাত্ৰা কৰা পথিক বুলি অভিহিত কৰিব পাৰি। এই গ্ৰন্থখনতে প্লেটোৰ চিন্তাৰ পৰিবৰ্তন লাহে লাহে হোৱা দেখিবলৈ পোৱা যায়। তথাপি ইয়াতো প্লেটো গণৰাজ্য'ত কৰি অহা সিদ্ধান্তবোৰৰপৰা বৰ বেছি আঁতৰি আহিব পৰা নাই। গণৰাজ্য আৰু ৰাজনীতিবিদ দুয়োখন গ্ৰন্থতে তেও ৰাষ্ট্ৰত থকা মানুহবোৰক তেওঁলোকে কৰা কামৰ ভিত্তিত বিভক্ত কৰিছে। দুয়োখন গ্ৰন্থ'ত তেও দাসসকলক সৰ্বনিম্ন শ্ৰেণীৰ মানুহ বুলি গণ্য কৰিছে। এওঁলোকৰ উপৰিও যিসকল মানুহ শিল্পকাৰ্য আৰু অন্যান্য ব্যৱহাৰিক কাৰ্য্যত লিপ্ত থাকিবলগীয়া হৈছিল তেওঁলোককো প্লেটোৱে সৰ্বনিম্ন শ্ৰেণীত অন্তৰ্ভুক্ত কৰিছিল। এওঁলোকৰ ভিতৰত পুৰোহিতসকল আৰু দৈৱজ্ঞসকলো আছিল। ইয়াৰ ওপৰৰ শ্ৰেণীৰ মানুহবোৰ বিচাৰকাৰ্য কৌশল শিক্ষা কৰা কাৰ্য সাহিত্য চৰ্চা আদি কাৰ্য্যত নিয়োজিত হৈছিল। প্ৰশাসকসকল এওঁলোকৰ ওপৰৰ শ্ৰেণীৰ মানুহ আছিল। প্ৰশাসকসকলৰ সকলো বস্তু আৰু কামৰ বিষয়ে সঠিক জ্ঞান আছিল আৰু সকলোৰে ওপৰত আছিল ৰাজনীতিবিদসকল। ৰাজনীতিবিদ গ্ৰন্থখনে ৰাজনীতিবিদ আৰু প্ৰকৃত প্ৰশাসকসকলৰ মাজত পাৰ্থক্য দেখুৱাইছিল। ৰাজনীতিবিদে শাসকসকলক প্ৰশিক্ষণ দিছিল।

প্লেটোৰ গণৰাজ্যতকৈ তেওঁৰ ৰাজনীতিবিদ কম আদৰ্শপ্ৰৱণ। ৰাজনীতিবিদে আদৰ্শ ৰাষ্ট্ৰৰ শাসন কাৰ্য্যত উদ্ভৱ হ'ব পৰা বহুতো কাৰ্যকৰী অসুবিধাৰ কথা আঙুলিয়াই দেখুৱাইছে। ইয়াত তেও কৈছে যে যিকোনো ৰাষ্ট্ৰতে কম গুণসম্পন্ন মানুহৰ সংখ্যা বেছি আৰু এইবোৰ মানুহক প্ৰকৃত নাগৰিক বুলি গণ্য কৰিব নোৱাৰি কিন্তু তেওঁলোকক ৰাজনৈতিক অধিকাৰৰ পৰা সম্পূৰ্ণ আঁতৰত ৰখাটোও ৰাষ্ট্ৰৰ বাবে মংগলজনক নহয়। ইয়াৰপৰাই দেখা যায় যে গণৰাজ্য'ত প্লেটোৱে যি ৰাজনৈতিক শিক্ষাৰ কথা কৈছে 'ৰাজনীতিবিদ'তো তাকেই দোহাৰিছে। কিন্তু ৰাজনীতিবিদ'ত তেও প্ৰকৃত নাগৰিকসকলৰ উপৰিও আন কিছুমান ৰাজনৈতিকভাৱে সচেতন মানুহৰ

ওপৰতো কিছুমান ৰাষ্ট্ৰীয় কাৰ্য্য অৰ্পণ কৰাৰ পৰামৰ্শ আগবঢ়াইছে। এই খিনিতেই তেও ৰাজনৈতিক আদৰ্শৰপৰা ওলাই আহি বাস্তৱ ৰাজনীতিৰ মাজত সোমাই পৰিছে। ৰাজনীতিবিদত প্লেটোৱে দাৰ্শনিক ৰজা'বাবতকৈ কম গুণ সম্পন্ন আৰু সমৰ্থ শাসকসকলৰ ওপৰত ৰাজনৈতিক ক্ষমতা অৰ্পণ কৰাৰ কথা কৈছিল আৰু ৰাষ্ট্ৰীয় কাৰ্য্যৰপৰা জাতিৰ বেছিভাগ জনতাক আঁতৰ কৰি ৰাখিবলৈ বিচৰা নাছিল। গণৰাজ্য'ৰ দৰে ৰাজনীতিবিদেও শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছিল।

ৰাজনীতিবিদ'ত প্লেটোৱে প্ৰধানকৈ এজন দাৰ্শনিক ৰজাৰ গুণবোৰ বৰ্ণনা কৰিছে। কিন্তু ইয়াত তেও স্বীকাৰ কৰিছে যে তেনেকুৱা এজন নিখুঁত শাসনকৰ্তা প্ৰকৃততে পোৱা নাযায় আৰু সেই গতিকে ভাল প্ৰশাসনৰ একমাত্ৰ উপায় হৈছে আইনৰ সাৰ্বভৌমত্ব মানি চলা আৰু এইটো'ক আমি মানুহৰ পূৰ্বণ পৰম্পৰাবোৰত দেখিবলৈ পাও। চৰকাৰ এই আইনৰ অধীন আৰু এই প্ৰয়োজনীয়তা'টোৰপৰা ভাল চৰকাৰ আৰু বেয়া চৰকাৰৰ উৎপত্তি হৈছে।

ৰাজনীতিবিদ'ত প্লেটোৱে আইনৰ শাসন আৰু দাৰ্শনিক ৰজাৰ শাসনৰ তুলনামূলক সুবিধা আৰু অসুবিধাবোৰৰ বিষয়ে আলোচনা কৰিছে। কিন্তু ইয়াতো তেও দাৰ্শনিক ৰজাৰ শাসন বেছি ভাল দেখিছে আৰু সেই শাসনৰপক্ষে তেওঁৰ মত দাঙি ধৰিছে। সাধাৰণ দৃষ্টিত প্লেটোৰ ৰাজনীতিবিদৰ লক্ষ্য আছিল এজন শাসকৰ বৌদ্ধিক আৰু নৈতিক গুণবোৰ স্থিৰ কৰা আৰু তেওঁৰ শাসনৰ বৈশিষ্ট্যবোৰ দাঙি ধৰা। ৰাজনীতিবিদ'ত এজন সৰ্বজ্ঞানী ৰজাৰ শাসন তেওঁৰ বিভিন্ন গুণ আৰু তেও সৃষ্টি কৰা শাসনব্যৱস্থা'টো পৰিষ্কাৰভাৱে বৰ্ণনা কৰিবলৈ এটা সবল চেষ্টা কৰা হৈছিল। প্লেটোৱে ইয়াত যিবোৰ যুক্তি দাঙি ধৰিছিল সেইবোৰৰ বেছিভাগৰে ভিত্তি আছিল চিকিৎসক আৰু ৰাজনীতিবিদৰ মাজত থকা সাদৃশ্য। চিকিৎসক আৰু ৰাজনীতিবিদসকল দৃঢ় নিয়ম আৰু আইনৰ ওপৰত।

প্লেটোৱে বিশ্বাস কৰিছিল যে দাৰ্শনিক ৰজাৰ ওপৰত লিখিত আইনৰ প্ৰয়োগ হোৱা উচিত নহয় কিয়নো কাচিৎহে তেও কিবা সামান্য দোষ বা ভুল কৰিব পাৰে। কিন্তু ইয়াত তেও মানি লৈছে যে দাৰ্শনিক ৰজাৰো মানবীয় সীমাবদ্ধতা আছে আৰু সেই গতিকে তেওঁলোকৰ বাবেও আইনৰ প্ৰয়োজনীয়তা একেবাৰে নুই কৰিব নোৱাৰি কিন্তু এই আইন যথেষ্ট যত্ন আৰু সাৱধানতাৰে ৰচনা কৰিব লাগিব। যদিও আইন সদায় বৰ দৃঢ় আৰু ইয়াত মানুহে কৰিবলগীয়া সীমাহীন কাৰ্যবোৰৰ কথা সামৰিব নোৱাৰাটো সম্ভৱ নহয় যিবোৰৰপৰা নানা মোকৰ্দমাৰ সৃষ্টি হ'ব পাৰে তথাপি সৰ্বাংগসম্পূৰ্ণ ৰাষ্ট্ৰবোৰক বাদ দি আন সকলো প্ৰকাৰৰ ৰাষ্ট্ৰৰ বাবে আইন লাগিব আৰু এই আইন বলবৎ কৰিবও

লাগিব। আইনে স্তুপীকৃত কৰি ৰখা জ্ঞানৰ প্ৰতিনিধিত্ব কৰে আৰু ই ভৱিষ্যতৰ বাবে ভাল পথ প্ৰদৰ্শকৰ কাম কৰে। যিখন ৰাষ্ট্ৰ দাৰ্শনিক ৰজাৰদ্বাৰা শাসিত নহয় সেইখন ৰাষ্ট্ৰত আইনৰ সাৰ্বভৌমত্ব থাকিব লাগিব। কিন্তু তেনে ৰাষ্ট্ৰৰ আইনবোৰ এনেভাবে ৰচনা কৰিব লাগিব যাতে সেইবোৰে দাৰ্শনিক ৰজাৰ শাসনক যিমানদূৰ সম্ভৱ হয় সিমানদূৰ অনুকৰণ কৰে। গতিকে ইয়াতো প্লেটোৱে সেই একেটা কথাৰে অৱতাৰণা কৰিছে যে উৎকৃষ্ট চৰকাৰ হৈছে দাৰ্শনিক ৰজাৰ চৰকাৰ আৰু আন সকলোবোৰ চৰকাৰ সেই চৰকাৰখনক লক্ষ্য কৰিয়ে গঠিত হ'ব লাগে আৰু সেই চৰকাৰখনক লক্ষ্য কৰিয়েই সকলোবোৰ চৰকাৰে কাৰ্য্যপদ্ধতি স্থিৰ কৰিব লাগে।

প্লেটোৱে ৰাজনীতিবিদ'ত সম্ভৱপৰ ৰাষ্ট্ৰৰ তালিকাখনৰপৰা আদৰ্শ ৰাষ্ট্ৰখনৰ নামটো কাটি দিছে। গণৰাজ্য'ত তেওঁ গণতান্ত্ৰিক ৰাষ্ট্ৰৰ কটু সমালোচক আছিল কিন্তু ৰাজনীতিবিদ'ত তেওঁ গণতন্ত্ৰক অলপ ভাল চকুৰে চাইছে। তথ্য পৰ্য্যবেক্ষণৰ বিষয়বস্তুৰ ফালৰপৰা চালে ৰাজনীতিবিদৰ লগত গণৰাজ্যৰ মিল বেছি আছে। প্ৰকাশ ভংগী আৰু শিষ্টাচাৰৰ দিশৰপৰা চালে আইনৰ লগত ইয়াৰ সাদৃশ্য দেখিবলৈ পোৱা যায়।

ৰাজনীতিবিদখন লিখাৰ সময়ত প্লেটোৱে বুজি পাইছিল যে গণৰাজ্যত তেওঁ ৰাষ্ট্ৰৰ যিটো অৱধাৰণা চিত্ৰিত কৰিছিল গ্ৰিক নগৰ ৰাষ্ট্ৰবোৰৰ বাস্তৱ অৱস্থাৰ লগত খাপ খুৱাই তেনে এখন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ নহয়। সেই গতিকে ৰাজনীতিবিদত তেওঁ এটা মৌলিক প্ৰশ্নৰ অৱতাৰণা কৰিছিল। সেই প্ৰশ্নটো হৈছে—পিতৃ মাতৃৰ ওচৰত ল'ৰা ছোৱালীবোৰ যিমান নিৰ্ভৰশীল আদৰ্শ ৰাষ্ট্ৰত নাগৰিকসকল শাসকসকলৰ ওচৰত সিমান নিৰ্ভৰশীল হোৱাটো উচিতনে ? আন কথাত তেওঁ এটা কঠিন প্ৰশ্নৰ উত্তৰ দিবলগীয়া হৈছিল প্ৰশ্নটো হৈছে—দাৰ্শনিক ৰজাসকলৰ ইচ্ছুক প্ৰজাসকলৰ ওপৰত শাসন কৰা উচিত নে অনিচ্ছুক প্ৰজাসকলৰ ওপৰত জোৰ কৰি শাসন কৰা উচিত ? এই প্ৰশ্ন দুটা তেওঁ পুংখানুপুংখৰূপে পৰীক্ষা কৰে। এইটো কৰিবলৈ যাওঁতে তেওঁ ৰাষ্ট্ৰকলা আৰু ৰাজনীতিবিদসকলৰ কাৰ্য্যাৱলীৰ বিস্তৃত আৰু সূক্ষ্ম আলোচনা কৰিবলগীয়া হৈছিল। ইয়াৰ পাছত শেহান্তৰত তেওঁ আগৰ সিদ্ধান্তৰ সংশোধন কৰিবলগীয়া হোৱা নাছিল। অৰ্থাৎ গণৰাজ্যত তেওঁ যিটো সিদ্ধান্তত উপনীত হৈছিল ইয়াতো সেই টোকে বাহাল ৰাখিছিল। শাসকসকলৰ আৱশ্যকীয় পৰিমাণৰ ভালৰ ধাৰণাৰ জ্ঞান আছিল আৰু তেওঁলোকক শাসিতসকলৰ সন্মতি ল'বলৈ বাধ্য কৰোৱা হৈছিল আৰু তেওঁলোক জাতীয় প্ৰথা আৰু পৰম্পৰাৰদ্বাৰাহে পৰিচালিত হৈছিল। এইদৰে ৰাজনীতিবিদেও গণৰাজ্যৰ সিদ্ধান্তকে সমৰ্থন কৰিছিল কিন্তু ইয়াত এটা লক্ষ্য কৰিবলগীয়া পাৰ্থক্যও আছিল। ইয়াত প্লেটোৱে কৈছিল যে আদৰ্শ

সদায় আদৰ্শ আৰু ইয়াক স্বৰ্গৰাজ্যতহে কাৰ্য্যত পৰিণত কৰিব পৰা যায় পৃথিৱীত নহয়।

প্লেটোৰ মতে চৰকাৰো একপ্ৰকাৰৰ বিজ্ঞান। বিজ্ঞানসন্মত চৰকাৰত শাসকৰ সংখ্যা কম। কিয়নো বেছ সংখ্যক মানুহে বিজ্ঞানসন্মত জ্ঞান লাভ কৰিব নোৱাৰে। সেই গতিকে এখন ভাল চৰকাৰ এজন মানুহ বা মাত্ৰ কেইজনমান মানুহৰ চৰকাৰ হ'ব লাগে আৰু সেইজন মানুহ বা সেইকেইজন মানুহৰ ভালৰ ধাৰণাৰ বিষয়ে জ্ঞান থাকিব লাগে। প্লেটোৰ মতে সেইজন মানুহ প্ৰকৃত ৰাজনীতিবিদ যিজন মানুহৰ জ্ঞান আছে আৰু যিজন মানুহে তেওঁৰ জ্ঞান জাতিৰ মংগল সাধন কৰিবৰ কাৰণে ব্যৱহাৰ কৰে। তেওঁ এজন তাঁতীৰ দৰে। বিভিন্ন ধৰণৰ আৰু গুণৰ সূতাবোৰ লগ লগাই এজন তাঁতীয়ে যেনেকৈ ধুনীয়া কাপোৰ তৈয়াৰ কৰে তেনেকৈ এজন ভাল ৰাজনীতিবিদেও ৰাষ্ট্ৰত থকা বিভিন্ন মতৰ মানুহবোৰক লগ লগাই এখন শান্তিপূৰ্ণ আৰু সুশৃংখল ৰাষ্ট্ৰ গঢ়ি তুলিব লাগে। এজন ৰাজনীতিবিদ আইনৰ সহায় লৈ এই কামটো কৰে নে আইনৰ সহায় নোহোৱাকৈয়েই এই কামটো কৰে সেইটো কোনো ডাঙৰ কথা নহয় ডাঙৰ কথা হৈছে এই কামটো কৰোঁতে তেওঁ বিজ্ঞানসন্মত জ্ঞানৰদ্বাৰা পৰিচালিত হৈছেনে নাই।

প্লেটোৰ মতে ৰাজনৈতিক বিচক্ষণতাও এটা কলা। এজন কলাবিদে কলা চৰ্চা কৰোঁতে মুক্তভাৱে তেওঁৰ জ্ঞান ব্যৱহাৰ কৰে ইয়াত তেওঁক কোনেও হকা বধা নকৰে তেওঁৰ নিজৰ মতে তেওঁৰ কাম কৰি যায়। এটা অৰ্থত এজন ৰাজনীতিবিদো যিহেতু এজন কলাকাৰ তেওঁকো মুক্তভাৱে নিজৰ ইচ্ছামতে জনসাধাৰণৰ মংগল সাধন কৰিবলৈ এৰি দিব লাগে কেৱল তেওঁক ভালৰ ধাৰণাটোহে মানি চলিবলৈ ক'ব লাগে। ইয়াৰ কাৰণে তেওঁক শাসিতসকলৰ সন্মতিৰ প্ৰয়োজন নাই। তেওঁক আইন মানি চলিবলৈও বাধ্য কৰোৱা উচিত নহয়। সেইদৰে এজন ডাক্তৰে কোনো এটা ৰোগ ভাল কৰিবলৈ ৰোগীৰ সন্মতি বিচৰাৰ প্ৰয়োজন নাই। এজন উৰাজাহাজ চালকে উৰাজাহাজ চলাওঁতে যাত্ৰীসকলৰ সন্মতি লৈ নচলায়। ৰোগী আৰু যাত্ৰীয়ে চৰ্তহীনভাৱে আৰু সম্পূৰ্ণৰূপে ডাক্তৰ আৰু উৰাজাহাজ চালকক বিশ্বাস কৰে কিয়নো তেওঁলোকে যিটো কলা চৰ্চা কৰি আছে সেইটোৰ বিষয়ে তেওঁলোকৰ সম্পূৰ্ণ জ্ঞান আছে। ৰাজনীতিবিদৰ ক্ষেত্ৰতো একেটা কথাকে ক'ব পাৰি। এজন ৰাজনীতিবিদেও নিজৰ কলাটো ভালদৰে আৰু সম্পূৰ্ণৰূপে জানে। যেতিয়া চৰকাৰ পৰিচালনাৰ দায়িত্ব বিজ্ঞ ৰাজনীতিবিদৰ ওপৰত অৰ্পণ কৰা হয় তেতিয়া শাসিতসকলৰ সন্মতিৰ বিশেষ কোনো মূল্য নাই।

প্লেটোৱে কৈছে যে ৰাজনীতিবিদসকল আইনৰদ্বাৰা পৰিচালিত হোৱাৰ প্ৰয়োজন নাই। কিয়নো বিজ্ঞানৰদ্বাৰা পৰিচালিত হৈ তেওঁলোকে সিদ্ধান্তবোৰ ক'ৰিব। আইনে সেই জ্ঞানৰ ওপৰত বাধাৰ সৃষ্টিহে কৰিব পাৰে আৰু তেতিয়া

তেওঁলোকৰ কাম কৰাৰ স্বাধীনতাত আঘাত পাৰব। আকৌ আইনৰ প্ৰকৃতি কঠিন আৰু স্থায়ী। এই কঠিনতা আৰু স্থায়িত্বৰ দোষত আইনে বাস্তৱ জীৱনৰ পৰিবৰ্তিত অৱস্থাৰ লগত খাপ খুৱাই সিদ্ধান্ত কৰাত শাসকসকলক সহায় কৰিব নোৱাৰে। আইনত থকা অনমনীয় প্ৰকৃতিৰ কাৰণে প্লেটোৱে আইনৰ সমালোচনা কৰিছিল। তেওঁ কৈছিল যে ৰাজনীতিবিদসকলে শাসনকাৰ্য্য পৰিচালনা কৰোঁতে নমনীয় নীতিবোৰহে অনুসৰণ কৰা উচিত।

আগতেই উল্লেখ কৰি অহা হৈছে যে ৰাজনীতিবিদত প্লেটো দুটা মূল বিষয়ত গণৰাজ্যৰপৰা আঁতৰি আহিছে। গণৰাজ্যত তেওঁ আদৰ্শ ৰাষ্ট্ৰক সকলো খোৰ ৰাষ্ট্ৰৰ ওপৰত স্থান দিছিল আৰু ইয়াৰ তলৰ গুণানুসাৰি আঢ্যতন্ত্ৰ স্বল্পতন্ত্ৰ গণতন্ত্ৰ আৰু অত্যাচাৰী শাসনক স্থান দিছিল। ৰাজনীতিবিদত তেওঁ আদৰ্শ ৰাষ্ট্ৰক একেবাৰে বাদ দিছিল আৰু দুটা ভিত্তিত ৰাষ্ট্ৰবোৰক ভাগ কৰিছিল আৰু সেইমতে ছয় প্ৰকাৰৰ ৰাষ্ট্ৰ আছিল। ৰাজনীতিবিদত তেওঁ আইন মানি চলা ৰাষ্ট্ৰ আৰু আইন মানি নচলা ৰাষ্ট্ৰৰ মাজত পাৰ্থক্য বিচাৰি উলিয়াইছিল। তিনি প্ৰকাৰৰ আইন মানি চলা ৰাষ্ট্ৰ আছিল আৰু আন তিনি প্ৰকাৰৰ আইন মানি নচলা ৰাষ্ট্ৰ আছিল। শাসকৰ সংখ্যা আৰু ৰাষ্ট্ৰৰ গুণৰ ওপৰত ভিত্তি কৰিয়েই তেওঁ ইয়াত ৰাষ্ট্ৰৰ শ্ৰেণী বিভাগ কৰিছিল। আইন মানি চলা ৰাষ্ট্ৰকেইখন আছিল—ৰাজতন্ত্ৰ অভিজাততন্ত্ৰ আৰু মধ্যপন্থী গণতন্ত্ৰ। সেইদৰে আইন মানি নচলা ৰাষ্ট্ৰকেইখন আছিল—অত্যাচাৰী শাসন স্বল্পতন্ত্ৰ আৰু চৰমপন্থী গণতন্ত্ৰ। ৰাজতন্ত্ৰ আৰু অত্যাচাৰী শাসন এজন মানুহৰদ্বাৰা চলিছিল অভিজাততন্ত্ৰ আৰু স্বল্পতন্ত্ৰ কেইজনমান মানুহৰদ্বাৰা চলিছিল আৰু দুয়োবিধ গণতন্ত্ৰই বহুতৰদ্বাৰা চলিছিল। আইন মানি চলা ৰাষ্ট্ৰবোৰৰ ভিতৰত গণতন্ত্ৰ আছিল আটাইতকৈ বেয়া আৰু আইন মানি নচলা ৰাষ্ট্ৰবোৰৰ ভিতৰত গণতন্ত্ৰ আছিল আটাইতকৈ ভাল ৰাষ্ট্ৰ। এইদৰে ৰাজনীতিবিদত প্লেটোৱে গণতান্ত্ৰিক ৰাষ্ট্ৰক অত্যাচাৰী শাসন আৰু স্বল্পতন্ত্ৰৰ ওপৰত স্থান দিছিল। ৰাষ্ট্ৰৰ এই শ্ৰেণী বিভাজন এৰিষ্টটলে তেওঁৰ ৰাজনীতিত প্ৰায় হুবহুভাৱে গ্ৰহণ কৰিছিল।

আইন মানি চলা এখন ৰাষ্ট্ৰ জ্ঞানৰদ্বাৰা পৰিচালিত হয় আৰু এই জ্ঞান আইনৰ জৰিয়তে প্ৰকাশ পায়। আৰু আইন মানি নচলা ৰাষ্ট্ৰত শাসক আৰু শাসিত কোনেও আইনমতে কাম নকৰে ইয়াত তেওঁলোকে স্বেচ্ছাচাৰীভাৱে সকলো কাৰ্য্য-নিৰ্বাহ কৰে।

ৰাজনীতিবিদত প্লেটোৱে যিখন চৰকাৰৰ কথা উল্লেখ কৰিছিল সেইখন চৰকাৰ বিদ্বান লোকৰ চৰকাৰ আছিল আৰু সেইখন চৰকাৰ প্ৰজাসাধাৰণৰ সংগ্ৰহৰ বাবে কাম কৰা বুলি ধৰি লোৱা হৈছিল। ব্যক্তিসকলে ইয়াত চৰকাৰক চতুৰ্দিশৰ আনুগত্য দেখুৱাব লাগিছিল, শাসকসকলে গ্ৰহণ কৰা নীতি তেওঁলোকে সমৰ্থন

কৰিব নোৱাৰিছিল। সেই গতিকে জনসাধাৰণে সততে ভয় কৰিছিল কিয়নো শাসকসকলে জনস্বাৰ্থ বিৰোধী নীতি গ্ৰহণ কৰি তেওঁলোকৰ অনিষ্ট সাধন কৰে। প্লেটোৱে ইয়াত ৰাজনীতিবিদক ডাক্তৰ আৰু উৰাজাহাজৰ চালকৰ লগত যি তুলনা কৰিছে সি সঠিক নহয়। এজন ক্ষমতাত থকা ৰাজনীতিবিদৰ কামৰ সুদূৰপ্ৰসাৰী ফল আছে। এইটো সত্য যে সাধাৰণতে ডাক্তৰে ৰোগীৰ সম্মতি লৈ বেমাৰৰ চিকিৎসা নকৰে আৰু ডাক্তৰ ৰোগীৰ ওচৰত দায়ীও নহয় তেও ৰোগ চিকিৎসাহে কৰে ৰোগী ভাল হ'ব বুলি তেও নিশ্চয়তা নিদিয়ে। কিন্তু এটা অৰ্থত ডাক্তৰসকলো গোটেই জাতিটোৰ ওচৰত দায়ী। আকৌ কোনো গুৰুত্বপূৰ্ণ অস্ত্ৰোপচাৰ কৰিবলৈ ডাক্তৰসকলে ৰোগীৰ অভিভাৱকৰ সম্মতিও ল'ব লাগে। এজন উৰাজাহাজৰ চালকে যাত্ৰীসকলৰ সম্মতি লৈ জাহাজ নচলায় আৰু তেও যাত্ৰীসকলৰ ওচৰত দায়ী নহয়। কিন্তু তেও জাহাজৰ মালিকৰ ওচৰত নিশ্চয় দায়ী হ'ব লাগিব আৰু বিমান পৰিবহন মন্ত্ৰীদপ্তৰৰ ওচৰতো দায়ী হ'ব লাগিব। সেইদৰে ৰাজনীতিবিদসকলো তেওঁলোকৰ কুশাসনৰ বাবে জনসাধাৰণৰ ওচৰত দায়ী থকাটো উচিত হ'ব।

প্লেটোৱে আকৌ কৈছে যে কোনো আইনেই ৰাষ্ট্ৰ শাসনৰ প্ৰধান শক্তি হ'ব নোৱাৰে। আইনৰ গাত অনমনীয়তা আছে আৰু সেইগতিকে তেও আইনক ৰাষ্ট্ৰৰ পৰা নিৰ্বাসন দিবলৈ বিচাৰিছিল। আইনক ৰাষ্ট্ৰৰপৰা নিৰ্বাসন নিদিয়াকৈও ইচ্ছা কৰিলে তেও আইনক নমনীয় কৰি ল'ব পাৰিলেহেঁতেন। এইটো সম্পূৰ্ণ স্বাভাৱিক যে আইন মান নচলা এখন চৰকাৰে জনসাধাৰণৰ অনিষ্ট সাধন কৰিব পাৰে এনে এখন চৰকাৰ অত্যাচাৰী আৰু স্বেচ্ছাচাৰী হ'লেও আচৰিত হ'বলৈ একো নাই।

প্লেটোৱে যদিও এখন আদৰ্শ চৰকাৰৰ চিত্ৰ আমাক দি গৈ ছে সেই চৰকাৰখন প্ৰতিষ্ঠা কৰিবৰ বাবে প্ৰয়োজনীয় দিহা পৰামৰ্শ আৰু উপায়বোৰ আমাক দিয়া নাই।

আইনৰ ওপৰত প্লেটোৰ ঘৃণা ইমান বেছি আছিল যে তেও আইন মানি চলা এখন ৰাষ্ট্ৰক অসম্পূৰ্ণ বা ত্ৰুটীবিশিষ্ট ৰাষ্ট্ৰ বুলি কৈছিল। কিন্তু তেওঁ সদায় এটা বাস্তৱ সত্য পাহৰি আছিল যে কোনো শাসকে তেওঁৰ নিজৰ ইচ্ছা এখন অপ্ৰস্তুত ৰাষ্ট্ৰৰ জনসাধাৰণৰ ওপৰত বেছি দিনলৈ জাপি দিব নোৱাৰে। এজন জ্ঞানী শাসকে খুব বেছি প্ৰচলিত জনমতটোকৈ এখোজ বা দুখোজ আগবাঢ়ি চলিব পাৰে। প্ৰকৃতিৰ আন সকলো বস্তু আৰু ঘটনাৰ চৰিত্ৰ আৰু প্ৰকৃতিৰ লগত মানুহৰ প্ৰকৃতিৰ মৌলিক পাৰ্থক্য আছে। জনমতৰ দাবীত ইতিহাসৰ বেলেগ বেলেগ এক্তেয়োৱা সময়ত পৃথিৱীৰ বেলেগ বেলেগ ঠাইত মৌলিক পৰিবৰ্ত্তন ঘটিছে। ইয়েই মানৱ চৰিত্ৰৰ বৈশিষ্ট্য।

তৰ্কৰ খাতিৰত এই কথাটো মানি ল'ব পৰা যায় যে জ্ঞানী মানুহবোৰ অজ্ঞানী মানুহবোৰতকৈ ভাল শাসক হয়। তথাপি আমি এইটো স্বীকাৰ কৰি

ল'বই লাগিব যে তেওঁলোকৰো সকলোবোৰ মানুহকে নিজৰ আহিতে গাঢ় তুলি বলৈ শক্তি নাই।

প্লেটোৱে ৰাজনৈতিক কলা আৰু আন কলাবোৰৰ মাজত থকা তফাৎবোৰ ভালদৰে দেখা পোৱা নাছিল। ৰাষ্ট্ৰই নিয়ম কানুন প্ৰৱৰ্তন কৰি আন কলাবোৰ চৰ্চা কৰাটো বন্ধ কৰি দিব পাৰে কিন্তু ৰাষ্ট্ৰকলাৰ চৰ্চা বন্ধ কৰি দিয়াৰ কোনো উপায় নাই। সকলো ঠাই আৰু সকলো সময়তে ৰাষ্ট্ৰকলাৰ চৰ্চা অবিৰতভাৱে চলি থাকবই। ৰাষ্ট্ৰকলা চৰ্চা কৰোঁতে যদি ৰাজনীতিবিদসকলে আইনৰদ্বাৰা পৰি চালিত নহয় তেওঁলোকক ৰাজনীতিৰ কলাকাৰ বুলিবই নোৱাৰি তেওঁলোককো তেতিয়া বৰ্তিধাৰী কলাবিদ বুলি ক'ব লাগিব কিয়নো তেতিয়া তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থই সমাজৰ স্বাৰ্থৰ ওপৰত স্থান অধিকাৰ কৰিব। গতিকে ৰাষ্ট্ৰ কলাক ইয়াৰ প্ৰকৃত গঠন আৰু অৰ্থত ৰক্ষা কৰাৰ প্ৰয়োজনীয়তা আছে আৰু কেৱল আইনেহে ৰাষ্ট্ৰ কলাক ৰক্ষা কৰিব পাৰে। আইনবোৰ হৈছে জ্ঞানীলোকৰ সন্তান আৰু ই কাৰো অনিষ্ট সাধন নকৰে। আমি আমাৰ সাধাৰণ অভিজ্ঞতাৰ পৰাই ক'ব পাৰোঁ যে আইনৰ ওপৰত প্ৰবৰ্তিত নোহোৱা চৰকাৰ অনিষ্টজনক আৰু ক্ষতিকৰ।

পঞ্চদশ অধ্যায়

প্লেটোৰ 'আইন' আৰু ইয়াত ৰাষ্ট্ৰতত্ত্ব

প্ৰায় ৭০ বছৰ বয়সত প্লেটোৱে 'আইন' নামৰ গ্ৰন্থখন ৰচনা কৰিছিল আৰু সেই সময়ত তেওঁৰ চিন্তাশক্তি আৰু বুদ্ধিবৃত্তিয়ে চৰম পৰিপক্কতা লাভ কৰিছিল। গণৰাজ্য লিখিবৰ সময়ত তেওঁৰ বয়স মাত্ৰ ৪০ বছৰহে আছিল। ৩০ বছৰৰ অভিজ্ঞতা আৰু অনুধাবনৰ ফলত তেওঁৰ বিচাৰ শক্তিৰ যথেষ্ট পৰিবৰ্তন ঘটিছিল আৰু এই পৰিবৰ্তন প্ৰকাশ পাইছিল 'আইন' নামৰ গ্ৰন্থখনৰ মাজেদি। এই গ্ৰন্থখনত তেওঁ এজন বাস্তৱবাদী চিন্তাবিদ আৰু স্ৰষ্টা হিচাপে নিজকে পৰিচয় দিব পাৰিছিল। ইয়াত তেওঁ যিবোৰ কথা সন্নিৱেশিত কৰিছে পাছৰ যুগৰ বাবে সেইবোৰৰ চিৰস্থায়ী মূল্য আছে। তেওঁৰ আনবোৰ গ্ৰন্থৰ তুলনাত আইনখনে তেওঁৰ দিনত গ্ৰীছদেশত চলি থকা ৰাজনৈতিক অৱস্থাবোৰ বেছি ভালদৰে প্ৰতিফলিত কৰিছে।

আইনত তেওঁ এজন উচ্চমানৰ ৰাজনৈতিক সংস্কাৰক আৰু বিধায়ীৰ কথা উল্লেখ কৰিছে। এজন অত্যাচাৰী শাসকৰ লগত সহযোগিতা কৰিও তেনে এজন সংস্কাৰকে ইচ্ছা কৰিলে জনসাধাৰণক প্ৰয়োজনীয় সা সুবিধা দিব পাৰে। ছিৰাকুইছত দ্বিতীয় ডাইওনিছিয়াছৰ লগত তেওঁৰ যিবোৰ অভিজ্ঞতা হৈছিল সম্ভৱতঃ ইয়াত তেওঁ তাৰেই উল্লেখ কৰিছে। গতিকে তেওঁ আইনখন ৩৬০ খ্ৰীষ্টপূৰ্বৰো আগতে ৰচনা কৰিছিল। অৰ্থাৎ প্লেটোৱে ছিৰাকুইছৰপৰা ঘূৰি আহি ৩৬০ৰপৰা ৩৪৭ খ্ৰীষ্টপূৰ্বৰ ভিতৰত আইনখন ৰচনা কৰা কাম সমাপ্ত কৰিছিল।

'আইন'ৰ কথোপকথনত যিকেইজন মানুহে অংশ গ্ৰহণ কৰিছিল তেওঁলোক বৰ সহজ আৰু সৰল আছিল আৰু সেই গতিকে তেওঁলোকৰ কথোপকথনতো সৰলতা প্ৰকাশ পাইছিল। ইয়াত মাত্ৰ তিনিজন মানুহে অংশ গ্ৰহণ কৰিছিল—এজন নাম নিদিয়া এথেন্সবাসী (আৰু তেৱেঁই প্ৰধান বক্তা আছিল) এজন স্পাৰ্টাবাসী আৰু ক্লিনিয়াছ নামৰ এজন ক্ৰেটৰ লোক। সেই এথেন্সবাসীজনকে প্লেটোৰ প্ৰধান মুখপাত্ৰ বুলি ক'ব পাৰি কিয়নো তেৱেঁই গোটেই কথোপকথনত সংগঠিত বিজ্ঞানসন্মত চিন্তাৰ প্ৰতিনিধিত্ব কৰিছিল। প্লেটোৱে যিখন স্কুল স্থাপন কৰিছিল তাত এইবোৰৰ বিজ্ঞানসন্মত চৰ্চা হৈছিল। ইয়াৰদ্বাৰা তেওঁলোকে এখন বাস্তৱত স্থাপন কৰিব পৰা আহিঁ

ৰাষ্ট্ৰৰ বাবে আইন আৰু অনুষ্ঠান আৱিষ্কাৰ কৰিবলৈ চেষ্টা কৰিছিল। কথোপকথনকাৰীসকলৰ আলোচনাৰপৰা ৰাজনীতিৰ উৎকৃষ্ট অংশ'বাৰ বাছি উলিয়াই আনিবৰ বাবেও চেষ্টা চলোৱা হৈছিল।

আইনৰ প্ৰধান উদ্দেশ্য আছিল এখন আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰ অংকিত কৰা যিখনে যুগে যুগে ৰাজনীতি আৰু আইনৰ ছাত্ৰসকলক সহায় কৰিব। কিয়নো ৰাজনীতি আৰু আইনৰ ছাত্ৰসকলে বাস্তৱক্ষেত্ৰত কাম কৰি থকা ৰাজনীতিবিদসকলক এটা সময়ত উপদেশ দিয়াৰ প্ৰযোজন হ'ব যিটো সময়ত তেওঁ লোকে এটা নতুন জাতি বা এখন নতুন সমাজ গঢ়িবলৈ আগবাঢ়ি আহিব বা পুৰণি জাতি বা সমাজখনকে নতুন আহিৰ্তে সজাই পৰাই তুলিবলগীয়া হ'ব। গণৰাজ্যত প্লেটোৱে যিখন আদৰ্শ ৰাষ্ট্ৰৰ বৰ্ণনা কৰিছে যিমানদূৰ পৰা যায় প্ৰায় তেনেধৰণৰ ৰাষ্ট্ৰ এখন গঢ়ি তুলিবলৈ প্লেটোৱে আইনত এখন সাধাৰণ সাংবিধানিক আঁচনি প্ৰস্তুত কৰিবলৈ চেষ্টা কৰিছিল আৰু এই আঁচনিখনত সামাজিক অৰ্থনৈতিক আৰু প্ৰশাসনিক গাঁথনিৰ সবিশেষ বৰ্ণনা কৰা হৈছিল। তেতিয়া গ্ৰীছদেশত প্ৰচলিত ধাৰণা আছিল—এখন নতুন ৰাষ্ট্ৰৰ বাবে এখন লিখিত সংবিধান লাগে আৰু আৰম্ভণিৰপৰাই আইনৰ বিধান মানি নতুন ৰাষ্ট্ৰখন চলিব লাগে। গতিকে আইনখনৰ বেছিভাগ ঠাইতে এটা কথাই দেখিবলৈ পোৱা যায় সেইটো হৈছে—প্লেটোৰ স্কুলৰপৰা বিশেষজ্ঞ উপদেষ্টা উলিয়াই নতুন আহিৰ ৰাষ্ট্ৰখনৰ কামত সহায় কৰিবলৈ আগবঢ়াই দিয়া।

ডেকাবয়সৰ শক্তিৰে প্লেটোৱে তেওঁৰ গণৰাজ্যখন লিখিছিল। এজন সংস্কাৰক হিচাপে তেতিয়া তেওঁৰ অদম্য উৎসাহ উদ্দীপনা আছিল আৰু তেতিয়া তেওঁৰ মন উজ্জ্বল ভাষা আৰু উদ্দেশ্যেৰে ভৰপূৰ আছিল। আনহাতে আইনত তেওঁৰ বৃদ্ধ বয়সৰ স্থিৰতা আৰু বিচাৰশক্তিৰ পৰিপক্কতা প্ৰকাশ পাইছে আৰু ইয়াত তেওঁৰ মোহমুক্ত জীৱনৰ অভিজ্ঞতা আৰু জীৱনৰ জ্ঞানৰ প্ৰকৃত অভিব্যক্তি হৈছে। গণৰাজ্যত এটা বৌদ্ধিক কবিতাৰ ছাপ পৰিছে আৰু আইনত ধৰ্মীয় উপদেশ ভৰি আছে। এজন দাৰ্শনিক শাসকৰ স্বৈৰাচাৰতন্ত্ৰৰ প্ৰচলিত মতবিৰোধী কিছুমান সত্যৰ ওপৰত গণৰাজ্যখন থিয় কৰোৱা হৈছিল আৰু ইয়াত পৰিবাৰ আৰু সম্পত্তিৰ সাম্যবাদে প্ৰধান ঠাই অধিকাৰ কৰিছিল আইনে অভিজাততন্ত্ৰ আৰু গণতন্ত্ৰৰ উপাদান থকা এখন সুষম সংবিধানৰ গুণবোৰ সমৰ্থন কৰিছিল ইয়াত সাম্যবাদৰ ওপৰত সমালোচনা আগবঢ়োৱা হৈছিল কিন্তু মতামানুহবোৰৰ বাবে সমূহীয়া আহাৰৰ ব্যৱস্থা কৰিব লাগে বুলি কোৱা হৈছিল। 'গণৰাজ্য'ই এখন আদৰ্শ ৰাষ্ট্ৰৰ সংবিধানৰ ওপৰত বেছি মনোযোগ দি আইনক অৱজ্ঞা কৰিছিল আইনে সংবিধানৰ প্ৰস্তাৱনা আৰু আইনৰ ওপৰত বেছি মনোযোগ দি তুলনামূলকভাৱে সংবিধানক অৱহেলা কৰিছিল। গণৰাজ্য' আৰু 'আইন দুয়োখনে এটা সুস্থ শিক্ষাব্যৱস্থাৰদ্বাৰা

নিয়ন্ত্ৰিত এখন সুপৰিচালিত ৰাষ্ট্ৰৰ সমৰ্থন কৰিছিল। 'গণৰাজ্য'ত অভিভাৱক সকলৰ শিক্ষাৰ ওপৰতহে অত্যধিক গুৰুত্ব দিয়া হৈছিল কিন্তু 'আইনে' সকলো শ্ৰেণীৰ শিক্ষাৰ ওপৰত সমানে গুৰুত্ব দিছিল। সুয়োগ্য পৃষ্ঠিত নাগৰিকসকলক দাসত্বৰপৰা মুক্ত কৰি ৰাখিব লাগে বুলি মন্তব্য কৰা হৈছিল।

গণৰাজ্য'ই ৰাষ্ট্ৰতত্ত্বৰ ওপৰত এটা পাণ্ডিত্যপূৰ্ণ বিশ্লেষণ দাঙি ধৰিছিল। এই বিশ্লেষণত সমাজজীৱনৰ ব্যৱহৃত হোৱা সকলোবোৰ প্ৰধান নীতিয়ে ঠাই পাইছিল। প্লেটোৱে গণৰাজ্য'ত আইনক ৰাষ্ট্ৰৰপৰা আঁতৰ কৰি ৰাখিছিল। কিয়নো গণৰাজ্য'ত জ্ঞানৰ বিষয়ে যি তত্ত্ব তেওঁ আমাৰ আগত দাঙি ধৰিছে সেইমতে অভিজ্ঞতা আৰু দেশীয় প্ৰথাৰ জৰিয়তে লাহে লাহে মানুহৰ মনত জ্ঞান সৃষ্টি হোৱাৰ কোনো থল নাই। আইনক ৰাষ্ট্ৰৰপৰা এনেকৈ নিৰ্বাসন দি ৰাখি গণৰাজ্য'ত প্লেটো'ৱে ডাঙৰ ভুল কৰিছিল। এই ভুলৰ কাৰণে মুক্ত নাগৰিকসকলৰ নৈতিক আদৰ্শৰ ধাৰণাটো ভ্ৰান্ত হৈ পৰিছিল আৰু সেইটোৱেই আছিল তেতিয়াৰ নগৰৰাষ্ট্ৰৰ প্ৰধান উপাদান। গণৰাজ্য'ই এখন বস্তুনিৰপেক্ষ ৰাষ্ট্ৰৰ প্ৰতিনিধিত্ব কৰিছিল। আইনত প্লেটোৱে ৰাষ্ট্ৰত আইনক ইয়াৰ যোগ্য স্থান দিবলৈ চেষ্টা কৰিছিল আৰু আইনৰ লগত আন আন অনুষ্ঠানবোৰৰ যি সম্বন্ধ থাকিব পাৰে সেইটো খুব সাৱধানভাৱে বিশ্লেষণ কৰিবলৈ যত্ন কৰিছিল। আইনত তেওঁ এখন সাংবিধানিক ৰাষ্ট্ৰৰ চিত্ৰ আঁকিছিল। এই ৰাষ্ট্ৰখন বিভিন্ন স্বাৰ্থ আৰু দাবীৰ পৰস্পৰ সহযোগিতা আৰু সুষমতাৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত কৰিবলৈ বিচৰা হৈছিল। এখন আদৰ্শ ৰাষ্ট্ৰ সৃষ্টি কৰাৰ ঠাইত আইনে এখন প্ৰকৃত নগৰৰাষ্ট্ৰৰ হুবহু প্ৰতিচ্ছবি এটা দাঙি ধৰিবলৈ চেষ্টা কৰিছিল। এই ৰাষ্ট্ৰখনত সম্পত্তিৰ স্বাৰ্থ আৰু গণতান্ত্ৰিক স্বাৰ্থৰ সংযোগ সাধন কৰা হৈছিল।

আইন'ৰ প্ৰায়োগিক লক্ষ্যই ইয়াক গণৰাজ্য'ৰপৰা পৃথক কৰিছে। প্লেটোৱে গণৰাজ্য'ত বৰ্ণনা কৰা আদৰ্শ ৰাষ্ট্ৰখন অংশিকভাৱে এখন কাল্পনিক সমাজ আৰু প্লেটোই নিজেও তেনে এখন সমাজ বাস্তৱত প্ৰতিষ্ঠা কৰাটো সম্ভৱ বুলি বিশ্বাস কৰা নাছিল। গতিকে গণৰাজ্য'ৰ লক্ষ্য সম্পূৰ্ণৰূপে নৈতিক আছিল ৰাজনৈতিক নাছিল। গণৰাজ্য'ত এইটো ধৰি লোৱা হৈছিল যে ব্যক্তিসকলে পাহৰি যোৱা ভাল-বেয়া শুদ্ধ অশুদ্ধৰ প্ৰশ্নবোৰ সমাজৰ মাজলৈ আকৌ সাহসিকতাৰে উলিয়াই অনা হৈছে। 'গণৰাজ্য'ত যথেষ্ট গুৰুত্বসম্পন্ন কিছুমান মৌলিক নীতিৰ অৱতাৰণা কৰি যথেষ্ট গুৰুত্বসহকাৰে এইবোৰ ব্যাখ্যা কৰা হৈছিল কিন্তু এইবোৰৰ সবিশেষ দিয়া হোৱা নাছিল। আনহাতে আইনত প্লেটোৱে যথেষ্ট যত্নসহকাৰে প্ৰস্তুত কৰা এখন পৰিকল্পিত আৰু সবিশেষ বিৱৰণ থকা লিখিত সংবিধানৰ আঁচনি আমাক দিছে। তদুপৰি তেওঁ ইয়াত আমাক এখন আইনৰ বিধি দিছে যিখনৰ সহায়ত তেওঁৰ দিনত গ্ৰীচদেশৰ জাতীয় জীৱন সুউচ্চ আৰু সুস্থ নৈতিকতাৰে গঢ়ি তোলা হৈছিল। প্লেটোৰ আইন ঠিকভাৱে বুজিবলৈ আমি এটা কথা অনুভৱ কৰিব

লাগিব যে প্লেটোৰ মতে গ্ৰীকদেশীয় সভ্যতা আৰু সংস্কৃতি তেতিয়া অধোমুখী হৈ আছিল আৰু ইয়াক ৰক্ষা কৰিবলৈ কিছুমান অভিনৱ ৰাজনৈতিক অনুষ্ঠানৰ প্ৰয়োজন হৈছিল। এই উদ্দেশ্যে তেওঁ আইনৰ নৈতিক আৰু আইনগত কিছুমান মৌলিক নীতি লিপিবদ্ধ কৰিছিল আৰু এইবাবে তেওঁৰ দিনৰ সংবিধান ৰচোঁতা সকলক যথেষ্ট সহায় কৰিছিল। আইনত তেওঁ উৎকৃষ্ট লোকসকলৰ শাসনৰ ধাৰণাটো পৰিত্যাগ কৰিছিল আৰু তাৰ ঠাইত মধ্যমীয়া বুদ্ধি বৃত্তিৰ লোকৰ শাসন সমৰ্থন কৰিছিল।

প্লেটোৰ আইনখন আইনৰ নীতিবিষয়ক এখন উত্তম গ্ৰন্থ। ইয়াত সংবিধানৰ তত্ত্ব আৰু আইনৰ বিস্তৃত বিৱৰণ পোৱা যায। আইনগত কথাবোৰ তেওঁ ইয়াত নিৰ্দিষ্ট পদ্ধতিৰে স্পষ্টভাৱে বৰ্ণনা কৰিছে। কেৱল সেয়ে নহয় আইন সংক্ৰান্ত বিষয়ক ফৌজদাৰী কাৰ্য্য আৰু দেৱানী কাৰ্যৰ মাজত তেওঁ মৌলিক পাৰ্থক্য দেখুৱাইছে। এইবোৰ কথা সেই সময়ৰ গ্ৰিক লেখকসকলৰ বাবে সম্পূৰ্ণ নতুন আছিল। আইনত কেৱল আইন সংক্ৰান্ত আৰু সাংবিধানিক কথাই ঠাই পোৱা নাছিল ইয়াত অন্যান্য বহুতো কথা আছিল। আইন সংক্ৰান্ত আৰু সাংবিধানিক কথাই আইনৰ সৰহ পৰিমাণৰ ঠাই অধিকাৰ কৰা নাছিল। আইনত প্লেটোৱে এটা মূল প্ৰশ্ন বিচাৰ কৰিবলৈ লৈছিল। সেইটো হৈছে—কি উদ্দেশ্যে সকলো চৰকাৰ আৰু সকলো আইনে কাম কৰে যাৰ ফলত চৰকাৰ আৰু আইনৰ মাজত ঘনিষ্ঠ সম্বন্ধ স্থাপিত হয়? সেই উদ্দেশ্য বা লক্ষ্যটো হৈছে গোটেই জাতিটোৰ বা ৰ উচ্চতম ব্যক্তিত্বৰ বিকাশ কৰা কিয়নো তেতিয়াহে ৰাষ্ট্ৰত সম্পূৰ্ণ ভাল অৱস্থা এটা প্ৰৱৰ্তিত হ'ব। সকলো অনুষ্ঠানৰে স্থায়িত্ব আৰু কাৰ্যকাৰিতা নিৰ্ভৰ কৰে ব্যক্তিত্ব আৰু ইয়াৰ বিকাশৰ সঠিক ধাৰণাৰ ওপৰত। মানুহৰ ব্যৱহাৰৰ সুস্থ আৰু পৰিষ্কাৰ নীতিৰ ওপৰত সাংবিধানিক আৰু আইনগত তত্ত্বৰ ভেটি ৰচিত হ'ব লাগিব। সেইগতিকে ৰাজনীতি নীতিশাস্ত্ৰৰ আদেশত চলিব লাগিব। আইনৰ ক্ষেত্ৰত এই কথাষাৰ আৰু বেছি প্ৰযোজ্য। কিয়নো আইনৰ প্ৰকৃত কাম মানুহক শাস্তি দিয়া নহয় মানুহক পৰিচালনা কৰাহে। এটা জাতি বা এখন সমাজৰ অধিক ভাগ মানুহে ভাল বা ঠিক কামবোৰেই কৰিবলৈ বিচাৰে ভাল বা ঠিক কাম কি সেইটো নজনাৰ দোষতহে তেওঁলোকে সময়ে সময়ে বেয়া কাম কৰে। সেই গতিকে প্লেটোৱে বিশ্বাস কৰিছিল যে প্ৰকৃত আইন কিছুমান হুকুম বা আদেশ থকা এখন তালিকা নহয় যিবোৰ হুকুম বা আদেশ ভংগ কৰিলে মানুহক শাস্তি দিব লাগে। এই আদেশবোৰৰ লগতে কিছুমান নিৰ্দেশাত্মক নীতি থাকিব লাগে যিবোৰে সন্মান সাহসিকতা পৌৰুষ আদি মানুহৰ গুণবোৰক উৎসাহ দিব পাৰে আবেদন কৰিব পাৰে আৰু পৰিচালিত কৰিব পাৰে।

প্লেটোৱে এইটো পৰিষ্কাৰভাৱে বুজিছিল যে কোনো এখন নিৰ্দিষ্ট সমাজ সম্পূৰ্ণ ভাল কৰিব লাগিলে তাৰবাবে নিৰ্দিষ্ট উপায় অৱলম্বন কৰিব লাগিব।

সেই সমাজখন 'সম্পূৰ্ণ ভাল' কৰিবলৈ উপায় অবলম্বন কৰিব লাগিব। সেইটো প্ৰধানকৈ নিৰ্ভৰ কৰিব তাৰ সামাজিক পৰম্পৰা আৰু বৈষয়িক অৱস্থাৰ ওপৰত আৰু ইয়াৰ ওপৰতে সমাজখন 'সম্পূৰ্ণ ভাল' হোৱা-নোহোৱাটোও ভালেখিনি নিৰ্ভৰ কৰিব। কোনো এটা কাম আদৰ্শৰ দিশৰপৰা সৰ্বোৎকৃষ্ট হ'লেও বাস্তৱত সেইটো কাৰ্যকৰী কৰাটো সম্ভৱপৰ নহ'ব পাৰে। তলৰ ফালে লক্ষ্য কৰি মানুহ বাস্তৱবাদী নোহোৱাই ভাল। কিন্তু মানুহে সম্ভৱপৰ সৰ্বোৎকৃষ্ট কাম কৰিবলৈ চেষ্টা কৰা উচিত।

প্লেটোৱে তেওঁৰ চিন্তাৰ আন দুটা বিষয়ত আধুনিকতাৰ পৰিচয় দিছে—(১) তেওঁ বিজ্ঞানসম্মত শিক্ষাৰ ওপৰত জোৰ দিছিল আৰু (২) ধৰ্মৰ ওপৰত তেওঁৰ দৃষ্টিভংগী ৰক্ষণশীল নাছিল। তেওঁ কৈছিল যে মানুহক অন্যান্য প্ৰাণীৰ মাজৰপৰা সহজে উলিয়াই আনিব পাৰি কিয়নো মানুহে সত্য কি জানে আৰু ভাল-বেয়া বিচাৰ কৰিব পাৰে। মানুহৰ মনৰ কঠিন নিয়মানুবৰ্তিতাৰ কাৰণে এইটো সম্ভৱ হৈছে। আইনৰ সপ্তম পুস্তিকাত আমি শিক্ষাৰ ওপৰত প্লেটোৰ সুবিবেচিত মতামতবোৰ পাওঁ। ইয়াত তেওঁ কৈছে যে প্ৰত্যেকজন মুক্তভাৱে জন্ম গ্ৰহণ কৰা নাগৰিকে বিজ্ঞান আৰু মানচিত্ৰৰ উপাদানবোৰৰ বিষয়ে যথেষ্ট প্ৰশিক্ষণ লাভ কৰিব লাগে আৰু আৰম্ভণিৰপৰাই বিভিন্ন পৰ্যায়ত এই শিক্ষা দিব লাগে। ইয়াত তেওঁ আমাক কৈছে যে সেই কাৰণে শিক্ষামন্ত্ৰীজনেই মন্ত্ৰীমণ্ডলীৰ নেতৃত্ব কৰিব লাগে। আইনৰ দ্বাদশ পুস্তিকাত তেওঁ আমাক আকৌ কৈছে যে জ্যামিতি আৰু গ্ৰহবিজ্ঞানত থকা ব্যুৎপত্তি আৰু প্ৰমাণিত গুণ আৰু অসাধাৰণ সাধুতা আদি চাইহে মানুহক স্থায়ী চৰকাৰী নিৰাপত্তা সমিতিত স্থান দিব লাগে।

প্লেটোৰ লিখনীত অলপ ধৰ্মীয় সোৱাদো আছে। সেই গতিকে তেওঁ স্বৰ্গীয় জ্ঞান আৰু ধৰ্মনিৰপেক্ষ জ্ঞানৰ মাজত কোনো বৈপৰীত্য দেখা নাই। আইনৰ তেওঁ লিখা আটাইকেইখন পুস্তিকাৰ ভিতৰত দুখন পুস্তিকাৰ চিৰস্থায়ী গুৰুত্ব আছে। তেওঁৰ সপ্তম পুস্তিকাখনত উচ্চশিক্ষাৰ আঁচনি আছে আৰু দশম পুস্তিকাখনত প্ৰাকৃতিক দাৰ্শনিক ধৰ্মৰ নীতিসমূহ আছে। সপ্তম পুস্তিকাখনত প্লেটোৱে আমাক 'লিচি'ৰ (Lyccee) লগত পৰিচয় কৰি দিছে। 'লিচি' হৈছে সেই সময়ৰ এক প্ৰকাৰৰ মাধ্যমিক স্কুল আৰু ইয়াত উচ্চশিক্ষাৰ বিভিন্ন বিভাগবোৰ এটা প্ৰশাসনিক গোটৰ অধীনতে ৰখা হৈছিল। এই স্কুলখনৰ শিক্ষকসকল পণ্ডিত লোক আছিল তেওঁলোকৰ সংখ্যাও আছিল সৰহ আৰু তেওঁলোকক চৰকাৰৰ ভঁৰালৰপৰা বেতন দিয়া হৈছিল। দশম পুস্তিকাখনত তেওঁ আমাক এখন ধৰ্মীয় বিচাৰালয়ৰ লগত পৰিচয় কৰি দিছে অনভ্ৰান্তিবোৰ দমন কৰিবলৈ এই বিচাৰালয় খনৰ ওপৰত ক্ষমতা অৰ্পণ কৰা হৈছিল।

প্লেটোৰ 'আইন'ৰ আন এটা গুৰুত্বপূৰ্ণ উপাদান হৈছে সংবিধানৰ ভাৰসাম্য ৰক্ষাৰ তত্ত্ব। তেওঁৰ মতে 'যথেষ্ট পৰিমাণৰ সাৰ্বভৌম ক্ষমতা এজন মানুহে বা

কেইজনমান মানুহেৰে গঠিত এটা গোটৰ হাতত থাকিলে এখন ভাল চৰকাৰ গোৱাটো অসম্ভৱ। গতিকে সংবিধানত সাৰ্বভৌম ক্ষমতাৰ ভালদৰে বিভাজন কৰিব লাগিব আৰু ইয়াত ৰাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ আৱশ্যকীয় উপাদান লগ লগাই ৰাখিব লাগিব। ৰাজতন্ত্ৰৰপৰা বিশেষকৈ দুটা উপাদান ল'ব লাগিব। এটা হৈছে—ব্যক্তিগত কৰ্তৃত্ব আৰু আনটো প্ৰাৰম্ভিক নেতৃত্ব। আৰু সেইদৰে গণতন্ত্ৰৰপৰা চৰকাৰী কাম কাজবোৰৰ ওপৰত সঠিক নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰিব পৰা উপাদানবোৰ ল'ব লাগিব। প্লেটোৱে এই কথাবোৰ আইন'ৰ তৃতীয় পুস্তিকাত আলোচনা কৰিছে। এই দিশৰ পৰা বিচাৰ কৰিলে প্লেটোক আধুনিক সংবিধানৰ গুৰু বুলিব পাৰি।

আগতেই উল্লেখ কৰি অহা হৈছে যে কথোপকথনত এজন গ্ৰিছদেশীয় আইন আৰু সাংবিধানিক তত্ত্বৰে ছাত্ৰ এজন বৰ্যসিয়াল ক্ৰেটবাসী আৰু এজন স্পাৰ্টীয় বন্ধু উপস্থিত আছিল। আলোচনাত প্ৰথমতে অৱতাৰণা কৰা প্ৰশ্নটো আছিল স্পাৰ্টা আৰু ক্ৰেটৰ বৈশিষ্ট্যপূৰ্ণ অনুষ্ঠানবোৰত আবিষ্কাৰ কৰি উলিয়াব পৰা কিবা কেন্দ্ৰীয় লক্ষ্য আছেনে আৰু যদি আছে সেই লক্ষটো এনে এটা লক্ষ্য নেকি যিটো স্থিৰ কৰি লবলৈ চূড়ান্ত ৰাজনৈতিক বিচক্ষণতাৰ প্ৰয়োজন হয়? স্পাৰ্টীয় আৰু ক্ৰেটীয়জনে কৈছে যে ভালৰ গুণবোৰৰ বিকাশ সাধন কৰাই হৈছে সেইটো লক্ষ্য আৰু সেইটো কৰিব লাগিব স্থানীয় আইন আৰু অনুষ্ঠানবোৰ সহা[illegible]সহযোগিতাতহে। ইয়াৰ মৌলিক কথাটো হৈছে প্ৰত্যেকখন নগৰ ৰাষ্ট্ৰৰে বিদেশী আক্ৰমণ আৰু ভয়ৰ বিৰুদ্ধে প্ৰতিৰক্ষাৰ প্ৰয়োজন আছে সেইগতিকে সকলোবোৰ ৰাজহুৱা অনুষ্ঠানে এই প্ৰয়োজনটো পূৰণ কৰিবলৈ কাম কৰিব লাগিব। গতিকে সমূহীয় মংগল বা সমূহীয়া গুণ সাহস বা সৈনিকৰ গুণৰ লগত প্ৰায় একে।

ৰাজহুৱা অনুষ্ঠান আৰু মানুহৰ জীৱনৰ এই সামৰিক দৰ্শনৰ প্লেটো ঘোৰ বিৰোধী আছিল। তেওঁৰ মতে বহিঃশত্ৰুক জয় কৰাটোৱেই চূড়ান্ত জয় নহয় অভ্যন্তৰীণ শত্ৰুবোৰক জয় কৰিব পৰাটোহে চূড়ান্ত জয়। অভ্যন্তৰীণ শত্ৰুবোৰক জয় কৰাৰ অৰ্থ হৈছে এখন সমাজ বা এটা জাতিৰ ভিতৰত থকা অসৎ আৰু অসাধু উপাদানবোৰক পৰাভূত কৰা আৰু মানুহৰ নিজৰ মনত থকা বেয়া উপাদানবোৰক ভাল উপাদানবোৰৰদ্বাৰা দমন কৰি ৰখা। এই যুদ্ধখনত জয়লাভ কৰিব লাগিলে অসৎ উপাদানবোৰ আঁতৰ কৰিলে নহ'ব অসৎ উপাদানবোৰক স্বেচ্ছাকৃত ভাৱে ভাল উপাদানবোৰৰদ্বাৰা পৰিচালিত হ'বলৈ সন্মত কৰিব লাগিব। সেই গতিকে যুদ্ধই ৰাজহুৱা আইন আৰু অনুষ্ঠানবোৰৰ লক্ষ্য হোৱা উচিত নহয় শান্তিহে এইবোৰৰ লক্ষ্য হোৱা উচিত। গতিকে জ্ঞান মনৰ সুষমতা আৰু ন্যায়হে মানুহৰ চূড়ান্ত গুণ। সাহসৰ স্থান এই গুণবোৰৰ পিছত। এই সকলোবোৰ গুণ লগ লাগিলে সম্পূৰ্ণ ভাল গুণ হয়।

প্ৰথম পুস্তিকা : এই পুস্তিকাখনত প্ৰধানকৈ তিনিটা কথা আলোচনা কৰা

হৈছে। (১) ৰাষ্ট্ৰ এখন যুদ্ধৰ বাবে নহয় শান্তি বৰ্তাব ৰাখিবে স্থায়ীভাৱে সংগঠিত কৰা উচিত। (২) ৰাষ্ট্ৰখন সেইদৰে সংগঠিত কৰিব লাগিলে ৰাষ্ট্ৰৰ নাগৰিকসকলৰ সম্পূৰ্ণ ভাল চৰিত্ৰ গঢ়ি তুলিবলৈ এটা আদৰ্শ গ্ৰহণ কৰিব লাগিব। সম্পূৰ্ণ ভালেই ৰাষ্ট্ৰীয় আদৰ্শ হ'ব লাগিব। (৩) সম্পূৰ্ণ ভাল কৰিবলৈ নৈতিক প্ৰশিক্ষণৰ প্ৰয়োজন আছে। কিছুমান আনন্দদায়ক অসৎ কামৰ মাজত সুমুৱাই দি মানুহৰ নৈতিকতা পৰীক্ষা কৰিব লাগে। মানুহ উত্তেজনাৰ বশ হ'ব নালাগে মানুহে উত্তেজনাক বশীভূত কৰিব জানিব লাগে। আনন্দ-উৎসৱ আদিত যোগদান কৰিলে মানুহৰ ভদ্ৰতা আৰু শিষ্টতা বাঢ়ে আৰু এইবোৰে চমৎকাৰ নিয়মানুৱৰ্তিতাৰ সৃষ্টি কৰে।

দ্বিতীয় পুস্তিকা : এই পুস্তিকাখনত ল'ৰা ছোৱালীবোৰে কেনেকৈ সিহঁতৰ কল্পনাশক্তি আৰু বিভিন্ন ভাল পোৱা বেয়া পোৱাৰ জৰিয়তে নৈতিক চেতনা লাভ কৰে সেই বিষয়ে আলোচনা কৰা হৈছে। ল'ৰা-ছোৱালীবোৰেও ভাল বস্তু বা ভাল কামত আনন্দ অনুভৱ কৰে আৰু কেতিয়াবা কেতিয়াবা দুখ কষ্টও পায়। জীৱনত লাভ কৰা নানাতৰহৰ সোৱাদ আৰু অভিজ্ঞতাই ল'ৰা ছোৱালীৰ চৰিত্ৰ গঠনত উল্লেখযোগ্য বৰঙণি যোগায়। সোৱাদ আৰু সিদ্ধান্তৰ মাজত থকা বিচ্যুতি কমোৱাই শিক্ষাৰ উদ্দেশ্য হোৱা উচিত। তাৰ পাছত প্লেটোৱে সংগীতৰ ওপৰত মনোনিবেশ কৰিছে।

তৃতীয় পুস্তিকা ৰাজনৈতিক দাৰ্শনিক এজনে নিজকে সুধিবলগীয়া ডাঙৰ সমস্যাৰ বিষয়ে এই পুস্তিকাখনে আলোচনা কৰিছে। সমস্যাটো হৈছে— এখন নগৰ কি আৰু নগৰ এখন কেনেকৈ হয় ? এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ প্লেটোৱে উৎপত্তি বিষয়ক পদ্ধতি অৱলম্বন কৰিছে। ইয়াত তেওঁ আইন আৰু সাংবিধানিক ব্যৱস্থাৰ উৎপত্তি স্থান বিচাৰি উলিয়াবলৈ চেষ্টা কৰিছে আৰু লগতে আইন আৰু সাংবিধানিক ব্যৱস্থাৰ কাৰ্য্য আৰু ইয়াৰ বাবে আৱশ্যকীয় অৱস্থাৰ বিষয়েও তেওঁ অনুসন্ধান কৰিছে। পোন প্ৰথমতে এয়েই আছিল ইতিহাসৰ দৰ্শন। প্ৰথমতে পিতৃপ্ৰধান ধৰণৰ গ্ৰাম্য সমাজ গঠিত হৈছিল। ইয়াৰ পাছত ডাঙৰ ডাঙৰ সামাজিক গোটৰ সৃষ্টি হৈছিল আৰু এই গোটবোৰ কৃষিকাৰ্য্য শিল্পকাৰ্য্যৰ লগত প্ৰধানকৈ জড়িত আছিল। মানুহৰ জীৱনত সমূহীয়া শাসন চলাৰ লগে লগে প্ৰথমে আইন আৰু ৰাজনৈতিক সাৰ্বভৌমত্বই ভুমুকি মাৰিছিল। ইয়াৰ পাছত ডাঙৰ ডাঙৰ নগৰবোৰ গঢ়ি উঠিছিল মানুহৰ হাতত সম্পত্তি জমা হৈছিল যুদ্ধ-বিগ্ৰহৰ সৃষ্টি হৈছিল শক্তিশালী ৰজাবোৰৰ জন্ম হৈছিল আৰু এনেকৈ বীৰৰ যুগ আহি ছিল। ইয়াৰপৰাই এৰিষ্টটলে তেওঁৰ প্ৰথম পৰিয়ালৰ সূত্ৰ উদ্ভাৱন কৰিছিল। ইয়াৰ পাছতে গাঁৱলীয়া সমাজৰ সৃষ্টি হৈছিল। তালৈমান পৰিয়াল লগ লাগিয়েই একোখন গাঁৱৰ সৃষ্টি হৈছিল। গাঁৱলীয়া সমাজৰপৰাই শেষত পূৰ্ণ পৰ্য্যায়ৰ নগৰ ৰাষ্ট্ৰৰ সৃষ্টি হৈছিল।

প্ৰত্যেকখন ৰাষ্ট্ৰৰ কল্যাণৰ কাৰণে সংবিধানত ভাৰসাম্য ৰক্ষা কৰিবলৈ সাৰ্ব ভৌম ক্ষমতা চৰকাৰৰ বিভিন্ন অংগবোৰৰ মাজত ভাগ কৰি দিব লাগে। সাৰ্বভৌম ক্ষমতা এজনৰ হাতত থকাটো বিপদজনক। এখন সুস্থ আৰু সক্ষম সংবিধানৰ দুটা অপৰিহাৰ্য্য উপাদান আছে—ব্যক্তিগত শাসন (ৰাজতন্ত্ৰ) আৰু জনপ্ৰিয় নিয়ন্ত্ৰণ (গণতন্ত্ৰ)। শাসকৰ হাতত কৰ্তৃত্ব থাকিব লাগে কিন্তু তেওঁ সেই কৰ্তৃত্ব স্বেচ্ছাচাৰীভাৱে ব্যৱহাৰ কৰিব নোৱাৰে ব্যক্তিসকলৰ স্বাধীনতা আৰু কোনো কাম নিজ ইচ্ছামতে আৰম্ভ কৰিবলৈ অধিকাৰ থাকিব লাগে কিন্তু তেওঁলোকে অৰাজকতাৰ সৃষ্টি কৰিব নোৱাৰে। আইন'ত প্লেটোৱে ৰাজতন্ত্ৰ বা গণতন্ত্ৰ কোনোটোকে এককভাৱে সমৰ্থন কৰা নাছিল বৰং তেওঁ দুয়োটাৰে মাজত সমন্বয় সাধন কৰিবলৈহে বিচাৰিছিল। বস্তুনিৰপেক্ষ আৰু অনিয়ন্ত্ৰিত সাৰ্বভৌম অধি কাৰ কেৱল ভগৱানৰহে আছে মানুহৰ থাকিব নোৱাৰে। ৰাজনৈতিক জাতিবোৰৰ মাজত আইনৰ মাধ্যমেৰে যুক্তিয়ে শাসন কৰিব লাগে।

চতুৰ্থ পুস্তিকা এই পুস্তিকাখনত প্লেটো'ৱে ৰাষ্ট্ৰৰ ৰাজনৈতিক যন্ত্ৰ টোৰ ওপৰত ভৌগোলিক অৱস্থাৰ প্ৰভাৱৰ বিষয়ে আলোচনা কৰিছে। ইয়াত তেওঁ কৈছে যে এখন সমাজৰ কাৰণে আইনগত আৰু সাংবিধানিক অনুষ্ঠানবোৰ খুব উপযুক্ত হ'ব লাগে। সেই গতিকে ৰাষ্ট্ৰখনৰ বাবে আইন ৰচনা কৰোঁতে আৰু সাংবিধানিক অনুষ্ঠানবোৰ স্থাপন কৰোঁতে ইয়াৰ প্ৰাকৃতিক পৰিবেশ আৰ্থিক সমল আৰু জনসংখ্যাৰ গঠন ভালদৰে অধ্যয়ন কৰি ল'ব লাগে আৰু সেইবোৰৰ লগত খাপ খোৱাকৈ আইন আৰু সাংবিধানিক অনুষ্ঠানবোৰৰ ব্যৱস্থা কৰিব লাগে। প্লেটো ডাঙৰ সামুদ্ৰিক ব্যৱসায়ৰ পক্ষ নাছিল কিয়নো ইয়াৰ বাবে শক্তি শালী দুখ পৰিবহনৰ প্ৰয়োজন আছিল আৰু ইয়াৰ ফলত আক্ৰমণাত্মক সাম্ৰাজ্য বাদী চিন্তাৰ সৃষ্টি হোৱাৰ প্ৰভূত সম্ভাৱনা আছিল। তেওঁৰ মতে সম্পত্তি আৰু ৰাজনৈতিক আধিপত্যই জাতি এটাক মহৎ কৰিব নোৱাৰে চৰিত্ৰ আৰু বৌদ্ধিক জ্ঞানেহে জাতি এটাক মহৎ কৰে। প্লেটো বিশ্বনাগৰিকত্বৰ বিৰোধী আছিল।

যিবোৰ অনুষ্ঠান আৰু আইনে সম্পূৰ্ণ ভাল সাধন কৰিব পাৰে সেইবোৰ অনুষ্ঠান আৰু আইন কি তাক বিচাৰি উলিয়াবলৈ প্লেটোৱে চেষ্টা কৰিছিল। তেওঁ মানুহৰ কৰ্তব্যৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছে। আইন হৈছে যুক্তিৰ মূৰ্তপ্ৰকাশ আৰু সেইগতিকে ইয়াৰ সকলোৰে লগত সম্বন্ধ আছে। আইন বেছি নিৰ্দেশাত্মক হ'ব লাগে আৰু কম শাস্তিমূলক বা প্ৰতিশোধাত্মক হ'ব লাগে। সেই গতিকে আইনৰ প্ৰতিটো ধাৰাৰ আগ'ত একোটাকৈ উপক্ৰমণিকা থাকিব লাগে আৰু তাত ইয়াৰ উদ্দেশ্যৰ ব্যাখ্যা কৰিব লাগে। প্ৰত্যেকজন মানুহে সদায় ভালটোহে অনুসৰণ কৰিব লাগে আৰু ঠিক জোখৰ জীৱন যাপন কৰিব লাগে। ইয়াৰ বাবে তেওঁৰ নৈতিক মূল্যৰ সঠিক জোখ ল'বলৈ এটা ধাৰণা থাকিব লাগিব সঠিক নিয়মে সন্মান প্ৰদৰ্শন কৰিব জানিব লাগিব প্ৰথমে নগৰ ৰাষ্ট্ৰৰ

দেৱতাসকলক সন্মান জনাব লাগিব আৰু শেষত নিজ বংশৰ মানুহবোৰক আৰু সমকালীন লোকসকলক শ্ৰদ্ধাৰ চকুৰে চাব লাগিব। প্ৰত্যেক মানুহে প্ৰথমে গুণ আৰু জ্ঞানৰ প্ৰতি নজৰ দিব লাগিব তাৰ পাছত স্বাস্থ্য আৰু শেষত ধন-সম্পত্তিৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। প্ৰত্যেকজন মানুহে তেওঁৰ লগৰীয়া নাগৰিকসকলৰ প্ৰতি ভদ্ৰ আৰু সহনশীল হ'ব লাগে আৰু বিদেশীসকলৰ প্ৰতিও তেওঁৰ তদনুৰূপ ব্যৱহাৰ হ'ব লাগে। নাগৰিকসকলে কৰ্তৃপক্ষক অপৰাধীক শাস্তিদান কাৰ্যত সহায় কৰিব লাগে অৱশ্যে এই কাৰ্যত কাৰো প্ৰতি প্ৰতিশোধাত্মক আচৰণ কৰিব নালাগে। এইবোৰে আমাক আইনৰ পঞ্চম পুস্তিকাৰ মাজলৈ লৈ যায়।

পঞ্চম পুস্তিকা : এই পুস্তিকাখনত প্লেটোৰ প্ৰকৃত সামাজিক আৰু ৰাজনৈতিক গঠনবিধি বিষয়ে আলোচনা কৰিছে। প্ৰকৃত সামাজিক আৰু ৰাজনৈতিক কৰ্তৃপক্ষৰ দুই ধৰণৰ গঠন আৰু চৰিত্ৰ আছে। (১) এটা প্ৰণালীবদ্ধ আইনৰ গোট (২) এটা বিচাৰক আৰু বিষয়াৰ কাৰ্যপালিকা। এই কাৰ্যপালিকাটোৱে আইনবোৰ কাৰ্যকৰী কৰে। কাৰ্যপালিকাত যিবোৰ লোকে স্থান পাব তেওঁলোক যথেষ্ট বুদ্ধিবৃত্তিসম্পন্ন আৰু সৎ চৰিত্ৰৰ মানুহ হ'ব লাগে। কিছুমান নিৰ্দিষ্ট সামাজিক পৰিবৰ্তন নিয়ন্ত্ৰণকাৰী শক্তি আছে। ৰাষ্ট্ৰৰ নায়কসকলে সেইবোৰ সদায় মানি চলিব লাগে।

(১) মানুহৰ ঘৰ আৰু পৰিয়ালৰ সংখ্যা একেদৰে থাকিব লাগে। এই বিষয়ৰ আদৰ্শনীয় সংখ্যা ৫০৪০।

(২) সাম্যবাদী দৃষ্টিভংগীৰ সমাজখন সংগঠিত কৰা উচিত নহয়। ব্যক্তিগত পৰিয়াল আৰু ব্যক্তিগত সম্পত্তি সমাজৰ মৌলিক অনুষ্ঠান হৈ থকা উচিত। খেতিয়কসকলৰ মালিকীস্বত্বৰ ভিত্তিত সমাজখন সংগঠিত হোৱা উচিত। প্ৰত্যেকটো পৰিয়ালৰ আৱশ্যকীয় পৰিমাণৰ মাটি-সম্পত্তি থাকিব লাগে আৰু এই সম্পত্তি মাত্ৰ এজন মানুহেহে উত্তৰাধিকাৰীসূত্ৰে পাব লাগে।

(৩) যিমানদূৰ সম্ভৱ হয় অৰ্থনৈতিক অসমতা সৃষ্টি হোৱাৰ পথ বন্ধ কৰিব লাগে। ব্যৱসায় বাণিজ্যত কঠোৰ নিয়ন্ত্ৰণ প্ৰৱৰ্তন কৰিব লাগে। প্লেটোৱে সম্পত্তিৰ ভিত্তিত সমাজক চাৰিটা ভাগত বিভক্ত কৰাৰ কথা কৈছিল।

(৪) কিছুমান গুৰুত্বপূৰ্ণ চৰকাৰী পদবী সম্পত্তিবান শ্ৰেণীৰ মানুহৰ বাবে সংৰক্ষণ কৰি ৰখা উচিত। প্ৰশাসনিক উদ্দেশ্যত প্লেটোৱে নগৰ ৰাষ্ট্ৰৰ জনসাধাৰণক বাৰটা ফৈদত ভাগ কৰিছিল আৰু ৰাজধানীখন বাৰটা খণ্ডত ভাগ কৰিছিল।

ষষ্ঠ পুস্তিকা : এই পুস্তিকাখনত কিছুমান অত্যাৱশ্যকীয় শাসনকৰ্তাৰ পদবী আৰু প্ৰশাসনিক সমিতিৰ গঠনৰ বিষয়ে আলোচনা কৰা হৈছে।

(১) সকলোবোৰ শাসনকৰ্তাৰ পদৰ ভিতৰত আইনৰ অভিভাৱকসকলৰ পদৰ গুৰুত্ব বেছি আছিল। এওঁলোকৰ সংখ্যা আছিল ৩৭। এওঁলোক প্ৰমাণিত বুদ্ধি বৃত্তি আৰু চৰিত্ৰৰ লোক আছিল আৰু এওঁলোকৰ বয়স ৫০ৰপৰা ৭০ৰ ভিতৰত আছিল। এওঁলোকৰ প্ৰধান কৰ্তব্য আছিল আইনৰ শাসনৰ ওপৰত তত্ত্বাবধান কৰা। তদুপৰি তেওঁলোকে সম্পত্তিৰ হিচাপ ৰাখিব লাগিছিল যিসকল মানুহে তেওঁলোকৰ আয়ৰ হিচাপত চুৰ কৰে তেওঁলোকক শাস্তি দিব লাগিছিল আৰু ডাঙৰ অপৰাধবোৰৰ বিচাৰ কৰিব লাগিছিল। (২) কাৰ্য্যনিৰ্বাহক পৰিষদখন প্ৰতিনিধিত্বমূলক সভা আছিল। এই পৰিষদখনে প্ৰশাসনিক হুকুম দিছিল কিন্তু ই আইন প্ৰণয়ন কৰিব নোৱাৰিছিল। সম্পত্তিৰ ভিত্তিত গঠিত হোৱা চাৰিওটা শ্ৰেণীৰ মানুহক সমানে প্ৰতিনিধিত্ব দিব পৰাকৈ এটা পদ্ধতি অৱলম্বন কৰি এই পৰিষদখন গঠন কৰা হৈছিল। এই কাৰ্য্যনিৰ্বাহক পৰিষদখনৰ সদস্য সংখ্যা আছিল ৩৬০। প্ৰত্যেকটো সম্পত্তিভিত্তিক শ্ৰেণীৰ ইয়াত সমান প্ৰতিনিধি আছিল। গোটেই পৰিষদখনৰ $\frac{1}{12}$ অংশ সদস্যৰে মাহিলী কৰ্তব্য নিৰ্ধাৰক সমিতি গঠিত হৈছিল।

(৩) কিছুমান নগৰ আয়ুক্ত আৰু কিছুমান গাঁওসমূহৰ আয়ুক্ত আছিল।

(৪) শিক্ষামন্ত্ৰীজন আইনৰ অভিভাৱকসকলৰ মাজৰপৰা নিৰ্বাচিত কৰা হৈছিল আৰু তেওঁৰ বয়স ৫০ বছৰৰ অধিক হ'ব লাগিছিল আৰু তেওঁৰ ল'ৰা ছোৱালী থাকিব লাগিছিল।

স্বাস্থ্যকৰ পৰিয়ালৰ জীৱনৰ ওপৰতে এটা ভাল সমাজব্যৱস্থাৰ ভেটি গঢ়ি উঠাটো প্ৰয়োজনীয় আছিল বাবেই প্লেটোৰ বিধায়ীসকলে বিবাহব্যৱস্থাৰো নিয়ন্ত্ৰণ কৰিছিল। ইয়াৰদ্বাৰা তেওঁলোকে দৰা কন্যাৰ সুনিৰ্বাচন কৰিছিল আৰু যৌতুক প্ৰথাৰ অৱসান ঘটাবলৈ চেষ্টা কৰিছিল। তেওঁ ইয়াৰ বাবে মহিলাসকলৰদ্বাৰা গঠিত এখন পৰিষদ পাতি দিয়াৰ পোষকতা কৰিছিল। এই মহিলাৰ পৰিষদখনে নৱবিবাহিত দৰা কন্যাৰ বৈবাহিক জীৱনৰ আচাৰ-ব্যৱহাৰ দহবছৰ সময়ৰ বাবে পৰিদৰ্শন কৰিব লাগিছিল। এই পৰিদৰ্শনত তেওঁলোকে বিশেষকৈ দৰা কন্যাৰ নৈতিকতা আৰু স্বাস্থ্যৰ প্ৰতি নজৰ দিব লাগিছিল। ৰাষ্ট্ৰই সকলোবোৰ জন্ম-মৃত্যুৰ হিচাপ ৰাখিব লাগিছিল। ৩০ বছৰৰ কম মতামানুহ আৰু ৪০ বছৰৰ কম মানুহক কোনো পদবী দিয়াটো উচিত নাছিল।

সপ্তম পুস্তিকা : এই পুস্তিকাখনত সাৰ্বজননীন শিক্ষাৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত যিবোৰ যুক্তি দাঙি ধৰা হৈছে সেইবোৰ যথেষ্ট পুষ্ঠ আৰু শক্তিশালী। ইয়াত কোৱা হৈছে যে আৰম্ভণিৰপৰাই শিক্ষা চৰকাৰী নিয়ন্ত্ৰণৰ অধীনত থাকিব লাগে। তিনিবছৰ বয়সতে ল'ৰা-ছোৱালীবোৰে জ্ঞানসম্পন্ন সংশোধন-বোৰ লাভ কৰিবলৈ আৰম্ভ কৰিব লাগে। ছবছৰ বয়সলৈ তেওঁলোকৰ খেলা ধুলাবোৰ মহিলাসকলে চোৱা চিতা কৰিব লাগে। ছবছৰ বয়সতে নিয়মীয়া পাঠ্য

পঢ়োৱা আৰম্ভ কৰিব লাগে আৰু তেতিয়াৰেপৰা ল'ৰা-ছোৱালীবোৰক বেলেগে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। ছোৱালীবোৰে ঘোঁৰাত উঠা শিকিব লাগে আৰু অস্ত্ৰ শস্ত্ৰৰ ব্যৱহাৰ জানিব লাগে। তদুপৰি ছোৱালীবোৰ নাচ আৰু মল্ল যুঁজতো পাকৈত হ'ব লাগে। ছোৱালীবোৰক সংগীতো শিকাব লাগে। সংগীতে সোৱাদ আৰু বন্ধি বৰ্ত্তিৰ প্ৰশিক্ষণ দিয়াত সহায় কৰে। আইনৰ অভিভাৱকসকলে এইটো চাব লাগিব যে কেৱল যেন প্ৰয়োজনীয় ৰচনাৰ সংগীতহে ল'ৰা-ছোৱালীবোৰক শিকিবলৈ দিয়া হয়। প্লেটোৱে পোনপ্ৰথমে সাহিত্যৰপৰা দুঃখজনক বা বিয়োগান্ত ঘটনা আঁতৰ কৰিবলৈ বিচাৰিছিল। সেই গতিকে তেওঁ সাহিত্যৰ ওপৰত কঠোৰ দণ্ড ৰখাৰ ব্যৱস্থা কৰিছিল। তেওঁৰ মতে এটা ভাল ঘৰ দুৱাৰ থকা স্কুল যথেষ্ট খোলা ঠাই আৰু বিশেষ ব্যুৎপত্তিসম্পন্ন শিক্ষকৰ প্ৰয়োজন আছিল। সেই স্কুলবোৰ ৰাষ্ট্ৰব্যৱস্থাৰ সাহায্যপ্ৰাপ্ত আৰু ৰাষ্ট্ৰব্যৱস্থাৰ নিয়ন্ত্ৰিত হ'ব লাগে। এই স্কুলবোৰত ছাত্ৰ ছাত্ৰীসকলৰ উপস্থিতি বাধ্যতামূলক হ'ব লাগে। এই ধৰণৰ স্কুলবোৰেই আধুনিক যুগৰ মাধ্যমিক স্কুলবোৰৰ পূৰ্বাভাস আছিল।

শিক্ষণীয় বিষয় সম্বন্ধে প্লেটোৱে কৈছিল যে ১৬ বছৰ কাললৈকে ল'ৰা ছোৱালীক গণিত গ্ৰহবিজ্ঞান আৰু সংগীতৰ জ্ঞান দিব লাগে। এইছোৱা সময়তে সিহঁতক ভালদৰে লিখিব আৰু পঢ়িব জনা ক'ৰি তুলিব লাগে আইন আৰু নৈতিকতাৰ বিষয়ে ভাল ভাল পুথি পঢ়িবলৈ দিব লাগে। ইয়াৰ পাছত সিহঁতে উচ্চ গণিত জ্যামিতি আৰু গ্ৰহবিজ্ঞান অধ্যয়ন কৰিব লাগে। এইদৰে প্লেটোৰ উচ্চশিক্ষাৰ বিজ্ঞানৰ প্ৰতি প্ৰৱণতা আছিল। সপ্তম পুস্তিকাখনৰ শেষৰ ফালে তেওঁ খেলপথাৰৰ নিয়মানুবৰ্তিতাৰ বিষয়েও আলোচনা কৰিছিল।

অষ্টম পুস্তিকা এই পুস্তিকাখনত থকা বিষয়বস্তুবোৰক শ্ৰেণীবিভাগ কৰাটো কঠিন। প্ৰথমতে ইয়াত সমাজত থকা মানুহৰ গোটেই জীৱনটোৰ বাবে দৈনন্দিন কাম কাজবোৰৰ ব্যৱস্থা কৰা হৈছিল। ধৰ্মীয় নিয়মৰ অধীনত এই কাম কাজবোৰ চলিছিল। প্ৰত্যেক মাহ আৰু প্ৰত্যেক দিনৰ বাবে মানহে নিৰ্দিষ্ট পূজা উপাসনা কৰিব লাগিছিল। তদুপৰি তেওঁলোকে খেলা ধূলা সংগীত আৰু অন্যান্য প্ৰতিদ্বন্দ্বিতাতো যোগদান ক'ৰিব লাগিছিল। খেলা ধূলাত একেলগে অংশ গ্ৰহণ কৰাৰ ফলত ল'ৰা ছোৱালীৰ মাজত নৈতিকতাবিহীন কাম সংঘটিত হোৱাৰ আশংকা ক'ৰি প্লেটোৱে ইয়াৰ প্ৰতিৰোধক হিচাপে বিদ্যমান সামাজিক পৰম্পৰা গঢ়ি তুলিবলৈ যত্ন কৰিছিল। এই পুস্তিকাখনৰ বাকী অংশটোত ব্যক্তিগত অনিষ্টসাধন আৰু ভূমি সংক্ৰান্ত বিশৃংখলাৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াত আকৌ কোৱা হৈছে যে সকলোবোৰ শিল্প বিদেশীৰ হাতত থাকিব লাগে।

নৱম পুস্তিকা : এই পুস্তিকাখনত ফৌজদাৰী আইনৰ বিষয়ে আলোচনা কৰা হৈছে। আগতেই উল্লেখ কৰি অহা হৈছে যে প্লেটোৱে ফৌজদাৰী আইন আৰু দেৱানী আইনৰ মাজত পাৰ্থক্য দেখুৱাই তেওঁৰ মৌলিকতা প্ৰকাশ কৰিছে।

এই পুস্তিকাখনত সকলোবোৰ ব্যক্তিগত আৰু ৰাজহুৱা অধিকাৰ ভংগৰ বিষয়ে আলোচনা কৰা হৈছে।

দশম পুস্তিকা এই পুস্তিকাখন ইয়াৰ পাছৰ সকলোবোৰ প্ৰাকৃতিক ধৰ্মতত্ত্বৰ ভেটি। এই পুস্তিকাখনে ভগৱানৰ অস্তিত্ব প্ৰদৰ্শন কৰিবলৈ চেষ্টা কৰিছে। ইয়াত তেওঁ পৃথিৱীৰ নৈতিক চৰকাৰ আৰু চকুৰে দেখা সমাজব্যৱস্থাৰ জনা শুনা কথাবোৰৰ মাজত থকা পাৰ্থক্য উলিয়াই দেখুৱাইছে। ইয়াতেই প্ৰথমে তেওঁ এটা অনুসন্ধানকাৰী ব্যৱস্থা গঠন কৰিবলৈ পৰামৰ্শ আগবঢ়াইছে। এই পৰামৰ্শটো আগবঢ়োৱাৰ কাৰণ হৈছে এয়ে যে প্লেটোৰ মতে কিছুমান বিশ্বাসে বা অন্ধবিশ্বাসে সমাজৰ নৈতিক জীৱন বিষাক্ত কৰি তোলে। এইবোৰক এইদৰে ভাগ কৰিব পৰা যায়— (১) নাস্তিকতা (২) ঈশ্বৰৰ অস্তিত্বত বিশ্বাস কিন্তু ইয়াৰ প্ৰকাশত অবিশ্বাস (৩) ভগৱানক প্ৰাৰ্থনা কৰিলে আৰু ভগৱানৰ প্ৰতি উচৰ্গা কৰিলে পাপীৰ পাপ খণ্ডন হয় ইত্যাদি।

একাদশ পুস্তিকা এই পুস্তিকাখনত বহুতো আইনৰ বিষয় আলোচনা কৰা হৈছে। এই আইনবোৰ কম গুৰুত্বপূৰ্ণ অপৰাধত ব্যৱহাৰ কৰা হৈছিল।

দ্বাদশ পুস্তিকা : এই পুস্তিকাখনত চৰকাৰী আইনৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাষ্ট্ৰদূতসকলৰ ক্ষমতাৰ অপব্যৱহাৰ আৰু ৰাজহুৱা ধন আত্মসাৎ কৰাৰ বিষয়েও ইয়াত আলোচনা কৰা হৈছে। ইয়াত কোৱা হৈছে যে বাৰজনীয়া এটা সমিতিয়ে ৰাজহুৱা ধনৰ হিচাপপৰীক্ষাত লিপ্ত থকা বিষয়াসকলৰ কাম কাজবোৰ পৰিদৰ্শন আৰু পৰীক্ষা কৰিব লাগিছিল।

প্লেটো বিশ্বনাগৰিকত্ব আৰু সম্পূৰ্ণ সংকীৰ্ণ নাগৰিকত্ব উভয়ৰে বিৰোধী আছিল। তেওঁ ৰাষ্ট্ৰীয় অনুমতিসাপেক্ষে বিদেশ ভ্ৰমণৰ পৰামৰ্শ দিছিল। বিদেশ ভ্ৰমণকাৰীসকলে বিদেশৰপৰা ঘূৰি আহি নকটাৰনেল পৰিষদৰ আগত হাজিৰ হ'ব লাগিছিল। নকটাৰনেল পৰিষদখনত ১২ জনীয়া সমিতিখনৰ সদস্যসকল আছিল ১০ জন বয়সস্থ আইনৰ অভিভাৱক আছিল শিক্ষামন্ত্ৰী আৰু প্ৰাক্তন শিক্ষামন্ত্ৰী দুজন আছিল। এই পৰিষদলৈ সমান সংখ্যক ডেকা সহকাৰী ওপৰত উল্লেখ কৰা সদস্যবোৰে নিৰ্বাচিত কৰি ল'ব লাগিছিল। এওঁলোকৰ বয়স ৩০ৰপৰা ৪০ বছৰৰ ভিতৰত হ'ব লাগিছিল। এই নকটাৰনেল পৰিষদখন জাতীয় জীৱন সুশৃংখলভাৱে ৰাখিবলৈ অবিৰতভাৱে নিজৰ ক্ষমতা প্ৰয়োগ কৰি কাম কৰি থাকিব লাগিছিল। ৰাষ্ট্ৰখনে সম্পূৰ্ণ ভাল কৰাই ইয়াৰ প্ৰধান লক্ষ্য আছিল। এই পৰিষদ খনৰ সদস্যসকলে জ্ঞানৰদ্বাৰা পৰিচালিত হৈ ৰাষ্ট্ৰত দেৱতাৰ দৰে কাম কৰিব লাগিছিল। তেওঁলোকে অংক গ্ৰহবিজ্ঞান আৰু দৰ্শন ভালদৰে জানিব লাগিছিল। দৰাচলতে এই নকটাৰনেল পৰিষদখনকে গণৰাজ্যত প্লেটোৱে বৰ্ণনা কৰা দাৰ্শনিক ৰজাজনৰ লগত তুলনা কৰিব পাৰি।

'আইন'ত ৰাষ্ট্ৰতন্ত্ৰ

গণৰাজ্য'ত প্লেটোৱে এখন আদৰ্শ ৰাষ্ট্ৰৰ ছবি আঁকিছিল 'আইন' খন লিখাৰ সময়ত তেওঁৰ ভাবধাৰা আৰু দৃষ্টিভংগীৰ কিছু পৰিবৰ্তন ঘটিছিল। গণৰাজ্য'ত দাৰ্শনিক ৰজাৰ শাসনত তেওঁৰ বিশ্বাস আৰু আস্থা কিছু পৰিমাণে নাইকিয়া হৈছিল আৰু ইয়াত তেও আইনৰ কাৰ্য্যক্ষমতাৰ ওপৰত নিৰ্ভৰশীল হৈছিল। অৱশ্যে প্লেটোৱে কেতিয়াও তেওঁৰ দাৰ্শনিক ৰজাৰ আদৰ্শ শাসনৰ ধাৰণাটো পৰিত্যাগ কৰা নাছিল। পাছত তেওঁ কেৱল এই কথাটোত সন্মত হৈছিল যে দাৰ্শনিক ৰজাৰ অভাৱ হ'লে দৰ্শনৰদ্বাৰা পৰোক্ষভাৱে ৰাষ্ট্ৰ এখন শাসন কৰাব পাৰিলেও বেয়া নহয়। সেই গতিকে তেও দাৰ্শনিক নীতিবোৰ আইনত সুমুৱাই দি আইনৰ শাসন প্ৰৱৰ্তন কৰিবলৈ বিচাৰিছিল। অৰ্থাৎ তেও যি আইনৰ কথা কৈছিল সেয়া আছিল দাৰ্শনিক আইন। দাৰ্শনিক আইনৰ শাসন তেওঁৰ মতে দাৰ্শনিক ৰজাৰ শাসনৰ দৰেই আছিল। তেওঁৰ মতে এই শাসন দ্বিতীয় উৎকৃষ্ট ৰাষ্ট্ৰৰ শাসন আছিল। এই দ্বিতীয় উৎকৃষ্ট ৰাষ্ট্ৰৰ সংবিধানত বিভিন্ন উপাদান আছিল সেই গতিকে ইয়াৰ অধীনত ৰজা প্ৰজা ধনী দুখীয়া সকলোৱে শাসনৰ ক্ষমতা লাভ কৰিব পাৰিছিল। এইদৰে মিশ্ৰিত সংবিধানৰ অধীনত আইনৰ শাসন প্লেটোৰ জীৱনৰ শেষ সময়ৰ প্ৰধান ৰাজনৈতিক ধাৰণাত পৰিণত হৈছিল। আদৰ্শ আৰু বাস্তৱৰ মাজতে এইটো এটা মধ্যৱৰ্তী ব্যৱস্থা আছিল। আন কথাত, ইয়াক অৰ্ধ আদৰ্শ ৰাষ্ট্ৰ বুলিও ক'ব পৰা যায়। গ্ৰীছদেশত সেই সময়ত চলি থকা আচল অৱস্থাৰ লগত ইয়াক সম্পূৰ্ণৰূপে খাপ খুৱাব পৰা নগৈছিল। তথাপি আইনৰ শাসন প্ৰৱৰ্তন কৰিব পৰা অৱস্থা তেতিয়া ওতত আছিল। গ্ৰীকসকলৰ আগৰেপৰা মৌলিক আইনৰ শাসনৰ এটা ধাৰণা আছিল। সম্ভৱত প্লেটো আকৌ সেই ধাৰণাটোলৈ উভতি গৈছিল। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত দাৰ্শনিক ৰজাজন গণৰাজ্যৰ অভিভাৱক আছিল আৰু তেওঁৰ হাত আইনৰদ্বাৰা বন্ধা নাছিল। আইন'ত বৰ্ণনা কৰা দ্বিতীয় উৎকৃষ্ট ৰাষ্ট্ৰখনত শাসকসকল আইনৰ অভিভাৱক আইনৰ চাকৰ আৰু আইনৰ দাসো আছিল। আগতেই উল্লেখ কৰিব পৰা হৈছে যে প্লেটোৱে তেওঁৰ বিশ্বাস দাৰ্শনিক ৰজাৰপৰা উঠাই আনি আইনৰ শাসনত স্থাপন কৰাৰ কাৰণ এইটোও হ'ব পাৰে যে তেওঁৰ নিজৰ স্কুলটোই আইন সৃষ্টিকাৰী এটা কাৰখানা আছিল আৰু তাৰপৰা হয়তো ফৌজদাৰী আইন আৰু দেৱানী আইনৰ উৎপত্তি হৈছিল।

প্লেটোৱে এইটো জোৰ দি কৈছিল যে বিধায়ীসকলে আইন প্ৰণয়ন কৰোঁতে সদায় কিছুমান মৌলিক নীতি মানি চলিব লাগে। তেওঁলোকে আইন প্ৰণয়ন কৰিবলৈ যাওঁতে কোনো এটা গুণৰ এটা অংশ জানি লোৱাটোৱেই যথেষ্ট নহয়, সকলোবোৰ গুণ ভালদৰে আহৰণ কৰি ল'ব লাগে। ইয়াৰ বাবে তেওঁলোকে

সম্পূৰ্ণ গুণৰ এটা পৰিষ্কাৰ অবধাৰণা লৈহে আগবাঢ়িব লাগে। গণৰাজ্য'ত তেওঁ সম্পূৰ্ণ গুণকে ন্যায় বুলি কৈছিল। আত্মনিয়ন্ত্ৰণ গুণ হিচাপে ন্যায়ৰ লগৰীয়া। ন্যায় থাকিব লাগলে আত্মনিয়ন্ত্ৰণো থাকিব লাগিব। আত্মনিয়ন্ত্ৰণৰ অৰ্থ হৈছে মানুহৰ মনৰ ক্ষুধাই যুক্তিৰ শাসন মানি চলা। আত্মনিয়ন্ত্ৰণ গুণটোৱে আইন'ত প্ৰধান চালিকা শক্তি হিচাপে কাম কৰিছে। প্লেটোৰ আদৰ্শই ইয়াত বিভিন্ন উপাদানৰ মিলন ঘটাইছে যেনেগ বেলেগ কাৰ্যৰ কাৰণে কোনো বিভাজন ঘটোৱা নাই। গণৰাজ্য'ত প্লেটোৱে আত্মনিয়ন্ত্ৰণক ন্যায়ৰ তলতীয়া কৰি ৰাখি ছিল ইয়াত তেওঁ ন্যায়ক আত্মনিয়ন্ত্ৰণৰ তলতীয়া কৰিছে। আত্মনিয়ন্ত্ৰণৰপৰা জ্ঞানৰ উদয় হয় অৰু ইয়াৰ ওপৰতে জ্ঞান নিৰ্ভৰশীলো। আত্মনিয়ন্ত্ৰণৰপৰা সম্পূৰ্ণ গুণ আয়ত্ত কৰিব নোৱাৰিলে কোনো গুণে মানুহক গুণী কৰিব নোৱাৰে। সকলো গুণৰে আত্মনিয়ন্ত্ৰণ পূৰ্বচৰ্ত। জ্ঞান সাহস ন্যায আদিৰ দৰে আত্মনিয়ন্ত্ৰণো আৱশ্যকীয় সম্পূৰ্ণ গুণ। আত্মনিয়ন্ত্ৰণৰ অৰ্থ হৈছে ক্ষুধাৰ লগত যুক্তিৰ মুক্ত মিলন। গতিকে এইটো পৰিষ্কাৰ যে বিধায়ীসকলে আইন প্ৰণয়ন কৰোঁতে আত্মনিয়ন্ত্ৰণৰ সম্পূৰ্ণ গুণটো মনত ৰাখি আইন প্ৰণয়ন কৰিলে আইনে এক লগে তিনিটা উদ্দেশ্য সাধন কৰিব নগৰৰাষ্ট্ৰ মুক্ত বা স্বাধীন হ'ব ইয়াত সম্পূৰ্ণ একতা বিৰাজ কৰিব আৰু ইয়াৰ মানুহবোৰৰ মাজত ভাল বুজা বুজিৰ সৃষ্টি হব। গতিকে আইনত ৰাষ্ট্ৰৰ মৌলিক নীতি হৈছে আত্মনিয়ন্ত্ৰণ। এই মৌলিক নীতিটোৰ বাবে কাৰ্য্যৰ বিভাজনৰ কোনো প্ৰয়োজন নহয় আৰু ই শাসক সকলৰ ওপৰত কোনো অনুচিত দাবী নকৰে। আইনৰ শাসনত শাসকসকলৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ আছে। সেইদৰে ইয়াত শাসিত সকলৰো ৰাজনৈতিক অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ আছে। আইনৰ শাসনত শাসকসকলৰ ব্যক্তিগত সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদৰ আঁচনি পৰিত্যাগ কৰা হৈছে কিন্তু মতামানুহবোৰৰ বাবে সমূহীয়া আহাৰৰ ব্যৱস্থা ৰখা হৈছে। শাসিতসকলে শাসকসকলক সমালোচনা কৰিব পাৰিছিল আৰু তেওঁলোকে শাসকসকলক নিৰ্বাচিত কৰিবও লাগিছিল। আত্মনিয়ন্ত্ৰণৰ ভেটিত গঢ়ি উঠা তেনেকুৱা এখন ৰাষ্ট্ৰত জনসাধাৰণৰ মাজত ঐক্য আৰু সহযোগিতা বিৰাজ কৰি ছিল। প্লেটো যুদ্ধপ্ৰিয় ৰাষ্ট্ৰৰ বিৰোধী আছিল। তেওঁৰ মতে প্ৰত্যেকখন ৰাষ্ট্ৰই এখন অন্তৰ্যুদ্ধৰ প্ৰতিহে লক্ষ্য ৰখা উচিত। কিয়নো আত্মনিয়ন্ত্ৰণ আৰু মিতাচাৰৰপৰা অহা শৃংখলাৰ জৰিয়তে ৰাষ্ট্ৰত চৰম শান্তি আৰু স্থায়ী মৈত্ৰী প্ৰতিষ্ঠা কৰাটোৱে শাসকসকলৰ কৰ্তব্য।

ৰাষ্ট্ৰত আইনৰ প্ৰকৃতি

প্ৰত্যেকখন ৰাষ্ট্ৰৰ আদৰ্শবোৰ প্ৰকাশ কৰাটো আইনৰ লক্ষ্য। আইনৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰোঁতে প্লেটোৱে ইয়াৰ প্ৰয়োজনীয়তা ইয়াৰ উৎপত্তি প্ৰয়োগৰ ক্ষেত্ৰ আৰু ইয়াৰ সাৰ্বভৌমত্বৰ বিষয়েও উল্লেখ কৰিছে।

(ক) **আইনৰ প্ৰয়োজনীয়তা** : 'আইন'ৰ নৱম পুস্তিকাৰ এটা অংশত আমি পাওঁ যে আইনেই সভ্যতা বিভিন্ন যুগে লাহে লাহে লাভ কৰা লাভা লাভবোৰৰ আইনে প্ৰতিনিধিত্ব কৰে। ইয়েই মানৱতাৰ বিভিন্ন গুণ বিচাৰ কৰিব পৰা সামাজিক যন্ত্ৰ। ইয়াৰ আৱশ্যকতাৰ কাৰণবোৰ তলত দিয়া হ'ল—

(১) সামাজিক জীৱনত কোনটো উৎকৃষ্ট আৰু কোনটো নিকৃষ্ট তাক বিচাৰ কৰি উলিয়াবলৈ আমাৰ ব্যক্তিগত মনবোৰ সমৰ্থ নহয়।

(২) কোনোবা আমাৰ ব্যক্তিগত মনে এইটো বিচাৰ কৰি উলিয়াব পাৰিলেও সদায় ভালটো কৰিবলৈ আমাৰ ইচ্ছা নহয় বা আমি ভালটো কৰিবলৈ মন নকৰোঁ।

(৩) আমাৰ কাৰণে ভালৰ ব্যৱস্থা কৰিবলৈ আৰু আমি ভালটো লাভ কৰিবলৈ আমাক আইন লাগে। আইনে মানুহক এইটো অনুভৱ কৰায় যে যিকোনো ব্যক্তিগত ভালৰ বাবে সমূহীয়া ভাল হৈছে পূৰ্বচৰ্ত। জ্ঞান আৰু প্ৰকৃততে মুক্তমন আইনতকৈও মহৎ কিন্তু এইটো সপোনহে। সেই গতিকে আইনৰ প্ৰয়োজন আছে।

(খ) **প্ৰয়োগৰ ক্ষেত্ৰ** আইন মানুহৰ মন বা যুক্তিৰ অভিব্যক্তি আৰু সেই গতিকে ইয়াৰ সাৰ্বজনীন প্ৰয়োজনীয়তা আছে। আইন আৰু যুক্তিক একেটা বস্তু বুলিব পাৰি। সেইগতিকে মানুহৰ গোটেই জীৱনটোৱেই আইনক্ষেত্ৰ।

(গ) **আইনৰ উৎপত্তি** : প্লেটোৱে কৈছে যে পুৰণি সমাজত বাস কৰা পৰিয়ালবোৰৰ বেলেগ বেলেগ নিয়ম-নীতি আৰু আচাৰ ব্যৱহাৰ আছিল মাজে-সময়ে এই নিয়ম নীতি আৰু আচাৰ-ব্যৱহাৰৰ বিভিন্নতাৰ বাবে পৰিয়াল বোৰৰ মাজত কাজিয়া-পেচাল দ্বন্দ-হাইৰ সৃষ্টি হৈছিল। সেইগতিকে তেওঁ লোকক এজন বিধায়ীৰ প্ৰয়োজন হৈছিল আৰু সেই বিধায়ীজনে বেলেগ বেলেগ নিয়ম নীতিবোৰ পৰীক্ষা কৰি সকলোতকৈ ভালবোৰ গ্ৰহণ কৰিছিল। যুদ্ধ অৰ্থনৈতিক অৱস্থাৰ প্ৰভাৱ দুৰ্ভিক্ষ মহামাৰী আদিৰ ফলতো বিধায়ীৰ প্ৰয়োজন হৈছিল।

(ঘ) **আইনৰ সাৰ্বভৌমত্ব** : আইনৰ শাসনত আইনেই সাৰ্বভৌমত্বৰ অধিকাৰী হ'ব লাগিব। ৰাষ্ট্ৰই আইনৰ লগত সংগতি ৰক্ষা কৰিহে চৰকাৰৰ গঠন আৰু কাৰ্য্যাৱলী স্থিৰ কৰিব লাগিব চৰকাৰৰ সাৰ্বভৌম আইনৰ দাস কৰিব লাগিব সাৰ্বভৌম চৰকাৰৰ অস্ত্ৰ হিচাপে আইন চৰকাৰৰ দাস হ'ব নোৱাৰে। একমাত্ৰ আৰু চূড়ান্ত সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী হিচাপে আইন প্ৰথমে আহিব লাগিব আৰু সকলোৱে স্বাৰ্থত আইনদ্বাৰা চৰকাৰ নিয়ন্ত্ৰিত হ'ব

লাগিব। আইনৰ ভিত্তিত চৰকাৰৰ গঠন স্থিৰ হয় আৰু এই চৰকাৰে সকলোৰে স্বাৰ্থত কাম ক'ৰিব লাগে।

প্লেটোৱে কেৱল আইনৰ সাৰ্বভৌমত্বৰ ওপৰতে বিশ্বাস কৰা নাছিল তেওঁ আইনৰ অনমনীয়তাতো বিশ্বাস কৰিছিল। তেওঁ এক মৌলিক আইনৰ কথা ভাবিছিল যি মৌলিক আইনক লক্ষ্য ক'ৰিয়েই শাসক আৰু শাসিতসকলে তেওঁলোকৰ কাৰ্য্যনিৰ্বাহ কৰিব লাগিছিল। এখন নতুন ৰাষ্ট্ৰৰ আৰম্ভণিতে আইনৰ অভিভাৱকসকলে আইনত যিকোনো আৱশ্যকীয় পৰিৱৰ্তন সাধন কৰিব পাৰিছিল কিন্তু কিছু বছৰৰ পাছত তেওঁলোকে কোনো পৰিৱৰ্তন সাধন ক'ৰিব নোৱাৰিছিল।

আইন কঠিনভাৱে প্ৰয়োগ কৰিব লাগে। কিন্তু আইনৰ প্ৰত্যেকটো ধাৰাৰে আগত মুখবন্ধ আৰু নিৰ্দেশাত্মক নীতিবোৰে আইনৰ উদ্দেশ্য আৰু লক্ষ্য ব্যাখ্যা কৰে। এইবোৰে মানুহক পতিয়ন নিযাব লাগে যে আইন কিছুমান নীতিৰ ওপৰত প্ৰতিষ্ঠিত আৰু ই মানুহৰ ভালৰ বাবে কাম কৰে। আইন সাৰ্বভৌম যুক্তিৰ অভিব্যক্তি হ'ব পাৰে আৰু ই সাৰ্বভৌম আদেশ বা হুকুমত পাৰণতো হ'ব পাৰে কিন্তু তথাপি ই আত্মনিয়ন্ত্ৰণ গুণৰ বাহক হিচাপেহে কাম কৰে আৰু আত্মনিয়ন্ত্ৰণে সমাজৰ দুটা মৌলিক গুণ আৰু উপাদান যুক্তি আৰু ক্ষুধাৰ মাজত সমন্বয় সাধন কৰে। আইনৰ লগত থকা মুখবন্ধবোৰেও হুকুম বা আদেশৰ লগত যুক্তিৰ সমন্বয় সাধন কৰিব লাগে। এখন মিশ্ৰিত চৰিত্ৰৰ সংবিধানত হুকুম আৰু প্ৰৰোচনা দুয়োটা উপাদানৰ ঠাই আছে। মূলত হুকুম হৈছে ৰাজতান্ত্ৰিক সংবিধানৰ উপাদান আৰু প্ৰৰোচনা গণতান্ত্ৰিক সংবিধানৰ উপাদান। এখন মিশ্ৰিত চৰিত্ৰৰ ৰাষ্ট্ৰত এই দুটা উপাদানে ৰাজনৈতিক প্ৰতিদ্বন্দ্বী হিচাপে কাম নকৰে ৰাজনৈতিক বন্ধু হিচাপেহে কাম কৰে। আইনৰ লগত থকা মুখবন্ধবোৰৰ ওপৰেদি প্লেটোৱে দাৰ্শনিক ৰজাৰ শাসনৰপৰা আইনৰ শাসনলৈ যাত্ৰা কৰিছিল। 'আইন' আৰু ইয়াৰ মুখবন্ধবোৰে আমাক উকা আইনৰ শাসন দিয়া নাই, দাৰ্শনিক আইনৰ শাসনহে দিছে। এই মুখবন্ধবোৰে আইনৰ উদ্দেশ্য আৰু লক্ষ্যৰ প্ৰতিনিধিত্ব কৰে আৰু মানুহে কিয় আইন মানি চলিব লাগে আৰু আইনৰ প্ৰতি আনুগত্য প্ৰদৰ্শন কৰিব লাগে তাৰ যুক্তি দাঙি ধৰে।

প্লেটোৰ আইনৰ সাধাৰণ অৱধাৰণা আমাৰ আইনৰ অৱধাৰণাতকৈ বহল কিয়নো প্লেটোৰ মতে আইনে মানুহৰ নৈতিক জীৱনটোও নিয়ন্ত্ৰণ কৰে। তেওঁৰ আইনে নৈতিকতা আৰু বৈধতাৰ মাজত পাৰ্থক্য দেখুউৱা নাই। শাস্তিৰ ভয় দেখুৱাই আইন বলবৎ কৰা উচিত নহয়। শিক্ষাব্যৱস্থা আৰু মানুহৰ মনৰ প্ৰতি আবেদন জনাই আইন বলবৎ কৰা উচিত। আইন বাহিৰৰপৰা কাৰ্য্য কৰা এটা তাণ্ডৱ শক্তি নহয়, আইন হৈছে একপ্ৰকাৰৰ শক্তি যিটো শক্তি

মানুহে নিজৰ আয়ত্তৰ ভিতৰলৈ আনিব লাগিলে আৱশ্যকীয় প্ৰশিক্ষণ গ্ৰহণ কৰিব লাগে। আইনবিলাকৰ দ্বাৰা প্ৰশিক্ষিত হ'লে ডেকাসকলৰ মনত সঠিক ধাৰণাই ঠাই পায় আৰু ইয়াৰ ফলত তেওঁলোক নিখুঁত নাগৰিক হৈ গঢ় উঠে।

আইনত ৰাষ্ট্ৰৰ অৰ্থনৈতিক আৰু সামাজিক গাঁথনি

প্লেটোৰ সংবিধানবোৰ তিনি ভাগত ভগোৱা হৈছিল। যেনে (১) গণৰাজ্যত চিহ্নিত কৰা উৎকৃষ্ট বা আদৰ্শ ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰখন সাম্যবাদৰ ভিত্তিত গঢ়ি তুলিবলৈ বিচৰা হৈছিল। (২) দ্বিতীয় উৎকৃষ্ট বা উপ আদৰ্শ ৰাষ্ট্ৰ। (৩) এখন তৃতীয় শ্ৰেণীৰ ৰাষ্ট্ৰ। এই ৰাষ্ট্ৰখনৰ বিষয়ে প্লেটোৱে আমাক কোনো ব্যাখ্যা দিয়া নাই। আইনত চিত্ৰিত কৰা ৰাষ্ট্ৰখন তেওঁৰ দ্বিতীয় উৎকৃষ্ট ৰাষ্ট্ৰ এই ৰাষ্ট্ৰখনক উপ আদৰ্শ ৰাষ্ট্ৰ বুলিও কোৱা হয়। মধ্যমীয়া আকৃতিৰ খেতিয়ক প্ৰধান আৰু আত্মনিৰ্ভৰশীল এখন ৰাষ্ট্ৰকে প্লেটোৱে আইনত উপ আদৰ্শ ৰাষ্ট্ৰ হিচাপে বৰ্ণনা কৰিছিল।

আইনৰ উপ আদৰ্শ ৰাষ্ট্ৰখনত সাম্যবাদৰ কোনো উল্লেখযোগ্য উপাদান নাছিল। মাটি আৰু ঘৰবোৰ মানুহে ব্যক্তিগত সম্পত্তি হিচাপে ব্যৱহাৰ কৰিছিল। কোনো সমূহীয়া খেতি পথাৰ নাছিল। প্ৰত্যেকজন নাগৰিকৰে ব্যক্তিগত সম্পত্তি হিচাপে যথেষ্ট আছিল কিন্তু নাগৰিকসকলে তেওঁলোকৰ সম্পত্তিবোৰ নিজৰ সম্পত্তি বুলি ভবাৰ লগতে ৰাষ্ট্ৰৰ সম্পত্তি বুলিও জ্ঞান কৰিছিল। সেইগতিকে প্লেটোৱে ব্যক্তিগত সম্পত্তিৰ লগত সমূহীয়া ব্যৱহাৰৰ সম্পৰ্ক ৰাখিবলৈ বিচাৰিছিল। সম্পত্তিৰ অধিকাৰটো সমাজ সৃষ্টি কৰা অধিকাৰ। সেইগতিকে সম্পত্তিবোৰ সমাজৰ মংগল আৰু উন্নতিৰ কাৰণে ব্যৱহৃত হ'ব লাগে। কোনো মানুহৰ সম্পত্তিৰ ওপৰত উত্তৰাধিকাৰী সূত্ৰে স্থায়ী অধিকাৰ নাই কোনো মানুহৰ সম্পত্তিৰ ওপৰত সম্পূৰ্ণব্যাপক অধিকাৰ নাই। সেইগতিকে মাটিৰপৰা উৎপন্ন হোৱা বস্তুবোৰ সমূহীয়া আহাৰ আৰু মানুহৰ উন্নতিৰ কাৰণে ব্যৱহাৰ হ'ব লাগে।

৫০৪০ টা ভাগত ৰাষ্ট্ৰখনৰ মাটি প্ৰথমে ভাগ কৰা হৈছিল এই ভাগবোৰ সমান আৰু অবিচ্ছেদ্য আছিল আৰু এইবোৰ হস্তান্তৰযোগ্য নাছিল। ৰাষ্ট্ৰৰ জনসংখ্যা অপৰিবৰ্তনীয় কৰি ৰখা উচিত আছিল। কোনো নাগৰিকৰ সম্পত্তি উত্তৰাধিকাৰ সূত্ৰে লাভ কৰিবলৈ নিজৰ লৰা ছোৱালী নাথাকিলে তেওঁক এজন পোষ্যপুত্ৰ গ্ৰহণ কৰিবলৈ দিয়া হৈছিল। প্লেটোৱে মাটি সম্পত্তিৰ সমতাৰ ওপৰত জোৰ দিছিল কিন্তু আন সম্পত্তিৰ অসমতাত তেওঁ কোনো আপত্তি কৰা নাছিল। তেওঁ কৈছিল যে প্ৰত্যেকজন নাগৰিকে তেওঁৰ অদিম সম্পত্তিৰ

চাৰিবগণ সম্পত্তি কৰিব পাৰে তেওঁলোকে বেচি সম্পত্তি অৰ্জন কৰা উচিত নহয়। এইদৰে সম্পত্তিৰ ভিত্তিত চাৰিশ্ৰেণীৰ নাগৰিকৰ সৃষ্টি হ'ব পাৰে। কিছুমান নাগৰিকৰ মাত্ৰ আদিম সম্পত্তিখিনি থাকে কিছুমানে আদিম সম্পত্তিৰ লগত আৰু সমপৰিমাণৰ ব্যক্তিগত সম্পত্তি আৰ্জি লয় কিছুমানে আকৌ আদিম সম্পত্তিৰ তিনিগুণ ব্যক্তিগত সম্পত্তি আৰ্জি লয়। নাগৰিকসকলৰ হাতত আদিম সম্পত্তিখিনি থাকিবই লাগিব কিয়নো ই তেওঁৰ নাগৰিকত্বৰ আৱশ্যকীয় চৰ্ত। ভোটাধিকাৰ আৰু ইয়াৰ প্ৰয়োগ নাগৰিকৰ শ্ৰেণীবিভাগৰ ওপৰত ভিত্তি কৰা হৈছিল।

কোনো নাগৰিকে আন কোনো কলা বা শিল্পবিদ্যা চৰ্চা কৰিব নোৱাৰে। তেওঁৰ হাতত সোণ বা ৰূপ থাকিব নোৱাৰে তেও এইবোৰ বেচিব বা কিনিবও নোৱাৰে। নাগৰিকসকলৰ বাবে সত লোৱা নিয়ম নিষেধ আছিল। শিল্প আৰু ব্যৱসায় বিদেশীসকলে চলাব লাগিছিল নাগৰিকসকলে এইবোৰত অংশ গ্ৰহণ কৰিব নোৱাৰিছিল। আইনত প্লেটোৱে শ্ৰমৰ যি বিভাজন কৰিছিল আৰু ৰাষ্ট্ৰীয় কাৰ্যাৰ যি ভাগ কৰিছিল সেইমতে নাগৰিকসকলে ৰাজনীতি কলা-চৰ্চা কৰিব লাগিছিল আৰু তাৰ বাবে তেওঁলোকে নিজৰ শৰীৰ আৰু মনৰ বিকাশ সাধন কৰিব লাগিছিল। দাসসকলে খেতিৰ পথাৰত কাম কৰিব লাগিছিল আৰু বিদেশীসকলে শিল্প বাণিজ্য চলাব লাগিছিল।

সামাজিক সম্পৰ্ক সমাজত নাৰীৰ স্থান আৰু বিবাহৰ অনুষ্ঠান আদিৰ বিষয় প্লেটোৱে আইনত যিবোৰ কথা কৈছে সেইবোৰ কথাৰ তেও গণৰাজ্যত এই একে বিষয়বোৰৰ ওপৰত কোৱা কথাৰ লগত কিছু মিল আছে। আইনত প্লেটোৱে নাৰীসকলৰ অধিকাৰ আৰু কৰ্তব্যৰ ওপৰত জোৰ দিছে। তেও ইয়াত কৈছে যে নাৰীসকলেও ৰাষ্ট্ৰৰ সাধাৰণ জীৱনত পুৰুষৰ কাষত স্থান পোৱা উচিত পুৰুষ আৰু নাৰীয়ে একে শিক্ষা লাভ কৰা উচিত পুৰুষৰ দৰে নাৰীসকলেও সকলো কাম কৰিবলৈ স্বাধীনতা পোৱা উচিত। কিন্তু তেও ইয়াত কোৱা নাই যে গোটেই ৰাষ্ট্ৰখনেই এটা পৰিয়াল ইয়াত নাৰীসকল আৰু লৰা ছোৱালীবোৰৰ সকলোৱে সমষ্টিগত অধিকাৰী। ইয়াত তেও নাৰী সকল আৰু লৰা-ছোৱালীৰ সাম্যবাদৰ ধাৰণাটো পৰিত্যাগ কৰিছে। কিন্তু ইয়াতো তেও এইবোৰ কথা বাদ দিয়া নাই যে নাৰীসকলক ৰাজহুৱা জীৱনৰ মাজলৈ লৈ আহিব লাগিব আৰু ৰাষ্ট্ৰৰ স্বাৰ্থত বিবাহবোৰ নিয়ন্ত্ৰণ কৰিব লাগিব। নাৰীয়েও পুৰুষৰ লগত বহি সমূহীয়া ভোজন কৰিব লাগিব বাধ্যতামূলক সাৰ্বজনীন শিক্ষা পুৰুষ-নাৰী উভয়কে দিব লাগিব। নাৰীসকলক ব্যায়ামৰ প্ৰশিক্ষণ দিব লাগিব আৰু তেওঁলোকে পুৰুষৰ লগত প্ৰতিযোগিতাত অৱতীৰ্ণ হ'ব লাগিব তেওঁলোকেও খেলা ধূলাত পুৰুষৰ লগত অংশ গ্ৰহণ কৰিব লাগিব ঘোঁৰাৰ পিঠিত উঠি পুৰুষৰ লগত একেলগে যুদ্ধ কৰিব

লাগিব। যদিও নাৰীসকলকো পুৰুষৰ দৰে প্ৰশিক্ষিত কৰি তোলাৰ ওপৰত প্লেটোৱে জোৰ দিছিল তেওঁ কিন্তু নাৰীসকলক কোনো চৰকাৰী পদৱী দিবলৈ আৰু তেওঁলোকক ভোটাধিকাৰ দিবলৈ পৰামৰ্শ দিয়া নাছিল। তেওঁলোকক কেৱল বিবাহ সংক্ৰান্ত বিষয়ৰ পৰিদৰ্শনকাৰিণী হিচাপে কোনো পদৱী দিব পৰা যায় বুলিহে মন্তব্য কৰিছিল। নাৰীসকলক অভিভাৱক কৰিবলৈ তেওঁ কোনো ঠাইত পৰামৰ্শ দিয়া নাছিল। আইনত তেওঁ একগামী বিবাহৰ কথা কৈছিল আৰু বিবাহৰ পাছত পতি পত্নীৰ দাম্পত্য জীৱনৰ ওপৰত ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ পৰামৰ্শ আগবঢ়াইছিল। তেওঁৰ মতে বিপৰীত চৰিত্ৰৰ পুৰুষ আৰু নাৰীৰ মাজত বিয়া বাৰু হ'ব লাগে ধনী মানুহে দুখীয়া ছোৱালী বিয়া কৰোৱা উচিত আৰু গৰম মগজৰ মতা মানুহে ঠাণ্ডা মগজৰ ছোৱালী বিয়া কৰোৱা উচিত। ৰাষ্ট্ৰৰ কল্যাণৰ কাৰণে বিবাহ একপ্ৰকাৰ চুক্তিত পৰিণত হোৱা উচিত। ৰাষ্ট্ৰৰ কল্যাণৰ কাৰণে ল'ৰা ছোৱালী জন্ম দিয়াটো বিবাহিতসকলৰ কৰ্তব্য। এই কাৰণে প্লেটোৱে পুৰুষ নাৰীক বিবাহৰ পাছত ১০ বছৰ সময়ৰ কাৰণে মহিলা পৰিদৰ্শিকাৰ অধীনত ৰাখিবলৈ কৈছিল। আইনত প্লেটোৱে বিয়া কৰোৱাটো বাধ্যতামূলক হোৱা উচিত বুলি কৈছিল। যিসকল মতা মানুহে ৩৫ বছৰ বয়সৰ পাছতো বিয়া নকৰায় তেওঁলোকৰ ওপৰত শাস্তিমূলক ব্যৱস্থা ল'বলৈ তেওঁ পৰামৰ্শ দিছিল।

আইনত চৰকাৰৰ ব্যৱস্থা : কোনো এখন ৰাষ্ট্ৰত আইন সাৰ্বভৌম হ'লে চৰকাৰ আৰু চৰকাৰৰ অংগবোৰ আইনৰ তলতীয়া হ'ব লাগিব। সেইগতিকে আইনৰ শাসনত চৰকাৰৰ ৰাজনৈতিক যন্ত্ৰটোৰ কোনো অংশৰ হাতত সাৰ্বভৌম ক্ষমতা থাকিব নোৱাৰে। আইনৰ অভিভাৱকসকল পৰিষদ ছিনেট বা বিধান সভা সকলোবোৰে আইনৰ তলত কাম কৰিব লাগে। আইনৰ আদৰ্শ পুস্তিকা খনৰ বাহিৰে আন সকলো ঠাইতে প্লেটোৱে তেওঁৰ এই সিদ্ধান্তটো বাহাল ৰাখিছে। আইনৰ শাসনত ৰাষ্ট্ৰত কোনো সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী ব্যক্তি বা ব্যক্তিৰ গোট নোহোৱাৰ আন এটা কাৰণো আছিল। সেইটো হৈছে—উপ আদৰ্শ ৰাষ্ট্ৰৰ সংবিধানখনত ৰাজতন্ত্ৰ (জ্ঞান আৰু কৰ্তৃত্ব) আৰু গণতন্ত্ৰ (স্বাধীনতা) দুয়োবিধৰ ৰাষ্ট্ৰৰ উপাদান আছিল। এখন মিশ্ৰিত চৰিত্ৰৰ সংবিধানে ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা কোনো ব্যক্তি বা ব্যক্তিৰ গোটৰ ওপৰত অৰ্পণ কৰিব নোৱাৰে।

ৰাষ্ট্ৰত এখন জনপ্ৰিয় সভা আছিল আৰু এই সভাখনৰ ওপৰত নিৰ্বাচনী অধিকাৰ অৰ্পণ কৰা হৈছিল। এই জনপ্ৰিয় সভাখনে আইন প্ৰণয়নকাৰী পৰিষদ খনৰ সদস্যবোৰ নিৰ্বাচিত কৰিছিল। বিভিন্ন কাৰ্য্যবাহী পদৰ বাবে বিষয়াসকল আৰু আইনৰ অভিভাৱকসকলকো এই জনপ্ৰিয় সভাখনে নিৰ্বাচিত কৰিব লাগিছিল। সকলোবোৰ নাগৰিকেৰে এই জনপ্ৰিয় সভাখন গঠিত হৈছিল। গতিকে ইয়াৰ সদস্য সংখ্যা আছিল ৫০৪০ । সম্পত্তি গুণৰ ওপৰত নাগৰিকসকলক চাৰিটা

শ্ৰেণীত ভাগ কৰা হৈছিল। জনপ্ৰিয় সভাত প্ৰথম শ্ৰেণী দুটাৰ নাগৰিকসকলৰ উপস্থিতি বাধ্যতামূলক আছিল কিন্তু তৃতীয় শ্ৰেণী আৰু চতুৰ্থ শ্ৰেণীৰ নাগৰিক সকলৰ উপস্থিতি ঐচ্ছিক বা স্বেচ্ছামূলক আছিল। কিন্তু অস্ত্ৰ-শস্ত্ৰ ধৰিব নোৱৰা আৰু সামৰিক প্ৰশিক্ষণ নথকা কোনো নাগৰিকক জনপ্ৰিয় সভাত উপস্থিত হ'বলৈ দিয়া হোৱা নাছিল। এই সভাখনৰ প্ৰধান কাম আছিল নিৰ্বাচন সম্বন্ধীয়। এই সভাখনে যুদ্ধৰ সেনাপতিসকল আৰু বহুতো স্থানীয় বিষয়ববীয়াকো নিয়ন্ত্ৰণ কৰিব লাগিছিল। ৩৭ জন আইনৰ অভিভাৱকক তিনিটা গণৰ ভোটৰদ্বাৰা নিৰ্বাচিত কৰিব লাগিছিল। পৰিষদৰ নিৰ্বাচনত নাগৰিকৰ শ্ৰেণীবিভাগে কাম কৰিছিল। ইয়াত প্ৰথম শ্ৰেণী দুটাৰ নাগৰিকসকলে অৰ্থাৎ ধনী নাগৰিকসকলে পৰিষদৰ বাবে প্ৰাৰ্থী নিৰ্বাচনত প্ৰভাৱশালী ভূমিকা গ্ৰহণ কৰিছিল। প্লেটোৱে এই নিৰ্বাচনী ব্যৱস্থাটো খুব সাৱধানে প্ৰস্তুত কৰিছিল। ইয়াত তেওঁ সাৰ্বজনীন ভোটাধিকাৰৰ লগত শ্ৰেণী ভোটাধিকাৰৰ সংযোগ সাধন ক'ৰি গ্ৰীচদেশৰ অভিজাততান্ত্ৰিক নিৰ্বাচন ব্যৱস্থা আৰু গণতান্ত্ৰিক নিৰ্বাচন ব্যৱস্থা দুয়োটাকে অটুট ৰাখিছিল। তেওঁ কৈছিল যে তেওঁ উদ্ভাৱন কৰা নিৰ্বাচনৰ সেই মিশ্ৰিত ব্যৱস্থাটো জ্ঞানৰ ৰাজতান্ত্ৰিক নীতি আৰু স্বাধীনতাৰ গণতান্ত্ৰিক নীতিৰ সমন্বয়স্বৰূপ।

জনপ্ৰিয় সভাখনে পৰিষদৰ সদস্যসকল নিৰ্বাচন কৰাৰ উপৰিও তেওঁলোকৰ সাধাৰণ ভোটৰদ্বাৰা প্ৰথম দুটা শ্ৰেণীৰ নাগৰিকসকলৰ মাজৰপৰা নগৰ আৰু বজাৰৰ বাবে স্থানীয় বিষয়ববীয়াবোৰো নিৰ্বাচন ক'ৰিছিল। এই সভাখনে তিনিজন সেনাপতিও নিৰ্বাচন কৰিছিল। অৱশ্যে এই সেনাপতিকেইজনৰ নাম আইনৰ অভিভাৱকসকলে প্ৰস্তাৱ ক'ৰিব লাগিছিল। জনপ্ৰিয় সভাখনৰ আৰু তিনিটা কাম আছিল যেনে— (১) ৰাষ্ট্ৰৰ ক্ষতি সাধন কৰা মোকৰ্দমাৰ বিচাৰৰ ভাৰ ইয়াৰ ওপৰত আছিল (২) আইনৰ কোনো পৰিবৰ্তন সাধন কৰিব লাগিলে ইয়াৰ সন্মতি প্ৰয়োজনীয় আছিল (৩) ই বিদেশীসকলক ২০ বছৰতকৈ অধিক সময় দেশত থকাৰ অনুমতি দিব পাৰিছিল। গতিকে ই জনপ্ৰিয় নিৰ্বাচনমণ্ডলী আৰু জনপ্ৰিয় আদালত দুয়োটাই আছিল। কিন্তু ইয়াৰ আইন প্ৰণয়ন কৰিবৰ কোনো ক্ষমতা নাছিল।

পৰিষদখনৰ হাতত আইন প্ৰণয়নৰ ক্ষমতা আছিল। এই পৰিষদখন ১২টা ভাগত বিভক্ত কৰা হৈছিল। প্ৰত্যেকটো ভাগে চৰকাৰৰ প্ৰধান অংগ হিচাপে আৰু ৰাষ্ট্ৰৰ তত্ত্বাৱধায়ক হিচাপে একমাহলৈ কাৰ্যনিৰ্বাহ কৰিব লাগিছিল। প্ৰত্যেকটো ভাগেই আইনৰ অভিভাৱকসকলৰ লগত সহযোগ কৰি কাম কৰিব লাগিছিল। আইনৰ অভিভাৱকসকলৰ সংখ্যা আছিল ৩৭। তেওঁলোকক জনপ্ৰিয় সভাই ২০ বছৰৰ কাৰণে নিৰ্বাচিত কৰিছিল। তেওঁলোকৰ বয়স ৫০ বছৰৰপৰা ৭০ বছৰ বয়সৰ ভিতৰত আছিল।

প্লেটোৱে ব্যক্তিগত মোকৰ্দমা আৰু চৰকাৰী মোকৰ্দমাৰ মাজত পাৰ্থক্য দেখুৱাইছিল। ব্যক্তিগত মোকৰ্দমাবোৰৰ বাবে তিনি শ্ৰেণীৰ আদালত আছিল। যেনে (১) স্বেচ্ছামূলক আদালত বা চালিচী বৰ্ড (২) গোষ্ঠীয় আদালত আৰু (৩) নিৰ্বাচিত বিচাৰকৰ আদালত।

ওপৰত উল্লেখ কৰা চৰকাৰৰ গাঁথনিটো চমুকৈ এইদৰে ক'ব পাৰি :

চৰকাৰখনত এখন জনপ্ৰিয় সভা এখন নিৰ্বাচিত পৰিষদ আইনৰ অভিভাৱক সকলৰ গঠিত এখন কাৰ্যপালিকা তিনিজন সেনাপতি ন্যায় আদালতবোৰ আৰু স্থানীয় বিষয়ববীয়াসকল আছিল। নিৰ্বাচন ব্যৱস্থাই সাৰ্বজনীন ভোটাধিকাৰ অং সম্পত্তি আনুপাতিক সন্মান দেখুৱাইছিল। গোটেই ব্যৱস্থাটোত জ্ঞানৰ উপাদানৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হৈছে আৰু স্বৈৰতান্ত্ৰিক উচ্চ শ্ৰেণী দুটাৰ সদস্যসকলক বিশেষ প্ৰতিনিধিত্বৰ সুযোগ দিয়া হৈছে। জনসাধাৰণৰ স্বাধীনতাৰ ওপৰতো অত্যাৱশ্যকীয় গুৰুত্ব দান কৰা হৈছে আৰু জনপ্ৰিয় সভাই এই উপাদানটোৰ প্ৰতিনিধিত্ব কৰিছে। জনপ্ৰিয় সভাখনক দৃঢ়তাৰে কাম কৰিবলৈ সুযোগ দিয়া হৈছে। ৰাষ্ট্ৰত থকা যেকোনো যেকোনো উপাদানবোৰৰ মাজত ইয়াত এনেকৈ সমন্বয় ঘটোৱা হৈছে যে এই ব্যৱস্থাটোক গণতান্ত্ৰিক অভিজাততান্ত্ৰিক বা স্বৈৰতান্ত্ৰিক কোনোটো ব্যৱস্থা বুলিকৈয়ে কোৱা টান। প্লেটোৱে ইয়াত মিশ্ৰিত গঠনৰ চৰকাৰৰ এজন ডাঙৰ প্ৰৱৰ্তকৰ ভূমিকা গ্ৰহণ কৰিছে। কিন্তু এৰিষ্টটল যদিও নিজেও এজন ডাঙৰ মিশ্ৰিত সংবিধানৰ অভিভাৱক আছিল ইয়াত তেওঁ প্লেটোৰ ৰাষ্ট্ৰখনক সকলোবোৰ ৰাষ্ট্ৰৰ ভিতৰতে নিকৃষ্টতম ৰাষ্ট্ৰ বুলি বৰ্ণনা কৰিছে। কিয়নো তেওঁৰ মতে (১) এই ৰাষ্ট্ৰখনত গণতন্ত্ৰ আৰু অত্যাচাৰী শাসনৰ উপাদান ভৰি আছিল আৰু এই দুয়োটাই বেয়া ৰাষ্ট্ৰ আছিল। (২) কেইবাখনো সংবিধানৰ উপাদানেৰে ভৰা এখন সংবিধান হ'লে ভাল হয় দুখন সংবিধানৰ উপাদানেৰে গঠিত সংবিধান এখনহে'ক ভাল বুলিছে। (৩) প্লেটোৰ এই উপআদৰ্শ ৰাষ্ট্ৰখনত ৰাজতন্ত্ৰৰ কোনো উপাদান নাছিল ইয়াত কেৱল স্বৈৰতন্ত্ৰ আৰু গণতন্ত্ৰৰ উপাদানহে আছিল।

আইনৰ আৰম্ভ পুথিখনত প্লেটো আকৌ কিছু পৰিমাণে অনুৰাগত হৈও বৰ্ণনা কৰা দাৰ্শনিক ৰজাৰ শাসনলৈ উভতি গৈছে। এই পুথিখনত জনপ্ৰিয় সভা পৰিষদ বিষয়ববীয়াসকল আৰু আইন আদালতবোৰ লাহে লাহে নাইকিয়া হৈ যাবলৈ আৰম্ভ কৰিছিল আৰু আকৌ ইয়াত দাৰ্শনিক শাসনৰ নীতিৰ পুনৰ্ব্যৱস্থা কৰা হৈছিল। এইবাৰ দাৰ্শনিকসকলকলৈ নক্টাৰনেল পৰিষদ গঠন কৰি দৰ্শনৰ শাসন প্ৰবৰ্তন কৰিবলৈ দিয়া হৈছিল। নক্টাৰনেল পৰিষদৰ সদস্যসকলো দাৰ্শনিক আছিল আৰু তেওঁলোকে ৰাষ্ট্ৰৰ সৰ্বপ্ৰধান হিচাপে ৰাষ্ট্ৰখন পৰিচালনা কৰিব পাৰিছিল। তেওঁলোকে সকলো ক্ষমতা দিব পাইছিল, সেইদিশৰ পৰা প্লেটোৱে অন্যান্য আইন বাদ এখন উচিত বুলি আৰু

প্ৰকৃতত মুক্ত মনৰ দ্বাৰা পৰিচালিত এখন ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাৰ কথা আইনৰ দ্বাদশ পুস্তিকাখনত কৈছিল।

দ্বাদশ পুস্তিকাত তেওঁ কিছুমান নতুন বিষয়ববীয়াৰ কথা কৈছিল। তেওঁলোকক পৰীক্ষক বোলা হৈছিল আৰু তেওঁলোকে অন্যান্য বিষয়ববীয়া আৰু বিচাৰকসকলৰ কাৰ্য্যাৱলী আৰু ব্যৱহাৰ পৰীক্ষা কৰিব লাগিছিল। এই পৰীক্ষকসকলৰ ওপৰত আছিল নকটাৰনেল পৰিষদখন। জ্ঞান আৰু দাৰ্শনিক অন্তৰ্দৃষ্টিত নকটাৰনেল পৰিষদৰ সদস্যসকল আন সকলো মানুহ আৰু বিষয়ববীয়াসকলতকৈ উচ্চ আৰু জ্ঞানসম্পন্ন আছিল। প্লেটোৱে আকৌ ইয়াত তেওঁৰ আইনৰ শাসন আঁতৰত থৈ প্ৰকৃততে মুক্তমনৰ শাসন সমৰ্থন কৰিছিল ইয়াত আকৌ তেওঁ পূৰ্বৰ দাৰ্শনিক প্ৰশিক্ষণৰ আঁচনিখনলৈ উভতি গৈছিল। অৰ্থাৎ তেওঁ আকৌ ইয়াত দাৰ্শনিক ৰজাৰ সাৰ্বভৌমত্ব সমৰ্থন কৰিছিল। নকটাৰনেল পৰিষদখনেই গণৰাজ্যৰ নিখুঁত অভিভাৱক আছিল। কিন্তু ৰাষ্ট্ৰৰ সাধাৰণ ৰাজনৈতিক যন্ত্ৰটোৰ বাবে এই পৰিষদখন উপযুক্ত নাছিল। মুঠতে আইনৰ দ্বাদশ পুস্তিকাত প্লেটোৱে তেওঁৰ দ্বিতীয় উৎকৃষ্ট ৰাষ্ট্ৰখন আকৌ শপত খাই পৰিত্যাগ কৰিছিল আৰু পুনৰ দৰ্শনৰ দ্বাৰা শাসিত আদৰ্শ ৰাষ্ট্ৰলৈ ঘূৰি আহিছিল।

আইনৰ তত্ত্ব : গ্ৰীচদেশত আইন ৰচনা কৰিবলৈ প্লেটোৰ 'আইন' নামৰ পুথিখনেই পোনপ্ৰথমে চেষ্টা কৰিছিল। ইয়াত তেওঁ কেৱল এখন ৰাষ্ট্ৰৰ ওপৰত ভিত্তি কৰিয়েই আইনসমূহ ৰচনা কৰা নাছিল সকলোবোৰ গ্ৰীক ৰাষ্ট্ৰৰে আইনসমূহ সামৰি লৈছিল। তেওঁৰ আইন পুথিখন গ্ৰীক ৰাষ্ট্ৰবোৰৰ প্ৰচলিত আইনবোৰৰ সংগ্ৰহ মাথোন নাছিল এই পুথিখনত তেওঁ সামাজিক আচাৰ-ব্যৱহাৰৰ নীতিবোৰৰ ওপৰত ভিত্তি কৰি আইনৰ বিজ্ঞানসম্মত অধ্যয়ন কৰিবলৈ চেষ্টা কৰিছিল। প্লেটোৰ আইন পুথিখন বিধিশাস্ত্ৰলৈ এটা ডাঙৰ বৰঙণি। এই পুথিখনত গভীৰ বৈধ অৰ্থ ভৰি আছে আৰু ইয়াত আইনৰ সবিশেষ বৰ্ণনা কৰা হৈছে। ইয়াত তেওঁ আইনৰ পদ্ধতি চুক্তি আৰু উত্তৰাধিকাৰ আইন আৰু সম্পত্তি আইনৰ বিষয়ে ভালদৰে আলোচনা কৰিছে। তেওঁৰ আইন বৰ্তমান যুগৰ সমালোচনাৰ বস্তু। বৰ্তমান যুগৰ সমালোচকসকলৰ মতে তেওঁৰ আইন কেৱল আইনেই নাছিল, ই আছিল নৈতিকতা আৰু ধৰ্মশাস্ত্ৰৰ মিশ্ৰণ। বৈধতা আৰু নৈতিকতা বা ধৰ্মৰ মাজত বহু পাৰ্থক্য আছে। বৈধ আইনবোৰত নৈতিক দৰ্শন বা নৈতিক ধৰ্মশাস্ত্ৰৰ উপাদান থাকে।

আইনৰ নৱম পুস্তিকাত প্লেটোৱে অপৰাধ আৰু ইয়াৰ শাস্তিৰ বিষয়ে আলোচনা কৰিছে। তেওঁ আইন আৰু ইয়াৰ দণ্ডবিধিবোৰৰ মাজত পাৰ্থক্য ৰাখিছে। সাধাৰণ ৰাষ্ট্ৰবোৰে অপৰাধী বা দোষীক কেৱল শাস্তি দিয়ে কিন্তু অপৰাধীবিলাকৰ মানসিক গঠনৰ ওপৰত কোনো গুৰুত্ব নিদিয়ে আৰু সমাজ বা ৰাষ্ট্ৰত অপৰাধৰ

নাইকিয়া কৰিবলৈ স্বেচ্ছাসেৱকৰ সহায় সহযোগ লাভ কৰিবলৈ যত্ন নকৰে। এখন প্ৰকৃত ৰাষ্ট্ৰই নিজৰ কাৰ্যাৱলীৰ উচ্চ দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে আৰু অপৰাধীসকলৰ অধিকাৰবোৰ ভালদৰে বিবেচনা কৰিব লাগে। তেনে এখন ৰাষ্ট্ৰই মানুহৰ কাৰ্যৰ ওপৰত কঠিন মনোভাৱ গ্ৰহণ নকৰে কিয়নো এইবোৰ মানুহৰে স্বভাৱ নহয়। তেনে এখন ৰাষ্ট্ৰই অপৰাধীসকলৰ মনৰ সাধাৰণ গতিবিধি ভালদৰে অধ্যয়ন কৰে আৰু তেওঁ থকা দোষবোৰ আঁতৰ কৰিবলৈ আধ্যাত্মিক উপায়েৰে চেষ্টা কৰে। কিয়নো অসুস্থ মন সুস্থ কৰি তোলাটোহে প্ৰকৃত ৰাষ্ট্ৰৰ কৰ্তব্য। সেই গতিকে মানুহে আইনক ভাল পাব লাগে ভয় কৰিব নালাগে। আইনে শিশু-সুলভ মাৰ স্নেহশীল প্ৰশিক্ষণ দিব আৰু শাস্তিও দিব। আইনৰ প্ৰধানতম শিক্ষা আইনে দিয়া শাস্তি সংস্কাৰ আৰু ইয়াৰ লক্ষ্য হৈছে মানুহৰ মনৰ ওপৰত কাম কৰি মানুহৰ চৰিত্ৰৰ পৰিৱৰ্তন কৰা। সেই গতিকে প্লেটোৱে আইনৰ দুখ-কষ্টৰ ওপৰত ইমান জোৰ দিছিল। আইনৰ এই দুখকষ্টবোৰৰ পৰিৱৰ্তন আৰু শিক্ষণৰ অন্ত এইবোৰে মানৱিকতাবাদক আইন আৰু আইনে দিয়া শাস্তি গ্ৰহণ কৰিবলৈ প্ৰৱৃত্ত কৰে। অপৰাধ মানুহৰ নৈতিক ৰোগৰ ফল গতিকে মানুহৰ নৈতিক ৰোগ গুচাব পাৰিলেহে অপৰাধ নাইকিয়া হ'ব।

প্লেটোৱে অন্যায় আৰু অসৎ কামক অসন্তুষ্টিৰ ফলত একে দুৰ্বল বুলি বৰ্ণনা কৰিছে। সেই গতিকে অসৎ কাম বা অপৰাধ স্বেচ্ছাকৃত নহয় অনৈচ্ছিক। ইয়াৰ বাবে অপৰাধীসকলৰ শাস্তিব্যৱস্থা নিবাৰক প্লেটোৱে বাধা কৰে। এই অৰ্থত ৰাষ্ট্ৰই যেতিয়া অপৰাধীক শাস্তি দিয়ে অপৰাধীৰ সন্তুষ্টিৰ কাৰণেহে সেই শাস্তি দিয়া। গতিকে ইয়াত ৰাষ্ট্ৰই অপৰাধীৰ এজেণ্ট হিচাপে কাম কৰে। ৰাষ্ট্ৰই সকলো কষ্টদায়ক লোকসকলৰ অধিকাৰ বা সমাজব্যৱস্থাৰ আঁচনি এখনৰ লোকসকলৰ কথা চিন্তা কৰিহে দোষীক শাস্তি দিয়াৰ লগতে অপৰাধীজনৰ ভাল কৰাটোও বিবেচনা কৰে। অপৰাধীজনক তেওঁৰ নৈতিক ৰোগৰ পৰা মুক্ত কৰিবলৈ জোৰ দিয়া হয়। প্লেটোৰ ইয়াত শাস্তিৰ এটা সংস্কাৰমূলক দৃষ্টিভংগী গ্ৰহণ কৰিছে। তেওঁৰ মতে দোষীৰ অনিষ্ট সাধন কৰিবলৈ শাস্তি প্ৰদান কৰা নহয় ভাল কৰিবলৈহে শাস্তি প্ৰদান কৰা হয়। প্লেটোৱে অপৰাধৰ মনস্তত্ত্ব আৰু মানুহৰ মনৰ প্ৰকৃত সাম্যতা দেখুৱাইছে বিশ্বাস কৰিছিল। ৰাষ্ট্ৰত দুৰ্নীতি সৃষ্টি হোৱা আৰু চৰিত্ৰ ধৰাৰ বাবে তেওঁ সমাজক দায়ী কৰিছিল। কিয়নো ইয়াৰ ফলতে অপৰাধৰ সৃষ্টি হৈছিল। সেই গতিকে সমাজৰ দুৰ্নীতি আঁতৰ কৰিব লাগিব। দুৰ্নীতি আৰু অপৰাধমূলক কামৰ বাবে তেওঁ ধনীসকলক দোষাৰোপ কৰিছিল। তেওঁ এইটো স্পষ্টভাৱে বুজি পাইছিল যে শাস্তি প্ৰতিষেধক আৰু সংস্কাৰমূলক আছিল প্ৰতিশোধাত্মক নাছিল।

শাস্তি দণ্ড প্ৰতিশোধাত্মকৰ পৰিৱৰ্তে সংস্কাৰমূলকহে আছিল, তথাপি প্লেটোৱে শাস্তি দিয়াৰ বিষয়ে পৰামৰ্শ দিছিল সেইবোৰ বহুক্ষেত্ৰত কঠোৰ আৰু

অত্যন্ত উগ্ৰ আছিল। প্ৰাণদণ্ড দিবলগীয়া অপৰাধবোৰ হ'ল— ৰাজদ্ৰোহ বিভাজন সৃষ্টি পবিত্ৰ স্থান বা ব্যক্তিৰ অপমান ধৰ্মীয় অবিশ্বাসৰ গঠন ভালক বেয়া কৰিবলৈ চেষ্টা কৰা চৰকাৰী সম্পত্তি হৰণ বিচাৰকৰ ক্ষমতাৰ অপব্যৱহাৰ ভোট খোৱা আদালতৰ সিদ্ধান্তক গৰিহণা দিয়া আদি।

প্লেটোৱে ধৰ্মত অবিশ্বাসী লোকসকলক ধৰ্মীয় নিৰ্য্যাতন দিবলৈ পৰামৰ্শ দিছিল। কিছুমান ভাল মানুহ আৰু নাগৰিকেও সাধুভাৱেই বা সৰলভাৱেই ধৰ্মত অবিশ্বাস কৰিছিল। প্লেটোৱে তেনেকুৱা লোকৰ বাবে সংস্কাৰঘৰ নিৰ্মাণ কৰিবলৈ কৈছিল আৰু সেই মানুহবোৰক ৫ বছৰ কাল সংস্কাৰঘৰত ৰাখিবলৈ পৰামৰ্শ দিছিল। ৫ বছৰৰ পাছত তেওঁলোকক মুক্ত কৰি দিয়া হৈছিল আৰু তাৰ পাছতো যদি তেওঁলোক ধৰ্মত অবিশ্বাসী বুলি প্ৰমাণিত হ'ল তেওঁলোকক মৃত্যুদণ্ড দিয়া হৈছিল। যিসকল লোকে অসাধুভাৱে ৰাষ্ট্ৰীয় ধৰ্মত অবিশ্বাস কৰিছিল তেওঁলোকক যাৱজ্জীৱন কাৰাদণ্ড দিয়া হৈছিল। আৰু যিসকল মানুহে ব্যক্তিগত ধৰ্ম পালন কৰিছিল তেওঁলোককো ধৰ্মীয় নিৰ্য্যাতন দিয়া হৈছিল। প্লেটোৰ অনুমতি দিয়া ধৰ্মীয় নিৰ্য্যাতন ৰাজকীয় নাছিল ধৰ্ম নিৰপেক্ষহে আছিল কিয়নো ইয়াৰ লক্ষ্য আছিল ৰাষ্ট্ৰত ঐক্য সাধন কৰা।

আইনত শিক্ষাৰ তত্ত্ব

ডেকাসকলক আইনৰ জীৱনীশক্তি বা আইনৰ চেতনাৰ প্ৰতি ভোলাই শিক্ষাৰ লক্ষ্য আছিল। শিক্ষাই ডেকাসকলৰ অনুৰাগ ভাল-বেয়া ভাবৰ প্ৰশিক্ষণ দিব পৰা আৰু ইয়াৰপৰা তেওঁলোকৰ অভ্যাসবোৰ গঠিত হ'ব। পাছত সেই অভ্যাসসমূহৰ বদ্ধমূল হ'লে তেওঁলোকে সেই অভ্যাসৰ বলত কেৱল আইনে অনুমতি দিয়া কৰ্মবোৰ কৰিবলৈহে ভাল পোৱা হ'ব আৰু আইনে বাধা দিয়া কাম কৰিবলৈ বেয়া পোৱা হ'ব। আইন স্থিৰ প্ৰকৃতিৰ আৰু সেইবাবে শিক্ষাৰ প্ৰকৃতি আৰু পাঠ্যক্ৰমো সমানে স্থিৰ প্ৰকৃতিৰ হ'ব লাগে।

বৰ্তমান যুগৰ শিক্ষাক যি স্থান দিয়া হয় প্লেটোৱে শিক্ষাক তাতকৈও ওখত স্থান দিছিল। শিক্ষামন্ত্ৰীজন ৰাষ্ট্ৰৰ প্ৰধানমন্ত্ৰী আছিল আৰু তেওঁৰ বয়স কমেও ৫০ বছৰ হ'ব লাগিছিল। তেওঁ লৰা-ছোৱালী থকা বিবাহিত লোক হ'ব লাগিছিল আৰু তেওঁক আইনৰ অভিভাৱকসকলৰ মাজৰপৰা সৰ্বোচ্চ বিচাৰকৰ গোপন এটা নিৰ্বাচন মণ্ডলীয়ে নিৰ্বাচিত কৰিব লাগিছিল। ৰাষ্ট্ৰৰ গোটেই শিক্ষাব্যৱস্থাটো ৰাষ্ট্ৰৰ অধীনত ৰাখিব লাগিছিল আৰু ই ৰাষ্ট্ৰৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ব লাগিছিল। শিক্ষামন্ত্ৰীজনে প্ৰশাসন পৰিচালনা কৰিছিল বাৰুৰ আৰু স্কুলীয়া শিক্ষা নিয়ন্ত্ৰণ কৰিছিল শিক্ষানুষ্ঠানত ছাত্ৰ ছাত্ৰীৰ উপস্থিতি নিয়ন্ত্ৰিত কৰিছিল আৰু শিক্ষানুষ্ঠানৰ ঘৰ দুৱাৰবোৰ পৰিদৰ্শন কৰিছিল। শিক্ষা শিক্ষকসকল

প্ৰত্যেকভাৱে তেওঁৰ অধীনত আছিল। পৰীক্ষক আৰু পৰিদৰ্শকসকলক শিক্ষা বিচাৰক বুলি কোৱা হৈছিল। তেওঁলোকে ব্যায়াম আৰু সংগীত বিষয়ৰ প্ৰতি-দ্বন্দ্বিতামূলক পৰীক্ষাবোৰ নিয়ন্ত্ৰণ কৰিছিল আৰু যোগ্যতানুসাৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ছাত্ৰীসকলক বটা দিছিল। সাধাৰণ সভাই দুজন সংগীত পৰীক্ষক আৰু তিনিজন ব্যায়াম পৰীক্ষক নিৰ্বাচিত কৰিছিল। আচৰিত কথা প্লেটোৱে বিদেশী শিক্ষকসকলৰ বিষয়ে কোনো কথা কোৱা নাই অথচ বহুতো বিখ্যাত বিদেশী শিক্ষক আছিল। অভিভাৱকসকলে লৰা-ছোৱালীক যেনেকৈ তেনেকৈ বিষয় শিকি-বলৈ লাগিলে যেকোনো শিক্ষকৰ ওচৰলৈ পঠোৱাৰ পৰিৱৰ্তে প্লেটোৱে স্কুলীয়া শিক্ষা পদ্ধতিৰ সমৰ্থন কৰিছিল যত শিক্ষকসকলে ছাত্ৰ ছাত্ৰীক নকলোৱাৰ বিষয় শিকাব পাৰে। এই ধাৰণাই মধ্যযুগৰ ধাৰ্মিক স্কুলবোৰ আৰু বৰ্তমান যুগৰ চৰকাৰী স্কুলসমূহৰ পথ প্ৰদৰ্শন কৰিছিল। কিয়নো প্লেটোৰ স্কুলবোৰৰ ব্যায়াম আৰু খেল পথাৰৰ লগত সম্পৰ্ক আছিল। প্লেটোৱে সাৰ্বজনীন বাধ্যতামূলক শিক্ষাব্যৱস্থাৰ প্ৰবৰ্তন কৰাটো সমৰ্থন কৰিছিল। তেওঁ সহশিক্ষা সমৰ্থন কৰা হৈছে কিন্তু লৰা ছোৱালী উভয়ৰে বাবে ব্যায়াম আৰু সংগীতৰ প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব দিছিল।

প্ৰাৰম্ভত প্ৰাথমিক শিক্ষাৰ আৰম্ভণি শিশুৰ অৱস্থাৰ লগে লগে আৰম্ভ হৈছিল। তিনি বছৰ বয়সলৈ লৰা-ছোৱালীবোৰক ধাইসকলে চোৱা চিতা কৰিছিল। এই সময়ছোৱাত লৰা-ছোৱালীবোৰক জীপাল কৰিবলৈ আৰু চিঞৰ-বাখৰ কৰিবলৈ ধাইসকলে উৎসাহ দিছিল। তিনিবছৰ বয়স পূৰ্ণ হোৱাৰ পাছত লৰা ছোৱালীবোৰক ধাইসকলে গাৱঁলীয়া মঠ বা মন্দিৰবোৰলৈ লৈ গৈছিল আৰু তাত সেই লোকৰ তত্ত্বাৱধানত খেলিবলৈ এৰি দিছিল। ছবছৰ বয়সৰ লৰা ছোৱালীবোৰক পৃথকে পৃথকে ৰখা হৈছিল। ততিয়াৰ পৰা লৰা ছোৱালীবোৰ শাৰীৰিক ব্যায়ামৰ আকাৰত অধ্যয়ন আৰম্ভ কৰিব লাগিছিল। লৰা ছোৱালীবোৰে ঘোঁৰাত উঠা আৰু ধনু চলাব শিকাটো সকলোৱে আয়ত্ত কৰিব লাগিছিল। প্লেটোৱে এইবোৰ পাঠ্যক্ৰমত থকা সামৰিক দিশৰ ওপৰত গুৰুত্ব দিছিল।

দহবছৰ বয়সত মাধ্যমিক পৰ্যায়ৰ শিক্ষা আৰম্ভ হয়। ছাত্ৰবোৰক স্কুললৈ অনা নিয়া কৰিবৰ বাবে এই পৰ্যায়ত অভিভাৱকৰ প্ৰয়োজন হৈছিল। এই অভিভাৱকসকলে ছাত্ৰবোৰৰ আচাৰ-ব্যৱহাৰৰ ওপৰতো নজৰ দিছিল। লৰাবোৰে সাহিত্য অধ্যয়ন কৰিব লাগিছিল। সাহিত্য অধ্যয়নৰ ভিতৰত ভালকৈ পঢ়িব আৰু লিখিব জনাটোও অন্তৰ্ভুক্ত কৰা হৈছিল। লৰাবোৰে বীণা বজাবলৈ শিকিব লাগিছিল, গণিত আৰু জ্যোতিষৰ প্ৰাথমিক জ্ঞান লাভ কৰিব লাগিছিল আৰু যুদ্ধ-বিজ্ঞানৰ সাধাৰণ জ্ঞান আহৰণ কৰিব লাগিছিল।

মাধ্যমিক শিক্ষাত প্ৰধানকৈ তিনিটা বিষয় আছিল। যেনে— সাহিত্য, সংগীত আৰু প্ৰাথমিক অংক। ১০ বছৰ বয়সৰ পৰা ১০ বছৰ বয়সলৈকে সাহিত্য অধ্যয়ন

চলিছিল ১০ বছৰ বয়সৰপৰা ১৬ বছৰ বয়সলৈ সংগীত চৰ্চা চলিছিল আৰু ইয়াৰ মাজতে গণিত অধ্যয়ন কৰিব লাগিছিল। প্লেটোৱে গণিত অধ্যয়নৰ বাবে সময় নিৰ্দিষ্ট কৰি দিয়া নাছিল। সাহিত্যত আইনৰ বিষয়েও আলোচনা হৈছিল, কিয়নো ল'ৰাবোৰক আইনৰ শিক্ষাৰে প্ৰশিক্ষিত কৰি তুলিব লাগিছিল। সংগীতৰ ভিতৰত বাদ্যযন্ত্ৰ সম্বন্ধীয় সংগীতো আছিল। অধ্যয়ন কৰিবলগীয়া সংগীতৰ সুৰবোৰ সহজ আৰু সৰল হ'ব লাগিছিল আৰু এইবোৰ নৈতিকভাৱে খাপখোৱা বিধৰ হ'ব লাগিছিল। প্ৰকৃত ধৰ্ম চৰ্চা কৰিবলৈ প্ৰকৃত গ্ৰহবিজ্ঞানো অধ্যয়ন কৰিব লাগিছিল। এইটো ধৰি ল'ব লাগিব যে মাধ্যমিক শিক্ষাৰ সময়ছোৱাত ল'ৰা ছোৱালীবোৰে ব্যায়ামৰ প্ৰশিক্ষণো ল'ব লাগিছিল। ধনু কাঁড় চলোৱা শিলগুটি দলিওৱা আদি কামবোৰ এই সময়ছোৱাতো ল'ৰা ছোৱালীবোৰে কৰি থাকিব লাগিছিল। এই সময়ছোৱাত সিহঁতে অন্যান্য কৌশল শিকিব পৰা দৌৰা দৌৰি কৰা আদিও শিকিব লাগিছিল। যিহেতু ব্যায়ামৰ প্ৰশিক্ষণ শিক্ষাৰ অংগ আছিল ইয়াৰপৰাই বুজিব লাগিব যে সামৰিক প্ৰশিক্ষণ প্লেটোৰ শিক্ষা-ব্যৱস্থাৰ মূল অংগ আছিল। উচ্চ অংক অধ্যয়ন কৰিবলৈ ইচ্ছা কৰা ছাত্ৰ ছাত্ৰী বোৰৰ বাহিৰে বাকীবোৰৰ শিক্ষা ১৬ বছৰ বয়সত সমাপ্ত হৈছিল। আইনত প্ৰাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষাৰ কাল চুটি কৰা হৈছিল। গণৰাজ্যত বৰ্ণনা কৰা শিক্ষাব্যৱস্থাতকৈ আইনত বৰ্ণনা কৰা শিক্ষাব্যৱস্থা বেছি বিস্তৃত আৰু বেছি কাৰ্যকৰী আছিল। প্লেটোৱে আইনত বৰ্ণনা কৰা শিক্ষাব্যৱস্থাৰ আটাইতকৈ লক্ষ্য কৰিবলগীয়া আৰু আটাইতকৈ মূল্যবান কথা হৈছে সংগঠিত স্কুলৰ ওপৰত তেওঁ আৰোপ কৰা গুৰুত্ব বাধ্যতামূলক শিক্ষাৰ ওপৰত তেওঁৰ বিশ্বাস আৰু স্ত্ৰীশিক্ষাৰ প্ৰতি তেওঁৰ প্ৰৱণতা।

এইটো প্ৰায় নিশ্চিত যে 'আইন'খনেই তেওঁৰ কাপৰপৰা ওলোৱা শেষ গ্ৰন্থ আছিল আৰু তেওঁৰ গ্ৰন্থবোৰৰ ভিতৰত এইখন সবাতোকৈ পুষ্ট আছিল। কিছুমানে অৱশ্যে ইপিনমিছখনক তেওঁৰ শেষ কথোপকথন বুলি কয়। কিন্তু এইখনৰ ৰচক প্লেটো হয়নে নহয় সন্দেহ আছে। কিছুমানে আকৌ কয় যে 'আইন'ৰ ৰচক প্লেটোৰ ছাত্ৰ ফিলিপাছহে আছিল প্লেটো নাছিল। এতিয়াও প্লেটোৰ বহুতো ছাত্ৰই 'আইন'ৰ ৰচক সম্বন্ধে এই ধাৰণাটো বাধি আছে।

এৰিষ্টটলৰপৰা আৰম্ভ কৰি প্লেটোৰ আইনে তেওঁৰ পাছৰ চিন্তাজগতত গভীৰ প্ৰভাৱ পেলাইছে। এৰিষ্টটলৰ নীতিশাস্ত্ৰত 'আইন'ৰ প্ৰতিধ্বনি শুনিবলৈ পোৱা যায়। এৰিষ্টটলৰ 'ৰাজনীতি'খনত যি ৰাজনীতি আৰু শিক্ষাসংক্ৰান্ত নীতি সন্নিৱিষ্ট কৰা হৈছে তাকো প্লেটোৰ আইনৰ আৰ্হিতে কৰা হৈছে। এইটো নিশ্চিত-ভাৱে ক'ব পৰা যায় যে 'ৰাজনীতি'খনৰ যিটো অংশত আদৰ্শ জনৰাষ্ট্ৰৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু শিক্ষাসংক্ৰান্ত অনুষ্ঠানবোৰৰ বাবে বিধান তত্ত্বীয় কথাৰ অৱতাৰণা কৰা হৈছে সেই অংশটো তেওঁ প্ৰত্যক্ষভাৱে 'আইন'খনৰ অনুপ্ৰাণিত

হৈছেই ৰচনা কৰিছিল। এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰখন প্লেটোৱে আইনত বৰ্ণনা কৰা নগৰখনেই আছিল। কেৱল এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰত নকটাৰনেল পৰিৱৰ্ত্তন সাধন কৰিছিল।

এৰিষ্টটলে প্লেটোৰ আইনৰ ওপৰত সমালোচনা আগবঢ়াইছিল। কিন্তু তথাপি তেওঁৰ এই শেষ গ্ৰন্থখনৰ পৰা এৰিষ্টটলে যথেষ্ট সমল যোগাৰ কৰিছিল। এৰিষ্টটলে তেওঁৰ ৰাজনীতিত প্লেটোৰ 'আইনত থকা সাৰ্বভৌমত্বৰ অনুধাৱনটো গ্ৰহণ কৰিছিল আৰু তেওঁৰ মতেও শাসকসকল আইনৰ অধীনস্থ আৰু সেৱক আছিল। এৰিষ্টটলৰ মতে আইন আৰু ৰাষ্ট্ৰ নোহোৱা এজন মানুহে হয় দেৱতা নহয় জন্তু। তেওঁৰ এই উক্তিটোৰ উৎস বিচাৰিলেও প্লেটোৰ আইনতে পোৱা যায়। আইনৰ তৃতীয় পুস্তিকাখনত প্লেটোৱে যিটো দৃষ্টিভংগী গ্ৰহণ কৰি ৰাষ্ট্ৰৰ উৎপত্তিৰ ব্যাখ্যা দিছিল এৰিষ্টটলেও সেই একেটা দৃষ্টিভংগীকে গ্ৰহণ কৰি পৰিয়ালৰ পৰা আৰম্ভ হৈ পিতৃপ্ৰধান ৰাষ্ট্ৰৰ জন্ম বিকাশ সাধন হোৱা বুলি বৰ্ণনা কৰিছিল। এইটোৱেই আছিল প্লেটোৱে তেওঁৰ আইনৰ তৃতীয় পুস্তিকাত গ্ৰহণ কৰা দৃষ্টিভংগী। এৰিষ্টটলে প্লেটোৰ ধাৰণাটোৱে পুনৰ অৱতাৰণা কৰি কৈছিল যে মধ্য পন্থাৰে যাৰেহে কৰা হয় সুস্থই ৰাষ্ট্ৰৰ লক্ষ্য নহয়। মিশ্ৰ সংবিধানৰ তত্ত্ব 'আইন' আৰু ৰাজনীতি দুয়োখন গ্ৰন্থত পোৱা যায় আৰু দুয়োখন গ্ৰন্থই মিশ্ৰ সংবিধানৰ অন্তৰ্গত দেমোক্ৰেটিক দৈ স্পাৰ্টাৰ কথা উল্লেখ কৰিছে। প্লেটোৱে আইনত কবি, নৃত্য আৰু সংগীত আৰু সংগ হোৱা প্ৰথাৰ পুনৰুদ্ধাৰ বিষয়ে বিৰোধ মত প্ৰকাশ কৰিছিল এৰিষ্টটলেও অনুৰূপ মতকেই তেওঁৰ ৰাজনীতিত উল্লেখ কৰিছিল। এৰিষ্টটলে তেওঁৰ ৰাজনীতিত যিখন শিক্ষাব্যৱস্থাৰ বৰ্ণনা কৰিছিল সেইখন অনুৰূপেও প্লেটোৰ আইনত থকা শিক্ষা ব্যৱস্থাৰ সমানে উল্লেখ কৰিছিল। প্লেটোৱে অনেক বাধ্যতামূলক শিক্ষা প্ৰৱৰ্তনৰ বাবে যুক্তি দাঙি ধৰিছিল এৰিষ্টটলেও সমতুলীয়া ৰাষ্ট্ৰীয় শিক্ষাৰ বাবে যুক্তি দাঙি ধৰিছিল। প্লেটোৰ মতে সংখ্যা জেৱণীবোৰৰ সংখ্যা পিতৃ-মাতৃ নহয় ৰাষ্ট্ৰহে আছিল আৰু এৰিষ্টটলৰ মতেও পৰিয়ালসকলক ৰাষ্ট্ৰই গাঁঠি তুলিব লাগিছিল।

পৰৱৰ্তী যুগৰ 'গ্ৰীক-ৰোমীয় সভ্যতা'ৰ সমকালীন লেখকসকলে আইনৰ প্ৰতি সহানুভূতি প্ৰকাশ কৰিছিল। খ্ৰীষ্টীয়ান পুৰোহিতসকলেও প্লেটোৰ আইনখনৰ নৈতিক আৰু ধৰ্মীয় ভাৱৰ উপাদান দিছিল। কেৱল মধ্যকাৰ যুগটোৰ সময়তহে প্লেটোৰ আইনৰ প্ৰত্যক্ষ প্ৰভাৱ দেখা নাছিল। ইয়াৰ কাৰণ হিচাপে এয়ে যে সেই যুগৰ মানুহবোৰে গ্ৰীক ভাষা নাজানিছিল, কিন্তু এৰিষ্টটলৰ ৰাজনীতিৰ জৰিয়তে মধ্যযুগৰ ইতিহাসৰ লগত প্লেটোৰ আইনৰ সম্পৰ্ক ৰৈছিল। পাছত বিশেষকৈ নৱজাগৰণৰ সময়ত প্লেটোৰ আইনৰ প্ৰত্যক্ষ যোগাযোগ ঘটিছিল। ১৭শ শতিকাৰ ইংলণ্ডীয় ৰাজনীতিতো প্লেটোৰ আইনখনৰ বহুতো সমল হব

কৰিছিল আৰু প্লেটোৰ আইনে ৰাস্কিনকো বিশেষ আবেদন জনাইছিল। ছাৰ টমাছ মূৰৰ কাল্পনিক সমাজখন প্লেটোৰ আইন আৰু গণৰাজ্যৰ ওপৰত ভিত্তি কৰি ৰচনা কৰা হৈছিল।

প্ৰকৃত আইনৰ ওপৰতো প্লেটোৰ আইনখনে নিশ্চয় বাস্তৱ প্ৰভাব বিস্তাৰ কৰিছিল। আধুনিক যুগত বহুতো সাংবিধানিক আইনগত আৰু শিক্ষাসংক্ৰান্ত নৱ প্ৰবৰ্তন প্লেটোৰ আইনৰ ওপৰত ভিত্তি কৰি গঢ় তোলা হৈছে। আধুনিক অনুসন্ধানকাৰ্যৰ উৎসও হৈছে প্লেটোৰ আইন। মাধ্যমিক স্কুলবোৰ আৰু গ্ৰীক দেশীয় নগৰবোৰত পাছত স্থাপিত হোৱা শিক্ষানুষ্ঠানবোৰে প্লেটোৰ আইনৰপৰা উৎসাহ পাইছিল। প্লেটোৰ একাডেমিখনকে প্ৰথম সংগঠিত বিশ্ববিদ্যালয় বুলিব পাৰি।

বিধিশাস্ত্ৰৰ দৃষ্টিকোণৰপৰা বিচাৰ কৰিলে প্লেটোৰ আইনখনে ৰোমান আইনৰ বিকাশত প্ৰভাৱ বিস্তাৰ কৰিছিল। ৰোমান আইনত থকা জাষ্টিনিয়ান আদি কথাবোৰ গ্ৰীক মূলৰপৰা অহা। এইদৰে ৰোমান আইনে প্লেটোৰ বিধিশাস্ত্ৰৰপৰা যথেষ্ট বিষয়বস্তুৰ যোগান পাইছিল। প্লেটোৰ আইনৰ ওপৰত গঢ়ুৱা এই ৰোমান আইনেই বৰ্তমান ইউৰোপ আৰু আমেৰিকাৰ বহুতো জাতিৰ আইন ব্যৱস্থাৰ ভেটিস্বৰূপ।

প্লেটোৰ আইনৰ প্ৰধান বৈশিষ্ট্যবোৰ এইদৰে বৰ্ণনা কৰিব পাৰি— (১) সাংবিধানিক বা খণ্ডিত সাৰ্বভৌমত্বৰ নীতিৰ আৱিষ্কাৰ ব্যাখ্যা, (২) কেঁচুৱা চেমনীয়া আৰু ডেকাসকলৰ বাবে শিক্ষাব্যৱস্থা (৩) প্ৰকৃতিৰ ধৰ্মৰ নিৰ্দিষ্ট সৃষ্টি (৪) ফৌজদাৰী আইন আৰু দেৱানী আইনৰ মাজত পাৰ্থক্য (৫) প্ৰকৃত সম্পত্তিৰ পঞ্জীয়ন আৰু বন্দীৰ আৱশ্যকতাৰ স্বীকৃতি (৬) জোখ মাপৰ চৰকাৰী মানদণ্ড স্থিৰীকৰণ (৭) বন্দীত থকা জেলখানাবোৰৰ শ্ৰেণী বিভক্তকৰণ আইনগত পদ্ধতিৰ নিয়ন্ত্ৰণ ইত্যাদি।

প্লেটোৰ আইনত থকা চৰকাৰৰ সমালোচনা

আইনত প্লেটোৱে যিখন চৰকাৰৰ বৰ্ণনা কৰিছে সমালোচকসকলে ইয়াক অকাৰ্যকৰী কাল্পনিক আৰু বৈপৰীত্যৰে ভৰা বুলি আখ্যা দিছে। প্লেটোৱে আইনত মানুহৰ যোগ্যতাৰ ওপৰত যথেষ্ট গুৰুত্ব দান কৰিছে। তেওঁৰ মতে যোগ্যলোকক শ্ৰদ্ধা ভক্তি কৰিব লাগে। এইটোৰ কথাৰ ওপৰত কটাক্ষ কৰিবলৈ কাৰো একো নাই। কিন্তু একে সময়তে তেওঁ এনে এটা নিৰ্বাচনপদ্ধতিৰ ব্যৱস্থা কৰিছে যিটো পদ্ধতিৰ অধীনত নাগৰিকসকলে সম্পত্তিৰ ভিত্তিত ৩৬০ জনীয়া পৰিষদখনৰ সদস্যসকলক নিৰ্বাচিত কৰিব লাগিছিল। এইটো নিঃসন্দেহে এটা অগণতান্ত্ৰিক ব্যৱস্থাৰ চৰিত্ৰ আছিল। তদুপৰি নিৰ্বাচনত তেওঁ ভোটদানকাৰীৰ

ব্যৱস্থাও ৰাখিছিল। তেওঁৰ ৰাষ্ট্ৰৰ স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ সংমিশ্ৰণ আছিল। কিন্তু প্ৰকৃততে তেও স্বল্পতন্ত্ৰৰ ফালেহে বেছি গুৰুত্ব দিছিল। কিয়নো তেওঁ জনপ্ৰিয় সভাত ধনীসকলৰ উপস্থিতি বাধ্যতামূলক কৰিছিল আৰু দৰিদ্ৰসকলৰ উপস্থিতি ঐচ্ছিক কৰিছিল। ৰাষ্ট্ৰৰ উচ্চ আৰু গুৰুত্বপূৰ্ণ পদ আৰু বিষয়বোৰ তেও উচ্চ শ্ৰেণী দুটাৰ মানুহৰ বাবে একপ্ৰকাৰ সংৰক্ষিত কৰি ৰাখিছিল। প্লেটোৱে বৰ্ণনা কৰা নিৰ্বাচনপদ্ধতিয়ে ধনীসকলক বেছি সুবিধা দিছিল। প্লেটোৰ জনপ্ৰিয় সভাখনৰ কোনো কাৰ্যকৰী মূল্য নাছিল। কিয়নো এই সভাখনৰ জৰিয়তে জনসাধাৰণে ৰাষ্ট্ৰৰ চৰকাৰত কোনো প্ৰকৃত ক্ষমতা প্ৰয়োগ কৰিব নোৱাৰিছিল। যদিও জনসাধাৰণক জনপ্ৰিয় সভাখনৰ জৰিয়তে সেনাপতিসকল আৰু অন্যান্য উচ্চপদস্থ বিষয়ববীয়াসকলক নিৰ্বাচন কৰিবলৈ অধিকাৰ দিয়া হৈছিল কিন্তু কাৰ্যতঃ এই ক্ষমতাবোৰ উচ্চ শ্ৰেণী দুটাৰ মানুহবোৰেহে ব্যৱহাৰ কৰিছিল।

প্লেটোৱে আইনৰ আনুপাতিক সমতাৰ কথা কৈছিল যদিও তেওঁৰ চৰকাৰৰ আঁচনিখন এইটো নীতিৰ ভেটিত গঢ়ি তোলা হোৱা নাছিল। পৰিষদৰ সদস্য সকলক ভাগ্য পৰীক্ষাব্যৱস্থাৰেহে চূড়ান্তভাৱে নিৰ্বাচন কৰা হৈছিল আৰু এই ব্যৱস্থাই পৰিষদৰ সদস্যসকলৰ সন্মান আৰু পদমৰ্যাদাৰ হানি কৰিছিল।

৩৬০ জন সদস্যৰে গঠিত পৰিষদখন ৰাষ্ট্ৰ শাসনৰ বাবে যোগ্য নাছিল। প্লেটোৱে নিজেও তেওঁৰ ৰাজনীতিবিদ নামৰ গ্ৰন্থত এইটো স্বীকাৰ কৰিছিল যে এখন ৰাষ্ট্ৰৰ ভিতৰৰপৰা ৫০ জন ৰাজনীতিজ্ঞ বিচাৰি উলিওৱাটো নিশ্চয় টান ইয়াৰপৰা ৫০ জন দবা খেলুৱৈ বিচাৰি উলিওৱাটো নিশ্চয় টান নহয়। এখন নগৰৰাষ্ট্ৰৰ বাবে ৩৬০ জনীয়া পৰিষদ এখন নিশ্চয় যথেষ্ট ডাঙৰ আছিল। পৰিষদখনৰ অধিকাংশ সদস্য তেওঁলোকৰ কামৰ বাবে উপযুক্ত নাছিল। তেওঁলোকৰ কাৰ্যকাল যথেষ্ট চুটি হোৱা বাবেও তেওঁলোকৰ যোগ্যতা বৃদ্ধি হোৱাৰ কথা নাছিল। এই পৰিষদখন ইয়াৰ কামৰ বাবে জনপ্ৰিয় সভাখনৰ ওচৰত দায়ী নাছিল। সেই গতিকে চৰকাৰখনক জনসাধাৰণে 'নিৰ্বাচিত' কৰা বিচাৰকসকলৰ গণতান্ত্ৰিক চৰকাৰ বুলি কব পাৰি। বিচাৰকসকলৰ নিযুক্তিত ভাগ্য পৰীক্ষাৰ ভূমিকা একেটাও অসংগত হ'ল। জনপ্ৰিয় সভাখনৰ ওপৰত কোনো ৰাজনৈতিক ক্ষমতা অৰ্পণ কৰা হোৱা নাছিল। আইনৰ ৰক্ষকসকলৰ কাৰ্যকাল ২০ বছৰীয়া আছিল। এইটো গণতান্ত্ৰিক চৰকাৰৰ লক্ষণ নাছিল স্বল্পতান্ত্ৰিক চৰকাৰহে লক্ষণ আছিল। তেওঁ নক্টাৰনেল পৰিষদৰ কাম আৰু আইনৰ অভিভাৱকসকলৰ কাৰ্য্যৰ মাজত কি সম্বন্ধ আছিল সেই বিষয়ে কোনো কথা কোৱা নাছিল।

তেওঁ বিচাৰকসকলক প্ৰচুৰ সুবিধা আৰু কঠোৰ অধিকাৰ দিছিল। কিন্তু আইনৰ বিষয়ে [illegible] জনসাধাৰণৰ [illegible] আছিল। গতিকে, বিচাৰকসকলৰপৰাও কথা কোৱা আৰু [illegible] সন্দেহৰ সৃষ্টি হৈছিল। আন-

দণ্ডৰ সিদ্ধান্ত বিষয়ক আইনৰ কথা তেওঁ ভবাই নাছিল। প্ৰত্যেকটো মোকৰ্দমাতে তেওঁ একেবাৰে দুটা আপীলৰ অনুমতি দিছিল। কিন্তু আপীলকৰ্তাই তেওঁৰ মোকৰ্দমা দুয়োটা আপীলতে প্ৰমাণ কৰিব নোৱাৰিলে তাৰবাবে দুগুণে শাস্তি ভোগ কৰিব লাগিছিল। আধুনিক যুগৰ বিধিদাতাসকলে এইটো সমৰ্থন নকৰে।

আইনৰ দ্বাদশ পুস্তিকাত প্লেটোৱে এই সকলোবোৰ অনুষ্ঠান পৰিত্যাগ কৰিছিল। ইয়াত হঠাতে তেওঁ অন্য একপ্ৰকাৰে তেওঁৰ আগৰ সেই দৰ্শনৰ শাসনৰ আদৰ্শটোলৈ ঘূৰি গৈছিল। দ্বাদশ পুস্তিকাত তেওঁ যুক্তি আৰু প্ৰকৃততে মুক্ত মনৰদ্বাৰা পৰিচালিত এখন ৰাষ্ট্ৰ প্ৰতিষ্ঠাৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। এই ৰাষ্ট্ৰখনৰ তেওঁ যিটো বৰ্ণনা দিছিল সেইমতে ৫০ বছৰ বয়সৰ ওপৰৰ ৩ জন পৰীক্ষক নাগৰিকসকলে নিৰ্বাচিত কৰিব লাগিছিল আৰু সেই পৰীক্ষক তিনিজন ৭৫ বছৰ বয়সলৈকে পদবীত আছিল। সেই তিনিজনীয়া সদস্যৰ পৰীক্ষক সমিতিটোৱে প্ৰতি বছৰে ৭৫ জন নিম্নশ্ৰেণীৰ পৰীক্ষক নিযুক্তি দিব লাগিছিল। নিযুক্তি দিয়াৰ সময়ত সেই পৰীক্ষকসকলৰ বয়স ৫০ বছৰৰ বেছি হ'ব নোৱাৰিছিল। এই পৰীক্ষকসকলৰ কাম আছিল ৰাষ্ট্ৰৰ প্ৰশাসনৰ পৰিদৰ্শন কৰা। ৰাষ্ট্ৰৰ ঐক্য অটুট ৰাখিবলৈ এই পৰীক্ষকসকলে বিচাৰকসকলক ন্যায়ৰ পথত ৰাখিব লাগিছিল।

এই পৰীক্ষকসকলৰ উপৰিও প্লেটোৱে এখন নক্টাৰনেল পৰিষদ প্ৰবৰ্তন কৰিবলৈ বিচাৰিছিল। এই পৰিষদখনৰ সদস্যসকল বিভিন্ন বয়স অভিজ্ঞতা আৰু দৃষ্টিভংগীৰ আছিল। এই পৰিষদখনৰ আধাসংখ্যক সদস্য পদাধিকাৰী বিষয়া আছিল। এওঁলোকৰ ভিতৰত আছিল 'কৰ্মৰত পৰীক্ষক ১০ জন আটাইতকৈ বেছি বয়সীয়া আইনৰ অভিভাৱক (এওঁলোকৰ বয়স ৬০ বছৰৰ কম নাছিল) শিক্ষামন্ত্ৰী আৰু বাকী আধাসংখ্যক সদস্য শক্তি সামৰ্থ্য আৰু মেধাসম্পন্ন দৰ্শকৰ মাজৰপৰা লোৱা হৈছিল। প্ৰত্যেকজন পদাধিকাৰী সদস্যই একোজনকৈ সহযোগী ডেকা সদস্য বাছি লৈছিল। এই ডেকা সদস্যসকলৰ বয়স ৩০ বছৰৰপৰা ৪০ বছৰৰ ভিতৰত আছিল। আন সকলোবোৰ সদস্যৰ অনুমতি পালে সহযোগী সদস্যসকলো পূৰ্ণ সদস্য হ'ব পাৰে। সহযোগী সদস্যসকলে জ্যেষ্ঠ সদস্যসকলক কামত সহায় কৰিব লাগিছিল আৰু এইদৰে তেওঁলোকে নিজৰ বাবে অভিজ্ঞতা আৰু জ্ঞান সঞ্চয় কৰি লৈছিল।

আইন নক্টাৰনেল পৰিষদৰ ওপৰত আছিল। কিন্তু ভগৱান আইনৰো ওপৰত আছিল। ৩৭ জন আইনৰ অভিভাৱকতকৈও নক্টাৰনেল পৰিষদখনক বেছি ক্ষমতা আৰু কৰ্তৃত্ব দিয়া হৈছিল। এই পৰিকল্পনাত জনসাধাৰণদ্বাৰা আইনক সম্পূৰ্ণৰূপে মনাই ৰাখিব লাগিছিল। এইখনেই আছিল ৰাষ্ট্ৰৰ চকু কাণ, মগজু আৰু আত্মা। নক্টাৰনেল পৰিষদৰ সদস্যসকল চৰম জ্ঞান আৰু গুণৰ অধিকাৰী আছিল। তেওঁলোকে ৰাষ্ট্ৰৰ লক্ষ্য আৰু আদৰ্শ ভালদৰে বুজি পাইছিল আৰু

তেওঁলোক জ্ঞানী হ'লে তেনেকৈ ৰাষ্ট্ৰৰ লক্ষ্য আৰু আদৰ্শ কাৰ্যত পৰিণত কৰিব পাৰিব।

এৰিষ্টটলৰ মতে মিশ্ৰিত সংবিধানৰ বহুত দোষ আছে। আগতেই উল্লেখ কৰি অহা হৈছে যে গণতন্ত্ৰ আৰু ৰাজতন্ত্ৰৰ উপাদানেৰে গঠিত এখন মিশ্ৰিত সংবিধানতকৈ কেইবাখনো সংবিধানৰ উপাদানেৰে গঠিত এখন মিশ্ৰিত সংবিধানেই ভাল। তেওঁৰ মতে গণতন্ত্ৰ আৰু ৰাজতন্ত্ৰৰ উপাদানেৰে এখন সংবিধান প্ৰকৃততে কোনো সংবিধানেই নহয় আৰু যদি ইয়াক এখন সংবিধান বুলি ধৰি লোৱা হয় তেন্তে ই আটাইতকৈ বেয়া সংবিধান। প্লেটোৱে ৰাজতন্ত্ৰৰ কিছু সীমা দিছে আৰু নাগৰিকসকলৰ বাবে যি সামৰিক প্ৰশিক্ষণৰ পৰামৰ্শ আগবঢ়াইছে তাৰ ফলত ৰাষ্ট্ৰ এখনৰ চৰিত্ৰ শান্তিপ্ৰিয় নহৈ আক্ৰমণাত্মক হ'ব। তদুপৰি প্লেটোৱে সম্পত্তি আৰু জনসাধাৰণৰ মাজত সুস্থ ভাৱধাৰা ৰক্ষা কৰিবলৈ কোনো ব্যৱস্থা দি যোৱা নাই।

ষষ্ঠদশ অধ্যায়

এৰিষ্ট'টলৰ প্ৰাৰম্ভিক পৰিচয়

৩৮৪ খ্ৰীষ্টপূৰ্বত ষ্টেগিৰাত এৰিষ্ট'টলৰ জন্ম হৈছিল। তেওঁৰ দেউতাক মেচিডনৰ ফিলিপৰ পিতৃ দ্বিতীয় আমিণ্টাছৰ চৰকাৰী চিকিৎসক আছিল। ৩৬৭ খ্ৰীষ্টপূৰ্বত ১৭ বছৰ বয়সত এৰিষ্ট'টল প্লেটোৰ একাডেমিত অধ্যয়ন কৰিবলৈ এথেন্সলৈ গৈছিল। প্লেটোৰ লগত শিক্ষাগুৰু হিচাপে তেওঁৰ সম্বন্ধ বৰ মধুৰ আছিল। প্লেটোৱে তেওঁৰ শিষ্যসকলৰ ভিতৰত এৰিষ্টটলক বেছি মেধাসম্পন্ন বুলি জ্ঞান কৰিছিল। এৰিষ্টটলে প্লেটোৰ বিষয়ে এইদৰে লিখিছিল— তেওঁ এনে এজন লোক আছিল যাক বেয়া আৰু অজ্ঞানবোৰে প্ৰশংসা কৰিবৰ কোনো অধিকাৰ নাছিল। তেৱেঁই একমাত্ৰ লোক আছিল যি তেৱেঁই পৃথিৱীত প্ৰথমতে নিজৰ জীৱন আৰু নিজে কৰা আলোচনাৰ যুক্তিৰদ্বাৰা পৰিষ্কাৰভাৱে দেখুৱাইছিল যে সুখী হ'ব লাগিলে ভাল হ'ব লাগিব। প্লেটোৰ মৃত্যুৰ পাছত এৰিষ্টটল প্লেটোৰ একাডেমিখনৰ মুৰব্বী হ'ব নোৱাৰিলে। ৩৪৭ খ্ৰীষ্টপূৰ্বৰপৰা ৩৩৫ খ্ৰীষ্টপূৰ্বলৈ এৰিষ্টটলে প্ৰথমতে এটাৰ্নিয়াছৰ অত্যাচাৰী শাসক হাৰ্মিয়াছৰ অধীনত বিভিন্ন বিষয়ৰ চৰ্চা কৰিছিল আৰু তেওঁ হাৰ্মিয়াছৰ পালিতা কন্যাৰ পাণি গ্ৰহণ কৰিছিল আৰু তাৰ পাছত মেচিডনৰ ৰজা ফিলিপৰ ৰাজসভাত তেওঁৰ পুত্ৰ আলেকজেণ্ডাৰৰ গৃহ শিক্ষক হিচাপে কাম কৰিছিল।

৩৩৫ খ্ৰীষ্টপূৰ্বত এৰিষ্টটল এথেন্সলৈ উভতি আহিছিল আৰু তাত নিজে লাইছিয়াম নামৰ একাডেমি এখন স্থাপন কৰিছিল আৰু কম দিনৰ ভিতৰতে এই একাডেমিখনৰ যথেষ্ট উন্নতি হৈছিল। ৩২৩ খ্ৰী পূৰ্বত আলেকজেণ্ডাৰৰ বিয়োগৰ বাতৰি এথেন্স পোৱাৰ লগে লগে এথেন্সত মেচিডনৰ বিৰুদ্ধে যুদ্ধাগ্নি জ্বলি উঠিছিল। এৰিষ্টটলক আলেকজেণ্ডাৰৰ ঘনিষ্ঠ বন্ধু বুলি সকলোৱে জানিছিল আৰু সেইবাবে তেৱেঁই সেই যুদ্ধাগ্নি জগোৱাই তোলা বুলি বহুতে তেওঁক সন্দেহ কৰিছিল আৰু সেইগতিকে তেওঁ এথেন্সৰপৰা পলাবলৈ বাধ্য হৈছিল। ৩২২ খ্ৰীষ্ট-পূৰ্বত ইউবেৱা দ্বীপৰ কেলচিছ নগৰত তেওঁৰ মৃত্যু হৈছিল। বন্ধুসকলৰ পৰামৰ্শমতে তেওঁ এথেন্স এৰি আহি মেচিডনত আশ্ৰয় গ্ৰহণ নকৰা হ'লে বোধহয় তেওঁৰ ওপৰতো চক্ৰেটিছক দিয়াৰ দৰে একে শাস্তি দিয়া হ'লহেঁতেন।

এৰিষ্টটলে মন্তব্য কৰিছিল— "গ্ৰিকসকল দাস হ'ব নোৱাৰে৷ দাসত্ব অসভ্য ব্যক্তিবোৰৰ বাবেহে।" তেওঁ কৈছিল যে গ্ৰিকসকলৰ গাত পশ্চিমৰ মুক্ত চেতনা আৰু গাত শক্তি আৰু পুবৰ জ্ঞান আৰু অনুধাৱন শক্তি মিলিত হৈ আছে আৰু সেইবাবে এখন আদৰ্শ ৰাষ্ট্ৰ সংগঠন কৰিবলৈ গ্ৰিকসকল আদৰ্শ মানুহ। গ্ৰিক চিন্তা আৰু সংস্কৃতিৰ মহিমা চিৰস্থায়ী কৰি ৰখাই তেওঁৰ জীৱনৰ অন্যতম লক্ষ্য আছিল। তেওঁৰ লেখাত যুক্তিবিদ্যা বিজ্ঞান কলা সাহিত্য ইতিহাস নীতি-শাস্ত্ৰ ৰাজনীতি দৰ্শন সকলো আছিল। আন কথাত ক'বলৈ গ'লে তেওঁৰ লিখনিত তেওঁৰ সময়ৰ সকলো ধৰণৰ গ্ৰিছদেশীয় জ্ঞান ভঁৰাল আছিল। কিন্তু এইটো বৰ দুখৰ কথা যে তেওঁৰ আদৰ্শ আৰু প্ৰতিভাক মানুহবোৰে প্ৰশংসা আৰু সন্মান নকৰিলে তেওঁৰ প্ৰতি কোনো কৃতজ্ঞতা প্ৰকাশ নকৰিলে অথচ তেওঁৰ লেখাই গ্ৰিক চিন্তা আৰু সংস্কৃতি অমৰ কৰি ৰাখিবলৈ প্ৰভূত বৰঙণি যোগাইছিল। শেষত তেওঁ মাতৃভূমি পৰিত্যাগ কৰি পৰৰ দেশত বন্ধুহীন হৈ প্ৰাণ বিসৰ্জন দিবলগীয়া হৈছিল। পৰৰ দেশত তেওঁৰ মতে অসভ্য মানুহবোৰৰ মাজতো তেওঁ দয়া আৰু সহৃদয়তা লাভ কৰিছিল য'ত দয়া আৰু মৰম তেওঁৰ নিজৰ দেশৰ সভ্য মানুহবোৰে তেওঁক দেখুৱাবলৈ সমৰ্থ নহ'ল।

সেইসময়ত গ্ৰিছ দেশত ৰাজনৈতিক জীৱনত বিশৃংখলতা ঘটিছিল আৰু এই ঐতিহাসিক প্ৰয়োজনীয়তা আছিল তাত সেই ধৰণৰ বিশৃংখলা অন্ত হ'ব সৃষ্টি নোহোৱা হ'ল পাশ্চাত্যৰ আৰু ছক্ৰেটিছ প্লেটো এৰিষ্টটল আদিৰ দৰে কতজন পুৰুষসকলৰ কাপৰণৰা ওলোৱা মহান আৰু অমৰ চিন্তাৰ বাবেহে তেওঁ দৰ্শন লাভ কৰাৰ কাৰণৰা যোৱকাৰী বলিত হৈছে'। গ্ৰিক নগৰবোৰৰ বিশেষকৈ এথেন্সৰ লোকসকল অভিজ্ঞতাবোৰ গ্ৰিক দাৰ্শনিকসকলৰ উচ্চ কল্পনা আৰু মহান আদৰ্শৰ বাবে সহায়ক নাছিল আৰু ইয়াৰ কাৰণে তেওঁলোকে মানৱ সমাজৰ বাবে এনেকুৱা ডাঙৰ বাণী চিৰযুগৰ বাবে এৰি থৈ গৈছে। সেই মহান বাণীটো হৈছে— ৰাজনীতিত নৈতিকতা স্থাপন কৰা।" বৰ্তমান যুগৰ ৰাজনীতিকসকলে এৰিষ্টটলৰ সেই মহান বাণীটোৰ মৰ্ম উপলব্ধি কৰি বৰ্তমান যুগত ৰাজনীতি নীতি-বোৰ নিৰ্ধাৰণ কৰিলে মানৱ সমাজ আণৱিক অস্ত্ৰ ধ্বংসাত্মক যুগৰ মহা সংকটৰ পৰা ৰক্ষা পৰিব।

এৰিষ্টটলৰ ৰাজনীতি বুজিবলৈ আমি প্লেটো আৰু ছক্ৰেটিছৰ ৰাজনৈতিক তত্ত্বৰ লগত পৰিচিত হ'ব লাগিব। কিয়নো, এৰিষ্টটল প্লেটোৰ ছাত্ৰ আছিল আৰু প্লেটোৱে ছক্ৰেটিছৰ অধীনত তেওঁৰ ৰাজনৈতিক দৰ্শনৰ শিক্ষা গ্ৰহণ কৰিছিল। সেই কাৰণে প্লেটো আৰু ছক্ৰেটিছৰ আদৰ্শই এৰিষ্টটলৰ দৰ্শনৰ গঠনত সহায় কৰিছিল আৰু তেওঁৰ চিন্তাত প্ৰভাৱ পেলাইছিল। এৰিষ্টটলৰ ৰাজনীতিতত্ত্বৰ আঠটা খণ্ড আছিল। এইবোৰৰ প্ৰত্যেকটো খণ্ডত

একোখন পুস্তিকা বুলিব পাৰি। এইবোৰ এৰিষ্টটলে তেওঁৰ একাডেমিৰ ছাত্রসকলৰ বাবে প্রস্তুত কৰা বক্তৃতাৰ টীকা আছিল আৰু বোধকৰোঁ সেইবাবেই এইবোৰ বিজ্ঞানসম্মতভাৱে সজাই ৰখা হোৱা নাছিল। বেলেগ বেলেগ অনুবাদকে এৰিষ্টটলৰ এই পুস্তিকাকেইখন বেলেগ বেলেগ ধৰণে সজাই তুলিছে। ৰাজনীতিৰ প্রথম পাঁচখন পুস্তিকাত প্রধানকৈ ৰাজনৈতিক তত্ত্বৰ বিষয়ে আলোচনা কৰা হৈছে আৰু শেষৰ তিনিখন পুস্তিকাত চৰকাৰৰ বিষয়ে কিছুমান প্রশ্ন আৰু সমস্যা উত্থাপন কৰি তাৰ উত্তৰ দিয়া হৈছে।

পৃথিৱীত এতিয়ালৈ জন্মগ্রহণ কৰা ৰাজনৈতিক দাৰ্শনিকসকলৰ ভিতৰত এৰিষ্টটল অন্যতম। প্লেটোৱে তেওঁৰ আইন নামৰ গ্রন্থখনত যিখন সুশৃংখলিত আৰু ভাৱসাম্যসম্পন্ন ৰাষ্ট্ৰৰ ছবি আঁকিছিল সেইটোৱেই এৰিষ্টটলৰ ৰাজনীতিখনৰ উৎস আৰু অৱলম্বনস্বৰূপ আছিল। এৰিষ্টটল প্রধানকৈ তেওঁৰ ৰাজনীতিখনৰ বাবেই পৃথিৱীবিখ্যাত আছিল যদিও আমি কেতিয়াও পাহৰিব যাব নালাগিব যে তেওঁৰ প্রতিভা সৰ্বতোমুখী আৰু সুদূৰপ্রসাৰী আছিল। তর্কশাস্ত্র নীতিশাস্ত্র দর্শন আৰু প্রাকৃতিক বিজ্ঞানবোৰৰ ওপৰত তেওঁৰ সমান জ্ঞান আছিল। আমি পৃথিৱীত দ্বিতীয় আন এজন দাৰ্শনিক বিচাৰি পোৱা টান হ'ব যাৰ জ্ঞানৰ সাৰ্বজনীনত্বক এৰিষ্টটলৰ জ্ঞানৰ সাৰ্বজনীনত্বৰ লগত তুলনা কৰিব পৰা যায়। ৰাজনীতি অধ্যয়নৰ পদ্ধতিৰ বিষয়ে বিচাৰ কৰিলে আমি প্লেটো আৰু এৰিষ্টটলৰ মাজত স্পষ্ট পাৰ্থক্য দেখিবলৈ পাওঁ। প্লেটোৱে বাস্তৱ ঘটনাবোৰ তেওঁৰ নিজস্ব এটা নির্দিষ্ট মাপকাঠি'ৰ পৰীক্ষা কৰিছিল। পূর্ণতা আৰু বস্তুনিৰপেক্ষতাৰ বিষয়ে প্লেটোৰ নিজা অৱধাৰণা আছিল আৰু তেও বাস্তৱ ঘটনাবোৰ সেই অৱধাৰণাটোৰে বিচাৰ কৰিছিল। আনহাতে এৰিষ্টটলে সদায় বাস্তৱ অৱস্থা বা অতীত অভিজ্ঞতাবোৰৰ মাপকাঠিৰে তেওঁৰ সন্মুখত উপস্থিত হোৱা তৰ্কৰ বিষয়বোৰ বা আগেয়ে ধৰি লোৱা ধাৰণাবোৰ পৰীক্ষা কৰি সিদ্ধান্ত গ্রহণ কৰিছিল। গতিকে এৰিষ্টটলৰ যুক্তিদানপদ্ধতি প্রকৃতিগতভাৱে অনুমান সাপেক্ষ আছিল। অৱশ্যে এইটো সত্য যে এৰিষ্টটলো মানুহৰ বস্তুনিৰপেক্ষ ভালৰ লগত সম্বন্ধ থকা এখন বস্তুনিৰপেক্ষ ৰাষ্ট্ৰৰ ধাৰণাৰপৰা কেতিয়াও আঁতৰি অহা নাছিল। গতিকে তেওঁৰ মতে ৰাজনীতি একপ্রকাৰ বস্তুনিৰপেক্ষ বিজ্ঞান। দ্বিতীয় তৃতীয় সপ্তম আৰু অষ্টম পুস্তিকাত এৰিষ্টটলৰ এইবোৰ কথাৰ স্পষ্ট প্রমাণ পোৱা যায়। কিন্তু বয়স বাঢ়ি অহাৰ লগে লগে তেও ৰাষ্ট্ৰৰ নিৰপেক্ষ অধ্যয়নৰপৰা আঁতৰি আহিছিল আৰু চৰকাৰৰ আচল কাম-কাজৰ বিষয়ে বিশ্লেষণ কৰিবলৈ লৈছিল। চৰকাৰৰ কাৰ্যপদ্ধতিৰ বিষয়ে বিশ্লেষণ কৰোঁতে তেওঁ ইয়াৰ ওপৰত প্রভাৱ বিস্তাৰ কৰা ৰাজনৈতিক শক্তিবোৰৰ বিষয়েও আলোচনা কৰিছিল। ইয়াতেই এৰিষ্টটলে তেওঁৰ প্রকৃত প্রতিভা দেখুৱাব পাৰিছিল। এৰিষ্টটল

ইতিহাসৰ ওপৰত ভিত্তি কৰি তেওঁৰ আলোচনাবোৰ আগবঢ়াইছিল। তেওঁৰ মন্তব্য আৰু টীকা টিপ্পনীবোৰ বৰ চমু আৰু স্পষ্ট আছিল আৰু সেইবোৰত খুব কম কাব্যিক আৰু আলংকাৰিক সৌন্দৰ্য্য আছিল। তেওঁ ৰাজনৈতিক আৰু নৈতিক অনুধাৱণাবোৰৰ মাজত পাৰ্থক্য বিচাৰি উলিয়াইছিল আৰু সেইগতিকে পৃথিৱীত তেওঁকেই ৰাজনীতিবিজ্ঞানৰ প্ৰথম প্ৰতিষ্ঠাপক বুলি ক'ব পাৰি। তেওঁ কেতিয়াও এনে এখন বিশেষ চৰকাৰৰ নীতিৰ কথা কোৱা নাছিল যিখন চৰকাৰ সকলো সময় আৰু সকলো অৱস্থাৰ বাবে উৎকৃষ্ট চৰকাৰ হ'ব। তেওঁ এইটো ভালদৰে অনুভৱ কৰিছিল যে ৰাষ্ট্ৰৰ সংবিধানবোৰ নমনীয় চৰিত্ৰৰ হ'ব লাগে কাৰণ তেতিয়াহে একোখন ৰাষ্ট্ৰ বা একোটা জাতিৰ বিশেষ অৱস্থাৰ লগত খাপ খুৱাই সংবিধানবোৰ সময়ে সময়ে সংশোধন কৰি ল'ব পৰা যায়। বাৰ্কাৰৰ মতে—'মানুহৰ মনৰ অনুমানসাপেক্ষ অভ্যাসৰ লগত ঐতিহাসিক চেতনা আৰু জ্ঞান লগ হৈ থাকে আৰু ইয়েই মানুহক অতীতৰ প্ৰথা আৰু পৰম্পৰাৰ প্ৰতি শ্ৰদ্ধাশীল কৰে আৰু ইয়াৰ ফলত মানুহে সাধাৰণ মতামতে দিয়া সিদ্ধান্ত মানি ল'বলৈ প্ৰস্তুত হয়।' অতীতৰ পৰম্পৰা আৰু সাধাৰণ মতামতৰ ওপৰত প্লেটোৰ সমূলি আস্থা নাছিল। তেওঁ কেৱল উদ্ভাৱন আৱিষ্কাৰ আৰু সৰ্বজ্ঞানী অভিভাৱকসকলৰ ওপৰতহে অটল বিশ্বাস ৰাখিছিল। প্লেটোৰ এজন প্ৰকৃত সমালোচক হিচাপে এৰিষ্টটলে আমাক এইদৰে স্মৰণ কৰাই দিছে 'আমি মনত পেলাও'হঁক যে যুগে যুগে সঞ্চিত হোৱা অভিজ্ঞতাবোৰক আমি অসম্মান কৰা উচিত নহয়, ইমান বছৰৰ ভিতৰত সেই বস্তুবোৰ (প্লেটোৰ আৱিষ্কাৰবোৰ) ভাল হ'লে নিশ্চয় পৃথিৱীত অজ্ঞাত হৈ নাথাকিলহেঁতেন।" এৰিষ্টটলে এইটো বিশ্বাস কৰিছিল যে যদি বুদ্ধি-যুক্তি, অতীতৰ প্ৰথা অভিজ্ঞতা আদি মানুহে তৈয়াৰ কৰা আইনত জমা কৰি ৰাখিব পৰা যায় তেন্তে ইয়াক আন ঠাইত বিচৰাৰ কোনো প্ৰয়োজন নাই। যদি প্লেটোৱে মানুহৰ শাসনৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে এৰিষ্টটলেও আইনৰ শাসনৰ ওপৰত নিৰ্ভৰ কৰিব পাৰে। আইনৰ শাসনক আমি এতিয়া সাংবিধানিক চৰকাৰ বুলি কওঁ। সাংবিধানিক চৰকাৰৰ বাঞ্ছনীয়তাৰ ওপৰত বিশ্বাস বা আইনৰ সাৰ্বভৌমত্ব আদি ৰাজনৈতিক অনুধাৱণাৰ বাবে এৰিষ্টটলক আজিও পৃথিৱীত সকলোৱে শ্ৰদ্ধাৰে স্মৰণ কৰে আৰু এই ধাৰণাবোৰৰ বাবে আমি সকলো তেওঁৰ ওচৰত চিৰঋণী। সাংবিধানিক চৰকাৰৰ প্ৰতি গভীৰ শ্ৰদ্ধাৰ এই ধাৰণাটো এৰিষ্টটলৰ ৰাজনীতিৰ এটা প্ৰধান উল্লেখযোগ্য বস্তু।

ৰাজনীতি আৰু দৰ্শনৰ আদৰ্শবাদৰ কাৰণে যদি পৃথিৱীৰ প্লেটোৰ ওচৰত ঋণী, এৰিষ্টটলক আমি চিন্তা আৰু কাৰ্য্যত বাস্তৱতাৰ কাৰণে পিতৃ বুলি গণ্য কৰিব লাগিব। এৰিষ্টটলক সকলো যুগৰ দাৰ্শনিক বুলিব পাৰি। যুগে যুগে বৌদ্ধিক পৃথিৱীয়ে এৰিষ্টটলৰ প্ৰতি গভীৰ শ্ৰদ্ধা অৰ্পণ কৰি আহিছে।

এতিয়াও এৰিষ্টটল সেইবোৰ মানুহৰ গুৰু যিবোৰ মানুহে তেওঁক জানে। সেই-বোৰ মানুহে প্ৰাচ্য আৰু পাশ্চাত্যৰ মাজত সংযোগ সাধনকাৰী হিচাপে সেৱা আগবঢ়াই আছে। অংকশাস্ত্ৰৰ বাহিৰে চলিত জ্ঞানৰ প্ৰত্যেকটো বিষয়ৰ ওপৰত এৰিষ্টটলৰ অগাধ ব্যুৎপত্তি আছিল। তেওঁ ধৰ্মতত্ত্ব দৰ্শন নীতিশাস্ত্ৰ অৰ্থ নীতি কৃষিবিজ্ঞান পদাৰ্থবিদ্যা আদি সকলো বিষয়ৰ ওপৰত লিখিছিল। তেওঁৰ ৰাজনীতিখন গ্ৰিক ৰাজনৈতিক চিন্তাৰ এটা সৰ্বোৎকৃষ্ট বৰ্ণনা।

আলেকজেণ্ডাৰৰ গৃহশিক্ষক হিচাপে তিনিবছৰ কাম কৰি তেও ৩৪৩ খ্ৰিষ্টপূৰ্বত এথেন্সলৈ ঘূৰি আহিছিল আৰু একেৰাহে ১২ বছৰ কাল তেওঁ এথেন্সত আছিল। এই সময়ছোৱাৰ ভিতৰতে তেও তেওঁৰ অমৰ আৰু যাউতি যুগীয়া ৰচনাবোৰ লিখি সমাপ্ত কৰিছিল। আগতেই উল্লেখ কৰি অহা হৈছে যে তেও তেওঁৰ বন্ধু অত্যাচাৰী শাসক হাৰ্মিয়াছৰ পালিতা কন্যা এজনীক বিয়া কৰাইছিল। এই বিবাহখন কৃতকাৰ্য্য হৈছিল আৰু ইয়াৰপৰাই তেও একাগ্ৰ পত্নীয়াভাৱে পৰিয়ালৰ সেৱাত আত্মনিয়োগ কৰিছিল আৰু তেতিয়াৰপৰাই পৰিয়ালৰ অনুষ্ঠানটোৰ প্ৰতি তেওঁৰ মৰম আৰু শ্ৰদ্ধা বাঢ়ি গৈছিল। বোধকৰো সেইবাবেই তেও প্লেটোৰ পৰিবাৰৰ সাম্যবাদৰ তীব্ৰ বিৰোধিতা কৰিছিল। তেওঁ এজন যথেষ্ট সমল থকা লোক আছিল আৰু ব্যক্তিগত সম্পত্তিৰ প্ৰয়োজনীয়তাত তেও বিশ্বাস কৰিছিল।

আলেকজেণ্ডাৰ আৰু তেওঁৰ সাম্ৰাজ্যৰ লগত এৰিষ্টটলৰ সক্ৰিয় সহযোগ থকা সত্বেও এৰিষ্টটলে গ্ৰিক নগৰ আৰু গ্ৰিছদেশীয় চিন্তাৰেহে সকলোবোৰ কথা বিবেচনা কৰিছিল। এৰিষ্টটলৰমতে প্ৰকৃতিয়ে গ্ৰিকসকলক শ্ৰেষ্ঠ লোক হিচাপে সৃষ্টি কৰিছিল আৰু আনবোৰক নিকৃষ্ট হিচাপে সৃষ্টি কৰিছিল। সেই গতিকে এৰিষ্টটলে অনা গ্ৰিক অনুষ্ঠান আৰু ৰাজনীতিত কোনো মাদকতা পোৱা নাছিল আৰু সেইবোৰ চৰ্চাও কৰা নাছিল।

এৰিষ্টটলে ৩৩৫ খ্ৰিষ্টপূৰ্বত এথেন্সত লাইছিয়াম নামৰ যিখন একাডেমি স্থাপন কৰিছিল সেইখন তেওঁৰ দিনত আৰু তাৰ পাছতো গ্ৰিছদেশৰ বৌদ্ধিক কেন্দ্ৰত পৰিণত হৈছিল। এৰিষ্টটলৰ জ্ঞানৰ গভীৰতা আৰু বিভিন্ন বিষয়ৰ ওপৰত থকা তেওঁৰ জ্ঞান আৰু অতুলনীয় শিক্ষাপদ্ধতিৰ বাবে বহুতো দূৰ দেশৰপৰা ছাত্ৰ ছাত্ৰী তেওঁৰ একাডেমিলৈ অধ্যয়ন কৰিবলৈ আহিছিল। এৰিষ্টটলে মানুহৰ সকলোবোৰ জ্ঞানকে প্ৰণালীবদ্ধভাৱে অধ্যয়ন কৰিছিল আৰু মানুহৰ অগ্ৰগতিৰ প্ৰত্যেকটো বিষয়তে প্ৰবেশ কৰিছিল। তুলনামূলক গ্ৰহবিজ্ঞান তৰ্কশাস্ত্ৰ আদিৰ দৰে নতুন নতুন বিজ্ঞান আৰু জ্ঞানৰ বিভাগ তেওঁ প্ৰতিষ্ঠা কৰিছিল।

এৰিষ্টটলৰ ৰাজনৈতিক দৰ্শনত প্ৰধানকৈ তিনিটা প্ৰভাৱ প্ৰতিফলিত হৈছিল। তেওঁৰ দিনৰ নগৰৰাষ্ট্ৰবোৰৰ অধঃপতনৰ প্ৰভাৱ তেওঁৰ চিন্তাত পৰি-

ছিল। তদুপৰি সেইসময়ত গ্ৰিছদেশত চলি থকা কুসংস্কাৰ আৰু অন্ধবিশ্বাসবোৰ আছিল— অনা গ্ৰিকসকলতকৈ গ্ৰিকসকলৰ মৌলিক শ্ৰেষ্ঠতা ৰাজহুৱা জীৱনত নাগৰিকসকলৰ সক্ৰিয় ভূমিকা ব্যক্তিৰ ওপৰত ৰাষ্ট্ৰৰ একাধিপত্য দাসত্বৰ প্ৰয়োজনীয়তা ইত্যাদি। এৰিষ্টটলৰ ওপৰত তৃতীয় প্ৰধান প্ৰভাৱ আছিল প্লেটোৰ।

এৰিষ্টটলে প্লেটোৰ মৌলিকতাবাদ আৰু আদৰ্শবাদৰ ওপৰত সমালোচনা আগবঢ়াইছিল যদিও যথেষ্ট পৰিমাণে তেওঁ প্লেটোৰ ওচৰত ধৰুৱাও আছিল। প্লেটোৰ আইন আৰু এৰিষ্টটলৰ ৰাজনীতিত চিত্ৰিত কৰা আদৰ্শবোৰৰ মাজত যথেষ্ট পৰিমাণে মিল দেখিবলৈ পোৱা যায়। এৰিষ্টটল আৰু প্লেটো দুয়োজনেই কৈছে যে মানুহ সামাজিক প্ৰাণী আৰু সেই গতিকে মানুহ নিশ্চয় সমাজত বাস কৰিব লাগিব। দুয়োজনেই নগৰৰাষ্ট্ৰৰ ওপৰত ভিত্তি কৰি সকলোবোৰ কথা লিখিছিল। দুয়োজনে ব্যক্তিসকলক সমাজৰ সেৱাত ব্যৱহাৰ কৰিবলৈ বিচাৰিছিল। শিক্ষা আৰু শিক্ষাব্যৱস্থাৰ বিষয়ে তেওঁলোক দুয়োজনে যি দৃষ্টিভংগী গ্ৰহণ কৰিছিল তাতো যথেষ্ট মিল আছে। দুয়োজনে শিক্ষাৰ ওপৰত ৰাষ্ট্ৰৰ নিয়ন্ত্ৰণ সমৰ্থন কৰিছে। দুয়োজনে নাগৰিকসকলক সন্মানৰ আসনত বহুৱাবলৈ ইচ্ছা কৰিছিল আৰু নাগৰিকসকলৰ বাবে কৰ্তব্য স্থিৰ কৰি দিছিল। নিম্নশ্ৰেণীৰ মানুহবোৰক দুয়ো ৰব বোঁছ গণ্য কৰা নাছিল। কোনোজনে দাসত্বক প্ৰকাশ্যভাৱে নিন্দা কৰা নাছিল।

দুয়োজনৰে চৰকাৰৰ শ্ৰেণীবিভাগত বহুতো মিল আছে। দুয়োজনে একে ধৰণ আদৰ্শৰাষ্ট্ৰৰ ছবি আঁকিছে। দুয়োজনে ৰাষ্ট্ৰত ঐক্য সংহতি আৰু শৃংখলাৰ ওপৰত জোৰ দিছে। দুয়োজনে গণতন্ত্ৰৰ নিন্দা কৰি জ্ঞানী লোকৰ শাসন প্ৰবৰ্তন কৰিবলৈ বিচাৰিছে। দুয়োজনে সমাজৰ এটা আংগিক দৃষ্টিভংগী গ্ৰহণ কৰিছে। মিশ্ৰিত সংবিধান দুয়োজনৰ মতে আটাইতকৈ চমৎকাৰ সংবিধান আছিল। দুয়োজনৰ মতে প্ৰত্যেকক তেওঁৰ প্ৰাপ্যখিনি দিব পাৰিলে সমাজত ন্যায় প্ৰতিষ্ঠা হয়। দুয়ো বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰ কেৱল জীৱন ৰক্ষাৰ কাৰণেই নহয় ভাল জীৱন গঢ়ি তোলাৰ কাৰণেও। ব্যক্তিৰ গুণ আৰু ৰাষ্ট্ৰৰ গুণৰ মাজত দুয়োজনে এটা ঐক্য বিচাৰি পাইছিল আৰু সেই গতিকে তেওঁলোকে ৰাজনীতি আৰু নীতিশাস্ত্ৰৰ মাজত সংযোগ সাধন কৰিছিল। প্লেটোৰ মতে বস্তুবোৰতকৈ আদৰ্শৰ আগেয়ে জন্ম হৈছিল এৰিষ্টটলৰ মতে প্ৰাণীৰ আগতে উদ্দেশ্য বা লক্ষ্যৰ সৃষ্টি হয়। যিকোনো বস্তু বা কামৰ আদৰ্শনীয় লক্ষ্যত বাস্তৱতা প্ৰকাশ পায়। এইদৰে, এৰিষ্টটলে তেওঁৰ ৰাজনৈতিক আদৰ্শৰ তত্ত্ব যিটো ভেটিৰ ওপৰত থিয় কৰাইছিল প্লেটোৰ লগত বহু বছৰ একেলগে থাকি তেওঁ সেই ভেটিটো আগেয়ে অধিকাৰ কৰিছিল।

এৰিষ্টটলৰ লিখনিৰ চৰিত্ৰ আৰু পদ্ধতি

এৰিষ্টটলৰ লেখাবোৰ বুজিবলৈ সহজ নহয় আৰু ইয়াত বহুতো দোষ আছে। এই দোষবোৰৰ ভিতৰত এইবোৰেই প্ৰধান : সাধাৰণ কথাৰ ওপৰত তেওঁ চূড়ান্ত বিতৰ্কৰ অৱতাৰণা কৰিছিল সূত্ৰাকাৰৰূপে কথাবোৰ উত্থাপন কৰিবলৈ

তেও চেষ্টা কৰা নাছিল একে কথাকে বাৰে বাৰে উল্লেখ কৰিছিল আৰু প্ৰতিবাৰ উল্লেখ কৰোঁতে সাধাৰণ পাৰ্থক্য দুই এটা ওলাই পৰিছিল আৰু সেইবাবে মানুহে কোঁতিয়াবা তেও কিবা বেলেগ অৰ্থ কৰা বুলি ভাবিছিল আৰু কেঁতিয়াবা আগেয়ে কৈ যোৱাটো পাহৰি যোৱা বুলি ধৰি লৈছিল। তেও তেওঁৰ গুৰুসকলৰ ওচৰত ধৰুৱা বুলি বাৰে বাৰে স্বীকাৰ কৰিছিল বিশেষকৈ প্লেটোৰ ওচৰত তেও সদায় নত হৈ আছিল। গুৰুসকলক সমালোচনা কৰোঁতে তেও কেঁতিয়াবা কেঁতিয়াবা ইচ্ছা কৰিয়েই ভুল বুজি সমালোচনা কৰিছিল। তেওঁৰ লিখাৰ পদ্ধতি কিছু পৰিমাণে দুৰ্বোধ্য আছিল। তেওঁৰ আচাৰ ব্যৱহাৰ ছাত্ৰই শিক্ষকক কৰাৰ দৰে আছিল। সাধাৰণতে এৰিষ্ট'টল অতি বিৰক্তিকৰ আৰু বৈচিত্ৰ্যহীন আছিল। তেও প্ৰায়ে বাগাড়ম্বৰ মাজে মাজে অস্পষ্ট আৰু কেঁতিয়াবা কেঁতিয়াবা অসাধাৰণ সংক্ষিপ্ত আৰু অমনোযোগী আছিল। তেওঁৰ গ্ৰন্থবোৰত বহুতো অনাৱশ্যকীয় প্ৰসংগৰ উল্লেখ আছিল। একেখন গ্ৰন্থতে তেও সেই গ্ৰন্থখনৰে অনাৱশ্যকীয় এটা অংশৰ উদ্ধৃতি দিছিল। সেইদৰে তেওঁৰ গ্ৰন্থবোৰত পশ্চাদ প্ৰসংগও ভৰি আছিল। তেওঁৰ গ্ৰন্থবোৰত এই দোষবোৰ ভৰি থকাৰ প্ৰধান কাৰণ এইটোৱে যে তেওঁ সেইবোৰ কিতাপ হিচাপে প্ৰস্তুত কৰা নাছিল। সেইবোৰ আছিল তেওঁ ছাত্ৰসকলৰ বাবে প্ৰস্তুত কৰা টীকা টিপ্পনী। এৰিষ্ট'টলৰ গ্ৰন্থবোৰ তেও যে গ্ৰন্থৰ আকাৰত প্ৰস্তুত কৰা নাছিল তাৰ প্ৰমাণ আমি পলিটিয়াছৰ কথাৰপৰা পাব পাৰোঁ। পলিবিয়াছে এৰিষ্ট'টলৰ ৰাজনীতিৰ কথা কোৱা নাছিল কৈছিল তেওঁৰ ৰাষ্ট্ৰশাসনব্যৱস্থাৰ কথাহে। এৰিষ্ট'টলে সকলো কাম তেওঁৰ নিজৰ বুদ্ধিমতে কৰিছিল আৰু সেইদৰে তেও সিদ্ধান্তবোৰো গ্ৰহণ কৰিছিল।

এৰিষ্ট'টলৰ অধ্যয়ন আৰু তেওঁৰ বিচাৰপদ্ধতি বহু পৰিমাণে অনুমান সাপেক্ষ বিশ্লেষণমূলক আৰু দ্বন্দ্বমূলক আছিল। কিন্তু একে সময়তে তেও প্ৰায়ে বৌছ বিস্তীৰ্ণ আৰু ব্যাপক মৌলিক তত্ত্বৰ ওপৰত ভিত্তি কৰি তেওঁৰ সিদ্ধান্তবোৰ গ্ৰহণ কৰিছিল। যিবোৰ তত্ত্বৰ ওপৰত তেওঁৰ সিদ্ধান্তবোৰ গ্ৰহণ কৰিছিল সেইবোৰৰ বৌছ ভাগেই দাৰ্শনিক বা নৈতিক তত্ত্ব আছিল। তেও ধৰি লৈছিল যে যিকোনো বস্তুৰে এটা অংশ গোটেইটোতকৈ শ্ৰেষ্ঠ। কোনো এটা বস্তুৰ প্ৰকৃতি সেই বস্তুটোৰ উদ্দেশ্য বা লক্ষ্যৰ লগত একে। মানুহৰ শৰীৰটোতকৈ মনটো শ্ৰেষ্ঠ। ইচ্ছাতকৈ যুক্তিৰ বৌছ গুৰুত্ব আছে। সহায়কাৰী অৱস্থা আৰু গঠন মূলক অংগবোৰৰ মাজত পাৰ্থক্য আছে। কেঁতিয়াবা কেঁতিয়াবা তেওঁ সাধাৰণ নীতিবোৰ স্বেচ্ছাচাৰীভাৱে ব্যৱহাৰ কৰিছিল। এৰিষ্ট'টলে অনুমান সাপেক্ষ আৰু অৱৰোহমূলক দুয়োবিধ যুক্তিৰ ব্যৱহাৰ কৰিছিল আৰু ইয়াৰ প্ৰমাণ তেওঁৰ ৰাজনীতিখনতে স্পষ্টভাৱে পোৱা যায়। তেওঁ নিজৰ সিদ্ধান্তবোৰ চলিত জ্ঞান আৰু অনুষ্ঠানবোৰৰ লগত তুলনা কৰি পৰীক্ষা কৰিছিল। তেওঁ প্ৰায়ে

নিজৰ পূৰ্বধাৰিত নীতিৰ মাপকাঠিৰে চলিত অনুষ্ঠানবোৰৰ বিচাৰ কৰিছিল

এৰিষ্টটলৰ দৃষ্টিভংগী সদায় বিজ্ঞানসন্মত আছিল যদিও তেওঁৰ লেখাত ঐতিহাসিক চেতনা দেখিবলৈ পোৱা যায়। তেওঁ সদায় বহুবছৰ ধৰি চলি থকা প্ৰথা আৰু পৰম্পৰাবোৰক শ্ৰদ্ধাৰ চকুৰে চাইছিল আৰু তেওঁ সাধাৰণ মতামতো দিয়া সিদ্ধান্ত গ্ৰহণ কৰিবলৈ টান নাপইছিল। মানুহকে ধৰি সকলো প্ৰাণী প্ৰথা নকৈ ইয়াৰ প্ৰকৃতিপ্ৰদত্ত অৱস্থাৰপৰা সম্পূৰ্ণতা লাভ কৰা অৱস্থালৈ যোৱাৰ পথত বা যাত্ৰাত ব্যস্ত থাকে। এৰিষ্টটলৰ চিন্তাত ঐতিহাসিক মচলা থকা যাবে তেওঁ এই ধাৰণাটোত বিশ্বাস কৰিছিল। আৰু ইয়াৰপৰাই এৰিষ্টটলে উদ্ভাৱন কৰিছিল কেনেকৈ সামাজিক আৰু ৰাজনৈতিক অনুষ্ঠানবোৰে জন্মৰ পাছৰপৰাই নিজৰ নিজৰ আদৰ্শ সম্ভাৱনাবোৰ বাস্তৱত পৰিণত কৰিবলৈ বা সেইবোৰৰ নিখুঁত আৰু সফল পৰিসমাপ্তি ঘটাবলৈ যত্ন কৰিছিল।

প্লেটো আৰু এৰিষ্টটলে মৌলিকভাৱে দুটা বেলেগ বেলেগ চিন্তাধাৰাক প্ৰতিনিধিত্ব কৰিছে আৰু ইয়াৰ ফলত বিজ্ঞান আৰু দৰ্শনত সমান্তৰালভাৱে আদৰ্শবাদ আৰু বাস্তৱবাদৰ জন্ম হৈছে। আৰম্ভণিৰেপৰা প্লেটোৱে সত্য ভাল আৰু সৌন্দৰ্য্যৰ স্থায়ী অৱস্থিতিৰ ওপৰত ভিত্তি কৰি দাৰ্শনিক বিশ্লেষণ কৰিছিল আনহাতে এৰিষ্টটলে দৃঢ় বাস্তৱ আৰু ইন্দ্ৰিয়পৰায়ণতাৰপৰা আৰম্ভ কৰিছিল। তেওঁ সমগ্ৰ সত্তা বা প্ৰকৃতিটোক সুন্দৰ বুলি ব্যাখ্যা কৰিবলৈ বিচৰা নাছিল। এৰিষ্টটলে প্লেটোৰ ধাৰণাৰ তত্ত্ববোৰ সমালোচন কৰি কৈছিল যে ধাৰণাবোৰ সদায় বাস্তৱ নহয় আৰু সেই গতিকে ধাৰণাবোৰক কোনো বস্তু বা কামৰ কাৰণ বুলি ব্যৱহাৰ কৰিব নোৱাৰি। ধাৰণাবোৰে কোনো এটা বস্তু কেনেকৈ হ'ল সেইটো ব্যাখ্যা কৰিব নোৱাৰে আৰু সেইবাবে বিজ্ঞানৰ গঠনৰ বাবে ধাৰণাবোৰক মৌলিক নীতি হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। প্লেটোৱে বিশ্বাস কৰিছিল যে কোনো অৱলম্বন নোহোৱাকৈও ধাৰণাবোৰ বৰ্ত্তি থাকিব পাৰে। এৰিষ্টটলে প্লেটোৰ এই বিশ্বাসটো সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিছিল। তেওঁৰ মতে আনকি কোনো সাৰ্বজনীন বস্তুও অৱলম্বন নোহোৱাকৈ বৰ্ত্তি থাকিব পৰা নাছিল। যিকোনো বস্তু বা কামতে এটা মৌলিক ধাৰণা নিহিত হৈ থাকে আৰু সেই বস্তু বা কামটো নতুনকৈ সৃষ্টি কৰিব লাগিলে তাত নিহিত হৈ থকা মৌলিক ধাৰণাটোকে আকৌ ৰূপায়িত কৰিব লাগে। গতিকে যিকোনো সামাজিক অধ্যয়নৰে লক্ষ্য হৈছে বাস্তৱ আৰু সম্ভাব্য ঘটনা বস্তুনিৰপেক্ষ সাৰ্বজনীন বা অপৰিৱৰ্তনীয় নহয়। ইয়াতেই প্লেটো আৰু এৰিষ্টটলৰ মাজত মৌলিক পাৰ্থক্য ওলাই পৰিছে। প্লেটোৱে সাৰ্বজনীনতা আৰু বস্তুনিৰপেক্ষতাৰ ওপৰত তেওঁৰ চিন্তা কেন্দ্ৰীভূত কৰিছিল আৰু ইয়াৰ ফলত তেওঁৰ কাপৰপৰা আদৰ্শ ৰাষ্ট্ৰৰ জন্ম হৈছিল। প্লেটোৱে বিশ্বাস কৰিছিল যে বাস্তৱ আৰু

অবাস্তৱৰ মাজত যিটো পাৰ্থক্য আছে সেইটোৱে আমাক আদৰ্শৰ স্বকীয়া অস্তিত্বত বিশ্বাস কৰিবলৈ বাধ্য কৰে। এৰিষ্টটলে প্লেটোৰ এই সিদ্ধান্তটোৰ বিৰোধিতা কৰি কৈছিল যে সকলো বস্তুৰে গঠন আৰু পদাৰ্থৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা আছে অৰু কোনো বস্তুৰে গঠনৰূপৰা পদাৰ্থক আঁতৰ কৰিব নোৱাৰি। এৰিষ্টটলৰ মতে সকলো বস্তুৰে গঠন আৰু পদাৰ্থৰ সংযোজনত বাস্তৱতাৰ সৃষ্টি হয়।

এৰিষ্টটলে বিজ্ঞানবোৰক তিনিটা গোটত ভাগ কৰিছে। যেনে: (১) তত্ত্বীয় বিজ্ঞানবোৰ— দৰ্শন অংকশাস্ত্ৰ পদাৰ্থবিদ্যা আদি। এই বিজ্ঞানবোৰে যিবোৰ বিষয় আলোচনা কৰে সেইবোৰ বিষয়ৰ মানুহে পৰিবৰ্তন সাধন কৰিব নোৱাৰে আৰু সেই গতিকে মানুহে এইবোৰক সত্য বুলি গ্ৰহণ কৰে। এই বিজ্ঞানবোৰে মানুহক নিত্য সনাতন আৰু অপৰিবৰ্তনীয়তাৰ সংস্পৰ্শলৈ আনিবলৈ চেষ্টা কৰে। (২) কাৰ্য্যিক বিজ্ঞানবোৰ— যেনে— কবিতা চিকিৎসাশাস্ত্ৰ অলংকাৰশাস্ত্ৰ। (৩) ব্যাবহাৰিক বিজ্ঞানশাস্ত্ৰবোৰ— এই বিজ্ঞানবোৰত পৰিবৰ্তনশীল বস্তুবোৰৰ বিষয়ে আলোচনা কৰা হয়। এই বিজ্ঞানবোৰে কিছুমান নীতি আবিষ্কাৰ কৰে আৰু বাহ্য জগতৰ বস্তুৱলীৰ লগত সেই নীতিবোৰৰ সম্বন্ধ স্থাপন কৰে। ৰাজনীতি বিজ্ঞান নীতিশাস্ত্ৰ অৰ্থশাস্ত্ৰ আদি এই শ্ৰেণীৰ বিজ্ঞান।

এৰিষ্টটলে ৰাজনীতি আৰু নীতিশাস্ত্ৰৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে কোনো স্পষ্ট ৰেখা আঁকি দেখুওৱা নাই তথাপি প্লেটোৰ তুলনাত তেওঁ ৰাজনীতি আৰু নীতিশাস্ত্ৰৰ মাজত থকা তফাৎ দেখুৱাইছিল। কিন্তু প্লেটোৰ হাতত নীতিশাস্ত্ৰই ৰাজনীতিক হজম কৰি পেলাইছিল। এৰিষ্টটলে ৰাজনীতিক ইয়াৰ যোগ্য স্থানত বহুৱাইছিল। তেওঁৰ মতে ৰাজনীতি আছিল প্ৰধান বিজ্ঞান কিয়নো ইয়াৰ সাধাৰণ লক্ষ্য আছিল মানৱ জাতিৰ মংগল সাধন কৰা আৰু মানৱ জাতিৰ মংগল সাধন কৰাৰ ভিতৰত মানুহৰ চৰম ভাল কৰাটোৱে আছিল অন্যতম লক্ষ্য। গতিকে ৰাজনীতিৰ ভিতৰত ৰাজনীতি অৰ্থনীতি আৰু নীতিশাস্ত্ৰ তিনিওটাই আছিল। নীতিশাস্ত্ৰৰ লক্ষ্য হৈছে সমাজ আৰু ব্যক্তিৰ মানসিক মংগল সাধন কৰা। অৰ্থনীতিৰ লক্ষ্য হৈছে পৰিয়ালৰ মংগল সাধন কৰা আৰু ৰাজনীতিৰ লক্ষ্য হৈছে গোটেই সমাজখন বা ৰাষ্ট্ৰখনৰে সৰ্বতোপ্ৰকাৰে মংগল সাধন কৰা। এৰিষ্টটল প্লেটোৰ লগত একমত আছিল যে মানুহৰ বাবে সুখৰ জীৱন গঢ়ি তোলাই ব্যক্তি আৰু ৰাষ্ট্ৰ উভয়ৰে চৰম লক্ষ্য আছিল আৰু দুয়োৰো মতে গুণী জীৱনেই আছিল সুখৰ জীৱন। গতিকে ৰাজনীতি আৰু নীতিশাস্ত্ৰৰ উদ্দেশ্য একেটাই আছিল। যদিও এৰিষ্টটলে প্লেটোৰ আদৰ্শবাদৰ লগত দ্বিমত প্ৰকাশ কৰিছিল তথাপি প্লেটোৰ দৰে এৰিষ্টটলেও ৰাষ্ট্ৰৰ ভিতৰত নিৰ্বাহ কৰা সমূহীয়া জীৱনক নৈতিক আৰু আধ্যাত্মিক মূল্য দিছিল। এৰিষ্টটলেযে ৰাজনীতি আৰু নীতিশাস্ত্ৰক সম্পূৰ্ণভাৱে একেটা বস্তু বুলি ভৱা নাছিল তাৰ প্ৰমাণ ইয়াতো পোৱা

যায় যে ৰাজনীতিৰ তিনিখন পুথিতকাত তেওঁ দোষযুক্ত চৰকাৰৰ বিষয়ে আলোচনা কৰিছে আৰু সকলোবোৰ নৈতিক বিবেচনাকে অতিক্ৰম কৰি যে সেই দূষিত ৰাষ্ট্ৰবোৰৰ ভিতৰতে নিম্নতম দোষসম্পন্ন ৰাষ্ট্ৰ এখন প্ৰতিষ্ঠা কৰিবলৈ পৰামৰ্শ দিছিল।

বিজ্ঞানবিদ হিচাপে এৰিষ্টটল

এৰিষ্টটলে পোনপ্ৰথম ৰাজনীতিক এটা স্বাধীন বিজ্ঞানৰ চৰিত্ৰ দিছিল আৰু ইয়াৰপৰাই ৰাজনৈতিক দৰ্শনজগতত তেওঁৰ অসাধাৰণ গুৰুত্ব বাঢ়িছে। এই কথাষাৰ ক'লে মাঠেও অতিৰঞ্জিত কৰা নহ'ব যে পশ্চিমত প্ৰকৃত ৰাজনীতি বিজ্ঞান প্লেটোৱে আৰম্ভ কৰা নাছিল এৰিষ্টটলেহে কৰিছিল কিয়নো পোনপ্ৰথম এৰিষ্টটলে তেওঁৰ অসামান্য ৰাজনৈতিক অন্তৰ্দৃষ্টি প্ৰণালীবদ্ধ বৰ্ণনা আৰু বিচাৰ বিশ্লেষণৰ ৰাজনীতি বিজ্ঞানৰ ভেটি স্থাপন কৰিছিল। এৰিষ্টটলৰ কেইমান ৰাজনৈতিক তত্ত্ব আৰু সিদ্ধান্ত বৰ বিচক্ষণ আছিল আৰু সেইবোৰ সকলো ধৰণৰ সামাজিক আৰু ৰাজনৈতিক জীৱনত ব্যৱহাৰ কৰিব পৰা যায় আৰু এইবোৰত এৰিষ্টটলৰ ৰাজনীতিৰ স্থায়িত্ব আৰু সাৰ্বজনীনতা দেখিবলৈ পোৱা যায়। তেওঁৰ ৰাজনৈতিক সম্পত্তাই পৃথিৱীৰ ভৱিষ্যত বংশধৰসকলৰ বাবে তেওঁক নিৰাপদ পথপ্ৰদৰ্শক হিচাপে ৰাখিছে। এৰিষ্টটলে যুক্তি আৰু আইনৰ দ্বাৰা নিয়ন্ত্ৰিত এখন ৰাষ্ট্ৰৰ উন্নত নাগৰিক আদৰ্শ এটা আমাৰ আগত দাঙি ধৰিছে এই আদৰ্শটোৰ মতে মুক্তভাৱে জন্মগ্ৰহণ কৰা সকলোবোৰ মানুহে ৰাষ্ট্ৰীয় কৰ্মত কিবা নহয় কিবা অলপ অংশগ্ৰহণ কৰিব লাগে। ৰাষ্ট্ৰৰ লক্ষ্য কেৱল মানুহৰ জীৱন ৰচাই ৰখাই নহয় গুণী আৰু সুখী জীৱন গঢ়ি তোলাটোও ৰাষ্ট্ৰৰ কৰ্তব্য। এৰিষ্টটলে ৰাষ্ট্ৰৰ সীমা আৰু জনসংখ্যা বান্ধিব বাবে ওকালতি কৰা নাছিল ওকালতি কৰিছিল ৰাষ্ট্ৰত মানুহৰ গুণ আৰু সুখ বান্ধি হ'ব বাবেহে। গ্ৰীক নগৰীয়া অৱস্থাৰ বিষয়ে এৰিষ্টটলৰ ৰাজনীতিত যি প্ৰকৃত তথ্য পোৱা যায় সি সঁচাকৈ অমূল্য সম্পদ কিন্তু তথাপি ইয়াৰ মূল্য অলপ হ্ৰাস হৈছে এইকাৰণেই যে এৰিষ্টটলৰ লেখাবোৰত কেৱল গ্ৰীক নগৰৰাষ্ট্ৰবোৰত থকা চৰকাৰৰ গঠনৰ বিষয়েহে উল্লেখ আছিল আৰু ই অনা গ্ৰীক সামাজিক আৰু অৰ্থনৈতিক অনুষ্ঠানবোৰৰ প্ৰতি অৱজ্ঞা বা অৱহেলা কৰিছিল।

প্লেটোৰ গাত যি উৎসাহ আৰু কাব্যিক কল্পনাশক্তি আছিল এৰিষ্টটলৰ সেইবোৰ কোনোটোৱেই নাছিল। প্লেটোৰ আদৰ্শবাদ আৰু বাস্তৱৰ লগত থকা সম্পৰ্কৰ অভাৱত এৰিষ্টটলে অধীৰতা প্ৰকাশ কৰিছিল। এৰিষ্টটলে নিজকে আগৰপৰা অৰ্জিত বাস্তৱ জ্ঞানৰ প্ৰণালীবদ্ধ কৰোঁতা বুলি জ্ঞান কৰিছিল,

তেৱে'ই নিজে কোনো নতুন দৰ্শনৰ সৃষ্টিকৰ্তা বুলি ভবা নাছিল। এৰিষ্ট'টলে তেওঁ'ৰ যুক্তিবোৰ চলিত সংবিধান আৰু অনুষ্ঠানবোৰৰ ঘটনা প্ৰৱাহৰ ওপৰত ভিত্তি কৰি প্ৰস্তুত কৰিছিল আৰু সেইবোৰ তৰ্ক শাস্ত্ৰসন্মত আৰু বিজ্ঞানসন্মত আছিল। তেও যিবোৰ সংবিধান আৰু অনুষ্ঠানৰপৰা তথ্যবোৰ সংগ্ৰহ কৰিছিল সেইবোৰ অনুষ্ঠান গ্ৰিক আৰু অনা গ্ৰিকসকলৰদ্বাৰা সংগঠিত আৰু পৰিচালিত হৈছিল। এইবোৰ সংগ্ৰহ কৰোঁতে আৰু বাছি উলিয়াওঁতে তেওঁ বৰ সতৰ্কতা আৰু অসাধাৰণ পৰ্য্যবেক্ষণ ক্ষমতা দেখুৱাইছে। এজন প্ৰকৃত বিজ্ঞানীৰ দৰে তেও আৱশ্যকীয় আৰু অনাৱশ্যকীয়ৰ মাজত থকা পাৰ্থক্য বিচাৰি উলিউৱাৰ কৌশল ভালদৰে জানিছিল আৰু সেইদৰে তেও বিভিন্ন শ্ৰেণীৰ মাজত থকা তফাৎবোৰ উলিয়াই ল'ব পাৰিছিল। প্লেটোৱে ৰাজনীতিক নীতিশাস্ত্ৰৰ দাস হিচাপে ব্যৱহাৰ কৰিছিল আৰু এৰিষ্ট'টলে ৰাজনীতি আৰু নীতিশাস্ত্ৰক দুটা সুকীয়া বিষয় হিচাপে লৈ দুখন বেলেগ বেলেগ গ্ৰন্থত দুয়োটা বিষয়ৰ ওপৰতে আলোচনা কৰিছিল। এই গ্ৰন্থ দুখন আছিল তেওঁ'ৰ ৰাজনীতি আৰু নাই কোমেকিয়ান নীতিশাস্ত্ৰ। প্লেটোৱে সমাজখনক গতিশীল দৃষ্টিভংগীৰে চাইছিল আৰু তেও সাৰ্বজনীনতা সনাতন আৰু বস্তুনিৰপেক্ষতাৰ অতীন্দ্ৰিয়বাদৰ মাজত বুৰ গৈছিল। এৰিষ্ট'টলে সমাজখন নিশ্চল দেখিছিল আৰু তেও অভিজ্ঞতাৰ ভিত্তিত কাম কৰিছিল। সেইবাবে এইটো ঠিকেই মন্তব্য কৰা হয় যে প্লেটোৱে সমসাময়িক এথেন্সৰ অধঃপতিত বাস্তৱ ৰাজনীতিৰ ওপৰত অসন্তুষ্ট হৈ আদৰ্শ ৰাষ্ট্ৰ এখনৰ ফালে ঢাপলি মেলিছিল আৰু এৰিষ্ট'টলে প্লেটো আৰু অন্যান্য দাৰ্শনিকসকলে চিত্ৰিত কৰা আদৰ্শ ৰাষ্ট্ৰৰ ওপৰত অসন্তুষ্ট হৈ অভিজ্ঞতাৰ ভিত্তিত প্ৰতিষ্ঠিত হোৱা বাস্তৱ ৰাজনীতিৰ ফালে গতি কৰিছিল। ইয়াৰ ফল'ত কিছু পৰিমাণে প্লেটোৱে কাব্যিক গুণ লাভ কৰিছিল আৰু এৰিষ্ট'টলে বিজ্ঞানীৰ গুণ আৰু কৌশল লাভ কৰিছিল। চলি থকা তথ্যৰ ওপৰত অভিজ্ঞতাসন্মত অধ্যয়নৰপৰাই কেৱল এৰিষ্ট'টলৰ ৰাজনৈতিক পৰ্য্যবেক্ষণ আৰু অনুধ্যানত বৈজ্ঞানিক প্ৰকৃতি দেখিবলৈ পোৱা যায় এনে নহয় তেওঁ'ৰ এই বৈজ্ঞানিক প্ৰকৃতি বিষয়টোৰ প্ৰতি থকা তেওঁ'ৰ দৃষ্টিভংগীৰপৰাই ধৰিব পৰা যায়। বিশ্লেষণমূলক সংক্ষিপ্ততা এৰিষ্ট'টলৰ এটা বৈশিষ্ট্যই আছিল আৰু এই দৃষ্টিভংগীৰে তেওঁ সংবিধানৰ শ্ৰেণীবিভাগ কৰিছিল ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত পাৰ্থক্য উলিয়াই ছিল ৰাষ্ট্ৰৰ ৰোগ নিৰূপণ বিদ্যা আৰু অংগসংস্থান প্ৰতিকাৰৰ উপায়বোৰ আলোচনা কৰিছিল।

এৰিষ্ট'টলৰ ৰাজনৈতিক দৰ্শনৰ চৰিত্ৰ

এৰিষ্ট'টলৰ লগত প্লেটোৰ পাৰ্থক্য মূলতঃ গঠন আৰু পদ্ধতিমূলক। তেওঁ'লোক দুয়োজনৰে ৰাজনৈতিক দৰ্শনৰ সাৰাংশ আৰু সমলৰ মাজত বিশেষ প্ৰভেদ নাই। এৰিষ্ট'টলৰ মতামতবোৰে কিছুমান নিৰ্দিষ্ট আৰু চলিত অভিমতৰ প্ৰতিনিধিত্ব কৰিছে। তেওঁ নিজৰ বিষয়বোৰ বিচাৰ কৰোঁতে বিশ্লেষণাত্মক আৰু

তৰ্কশাস্ত্ৰসন্মত পদ্ধতি অৱলম্বন কৰিছিল। গুণ আৰু ভালৰ বিষয়ে কিছুমান বস্তুনিৰপেক্ষ অৱধাৰণাৰ ওপৰত সিদ্ধান্তবোৰ গ্ৰহণ কৰাৰ পৰিবৰ্তে তেওঁ ঘটনাৰ উদ্দেশ্যধৰ্মী বিশ্লেষণ আৰু বিস্তৃত পৰ্য্যবেক্ষণৰ ফল হিচাপে অনুমান সাপেক্ষ যুক্তিৰ সহায়ত তেওঁৰ তত্ত্ববোৰ আৱিষ্কাৰ কৰিছিল। মৌলিকভাৱে তেওঁ এজন বাস্তৱবাদী দাৰ্শনিক আছিল যদিও তেওঁৰ বাস্তৱবাদত আদৰ্শবাদৰ চিন একেবাৰে নোহোৱা নহয়। এৰিষ্টটলে ৰাজনীতি বিজ্ঞানৰ ওপৰত অসাধাৰণ গুৰুত্ব দিয়াৰ কাৰণ এইটোৱে আছিল যে ৰাজনীতি বিজ্ঞানে মানুহৰ চূড়ান্ত ভালৰ বাবে চেষ্টা কৰে। মানুহৰ চূড়ান্ত ভালেই হৈছে ইয়াৰ সৰ্বতোপ্ৰকাৰ সুন্দৰ বিকাশ আৰু ইয়াতে মানুহৰ সমস্ত শক্তিৰ যুক্তিসন্মত ব্যৱহাৰ হয় আৰু এইটো কেতিয়াও সমাজ আৰু ৰাষ্ট্ৰৰ বাহিৰত থাকিলে সম্ভৱপৰ হ'ব নোৱাৰে। গতিকে ব্যক্তিৰ মংগল আৰু ভাল ৰাষ্ট্ৰৰ মংগল ভালৰ লগত মিলিত হৈ থাকে আৰু এই টোৱেই হৈছে ৰাজনীতি বিজ্ঞানৰ মূল বিষয়বস্তু। এৰিষ্টটলে দুটা অৰ্থত ৰাজ নীতি বিজ্ঞানৰ চিন্তা কৰিছিল— (১) এটা অৰ্থ হৈছে—ৰাজনীতি বিজ্ঞানত মানুহৰ বস্তুনিৰপেক্ষ ভাল আৰু সৰ্বাংগসুন্দৰ ৰাষ্ট্ৰৰ বিষয়ে আলোচনা কৰা হয়। (২) আনটো অৰ্থ হৈছে—কাৰ্য্যকৰী বিজ্ঞান হিচাপে ইয়াত প্ৰকৃত সমাজত প্ৰকৃত মানুহৰ সাংবিধানিক সম্বন্ধৰ বিষয়ে আলোচনা কৰা হয়।

এৰিষ্টটল বস্তুজগতৰ এজন বাস্তৱবাদী মানুহ আছিল আৰু এজন বাস্তৱবাদী দাৰ্শনিকো আছিল। দাসত্ব অনুষ্ঠানৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰি আৰু প্লেটোৰ সাম্যবাদৰ ওপৰত সমালোচনা আগবঢ়াই তেওঁ ইয়াৰ প্ৰমাণ দিছে। তেওঁৰ বাস্তৱবাদত কঠিন যুক্তি চমৎকাৰ বিশ্লেষণ, তীক্ষ্ণ পৰ্য্যবেক্ষণ আৰু আদৰ্শবাদৰ স্পৰ্শ আছিল আৰু এইবোৰ তেওঁৰ তত্ত্ব আৰু পৰ্য্যবেক্ষণবোৰক সাৰ্বজনীন আৰু স্থায়ী মূল্যতাপূৰ্ণ বস্তুত পৰিণত কৰিছিল। আনহাতে তেওঁৰ পৰিবৰ্তিত অৱস্থাত নিজকে খাপ খুৱাই লোৱাৰ অসাধাৰণ ক্ষমতা আছিল কিন্তু মৌলিক কল্পনাশক্তিত তেওঁ বৰ দুখীয়া আছিল আৰু সেইবাবে তেওঁ নতুন আদৰ্শৰ স্ৰষ্টাসকলৰ ভিতৰত এটা উজ্জ্বল তৰা হিচাপে থিয় দিব পৰা নাছিল।

এজন বিশুদ্ধ ৰক্ষণশীল লোক হিচাপে এৰিষ্টটল

এৰিষ্টটল ৰাজনীতিত বাস্তৱবাদ আৰু সংৰক্ষণশীলতাৰ পিতৃস্বৰূপে। এজন ভাল ৰক্ষণশীল লোক হিচাপে ৰাজনীতিত তেওঁ তেওঁৰ মতামতবোৰ দাঙি ধৰিছিল। তেওঁ তেওঁৰ ৰাজনৈতিক মতামতবোৰ কোনো পূৰ্বপৰিকল্পিত বিবে- চনাৰ ওপৰত ভিত্তি নকৰি চলিত প্ৰথা অনুষ্ঠান আৰু তাৰ প্ৰতি সন্মান দেখু-

ৱাই ৰচনা কাৰিছিল। ৰাজনৈতিক পৰ্য্যবেক্ষণ আৰু সিদ্ধান্তবোৰৰ যোগেদি এৰিষ্টটলে মহান ৰাজনৈতিক বিচক্ষণতা আৰু সুস্থতাৰ চিনাকি দিছিল। সেইগতিকে সুস্থ সংৰক্ষণশীলতাৰ তেওঁ আছিল আধ্যাত্মিক পিতৃস্বৰূপ।

প্লেটোৰ আদৰ্শবাদ আৰু তেওঁৰ বাস্তবতাৰ লগত সংস্পৰ্শৰ অভাৱ এই দুয়োটাতে এৰিষ্টটল অধীৰ হৈ পৰিছিল। এৰিষ্টটলে প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ ওপৰত তীব্ৰ সমালোচনাৰ বাণ মাৰিছিল। এৰিষ্টটলৰ শক্তিশালী প্ৰয়োগিক গুণ আৰু সাধাৰণ বিচাৰ বুদ্ধি আছিল আৰু ইয়াৰ সহায়তে তেওঁ প্লেটোৰ তত্ত্ববোৰত বহুতো দোষ আৰু দুৰ্বলতা বিচাৰি উলিয়াইছিল। তেওঁ প্লেটোৰ তত্ত্ববোৰৰ অকাৰ্য্যকাৰিতা আঙুলিয়াই দেখুৱাইছিল। প্লেটোৱে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত বৰ বেছি ঐক্য স্থাপন কাৰবলৈ ইচ্ছা কৰিছিল আৰু সেইবাবেও এৰিষ্টটলে প্লেটোক সমালোচনা কৰিছিল। তেওঁ প্লেটোৰ সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদক অস্বাভাৱিক অযুক্তিসম্মত আৰু অবাস্তৱ বুলি নিন্দা কৰিছিল।

এজন প্ৰকাণ্ড ৰক্ষণশীল হিচাপে এৰিষ্টটলে প্লেটোৰ সাম্যবাদী পদ্ধতিবোৰ ডালে মূলে উভালি পেলাবলৈ যুক্তি প্ৰদৰ্শন কৰিছিল আৰু পৰামৰ্শ দিছিল যে যুগ যুগ ধৰি সসন্মানে চলি অহা ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়াল আদি অনুষ্ঠানবোৰ উঠাই ৰাষ্ট্ৰত প্ৰকৃত ঐক্য স্থাপন নকৰি ৰাষ্ট্ৰত থকা ব্যক্তিবোৰক তেওঁলোকৰ গঠন সামৰ্থ্য আৰু ইচ্ছা অনুসৰি ৰাষ্ট্ৰৰ সংবিধানৰ চেতনাৰে সংগঠিত আৰু প্ৰশিক্ষিত কৰিও ৰাষ্ট্ৰত প্ৰকৃত ঐক্য আৰু সংহতি স্থাপন কৰিব পাৰি। এজন ৰক্ষণশীল মানুহ হিচাপে এৰিষ্টটল ব্যক্তিগত সম্পত্তি ৰক্ষাৰ পক্ষপাতী আছিল। তেওঁ যুক্তি দেখুৱাইছিল যে মানুহৰ ব্যক্তিত্বৰ সম্প্ৰসাৰণ ঘটাবলৈ সম্পত্তি হৈছে প্ৰাকৃতিক অৰু স্বাভাৱিক অস্ত্ৰ। কোনো এজন মানুহক ব্যক্তিগত সম্পত্তিৰপৰা বঞ্চিত কৰা মানে তেওঁৰ ব্যক্তিত্ব বিকাশ হ'বলৈ নিদিয়া।

এৰিষ্টটলে মানুহৰ প্ৰাকৃতিক অসমতাত বিশ্বাস কৰিছিল আৰু তেওঁ নিম্ন শ্ৰেণীবোৰৰ মানুহবোৰৰ প্ৰতি এটা উদাসীন মনোভাৱ গ্ৰহণ কৰিছিল আৰু ইযাতো তেওঁৰ ৰক্ষণশীলতা প্ৰকাশ পাইছিল। তেওঁৰ মতে শাৰীৰিক পৰিশ্ৰম জনিত কামে মানুহৰ মনৰপৰা উদাৰতা আঁতৰাই নিয়ে আৰু ইয়াৰ ফলত মানুহৰ গাত সুসভ্য নগৰীয়া গুণ নাইকিয়া হয়। সেইবাবে তেওঁ নাগৰিকত্বৰ ওপৰত এটা বৰ অভিজাততান্ত্ৰিক আৰু ৰক্ষণশীল দৃষ্টিভংগী গ্ৰহণ কৰিছিল। এৰিষ্টটলৰ একোজন নাগৰিক একোটা পৰিয়ালৰ মুৰব্বী আছিল আৰু তেওঁৰ যথেষ্ট সম্পত্তি আৰু জিৰণি আছিল বাবে তেওঁ নিজকে ৰাজহুৱা কামত আত্মনিয়োগ কৰিবলৈ সমৰ্থ হৈছিল। এই অৰ্থত এৰিষ্টটলক আমি আজিৰ যুগৰ এজন ইংৰাজ ৰক্ষণশীল লোকৰ লগত তুলনা কৰিব পাৰোঁ।

এৰিষ্টটল দাসত্বৰ ওপৰত বিবোধ মতামত দাঙি ধৰিছিল সেইবোৰতো আমি তেওঁৰ সুস্থ ৰক্ষণশীলতা আৰু বাস্তৱবাদ পৰিস্কাৰভাৱে দেখিবলৈ পাওঁ।

পুৰণি গ্ৰিছ দেশত দাসত্ব ক্ৰমবৰ্ধমান গতিত চলি আছিল আৰু ই তাৰ জাতীয় অৰ্থনীতিৰ এটা আৱশ্যকীয় অংশ আছিল। দাসত্বৰ উচ্ছেদে গ্ৰিক সমাজৰ গোটেই সামাজিক আৰু অৰ্থনৈতিক গাঁথনিটো ওলট পালট কৰি দিলেহেঁতেন। সেইগতিকে এৰিষ্টটলে দাসত্বক সামাজিক প্ৰয়োজনীয়তাৰ ফালৰপৰা সমৰ্থন কৰিছিল কিন্তু তেওঁ এই অনুষ্ঠানটোৰ সংস্কাৰ সাধনৰ ওপৰত জোৰ দিছিল। তেওঁ প্ৰাকৃতিক দাসত্বহে সমৰ্থন কৰিছিল আইনৰ বলেৰে সৃষ্টি কৰা দাসত্ব সমৰ্থন কৰা নাছিল। গোটেই জাতি এটাক দাসত্বৰ শিকলিৰে বান্ধি থোৱাটো তেওঁ সমৰ্থন কৰা নাছিল বৰং তেও ব্যক্তিগতভাৱে দাসত্বৰ গুণ নথকা মানুহক দাসত্বৰপৰা মুক্তি দিয়াৰ সপক্ষেহে মত দিছিল।

এজন প্ৰকৃত ৰক্ষণশীল লোক হিচাপে তেও বিপ্লৱ ভাল নাপাইছিল আৰু সেই গতিকে তেও বিপ্লৱ ঘটিবলৈ নিদিবলৈ কিছুমান প্ৰতিৰোধক পৰামৰ্শ আগ বঢ়াইছিল। তেও যি বিতৰণমূলক ন্যায়ৰ কথা কৈছিল সিও এটা বিপ্লৱৰ প্ৰতি ৰোধক নীতি আছিল। এই নীতিটোৰো উৎস ৰক্ষণশীল পৰম্পৰাত আছে। সামা জিক যোগ্যতা আৰু ৰাষ্ট্ৰৰ প্ৰতি আগবঢ়োৱা বৰঙণিৰ ভিত্তিত এৰিষ্টটলে ৰাষ্ট্ৰীয় পদবী আৰু পুৰস্কাৰবোৰ দিয়াৰ ব্যৱস্থা কৰিছিল সংখ্যা বা মানুহৰ বস্তু নিৰপেক্ষ সমতাৰ ওপৰত ভিত্তি কৰি পদবী দিয়াৰ তেওঁ পক্ষপাতী নাছিল। এজন ৰক্ষণশীল হিচাপে তেও চূড়ান্ত গণতন্ত্ৰক নিন্দা কৰিছিল। তেও অভি জাততান্ত্ৰিক গণতন্ত্ৰৰ পক্ষপাতী আছিল আৰু এই গণতন্ত্ৰৰ অধীনত উৎকৃষ্ট নাগৰিকসকলে গোটেই জাতিটোৰ সাৰ্বভৌমত্বৰ অধীনত ৰাষ্ট্ৰ শাসন কৰিবলৈ সুবিধা পাইছিল। জনপ্ৰিয় চৰকাৰৰ ক্ষমতাৰ অপব্যৱহাৰত বাধ দিবলৈ তেও আইনৰ সাৰ্বভৌমত্বৰ ওপৰত বেছি গুৰুত্ব দিছিল।

এৰিষ্টটলৰ ৰক্ষণশীলতা প্ৰতিক্ৰিয়াশীল নাছিল তেওঁৰ ৰক্ষণশীলতা প্ৰগতিশীল আছিল। তেওঁৰ গাত গণতন্ত্ৰৰ প্ৰশংসা আছিল কিন্তু তেও গণতন্ত্ৰৰ নামত জুমতন্ত্ৰত বিশ্বাস নকৰিছিল। তেও উদাৰ গণতন্ত্ৰবাদী আছিল আৰু তেও শ্ৰেণী শাসনৰ বিৰোধিতা কৰিছিল। তেও সাধাৰণ মানুহৰ ৰাজনৈতিক বিচাৰত সুস্থতা ভালদৰে অনুভৱ কৰিছিল। তেও অত্যন্ত বেছিটো ভাল নাপাই ছিল আৰু তাৰপৰা আঁতৰত আছিল। তেওঁৰ মতে মধ্যম পন্থা অৱলম্বন কৰাই উত্তম। গতিকে এৰিষ্টটলৰ ৰাজনীতি বৰ্তমান যুগৰ বিশুদ্ধ প্ৰগতিশীল ৰক্ষণ শীলতাৰ লেখীয়া আছিল।

এৰিষ্টটলৰ ৰাজনীতি আৰু ইয়াৰ বিন্যাস

এৰিষ্টটলে নীতিশাস্ত্ৰৰ লগত তেওঁৰ ৰাজনীতিৰ ঘনিষ্ঠ সম্বন্ধ স্থাপন কৰিছিল। নীতিশাস্ত্ৰত তেওঁ মানুহৰ ব্যক্তিগত সুখৰ বিষয়ে আলোচনা কৰি ছিল আৰু ৰাজনীতিত ৰাষ্ট্ৰক ব্যক্তিয়ে নিজৰ চৰম সুখ লাভ কৰাৰ এটা প্ৰধান উপাদান হিচাপে ব্যৱহাৰ কৰিছিল। এৰিষ্টটলৰ ৰাজনীতিৰ উদ্দেশ্য বাস্তৱবাদী

আৰু কাল্পনিক আছিল। ইয়াত তেওঁ এখন উৎকৃষ্ট ৰাষ্ট্ৰৰ প্ৰকৃতিৰ বিষয়ে ব্যাখ্যা কৰিছিল যিখন ৰাষ্ট্ৰত মানুহে চূড়ান্ত সুখ লাভ কৰিবলৈ সুযোগ সুবিধা পাব পাৰে। তেওঁৰ মতে এটা ভাল নৈতিক জীৱনৰ বাবে এটা ভাল সামাজিক সংগঠনৰ প্ৰয়োজন আছিল।

এৰিষ্টটলৰ ৰাজনীতি'খন এখন সম্পূৰ্ণ গ্ৰন্থ বুলি গণ্য কৰিব নোৱাৰি। এই গ্ৰন্থখনত নানা যুক্তি তৰ্ক আৰু তত্ত্ব থূপ খাই আছে কেতিয়াবা কেতিয়াবা এইবোৰ বাৰে বাৰে উল্লেখ কৰা হৈছে আৰু কেতিযাবা কোনো কথাৰ আধা উল্লেখ কৰি বাকীখিনি নোকোৱাকৈ সমাপ্ত কৰা হৈছে। এই গ্ৰন্থখনক কোনো সুৰুচিসম্পন্ন সাহিত্য বুলিও আখ্যা দিব নোৱাৰি। এইটো সম্ভৱপৰ যে প্লেটোৰ ৰাজনীতি আৰু আন গ্ৰন্থবোৰ আমি অসম্পূণ অৱস্থাত পাইছোঁ। এৰিষ্টটলৰ কাপৰপৰা ওলোৱা যিবোৰ গ্ৰন্থ আমি এতিয়া পঢ়ি আছোঁ সেইবোৰৰ কোনোখনেই ১২শ বা ১৩শ খ্ৰিষ্টাব্দৰ আগৰ নহয় আৰু এই গ্ৰন্থবোৰৰ ভিতৰত বহুতো পৰিবৰ্তন আৰু দুষিত বস্তু সোমাইছে। আগতেই উল্লেখ কৰি অহা হৈছে যে এই গ্ৰন্থবোৰ এৰিষ্টটলৰ ছাত্ৰসকলে লিখি লোৱা টীকা টিপ্পনী বা এৰিষ্টটলে ছাত্ৰসকলৰ বাবে প্ৰস্তুত কৰা টীকা টিপ্পনীৰপৰা যুগুত কৰা হৈছে। বেলেগ বেলেগ সময়ত একেটা বিষয়ৰে ওপৰত এৰিষ্টটলে দিয়া বক্তৃতা আৰু তাৰ ওপৰত প্ৰস্তুত কৰা টীকাবোৰ লগ কৰাৰ ফলতো এই গ্ৰন্থবোৰৰ জন্ম হ'ব পাৰে। সাহিত্যৰ অলংকাৰ নামৰ গ্ৰন্থখনৰ দুটামান অধ্যায আৰু আন কেইখনমান গ্ৰন্থত এৰিষ্টটলৰ কিছুমান অসংলগ্ন আৰু বিচ্ছিন্ন বৰ্ণনা আছে। এৰিষ্টটলৰ ৰাজনৈতিক লিখনিবোৰ তেওঁৰ নাইকোমেকিয়ান নীতিশাস্ত্ৰ নামৰ গ্ৰন্থখন আৰু প্ৰধানকৈ 'ৰাজনীতি-খনতে সীমাবদ্ধ হৈ আছে। তেওঁৰ নীতিশাস্ত্ৰ' আৰু ৰাজনীতি' দুয়োখন গ্ৰন্থই সংবিধান প্ৰণেতাসকলৰ বাবে পথপ্ৰদৰ্শক। দুয়োখন গ্ৰন্থৰ উদ্দেশ্য আছিল সম্ভৱপৰভাৱে উৎকৃষ্ট ৰাষ্ট্ৰ এখন প্ৰতিষ্ঠা কৰিবলৈ বিধায়ীসকলক আদৰ্শ আৰু নিয়ম-নীতিৰ যোগান ধৰা কিয়নো তেতিয়াহে তেওঁলোকে মানুহৰ বাবে সুখ আনিবপৰা বা সৃষ্টি কৰিবপৰা এখন সংবিধানৰ জন্ম দিব পাৰিব। গতিকে এৰিষ্টটলৰ ৰাজনীতিখনক আমি চৰকাৰ কলাৰ বিষয়ে লিখা এখন গ্ৰন্থ বুলি কোৱাই বেছি ভাল। অৱশ্যে ইয়াত ৰাজনৈতিক দৰ্শনো প্ৰণালীবদ্ধভাৱে আলোচনা কৰা হৈছে। ৰাজনীতিখন যুগুত কৰোঁতে এৰিষ্টটলে যিবোৰ নগৰ ৰাষ্ট্ৰৰ সংবিধান ব্যৱহাৰ কৰিছে সেই নগৰৰাষ্ট্ৰবোৰ হৈছে—এথেন্স স্পাৰ্টা ক্ৰেট কাৰ্থেজ আৰু যিসকল লেখকৰ বিষয়ে তেওঁ ইয়াত উল্লেখ কৰিছে বা যাৰ ওচৰত ধৰুৱা বুলি তেও স্বীকাৰ কৰিছে সেইসকল লেখক হৈছে—প্লেটো হিপোডামাছ আৰু ফালিয়াছ। এৰিষ্টটলে আদৰ্শ ৰাষ্ট্ৰৰ বিষয়ে বেছি কথা লিখা নাছিল ৰাষ্ট্ৰৰ আদৰ্শৰ নিম্নস্তৰ যথেষ্ট কথা লিখিছিল। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰখন অসম্পূৰ্ণ হৈ ৰৈ গৈছে।

এৰিষ্টটলৰ ৰাজনীতিৰ অংশবিশেষ পুস্তিকাবোৰ পোনপ্ৰথমে কিভাৱে বিন্যাস কৰা হৈছিল সেই কথা আমি নাজানো। কিন্তু চিৰাচৰিত বিন্যাসমতে ৰাজনীতিখন আঠটা খণ্ডত ভাগ কৰা হৈছে আৰু প্ৰতিটো ভাগকে একোখন পুস্তিকা বুলি ক'ব পাৰি। গ্ৰন্থখন মোটামুটিভাৱে তিনিটা প্ৰধান ভাগতো বিভক্ত কৰিব পাৰি। এৰিষ্টটলৰ গ্ৰন্থখনক এজন পণ্ডিতে পাঁচটা সম্বন্ধ থকা অংশত ভাগ কৰিছে। এৰিষ্টটলে গ্ৰন্থখনৰ বেলেগ বেলেগ অংশত বেলেগ বেলেগ দৃষ্টি-ভংগীৰে কথাবোৰ আলোচনা কৰিছে আৰু বিভিন্ন অংশত এৰিষ্টটলৰ বিচাৰ পদ্ধতিও সুকীয়া আছিল। আৰ্নেষ্ট বাৰ্কাৰ আৰু আন কিছুমানে গ্ৰন্থখনক এই তিনিটা ভাগত বিভক্ত কৰিছে—(১) বিষয়বোৰ প্ৰতিষ্ঠা কৰিবলৈ এটা সমুহীয়া সৃষ্টি। প্ৰথম দ্বিতীয় আৰু তৃতীয় পুস্তিকাত পৰস্পৰ স্বাধীন দুখন ৰচনা উত্থাপিত কৰা হৈছে। (২) সংবিধানবোৰৰ চৰিত্ৰ ব্যাখ্যা। চতুৰ্থ পঞ্চম আৰু ষষ্ঠ পুস্তিকাত সংবিধানবোৰৰ মাজত থকা পাৰ্থক্য আৰু সংবিধানৰ ভিতৰত থকা পৰিবৰ্ত্তনৰ বিষয়ে ব্যাখ্যা কৰা হৈছে। (৩) উৎকৃষ্ট ৰাষ্ট্ৰৰ মৌলিক নীতি। সপ্তম আৰু অষ্টম পুস্তিকাত এই বিষয়ে সবিশেষ আলোচনা কৰা হৈছে।

পুৰণি বিন্যাসমতে দ্বিতীয় বিভাগত এৰিষ্টটলে ব্যৱহাৰিক দৃষ্টিভংগী আৰু বিচাৰেৰে কথাবোৰ আলোচনা কৰিছে। চতুৰ্থ পঞ্চম আৰু ষষ্ঠ পুস্তিকাত এইটো দেখিবলৈ পোৱা যায়। ইয়াত তেওঁ সাৰ্বজনীনতাক পৰিহাৰ কৰি বাস্তৱ-তাক আকোৱালি লৈছে। এৰিষ্টটলে বিভাজনমূলক ন্যায়ৰ ওপৰত গুৰুত্ব দিছে আৰু আদৰ্শবাদৰ পৰা একেবাৰে আঁতৰি আহিছে। ইয়াত তেওঁ প্লেটোৰ ওপৰত বহুতো সমালোচনা আগবঢ়াইছে দেখাত নীতিশাস্ত্ৰ আৰু ৰাজনীতিৰ মাজত পাৰ্থক্য দেখুৱাইছে। দ্বিতীয় ৰচনাখনে তৃতীয় বিভাগটোৰ প্ৰতিনিধিত্ব কৰিছে। পুৰণি বিন্যাসমতে সপ্তম আৰু অষ্টম পুস্তিকাত এইখিনি কথা পোৱা যায়। আদৰ্শৰাষ্ট্ৰ আৰু ইয়াৰ শিক্ষাব্যৱস্থাৰ ওপৰত এৰিষ্টটলে যিটো দৃষ্টিভংগী গ্ৰহণ কৰিছিল সেইটো আৰু বেছি বাস্তৱবাদী আৰু প্লেটোনিক আছিল। ইয়াত তেওঁ প্লেটোৰ আইন আৰু তেওঁৰ উৎকৃষ্ট ৰাষ্ট্ৰখনৰ পদাংক অনুসৰণ কৰিছে আৰু সেই গতিকে এৰিষ্টটলে যিখন উৎকৃষ্ট ৰাষ্ট্ৰৰ ছবি আঁকিছে সেই ছবিখন প্লেটোৱে আইনত সৃষ্টি কৰি থৈ যোৱা উৎকৃষ্ট ৰাষ্ট্ৰখনৰ ছবিখনৰ লগত প্ৰায় একে।

প্ৰথম পুস্তিকখন উপক্ৰমণিকা হিচাপে আৰম্ভ কৰিছে আৰু ইয়াত দাসৰ বিষয়ে আলোচনাৰ সুত্ৰপাত কৰিছে। দ্বিতীয় পুস্তিকাখনত তেওঁ প্লেটোৰ আদৰ্শৰাষ্ট্ৰ আৰু তেওঁতকৈ কম খ্যাতিসম্পন্ন দাৰ্শনিকসকলে আগ-বঢ়োৱা ৰাষ্ট্ৰবোৰৰ বিষয়ে আলোচনা কৰিছে। ইয়াত তেওঁ স্পাৰ্টা, ক্ৰেটে আৰু কাৰ্থেজৰ সংবিধানৰ বিষয়ে উল্লেখ কৰিছে। তৃতীয় পুস্তিকাত ভাল-বেয়া

দুয়োবিধৰে প্ৰধান প্ৰধান সংবিধানবোৰৰ বিষয়ে আলোচনা কৰা হৈছে আৰু প্ৰধানকৈ ইয়াত ৰাজতন্ত্ৰৰ বিষয়ে সবিশেষ উল্লেখ আছে। চতুৰ্থ পুস্তিকাত ৰাজ তন্ত্ৰৰ বাহিৰে আন আন চৰকাৰবোৰৰ বিষয়ে তেও পুনৰ বিচাৰ কৰিছে। ইয়াত তেও কেৱল প্ৰধান প্ৰধান গঠনৰ চৰকাৰবোৰৰ বিষয়ে আলোচনা কৰি ক্ষান্ত থকা নাই চৰকাৰৰ উপশ্ৰেণীবোৰ আৰু ৰাষ্ট্ৰৰ অন্তৰ্গত নানা ধৰণৰ সংগঠনৰ বিষয়েও আলোচনা কৰিছে। চতুৰ্থ পঞ্চম আৰু ষষ্ঠ পুস্তিকাকেইখন একেলগে ওলমি আছে। পঞ্চম পুস্তিকাখনে ৰাজনৈতিক গতিশীলতা আৰু সাংবিধানিক পৰিবৰ্তনৰ বিষয়ে আলোচনা কৰিছে। ইয়াত বিপ্লৱ ইযাৰ কাৰণসমূহ আৰু প্ৰতিষেধক ব্যৱস্থাবোৰৰ বিষয়ে উল্লেখ আছে। ষষ্ঠ পুস্তিকাখনতো এইবোৰ কাৰ্যই ঠাই পাইছে। চতুৰ্থ পুস্তিকাত প্ৰকাশ কৰা কথাবোৰকে তেও অষ্টম পুস্তিকাত পুনৰ উল্লেখ কৰিছে। ইয়াত তেও প্ৰধান প্ৰধান সাংবিধানিক গঠন বোৰৰ মাজত থকা বহুতো ধৰণৰ পাৰ্থক্যৰ বিষয়ে আলোচনা কৰিছে।

এইটো দুখৰ কথা যে ৰাজনীতিৰ অন্তৰ্গত পুস্তিকাবোৰৰ কোনো বিন্যাসে ইয়াক এখন সম্পূৰ্ণ গ্ৰন্থত পৰিণত নকৰে। উদাহৰণস্বৰূপে সপ্তম পুস্তিকা খনত উৎকৃষ্ট ৰাষ্ট্ৰৰ বিষয়ে আলোচনা কৰা হৈছে গতিকে এই পুস্তিকাখন তৃতীয় পুস্তিকাখনৰ পাছতে আহিব লাগিছিল। চতুৰ্থ পঞ্চম আৰু ষষ্ঠ পুস্তিকাত আদৰ্শৰাষ্ট্ৰৰ বিষয়ে আলোচনা কৰা হোৱা নাই বাস্তৱ ৰাষ্ট্ৰৰ বিষয়েহে আলোচনা কৰা হৈছে। গতিকে এই পুস্তিকাকেইখন একেলগ কৰি ৰখা হৈছে। এই কাৰণে সপ্তম আৰু অষ্টম পুস্তিকা দুখন তৃতীয় পুস্তিকাখনৰ পিছতে ৰখা হৈছে আৰু চতুৰ্থ পঞ্চম আৰু ষষ্ঠ এই পুস্তিকা কেইখনক ৰাজনীতিৰ কিছুমান সম্পাদকে একেবাৰে শেষত ৰাখিছে। তথাপি চতুৰ্থ পুস্তিকাত গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ বিষয়ে আলোচনা কৰা হৈছে আৰু তৃতীয় পুস্তিকাত ৰাজতন্ত্ৰৰ বিষয়ে আলোচনা কৰা হৈছে। এই দুয়োখন পুস্তিকাকো একেলগে ৰখা হৈছে।

এৰিষ্টটলৰ ৰাজনীতিখন এজন খ্যাতিসম্পন্ন পণ্ডিত ৱাৰ্নাৰ জেগাৰৰ মতে দুটা পৰ্য্যায়ত লিখা হৈছিল। প্ৰথম পৰ্য্যায়ত আদৰ্শ ৰাষ্ট্ৰ আৰু ইয়াৰ পূৰ্ববৰ্তী মতামতবোৰ সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত আছে দ্বিতীয় তৃতীয় সপ্তম আৰু অষ্টম পুস্তিকাকেইখন। দ্বিতীয় পুস্তিকাখনত ৰাষ্ট্ৰৰ আদিম তত্ত্ববোৰৰ বিষয়ে ঐতিহাসিক অধ্যয়ন কৰা হৈছে আৰু প্লেটোৰ ওপৰত আলোচনা আগ বঢ়োৱা হৈছে। তৃতীয় পুস্তিকাত ৰাষ্ট্ৰৰ প্ৰকৃতি আৰু নাগৰিকত্বৰ বিষয়ে অধ্যয়ন কৰা হৈছে আৰু সপ্তম অষ্টম পুস্তিকাত আদৰ্শৰাষ্ট্ৰৰ গঠন আৰু ইয়াৰ চৰিত্ৰৰ বিষয়ে আলোচনা কৰা হৈছে। প্ৰকৃত ৰাষ্ট্ৰবোৰৰ বিষয়ে অধ্যয়নৰ লগত দ্বিতীয় পৰ্য্যায়টোৰ সম্পৰ্ক আছে। ইয়াত প্ৰধানকৈ গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰ আৰু সিহঁতৰ অধঃপতনৰ কাৰণবোৰ ব্যাখ্যা কৰা হৈছে। এইবোৰ ৰাষ্ট্ৰলৈ স্থায়িত্ব

অনাৰ উপায়বোৰৰ বিষয়েও ইয়াত আলোচনা কৰা হৈছে। চতুৰ্থ পঞ্চম আৰু ষষ্ঠ পুস্তিকাকেইখন এই পৰ্য্যায়ত পৰে।

জেগাৰে কৈছে যে চতুৰ্থ পঞ্চম আৰু ষষ্ঠ পুস্তিকাকেইখনক ৰাজনীতিৰ আদিম খচৰাখনৰ মাজত সুমুৱাই দিয়া হৈছিল। প্ৰথম পুস্তিকাখন উপক্ৰমণিকা হিচাপে শেষতহে লিখা হৈছিল। গোটেই কিতাপখন সম্পূৰ্ণ কৰি উলিওৱাত ১৫ বছৰ সময় লাগিছিল। প্ৰথম পৰ্য্যায়ত এৰিষ্টটলৰ ওপৰত প্লেটোৰ প্ৰভাৱ সুস্পষ্টভাৱে পৰিছিল কিন্তু দ্বিতীয় পৰ্য্যায়ত তেওঁ প্লেটোৰ প্ৰভাৱৰপৰা বহু পৰিমাণে মুক্ত হৈছিল। প্ৰথম পৰ্য্যায়ত এৰিষ্টটলে আইনত চিত্ৰিত কৰা আৰ্হিৰে তেওঁৰ আদৰ্শ ৰাজ্যখনৰ ছবি এখন আঁকি উলিয়াইছিল। দ্বিতীয় পৰ্য্যায়তহে তেওঁ আৰু বেছি সাধাৰণ অৰ্থত ৰাজনীতিৰ চিন্তা কৰিছিল। ইয়াত বাস্তৱৰ জগত তেওঁৰ ৰাজনৈতিক কল্পনাবোৰৰ সম্বন্ধ ঘটাইছিল।

সপ্তদশ অধ্যায়

প্লেটো সম্পর্কে এৰিষ্ট'টলৰ সমালোচনা

জোৱেটে কৈছে যে প্লেটোৰ গণৰাজ্য আৰু আইন'ৰ ওপৰত আগবঢ়োৱা এৰিষ্টটলৰ সমালোচনাবোৰ অসংলগ্নতা আৰু ভুল ভ্ৰান্তিৰে ভৰা। জোৱেটৰ এই মন্তব্যটোৰ বিচাৰ কৰিব পাৰিলেই আমাৰ এই অধ্যায়টোৰ কাম সম্পূৰ্ণ হ'ব।

ৰাজনীতিৰ দ্বিতীয় পুস্তিকাত এৰিষ্ট'টলে তেওঁৰ পূৰ্ববৰ্তী আদৰ্শ ৰাষ্ট্ৰবোৰৰ ওপৰত সমালোচনা আগবঢ়াইছে। তেওঁৰ আগেয়ে কেলছিডনৰ ফেলিয়াছ মিলেটাছৰ হিপোডামাছ আৰু তেওঁৰ গুৰু প্লেটোৱে আদৰ্শৰাষ্ট্ৰৰ একোখন চিত্ৰ আঁকিছিল। এৰিষ্ট'টলে এই সকলোবোৰ আদৰ্শৰাষ্ট্ৰৰ ওপৰতে সমালোচনাৰ বাণ মাৰিছিল যদিও তেওঁৰ আক্ৰমণৰ প্ৰধান লক্ষ্য আছিল প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰ খনহে। চিন্তা আৰু কাৰ্য্যক্ষেত্ৰত এখন উৎকৃষ্ট সংবিধান সৃষ্টি কৰাৰ উদ্দেশ্য তেও পৃথিবীৰ সন্মানিত আৰু ঐতিহাসিক সংবিধানবোৰ অধ্যয়ন কৰাত ব্ৰতী হৈছিল। দ্বিতীয় পুস্তিকাৰ প্ৰথম অংশত তেও প্লেটোৰ গণৰাজ্য আৰু আইনত থকা ধাৰণাবোৰৰ ওপৰত তীব্ৰ সমালোচনা আগবঢ়াইছিল। এই সমালোচনা কৰোঁতে ঠায়ে ঠায়ে তেওঁ বৰ শত্ৰুভাৱাপন্ন হৈ পৰিছিল আৰু সেই গতিকে সমালোচনাত অসাধুতাই ঠাই পাইছিল। তেওঁৰ শক্তিশালী প্ৰয়োগিক গুণ আৰু অসাধাৰণ বিচাৰ বুদ্ধি আছিল আৰু তেওঁ অনুমানসাপেক্ষ পদ্ধতি ব্যৱহাৰ কৰিছিল। সেই বাবে তেওঁৰ কাৰণে প্লেটোৰ তত্ত্ববোৰত থকা দুৰ্বলতা আৰু দোষত্ৰুটীবোৰ বিচাৰি উলিওৱাটো কঠিন হোৱা নাছিল। প্লেটোৰ ওপৰত তেও এইকেইটা বিষয়ত তীব্ৰতম বাণ মাৰিছিল— (১) প্লেটোৰ ৰাষ্ট্ৰৰ একতাৰ অৱধাৰণা (২) প্লেটোৰ সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ (৩) আদৰ্শৰাষ্ট্ৰ আৰু উপ আদৰ্শ ৰাষ্ট্ৰত নিম্ন শ্ৰেণীবোৰৰ ওপৰত তেওঁৰ তুলনামূলক অৱহেলা। এৰিষ্ট'টলে প্লেটোৰ 'ৰাজনীতিবাদ আৰু আইনত থকা কিছুমান ধাৰণা আৰু তত্ত্বৰ ওপৰতো কটাক্ষ কৰিছে যদিও তেওঁৰ সমালোচনাৰ প্ৰধান লক্ষ্য আছিল প্লেটোৰ গণৰাজ্য'।

এৰিষ্ট'টল প্লেটোৰ লগত এই কথাষাৰত একমত নাছিল যে ৰাষ্ট্ৰত একতা যিমানেই বেছি শক্তিশালী হয় ৰাষ্ট্ৰৰ পক্ষে সিমানেই ভাল। এই কথাষাৰ

আলোচনা কৰিবলৈ লৈ তেওঁ প্ৰশ্ন কৰিছে "এইটো সুস্পষ্ট নহয়নে যে এখন ৰাষ্ট্ৰত সম্পূৰ্ণ একতা স্থাপিত হ'লে শেষত সেইখন ৰাষ্ট্ৰ হৈয়েই নাথাকিব ?" তেওঁ কৈছে যে ৰাষ্ট্ৰৰ প্ৰকৃতিত বহুত্ব গুণ আছে সেই গতিকে অনাৱশ্যকভাৱে বৰ বেছি ঐক্য স্থাপিত হ'লে ৰাষ্ট্ৰখন এটা পৰিয়ালত পৰিণত হ'ব আৰু তাৰপিছত এটা ব্যক্তিৰ অধীনলৈ গুচি যাব কিয়নো ৰাষ্ট্ৰ এখনতকৈ এটা পৰিয়ালত একতা বেছি আৰু এটা পৰিয়ালতকৈ এজন মানুহত একতা অধিক হ'বই। সেইবাবে পৰাপক্ষত আমি কেতিয়াও ৰাষ্ট্ৰত চৰম একতা গঢ়ি তুলিবলৈ চেষ্টা কৰা উচিত নহয়, কিয়নো ইয়াৰ ফলত ৰাষ্ট্ৰ এখন ধ্বংসপ্ৰাপ্ত হ'ব পাৰে। আকৌ কিছুমান মানুহ লগ লাগিলেই এখন ৰাষ্ট্ৰ হ'ব নোৱাৰে। ৰাষ্ট্ৰ এখনত বেলেগ বেলেগ ধৰণৰ বহুত মানুহ থাকে কিয়নো একে ধৰণৰ মানুহবিলাকৰদ্বাৰা এখন ৰাষ্ট্ৰ গঠিত নহয়।

এৰিষ্টটলৰ মতে প্লেটোৱে ৰাষ্ট্ৰৰ বাবে খুব বেছি বা অত্যাধিক একতাৰ প্ৰয়োজন বুলি ভাবিছিল আৰু এই অত্যধিক একতাৰ ওপৰত অনাৱশ্যকীয় গুৰুত্ব দিছিল আৰু ইয়াৰ ফলত প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ গোটেই অৱধাৰণাটোৱেই দূষিত হৈ পৰিছিল। বেলেগ বেলেগ ধৰণৰ উপাদান লগ লাগি ৰাষ্ট্ৰ এখন গঠিত হয় ৰাষ্ট্ৰৰ এয়েই হৈছে বাস্তৱ প্ৰকৃতি। এখন ৰাষ্ট্ৰ আৰু এটা জাতিৰ মাজত পাৰ্থক্য আছে। ব্যক্তিবোৰৰ মাজত থকা সকলোবোৰ অসমতা দূৰ কৰাৰ ফলত ৰাষ্ট্ৰত একতা গঢ়ি উঠিলে তাৰপৰা ৰাষ্ট্ৰৰ অন্যায় সাধন হয় আৰু সেই একেদৰে সংগীতৰ সুৰত একত্ৰ প্ৰতিষ্ঠিত হ'লেও সংগীতৰ মধুৰতা আৰু সমতান নষ্ট নহয়। এখন ৰাষ্ট্ৰত থকা বেলেগ বেলেগ চৰিত্ৰ আৰু প্ৰকৃতিৰ মানুহবোৰৰ মাজত ভাল সংগঠন আৰু সম্বন্ধ স্থাপিত হ'লে এৰিষ্টটলৰ মতে ৰাষ্ট্ৰত প্ৰকৃত একতা গঢ়ি উঠে। ৰাষ্ট্ৰত থকা বেলেগ বেলেগ উপাদানবোৰে ৰাষ্ট্ৰৰ বাবে নিজা নিজাকৈ বেলেগ বেলেগ কাম কৰিব লাগে আৰু এই বেলেগ বেলেগ উপাদানবোৰৰ সুকীয়া সুবিধা আৰু সামৰ্থ্য আছে। সংগঠন আৰু কাৰ্য্যৰ বিভিন্নতাৰ কাৰণে সেৱাৰ বিনিময় কৰিবলগীয়া হয়। এইটোৱেই হৈছে মানুহৰ সমাজৰ মৌলিক ভিত্তি। প্ৰকৃতাৰ্থত একতাৰ কাৰণে বিভিন্নতাৰ প্ৰয়োজন আছে। এখন ৰাষ্ট্ৰত যিমান বেছি অভ্যন্তৰীণ বিভিন্নতা থাকে তাত সিমান বেছি আত্মনিৰ্ভৰশীলতাও থাকিব আৰু সিমান বেছি সেই ৰাষ্ট্ৰখন স্বাধীনচিন্তীয়াও হ'ব। দৰাচলতে কবলৈ গলে প্লেটোৱে আংগিক একতাৰ ঠাইত সমৰূপতাহে পছন্দ কৰিছিল।

এৰিষ্টটলে কৈছিল যে প্লেটোৰ ৰাষ্ট্ৰীয় ব্যৱস্থাই ৰাষ্ট্ৰত প্ৰকৃত একতা প্ৰতিষ্ঠা কৰাৰ ঠাইত স্থায়ীভাৱে অনৈক্য আৰু বিবাদহে সৃষ্টি কৰিব। এখন ঐক্যবদ্ধ আৰু সুশৃংখলিত ৰাষ্ট্ৰ সৃষ্টি কৰাৰ পৰিবৰ্তে ই এনে এখন ৰাষ্ট্ৰ সৃষ্টি কৰিব যত দুই ধৰণৰ বিভিন্ন আৰু পৰস্পৰবিৰোধী উপাদানে গা কৰি উঠিব। প্লেটোৱে অভিভাৱকসকলৰ বাবে যি বিশেষ প্ৰশিক্ষণ আৰু পৰিবেশৰ ব্যৱস্থা কৰিব খুজিছে তাৰ ফলত অভিভাৱকসকলৰ স্বাৰ্থ আৰু দৃষ্টিভংগী

একচেতীয়া আৰু সংকীর্ণ হ'ব। এখন ৰাষ্ট্ৰতে থকা সুশিক্ষিত অভিভাৱকসকল আৰু অশিক্ষিত জনসাধাৰণৰ ভাবাবেগ চৰিত্ৰ সাধনা আদিত ভিন্নমুখী ধাৰাৰ সৃষ্টি হ'ব।

ৰাষ্ট্ৰৰ অৱধাৰণাটোৰ অন্যান্য বিষয়তো এৰিষ্টটলে প্লেটোৰ লগত ভিন মত প্ৰকাশ কৰিছিল। এৰিষ্টটলে প্লেটোৰ এই মতবাদটোও অগ্ৰাহ্য কৰিছিল যে শ্ৰমৰ বিভাজনৰ লগে লগে ৰাষ্ট্ৰৰ উৎপত্তি হৈছিল। ইয়াত এৰিষ্টটলে ন দি কৈছে যে ব্যক্তি আৰু পৰিয়ালৰ আগতে ৰাষ্ট্ৰৰ জন্ম হৈছে। কিয়নো যিকোনো বস্তুৰে এটা অংশৰ জন্ম হোৱাৰ আগেয়ে গোটেই বস্তুটোৰ প্ৰয়োজন হয় এইটো প্ৰকৃতিৰ নিয়ম। ঐতিহাসিক দৃষ্টিকোণৰপৰা আমি যদি ৰাষ্ট্ৰৰ জন্ম পাছত হোৱা বুলি ধৰি লওঁ তথাপিও এইটো ঠিক যে ৰাষ্ট্ৰৰ অৱয়বটো আগতেই ঠিক হৈ আছিল কিয়নো মানুহৰ বিষয়ে এই অৱধাৰণাটো স্মৰণাতীত কালৰপৰা চলি আছিল যিজন মানুহ সমাজত বাস কৰিবলৈ সমর্থ নহয় বা যাৰ কোনো অভাৱ নাই (কিয়নো তেওঁৰ নিজৰ বাবে যথেষ্ট আছে) তেওঁ নিশ্চয় জন্তু বা দেৱতা হ'ব লাগিব তেওঁ ৰাষ্ট্ৰৰ অংশ নহয়। প্ৰকৃতিয়ে সকলো মানুহৰ মনতে সামাজিক প্ৰবৃত্তি প্ৰোথিত কৰিছে। প্লেটোৱে দর্শনৰ শাসনৰ যিটো অৱধাৰণা আগ বঢ়াইছিল এৰিষ্টটলে তাতো দ্বিমত প্ৰকাশ কৰিছে। তেওঁ অনুভৱ কৰে যে দর্শনৰ কথা প্ৰাকৃতিক আৰু সাৰ্বজনীন বস্তুতহে খাটে আৰু এইবোৰ তত্ত্বীয় জ্ঞানৰ সঠিক বিষয়। কিন্তু মানুহৰ কাৰ্য্যৰ ওপৰত ব্যৱস্থা গ্ৰহণ কৰিব লাগিলে বস্তুৰ জ্ঞান আৰু অভিজ্ঞতাৰ প্ৰয়োজন হয় ইয়াৰ বাবে দর্শনৰ জ্ঞানেই যথেষ্ট নহয়।

গণৰাজ্যত ছক্ৰেটিছৰ মুখেৰে প্লেটোৱে কৈছে যে আদর্শ ৰাষ্ট্ৰত বস্তুনিৰপেক্ষ একতা থকা উচিত আৰু সেই একতা গঢ়ি তুলিবলৈ তেওঁ মানুহৰ শ্ৰেণীবোৰৰ মাজত আৰু কাৰ্য্যবোৰৰ মাজত পাৰ্থক্য ৰাখিবলৈ কৈছে। ইয়াৰ বাবে তেওঁ অভিভাৱকসকলৰ মাজত সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ পৰামর্শ দিছে। এৰিষ্টটলে প্লেটোৰ একতাৰ এই অৱধাৰণাটো আৰু এইটো গঢ়ি তুলিবলৈ তেওঁৰ প্ৰস্তাৱিত উপায়বোৰ প্ৰধানকৈ দুটা যুক্তিত সমালোচনা কৰিছে।

নাগৰিকসকলৰ কোনো ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়ালৰ সম্বন্ধ নাথাকিলে মতা-তিৰোতা উভয়কে একেধৰণে একে কামৰ বাবে একে প্ৰশিক্ষণ দিলে সকলো মতা তিৰোতা একেধৰণে গঢ়ি উঠিব আৰু তেতিয়া কোনো কাৰো পৰিপূৰক নহ'ব আৰু কোনো কাৰো প্ৰয়োজনত নাহিব। এখন ৰাষ্ট্ৰ গঢ়ি তুলিবলৈ সকলো ধৰণৰ উপাদানবোৰৰ প্ৰয়োজন। প্ৰতিভা আৰু সামৰ্থ্যৰ বিভিন্নতা থাকিলেহে মানুহৰ নৈতিক বৈষয়িক আৰু আধ্যাত্মিক অভাৱবোৰে আটাইতকৈ বেছি সন্তুষ্টি লাভ কৰে আৰু এইবোৰে ৰাষ্ট্ৰক আত্মনির্ভৰশীলতাৰ লক্ষ্যত উপনীত হোৱাত সহায় কৰে।

এৰিষ্টটলে ৰাষ্ট্ৰত একতাৰ প্ৰয়োজনীয়তা কমকৈ দেখা নাছিল। তেওঁ কিন্তু বিভিন্নতাৰ মাজতহে একতা বিচাৰিছিল। আগতেই উল্লেখ কৰি অহা হৈছে যে অত্যধিক একতাৰ ফলত প্ৰতিভাৰ সকলোবেৰ বিভিন্নতা বিলুপ্ত হয় আৰু পিছুমন স্বয়ংসম্পূৰ্ণ অৱস্থিতিৰ নিৰস প্ৰাণীৰ সৃষ্টি হয় বিসকল মানুহ নিজে স্বয়ংসম্পূৰ্ণ অৱস্থিতি লাভ কৰিবলৈ সমৰ্থ নহয় এই একতাৰ ফলত তেওঁ লোক হতাশাগ্ৰস্ত হয় আৰু সেই গতিকে এইধৰণৰ একতাই ৰাষ্ট্ৰৰ উদ্দেশ্যক ব্যৰ্থ কৰে। পৰিয়ালৰ একতা বেছি আৰু ব্যক্তিত একতা আটাইতকৈ বেছি। সেই গতিকে ৰাষ্ট্ৰ এখন এই একতাৰ এটা পৰ্যায়ত পৰিণত হ'লে ই আৰু ৰাষ্ট্ৰ হৈ নাথাকিব। কিয়নো তেতিয়া ৰাষ্ট্ৰখনো এজন ব্যক্তি বা এটা পৰিয়ালৰ দৰে অসম্পূৰ্ণ হৈ যাব। এটা নিৰ্দিষ্ট সীমা পৰ্যন্ত একতাৰ প্ৰয়োজন আছে কিন্তু যদি এই একতা বহুদূৰলৈ আগবঢ়াই লৈ যোৱা হয় তেনেহ'লে তাৰ ফলত ৰাষ্ট্ৰৰ অনিষ্টসাধন হয়। বিধৰণৰ একতাই ৰাষ্ট্ৰৰ মৌলিক প্ৰকৃতি ধ্বংস কৰে তেনে ধৰণৰ একতাক ৰাষ্ট্ৰৰ চূড়ান্ত ভাল বুলি ক'ব নোৱাৰি কিয়নো, যিকোনো বস্তুৰ ভাল বস্তুটোক সংৰক্ষণ কৰে ইয়াক কেতিয়াও ধ্বংস নকৰে।

ইয়াতে এৰিষ্টটলে তেওঁৰ গুৰুৰ প্ৰতি অসাধু আচৰণ কৰিছে। কিয়নো, প্লেটোৱে কেতিয়াও কোৱা নাছিল যে ৰাষ্ট্ৰখন সম্পূৰ্ণৰূপে একে ধৰণৰ উপাদানেৰে গঠিত হোৱা উচিত। বৰং তেওঁ পৰামৰ্শ দিছিল যে প্ৰকৃতিদত্ত গুণ আৰু মানুহৰ ইচ্ছাৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰখনৰ জনসাধাৰণক কেইবাটাও শ্ৰেণীত বিভক্ত কৰা উচিত। তথাপি ইয়াতো এৰিষ্টটলে আগবঢ়োৱা সমালোচনাখিনি একেবাৰে অমূলক নহয়। কিয়নো অন্য নহ'লেও প্লেটোৱে একে ধৰণৰ শিক্ষা, একে ধৰণৰ জীৱন আৰু একে ধৰণৰ কাৰ্যসূচী ব্যৱস্থা কৰি শাসকশ্ৰেণী দুটাৰ মানুহবোৰৰ মাজত অপ্ৰয়োজনীয়ভাৱে একতা প্ৰতিষ্ঠা কৰিবলৈ বিচাৰিছিল।

দ্বিতীয়তে এৰিষ্টটলে দেখুৱাইছে যে প্লেটোৱে পৰামৰ্শ দিয়া একতাৰ প্ৰয়োজন থাকিলেও সেই একতা গঢ়ি তুলিবলৈ প্লেটোৱে যিবোৰ উপায়ৰ কথা কৈছে সেইবোৰ উপায়েৰে সেই একতা গঢ়ি তুলিব পৰা নাযাব। ৰাষ্ট্ৰত থকা শ্ৰেণীবিভাগে অনৈক্যৰ সৃষ্টি কৰে এনে মানুহবিলাক কৰ্তৃত্ব ব্যৱহাৰ কৰি থাকিলেও কৰ্তৃত্ব নোপোৱা মানুহবোৰৰ মাজত অশান্তি হয়।

এৰিষ্টটলে ঠিকেই মন্তব্য কৰিছে যে সম্পত্তি পৰিয়াল আৰু কম্যু- নিষ্টৰ সাম্যবাদে বিভাজন, ঈৰ্ষা অপৰাধ, নৈতিক অসাধুতা আদিৰ কাৰণ সৃষ্টি কৰিব আৰু এইবোৰ বৃদ্ধি কৰিব আৰু ইয়েই প্লেটোৱে ইমান আগ্ৰহ আৰু একাগ্ৰতা প্ৰতিষ্ঠিত কৰিবলৈ বিচৰা একতাৰ গুৰিত কুঠাৰাঘাত কৰিব।

এৰিষ্টটলৰ মতে অনৈক এটা নৈতিক ৰোগ আৰু সেই গতিকে এই ৰোগটো নিৰাময় কৰিব লাগিলে আমি নৈতিক ঔষধ বিচাৰিব লাগিব। সম্পত্তি, পৰিয়াল

আৰু ল'ৰা ছোৱালীৰ সাম্যবাদৰ দৰে কৃত্ৰিম উপায়ৰদ্বাৰা এই ৰোগৰ আৰোগ্য সাধন কৰিব পৰা নাযাব। ইয়াৰ বাবে শিক্ষাব্যৱস্থাৰ দৰে নৈতিক ঔষধৰ প্ৰয়োজন হ'ব।

আমি সদায় এইটো মনত ৰাখিব লাগিব যে এৰিষ্টটলে ৰাষ্ট্ৰৰ একতাক কেতিয়াও অৱজ্ঞা কৰা নাছিল। তেও কেৱল ভ্ৰান্ত একতা আৰু সেই একতা গঢ়ি তুলিবলৈ দিয়া কৃত্ৰিম উপায়বোৰহে বিৰোধিতা কৰিছিল।

এখন মিশ্ৰিত সংবিধানৰ অধীনত প্লেটোৱে যিখন উপআদৰ্শ ৰাষ্ট্ৰৰ ছবি আঁকিছিল সেই ৰাষ্ট্ৰখনৰ ওপৰতো সমালোচনা কৰি এৰিষ্টটলে কৈছে যে ইয়াত প্লেটোৱে কিছু উন্নতিসাধন কৰিছে। কিয়নো গণৰাজ্যত প্লেটোৱে যিখন আদৰ্শ ৰাষ্ট্ৰৰ কথা কৈছিল ইয়াত তেও সেই আদৰ্শ ৰাষ্ট্ৰখনৰ মৌলিক পৰিবৰ্তন সাধন কৰিছে। আইনক ইয়াত সাৰ্বভৌমত্বৰ গৰাকী কৰা হৈছে আৰু চৰকাৰক আইনৰ সেৱক হিচাপে গঢ়ি তুলিবলৈ পৰামৰ্শ দিয়া হৈছে। ইয়াত সম্পত্তি পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ সাম্যবাদৰ আঁচনিখন পৰিহাৰ কৰা হৈছে। কিন্তু ইয়াতো এৰিষ্টটলে ৰাষ্ট্ৰত থকা নাগৰিকসকলৰ মাজত সম্পূৰ্ণ একতাৰ অৱধাৰণাটো পৰিত্যাগ কৰা নাই আৰু গণৰাজ্যত উল্লেখ কৰা আদৰ্শটোৰ কিছুমান উপাদানৰ কোনো পৰিবৰ্তন সাধন কৰা নাই। উদাহৰণ স্বৰূপে মতা তিৰোতা সকলোবোৰ নাগৰিকৰ বাবে একে শিক্ষা সমূহীয়া মেজত সমূহীয়া আহাৰৰ ব্যৱস্থা গ্ৰিকসকলক ব্যৱসায় বাণিজ্যত হাত দিবলৈ নিদিয়া আদি উপাদানৰ কথা উল্লেখ কৰিব পাৰি। এই প্ৰসংগতে এৰিষ্টটলে কৈছে ছক্ৰেটিছৰ আলোচনাবোৰ কেতিয়াও সচৰাচৰ ব্যৱহৃত হোৱা মন্তব্য নাছিল। সেইবোৰত সদায় অনুগ্ৰহ মৌলিকতা আৰু গভীৰ চিন্তা প্ৰস্ফুটিত হৈছিল কিন্তু তাত কোনো বস্তুৱে সৰ্বাংগসুন্দৰ অৱস্থা এটা আশা কৰা নগৈছিল।

দ্বিতীয়তে ৰাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ উৎকৃষ্ট উপাদান কিছুমান লগ লগাই তেওঁ এখন মিশ্ৰিত সংবিধানৰ ব্যৱস্থা কৰিছিল কিন্তু প্ৰকৃততে সেই মিশ্ৰিত সংবিধানখনত স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ উপাদানবোৰহে ভৰি আছিল। প্লেটোৱে পৰামৰ্শ দিছিল যে ৰাষ্ট্ৰৰ কাৰ্য্যত জ্ঞানৰ কাৰ্য্যকৰী নিয়ন্ত্ৰণ প্ৰতিষ্ঠা কৰিবলৈ ৰাষ্ট্ৰৰ জনপ্ৰিয় সভাখনত উচ্চ শ্ৰেণী আৰু নিম্ন শ্ৰেণীৰ মানুহবোৰে সমান প্ৰতিনিধিত্ব পোৱা উচিত। জনপ্ৰিয় সভাত উপস্থিত থকা বাবে কোনো বেতন বা ভাট্টা দিয়া উচিত নহয় উচ্চ শ্ৰেণীৰ প্ৰতিনিধিসকলৰ বাবে জনপ্ৰিয় সভাত উপস্থিতি বাধ্যতামূলক কিন্তু নিম্ন শ্ৰেণীৰ প্ৰতিনিধিবোৰৰ বাবে ঐচ্ছিক। এৰিষ্টটলৰ মতে এই সকলোবোৰ ব্যৱস্থাৰ ফল হ'ব এইবোৰ— নিম্ন শ্ৰেণীৰ মানুহবোৰৰ সংখ্যা সৰহ যদিও জনপ্ৰিয় সভাত তেওঁলোকৰ প্ৰতিনিধিৰ সংখ্যা কোছি নহ'ব কিয়নো তেওঁলোক নিজৰ নিজৰ দৈনন্দিন কাম-কাজত ব্যস্ত থাকিব লাগিব। ৰাজনৈতিক কাৰ্য্যত অংশগ্ৰহণ কৰিবলৈ তেওঁলোকৰ জিৰণি আৰু সময়ৰ অভাৱ হ'ব আৰু সেইবোৰ কামত অংশ গ্ৰহণ কৰিবলৈ তেওঁলোকে সৰহকৈ

ইচ্ছাও নকৰিব। কিয়নো জনপ্ৰিয় সভাত তেওঁলোকৰ উপস্থিতি ঐচ্ছিক বাধ্যতা-মূলক নহয় আৰু তাত উপস্থিত থাকিলে তেওঁলোকে কোনো বেতন বা ভাট্টাও নাপায়। গতিকে স্বাভাৱিকতে উচ্চ শ্ৰেণীৰ প্ৰতিনিধিবোৰে ৰাষ্ট্ৰৰ নীতি আৰু কাৰ্য্য নিয়ন্ত্ৰণ কৰিবলৈ সুযোগ পাব। গতিকে প্লেটোৰ উপআদৰ্শটোও কাৰ্য্যতঃ স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ সংমিশ্ৰণ আৰু ইয়াত স্বল্পতন্ত্ৰৰ ওপৰতহে বেছিকৈ গুৰুত্ব দিয়া হৈছে। চমুকৈ ক'বলৈ গ'লে ইয়াত প্লেটোৱে এথেন্সৰ গণতান্ত্ৰিক পোছাকেৰে স্বল্পতান্ত্ৰিক স্পাৰ্টাকে সজাই পৰাই তুলিছে আৰু তানিষ্ঠৰ মতে ইয়েই আছিল এথেন্সীয় স্পাৰ্টা।

এৰিষ্টটলে কেতিয়াও সমাজৰ সংগঠনটোক চূড়ান্ত লক্ষ্য বুলি মানি লোৱা নাছিল যাৰ বাবে ব্যক্তিসকলে তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থ সমাজৰ উন্নতিৰ পূজাত উচৰ্গা কৰিব লাগিব। সেই গতিকে তেওঁ প্লেটোৰ সাম্যবাদক নিন্দা কৰিছে। প্লেটোৱে কৈছিল যে সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদেই ৰাষ্ট্ৰত একতা আৰু শৃংখলা সৃষ্টি কৰাৰ উত্তম উপায়। এৰিষ্টটলো প্লেটোৰ দৰে ৰাষ্ট্ৰত একতা প্ৰতিষ্ঠাৰ প্ৰধান সমৰ্থক আছিল কিন্তু তেওঁৰ ৰাষ্ট্ৰীয় একতাৰ অৱধাৰণা প্লেটোৰ ৰাষ্ট্ৰীয় একতাৰ অৱধাৰণাৰ লগত এক নাছিল আৰু তেওঁ ৰাষ্ট্ৰত একতা প্ৰতিষ্ঠা কৰিবলৈ যি উপায়ৰ কথা কৈছিল তাৰ লগতো প্লেটোৰ উপায়ৰ মৌলিক পাৰ্থক্য আছিল। এৰিষ্টটলে এইটো নিৰ্দেশ কৰিছিল যে সম্পত্তি আৰু পৰিবাৰৰ সাম্যবাদৰ দ্বাৰা একতা প্ৰতিষ্ঠা কৰা নহ'ব। আধ্যাত্মিক ৰোগৰ চিকিৎসা কৰিব লাগিলে আধ্যাত্মিক দৰৱৰ প্ৰয়োজন হ'ব। সেই গতিকে ৰাষ্ট্ৰত প্ৰকৃত একতা সৃষ্টি কৰিব লাগিলে যুগে যুগে সন্মানৰ আসন লাভ কৰি অহা ব্যক্তিগত সম্পত্তি আৰু ব্যক্তি-গত পৰিয়াল অনুষ্ঠান দুটা উঠাই দিলে নহ'ব ইয়াৰ বাবে ৰাষ্ট্ৰৰ সংবিধানৰ চেতনাৰে শিক্ষাৰে আৰু সামৰ্থ্য থকা মানুহবোৰক সংগঠিত আৰু প্ৰশিক্ষিত কৰি তুলিব লাগিব। প্লেটোৰ দৰে এৰিষ্টটলেও ৰাষ্ট্ৰৰ আংগিক একতাত বিশ্বাস কৰিছিল আৰু সাধাৰণতে ৰাষ্ট্ৰক ব্যক্তিৰ ওপৰত স্থান দিছিল। কিন্তু এৰিষ্টটল প্লেটোতকৈ বেছি ব্যক্তিবাদী আছিল। তেওঁ বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰৰ জন-সাধাৰণৰ বাবে আটাইতকৈ বেছি মংগল সাধন কৰিবলৈ কিছু পৰিমাণৰ ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত স্বাধীনতাৰ প্ৰয়োজন আছে। ৰাষ্ট্ৰৰ চৰম মংগল সাধনৰ বাবে ব্যক্তিবাৰৰ মাজত থকা পাৰ্থক্যবোৰৰ সৎ ব্যৱহাৰ কৰি ৰাষ্ট্ৰত তাৰমাজে আংগিক একতা প্ৰতিষ্ঠা কৰিব পৰা যায়। ইয়াৰ বাবে সাম্যবাদৰ জৰিয়তে কোনো বিশেষ ধৰণৰ নাগৰিক সৃষ্টি কৰাৰ প্ৰয়োজন নাই। এৰিষ্টটলে যিকোনো কাম লাহে লাহে সম্পন্ন হোৱাৰ অনিবাৰ্য্যতাত বিশ্বাস কৰিছিল। অত্যাধিক বেছি আৰু অত্যন্ত কম—দুয়োটাকে তেওঁ পৰিহাৰ কৰিবলৈ বিচাৰিছিল আৰু সদায় তেওঁ মধ্যম পন্থা অৱলম্বন কৰিবলৈ ইচ্ছা কৰিছিল। সেইগতিকে তেওঁ সাম্যবাদব্যৱস্থা ভালে-মুলে উঠাই পেলোৱা পক্ষতিৰ সম্পূৰ্ণ বিৰুদ্ধে আছিল।

এৰিষ্ট'টলৰ মতে প্লেটোৰ পৰিবাৰৰ সাম্যবাদ অস্বাভাৱিক আৰু হাস্যাস্পদ আছিল। বিয়া এটা পবিত্ৰ অনুষ্ঠান আৰু ব্যক্তিগত পৰিয়াল সমাজৰ ভেটি। প্লেটোৱে কৈছিল যে ৰাষ্ট্ৰত একতা আৰু শৃংখলা প্ৰতিষ্ঠা কৰিব লাগিলে সকলো মানুহে একেবোৰ বস্তুকে মোৰ বস্তু বুলি ক'ব লাগিব মোৰ বস্তু নহয় বুলি ক'ব নালাগে। পৰিবাৰৰ সাম্যবাদৰ অধীনত এজন মানুহে তেওঁৰ নিজৰ ল'ৰা ছোৱালীবোৰক চিনি নাপায় আৰু সেইগতিকে ৰাষ্ট্ৰত থকা সকলোবোৰ ল'ৰা ছোৱালীকে তেও সমান মৰম কৰিব। কিন্তু এৰিষ্টটলৰ মতে যদিও প্লেটোৰ ৰাষ্ট্ৰত এটা ল'ৰা বা এজনী ছোৱালী সকলোবোৰ মানুহৰ ল'ৰা বা ছোৱালী বুলি গণ্য হয (কিযনো সকলোবোৰ অভিভাৱকে সেই ল'ৰাটো বা ছোৱালীজনীক নিজৰ ল'ৰা বা ছোৱালী বুলি গ্ৰহণ ক'ৰ) তথাপি সেই ল'ৰাটো বা ছোৱালীজনী সকলোবোৰ অভিভাবকৰে ল'ৰা বা ছোৱালী হ'ব নোৱাৰে। কিয়নো তেওঁ কোনোবা এজন পিতৃ আৰু এজন মাতৃৰহে ল'ৰা বা ছোৱালী হ'ব লাগিব। এৰিষ্ট'টলৰমতে ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত সম্বন্ধৰ ধাৰণাটোৱেহে সমাজত মৰম চেনেহৰ সৃষ্টি হয় আৰু ইয়েই মৰম চেনেহৰ ভেটি। প্লেটোৰ পৰিবাৰ আৰু ল'ৰা ছোৱালীৰ সাম্যবাদৰ ফলত সকলোবোৰ সমূহীয়া ল'ৰা-ছোৱালীৰ বাবে বেছি প্ৰেম প্ৰীতিৰ সৃষ্টি নহয় কাৰো প্ৰতি মৰম প্ৰীতি নোহোৱাহে হ'ব। সমূহীয়া ল'ৰা ছোৱালীক কোনেও স্নেহ প্ৰীতি নকৰিব আৰু সিহঁতৰ যত্ন লওঁতা কোনো নহ'ব। কিয়নো যিটো কাম প্ৰত্যেকে কৰিব লাগে সেইটো কাম কোনেও নকৰে। এই ধৰণৰ ল'ৰা ছোৱালী আৰু পৰিবাৰৰ সাম্যবাদ চলিলে একোজন অভিভাৱকৰ হাজাৰ হাজাৰ পুত্ৰ হ'ব আৰু একোটা ল'ৰা ছোৱালীৰ হাজাৰ হাজাৰ পিতৃ হ'ব। তেনেস্থলত এজন প্লেটোনিক পুত্ৰ হৈ জন্মগ্ৰহণ কৰাতকৈ এজন প্ৰকৃত খুড়া বা মোমাইৰ পুত্ৰ হৈ জন্মগ্ৰহণ কৰাই ভাল। ইয়াত এৰিষ্ট'টলৰ যুক্তি হৈছে এইটোৱেই যে মৰম চেনেহৰ গভীৰতা ইয়াৰ পৰিসৰৰ লগত বিপৰীত ভাবে আনুপাতিক। আমি যেতিয়া বহুতৰ ওপৰত আমাৰ মৰম চেনেহ বিলাব লাগিব তেতিয়া সেই মৰম চেনেহ পনীয়া মৰম-চেনেহত পৰিণত হ'ব। পৰিবাৰৰ সাম্যবাদৰ অধীনত আইনমতে এজন তিৰোতা অভিভাৱক সকলোবোৰ মতা অভিভাবকৰ পৰিবাৰ হয। ইযাত সকলো শব্দটো দুটা অৰ্থ আছে এটা সমূহীয়া আৰু আনটো বিভাজনমূলক। সমূহীয়া অৰ্থত এইটো একো হ'ব নোৱাৰে কিযনো সকলোবোৰ অভিভাৱকে এজন পৰিবাৰক একেলগে পাব নোৱাৰে বিভাজনমূলক অৰ্থত প্ৰত্যেকজন মানুহৰে পৰিবাৰ আন সকলোবোৰ মানুহৰ পৰিবাৰ হ'ব লাগিব। এই ব্যৱস্থাটো গ্ৰহণ কৰিলে ইয়াৰ ফলত ৰাষ্ট্ৰত ঐক্য প্ৰতিষ্ঠা হোৱাৰ ঠাইত বিশৃংখলাৰ সৃষ্টি হ'ব। আকৌ এই ধৰণৰ সাম্যবাদৰ অধীনত পিতৃ মাতৃ বা ভাই ভনীৰ মাজত অপবিত্ৰ কাম কিছুমান সংঘটিত হ'ব কিয়নো তেতিয়া কোনেও কাৰো সম্বন্ধ নাজানিব। ব্যক্তিগত পৰিয়াল এটা

স্বাভাৱিক আৰু সুস্থ অনুষ্ঠান। সেই গতিকে এই অনুষ্ঠানটো ধ্বংস কৰি পেলাব নালাগে। সাম্যবাদে একত্ব প্ৰতিষ্ঠা নকৰে বিভাজনৰ বীজহে ৰোপণ কৰিব আৰু সেই কাৰণে অভিভাৱকসকলৰ মাজত সাম্যবাদ প্ৰতিষ্ঠা নকৰি প্ৰজাসকলৰ মাজতহে সাম্যবাদ প্ৰয়োগ কৰা উচিত। এৰিষ্টটলে প্লেটোৰ পৰিকল্পৰ সাম্যবাদৰ ওপৰত সমালোচনা কৰোঁতে বোধকৰো এটা কথা পাহৰি গৈছিল যে প্লেটোৰ ব্যৱস্থাই অভিভাৱকসকলৰ মাজত তিৰোতাৰ জাতীয়কৰণ বা সমাজীকৰণ কৰা হোৱা নাছিল ঠিকমতে নিৰ্বাচিত কৰা মতা তিৰোতাৰ মাজত অস্থায়ী বিবাহৰহে ব্যৱস্থা কৰিছিল।

মতা তিৰোতা আৰু পিতা পুত্ৰৰ মাজত এটা ব্যাখ্যা কৰিব নোৱাৰা সুখৰ অনুভূতি থাকে। প্লেটোৰ সাম্যবাদৰ অধীনত সেই সুখৰ অনুভূতিটো একেবাৰে তৰল হৈ যাব আৰু সময়ত এইটো নাইকিয়া হৈ যাবও পাৰে। কোনো নাগৰিকৰে জীৱনত কোনো ঘনিষ্ঠ সহযোগী নাথাকিব কোনেও কাকো নিজৰ পৰিবাৰ বা নিজৰ ল'ৰা-ছোৱালী বুলি ক'ব নোৱাৰিব। সকলোৱে আমাৰ পৰিবাৰ আৰু আমাৰ ল'ৰা ছোৱালী বুলিহে ক'ব লাগিব। ইয়াৰ ফলত ল'ৰা-ছোৱালী আৰু তিৰোতাৰ মংগল আৰু সুখ-শান্তিৰ প্ৰতি সকলোবোৰ অমনোযোগী হ'ব।

প্লেটোৰ সম্পত্তিৰ সাম্যবাদ সহি থাকিবলৈ এৰিষ্টটলৰ ধৈৰ্য্য নোহোৱা হৈছিল। সম্পত্তি সম্বন্ধে মন্তব্য কৰি এৰিষ্টটলে তিনিটা সম্ভৱপৰ উপায়ৰ কথা কৈছিল— (১) মাটিৰ ব্যক্তিগত সম্পত্তি কিন্তু ইয়াৰপৰা উৎপাদিত বস্তুৰ সমূহীয়া ব্যৱহাৰ (২) সমূহীয়া সম্পত্তি আৰু ব্যক্তিগত ব্যৱহাৰ (৩) সমূহীয়া সম্পত্তি আৰু সমূহীয়া ব্যৱহাৰ। প্লেটোৰ সম্পত্তিৰ সাম্যবাদক সমালোচনা কৰি এৰিষ্টটলে কৈছে যে সমূহীয়া সম্পত্তিৰ ব্যৱস্থাত কিছুমানে বেছি কাম কৰিব কিন্তু কম ফল পাব সেইসকলৰ কম কাম কৰি বেছি ফল লাভ কৰা সকলৰ প্ৰতি হিংসা আৰু বিদ্বেষ জন্মিব। সহবাসীসকলৰ মাজত সমূহীয়া সম্পত্তিৰ অধিকাৰটো কাজিয়া পেচালৰ এটা ডাঙৰ উৎস হৈ পৰিব। মানুহক যেতিয়া কোনো কাম নিজৰ বুলি কৰিবলৈ দিয়া হয় আৰু যত মানুহৰ নিজৰ ব্যক্তিগত স্বাৰ্থ থাকে তাতেহে মানুহে মনপুতি আৰু একাগ্ৰভাৱে কাম কৰে। মানুহৰ বাবে সম্পত্তিৰ ধাৰণাটো মহান আনন্দ আৰু সুখৰ উৎস আৰু ই হৈছে আত্মপ্ৰেমৰ এটা ডাঙৰ অৱলম্বন। বন্ধু বান্ধৱক সহায় কৰিবলৈ মানুহে নিজৰ সম্পত্তি ব্যৱহাৰ কৰিও বৰ ভাল পায় আৰু এই হিচাপেও সম্পত্তি আন একপ্ৰকাৰ আনন্দৰ উৎস। কিয়নো মানুহে ইয়াক ব্যৱহাৰ কৰি মানুহৰ দয়া বদান্যতা আদি গুণৰ পৰিচয় দিব পাৰে। ব্যক্তিগত সম্পত্তিৰপৰা' বিবোধ কাজিয়া পেচালৰ উদ্ভৱ হয় বুলি সততে কোৱা হয় সেইবোৰ আচলতে সম্পত্তি ব্যক্তিগত হোৱাৰ বাবে সৃষ্টি নহয় সেইবোৰ সৃষ্টি হয় মানুহৰ গাত থকা মৌলিক দুষ্ট চৰিত্ৰৰ বাবেহে। প্লেটোৱে অত্যাধিক একতাৰ ওপৰত লক্ষ্য ৰাখিছিল। এৰিষ্টটলৰ মতে সাম্যবাদৰ

স্বাৰা নহয় শিক্ষাব্যৱস্থাৰস্বাৰাহে ৰাষ্ট্ৰ এখনক এটা সুশৃংখলিত আৰু সুসংবদ্ধ জাতিত পৰিণত কৰা উচিত। প্লেটোৰ সাম্যবাদ কেৱল অভিভাৱকসকলৰ ক্ষেত্ৰতহে ব্যৱহাৰ হৈছিল। কিন্তু তেওঁ খেতিয়ক আৰু অন্যান্য নিম্ন শ্ৰেণীৰ মানুহবোৰৰ কাৰণে ভৰা নাছিল। ৰাষ্ট্ৰ এখনক সুখী কৰাৰ যুক্তিত অভিভাৱকসকলক ব্যক্তিগত সুখ শান্তিৰপৰা বঞ্চিত কৰাৰ কোনো অৰ্থ থাকিব নোৱাৰে। কেৱল ব্যক্তিসকলেহে সুখ উপভোগ কৰিব পাৰে। এই সকলোবোৰ যুক্তিতে এৰিষ্টটলে প্লেটোৰ সম্পত্তিৰ সাম্যবাদক নিন্দা কৰিছিল আৰু ব্যক্তিগত সম্পত্তিবোৰক্‌ে সমূহীয়া ব্যৱহাৰ কৰাৰ পক্ষে মতদান কৰিছিল। সম্পত্তিৰ সমতা সৃষ্টি কৰিবলৈ প্লেটোৱে যি সম্পত্তিৰ সাম্যবাদ প্ৰতিষ্ঠা কৰিবলৈ ইচ্ছা কৰিছিল এৰিষ্টটলৰ মতে ব্যক্তি সকলৰ প্ৰকৃতিদত্ত সামৰ্থ্য আৰু শ্ৰম কৰিব পৰা ক্ষমতাৰ অসমতাৰ ফলত প্লেটোৰ সেই সাম্যবাদ ওলট পালট হৈ যাব। প্লেটোৰ সাম্যবাদে মানুহৰ অনুভূতি আৰু স্বাৰ্থৰ গভীৰতাৰ অভাৱ সৃষ্টি কৰিব আৰু এইবোৰ হৈছে মানুহৰ কাৰ্যশক্তিৰ অফুৰন্ত প্ৰেৰণাৰ উৎস। এইবোৰৰ অভাৱ হ'লে ইয়াৰ ফলত কেৱল ব্যক্তিৰে অনিষ্ট সাধন নহ'ব ইয়াৰ ফলত ৰাষ্ট্ৰবো প্ৰভূত ক্ষতি সাধন হ'ব আৰু ই জিতেন্দ্ৰিয়তা আৰু উদাৰতাৰ পথ বন্ধ কৰি পেলাব। বিবোৰ বস্তুৰ মালিক সকলোবোৰ মানুহ সেইবোৰ বস্তুৰ মালিক আচলতে কোনো নহয়। কিয়নো অংশিক স্বাৰ্থ আৰু একচেতীয়া মালিকীস্বত্ব একেটা কথা নহয়।

তদুপৰি যেতিয়া সকলোবোৰ মানুহ মাটিৰ সমূহীয়া মালিক হ'ব আৰু মাটিবোৰ সমূহীয়াভাৱে সকলোৱেই মানুহে ব্যৱহাৰ কৰিব তেতিয়াও নিশ্চয় কিছুমান অসুবিধাৰ সৃষ্টি হ'ব। অৱশ্যে কেৱল অনা নাগৰিক খেতিয়কসকলে পথাৰবোৰ পৰিচালনা কৰিলে আৰু নাগৰিকসকলৰ তাত কোনো অংশ নাথাকিলে সেই অসুবিধাবোৰ সহজে আঁতৰ কৰিব পৰা যাব। কিন্তু নাগৰিকসকলে নিজে পথাৰত গৈ পৰিশ্ৰম কৰি খেতি কৰিলে বহুতো গুচাব নোৱৰা অসুবিধাৰ সম্মুখীন হ'ব লাগিব। উদাহৰণস্বৰূপে পৰিশ্ৰম অনুপাতে লাভালাভ বিতৰণ কৰাটো টান হ'ব আৰু সেইটো কৰিব নোৱাৰিলে আৱশ্যক অনুযায়ী নাগৰিক সকলৰ মাজত লাভালাভবোৰ বিতৰণ কৰিব লাগিব আৰু তেতিয়া যিসকলে বেছি পৰিশ্ৰম কৰিও কম লাভ পাব তেওঁলোক কম পৰিশ্ৰম কৰি বেছি লাভ পোৱা-সকলৰ প্ৰতি বিদ্বেষ আৰু অসন্তুষ্টি প্ৰকাশ কৰিব। এৰিষ্টটলে কৈছে যে ব্যক্তি-গত সম্পত্তি নহ'লে মানুহে বন্ধু বা আন যিকোনো মানুহৰ প্ৰতি দয়া আৰু বদান্যতা দেখুৱাব নোৱাৰিব। এৰিষ্টটলৰ এই যুক্তিটোৰ মূল্য বৰ বেছি নহয়। কিয়নো যেতিয়া সম্পত্তিৰ অধিকাৰ আৰু ব্যৱহাৰ সমূহীয়া হ'ব তেতিয়া কোনো আত্মীয় বা বন্ধুৰ বাবে কাৰোপৰা দয়া আৰু বদান্যতাৰ প্ৰয়োজন নহ'ব।

এৰিষ্টটলে তেওঁৰ শেষৰ যুক্তিটোৰে ঐতিহাসিক আবেদন জনাই কৈছে—"আমি মনত পেলাওঁহক যে যুগে যুগে সৃষ্টি হৈ অহা অভিজ্ঞতাবোৰক আমি

অসন্মান কৰা উচিত নহয় এই বস্তুবোৰ ভাল হ'লে এনেকুৱা এটা দীঘলীয়া সময়ৰ বাবে নিশ্চয় এইবোৰ মানুহৰ অজ্ঞাত হৈ নাথাকিলহেঁতেন কিয়নো মানুহে প্ৰায় সকলো বস্তু বিচাৰি উলিয়াইছে। এৰিষ্টটলৰ এই যুক্তিটোৰো বিশেষ মূল্য নাই। কোনো এটা বিশেষ সামাজিক বা অৰ্থনৈতিক অনুষ্ঠান অতীতৰ কোনো এডোখৰ সময়ত প্ৰচলিত নোহোৱাৰ অৰ্থ এইটো নহয় যে সেই অনুষ্ঠানটো সকলো সময়ৰে বাবে বেয়া। সদায় যদি আমি অতীতকে বৰ্তমান কাৰ্য্যৰ ভিত্তি হিচাপে গ্ৰহণ কৰোঁ তাৰ ফলত সমাজত তেতিয়া স্থবিৰতাৰ সৃষ্টি হ'ব আৰু ইয়েই সমাজৰ অধঃপতনৰ পথ মুকলি কৰিব। তদুপৰি এইটো দাবী কৰা অনুচিত যে অতীতৰ প্ৰায় সকলোবোৰ বস্তু বা অনুষ্ঠানকে বিচাৰি উলিওৱা হৈছে। সেয়ে হ'লে ভৱিষ্যত যুগৰ লোকসকলৰ বাবে নতুনকৈ শিকিবলৈ বা আৱিষ্কাৰ কৰিবলৈ একোৱেই নাথাকিব।

প্ৰকৃততে এৰিষ্টটলে প্লেটোৰ সাম্যবাদৰ আঁচনিৰ বিৰুদ্ধে প্ৰধানকৈ তিনিটা যুক্তি দাঙি ধৰিছে। প্ৰথম যুক্তিটো হৈছে পৰিয়াল আৰু ল'ৰা ছোৱালীৰ সাম্যবাদে সমাজৰ নৈতিক ভেটিটো দাঙি পেলাব আৰু ল'ৰা ছোৱালীবোৰৰ নৈতিক ভেটি গঢ়ি উঠাত বাধাৰ সৃষ্টি কৰিব। ই ল'ৰা ছোৱালীবোৰক ডাঙৰ দীঘল কৰিবলৈ দায়িত্ব দিয়া ৰাষ্ট্ৰৰ বিষয়াসকলৰ মনত উদাসীনতা আৰু উৎসাহৰ অভাৱ সৃষ্টি কৰিব। এইটো কথা সঁচা যে কিছুমান দক্ষ দেউতাক দেওঁলোকৰ ল'ৰা ছোৱালীক উপযুক্তভাৱে গঢ় তুলিবলৈ সমৰ্থ নহয় কিন্তু এই কাৰণেই পৰিয়াল অনুষ্ঠানটোকে উঠাই দিয়াটো উচিত হ'ব নোৱাৰে। দুৰ্বল আৰু অসমৰ্থ পিতৃ-মাতৃবোৰক তেওঁলোকৰ ল'ৰা ছোৱালী ডাঙৰ দীঘল কৰা আৰু শিক্ষা দিক্ষা দিয়াত ৰাষ্ট্ৰই আৱশ্যকীয় বা পৰিপূৰক সহায় আগবঢ়াই সমস্যাটো সমাধান কৰিব পাৰিব। ব্যক্তিগত পৰিয়াল সকলো গুণৰ উৎপত্তিস্থল। ল'ৰা ছোৱালীবোৰে বদান্যতা দয়া আত্মসাহায্য আত্মনিয়ন্ত্ৰণ আদি গুণবোৰ ব্যক্তিগত পৰিয়ালত থাকিহে শিকে। কিয়নো পৰিয়ালবোৰৰ দৈনন্দিন জীৱনত পৰিয়ালৰ সদস্য সকলে ইয়াৰ উন্নতি আৰু মংগলৰ বাবে স্বাৰ্থহীন কাৰ্য্যৰ বাবে অনবৰত কাম কৰি থাকে আৰু এইবোৰ ল'ৰা ছোৱালীবোৰে সদায় দেখি থাকে। ইয়াৰ ফলত ল'ৰা-ছোৱালীবোৰৰ মনত যিবোৰ নৈতিক গুণৰ সৃষ্টি হয় সেইবোৰে পাছত সমাজ আৰু ব্যক্তিৰ মংগলত ভাল কাম দিয়ে। গতিকে পিতৃ-মাতৃ আৰু ল'ৰা ছোৱালীৰ বাবে ব্যক্তিগত পৰিয়ালৰ নৈতিক আৰু আধ্যাত্মিক প্ৰয়োজনীয়তা আছে। বৰ্তমান যুগৰ সাম্য-বাদী সকলতকৈ প্লেটো বেছি সাম্যবাদী আছিল। কিয়নো, বৰ্তমান যুগৰ সাম্য-বাদীসকলে ব্যক্তিগত পৰিয়ালৰ অস্তিত্ব নকটাই প্ৰাথমিক সামাজিক গোটৰ হিচাপে ইয়াৰ ওপৰত বেছি গুৰুত্ব দিছে। দ্বিতীয় যুক্তিটো হৈছে— সম্পত্তিৰ সমূহীয়া অধিকাৰে সম্পত্তিৰ প্ৰতি নাগৰিকসকলৰ উদাসীনতা সৃষ্টি কৰিব, আৰু তৃতীয় যুক্তিটো হৈছে— ব্যক্তিৰ আৱশ্যক অনুযায়ী ব্যক্তিসকলৰ মাজত সম্পত্তিভগা

উৎপাদিত হোৱা লাভা-লাভবোৰ বিতৰণ কৰিলে পৰিশ্ৰমী আৰু সমৰ্থবান মানুহ বোৰ নিৰুৎসাহিত হ'ব আৰু এলেহুৱা অকৰ্মণ্যবোৰ উৎসাহিত হ'ব। এৰিষ্টটলে আগবঢ়োৱা এই যুক্তিবোৰৰ সাৰ্থকতা নাই বুলি ক'ব নোৱাৰি যদিও ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণ আৰু পৰিচালনাব্যৱস্থাৰে এইবোৰ অসুবিধা দূৰ কৰিব পৰা যাব। তদুপৰি বাস্তৱত আদৰ্শৰ পৰিৱৰ্তন হ'লে মানুহৰ মনোবৃত্তিৰো পৰিৱৰ্তন হয়। পৰিৱৰ্তিত মনোবৃত্তিৰ মানুহবোৰৰ মাজত এই অসুবিধাবোৰে বিশেষ গা কৰিব নোৱাৰিব।

এৰিষ্টটলে কৈছে যে ব্যক্তিগত পৰিয়াল মানব জীৱনৰ প্ৰাকৃতিক গোট আৰু ব্যক্তিগত সম্পত্তি সামাজিক অৰ্থনীতিৰ এটা আৱশ্যকীয় অংশ। এই বিশ্বাস টো'ৱে এৰিষ্টটলক মধ্যযুগীয় পৃথিৱীৰ দাৰ্শনিক হিচাপে গঢ় দিছে। কিছু পৰিমাণৰ মাটি সম্পত্তি থকা আৰু ব্যৱসায় বাণিজ্যত মনোযোগ নিদিয়া কেৱল ৰাজনীতিতে আত্মনিয়োগ কৰা এৰিষ্টটলৰ নাগৰিকসকলক মধ্যযুগীয় মাটি সম্পত্তি থকা অভিজাত লোকসকলৰ লগত তুলনা কৰিব পাৰি।

প্লেটোৱে নিম্ন শ্ৰেণীৰ অনা অভিভাৱক লোকসকলৰ বিষয়ে স্পষ্টভাৱে বিশেষ কথা কোৱা নাছিল। ৰাষ্ট্ৰত এই শ্ৰেণীৰ লোকসকলৰ সংখ্যা সৰহ আছিল। সেই গতিকে এৰিষ্টটলৰমতে প্লেটোৱে এই লোকসকলৰ বাবে স্পষ্টভাৱে নামাতি অন্যায় কৰিছে। এই লোকসকলক প্লেটোৱে দুখ লগাকৈ অৱজ্ঞা কৰিছে। তেওঁ লোকৰ অভাৱ অভিযোগ আৰু প্ৰয়োজনীয়তাবোৰ অধ্যয়ন কৰি প্লেটোৱে তেওঁ লোকৰ বাবে কোনো শিক্ষাব্যৱস্থাৰ কথা ভবা নাছিল। প্লেটোৱে সমাজত তেও লোকৰ স্থান সঠিকভাৱে নিৰ্ধাৰণ কৰা নাই। এই শ্ৰেণীৰ মানুহবোৰৰ মাজত কিবা প্ৰকাৰৰ বা কিবা পৰিমাণে সাম্যবাদ প্ৰবৰ্তন হ'ব নে নহয় সেই বিষয়েও প্লেটোৱে কোনো কথা কোৱা নাই। গতিকে প্লেটোৰ ৰাষ্ট্ৰখনক প্ৰকৃতপক্ষে দুখন ৰাষ্ট্ৰৰ সমষ্টি বুলি ক'ব পাৰি। ইয়াৰ এখন ৰাষ্ট্ৰ আনখন ৰাষ্ট্ৰৰ বিৰোধী। ইয়াত অৱহেলিত শ্ৰেণীটোৰ মানুহবোৰে সুবিধাভোগী শ্ৰেণীবোৰৰ মানুহবোৰক কোনোমতে ভাল পোৱা নাছিল। নিম্ন শ্ৰেণীৰ মানুহবোৰৰ শিক্ষা সামাজিক সংগঠন আৰু আইনৰ প্ৰতি প্লেটোৱে যি অৱহেলা আৰু অমনোযোগিতা প্ৰদৰ্শন কৰিছিল তাৰবাবে এৰিষ্টটলে তেওঁক কটু সমালোচনা কৰিছিল। এতিয়া আমাৰ প্ৰশ্ন হৈছে— অভিভাৱকসকলৰ লগত নিম্ন শ্ৰেণীৰ মানুহবোৰৰ কি সম্বন্ধ আছিল ? আমি এইটো পাহৰিব নালাগিব যে এৰিষ্টটলে নিম্নশ্ৰেণীৰ মানুহবোৰক অৱহেলাৰ দৃষ্টিৰে চোৱা বাবে প্লেটোক সমালোচনা কৰিছিল আৰু ৰাষ্ট্ৰৰ মংগলৰ কাৰণে এইসকল মানুহৰ অৱস্থিতি অতি প্ৰয়োজনীয় বুলি মত দাঙি ধৰিছিল যদিও তেওঁ নিজেই তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত এই মানুহবোৰক নাগৰিকত্ব দিয়া নাছিল।

এৰিষ্টটলে প্লেটোৰ আইনত প্ৰকাশ কৰা কিছুমান ধাৰণাৰ ওপৰতো সমালোচনা আগবঢ়াইছে।

(১) প্লেটোৱে তেওঁৰ আইনত উপস্থিত কৰা তেওঁৰ উপআদৰ্শ ৰাষ্ট্ৰখনৰ সৈন্য সংখ্যা ১০০০ হাজাৰৰপৰা ৫০০০ হাজাৰলৈকে বৃদ্ধি কৰিছিল। এৰিষ্টটলে ইয়াৰ ওপৰত সমালোচনা আগবঢ়াই কৈছিল যে ইয়াৰ ফলত ৰাষ্ট্ৰখন বৰ ডাঙৰ হ'ব আৰু তেনে এখন ৰাষ্ট্ৰই সামৰিক শক্তিৰ বলত সাম্ৰাজ্যবাদী নীতি গ্ৰহণ কৰিব পাৰে।

(২) প্লেটোৱে বৈদেশিক সম্পৰ্কৰ ওপৰত বিশেষ গুৰুত্ব দিয়া নাছিল। কিন্তু নগৰৰ ৰাষ্ট্ৰবোৰে চৰুৰীয়া নগৰৰাষ্ট্ৰবোৰৰ লগত বৈদেশিক সম্পৰ্ক ৰক্ষা কৰিব লাগিছিল আৰু বিদেশী আক্ৰমণ প্ৰতিহত কৰিবলৈও ব্যৱস্থা গ্ৰহণ কৰিবলগীয়া হৈছিল।

(৩) তেওঁ সম্পত্তিৰ পৰিমাণ স্থিৰ কৰি দিয়া নাছিল। তেওঁ জনসংখ্যাৰ সীমা বান্ধি দিয়াটো উচিত আছিল যদিও সেইটো তেওঁ কৰা নাই।

(৪) প্লেটোৰ কোৱা নাই—কেনেকৈ আমি প্ৰজাসকলৰ মাজৰপৰা শাসকসকলক বিচাৰি উলিয়াব পাৰিম। অৰ্থাৎ তেওঁ শাসক আৰু প্ৰজাসকলৰ মাজত থকা পাৰ্থক্যৰ বিষয়ে স্পষ্টভাৱে উল্লেখ কৰা নাই।

(৫) প্লেটোৱে কৈছে যে অন্যান্য সম্পত্তিবোৰৰ চাৰিগুণ বান্ধি কৰিব পৰা যায় কিন্তু ভূমি সম্পত্তিৰ বান্ধি কৰিব পৰা নাযায়। এৰিষ্টটলে ইয়াৰ কোনো সাৰ্থক যুক্তি বিচাৰি পোৱা নাই।

(৬) প্লেটোৱে নাগৰিকসকলৰ বাবে দুখন ঘৰ ৰখাৰ অনুমতি দিছিল। এখন নগৰত আৰু আনখন সীমান্ত এলেকাত। এইটো বৰ সুবিধাজনক নাছিল।

(৭) প্লেটোৰ যি ধৰণে পৰিষদখন গঠিত কৰিবলৈ পৰামৰ্শ দিছিল, পৰিষদখন তেনেধৰণে গঠিত হ'লে ই উচ্চ শ্ৰেণী বা ধনী সম্প্ৰদায়ৰ লোকসকলক বেছি গুৰুত্ব দিব।

(৮) প্লেটোৰ দ্বৈত নিৰ্বাচনব্যৱস্থাই নিৰ্বাচনী ক্ষমতা বাইজৰ হাতৰপৰা নি এটা ক্ষুদ্ৰ সমিতিৰ হাতত অৰ্পণ কৰিব।

(৯) প্লেটোৱে তেওঁৰ উপআদৰ্শ ৰাষ্ট্ৰখনত গণতন্ত্ৰক (জনপ্ৰিয় নিয়ন্ত্ৰণ) অত্যাচাৰী শাসনৰ লগত মিশ্ৰিত কৰি পেলাইছে আৰু সেই দুয়োখনেই দূষিত সংবিধান। আচলতে তেওঁ গণতন্ত্ৰৰ লগত স্বল্পতন্ত্ৰৰ মিলন ঘটাইছে আৰু তাত স্বল্পতন্ত্ৰৰ ওপৰত বেছি গুৰুত্ব দিছে। এৰিষ্টটলে ইয়াত কোনো ৰাজতান্ত্ৰিক উপাদান নোহোৱা বাবে ক্ষোভ প্ৰকাশ কৰিছে। তেওঁৰ মতে দুখন সংবিধানৰ উপাদানেৰে এখন সংবিধান গঢ়ি তোলাতকৈ বহুকেইখন সংবিধানৰ উপাদানেৰে এখন সংবিধান গঢ়ি তোলাহে ভাল। এৰিষ্টটলে ইয়াত কৈছে যে প্লেটো তেওঁৰ উপআদৰ্শ ৰাষ্ট্ৰখনৰ প্ৰতি অনুগত হ'লে আকৌ তেওঁ গণৰাজ্যৰ আদৰ্শ ৰাষ্ট্ৰখনলৈ উভতি নাহিলহেঁতেন।

অষ্টাদশ অধ্যায়

ৰাষ্ট্ৰৰ প্ৰকৃতি

প্লেটো আৰু এৰিষ্টটল উভয়ে ৰাষ্ট্ৰৰ প্ৰাকৃতিক উৎপত্তিত বিশ্বাস কৰিছিল কিন্তু ছফিষ্টসকলে ৰাষ্ট্ৰৰ ঐতিহাসিক উৎপত্তিত বিশ্বাস কৰিছিল আৰু তেনেকৈ সামাজিক চুক্তিৰ স্কুলৰ লেখকসকলেও ৰাষ্ট্ৰৰ ঐতিহাসিক উৎপত্তিত কিছু পৰিমাণে বিশ্বাস কৰিছিল। প্লেটো আৰু এৰিষ্টটল দুয়োজনৰ মতে ৰাষ্ট্ৰ কেৱল মানুহৰ জীৱনৰ বাবে নহয় মানুহৰ জীৱন ভালদৰে গঢ়ি তোলাৰ বাবেহে। দুয়োজনে ব্যক্তিৰ গুণবোৰ আৰু ৰাষ্ট্ৰৰ গুণবোৰৰ মাজত কিছুমান একতা দেখিবলৈ পাইছে আৰু সেইগতিকে নীতি শাস্ত্ৰৰ লগত ৰাজনীতিৰ ঘনিষ্ঠ সম্বন্ধ দেখিবলৈ পাইছে।

এৰিষ্টটলে বিশ্বাস কৰিছিল যে স্বাভাৱিকতে মানুহ এবিধ সামাজিক প্ৰাণী। ৰাষ্ট্ৰৰ উৎপত্তিস্থান বিচাৰি গৈ তেওঁ দেখিবলৈ পাইছে যে প্ৰত্যেক ব্যক্তিৰ নিজৰ অৰ্থনৈতিক অভাৱ আৰু জাতিগত প্ৰবৃত্তিবোৰ পূৰণ কৰিবলৈ এটা সহজাত ইচ্ছা থাকে। এই সহজাত ইচ্ছাটো পূৰণ কৰাৰ অৰ্থে এহাতে মতা আৰু তিৰোতা আৰু আনহাতে গৰাকী আৰু দাসসকল একেলগে থাকিবলৈ লয় আৰু এনেকৈ এটা পৰিয়াল গঠিত হয়। এই পৰিয়ালটোৰ সামাজিক আৰু নৈতিক ব্যৱহাৰ আছে। যেতিয়ালৈকে পৰিয়াল নামৰ এই সামাজিক গোষ্ঠীটোৰ সদস্যবোৰৰ অভাৱ আৰু ইচ্ছাবোৰ সহজ সৰল হৈ আছিল তেতিয়ালৈকে ই এটা স্বকীয়া গোট হৈয়েই আছিল। কিন্তু যেতিয়া বেলেগ বেলেগ পৰিয়ালবোৰৰ সদস্যসকলৰ মাজত এটা সম্পূৰ্ণ আৰু বহল জীৱন যাপন কৰাৰ ইচ্ছাটো প্ৰবল হৈ আহিল তেতিয়া কিছুমান পৰিয়াল লগ লাগি এখন গাঁৱৰ সৃষ্টি হ'ল আৰু তাৰ পাছত বহুতো গাঁও লগ লাগি এখন নগৰৰাষ্ট্ৰৰ জন্ম হ'ল। সেই নগৰৰাষ্ট্ৰবোৰ একপ্ৰকাৰ আত্মনিৰ্ভৰশীল আছিল। গতিকে মানুহে প্ৰথমে পৰিয়ালৰ সামাজিক আৰু ৰাজনৈতিক জীৱনৰ উৎস আৰু উদ্দেশ্যৰ লগত পৰিচিত হৈছিল। পৰিয়ালত থাকোঁতে মানুহে বন্ধুত্ব ৰাজনৈতিক সংগঠন ন্যায় আদিৰ ধাৰণাবোৰ শিকে কিন্তু

এই ধাৰণাবোৰে ৰাষ্ট্ৰতত্ত্ব পূৰ্ণতা লাভ কৰে। গতিকে ৰাষ্ট্ৰ হৈ মানুহৰ প্ৰয়োজনীয়তাৰ ওপৰত ভিত্তি কৰি গঠিত হোৱা মানুহৰ সংস্থাবোৰৰপৰা বিস্তাৰ লাভ কৰি গঢ়ি উঠা আটাইতকৈ ডাঙৰ আৰু শক্তিশালী ৰাজনৈতিক সংস্থা। ৰাষ্ট্ৰখন কেৱল এটা ৰাজনৈতিক সংস্থাই নহয় এটা নৈতিক সম্প্ৰদায় বা জাতিও। ই মানুহৰ বাবে ভাল জীৱন সম্ভৱপৰ কৰে। এজন মানুহে কেৱল খাই থাকিবলৈ বা তেওঁৰ ইন্দ্ৰিয়বোৰক সন্তুষ্ট কৰি ৰাখিবলৈ এটা জীৱন নিবিচাৰে তেওঁ এটা যুক্তিৰ জীৱনো বিচাৰে। মানুহে নিজৰ গাত থকা মানৱীয় গুণবোৰৰ বিকাশ সাধন কৰিবলৈ বিচাৰে আৰু ৰাষ্ট্ৰৰ মাধ্যমৰ জৰিয়তেহে এইটো সম্ভৱপৰ হয়।

এৰিষ্টটলৰমতে ৰাষ্ট্ৰখন এটা ৰাজনৈতিক কইনোনিয়া। কইনোনিয়াৰ অৰ্থ হৈছে— সংস্থা সমাজ অংশীদাৰৰ আঘাত প্ৰতিঘাত সম্প্ৰদায় সাম্যবাদ আদি। কিন্তু এৰিষ্টটলৰ কইনোনিয়াই এই সকলোবোৰৰ কিছু অংশ আৰু ইয়াতকৈও বেছি অৰ্থ কৰিছিল। এৰিষ্টটলৰ ৰাষ্ট্ৰখন আছিল ৰাজনৈতিক কইনোনিয়া ই প্লেটোৰ নিস্তেজ বা নিৰস ধৰণৰ কইনোনিয়া নাছিল। কিয়নো প্লেটোৱে সাম্যবাদৰ জৰিয়তে মানুহবোৰক অনুভূতিহীন প্ৰাণীত পৰিণত কৰি পেলাইছিল। কইনোনিয়াৰ অৰ্থ কেৱল একেলগ হৈ থকাই নহয় কিবা উচ্চ উদ্দেশ্য সাধনৰ বাবে একেলগে বাস থকাহে কেৱল বাচি থকাটোৱে উচ্চ উদ্দেশ্য নহয়। ৰাষ্ট্ৰখন যুদ্ধ বা ব্যৱসায়ৰ কাৰণে নাইকিয়া নহয়। কেৱল মানুহৰ জীৱন আৰু সম্পত্তি ৰক্ষা কৰাই ৰাষ্ট্ৰৰ কাম নহয়। ৰাষ্ট্ৰখন হৈছে ভাল জীৱনৰ বাবে এটা সম্প্ৰদায়। এৰিষ্টটলে বৌতিয়া কৈছিল যে নগৰৰাষ্ট্ৰখনেই হৈছে মানুহৰ লক্ষ্য ভোঁতৰা তেওঁ ভৱিষ্যতৰ ফালে লক্ষ্য কৰা নাছিল লক্ষ্য কৰিছিল অতীতৰ ফালেহে। অৱশ্যে ৰাষ্ট্ৰৰ প্ৰাকৃতিক উৎপত্তি বিষয়ক তেওঁ মত দাঙি ধৰিছিল সেই মতে ছফিষ্টসকলৰ ব্যক্তিবাদ আৰু নৈৰাশ্যবাদীসকলৰ উদাসীনতাৰ বিৰোধিতা কৰিছিল।

এৰিষ্টটলৰমতে ৰাজনৈতিক কইনোনিয়াই ৰাষ্ট্ৰৰ ভিতৰত থকা আন সকলোবোৰ সামাজিক সংস্থাক সামৰি লয় আৰু ই আন সকলোবোৰতকৈ শ্ৰেষ্ঠ। ৰাষ্ট্ৰৰ বিষয়ে এৰিষ্টটলে দাঙি ধৰা এই মতামতটোৰপৰা আমি তেওঁৰ জীৱবিদ্যাসম্বন্ধীয় অধ্যয়নৰ পৰিচয় পাওঁ। ৰাষ্ট্ৰখন এটা বস্তু ব্যক্তি আৰু সংস্থাবোৰ ইয়াৰ অংশ। অংশবোৰৰ আগেয়ে মূল বস্তুটোৰ জন্ম হয়। গতিকে নীতিগতভাৱেই ৰাষ্ট্ৰখন ব্যক্তি পৰিয়াল আৰু গাঁৱৰ আগেয়ে সৃষ্টি হৈছে। কিন্তু প্ৰকৃততে ব্যক্তিৰহে প্ৰথমে জন্ম হৈছে। আন সকলোবোৰ সংস্থাই ৰাষ্ট্ৰৰ ভিতৰত থাকি ৰাষ্ট্ৰৰ জৰিয়তহে পূৰ্ণতা লাভ কৰে। প্ৰকৃততে ক'বলৈ গ'লে আন সংস্থাবোৰ জীৱন্ত নহয় আৰু এইবোৰ ৰাষ্ট্ৰৰ অবিহনে নিজৰ স্বকীয়া অস্তিত্ব বজাই ৰাখিব নোৱাৰে। ৰাষ্ট্ৰৰ ভিতৰত থাকিহে অন্যান্য সংস্থাবোৰে নিজৰ নিজৰ প্ৰকৃত উদ্দেশ্য সাধন কৰিব পাৰে। এৰিষ্টটলৰমতে এইটো ক'লে ভুল ধাৰণাৰ সৃষ্টি কৰা হ'ব যে 'মানুহে ৰাষ্ট্ৰখন তৈয়াৰ কৰিছিল কিয়নো তেওঁ কিছুমান নিশ্চিত

প্ৰাথমিক প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ ইচ্ছা কৰিছিল এই প্ৰাথমিক প্ৰয়োজনীয়তা আৰু প্ৰবৃত্তিবোৰ ৰাষ্ট্ৰৰ উদ্দেশ্যে প্ৰকাশিত হোৱা মানুহৰ উত্তেজনা কাৰী শক্তিৰ অভিব্যক্তি আছিল। মানুহে নিজে ইচ্ছা কৰি এটা সামাজিক আৰু ৰাজনৈতিক জীৱন যাপন নকৰে মানুহৰ জন্মগত প্ৰকৃতি প্ৰয়োজনীয়তা ইচ্ছা দুৰ্বলতা আৰু সবলতা এই সকলোবোৰে মানুহক এটা সামাজিক আৰু ৰাজনৈতিক জীৱন যাপন কৰিবলৈ বাধ্য কৰে। সমাজ আৰু ৰাষ্ট্ৰ মানুহৰ মংগলৰ বাবে প্ৰয়োজনীয় আৰু সেই গাতকে এইবোৰক প্ৰকৃতি আৰু মানুহ দুয়োটাৰে উৎপাদিত বস্তু বুলি ক'ব পাৰি। এৰিষ্টটলে ৰাষ্ট্ৰৰ ক্ৰমবিকাশত বিশ্বাস কৰিছিল। অৰ্থাৎ তেওঁৰমতে ৰাষ্ট্ৰৰ জন্ম আৰু বিকাশ প্ৰাকৃতিক আছিল। ৰাষ্ট্ৰখন প্ৰাকৃতিক কিয়নো ৰাষ্ট্ৰই নৈতিক পূৰ্ণতাৰ বাবে মানুহৰ প্ৰকৃতিত থকা এটা অন্তৰ্নিহিত প্ৰবৃত্তিৰ সন্তুষ্টিক প্ৰতিনিধিত্ব কৰে এই অন্তৰ্নিহিত প্ৰবৃত্তিটোৱে মানুহক বিভিন্ন গঠনৰ সমাজৰ জৰিয়তে ওপৰলৈ লৈ যায় যেতিয়ালৈকে ই চূড়ান্ত ৰাজনৈতিক গঠন লাভ কৰিব নোৱাৰে।

ৰাষ্ট্ৰই আন সকলোবোৰ সংস্থাৰ লক্ষ্য। এজোপা ওকগছৰ আচল প্ৰকৃতি তেতিয়াহে দেখা যাব যেতিয়া ইয়াত ধুনীয়া ধুনীয়া ফল লাগি থাকিব। ৰাষ্ট্ৰখন প্ৰাকৃতিক কেৱল এইকাৰণেই নহয় যে অন্যান্য সংস্থাবোৰৰপৰা বিকশিত হৈ ৰাষ্ট্ৰৰ সৃষ্টি হৈছে ৰাষ্ট্ৰখন এইকাৰণেও প্ৰাকৃতিক যে ৰাষ্ট্ৰৰ ভিতৰত থাকিহে অন্যান্য সংস্থাবোৰে আৰু ব্যক্তিয়ে প্ৰকৃত আৰু সম্পূৰ্ণ বিকাশ সাধন কৰিব পাৰে। ৰাষ্ট্ৰখন এই কাৰণেও প্ৰাকৃতিক নহয় যে ই মানুহৰ ইচ্ছামতে চলিব লগীয়া নহয় প্ৰকৃতিৰ ইচ্ছামতেহে চলে ৰাষ্ট্ৰখন এই কাৰণেহে প্ৰাকৃতিক যে প্ৰকৃতিয়ে গঠন কৰা আঁচনি অনুসৰি পৃথিৱীত ৰাষ্ট্ৰৰ বাবে এটা নিৰ্দিষ্ট ঠাই আছে। ৰাষ্ট্ৰৰ বাহিৰত থকা কোনো সামাজিক প্ৰাণী নিখুঁত আৰু স্বাধীন হ'ব নোৱাৰে। ৰাষ্ট্ৰৰ ভিতৰত থাকিহে সকলো সামাজিক প্ৰাণীয়ে জীৱনৰ পূৰ্ণতা লাভ কৰিব পাৰে। ইয়াৰ কাৰণ হৈছে এয়ে যে কেৱল ৰাষ্ট্ৰইহে সামাজিক শান্তি আৰু শৃংখলা বজাই ৰাখে ৰাষ্ট্ৰই মানুহৰ সম্পূৰ্ণ জীৱনৰ বাবে প্ৰয়োজনীয় স্বাৰ্থৰ বিভিন্নতা আৰু জীৱনৰ সমৃদ্ধিশালী বৈচিত্ৰতাৰ সৃষ্টি কৰে। ভাল জীৱন গঢ়ি তুলিবলৈ ৰাষ্ট্ৰই সুস্থ নৈতিক বাধা প্ৰদান কৰে আৰু মানুহে সৰ্বাংগসুন্দৰ জীৱন যাপন কৰাৰ সুবিধাৰ বাবে ই প্ৰয়োজনীয় পৰিৱেশৰ সৃষ্টি কৰে। ৰাষ্ট্ৰখন প্ৰাকৃতিক কিয়নো ইয়াতেই মানুহৰ ভাগ্য আৰু লক্ষ্য নিৰূপিত হয়। এৰিষ্টটলৰমতে ৰাষ্ট্ৰই মানুহৰ একমাত্ৰ লক্ষ্য আৰু একমাত্ৰ ৰাজনৈতিক সংস্থা নহয় যদিও ই মানুহৰ প্ৰধান লক্ষ্য আৰু প্ৰধান ৰাজনৈতিক সংস্থা। ৰাষ্ট্ৰৰ লক্ষ্য হৈছে মানুহৰ বাবে ভাল জীৱন সৃষ্টি কৰা অন্যান্য সংস্থাবোৰে মানুহৰ গৌণ লক্ষ্যবোৰ সাধনতহে সহায় কৰে। মানুহৰ পৰিয়াল প্ৰাকৃতিক নহয় বুলি কোনেও নকয় কিয়নো ই মানুহৰ জন্মগত প্ৰবৃত্তিৰ প্ৰাকৃতিক সম্প্ৰসাৰণক প্ৰতিনিধিত্ব

কৰে। পৰিয়ালে ব্যক্তিৰ আত্মনিৰ্ভৰশীলতা বৃদ্ধি কৰে আৰু ই ব্যক্তিৰ বাবে অপৰিহাৰ্য্য সেইবাবে প্ৰাকৃতিক। ৰাষ্ট্ৰ পৰিয়ালৰ যৌক্তিক সম্প্ৰসাৰণ, কিয়নো, কেৱল ৰাষ্ট্ৰৰ ভিতৰতহে ব্যক্তিৰ আত্মনিৰ্ভৰশীলতা সম্পূৰ্ণ হ'ব পাৰে। ই ৰাষ্ট্ৰ চৰাইৰ বৃদ্ধিৰ দৰে বিৰোধৰ সম্প্ৰসাৰণ ঘটে এটা পিজৰাৰ দৰে নহয় বিৰোধে বিকাশত বাধা দিয়ে।

ৰাষ্ট্ৰ এটা প্ৰাকৃতিক সংস্থা কিয়নো ই অতি পুৰণি প্ৰাকৃতিক সংস্থা। ঘৰ-বাৰী আৰু গাঁৱবোৰ আংগিকভাৱে বিকশিত হৈছে। ৰাষ্ট্ৰ সেইবোৰৰ লক্ষ্য, গতিকে ৰাষ্ট্ৰও প্ৰকৃতিৰ সৃষ্টি। ৰাষ্ট্ৰ মানুহৰ বাবে প্ৰয়োজনীয়, কিয়নো, মানুহ স্বাভাৱিকতে ৰাজনৈতিক প্ৰাণী। ৰাষ্ট্ৰযে প্ৰাকৃতিক তাৰ প্ৰমাণ এই কথাটোৰ পৰাও পোৱা যায় যে ৰাষ্ট্ৰৰ বাহিৰত কোনো মানুহ স্বয়ংসম্পূৰ্ণ নহয়। মানুহে কেৱল ৰাষ্ট্ৰৰ ভিতৰতহে পূৰ্ণতা লাভ কৰিব পাৰে। ৰাষ্ট্ৰই মানুহৰ লক্ষ্য আৰু মানুহ ৰাষ্ট্ৰৰ প্ৰাকৃতিক অংগিক আৰু এৰাব নোৱৰা অংশ। কোনো এটা কস্তুৰ অংশ এটা কস্তুটোৰ লগত যেনে ৰাষ্ট্ৰত থকা এজন মানুহো ৰাষ্ট্ৰৰ লগত তেনে। ৰাষ্ট্ৰখন মানুহৰ বাবে প্ৰয়োজনীয় কিয়নো ৰাষ্ট্ৰই মানুহৰ মূল প্ৰকৃতি আৰু সামাজিক প্ৰকৃতিক সন্তুষ্ট কৰে।

এৰিষ্টটলে বিশ্বাস কৰিছিল যে মানুহ মৌলিকভাৱে ভাল আছিল আৰু ৰাষ্ট্ৰৰ কাৰ্য্য আছিল মানুহৰ ভাল শক্তিবোৰৰ বিকাশ সাধন কৰি সেইবোৰক ভাল কামৰ অভ্যাসত পৰিণত কৰা। প্ৰত্যেকটো সংস্থাৰ লক্ষ্য হৈছে কিবা এটা ভাল কাম কৰা। ৰাষ্ট্ৰ যিহেতু সকলোবোৰ সংস্থাৰ ভিতৰত ডাঙৰ আৰু শ্ৰেষ্ঠ ইয়াৰ লক্ষ্য হ'ব লাগিব চূড়ান্ত ভাল কৰা। ৰাষ্ট্ৰৰ উদ্দেশ্য আৰু কাৰ্য্য কেৱল নেতি-বাচক নহয় ইতিবাচকো আছিল। ৰাষ্ট্ৰক এটা শান্তি প্ৰদানকাৰী সংস্থা হিচাপে ধৰি ল'লেহে ইয়াৰ উদ্দেশ্য আৰু কাৰ্য্য সম্পূৰ্ণ নেতিবাচক হ'ব। বহিঃআক্ৰমণ আৰু অভ্যন্তৰীণ বিপদবোৰৰ মানুহক ৰক্ষা কৰাই ৰাষ্ট্ৰৰ কাম নহয় পৰস্পৰ আদান প্ৰদান আৰু সেৱাৰ বিনিময় কৰিবৰ বাবেও ৰাষ্ট্ৰ এজন যতি নামাতে, ৰাষ্ট্ৰৰ অৱস্থিতিৰ প্ৰধান উদ্দেশ্য হৈছে মানুহৰ বাবে সৰ্বাংগসুন্দৰ আৰু স্বয়ং-সম্পূৰ্ণ জীৱন নিশ্চিত কৰি তোলা। গতিকে ৰাষ্ট্ৰৰ লক্ষ্য হৈছে ভাল জীৱন। ৰাষ্ট্ৰৰ প্ৰধান কামবোৰৰ ভিতৰত অন্যতম হৈছে নাগৰিকসকলক প্ৰকৃত গুণৰ শিক্ষা দিয়া। নাগৰিকসকলক যেয়া কামবোৰ আঁতৰত ৰখাই শিক্ষাৰ উদ্দেশ্য নহয়। ৰাষ্ট্ৰই নাগৰিকসকলক তেওঁলোকৰ বৌদ্ধিক, নৈতিক আৰু শাৰীৰিক উৎকৰ্ষৰ লাভ কৰিবলৈ সকলোবোৰ আহিলা আৰু মাধ্যমৰ যোগান ধৰিব লাগে।

এৰিষ্টটলৰ ৰাষ্ট্ৰৰ আংগিক অৱধাৰণাই এজন ব্যক্তিৰ একক সত্তা নাছিল। ৰাষ্ট্ৰই নাগৰিকসকলৰ মাজত ভাল জীৱনৰ প্ৰগতি সাধন কৰিব লাগিছিল আৰু সেইবাবে ৰাষ্ট্ৰ মানুহৰ নৈতিক জীৱনৰ এটা ডাঙৰ আধ্যাত্মিক সংস্থা আছিল। এৰিষ্টটলে ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত আত্মাধীন একেই যৌথবদ্ধতা পাই-

ছিল। ৰাষ্ট্ৰয়ো এজন ব্যক্তিৰ দৰে সাহস আত্মনিয়ন্ত্ৰণ ন্যায় আদি গুণবোৰ প্ৰদৰ্শন কৰিব লাগিছিল। এখন আত্মনিৰ্ভৰযোগ্য নৈতিক সমাজ হিচাপে ৰাষ্ট্ৰখনেও ব্যক্তিৰ দৰে একে জীৱন যাপন কৰে ব্যক্তিৰ দৰে ৰাষ্ট্ৰয়ো সকলোবোৰ নৈতিক আইন স্বীকাৰ কৰি লয় আৰু তেওঁৰ দৰে ৰাষ্ট্ৰই নিজকে অৰ্থাৎ ৰাষ্ট্ৰৰ অধীনত থকা ব্যক্তিবোৰক নৈতিক আইন মানি চলিবলৈ বাধ্য কৰে। ইয়াৰো একেই লক্ষ্য আৰু সেই লক্ষ্যত উপনীত হ'বলৈ চেষ্টা কৰি ইও একেই সুখ শান্তি লাভ কৰে। ৰাষ্ট্ৰৰ লক্ষ্য হৈছে ইতিবাচক ভাল আৰু সুখ বৃদ্ধি কৰা। সুখৰ অৰ্থ হৈছে শাৰীৰিক আৰু বিশেষকৈ নৈতিক ভাল অৱস্থা আৰু ভাল কাম। বাহ্যিক আৰু পাৰ্থিৱ ভাল বস্তুৰ প্ৰয়োজন হয় এটা সুখী জীৱন বা ভাল জীৱনৰ বাবে। অৰ্থাৎ এটা ভাল জীৱন গঢ়ি তুলিবলৈ ধন সম্পত্তি স্বাস্থ্য আদিৰ প্ৰয়োজন আছে। দাৰিদ্ৰই মানুহৰ ভাল প্ৰবৃত্তিবোৰ ধ্বংস কৰে আৰু ভগ্ন স্বাস্থ্যই গুণ সম্পন্ন কামবোৰ পিছুৱাই নিয়ে। গতিকে সম্পত্তিৰ ওপৰত ভিত্তি কৰি সান্ত হোৱা জীৱণি মানুহৰ নৈতিক কাৰ্য্য আৰু ৰাষ্ট্ৰীয় কৰ্তব্য পালনৰ বাবে প্ৰয়োজনীয়।

এৰিষ্টটলে অংগ শব্দটো কোনো এটা লক্ষ্য সাধনৰ বাবে যন্ত্ৰ অৰ্থত ব্যৱহাৰ কৰিছিল। ৰাষ্ট্ৰখন এটা যন্ত্ৰৰ দৰে কিন্তু ই প্ৰকৃতত্তে এটা যন্ত্ৰ নহয় কিয়নো ইয়াৰ নিজৰ বাহিৰে কোনো কামৰ বাবে ইয়াক যন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব নোৱাৰি। কিন্তু ৰাষ্ট্ৰখন এটা অৰ্থত আংগিক। সেই অৰ্থটো হৈছে—বিভিন্ন গঠন চৰিত্ৰ আৰু কাৰ্য্যৰ উপাদানৰ অংগেৰে গঠিত ই এটা সম্পূৰ্ণ বস্তু। যিবোৰ অংগেৰে ই গঠিত হৈছে সেই আটাইবোৰ অংগ ইয়াৰ ওপৰত নিৰ্ভৰশীল। এৰিষ্টটলে মানুহৰ গঠন আৰু ৰাষ্ট্ৰখনৰ মাজত কিছুমান ঘনিষ্ঠ মিল দেখিবলৈ পাইছে। মানুহৰ গঠনত হাত ভৰি আদি অবিভক্ত আৰু এৰাব নোৱৰা অংশবোৰ আছে আৰু তেজ হাড় আদি সহায়কাৰী অংগবোৰো আছে। হাত-ভৰি আদি অংগবোৰে মানুহৰ জীৱনত সম্পূৰ্ণ অংশগ্ৰহণ কৰে আৰু তেজ আদি অংগবোৰ হৈছে ইয়াৰ আৱশ্যকীয় অৱস্থা। ৰাষ্ট্ৰতো কিছুমান এৰাব নোৱৰা অংগ আছে। সেইবোৰ হৈছে—সৈন্যবাহিনী ন্যায়ালয় বিধান মণ্ডল আদি আৰু ইয়াতো কিছুমান সহায়কাৰী অংগ আছে। যেনে—খেতিয়কসকল কাৰিকৰসকল বনুৱাবোৰ ব্যৱসায়ীবোৰ আৰু অনা-নাগৰিকসকল।

এৰিষ্টটলে ৰাষ্ট্ৰ আৰু ব্যক্তিৰ মাজত এটা ঘনিষ্ঠ ঐক্য স্থাপন কৰিছে। তেওঁৰ মতে ব্যক্তিৰ দৰে ৰাষ্ট্ৰখনো এটা নৈতিক সংস্থা, ব্যক্তিৰ দৰে ৰাষ্ট্ৰয়ো এটা নৈতিক জীৱন যাপন কৰে আৰু ই নৈতিক আইনবোৰ মানি চলে। কিছুমান ব্যক্তিৰ গোটে ৰাষ্ট্ৰ এখন গঠন কৰে আৰু সেইগতিকে ব্যক্তিৰ দৰে ৰাষ্ট্ৰৰো একে সুখ-শান্তি লক্ষ্য উদ্দেশ্য আৰু গুণ থাকে। এৰিষ্টটল আৰু প্লেটোৰ মতে ৰাষ্ট্ৰত থকা ব্যক্তিবোৰৰ গুণবোৰেই ৰাষ্ট্ৰৰ গুণ।

ৰাষ্ট্ৰৰ পৰিচয় দিবলৈ গৈ এৰিষ্টটলে এটা প্ৰশ্নৰ অৱতাৰণা কৰিছে। প্ৰশ্নটো হৈছে—স্থান বা অধিবাসীসকলে এখন ৰাষ্ট্ৰৰ সঠিক পৰিচয় দিব পাৰেনে ? এৰিষ্টটলে কৈছে নোৱাৰে। তাৰ পাছত তেওঁ এই প্ৰশ্নবোৰ মীমাংসা কৰিবলৈ তেওঁৰ সংবিধানৰ ধাৰণাটো ব্যৱহাৰ কৰিছে। এখন সংবিধানে ৰাষ্ট্ৰৰ অংগবোৰৰ সংখ্যা ঠিক কৰে সেই অংগবোৰৰ মাজত থাকিবলগীয়া সম্বন্ধ স্থিৰ কৰে সেই অংগবোৰ চলাবলৈ মানুহ আৰু পদ্ধতি বাছি দিয়ে বিশেষকৈ চূড়ান্ত বা সাৰ্বভৌম ক্ষমতাৰ স্থান নিৰ্ণয় কৰে। এৰিষ্টটলৰ মতে এখন ৰাষ্ট্ৰৰ মূলবস্তু হৈছে সংবিধান। সেই গতিকে যেতিয়া সংবিধানৰ পৰিবৰ্তন হয় তেতিয়া ৰাষ্ট্ৰৰ পৰিচয়ৰো পৰিবৰ্তন হয়। যেতিয়া এখন ৰাষ্ট্ৰ গণতন্ত্ৰৰপৰা স্বল্পতন্ত্ৰ বা অত্যাচাৰী শাসনলৈ ৰূপান্তৰিত হয় তেতিয়া ইয়াৰ সংবিধানৰো পৰিবৰ্তন হয়। সংবিধানখন পৰিবৰ্তন কৰা মানে ৰাষ্ট্ৰখনৰ পৰিবৰ্তন সাধন কৰা। এৰিষ্টটলে ৰাষ্ট্ৰখনৰ লগত সংবিধানৰ ঐক্য স্থাপন কৰাৰ কাৰণে হৈছে এইটোৱে যে তেওঁ বিশ্বাস কৰিছিল যে যিকোনো বস্তুৰ গঠন স্থায়ী আৰু নিৰ্দিষ্ট আৰু ইয়াক সহজে জানিব পাৰি কিন্তু যিবোৰ উপাদানেৰে বস্তুবোৰ গঠিত হয় সেইবোৰ পৰিবৰ্তন হৈ থাকে।

এৰিষ্টটলে আকৌ প্ৰশ্ন কৰিছে ৰাষ্ট্ৰখনক আমি কেতিয়া একে বা বেলেগ বুলি কম ? এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ গ'লে দুটা উপাদানৰ কথা আমাৰ মনলৈ আহে। যেনে—ৰাষ্ট্ৰক্ষেত্ৰ আৰু জনসমষ্টি। জনসমষ্টি একে হৈ থাকিব পাৰে কিন্তু যদি জনসমষ্টিয়ে ইয়াৰ আগৰ ৰাষ্ট্ৰক্ষেত্ৰ এৰি কোনো এখন নতুন ৰাষ্ট্ৰক্ষেত্ৰত থাকিবলৈ লয় তেতিয়া ৰাষ্ট্ৰই ইয়াৰ ঐক্য ৰক্ষা কৰিব পাৰিবনে ? এৰিষ্টটলে ইয়াৰ উত্তৰত কৈছে যে আমি ৰাষ্ট্ৰক এখন নগৰ হিচাপে ব্যৱহাৰ কৰিলে ৰাষ্ট্ৰই তেতিয়া ইয়াৰ ঐক্য হেৰুৱায় আকৌ ৰাষ্ট্ৰক্ষেত্ৰ একে হৈ থাকিলেও জনসমষ্টিৰ পৰিবৰ্তন ঘটিলে ৰাষ্ট্ৰই ইয়াৰ ঐক্য হেৰুৱাব পাৰে। মানুহৰ জীৱনৰ উদ্দেশ্যৰ বাবে গঠিত হোৱা ৰাষ্ট্ৰ হৈছে নাগৰিকসকলৰ এটা সমিতি। ৰাষ্ট্ৰ এখনৰ জনসমষ্টি যথেষ্ট বেছি হ'লে এৰিষ্টটলৰমতে আৰু তেওঁৰ ভাষাত ৰাষ্ট্ৰখনক 'এটা মাত্ৰ দৃষ্টিত ভালদৰে বুজিব নোৱাৰি। কিয়নো, তাত নাগৰিকসকল আলোচনাৰ বাবে লগ লাগিব নোৱাৰে নাগৰিকসকলে যোগ্যতাৰ মাপকাঠিৰে বিষয়াসকলক নিৰ্বাচন কৰিব নোৱাৰে, বিষয়াসকলে ভালদৰে ন্যায় ৰক্ষা কৰিবও নোৱাৰে। তেনেক্ষেত্ৰত মানুহৰ ভাল জীৱনৰ লক্ষ্যটোও ব্যৰ্থ হৈ যায় আৰু সেই গতিকে ৰাষ্ট্ৰখন প্ৰকৃতত ৰাষ্ট্ৰ হৈ নাথাকে। আনহাতে ৰাষ্ট্ৰৰ জনসমষ্টি যথেষ্ট কমি গ'লেও আৱশ্যকীয় পৰিমাণৰ মানৱ শক্তিৰ অভাৱত ৰাজহুৱা কাম-কাজবোৰ চলোৱাটো অসম্ভৱ হ'ব আৰু ৰাষ্ট্ৰখনে স্বাধীন আত্মনিৰ্ভৰশীল অৰ্থনীতি গঢ়াই ৰখাটো কঠিন হ'ব আৰু সেই গতিকে ই নিজৰ ৰাষ্ট্ৰ ৰক্ষা কৰিবও নোৱাৰিব।

কিন্তু আচলতে এৰিষ্টটলে কিটো কথা প্ৰমাণ কৰিবলৈ বিচাৰিছে সেইটো হৈছে জনসমষ্টি আৰু ৰাষ্ট্ৰক্ষেত্ৰৰ কোনো পৰিবৰ্তন নহ'লেও ৰাষ্ট্ৰই ইয়াৰ একত্ব হেৰুৱাব পাৰে। কোনো এটা সমবেত সংগীতত অংশগ্ৰহণকাৰী শিল্পীসকল আৰু এটা সংগীতৰ সুকীয়া অংশবোৰ একে থাকিলেও যদি সংগীতৰ বেলেগ বেলেগ অংশবোৰৰ মাজত থকা সম্বন্ধৰ পৰিবৰ্তন ঘটোৱা হয় তেতিয়া এটা শোকৰ সমবেত সংগীতো ধেমেলীয়া সমবেত সংগীতলৈ ৰূপান্তৰিত হ'ব পাৰে। কিছুমান কাঠৰ টুকুৰা লগলগাই এখন মেজ সাজিব পাৰি। কিন্তু সেই কাঠৰ টুকুৰাবোৰ তাৰপৰা আঁতৰ কৰি আনি আন একপ্ৰকাৰে লগ লগালে অন্য এটা কাঠৰ বস্তু হ'ব। এই তুলনাটোৰ ওপৰত ভিত্তি কৰি তেওঁ কৈছে যে ৰাষ্ট্ৰখন হৈছে কোনো এটা নিৰ্দিষ্ট জীৱনৰ বাবে সংগঠিত নাগৰিকৰ সংস্থা ইয়াৰ প্ৰত্যেকজন নাগৰিকে নানা প্ৰকাৰে আন আন নাগৰিকসকলৰ লগত সম্বন্ধ পাতি থাকে বা সম্পৰ্ক ৰক্ষা কৰি থাকে আৰু এইদৰে নাগৰিকসকলৰ ৰাষ্ট্ৰৰ বাকী অংশ জনসমষ্টিৰ লগতো সম্বন্ধ থাকে। নাগৰিকসকলৰ ভিতৰত কিছুমান সম্পূৰ্ণ সা সুবিধা আৰু সন্মান পায় আৰু আনবোৰে আংশিক সুবিধা বা সন্মান পায় বা সকলোবোৰ নাগৰিকক সমভাৱ ভেটিত ৰাষ্ট্ৰৰ স্থান দিয়া হয়। এইদৰে নাগৰিকসকলৰ মাজত থকা সম্বন্ধ বা নাগৰিক আৰু অনা-নাগৰিকসকলৰ মাজত থকা সম্বন্ধৰপৰা আমি বুজিব পাৰো ৰাষ্ট্ৰ এখনে কেনে ধৰণৰ জীৱন গঠন কৰিবলৈ আৰু তাৰ উন্নতি সাধন কৰিবলৈ পন্থা বাছি লৈছে। ৰাষ্ট্ৰত মানুহৰ জীৱনৰ ধৰণো পৰিবৰ্তন নহয় আৰু তেতিয়া ৰাষ্ট্ৰই ইয়াৰ একত্ব হেৰুৱায়। 'আৰু এইটো যদি সঁচা হয় তেন্তে এইটো স্পষ্ট যে ৰাষ্ট্ৰৰ একত্ব প্ৰধানকৈ সংবিধানৰ একত্বৰ ওপৰত গঠিত হয়। সেইগতিকে এৰিষ্টটলে কৈছে 'যেতিয়া চৰকাৰৰ গঠন পৰিবৰ্তন হয় আৰু ই বেলেগ গঠন লয় তেতিয়া এইটো ধৰি ল'ব পাৰি যে ৰাষ্ট্ৰখন আৰু একে হৈ থকা নাই। উদাহৰণস্বৰূপে যেতিয়া স্বল্পতন্ত্ৰৰ ঠাইত গণতন্ত্ৰ প্ৰতিষ্ঠিত হয় বা গণতন্ত্ৰৰ ঠাইত ৰাজতন্ত্ৰ বা অত্যাচাৰী শাসন স্থাপিত হয়, তেতিয়া পূৰণি ৰাষ্ট্ৰখনৰ মৃত্যু ঘটে আৰু এখন নতুন ৰাষ্ট্ৰৰ জন্ম হয়। কিন্তু তেতিয়াও ৰাষ্ট্ৰৰ জনসমষ্টি আৰু ৰাষ্ট্ৰক্ষেত্ৰ একেই থাকে। এইদৰে এৰিষ্টটলে ৰাষ্ট্ৰক চৰকাৰৰ লগত একাকাৰ কৰিছে।

এৰিষ্টটলে দাঙি ধৰা এই মতটোৰ গভীৰ অৰ্থ আছে। আগতে উল্লেখ কৰি অহা হৈছে যে চৰকাৰ ৰাষ্ট্ৰই গঠন কৰিব খোজা আৰু উন্নতি সাধন কৰিবলৈ বিচৰা মানুহৰ জীৱনৰ ধৰণৰ অভিব্যক্তি। গতিকে চৰকাৰৰ পৰিবৰ্তন ঘটিলে বহুতো নাগৰিকৰ মনত নৈতিক সংঘাত ঘটে। কিবোৰ নাগৰিকে নতুন সংবিধান-খন গ্ৰহণ কৰিবলৈ টান পায়, তেওঁলোকে সেই সংবিধানখন ৰক্ষা কৰাটো নিজৰ নৈতিক দায়িত্ব বুলি নাভাবে। গতিকে ৰাষ্ট্ৰৰ নাগৰিকসকলৰ ওপৰত কিটো নৈতিক দাবী থাকে সেই দাবীটো ইয়াত মূত। নতুন সংবিধানৰ অধীনত সেইসকল নাগৰিক

ৰাষ্ট্ৰৰ প্ৰতি কোনো নৈতিক আনুগত্যৰদ্বাৰা বান্ধ খাই নাথাকে। এইটো এৰিষ্টটলৰ ব্যক্তিগত মত নাছিল। এৰিষ্টটলে গ্ৰীকসকলৰ মাজত বহুদিনৰেপৰা বিস্তৃতভাৱে চলি থকা এটা বিশ্বাসহে ইয়াত দাঙি ধৰিছে। ইয়াতে আমি গ্ৰীক ইতিহাসৰ এটা আচৰিত তথ্যৰ লগত পৰিচিত হওঁ। সেইটো হৈছে এখন সংবিধানৰ অধীনত এজন মানুহে তেওঁৰ ৰাষ্ট্ৰৰ প্ৰতি মহান বৰঙণি যোগালেও আন এখন সংবিধানৰ অধীনত তেওঁক ৰাষ্ট্ৰৰ দুৰ্দান্ত শত্ৰু বুলি গণ্য কৰা হ'ব যদি তেওঁ সেই নতুন সংবিধানখন সমৰ্থন কৰিব নোৱাৰে। উদাহৰণস্বৰূপে এলচিবাইদিছে গ্ৰীচদেশৰ বাবে প্ৰথমে যথেষ্ট সেৱা আগবঢ়াইছিল কিন্তু পাছত তেওঁ গ্ৰীচদেশৰ ডাঙৰ শত্ৰু হৈ পৰিছিল। কিয়নো পাছত তেওঁ স্পাৰ্টা আৰু পাৰ্চিয়াৰ লগ লাগি নিজৰ আৰু তেওঁৰ দলৰ ৰাজনৈতিক প্ৰভাব বিস্তাৰ কৰিবলৈ গ্ৰীচদেশৰ বিৰুদ্ধে ষড়যন্ত্ৰ কৰিছিল।

ৰাষ্ট্ৰৰ একত্ব কেইবাটাও দৃষ্টিকোণৰপৰা বিচাৰ কৰিব পাৰি। যেনে—ৰাষ্ট্ৰক্ষেত্ৰ, জনসমষ্টি চৰকাৰ ধৰ্ম আদিৰপৰা ৰাষ্ট্ৰৰ একত্ব পৰীক্ষা কৰিব পাৰি। কোনো এটা বিষয়ত এখন ৰাষ্ট্ৰৰ একত্ব থাকিলেও আন আন বিষয়ত ইয়াৰ পাৰ্থক্য থাকিব পাৰে। এখন ৰাজতান্ত্ৰিক ৰাষ্ট্ৰ আৰু এখন স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰৰ মাজত চৰকাৰৰ গঠন সম্পৰ্কীয় পাৰ্থক্য আছে আৰু এইটো সকলোৱে মানি লয়। কিন্তু আমি গ্ৰীক-সকলৰ এই মতটো সমৰ্থন কৰিব নোৱাৰো যে চৰকাৰৰ পৰিবৰ্তন ঘটিলে পুৰণি চৰকাৰখনৰ একেবাৰে মৃত্যু ঘটে আৰু এখন সম্পূৰ্ণ নতুন ৰাষ্ট্ৰৰ জন্ম হয়। আধু-নিক মত হৈছে এইটো যে ৰাষ্ট্ৰ আৰু চৰকাৰ একেটা বস্তু নহয়। চৰকাৰ হৈছে এক প্ৰকাৰৰ যন্ত্ৰ আৰু এই যন্ত্ৰটোৰ সহায়ত ৰাষ্ট্ৰই ইয়াৰ ইচ্ছাক কাৰ্যত পৰিণত কৰে আৰু অন্যান্য ৰাজহুৱা ব্যৱসায় আৰু কাৰ্যবোৰ পৰিচালনা কৰে। মাজে মাজে চৰকাৰৰ পৰিবৰ্তন হৈ থাকিব পাৰে কিন্তু ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ অধিকাৰক নোহোৱাকৈ চৰকাৰৰ কিবা পৰিবৰ্তন হ'লেও ৰাষ্ট্ৰৰ কোনো পৰিবৰ্তন নহয়। গতিকে চৰকাৰৰ পৰিবৰ্তন হ'লে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব এচাম মানুহৰ হাতৰপৰা আন এচাম মানুহৰ হাতলৈ যায় কিন্তু ই ৰাষ্ট্ৰৰ ভিতৰতে থকা মানুহৰ হাততে থাকে। ইয়াৰ কাৰণে পুৰণি ৰাষ্ট্ৰখনৰ মৃত্যু ঘটি নতুন ৰাষ্ট্ৰ এখনৰ সৃষ্টি নহয়।

কোনো কোনো ঠাইত এৰিষ্টটলে সংবিধান আৰু চৰকাৰৰ মাজত পাৰ্থক্য দেখুৱাইছে আৰু কোনো কোনো ঠাইত তেওঁ চৰকাৰ আৰু সংবিধানক একেটা বস্তু বুলি গণ্য কৰিছে। তেওঁ কৈছে যে সংবিধান হৈছে ৰাষ্ট্ৰই গঠন কৰিবলৈ আৰু বিকাশ কৰিবলৈ বিচৰা মানুহৰ জীৱনৰ ধৰণৰ অভিব্যক্তি। ইয়াত এৰিষ্টটলে সংবিধানৰ নৈতিক দিশটোৰ ওপৰত গুৰুত্ব দিছে। কিন্তু তেওঁ যেতিয়া ইয়াৰ ৰাজনৈতিক দিশটোৰ ওপৰত গুৰুত্ব দিয়ে তেতিয়া তেওঁ ইয়াক চৰকাৰৰ লগত এইটো বস্তু বুলি গণ্য কৰে। কিয়নো তেওঁ কৈছে যে— 'সংবিধানে ৰাষ্ট্ৰীয় বিষয়াসকলৰ, বিশেষকৈ উচ্চপদস্থ বিষয়াসকলৰ বিন্যাস কৰে। ৰাষ্ট্ৰীয় চৰকাৰেই সকলো ঠাইতে সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী আৰু প্ৰকৃততে সংবিধানখনেই চৰকাৰ।'

গতিকে এৰিষ্টটলৰ মতে সংবিধানখন নাগৰিকসকলৰ কাৰণে কেৱল জীৱনৰ উপায়েই নহয় ই চৰকাৰী বিষয়বোৰৰ এটা সংগঠনো। জীৱনৰ বিশেষ ধৰণ এটাৰ উন্নতি আৰু প্ৰগতি সাধনৰ বাবে সংবিধানৰ জন্ম হয়। এৰিষ্টটলে তেওঁৰ চতুৰ্থ পুস্তিকাত এই কথাটো স্পষ্টভাৱে বৰ্ণনা কৰিছে। ইয়াত তেওঁ কৈছে 'সংবিধানে ৰাষ্ট্ৰৰ ভিতৰত চৰকাৰী পদবীবোৰ সংগঠন কৰে ৰাষ্ট্ৰ পৰিচালনা সমিতি গঠন কৰে আৰু প্ৰত্যেকটো সম্প্ৰদায়ৰে লক্ষ্য বান্ধি দিয়ে। সংবিধানৰ নৈতিক আৰু ৰাজনৈতিক অৰ্থ এটা উদাহৰণৰদ্বাৰা ভালদৰে বুজাব পাৰি। আদৰ্শ হিচাপে আধুনিক গণতন্ত্ৰই এক ধৰণৰ জীৱনক বুজায় ইয়াৰ লক্ষ্য হৈছে —স্বাধীনতা আৰু সমতাৰ ভিত্তিত মানুহৰ মাজত সম্বন্ধ স্থাপন কৰিবলৈ যুক্তি আৰু ন্যায়ৰ শাসন প্ৰতিষ্ঠা কৰা আৰু সেইগতিকে আধুনিক গণতন্ত্ৰ মানুহৰ সামাজিক জীৱন ধৰ্মীয় জীৱন অৰ্থনৈতিক জীৱন আৰু ৰাজনৈতিক জীৱনত পৰিস্ফুট হৈ উঠে। ৰাজনৈতিক গণতন্ত্ৰ বা গণতান্ত্ৰিক চৰকাৰ এটা ৰাজনৈতিক যন্ত্ৰ যিটোৰ সহায়ত গণতান্ত্ৰিক আদৰ্শ ৰাষ্ট্ৰত কাৰ্য্যকৰী কৰিবলৈ চেষ্টা কৰা হয়। গতিকে যদিও আমি গণতন্ত্ৰ শব্দটো গণতান্ত্ৰিক চৰকাৰ আৰু গণতান্ত্ৰিক জীৱন দুয়োটাকে বুজাবলৈ ব্যৱহাৰ কৰোঁ আচলতে গণতান্ত্ৰিক চৰকাৰ আৰু গণতান্ত্ৰিক জীৱন একেটা বস্তু নহয়।

বিজ্ঞানসন্মত সংক্ষিপ্ততাৰে এৰিষ্টটলে ৰাষ্ট্ৰ আৰু চৰকাৰৰ মাজত থকা পাৰ্থক্য বিচাৰি উলিয়াইছে। তেওঁৰ মতে ৰাষ্ট্ৰ হৈছে নাগৰিকসকল লগ লাগি সৃষ্টি হোৱা জনসমষ্টি আৰু চৰকাৰ হৈছে ৰাষ্ট্ৰৰ পৰিচালনাত থকা আৰু ৰাষ্ট্ৰৰ সৰ্বোচ্চ ৰাজনৈতিক ক্ষমতা ব্যৱহাৰ কৰোঁতা নাগৰিকসকল। ৰাষ্ট্ৰৰ লক্ষ্য কাৰ্য্যকৰী কৰিবলৈ আৰু ৰাষ্ট্ৰৰ নৈতিক আৰু ৰাজনৈতিক কাৰ্য্যাৱলী সম্পন্ন কৰিবলৈ চৰকাৰ এটা নিৰ্দিষ্ট আহিলা। যিসকল মানুহৰ হাতত সৰ্বোচ্চ ৰাজনৈতিক পদবীবোৰ থাকে তেওঁলোকক তাৰপৰা আঁতৰ কৰিব পাৰিলে চৰকাৰৰ পৰিবৰ্তন হয় কিন্তু ৰাষ্ট্ৰৰ পৰিবৰ্তন সাধন কৰিব লাগিলে ইয়াৰ সংবিধানৰ পৰিবৰ্তন সাধন কৰিব লাগিব কিয়নো ৰাষ্ট্ৰৰ স্থায়িত্ব ইয়াৰ সংবিধানৰ ওপৰত নিৰ্ভৰ কৰে অৰ্থাৎ এখন ৰাষ্ট্ৰৰ সংবিধানৰ পৰিবৰ্তন হ'লে নতুন ৰাষ্ট্ৰ এখন সৃষ্টি হয় আৰু সেই নতুন ৰাষ্ট্ৰখনৰ চৰকাৰৰ পুৰণি ৰাষ্ট্ৰখনৰ ধাৰ-ঋণবোৰ বাতিল কৰি দিবলৈ নৈতিক অধিকাৰ আছে। এৰিষ্টটলে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বত বিশ্বাস নকৰিছিল। তেওঁৰ মতে ৰাষ্ট্ৰৰ বাস্তৱিক চৰকাৰৰ হাতত সাৰ্বভৌম ক্ষমতা আছিল।

ঊনবিংশতি অধ্যায়

চৰকাৰৰ শ্ৰেণীবিভাগ

এৰিষ্টটলে কৈছে যে সংবিধানে ৰাষ্ট্ৰৰ পদবীবোৰ বিশেষকৈ উচ্চ পদবীবোৰৰ বিন্যাস কৰে। সকলো ঠাইতে ৰাষ্ট্ৰৰ ভিতৰত চৰকাৰ সাৰ্বভৌম ক্ষমতাৰ গৰাকী আৰু সংবিধানখনেই আচলতে চৰকাৰ। উদাহৰণস্বৰূপে গণতন্ত্ৰত জনসাধাৰণ সাৰ্বভৌম কিন্তু স্বল্পতন্ত্ৰত মাত্ৰ কেইজনমান মানুহে সাৰ্বভৌম। আৰু সেই গতিকে আমি কওঁ যে এই দুটা গঠনৰ চৰকাৰ দুখন বেলেগ বেলেগ। সেইদৰে আন আন চৰকাৰবোৰৰ মাজতো পাৰ্থক্য আছে।

ৰাষ্ট্ৰৰ উদ্দেশ্য কি আৰু কিমান প্ৰকাৰৰ চৰকাৰে মানুহৰ সমাজ পৰিচালনা কৰে ? বিভিন্ন ৰকমৰ কৰ্তৃপক্ষৰ মাজত পাৰ্থক্য কিতাবি উলিওৱা বৰ টান নহয়। যেতিয়া ঐক্য আৰু সমতাৰ নীতিৰ ওপৰত ভিত্তি কৰি ৰাষ্ট্ৰবোৰ গঠন কৰা হয় তেতিয়া নাগৰিকসকলে ভাবে যে তেওঁলোকেও ৰাজনৈতিক ক্ষমতা আৰু পদবী লাভ কৰা উচিত। প্ৰথমতে প্ৰত্যেকজন নাগৰিকে ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়াইছিল আৰু সেই সময়খিনিত আন কিছুমান নাগৰিকে তেওঁৰ ব্যক্তিগত স্বাৰ্থ ৰক্ষা কৰিছিল। পাছত চৰকাৰী ধন আৰু চৰকাৰী পদবীৰ সুবিধা লাভ কৰিবলৈ নাগৰিকসকলৰ কিছুমানে সদায় ৰাজনৈতিক ক্ষমতা আৰু পদবী দখল কৰি থাকিবলৈ বিচাৰিছিল। যিবিলাক চৰকাৰে মানুহৰ সমূহীয়া স্বাৰ্থৰ প্ৰতি শ্ৰদ্ধা দেখুৱাইছিল সেইবোৰ চৰকাৰ ন্যায়ৰ নীতিমতে গঠিত হৈছিল আৰু সেইবোৰ প্ৰকৃত গঠনৰ চৰকাৰ আছিল আৰু যিবোৰ চৰকাৰে কেৱল শাসকসকলৰ স্বাৰ্থৰ প্ৰতি শ্ৰদ্ধা জনাইছিল, সেইবোৰ চৰকাৰ ত্ৰুটিপূৰ্ণ আছিল আৰু সেইবোৰৰ গঠন দূষিত আছিল।

এতিয়া আমি বিবেচনা কৰিব লাগিব—কিমানবিধ চৰকাৰ আছে আৰু সেইবোৰ কি কি ? প্ৰথমতে আমি চাব লাগিব প্ৰকৃত গঠনৰ চৰকাৰ কি কি; কিয়নো প্ৰকৃত গঠনৰ চৰকাৰবোৰ উলিয়াই লব পাৰিলে ইয়াৰপৰা দূষিত হৈ গঠিত হোৱা চৰকাৰবোৰ সহজে আমাৰ চকুত পৰিব। ৰাষ্ট্ৰৰ ভিতৰত চৰকাৰৰ সৰ্বোচ্চ কৰ্তৃত্ব থাকে আৰু এই কৰ্তৃত্ব এজন মানুহ, বা কেইজনমান মানুহ বা বহুতো মানুহৰ হাতত নিহিত থাকিব লাগিব। সেই গতিকে, প্ৰকৃত

গঠনৰ চৰক'ৰ হৈছে সেইবোৰ যিবোৰ চৰকাৰৰ সৰ্বোচ্চ কৰ্তৃত্ব এজন মানুহ বা কেইজনমান মানুহ বা বহুতো মানুহে সমূহীয়া স্বাৰ্থৰ উন্নতি সাধনৰ বাবে ব্যৱহাৰ কৰে আৰু শাসকসকলৰ স্বাৰ্থৰ উন্নতিৰ বাবে এজন মানুহৰ চৰকাৰ বা কেইজনমান মানুহৰ চৰকাৰ বা বহুতো মানুহৰ চৰকাৰে চেষ্টা কৰিলে সেইবোৰ চৰকাৰক দূষিত গঠনৰ চৰকাৰ বুলি কোৱা হয়। যিখন চৰকাৰত সাৰ্বভৌমত্ব মাত্ৰ এজন মানুহৰ হাতত থাকে আৰু তেওঁ সমূহীয়া স্বাৰ্থৰ হকে কাম কৰে সেইখন চৰকাৰৰ নাম ৰাজতন্ত্ৰ। যিখন চৰকাৰত সাৰ্বভৌম কৰ্তৃত্ব মাত্ৰ কেইজনমান মানুহৰ হাতত থাকে বহুত মানুহৰ হাতত নাথাকে আৰু তেওঁলোকে সমূহীয়া স্বাৰ্থৰ হকে কাম কৰে সেইখন চৰকাৰৰ নাম অভিজাত তন্ত্ৰ। এইখন চৰকাৰৰ শাসকসকল উৎকৃষ্ট মানুহ। তেওঁলোকৰ অন্তৰত ৰাষ্ট্ৰ আৰু ইয়াৰ নাগৰিকসকলৰ উৎকৃষ্ট স্বাৰ্থৰ ঠাই আছে। কিন্তু যেতিয়া সমূহীয়া স্বাৰ্থৰ হকে সকলোবোৰ নাগৰিকে মুক্তভাৱে ৰাষ্ট্ৰখন শাসন কৰে তেতিয়া তাৰ চৰকাৰখনক এটা বিস্তৃত নাম দিয়া হয়—সেইটো হৈছে এখন সংবিধান। এই শব্দটো ব্যৱহাৰ কৰাৰ এটা যুক্তি আছে। এজন মানুহ বা কিছুমান মানুহৰ অপৰ্যাপ্ত পৰিমাণে গুণ থাকিব পাৰে। কিন্তু যেতিয়া ৰাষ্ট্ৰখনৰ মানুহৰ সংখ্যা বাঢ়ি যাব তেতিয়া সেই মানুহবোৰৰ কাৰণে সকলোবোৰ বিষয়তে নিখুঁত জ্ঞান লাভ কৰাটো কঠিন হ'ব। অৱশ্যে তেওঁলোকে সামৰিক গুণ লাভ কৰিব পাৰিব কিয়নো জনসাধাৰণৰ মাজত এইটো গুণ দেখিবলৈ পোৱা যায়। গতিকে এখন সাংবিধানিক চৰকাৰত যোদ্ধাসকলৰ হাতত সৰ্বোচ্চ ক্ষমতা থাকিব আৰু যিসকল মানুহৰ হাতত অস্ত্ৰ শস্ত্ৰ থাকিব তেওঁলোকেই নাগৰিক হ'ব।

ওপৰত উল্লেখ কৰা প্ৰকৃত গঠনৰ চৰকাৰবোৰৰপৰা দূষিত হৈ গঠিত হোৱা চৰকাৰবোৰ হৈছে—অত্যাচাৰী শাসন স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰ। ৰাজ তন্ত্ৰ দূষিত হৈ অত্যাচাৰী শাসন হৈছে অভিজাততন্ত্ৰ দূষিত হৈ স্বল্পতন্ত্ৰ হৈছে আৰু সাংবিধানিক চৰকাৰ দূষিত হৈ গণতন্ত্ৰ হৈছে। অত্যাচাৰী শাসন একপ্ৰকাৰৰ ৰাজতন্ত্ৰই কেৱল ৰজাই ইয়াত তেওঁৰ নিজৰ স্বাৰ্থৰ বাবে কাম কৰে স্বল্পতন্ত্ৰত শাসকসকলে কেৱল ধনীসকলৰ স্বাৰ্থৰ হকে কাম কৰে আৰু গণতন্ত্ৰত শাসকসকলে কেৱল অভাৱগ্ৰস্ত আৰু গৰীবসকলৰ স্বাৰ্থৰ হকে কাম কৰে। এইবোৰৰ কোনোখন চৰকাৰেও সমূহীয়া মংগলৰ বাবে কাম নকৰে ।

এই চৰকাৰবোৰৰ প্ৰকৃতিৰ বিষয়ে আমি সবিশেষ আলোচনা কৰিব লাগিব। অত্যাচাৰী শাসনো একপ্ৰকাৰ ৰাজতন্ত্ৰ ইয়াত শাসকে ৰাজনৈতিক সমাজৰ ওপৰত তেওঁৰ নিজৰ শাসন চলায় স্বল্পতান্ত্ৰিক চৰক'ৰত সম্পত্তিশালী মানুহবোৰৰ হাতত চৰকাৰী ক্ষমতা থাকে। গণতন্ত্ৰ ইয়াৰ বিপৰীত । ইয়াত দুখীয়াসকলৰ হাতত চৰকাৰী ক্ষমতা থাকে। ইয়াতে আমি প্ৰথমে এটা অসুবিধাৰ সন্মুখীন হও । গণতান্ত্ৰিক চৰকাৰক বহুতো মানুহৰ চৰকৰ বুলি কোৱা

হয়। যদি ৰাষ্ট্ৰৰ বহুতো মানুহ বা সৰহসংখ্যক মানুহ ধনী হয় আৰু তেওঁলোকৰ হাতত ক্ষমতা থাকে তেতিয়া চৰকাৰখনক আমি কি চৰকাৰ বুলি কম ? সেইদৰে স্বল্পতান্ত্ৰিক চৰকাৰক মুষ্টিমেয় মানুহৰ চৰকাৰ বুলি কোৱা হয়। যদি ৰাষ্ট্ৰ এখনত দুখীয়া মানুহৰ সংখ্যা ধনী মানুহতকৈ যথেষ্ট কম হয় আৰু সেই সংখ্যক দুখীয়া মানুহৰ হাতত ক্ষমতা থাকে তেতিয়া তাৰ চৰকাৰখনক আমি কি চৰকাৰ বুলি কম ? এনেকুৱা অৱস্থা কোনো ৰাষ্ট্ৰত থাকিলে আমি আগেয়ে চৰকাৰবোৰৰ মাজত যিহৰ ভিত্তিত পাৰ্থক্য দেখা পাইছো তাৰ ভিত্তিত চৰকাৰবোৰৰ মাজত পাৰ্থক্য উলিয়াব পৰা নাযাব।

আকৌ এবাৰ আমি ধৰি লওঁহক যে মুষ্টিমেয় মানুহ ধনী আৰু বহুতো মানুহ দুখীয়া আৰু সেই মতে চৰকাৰৰ নাম দিয়া হৈছে। স্বল্পতন্ত্ৰত মুষ্টিমেয় ধনী মানুহে ক্ষমতা ভোগ কৰে আৰু গণতন্ত্ৰত বহুতো দুখীয়া মানুহে শাসনক্ষমতা ভোগ কৰে। তথাপি ইয়াতো এটা অসুবিধাই দেখা দিব। কিয়নো আমি যিবোৰ চৰকাৰৰ নাম উল্লেখ কৰিছো সেইবোৰৰ বাহিৰে আন কোনো ধৰণৰ চৰকাৰ নাথাকিলে ওপৰত উল্লেখ কৰা ৰাষ্ট্ৰবোৰত প্ৰতিষ্ঠিত হোৱা চৰকাৰবোৰক আমি কেনেকৈ বৰ্ণনা কৰিম ? কিছুমান ৰাষ্ট্ৰত ধনীসকলৰ সংখ্যা সৰহ আৰু তাত তেওঁলোকৰ হাতত শাসনৰ ক্ষমতা আছে আৰু আন কিছুমান ৰাষ্ট্ৰত দুখীয়াসকলৰ সংখ্যা কম যদিও তাত তেওঁলোকৰ হাততে শাসনৰ ক্ষমতা আছে।

গতিকে এইটো দেখা যায় যে স্বল্পতান্ত্ৰিক চৰকাৰ থকা ৰাষ্ট্ৰবোৰত ধনীসকলৰ সংখ্যা কম আৰু গণতান্ত্ৰিক চৰকাৰ থকা ৰাষ্ট্ৰবোৰত দুখীয়াসকলৰ সংখ্যা বেছি। কিন্তু ধনী মানুহৰ সংখ্যা কম থাকিলেই ৰাষ্ট্ৰ এখনত স্বল্পতান্ত্ৰিক চৰকাৰ গঠিত হ'ব নোৱাৰে আৰু কোনো এখন ৰাষ্ট্ৰত দুখীয়াৰ সংখ্যা সৰহ হ'লেই তাত গণতান্ত্ৰিক চৰকাৰ প্ৰতিষ্ঠিত হ'ব নোৱাৰে। কিয়নো সকলো ঠাইতে ধনীসকলৰ সংখ্যা কম আৰু দুখীয়াসকলৰ সংখ্যা বেছি। তথাপি সকলো ঠাইতে একে ধৰণ আৰু গঠনৰ চৰকাৰ প্ৰতিষ্ঠিত হোৱা নাই। গতিকে গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ মাজত প্ৰকৃত পাৰ্থক্য আছে দাৰিদ্ৰ্য আৰু সম্পত্তিত। য'ত মানুহে তেওঁলোকৰ সম্পত্তি থকা বাবেই শাসনৰ ক্ষমতা পায় তেওঁলোকৰ সংখ্যা যিমানেই নহওক লাগিলে তেওঁলোকৰ চৰকাৰখন স্বল্পতান্ত্ৰিক চৰকাৰ আৰু য'ত দুখীয়াসকলে শাসন কৰে তেওঁলোকৰ চৰকাৰখন গণতান্ত্ৰিক চৰকাৰ। কিন্তু সকলোতে ধনীসকল মুষ্টিমেয় আৰু দুখীয়াসকলৰ সংখ্যা সৰহ। কিয়নো কমসংখ্যক মানুহহে ধনী হ'ব পাৰে, কিন্তু সকলো মানুহে স্বাধীনতা উপভোগ কৰে। সম্পত্তি আৰু স্বাধীনতাৰ যুক্তি দেখুৱাই স্বল্পতান্ত্ৰিক আৰু গণতান্ত্ৰিক দলবোৰে ৰাষ্ট্ৰত ক্ষমতাৰ দাবী কৰে স্বাধীনতাৰ যুক্তিত গণতান্ত্ৰিক দলবোৰে ক্ষমতা বিচাৰে আৰু সম্পত্তিৰ যুক্তিত স্বল্পতান্ত্ৰিক দলবোৰে ক্ষমতাৰ দাবী কৰে।

ওপৰৰ আলোচনাখিনিত এইটো স্পষ্ট হৈছে যে ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা সকলো মানুহৰ মংগলৰ বাবে ব্যৱহাৰ কৰা বা এই ক্ষমতা শাসনকসকলৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে ব্যৱহাৰ কৰাৰ ভিত্তিত এৰিষ্ট'টলে চৰকাৰবোৰক স্বাভাৱিক চৰকাৰ আৰু দূষিত চৰকাৰ—এই দুটা ভাগত বিভক্ত কৰিছে। পাছত আকৌ ৰাজনীতিবিদ নামৰ গ্ৰন্থত প্লেটোৱে কৰা চৰকাৰৰ শ্ৰেণীবিভাগক অনুসৰণ কৰি এৰিষ্ট'টলে ৰাষ্ট্ৰত সাৰ্বভৌম ক্ষমতা ব্যৱহাৰকাৰী মানুহৰ সংখ্যাৰ ভিত্তিত চৰকাৰৰ আৰু এটা বিভাজন কৰে। এই ভিত্তিত বিভাজন কৰোঁতে স্বাভাৱিক চৰকাৰবোৰ হৈছে— ৰাজতন্ত্ৰ বা এজনৰ শাসন অভিজাততন্ত্ৰ বা কেইজনমানৰ শাসন আৰু ৰাজ্যব্যৱস্থা বা মধ্যমীয়া গুণসম্পন্ন এক শ্ৰেণী মানুহৰ শাসন। এইকেইটা স্বাভাৱিক চৰকাৰৰপৰা দূষিত হৈ গঠিত হোৱা চৰকাৰবোৰ হৈছে অত্যাচাৰী শাসন বা শক্তি আৰু প্ৰৱঞ্চনাৰ সহায়ত চলোৱা এজন মানুহৰ শাসন স্বল্পতন্ত্ৰ বা ধনী সম্প্ৰদায়ৰ শাসন আৰু গণতন্ত্ৰ বা মুক্তভাৱে জন্মগ্ৰহণ কৰা গৰীৱসকলৰ শাসন। অধ্যাপক ডানিঙে উল্লেখ কৰা মতে এৰিষ্টটলে চৰকাৰৰ শ্ৰেণীবিভাগ এইদৰে কৰিছিল।

উদ্দেশ্য বা লক্ষ্য	বিভাজনমূলক ন্যায় নীতি	ব্যক্তি বা চৰকাৰ	চৰকাৰৰ নাম
সমূহীয়া মংগলৰ লক্ষ্য স্বাভাৱিক	অসাধাৰণ গুণ	এজন ব্যক্তি	ৰাজতন্ত্ৰ
	উচ্চ গুণ	অভিজাত শ্ৰেণী	অভিজাততন্ত্ৰ
	মধ্যমীয়া গুণ	মধ্যবিত্ত শ্ৰেণী	ৰাজ্যব্যৱস্থা
শাসকসকলৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ লক্ষ্য দূষিত	শক্তি আৰু প্ৰৱঞ্চনা	এজন ব্যক্তি	অত্যাচাৰী শাসন
	সম্পত্তি	ধনী সম্প্ৰদায়	স্বল্পতন্ত্ৰ
	মুক্তজন্ম	গৰীৱ শ্ৰেণী	গণতন্ত্ৰ

ওপৰৰ তালিকাখনত বৰ্ণনা কৰা শ্ৰেণীবিভাগত এইটো পৰিষ্কাৰ যে এৰিষ্ট'টলে সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী মানুহৰ সংখ্যাৰ ওপৰত গুৰুত্ব দিয়া নাছিল গুৰুত্ব দিছিল শাসনৰ কৰ্তৃত্ব দিয়া ভিত্তিৰ নীতিটোৰ ওপৰতহে। তেওঁৰ মতে এইটোৱে আছিল চৰকাৰৰ শ্ৰেণীবিভাগৰ বাবে সঠিক ভিত্তি। সেই গতিকে তেওঁ কৈছিল যে স্বল্পতন্ত্ৰ ধনী মানুহৰ চৰকাৰ ইয়াত ধনী মানুহৰ সংখ্যা কম-বেছি হ'ব পাৰে। গণতন্ত্ৰ দুখীয়া মানুহৰ চৰকাৰ ইয়াত দুখীয়া মানুহৰ সংখ্যা কম-বেছি হ'ব পাৰে। ইমানদূৰলৈ তেওঁৰ চৰকাৰৰ শ্ৰেণীবিভাগ স্পষ্ট। যথেষ্ট আলোচনাৰ পাছত তেওঁ ষষ্ঠ পুস্তিকাত স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ সূত্ৰ সংশোধন কৰি কৈছে— 'কিন্তু গণতন্ত্ৰৰ সূত্ৰ দিবলৈ যাওঁতে আমি কিছুমান সমসাময়িক লেখকৰ আদৰ্শ অনুসৰণ কৰাটো ঠিক নহয়। এই লেখকসকলে গণতন্ত্ৰক ৰাজ্যব্যৱস্থা

বুলি কৈছিল আৰু ইয়ত জনসাধাৰণক সাৰ্বভৌম বুলি জ্ঞান কৰিছিল। সত্য কথা হৈছে এইটোহে যে যিবোৰ ৰাষ্ট্ৰত গৰীবৰ সংখ্যা সৰহ আৰু যত তেওঁলোকৰ হাতত কৰ্তৃত্ব থাকে তাতহে গণতন্ত্ৰ আছে আৰু যিবোৰ ৰাষ্ট্ৰত ধনী বা সম্ভ্ৰান্ত মানুহৰ সংখ্যা কম আৰু য'ত তেওঁলোকৰ হাতত কৰ্তৃত্ব থাকে তাতহে স্বল্পতন্ত্ৰ আছে। ইয়াতে আমি আকৌ এটা অসুবিধাৰ মাজলৈ আহিবলগীয়া হয়। গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ সংশোধিত সূত্ৰৰ অধীনত যিবোৰ ৰাষ্ট্ৰত ধনীসকলৰ সংখ্যা সৰহ আৰু তেওঁলোকৰ হাতত কৰ্তৃত্বও থাকে সেই ৰাষ্ট্ৰবোৰৰ চৰকাৰক কি বুলি কোৱা হ'ব ? উদাহৰণস্বৰূপে লিডিয়ানযুদ্ধৰ সময়লৈকে ফোলোফনত তেনেকুৱা হৈছিল তাত ধনীসকলৰ সংখ্যা সৰহ আছিল আৰু তেওঁলোকৰ হাতত ৰাষ্ট্ৰীয় কৰ্তৃত্বও আছিল। সেইদৰে যিবোৰ ৰাষ্ট্ৰত গৰীবসকলৰ সংখ্যা কম আৰু তেওঁলোকৰ হাতত ৰাষ্ট্ৰীয় কৰ্তৃত্ব থাকে তাতো সেই একে সমস্যাৰ উদ্ভৱ হয়। উদাহৰণস্বৰূপে অথেন্স আৰু এপিডামিয়াৰ কথা উল্লেখ কৰিব পাৰি।

এৰিষ্টটলে তৃতীয় পুস্তিকাত ৰাজতন্ত্ৰৰ আৰু ষষ্ঠ পুস্তিকাত অত্যাচাৰী শাসনৰ শ্ৰেণীবিভাগ কৰিছিল। ইয়ত তেওঁ বিদেশী ৰাজতন্ত্ৰ (অনাগিক) আৰু এছিমনেটিয়া (aesymnetia) নিৰ্বাচিত অত্যাচাৰী শাসনক তৃতীয় আৰু ৪ৰ্থ প্ৰকাৰৰ ৰাজতন্ত্ৰ বুলি উল্লেখ কৰিছে। এই দুই প্ৰকাৰৰ চৰকাৰক ৰাজতন্ত্ৰৰ ভাগত পেলোৱাৰ কাৰণ হৈছে এয় যে ইয়াত শাসকজনে আইনমতে শাসন কৰিছিল আৰু শাসিতসকলে স্বেচ্ছাকৃতভাৱে শাসকৰ প্ৰতি আনুগত্য দেখুৱাইছিল। আকৌ এই চৰকাৰবোৰক অত্যাচাৰী শাসনৰ ভাগতো পেলোৱা হৈছে। কিয়নো ইয়াত শাসকজনে অপৰ্যাপ্ত পৰিমাণে স্ববিচাৰাধিকাৰ প্ৰয়োগ কৰিছিল। তেন্তে ৰাজতন্ত্ৰ আৰু অত্যাচাৰী শাসনৰ মাজত পাৰ্থক্য বিচাৰি উলিওৱাৰ মাপকাঠি কি ? শাসকৰ প্ৰতি শাসিতসকলৰ স্বেচ্ছাকৃত বা অনিচ্ছাকৃত আনুগত্যই ইয়াৰ মাপকাঠি নেকি বা শাসকে প্ৰয়োগ কৰা স্ববিচাৰাধিকাৰ পৰিমাণেই ইয়াৰ মাপকাঠি নেকি ?

এৰিষ্টটলে ৰাজতন্ত্ৰক পাঁচোটা ভাগত বিভক্ত কৰিছিল। যেনে— বীৰযুগীয় ৰাজতন্ত্ৰ স্পাৰ্টীয় ৰাজতন্ত্ৰ বিদেশী ৰাজতন্ত্ৰ নিৰ্বাচিত অত্যাচাৰী শাসন আৰু চৰম ৰাজতন্ত্ৰ। বীৰযুগীয় ৰাজতন্ত্ৰত ৰজাসকল বংশানুক্ৰমে হয় আৰু তেওঁলোকে প্ৰজাসকলৰপৰা স্বেচ্ছাকৃত আনুগত্য লাভ কৰে। বীৰ যুগৰ ৰজাসকলৰ যুগত কিছুমান অসাধাৰণ গুণসম্পন্ন মানুহে যুদ্ধক্ষেত্ৰত জনসাধাৰণৰ বাবে বিজয়ৰ সেৱা আগবঢ়াইছিল আৰু মানুহক প্ৰাকৃতিক দুৰ্যোগৰপৰা ৰক্ষা কৰিছিল। আৰু এনেকৈ তেওঁলোকে আন সকলোবোৰ মানুহৰ ওপৰত নিজৰ শ্ৰেষ্ঠত্ব প্ৰমাণ কৰিছিল আৰু পাছত সকলোবোৰ জনসাধাৰণে তেওঁলোকৰ নেতৃত্ব আৰু নিয়ন্ত্ৰণ স্বেচ্ছাই মানি লৈছিল। কিন্তু বিষয়ত তেওঁলোক আইনৰদ্বাৰা বাধাপ্ৰাপ্ত হৈছিল যদিও তেওঁলোকে সৰ্ববিচাৰত যথেষ্ট পৰিমাণৰ ক্ষমতা ব্যৱহাৰ কৰিব

পাৰিছিল। বাস্তৱত তেওঁ নিজেই সেনাপতি আৰু প্ৰধান বিচাৰক আছিল আৰু তেৱেঁই জাতিটোৰ সৰ্বোচ্চ পুৰোহিতো আছিল।

স্পাৰ্টাৰ ৰাজতন্ত্ৰ এক প্ৰকাৰৰ বংশানুক্ৰমে চলি থকা নেতৃত্বৰ শাসন আছিল। ইয়াত ৰজাসকলৰ ক্ষমতা আইনদ্বাৰা বন্ধা আছিল। কিন্তু যুদ্ধৰ সময়ত ৰজাবোৰ চৰম শাসনকৰ্তা হৈ পাৰিছিল আৰু তেতিয়া তেওঁলোকে জীৱন-মৰণৰ সম্পূৰ্ণ ক্ষমতা প্ৰয়োগ কৰিব পাৰিছিল।

বিদেশী ৰাজতন্ত্ৰও এক প্ৰকাৰৰ বংশানুক্ৰমে হোৱা সাংবিধানিক অত্যাচাৰী শাসন আছিল। অত্যাচাৰী শাসনৰ লগত ইয়াৰ মেল বেছি। কিয়নো ইয়াত ৰজাই স্ববিচৰত যথেষ্ট পৰিমাণৰ ক্ষমতা প্ৰয়োগ কৰিব পাৰে আৰু ইয়াত প্ৰজাবোৰ দাস প্ৰকৃতিৰ। তথাপি অত্যাচাৰী শাসনৰ লগত ইয়াৰ পাৰ্থক্য আছে। কিয়নো বিদেশী ৰাজতন্ত্ৰই কিছু পৰিমাণৰ হলেও আইন মানি চলে আৰু প্ৰজা সকলে ইয়াত ৰজাৰ ওচৰত স্বেচ্ছাকৃতভাৱে আনুগত্য দেখুৱায়।

নিৰ্বাচ্য অত্যাচাৰী শাসন বিদেশী ৰাজতন্ত্ৰৰ লগত প্ৰায় একেই, কেৱল নিৰ্বাচ্য অত্যাচাৰী শাসনত ৰজাজন নিৰ্বাচিত হয়। ইয়াতো কেতিয়াবা কেতিয়াবা ৰজাজন গোটেই জীৱনটো ৰজা হৈয়েই থাকে আৰু কেতিয়াবা এটা নিৰ্দিষ্ট কাৰ্য্য কালৰ পাছত ৰজা ভঙা যায় বা কোনো নিৰ্দিষ্ট কাম শেষ হ'লে তেওঁক ৰজা ভাঙি দিয়া হয়।

চূড়ান্ত ক্ষমতাসম্পন্ন ৰজাজন অতি মানবীয় জ্ঞানৰ মানুহ। মানুহৰ মাজত তেও দেৱতাসদৃশ। তেওঁৰ স্থান আইনৰো ওপৰত কিয়নো তেওঁৰ জ্ঞানেই এটা উচ্চ স্তৰৰ আইন।

আদিম যুগত গুণ আৰু সমৰ্থ থকা মানুহৰ সংখ্যা বৰ কম আছিল। আৰু তেতিয়াৰ আদিম সমাজত ৰাজতন্ত্ৰই এটা আৱশ্যকীয় উদ্দেশ্য সাধন কৰিছিল। কিন্তু বৰ্তমান ৰাজতন্ত্ৰ অচল হৈ গৈছে আৰু বহুতো কাৰণত ই আপত্তিজনকো। ইয়াৰ ভিতৰত প্ৰধান কাৰণবোৰ হৈছে—

(১) ৰাজতন্ত্ৰ বংশানুক্ৰমিক হৈ যোৱাৰ সম্ভাৱনাই বেছি।

(২) এখন ৰাষ্ট্ৰত সমপৰ্য্যায়ৰ জ্ঞান আৰু সমৰ্থৰ বহুতো মানুহ থাকে। যেতিয়া সমপৰ্য্যায়ৰ জ্ঞান আৰু সমৰ্থ মানুহৰ ভিতৰত এজন ৰজা হয় আৰু বাকীবোৰে তেওঁক আনুগত্য দেখুৱাবলগীয়া হয় আৰু তেওঁৰ মতে চলিব লগীয়া হয় তেতিয়া বাকী মানুহবোৰৰ মাজত অসন্তুষ্টিৰ সৃষ্টি হয় আৰু পাছত তেওঁলোকে বিদ্ৰোহৰ সৃষ্টি কৰে। সেই গতিকে এৰিষ্টটলে কৈছে— প্ৰত্যেকজনে শাসক হ'ব লাগে আৰু শাসিতও হ'ব লাগে আৰু সকলোৱে এই সুবিধা পোৱা উচিত।

(৩) ৰজাসকল অনুভূতি আৰু উত্তেজনাদ্বাৰা ভুল পথে পৰিচালিত হ'ব পাৰে। অনুভূতি আৰু উত্তেজনাৰ উপাদানবোৰে এজন মানুহক সহজে

পৰাভূত কৰিব পাৰে কিন্তু বহুতক কেতিয়াও সহজে পৰাভূত কৰিব নোৱাৰে।

(৪) কোনো ৰজাই তেওঁৰ ওপৰত পৰা সকলোবোৰ চৰকাৰী কৰ্তব্য নিজেই সম্পন্ন কৰিব নোৱাৰে। গতিকে তেও ক্ষমতাবোৰ ব্যৱহাৰ কৰোঁতে তেওঁৰ বন্ধুবৰ্গক লগত লয়। সাধাৰণতে প্ৰত্যেক মানুহৰে বন্ধুবোৰ তেওঁৰ সমকক্ষ বা তেওঁৰ সমপৰ্য্যায়ৰ ৰজাৰ বন্ধুবোৰো তেওঁৰ সমকক্ষ। গতিকে ৰজাই যেতিয়া তেওঁৰ কিছুমান ক্ষমতা বন্ধুবোৰৰ হাতত অৰ্পণ কৰে তেতিয়া বন্ধু বেৰ্ষৰ ওপৰত তেওঁৰ প্ৰভুত্ব বিস্তাৰ নকৰে। এখন ৰাষ্ট্ৰৰ ভিতৰত ৰজাজনে আন সকলোবোৰ মানুহতকৈ ব্যক্তিগতভাৱে বেছি গুণী হ'লেও গোটেই জাতিটো নিশ্চয় তেওঁতকৈ বেছি গুণী হ'ব। গতিকে এৰিষ্টটলে মন্তব্য কৰিছিল— কোনো এজন ভাল মানুহ আন ভাল মানুহবোৰৰ ওপৰত প্ৰভু হোৱা উচিত নহয় অৰ এজন বেয়া মানুহো আন বেয়া মানুহবোৰৰ ওপৰত প্ৰভু হোৱা উচিত নহয়। আনকি তেওঁৰ গুণ আন সকলোতকৈ বেছি হ'লেও তেও শাসন কৰিব বলে অধিকাৰ পোৱা উচিত নহয়। তেও অৱশ্যে অসাধাৰণ অৱস্থাত চৰম ৰাজতন্ত্ৰ সমৰ্থন কৰিছিল। যদি এখন ৰাষ্ট্ৰত অতিমানবীয় জ্ঞান আৰু অত্যুৎকৃষ্ট গুণৰ এজন মানুহ থাকে যক ক্ষমতাই দুৰ্নীতিপৰায়ণ কৰাৰ কোনো সম্ভাৱনা নাই আৰু যিয়ে ক্ষমতাৰ অপব্যৱহাৰ কৰি নিজৰ ব্যক্তিগত স্বাৰ্থ পূৰণ কৰাৰ কোনো সম্ভাৱনা নাই তেওঁক চূড়ান্ত ৰজা পতা উচিত। যিকোনো ৰাষ্ট্ৰতে তেনেকুৱা এজন অতিমানৱ পোৱাটো সম্ভৱপৰ হ'ব যেন নালাগে। গতিকে আমাৰ মতে ৰাষ্ট্ৰত তেনেকুৱা এজন অতিমানৱ বিচাৰি উলিয়াই তেওঁৰ হাততে চৰম ক্ষমতা সোধাই দিবলৈ বিচৰাটো তত্ত্বাবদৰ কল্পনাৰ বস্তু হ'লেও বাস্তৱত তাৰ মূল্য বৰ বেছি নহ'ব।

এৰিষ্টটলে অত্যাচাৰী শাসনক তিনিটা ভাগত বিভক্ত কৰিছে। যেনে বিদেশী ৰাজতন্ত্ৰ নিৰ্বাচিত অত্যাচাৰী শাসন আৰু চৰম অত্যাচাৰী শাসন। প্ৰথম দুই প্ৰকাৰৰ অত্যাচাৰী শাসনৰ বিষয়ে ৰাজতন্ত্ৰৰ ভিতৰত আলোচনা কৰা হ'ব। গতিকে আৰু এক প্ৰকাৰৰ মাত্ৰ অত্যাচাৰী শাসন আছে— সেইটো হ'ল চৰম অত্যাচাৰী শাসন। ইয়াত অত্যাচাৰী ৰজাজনে শক্তি আৰু ভয়ভীতি প্ৰদৰ্শন কৰি অনিচ্ছুক প্ৰজাসকলৰ ওপৰত তেওঁৰ শাসন চলাই থাকে। প্ৰজাসকলে ইয়াত স্বেচ্ছাকৃতভাৱে তেওঁৰ ওচৰত আনুগত্য প্ৰকাশ নকৰে।

এৰিষ্টটলে স্বল্পতন্ত্ৰক চাৰি ভাগত বিভক্ত কৰিছে যেনে— সীমাবদ্ধ স্বল্পতন্ত্ৰ বেষ্টিত স্বল্পতন্ত্ৰ বংশানুক্ৰমিক স্বল্পতন্ত্ৰ আৰু চৰম স্বল্পতন্ত্ৰ।

সীমাবদ্ধ স্বল্পতন্ত্ৰ আইনৰ ভেটিত গঠিত হয়। ইয়াত নাগৰিক হোৱাৰ বাবে কিছু পৰিমাণৰ সম্পত্তিৰ গৰাকী হ'ব লাগে। সৰ্বসাধাৰণ মানুহৰ সেইখিনি সম্পত্তি নাথাকে আৰু সেই গতিকে তেওঁলোকে নাগৰিক অধিকাৰৰপৰা বঞ্চিত হয়। তথাপি সকলো কেইপ্ৰকাৰ স্বল্পতন্ত্ৰৰ ভিতৰত এই প্ৰকাৰেই উত্তম।

বেষ্টিত স্বল্পতন্ত্ৰও আইনৰ ভেটিত গঠিত। কিন্তু ইয়াত ৰাষ্ট্ৰীয় পদ লাভ কৰিবলৈ যথেষ্ট পৰিমাণৰ সম্পত্তিৰ গৰাকী হ'ব লাগে। অতি কম মানুহৰহে যথেষ্ট পৰিমাণৰ সম্পত্তি থাকে। কেৱল তেওঁলোকেহে সম্পত্তিৰ গুণত ৰাষ্ট্ৰীয় পদমৰ্য্যাদা লাভ কৰে আৰু ৰাষ্ট্ৰৰ বাকী জনসাধাৰণ ইয়াৰপৰা বঞ্চিত হয়। নিৰ্বাচনৰদ্বাৰা যোগ্যতাসম্পন্ন নাগৰিকসকলৰ মাজৰপৰা ৰাষ্ট্ৰীয় পদবীবোৰ পূৰণ কৰা হয়।

বংশানুক্ৰমিক স্বল্পতন্ত্ৰও প্ৰায়ে আগত উল্লেখ কৰা দুই প্ৰকাৰ স্বল্প তন্ত্ৰৰ দৰেই। কেৱল ইয়াত ৰাষ্ট্ৰীয় পদবোৰ বংশানুক্ৰমিক নিয়মে পূৰণ কৰা হয়। মাত্ৰ কেইটামান সমৃদ্ধিশালী পৰিয়ালৰ মানুহে ৰাষ্ট্ৰীয় পদবোৰ দখল কৰি থাকে। পিতাকৰ পাছত তেওঁৰ পুত্ৰই পিতাকৰ আসন দখল কৰে।

চৰম স্বল্পতন্ত্ৰৰ অধীনতো ৰাষ্ট্ৰীয় পদবোৰ মাত্ৰ কেইটামান সমৃদ্ধিশালী পৰিয়ালৰ মানুহে দখল কৰে কিন্তু ইয়াত চৰকাৰ আইনৰ ভিত্তিত গঠিত নহয় আৰু চৰকাৰে আইনৰ অধীনত কাম নকৰে। শাসকসকলে নিজৰ ইচ্ছা আৰু খাম খেয়ালিৰে ৰাষ্ট্ৰ শাসন কৰে। চৰম স্বল্পতন্ত্ৰ চৰম গণতন্ত্ৰৰ অবিকল প্ৰতিৰূপ। ইযাৰ স্থান চৰম অত্যাচাৰী শাসনৰ পিছতে।

এৰিষ্ট'টলে অভিজাততন্ত্ৰক চাৰিটা ভাগত বিভক্ত কৰিছে। প্ৰথম প্ৰকাৰৰ অভিজাততন্ত্ৰ চৰম উৎকৃষ্ট মানুহবোৰৰদ্বাৰা গঠিত। এই লোকসকল কোনো এটা বিশেষ ভিত্তিত বিবেচনা কৰিলেই কেৱল ভাল মানুহ নহয় সকলো ফালৰপৰা বিবেচনা কৰিলেও এই লোকসকল চৰম উৎকৃষ্ট মানুহ। এই প্ৰকাৰৰ অভিজাত তন্ত্ৰক নিখুঁত বা সৰ্বতোপ্ৰকাৰে ভাল অভিজাততন্ত্ৰ বুলিব পাৰি। ইয়াৰ পাছত কিছুমান তথাকথিত অভিজাততন্ত্ৰ আছে। এইবোৰ অভিজাততন্ত্ৰত তুলনামূলক ভাৱে কমসংখ্যক মানুহে শাসন কৰে আৰু শাসক বৰ্গই ৰাষ্ট্ৰৰ চূড়ান্ত স্বাৰ্থ ৰক্ষাৰ বাবে চেষ্টা কৰে। এইবোৰ চৰকাৰত গুণ আৰু সংখ্যা দুয়োটাৰ ওপৰতে গুৰুত্ব দিয়া হয় আৰু সেই গতিকে এইবোৰক তথাকথিত অভিজাততান্ত্ৰিক চৰকাৰ বুলি কোৱা হয়। তুলনামূলকভাৱে গুণসম্পন্ন মানুহে এই চৰকাৰবোৰৰ গুৰি ধৰে আৰু ইয়াত তুলনামূলকভাৱে বেছিসংখ্যক মানুহে চৰকাৰৰ কামত অংশ গ্ৰহণ কৰে। তৃতীয়তে যিখন ৰাষ্ট্ৰত চৰকাৰে গুণ ধন সম্পত্তি আৰু সংখ্যা তিনিওটাৰ ওপৰতে গুৰুত্ব দিয়ে সেইখন চৰকাৰকো তথাকথিত অভিজাততান্ত্ৰিক চৰকাৰ বুলি কোৱা হয়। এইখন চৰকাৰো তুলনামূলকভাৱে গুণসম্পন্ন আৰু সম্পত্তিশালী মানুহৰ চৰকাৰ আৰু ইয়াতো আপেক্ষিকভাৱে কমসংখ্যক মানুহে শাসনৰ দায়িত্ব গ্ৰহণ কৰে। চতুৰ্থ শ্ৰেণীৰ অভিজাততন্ত্ৰৰ ভিত্তি সম্পত্তি আৰু সংখ্যা ইয়াত কিছু পৰিমাণে স্বল্পতন্ত্ৰৰ উপাদানো থাকে।

ৰাজনীতি বিজ্ঞানত কেইবা প্ৰকাৰৰ ৰাষ্ট্ৰৰ বিষয়ে অধ্যয়ন কৰা হয়। প্ৰধানকৈ ইয়াত আদৰ্শ ৰাষ্ট্ৰ বিশেষ পৰিৱেশ আৰু অৱস্থাত স্থাপন কৰিব পৰা উৎকৃষ্ট

ৰাষ্ট্ৰ আৰু মৌলিকভাৱে বেয়া ৰাষ্ট্ৰবোৰৰ বিষয়ে আলোচনা কৰা হয়। কেতিয়াবা কেতিয়াবা ৰাজনীতিজ্ঞসকলে বেয়া ৰাষ্ট্ৰবোৰৰ ভিতৰত যিখন ভাল সেইখনকে প্ৰতিষ্ঠা কৰিবলগীয়া হয়।

গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ বিষয়ে সাধাৰণতে এটা দৃষ্টিভংগী গ্ৰহণ কৰা দেখা যায় যে গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰই প্ৰধান সাংবিধানিক চৰকাৰ। এই দৃষ্টিভংগীটো শুদ্ধ নহয়। সেইদৰে শাসকসকলৰ লগত শাসিতসকলৰ সংখ্যাগত অনুপাতৰ ভিত্তিত গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ পাৰ্থক্য বিচাৰ কৰাটোও ঠিক নহয়। গণতান্ত্ৰিক ৰাষ্ট্ৰত সৰহসংখ্যক মানুহ গৰীব আৰু স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত কমসংখ্যক মানুহ ধনী। প্ৰত্যেকখন ৰাষ্ট্ৰতে গৰীবসকলৰ সংখ্যা বেছি আৰু ধনীসকলৰ সংখ্যা কম আৰু সকলো ৰাষ্ট্ৰতে ধনী আৰু গৰীবৰ মাজত থকা পাৰ্থক্যটো এটা মৌলিক সত্য। তথাপি এইটো সত্য যে স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰ দুবিধ আৱশ্যকীয় সংবিধান আৰু ধনী আৰু গৰীবৰ চৰিত্ৰৰপৰাই দুয়োবিধ চৰকাৰৰ পৰিবৰ্তন ঘটে কিয়নো ধনী আৰু গৰীবসকল যথাক্ৰমে স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰত শাসকৰ দায়িত্বত থাকে।

এৰিষ্টটলৰ ৰাজ্য ব্যৱস্থা গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ উপাদানেৰে গঠিত যদিও তেওঁ ইয়াত গণতন্ত্ৰৰ ওপৰত বেছি গুৰুত্ব দিছে। ৰাজ্যব্যৱস্থা হৈছে বহুতৰ চৰকাৰ এই চৰকাৰে আইনৰ সাৰ্বভৌমত্ব মানি চলে। প্ৰকৃততে ক'বলৈ গ'লে বেছিভাগ তথাকথিত অভিজাততান্ত্ৰিক চৰকাৰেই ৰাজ্যব্যৱস্থা আছিল। ইয়াক মধ্যবিত্ত শ্ৰেণীৰ শাসন বুলিও ক'ব পাৰি। মধ্যম শ্ৰেণীৰ নগৰ ৰাষ্ট্ৰবোৰৰ বাবে উৎকৃষ্ট সংবিধান হ'ব ধনী শ্ৰেণীৰ শাসন আৰু গৰীব শ্ৰেণীৰ শাসনৰ মধ্যবৰ্তী শাসন। মধ্যবিত্ত শ্ৰেণীটোৱে ৰাষ্ট্ৰ যন্ত্ৰটোত আধিপত্য বিস্তাৰ কৰিব নোৱাৰিলে কোনো এখন ৰাষ্ট্ৰৰে শাসন ভাল হ'ব নোৱাৰে। কিয়নো স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত ধনীসকলে গৰীবক শোষণ ক'ৰে আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰত গৰীবসকলে ধনীক শোষণ কৰে। এৰিষ্টটলৰমতে মধ্যবিত্ত শ্ৰেণীটোক সমূহীয়াভাৱে ল'লে তেওঁলোকৰ ওজন ধনী শ্ৰেণীটোৰ ওজনতকৈ বেছি আৰু গৰীবসকলতকৈও বেছি আনকি ধনী আৰু গৰীব দুয়োটা শ্ৰেণীৰ মানুহক একেলগ কৰি ধৰিলেও মধ্যবিত্ত শ্ৰেণীটোৰ ওজন তেওঁলোকতকৈও বেছি। মধ্যবিত্ত শ্ৰেণীটোৰ মানুহৰ সংখ্যা আৰু ৰাজনৈতিক সামৰ্থ্য প্ৰায়ে প্ৰত্যেকখন ৰাষ্ট্ৰতে বেছি। সেই গতিকে তেওঁৰ ৰাজ্যব্যৱস্থাক সকলোবোৰ সংবিধানৰ ভিতৰতে বেছি স্থায়ী সংবিধান বুলি গণ্য কৰিছিল। তেওঁৰ মতে তলত উল্লেখ কৰা কাৰণত ৰাজ্যব্যৱস্থা সৰ্বোত্তম কাৰ্য্যকৰী সংবিধান।

(১) প্ৰত্যেকখন ৰাষ্ট্ৰৰে জনসাধাৰণক তিনিটা শ্ৰেণীত ভাগ কৰা হয়। ধনী গৰীব আৰু মধ্যবিত্ত শ্ৰেণী। সাধাৰণতে ধনীসকল উদ্ধত আৰু ডাঙৰ অপৰাধী আৰু গৰীবসকল নীচ আৰু বদমাছ।

(২) ধনীসকল সাধাৰণতে বাধ্য নহয় আৰু তেওঁলোকৰ অত্যাচাৰী হোৱাৰ এটা প্ৰৱণতা আছে আনহাতে গৰীবসকলৰ আদেশ দিয়াৰ ক্ষমতা বৰ কম বা নাই আৰু তেওঁলোকৰ এটা হীন মনোবৃত্তি আছে।

(৩) এটা শক্তিশালী মধ্যবিত্ত শ্ৰেণী নাথাকিলে ৰাষ্ট্ৰখন দুটা বিবাদমান শ্ৰেণীত ভাগ হৈ যাব আৰু সেই শ্ৰেণী দুটাৰ মাজত সম্ভাৱ স্থাপন নহয়।

(৪) মধ্যবিত্ত শ্ৰেণীৰ লোকসকলৰ নিজে স্বচ্ছলভাৱে চলিবলৈ যথেষ্ট ধন আছে গতিকে তেওঁলোক ধনীসকলৰ প্ৰতি ঈৰ্ষাপৰায়ণ নহয় আৰু তেওঁলোকক গৰীবসকলেও হিংসা নকৰে। তেওঁলোকে ধনী বা গৰীব কাৰো বিৰুদ্ধে ষড়যন্ত্ৰ নকৰে অাৰু তেওঁলোকৰ বিৰুদ্ধেও ধনী বা গৰীব কোনেও ষড়যন্ত্ৰ নকৰে। গতিকে তেওঁলোকে ধনী আৰু গৰীব দুয়োটা শ্ৰেণীৰ মানুহৰপৰা আস্থাৰ দাবী কৰিব পাৰে। কোনো এখন ৰাষ্ট্ৰত গুণগত আৰু সংখ্যাগতভাৱে এটা শক্তিশালী মধ্যবিত্ত শ্ৰেণী থাকিলে এই শ্ৰেণীটোৱে দুয়োটা বিবাদমান শ্ৰেণীকে কৃতকাৰ্যতাৰে ৰাষ্ট্ৰীয় ক্ষমতা দখল কৰাৰপৰা বিৰত কৰি ৰাখিব পাৰে আৰু তেতিয়া দুয়োটা শ্ৰেণীৰ মানুহে এটাই আনটোক অত্যাচাৰ কৰিব নোৱাৰে।

(৫) চোলোন লাইকাৰগছ কেৰোন্দাস আদি গ্ৰীচদেশৰ মহান আইন স্ৰষ্টাসকল মধ্যবিত্ত শ্ৰেণীৰপৰাই আহিছিল। এই সকলোবোৰ যুক্তি আৰু ঘটনাৰ দ্বাৰা পৰিচালিত হৈ এৰিষ্টটলে মন্তব্য কৰিছিল— প্ৰধানকৈ মধ্যবিত্ত শ্ৰেণীৰ দ্বাৰা গঠিত ৰাষ্ট্ৰত ৰাজ্যব্যৱস্থাই উত্তম ৰাজনৈতিক সংবিধান' আৰু সেই গতিকে বিধায়ীসকলে সদায় মধ্যবিত্ত শ্ৰেণীৰ মানুহকে চৰকাৰত অন্তৰ্ভুক্ত কৰা উচিত।

এৰিষ্টটলৰ চৰকাৰৰ শ্ৰেণী বিভাগৰ সমালোচনা

কিছুমান সমালোচক উপৰুৱাকৈ মন্তব্য কৰে যে এৰিষ্টটলে কেৱল শাসনৰ সংখ্যাৰ ওপৰত ভিত্তি কৰি চৰকাৰৰ শ্ৰেণীবিভাগ কৰিছিল। গতিকে তেওঁৰ চৰকাৰৰ শ্ৰেণীবিভাগ গুণগত নাছিল সংখ্যাগতহে আছিল। কিন্তু তেওঁৰ চৰকাৰৰ শ্ৰেণীবিভাগত আন কিবা দোষ থাকিলেও এইটো দোষ নাছিল তেওঁৰ চৰকাৰৰ শ্ৰেণীবিভাগ কেতিয়াও সংখ্যাগত নাছিল। প্ৰথমে তেওঁ নৈতিক ভিত্তিত চৰকাৰৰ শ্ৰেণীবিভাগ কৰিছিল আৰু সেইমতে ভাল আৰু দূষিত দুই প্ৰকাৰৰ চৰকাৰ আছে। ভাল চৰকাৰবোৰে ৰাষ্ট্ৰৰ সমূহীয়া ভালৰ বাবে কাৰ্য্যনিৰ্বাহ কৰে আৰু দূষিত চৰকাৰবোৰে শাসকসকলৰ নিজৰ স্বাৰ্থ পূৰণৰ বাবে কাম কৰে। তাৰ পাছত তেওঁ সেই সময়ৰ চলিত প্ৰথা অনুসৰি শাসকৰ সংখ্যাৰ ভিত্তিতো চৰকাৰৰ শ্ৰেণীবিভাগ কৰিছিল কিন্তু তেওঁ তাত সন্তুষ্ট হোৱা নাছিল আৰু সেই গতিকে আকৌ তৃতীয় এটা ভিত্তিত তেওঁ চৰকাৰৰ শ্ৰেণীবিভাগ কৰিছিল। এই ভিত্তিটো হৈছে- শাসন কৰিবলৈ কৰ্তৃত্ব পোৱা নীতিৰ ভিত্তি। সেই গতিকে এৰিষ্টটলৰ চৰকাৰৰ শ্ৰেণীবিভাগক কেৱল সংখ্যাগত বুলি কোৱাটো নিতান্ত ভুল।

তথাপি এইটো নিসন্দেহে সত্য যে এৰিষ্টটলৰ চৰকাৰৰ শ্ৰেণীবিভাগ বিজ্ঞানসম্মত নাছিল অৰু বৰ্তমান যুগৰ দৃষ্টিৰে চালে ই যথেষ্ট নহয়। কাৰণ আজিকালি অত্যাচাৰী শাসনৰ অৱসান ঘটিছে ৰাজতন্ত্ৰও প্ৰায় নাইকিয়া হৈ আহিবলৈ ধৰিছে আৰু যি দুই এঠাইত আছে সেইবোৰো সংবিধানৰদ্বাৰা সীমিত হোৱাৰ ফলত এইবোৰকো একপ্ৰকাৰ গণতন্ত্ৰ বুলিয়ে ধৰা হয়। গ্ৰিক অৰ্থত অভিজাততন্ত্ৰ আজিকালি পৃথিৱীত ক'তো দেখিবলৈ পোৱা নাযায় কিয়নো কেৱল গুণসম্পন্ন আৰু উৎকৃষ্ট লোকসকলক শাসকৰ সুবিধা দিয়া কোনো সংবিধানৰে লক্ষ্য নহয় স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ মাজত পাৰ্থক্য ৰখা টনাটো বৰ কঠিন কিয়নো কোনেও সঠিককৈ ক'ব নোৱাৰে কোনখিনিত স্বল্পতন্ত্ৰ শেষ হৈছে আৰু কোনখিনিৰপৰা গণতন্ত্ৰৰ আৰম্ভ হৈছে। এৰিষ্টটলৰ চৰকাৰৰ শ্ৰেণীবিভাগমতে ব্ৰিটেইন আৰু জাৰৰ ৰাছিয়া দুয়োখন ৰাষ্ট্ৰক ৰাজতন্ত্ৰৰ অধীনত পেলাব লাগে কিন্তু প্ৰকৃততে ব্ৰিটেইন গণতান্ত্ৰিক ৰাষ্ট্ৰ আৰু জাৰৰ ৰাছিয়া ৰাজতন্ত্ৰ আছিল অৱশ্যে পাছলৈ জাৰৰ ৰাছিয়া অত্যাচাৰী শাসনলৈ ৰূপান্তৰিত হৈছিল। আকৌ ব্ৰিটেইন আৰু নৰৱেক ৰাজতন্ত্ৰৰ অধীনত পেলাব লাগিব মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু ফ্ৰান্সক গণতন্ত্ৰৰ অধীনত ৰাখিব লাগিব কিন্তু প্ৰকৃততে ব্যাহিক গঠনত পাৰ্থক্য থাকিলেও এই আটাইকেইখন ৰাষ্ট্ৰতে গণতান্ত্ৰিক চৰকাৰ আছে। এৰিষ্টটলৰ মতে গণতন্ত্ৰ দূষিত চৰকাৰ আছিল কিন্তু বৰ্তমান যুগত গণতন্ত্ৰক আদৰ্শ চৰকাৰ বুলি গণ্য কৰা হয়। এৰিষ্টটলৰ গণতন্ত্ৰক আধুনিক যুগত জনতন্ত্ৰ বুলিব পাৰি।

আকৌ চৰকাৰবোৰক ৰাজতান্ত্ৰিক আৰু গণতান্ত্ৰিক বুলি ক'লে ইহঁতৰ চৰিত্ৰৰ বিষয়ে বিশেষ কথা একো কোৱা নহয়। একে শ্ৰেণীৰে অন্তৰ্ভুক্ত আধুনিক চৰকাৰবোৰৰ মাজতো ভালেমান গঠনমূলক আৰু পদ্ধতিমূলক পাৰ্থক্য আছে। এই পাৰ্থক্যবোৰ আঙুলিয়াই দিব নোৱাৰিলে মোটামুটিভাৱে চৰকাৰৰ শ্ৰেণী বিভাগ কৰাৰপৰা আমাৰ বিশেষ কাৰ্য্যকৰী লাভ নহয়। বৰ্তমান যুগৰ কিছুমান গণতন্ত্ৰক সীমিত ৰাজতন্ত্ৰ বুলি কোৱা হয় আন কিছুমান গণতন্ত্ৰক গণৰাজ্য আখ্যা দিয়া হৈছে কিছুমান চৰকাৰ এককাত্মক আৰু কিছুমান সংঘীয় বা যুক্ত-ৰাষ্ট্ৰীয় কিছুমান গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতীয় চৰকাৰ আছে আৰু কিছুমানৰ মন্ত্ৰী মণ্ডলীয় চৰকাৰ আছে কিছুমানত আইনৰ শাসন চলে আৰু কিছুমানত প্ৰশাসনিক আইনৰ শাসন চলে কিছুমান গণতান্ত্ৰিক ৰাষ্ট্ৰৰ কঠোৰ সংবিধান আছে আৰু কিছুমানৰ শিথিল বা নমনীয় সংবিধান আছে। সেই কাৰণে আধুনিক যুগত চৰকাৰৰ শ্ৰেণীবিভাগ কৰিব লাগিলে বহুতো কথা বিবেচনা কৰিব লাগিব আৰু তেতিয়াহে চৰকাৰৰ শ্ৰেণীবিভাগে আমাৰ প্ৰয়োজনীয়তা পূৰণ কৰিব।

কিন্তু এৰিষ্টটলে মধ্যবিত্ত শ্ৰেণীৰ শাসনৰ সপক্ষে দিয়া যুক্তি শক্তি ধৰিছে সকলো যুগ আৰু ঠাইতে এইবোৰ প্ৰযোজ্য। আধুনিক যুগত সংঘটিত

হোৱা ফৰাচী বিপ্লৱ মধ্যবিত্ত শ্ৰেণীৰ নেতৃত্বত চলা গৰীবসকলৰ যুদ্ধ আছিল আৰু এই যুদ্ধ চলিছিল অভিজাত শ্ৰেণীৰ শোষণৰ বিৰুদ্ধে। আধুনিক যুগৰ কাৰখানা ব্যৱস্থাত লক্ষ্য লক্ষ্য কাৰখানাৰ শ্ৰমিকক শোষণ কৰা হয় আৰু তেওঁ লোকৰ বেছি ভাগেই শেষত মজুৰিভোগী দাসত পৰিণত হয়। বৰ্তমান যুগত প্ৰায়বোৰ দেশতে জাতীয় আয় বাঢ়ি হৈছে কিন্তু এই জাতীয় আয়ৰ ভাগ ৰাষ্ট্ৰৰ সকলোবোৰ মানুহে পোৱা নাই পাইছে মুষ্টিমেয় কেইজনমান ধনী পুঁজিপতিয়ে। এই পুঁজিপতিসকলে তেওঁলোকৰ লাভ খোৱাৰ ক্ষুধা পূৰণ কৰিবলৈ গৰীব শ্ৰমিকসকলক অমানুষিকভাৱে শোষণ কৰিছে। ইয়াৰ ফলত শিল্পপ্ৰধান দেশ বোৰত ধনী আৰু গৰীবসকলৰ মাজত তীব্ৰ শ্ৰেণী সংঘৰ্ষ হৈছিল আৰু ইয়েই কাৰ্লমাৰ্ক্সক তেওঁৰ সাম্যবাদ তত্ত্ব উদ্ভৱন কৰিবলৈ উদগনি দিছিল।

ৰাছিয়াত মধ্যবিত্ত শ্ৰেণীটো বৰ শক্তিশালী আছিল আৰু তেওঁলোকে ৰাছিয়াৰ জনসাধাৰণৰ মাজত আধিপত্য বিস্তাৰ কৰিব পৰা নাছিল। সেই কাৰণেই ৰাছিয়াৰ শ্ৰমিক শ্ৰেণীয় ঐক্যবদ্ধ হৈ পুঁজিপতিসকলক চিৰদিনৰ বাবে ধ্বংস কৰি তাত ১৯১৭ চনত সৰ্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰিব পাৰিছিল। সেই সময়ৰ বৌদ্ধিক জগতত এইটো কল্পনা কৰা হৈছিল যে দুয়োখন বিশ্বযুদ্ধৰ সময়ছোৱাৰ ভিতৰতে ইটালি জাৰ্মেনি আৰু আন কিছুমান প্ৰাচ্যৰ দেশেও ৰাছিয়াৰ পদাংক অনুসৰণ কৰিব। কিন্তু সেইটো নঘটিল। কিয়নো সেই সময় ছোৱাৰ ভিতৰতে জাৰ্মেনিত হিটলাৰৰ অধীনত নাৎসীসকল আৰু ইটালিত মুছ-লিনিৰ অধীনত ফেছিষ্টসকলে হস্তক্ষেপ কৰিলে আৰু ইয়াৰ ফলতে জাৰ্মেনি আৰু ইটালিত শ্ৰমিকশ্ৰেণী সংঘবদ্ধ হৈ পুঁজিপতিসকলৰ বিৰুদ্ধে থিয় দিব নোৱাৰিলে। মৌলিকভাৱে নাৎসীজিম আৰু ফেছিজিম মধ্যবিত্ত শ্ৰেণীৰ আন্দো লন আছিল আৰু এই মধ্যবিত্ত শ্ৰেণীটোক পুঁজিপতিসকলে সক্ৰিয়ভাৱে সহায় কৰিছিল। সেই গতিকে ৰাছিয়াত সৰ্বহাৰা শ্ৰেণীটোৱে ধনীসকলক ধ্বংস কৰিব পাৰিছিল কিয়না তাত ধনীসকল আৰু সৰ্বহাৰা শ্ৰেণীৰ মাজত থিয় দিবলৈ মধ্যবিত্ত শ্ৰেণী নাছিল কিন্তু ফেছিবাদী দেশবোৰত ধনীসকল আৰু শ্ৰমিকশ্ৰেণীৰ মাজত থিয় দিবলৈ এটা শক্তিশালী মধ্যবিত্ত শ্ৰেণী আছিল আৰু এই শ্ৰেণীটোৱে পৰোক্ষভাৱে ধনীসকলৰ পক্ষ সমৰ্থন কৰি শ্ৰমিকসকলক ধনীসকলৰ বিৰুদ্ধে ঐক্যবদ্ধভাৱে থিয় দিয়াত বাধা দি আছিল।

আধুনিক গণতন্ত্ৰৰ প্ৰধান লক্ষ্য হৈছে সকলো মানৱীয় ব্যৱহাৰত যুক্তিৰ শাসন প্ৰতিষ্ঠা কৰা। কিন্তু দৰিদ্ৰ্যই বৰ্তমান গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ শত্ৰু। গৰীব মানুহবোৰ সদায় কৰ্মসংস্থান ক্ষুধা আৰু নানা বিপদৰ চিন্তাত থাকে তেওঁলোকৰ কেতিয়াও মানসিক শান্তি নাই কিন্তু যিকোনো উচ্চ চিন্তা বা কামৰ বাবেই মানসিক শান্তিৰ অতীব প্ৰয়োজন আছে। যুক্তিযুক্ত চিন্তা আৰু কৰ্মৰ বাবে আৱশ্যকীয় বৌদ্ধিক নৈতিক গুণবোৰ গৰীবসকলে বিকাশ কৰিব নোৱাৰে

ফলত তেওঁলোক শাসক হোৱাৰ যোগ্যতা আৰু সামৰ্থ্য লাভ কৰিব নোৱাৰে। সমতা আৰু স্বাধীনতাৰ গণতান্ত্ৰিক নীতি দৰিদ্ৰসকলৰ বাবে দুমুখীয়া ফেঁপেলা বাহিৰ চুঙা হৈ থাকে কিয়নো এই নীতিবোৰে কাৰ্য্যকৰীভাৱে দৰিদ্ৰসকলক কোনো প্ৰকাৰৰ সহায় কৰিব নোৱাৰে। ভাত কাপোৰ আৰু বসস্থানেই হৈছে দৰিদ্ৰসকলৰ প্ৰাথমিক প্ৰয়োজনীয়তা আৰু এই দুটা ঠিকমতে পালে তেওঁলোকৰ বাবে একনায়কত্বও বেয়া নহয়। খাদ্য বাসস্থান আৰু অৰ্থনৈতিক স্থিৰতা পালে দৰিদ্ৰসকল একনায়কত্ববাদী শাসনৰ অধীনত থাকিবলৈ প্ৰস্তুত হয়। গতিকে এৰিষ্টটলে ঠিকেই কৈছে যে দৰিদ্ৰতাই দৰিদ্ৰ জনসাধাৰণক নিৰাশ কৰে আৰু ইয়েই শেষত গণতন্ত্ৰৰ অধঃপতন মাতি আনে। এৰিষ্টটলে শাসকসকলক পৰামৰ্শ দিছিল যে তেওঁলোকে দৰিদ্ৰসকলক দৰিদ্ৰতাৰ মহাসমুদ্ৰৰপৰা উঠাই আনিবলৈ পৰিকল্পিত ভাৱে চেষ্টা কৰিব লাগে। আধুনিক গণতন্ত্ৰৰ পূজাৰীসকলে এৰিষ্টটলৰপৰা শিক্ষা গ্ৰহণ কৰা উচিত আৰু তেওঁ পৰামৰ্শ দিয়ামতে গণতান্ত্ৰিক উপায়ে দৰিদ্ৰসকলৰ আৰ্থিক আৰু সামাজিক অৱস্থা উন্নত কৰিবলৈ যত্নপৰ হোৱা উচিত। বৰ্তমান জগতৰ গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰত তেনে ধৰণৰ কিছুমান ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ব্যৱস্থাবোৰৰ ভিতৰত আছে সম্পত্তি আৰু আয়ৰ ওপৰত বৰ্দ্ধিত-কৰ সামাজিক আৰু অৰ্থনৈতিক নিৰাপত্তামূলক সেৱা আদি। জনসাধাৰণৰ বাবে অৰ্থনৈতিক নিৰাপত্তা স্থাপন কৰিবলৈ সমাজৰপৰা অৰ্থনৈতিক অসমতা লাঘৱ কৰিবলৈ নাগৰিকসকলক দৰিদ্ৰতা ৰেখাৰ ওপৰলৈ উঠাই আনিবলৈ ইংলেণ্ড নৰৱে ছুইডেন মাৰ্কিন যুক্তৰাষ্ট্ৰ আদি দেশত এইবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। এই ৰাষ্ট্ৰবোৰত মধ্যবিত্ত শ্ৰেণীটোৱে দৰিদ্ৰ আৰু ধনীসকলৰ মাজত ভাৰসাম্য ৰক্ষা কৰি আছে আৰু গণতন্ত্ৰক স্থিৰ কৰাই ৰাখি আছে। গতিকে এৰিষ্টটলে আমাক ৰাজনীতি বিজ্ঞানৰ মহান তথ্যৰ সন্ধান দিছে।

আমাৰ দৃষ্টিভংগীত এৰিষ্টটলৰ চৰকাৰৰ শ্ৰেণীবিভাগ বিজ্ঞানসম্মত নহ'লেও এৰিষ্টটলৰ যুগত ইয়াৰ যথেষ্ট মূল্য আছিল কিয়নো তেতিয়া সেই সময়ৰ নগৰ ৰাষ্ট্ৰবোৰৰ সীমাবদ্ধতাৰ মাজতহে কাম কৰিব লাগিছিল। তথাপি আমি তেওঁৰ শ্ৰেণীবিভাগক সম্পূৰ্ণ বেয়া বুলি ক'ব নোৱাৰোঁ। গণতন্ত্ৰ অভিজাততন্ত্ৰ স্বেচ্ছাতন্ত্ৰ অত্যাচাৰী শাসন ৰাজতন্ত্ৰ আদি শব্দবোৰৰ ৰাজনীতি বিজ্ঞানৰ পৰিভাষাত মূল্যবান স্থান অধিকাৰ কৰিছে। এৰিষ্টটলৰ চৰকাৰৰ শ্ৰেণীবিভাগক আমি— প্ৰামাণিক হিচাপে গ্ৰহণ কৰিব পাৰোঁ। তেওঁৰ বিভাজনে ৰাজনীতি বিজ্ঞানৰ পাছৰ যুগৰ লেখকসকলক যথেষ্ট সমলৰ যোগান ধৰিছে আৰু ইয়াৰ সহায়ত পাছৰ যুগৰ লেখকসকলে বিজ্ঞানসম্মতভাৱে চৰকাৰৰ শ্ৰেণীবিভাগ কৰিব পাৰিছে।

এৰিষ্টটলৰ চৰকাৰ চক্ৰ

চৰকাৰৰ শ্ৰেণীবিভাগৰ এটা অংশ হিচাপে এৰিষ্টটলে আমাক চৰকাৰবোৰৰ সময়ানুক্ৰমিক পৰিবৰ্তনৰ ক্ৰমৰ চক্ৰ এটাও দেখুৱাইছে। এই চক্ৰটোক আমি ৰাজনৈতিক পৰিবৰ্তনৰ চক্ৰ বুলিও আখ্যা দিব পাৰোঁ।

অতি পূৰ্বৰ কালত নগৰবোৰ সৰু সৰু আছিল আৰু সেই সময়ত মহৎ গুণ আৰু সামৰ্থ্যৰ মানুহো অতি কম আছিল। গতিকে যিসকল মানুহৰ মহৎ গুণ আৰু সামৰ্থ্য আছিল তেওঁলোক জনসাধাৰণৰ মাজত সহজে জনাজাত হৈ পৰিছিল। কিছুমান অসাধাৰণ গুণসম্পন্ন মানুহে জনসাধাৰণৰ মঙ্গলৰ বাবে অসাধাৰণ সেৱা আগবঢ়াইছিল আৰু সেই কাৰণে জনসাধাৰণে তেওঁলোকক ৰজা বুলি গ্ৰহণ কৰিছিল। এনেকৈ প্ৰথমে ৰাজতন্ত্ৰ স্থাপিত হৈছিল কিন্তু সময়ত একেখন ৰাষ্ট্ৰত প্ৰায় সমান গুণ আৰু ব্যুৎপত্তি থকা বহুতো মানুহ ওলাইছিল। আৰু সেই মানুহবোৰে ৰাজনৈতিক ক্ষমতাৰ অংশ পাবলৈ বিচাৰিছিল আৰু ইয়েই শেষত ৰাজতন্ত্ৰৰ ঠাইত অভিজাততন্ত্ৰ প্ৰতিষ্ঠাৰ বাট মুকলি কৰিছিল। এনেকৈ ৰাজতন্ত্ৰৰ ঠাইত অভিজাততন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল। অভিজাততন্ত্ৰত ধন সম্পত্তি ব্যক্তিগত লাভালাভ আৰু ক্ষমতাৰ লোভে শাসকসকলক দুৰ্নীতিগ্ৰস্ত কৰি পেলাইছিল আৰু এনেকৈ অভিজাততন্ত্ৰ অধঃপতিত হৈ স্বল্পতন্ত্ৰত পৰিণত হৈছিল। সম্পত্তি আৰু ক্ষমতাৰ লোভে স্বল্পতন্ত্ৰত সম্পত্তিশালী মানুহৰ সংখ্যা কমাইছিল আৰু তেওঁলোকৰ মাজত শত্ৰুতাৰ সৃষ্টি কৰিছিল। আনহাতে জনসাধাৰণেও শাসকসকলক দেখিব নোৱৰা হৈছিল আৰু তেওঁলোকে স্বল্পতান্ত্ৰিক শাসন ওফৰাই গণতান্ত্ৰিক শাসন প্ৰবৰ্তন কৰিছিল। গণতন্ত্ৰ সহজতে জনমতন্ত্ৰত পৰিণত হৈছিল আৰু জনমতন্ত্ৰই সমাজত বেমেজালি আৰু অস্থিৰ অৱস্থাৰ সৃষ্টি কৰিছিল। তেনে অৱস্থাত আকৌ এজন অসাধাৰণ গুণসম্পন্ন মানুহৰ প্ৰয়োজন হৈছিল যিয়ে ৰাষ্ট্ৰত পুনৰ শান্তি শৃংখলা স্থাপন কৰি প্ৰজাসকলক সুখ শান্তি দিবলৈ সক্ষম হ'ব। তেনে এজন অতিমানৱক জনসাধাৰণে আকৌ ৰজা পাতি তেওঁৰ হাতত সমস্ত ক্ষমতা সোধাই দিছিল। এনেকৈ চৰকাৰৰ এটা চক্ৰ সম্পূৰ্ণ হৈছিল। পাছত আকৌ এই চক্ৰটোৰ পুনৰাবৃত্তি হৈছিল। এৰিষ্টটলে চৰকাৰবোৰৰ সময়ানুক্ৰমিক পৰিবৰ্তনৰ চক্ৰটোত অত্যাচাৰী শাসনৰ কথা উল্লেখ কৰা নাছিল। কিন্তু ৰাজনীতিৰ বিভিন্ন ঠাইত তেওঁ উল্লেখ কৰা মতামতবোৰৰপৰা তথ্য গোটাই ৰাজনীতি বিজ্ঞানৰ লেখকসকলে ৰাজনৈতিক পৰিবৰ্তনৰ চক্ৰটো এইদৰে বৰ্ণনা কৰা দেখিবলৈ পোৱা যায়—

ৰাজতন্ত্ৰ অধঃপতিত হ'লে অত্যাচাৰী শাসনৰ জন্ম হয় আৰু অত্যাচাৰী শাসনে অভিজাততন্ত্ৰৰ সৃষ্টি কৰে অভিজাততন্ত্ৰ স্বল্পতন্ত্ৰলৈ অধঃপতিত হয় ই আকৌ অত্যাচাৰী শাসনৰ মাজেদি গণতন্ত্ৰলৈ ৰূপান্তৰিত হয় পাছত পুনৰ গণতন্ত্ৰৰ ঠাইত ৰাজতন্ত্ৰ স্থাপিত হয়। গতিকে ক্ৰম অনুসৰি ৰাজনৈতিক পৰি

বৰ্তনৰ চক্ৰটো এনেকুৱা ঃ ৰাজতন্ত্ৰ অত্যাচাৰী শাসন আভিজাত্যতন্ত্ৰ স্বল্পতন্ত্ৰ (অত্যাচাৰী শাসন) গণতন্ত্ৰ ৰাজতন্ত্ৰ।

এৰিষ্টটলীয় চক্ৰৰ ওপৰত সমালোচনা

এৰিষ্টটলে তেওঁৰ ৰাজনৈতিক পৰিবৰ্তনৰ চক্ৰটো প্ৰস্তুত কৰাৰ আগতে গ্ৰীছদেশীয় আৰু অনাগ্ৰীছদেশীয় ১৫৮ খন সংবিধান অধ্যয়ন কৰিছিল। পেলোপোনাচিয়ান যুদ্ধৰ এশ বছৰ আগৰ গ্ৰীক নগৰৰাষ্ট্ৰবোৰৰ ইতিহাসে তেওঁৰ এই চক্ৰটো সম্পূৰ্ণৰূপে সমৰ্থন কৰে। ৰোম দেশত প্ৰথমতে ৰাজতন্ত্ৰ আছিল পাছত ইয়াৰ অধঃপতন হৈ অত্যাচাৰী শাসনত পৰিণত হ'ল আৰু তাৰ পাছত অত্যাচাৰী শাসনৰ ঠাইত গণৰাজ্য প্ৰতিষ্ঠিত হ'ল। ৰোমদেশত যি গণৰাজ্য প্ৰতিষ্ঠিত হৈছিল তাৰ চৰিত্ৰ আভিজাত্যতান্ত্ৰিক আছিল আৰু ইয়াৰ অধঃপতন হৈ তাত স্বল্পতন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল। ৰোম দেশত অভিজাতশ্ৰেণী (পেট্ৰিচিয়ান) আৰু সাধাৰণ ৰাইজৰ (প্লিবিয়ান) মাজত এখন দীঘলীয়া সংগ্ৰাম হৈছিল আৰু ইয়াৰ ফল স্বৰূপে তাত গণতন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল। পাছত আকৌ গণতন্ত্ৰৰ অধঃপতন হৈ তাত ৰাজতন্ত্ৰ স্থাপিত হৈছিল আৰু সেই সময়তে অক্টেভিয়াছ ৰোমৰ সম্ৰাট হৈছিল। ইয়াৰপৰা দেখা যায় যে এৰিষ্টটলে ৰাজনৈতিক পৰিবৰ্তনৰ যিটো চক্ৰ প্ৰস্তুত কৰি থৈ গৈছে ৰোম দেশৰ ইতিহাসেও সেইটো সমৰ্থন কৰিছে।

কিন্তু তথাপি আমি এৰিষ্টটলৰ চক্ৰটোক ৰাজনৈতিক পৰিবৰ্তনৰ অনিবাৰ্য সত্য হিচাপে গ্ৰহণ কৰিব নোৱাৰো। এনেকি এৰিষ্টটলে নিজেও তেওঁৰ চক্ৰটোত উল্লেখ কৰা মতে সকলো সময়তে আৰু সকলো ৰাষ্ট্ৰত চৰকাৰৰ পৰিবৰ্তন ঘটিব বুলি বিবেচনা কৰা নাছিল। এই কথাটোৰ প্ৰমাণ পোৱা যায় তেওঁ দি যোৱা আন এটা পৰামৰ্শৰপৰা। এইটো আমি লক্ষ্য কৰা উচিত যে এৰিষ্টটলে তেওঁৰ ৰাজনৈতিক পৰিবৰ্তনৰ চক্ৰটোৰ বৰ্ণনা দিওঁতে কোনো ঠাইতে তেওঁ ৰাজ্যাবস্থা বা মধ্যবিত্তশ্ৰেণীৰ শাসনৰ কথা উল্লেখ কৰা নাছিল। তেওঁ এইটো উল্লেখ নকৰাৰ কাৰণ আছে। এৰিষ্টটলৰ বিভাজনমূলক ন্যায়ৰ নীতিত প্ৰকৃত ৰাজতন্ত্ৰ হৈছে এজন মানুহৰ শাসন যাৰ গুণ আৰু সামৰ্থ্যত এই শাসকজনৰ সমান যোগ্য মানুহ ৰাষ্ট্ৰখনত দ্বিতীয় এজন আৰু নাই। ৰাষ্ট্ৰ এখনত তেনে এজন লোক পোৱা বা বিচাৰি উলিওৱা টান। সেইদৰে প্ৰকৃত অভিজাততন্ত্ৰ প্ৰতিষ্ঠা কৰাটোও টান কিয়নো ইয়াত ভালেমান গুণসম্পন্ন আৰু সমৰ্থবান লোকৰ প্ৰয়োজন আছে। গতিকে যিবোৰ তথাকথিত অভিজাততন্ত্ৰ আছে সেইবোৰক স্বল্পতন্ত্ৰ বোলাই ভাল। এইদৰে প্ৰকৃত ৰাজতন্ত্ৰ আৰু প্ৰকৃত অভিজাততন্ত্ৰ প্ৰতিষ্ঠা কৰাটো প্ৰায় অসম্ভৱ। কৰবাত সম্ভৱ হ'লেও এইবোৰ অতি সোনকালে অত্যাচাৰী শাসন আৰু স্বল্পতন্ত্ৰলৈ অধঃ

পতিত হয়। আনহাতে অত্যাচাৰী শাসন স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰ সুস্থিৰ চৰকাৰ নহয় আৰু এইবোৰ ৰাইজৰ বাবে বাঞ্ছনীয়ও নহয়। চৰকাৰবোৰৰ অস্থিৰতা আৰু অস্থায়িত্ব গ্ৰিক নগৰবোৰৰ বাবে অভিশাপস্বৰূপ আছিল আৰু সেই গতিকে এৰিষ্টটলে এনে এখন স্থায়ী আৰু সকলোৰে বাবে বাঞ্ছনীয় চৰকাৰৰ অনুসন্ধান কৰি আছিল যিখন চৰকাৰে ৰাজনৈতিক পৰিবৰ্তনৰ চক্ৰটো বাধা দি ৰাখিব পাৰিব। তেওঁৰ মতে বহুতৰ শাসন প্ৰতিষ্ঠিত হ'লে ৰাজনৈতিক পৰিবৰ্তনৰ চক্ৰবো পৰিবৰ্তন হ'ব। সেই গতিকে তেওঁ শেষত পলিটি বা ৰাজ্যব্যৱস্থা স্থাপনৰ পৰামৰ্শ দিছিল। এইদৰে ৰাজ্যব্যৱস্থাই এৰিষ্টটলৰ ৰাজনৈতিক তত্ত্বত আটাইতকৈ উৎকৃষ্ট কাৰ্যকৰী সংবিধান হিচাপে ঠাই পাইছিল। দ্বিতীয়তে এৰিষ্টটলীয় চক্ৰটোক চৰকাৰ পৰিবৰ্তনৰ স্বাভাৱিক ধাৰা বুলি গ্ৰহণ কৰিব নোৱাৰি। পূৰ্বৰ কালত ৰাজতন্ত্ৰ অধঃপতিত হৈ তাৰ ঠাইত সদায় অত্যাচাৰী শাসন প্ৰতিষ্ঠিত হোৱা নাছিল। বৰ্ডিনে আমাক দেখুৱাইছে যে মধ্যযুগত ৰাজতন্ত্ৰৰ ঠাইত গণতন্ত্ৰ প্ৰতিষ্ঠিত হৈছিল গণতন্ত্ৰ অধঃপতিত হ'লে তাৰ ঠাইত অভিজাততন্ত্ৰ স্থাপিত হৈছিল আৰু কেতিয়াবা অভিজাততন্ত্ৰৰ ঠাইত ৰাজতন্ত্ৰ গঢ় উঠিছিল। ১৬শ আৰু ১৭শ শতিকাৰ ইউৰোপত ৰাজতন্ত্ৰই অত্যাচাৰী শাসনৰ জন্ম দিয়া নাছিল সামন্তবাদী অভিজাততন্ত্ৰহে জন্ম দিছিল। প্ৰথম মহাযুদ্ধৰ পাছত বহুতো ৰাষ্ট্ৰত ৰাজতন্ত্ৰৰ ঠাইত গণতন্ত্ৰ প্ৰতিষ্ঠিত হৈছে।

উপসংহাৰত আমি ক'ব পাৰো যে কেৱল প্ৰাকৃতিক নিয়ম অনুসৰি ৰাজনৈতিক পৰিবৰ্তনবোৰ নঘটে আৰু সেইদৰে ৰাষ্ট্ৰৰ চৰকাৰৰ পৰিবৰ্তনো নহয়। ৰাজনৈতিক পৰিবৰ্তনত বহুতো ঐতিহাসিক আৰু সামাজিক শক্তিয়ে কাম কৰে। এই প্ৰসংগত আমি উলাচিৰ এটা মন্তব্য উদ্ধৃতি কৰিব পাৰোঁ। মন্তব্যটো হৈছে : 'চৰকাৰৰ সময়ানুক্ৰমিক পৰিবৰ্তনৰ তেনেকুৱা এখন আইন থাকিলে ই পৃথিৱীৰ বাবে অতি নিৰাশজনক হ'লহেঁতেন। চমুকৈ ক'বলৈ গ'লে ইয়াৰ ফলত পৃথিৱীত অদৃষ্টবাদৰ শাসন চলিলহেঁতেন আৰু ৰাজনীতিৰ ক্ষেত্ৰত প্ৰগতিৰ পথ বন্ধ হৈ গ'লহেঁতেন।

প্লেটোৰ ৰাজনৈতিক পৰিবৰ্তনৰ চক্ৰ

প্লেটোৱে তেওঁৰ গণৰাজ্যত শাসকসকলৰ চৰিত্ৰৰ ভিত্তিত চৰকাৰৰ শ্ৰেণী বিভাগ কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন উৎকৃষ্ট মনৰ মানুহৰ দ্বাৰা পৰিচালিত হ'ব লাগিছিল আৰু সেই মানুহবোৰে জ্ঞানস্পৃহা তেওঁলোকৰ উৎকৃষ্ট মনৰ পৰিচয় দিছিল। তেনেকুৱা এখন ৰাষ্ট্ৰক প্লেটোৱে আদৰ্শতন্ত্ৰ বুলিছিল। তেওঁৰ মতে চৰম ৰাজতন্ত্ৰ বা অভিজাততন্ত্ৰই আদৰ্শ ৰাষ্ট্ৰ আছিল। সময়ত

আশা আকাংক্ষাৰদ্বাৰা জ্ঞান লাভ যদিহে দূষিত হয় আৰু তেতিয়া আদৰ্শ ৰাষ্ট্ৰৰ ঠাইত আঢ্যতন্ত্ৰৰ জন্ম হয়। আঢ্যতন্ত্ৰক এক প্ৰকাৰৰ সামৰিক অভিজাততন্ত্ৰ বুলিব পাৰি। আঢ্যতন্ত্ৰৰপৰা স্বল্পতন্ত্ৰৰ জন্ম হয় আৰু ইয়াত ধনী শ্ৰেণীয়ে গৰীব শ্ৰেণীৰ অনিষ্ট সাধন কৰি নিজৰ ব্যক্তিগত স্বাৰ্থৰ উন্নতি সাধন কৰে। ইয়াৰ ফলত জনসাধাৰণৰ মাজত অশান্তি বাঢ়ি যায় আৰু দুখীলোক সংগঠিত হৈ স্বল্পতান্ত্ৰিক চৰকাৰৰ বিৰুদ্ধে থিয় দিয়ে। এনেকৈ গণতান্ত্ৰিক শাসন বা জনতন্ত্ৰ প্ৰতিষ্ঠিত হয়। এনেকুৱা শাসনত বিশৃংখলা আৰু অশান্তি সদায় বিৰাজ কৰি থাকে আৰু ইয়াৰ সুযোগ গ্ৰহণ কৰি একোজন শক্তিশালী ডেমাগগ বা জনোত্তেজকে চৰকাৰৰ বাঘজৰী জনসাধাৰণৰ প্ৰতিনিধিৰ হাতৰপৰা কাঢ়ি লৈ নিজে অত্যাচাৰী শাসনৰ মালিক হৈ বহি যায়। অত্যাচাৰী শাসন সকলোতকৈ বেয়া শাসন। এইদৰে প্লেটোৰ মতে আদৰ্শ ৰাষ্ট্ৰ হিচাপে প্ৰথমে ৰাষ্ট্ৰ এখন প্ৰতিষ্ঠিত হয় চৰম ৰাজতন্ত্ৰ বা অভিজাততন্ত্ৰই আদৰ্শ ৰাষ্ট্ৰ তাৰপৰা আঢ্যতন্ত্ৰৰ জন্ম হয় আঢ্যতন্ত্ৰৰপৰা স্বল্পতন্ত্ৰ তাৰপৰা গণতন্ত্ৰ আৰু শেষত অত্যাচাৰী শাসনত চক্ৰটো সম্পূৰ্ণ হয়।

প্লেটোক সমালোচনা কৰি এৰিষ্টটলে কৈছে যে প্লেটোৰ চৰকাৰ পৰিৱৰ্তনৰ চক্ৰটোৰ ঐতিহাসিক সত্যতা নাই আৰু এই চক্ৰটো অধ্যয়ন কৰিলে আমাৰ এনে এটা ধাৰণা হয় যে প্ৰকৃতিগতভাৱে আন সকলোবোৰ চৰকাৰ অস্থায়ী আৰু অত্যাচাৰী শাসন প্ৰবৰ্তিত হ'লেহে ৰাষ্ট্ৰ এখনে স্থায়িত্ব লাভ কৰিব পাৰে। কিয়নো অত্যাচাৰী শাসন প্ৰবৰ্তিত হ'লেহে এই চক্ৰটো ভংগ হয়। ইয়াত এৰিষ্টটলে তেওঁৰ গুৰুজনৰ প্ৰতি ন্যায় বিচাৰ কৰা নাই বিয়নো প্লেটোৱে কেৱল সাধাৰণ অৰ্থতহে আমাক কৈছে যে শাসকসকলৰ মনৰ চৰিত্ৰৰ পৰিৱৰ্তন ঘটিলে ৰাষ্ট্ৰৰ চৰকাৰৰ গঠনতো পৰিৱৰ্তন ঘটে। প্লেটোক তেওঁ ঐতিহাসিক দৃষ্টিকোণৰপৰা চৰকাৰৰ পৰিৱৰ্তনৰ চক্ৰটো অংকা নাছিল আৰু তেওঁ কেতিয়াও দাবী কৰা নাছিল যে তেওঁ চক্ৰটোত উল্লেখ কৰা মতেহে বাস্তৱিক পৰিৱৰ্তনবোৰ ঘটিব লাগিব।

বিংশ অধ্যায়

এৰিষ্ট'টলৰ সাৰ্বভৌমত্ব, ন্যায় আইন আৰু সম্পত্তিৰ অৱধাৰণা

সাৰ্বভৌমত্বৰ অৱধাৰণা

সাৰ্বভৌমত্ব এটা আইনগত অৱধাৰণা হিচাপে গ্ৰিকসকলৰ মাজত চলি থকা নাছিল। গতিকে এৰিষ্ট'টলো এই বিষয়ে অৱগত নাছিল। সাৰ্বভৌমত্ব শব্দটো লেটিন শব্দ supernas ৰপৰা আহিছে ইয়াৰ অৰ্থ হৈছে সৰ্বোচ্চ। সাৰ্বভৌমত্ব শব্দটোৰ আধুনিক অৰ্থ হৈছে ৰাষ্ট্ৰবোৰ অভ্যন্তৰীণভাৱে সকলোৰে ওপৰত আৰু বাহ্যিকভাৱে কোনো বিদেশী ৰাষ্ট্ৰৰ তলতীয়া নহয়। গ্ৰিক নগৰৰাষ্ট্ৰবোৰ অভ্যন্তৰীণভাৱে সৰ্বোচ্চ ক্ষমতাৰ অধিকাৰী আছিল আৰু বাহ্যিকভাৱে কোনো দেশৰে অধীন নাছিল যদিও সাৰ্বভৌমত্বৰ বিষয়ে গ্ৰিকসকলৰ কোনো স্পষ্ট আৰু নিৰ্দিষ্ট ধাৰণা নাছিল। এৰিষ্ট'টলে সৰ্বোচ্চ ক্ষমতা কাৰ হাতত আছিল আৰু কিমান সংখ্যক মানুহৰ হাতত আছিল সেইটো বিচাৰ কৰিছিল আৰু সেই ভিত্তিতে তেওঁ চৰকাৰৰ শ্ৰেণীবিভাগ কৰিছিল। ইয়াৰপৰা আমি তেওঁৰ সাৰ্বভৌমত্বৰ ধাৰণা এটা উলিয়াই লব পাৰোঁ। কিন্তু এৰিষ্ট'টলে নিজে এই বিষয়ে এনে কোনো ধাৰণা গ্ৰহণ কৰা নাছিল যাক আমি বৰ্তমান সাৰ্বভৌমত্ব বুলি কওঁ। তেওঁৰ অৱধাৰণাত এনে কোনো সাৰ্বভৌমত্বৰ কথা নাছিল যাক তেওঁ আইনৰ ওপৰত স্থান দিছিল। কিয়নো তেওঁৰ মতে আইনৰ ওপৰত কাৰোবাক কৰ্তৃত্ব দিলে তাৰদ্বাৰা আইনৰ বিলোপ সাধন হ'ব। গতিকে এৰিষ্ট'টলৰ মতে স্বয়ং আইনেই সাৰ্বভৌম আইনৰ বাহিৰে আন কোনো সাৰ্বভৌমত্বৰ অধিকাৰী নাই। তেওঁৰ মতে এনে কোনো সংবিধান নাই য'ত আইন সাৰ্বভৌম নহয়।

আধুনিক সাৰ্বভৌমত্ব এটা আইনগত অৱধাৰণা ৰোমদেশীয় আইনৰ ধাৰণাৰপৰা ইয়াৰ উৎপত্তি হৈছে আৰু ইয়াক আধুনিক জাতি ৰাষ্ট্ৰবোৰত প্ৰয়োগ কৰা হৈছে। এৰিষ্টটলে ৰাষ্ট্ৰৰ ভিতৰত সৰ্বোচ্চ শক্তিৰ কথা উল্লেখ কৰিছে আৰু এই সৰ্বোচ্চ শক্তি ৰাষ্ট্ৰৰ ভিতৰত ক'ত আছে সেই বিষয়েও আলোচনা কৰিছে। আধুনিক সাৰ্বভৌম শক্তিক এৰিষ্ট'টলৰ সৰ্বোচ্চ শক্তিৰ লগত একে বুলি ধৰিবলৈ আমাৰ স্বাভাৱিকতে প্ৰবল ইচ্ছা হব। কিন্তু আমি এইটো ভালদৰে বুজিব লাগিব যে এৰিষ্ট'টলে তেওঁৰ কইমনিয়াৰ লগত আন আন

সৰু সৰু সংস্থাবোৰৰ নৈতিক আৰু ৰাজনৈতিক সম্পৰ্কৰ পৰ্যালোচনা কৰিবলৈ তেওঁলোকৰ সৰ্বোচ্চ শক্তিৰ বিষয়ে আলোচনা কৰিছিল। কিন্তু তেওঁ আইনৰ দৃষ্টিত কোনো সৰ্বোচ্চ ক্ষমতাৰ কথা কোৱা নাছিল তেওঁ কৈছিল সামাজিক আৰু অৰ্থনৈতিক শ্ৰেণী এটাই সমাজত বিস্তাৰ কৰি থকা প্ৰকৃত সৰ্বোচ্চ ক্ষমতাৰ বিষয় এই শ্ৰেণীটোৰ আইনৰ বলতে সৰ্বোচ্চ ক্ষমতা ব্যৱহাৰ কৰা নাছিল ব্যৱহাৰ কৰিছিল শাৰীৰিক আত্মপ্ৰেৰণা বা অনুমোদনৰ বলতহে।

এৰিষ্টটলৰ মতে সৰ্বোচ্চ ক্ষমতা আছিল বস্তুনিষ্ঠ বা কাৰ্যত বৈধ বা আইনগত নহয়। এৰিষ্টটলে বিপ্লৱৰ বিষয়ে যিবোৰ মত দাঙি ধৰিছে সেইবোৰ বিবেচনা কৰিলে আমি এইটো বুজিব পাৰোঁ। আধুনিক যুগত বিপ্লৱে ৰাষ্ট্ৰৰ আইনসংগত ভেটিটো ভাঙি পেলায় কিন্তু এৰিষ্টটলৰ মতে এটা বিপ্লৱে এটা ৰাজনৈতিক পৰিৱৰ্তনৰ প্ৰতিনিধিত্ব কৰিছিল। কোনো বৈধ পৰিৱৰ্তনক প্ৰতিনিধিত্ব কৰা নাছিল। তেওঁৰ মতে বিপ্লৱে সামাজিক নৈতিক আৰু অৰ্থনৈতিক মানদণ্ডৰ পৰিৱৰ্তন সাধন কৰিছিল।

এৰিষ্টটলে বিভিন্ন গঠনৰ চৰকাৰ আৰু ৰাষ্ট্ৰৰ বিষয়ে আলোচনা কৰোঁতে আইনৰ সাৰ্বভৌমত্বৰ বিষয়ে উল্লেখ কৰিছিল। অৱশ্যে তেওঁ আইনৰ সাৰ্বভৌমত্বৰদ্বাৰা আইনগত সাৰ্বভৌমিক বুজোৱা নাছিল। ইয়াৰ অৰ্থ তেওঁ এইটো বুজাব বিচাৰিছিল যে আইন আৰু চৰকাৰৰ মাজত যিটো প্ৰকৃত সম্পৰ্ক আছে সেই সম্পৰ্কটোৰ মতে আইন হৈছে গৰাকী আৰু চৰকাৰ গৰাকীৰ এজেণ্ট। এৰিষ্টটলে কৈছে যে য'ত আইনৰ কৰ্তৃত্ব নাই তাত কোনো সংবিধান নাই। আইন সকলোৰে ওপৰত সৰ্বোচ্চ শক্তি হিচাপে থকা উচিত আৰু শাসকসকল বিশেষ কামৰ বিচাৰক হোৱা উচিত। আধুনিক অৰ্থগত সাৰ্বভৌমত্ব আটাইতকৈ ঘনিষ্ঠ এৰিষ্টটলীয় প্ৰতিৰূপ হৈছে নাগৰিকসকলৰ এটা সমিতি এই সমিতিটোৱে বিচাৰসম্বন্ধীয় আৰু বিশেষকৈ আইন প্ৰণয়ন সম্বন্ধীয় কাম কৰিছিল আৰু সেইবাবেই তেওঁ ৰাষ্ট্ৰৰ আৱশ্যকীয় কাৰ্য্য আছিল। আইন প্ৰণয়নকাৰীসকল সংবিধানৰ ওপৰত আছিল আৰু সংবিধানৰ মূল্যায়নকাৰী হিচাপে এওঁলোক সাৰ্বভৌম আছিল। আধুনিক সাৰ্বভৌমত্বৰ লগত তুলনামূলকভাৱে এক দুৰ্বল ধৰি লোৱা হলেও আধুনিক সাৰ্বভৌমত্বৰ অৱধাৰণ এৰিষ্টটলৰ সাৰ্বভৌমত্বৰ অৱধাৰণাতকৈ বহুত উচ্চ আৰু প্ৰগতিশীল।

ৰাজনীতিৰ প্ৰথম পুস্তকৰ দ্বিতীয় অধ্যায়ত এৰিষ্টটলে ৰাষ্ট্ৰৰ প্ৰকৃতি আৰু ৰাষ্ট্ৰীয় কৰ্তৃত্বৰ অধিকাৰৰ সমস্যাৰ ওপৰত সমালোচনা আগবঢ়াইছে। এজন গ্ৰীকদেশীয় মানুহ হিচাপে তেওঁ গ্ৰীকসকলৰ ঘৰুৱা জীৱন আৰু ৰাজনৈতিক জীৱনৰ ন্যায্যতাও বিশ্বাস কৰিছিল আৰু সেই একে দৃঢ়তৰে তেওঁ ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ কৰ্তৃত্বৰ ওপৰত বিশ্বাস কৰিছিল। গতিকে তেওঁৰ মতে প্ৰকৃতিগতভাৱেই নিজৰ সৰ্বোচ্চ উন্নতি আৰু মংগলৰ বাবে মানুহক এখন ঘৰ আৰু এখন ৰাষ্ট্ৰ

লাগে। ঘৰখনে মানুহৰ প্ৰাথমিক অভাৱ অসুবিধাবোৰ আঁতৰ কৰিব পাৰে আৰু ব্যক্তিৰ সাধাৰণ অৱস্থিতিৰ বাবে ইযেই যথেষ্ট হ'ব পাৰে কিন্তু ব্যক্তিৰ জীৱনৰ পূৰ্ণতা লাভ কৰিবলৈ ব্যক্তিক পৰিয়ালতকৈ ডাঙৰ আৰু উচ্চ এটা সামাজিক অনুষ্ঠানৰ প্ৰয়োজন আছে। প্ৰকৃতিগতভাৱেই মানুহ এবিধ ৰাজনৈতিক প্ৰাণী। যিবোৰ গুণ আৰু শক্তি থকা বাবে মানুহ প্ৰকৃতিৰ সৰ্বোচ্চ প্ৰাণী বুলি পৰিগণিত হৈছে সেইবোৰ গুণ আৰু শক্তিৰ বিকাশৰ বাবেই মানুহক এটা বিশেষ পৰিৱেশ লাগে যিটো পৰিৱেশ কেৱল ৰাষ্ট্ৰইহে দিব পাৰে আৰু ৰক্ষা কৰি থাকিব পাৰে। কেৱল ৰাষ্ট্ৰৰ ভিতৰতহে ব্যক্তি প্ৰকৃত মানুহ হ'ব পাৰে। সুখী আৰু সমৃদ্ধিশালী জীৱন গঢ়ি তুলিবলৈ মানুহক বিভিন্ন ধৰণৰ উচ্চ স্বাৰ্থ লাগে। কেৱল এখন ৰাষ্ট্ৰইহে বিভিন্ন ধৰণৰ উচ্চ স্বাৰ্থৰ সংগঠন কৰিব পাৰে আৰু সেইবোৰ ধৰি ৰাখিব পাৰে। কিয়নো সেইবোৰ সংগঠিত কৰিবলৈ এটা জটিল সমাজব্যৱস্থা লাগে আৰু তেনেকুৱা এটা সমাজব্যৱস্থা ৰাষ্ট্ৰ এখনেহে চলাই থাকিব পাৰে। এইবোৰ কাৰণত মানুহৰ বাবে ৰাষ্ট্ৰ এখনৰ প্ৰয়োজন—

(১) কেৱল ৰাষ্ট্ৰ এখনেহে মানুহৰ বাবে প্ৰয়োজনীয় বিভিন্ন ৰকমৰ স্বাৰ্থবোৰ গঢ়ি তুলিব পাৰে আৰু ইয়াৰ ফলত মানুহৰ জীৱন বিচিত্ৰময় হয়।

(২) নাগৰিক প্ৰশিক্ষণ আৰু ৰাষ্ট্ৰৰ কামত অংশগ্ৰহণ কৰাৰ জৰিয়তে ৰাষ্ট্ৰই মানুহক এটা ভাল জীৱন যাপন কৰাৰ বাবে উপযোগী কৰি তোলে।

(৩) ৰাষ্ট্ৰই সমাজত শান্তিপূৰ্ণ আৰু সুশৃংখল অৱস্থাৰ সৃষ্টি কৰে আৰু এই অৱস্থা বজাই ৰাখে। ৰাষ্ট্ৰই ইয়াৰ ওপৰত ন্যস্ত হোৱা কাৰ্য্যবোৰ সুকলমে সম্পাদন কৰিব লাগিলে ৰাষ্ট্ৰক সকলোবোৰ অনুষ্ঠানৰ ওপৰত স্থান দিব লাগিব। সেয়ে নহ'লে ৰাষ্ট্ৰই ইয়াৰ ওপৰত অৰ্পণ কৰা কাৰ্যবোৰ কৰিবলৈ সমৰ্থ নহ'ব।

ইয়াৰ পাছত এৰিষ্টটলে এই প্ৰশ্নটো উত্থাপন কৰিছে— সৰ্বোচ্চ ক্ষমতা ক'ত থকা উচিত— বহুতৰ হাতত নে ধনীসকলৰ হাতত অভিজাত বংশত জন্ম গ্ৰহণ কৰা লোকৰ হাতত নে ভাল মানুহৰ হাতত এজন মানুহৰ হাতত বা কেইজনমান মানুহৰ হাতত নে বহুতৰ হাতত। এই বিকল্প ব্যৱস্থাকেইটাৰ যিকোনো এটাৰ হাতত সৰ্বোচ্চ ক্ষমতা অৰ্পিত হ'লে তাৰ ফল সম্পূৰ্ণ ভাল আৰু শুভ নহয়। সৰ্বোচ্চ ক্ষমতা গৰীব জনতাৰ হাতত থাকিলে তেওঁলোকে ৰাষ্ট্ৰীয় কৰ্তৃত্ব ধনীসকলক শোষণ কৰিবলৈ ব্যৱহাৰ কৰিব আৰু সেইটো অন্যায় হ'ব। সৰ্বোচ্চ ক্ষমতা মুষ্টিমেয় ধনীসকলৰ হাতত থাকিলে তেওঁলোকেও নিজৰ শ্ৰেণীস্বাৰ্থ ৰক্ষা কৰিবলৈ আইন গ্ৰহণ কৰি গৰীবসকলক শোষণ কৰিব আৰু তাৰ ফলত গৰীবসকলৰ যথেষ্ট অনিষ্ট হ'ব। ভাল মানুহবোৰৰ হাতত সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰিলেও আন মানুহবোৰে অসন্মানিত বোধ কৰিব। বহুতো মানুহক সমূহীয়া

ভাৱে ললে তেওঁলোক কেইজনমান ভাল মানুহতকৈ বেছি ভাল হ'ব পাৰে। যথেষ্ট আলোচনাৰ পাছত এৰিষ্টটলে পালিটি বা ৰাজাবাদৰস্থাক উৎকৃষ্ট চৰকাৰ বুলি মন্তব্য কৰিছে আৰু সেই গতিকে তেওঁ এই চৰকাৰক প্ৰতিষ্ঠা কৰিবলৈ মধ্যবিত্ত শ্ৰেণীৰ হাতত সৰ্বোচ্চ ক্ষমতা অৰ্পিত হ'ব লাগে বুলি কৈছে।

এৰিষ্টটলে ৰাষ্ট্ৰত সৰ্বোচ্চ ক্ষমতাৰ অৱস্থানৰ ওপৰত যথেষ্ট গুৰুত্ব দান কৰিছিল। প্ৰকৃততে ৰাষ্ট্ৰৰ আচল পৰিচয় ইয়াৰ ওপৰতে নিৰ্ভৰ কৰে। যিবিলাক ৰাষ্ট্ৰীয় বিপ্লৱে ৰাষ্ট্ৰত থকা সৰ্বোচ্চ ক্ষমতাৰ অৱস্থানৰ কোনো পৰিৱৰ্তন সাধন নকৰে সেইবোৰ প্ৰকৃত অৰ্থত কোনো বিপ্লৱ নহয়। এইবোৰে কেৱল কিছুমান চৰকাৰী বিষয়ববীয়াৰ পৰিৱৰ্তনহে সাধন কৰে। কিন্তু যদি ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা এটা শ্ৰেণীৰ হাতৰপৰা আন এটা শ্ৰেণীৰ হাতলৈ যায় তেন্তে সেই ৰাষ্ট্ৰখনৰে পৰিৱৰ্তন হয়।

অষ্টিনৰ আইনগত সাৰ্বভৌমত্বৰ অৱধাৰণাৰ ওপৰত ভিত্তি কৰি আধুনিক সাৰ্বভৌমত্বৰ মতবাদ গঢ় উঠিছে। আধুনিক সাৰ্বভৌমত্বক খণ্ড-বিখণ্ড কৰিব নোৱাৰি আৰু চূড়ান্তভাৱে বিশ্লেষণ কৰিলে দেখিবলৈ পোৱা যায় যে সাৰ্বভৌমত্ব ৰাষ্ট্ৰৰ কোনো এটা অংগৰ হাতত থাকে। সাৰ্বভৌমত্বৰ আধুনিক অৱধাৰণাটো এনে এটা নীতিৰপৰা ওলাই আহিছে যিটো নীতিয়ে চূড়ান্ত আইন প্ৰণয়ন ক্ষমতাৰ লগত সাৰ্বভৌমত্বক একে বুলি গণ্য কৰিছে বিশেষকৈ সংবিধানৰ দ্বাৰা প্ৰণয়ন ক্ষমতাৰ লগত সাৰ্বভৌমত্বক একে বুলি ধৰা হৈছে। সমসাময়িক লেখকসকলৰ দৰে এৰিষ্টটলেও আইন প্ৰণয়ন কৰাটোক ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা বুলি স্বীকাৰ কৰা নাছিল আৰু সেই গতিকে তেওঁ ৰাষ্ট্ৰৰ আইন প্ৰণয়ন ক্ষমতা থকা অংগটোক সাৰ্বভৌম বুলি গণ্য কৰা নাছিল। তদুপৰি আধুনিক সাৰ্বভৌমত্বৰ অধীনত মিশ্ৰিত গঠনৰ চৰকাৰৰ স্থান নাই বিশেষকৈ তত্ত্বীয় দিশৰপৰা বিচাৰ কৰিলে। কিন্তু এৰিষ্টটলে যিখন আদৰ্শ ৰাজ্যাৱস্থাৰ কথা কৈছিল সেইখন মিশ্ৰিত গঠনৰ চৰকাৰেই আছিল।

গণতান্ত্ৰিক সংবিধানৰ ওপৰত এৰিষ্টটলৰ গভীৰ শ্ৰদ্ধা আৰু আস্থা আছিল। কিন্তু বৰ্তমান গণতন্ত্ৰত যি জনপ্ৰিয় সাৰ্বভৌমত্বৰ কথা প্ৰচলিত হৈছে সেই তত্ত্বৰ ওপৰত তেওঁৰ সমৰ্থন বিশেষ নাছিল। গতিকে তেওঁ সকলো মানুহৰ সমতা, সংখ্যাগৰিষ্ঠৰ শাসন, শাসিতসকলৰ সন্মতিৰ ভিত্তিত ৰাষ্ট্ৰৰ কৰ্তৃত্ব নিৰ্ধাৰণ আদি নীতিবোৰৰ ওপৰত কোনো গুৰুত্ব দিয়া নাছিল। বৰং এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ কৰ্তৃত্ব আৰু সাৰ্বভৌমত্বৰ ভেটি হৈছে প্ৰাকৃতিক আইন। মানুহ মৌলিকভাৱে অসমান আৰু প্ৰকৃতিয়ে শাসক আৰু শাসিতসকলৰ মাজত সম্বন্ধ স্থিৰ কৰি দিছে। সেইদৰে প্ৰকৃতিয়ে গৰাকী আৰু দাসসকলৰ মাজতো সম্বন্ধ ঠিক কৰি দিছে। শাসক আৰু শাসিতৰ সম্বন্ধ গৰাকী আৰু দাসৰ সম্বন্ধ

আদৰ ভিত্তিত প্ৰকৃতিয়ে ৰাষ্ট্ৰৰ ওপৰত সাৰ্বভৌমত্ব অৰ্পণ কৰিছে। কিন্তু তথাপি এৰিষ্টটলে জনপ্ৰিয় সভা আৰু আইনৰ বিচাৰালয়বোৰত জনতাক অংশ লবলৈ অনুমতি দিছিল। ইয়াৰ উদ্দেশ্য আছিল জনতাৰ মাজৰপৰা অসন্তুষ্টি নাইকিয়া কৰা আৰু জনতাৰ মনত বিপ্লৱৰ ভাবক ঠাই পাবলৈ নিদিয়া। গতিকে হয়তো দেখা যায় যে এৰিষ্টটলে বৌদ্ধিক দিশৰপৰা উপযুক্ততা বিবেচনা কৰি জনতাক জনপ্ৰিয় সভা আৰু আইনৰ বিচাৰালযবোৰত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিয়া নাছিল কেৱল কৌশল হিচাপেহে তেওঁ তাত জনতাৰ অংশগ্ৰহণ সমৰ্থন কৰিছিল।

এৰিষ্টটলে কৈছিল যে ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা আইনৰ অধীন হ'ব লাগে। শাসনৰ কৰ্তৃত্ব এজন কিছুমান বা বহুত বা যিমান জনৰেই হাতত নাথাকক লাগিলে সেই কৰ্তৃত্ব আইন অনুসৰিহে প্ৰয়োগ কৰিব লাগিব। কিন্তু যিবিলাক বিষয় আইনত স্পষ্টভাবে কোনো উল্লেখ কৰা নাথাকে সেইবোৰ বিষয়ত শাসনৰ কৰ্তৃপক্ষই নিজ ইচ্ছামতে সৰ্বোচ্চ ক্ষমতা প্ৰয়োগ কৰা উচিত। কিন্তু প্লেটোৰ দৰে এৰিষ্টটলেও অতিমানবীয চমৎকাৰ যোগ্যতাৰ বাবে বিশেষ ব্যৱস্থা ৰাখিব লাগে বুলি মন্তব্য কৰিছিল। ইয়াত তেওঁৰ মনলৈ আকৌ দাৰ্শনিক শাসকৰ কথাটোৱেই আহিছে। এৰিষ্টটলে যদিও চূড়ান্ত সাৰ্বভৌমত্বৰ অধিকাৰী আইন বুলি কৈছিল তথাপি তেওঁৰ মনৰপৰা ৰাজনৈতিক বিবেকৰ সন্দেহ আঁতৰ হোৱা নাছিল। কিয়নো তেওঁ ভালদৰে জানিছিল যে আইনৰ কাৰ্যকাৰিতা নিৰ্ভৰ কৰে ৰাজ্যব্যৱস্থাৰ ওপৰতহে। গতিকে যিবোৰ ৰাজ্যব্যৱস্থা ভাল আৰু বিশুদ্ধ তাৰ আইনো ভাল আৰু ভালদৰে কাৰ্যকৰী হয় আৰু যিবোৰ ৰাজ্যব্যৱস্থা বেয়া তাৰ আইনো বেয়া আৰু সেইবোৰ বেযাকৈ কাৰ্যকৰী হয়।

এৰিষ্টটলে কৈছে যে ৰাষ্ট্ৰৰ কাৰ্যৰ পৰিসৰ অৰ্থাৎ ইয়াৰ কৰ্তৃত্বৰ সীমা বা পৰিধি ৰাষ্ট্ৰৰ উদ্দেশ্য বা লক্ষ্যৰপৰা বুজিব পৰা যায়। তেওঁৰ মতে ৰাষ্ট্ৰৰ লক্ষ্য হৈছে মানুহক সৎগুণী আৰু সুখী কৰা আৰু সেই গতিকে ৰাষ্ট্ৰীয় কৰ্তৃত্ব ব্যৱহাৰৰ কোনো বৈধ পাৰসীমা থাকিব নোৱাৰে। অৱশ্যে এখন আদৰ্শ ৰাষ্ট্ৰত সৰ্বোচ্চ কৰ্তৃপক্ষই জনসাধাৰণৰ ওপৰত প্লেটোৱে কোৱাৰ দৰে সম্পত্তিৰ সাম্যবাদ আদিৰ দৰে কিছুমান সামাজিক অনুষ্ঠান জোৰ কৰি জাপি দিব নোৱাৰে। কিয়নো তেতিয়া ব্যক্তিৰ মুক্ত আৰু পূৰ্ণ বিকাশত অসুবিধা আহি যাব বৰং সৰ্বোচ্চ কৰ্তৃপক্ষই ব্যক্তিৰ মুক্ত আৰু পূৰ্ণ বিকাশৰ বাবে প্ৰয়োজনীয় অৱস্থা আৰু পৰিৱেশৰহে সৃষ্টি কৰিব লাগিব। প্লেটোৰ দৰে এৰিষ্টটলৰ কিন্তু এই ধৰণাটো মুঠেও নাছিল যে ৰাষ্ট্ৰই ব্যক্তিৰ সকলো ক্ষেত্ৰতে হস্তক্ষেপ কৰিব পাৰে প্ৰকৃতিয়ে ব্যক্তিক এনে কিছুমান স্বাধীনতাৰ ক্ষেত্ৰ দিছে য'ত হস্তক্ষেপ কৰাটো ৰাষ্ট্ৰৰপক্ষে কেতিয়াও বৈধ আৰু উচিত নহয়। এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ

সৰ্বোচ্চ ক্ষমতাক কোনেও প্ৰত্যাহ্বান জনাব নোৱাৰে। কাৰণ মানুহক গুণী আৰু সুখী কৰিব লাগিব আৰু এইটো কৰিবৰ বাবে — ৰাষ্ট্ৰই কেনেকৈ বা কিমান পৰিমাণে মানুহৰ জীৱনৰ ওপৰত হস্তক্ষেপ কৰিছে সেইটো সমালোচনা কৰাৰ বিশেষ প্ৰয়োজন নাই। কোনো ব্যক্তিক বিশেষ কিছুমান অধিকাৰৰ গৰাকী বুলি গণ্য কৰা নহয় বা সমাজৰ বাহিৰত থকা বস্তু প্ৰকৃততে মানুহ বুলিয়েই গণ্য কৰা নহয়।

ওপৰৰ আলোচনাত এইটো পৰিষ্কাৰ হৈ পৰিছে যে এৰিষ্টটলে ৰাষ্ট্ৰৰ সাৰ্বভৌম কৰ্তৃত্বৰ স্থান আৰু গৰাকী নিৰ্ধাৰণ কৰোঁতে নৈতিক বিভাজন মূলক ন্যায়ৰ তত্ত্ব আৰু তেওঁৰ ৰাষ্ট্ৰৰ প্ৰকৃতি আৰু লক্ষ্যৰ অৱধাৰণাটোক ব্যৱহাৰ কৰিছে। তেওঁৰ মতে ৰাষ্ট্ৰখন হৈছে এটা সামাজিক সংস্থা আৰু ইয়াৰ এটা নৈতিক লক্ষ্য আছে। যিসকল মানুহৰ হাতত ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা থাকিলে ৰাষ্ট্ৰই ইয়াৰ নৈতিক লক্ষ্যত উপনীত হ'ব পাৰে সেইসকল মানুহৰ হাতত ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা থাকিব লাগে বা থকাটো উচিত। গতিকে ৰাষ্ট্ৰীয় কৰ্তৃত্ব গুণী সকলৰ হাতত থাকিব লাগে অৰ্থাৎ যিসকল লোকৰ গাত প্ৰকৃতিদত্ত নৈতিক আৰু বৌদ্ধিক প্ৰতিভা থাকে আৰু পাছতো তেওঁলোকে কাৰ্যকৰী আৰু বাস্তৱ জ্ঞান আহৰণ কৰি লয় তেওঁলোকৰ ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা প্ৰয়োগ কৰাৰ বাবে যোগ্যতা আছে। এইটোক এৰিষ্টটলে পথপ্ৰদৰ্শক নীতি হিচাপে লৈ সাৰ্বভৌমত্ব কাৰ হাতত থকা উচিত—এজনৰ হাতত কেইজনমানৰ হাতত নে বহুতৰ হাতত—এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ আগবাঢ়িছে।

আৰম্ভণীতে তেওঁ আমাক মনত পেলাই দিছে যে প্ৰত্যেক মানুহৰে মন আৰু মনত পাশবীয় উপাদান আছে গতিকে সৰ্বোচ্চ ক্ষমতা এজন মানুহ বা এটা মানুহৰ গোটৰ হাতত থকা উচিত নহয় আইনৰ হাতত থকাহে উচিত কিয়নো আইন হৈছে উত্তেজনাবিহীন জ্ঞান'। কিন্তু আইন কেতিয়াও পৰিপূৰ্ণ আৰু সম্পূৰ্ণ নহয়। গতিকে এনে অৱস্থাত সৰ্বোচ্চ ক্ষমতা এজন মানুহ নে কেইজনমান মানুহ বা বহুতো মানুহৰ হাতত থকা উচিত? প্ৰথমতে তেওঁ কৈছে যে সৰ্বোচ্চ ক্ষমতা এজন মানুহৰ হাতত থকাটো উচিত নহয়। প্ৰত্যেকজন মানুহৰে কিছুমান মানসিক দুৰ্বলতা আছে। মানুহ উত্তেজনাৰ দাস মানুহৰ জীৱনত বহুতো দুৰ্ঘটনা ঘটে। এইবোৰৰ উপৰিও এজন মানুহে সৰ্বোচ্চ ক্ষমতা একচেটিয়াভাৱে ব্যৱহাৰ কৰি থাকিলে আন মানুহবোৰৰ মনত অশান্তিৰ দেখা দিয়ে বিশেষকৈ ৰাষ্ট্ৰৰ ভিতৰত থকা বিবোৰ মানুহৰ সন্মান আৰু খ্যাতি লাভ কৰিবলৈ যোগ্যতা থাকে সেইবোৰ মানুহৰ মনত গভীৰ অশান্তিৰ সৃষ্টি হয়। দ্বিতীয়তে তেওঁ কৈছে যে সেই একে যুক্তিত সাৰ্বভৌমত্ব কেইজনমান মানুহৰ হাততো অৰ্পণ কৰিব নোৱাৰি। কিয়নো ইয়াৰ ফলতো বহুতো যোগ্যতাসম্পন্ন মানুহ সন্মান আৰু খ্যাতি লাভৰপৰা বঞ্চিত হ'ব আৰু তেনেকুৱা তেওঁলোকৰ মনত অসন্তোষৰ সৃষ্টি হ'ব। তৃতীয়তে তেওঁৰ মতে

বিপ্লবমুখী হ'ব পাৰে। এইবোৰ কাৰণতে তেওঁ এইটো সিদ্ধান্তত উপনীত হৈছে যে সাৰ্বভৌমত্ব বহুতৰ হাতত থকা উচিত। ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা বহুতৰ হাতত থাকলে জনসাধাৰণৰ মাজত অসন্তোষৰ সৃষ্টি হোৱাৰ সম্ভাৱনা ক্ষীণ আৰু ইয়াৰ ফলত বিপ্লৱৰ এটা প্ৰধান আৰু শক্তিশালী কাৰণ নাইকিয়া হ'ব পাৰে। কেইজনমান উৎকৃষ্ট মানুহতকৈ বহুত মানুহৰ জ্ঞান বেছি। গতিকে কেইজনমান উৎকৃষ্ট মানুহৰ হাতত সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰাতকৈ বহুত মানুহৰ হাতত সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰাই ভাল। তদুপৰি কেইজনমান উৎকৃষ্ট মানুহৰ সামৰ্থ্যৰ তুলনাত বহুত মানুহৰ সামৰ্থ্য বহুত বেছি যদিও ইয়াতো একেবাৰে অসুবিধা নথকা নহয়। বিভাজনমূলক ন্যায়ৰ নীতি মানি চলিব লাগিলেও ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা বহুতৰ হাতত অৰ্পণ কৰিব লাগিব। জ্ঞানক সাৰ্বভৌমত্ব অৰ্পণৰ মানদণ্ড বুলি ধৰিলেও বহুতৰ হাততে ইয়াক অৰ্পণ কৰিবলগীয়া হয় কিয়নো ব্যক্তিগতভাৱে একোজন মানুহৰ জ্ঞান যথেষ্ট কম হ'লেও বহুতৰ জ্ঞান একেলগে বিচাৰ কৰিলে সেই জ্ঞানৰ গুণ আৰু পৰিমাণৰ মূল্য যথেষ্ট বেছি। গতিকে বহুতৰ গুণ আৰু সামৰ্থ্য এজন উৎকৃষ্ট মানুহ বা কেইজনমান উৎকৃষ্ট মানুহৰ গুণ আৰু সামৰ্থ্যতকৈ বেছি। বহুতো মানুহ কোনো আলোচনাত লগ লাগিলে বা বহুতো মানুহে কোনো ৰাজনৈতিক কাম কৰিলে তাৰ গুণ আৰু কাৰ্য্যকাৰিতা সুকীয়া। তদুপৰি কেইজনমান মানুহতকৈ বহুতো মানুহ কম পৰিমাণে দুৰ্নীতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। যদি সম্পত্তিৰ ভিত্তিতো সাৰ্বভৌমত্ব অৰ্পণ কৰিবলগীয়া হয় তেতিয়াও আমি বহুতৰ হাততে সৰ্বোচ্চ ক্ষমতা দিব লাগিব। কিয়নো আটাইবোৰ ধনী মানুহৰ সম্পত্তিৰ পৰিমাণ আৰু মূল্যতকৈ জনসাধাৰণৰ সম্পত্তিহে বেছি মূল্যবান হ'ব। তৃতীয়তে প্ৰশাসনৰ বাবে সামৰ্থ্যৰ ভিত্তিত সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰিব লাগিলেও এজন মানুহ বা এটা সম্পত্তিশালী শ্ৰেণীৰ মানুহৰ সামৰ্থ্যতকৈ বহুতৰ সমূহীয় সামৰ্থ্য নিশ্চয় বেছি হ'ব। এই সকলোবোৰ কথা বিবেচনা কৰিলে এইটো দেখা যায় যে যিবোৰ নীতিৰ ওপৰত ভিত্তি কৰি মানুহে শাসন কৰাৰ অধিকাৰ দাবী কৰে আৰু আন সকলোবোৰ মানুহক তলতীয়া কৰি ৰাখিব খোজে সেইবোৰৰ কোনোটোৱেই সম্পূৰ্ণ শুদ্ধ নহয়। এ্যাৰিষ্টটলে কৈছে যে কেৱল ৰাষ্ট্ৰখনৰ অবস্থিতিটো বজাই ৰখাৰ কথা বিবেচনা কৰিলে মুক্ত জন্ম গুণ সম্পত্তি সামৰ্থ্য আদিৰ ভিত্তিত শাসন কৰাৰ দাবী কৰিলে সেই দাবীবোৰ একেবাৰে অশুদ্ধ নহয় কিন্তু আমি যদি ৰাষ্ট্ৰৰ ভিতৰত থাকি ভাল জীৱন যাপন কৰাৰ কথা ভাবো তেতিয়া উপযুক্ত প্ৰশিক্ষণ আৰু গুণৰ ভিত্তিত শাসন কৰাৰ দাবী কৰিলেহে সেই দাবীৰ প্ৰতি বেছি গুৰুত্ব দিব লাগিব।

এ্যাৰিষ্টটলে জনসাধাৰণৰ সাৰ্বভৌমত্ব সমৰ্থন কৰিছে যদিও জনসাধাৰণৰ হাতত ৰাষ্ট্ৰ শাসনৰ দায়িত্ব দিবলৈ কোৱা নাই। তেওঁ কৈছে যে জনসাধাৰণে প্ৰতক্ষ

ভাৱে ৰাষ্ট্ৰৰ কাৰ্য্য চলোৱা উচিত নহয়। তেওঁৰ মতে জনসাধাৰণৰ প্ৰশাসন চলোৱাৰ বাবে সামৰ্থ্যৰ অভাৱ আছে কিন্তু তেওঁলোকে ভালদৰে জানে চৰকাৰৰ কোনবোৰ কাৰ্য্য জনসাধাৰণৰ ভালৰ বাবে সহায়ক আৰু কোনবোৰ কাৰ্য্য ইয়াৰ বাবে অনিষ্টকৰ। সংগীতৰ ক্ষেত্ৰত শ্ৰোতাসকলে কোনটো গান ভাল হৈছে আৰু কোনটো গান বেয়া হৈছে জানে অথচ তেওঁলোকৰ সৰহ ভাগেই নিজে গান গাব নাজানে। ভোজখোৱাৰ ক্ষেত্ৰত খাওঁতাসকলে জানে কোনখন তৰকাৰী ভাল হৈছে আৰু কোনখন বেয়া হৈছে। অথচ খাওঁতাসকলৰ বেছিভাগেই ৰান্ধিব নাজানে। ঠিক তেনেকৈ জনসাধাৰণেও চৰকাৰৰ কৰ্মৰ বিচাৰ বিবেচনা কৰিব পাৰে আৰু চৰকাৰৰ কাৰ্য্য পৰিচালনাৰ বাবে উপযুক্ত লোক বাছি দিব পাৰে। গতিকে জনসাধাৰণৰ কাম প্ৰশাসন চলোৱা নহয় প্ৰশাসনৰ বাবে উপযুক্ত লোক নিৰ্বাচন কৰাহে। তদুপৰি জনসাধাৰণে ৰাষ্ট্ৰৰ প্ৰশাসনৰ ওপৰত চোকা নজৰ দি থাকিব লাগে চৰকাৰী হিচাপ পৰীক্ষা কৰিব লাগে আৰু চৰকাৰী বিষয়াসকলে তেওঁলোকৰ কাম কাজত কৰা বিচ্যুতিৰ বাবে তেওঁলোকক নিন্দা সমালোচনা আদি কৰিব লাগে। গতিকে আমি এইটো পৰিষ্কাৰভাৱে বুজা উচিত যে এৰিষ্টটলৰ জনপ্ৰিয় সাৰ্বভৌমত্বৰ অৱধাৰণাটোৰ কিছুমান সীমাবদ্ধতা আছে।

(ক) প্ৰত্যেক মানুহৰে গাত আৰু মনত উত্তেজনা আৰু আশা আকাংক্ষা আছে গতিকে ৰাষ্ট্ৰৰ ভিতৰত সৰ্বোচ্চ ক্ষমতা আইনৰ হাতত থকা উচিত।

(খ) আইন যত ব্যৰ্থক বা অসম্পূৰ্ণ তাতহে সৰ্বোচ্চ ক্ষমতা মানুহৰ হাতত থকা উচিত কিন্তু তাতো কেতিয়াও এজন বা কেইজনমান মানুহৰ হাতত সৰ্বোচ্চ ক্ষমতা থকা উচিত নহয় বহুত মানুহ বা জনসাধাৰণৰ হাততহে এই ক্ষমতা থকা উচিত।

(গ) জনসাধাৰণ বোলোঁতে ইয়াত তিৰোতা দাস আৰু ৰাষ্ট্ৰত থকা বিদেশী অধিবাসীসকলক ধৰা হোৱা নাই।

(ঘ) জনসাধাৰণে শাসনৰ প্ৰকৃত কৰ্মত তেওঁলোকৰ ক্ষমতা ব্যৱহাৰ কৰিব নোৱাৰে বা কৰাটো উচিত নহয় তেওঁলোকে কেৱল প্ৰশাসনৰ বাবে উপযুক্ত লোক নিৰ্বাচিত কৰিব লাগে আৰু প্ৰশাসকসকলৰ কাৰ্য্যাৱলীৰ ওপৰত চোকা নজৰ দিব লাগে।

(ঙ) এৰিষ্টটলে জনপ্ৰিয় সাৰ্বভৌমত্বক সমৰ্থন কৰিছে যদিও তেওঁৰ এই সমৰ্থন এটা প্ৰধান চৰ্তৰ ওপৰত নিৰ্ভৰশীল। সেই চৰ্তটো হৈছে—জনসাধাৰণে মুঠতে এটা নিৰ্দিষ্ট পৰিমাণৰ সামৰ্থ্য বা গুণ লাভ কৰিব লাগিব অৰ্থাৎ তেওঁলোকে শাসন কৰিবলৈ আৰু শাসিত হ'বলৈ আৱশ্যকীয় যোগ্যতা লাভ কৰিব লাগিব। যদি জনসাধাৰণে এইখিনি যোগ্যতা লাভ কৰিব নোৱাৰে আৰু যদি তেওঁলোকৰ মাজত এনে এজন মানুহ বা এনে কিছুমান মানুহ থাকে যাৰ বা যিসকলৰ

যোগ্যতা আৰু গুণ জনসাধাৰণৰ যোগ্যতা বা গুণতকৈ বেছি তেতিয়া সেই যোগ্য লোকজন বা সেইসকল যোগ্য লোকৰ হাতত ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা গতাই দিয়া টোৱেই ভাল হ'ব।

ন্যায়ৰ অৱধাৰণা

এৰিষ্টটলৰ ন্যাযৰ অৱধাৰণা প্লেটোৰ ন্যাযৰ অৱধাৰণাৰ লগত মৌলিক ভাৱে পৃথক। এৰিষ্টটলৰ মতে ন্যায হৈছে এক প্ৰকাৰৰ বিশেষ গুণ আৰু ইয়াক সম্পূৰ্ণ গুণ বুলি বিবেচনা কৰিব পাৰি। এটা বিশেষ গুণ হিচাপে ন্যায় লাভ কৰিব লাগিলে সমতাৰ নীতি মানি চলিব লাগিব আৰু ৰাষ্ট্ৰই এই নীতি প্ৰয়োগ কৰিব লাগিব। এজন মানুহক ন্যাযপৰাযণ মানুহ বুলি ক'ব লাগিলে তেও নিজৰ বাবে যিখিনি প্ৰযোজনীয সেইখিনিহে ল'ব লাগিব তাতকৈ অলপো বেছি ল'বলৈ ইচ্ছা কৰিব নালাগিব। আৰু আন মানুহবোৰৰ বাবে যিখিনি প্ৰয়োজনীয় সেই খিনি আন মানুহবোৰে ল'লে তেও কেতিযাও বেয়া পাব নালাগিব তেতিয়াহে তেওঁক ন্যায়পৰাযণ লোক বুলি ক'ব পৰা যাব। এই কথাটোৰ দুটা অৰ্থ আছে। এটা অৰ্থত এজন মানুহৰ আন মানুহবোৰৰ বিৰুদ্ধে কিছুমান অধিকাৰ আছে আৰু আনটো অৰ্থত তেও যিবোৰ সামাজিক বা ৰাজনৈতিক সংস্থাৰ সভ্য সেই বোৰৰ বিৰুদ্ধেও তেওঁৰ কিছুমান অধিকাৰ আছে। ইয়াৰপৰাই বিশেষ গুণৰ দুটা দিশ ওলাই পৰে। সেই দুটা দিশ হৈছে— সংশোধনমূলক ন্যায় আৰু বিভাজনমূলক ন্যায়। প্ৰথমটো সংশোধনমূলক ন্যাযৰ অধীনত পৰে আৰু দ্বিতীয়টো বিভাজনমূলক ন্যায়ৰ অধীনত পৰে।

সংশোধনমূলক ন্যায়

সমূহীয়া স্বাৰ্থৰ উন্নতি সাধন হ'লেহে ন্যায় প্ৰতিষ্ঠা হয়। ন্যায় বুলিলে এক প্ৰকাৰৰ সমতাকে বুজিব লাগিব। যেতিয়া কোনো এজন মানুহে আন এজন মানুহৰ অনিষ্ট সাধন কৰিবলৈ কিবা এটা বেয়া কাম কৰে তেতিয়া এই সমতা ভংগ হয কিয়নো ইয়াৰদ্বাৰা বেয়া কাম কৰোঁতাজনৰ লাভ হয়। গতিকে যিজন মানুহৰ অনিষ্ট সাধন কৰিবলৈ কোনোৱে বেয়া কাম কৰে সেইজন মানুহক ৰক্ষণা বেক্ষণ দিয়াটো আৰু অনিষ্ট কৰোঁতাজনক শাস্তি দিয়াটো ৰাষ্ট্ৰৰ কৰ্তব্য। তদুপৰি সেই বেযা কামটোৰ ফলত মানুহজনৰ যিখিনি ক্ষতিসাধন হয় বা যিখিনিৰ

পৰা মানুহজন বঞ্চিত হয় সেইখিনি তেওঁক পুনৰ দিয়াটোও ৰাষ্ট্ৰৰ কৰ্তব্য এইখিনি কাম কৰিলেহে ৰাষ্ট্ৰই ইয়াৰ কৰ্তব্য সম্পন্ন কৰা হ'ব আৰু এইখিনি কৰিলেই সংশোধনমূলক ন্যায় প্ৰতিষ্ঠা হয়।

বিভাজনমূলক ন্যায়

যোগ্যতাৰ বলত যিসকল লোক ৰাষ্ট্ৰীয় পদবী পোৱাৰ যোগ্য সেইসকল লোকৰ মাজত ৰাষ্ট্ৰীয় পদবীবোৰ গুণানুসাৰি ভগাই দিয়াৰ অৰ্থই হৈছে বিভাজন মূলক ন্যায়। বিভাজনমূলক ন্যায়ে দাবী কৰে যে ৰাষ্ট্ৰই যোগ্যতাৰ মাপকাঠিত নাগৰিকসকলৰ মাজত ৰাষ্ট্ৰীয় পদবী আৰু সন্মানবোৰ ভগাই দিয়া উচিত। আন কথাত ব্যক্তিগত যোগ্যতাৰ ভিত্তিত নাগৰিকসকলক ৰাজনৈতিক সা সুবিধা আৰু সন্মানবোৰ দিয়া উচিত। ন্যায়ৰ এই ধৰণৰ এটা নীতিয়ে স্বাভাৱিকতে অসমান অংশৰ সূচনা কৰিব। দেখাত এই নীতি সমতাৰ নীতিৰ বিৰুদ্ধেও যাব। স্বল্পতন্ত্ৰবাদীসকল আৰু গণতন্ত্ৰবাদীসকলৰ মতে সকলোবোৰ নাগৰিক সমান আৰু সেই গতিকে নাগৰিকসকলৰ মাজত গুণ সামৰ্থ্য আৰু সম্পত্তিৰ মাপকাঠিৰে বিচাৰ কৰিলে যথেষ্ট পাৰ্থক্য ওলাব পাৰে যদিও তেওঁলোক সকলোৱে সমানভাৱে ৰাষ্ট্ৰীয় সন্মান আৰু পদবীৰ অংশ পোৱা উচিত। গণতন্ত্ৰবাদীসকলৰ মতে সকলোবোৰ নাগৰিক মুক্তভাৱে জন্মগ্ৰহণ কৰা লোক গতিকে তেওঁলোক সকলোৱে সমান। তেওঁলোকৰ মতে বস্তুনিৰপেক্ষ সমতা স্থাপন কৰিব পাৰিলেহে ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠিত হয়। আনহাতে স্বল্পতন্ত্ৰবাদীসকলৰ মতে অসমতাৰ মাজতহে ন্যায় প্ৰতিষ্ঠিত হয়। তেওঁলোকে বিশ্বাস কৰে যে সম্পত্তিশালী লোকসকল জন সাধাৰণতকৈ উচ্চ আৰু বেছি সমৰ্থ আৰু সেই গতিকে তেওঁলোকে বেছি ক্ষমতা আৰু সন্মান লাভ কৰা উচিত। অৱশ্যে তেওঁলোকে নিজৰ মাজত ৰাষ্ট্ৰীয় সন্মান আৰু ক্ষমতা সমানে ভাগ কৰি লৈ উপভোগ কৰাটো উচিত।

এইদৰে গণতন্ত্ৰবাদী আৰু স্বল্পতন্ত্ৰবাদীসকলে ৰাষ্ট্ৰীয় সন্মান আৰু পদবী বিতৰণৰ ক্ষেত্ৰত তেওঁলোকৰ নিজৰ সুবিধাৰ বাবে এটা নিৰ্দিষ্ট ন্যায়ৰ নীতি অনুসৰণ কৰে। কিন্তু তেওঁলোকে যিবোৰ নীতি অনুসৰণ কৰে সেইবোৰ নীতি ভুল। তেওঁলোকে এইটো পাহৰি যায় যে ৰাষ্ট্ৰৰ কাম কেৱল সমাজখন ধৰি ৰখাই নহয় বা সমাজত অপৰাধ সংঘটিত হ'বলৈ নিদিয়াটোও নহয় অথবা ব্যৱসায় বাণিজ্য চলাই থকাৰ সুবিধা কৰি দিয়াও নহয়। ৰাষ্ট্ৰখন হৈছে এটা ডাঙৰ নৈতিক সংস্থা বা এটা জানৰ ব্যৱসায়ী সংস্থা। সেই গতিকে স্বাভাৱিকতে ৰাষ্ট্ৰ বা জাতিৰ নৈতিক জীৱন সমৃদ্ধ কৰিবলৈ আৱশ্যকীয় বৰঙণি যোগাব পৰা সামৰ্থ্যৰ ভিত্তিত

নাগৰিকসকলৰ মাজত ৰাষ্ট্ৰীয় সন্মান আৰু পদবীবোৰ বিতৰণ কৰা উচিত। এৰিষ্টটলৰ মতে সংখ্যাগত সমতা স্থাপন হ'লেই ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠিত হ'ব নোৱাৰে সমানুপাতিক সমতা স্থাপিত সম্পত্তিৰ ভিত্তিত নিৰ্ধাৰণ হ'ব নোৱাৰে নিৰ্ধাৰণ হ'ব লাগিব গুণ আৰু সামৰ্থ্যৰ ভিত্তিতহে। গতিকে এৰিষ্টটলে সংখ্যা গত সমতাৰ নীতিক সমালোচনা কৰিছিল আৰু সমানুপাতিক সমতাৰ নীতিৰ প্ৰবক্তা হিচাপে নিজৰ মতামত দাঙি ধৰিছিল। ৰাষ্ট্ৰৰ নৈতিক উন্নতি সাধন আৰু সমূহীয়া কল্যাণৰ কাৰণে ৰামচন্দ্ৰন আৰু পট্টবৰ্ধনে সমান বৰঙণি যোগালে। ৰাষ্ট্ৰই তেওঁলোকক সমানে পুৰস্কৃত কৰা উচিত। অৱশ্যে এইক্ষেত্ৰত তেওঁলোক দুয়োজনৰে ব্যক্তিগত সামৰ্থ্য আৰু যোগ্যতাও সমান হ'ব লাগিব। কিন্তু যদি তেওঁলোক দুয়োজনৰ ব্যক্তিগত সামৰ্থ্য আৰু যোগ্যতা সমান নহয় তেতিয়া তেও লোকক যোগ্যতা অনুসৰি সমানুপাতিকভাৱে পুৰস্কৃত কৰা উচিত। বেছি প্ৰতিভাশালী লোকসকলে বেছিকৈ পুৰস্কাৰ পালে আৰু কম প্ৰতিভাশালী লোক সকলে কমকৈ পুৰস্কাৰ পালে ৰাষ্ট্ৰত ন্যায় চলি থকা বুলি ক'ব পাৰি। এই ধৰণৰ বিভাজনমূলক ন্যায়ে জনসাধাৰণৰ সকলো অংশৰ লোকক সন্তুষ্ট কৰি ৰাখিব পাৰে আৰু ই ৰাষ্ট্ৰ এখনত বিপ্লৱ সংঘটিত হোৱাতো বাধা দি থাকিব পাৰে ইয়াৰ ফলত ৰাষ্ট্ৰৰ সংবিধানখন স্থায়ী আৰু কাৰ্যকৰী হয়। ৰাজনৈতিক তত্ত্ব হিচাপেও বিভাজনমূলক ন্যায়ৰ আৱশ্যক আছে। বিভাজনমূলক ন্যায়ৰ এই অৱধাৰণাটোৱে এটা ভুল গণতান্ত্ৰিক ধাৰণা শুধৰ কৰিছে। সেই ধাৰণাটো হৈছে— প্ৰত্যেকজন নাগৰিক প্ৰত্যেক বিষয়তে আন প্ৰত্যেকজন নাগৰিকৰ লগত সমান। বিভাজনমূলক ন্যায়ৰ এই অৱধাৰণাটোৰ সহায়ত আধুনিক যুগত দণ্ডবিধি আইন আৰু কাৰ্য্যবিধি আইনৰ ভিত্তি ৰচনা কৰা হৈছে।

সম্পূৰ্ণ গুণ হিচাপে ন্যায়

ৰাষ্ট্ৰই সকলোবোৰ নাগৰিকৰ জীৱন সম্পূৰ্ণৰূপে গুণী কৰি গঢ়ি তুলিবলৈ চেষ্টা কৰে। ৰাষ্ট্ৰই বিভাজনমূলক ন্যায়ৰ নীতি বান্ধি দিয়ে আৰু সেই নীতি অনুসৰি ৰাষ্ট্ৰীয় পদবী আৰু সন্মানবোৰ নাগৰিকসকলৰ মাজত বিতৰণ কৰি দিয়া হয়। সেইদৰে ৰাষ্ট্ৰই সংশোধনমূলক ন্যায়ৰ নীতিও বান্ধি দিয়ে। সংশোধনমূলক ন্যায়ৰ নীতি কাৰ্যকৰী হোৱাৰ ফলত ব্যক্তিসকলে বেয়া কাম কৰাৰপৰা আঁতৰত থাকে কিয়নো বেয়া কাম কৰিলে শাস্তি ভোগ কৰিব লগা হয়। গতিকে ব্যক্তিয়ে বেয়া কাম কৰি লাভবান হ'ব নোৱাৰে। কিয়নো যদিহে ৰাষ্ট্ৰই বান্ধি দিয়া বিভাজনমূলক ন্যায়ৰ নীতি আৰু সংশোধনমূলক ন্যায়ৰ নীতি

সম্পূৰ্ণৰূপে মানি চলে তেৱেঁই প্ৰকৃত ন্যায়পৰায়ণ লোক। কিয়নো, ৰাষ্ট্ৰৰ আইনে এটা সম্পূৰ্ণভাৱে গুণী জীৱন গঢ়ি তুলিবলৈ বিচাৰে। ৰাষ্ট্ৰৰ আইনবোৰ সম্পূৰ্ণভাৱে কাৰ্যকৰী হ'লে আৰু স্বেচ্ছাই নাগৰিকসকলে মানি চলিলেহে সম্পূৰ্ণ গুণী জীৱন গঢ়ি তোলাটো সম্ভৱপৰ হয়।

ৰাষ্ট্ৰত ন্যায়ৰ স্থান

এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ চৰিত্ৰ আৰু গুণ প্ৰধানকৈ নিৰ্ভৰ কৰে এটা কথাৰ ওপৰত। সেই কথাটো হৈছে ৰাষ্ট্ৰত নাগৰিকসকলৰ জীৱন আৰু কাৰ্যাৱলীৰ ওপৰত ন্যায়ৰ অধিকাৰ কিমানখিনি সাব্যস্ত হৈছে। কিয়নো এখন আদৰ্শ ৰাষ্ট্ৰত ন্যায়ে মানুহৰ জীৱন আৰু কাৰ্যাৱলী নিয়ন্ত্ৰণ কৰিব লাগে। এৰিষ্টটলে ৰাষ্ট্ৰত ন্যায়ৰ নিয়ন্ত্ৰণৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তলৰ কথাখিনিৰ পৰা ইয়াৰ ভাল প্ৰমাণ পোৱা যায়।

তেওঁ এইদৰে কৈছিল—

প্ৰকৃতিয়ে সকলো মানুহকে সামাজিক প্ৰবৃত্তি দিছে। তথাপি যিজন মানুহে পোনপ্ৰথমে ৰাষ্ট্ৰখন প্ৰতিষ্ঠা কৰিছিল তেৱেঁই মানৱ জাতিৰ শ্ৰেষ্ঠ হিত সাধোঁতা। মানুহৰ কোনো দোষ নাথাকিলেও মানুহ সকলো প্ৰাণীৰ ভিতৰতে শ্ৰেষ্ঠ কিন্তু যেতিয়া মানুহক আইন আৰু ন্যায়ৰ পৰা আঁতৰ কৰি অনা হয় তেতিয়া মানুহেই সকলোতকৈ বেয়া। কিয়নো সুৰক্ষিত অন্যায় বেছি ভয়াবহ আৰু বিপদজনক। মানুহ জন্মৰে পৰা বুদ্ধি বৃত্তি আদিৰে সুসজ্জিত আৰু মানুহৰ নৈতিক গুণ আছে। মানুহে এই আটাইবোৰ গুণ ভাল কামৰ বাবে ব্যৱহাৰ নকৰি বেয়া কামৰ বাবে ব্যৱহাৰ কৰিব পাৰে। গতিকে মানুহৰ জ্ঞান নাথাকিলে মানুহ বৰ অসৎ হ'ব পাৰে আৰু তেতিয়া মানুহ জন্তুতকৈও ভয়াবহ হয় লোভ আৰু খং তেতিয়া মানুহৰ অত্যন্ত বেছি হয়। কিন্তু ৰাষ্ট্ৰত ন্যায়ে মানুহক সুশৃংখলিত আৰু সংঘবদ্ধ কৰি ৰাখে। ন্যায়ৰ প্ৰশাসনে ৰাষ্ট্ৰত ন্যায় কথা আৰু কাৰ্য ঠিক কৰে আৰু ন্যায়েই হৈছে ৰাজনৈতিক সমাজৰ শৃংখলা ৰক্ষাৰ মৌলিক নীতি।

ওপৰৰ কথাখিনিৰ পৰা এইটো পৰিষ্কাৰ হৈ পৰিছে যে মানুহৰ সামাজিক জীৱন সম্ভৱপৰ আৰু সহনীয় কৰি তুলিবলৈ মানুহৰ মাজত ৰাষ্ট্ৰৰ জন্ম হৈছে। ৰাষ্ট্ৰই মানুহৰ মাজত ন্যায় চলাই থকা বাবেহে সমাজত শৃংখলা আৰু সংহতি অটুট আছে। অন্যথাই জন্তু-জানোৱাৰৰ জীৱনতকৈও মানুহৰ জীৱন বেয়া আৰু অসহনীয় হৈ পৰিলহেঁতেন। যেতিয়া মানুহৰ সমাজখন হয়তো বৰ্ণনা কৰা

সমাজখনৰ দৰেই হ'লহেঁতেন। হবছৰ মতে প্ৰকৃতিৰ ৰাজ্যখনত অনবৰত কাজিয়া পেঁচাল যুদ্ধ বিগ্ৰহ আদি চলি আছিল। তাত মানুহে সদায় মৃত্যুৰ ভয়ত আৰু আশংকাৰ মাজত বাস কৰিবলগীয়া হৈছিল আৰু তাত মানুহৰ জীৱন বৰ অকলশৰীয়া দৰিদ্ৰ কলুষময় অশিষ্ট আৰু চমু আছিল। এৰিষ্টটলৰ মতে সমাজৰ শান্তি আৰু শৃংখলা ৰাষ্ট্ৰৰ প্ৰগতি আৰু সুখ-স্বাচ্ছন্দ্য প্ৰধানকৈ নিৰ্ভৰ কৰে ৰাষ্ট্ৰই ন্যায় প্ৰতিষ্ঠা কৰা আৰু কাৰ্য্যকৰী কৰাৰ ওপৰত। মানুহৰ সমাজত ন্যায়ৰ গুৰুত্বৰ বিষয়ে এৰিষ্টটলে আমাক ইযাতকৈ আৰু কি বেছি ক'ব ?

এৰিষ্টটলৰ ন্যায়ৰ অৱধাৰণাৰ মূল্যায়ন

এৰিষ্টটলে বিশেষ গুণ হিচাপে বিভাজনমূলক ন্যায়ৰ যিটো অৱধাৰণা আমাৰ আগত দাঙি ধৰিছে তেওঁৰ এই অৱধাৰণাটোৱে ৰাজনৈতিক তত্ত্বৰ বিকাশত অতুলনীয় বৰঙণি যোগাইছে আৰু ই পৃথিৱীৰ আইনগত আৰু ৰাজনৈতিক ব্যৱস্থাবোৰত স্থায়ীভাৱে প্ৰভাৱ বিস্তাৰ কৰিছে। আগতে উল্লেখ কৰি অহাই হৈছে যে সংশোধনমূলক ন্যায়ৰ অৱধাৰণাই বৰ্তমান যুগৰ ন্যায়ৰ অৱধাৰণাক সমৃদ্ধ কৰিছে। কিয়নো ইয়াৰ ওপৰত ভিত্তি কৰিয়েই আধুনিক যুগৰ দণ্ড বিধি আইন আৰু কাৰ্য্যবিধি আইনবোৰ ৰচনা কৰা হৈছে যিবোৰ আইন ফৌজদাৰী আদালত আৰু দেৱানী আদালতবোৰে নাগৰিকসকলৰ মাজত বৰ্তমান কাৰ্য্যকৰী কৰি আছে। এৰিষ্টটলৰ বিভাজনমূলক ন্যায়ৰ অৱধাৰণাই এটা ভ্ৰান্ত গণতান্ত্ৰিক বিশ্বাসৰ সংশোধন কৰিছে। এই ভ্ৰান্ত গণতান্ত্ৰিক বিশ্বাসটো হৈছে— সকলোবোৰ নাগৰিক সকলো বিষয়তে আৰু সকলো ক্ষেত্ৰতে সমান। বাস্তৱ ক্ষেত্ৰত এইটো কেতিয়াও হ'ব নোৱাৰে। নাগৰিকসকলৰ মাজত গুণ আৰু সামৰ্থ্য বিচাৰ কৰিলে তেওঁলোকৰ মাজত থকা অসমতা স্পষ্টভাৱে দেখিবলৈ পোৱা যায়। সেই গতিকে এৰিষ্টটলে কৈছে যে নাগৰিকসকলৰ গুণ আৰু সামৰ্থ্য বিচাৰ কৰিহে তেওঁলোকৰ ওপৰত বিষয়বাব অৰ্পণ কৰিব লাগে।

কিন্তু তেওঁ ন্যায়ক সম্পূৰ্ণ গুণ হিচাপে ধৰিবলৈ যিটো ধাৰণা আমাৰ আগত দাঙি ধৰিছে সেইটো গ্ৰহণ কৰি লোৱাত অসুবিধা আছে। যিজন মানুহে সম্পূৰ্ণৰূপে আইন মানি চলে সেইজন মানুহ নিসন্দেহে ন্যায়পৰায়ণ আৰু ন্যায় নিসন্দেহে এটা মহৎ গুণ। কিন্তু ন্যায়ক আমি সকলো গুণৰ সমষ্টি বুলি মানি ল'ব নোৱাৰো। ন্যায়ৰ বাহিৰেও আৰু বহুতো গুণ আছে আৰু সেই গুণবোৰো একোটা গুণী জীৱনৰ আৱশ্যকীয় উপাদান। এই গুণবোৰ হৈছে— দয়া মৰম

বদান্যতা মহানুভৱতা সহিষ্ণুতা জনসেৱাৰ বাবে আকাংক্ষা আদি। এৰিষ্টটলৰ অৰ্থত এজন ন্যায়বান মানুহ দয়ালু বা মহান নহ'বও পাৰে। গতিকে ন্যায় এটা মাত্ৰ গুণহে ই কেতিয়াও সকলো গুণৰ সমষ্টি হ'ব নোৱাৰে। ই এটা বিশেষ গুণ, সম্পূৰ্ণ গুণ নহয়। কিন্তু আমি এইখিনিতে মনত পেলাব লাগিব যে এৰিষ্টটলে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ লগত সংগতি ৰক্ষা কৰিহে ন্যায়ৰ অৱধাৰণাটো দাঙি ধৰিছিল। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত আইন সৰ্বাংগসুন্দৰ আৰু নিখুঁত আছিল আৰু সেই গতিকে তাত থকা নাগৰিকসকলো ভাল মানুহ আছিল। যিয়ে তাত আইন মানি চলিছিল তেৱেঁই ন্যায়পৰায়ণ লোক আছিল আৰু তেওঁকেই সম্পূৰ্ণভাৱে জ্ঞানী মানহ বুলি কোৱা হৈছিল। তেনে এখন ৰাষ্ট্ৰত ন্যায় আৰু সম্পূৰ্ণ গুণৰ মাজত বিশেষ তফাৎ নাছিল। কিন্তু এখন বেয়া ৰাষ্ট্ৰত আইনবোৰ হৈছে কি হোৱা উচিত তাৰেই কেৱল বিকৃতি আৰু সেই গতিকে যিজন মানুহে আইন মানি চলে তেওঁ ন্যায়বান মানুহ হয় কিন্তু তেওঁ সম্পূৰ্ণভাৱে গুণী মানুহ নহ'বও পাৰে।

আইনৰ অৱধাৰণা

আইনৰ উৎপত্তি আৰু প্ৰকৃতি ঃ এৰিষ্টটলে আইন আৰু ৰাজাজ্ঞাৰ মাজত পাৰ্থক্য দেখুৱাইছে আৰু আইনক ৰাজাজ্ঞাৰ ওপৰত স্থান দিছে। তেওঁৰ মতে ৰাষ্ট্ৰখন হৈছে এটা নৈতিক সংস্থা আৰু ইয়াৰ লক্ষ্য হৈছে মানুহৰ জীৱন সৰ্বাংগ সুন্দৰভাৱে গঢ়ি তুলিবলৈ প্ৰয়োজনীয় অৱস্থাৰ সৃষ্টি কৰা। মানুহৰ জীৱন তেনেকুৱাকৈ গঢ়ি তুলিব লাগিলে ৰাষ্ট্ৰই যুক্তি মানি চলিব লাগিব আৰু এয়েই হৈছে প্ৰকৃতিৰ ইচ্ছা। গ্ৰীকসকলৰ মতে আইন হৈছে কিছুমান নিয়ম। প্ৰকৃতিৰ ইচ্ছা বা যুক্তিৰ ওপৰত ভিত্তি কৰি এই নিয়মবোৰ গঢ়ি তোলা হৈছে। কিন্তু সকলোবোৰ মানুহে যুক্তি বিচাৰি উলিয়াব নোৱাৰে। যিবোৰ মানুহৰ জ্ঞানৰ সম্পূৰ্ণ বিকাশ হয় সেইবোৰ মানুহেহে প্ৰকৃতিৰ ইচ্ছা ভালদৰে বুজিব পাৰে আৰু ইয়াৰ শুদ্ধ ব্যাখ্যা কৰিব পাৰে আৰু তেওঁলোকেহে যুক্তি বিচাৰি উলিয়াব পাৰে। গতিকে আইনক আমি প্ৰকৃতিৰ ইচ্ছাৰ অভিব্যক্তি বুলিব পাৰো। বিধায়ীসকলে এইবোৰ আৱিষ্কাৰ কৰে আৰু ঘোষণা কৰে অৱশ্যে এই বিধায়ীসকল মহৎ গুণৰ লোক হ'ব লাগিব। চোলন আৰু লাইকাৰগাছ তেনেকুৱা মহৎ গুণী লোক আছিল আৰু তেওঁলোক ডাঙৰ আইন প্ৰণয়নকৰ্তা আছিল।

এৰিষ্টটলৰ গভীৰ অন্তৰ্দৃষ্টি আছিল আৰু সেই অন্তৰ্দৃষ্টিৰে তেওঁ দেখিবলৈ পাইছিল যে আইনৰ শিপা মানুহৰ মনতে ভালদৰে আৰু স্থায়ীভাৱে সোমাই আছে। কিয়নো মানুহৰ অন্তৰত আইন মানি চলিবলৈ এটা ইচ্ছা বা অনু-

ভূতি নাথাকিলে আইন কেতিয়াও কাৰ্য্যকৰী হ'ব নোৱাৰে। মানুহে যেতিয়া ভাল দৰে বুজিব যে আইন মানি চলিলে তেওঁলোকৰ উপকাৰ আৰু কল্যাণ হ'ব তেতিয়াহে মানুহে স্বেচ্ছাই আইন মানি চলিবলৈ আগ্ৰহান্বিত হ'ব। গাতকে বিধায়ীসকলে প্ৰকৃতিৰ ইচ্ছাৰ ওপৰত ভিত্তি কৰি আইন ৰচনা কৰি ঘোষণা কৰিলেই তেওঁলোকৰ কৰ্তব্যৰ শেষ নহয়। তেওঁলো ক মানুহক আইনৰ মৰ্ম উপলব্ধি কৰিব পৰাকৈ শিক্ষিত কৰিব লাগিব। আৰু তেও লোক নিজেও সেই শিক্ষাৰে শিক্ষিত হ'ব লাগিব। এয়েই হৈছে যুক্তিৰ নিৰ্দেশ আৰু ইয়াকে আইন বুলি গ্ৰহণ কৰা হয়। এই আইনৰ প্ৰকৃতি সাৰ্বজনীন আৰু স্থায়ী ইয়াৰ চৰিত্ৰ স্বাভাৱিক সময়ৰ সোঁতত ইয়াৰ পৰিবৰ্তন নহয়। ইয়াৰ স্থান ৰাষ্ট্ৰৰ ওপৰত আৰু সেই গতিকে ই ৰাজাজ্ঞা বা চৰকাৰৰ আজ্ঞাপ্তিতকৈ শ্ৰেষ্ঠ। বিবোৰ ৰাষ্টই এনেকুৱা আইনবোৰ মানি নচলে সেইবোৰ ভাল ৰাষ্ট্ৰ নহয় বিকৃত ৰাষ্ট্ৰহে।

এথেন্সৰ ৰাজকীয় আইনবোৰৰ দৰে আইন মানুহেই তৈয়াৰ কৰে। মানুহে কৰা এনে ধৰণৰ আইনবোৰক ৰাজাজ্ঞা বুলিব পাৰি। এইবোৰৰ প্ৰয়োগ সীমিত আৰু সময়ৰ পৰিবৰ্তনৰ লগে লগে পৰিবৰ্তিত হোৱা সমাজৰ অৱস্থাৰ লগত খাপ খুৱাবলৈ এই আইনবোৰৰ পৰিবৰ্তন সাধন কৰিবলগীয়া হয়। সেই গতিকে এই আইনবোৰক প্ৰথাগত আইন বুলি কোৱা হয়। মৌলিক আইনৰ লগত এই আইনবোৰৰ পাৰ্থক্য আছে। কিয়নো মৌলিক আইনবোৰ স্বাভাৱিক প্ৰাকৃতিক আৰু স্বভাৱসিদ্ধ আৰু সেয়ে এইবোৰ অপৰিবৰ্তনীয়। এই আইনবোৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিব নোৱাৰি। কিছুমান বিষয়ৰ ওপৰত আইনে সঠিকভাৱে কোনো ৰায় দিয়াটো সম্ভৱপৰ নহয়। কাৰণ সকলোবোৰ বিষয়কে সাধাৰণ সূত্ৰৰদ্বাৰা সামৰি লোৱাটো কঠিন। এইবোৰ বিষয়তহে প্ৰথাগত আইনবোৰ প্ৰয়োগ কৰা হয়। এতিয়া আমি আইনৰ উৎপত্তি আৰু প্ৰকৃতি সম্বন্ধে এৰিষ্ট'টলে দাঙি ধৰা মতামতবোৰৰ মোখনি মাৰিব পাৰোঁ। এৰিষ্টটলে প্ৰকৃতিক আইনৰ উৎস বুলি জ্ঞান কৰিছিল। তেওঁৰ মতে মানুহৰ যুক্তিয়ে প্ৰকৃতিৰ ইচ্ছা আৱিষ্কাৰ কৰিব পাৰে। অৱশ্যে আইন এখন ৰাষ্ট্ৰ বা এটা জাতিৰ ইচ্ছাৰ অভিব্যক্তি কিন্তু আমি মানুহৰ ইচ্ছাৰদ্বাৰাই সকলোবোৰ আইন সৃষ্টি হোৱা বুলি জ্ঞান কৰোঁ। এৰিষ্ট'টলে প্ৰাকৃতিক আইন বা মৌলিক আইনৰ লগত প্ৰথাগত আইনৰ পাৰ্থক্য দেখুৱাইছে। চূড়ান্ত জ্ঞানৰ পোহৰত প্ৰাকৃতিক আইনবোৰ বিধায়ীসকলে ঘোষণা কৰে আৰু এই আইনৰ মৰ্ম কথা বুজিবলৈ তেওঁলোকে জনসাধাৰণক শিক্ষিত কৰি গঢ়ি তোলে আৰু তেওঁলোক নিজেও সেই শিক্ষাৰে শিক্ষিত হয়। এই আইনত প্ৰকৃতি বা যুক্তিৰ সনাতন নীতি বা আদৰ্শ নিহিত হৈ থাকে। গতিকে প্ৰাকৃতিক বা মৌলিক আইন স্থায়ী আৰু

অপৰিবৰ্তনীয়। এই আইনবোৰ চৰকাৰতকৈ শ্ৰেষ্ঠ আৰু এইবোৰ চৰকাৰ আৰু নাগৰিকসকলৰ ওপৰত সমানে প্ৰযোজ্য আৰু পালনীয়। গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰত মানুহে যিবোৰ আইন প্ৰণয়ন কৰে সেইবোৰ ৰাজাজ্ঞাহে। যিবোৰ বিষয়ৰ বাবে প্ৰাকৃতিক আইন বা মৌলিক আইনে কোনো সাধাৰণ বিধান দিয়া নাই কেৱল সেইবোৰ বিষয়তহে মানুহে প্ৰণয়ন কৰা আইনবোৰ প্ৰযোজ্য হয়। গণতান্ত্ৰিক এথেন্সত এইদৰে মানুহে আইন প্ৰণয়ন কৰিছিল।

এৰিষ্টটলে আইনৰ প্ৰকৃতি সম্বন্ধে যি মত দাঙি ধৰিছে প্ৰাকৃতিক আইনৰ ৰোমদেশীয় অৱধাৰণাৰ লগত তাৰ বিশেষ পাৰ্থক্য নাই। ৰোমদেশীয় প্ৰাকৃতিক আইনৰ অৰ্থ হৈছে যুক্তিৰ শাসন। গতিকে ৰোমদেশীয় আইন হৈছে যুক্তিৰ শাসনৰ প্ৰতীক। ৰোমদেশীয় লোকসকলে আইনক চিৰন্তন সত্য অপৰিবৰ্তনীয় আৰু প্ৰকৃতিদত্ত বস্তু বুলি জ্ঞান কৰিছিল। আইনৰ প্ৰকৃতিৰ আধুনিক অৱধাৰণাৰ লগত ৰোমদেশীয় অৱধাৰণাৰ পাৰ্থক্য আছে। বেলেগ বেলেগ সময় আৰু বেলেগ বেলেগ মানুহৰ ক্ষেত্ৰত যুক্তিৰ তফাৎ দেখিবলৈ পোৱা যায়। কোনো এটা সময়ত এটা কাম বা কথা যুক্তিসংগত হ'লেও আন এটা সময়ত সেইটো যুক্তিসংগত নহ'বও পাৰে। সেইদৰে এজন মানুহৰ বাবে কোনো এটা কথা বা কাম যুক্তিপূৰ্ণ হ'লেও সেইটো আন এজন মানুহৰ বাবে যুক্তিপূৰ্ণ নহ'ব পাৰে। ঐতিহাসিক অৱস্থাত কোনো এটা কাম যুক্তিসন্মত হ'লেও আন এটা অৱস্থাত সেইটো অযুক্তিসংগত হ'ব পাৰে।

আধুনিক দৃষ্টিভংগীৰে চালে ৰাষ্ট্ৰৰ সাৰ্বভৌম কৰ্তৃত্ব আছে। এই সাৰ্বভৌম কৰ্তৃত্বৰ বলত ৰাষ্ট্ৰই আইন প্ৰণয়ন কৰি ঘোষণা কৰিব পাৰে আৰু বহুদিন ধৰি চলি থকা নিয়ম কানুনবোৰকো আইন বুলি স্বীকৃতি দিব পাৰে আৰু নাগৰিকসকলক আইন মানি চলিবলৈ বাধ্য কৰাব পাৰে। ৰাষ্ট্ৰই মানুহৰ বা ধৰ্মীয় অনুভূতিৰ প্ৰতি সন্মান দেখুৱাই বা জনমতৰ প্ৰতি শ্ৰদ্ধা জনাই কিছুমান আইন প্ৰণয়ন নকৰিবও পাৰে। ইয়াৰ ৰাষ্ট্ৰীয় ক্ষমতাৰ আইনগত সীমাবদ্ধতা থকাটো বুজা নাযায় কাৰ্যকৰী বা বাস্তৱিক সীমাবদ্ধতা থকাটোহে বুজা যায়। কেৱল তত্ত্বীয় দিশৰপৰা বিচাৰ কৰিলে ৰাষ্ট্ৰৰ চূড়ান্ত আদেশ দিয়াৰ ক্ষমতা আছে আৰু ৰাষ্ট্ৰই ইচ্ছা কৰিলে যিকোনো আইন প্ৰণয়ন কৰিব পাৰে সংশোধন কৰিব পাৰে আৰু বাতিল কৰিব পাৰে। এই অৰ্থত কোনো এখন অপৰিবৰ্তনীয় আইন থকাটো অসম্ভৱ। আইনবোৰ অপৰিবৰ্তনীয় কৰি লোৱা মানে সমাজৰ স্থবিৰতা আৰু ধ্বংস মাতি অনা আৰু ইয়াৰদ্বাৰা ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰতিও অৱজ্ঞা কৰা হয়। এইটো মৰ মাৰাত্মক কথা। কিয়নো সকলো আইনৰে অন্তৰ্নিহিত শক্তি আছে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বত। গতিকে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব নোহোৱা হ'লে আইনৰো শক্তি নোহোৱা হৈ যায়।

এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে। প্ৰশ্নটো হৈছে ভাল আইন আৱিষ্কৃত হলে পৰম্পৰাগত আইনবোৰৰ পৰিবৰ্তন সাধন কৰাটো ভালনে ? এথেন্স দেশীয় গণতন্ত্ৰ বৰ অস্থিৰ আছিল আৰু ইয়েই তাৰ গণতন্ত্ৰৰ দুৰ্নাম আনিছিল। এথেন্সৰ সকলোবোৰ নাগৰিক জনপ্ৰিয় সভাৰ সদস্য আছিল আৰু তেওঁলোক ন্যায়ালয়বোৰৰো সভ্য আছিল। জনপ্ৰিয় সভাই প্ৰণয়ন কৰা আইনবোৰৰ ওপৰত ন্যায়ালয়বোৰে বিচাৰ কৰিব পাৰিছিল আৰু এইবোৰ বাতিল কৰি দিব পাৰিছিল। ইয়াৰ ফলত এদিন নাগৰিকসকলে জনপ্ৰিয় সভাত বহি আইন গ্ৰহণ কৰিছিল আৰু আন এদিন নাগৰিকসকলেই বিচাৰকৰ আসনত বহি সেই আইন বাতিল কৰি দিছিল। অৰ্থাৎ নাগৰিকসকলে মুহূৰ্তৰ আদেশত যিহকে খুচী তাকেই কৰিছিল। এই অৱস্থাটোৰ সংশোধনৰ প্ৰয়োজন হৈছিল আৰু সেই উদ্দেশ্যেই এৰিষ্টটলে এই প্ৰশ্নটো উত্থাপন কৰিছিল। ভাল আইন প্ৰণয়ন কৰিব পাৰিলে পৰম্পৰাগত আইনবোৰৰ পৰিবৰ্তন সাধন কৰাটো ভালনে

এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ তেওঁ কৈছে যে ৰাষ্ট্ৰৰ প্ৰশাসন এটা কলা। আন সকলোবোৰ কলাৰ পৰিবৰ্তন হয় গতিকে ৰাষ্ট্ৰৰ প্ৰশাসনৰো পৰিবৰ্তন হোৱাটো স্বাভাৱিক আৰু উচিত। মানুহৰ জ্ঞানৰ পৰিসৰ বাঢ়ি হৈ থাকে আৰু ঐতিহাসিক অৱস্থাৰ পৰিবৰ্তন ঘটি থাকে। গতিকে এই পৰিপ্ৰেক্ষিতত আইনৰো উন্নতি সাধন হব লাগে। অতি পুৰণি বা আদিম সমাজত মতা মানুহবোৰে তেওঁলোকৰ পৰিবাৰসকলক বেচা কিনা কৰিছিল। এয়া আছিল বৰ্বৰ সমাজৰ নিয়ম বা আইন। সভ্য সমাজত এই ধৰণৰ আইন কেতিয়াও চলি থাকিবলৈ দিব নোৱাৰি। এখন আইন অতি পুৰণি আৰু সেইবাবেই এই আইনখন ৰক্ষা কৰি থাকিব লাগিব এনে কথা হব নোৱাৰে। সেই আইনখন ভাল হলেহে ৰক্ষা কৰা উচিত।

এৰিষ্টটলে যদিও আইনৰ পৰিবৰ্তন সাধনৰ প্ৰয়োজনীয়তা সমৰ্থন কৰিছে তথাপি তেওঁ জধেমধে এই পৰিবৰ্তন হব লাগে বুলি কেতিয়াও কোৱা নাছিল। তেওঁ বৰং সঘনে আইন পৰিবৰ্তন কৰাৰ বিপক্ষে তেওঁৰ অভিমত দাঙি ধৰিছে। তেওঁ কৈছে যে আৱশ্যকীয় বুলি বিবেচিত হলেও সঘনে আইনৰ পৰিবৰ্তন সাধন কৰিব নালাগে। কিয়নো মানুহৰ তেতিয়া আইনৰ ওপৰত শ্ৰদ্ধা আৰু বিশ্বাস কমি যায়। আইনৰ প্ৰতি মানুহৰ শ্ৰদ্ধা আৰু বাধ্যতা লাহে লাহে বাঢ়ি পায় অৰ্থাৎ আইনবোৰৰ সঘনে পৰিবৰ্তন হৈ থাকিলে এই শ্ৰদ্ধা আৰু বাধ্যতা ধ্বংস পায়। কিছুমান আইন বৰ বেছি ভাল নহব পাৰে তথাপি এটা জাতিয়ে সেই বোৰ মানি চলাটো ভাল কিয়নো নতুন ভাল আইন প্ৰণয়ন কৰি সেইবোৰ বৰ্তাই ৰাখিব নোৱাৰিলে তাৰপৰা কোনো লাভ নহয়। এৰিষ্টটলৰ ভাষাত— "গতিকে আমি এইটো ধৰি লব পাৰো যে কোনো কোনো সময়ত আৰু কোনো কোনো

ক্ষেত্ৰত বা বিষয়ত আইনৰ পৰিবৰ্তন সাধন কৰিব পাৰি কিন্তু যেতিয়া আমি আন এটা দৃষ্টিভংগীৰে কথাটো বিবেচনা কৰিবলগীয়া হয় তেতিয়া আমি যথেষ্ট সাৱধানতা অৱলম্বন কৰিব লাগিব। কিয়নো নভবা নিচিন্তাকৈ আইনৰ পৰিবৰ্তন সাধন কৰা অভ্যাসটো বেয়া বিশেষকৈ যেতিয়া তেনে পৰিবৰ্তনৰ ফলত সামান্য সুবিধাহে হয়। গতিকে এইটো নকৰাই ভাল। কিয়নো ইয়াৰদ্বাৰা আইন প্ৰণয়ন কৰ্তা আৰু শাসনকৰ্তাই সামান্য হ'লেও ভুলহে কৰে। আইনৰ এনেকুৱা পৰিবৰ্তনৰ ফলত নাগৰিকসকলৰ যিখিনি লাভ হয় নাগৰিকসকলে আৰু মানুহে আইন অমান্য কৰিব লাগিলে তাতোকৈ বহুত বেছি লোকচান হ'ব। কিয়নো মানুহক বাধ্য কৰিব পৰা ক্ষমতা আইনৰ নাই অভ্যাসৰ বলতহে মানুহে আইন মানি চলিবলৈ শিকে আৰু সময়ৰ গতিত মানুহ সেই অভ্যাস লাভ কৰে। সেই গতিকে পুৰণি আইন গুচাই নতুন আইন প্ৰবৰ্তন কৰোঁতে যথেষ্ট চিন্তা ভাৱনা আৰু সাৱধানতা অৱলম্বন কৰাৰ প্ৰয়োজনীয়তা আছে।

ওপৰৰ কথাখিনিৰদ্বাৰা এৰিষ্টটলে আইনৰ পৰিবৰ্তনশীলতাৰ ওপৰত যি মন্তব্য দাঙি ধৰিছে উপৰুৱাকৈ বিচাৰ কৰিলে ইয়াত তেওঁৰ ৰক্ষণশীলতা ফুটি উঠিছে। কিন্তু এই কথাখিনি ভালকৈ বুজিব লাগিলে আমি সেই সময়ত এথেন্সত চলি থকা আইনৰ প্ৰতি অশ্ৰদ্ধা আৰু অনুশাসনহীনতাৰ কথা মনত পেলাব লাগিব। ছফিষ্টসকলৰ শিক্ষাই ইয়াৰ বাবে দায়ী আছিল। ছফিষ্টসকলৰ মতে আইন এক প্ৰকাৰৰ পৰম্পৰাগত বস্তু আছিল আৰু ইয়াত কোনো বিশেষ পবিত্ৰতা নাছিল। এনে এটা দৃষ্টিভংগী স্পাৰ্টীয়সকলৰ দৰে ৰক্ষণশীল মানুহৰ বাবে ভাল নহ'ব পাৰে কিন্তু এৰিষ্টটলৰ সময়ৰ এথেন্সবাসীসকলৰ দৰে চূড়ান্ত বিপ্লৱী জাতি এটাৰ বাবেই সুস্থ আৰু স্বাস্থ্যকৰ আছিল।

ৰাষ্ট্ৰত আইনৰ স্থান

এৰিষ্টটলে কৈছে যে প্ৰত্যেকখন স্বাভাৱিক ৰাষ্ট্ৰৰ একোখন সংবিধান থাকিব লাগিব আৰু এই সংবিধানখনত চৰকাৰ গঠনৰ বিষয়ে নিৰ্দিষ্ট বিবৰণ সন্নিবিষ্ট কৰিব লাগিব। সংবিধানখনত চৰকাৰৰ কাৰ্যপদ্ধতি চৰকাৰ আৰু নাগৰিকসকলৰ মাজত থকা সম্বন্ধৰ বিষয়েও উল্লেখ থাকিব লাগিব। ইয়াৰপৰাই বুজা যায় যে ৰাষ্ট্ৰত কিছুমান ধৰা-বন্ধা আইন আছে আৰু এই আইনবোৰ চৰকাৰ আৰু নাগৰিকসকলৰ বাবে অৱশ্য পালনীয়। অত্যাচাৰী শাসন চূড়ান্ত স্বেচ্ছাতন্ত্ৰ আৰু চূড়ান্ত গণতন্ত্ৰত এনে ধৰণৰ কোনো ধৰাবন্ধা আইন নাই। নাগৰিকসকলে তাত আইনৰ প্ৰতি কোনো সন্মান প্ৰদৰ্শন নকৰে আৰু সেই গতিকে

এইবোৰক সংবিধান বুলিবই নোৱাৰি। এৰিষ্টটলৰ মতে সাংবিধানিক শাসন কিছুমান নিৰ্দিষ্ট বা ধৰাবন্ধা আইন অনুসৰি চলে স্বেচ্ছাচাৰীভাৱে নচলে আৰু এই শাসনে ইচ্ছুক প্ৰজাসকলৰ ওপৰত কৰ্তৃত্ব স্থাপন কৰে।

ইয়াৰ পাছত তেওঁ আইন আৰু চৰকাৰৰ মাজত থকা সম্বন্ধৰ বিষয়ে আলোচনা কৰি কৈছে যে যিসকল লোকৰ ওপৰত ক্ষমতা অৰ্পণ কৰা হয় তেওঁলোকে ক্ষমতাৰ মাদকতাতে ইয়াৰ অপব্যবহাৰ কৰে। তেওঁ কৈছে এতিয়া আইন ভাবপ্ৰৱণতাবিহীন কিন্তু মানুহৰ মনত আবেগ আৰু ভাবপ্ৰৱণতা থকাটোও নিশ্চিত। 'আইন আশা আকাংক্ষাৰদ্বাৰা প্ৰভাবান্বিত নোহোৱা যুক্তি। এইটো অনুমান হয় কৰ্তৃপক্ষৰ হাতত আইন তুলি দিয়া মানে দেৱতাক বুদ্ধি-বৃত্তি দান কৰা। মানুহৰ হাতত আইন তুলি দিয়া মানে মানুহক আশা আকাংক্ষা পূৰণ কৰিবলৈ সুবিধা দিয়া। কিয়নো উৎকৃষ্ট মানুহো কৰ্তৃত্বত থাকিলে ধণ্ডৰদ্বাৰা দুৰ্নীতিগ্ৰস্ত হোৱাৰ সম্ভাৱনা আছে। তেন্তে এতিয়া আমি এইটো সিদ্ধান্তলৈ আহিব পাৰোঁ যে আইন হৈছে উত্তেজনাবিহীন বুদ্ধি বৃত্তি বা জ্ঞান আৰু সেই গতিকে যিকোনো ব্যক্তিয়ে আইন পচন্দ কৰে। এৰিষ্টটলে কোনো মানুহ বা কোনো মানুহৰ গোটৰ হাতত বাধাহীন ক্ষমতা তুলি দিয়াৰ পক্ষপাতী নাছিল। তেওঁ এইদৰে কৈছিল— ঠিকভাৱে ৰচিত আৰু গৃহীত হ'লে আইন সকলোৰে শ্ৰেষ্ঠ হোৱা উচিত। আইনে যিবোৰ বিষয়ৰ ওপৰত কোনো নিৰ্দিষ্ট বিধান বা ব্যৱস্থা দিব নোৱাৰে সেইবোৰ বিষয়তহে ৰাষ্ট্ৰৰ বিষয়ববীয়াসকল শ্ৰেষ্ঠ হোৱা উচিত তেওঁলোকৰ সংখ্যা এজন বা বহুত যিমানেই নহওক লাগিলে। কিয়'না সকলোবোৰ বিষয় বা ক্ষেত্ৰৰ বাবে সাধাৰণ আইনৰদ্বাৰা নিৰ্দিষ্ট বিধান দিয়াত অসুবিধা আছে।

এৰিষ্টটলে ইয়াত কৈছে আমি মনত ৰখা উচিত ঠিকভাৱে ৰচিত আৰু গৃহীত হোৱা আইন শ্ৰেষ্ঠ হোৱা উচিত। তেওঁ সদায় সচেতন আছিল যে ৰাষ্ট্ৰৰ চৰিত্ৰৰ লগত আইনৰ সম্বন্ধ আছে আৰু সেই গতিকে এখন বেয়া ৰাষ্ট্ৰৰ আইন ভাল হ'ব নোৱাৰে ইয়াৰ আইনো বেয়া হ'ব। গতিকে কোনো এখন চৰকাৰে আইন মানি চলি থাকিলেও সেই চৰকাৰখন ভাল চৰকাৰ নহ'বও পাৰে। এৰিষ্ট-টলৰ মতে শাসকজন বা শাসকসকলৰ ওপৰত কোনো প্ৰকাৰৰ আইনসম্মত বাধা নিষেধ নথকা চৰকাৰ বা শক্তিৰদ্বাৰা পৰিচালিত হোৱা চৰকাৰতকৈ যিকোনো আইন মানি চলা চৰকাৰেই ভাল আৰু আইন আৰু চৰকাৰৰ মাজত থকা পবিত্ৰ সম্বন্ধ সুৰক্ষিত কৰিব লাগিলে ৰাষ্ট্ৰত আইনক শ্ৰেষ্ঠ আসন দিব লাগিব আৰু চৰকাৰ আইন সেৱক হ'ব লাগিব। ইয়াৰ বাহিৰে এটা মাত্ৰ শাসনৰ কথা আমি ভাবিব পাৰোঁ সেইটো শাসনৰ গৰাকী হ'ব লাগিব এজন অতিমানৱীয় জ্ঞানৰ

লোক। এৰিষ্টটলে ভালদৰে জানিছিল যে বাস্তৱত তেনে এজন অতিমানৱ বিচাৰি পোৱা নাযায়। গতিকে অতিমানৱীয় জ্ঞানৰ এজন লোকৰ শাসন চিন্তাৰ বস্তুহে কাৰ্যৰ বস্তু নহয়। এৰিষ্টটলে তেওঁৰ গুৰু প্লেটোৰ প্ৰতি সন্মান দেখুৱাবৰ বাবে আৰু তেওঁৰ বিভাজনমূলক ন্যায়ৰ নীতিৰপৰা ওলাই অহা যুক্তিসন্মত সিদ্ধান্তৰ প্ৰতি শ্ৰদ্ধা জনাবলৈ অতিমানৱীয় জ্ঞানৰ এজন মানুহৰ শাসনৰ কথা উল্লেখ কৰিছিল। কিন্তু ৰাজনৈতিক জগতত এৰিষ্টটলে এইটো স্পষ্টভাৱে উল্লেখ কৰিছে যে আইনৰ হাতত সাৰ্বভৌমত্ব থাকিব লাগে আৰু চৰকাৰ আইনৰ অধীনত থকা উচিত।

এৰিষ্টটলৰ সম্পত্তিৰ তত্ত্ব

প্লেটোৱে দাঙি ধৰা সম্পত্তিৰ বণ্টনৰ আঁচনিৰ ওপৰত সমালোচনা আগবঢ়াই এৰিষ্টটলে তেওঁৰ নিজৰ সম্পত্তিৰ তত্ত্ব উত্থাপন কৰিছে। তেওঁৰ মতে সম্পত্তিৰ দুটা মূল্য বা প্ৰয়োজনীয়তা আছে। (১) মানুহৰ ঘৰ সংসাৰৰ অৱস্থিতি আৰু সুপৰিচালনাৰ বাবে সম্পত্তি মানুহক লাগে। খাদ্য ঘৰ দুৱাৰ কাপোৰ কানি আদি জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় বস্তুবোৰ নোহোৱাকৈ কোনো মানুহ বাস কৰিব নোৱাৰে। আন অন বস্তুবোৰৰ লগতে এই বস্তুবোৰকো সম্পত্তি বুলি কোৱা হয়। এৰিষ্টটলৰ মতে প্ৰত্যেক মানুহে সম্পত্তি লাভ কৰিবলৈ আৰু উপভোগ কৰিবলৈ ইচ্ছা কৰে ই মানুহৰ প্ৰকৃতিগত প্ৰবৃত্তি। গতিকে ব্যক্তিগত সম্পত্তি মানুহক লাগিবই ব্যক্তিগত সম্পত্তি নহলে কোনো মানুহ চলিব নোৱাৰে। (২) তথাপি ব্যক্তিগত সম্পত্তিৰ এটা সীমা আছে। মানুহৰ ঘৰ সংসাৰ চলাবলৈ যিখিনি ব্যক্তিগত সম্পত্তিৰ প্ৰয়োজন সেইখিনি ব্যক্তিগত সম্পত্তিৰ এটা সীমা আছে। মঠেও ব্যক্তিগত সম্পত্তি নোহোৱাটো যেনেকৈ বেয়া আৱশ্যকতকৈ বেছি বা কম ব্যক্তিগত সম্পত্তি থকাটোও তেনেকৈ বেয়া। সেই গতিকে তেও এইটো স্পষ্টভাৱে কৈছে যে মানুহৰ প্ৰকৃত সম্পত্তি সীমাবদ্ধ হ'ব লাগে। তেওঁৰ মত সম্পত্তিৰ বিলুপ্তি সাধন ন্যায়সংগত নহয় আৰু সেইদৰে সীমাহীন সম্পত্তি থকাটোও ন্যায়সন্মত নহয়। তেওঁ দুয়োটাৰে বিৰোধিতা কৰিছিল। গতিকে মানুহে যিমান পাৰে সিমান সম্পত্তি লাভ কৰাটো ঠিক নহয় আৰু এইটো সমৰ্থনীয়ও নহয়। কিয়নো ইয়াৰ ফলত সমাজত অপৰাধ আৰু দাৰিদ্ৰ্যৰ সৃষ্টি হয় যিয়ে মানুহক অধঃপতিত আৰু দুৰ্নীতিগ্ৰস্ত কৰে। সেই গতিকে তেওঁ সম্পত্তিৰ বিলুপ্তি সাধন আৰু অপৰ্যাপ্ত পৰিমাণৰ সম্পত্তিৰ মাজত এটা মধ্যম পন্থা দেখুৱাইছিল। পৰিয়ালৰ প্ৰয়োজনীয়তাৰ ভিত্তিত তেওঁ সীমাবদ্ধ ব্যক্তিগত সম্পত্তিৰ পোষকতা কৰিছিল।

এতিয়া আমাৰ প্ৰশ্ন হৈছে—এজন মানুহৰ বাবে কিমানখিনি সম্পত্তিৰ প্ৰয়োজন সেইটো কেনেকৈ নিৰ্দ্ধাৰণ কৰা যাব ? এৰিষ্টটলৰ মতে সম্পত্তিৰদ্বাৰা মানুহৰ ভাল আৰু নৈতিক জীৱন সম্ভৱপৰ কৰি তুলিব লাগে। সম্পত্তি নহ'লে এইটো সম্ভৱপৰ নহয়। মানুহক অতিথিপৰায়ণ উদাৰ আৰু বন্ধুপ্ৰিয় কৰি তোলাৰো প্ৰয়োজনীয়তা আছে। মানুহৰ যথেষ্ট সম্পত্তি থাকিলেও মানুহ উদাৰ আৰু অতিথিপৰায়ণ নহ'ব পাৰে। সেই গতিকে এৰিষ্টটলে কৈছে যে মানুহে সম্পত্তিক বৈষয়িক বা পাৰ্থিব সুখৰ আহিলা বুলি বিবেচনা নকৰি নৈতিক লক্ষ্য সাধনৰ আহিলা হিচাপেহে জ্ঞান কৰা উচিত। কোনবাকৈ এই ধৰণৰ মানসিক গঠন এটা সৃষ্টি কৰি ল'ব পাৰিলে পুঁজিবাদৰ অশুভ ফলবোৰ নাইকিযা কৰিবলৈ ইয়াক এটা ডাঙৰ ঔষধ হিচাপে ব্যৱহাৰ ক'ৰিব পৰা যাব আৰু সমাজবাদ স্থাপনৰ বাবে উপযুক্ত পৰিৱেশ গঢ়ি তোলাতো বাৰুকৈয়ে সহায় কৰিব।

এৰিষ্টটল সম্পত্তি লাভ কৰিবলৈ ব্যৱসায় বাণিজ্যৰ আশ্ৰয় লোৱাটো পক্ষ পাতী নাছিল। তেওঁৰ মতে সম্পত্তি লাভৰ বাবে গ্ৰহণ কৰা ই এটা অস্বভাৱিক উপায় আছিল। এই কাৰণে তেওঁ ধনৰ ব্যৱহাৰক নিন্দা কৰিছিল। তেওঁ কৈছিল যে ধনৰ ভূমিকাৰ ফলত বহুতো মানুহ সম্পত্তি লাভৰ নামত পাগল হৈ গৈছিল দিনে নিশাই কেৱল তেওঁলোকে সম্পত্তিৰ কথাহে চিন্তা কৰিছিল আৰু প্ৰচুৰ লাভৰ আশাত তেওঁলোকে সম্পত্তি গুপ্তভাবে মজুত কৰি ৰাখিছিল। বৰ্তমান সময়ত পৃথিৱীখন কেৱল লাভৰ পাছত দৌৰি আছে। মানুহে পাহৰি গৈছে যে ধনক মানুহে কেৱল বিনিময়ৰ উপায় হিচাপেহে ব্যৱহাৰ কৰা উচিত। মানুহে ধনক সম্পত্তিৰ অলংঘ্য প্ৰাচীৰ সাজিবলৈ ব্যৱহাৰ কৰাটো উচিত নহয়। প্লেটোৱে কথা প্ৰসংগত মন্তব্য কৰিছিল যে ধনৰ লোভেই সকলো অনিষ্টৰ মূল। এৰিষ্টটলো প্লেটোৰ লগত এই কথাষাৰত একমত। প্লেটো আৰু এৰিষ্টটলে এইটো দৃঢ়ভাৱে বিশ্বাস কৰিছিল যে যিসকল মানুহে উৎপাদন আৰু বণ্টন ব্যৱস্থাটো লাভৰ উদ্দেশ্যে ব্যৱহাৰ কৰে সেইসকল মানুহৰ হাতত এই ব্যৱস্থাটো সোধাই দিলে তেওঁলোকে ৰাষ্ট্ৰখন ধ্বংস কৰি পেলাব। ব্যক্তিগত সম্পত্তিৰ অধিকাৰ সাব্যস্ত ক'ৰবলৈ গৈ এৰিষ্টটলে এটা পুৰণি প্ৰবাদ বাক্যৰ উদ্ধৃতি দিছে। এই বাক্যটো হৈছে— ব্যক্তিগত সম্পত্তিত থকা সম্মোহিনী শক্তিয়ে বালিক সোণত পৰিণত কৰে। ব্যক্তিগত সম্পত্তি আত্মপ্ৰেমৰ উৎস। ব্যক্তিগত সম্পত্তিৰ মৰ্ম বুজিবলৈ তেওঁ আমাক হোটেলত আহাৰ খোৱা আৰু নিজৰ ঘৰত আহাৰ খোৱাৰ মাজত থকা পাৰ্থক্যৰ কথা কৈছে ভাৰা ঘৰত বাস কৰা আৰু নিজৰ ঘৰত বাস কৰাৰ মাজত থকা পাৰ্থক্যৰ কথা উল্লেখ কৰিছে। তেওঁৰ মতে ব্যক্তিগত সম্পত্তিৰ অধিকাৰৰ ওপৰত প্ৰধানকৈ মানুহৰ আত্মসম্মান আৰু ব্যক্তিত্ব নিৰ্ভৰ কৰে। আৰু

এখোজ আগবাঢ়ি গৈ এৰিষ্টটলে কৈছে যে সম্পত্তিৰ বণ্টনত কিছু পৰিমাণে অসমতা থাকিবও লাগে। কিয়নো ই ধনীসকলক জনসেৱা কৰিবলৈ এটা সুবিধা দিয়ে। কিন্তু ইয়াতো এৰিষ্টটলে ব্যক্তিগত সম্পত্তিৰ বণ্টন সীমাবদ্ধতাৰ কথা শক্তিশালীভাৱে উল্লেখ কৰিছে। তেওঁ এই কথাটোৰ প্ৰতি সদায় সচেতন আছিল যে মানুহৰ মাজত সম্পত্তিৰ যথেষ্ট অসমতা থাকিলে সমাজত শ্ৰেণীসংঘাতৰ সৃষ্টি হ'ব আৰু তাৰ ফলত ৰাষ্ট্ৰৰ শান্তি আৰু শৃংখলা বিপদগ্ৰস্ত হৈ ৰাষ্ট্ৰৰ স্থায়িত্ব নাই কিয়া হৈ যাব পাৰে। ইয়াৰ উপৰিও তেওঁ সম্পত্তিৰ অনুষ্ঠানটো সুস্থ প্ৰথা আৰু আইনব্যৱস্থাৰা নিখুঁত কৰি গঢ়ি তুলিবলৈ বিচাৰিছিল। তেওঁৰ মতে সম্পত্তি বণ্টনৰ তিনিটা ব্যৱস্থা কৰিব পাৰি।

(১) সমূহীয়া মালিকীস্বত্ব আৰু সমূহীয়া ব্যৱহাৰ।

(২) সমূহীয়া মালিকীস্বত্ব আৰু ব্যক্তিগত ব্যৱহাৰ।

(৩) ব্যক্তিগত মালিকীস্বত্ব আৰু সমূহীয়া ব্যৱহাৰ।

এই তিনিটা বিকল্প ব্যৱস্থাৰ ভিতৰত তেওঁ তৃতীয় ব্যৱস্থাটোৰ ওপৰত অগ্ৰাধিকাৰ দিছিল। আন কথাত তেওঁ সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্ব সমৰ্থন কৰিছিল। তেওঁ কৈছিল যে ব্যক্তিগত সম্পত্তি থাকিলে যিবোৰ অনিষ্ট হোৱা দেখিবলৈ পোৱা যায় সেইবোৰ সম্পত্তিৰ ব্যক্তিগত মালিকীস্বত্বৰ ফলত হোৱা অনিষ্ট নহয় মানুহৰ প্ৰকৃতি আৰু চৰিত্ৰত থকা দোষৰ বাবেহে সেইবোৰ অনিষ্ট হয়। তেওঁৰ মতে ব্যক্তিগত সম্পত্তিৰ দোষত মানুহ স্বাৰ্থপৰ আৰু পৰশ্ৰীকাতৰ নহয় স্বাৰ্থপৰতা আৰু পৰশ্ৰীকাতৰতা মানুহৰ চৰিত্ৰ আৰু প্ৰকৃতিৰ দোষ। সেই গতিকে মানুহৰ অন্তৰ পৰিষ্কাৰ কৰিব নোৱাৰিলে মানুহে পৰিধান কৰা পোছাক-পৰিচ্ছদ পৰিষ্কাৰ কৰিলে একো নহয়। গতিকে আমি মানুহৰ অন্তৰ ধুই নিকা কৰিবলৈ চেষ্টা কৰিব লাগিব। স্বাৰ্থপৰতা আৰু পৰশ্ৰীকাতৰতা নৈতিক ৰোগ। এই ৰোগৰ নিৰাকৰণ কৰিবলৈ শেটোৰে কোৱাৰ দৰে পৰিয়াল আৰু সম্পত্তিৰ সাম্যবাদ স্থাপন কৰিলে নহ'ব ইয়াৰ বাবে নৈতিক ঔষধৰ ব্যৱস্থা কৰিব লাগিব কৃত্ৰিম উপায়েৰে মানুহৰ মনৰপৰা স্বাৰ্থপৰতা আৰু পৰশ্ৰীকাতৰতা আঁতৰ কৰিব পৰা নাযায়। ইয়াৰ বাবে উপযুক্ত শিক্ষাব্যৱস্থাৰ প্ৰবৰ্তন কৰিব লাগিব। কিয়নো, উপযুক্ত শিক্ষাইহে মানুহৰ মনত উদাৰতা আৰু বদান্যতাৰ ভাব সৃষ্টি কৰে আৰু তেতিয়া নাগৰিকসকলে নিজৰ ব্যক্তিগত সম্পত্তিকে সমূহীয়া সম্পত্তি বুলি জ্ঞান কৰে আৰু আৱশ্যকমতে ব্যৱহাৰ কৰে। এৰিষ্টটলৰ মতে সম্পত্তিৰ ব্যক্তিগত মালিকানাই মানুহৰ মাজত পৰশ্ৰীকাতৰতা আৰু কাজিয়া-পেচাল বান্ধি নকৰে এইবিলাক মানুহে কৰে আৰু ই মানুহক নিজৰ সম্পত্তিৰ বিকাশ সাধন কৰিবলৈ শক্তি আৰু উৎসাহ প্ৰদান কৰে। আনহে আইনব্যৱস্থাৰা যদৰং নোহোৱা কৰি মানুহৰ স্বাৰ্থহীন

চৈতন্যৰদ্বাৰা চলি থকা সম্পত্তিৰ সমূহীয়া ব্যৱহাৰে আমাক বন্ধু বান্ধবৰ বস্তুকো সমূহীয়া বস্তু হিচাপে চাবলৈ শিকায়।

এৰিষ্টটলে ব্যক্তিগত সম্পত্তি আৰু ইয়াৰ সমূহীয়া ব্যৱহাৰ সমৰ্থন কৰি ব্যক্তিবাদ আৰু সাম্যবাদ দুয়োটাৰে সুবিধাবোৰ লাভ কৰিবলৈ বিচাৰিছিল। এই দিশৰপৰা তেওঁক ব্যক্তিবাদী আৰু সমাজবাদী—দুয়োটাই বুলিব পাৰি। আইন আৰু চলিত প্ৰথাৰ সহায়ত তেও এনে এটা নীতি স্থাপন কৰিবলৈ ইচ্ছা কৰিছিল যিটো নীতিৰ ফলত বয় বস্তু কেৱল মানুহৰ ব্যৱহাৰৰ কাৰণেহে উৎপাদিত হ'ব লাভ কৰিবলৈ কোনো বস্তু উৎপাদত নহয়। এই কথাটোৰদ্বাৰা তেও সমাজবাদী বুলি পৰিচয় দিছিল। মুঠতে তেও উগ্ৰ সমাজবাদ আৰু উগ্ৰ ব্যক্তিবাদ দুয়োটাৰ মাজত এটা মধ্যবৰ্তী পন্থা অবলম্বন কৰিছিল। প্লেটোৱেও তেওঁৰ আইন'ত এনে এটা পন্থাকে অবলম্বন কৰিছিল। ইযাত প্লেটো আৰু এৰিষ্ট'টলৰ মাজত যিটো পাৰ্থক্য আছে সেইটো হৈছে এই—প্লেটোৰ মতে উপযুক্ত শিক্ষাব্যৱস্থাৰদ্বাৰা নাগৰিকসকলৰ মনত উদাৰ নিস্বাৰ্থ ভাব জগাই তুলিব লাগে। কিয়নো এনে ভাবৰপৰাহে সম্পত্তিৰ সমূহীয়া ব্যৱহাৰৰ কথা আহিব পাৰে। কিন্তু এৰিষ্ট'টলৰ মতে চলিত প্ৰথা আইনৰ সহায়ত মানুহক সমূহীয়া ব্যৱহাৰৰ প্ৰতি সজাগ কৰি তুলিব পাৰি। স্বাৰ্থপৰতাৰ কাৰণবোৰৰ অৱসান ঘটাবলৈ আৰু নাগৰিকসকলৰ মাজত উদাৰ মনোভাব সৃষ্টি কৰিবলৈ এৰিষ্ট'টলে কেতিয়াও শিক্ষাৰ প্ৰয়োজনীয়তা আৰু ভূমিকা নুই কৰা নাছিল। কিন্তু তেও সমাজত এনে কিছুমান মানুহ দেখি বলৈ পাইছিল যিবোৰ মানুহক শিক্ষাই কেতিয়াও এটা নিৰ্দিষ্ট নৈতিক ভেটিত প্ৰতিষ্ঠা কৰিব নোৱাৰে আৰু সেইবোৰ মানুহৰদ্বাৰা ৰাষ্ট্ৰৰ স্থায়িত্ব ভংগ হোৱাৰ ভয় আছে। সেই গতিকে তেও পৰিপূৰক হিচাপে চলিত প্ৰথা আৰু আইনৰ ব্যৱহাৰৰ কথা উল্লেখ কৰিছিল। তেওঁৰ মতে আইনৰ সহায় নোলোৱাকৈ কোনো সুস্থ শিক্ষাব্যৱস্থাই মানুহৰ মাজত সম্পত্তিৰ অধিকাৰ আৰু বণ্টন এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত আবদ্ধ ৰাখিব নোৱাৰে।

একবিংশতি অধ্যায়

দাসত্ব

ৰাষ্ট্ৰত কিছুমান পৰিয়াল থাকে। ৰাষ্ট্ৰ এখনৰ পৰিচালনাৰ বিষয়ে জনাৰ আগেয়ে আমি পৰিয়ালবোৰৰ পৰিচালনাৰ বিষয়ে জনা উচিত। এটা পৰিয়াল পৰিচালনা কৰিব লাগিলে পৰিয়ালটোৰ অংশবোৰক পৰিচালনা কৰিব লাগিব। এটা সম্পূৰ্ণ পৰিয়ালত মুক্ত মানুহবোৰ আৰু দাসবোৰ থাকে। মুক্ত মানুহবোৰ পৰিয়ালৰ গৰাকী আৰু দাসবোৰ তেওঁলোকৰ সেৱক। এটা পৰিয়ালত স্বামী স্ত্ৰী পিতা পুত্ৰ আৰু ল'ৰা-ছোৱালীবোৰ থাকে আৰু দাসবোৰে পৰিয়ালটোৰ লোক সকলৰ বাবে সেৱা আগবঢ়ায়। এটা পৰিয়ালৰ বিষয়ে আলোচনা কৰিব লাগিলে আমি পৰিয়ালটোৰ মানুহবোৰৰ মাজত থকা সম্বন্ধৰ বিষয়ে আলোচনা কৰিব লাগিব। এটা পৰিয়ালৰ মানুহবোৰৰ মাজত তিনিটা সম্বন্ধ থাকিব পাৰে। এই সম্বন্ধ তিনিটা কি আৰু কেনে হোৱা উচিত? এই সম্বন্ধ তিনিটা হৈছে—গৰাকী আৰু দাসৰ সম্বন্ধ বৈবাহিক সম্বন্ধ আৰু উৎপাদনশীল সম্বন্ধ। পৰিয়ালৰ আৰু এটা উৎপাদন আছে—সেইটো হৈছে সম্পত্তি লাভৰ তথাকথিত কলা। কিছুমানৰ মতে পৰিয়ালৰ পৰিচালনাৰ লগত ই এক আৰু আন কিছুমানৰ মতে পৰিয়ালৰ ই এটা প্ৰধান অংশ।

আমি এতিয়া গৰাকী আৰু দাসৰ মাজত থকা সম্বন্ধৰ বিষয়ে আলোচনা কৰা হওক। বাস্তৱ জীৱনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি গৰাকী আৰু দাসৰ মাজত থকা সম্বন্ধটো উচ্চ আদৰ্শ আৰু তত্ত্বৰ ওপৰত প্ৰতিষ্ঠিত কৰিবলৈ এৰিষ্টটলে চেষ্টা কৰিছিল। কিছুমানৰ মতে গৰাকীৰ শাসন এক প্ৰকাৰৰ বিজ্ঞান আৰু পৰিয়ালৰ পৰিচালনা দাসৰ মালিকত্ব ৰাজনৈতিক আৰু ৰাজকীয় শাসন আদি সকলোবোৰ একে। আৰু আন কিছুমানৰ মতে দাসসকলৰ ওপৰত গৰাকীৰ শাসন প্ৰকৃতিবিৰুদ্ধ কথা। তেওঁলোকে কয় যে আইনেহে মুক্ত মানুহ আৰু দাসসকলৰ মাজত পাৰ্থক্য আনি দিছে প্ৰকৃতিয়ে তেওঁলোকৰ মাজত কোনো পাৰ্থক্য সৃষ্টি কৰা নাই। মানুহে আইনৰদ্বাৰা এইটো সৃষ্টি কৰি প্ৰকৃতিৰ ওপৰত অনাধিকাৰ চৰ্চা কৰিছে আৰু এইটো অন্যায় ।

যেনেকৈ যিকোনো কলাৰে এটা নিৰ্দিষ্ট ক্ষেত্ৰ আছে য'ত কলাকাৰসকলে উপযুক্ত যন্ত্ৰপাতি বা তুলিকা লৈ নিজৰ কাম সম্পন্ন কৰিব লাগে তেনেকৈ পৰিয়াল এটা পৰিচালনাৰ বাবেও বেলেগ বেলেগ ধৰণ আৰু চৰিত্ৰৰ সা সৰঞ্জাম আৰু উপাদান লাগে। এই সা সৰঞ্জাম আৰু উপাদানবোৰৰ কিছুমান জীৱন্ত আৰু কিছুমান মৃত বা জীৱনহীন। এৰিষ্টটলৰ মতে যিকোনো কলাত সেৱকসকল একো একোটা যন্ত্ৰবিশেষ। সেইদৰে যিকোনো বস্তু বা প্ৰাণী এজন মানুহৰ অধিকাৰত থাকিলে সেই মানুহজনে সেই বস্তুটো বা প্ৰাণীটো নিজৰ জীৱন নিৰ্বাহৰ বাবে ব্যৱহাৰ কৰে। গতিকে পৰিয়ালৰ বিন্যাসত দাসবোৰ জীৱন্ত সম্পত্তি। আৰু ই পৰিয়ালৰ কাৰ্য্যত এটা ডাঙৰ যন্ত্ৰৰ ভূমিকা পালন কৰে। এজন দাস তেওঁৰ গৰাকীৰ কেৱল দাসেই নহয় তেও সম্পূৰ্ণৰূপে তেওঁৰ গৰাকীৰ অধীন কিন্তু গৰাকী কেতিয়াও দাসৰ অধীন নহয়। ইয়াৰপৰাই আমি এজন দাসৰ প্ৰকৃতি আৰু কাৰ্য্য কি বুজিব পাৰোঁ। এৰিষ্টটলৰ মতে যিজন মানুহ প্ৰকৃতিগতভাৱে নিজৰ নহয় আন মানুহৰহে তেৱেঁই প্ৰকৃতিগতভাৱে দাস। সেইজন মানুহকে আমি আন এজন স্বাধীন মানহৰ অধীনস্থ বুলি ক'ব পাৰোঁ যিজন মানুহ হিচাপে জন্মগ্ৰহণ কৰিও আনৰ সম্পত্তি হৈ থাকিবলগীয়া হয়। যিকোনো সম্পত্তিকে মানুহৰ জীৱনৰ কাৰ্য্যত ব্যৱহাৰ কৰা হয় আৰু ইয়াক মালিকৰপৰা আঁতৰ কৰি আনিব পৰা যায়। যিজন মানুহৰ যুক্তিপূৰ্ণ কথা আৰু কামত অংশগ্ৰহণ কৰিবলৈ সামৰ্থ্য থাকে বা যিজনে যুক্তি বুজি পায় কিন্তু নিজে যুক্তি দিব নোৱাৰে সেইজন মানুহো প্ৰকৃতিগতভাৱে দাস।

গৰাকী আৰু দাসৰ মাজত এইটোৱে পাৰ্থক্য যে গৰাকীৰ যুক্তি দিয়া শক্তি আছে আৰু দাসৰ যুক্তি দিয়া শক্তি নাই। আনহাতে দাস আৰু আন জন্তুবোৰৰ মাজত এইটোৱে পাৰ্থক্য যে দাসবোৰৰ যুক্তি বুজি পোৱা শক্তি আছে আৰু নীচ জন্তুবোৰৰ যুক্তি বুজি পোৱা শক্তি নাই। এৰিষ্টটলৰ দাসত্বৰ তত্ত্ব প্ৰধানকৈ দুটা স্বতঃসিদ্ধ যুক্তিৰ ওপৰত প্ৰতিষ্ঠিত। (১) প্ৰকৃতিগতভাৱে মানুহবোৰ অসমান আৰু জ্ঞান লাভৰ বাবে থকা মানুহৰ সামৰ্থ্য অনুসৰি মানুহবোৰক বিভক্ত কৰা হয়। (২) কোনবোৰ মানুহ গুণী আৰু কোনবোৰ গুণী নহয় সেইটো স্থিৰ কৰাটো সম্ভৱপৰ। ইয়াৰ প্ৰথম স্বতঃসিদ্ধটোত এৰিষ্টটলৰ অকণমানো সন্দেহ নাছিল কিন্তু দ্বিতীয় স্বতঃসিদ্ধতাটোত তেওঁ কিছুমান অসুবিধাৰ সন্মুখীন হৈছিল।

প্ৰথমতে তেও দাসত্বক আৱশ্যকীয় অনুষ্ঠান বুলি গণ্য কৰিছিল। কিয়নো তেওঁৰ মতে মুক্ত মানুহৰ এখন সমাজত দাসসকলৰ বাবে নিৰ্দিষ্ট ভূমিকা আছে। আগত উল্লেখ কৰি অহাই হৈছে যে পৰিয়াল পৰিচালনাৰ

বাবে জীৱন্ত যন্ত্র আৰু মৃত বা জীৱনহীন যন্ত্র বা দুয়োটাৰে আৱশ্যকতা আছে। জীৱনহীন যন্ত্র বা সা সৰঞ্জামবোৰ হৈছে পোছাক পাতি খাদ্য বাচন-বৰ্তন চকি-মেজ আদি আৰু জীৱন্ত যন্ত্র বা সা সৰঞ্জামবোৰ হৈছে গৰু, ছাগলী দাস আদি। এটা পৰিয়ালৰ কাম কাজ জীৱন্ত যন্ত্রবোৰ নোহোৱাকৈ নচলে। দাসৰ অবিহনে নাগৰিকসকলে নিজেই ঘৰৰ বা গৃহস্থীৰ কাম কাজবোৰ কৰিব লাগিব। তদুপৰি নাগৰিকসকলে নিজৰ জীৱিকাৰ বাবে অত্যাৱশ্যকীয় বস্তুবোৰ উৎপন্ন কৰিবলৈও পৰিশ্রম কৰিব লাগিব।

এনেকৈ দৈনন্দিন ঘৰুৱা কামত লাগি থাকিবলগীয়া হ'লে নাগৰিকসকলে ৰাষ্ট্র শাসনৰ বাবে প্রয়োজনীয় বৌদ্ধিক আৰু নৈতিক দক্ষতা লাভ কৰিব নোৱাৰিব আৰু সেইবাৰ মহৎ কাম কৰিবলৈ তেওঁলোকে আৱশ্যকীয় আহৰিও নাপাব। সেই গতিকে দাসসকলে বিধায়ী বিচাৰক আৰু জুৰি সকলক আৱশ্যকীয় আহৰি দিবলৈ তেওঁলোকৰ ঘৰুৱা কাম কাজবোৰ কৰি দিব লাগে। কিয়নো এইবোৰ কাম প্রকৃতিগতভাৱে যোগ্যতাসম্পন্ন লোকসকলহে কৰিব পাৰে সকলো মানুহে কৰিব নোৱাৰে। দাসসকলে ৰাষ্ট্রৰ আইন কানুনবোৰ মানি চলিব লাগে কিন্তু তেওঁলোকে আইন প্রণয়নত অংশগ্রহণ কৰিব নোৱাৰে। কাৰণ তেওঁলোক মুক্ত মানুহ নহয় পৰাধীন অধীনস্থ দাস। সেই গতিকে এৰিষ্টটলে মন্তব্য কৰিছে যে 'যখন ৰাষ্ট্র দাসত্বৰ ভিত্তিত গঠিত নহয় সেইখন ৰাষ্ট্রই দাসত্ব।

এৰিষ্টটলে দাসত্ব অনুষ্ঠানৰ সপক্ষে বা দাসত্ব অনুষ্ঠান ৰক্ষা কৰাৰ অৰ্থে এইবোৰ যুক্তি দাঙি ধৰিছিল।

প্রথমে তেওঁ দাসত্বক এটা আৱশ্যকীয় অনুষ্ঠান বুলি গণ্য কৰিছিল। কিয়নো তেওঁৰ মতে মুক্ত মানুহৰ এখন সমাজৰ বাবে দাসত্বৰ প্রয়োজন আছিল।

এৰিষ্টটলে মানুহৰ প্রকৃতিগত অসমতাত বিশ্বাস কৰিছিল আৰু এই বিশ্বাসৰ ভিত্তিতে তেওঁ কৈছিল যে প্রকৃতিয়ে কিছুমান মানুহক দাস হিচাপে সৃষ্টি কৰিছে। গতিকে মুক্ত মানুহ আৰু দাসসকলৰ মাজত প্রাকৃতিক পাৰ্থক্য আৰু বৈশিষ্ট্য আছে। তেওঁ নিজে এটা প্রশ্ন উত্থাপন কৰি তাৰ উত্তৰ দিছে। প্রশ্নটো হৈছে—প্রকৃতিগতভাৱে কোনো এজন দাস আছেনে? যুক্তি আৰু তথ্যৰ সহায়ত এৰিষ্টটলে এই প্রশ্নটোৰ উত্তৰ দিছিল। তেওঁৰ মতে এই প্রশ্নটোৰ উত্তৰত 'হয় আছে' বুলি কোৱাত কোনো অসুবিধা নাই। কিয়নো কিছুমান মানুহে শাসন কৰা উচিত আৰু আন মানুহবোৰ শাসিত হোৱা উচিত। এইটো কেৱল আৱশ্যকীয় নহয় উপযুক্ত। জন্মৰপৰা কিছুমান মানুহ আনৰ

আদেশত চলি থাকিবৰ বাবে উপযুক্ত হৈ আছে আৰু আন কিছুমান মানুহ শাসক হোৱাৰ বাবে যোগ্য হৈ আছে । প্ৰকৃতিৰ সাধাৰণ নিয়ম মতে কম বুদ্ধি বৃত্তিৰ প্ৰাণীবোৰ বেছি বুদ্ধিবৃত্তিসম্পন্ন প্ৰাণীবোৰৰ আদেশত চলিব লাগে। শৰীৰটো মনটোৰ কথামতে চলে ক্ষুধাক যুক্তিয়ে নিয়ন্ত্ৰণ কৰে মানুহে জন্তুবোৰ শাসন কৰে তিৰোতাবোৰ মতাৰ কথামতে চলে ল'ৰা ছোৱালীবোৰ পিতৃ মাতৃৰ কথামতে চলে ইত্যাদি। দাসবোৰে মুক্ত মানুহবোৰক মানি চলাটোও এটা প্ৰাকৃতিক নিয়মৰ অধীন। এই অধীনতাটো যেনেকৈ প্ৰকৃতিসম্মত তেনেকৈ যুক্তিসংগতও আৰু ই দাস আৰু গৰাকী উভয়ৰে বাবে সুবিধাজনক। প্ৰকৃত কাৰণতে কিছুমান মানুহ নিৰ্দেশ দিয়ে আৰু আন কিছুমানে এই নিৰ্দেশ মানি চলে ইয়াৰ ফলত নিৰ্দেশদাতা আৰু নিৰ্দেশ পালন কৰোঁতা উভয়ৰে পাৰস্পৰিক সুবিধা হয়। প্ৰকৃতিগতভাৱে যিসকল মানুহৰ মন প্ৰতিফলক আৰু পৰিণামদৰ্শী চিন্তা কৰিব পৰা সমৰ্থ সেইসকল মানুহ প্ৰকৃতিগতভাৱে শ্ৰেষ্ঠ আৰু সাহসৰ যোগ্য। আন হাতে যিসকল মানুহ প্ৰকৃতিগতভাৱে কেৱল পঞ্চভৌতিক বা দৈহিক গুণৰহে অধিকাৰী সেইসকল মানুহ প্ৰকৃতিগতভাৱেই দাস। গতিকে গৰাকী আৰু দাসৰ বিভিন্ন কাম কাজবোৰ উভয়ৰ বাবে সমানে সুবিধাজনক। যেনেকৈ মানুহৰ মন টোৱে ৰাজনৈতিক আৰু দয়াশক্তিৰে মন আৰু শৰীৰ দুয়োটাৰে সুবিধাৰ কাৰণে শৰীৰটোৰ শাসন কৰে তেনেকৈ গৰাকীসকলেও দাসসকলক উভয়ৰে সুবিধাৰ বাবে শাসন কৰিব লাগে। সকলো মানুহৰ সামৰ্থ্য সমান নহয় কিছুমান মানুহৰ সামৰ্থ্য বেছি আৰু কিছুমানৰ কম। কিছুমান মানুহৰ উচ্চ আৰু প্ৰখৰ যুক্তি দিব পৰা শক্তি আছে আৰু এই শক্তিয়ে তেওঁলোকক নিৰ্দেশদাতা আৰু পৰিচালক হ'বলৈ যোগ্যতা দিয়ে। আৰু আন কিছুমান মানুহ আছে যিসকলৰ বুদ্ধি বৃত্তিৰ পৰিমাণ যথেষ্ট কম তেওঁলোকে কেৱল আনৰ যুক্তি বুজিব পাৰে আৰু আনৰ আদেশ মানি চলিব পাৰে। প্ৰকৃতিগতভাৱে নিৰ্দেশদাতা আৰু পৰিচালক হোৱাৰ যোগ্যতা থকা লোকসকল গৰাকী যুক্তি বুজিব পৰা আৰু আদেশ মানি চলিব পৰা লোকসকল দাস। এটাই মানসিক শক্তিক প্ৰতিনিধিত্ব কৰে আৰু আনটোৱে শাৰীৰিক শক্তিক প্ৰতিনিধিত্ব কৰে। ঘৰুৱা উদ্দেশ্য সাধনৰ বাবে এই দুয়োটা একেলগে থকাটো প্ৰয়োজনীয় আৰু সেই কাৰণে দাসত্বৰ প্ৰকৃতিৰ লগত কোনো বিসংগতি নাই। এৰিষ্ট'টলে অৱশ্যে স্বীকাৰ কৰিছে যে স্বভাৱসিদ্ধ গৰাকী আৰু স্বভাৱসিদ্ধ দাসৰ মাজত থকা পাৰ্থক্য কেতিয়াবা কেতিয়াবা সহজে কিচাৰি উলিওৱা টান হৈ পৰে। কিন্তু তেওঁ আমাক আকৌ কৈছে যে মুক্তভাৱে জন্মগ্ৰহণ কৰা গৰাকী আৰু দাসসকলৰ মাজত বৌদ্ধিক পাৰ্থক্য থকাৰ উপৰিও ভালকৈ লক্ষ্য কৰিলে শাৰীৰিক পাৰ্থক্যও দেখিবলৈ পোৱা যায়। তেওঁ আৰু প্ৰশ্ন কৰিছে—এজন মুক্ত ভাৱে জন্মলাভ কৰা আৰু ব্যায়াম শিক্ষাৰে শিক্ষিত গ্ৰিক নাগৰিকৰ দৰে এজন

দাসৰ ঘৰুৱা-চকা আৰু শিক্ষা উৰাৰ স্বাধীনতা আছেনে ? দাসত্ব সমৰ্থনযোগ্য কিয়নো ই দাসসকলৰ বাবে উৎকৃষ্ট অৱস্থাৰ সৃষ্টি কৰে আৰু সেই অৱস্থা ৰক্ষা কৰে। দাসসকলে তেওঁলোকৰ গৰাকীৰ লগত থাকি লাহে লাহে কিছুমান গুণ লাভ কৰে। কিয়নো দাসসকলে তেওঁলোকৰ গৰাকীসকলৰ জীৱনত অংশগ্ৰহণ কৰিবলগীয়া হয় আৰু ইয়াৰ ফলত জ্ঞাত বা অজ্ঞাতভাৱে তেওঁলোকে গৰাকীসকলৰ গাত থকা দুই এটা গুণ লাভ কৰিবলৈ সমৰ্থ হয়। গৰাকীৰ বাবেও দাসৰ প্ৰয়োজন আছে কিয়নো দাসসকলৰ সেৱা নহ'লে গৰাকীসকলে এটা ভাল জীৱন যাপন কৰিব নোৱাৰে। ইয়াতে আমি গৰাকীসকলক গায়কসকলৰ লগত তুলনা কৰিব পাৰো। এজন গায়কে বাদ্যযন্ত্ৰ নহ'লে যেনেকৈ ভাল গান গাব নোৱাৰে তেনেকৈ এজন গৰাকীয়েও দাস নহ'লে ভাল জীৱন যাপন কৰিব নোৱাৰে। সেই গতিকে এৰিষ্টটলে কৈছে যে দাসসকলে তেওঁলোকৰ গৰাকীক যি আহৰি দিয়ে সেই আহৰিৰ জৰিয়তহে গৰাকীসকলে ৰাষ্ট্ৰ শাসনৰ বাবে গুণ লাভ কৰিবলৈ সুবিধা পায়। দাসত্বই এইটো উদ্দেশ্য সাধন কৰিব নোৱাৰিলে দাসত্ব সমৰ্থনযোগ্য নহয়। কিয়নো সেইটো নহ'লে দাসসকলৰ গৰাকীসকলৰপৰা গুণ লাভ কৰাৰ কোনো সুবিধা নাথাকে আৰু তেতিয়া কোনো পাৰস্পৰিক লাভ নহয়। দাসসকলে গৰাকীসকলৰপৰা ঠিকমতে ৰক্ষণাবেক্ষণ আৰু যুক্তিসংগত অনুবৰ্তন আৰু দিহা পৰামৰ্শ পায়। উপযুক্ত দিহা পৰামৰ্শ আৰু নিৰ্দেশ নহ'লে দাসসকলে নিজৰ জীৱন শুদ্ধ পথেৰে চলাই নিবলৈ আৰু গঢ় তুলিবলৈ সমৰ্থ নহয়। তেওঁলোকে গৰাকীৰ পৰিয়ালৰ নৈতিক জীৱনত অংশগ্ৰহণ কৰে আৰু ইয়াৰ ফলত তেওঁলোকৰ যুক্তি দিব পৰা সামৰ্থ্যৰ সৃষ্টি হয় আৰু এনেকৈ তেওঁলোকে নিজকে চলাই নিব পৰা ক্ষমতা লাভ কৰে।

এৰিষ্টটলে দাসত্বৰ সমৰ্থন কৰি এহাতে ৰাজনৈতিক ৰক্ষণশীলতাৰ পৰিচয় দিছিল যদিও আনহাতে ৰাজনৈতিক বাস্তৱ দৃষ্টিৰ বিচক্ষণতাও দেখুৱাইছিল। তেওঁৰ সময়ত কেৱল গ্ৰীচ দেশতেই নহয় পৃথিৱীৰ সকলো ঠাইতে দাসত্ব দুৰ্দান্ত গতিত চলি আছিল। সকলো ৰাষ্ট্ৰতে জাতীয় অৰ্থনীতি আৰু স্থিৰতাৰ ই এটা আৱশ্যকীয় অংশ আছিল। গ্ৰীকসকলৰ প্ৰত্যেকখন নগৰৰাষ্ট্ৰত দাসসকলৰ বাবে একোডোখৰ বহল ক্ষেত্ৰ আছিল। গতিকে দাসত্ব নাইকিয়া হ'লে আৰু দাসসকলে মুক্তি লাভ কৰিলে কেৱল যে নগৰৰাষ্ট্ৰবোৰৰ শক্তিৰ ভাৰসাম্য নষ্ট হ'ব এনে নহয় ইয়াৰ ফলত মুক্তি লাভ কৰা শত সহস্ৰ দাসৰ হেঁচাত গোটেই সমাজব্যৱস্থাটোৱেই ওলট পালট হৈ যাব পাৰে। দাসত্বৰ সমৰ্থনত এৰিষ্টটলে এটা সুস্থিৰ উদ্দেশ্যধৰ্মী মত আমাৰ আগত দাঙি ধৰিছে। তেওঁ কোনো মানুহকে কেৱল মানুহ হিচাপে বিশেষ গুৰুত্ব নিদিছিল। অৱশ্যে গ্ৰীকসকলৰ কথা তেওঁৰ বাবে সুকীয়া

আছিল। আনকি গ্ৰিকসকলৰ মাজতো প্লেটোৰ দৰে এৰিষ্টটলেও এটা বিশেষ সুবিধাভোগী আৰু আহৰি থকা শ্ৰেণীৰ মানুহৰ কথা চিন্তা কৰিছিল আৰু সেই শ্ৰেণীটোৰ মানুহবোৰকহে তেওঁ ৰাষ্ট্ৰৰ কামত নিয়োগ কৰিবলৈ বিচাৰিছিল। বৈষয়িক অৱস্থাৰ লগত তেওঁ নৈতিক গুণক লগ লগাইছিল।

সমসাময়িক ছফিষ্টসকলৰ দৰ্শনৰ লগত এৰিষ্টটলৰ সংঘাত আছিল। কিন্তু তথাপি তেওঁ দাসত্বৰ হকে মাত মাতিছিল। এলছিডেমাছ আদি ছফিষ্টসকলৰ মতে দাসত্বই প্ৰাকৃতিক নিয়ম ভংগ কৰিছে। বেছিভাগ ছফিষ্টৰ মতে ঈশ্বৰে সকলোকে মুক্ত কৰি সৃষ্টি কৰিছে আৰু প্ৰকৃতিয়ে এজন মানুহক দাস কৰিছে। কিন্তু প্ৰকৃতিৰ ওপৰত ভিত্তি কৰি এৰিষ্টটলে কৈছে যে প্ৰকৃতিয়ে শাসক আৰু শাসিতসকলক সামাৰ লৈ সকলো বস্তু আৰু কামৰে বিন্যাস কৰিছে। সমাজৰ কল্যাণ আৰু নিৰাপত্তাৰ কাৰণে উপাদানবোৰৰ ওপৰত শাসন কৰা উচিত। তদুপৰি পৰিয়ালবোৰ একোটা প্ৰাকৃতিক অনুষ্ঠান। আৰু যিহেতু পৰিয়ালৰ পৰিচালনাৰ বাবে দাসসকলৰ প্ৰয়োজন আছে দাসত্ব প্ৰাকৃতিক বিন্যাসৰ এটা আৱশ্যকীয় অংশ সেই গতিকে দাসত্ব এটা প্ৰাকৃতিক অনুষ্ঠান।

দাসত্বৰ সংস্কাৰক হিচাপে এৰিষ্টটল

এৰিষ্টটলে যদিও এটা প্ৰাকৃতিক অনুষ্ঠান হিচাপে দাসত্ব সমৰ্থন কৰিছিল বাস্তৱ দৃষ্টিভংগী আৰু প্ৰায়োগিক দিশৰপৰা তেওঁ দাসত্ব অনুষ্ঠানত থকা দোষ-ত্ৰুটীবোৰো বিচাৰি উলিয়াইছিল। সেই গতিকে তেওঁ কিছুমান চৰ্তসাপেক্ষেহে দাসত্ব অনুষ্ঠানটো গ্ৰহণ কৰিছিল। গতিকে আমি এৰিষ্টটলক দাসত্বৰ সমৰ্থক হিচাপে জনাৰ লগতে দাসত্বৰ সংস্কাৰক হিচাপেও জনা উচিত হ'ব। সাধাৰণ নীতি হিচাপে তেওঁ দাসত্ব ব্যৱস্থাটো মানি লৈছিল কিন্তু এই ব্যৱস্থাটোৰ সংস্কাৰ সাধন কৰিবলৈ তেওঁ চেষ্টা কৰিছিল।

এৰিষ্টটলে প্ৰকৃতিগত দাস আৰু আইন বা চলিত প্ৰথাই সৃষ্টি কৰা দাসৰ মাজত পাৰ্থক্য দেখুৱাইছে। তেওঁ প্ৰকৃতিগত দাসত্বৰ প্ৰতি পূৰ্ণ সমৰ্থন আগ বঢ়াইছে আৰু আইন বা চলিত প্ৰথাই সৃষ্টি কৰা দাসত্ব সম্পূৰ্ণভাৱে অগ্ৰাহ্য কৰিছে কিন্তু তেওঁৰ সময়ত এথেন্সত দুয়োবিধ দাসত্বই চলি আছিল। সেই সময়ৰ গ্ৰিছ দেশৰ জনমতে সমৰ্থন কৰিছিল যে অনা গ্ৰিকসকল আৰু যুদ্ধবন্দীসকলক আইনসংগতভাৱে আৰু ঠিকভাৱে দাসত্বৰ শিকলি পিন্ধাই দিয়া উচিত। গোটেই পৃথিৱীতে এটা অভ্যান্তৰীণ নীতি চলি আছে আৰু সেই নীতি অনুসৰি যেতিয়া কোনো এখন ৰাষ্ট্ৰই আন এখন ৰাষ্ট্ৰ আক্ৰমণ কৰি জয় কৰে তেতিয়া পৰাজিত

হোৱা ৰাষ্ট্ৰখনৰ মানুহ আৰু সা সম্পত্তিবোৰ বিজেতা ৰাষ্ট্ৰখনৰ অধীন হয়। আন কথাত গ্ৰিক বা অনা গ্ৰিক সকলোবোৰ যুদ্ধবন্দীকে ন্যায়সংগতভাৱে দাস কৰাটো উচিত। এৰিষ্টটল কিন্তু এই মতটোৰ বিৰোধী আছিল। তেওঁৰ মতে আনৰ শ্ৰেষ্ঠত্ব থাকিলেহে এজন মানুহ আন এজনৰ ওপৰত গৰাকী হোৱাটো যুক্তিসংগত আৰু উচিত। যুদ্ধবন্দীসকলক এই নীতিটোৰ ভিত্তিতহে দাস কৰিব পৰা যায়, অন্যথাই নহয়। অৰ্থাৎ যুদ্ধত বন্দী হোৱা লোকসকল বুদ্ধি-বৃত্তি আৰু নৈতিকতাৰ দিশৰপৰা বিজেতসকলতকৈ নিকৃষ্ট হ'লেহে যুদ্ধবন্দীসকলক বিজেতাসকলে দাস কৰিব পাৰে। এৰিষ্টটলে কৈছে যে যুদ্ধ ক্ষেত্ৰত শক্তিৰ পৰিচয় দিয়াটোৰ অৰ্থ এইটো নহয় যে বিজেতাসকলৰ গাত সদায় বৌদ্ধিক আৰু নৈতিক শ্ৰেষ্ঠত্ব আছে। অকৌ আমি সদায় এইটো ধৰি লোৱা উচিত নহয় যে ন্যায় আৰু সত্য প্ৰতিষ্ঠা কৰিবলৈহে ৰাষ্ট্ৰবোৰ যুদ্ধ ক্ষেত্ৰত অৱতীৰ্ণ হয়। সেই গতিকে এৰিষ্টটলে স্পষ্ট ভাৱে এই মতটো দাঙি ধৰিছে যে ন্যায়সংগত আৰু প্ৰকৃতিগত লোকসকলক কেতিয়াও দাস কৰা উচিত নহয়। আকস্মিকভাৱে তেওঁলোকে কেতিয়াবা যুদ্ধত বন্দী হ'বলগীয়া হ'ব পাৰে। ইয়াত তেও গ্ৰিকসকলৰ বাবে চিন্তা কৰিছিল। তেওঁৰ মতে গ্ৰিকসকল আন সকলো জাতিৰ মানুহতকৈ প্ৰকৃতিগতভাৱে শ্ৰেষ্ঠ আছিল আৰু সেই গতিকে কোনো অৱস্থাতে গ্ৰিকসকলক দাসত্বৰ শিকলি পিন্ধোৱা উচিত নহয়। দাসত্ব কেৱল অনাগ্ৰিক বা বাৰ্বেৰিয়ানসকলৰ বাবেহে। এজন গ্ৰিকক দাসত্বৰ শিকলি পিন্ধোৱাটো আইনসংগত হ'ব পাৰে কিন্তু নৈতিক নহয় আৰু সেই গতিকে তেওঁক তত্‌ক্ষণিকে মুক্তি দিয়া উচিত।

এৰিষ্টটলে আকৌ আমাক কৈছে যে প্ৰকৃতিৰ দাসত্বৰ অধীনত গৰাকী আৰু দাসসকলৰ মাজত পাৰস্পৰিক সম্ভাৱ পাৰস্পৰিক স্বাৰ্থসিদ্ধি আৰু পাৰস্পৰিক সহযোগিতাৰ যথেষ্ট থল আছে কিন্তু তেনেকুৱা সৌহাৰ্দ্যপূৰ্ণ সম্পৰ্ক বিজেতা আৰু পৰাজিতসকলৰ মাজত কেতিয়াও থাকিব নোৱাৰে। তদুপৰি কিবাৰ ৰাষ্ট্ৰ আদৰ্শ ৰাষ্ট্ৰৰপৰা বহুত দূৰত অৱস্থিত সেই ৰাষ্ট্ৰবোৰত আইনে সৃষ্টি কৰা দাসত্ব ঠিকভাৱে প্ৰয়োগ কৰিব পৰা নাযায়। সেইবোৰ ৰাষ্ট্ৰত প্ৰকৃতিয়ে বিবোৰ মানুহক দাস কৰি সৃষ্টি কৰা নাই সেইবোৰ মানুহকো অন্যায়ভাৱে দাসত্বৰ শিকলি পিন্ধোৱা হয়। আনকি এজন গ্ৰিকে আন এজন গ্ৰিকক দাস বুলি ভবাটো উচিত নহয়। অৱশ্যে এৰাব নোৱৰা কাৰণত কেতিয়াবা এজন গ্ৰিকে আন এজন গ্ৰিকক দাস কৰিবও পাৰে।

এৰিষ্টটলৰ মতে এটা পৰিয়ালত আৰু এখন ৰাষ্ট্ৰত আৱশ্যকতকৈ বৰ বেছি সংখ্যক দাস থকাটো বিপদজনক কিয়নো ইয়াৰ ফলত ৰাষ্ট্ৰৰ প্ৰগতি আৰু শান্তিৰ ব্যাহত হ'ব পাৰে। আৱশ্যকতকৈ অধিকসংখ্যক দাস থাকিলে গৰাকীসকল এলেহুৱা

আৰু চৌখিন হ'ব পাৰে আৰু ই তেওঁলোকৰ শাৰীৰিক আৰু নৈতিক ধৈৰ্য্য আৰু অধ্যৱসায়ত আঘাত কৰিব পাৰে। সেই গতিকে তেও পৰিয়াল আৰু ৰাষ্ট্ৰৰ আৱশ্যকতাৰ লগত সংগতি ৰাখি দাসসকলৰ সংখ্যা সীমাবদ্ধ কৰি দিবলৈ বিচাৰিছিল। তেও ভাবিছিল যে দাসসকলৰ সংখ্যা সীমাবদ্ধ কৰি দিলে গৰাকীসকল আৰু দাসসকলৰ মাজত থকা অভ্যন্তৰীণ সংহতি আৰু ৰাষ্ট্ৰৰ স্থায়িত্ব ৰক্ষিত হ'ব।

আগতেই উল্লেখ কৰি অহা হৈছে যে এৰিষ্টটলে দাসসকলক কাম কাজৰ যন্ত্ৰ হিচাপে জ্ঞান কৰিছিল উৎপাদনৰ যন্ত্ৰ হিচাপে জ্ঞান কৰা নাছিল। তেও আৰু কৈছে যে গৰাকীসকলৰ ক্ষমতা আৰু সম্পত্তি বৃদ্ধি কৰিবলৈ দাসবোৰৰ সেৱা আৰু পৰিশ্ৰম ব্যৱহাৰ কৰিলে দাসত্বই ইয়াৰ যুক্তিসংগত আৰু প্ৰাকৃতিক চৰিত্ৰ হেৰুৱায়। যিজন ঘৰুৱা চাকৰে তেওঁৰ গৰাকীক ঘৰুৱা কাম কাজৰপৰা ভালেখিনি অব্যাহতি দিয়ে যাৰ ফলত গৰাকীয়ে যথেষ্ট সময় বৌদ্ধিক আৰু নৈতিক কামত খৰচ কৰিব পাৰে সেইজন ঘৰুৱা চাকৰকে কাম কাজৰ যন্ত্ৰ বুলি ক'ব পাৰি। এজন কাৰখানাৰ শ্ৰমিকে এই ধৰণৰ কোনো কাম নকৰে। তেও কেৱল তেওঁৰ গৰাকীৰ বাবে অৰ্থাৎ কাৰখানাৰ মালিকৰ বাবে সম্পত্তি উৎপাদন কৰে আৰু সেই গতিকে তেওঁক উৎপাদানৰ আহিলা বুলি গণ্য কৰিব পাৰি। ঘৰুৱা চাকৰবোৰে মালিকৰ লগত থাকি কিছুমান বৌদ্ধিক জ্ঞান লাভ কৰিবলৈ সুবিধা পায। কিয়নো তেওঁলোকৰ মালিকবোৰ গুণী আৰু জ্ঞানী। কিন্তু কাৰখানাৰ শ্ৰমিকসকলে তেনে কোনো জ্ঞান লাভ কৰিবলৈ সুবিধা নাপায় কিয়নো কাৰখানাৰ মালিকবোৰ সাধাৰণতে কোনো বৌদ্ধিক আৰু নৈতিক গুণৰ অধিকাৰী নহয়। সেই গতিকে এৰিষ্টটলে শিল্পক্ষেত্ৰত দাসত্বৰ সমৰ্থন কৰা নাছিল। এৰিষ্টটলৰ মতে গৰাকীবোৰে এটা গুণী জীৱন যাপন কৰাৰ অৰ্থে দাসসকলৰ শ্ৰম আৰু সেৱা ব্যৱহাৰ কৰিব পাৰে কিন্তু তেওঁলোকৰ সম্পত্তি আৰু ক্ষমতা বৃদ্ধি কৰিবলৈ দাসবোৰক কাৰ্য্যত খটুৱাব নোৱাৰে।

এৰিষ্টটলে এইটো স্বীকাৰ কৰিছে যে প্ৰকৃতিগত মুক্ত মানুহ আৰু প্ৰকৃতিগত দাসসকলৰ মাজত থকা পাৰ্থক্য সদায় বৰ স্পষ্ট নহয় কেতিয়াবা কেতিয়াবা অস্পষ্টও। সেইদৰে এজন স্বভাৱসিদ্ধ দাসৰ ল'ৰা-ছোৱালীবোৰ যে সদায় দাসেই হ'ব লাগিব তাৰো কোনো অৰ্থ নাই। তেওঁ এইটো মানি লৈছে যে বৌদ্ধিক গভীৰতাৰ ফালৰপৰা বহুতো দাস তেওঁলোকৰ গৰাকীতকৈও শ্ৰেষ্ঠ। সেই গতিকে তেও কৈছে যে গৰাকী আৰু দাস নিৰ্বাচনত যথেষ্ট সাৱধানতা অৱলম্বন কৰা উচিত। যিসকল লোক প্ৰকৃততে গৰাকীৰ উপযুক্ত তেওঁলোকহে গৰাকীৰ স্থান দিব লাগে আৰু যিসকল দাসৰ উপযুক্ত তেওঁলোকক দাসৰ ঠাইত ৰাখিব লাগে।

পৰিয়াল আৰু ৰাষ্ট্ৰত গৰাকী আৰু দাসৰ স্বাৰ্থ একেই। গৰাকী আৰু দাস উভয় পৰিয়াল আৰু ৰাষ্ট্ৰৰ মংগল হোৱাটো বিচাৰে। সেই গতিকে ইয়াত ক্ষমতা আৰু কৰ্তৃত্বৰ কোনো অপপ্ৰয়োগ হোৱা উচিত নহয়। গৰাকীসকলে তেওঁলোকৰ দাসবোৰক ভালদৰে ব্যৱহাৰ কৰা উচিত। তেওঁলোকে দাসবোৰক কেৱল নিৰ্দেশ দি থকাই উচিত নহয় সিহঁতৰ যুক্তিৰে কথাবোৰ বুজাই দিয়াও উচিত। গৰাকীয়ে দাসবোৰৰ বন্ধু, দাৰ্শনিক আৰু পথ প্ৰদৰ্শক হিচাপে কাম কৰা উচিত। এৰিষ্টটলে ইমান পৰ্যন্ত কৈছে যে যিসকল গৰাকী দাসসকলৰ প্ৰতি নিৰ্দয় সেইসকল গৰাকীক ঠিকভাৱে শাস্তি দিয়া উচিত। তেওঁৰ মতে মুক্তিয়েই দাসসকলৰ বাবে শেষ পুৰস্কাৰ। যেতিয়াই দাসবোৰে নিজকে নিজে পৰিচালিত হ'ব পৰাকৈ বৌদ্ধিক সামৰ্থ্য অৰ্জন কৰে তেতিয়াই সিহঁতক দাসত্বৰপৰা মুক্তি দিয়া উচিত। তেওঁলোকক সদায় মুক্তিৰ আশা দি ৰাখিব লাগে কিয়নো তেতিয়াহে তেওঁলোকে যুক্তি প্ৰদৰ্শন আৰু আত্মপৰিচালনাৰ সামৰ্থ্য লাভ কৰিবলৈ চেষ্টা কৰি থাকিব। গৰাকীসকলৰ এইটো এটা নৈতিক কৰ্তব্য যে তেওঁলোকে দাসবোৰক লাহে লাহে মুক্তিৰ পথত আগুৱাই নিব লাগে।

দাসত্ব গ্ৰীক সমাজৰ এটা অতি পুৰণি অনুষ্ঠান। এৰিষ্টটলে তেওঁৰ সময়ত গ্ৰীক সমাজত চলি থকা কিছুমান কুসংস্কাৰৰ ভাগ লবলগীয়া হৈছিল। তেও দাসত্ব অনুষ্ঠান বৰ্তাই ৰাখিবলৈ যুক্তি প্ৰদৰ্শন কৰিছিল যদিও তেওঁক ইয়াৰ মৌলিক চিন্তাবিদ বুলি কব নোৱাৰি। কিন্তু যেতিয়া তেও দাৰ্শনিক আৰু নৈতিকভাৱে শ্ৰেষ্ঠ লোকসকলকো দাস হিচাপে দেখিবলৈ পাইছিল তেতিয়া তেওঁ দ্ব্যাৰ্থহীন ভাৱে ইয়াৰ নিন্দা কৰিছিল। আনকি যেতিয়া তেও গৰাকী আৰু দাসৰ বৌদ্ধিক আৰু নৈতিক জ্ঞান সমপৰ্য্যায়ৰ দেখিবলৈ পাইছিল তেতিয়াও তেওঁ ইয়াৰ নিন্দা কৰিছিল আৰু তেওঁৰ মতে আৱশ্যকতকৈ অধিক পৰিমাণৰ দাস থকাটো নৈতিক-ভাৱে লজ্জাজনক আছিল। আত্মপৰিচালনাৰ বাবে সামৰ্থ্য লাভ কৰিলে দাসবোৰক মুক্তি দিয়া উচিত আৰু গৰাকী আৰু দাসৰ মাজত সৌহাৰ্দ্যপূৰ্ণ বন্ধুত্বৰ সম্পৰ্ক থকা উচিত আদি কথাবোৰৰ অৱতাৰণা কৰি এৰিষ্টটলে দাসত্ব অনুষ্ঠানৰ এজন প্ৰধান আৰু প্ৰবীণ সংস্কাৰকৰ স্থান লাভ কৰিছে। এইটো মাপকাঠিৰে জুখিলে বহুতো গৰাকী প্ৰকৃততে গৰাকী হোৱাৰ বাবে অনুপযুক্ত বুলি বিবেচিত হ'ব আৰু বহুতো দাস গৰাকীতকৈ কোনোগুণে হেয় নহয় বুলি প্ৰতিপন্ন হ'ব। গতিকে আমি এৰিষ্টটলক প্ৰশংসা কৰি এই কথাষাৰ কব পাৰো যে যদিও তেওঁ দাসত্ব অনুষ্ঠানটো সামাজিকভাৱে প্ৰয়োজনীয় বুলি কৈছিল তেওঁ ইয়াৰ সংস্কাৰ সাধনৰ বাবেও ভালেমান পৰামৰ্শ আগবঢ়াইছিল।

আমি এতিয়া দাসত্বৰ সংস্কাৰক হিচাপে এৰিষ্টটলে দাঙি ধৰা কথাবোৰৰ কেইখিনি এইদৰে দাঙিব পাৰো।

(১) তেওঁ প্ৰথমে স্বভাৱসিদ্ধ দাস আৰু আইনে সৃষ্টি কৰা দাসৰ মাজত পাৰ্থক্য উলিয়াই দেখুৱাইছে। তেওঁৰ মতে স্বভাৱসিদ্ধ দাস আৰু আকস্মিক বা নৈমিত্তিক দাসৰ মাজত তফাৎ আছে। আইনে সৃষ্টি কৰা দাসসকলৰ ভিতৰত আমি যুদ্ধবন্দীসকলকো ধৰিব পাৰোঁ।

(২) এৰিষ্ট'টলে এইটো স্বীকাৰ কৰিছে যে স্বভাৱসিদ্ধ মুক্ত মানুহ আৰু স্বভাৱসিদ্ধ দাসসকলৰ মাজত থকা পাৰ্থক্য সদায় স্পষ্ট নহয় যিটো স্পষ্ট হোৱাটো উচিত আৰু আৱশ্যক আছিল। আৰু সেইদৰে স্বভাৱসিদ্ধ দাসৰ সন্তান দাস হৈ থাকিব লাগিব বুলিও কোনো নিয়ম নাই দাসৰ সন্তানো গৰাকী হ'ব পাৰে।

(৩) এৰিষ্ট'টলে সাধাৰণতে আইনৰদ্বাৰা সৃষ্টি কৰা দাসৰ সমৰ্থন নকৰিছিল। তেওঁৰ মতে আইনৰদ্বাৰা সৃষ্টি কৰা দাসত্ব মানে বলেৰে সৃষ্টি কৰা দাসত্ব আছিল। উদাহৰণস্বৰূপে তেওঁ যুদ্ধবন্দীৰ কথা উল্লেখ কৰিছিল। তেওঁ কৈছিল যে যুদ্ধক্ষেত্ৰত জয়লাভ কৰিলেই এটা জাতি বা এখন ৰাষ্ট্ৰ সকলো প্ৰকাৰে শ্ৰেষ্ঠ হ'ব নোৱাৰে। বহুতো ৰাষ্ট্ৰই অন্যায়ভাৱে যুদ্ধ কৰিও জয়লাভ কৰে।

(৪) এজন গ্ৰিকে আন এজন গ্ৰিকক অত্যন্ত এৰাব নোৱৰা কাৰণতহে দাস হিচাপে ব্যৱহাৰ কৰা উচিত। সেই সময়ত গ্ৰিকসকলৰ মাজত এনে এটা ভাব বা বিশ্বাস বহুলভাৱে চলি আছিল যে গ্ৰিকসকলে কেৱল অন্য জাতিৰ মানুহকহে দাস হিচাপে ব্যৱহাৰ কৰা উচিত। গ্ৰিক চিন্তাবিদসকলৰ মতে বৌদ্ধিক আৰু নৈতিক জ্ঞানত গ্ৰিকসকল বাৰবোৰযানসকলতকৈ সদায় শ্ৰেষ্ঠ আছিল। এজন গ্ৰিক চিন্তাবিদ হিচাপে এৰিষ্টটলো তেওঁলোকৰ লগত একমত আছিল।

(৫) গৰাকী আৰু দাসৰ স্বাৰ্থ মূলত এক আৰু সেই গতিকে গৰাকীয়ে কৰ্তৃত্বৰ অপব্যৱহাৰ কৰা উচিত নহয়। দাসবোৰক গৰাকীয়ে বন্ধু হিচাপে ব্যৱহাৰ কৰা উচিত। গৰাকীয়ে দাসবোৰক ভদ্ৰভাৱে ব্যৱহাৰ কৰা উচিত। তেওঁলোকে দাসবোৰক কেৱল নিৰ্দেশ দিলেই নহয় নিৰ্দেশবোৰ যুক্তিৰে বুজাই দিয়াও উচিত। গতিকে দাসবোৰক গৰাকীৰ শৰীৰৰ জীৱন্ত অংশ বুলি ক'ব পাৰি যদিও গৰাকী আৰু দাসৰ শৰীৰ বেলেগ বেলেগ হৈ থাকে। সেই গতিকে গৰাকী আৰু দাসৰ মাজত পাৰস্পৰিক সহযোগিতা আৰু বন্ধুত্বৰ ভাব থকা উচিত। যিসকল গৰাকী দাসবোৰৰ প্ৰতি ৰূঢ় আৰু নিৰ্দয় তেওঁলোকক শাস্তি দিয়া উচিত।

(৬) সকলোবোৰ দাসকে মুক্তিৰ আশা আৰু সুবিধা দিয়া উচিত।

(৭) যুদ্ধবন্দীসকল বিজেতাসকলতকৈ বৌদ্ধিক আৰু নৈতিক জ্ঞানত নিকৃষ্ট হ'লে তেওঁলোকক দাসত্বৰ অধীনত ৰখা উচিত। যুদ্ধৰ ফলস্বৰূপে প্ৰকৃত গৰাকী এজন বা বহুজন আকস্মিকভাৱে যুদ্ধবন্দী হ'বলগীয়া হ'লে বা বিজেতা ৰাষ্ট্ৰৰ অধীন হ'বলগীয়া হ'লে তেওঁলোকক দাসত্বৰ মালা পিন্ধোৱা উচিত নহয়। আইনে সৃষ্টি কৰা দাসত্ব সদায় সমৰ্থনযোগ্য নহয় কিয়নো যিবোৰ ৰাষ্ট্ৰ আদৰ্শৰ

ভিত্তিত গঠিত নহয় সেইবাব বাষ্ট্ৰই বেয়া আইন গ্ৰহণ কৰি অন্যায়ভাৱে মানুহক দাসত্বৰ অধীন কৰিব পাৰে।

এৰিষ্টটলৰ যুগত এনে কিছুমান গ্ৰিক লোক আছিল যিসকলৰ মতে দাস চিকাৰ এটা আইনসংগত পেছা বা বৃত্তি আছিল আৰু জাতীয় অৰ্থনীতিৰ লগত ইয়াৰ সংগতি আছিল কিয়নো জাতীয় অৰ্থনীতিৰ বিবেচনাৰপৰাই ইয়াৰ প্ৰয়োজনীয়তা অনুভৱ কৰা হৈছিল। আনহাতে গ্ৰিচদেশত দাসত্বৰ বিৰোধী চিন্তাবিদো আছিল। বিশেষকৈ ছফিষ্টসকল দাসত্বৰ বিৰোধী আছিল। ছফিষ্টসকলে জোৰ দি কৈছিল যে স্বাধীনতা সকলো মানুহৰে জন্ম স্বত্ব। এৰিষ্টটল কিন্তু এই দুয়োটা চৰমভাবৰপৰা আঁতৰত আছিল। এৰিষ্টটলে দাস চিকাৰ সমৰ্থন কৰা নাছিল আৰু সকলোবোৰ দাসক জখেমখে মুক্তিদান দি দাসত্ব অনুষ্ঠানটো উঠাই দিবলৈও তেওঁ কোৱা নাছিল। এৰিষ্টটলৰ মতে সেই সময়ৰ সমাজিক অৰ্থনীতি আৰু অৱস্থাই দাসত্ব অনুষ্ঠানটোৰ সম্পূৰ্ণ বিলুপ্তিসাধন সমৰ্থন কৰা নাছিল। সেই গতিকে তেওঁ প্ৰশ্ন কৰিছিল— কেনেকৈ এখনসৰ জনসমষ্টিৰ ডাঙৰ অংশটোক অৰ্থাৎ দাসসকলক সম্পূৰ্ণৰূপে মুক্ত কৰি দিব পৰা যায়? দাসসকলক মুক্ত কৰি দিলে মুক্তভাৱে জন্মগ্ৰহণ কৰা গ্ৰিক নাগৰিকসকলৰ ঘৰুৱা কাম কাজবোৰ কোনে কৰিব? নাগৰিকসকল যদি ঘৰুৱা কাম কাজত ব্যস্ত থাকিবলগীয়া হয় তেন্তে তেওঁলোকে দৰ্শন অনুধাৱন কৰিবলৈ আৰু ৰাষ্ট্ৰীয় কৰ্তব্য পালন কৰিবলৈ তেওঁলোকে আহাৰ বা জিৰণি পাব কেনেকৈ? এইটো আমি নিশ্চিতভাৱে মনত ৰাখিব লাগিব যে এৰিষ্টটলে ভাল আচৰণ আৰু ব্যৱহাৰৰ পুৰস্কাৰ হিচাপেহে ব্যক্তিগতভাৱে দাসসকলক মুক্তি দিয়াৰ কথা কৈছিল। পাছত আকৌ এৰিষ্টটলে দাসসকলৰ বাবে যিটো বৃত্তি বা পেছা খোলা ৰাখিবলৈ পৰামৰ্শ দিছিল সেই পৰামৰ্শটো যিকোনো আধুনিক চিন্তাৰ কাৰ্যতকৈও আগবঢ়া আছিল। যিজন দাসৰ বুদ্ধি দিয়া ক্ষমতা আৰু নিজকে পৰিচালনা কৰাৰ ক্ষমতা বিকাশ হৈছিল সেইজন দাসক এৰিষ্টটলে মুক্তি দিবলৈ কৈছিল। অৰ্জনৰ ওপৰত প্ৰতিষ্ঠিত নহোৱা ৰাষ্ট্ৰবাবত যিবোৰ দাস আছিল তেওঁলোকৰ ভিতৰত বহুতকে প্ৰকৃততে দাস কৰি ৰাখি থোৱাটো উচিত হোৱা নাছিল কিয়নো তেওঁলোকৰ ভিতৰত বহুতৰে মুক্তি দিব পৰা সামৰ্থ্য আছিল আৰু বহুতে নিজৰ জীৱন যেনেকৈ চলাই নিব পাৰিলেহেঁতেন। বৰ্বৰোৱিয়ানসকলে কোনো গ্ৰিক মানুহকে দাস হিচাপে ৰাখিব নোৱাৰিছিল বা ৰখাটো উচিত নাছিল। আমি এইটো নিশ্চয়কৈ জানি থব লাগিব যে এৰিষ্টটলে প্ৰধানকৈ গ্ৰিক দাসসকলৰ কথা চিন্তা কৰিহে দাসত্ব অনুষ্ঠানটো বজাই ৰাখিবলৈ যুক্তি প্ৰদৰ্শন কৰিছিল আৰু ইয়াৰ সংস্কাৰ সাধন কৰিবলৈও পৰামৰ্শ আগবঢ়াইছিল। গ্ৰিক দাসসকলৰ অৱস্থা তেতিয়া বৰ অসুবিধাজনক নাছিল। তেওঁ-

লোক গৰাকীসকলৰ দৰে পোছাক পৰিচ্ছদ পিন্ধিছিল আৰু তেওঁলোকক গৰাকী সকলৰ পৰিয়ালৰ একোজন সদস্য হিচাপে স্থান কৰা হৈছিল। তেওঁলোকে আইন গত আৰু সামাজিকভাৱে অধপতিত হোৱা নাছিল আৰু তেওঁলোকক ৰাষ্ট্ৰই ৰক্ষণাবেক্ষণ দিছিল। এই গ্ৰিক দাসসকলৰ কিছুমানে কেৱল তেওঁলোকৰ গৰাকী সকলক বছৰি এটা কৰ দি ছিল যাতকে তেওঁলোকে তেওঁলোকৰ মুক্তি কিনি ল'ব পাৰিছিল। এই দাসসকলক চৰকাৰী পৰ্য্যায়ৰ চাকৰিতো মকৰল কৰা হৈছিল। আকৌ এইটোও আমি নিশ্চয়কৈ মনত ৰাখিব লাগিব যে এৰিষ্টটলে প্ৰকৃতিগত দাসত্বহে সমৰ্থন কৰিছিল আইনৰদ্বাৰা সৃষ্টি কৰা দাসত্ব অগ্ৰাহ্য কৰিছিল। তেওঁৰ মতে নৈতিক মূল্য থকা বাবেহে দাসত্ব স্বভাৱসিদ্ধ বা প্ৰকৃতিগত আছিল। গৰাকীসকলৰ নৈতিক গুণ লাভ কৰি দাসবোৰো নৈতিক প্ৰাণী হ'ব পাৰিছিল। এইবোৰৰ উপৰিও মানৱ সভ্যতাই এনেকুৱা এটা সমাজব্যৱস্থা বিচাৰে য'ত কিছু মান মানুহে নৈতিক আৰু বৌদ্ধিক কাম কৰিব লাগিব আৰু আন কিছুমান মানুহে শাৰীৰিক আৰু ঘৰুৱা কাম কাজ নকৰিলে নহ'ব।

এৰিষ্টটলৰ দাসত্ব তত্ত্বৰ পৰ্য্যালোচনা

এৰিষ্টটলে দাসত্ব অনুষ্ঠানৰ সপক্ষে যিবোৰ যুক্তিৰ অৱতাৰণা কৰিছে সেই বোৰ বেছি ভাগেই স্বভাৱসিদ্ধ আৰু পৰিত্যক্ত নিয়াব পৰা নহয়। এৰিষ্টটলে স্বভাৱসিদ্ধ দাস বিচাৰি উলিয়াবলৈও বা কোন প্ৰকৃতিগত দাস হয় আৰু কোন প্ৰকৃতিগত দাস নহয় ঠিক কৰিবলৈ কোনো নিৰ্দিষ্ট আৰু নিৰ্ভৰযোগ্য মাপকাঠিৰ কথা উল্লেখ কৰা নাই। এহাতে তেও গৰাকীসকলক উপদেশ দিছে যে গৰাকী-সকলে দাসসকলক দয়াপৰবশ হৈ ভালদৰে ব্যৱহাৰ কৰিব লাগে কিন্তু আনহাতে তেও দাসৰ যিটো সংজ্ঞা দিছে সেই সংজ্ঞামতে দাসসকলক ঘৰচীয়া জন্তুৰ পৰ্য্যায়লৈ লৈ যোৱা হৈছে। কিয়নো তেও দাসসকলক 'কাৰ্য্যৰ বা কাম কাজৰ যন্ত্ৰ বুলি আখ্যা দিছে। এই দৃষ্টিভংগীৰে চালে এৰিষ্টটল তেওঁৰ সমসাময়িক চিন্তাবিদসকলৰ তুলনাত কম উদাৰ আছিল। দাসসকলক কেৱল শাৰীৰিক শ্ৰমিক বুলি ধৰি ল'লে আৰু তেওঁলোকক মানসিক শ্ৰমিক বুলি কোৱাৰ কোনো স্থল নাই বুলি মানি ল'লে সমাজত আৰু বহুতো মানুহ ওলাব যিসকলক কেৱল শাৰীৰিক শ্ৰমিক বুলিয়েই গণ্য কৰিব লাগিব। এই সকলোবোৰ মানুহৰে এৰিষ্ট-টলৰ বিবেচনামতে জ্ঞানচৰ্চা কৰিবলৈ কোনো আহৰি নাই আৰু সেইবাবে তেওঁ লোক হোৱাৰ বাবে যোগ্য নহয়। এই যুক্তিটো বাস্তৱ আৰু সত্যৰ ওপৰত প্ৰতি ষ্ঠিত নহয়। কিছুমান মানুহ প্ৰকৃতিগতভাৱেই দাস' এই কথাষাৰদ্বাৰা এৰিষ্ট'-

টলে বংশগতিৰ ওপৰত অনাৱশ্যকীয়ভাৱে বৰ বেছি গুৰুত্ব আৰোপ কৰিছে। দাসসকলৰ নাই বুলিলেও কিছু পৰিমাণে যুক্তিশক্তি আছে আৰু তেওঁলোকে উপযুক্ত সুবিধা আৰু পৰিৱেশ পালে নিজৰ যুক্তিশক্তিৰ বিকাশ সাধন কৰিব পাৰে।

এৰিষ্টটলৰ দাসত্বৰ সংজ্ঞামতে কিছুমান মানুহৰ জন্ম হৈছে আনক শাসন কৰিবলৈ আৰু নিৰ্দেশ দিবলৈ আৰু আনবোৰৰ জন্ম হৈছে সেই শাসন আৰু নিৰ্দেশ বিনাবাক্যে পালন কৰিবলৈ। বৰ্তমান যুগত এই সংজ্ঞাটো মানি লব লগীয়া হলে পৃথিৱীৰ বেছিভাগ ৰাষ্ট্ৰৰে সৰহসংখ্যক মানুহক দাস বুলি গণ্য কৰিব লাগিব। এজন কাৰখানাৰ শ্ৰমিকেও নিজৰ উদ্যোগত কোনো কাম কৰিব নোৱাৰে। সেই শ্ৰমিকজনেও কোনো এটা যন্ত্ৰৰ এটা সৰু অংশত কাম কৰে আৰু সময়ত সেই যন্ত্ৰটোৰ এটা সামান্য অংশ যেন হৈ পৰে। তেওঁ সদায় কাৰখানাৰ মালিকৰ হুকুম মানি চলিব লাগে গতিকে তেওঁক কোনো কাৰ্যাৰ যন্ত্ৰ বুলি সহজে ক'ব পৰা যায় আৰু এৰিষ্টটলৰ সংজ্ঞামতে তেওঁকো অৰ্ধ দাস বুলিয়েই ধৰিব পাৰো। আধুনিক যুগৰ মানুহে এৰিষ্টটলৰ দাসত্বৰ সংজ্ঞা গ্ৰহণ কৰিব নোৱাৰে। আধুনিক যুগৰ মানুহৰ মতে এৰিষ্টটলৰ দাসত্বৰ সূত্ৰই মানুহৰ নৈতিক আৰু বৌদ্ধিক গুণৰ বিকাশৰ ধাৰাবাহিক ক্ৰমোন্নতিক বুজাইছে আৰু ইয়াৰদ্বাৰা নৈতিক আৰু বৌদ্ধিক জ্ঞানৰ অনুক্ৰমে কৰ্তৃত্ব আৰু অধীনতাৰ ব্যৱস্থা কৰা হৈছে। কিন্তু এনেকুৱা এটা ব্যৱস্থাত কোনো মানুহে কাম কাজৰ জীৱন্ত যন্ত্ৰ হ'ব নোৱাৰে। এৰিষ্টটলে দাসৰ যিটো সংজ্ঞা দিছে সেই সংজ্ঞাটোৱে তেওঁ নিজৰ দাসত্বৰ সপক্ষে দিয়া যুক্তিবোৰ অগ্ৰাহ্য কৰিছে। তেওঁ এইটো স্বীকাৰ কৰিছে যে দাসসকলৰ কেৱল যে শাৰীৰিক পৰিশ্ৰম কৰিবলৈ এটা শক্তিশালী শৰীৰ আছে এনে নহয় তেওঁলোকৰ একোটা মনো আছে আৰু সেই মনটোৱে কেৱল যে গৰাকী সকলৰ নিৰ্দেশহে বুজিব পাৰে এনে নহয় মনটোৰ কিছু পৰিমাণ যুক্তিশক্তিও আছে যাৰ সহায়ত তেওঁলোকে গৰাকীসকলে দিয়া যুক্তিবোৰ বুজিব পাৰে। আকৌ এৰিষ্টটলে কৈছিল যে এজন প্ৰকৃতিগত দাস গৰাকীৰ বন্ধু হ'ব নোৱাৰে। কিন্তু মানুহ হিচাপে তেওঁ বন্ধু হ'ব পাৰে। এই ধৰণৰ যুক্তিয়ে মানৱ প্ৰকৃতিৰ অস্বাভাৱিক বিভাজনৰ সৃষ্টি কৰে। দাসবোৰো মানুহ গতিকে তেওঁলোকক জীৱন্ত যন্ত্ৰ হিচাপে ধৰি লোৱাটো যৌক্তিকতাৰ লক্ষণ নহয়। এৰিষ্টটলৰ দাসত্ব সূত্ৰ অনুসৰি পৃথিৱীৰ অনুন্নত অংশত তিৰোতাসকলো এক প্ৰকাৰৰ স্বভাৱসিদ্ধ দাস নহয়নে ? এৰিষ্টটলে দাসত্বৰ সমৰ্থনত যিবোৰ যুক্তি দাঙি ধৰিছে সেইবোৰ যুক্তিৰ মূল্য তেওঁৰ এটা স্বীকাৰোক্তিয়ে যথেষ্ট কমাই দিছে। তেওঁ কৈছে যে যদিও প্ৰকৃতিয়ে শাৰীৰিক আৰু মানসিকভাৱে গৰাকী আৰু দাসসকলক বেলেগ বেলেগ উপাদান আৰু শক্তিৰে গঠন কৰিছে দাসসকলেও কেতিয়াবা কেতিয়াবা মুক্ত মানুহৰ মন

থাকে। এৰিষ্টটলে মানুহৰ সমতা স্বাধীনতা আৰু নৈতিক শক্তিৰ সম্যক বিবেচনা কৰিব পৰা নাছিল। তেওঁ মোটামুটিভাৱে দাসবোৰক মানুহৰ শৰীৰৰ লগত তুলনা কৰিছিল আৰু গৰাকীবোৰক মানুহৰ মন বা আত্মাৰ লগত তুলনা কৰিছিল। তথাপি তেওঁ দাসবোৰৰ মুক্তিৰ পথ বন্ধ কৰি ৰখা নাছিল। দাসবোৰ যদি বিবেক-বুদ্ধিহীন শৰীৰটোকেহে প্ৰতিনিধিত্ব কৰে তেনেহলে কেনেকৈ তেওঁলোকৰ মুক্ত মানুহৰ দৰে বিচাৰশক্তি থাকিব পাৰে বা কেনেকৈ তেওঁলোকে মুক্ত মানুহৰ দৰে কাম কৰিব পাৰে ? এৰিষ্টটলে এহাতে দাসবোৰক এক প্ৰকাৰৰ জীৱন্ত সম্পত্তি বুলি ঘোষণা কৰিছে আৰু আনহাতে তেওঁ দাসবোৰক আইন আৰু নিয়ম কানুনৰ ভাগ দিব লাগে বুলিও কৈছে অৰ্থাৎ ইয়াৰম্বাৰা তেওঁ দাসবোৰক বিচাৰ বিবেচনা শক্তিসম্পন্ন মানুহৰ শাৰীলৈ উন্নীত কৰাবলৈ বিচাৰিছিল।

এৰিষ্টটলৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি আমি এইটো ক'ব লাগিব যে যদিও তেওঁ সামাজিক প্ৰয়োজনীয়তাৰ খাতিৰত দাসত্ব অনুষ্ঠানটো চলি থাকিব লাগে বুলি কৈছিল তেওঁ এই অনুষ্ঠানটোৰ সংস্কাৰ সাধনৰ বাবেও সবল যুক্তি প্ৰদৰ্শন কৰিছিল। তেওঁ গুৰুত্বসহকাৰে কৈছিল যে প্ৰকৃতিয়ে যিবোৰ মানুহক দাস হিচাপে সৃষ্টি কৰিছে কেবল তেওঁলোককহে দাসত্বৰ অধীনত ৰাখিব লাগে। তেওঁ প্ৰথাগত বা আইনগত দাসত্বৰ ঘোৰ বিৰোধী আছিল 'কিয়নো এনে ধৰণৰ দাসত্বই যিকোনো মানুহক দাসত্বৰ অধীনলৈ আনিবলৈ অনুমতি দিছিল। দাস বোৰৰ প্ৰতি তেওঁ কেতিয়াও ৰূঢ় ব্যৱহাৰ কৰা নাছিল বৰং দাসৰ মুক্তিৰ পথ পৰিষ্কাৰ কৰিবলৈ তেওঁ ভালেমান মূল্যবান পৰামৰ্শ আগবঢ়াইছিল।

এইটো নিঃসন্দেহে সত্য যে কিছুমান মানুহ কেৱল শাৰীৰিক শ্ৰমজনিত কামৰ বাবেই উপযুক্ত আৰু এইটোও সত্য যে যিবোৰ মানুহ উচ্চ পৰ্য্যায়ৰ মানসিক শ্ৰমজনিত কামত নিযুক্ত হ'বলগীয়া হয় তেওঁলোকৰ ঘৰুৱা কাম কাজবোৰ আন কিছুমান মানুহৰম্বাৰা কৰাবলগীয়া হয়। কিন্তু এইটো কেতিয়াও এটা ন্যায্য আৰু সুস্থ কথা বুলি গ্ৰহণ কৰিব নোৱাৰি যে কিছুমান মানুহৰ সম্পূৰ্ণভাৱে মানসিক গুণ আৰু শক্তি আছে আৰু আন কিছুমান মানুহৰ মুঠেও মানসিক গুণ আৰু শক্তি নাই। ইয়াৰ ভিত্তিত মানুহবোৰক দুটা ভাগত বিভক্ত কৰিব নোৱাৰি। মুঠেও মানসিক গুণ আৰু সামৰ্থ্য নোহোৱা মুনিহ আৰু তিৰোতা সমাজত আছে বুলি ধৰি লোৱাটো নিতান্ত ভুল আৰু যদি সঁচাকৈ সমাজত তেনেকুৱা কোনো মানুহ আছে তেওঁক প্ৰকৃততে মানুহ বুলি নধৰি জন্তু বুলি ধৰাই ভাল। আচলতে কথাটো হৈছে এনেকুৱা ঃ কিছুমান মানুহৰ বেছিকৈ মানসিক গুণ আৰু সামৰ্থ্য আছে আৰু আনবোৰৰ কমকৈ মানসিক গুণ আৰু সামৰ্থ্য আছে। কিন্তু আমি এইটো ধৰি লোৱাটো সম্পূৰ্ণ ভুল যে কিছুমান

মানুহৰ নিজকে চলাই নিব পৰা কোনো সামৰ্থ্য নাই আৰু তেওঁলোকৰ মুঠেও যুক্তিশক্তি নাই। বাস্তৱত তেনেকুৱা কোনো মানুহ বিচাৰি পোৱা নাযাব। যদি কৰবাত কেনেবাকৈ তেনেকুৱা এজন মানুহ কিবা কাৰণত ওলায়ো গৰাকীৰ লগত তেওঁক দাস হিচাপে ৰাখিলে তেওঁ গৰাকীৰপৰা কোনো নৈতিক গুণ আহৰণ কৰিব নোৱাৰে। ইয়াৰ উপৰিও এইটো সদায় মনত ৰখা উচিত যে মানুহৰ শক্তি আৰু সামৰ্থ্য বহু পৰিমাণে উপযুক্ত পৰিবেশ আৰু সুবিধাৰদ্বাৰা সৃষ্টি হয়।

ৰাষ্ট্ৰৰ কল্যাণৰ কাৰণে সমাজত বাস কৰা বৌদ্ধিক আৰু নৈতিকভাৱে শ্ৰেষ্ঠ লোকসকলে সমাজত থকা বৌদ্ধিক আৰু নৈতিকভাৱে নিকৃষ্ট লোকসকলক পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰা উচিত। কিন্তু ইয়াৰ ফলত কোনো দাসত্বৰ সৃষ্টি নহয় অধীনতাহে সৃষ্টি হ'ব।

ৰাষ্ট্ৰৰ ৰাজনৈতিক স্থায়িত্ব ৰক্ষাৰ বাবে আৰু বুদ্ধিজীৱিসকলৰ উন্নতিৰ কাৰণে এৰিষ্টটলে দাসত্বৰ অস্তিত্ব আৰু ইয়াৰ ন্যায্যতা সমৰ্থন কৰিছিল কিন্তু তেওঁ এইটো ভালদৰে বুজা নাছিল যে এটা দীঘলীয়া সময়ৰ বাবে দাসত্ব চলি থাকলে দাসত্বই নাগৰিক আৰু দাস উভয়কে স্বৰ্গৰাজ্যৰপৰা নৰকলৈ নমাই অনাৰ সম্ভাৱনা ভৰি আছে। দাসবোৰে এদিন নহয় এদিন হীনমন্যতা অসন্তুষ্টি আৰু মানসিক অৱসাদ ভোগ কৰিবই লাগিব। তেতিয়া তেওঁলোকৰ মাজত হীনমন্যতা অসন্তুষ্টি আৰু অৱসাদৰ মাত্ৰা বাঢ়ি যাব তেতিয়া তেওঁলোকে নৈতিক ধৈৰ্য্যৰ সীমাত থাকিব নোৱাৰিব। তেতিয়া তেওঁলোকৰ নৈতিক ধৈৰ্য্যৰ বান্ধ ভাঙি যাব আৰু তেওঁলোকে অসৎ চিন্তা আৰু অসৎ কামত প্ৰবৃত্ত হ'বলৈ বাধ্য হ'ব। ইয়াৰ ফলত দাসবোৰ সমাজৰ দুষ্কৃতিকাৰীত পৰিণত হ'ব আৰু তেওঁলোকে ৰাষ্ট্ৰৰ গোটেই সুস্থ পৰিবেশটোকে বিষাক্ত কৰি পেলাব। এৰিষ্টটলে নিজেই স্বীকাৰ কৰিছে যে আৱশ্যকতকৈ বেছিসংখ্যক দাস থকাটো ৰাষ্ট্ৰৰ কাৰণে নৈতিক আৰু ৰাজনৈতিকভাৱে বিপদজনক। কিন্তু এইটো তেওঁ অনুভৱ কৰিব নোৱাৰিলে যে ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা আৰু স্থায়িত্বৰ কাৰণে এটা দাস শ্ৰেণী থকাটো যথেষ্ট অনিষ্টকৰ আৰু বিপদজনক। অসন্তুষ্ট আৰু অৱসাদগ্ৰস্ত মানুহে ৰাষ্ট্ৰ থনৰ প্ৰতি কেতিয়াও ভাল ভাব ৰাখিব নোৱাৰে। তেওঁলোকৰ চিন্তা কাৰ্য্য আৰু আচাৰ ব্যৱহাৰ সাধাৰণতে সুস্থ আৰু বিশুদ্ধ নহয়। গতিকে যেতিয়া সেই মানুহবোৰে নাগৰিকসকলৰ ল'ৰা ছোৱালীবোৰক প্ৰতিপালন কৰিব তেতিয়া সেই ল'ৰা-ছোৱালীবোৰৰ অধোগামী হোৱাৰ সম্ভাৱনাই সৰহ থাকিব।

একেজন মানুহে বেলেগ বেলেগ সময়ত শাৰীৰিক শ্ৰম আৰু মানসিক শ্ৰম দুয়োটাই কৰিব পাৰে। নাগৰিকসকলে মুঠেও শাৰীৰিক শ্ৰম নকৰিলে তেওঁ

লোক এলেহুৱা হৈ পৰিব আৰু ইয়াৰ ফলত তেওঁলোকৰ মানসিক পবিত্ৰতা আৰু সাধুতাও ব্যাহত হ'ব। দৰাচলতে শৰীৰৰ কাম কাজবোৰ মনৰ বিকাশত বাধাস্বৰূপ নহয। শাৰীৰিক শ্ৰম মানসিক স্বাস্থ্য আৰু বিকাশৰ সহায়কহে। গতিকে শাৰীৰিক শ্ৰম ব্যৱসায় বাণিজ্য আদিৰ কাম কৰিবলগীয়া হ'লে নাগৰিকসকলে তেওঁলোকৰ কৰ্তব্য আৰু কাৰ্য্যবোৰ সম্পাদান কৰিব নোবাৰে বুলি ভবাৰ কোনো সৰ্থকতা নাই।

তৰ্কৰ খাতিৰত আমি যদি ধৰি লওঁ যে সমাজত এনে এটা শ্ৰেণীৰ মানুহ আছে যাৰ কোনো মানসিক গুণ বা সামৰ্থ্য নাই তথাপি আমি সেই শ্ৰেণীটোৰ মানুহবোৰক সমাজৰপৰা বাছি উলিউবাটো সম্ভৱপৰ নহ'ব। কোনো এজন মানুহৰ মানসিক গুণ বা সামৰ্থ্য কেনকৈ নিৰূপণ কৰিব লাগিব তাৰ কোনো নিৰ্দিষ্ট মাপকাঠি এৰিষ্টটলে আমাক দি যোৱা নাই।

আধুনিক ৰাজনৈতিক দৃষ্টিভংগীত দাসত্ব অনুষ্ঠানটো কোনো ফালৰপৰাই সমৰ্থনযোগ্য নহয। সামাজিকভাৱে দাসত্ব কেতিয়াও সহ্য কৰিব নোৱাৰি বা সহ্য কৰা উচিত নহয আৰু ৰাজনৈতিকভাৱে শ্ৰমিক শ্ৰেণীটোক ৰাজনৈতিক অধিকাৰৰ পৰা বঞ্চিত কৰাৰ কোনো যুক্তি থাকিব নোৱাৰে। শ্ৰমজনিত কাম কৰিলেই মানুহ ৰাজনৈতিক কামৰ বাবে অযোগ্য হ'ব নোৱাৰে। আমি দাসত্বৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি ল'লে সমাজৰ দুৰ্বল আৰু নিশকটীয়া শ্ৰেণীটোৰ উন্নতিৰ প্ৰতি ৰাষ্ট্ৰৰ যিটো দায়িত্ব আছে সেই দায়িত্বটোক বিসৰ্জন দিয়া হ'ব আৰু তেওঁলোকক কেতিয়াও বুদ্ধিমান আৰু সক্ৰিয় নাগৰিকত পৰিণত কৰিব পৰা নাযাব। এজন মানুহ আৰু আন এজন মানুহৰ মাজত কোনো মৌলিক পাৰ্থক্য নাই আৰু গতিকে বেলেগ বেলেগ মানুহক বেলেগ বেলেগভাৱে ৰাজনৈতিক ক্ষেত্ৰত ব্যৱহাৰ কৰাটো উচিত নহয়। প্ৰত্যেকজন মানুহে সমাজ আৰু ৰাষ্ট্ৰত মানুহ হিচাপে ব্যৱহাৰ পোৱাৰ অধিকাৰ আছে। গতিকে দাসত্ব অনুষ্ঠানটো বৰ্তাই ৰখাৰ কোনো সাৰ্থক যুক্তি নাই।

এৰিষ্টটলৰ ৰাজনৈতিক তত্ত্বৰ ওপৰত দাসত্বৰ প্ৰভাৱ

এখন মুক্ত মানুহৰ সমাজত দাসত্ব অনুষ্ঠানটো স্বীকাৰ কৰি ল'লে বা এইটো প্ৰয়োজনীয় বুলি গ্ৰহণ কৰি ল'লে সমাজত থকা আন আন অনুষ্ঠানৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিব। দাসত্ব অনুষ্ঠানটোৱে এৰিষ্টটলৰ নাগৰিকৰ সূত্ৰ তেওঁৰ ৰাষ্ট্ৰৰ অৱধাৰণা আৰু তেওঁৰ জনসাধাৰণৰ সাৰ্বভৌমত্বৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰিছিল।

এৰিষ্টটলে বিশ্বাস কৰিছিল যে জীৱনধাৰণৰ বাবে মানুহে যদায় ঘৰুৱা কাম কাজত লাগি থাকিবলগীয়া হ'লে নৈতিক আৰু বৌদ্ধিক যোগ্যতা লাভ ক'ৰ বলৈ আহৰি নাপায় আৰু নৈতিক আৰু বৌদ্ধিক যোগ্যতা নথকা মানুহক ৰাজ নীতিত অংশগ্ৰহণ কৰিবলৈ দিব নোৱাৰি। সেই গতিকে তেও ঘৰুৱা কামবোৰ দাসবোৰৰ ওপৰত অৰ্পণ কৰিবলৈ বিচাৰিছিল। কিয়নো তেওঁয়াহে গৰাকীসকলে উন্নত চিন্তা চৰ্চাত মনোনিবেশ কৰিব পাৰিব আৰু ৰাজনৈতিক কামত অংশগ্ৰহণ কৰিব পাৰিব। তেওঁৰ মতে গৰাকীসকলৰ জীৱনৰ উন্নতিৰ বাবে বৰঙণি যোগা যৰ কাৰণেই দাসবোৰৰ সৃষ্টি হৈছে আৰু সেইটোৱেই হ'ব লাগে সমাজত দাস বোৰৰ ভূমিক। গৰাকীসকলে ৰাষ্ট্ৰৰ নীতি প্ৰণয়ন কৰে আৰু সকলোবোৰ ৰাষ্ট্ৰীয় কাৰ্য্য পৰিচালনা আৰু নিয়ন্ত্ৰণ কৰে। গতিকে ৰাষ্ট্ৰৰ ভাগ্য নাগৰিকসকলৰদ্বাৰাই নিয়ন্ত্ৰিত হয়। এই ৰাজনৈতিক শ্ৰেণীটোৰ মানুহবোৰকহে ৰাষ্ট্ৰৰ নাগৰিক হিচাপে গণ্য কৰা হয়। এৰিষ্টটলে ইচ্ছাপূৰ্বকভাৱেই দাস আৰু কাৰিকৰী লোকসকলক নাগৰিক শ্ৰেণীৰ ভিতৰত ৰখা নাছিল। এৰিষ্টটলৰ মতে যিসকল লোকে ৰাষ্ট্ৰৰ আইন প্ৰণয়ন আৰু বিচাৰসম্বন্ধীয় কামত অংশগ্ৰহণ কৰে তেওঁলোককহে নাগৰিক বুলি গণ্য কৰিব লাগে আৰু তেওঁলোকহে ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

এৰিষ্টটলৰ নাগৰিকত্বৰ অৱধাৰণাৰ প্ৰভাৱ তেওঁৰ ৰাষ্ট্ৰৰ সংজ্ঞৰ ওপৰতো পৰিছে। তেওঁ প্ৰথমতে নাগৰিকসকল আৰু অন্যান্য মানুহবোৰৰ মাজত থকা পাৰ্থক্যবোৰ দেখুৱাইছে আৰু তাৰ পাছত ৰাষ্ট্ৰৰ সংজ্ঞা এইদৰে দিছে— 'ৰাষ্ট্ৰ হৈছে এটা নাগৰিক সংস্থা আৰু ইয়াক নাগৰিকসকলৰ নিখুঁত আৰু স্বয়ংসম্পূৰ্ণ অস্তিত্বৰ বাবে সৃষ্টি কৰা হৈছে। গতিকে এৰিষ্টটলৰ মতে নাগৰিকসকলৰ বাবেই ৰাষ্ট্ৰখন বৰ্ত্তি থাকে আৰু ৰাষ্ট্ৰই নাগৰিকসকলৰ স্বাৰ্থ ৰক্ষাৰ বাবে কাম কৰে। অন্যান্য মানুহবোৰ ৰাষ্ট্ৰৰ সহায়কাৰী উপাদান। সেই মানুহবোৰে নাগৰিকসকলৰ জীৱন আৰু কাৰ্যৰ উন্নতিৰ বাবে বৰঙণি আগবঢ়ায়।

আকৌ এৰিষ্টটলে কৈছে যে সাৰ্বভৌমত্ব এজন মানুহ বা কেইজনমান মানুহৰ হাতত থকাটো উচিত নহয় বৰং তো বা জনসাধাৰণৰ হাততহে থকা উচিত কিন্তু এইবুলি কওঁতে তেও ৰাষ্ট্ৰৰ সকলোবোৰ মানুহক বুজোৱা নাই নাগৰিক-সকলকহে বুজাইছে।

আধুনিক ৰাষ্ট্ৰবোৰত যিসকল মানুহে ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য দেখুৱায় ৰাষ্ট্ৰই প্ৰণয়ন কৰা আইন কানুনবোৰ মানি চলে ৰাষ্ট্ৰক কৰ কাটল দিয়ে আৰু ৰাষ্ট্ৰৰ প্ৰতিৰক্ষাৰ কাৰণে যুদ্ধ কৰিবলৈ প্ৰস্তুত থাকে সেইবোৰ মানুহে ৰাষ্ট্ৰৰ নাগৰিক আৰু তেওঁলোকক ৰক্ষণাবেক্ষণ দিয়াটো ৰাষ্ট্ৰৰ কৰ্তব্য। আধুনিক ৰাষ্ট্ৰ

বোৰত এই মানুহবোৰে সম্পূৰ্ণৰূপে বা আংশিকভাৱে ৰাজনৈতিক অধিকাৰ উপভোগ কৰে। আধুনিক ৰাষ্ট্ৰবোৰত শ্ৰমিকসকল আৰু কাৰিকৰসকলেও অন্যান্য শ্ৰেণীৰ মানুহবোৰৰ লগত ৰাষ্ট্ৰীয় আইনৰ সা সুবিধাবোৰ সমানে ভোগ কৰিব পাৰে আৰু কিছুমান ৰাষ্ট্ৰত তেওঁলোকে সমান ৰাজনৈতিক সা সুবিধাও লাভ কৰে। আধুনিক ৰাষ্ট্ৰবোৰ কোনো এটা বিশেষ শ্ৰেণীৰ মানুহৰ বাবে নহয় সকলো বোৰ মানুহৰ বাবেহে।

মুক্ত মানুহৰ এটা জাতিৰ বাবে এৰিষ্টটলে দাসত্ব অনুষ্ঠানটোৰ প্ৰয়োজনীয়তা স্বীকাৰ কৰি লৈছে আৰু ইয়াৰ ফলত তেওঁৰ নাগৰিকত্ব আৰু ৰাষ্ট্ৰৰ অৱধাৰণাৰ ওপৰত এটা অভিজাততান্ত্ৰিক ৰহন পৰিছে। কিয়নো ৰাষ্ট্ৰখনত থকা সকলো জনসাধাৰণৰ লগত তুলনা কৰিলে তেওঁৰ নাগৰিক শ্ৰেণীটোক এটা অভিজাত শ্ৰেণী বুলি কোৱাত আমাৰ বিশেষ অসুবিধা নহয় আৰু তেওঁৰ ৰাষ্ট্ৰখনকো অভিজাততান্ত্ৰিক ৰাষ্ট্ৰ বুলি ক'ব পৰা যায়। এই অভিজাত শ্ৰেণীটো সদায় তেওঁলোকৰ বৌদ্ধিক আৰু সাংস্কৃতিক বিকাশৰ কাৰণে দাসসকলৰ শ্ৰমৰ ওপৰত নিৰ্ভৰশীল হ'বলগীয়া হয়। গতিকে তেওঁৰ দাসত্বৰ প্ৰয়োজনীয়তাৰ স্বীকৃতি তেওঁ দিয়া এই বিবৃতিটোৰ লগত বিসংগতিপূৰ্ণ নহয়— এখন ৰাষ্ট্ৰ কিছুমান সমপৰ্য্যায়ৰ মানুহৰদ্বাৰা গঠিত এখন সমাজ আৰু ই সমপৰ্য্যায়ৰ মানুহবোৰৰ উৎকৃষ্ট জীৱন সম্ভৱপৰ কৰি তুলিবলৈ চেষ্টা কৰে।' ইয়াত তেওঁ সমপৰ্য্যায়ৰ মানুহ বোলোঁতে কেৱল নাগৰিকসকলকহে বুজাইছিল। কিয়নো আনুপাতিক সমতাৰ ওপৰত ভিত্তি কৰি কেৱল নাগৰিকসকলেহে চৰকাৰী কৰ্তৃত্বৰ অংশ লাভ কৰিব পাৰিছিল।

ত্ৰিবিংশতি অধ্যায়

নাগৰিকত্ব

পূৰ্বৰ গ্ৰিক নগৰৰাষ্ট্ৰবোৰত জন্মৰপৰা লাভ কৰা বিশেষ সুবিধাৰ বলত সৃষ্টি হোৱা এক শ্ৰেণীৰ নাগৰিক আছিল আৰু এই শ্ৰেণীৰ নাগৰিকসকলে ৰাষ্ট্ৰৰ ৰাজনৈতিক জীৱনত অংশগ্ৰহণ কৰিছিল। নাগৰিকত্বই মানুহক ৰাষ্ট্ৰৰ সদস্যপদ দিছিল আৰু সেই সদস্যপদৰ বলত মানুহে ৰাষ্ট্ৰৰ ৰাজনৈতিক কাম-কাজত অংশ গ্ৰহণ কৰিব পাৰিছিল। ৰাষ্ট্ৰত নাগৰিকসকলে কিমানখিনি কাম কাজত অংশগ্ৰহণ কৰিব পাৰিব সেইটো নিৰ্ভৰ কৰিছিল ৰাষ্ট্ৰত থকা মানুহৰ গণতান্ত্ৰিক অধিকাৰৰ ওপৰত। গতিকে নগৰসভাত উপস্থিত হ'ব পৰাটোৱেই কোনো কোনো ৰাষ্ট্ৰত ৰাজনৈতিক কাৰ্যত অংশগ্ৰহণ কৰাটো বুজাইছিল। ৰাষ্ট্ৰীয় বিষয়বাব অধিকাৰ কৰা আৰু বিচাৰকৰ আসনত বহাটোও কোনো কোনো ৰাষ্ট্ৰত ৰাজনৈতিক কাৰ্য বুলি পৰিগণিত হৈছিল। গ্ৰিকসকলৰ মতে নাগৰিকত্বই মানুহক কোনো অধিকাৰ দিয়া নাছিল নগৰৰাষ্ট্ৰৰ কাৰ্যত সেৱা আগবঢ়াবলৈ সুবিধাহে দিছিল।

ৰাজনীতিৰ তৃতীয় পুস্তিকাখনত আমি ইয়াৰ কেন্দ্ৰীয় আৰু মৌলিক প্ৰশ্নটোৰ সন্মুখীন হও। ইয়াত এৰিষ্টটলে তেওঁৰ নাগৰিকত্ব আৰু ৰাষ্ট্ৰৰ অৱধাৰণা আমাৰ আগত দাঙি ধৰিছে। তৃতীয় পুস্তিকাখন এই প্ৰশ্নটোৰে আৰম্ভ কৰা হৈছে—ৰাষ্ট্ৰখন কি? এৰিষ্টটলৰ মতে উদ্দেশ্যৰ ফালৰপৰা বিচাৰ কৰিলে ৰাষ্ট্ৰখন নাগৰিকসকলৰ এটা সমাবেশ বুলিব পাৰি। কিন্তু এজন নাগৰিক কোন? এৰিষ্টটলে তেওঁৰ ৰাজনীতিৰ প্ৰথম পুস্তিকাত ৰাষ্ট্ৰখনক ভালেমান সংস্থাৰে গঠিত এটা ডাঙৰ সংস্থা বুলি আখ্যা দিছে। গতিকে ৰাষ্ট্ৰখনক কিছুমান পৰিয়াল আৰু গাঁওৰ সমষ্টি বুলিও ক'ব পাৰি। কিন্তু ৰাজনীতিৰ দ্বিতীয় পুস্তিকাত তেওঁ ৰাষ্ট্ৰখনক মুক্ত মানুহবোৰৰ এটা সংস্থা বুলি কৈছে আৰু ইয়াৰপৰাই তেওঁৰ নাগৰিকত্বৰ তত্ত্বৰ জন্ম হৈছে। এৰিষ্টটলে নাগৰিক কোন আৰু নাগৰিকত্ব শব্দটোৰ অৰ্থ কি তাৰ উত্তৰ দিবলৈ গৈ কেইটামান নিশ্চিত কথাৰ অৱতাৰণা কৰিছে। সেই কথাকেইটা হৈছে—

(১) এজন মানুহে কোনো এখন ৰাষ্ট্ৰত বাস কৰিলেই নাগৰিক হ'ব নোৱাৰে কিয়নো ৰাষ্ট্ৰত বিদেশী লোক আৰু দাসসকলো বাস কৰে। বিদেশী লোকসকল আৰু দাসবোৰ নাগৰিক হ'ব নোৱাৰে।

(২) কোনো এজন মানুহৰ অভিযোগ কৰিবলৈ বা অভিযুক্ত হ'বলৈ অধিকাৰ থাকিলেই তেওঁ নাগৰিক হ'ব নোৱাৰে কিয়নো কোনো চুক্তিৰ সহায়ত বিদেশী নাগৰিকসকলেও সেই অধিকাৰ লাভ কৰিব পাৰে। এই মানুহবোৰ এটা সীমাবদ্ধ অৰ্থতহে নাগৰিক। প্ৰকৃত নাগৰিক হ'বলৈ এওঁলোক হয় যথেষ্ট বয়সিয়াল নহয় ... কম বয়সৰ।

(৩) ... মানুহক নাগৰিক অধিকাৰ লাভ কৰাৰ বাবে অযোগ্য বুলি ঘোষণা কৰা হৈছে আৰু সিবোৰক ৰাষ্ট্ৰৰপৰা নিৰ্বাসন দিয়া হৈছে তেওঁলোকো নাগৰিক নহয়।

(৪) উত্তৰাধিকাৰীসূত্ৰেও কোনো মানুহ নাগৰিক হ'ব নোৱাৰে কিয়নো এইটোকে নাগৰিক অধিকাৰ লাভৰ মাপকাঠি বুলি ধৰি ল'লে আমি আৰু এটা প্ৰশ্নৰ উত্তৰ দিব লাগিব। সেই প্ৰশ্নটো হৈছে—পিতৃ মাতৃ কিহৰ বলত বা কি কাৰণে নাগৰিক হ'ব পাৰিছে। গতিকে আমি বাসস্থান আইনগত অধিকাৰ ভোগ বা উত্তৰাধিকাৰী সূত্ৰৰ ভিত্তিত মানুহৰ নাগৰিকত্ব দিব নোৱাৰোঁ।

এৰিষ্ট'টলে নাগৰিকত্বৰ অৱধাৰণাটো অত্যাৱশ্যকীয় আৰু আৱশ্যকীয় দুটা ... গত ভাগ ক'ৰ বিশ্লেষণ কৰিছে। অত্যাৱশ্যকীয় গুণটো প্ৰতিজন নাগৰিকৰে থাকিব লাগিব আৰু নাগৰিকসকলৰহে এইটো লাভ কৰাৰ সামৰ্থ্য থাকিব পাৰে। ... ৰ অত্যাৱশ্যকীয় গুণ বাসস্থান উত্তৰাধিকাৰীসূত্ৰ বা আইনগত অধিকাৰ ... হ'ব নোৱাৰে ৰাষ্ট্ৰীয় কাৰ্যতহে এই গুণ প্ৰকাশ পায়। নাগৰিকসকলৰ গাত এই গুণটো এটা সীমাবদ্ধ সময়ৰ বাবে থাকিলে নহয় অনিৰ্দিষ্ট সময়ৰ বাবে থাকিব লাগিব। এৰিষ্ট'টলে দুই প্ৰকাৰৰ বিষয়বাবৰ ভিতৰত পাৰ্থক্য দেখুৱাইছে। তেওঁৰ মতে কিছুমান বিষয়বাব এটা সীমাবদ্ধ সময়ৰ বাবে মানুহে অধিকাৰ কৰে আৰু কিছুমান বিষয়বাব ধাৰাবাহিকভাৱে অনিৰ্দিষ্ট কালৰ বাবে অধিকাৰ কৰি থাকে। উদাহৰণস্বৰূপে নাগৰিকসকল—এথেনিয়ান ইক্লেছিয়াৰ সদস্য আছিল আৰু তেওঁলোকৰ সদস্যপদ অনিৰ্দিষ্ট কালৰ বাবে অব্যাহত আছিল।

এজন নাগৰিক কোন' —এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ গৈ এৰিষ্ট'টলে গ্ৰীছ দেশীয় সত্য ঘটনাৰ আশ্ৰয় লৈছে। তেওঁৰ মতে সেইজন মানুহেই নাগৰিক যিজন মানুহে ন্যায়ৰ প্ৰশাসনত অংশগ্ৰহণ কৰে আৰু যিজন মানুহে আইনসভাৰ সদস্য হিচাপে আইন প্ৰণয়নত অংশগ্ৰহণ কৰে। ইয়াৰ এটা বা দুয়োটাই 'সাৰ্বভৌম কৰ্তৃপক্ষৰ অত্যাৱশ্যকীয় কাম। গতিকে এৰিষ্ট'টলে সেইজন মানুহকে নাগৰিক বুলি জ্ঞান কৰিছিল যিজনে ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা ব্যৱহাৰত সক্ৰিয় অংশগ্ৰহণ কৰিছিল। এই বাক্যটোৱে এৰিষ্ট'টলে নাগৰিকৰ সূত্ৰ দিছিল। ৰাষ্ট্ৰৰ বিচাৰসম্বন্ধীয় প্ৰশাসন আৰু আইন প্ৰণয়নত অংশগ্ৰহণ কৰিবলৈ যিজন মানুহৰ ক্ষমতা আছে

সেইজন মানুহকে আমি ৰাষ্ট্ৰৰ নাগৰিক বুলি কওঁ। এজন নাগৰিকে আইনৰ আদালতৰ বিচাৰক হিচাপে বা আইনৰ আদালতৰ জুৰি হিচাপে ৰাষ্ট্ৰৰ বিচাৰ সম্বন্ধীয় কাৰ্যত অনিৰ্দিষ্ট সময়ৰ বাবে অংশগ্ৰহণ কৰিব পাৰে আৰু জনপ্ৰিয় সভাৰ সদস্য হিচাপেও এজন নাগৰিকে ৰাষ্ট্ৰৰ আইন প্ৰণয়ন কাৰ্যত অংশগ্ৰহণ কৰিব পাৰে। আগতে উল্লেখ কৰাই হৈছে যে এৰিষ্টটলে এই উদ্দেশ্যে ৰাষ্ট্ৰীয় বিষয়বাব-ব্যৱস্থাক দুটা ভাগত বিভক্ত কৰিছিল। ইয়াৰ প্ৰথম ভাগত পৰা বিষয়বাববোৰ এটা নিৰ্দিষ্ট সময়ৰ বাবে অধিকাৰ কৰিব পৰা গৈছিল। আৱশ্যক হ'লে সেই নিৰ্দিষ্ট সময়ছোৱা শেষ হোৱাৰ পাছতো একেজন মানুহকে আকৌ সেই বিষয়বাব দিয়া হৈছিল। দ্বিতীয় ভাগত পৰা বিষয়বাববোৰ এটা অনিৰ্দিষ্ট সময়ৰ বাবে ধাৰাবাহিকভাৱে অধিকাৰ কৰিব পৰা গৈছিল। বিচাৰসম্বন্ধীয় বিষয়বাববোৰ আৰু আইন প্ৰণয়ন সম্বন্ধীয় বিষয়বাববোৰ দ্বিতীয় ভাগত পৰিছিল। ইয়াতে আমি মনত ৰাখিব লাগিব যে এথেন্সত চলি থকা তেতিয়াৰ ন্যায়ৰ প্ৰণালীৰ আৰু বৰ্তমানৰ ন্যায়ৰ প্ৰণালীৰ মাজত পাৰ্থক্য আছে। তেতিয়াৰ এথেন্সত এছোৱা চুটি সময়ৰ বাবে জনপ্ৰিয় ন্যায়ালয়সমূহৰ বিচাৰক হিচাপে বা জুৰি হিচাপে সেৱা আগবঢ়াবলৈ মানুহ নিৰ্বাচন কৰা হৈছিল আৰু সেই মানুহবোৰে চক্ৰবৎ নিয়ম অনুসৰি একাডোথৰ নিৰ্দিষ্ট সময়ৰ বাবে সেৱা আগবঢ়াব লাগিছিল আৰু সেই নিৰ্বাচনত থিয় দিবলৈ প্ৰত্যেকজন নাগৰিকৰে অধিকাৰ আছিল। সকলোবোৰ নাগৰিকক সামৰি লৈ জনপ্ৰিয় সভা গঠিত হৈছিল। আইন প্ৰণয়ন কাৰ্যবিলাক বা আইনসম্বন্ধীয় আন কাম-কাজ কৰিবলৈ জনপ্ৰিয় সভা বছৰটোত অন্ততঃ এবাৰ মিলিত হৈছিল। ২০ বছৰ বয়স হ'লেই এথেন্সত মানুহে নাগৰিক অধিকাৰ পাইছিল। জনপ্ৰিয় সভাখনেই এথেন্সৰ সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী আছিল। জনপ্ৰিয় সভাৰ সদস্য হিচাপে প্ৰত্যেকজন এথেন্সীয় নাগৰিকে ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতাৰ ব্যৱহাৰত অংশগ্ৰহণ কৰিছিল। এৰিষ্টটলে কৈছে যে নাগৰিকসকলৰ বিশেষ বৈশিষ্ট্য হৈছে এইটোৱেই যে তেওঁলোকে ন্যায়ৰ প্ৰশাসন আৰু আইন প্ৰণয়ন কাৰ্যত অংশগ্ৰহণ কৰিব লাগে। এই দুটা কাৰ্যৰ ভিতৰত এৰিষ্টটলে আইন প্ৰণয়নৰ কাৰ্যৰ ওপৰত বেছি গুৰুত্ব দিছিল। জনপ্ৰিয় সভাখন সংবিধানৰো ওপৰত আছিল। কাৰণ এই সভাখনৰ হাতত সাৰ্বভৌম ক্ষমতা আছিল। গতিকে এৰিষ্টটলৰ মতে বিধায়ী আৰু কাৰ্যনিৰ্বাহক বিষয়া নিৰ্বাচন কৰি দিয়াটোৱেই নাগৰিকসকলৰ কাম নহয় তেওঁলোকে ৰাষ্ট্ৰৰ বিচাৰসম্বন্ধীয় আৰু আইন প্ৰণয়ন সম্বন্ধীয় কামতো প্ৰত্যক্ষভাৱে সক্ৰিয় অংশ গ্ৰহণ কৰিব লাগিছিল।

আমাৰ ইয়াৰ পাছৰ প্ৰশ্নটো হৈছে— ৰাষ্ট্ৰৰ সৰ্বোচ্চ আইন প্ৰণয়নমূলক আৰু বিচাৰসম্বন্ধীয় কাৰ্যত কোনবোৰ মানুহক অংশগ্ৰহণ কৰিবলৈ দিয়া উচিত? এই প্ৰশ্নটোৰ উত্তৰ বেলেগ বেলেগ সংবিধানত বেলেগ বেলেগ ধৰণে দিয়া হৈছে।

স্বল্পতান্ত্ৰিক সংবিধানে মাত্ৰ কিছুমান মানুহকহে নাগৰিকত্ব দিছে। গণতান্ত্ৰিক সংবিধানে বহল ভিত্তিত বহুতো মানুহক নাগৰিকত্ব দিছে কিন্তু তথাপি গণ তান্ত্ৰিক সংবিধানৰ অধীনতো ৰাষ্ট্ৰৰ ভিতৰত থকা আৰু এটা নিৰ্দিষ্ট বয়সপ্ৰাপ্ত সকলোবোৰ মানুহে নাগৰিকত্ব নাপায়। যিকোনো সংবিধানে বিদেশীসকল দাস বোৰ আৰু তিৰোতাসকলক নাগৰিকত্ব দিয়া নাই। এৰিষ্টটলে কাৰিকৰসকল আৰু ব্যৱসায়-বাণিজ্যকাৰীসকলকো নাগৰিকত্ব দিয়া নাছিল। ৰাষ্ট্ৰত কাৰিকৰসকল আৰু শ্ৰমিকসকলৰ স্থান নিৰ্ণয় কৰিবলৈ গৈ এৰিষ্টটলে এই প্ৰশ্নটো উত্থাপন কৰিছিল। যিজন মানুহে ৰাষ্ট্ৰীয় বিষয়বাব অধিকাৰ কৰে সেইজন মানুহ প্ৰকৃত নাগৰিক নে কাৰিকৰ এজনক নাগৰিকসকলৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব লাগিব ?

নাগৰিকসকলৰ যেনেকৈ ৰাজনৈতিক অধিকাৰ আছে তেনেকৈ তেওঁলোকৰ ৰাজনৈতিক কৰ্তব্যও আছে। এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ বিচাৰসম্বন্ধীয় আৰু আইন প্ৰণয়নমূলক কামত অংশগ্ৰহণ কৰিবলৈ মানুহৰ উচ্চ পৰ্য্যায়ৰ নৈতিক আৰু বৌদ্ধিক গুণ থাকিব লাগিব। এই গুণটোকে আমি বাস্তৱ জ্ঞান বুলি ক'ব পাৰোঁ। এই গুণটো ৰাষ্ট্ৰ এখনত থকা সকলোবোৰ অধিবাসীৰে গাত নাথাকে। ইয়াৰ উপ ৰিও নাগৰিকসকলক জিৰণি লাগে। কাৰিকৰসকল আৰু শ্ৰমিকসকল তেওঁলোকৰ দৈনন্দিন কাম কাজত বেয়াকৈ ব্যস্ত থাকিবলগীয়া হয়। তেওঁলোকৰ হাতত আৱ শ্যকীয় জিৰণিও নাই আৰু তেওঁলোকৰ গাত এনে কোনো নৈতিক আৰু বৌদ্ধিক গুণো নাই যাৰ বলত তেওঁলোকে ৰাষ্ট্ৰৰ বিচাৰসম্বন্ধীয় আৰু আইন প্ৰণয়নমূলক কাৰ্য্যৰ অংশ দাবী কৰিব পাৰে। দ্বিতীয়তে নাগৰিকসকল মুক্ত মানুহ তেওঁ- লোকৰ শাসন কৰিবলৈ যেনেকৈ সামৰ্থ্য আছে শাসিত হ'বলৈও তেনেকৈ সামৰ্থ্য আছে। কিন্তু শ্ৰমিকসকলে আৰু কাৰিকৰসকলে কেৱল কেনেকৈ আইনৰ আদেশ মানি চলিব লাগে সেইটোহে জানে। শাসন কৰিবলৈ তেওঁলোকৰ সামৰ্থ্য নাই আৰু সেই গতিকে তেওঁলোকক নাগৰিক অধিকাৰ দিয়াটো উচিত নহয়। তেন্তে ৰাষ্ট্ৰত কাৰিকৰ আৰু শ্ৰমিকসকলে কি স্থান অধিকাৰ কৰা উচিত ? নিজৰ ৰাষ্ট্ৰ খনেই শ্ৰমিক আৰু কাৰিকৰসকলৰ স্থায়ী ঘৰ। আন কোনো ৰাষ্ট্ৰৰ লগত তেওঁ- লোকৰ কোনো প্ৰকাৰৰ সম্বন্ধ নাই কিন্তু তথাপি এৰিষ্টটলে কৈছে "ৰাষ্ট্ৰৰ বাবে অপৰিহাৰ্য্য সকলোবোৰ মানুহকে আমি নাগৰিক বুলি গণ্য কৰিব নোৱাৰোঁ।" তেওঁৰ মতে নাগৰিকসকল ৰাষ্ট্ৰৰ এবাৰ নোৱৰা অংগ আৰু কাৰিকৰসকল আৰু শ্ৰমিকসকল ৰাষ্ট্ৰৰ সহায়কাৰী অংগ যিসকলে নাগৰিকসকলৰ জীৱন আৰু কাৰ্য্যৰ উন্নতি সাধনৰ বাবে বৰঙণি আগবঢ়ায় কিন্তু তেওঁলোকে নিজে নাগৰিকসকলৰ দৰে ৰাষ্ট্ৰৰ ৰাজনৈতিক আৰু বিচাৰসম্বন্ধীয় কামত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ নকৰে। গতিকে তেওঁ কৈছে, "যদিও তেওঁলোক ৰাষ্ট্ৰতে থাকে তথাপি তেওঁলোক ৰাষ্ট্ৰৰ নহয়।"

ওপৰৰ আলোচনাত এইটো পৰিস্কাৰ হৈছে যে এৰিষ্টটলৰ নাগৰিকসকল আহৰি থকা শ্ৰেণীৰ লোক আছিল। কিন্তু তেওঁৰ মতে জিৰণিৰ অৰ্থ বেলেগ আছিল। আমাৰ মতে জিৰণিৰ সময়ত কোনো কাম কাজ কৰা নহয় আৰু এই সময়বোৰ তামাচা-স্ফূৰ্তি কৰি কটাই দিয়া হয়। শিক্ষক আৰু ছাত্ৰসকলে স্কুল কলেজত জিৰণি উপভোগ কৰে। অফিচ, আদালতবোৰতো চাহ জলপান খোৱাৰ বাবে জিৰণিৰ সময় আছে। কিন্তু এৰিষ্টটলৰ মতে জিৰণিৰ সময়খিনিতো মানুহে কাম কৰিব লাগিছিল। তেওঁ মানুহৰ কাম কাজবোৰক দুটা ভাগত বিভক্ত কৰিছিল। প্ৰথমতে কিছুমান কামক তেওঁ আৱশ্যকীয় কাম বুলি কৈছিল। যেনে— পথাৰত হালবোৱা কাপোৰ চিলাই কৰা কাৰখানাত কম কৰা ইত্যাদি। দ্বিতীয়তে মানুহে আৰু কিছুমান কাম কৰে। সেই কামবোৰ হৈছে— অনুধাৱন জ্ঞানচৰ্চা কবিতা ৰচনা কৰা ইত্যাদি। জীৱনৰ উচ্চতম জ্ঞানচৰ্চা কৰাৰ অৰ্থ হৈছে সত্য সুন্দৰ আৰু ভালৰ সাধনা কৰা। এইশ্ৰেণীৰ কামকে এৰিষ্টটলে দ্বিতীয় শ্ৰেণীৰ কাম বুলি কৈছে। তেওঁ এই কামবোৰ জিৰণি সময়তহে কৰিব লাগে বুলি কৈছে। ফ্ৰষ্টাৰৰ মতে মানুহে নিজৰ অৰ্থনৈতিক আৰু বৈষয়িক অভাৱবোৰ আঁতৰ কৰিবলৈ যিবোৰ কাম কাজ কৰিবলগীয়া হয় সেইবোৰৰ বাদে আন সকলোবোৰ কামকে দ্বিতীয় শ্ৰেণীৰ কামৰ ভিতৰত অন্তৰ্ভুক্ত কৰিব পাৰি। এইশ্ৰেণীৰ কামৰ ভিতৰতে আছে ৰাজনৈতিক কাৰ্য্য জনসেৱা দেশ ৰক্ষাৰ বাবে যুদ্ধক্ষেত্ৰত আগবঢ়োৱা সেৱা (কিয়নো ইয়াত সাহসিকতা গুণটো ফুটি উঠে)। নগৰীয়া নাগৰিকসকলৰ লগত সামাজিক সম্বন্ধ চলাই ৰখা (ইয়াতো সহনশীলতা উদাৰতা ভাল ব্যৱহাৰ ভাব আদি গুণবোৰ প্ৰকাশ পায়) খেলা ধূলাৰ প্ৰতিদ্বন্দ্বিতাত অংশগ্ৰহণ কৰা অভিনয় কৰা ধৰ্মীয় সেৱা আগবঢ়োৱা দৰ্শন আৰু বিজ্ঞানৰ চৰ্চা কৰা ইত্যাদি। গতিকে যিবোৰ মানুহে নিজক বচাই ৰাখিবলৈ বা নিজৰ ঘৰখনক ভৰণ-পোষণ দিবলৈ তেওঁলোকৰ সময় আৰু শক্তি খৰচ কৰিবলগীয়া হয় সেইবোৰ মানুহে জিৰণি সময়ত কৰিবলগীয়া এই কামবোৰ কৰিব নোৱাৰে। সেই গতিকে এৰিষ্টটলে সেই মানুহবোৰক নাগৰিকশ্ৰেণীৰ অন্তৰ্ভুক্ত কৰা নাছিল।

কিন্তু ৰাষ্ট্ৰবিশেষে কৃষকৰ আৰু শ্ৰমিকসকলৰ পদমৰ্য্যাদা আৰু স্থান ভিন্ন পৰ্য্যায়ৰ আছিল। আদৰ্শ ৰাষ্ট্ৰ আৰু অভিজাততান্ত্ৰিক ৰাষ্ট্ৰত ৰাষ্ট্ৰীয় বিষয় বাব আৰু সন্মানবোৰ মানুহৰ বৌদ্ধিক ব্যুৎপত্তি আৰু সামৰ্থ্যৰ ওপৰত ভিত্তি কৰি বিতৰণ কৰা হৈছিল। গতিকে তাত কৃষকৰ আৰু শ্ৰমিকসকলক নাগৰিকত্ব দিয়া হোৱা নাছিল। কিন্তু স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত কিছুমান কৃষকো বহুতো সম্পত্তিৰ মালিক আছিল গতিকে তেওঁলোকক নাগৰিকত্ব দিয়া হৈছিল। চূড়ান্ত গণতান্ত্ৰিক ৰাষ্ট্ৰত সকলোবোৰ মুক্ত মানুহকে নাগৰিক অধিকাৰ দিয়া হয়। অৰ্থাৎ

এটা নিৰ্দিষ্ট বয়সৰ সকলোবোৰ মুক্ত মানুহকে তাত নাগৰিকত্ব দিয়া হয়, কেৱল দাসসকলেহে নাগৰিকত্ব নাপায়। গতিকে ইয়াতো কাৰিকৰ আৰু শ্ৰমিকসকলে নাগৰিক অধিকাৰ পায়।

এৰিষ্টটলৰ নাগৰিকত্বৰ তত্ত্ব আৰু বৰ্তমান যুগত চলি থকা নাগৰিকত্বৰ মাজত যথেষ্ট প্ৰভেদ আছে। বৰ্তমান যুগত মতা তিৰোতা নিৰ্বিশেষে প্ৰাপ্তবয়স্ক সকলোবোৰ মানুহকে নাগৰিক অধিকাৰ দিয়া হয়। নাগৰিকত্ব অৰ্পণ কৰাৰ ক্ষেত্ৰত মানুহৰ কাৰ্য্য আৰু ব্যৱসায় বৃত্তিৰ কথা বিবেচনা কৰা নহয়। প্লেটো আৰু এৰিষ্টটলে শ্ৰমিক শ্ৰেণীটোক নাগৰিক অধিকাৰ দিয়া নাছিল আৰু তেওঁলোকে সমাজৰ উচ্চ শ্ৰেণীৰ মানুহবোৰকহে নাগৰিক অধিকাৰ দিছিল।

আমাৰ ইয়াৰ পিছৰ প্ৰশ্নটো হৈছে— এজন ভাল নাগৰিকৰ গুণবোৰ কি কি ? এইটো সত্য যে প্ৰত্যেকখন ৰাষ্ট্ৰতে কিছুমান ভাল নাগৰিক আছে আৰু কিছুমান বেয়া নাগৰিক আছে। নাগৰিকসকল যিখন ৰাষ্ট্ৰত বাস কৰে সেইখন ৰাষ্ট্ৰৰ চৰকাৰৰ লগত তেওঁলোকৰ সম্পৰ্ক আছে কিয়নো সেই চৰকাৰখনৰ তেওঁলোক সদস্য। গতিকে ভাল নাগৰিকৰ গুণবোৰ সেই চৰকাৰৰ গুণ অনুসৰিহে নিৰুপিত হয়। এজন নাগৰিকক ভাল নাগৰিক বুলি কোৱা হয় তেতিয়াহে যেতিয়া তেওঁৰ স্বাৰ্থ আৰু ৰাষ্ট্ৰৰ স্বাৰ্থৰ মাজত কোনো পাৰ্থক্য নেদেখে আৰু ৰাষ্ট্ৰৰ স্বাৰ্থকে তেওঁ নিজৰ স্বাৰ্থ বুলি জ্ঞান কৰি কাম কৰে। তেও বিশ্বাসেৰে ৰাষ্ট্ৰৰ নিৰাপত্তাৰ বাবে যত্ন লয় ৰাষ্ট্ৰৰ আইন কানুনবোৰ মানি চলে আৰু ৰাষ্ট্ৰৰ ইচ্ছা কাৰ্য্যত পৰিণত কৰিবলৈ চেষ্টা কৰে। এইটোৱে নাগৰিকৰ প্ৰথম গুণ। কিন্তু তেনেকুৱা এজন নাগৰিক ভাল মানুহ হয়নে ? এই প্ৰশ্নৰ উত্তৰ দিব লাগিলে আমি ৰাষ্ট্ৰৰ সংবিধানৰ চৰিত্ৰ অধ্যয়ন কৰিব লাগিব। যদি এজন নাগৰিকে বিশ্বাসেৰে চৰকাৰৰ অন্যায় আৰু নৈতিকতা বিহীন কাম কাজবোৰত সহায় সহযোগিতা আগবঢ়ায় তেওঁলোককেই ভাল নাগৰিক বুলি গণ্য কৰা হয়। যদি তেও সেই ধৰণৰ কাম কাজবোৰ কৰিবলৈ অমান্তি হয় ভাল মানুহ হ'লেও তেওঁক বেয়া নাগৰিক বুলিহে গণ্য কৰা হয়। এৰিষ্টটলৰ মতে এখন আদৰ্শ ৰাষ্ট্ৰতহে ভাল মানুহবোৰ ভাল নাগৰিক বুলি বিবেচিত হয়। কিয়নো কেৱল তেনেকুৱা এখন ৰাষ্ট্ৰতহে ভাল নাগৰিকৰ গুণবোৰ ভাল মানুহৰ গুণৰ লগত একে। এৰিষ্টটলে কৈছে যে এজন ভাল নাগৰিকৰ শাসন কৰিবলৈ আৰু শাসিত হ'বলৈ সামৰ্থ্য থাকিব লাগিব। দাস মনোবৃত্তিৰ এজন নাগৰিকে কেতিয়াও ভাল নাগৰিক বুলি দাবী কৰিব নোৱাৰে। এইটোৱে ভাল নাগৰিকৰ দ্বিতীয় গুণ। এৰিষ্টটলৰ মতে সেইজনেই ভাল মানুহ যিজনৰ কেৱল সাহসিকতা আত্মনিয়ন্ত্ৰণ ন্যায়ৰ ধাৰণা সাধুতা আদি

গুণেই অকল নহয় তেওঁৰ নৈতিক জ্ঞান আৰু সাহসো আছে যিটোৰ কাৰণে তেওঁ নিজক আৰু আনক চলাই লৈ যাব পাৰে। অৰ্থাৎ তেওঁ সৰ্বাংগসুন্দৰ আৰু নিখুঁত জ্ঞানৰ অধিকাৰী আৰু সেই কাৰণে তেওঁ নিজক আৰু আনক শাসন কৰিব পাৰে আৰু সেইদৰে শাসিত হ'বও পাৰে। ভাল মানুহ সকলো ঠাইতে আৰু সকলো ৰাষ্ট্ৰতে ভাল মানুহ হৈয়ে থাকে। এখন ৰাষ্ট্ৰত ভাল নাগৰিক বুলি পৰিগণিত হোৱা এজন মানুহ আন এখন ৰাষ্ট্ৰত বেয়া নাগৰিক বুলিও গণ্য হ'ব পাৰে।

ৰাষ্ট্ৰত থকা সকলোবোৰ নাগৰিকৰ জ্ঞান আৰু গুণ সমান আৰু একে নহয় কিয়নো তেওঁলোকে বেলেগ বেলেগ কাৰ্য্য কৰিব লাগে। তেওঁলোক এটা বিষয়ত এক। সেই বিষয়টো হৈছে এখন ভাল চৰকাৰ স্থাপিত কৰি পৰিচালনা কৰা আৰু ৰাষ্ট্ৰখনক বিদেশী শত্ৰুৰ আক্ৰমণৰপৰা ৰক্ষা কৰা। যিহেতু বেলেগ বেলেগ গঠন আৰু চৰিত্ৰৰ চৰকাৰ আছে গণতান্ত্ৰিক চৰকাৰৰ অধীনত থকা নাগৰিকবোৰৰ গুণ আৰু স্বল্পতান্ত্ৰিক চৰকাৰৰ অধীনত থকা নাগৰিকবোৰৰ গুণৰ মাজত পাৰ্থক্য আছে। প্ৰত্যেকখন ৰাষ্ট্ৰতে থকা ভাল নাগৰিকবোৰৰ ভাল মানুহৰ গাত থকা নিখুঁত আৰু বস্তুনিৰপেক্ষ গুণবোৰ নথাকিব পাৰে। এজন ভাল শাসকৰ দৰে এজন ভাল মানুহকো নৈতিক গুণ থাকে। তেওঁ সদায় নৈতিকতা আৰু আত্মনিয়ন্ত্ৰণৰ প্ৰতি সচেতন। গতিকে এজন ভাল মানুহৰ গুণবোৰৰ লগত এজন ভাল শাসকৰ গুণবোৰ একে কিন্তু এই গুণবোৰ এজন ভাল নাগৰিকৰ গুণবোৰৰ সৈতে পাৰ্থক্য থাকিব পাৰে।

এজন ভাল নাগৰিক এজন ভাল মানুহ হ'ব পাৰে। এখন সৰ্বাংগসুন্দৰ ৰাষ্ট্ৰত প্ৰত্যেকজন মানুহেই একো একোজন ভাল নাগৰিক। কিন্তু তেওঁ এজন ভাল মানুহ নহ'বও পাৰে যদিহে আমি ধৰি লওঁ যে তেনেকুৱা এখন ৰাষ্ট্ৰৰ সকলোবোৰ নাগৰিক একে। কিন্তু আমি বহুতো ক্ষেত্ৰত এইটো দেখিবলৈ পাওঁ যে এজন ভাল নাগৰিকৰ গুণবোৰ আৰু এজন ভাল মানুহৰ গুণবোৰ একেই। উদাহৰণস্বৰূপে এজন ভাল আৰু জ্ঞানী শাসক নাগৰিকেই এজন ভাল আৰু জ্ঞানী মানুহ। এজন ভাল নাগৰিক এজন ভাল আৰু জ্ঞানী মানুহৰ সমান হ'ব পাৰে বা তেওঁ তাতকৈও শ্ৰেষ্ঠ হ'ব পাৰে। কিয়নো প্ৰত্যেক ৰাষ্ট্ৰই নাগৰিক গুণ আৰু নাগৰিকৰ ওপৰত গঠনমূলক প্ৰভাৱ বিস্তাৰ কৰে। ভাল নাগৰিকবোৰ বেলেগ বেলেগ ৰাষ্ট্ৰত বেলেগ বেলেগ কথা বুজায়। ইয়াৰ কাৰণ হৈছে প্ৰত্যেকখন ৰাষ্ট্ৰৰে জীৱনৰ একোখন আৰ্চনি আছে আৰু এই আৰ্চনি অনুসৰি ৰাষ্ট্ৰত বাস কৰা মানুহবোৰক এটা নিৰ্দিষ্ট জীৱনধাৰাৰ অধীনলৈ আনিবলৈ চেষ্টা কৰা হয়।

ভাল নাগৰিক সম্বন্ধে এৰিষ্ট'টলে দাঙি ধৰা মতামতত ৰক্ষণশীলতা আছে। ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য দেখুৱাই থাকিলেই এজন নাগৰিক ভাল হ'ব নোৱাৰে। এজন ভাল নাগৰিকে সাহস আৰু দৃঢ়তাৰে ৰাষ্ট্ৰৰ বেয়া আইন আৰু অনিষ্টকৰ নীতিৰ বিৰুদ্ধে থিয় দিয়া উচিত। অধ্যাপক লাস্কিয়ে কৈছে যে সেইজন নাগৰিক ভাল নাগৰিক নহয় যিজন কোনো গুণাগুণ বিচাৰ নকৰাকৈ চৰকাৰৰ আদেশ বোৰ অন্ধৰ দৰে পালন কৰি যায়। তেওঁৰ মতে ভাল নাগৰিকে তেতিয়াহে ৰাষ্ট্ৰীয় আদেশবোৰ পালন কৰে যেতিয়া তেও সেই আদেশবোৰৰ ন্যায্যতাত পতিয়ন যায়। যদি তেও ইয়াৰ অন্যথা দেখিবলৈ পায় তেতিয়া তেও সকলো শক্তি আৰু উপায়েৰে এইবোৰ বাতিল কৰিবলৈ ইয়াৰ বিৰুদ্ধে থিয় দিয়ে আৰু জাতিটোকো ইয়াৰ বিৰুদ্ধে থিয় দিবলৈ আহ্বান জনায়। গতিকে যিসকল নাগৰিকে বিনাচৰ্তে ৰাষ্ট্ৰই দিয়া অন্যায় আদেশবোৰ পালন কৰি থাকে তেওঁলোক ভাল নাগৰিক নহয়।

নাগৰিকত্বৰ বাবে যোগ্যতা

এৰিষ্ট'টলৰ মতে নাগৰিকত্বৰ প্ৰধান গুণ হৈছে শাসন কৰিবলৈ আৰু শাসিত হ'বলৈ যি সামৰ্থ্য লাগে সেই সামৰ্থ্য থকা। গতিকে কাৰিকৰ আৰু শ্ৰমিকবোৰ নাগৰিক হোৱাৰ বাবে যোগ্যনে ? এৰিষ্ট'টলে কৈছে নহয় কিয়নো এজন নাগৰিক হ'ব লাগিলে মানুহজনৰ দুটা সামৰ্থ্য থাকিব লাগিব— তেও শাসন কৰিবলৈ জানিব লাগিব আৰু তেও নিজেও আনৰদ্বাৰা শাসিত হ ব পাৰিব লাগিব আৰু তেওঁৰ জ্ঞান থাকিব লাগিব। যিসকল মানুহে নিজকে বচাই ৰাখিবলৈ আৰু পৰিয়ালক ভৰণ পোষণ দিবলৈ সদায় পৰিশ্ৰম কৰিবলগীয়া হয় তেওঁলোকে আন মানুহৰ আদেশতহে আনক আদেশ দিয়াৰ সামৰ্থ্য লাভ কৰিব পাৰে। তদুপৰি ঘৰুৱা অভাৱ অসুবিধা আৰু মানসিক দুখ-দৈন্যৰপৰা মুক্ত হ'ব নোৱাৰিলে কোনো মানুহে বিচাৰক হিচাপে বা বিধায়ী হিচাপে তেওঁৰ ৰাজ নৈতিক কৰ্তব্য ভালদৰে সম্পাদন কৰিব নোৱাৰে। ৰাষ্ট্ৰৰ কাৰণে শ্ৰমিক শ্ৰেণীটো অতি আৱশ্যকীয় কিন্তু তেওঁলোকক নাগৰিকত্ব দিব পৰা নাযায় কিয়নো ৰাজ নৈতিক কৰ্তব্যবোৰ সুচাৰুৰূপে সম্পাদন কৰিবলৈ তেওঁলোকৰ সময় আৰু সামৰ্থ্য কোনোটোৱেই নাই। এৰিষ্ট'টলৰ মতে নাগৰিকত্বৰ বাবে প্ৰয়োজনীয় আৰু এটা প্ৰধান উপাদান হৈছে সম্পত্তি। কিয়নো সম্পত্তি নহ'লে কোনো মানুহে এটা জিৰণি থকা জীৱন যাপন কৰিব নোৱাৰে। সম্পত্তি থাকিলেহে মানুহে ইয়াৰ সহায়ত জিৰণিৰ সময় উলিয়াই ল'ব পাৰে আৰু সেই জিৰণি সময়ত ৰাজনৈতিক কাৰ্যত

আত্মনিয়োগ কৰিব পাৰে। এইটো স্বাভাৱিক যে এৰিষ্টটলে এই মতামতটো দাঙি ধৰাৰ সেই সময়ত চলি থকা এথেন্সৰ নাগৰিকসকলে ৰাজনৈতিক কাৰ্য্যত অংশগ্ৰহণ কৰাৰ বাবে বেতন লোৱা প্ৰথাটোৰ বিৰোধিতা কৰিছিল আৰু ইয়াৰ নিন্দা কৰিছিল। সেই সময়ত এথেন্সৰ জনপ্ৰিয় সভাত উপস্থিত থকা নাগৰিকসকলক বেতন দিয়া হৈছিল। কিয়নো সেইটো নকৰিলে কম সম্পত্তি থকা নাগৰিকসকলে ৰাজনৈতিক কাৰ্য্যত অংশগ্ৰহণ কৰিব নোৱাৰিছিল। কিন্তু ইয়াৰ ফলত ৰাজনীতিৰ মানদণ্ড নিম্নগামী হৈছিল আৰু ই গণতন্ত্ৰৰ মৰ্য্যাদা হ্ৰাস কৰিছিল।

এৰিষ্টটলৰ মতে এজন নাগৰিকৰ জিৰণি সময় থাকিব লাগিব। মানুহৰ জীৱনটো কাম কাজ বিশ্ৰাম আৰু বিনন্দনাৰে গঠিত। আগতেই উল্লেখ কৰা হৈছে যে এৰিষ্টটলৰ মতে জিৰণিৰ সময় মানে কাম কাজ নোহোৱা সময় নহয়। তেওঁৰ মতে জিৰণিৰ সময়তো মানুহে মানসিক কাম কৰিব পাৰে কেৱল শাৰীৰিক কামহে কৰিব নোৱাৰে। শাৰীৰিক শ্ৰম কৰাটোও একপ্ৰকাৰ কাম আৰু এই কাম কোনো এটা লক্ষ্যত উপনীত হ'বলৈ কৰা হয়। কিন্তু শাৰীৰিক শ্ৰমৰ বাবেই মানুহে শাৰীৰিক শ্ৰম নকৰে নিজকে বচাই ৰাখিবলৈ বা পৰিয়ালক ভৰণ পোষণ দিবলৈহে মানুহে শাৰীৰিক শ্ৰম কৰে। কিন্তু জিৰণি সময়ত যিবোৰ কাম কৰা হয় সেইবোৰ কামৰ কোনো বৈষয়িক বা অৰ্থনৈতিক উদ্দেশ্য নাই কিয়নো এইবোৰ কামৰ জৰিয়তে মানুহে নিজৰ নৈতিক আৰু মানবীয় গুণৰ উৎকৰ্ষ সাধনহে কৰে। জিৰণি সময়ত সম্পন্ন কৰা এই কামবোৰৰ ভিতৰত আছে ৰাজনৈতিক অনুষ্ঠান জনসেৱা কৰা আদি

/

নাগৰিকত্বৰ মূল : নাগৰিকত্বৰ মূল কি বা এজন নাগৰিক হ'বলৈ মানুহক কোনবোৰ উপাদান লাগে এই প্ৰশ্নটোৰ উত্তৰ দিওঁতে এৰিষ্টটলে আংশিকভাৱে তেওঁৰ নিজৰ যুক্তি দাঙি ধৰিছিল আৰু আংশিকভাৱে সেই সময়ত চলিত এই শব্দটোৰ অৰ্থ ব্যাখ্যা কৰিছিল। নাগৰিকসকল নগৰৰাষ্ট্ৰৰ সক্ৰিয় সদস্য হ'ব লাগিব তেওঁলোক কেৱল ৰাষ্ট্ৰ এখনৰ অধিবাসী হলেই নহ'ব বা ৰাষ্ট্ৰখনৰ প্ৰতিৰক্ষাৰ আহিলা হিচাপে কাম কৰিলেও মানুহে নাগৰিক অধিকাৰ পাব নোৱাৰে। ৰাষ্ট্ৰ এখনৰ সভ্য এজনৰ ন্যূনতম কামবোৰ কি কি ? জুৰিৰ হিচাপে বিচাৰকৰ আসন গ্ৰহণ কৰা আৰু জনপ্ৰিয় সভাৰ সদস্য হিচাপে সভাত উপস্থিত থকাটো এই দুটাই তেওঁলোকৰ প্ৰধান আৰু ন্যূনতম কাম। এৰিষ্টটলে নাগৰিকসকলক এই দুটা কাম দিছিল যদিও সকলোবোৰ ৰাষ্ট্ৰত আৰু সকলোবোৰ নাগৰিকে এই দুটা কাম কৰিব নালাগিছিল অৰ্থাৎ ইয়াৰ সাৰ্বজনীন প্ৰয়োগৰ ব্যৱস্থা নাছিল। কিছুমান ৰাষ্ট্ৰৰ বিচাৰব্যৱস্থাত জুৰিৰ স্থান নাছিল। আকৌ ৰাষ্ট্ৰৰ সাৰ্বভৌম সভাখনৰ সদস্য পদটো নাগৰিকত্বৰ মূল কথা নাছিল প্ৰকৃত নাগৰিকত্বৰ মূল কথা আছিল

সাৰ্বভৌম সভাত মাত মাতিবৰ অধিকাৰ থকাটোহে। যিবোৰ ৰাষ্ট্ৰত প্ৰতিনিধিত্ব মূলক চৰকাৰ আছে সেইবোৰ ৰাষ্ট্ৰত ইয়াৰ বিশেষ মূল্য নাই। এৰিষ্টটলে অৱশ্যে এইটো স্বীকাৰ কৰিছে যে বিভিন্ন চৰকাৰৰ অধীনত প্ৰকৃত নাগৰিকত্বৰ প্ৰভেদ আছে। ৰাষ্ট্ৰ এখনৰ প্ৰতি এজন নাগৰিকে আগবঢ়োৱা সেৱা আৰু এজন কাৰিকৰ বা শ্ৰমিকে আগবঢ়োৱা সেৱা একে নহয়। এজন নাগৰিকৰ সেৱা হৈছে এখন সংবিধানক ৰাষ্ট্ৰত এজন মুক্ত মানুহে আগবঢ়োৱা সেৱা গতিকে ইয়াৰ গুণ আৰু পৰিমাণ সম্পূৰ্ণ বেলেগ।

এৰিষ্টটলৰ নাগৰিকত্বৰ ওপৰত সমালোচনা

এৰিষ্টটলৰ নাগৰিকত্বৰ অৱধাৰণাটোৰ লগত বৰ্তমান যুগৰ নাগৰিকত্বৰ অৱধাৰণাৰ মৌলিক আৰু বহুল পাৰ্থক্য আছে। ইয়াৰ প্ৰধান কাৰণ হৈছে এৰিষ্টটলে তেতিয়াৰ নগৰৰাষ্ট্ৰবোৰ আগত ৰাখিহে নাগৰিকৰ কথা চিন্তা কৰিছিল যিবোৰ নগৰৰাষ্ট্ৰত প্ৰায়ে প্ৰত্যক্ষ গণতন্ত্ৰ চলিছিল আৰু প্ৰত্যক্ষ গণ তান্ত্ৰিক ব্যৱস্থা চলাব পৰা গৈছিল। সেই নগৰৰাষ্ট্ৰবোৰৰ সামাজিক আৰু ৰাজ নৈতিক অৱস্থা আধুনিক যুগৰ জাতি ৰাষ্ট্ৰবোৰৰ সামাজিক আৰু ৰাজনৈতি অৱ স্থাৰ লগত একে নাছিল। গতিকে আমি তেওঁৰ নাগৰিকত্বৰ অৱধাৰণাটো আমাৰ আধুনিক ৰাষ্ট্ৰত প্ৰযোগ কৰিব নোৱাৰো। বিশেষকৈ যিবোৰ ৰাষ্ট্ৰত প্ৰতিনিধিত্ব মূলক চৰকাৰ চলি আছে সেইবোৰ ৰাষ্ট্ৰত প্ৰয়োগ কৰিব নোৱাৰোঁ। এৰিষ্টটলে নাগৰিকসকলৰ ওপৰত জুৰি আৰু বিধায়ীৰ কাৰ্য্য অৰ্পণ কৰিছিল। আমি আগতে উল্লেখ কৰি আহিছোঁ যে কিছুমান ৰাষ্ট্ৰৰ বিচাৰ ব্যৱস্থাত জুৰিৰ স্থান নাই। এখন আধুনিক ৰাষ্ট্ৰত প্ৰত্যেকজন নাগৰিক বিধায়ী হ'ব নোৱাৰে। প্ৰতি নিধিত্বমূলক চৰকাৰ থকা আধুনিক ৰাষ্ট্ৰবোৰত সকলোবোৰ নাগৰিকে আইন প্ৰণয়নত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিব নোৱাৰে আইনসভালৈ তেওঁলোকে ভাল পোৱা প্ৰতিনিধি নিৰ্বাচন কৰিহে আইন প্ৰণয়নত পৰোক্ষভাৱে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। তেওঁলোকে শাসনৰ গাদীত বহিব নোৱাৰে শাসকসকলৰ নিৰ্বাচন কৰিবহে পাৰে। এৰিষ্টটলে তেতিয়া ভাবিবই পৰা নাছিল যে সময়ত ৰাষ্ট্ৰবোৰত জনসংখ্যা আৰু ভূখণ্ড বাঢ়ি যাব আৰু তেতিয়া প্ৰতিনিধিত্বমূলক চৰকাৰ প্ৰতিষ্ঠাৰ প্ৰয়োজনীয়তা আহি পৰিব। তাৰ উপৰিও প্ৰত্যক্ষ গণতন্ত্ৰৰ বাহিৰে স্বল্পতন্ত্ৰৰ দৰে আন চৰকাৰৰ অধীনতো কেৱল মুষ্টিমেয় কিছুমান মানুহেহে ৰাজনৈতিক কাৰ্য্যত অংশ গ্ৰহণ কৰিব পাৰিছিল আৰু তাকো এটা সীমাবদ্ধ সময়ৰ বাবেহে পাৰিছিল। স্বল্পতন্ত্ৰৰ অধীনত এজন মানুহে তেওঁৰ পদবী হেৰুৱালে সেই

মানুহজনৰ নাগৰিকত্ব থাকিবনে ? এৰিষ্টটলে এই প্ৰশ্নটোৰ উত্তৰ দিয়া নাছিল। এৰিষ্টটলৰ নাগৰিকত্বৰ সূত্ৰই ৰাষ্ট্ৰৰ সৰহসংখ্যক মানুহকে সামৰি লোৱা নাছিল। তেওঁৰ নাগৰিকত্বৰ সূত্ৰই আইন সভাত উপনিবেশৰ অধিবাসী আৰু দুৰৱৰ্তীয়া নগৰৰ অধিবাসীসকলক সামৰিব পৰা নাছিল। ইয়াৰ ফলত নাগৰিকত্ববিহীন আৰু অসন্তুষ্ট এক শ্ৰেণীৰ মানুহৰ সৃষ্টি হ'ব পাৰে আৰু এই শ্ৰেণীৰ মানুহবোৰে ৰাষ্ট্ৰৰ নিৰাপত্তা বিপদাপন্ন কৰি তুলিব পাৰে। কেৱল সেয়ে নহয় এই শ্ৰেণীৰ মানুহবোৰে ৰাষ্ট্ৰৰ সংহতিৰ বিৰুদ্ধেও থিয় দিব পাৰে আৰু এটা ৰাজনৈতিক ব্যৱস্থাত বিজেতা আৰু পৰাজিত লোকসকল মিলিত হোৱাৰ বিৰুদ্ধেও কাম কৰিব পাৰে।

এইটো নিঃসন্দেহ সত্য যে এৰিষ্টটলৰ নাগৰিকত্ব সম্বন্ধে এটা উচ্চ অনুধাৱণা আছিল আৰু সেই গতিকে তেওঁ নাগৰিকসকলৰ ওপৰত গুৰুত্বপূৰ্ণ কৰ্তব্য অৰ্পণ কৰিবলৈ বিচাৰিছিল। সেই কাৰণেই তেওঁ জীৱিকা সময় নোপোৱা শ্ৰমিক শ্ৰেণীটোৰ মানুহবোৰক নাগৰিক অধিকাৰ দিবলৈ বিচৰা নাছিল। কিন্তু এইটো কৰিবলৈ গৈ তেওঁ এটা ডাঙৰ গুণ উৎসৰ্গা কৰিবলগীয়া হৈছিল। নাগৰিকত্বৰ লগত ৰাজনৈতিক সা-সুবিধা আৰু ৰাজনৈতিক কাম কাজ জড়িত থাকে আৰু এই সা সুবিধাবোৰ উপভোগ কৰিলেহে পালে আৰু এই কাম কাজবোৰ সম্পাদন কৰিবলৈ সুবিধা পালে অনুদ্যোগী আৰু অযোগ্য মানুহো সময়ত উদ্যোগী আৰু যোগ্য মানুহত পৰিণত হ'ব পাৰে। কিয়নো এই সুবিধাবোৰ উপভোগ কৰাত আৰু এই কাম কাজবোৰ সম্পন্ন কৰাৰ এটা শিক্ষাপ্ৰদ আৰু মহৎ প্ৰভাৱ আছে। আনকি নাগৰিকসকলে বিধায়ী আৰু অন্যসকল নিৰ্বাচন কৰাৰ নামত যিটো অধিকাৰ প্ৰয়োগ কৰে ইয়াৰো এটা নিজস্ব নৈতিক নাগৰিক সম্বন্ধীয় আৰু স্থিৰতাকাৰী মূল্য আছে। কিয়নো চৰকাৰ গঠন আৰু ইয়াৰ পৰিচালনাৰ বাবে নাগৰিকসকলৰ এইটো এটা মূল্যবান অধিকাৰ। গতিকে নাগৰিকত্ববিহীন অৱসাদগ্ৰস্ত এটা ডাঙৰ শ্ৰেণীৰ মানুহে ৰাষ্ট্ৰৰ সামাজিক আৰু ৰাজনৈতিক ব্যুৎপত্তিৰ ভেটি দুৰ্বল কৰি দিলে আচৰিত হ'বলৈ একো নাই।

এৰিষ্টটলৰ নাগৰিকত্বৰ সূত্ৰই সমাজখনৰ মানুহখিনিক দুটা অসমান ভাগত বিভক্ত কৰিছিল আৰু ডাঙৰ ভাগটোৰ অন্তৰ্ভুক্ত মানুহখিনিক সৰু ভাগটোৰ অন্তৰ্ভুক্ত মানুহবোৰৰ কল্যাণৰ বাবে ব্যৱহৃত হোৱা আহিলা আৰু উপাদানৰ পৰ্যায়লৈ নমাই আনিছিল। আমি এইটো অনুভৱ কৰিব লাগিব যে প্ৰত্যেকজন মানুহৰে নিজা নিজা নৈতিক সামৰ্থ্য আৰু শক্তি আছে আৰু প্ৰত্যেকজন মানুহ নিজৰ বাবে এটা যোগ্য জীৱন গঢ় তুলিবলৈ সমৰ্থ। গতিকে ৰাষ্ট্ৰৰ কাৰ্য হৈছে নাগৰিকসকলৰ বাবে সামাজিক আৰু ৰাজনৈতিক অধিকাৰৰ সৃষ্টি কৰি সেইবোৰ

সংৰক্ষিত কৰা। ৰাষ্ট্ৰই সৃষ্টি কৰা আৰু ৰক্ষা কৰা এই অধিকাৰবোৰ ৰাষ্ট্ৰত থকা নিকিনজনৰপৰা আৰম্ভ কৰি শ্ৰেষ্ঠজনলৈ সকলোৱে লাভ কৰা উচিত। অৱশ্যে এৰিষ্টটলৰ তত্ত্বৰ ওপৰত আমি এই কাৰণেই গুৰুত্ব দিব লাগিব যে ই এটা স্বাভাৱিক সত্য আমাৰ আগত দাঙি ধৰিছে। সেই সত্যটো হৈছে—মানুহৰ মাজত প্ৰকৃততে অসমতা আছে। কিন্তু ইয়াৰ ভিত্তিত সমাজখনক বিভক্ত কৰোঁতে এৰিষ্ট' টল নাযাবলগীয়া দূৰত্বলৈ আগবাঢ়ি গৈছিল। ৰাষ্ট্ৰত থকা মানুহবোৰৰ বেলেগ বেলেগ গুণ আৰু সামৰ্থ্য আছে। এই মানুহবোৰক ৰাষ্ট্ৰৰ বাবে আৱশ্যকীয় আৰু সক্ৰিয় এটা অংশ আৰু ৰাষ্ট্ৰৰ অৱস্থিতি আৰু কল্যাণৰ আহিলা বা উপায় নামৰ আন এটা অংশত (শ্ৰমিক শ্ৰেণী) ভাগ কৰি এৰিষ্টটলে উপযুক্ত কাম কৰা নাই।

এৰিষ্টটলৰ নাগৰিকত্বৰ ধাৰণাটো বৰ অনুদাৰ আছিল। ৰাষ্ট্ৰৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰত থকা আটাইতকৈ বেছিসংখ্যক মানুহৰ বাবে আটাইতকৈ বেছি ভাল কৰিবলৈ সেৱা কৰা আৰু এইটো কৰিব লাগিলে ৰাষ্ট্ৰত থকা আটাইতকৈ বেছি সংখ্যক মানুহৰ অভিজ্ঞতা সামৰ্থ্য আৰু বিভিন্নতা ৰাষ্ট্ৰই ব্যৱহাৰ কৰিবলৈ সমৰ্থ হ'ব লাগিব। আকৌ যিবোৰ মানুহৰ ধন-সম্পত্তি আছে নিজৰ জীৱিকা চলাবৰ বাবে কোনো শাৰীৰিক পৰিশ্ৰম কৰিব নালাগে সেইবোৰ মানুহৰ বাবে নাগৰিকত্ব সংৰক্ষিত কৰি ৰাখিলে আমি এই'টা নিশ্চিতভাৱে ক'ব পাৰো যে ধনী নাগৰিকত্বৰ ভিত্তিত গঠিত হোৱা শাসকবৰ্গই প্ৰথমে তেওঁলোকৰ শ্ৰেণীটোৰ বাবে শাসন যুগমীয়া কৰি ৰাখিবলৈ আইন প্ৰণয়ন কৰিব আৰু এনেকৈ তেওঁলোকে নিজৰ শ্ৰেণীৰ ব্যক্তিগত স্বাৰ্থক ৰাষ্ট্ৰীয় স্বাৰ্থৰ লগত একাকাৰ কৰি পেলাব। শাসক শ্ৰেণীটোৰ বাবে প্ৰচুৰ আয়ৰ ব্যৱস্থা কৰিবলৈ তেওঁলোকে আৱশ্যকীয় আইন প্ৰণয়ন কৰি ল'ব।

কিন্তু এৰিষ্টটলৰ সময়ৰ অৱস্থাৰ প্ৰতি লক্ষ্য কৰি আমি এইটো মানি ল'ব লাগিব যে তেওঁৰ দিনৰ নাগৰিকত্বই যিটো অৰ্থ কৰিছিল সেইটো বৰ্তমান যুগৰ নাগৰিকত্বৰ অৰ্থতকৈ বহুত বহল আৰু গভীৰ। সেই গতিকে তেওঁৰ নাগৰিকসকলক জিৰণি সময় লাগিছিল আৰু সেই জিৰণি সময় শ্ৰমিকশ্ৰেণীৰ মানুহবোৰৰ হাতত নাছিল। এৰিষ্টটলে এইটো ভালদৰে উপলব্ধি কৰিছিল আৰু তেওঁ এজন বাস্তৱবাদী লোক হিচাপে আদৰ্শৰ ফালৰপৰা উৎকৃষ্ট ৰাষ্ট্ৰখনতকৈ বাস্তৱ আৰু কাৰ্যকৰীৰ ফালৰপৰা উৎকৃষ্ট ৰাষ্ট্ৰখন বেছি পছন্দ কৰিছিল। এজন প্ৰকৃত বাস্তৱবাদীৰ দৰে এৰিষ্টটলে কৈছিল যে গণতান্ত্ৰিক ৰাষ্ট্ৰৰ এজন ভাল নাগৰিকৰ গুণবোৰ আৰু স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰৰ এজন ভাল নাগৰিকৰ গুণবোৰৰ মাজত পাৰ্থক্য আছে। তেওঁৰ মতে বিচাৰমূলক আৰু আইন প্ৰণয়নমূলক

কামবোৰে, বিশেষকৈ আইন প্ৰণয়নমূলক কামবোৰে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্বৰ প্ৰতি নিৰ্দিষ্ট কৰিছিল আৰু সেই গতিকে নাগৰিকত্বই ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতাত প্ৰত্যক্ষ ভাৱে অংশগ্ৰহণ কৰা বুজাইছিল কিন্তু এখন আধুনিক ৰাষ্ট্ৰত নাগৰিকত্বই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী লোকসকলক নিৰ্বাচন কৰাটোহে বুজায়। এৰিষ্টটলৰ নাগৰিকসকলৰ অধিকাৰ আৰু কৰ্তব্যৰ ক্ষেত্ৰ যথেষ্ট বহল আছিল আৰু সেই গতিকে তেওঁ নাগৰিকসকলৰ সংখ্যা যথেষ্ট কমাই ৰাখিবলৈ বিচাৰিছিল।

বৰ্তমান যুগৰ গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰৰ নাগৰিকসকলক দুটা ভাগত বিভক্ত কৰিব পৰা যায়। ইয়াৰে এভাগত অন্তৰ্ভুক্ত নাগৰিকসকলে সাধাৰণতে সকলোবোৰ বেসামৰিক আৰু ৰাজনৈতিক অধিকাৰ উপভোগ কৰে আৰু আনটো ভাগত অন্তৰ্ভুক্ত নাগৰিকসকলে কেৱল বেসামৰিক অধিকাৰবোৰহে উপভোগ কৰে। গতিকে আধুনিক নাগৰিকত্বই কিছুমান অধিকাৰ আৰু কৰ্তব্যক বুজায়। কিন্তু এৰিষ্টটলে নাগৰিকসকলৰ অধিকাৰৰ বিষয়ে নাগৰিকত্বৰ যোগেদি কোনো কথা কোৱা নাছিল। প্ৰধানকৈ তেওঁ নাগৰিকসকলৰ কৰ্তব্যৰ বিষয়েহে আলোচনা কৰিছিল। দাসসকলক এৰিষ্টটলে সম্পূৰ্ণৰূপে নাগৰিক অধিকাৰৰপৰা দূৰত ৰাখিছিল কিন্তু আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰত দাসসকলক পূৰ্ণ পৰ্য্যায়ৰ নাগৰিক বুলি গণ্য কৰা হৈছে। আজিকালি কোনো ৰাষ্ট্ৰতে দাস নামৰ এটা শ্ৰেণীৰ মানুহ নাই।

আদৰ্শৰ দিশৰপৰা বিবেচনা কৰিলে আমি এৰিষ্টটলৰ লগত এইটো কথাত একমত হ'ব লাগিব যে প্ৰত্যেকজন নাগৰিকেই ৰাষ্ট্ৰৰ সভ্য আৰু নাগৰিকসকলে ৰাষ্ট্ৰৰ প্ৰকৃত সভ্য বুলি পৰিচয় দিব লাগিলে তেওঁলোক ৰাষ্ট্ৰৰ লগত সৃজনমূলক কামত সহযোগিতা কৰি নিজৰ নিজৰ কৰ্তব্যবোৰ সুচাৰুৰূপে সম্পাদন কৰিব লাগিব। এই দৃষ্টিকোণৰপৰা বিচাৰ কৰিলে ৰাষ্ট্ৰৰ ৰাজনৈতিক জীৱনত নাগৰিকসকলে সক্ৰিয় অংশ গ্ৰহণ কৰা উচিত। ৰাষ্ট্ৰত থকা যিসকল মানুহৰ ৰাষ্ট্ৰৰ ৰাজনৈতিক জীৱনত সক্ৰিয়ভাৱে অংশ গ্ৰহণ কৰিবলৈ নৈতিক আৰু মানসিক সমলৰ অভাৱ আৰু যিসকল মানুহৰ জিৰণিৰ সময় নাই তেওঁলোকে ৰাষ্ট্ৰৰ ৰাজনৈতিক জীৱনত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিব নোৱাৰে। তেওঁলোকক যদি ৰাষ্ট্ৰৰ ৰাজনৈতিক জীৱনত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিয়াও হয় তথাপি তেওঁলোক নামতহে নাগৰিক হৈ থাকিব, কামত নহয়। এৰিষ্টটলৰ নাগৰিকত্বৰ অৱধাৰণাই আধুনিক নাগৰিকত্বৰ দোষবোৰ আঙুলিয়াই দিছে। নাগৰিকত্বৰ আধুনিক অৱধাৰণাটো প্ৰকৃতিগতভাৱে নিষ্ক্ৰিয় বা নিস্তেজ। ইয়াৰ অৰ্থ হৈছে কিছুমান মানুহৰ হাতত থকা কিছুমান নিশ্চিত অধিকাৰ। এই অধিকাৰবোৰ মানুহে ঠিকভাৱে ব্যৱহাৰ কৰিবও পাৰে আৰু নকৰিবও

পাৰে। কিন্তু এৰিষ্ট'টলৰ নাগৰিকত্বৰ অৱধাৰণা সক্ৰিয় আছিল। এৰিষ্ট'টলৰ মতে যিজন নাগৰিকে তেওঁৰ ওপৰত অৰ্পণ কৰা ৰাষ্ট্ৰৰ আইন প্ৰণয়নমূলক কাম আৰু বিচাৰমূলক কামত অংশগ্ৰহণ নকৰে সেইজন নাগৰিকে পাছত নাগৰিক বুলিয়ে দাবী কৰিব নোৱাৰে। ৰাষ্ট্ৰত বাস কৰা মানুহবোৰৰ ওপৰত কিছুমান বেসামৰিক আৰু ৰাজনৈতিক অধিকাৰ অৰ্পণ কৰি আৰু সাৰ্বজনীন প্ৰাপ্তবয়স্কৰ ভিত্তিত ভোটদানৰ ব্যৱস্থা কৰি যিকোনো ৰাষ্ট্ৰই ভাল নাগৰিক সৃষ্টি কৰিব নোৱাৰে। যিকোনো নাগৰিকে তেওঁৰ ওপৰত অৰ্পণ কৰা ৰাষ্ট্ৰীয় কৰ্তব্যবোৰ ভালদৰে পালন কৰিব লাগিলে তেওঁক অভাৱ অসুবিধা আৰু দুখ কষ্টৰ ভয়ৰপৰা মুক্ত কৰিব লাগিব। কলা আৰু বিজ্ঞানচৰ্চাৰ বাবে তেওঁৰ যথেষ্ট জিৰণি সময় থাকিব লাগিব আৰু ইয়াৰ বাবে তেওঁ যথেষ্ট শিক্ষা লাভ কৰিব লাগিব। বৰ্তমান যুগত গণতন্ত্ৰৰ ডাঙৰ সমস্যা হৈছে গণতান্ত্ৰিক চিন্তা আৰু কাৰ্যৰ বাবে নাগৰিকসকলক প্ৰশিক্ষিত কৰি তোলা তেওঁলোকক ক্ষুধাৰ ভয়ৰপৰা মুক্ত কৰা আৰু উচ্চ জ্ঞানচৰ্চা আৰু আহৰণৰ কাৰণে তেওঁলোকৰ বাবে আৱশ্যকীয় পৰিমাণৰ জিৰণি সময়ৰ ব্যৱস্থা কৰা।

গতিকে এৰিষ্টটলৰ নাগৰিকত্বৰ অৱধাৰণা স্বাভাৱিকতে অভিজাততান্ত্ৰিক আছিল। আনকি যদিও তেওঁৰ নাগৰিকত্ব গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰতো ব্যৱহাৰ কৰা হৈছিল তথাপি মৌলিকভাৱে ই তাতো অভিজাততান্ত্ৰিক অৱধাৰণা হৈয়েই আছিল কিয়নো এৰিষ্ট'টলে সকলো ক্ষেত্ৰতে দাসসকলক নাগৰিকত্ব দিয়া নাছিল যদিও তেওঁলোকৰ সংখ্যা সকলোতে সৰহ আছিল। গতিকে আমি এইটো নিঃসন্দেহে মন্তব্য কৰিব পাৰোঁ যে এৰিষ্ট'টলৰ নাগৰিকত্বৰ অৱধাৰণা দেখাত গণতান্ত্ৰিক আছিল যদিও মৌলিকভাৱে ই অভিজাততান্ত্ৰিক আছিল।

প্লেটো আৰু এৰিষ্ট'টলৰ নাগৰিকত্বৰ পাৰ্থক্য

উপৰুৱাকৈ চালে এৰিষ্ট'টলৰ নাগৰিকত্বৰ অৱধাৰণা প্লেটোৰ নাগৰিকত্বৰ অৱধাৰণাতকৈ বেছি অভিজাততান্ত্ৰিক। কিয়নো প্লেটোৱে শ্ৰমিক শ্ৰেণীটোকো নাগৰিকসকলৰ ভিতৰতে সামৰি লৈছে কিন্তু এৰিষ্ট'টলে তেওঁলোকক ইয়াৰ বাহিৰত ৰাখিছে। উৎপাদনকাৰী শ্ৰেণীটো প্লেটোৰ ৰাষ্ট্ৰৰ এটা অপৰিহাৰ্য অংগ আছিল কিন্তু এৰিষ্ট'টলে তেওঁলোকক উৎপাদনৰ আহিলা বুলি জ্ঞান কৰিছিল ৰাষ্ট্ৰৰ সভ্য বুলি জ্ঞান কৰা নাছিল। কিন্তু প্ৰকৃততে বা কাৰ্যতঃ এই বিষয়ত দুয়োজন দাৰ্শনিকৰ মাজত বিশেষ পাৰ্থক্য নাছিল। কিয়না প্লেটোৱেও তেওঁৰ শ্ৰমিক নাগৰিকসকলক ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য দেখুওৱাৰ

বাহিৰে আন কোনো উচ্চ ৰাজনৈতিক কাৰ্য্য দিয়া নাছিল। প্লেটোৰ ৰাষ্ট্ৰত শ্ৰমিকসকলৰ যিটো ভূমিকা আছিল এৰিষ্টটলৰ ৰাষ্ট্ৰতো শ্ৰমিকসকলে তেনে ধৰণৰ এটা ভূমিকাই পালন কৰিব লাগিছিল আৰু সেই গতিকে এৰিষ্টটলে শ্ৰমিকসকলক ৰাষ্ট্ৰৰ এৰাব নোৱাৰা অংগ বুলি গণ্য কৰা নাছিল। এৰিষ্টটলে সমাজৰ মানুহবোৰক দুটা অনমনীয় ভাগত বিভক্ত কৰিছিল আৰু তাৰে এটা ভাগত পৰিছিল শ্ৰমিকসকল। শ্ৰমিকসকলক তেওঁ আন ভাগত অন্তৰ্ভুক্ত মানুহবোৰৰ কল্যাণৰ বাবে ব্যৱহৃত হোৱা আহিলা বুলি জ্ঞান কৰিছিল। গতিকে প্ৰথমতে দেখাত প্লেটোক বেছি প্ৰগতিশীল যেন লাগিলেও প্ৰকৃততে তেওঁ এৰিষ্টটলতকৈ বেছি প্ৰগতিশীল নাছিল। কিয়নো প্ৰকৃত কাৰ্য্যত উৎপাদনকাৰী শ্ৰেণীটোৱে প্লেটোৰ ৰাষ্ট্ৰত কোনো অধিকাৰ প্ৰয়োগ কৰিব পৰা নাছিল। প্লেটো আৰু এৰিষ্টটল উভয়ৰে মতে উৎপাদনকাৰী শ্ৰেণীটোৰ প্ৰধান কাম আছিল উচ্চ শ্ৰেণীৰ মানুহবোৰক জিৰণি দিয়া। উচ্চ শ্ৰেণীৰ মানুহবোৰে উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰক শাসন কৰিছিল। আৰু তেওঁলোক নিজৰ জীৱিকাৰ বাবে উৎপাদনকাৰী শ্ৰেণীৰ মানুহবোৰৰ ওপৰত নিৰ্ভৰশীল আছিল।

কিন্তু সূক্ষ্মভাৱে বিশ্লেষণ কৰি চালে এৰিষ্টটল আৰু প্লেটোৰ নাগৰিকত্বৰ অৱধাৰণাৰ মাজত কিছুমান সৰু সুৰা পাৰ্থক্য দেখিবলৈ পোৱা যায়। এৰিষ্টটলৰ মতে প্ৰত্যেকজন নাগৰিকৰ শাসন কৰিবলৈ সামৰ্থ্য থাকিব লাগিব আৰু প্ৰত্যেকজন নাগৰিক ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য দেখুৱাব পাৰিব লাগিব। তেওঁ ভালদৰে জানিব লাগিব কেনেকৈ শাসন কৰিব লাগে। অৰ্থাৎ এৰিষ্টটলৰ মতে প্ৰত্যেকজন নাগৰিকক শাসন কৰাৰ সুবিধা দিব লাগিব। নাগৰিকসকলে শাসনৰ দায়িত্ব পালন কৰিব লাগিলে নৈতিক আৰু বৌদ্ধিক উৎকৰ্ষ লাভ কৰিব লাগিব অৰ্থাৎ নাগৰিকসকলে শাসন কৰিবলৈ বাস্তৱ জ্ঞান লাভ কৰিব লাগিব। ইয়াতে এৰিষ্টটল তেওঁৰ গুৰু প্লেটোৰপৰা অলপ আঁতৰি আহিছে। প্লেটোৰ মতে শাসকসকলক বিজ্ঞানসন্মত জ্ঞানেৰে প্ৰশিক্ষিত কৰিব লাগিছিল। কিন্তু এৰিষ্টটলৰ মতে শাসকসকলক বাস্তৱ জ্ঞানেৰে প্ৰশিক্ষিত কৰিব লাগিছিল। প্লেটোৱে ভাবিছিল যে বিজ্ঞানসন্মত জ্ঞান মাত্ৰ কিছুমান মানুহৰ গাতহে থাকে সকলো মানুহে এই জ্ঞান লাভ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে তেওঁ দাৰ্শনিক ৰজাৰ কথা উল্লেখ কৰিছিল। তেওঁৰ মতে যিবোৰ মানুহৰ গাত বিজ্ঞানসন্মত জ্ঞান আছে সেইবোৰ মানুহেহে শাসক হ'বলৈ দাবী কৰিব পাৰে আনে নোৱাৰে। এইদৰে প্লেটোৱে সক্ৰিয় নাগৰিকসকলেৰে গঠিত এটা স্থায়ী শাসক শ্ৰেণীৰ অৱস্থিতি স্বীকাৰ কৰিছিল। তেওঁৰ মতে উৎপাদনকাৰীসকল নিষ্ক্ৰিয় নাগৰিক আছিল আৰু তেওঁলোক

ৰাষ্ট্ৰৰ স্থায়ী প্ৰজা হৈ থাকিব লাগিছিল। এই স্থায়ী অধীনতাৰ ধাৰণাতো প্লেটো আৰু এৰিষ্টটলৰ মাজত পাৰ্থক্য আছিল। এৰিষ্টটলে কৈছে যে ৰাষ্ট্ৰত থকা সমান মৰ্য্যাদাৰ মানুহবোৰক একে ব্যৱহাৰ কৰিব লাগিব। অৱশ্যে তেওঁ কেতিয়াও কোনোখন ৰাষ্ট্ৰতে শাসকশ্ৰেণী আৰু প্ৰজাসকলৰ স্বকীয়া স্থান নাইকিয়া কৰিবলৈ বিচৰা নাছিল। তেওঁ কেৱল সকলোবোৰ নাগৰিকক সমান অধিকাৰ দিবলৈ বিচাৰিছিল।

ত্ৰয়োবিংশতি অধ্যায়

এৰিষ্টটলৰ আদৰ্শৰাষ্ট্ৰ আৰু সৰ্বোৎকৃষ্ট ৰাষ্ট্ৰ

এৰিষ্টটলৰ মতে সবাতোকৈ শ্ৰেষ্ঠ ৰাজনৈতিক সংস্থা সেইটোৱে যিটো সম্পূৰ্ণ মধ্যবিত্ত শ্ৰেণীটোৱে নিয়ন্ত্ৰণ কৰে।

কেনেধৰণৰ সংবিধান বা কেনেধৰণৰ ৰাষ্ট্ৰ সৰ্বোৎকৃষ্ট এই প্ৰশ্নটোৰ উত্তৰ প্ৰত্যক্ষভাৱে দিয়াৰ পিছত এৰিষ্টটলে কৈছে যে আমি কেৱল আদৰ্শৰ ভিত্তিত শ্ৰেষ্ঠ সংবিধান আৰু সাপেক্ষভাৱে শ্ৰেষ্ঠ ৰাষ্ট্ৰ এখনৰ কথা বিবেচনা কৰিলেই নহ'ব লগতে ক্ষেত্ৰত প্ৰতিষ্ঠা কৰিব পৰা সৰ্বোৎকৃষ্ট ৰাষ্ট্ৰ এখনৰ বিষয়েও বিবেচনা কৰিব লাগিব আৰু কোনো বিশেষ অৱস্থাত প্ৰতিষ্ঠা কৰিব পৰা উৎকৃষ্ট ৰাষ্ট্ৰ এখনৰ বিষয়েও আলোচনা কৰিব লাগিব।

প্লেটোৰ শাস্ত্ৰ দুখন আদৰ্শ ৰাষ্ট্ৰখনৰ চিত্ৰখন এৰিষ্টটলৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল আৰু সেই কাৰণে তেওঁ বহুত ভাবিবলগীয়া হৈছিল—আদৰ্শ ৰাষ্ট্ৰ এখন কি আৰু কেনেকুৱা হোৱা উচিত। এৰিষ্টটলে আদৰ্শবাদৰ লগতে বাস্তৱবাদৰ সমন্বয় ঘটাইছিল। তেওঁ তেওঁৰ গুৰু প্লেটোৰ দৰে আদৰ্শ ৰাষ্ট্ৰ এখন চিত্ৰিত কৰাৰ ওপৰত গুৰুত্ব দিছিল কিন্তু তথাপি তেওঁ বাস্তৱত থকা পৰিস্থিতিসমূহক তেওঁৰ দৃষ্টিৰ আঁতৰ কৰা নাছিল। প্ৰথমে তেওঁ এখন ৰাষ্ট্ৰৰ চিত্ৰ আঁকিছিল আৰু সেইখন ৰাষ্ট্ৰ কেৱল আদৰ্শ অৱস্থা আৰু পৰিৱেশতহে প্ৰতিষ্ঠা কৰিব পৰা যাব বুলি তেওঁ কৈছিল। সেই ৰাষ্ট্ৰখন সম্পূৰ্ণৰূপে উৎকৃষ্ট ৰাষ্ট্ৰ আছিল। ইয়াৰ পাছত তেওঁ আন এখন ৰাষ্ট্ৰৰ চিত্ৰ দিছে আৰু এই ৰাষ্ট্ৰখন এটা বিচ্যুতিৰে ভৰা পৃথিৱীৰ সাধাৰণ গুণসম্পন্ন আৰু সাধাৰণ শক্তি সামৰ্থ্যৰ মানুহবোৰেও প্ৰতিষ্ঠা কৰিব পাৰে। কিন্তু তেওঁ বাস্তৱতে প্ৰতিষ্ঠা কৰিব পৰা উৎকৃষ্ট ৰাষ্ট্ৰখনৰ বিষয়ে সবিশেষ বৰ্ণনা আমাৰ আগত দাঙি ধৰা নাই। তেওঁ প্লেটোৰ পৰা যি উদ্দীপনা লাভ কৰিছিল সেই উদ্দীপনাতে প্ৰথমে এখন সম্পূৰ্ণৰূপে আদৰ্শ ৰাষ্ট্ৰৰ ছবি আঁকিবলৈ বাধ্য হৈছিল কিন্তু পাছত তেওঁ বুজিব পাৰিছিল যে তেনে এখন আদৰ্শ ৰাষ্ট্ৰই মাটিৰ মানুহবোৰক বিশেষ কোনো উপকাৰ কৰিব নোৱাৰিব আৰু সেইবাবে তেওঁ ভাবিছিল যে সততে চেষ্টা কৰিও আকৌ

মাটিত পৰিব পৰাকৈ কিবা ব্যৱস্থা কৰিব পাৰিলে বৰ ভাল হয়। পাছত তেওঁ আদর্শ ৰাষ্ট্ৰখনৰ বৈষয়িক আৰু আধ্যাত্মিক অৱস্থাবোৰৰ বিষয়ে বিবেচনা কৰিবলৈ লৈছিল আৰু তাৰ পাছতহে বিভিন্ন অৱস্থাত উৎকৃষ্ট ৰাষ্ট্ৰ এখনৰ অৱস্থাৰ বিষয়ে আলোচনা কৰিছিল। তেওঁৰ এই আলোচনা কাৰ পোপৰ দুষাৰি কথাৰদ্বাৰা প্ৰভাৱান্বিত হৈছিল। এই কথা দুষাৰি হৈছে —

For forms of Government let tools contest
whatever is b st administered is best '

আদর্শ অৱস্থাত উৎকৃষ্ট ৰাষ্ট্ৰ

ৰাষ্ট্ৰৰ লক্ষ্য হৈছে মানুহৰ বাবে সৰ্বাংগসুন্দৰ আৰু গুণী জীৱন গঢ়ি তোলা। গতিকে আদর্শ অৱস্থাত উৎকৃষ্ট ৰাষ্ট্ৰ সেইখনেই যিখন ৰাষ্ট্ৰ উৎকৃষ্ট মানুহবোৰে শাসন কৰে আৰু যিখন ৰাষ্ট্ৰৰ চৰকাৰখন প্ৰখ্যাত গুণী মানুহবোৰৰ হাতত থাকে। যদি ৰাষ্ট্ৰ এখনত এনে এজন মানুহ থাকে যিজন মানুহৰ গুণ সামৰ্থ্যৰ পৰিমাণ ৰাষ্ট্ৰৰ আন সকলোবোৰ মানুহৰ গুণ আৰু সামৰ্থ্যতকৈও বেছি তেওঁক আমি মানুহৰ মাজত দেৱতা বুলি ক'ব পাৰোঁ। সেই মানুহজন ৰাষ্ট্ৰখনত থকা সকলোবোৰ মানুহক নিখুঁত গুণ আৰু সুখ শান্তিৰ লক্ষ্যস্থান এটালৈ চলাই নিব পাৰে। তেওঁৰ জ্ঞানেই উচ্চ আইন। সেই গতিকে ৰাষ্ট্ৰত ন্যায় প্ৰতিষ্ঠা কৰিবলৈ তেওঁক সৰ্বশক্তিমান ৰজা হিচাপে শাসন কৰিবলৈ দিয়া উচিত। এৰিষ্টটলৰ সৰ্বশক্তিমান ৰাজতন্ত্ৰ বহুতৰ মতে প্লেটোৰ প্ৰতি তেওঁৰ এটা উপহাৰস্বৰূপ। কিয়নো এৰিষ্টটলে বিশ্বাস কৰিছিল যে তেনে এজন অতিমানবীয় পুৰুষ ক'ৰবাত ওলাব পাৰে যদিও তেনে এজন মানুহ বিচাৰি উলিওৱাটো অসম্ভৱ আৰু তেনে এজন দেৱতাসুলভ মানৱ অবিহনে প্লেটোৰ প্ৰকৃত অভিজাততন্ত্ৰৰ আদর্শ ৰাষ্ট্ৰৰ স্থান দিছিল। এখন অভিজাততান্ত্ৰিক ৰাষ্ট্ৰত উচ্চ পৰ্য্যায়ৰ বুদ্ধিজীৱি আৰু জ্ঞানীলোকসকলে শাসন কৰিছিল।

কিন্তু এৰিষ্টটলে তেওঁৰ জনপ্ৰিয় সাৰ্বভৌমত্বৰ তত্ত্বৰ লগত সংগতি ৰক্ষা কৰি কৈছিল যে তেওঁ যিখন অভিজাততান্ত্ৰিক ৰাষ্ট্ৰৰ সমৰ্থন কৰিছিল সেয়া আছিল সাংবিধানিক অভিজাততন্ত্ৰ। এই অভিজাততন্ত্ৰ আইনৰদ্বাৰা নিয়ন্ত্ৰিত হৈছিল আৰু ইয়াত সাৰ্বভৌম ক্ষমতা জনতাৰ হাতত আছিল। ইয়াৰ নাগৰিক সকলৰ প্ৰত্যেকৰে উচ্চ বুৎপত্তি আছিল আৰু তেওঁলোক সকলোৱে চৰকাৰী ক্ষমতাৰ ভাগ সমানে লাভ কৰিছিল। এৰিষ্টটলৰ মতে এইটো পৰিষ্কাৰ যে

সেইখন চৰকাৰৰ গঠনেই উৎকৃষ্ট যিখন চৰকাৰৰ অধীনত প্ৰত্যেকজন মানুহে সুখেৰে বাস কৰি উৎকৃষ্টতা লাভৰ কাৰণে কাম কৰিব পাৰে। এইদৰে এৰিষ্টটলে নৈতিক ব্যুৎপত্তিৰে গম্ভীৰতা আৰু অভিজাততন্ত্ৰৰ উচ্চ লক্ষ্যৰ লগত গণতন্ত্ৰৰ উদাৰতা আৰু সমতা লগলগাইছে। আকৃতি আৰু গঠনত তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন গণতান্ত্ৰিক আছিল কিন্তু ইয়াৰ প্ৰকৃত উদ্দেশ্য আৰু চৰিত্ৰ অভিজাততান্ত্ৰিক আছিল। যিহেতু সকলোৰে চৰকাৰক নৈতিক গুণৰদ্বাৰাহে বিচাৰ কৰা হয় এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰখনক আমি সেই দৃষ্টিভংগীৰে বিবেচনা কৰি অভিজাততান্ত্ৰিক ৰাষ্ট্ৰ বুলি ক'ব লাগিব। গতিকে এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰখন গণতান্ত্ৰিক আছিল কিন্তু ইয়াত অভিজাততান্ত্ৰিক সাৰ্বজনীনতাৰ ক্ষেত্ৰ সোমাই দিয়া হৈছিল।

আদৰ্শৰ শ্ৰেণীবিন্যাসত এৰিষ্টটলে ৰাষ্ট্ৰবোৰক এইদৰে স্থান দিছিল—

(১) আদৰ্শ ৰাজতন্ত্ৰ
(২) আদৰ্শ অভিজাততন্ত্ৰ
(৩) মিশ্ৰ অভিজাততন্ত্ৰ
(৪) ৰাষ্ট্ৰীয় শাসন ব্যৱস্থা
(৫) উৎকৃষ্ট মধ্যমীয় গণতন্ত্ৰ
(৬) উৎকৃষ্ট মধ্যমীয় স্বল্পতন্ত্ৰ
(৭) গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰ মধ্যৱৰ্তী দুখন ৰাষ্ট্ৰ
(৮) চৰম গণতন্ত্ৰ
(৯) চৰম স্বল্পতন্ত্ৰ আৰু
(১০) স্বেচ্ছাচাৰী শাসন

এৰিষ্টটলৰ গ্ৰন্থৰ সপ্তম আৰু অষ্টম পৰিচ্ছেদত উৎকৃষ্ট ৰাষ্ট্ৰ গঠনৰ বিষয়ে আলোচনা কৰা হৈছে। ইয়াতে তেওঁ যিখন ৰাষ্ট্ৰৰ গঠনৰ বিষয়ে উল্লেখ কৰিছে সেইখন উৎকৃষ্ট আদৰ্শ ৰাষ্ট্ৰ। উৎকৃষ্ট শাসনৰ প্ৰতিষ্ঠা কৰিব পৰা ৰাষ্ট্ৰ সেইটো সম্ভৱপৰ কৰা হৈছে। এই বিষয়টো আলোচনা কৰোঁতে তেওঁ বাস্তৱিক সমস্যাবোৰৰ লগত মিহলি কৰিছে। তেওঁ ইয়াত চৰকাৰ গঠনৰ বিষয়ে বিৱৰণ দিয়া নাই কেৱল ৰাষ্ট্ৰৰ বাবে অত্যাৱশ্যকীয় বাহ্যিক উপাদানবোৰ নিৰ্ধাৰণ কৰিছে আৰু সেইবোৰৰ বৰ্ণনা কৰিছে। ইয়াৰ উপৰিও তেওঁ ইয়াত মানুহৰ চৰিত্ৰ গঠনৰ উৎকৃষ্ট উপায়বোৰৰ কথা উল্লেখ কৰিছে। গতিকে তেওঁ যিখন চৰকাৰৰ আঁচনি আমাৰ আগত দাঙি ধৰিছে আমি সেইখনক তেওঁৰ আদৰ্শ ৰাষ্ট্ৰ আৰু উৎকৃষ্ট ৰাষ্ট্ৰ দুয়োখন ৰাষ্ট্ৰৰ ক্ষেত্ৰতে প্ৰয়োগ কৰিব পাৰোঁ।

ৰাষ্ট্ৰৰ প্ৰকৃত লক্ষ্য বা উদ্দেশ্যৰ বিষয়ে সাধাৰণভাৱে আলোচনা কৰি এৰিষ্টটলে কেইটামান মন্তব্য কৰিছে আৰু এই মন্তব্যকেইটা তেওঁৰ উৎকৃষ্ট ৰাষ্ট্ৰত প্ৰয়োগ কৰিব পাৰি। তেও বিশ্বাস কৰিছিল যে ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰত থকা ব্যক্তি উভয়ৰে বাবে উৎকৃষ্ট জীৱন লাভ কৰিব লাগিলে জ্ঞান চৰ্চা কৰিব লাগিব ক্ষমতা বা সম্পত্তিৰ লালসাত দৌৰিলে নহ'ব। দাসত্বই যেনেকৈ দাসৰ মালিকসকলক দূষিত ক'ৰে স্বৈৰতন্ত্ৰইও তেনেকৈ ৰাষ্ট্ৰ এখন দূষিত কৰি পেলায়। জয়লাভ কৰাই ৰাষ্ট্ৰ এখনৰ প্ৰকৃত লক্ষ্য নহয়। এটা শান্তিপূৰ্ণ জীৱন গঢ়ি তোলাই ৰাষ্ট্ৰৰ প্ৰকৃত আদৰ্শ। ৰাজনৈতিক আৰু সামাজিক সংগঠনৰ সকলোবোৰ উপাদানৰ সংহতিপূৰ্ণ আৰু বৰ্ধিত কৰ্মকাণ্ডৰ জৰিয়তে যাতে মানুহে আত্মশুদ্ধিৰ বাবে নিজকে উছৰ্গা কৰিব পাৰে আৰু ৰাষ্ট্ৰ আৰু জনসাধাৰণ উভয়ৰে বাবে পূৰ্ণ শান্তি স্থাপিত হয় এইটোৱেই ৰাষ্ট্ৰৰ লক্ষ্য। এই আদৰ্শটো কাৰ্য্যত পৰিণত কৰিব লাগিলে কেইটামান চৰ্ত পূৰ্ণ হ'ব লাগিব। সেইকেইটা চৰ্ত হৈছে—

(১) বাহ্যিক অৱস্থা

(২) জনসাধাৰণৰ চৰিত্ৰ আৰু সংস্কৃতি ।

এই দুটা চৰ্ত পূৰ্ণ কৰিবলৈ এৰিষ্টটলে যিখন আঁচনি আমাৰ সন্মুখত দাঙি ধৰিছে ইয়াৰ প্ৰধান প্ৰধান উপাদানবোৰ তেও প্লেটোৰ আইনৰপৰা ধাৰ কৰিছে। অৱশ্যে তেও ইয়াত এটা মধ্যম পন্থা অৱলম্বন কৰিছে। অৰ্থাৎ এৰিষ্টটলে ইয়াত তেওঁৰ আদৰ্শৰাষ্ট্ৰৰ আইন আৰু ৰাজনৈতিক সংগঠনৰ বিষয়ে কোনো বিশেষ বিৱৰণ দাঙি নধৰি ইয়াতে আদৰ্শ ৰাষ্ট্ৰখনৰ বাবে প্ৰয়োজনীয় বিষয়িক আৰু আধ্যাত্মিক অৱস্থাবোৰ বৰ্ণনা কৰিবলৈ লৈছে।

আদৰ্শ ৰাষ্ট্ৰৰ বাহ্যিক অৱস্থা

(১) **ভূখণ্ডৰ প্ৰকৃতি ঃ** ৰাষ্ট্ৰৰ ভূখণ্ড যিমানখিনি বহল হোৱা উচিত যিমানখিন বহল হ'লে নাগৰিকসকলে তাত আত্মনিৰ্ভৰশীল হৈ স্বাধীন জীৱন যাপন কৰিব পাৰে আৰু ই সিমান ঠেক হোৱা উচিত যিমান ঠেক হ'লে নাগৰিকসকল এলেহুৱা আৰু বিলাসী নহয়। ৰাষ্ট্ৰৰ ভূখণ্ড শত্ৰুসকলৰ বাবে সহজে ভেদ কৰিব পৰা বিধৰ হ'ব নালাগে কিন্তু ৰাষ্ট্ৰৰ নাগৰিকসকলে বা অধিবাসীসকলে সহজে ইয়াৰ ভিতৰত যলৈ তলৈ যাব পৰা বিধৰ হ'ব লাগে। সাগৰৰপৰা ইয়াৰ দূৰত্ব খুব বেছি হ'ব নালাগে। কিয়নো তেতিয়াহে বস্তুৰ আমদানি ৰপ্তানিৰ সুবিধা হয় আৰু সেইদৰে সাগৰৰপৰা ইয়াৰ দূৰত্ব বৰ

কম হ'ব নালাগে। কিয়নো তেতিয়াহে বৈদেশিক বাণিজ্যৰ প্ৰভাৱ বৰ বেছি নপৰে। ৰাষ্ট্ৰৰ ভূখণ্ডৰ চাৰিসীমা ইমান ঠিক হ'ব লাগে যাতে কোনো মানুহে মধ্যৱৰ্তী ঠাইবিলাক চালে এইটো চকুৰে মণিব পৰা হয়। ৰাষ্ট্ৰৰ সমস্ত ভূখণ্ড দুটা ভাগত বিভক্ত হোৱা উচিত— (১) ৰাজহুৱা ভূখণ্ড আৰু (২) ব্যক্তিগত ভূখণ্ড। ৰাজহুৱা খণ্ডত থকা মাটিবিলাক দেৱতা প্ৰাৰ্থনা আৰু ৰাষ্ট্ৰীয় কৰ্মৰ বাবে ব্যৱহাৰ হোৱা উচিত আৰু ব্যক্তিৰ অধীনত থকা মাটিবোৰ নাগৰিক সকলৰ মাজত বিতৰণ কৰি দিয়া উচিত। নাগৰিকসকলে দাসবিলাকৰ সহায়ত এই মাটিবিলাকত খেতি কৰিব। ৰাষ্ট্ৰৰ ভূখণ্ড সকলো ধৰণৰ খাদ্য বস্তুৰ বাবে উপযোগী হোৱা উচিত যাতে মানুহৰ জীৱনৰ বাবে প্ৰয়োজনীয় বস্তুবোৰ উৎপন্ন কৰিব পাৰিব লাগে। কিয়নো এইবিলাক নহ'লে নাগৰিকসকলৰ জীৱনৰ নিৰাপত্তা, দৈহিক জিৰণি আৰু মানসিক শান্তি নোহোৱা হ'ব। ... আৰু মহান জীৱন যাপন কৰিব নোৱাৰে। এৰিষ্টটলে ইয়াৰ উপৰিও ... লক্ষ্য কৰিছিল। কিন্তু তেওঁ সম্ভৱপৰ আক্ৰমণৰ বাবে প্ৰতিৰক্ষাৰ ব্যৱস্থা হিচাপে ৰাষ্ট্ৰৰ ভিতৰত থকা ৰাস্তা ঘাটবিলাক ... আৰু সীমান্তৰ দেৱালবোৰ ঠিকভাৱে তৈয়াৰ কৰিবলৈ পৰামৰ্শ দিছিল। তেওঁ আৰু কৈছিল যে ৰাষ্ট্ৰখন যুদ্ধৰ অধিনায়ক ... সক্ষম হৈ থকা উচিত।

(২) **জনসমষ্টিৰ সংখ্যা :** মানুহৰ মনত এটা সাধাৰণ ধাৰণা আছে যে ৰাষ্ট্ৰৰ জনসংখ্যা বেছি হ'লেহে ৰাষ্ট্ৰ এখন মহৎ আৰু সুখী হ'ব পাৰে। কিন্তু এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ অসাধাৰণ সংখ্যাগত শক্তিৰ বলত ৰাষ্ট্ৰ এখন মহৎ হ'ব নোৱাৰে। কাৰণ ৰাষ্ট্ৰৰ জনসংখ্যা যথেষ্ট বেছি হ'লে ৰাষ্ট্ৰ এখনৰ প্ৰশাসন ভালদৰে চলোৱা সম্ভৱপৰ নহয় আৰু ইয়াত থকা সকলোবোৰ মানুহকে আইনৰ নিয়ন্ত্ৰণত ৰখা কঠিন হয়। সেইকাৰণে তেওঁৰ মতে ৰাষ্ট্ৰৰ জনসংখ্যা বেছি হোৱা উচিত নহয় আৰু বৰ কম হোৱাও উচিত নহয়। ৰাষ্ট্ৰৰ স্বাধীনতা ৰক্ষা কৰিব পৰাকৈ ৰাষ্ট্ৰৰ জনসংখ্যা বেছি হোৱা উচিত আৰু সেইদৰে ভালদৰে শাসন কৰিব পৰাকৈ ৰাষ্ট্ৰৰ জনসংখ্যা কম হোৱা উচিত। আন কথাত ৰাষ্ট্ৰখনৰ স্বাধীনতা ৰক্ষা কৰিবৰ বাবে আৰু ৰাষ্ট্ৰৰ মানুহবিলাকক আৱশ্যকীয় বৈষয়িক সম্ভাৰ যোগান ধৰিবলৈ ৰাষ্ট্ৰ এখনত যিমান মানুহৰ প্ৰয়োজন হয় ৰাষ্ট্ৰখনত সিমান মানুহ থকা উচিত। আনহাতে ৰাষ্ট্ৰখনৰ মানুহৰ সংখ্যা কম হোৱা উচিত। কিয়নো তেতিয়াহে ৰাষ্ট্ৰৰ চৰকাৰে জনসাধাৰণৰ ওপৰত প্ৰয়োজনীয় পৰ্য্যবেক্ষণ কৰিব পাৰিব, ৰাষ্ট্ৰীয় সেনাবাহিনীৰ নায়কে সৈন্যসকলক আদেশ দি নিয়ন্ত্ৰণ কৰিব পাৰিব, ৰাষ্ট্ৰীয় ঘোষণাবোৰ সকলো মানুহৰ মাজত ভালদৰে প্ৰচাৰিত

হ'ব সকলোবোৰ নাগৰিক আইন সভাত মিলিত হ'ব পাৰিব নাগৰিকসকলৰ মাজত বন্ধুত্ব আৰু ঘনিষ্ঠ সম্বন্ধ স্থাপিত হ'ব বিষয়বাববোৰ ভালদৰে বিতৰণ কৰিব পৰা যাব আৰু ন্যায়ৰ প্ৰশাসন বিশুদ্ধ আৰু দক্ষ হ'ব। নাগৰিকসকলে বিচাৰৰ আৰু আন আন বিষযবোৰ নিৰ্বাচন কৰিব লাগে। তেওঁলোকে এই কামটো গুণাগুণ বিচাৰ কৰি সম্পন্ন কৰিব লাগিলে এই পদবোৰৰ বাবে প্ৰাৰ্থী হোৱা লোকসকলক ভালদৰে জানিব লাগিব। ৰাষ্ট্ৰখনৰ জনসংখ্যা কম হ'লেহে এইটো সম্ভৱপৰ হয। চমুকৈ ক'ব লাগিলে এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ জনসংখ্যা পৰিচালনীয় হ'ব লাগে। অৱশ্যে তেওঁ ৰাষ্ট্ৰৰ জনসংখ্যাৰ এটা উচ্চতম বা এটা নিম্নতম সীমা বান্ধি দিয়া নাছিল। আধুনিক মানদণ্ডেৰে বিচাৰ কৰিলে এৰিষ্টটলে ৰাষ্ট্ৰৰ জনসংখ্যা সম্বন্ধে যিটো মতামত দাঙি ধৰিছিল সেইটো সিমান বহল নহয়। আজিকালি প্ৰত্যেকজন নাগৰিকে আন সকলোবোৰ নাগৰিককে ব্যক্তিগতভাৱে জনাটো প্ৰয়োজনীয় বুলি বিবেচনা কৰা নহয। কিয়নো ইয়াৰ সহায়ত এখন ভাল চৰকাৰ গঠন কৰিব নোৱাৰি। ইয়াৰ সহায়ত মানুহৰ গুণাগুণ ভালদৰে বিচাৰ কৰি বিচাৰক আৰু আন আন ৰাষ্ট্ৰীয় পদৰ বাবে মানুহ নিৰ্বাচন কৰিব নোৱাৰি। তথাপি এৰিষ্টটলৰ এই কথাষাৰত একেবাৰে সত্যতা নোহোৱা নহয কিয়নো এটা সীমাৰ ভিতৰতহে মানুহে সম্পূৰ্ণ কৃতকাৰ্য্যতা লাভ কৰিব পাৰে আৰু সকলো কাম বা বস্তুৰে এটা নিৰ্দিষ্ট সীমাও আছে। গতিকে ৰাষ্ট্ৰৰ জনসংখ্যাৰো এটা পৰিচালনীয় সীমা থকা উচিত। এৰিষ্টটলে স্বাভাৱিকতে এখন নগৰৰাষ্ট্ৰৰ জনসংখ্যাৰ কথা চিন্তা কৰিহে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰৰ জনসংখ্যাৰ কথা আলোচনা কৰিছিল। তেওঁ সম্ভৱতঃ এখন জাতি ৰাষ্ট্ৰৰ কথা চিন্তা কৰিব পৰা নাছিল। তেওঁৰ মতে জন্ম নিয়ন্ত্ৰণব্যৱস্থাৰে ৰাষ্ট্ৰৰ জনসংখ্যা এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত ৰখা উচিত।

(৩) **জনসাধাৰণৰ চৰিত্ৰ :** এৰিষ্টটলে কৈছে যে ইউৰোপীয় জাতিসমূহৰ শাৰীৰিক শক্তি আৰু মানসিক সাহস আছে আৰু এছিয়াৰ জাতিসমূহৰ তীক্ষ্ণ বুদ্ধিবৃত্তি আৰু শিল্পীসুলভ দক্ষতা আছে। এখন আদৰ্শৰাষ্ট্ৰত থকা মানুহ বোৰৰ এই সকলোবোৰ গুণ থকা উচিত। গ্ৰিকসকল ইউৰোপ আৰু এছিয়াৰ প্ৰায় মাজত আছে। গতিকে তেওঁলোকে ইউৰোপীয় জাতি আৰু এছিয়াৰ জাতিসমূহৰ সকলোবোৰ গুণ লাভ কৰিছে। তেওঁলোক যেনেকৈ সাহসী তেনেকৈ বুদ্ধিবৃত্তিসম্পন্নও। অৰ্থাৎ এৰিষ্টটলৰ মতে গ্ৰিকসকল আদৰ্শ ৰাষ্ট্ৰৰ আদৰ্শ মানুহ আছিল।

এইবোৰৰ উপৰিও আদৰ্শ ৰাষ্ট্ৰৰ বাবে সুন্দৰতম ধৰণৰ মানুহ আৰু তেওঁবোৰ গঢ়ি তুলিবলৈ এৰিষ্টটলে ৰাজনীতি আৰু কিছুমান পৰামৰ্শ আগ বঢ়াইছিল। বিবাহৰ সময় আৰু অৱস্থা নিয়ন্ত্ৰণ কৰিবলৈ তেওঁ 'ৰাজনীতিত

কিছুমান কঠিন ব্যৱস্থাৰ উল্লেখ কৰিছে। সেইদৰে লম্বা ছোৱালীবোৰক লালন পালন কৰিবলৈ আৰু শিশু স্বাস্থ্যৰ জন্যও তেওঁ কিছুমান ব্যৱস্থাৰ উল্লেখ কৰিছে। দুৰাৰোগ্য বেমাৰী পঙ্গু কেঁচুৱাবোৰ তেওঁ তৎক্ষণাত অনাবৃত আৰু অনাদৃত অৱস্থাত বাহিৰত পেলাই দিবলৈ উপদেশ দিছিল। কিয়নো নিশ্চয়াই সেইবোৰ মৃত্যুমুখত পৰিব আৰু ৰাষ্ট্ৰখনে শিশুৰ বোজা বহন কৰিব নালাগিব। ৰাষ্ট্ৰৰ জনসংখ্যা এটা নিৰ্দিষ্ট সীমাৰ ভিতৰত ৰাখিবলৈ তেওঁ উপযুক্ত সময়ত ভ্ৰূণহত্যাৰ ব্যৱস্থা কৰিবলৈও উপদেশ দিছিল।

(৪) **জনসংখ্যাৰ উপাদান ঃ** আদৰ্শৰাষ্ট্ৰৰ জনসমষ্টিক এৰিষ্টটলে ছয়টা ভাগত বিভক্ত কৰিছে। এই ভাগকেইটা হৈছে (১) খেতিয়কসকল (২) কাৰিকৰসকল (৩) সৈনিকসকল (৪) সম্পত্তিশালী লোকসকল—যিসকলৰ যথেষ্ট জিৰণি সময় আছে (৫) পুৰোহিতসকল আৰু (৬) শাসকসকল। ইয়াৰ ভিতৰত প্ৰথম দুই ভাগত অন্তৰ্ভুক্ত মানুহবোৰ ৰাষ্ট্ৰৰ ভিতৰত থাকে যদিও তেওঁলোক ৰাষ্ট্ৰৰ নহয়। কিয়নো তেওঁলোক ৰাষ্ট্ৰৰ নাগৰিক নহয় কিন্তু আন আন ভাগত অন্তৰ্ভুক্ত মানুহবোৰ ৰাষ্ট্ৰৰ নাগৰিক। নাগৰিকসকলৰ নিজা নিজা মাটি সম্পত্তি থাকিব লাগিব। জীৱনৰ বেলেগ বেলেগ সময়ত নাগৰিকসকলে বেলেগ বেলেগ কাম কৰিব লাগিব। ডেকা সময়ত তেওঁলোক সৈনিক হ'ব লাগিব আধাবয়সীয়া বয়সত তেওঁলোক শাসক হ'ব লাগিব আৰু বৃদ্ধ সময়ত তেওঁলোক পুৰোহিত হ'ব লাগিব। এই কাৰণে সময়ত এই কামবোৰ কৰিবলৈ তেওঁলোকক উপযুক্তভাৱে প্ৰশিক্ষিত কৰি তোলা হ'ব। খেতিয়ক কাৰিকৰ সৈনিক আৰু ব্যৱসায়ী লোকসকলেও তেওঁলোকৰ ওপৰত অৰ্পণ কৰা কামবোৰ নিৰ্দিষ্ট ঠাইৰপৰা নিৰ্দিষ্ট সময়ৰ ভিতৰত সম্পন্ন কৰিব লাগিব। সৈনিক প্ৰশাসক আৰু পুৰোহিতসকলৰ ওপৰত অৰ্পণ কৰা কামবোৰ ৰাজনৈতিক কাম। গতিকে সৈনিক প্ৰশাসক আৰু পুৰোহিতসকলেৰে ৰাষ্ট্ৰৰ ৰাজনৈতিক সমাজখন গঠিত হয় আৰু এওঁলোকেই ৰাষ্ট্ৰীয় নীতি নিৰ্ধাৰণ কৰি ৰাষ্ট্ৰৰ জীৱন গঢ়ি তোলে আৰু এওঁলোকৰ স্বাৰ্থৰ বাবেই প্ৰকৃততে ৰাষ্ট্ৰখনে কাম কৰে। খেতিয়ক কাৰিকৰ আৰু ব্যৱসায়ীসকলে ৰাষ্ট্ৰৰ সহায়কাৰী উপাদান হিচাপেহে কাম কৰে।

এইখিনিতে আমি এইটো মনত ৰখা উচিত যে এৰিষ্টটলে তিনিটা ৰাজনৈতিক শ্ৰেণীৰ মানুহৰ কৰ্মৰ মাজত পাৰ্থক্য দেখুৱাইছে যদিও তেওঁ প্লেটোৰ দৰে এইটো কোৱা নাই যে তিনিটা ৰাজনৈতিক শ্ৰেণীৰ মানুহবোৰৰ স্বাৰ্থ সুকীয়া সুকীয়া আৰু তেওঁলোকে তিনিটা নিৰ্দিষ্ট জাতি গঢ়ি তোলা উচিত। তেওঁৰ মতে একেজন নাগৰিকে বেলেগ বেলেগ সময়ত আৰু বেলেগ বেলেগ বয়সত সৈনিক প্ৰশাসক আৰু পুৰোহিতৰ কাৰ্য্য পালন কৰিব পাৰে।

এনেকুৱা এটা ব্যৱস্থাই ৰাষ্ট্ৰৰ বাবে বিশিষ্টকৰণৰ সুবিধাবোৰ আনিব পাৰে আৰু এইটোকে প্লেটোৱে বিচাৰিছিল। অথচ ইয়াৰ ফলত নাগৰিকসকল কেইবাটাও শ্ৰেণীত বিভক্ত হৈ নাযায় আৰু তেওঁলোকৰ মাজত অনৈক্যৰ সৃষ্টিও নহয়।

আদৰ্শ ৰাষ্ট্ৰৰ আধ্যাত্মিক অৱস্থা

এখন ৰাষ্ট্ৰৰ সকলোবোৰ বাহ্যিক অৱস্থা ঠিক থাকিলেও ইয়াৰ আধ্যাত্মিক অৱস্থা বেয়া হলে ৰাষ্ট্ৰখন সোনকালে অধঃপতিত হোৱাৰ সম্ভাৱনা থাকে। আগতে উল্লেখ কৰি অহাই হৈছে যে এখন আদৰ্শৰাষ্ট্ৰৰ লক্ষ্য হৈছে ৰাষ্ট্ৰ আৰু ইয়াত থকা নাগৰিকসকলৰ বাবে এটা সম্পূৰ্ণ গুণী জীৱন গঢ়ি তোলা। এনে এটা জীৱন গঢ়ি তুলিব লাগিলে ৰাষ্ট্ৰৰ নাগৰিকসকলৰ শাৰীৰিক বৌদ্ধিক আৰু নৈতিক গুণৰ উৎকৰ্ষ সাধন কৰিব লাগিব আৰু এটা বিজ্ঞানসম্মত শিক্ষা ব্যৱস্থাৰদ্বাৰাহে এইটো কাৰ্য্য পৰা যাব। প্লেটোৰ দৰে এৰিষ্টটলৰ মতেও এখন আদৰ্শ ৰাষ্ট্ৰৰ বাবে এটা সাৰ্বজনীন বাধ্যতামূলক আৰু চৰকাৰী শিক্ষা ব্যৱস্থাৰ অতি প্ৰয়োজন আৰু এনেকুৱা এটা শিক্ষাব্যৱস্থা চলোৱাটো চৰকাৰৰ প্ৰধান গুৰুত্বপূৰ্ণ আৰু পৱিত্ৰ কাম। তেওঁ স্পাৰ্টাত সেই সময়ত চালু থকা একপক্ষীয়া শিক্ষাব্যৱস্থাক নিন্দা কৰিছিল। কিয়নো স্পাৰ্টাৰ সেই শিক্ষাব্যৱস্থাই কেৱল নাগৰিকসকলৰ শাৰীৰিক আৰু সামৰিক গুণৰ উৎকৰ্ষ সাধনৰ ওপৰতহে গুৰুত্ব দিছিল নাগৰিকসকলৰ নৈতিক আৰু বৌদ্ধিক গুণৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া নাছিল। এৰিষ্টটলে কিন্তু মানুহৰ শাৰীৰিক মানসিক আৰু নৈতিক গুণৰ সংহতিপূৰ্ণ বিকাশৰ ওপৰত গুৰুত্ব দিছিল আৰু তেওঁ নৈতিক আৰু আধ্যাত্মিক অৰ্থত সংগীত চৰ্চা কৰিবলৈ কৈছিল। এৰিষ্টটলৰ শিক্ষা ব্যৱস্থাত সংগীতে এখন বিশিষ্ট আসন অধিকাৰ কৰিছিল। (শিক্ষাব্যৱস্থাৰ বিষয়ে এই অধ্যায়ৰ পাছত বিশদভাৱে আলোচনা কৰা হৈছে।)

আদৰ্শৰাষ্ট্ৰৰ অৱস্থাবোৰৰ পৰ্য্যালোচনা

এৰিষ্টটলে তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখনৰ অৱস্থাবোৰ বৰ্ণনা কৰোঁতে যিবোৰ পৰামৰ্শ আগবঢ়াইছে এই পৰামৰ্শবোৰত স্থায়ী মূল্য থকা কিছুমান ধাৰণা সোমাই আছে। আমি অৱশ্যে তেওঁৰ সময়ৰ ঐতিহাসিক অৱস্থাৰ লগত সংগতি ৰক্ষা কৰি তেওঁ যিবোৰ পৰামৰ্শ দাঙি ধৰিছে সেই পৰামৰ্শবোৰ অগ্ৰাহ্য কৰিব

পাৰা। কিয়নো সেই সময় আৰু সেই অৱস্থাতহে এইবোৰৰ মূল্য আছিল বৰ্তমান এইবোৰৰ মূল্য নাই। ৰাষ্ট্ৰৰ ভূখণ্ড আৰু জনসমষ্টি সম্বন্ধে তেওঁ যিবোৰ মতামত দাঙি ধৰিছে এজন আধুনিক নাগৰিকৰ মনত সেইবোৰ অসংগত বা অসম্ভৱ যেন লাগিব পাৰে আৰু তেওঁ আচৰিত হৈ ভাবিব পাৰে—কেনেকৈ এৰিষ্টটলৰ দৰে এজন বিজ্ঞ পণ্ডিতৰ বাপৰপৰা এই তৰল ধাৰণাবোৰ আহিব পাৰে। কিন্তু আমি যদি এতিয়াৰপৰা ২৫০০ বছৰৰ আগৰ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ কথা ভাবো যেতিয়া এইবোৰৰ কোনো উল্লেখযোগ্য বিকাশ হোৱা নাছিল আৰু যেতিয়া মুক্ত আৰু সক্ৰিয় নাগৰিকৰ এটা জাতিয় বিচ্ছিন্ন হৈ থকা সমস্ত নগৰ-ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল হৈ চলিব লাগিছিল তেতিয়া কাৰণবোৰ বৰ্তমানৰ চীন সাধাৰণতন্ত্ৰ বা ভাৰতবৰ্ষৰ সমান ভূখণ্ড আৰু জনসমষ্টি থকা ৰাষ্ট্ৰৰ কথা কাৰো প্ৰশ্নৰ নহি উঠিলহেঁতেন। এৰিষ্টটলে আদৰ্শ ৰাষ্ট্ৰৰ বিষয়ে যিবোৰ পৰামৰ্শ দিছে সেইবোৰত থকা খুঁটিনাটি পৰিধিৰ লগতে যিটো নীতিৰ ওপৰত ভিত্তি কৰি তেওঁ সেই পৰামৰ্শবোৰ আগবঢ়াইছে সেই নীতিটো বৰ্তমানেও আমি গ্ৰহণ কৰিব লাগিব। তেওঁ কৈছে যে ৰাষ্ট্ৰত থকা নাগৰিকসকলৰ বৈষয়িক প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব পৰাকৈ ৰাষ্ট্ৰৰ ভূখণ্ড যথেষ্ট বহল হ'ব লাগিব আৰু ৰাষ্ট্ৰীয় সৈন্যবাহিনীয়ে নিৰাপত্তাৰ সমাধান কৰিব লাগিব। চৰকাৰী ৰাজ্য লোকসকলে গ্ৰহণ কৰিব পৰাকৈ আৰু নাগৰিকসকলে জনপ্ৰিয় সভাত আইন গ্ৰহণ কৰিবলৈ আৰু অন্যান্য ৰাজনৈতিক কামকাজ কৰিবলৈ সঘনাই মিলিত হ'ব পৰাকৈ ৰাষ্ট্ৰীয় ভূখণ্ড সন্দেহ যথেষ্ট সৰু বা ঠেক হ'ব লাগিব।

এখন ৰাষ্ট্ৰৰ বাবে প্ৰধানকৈ সেই জনশক্তিৰ প্ৰয়োজন ৰাষ্ট্ৰখনত সমান পৰিমাণৰ জনসংখ্যা থকা উচিত কিন্তু ৰাষ্ট্ৰৰ জনসমষ্টিক ভালদৰে শাসন কৰিব লাগিলে ৰাষ্ট্ৰৰ জনসংখ্যা কম হোৱাও উচিত। ৰাষ্ট্ৰ এখনৰ জনসংখ্যা অতি কম হ'লে কিছুমান অসুবিধা আছে। উদাহৰণস্বৰূপে অতি কমসংখ্যক মানুহ থকা এখন ৰাষ্ট্ৰই পৰিকল্পিত অৰ্থনৈতিক বিকাশ সাধন কৰিব নোৱাৰে। ৰাষ্ট্ৰৰ স্বাধীনতা বিপন্ন হ'লে ৰাষ্ট্ৰক সেই বিপদৰপৰা উদ্ধাৰ কৰিবলৈ প্ৰয়োজনীয় সৈন্য যোগাব নোৱাৰে আৰু ৰাষ্ট্ৰৰ প্ৰশাসন চলাবলৈ প্ৰয়োজনীয় সংখ্যক উপযুক্ত মানুহৰ যোগান ধৰিব নোৱাৰে। আনহাতে ৰাষ্ট্ৰ এখনৰ জনসংখ্যা বহুত বেছি হ'লেও বিপদ আছে। কিয়নো ইয়াৰ ফলত গুৰুতৰ অৰ্থনৈতিক আৰু প্ৰশাসনিক সমস্যাৰ সৃষ্টি হ'ব পাৰে নিবনুৱা সমস্যাই ভয়ানক ৰূপ ল'ব পাৰে আৰু মানুহৰ জীৱনৰ মানদণ্ড হঠাতে নামি যাব পাৰে। ৰাষ্ট্ৰখনৰ জনসংখ্যা যথেষ্ট বেছি হ'লে ন্যায়ৰ প্ৰশাসনত অংশগ্ৰহণ কৰিবলৈ সকলোবোৰ নাগৰিক লগ লাগিব নোৱাৰে উপযুক্ত মানুহক উপযুক্ত পদৰ বাবে নিৰ্বাচিত কৰিব পৰা নাযাব আৰু ন্যায়ৰ প্ৰশাসন ভালদৰে চলাব পৰা নাযায়। সেই সময়ৰ দূৰত্ব যেনেকৈ যোগাযোগ আৰু পৰিবহনৰ

যথেষ্ট অসুবিধা আছিল আৰু সেইবাবে এৰিষ্টটল আদি ৰাজনীতি বিজ্ঞানবিদ সকলে সৰু ভূখণ্ড আৰু কম জনসমষ্টিৰ ৰাষ্ট্ৰ বেছি পছন্দ কৰিছিল। কিযনো তেনেকুৱা এখন ৰাষ্ট্ৰইহে তেওঁলোকৰ মতে ওপৰত উল্লেখ কৰা নীতিবোৰ কাৰ্য্যত পৰিণত কৰিব পাৰিছিল। বৰ্তমান যুগত আমি প্ৰকাণ্ড জাতি ৰাষ্ট্ৰবোৰ সংগঠিত হোৱা দেখিবলৈ পাইছোঁ। এই ৰাষ্ট্ৰবোৰৰ ভূখণ্ড আৰু জনসমষ্টি যথেষ্ট বহল আৰু বেছি। এই প্ৰকাণ্ড ৰাষ্ট্ৰবোৰৰ ৰাজনৈতিক অৰ্থনৈতিক আৰু সামৰিক সমস্যাবোৰ সমাধান কৰিবলৈ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সহায় লোৱা হৈছে। বৰ্তমান যুগৰ ৰাস্তা ঘাট দল ৰেলপথ জলপথ আকাশপথ মটৰগাড়ী ৰেডিঅ আদিয়ে গোটেই পৃথিবীখনকে এখন নগৰৰ লেখীয়া কৰি পেলাইছে। প্ৰতিনিধি মূলক গণতন্ত্ৰ প্ৰশাসনীয় বিকেন্দ্ৰীকৰণ যুক্তৰাষ্ট্ৰীয় শাসনব্যৱস্থা স্থানীয় স্বায়ত্ত শাসনৰ অনুষ্ঠান আদিৰ সহায়ত আজিকালি মুক্ত আৰু জনপ্ৰিয় অনুষ্ঠানবোৰ পৰিচালনা কৰা সহজসাধ্য হৈ পৰিছে আৰু সেই গতিকে/কোটি কোটি জনসংখ্যা থকা এখন প্ৰকাণ্ড জাতিৰাষ্ট্ৰৰ প্ৰশাসন চলোৱাটো সম্ভৱপৰ হৈ পৰিছে। কিন্তু যি সময়ত এই অনুষ্ঠানবোৰ নাছিল তেতিয়া এখন প্ৰকাণ্ড/ৰাষ্ট্ৰত জনপ্ৰিয় অনুষ্ঠানবোৰ চলাই ৰখাটো কিমান কঠিন কাম হ'লহেঁতেন সেইটো অলপ ভাবি লেই গম পোৱা যায়। সেই সময়ত ৰাষ্ট্ৰৰ ভূখণ্ড যথেষ্ট বহল আৰু ইয়াৰ জন সংখ্যা যথেষ্ট বেছি হ'লে নিশ্চয় তাত কেন্দ্ৰীয় কৰ্তৃপক্ষৰ হাতত ক্ষমতা থূপ খাই পৰিলহেঁতেন যাৰ ফলত একনায়কত্ববাদৰ সৃষ্টি হৈ স্থানীয় আৰু জাতীয় কাৰ্য্যৰ পৰিচালনাত ব্যাঘাত জন্মিলহেঁতেন।

সুপ্ৰজননবাদীসকলৰ ভিতৰত এৰিষ্টটল প্ৰথম আছিল। তেওঁৰ মতে এখন ৰাষ্ট্ৰৰ গুণ আৰু বল কেৱল জনসাধাৰণৰ সংখ্যাগত শক্তিৰ ওপৰত নিৰ্ভৰ নকৰে জনসাধাৰণৰ চৰিত্ৰ আৰু প্ৰকৃতিৰ ওপৰতো নিৰ্ভৰ কৰে। এৰিষ্টটলে কম বয়সত বিয়া হোৱাটো সমৰ্থন কৰা নাছিল আৰু সেইবাবে তেওঁ ইয়াৰ বিৰুদ্ধে সাৱধান বাণী শুনাইছিল। তেওঁৰ এই কথাষাৰৰ মূল্য আজিও কমা নাই। দুৰাৰোগ্য ব্যাধিগ্ৰস্ত আৰু পংগু ল'ৰা ছোৱালীবোৰক অনাবৃত আৰু অনাদৃত অৱস্থাত এৰি দিবলৈ তেওঁ যিটো পৰামৰ্শ আগবঢ়াইছিল আজিৰ যুগৰ মানৱীয় দৃষ্টিভংগীত সেইটো কেতিয়াও সমৰ্থনযোগ্য নহয়। আকৌ অনাহূত কেঁচুৱাৰ আগমন ৰোধ কৰিবলৈ উপযুক্ত সময়ত ভ্ৰূণহত্যাৰ ব্যৱস্থা কৰিবলৈ তেওঁ যিটো পৰামৰ্শ দিছিল সেই পৰামৰ্শটোও বহুতৰ বাবে সমৰ্থন যোগ্য নহয় যদিও বৰ্তমান যুগত বহুতে ইয়াৰ আশ্ৰয় ল'বলৈ বাধ্য হৈছে।

কিন্তু বৰ্তমান যুগত সকলোবোৰ ৰাষ্ট্ৰই জনসংখ্যা বৃদ্ধি নিয়ন্ত্ৰণৰ প্ৰয়োজনীয়তা অনুভৱ কৰিছে। আধুনিক ৰাষ্ট্ৰবোৰৰ বহুতে শাৰীৰিক আৰু মানসিকভাৱে অসুস্থ মতা পিতাৰ বিবাহ নিষিদ্ধ কৰিবলৈ ব্যৱস্থা গ্ৰহণ

কৰিছে। দুৰাৰোগ্য ব্যাধিত আক্ৰান্ত স্বামী-স্ত্ৰীৰ বন্ধ্যাকৰণৰ ব্যৱস্থা লৈছে পৰিয়াল পৰিকল্পনা কৰিবলৈ আৰু বিবাহৰ বয়স নিয়ন্ত্ৰণ কৰিবলৈ ব্যৱস্থা গ্ৰহণ কৰিছে। এইবোৰ ব্যৱস্থা লোৱাৰ উদ্দেশ্য হৈছে ৰাষ্ট্ৰৰ জনসংখ্যা বৃদ্ধি পৰ্যায়মান ৰোধ কৰা আৰু ৰাষ্ট্ৰৰ জনসাধাৰণৰ গুণ আৰু যোগ্যতাৰ উন্নতি সাধন কৰা।

আদৰ্শ ৰাষ্ট্ৰ এখনৰ চৰিত্ৰ সম্বন্ধে এৰিষ্টটলে যি মতামত দাঙি ধৰিছে তাৰ ভিতৰত ভালেখিনি সত্য কথা আছে। গ্ৰীকসকলক তেওঁ জগতত ইউৰোপৰ মানুহবোৰতকৈ শ্ৰেষ্ঠ বুলি কৈছিল আৰু শাৰীৰিক শক্তি আৰু সাহসত এছিয়াৰ মানুহবোৰতকৈ শ্ৰেষ্ঠ বুলি ভাবিছিল। এই কথাষাৰ তেওঁ তথ্যৰ সহায়ত প্ৰমাণ কৰি দেখুৱাব পৰা নাছিল। গতিকে আমি এই কথাখিনিৰ বাবে তেওঁক মিছাকৈ অহংকাৰ কৰা বুলি ক'ব পাৰোঁ। কিন্তু এই কথাটো সত্য যে যিজন মানুহ বা যি দেশৰ মানুহৰ গাত শাৰীৰিক শক্তি আৰু সাহস থকাৰ পিছতো বৌদ্ধিক বুৎপত্তি আৰু নৈতিক জ্ঞান থাকে সেইজন মানুহ বা সেই দেশৰ মানুহ নিশ্চয় উৎকৃষ্ট। মানুহৰ শক্তি আৰু সাহস নৈতিক জ্ঞান আৰু বৌদ্ধিক জ্ঞানৰদ্বাৰা নিৰ্দেশিত নহ'লে মানুহ যুদ্ধ আৰু আন আন শাৰীৰিক শক্তি আৰু সাহসৰদ্বাৰা সংঘটিত অমানুষিক কাৰ্যত লিপ্ত হ'ব পাৰে। মানুহৰ বৌদ্ধিক আৰু নৈতিক জ্ঞানৰ লগত শাৰীৰিক শক্তি আৰু সাহস নাথাকিলে মানুহ অলস হৈ যাব পাৰে আৰু তেনে মানুহ সহজে অত্যাচাৰী আৰু আক্ৰমণকাৰীৰ বলি হয়।

এৰিষ্টটলৰ মতে শাৰীৰিক শ্ৰম কৰা লোক আৰু ব্যৱসায় বাণিজ্য কৰা লোকসকলৰ নাগৰিক হোৱাৰ গুণ আৰু যোগ্যতা নাই আৰু সেইবাবে কৃষকসকল আৰু ব্যৱসায়ী লোকসকলক নাগৰিকত্ব দিয়া উচিত নহয়। এই মতটো শুনিলে আজিৰ মানুহ আচৰিত নহৈ নোৱাৰে। কিন্তু আজিৰ দিনতো আমি এই কথাটো ভাবিব লগা হ'ব যে যিসকল মানুহ নিজৰ জীৱিকা অৰ্জনৰ বাবেই সদাসৰ্বদা ব্যস্ত থাকিবলগীয়া হয় যিবোৰ মানুহৰ অৱকাশ আহৰি নাই আৰু মানসিক শান্তি নাই সেইবিলাক মানুহৰ ওপৰত কোনো উচ্চ ৰাষ্ট্ৰীয় কাৰ্য অৰ্পণ কৰিলে তেওঁলোকে সেইবোৰ নিষ্ঠাৰে আৰু নিয়াৰিকৈ কৰিব পাৰিবনে? সাধাৰণতে এইবিলাক মানুহৰ মানসিক আৰু নৈতিক গুণবোৰ বিকাশ নহয় আৰু সেইবাবে তেওঁলোক সক্ৰিয় আৰু দায়িত্বশীল নাগৰিক হিচাপে কাৰ্যনিৰ্বাহ কৰিব নোৱাৰে। আধুনিক যুগৰ শ্ৰমিকসকলক সাৰ্বজনীন প্ৰাপ্তবয়স্কৰ ভিত্তিত নাগৰিক অধিকাৰ দিয়া হৈছে কিন্তু তথাপি তেওঁলোক মজদুৰ হোৱা দাস হৈয়েই আছে। ৰাষ্ট্ৰীয় কাৰ্যত তেওঁলোকে কোনো উল্লেখযোগ্য ভূমিকা পালন কৰিব পৰা নাই। আধুনিক

যুগৰ গণতন্ত্ৰ এখা মুখত পৰিণত হৈছে। ইয়াৰ চৰিত্ৰ পুৰামাত্ৰাই স্বল্প তান্ত্ৰিক কিয়না ইয়াত ধনীসকলে শাসন চলাই আছে। কেৱল গৰীৱসকলৰ মাজত এটা বিশ্বাস সুমুৱাই দিয়া হৈছে যে সংবিধানৰ দৃষ্টিত তেওঁলোকেই প্ৰকৃত শাসক। এনেকৈ ইয়াৰ গৰীৱসকলক প্ৰৱঞ্চনা কৰা হৈছে। জনসাধাৰণক কেনেকৈ অৰ্থনৈতিক নিৰাপত্তা দিব পৰা যায় আৰু কেনেকৈ তেওঁলোকৰ বাবে জিৰণৰ সময় উলিয়াই তেওঁলোকক মানসিক শান্তি দিব পৰা যায় আধুনিক গণতন্ত্ৰৰ বাবে এই দুটা ডাঙৰ সমস্যা আৰু এই দুটা সমস্যা সমাধানৰ ওপৰতে গণতন্ত্ৰৰ কৃতকাৰ্য্যতা আৰু নাগৰিকত্বৰ উন্নতি সাধন ভালেখিনি নিৰ্ভৰ কৰিছে।

অৱশেষত এৰিষ্টটলে কৈছে যে নাগৰিকসকলৰ বাবে ভাল জীৱন গঢ়ি তোলাই যিহেতু ৰাষ্ট্ৰৰ প্ৰধান লক্ষ্য এই লক্ষ্যত উপনীত হ'ব লাগিলে নাগৰিক সকলৰ বাবে এটা উপযুক্ত শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগিব। তেওঁ কেতিয়াও ব্যক্তিৰ হাতত শিক্ষাৰ দায়িত্ব এৰি দিয়াৰ পক্ষপাতী নাছিল। তেওঁৰ মতে শিক্ষাৰ দায়িত্ব ৰাষ্ট্ৰৰ হাতত থাকিব লাগে। আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰে শিক্ষাৰ ব্যৱস্থা প্ৰৱৰ্তন কৰোঁতে এৰিষ্টটলৰ শিক্ষাব্যৱস্থাৰ কথা শ্ৰদ্ধাৰে স্মৰণ কৰে আৰু বৰ্তমান বহুতো উন্নত ৰাষ্ট্ৰই এটা নিৰ্দিষ্ট বয়স পৰ্য্যন্ত ল'ৰা ছোৱালী বোৰৰ বাবে মুক্ত আৰু বাধ্যতামূলক শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰিছে। কিন্তু ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত শিক্ষাব্যৱস্থাত কিছুমান অসুবিধাও আছে। সেইবাবে ৰাষ্ট্ৰই শিক্ষানুষ্ঠান আৰু বিশ্ববিদ্যালয়বোৰক আৰ্থিক অনুদান দি সহায় কৰা উচিত আৰু ছাত্ৰ ছাত্ৰীবোৰক বৃত্তি আৰু জলপানী দি উৎসাহিত কৰা উচিত। গোটেই শিক্ষাব্যৱস্থাটো নিজৰ হাতৰ মুঠিত ৰখা উচিত নহয়।

সম্ভৱপৰ উৎকৃষ্ট ৰাষ্ট্ৰ ওপৰত এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰ এখনৰ বিষয়ে সবিশেষ আলোচনা কৰা হ'ল। সৰ্বাংগসুন্দৰ ৰাজতন্ত্ৰ বা গণতান্ত্ৰিক নীতিৰ ভিত্তিত গঠিত হোৱা অভিজাততন্ত্ৰই তেওঁৰ মানত আদৰ্শ অৱস্থাত আদৰ্শ ৰাষ্ট্ৰ আছিল। কিন্তু আদৰ্শ ৰাষ্ট্ৰখনৰ ছবিখন অঁকাৰ সময়ত দুখন আদৰ্শ ৰাষ্ট্ৰৰ ছবি তেওঁৰ চকুৰ আগত ভাঁহি উঠিছিল। আদৰ্শ পৰিৱেশ আৰু অৱস্থাত আদৰ্শ মানুহৰদ্বাৰা গঠন কৰিব পৰা এখন আদৰ্শ ৰাষ্ট্ৰ আৰু দোষত্ৰুটীৰে ভৰা পৃথিৱীত দোষত্ৰুটীসম্পন্ন মানুহৰদ্বাৰা গঢ়ি তুলিব পৰা আন এখন আদৰ্শ ৰাষ্ট্ৰ। তেওঁ এইটো ভালদৰে উপলব্ধি কৰিছিল যে আদৰ্শ ৰাষ্ট্ৰ এখনৰ ধাৰণা এটাই বাস্তৱ ৰাষ্ট্ৰ এখন গঢ়ি তোলাত উৎসাহ-উদ্দীপনা আগবঢ়ালেহে আদৰ্শ ৰাষ্ট্ৰ এখনৰ ছবি থকাটো ফলদায়ক আৰু সাৰ্থক হ'ব। সেয়ে নহ'লে আদৰ্শ ৰাষ্ট্ৰ এখনৰ ছবি আঁকি কোনো লাভ নাই। আদৰ্শ ৰাষ্ট্ৰ এখনৰ ছবি এখন সন্মুখত ৰাখি বাস্তৱত তেনে এখন ৰাষ্ট্ৰ গঢ়ি তুলিবলৈ চেষ্টা চলোৱা

উচিত আৰু সেই আশা দিয়েই বহু ... তেওঁ এখন আদৰ্শ ৰাষ্ট্ৰৰ সুন্দৰ চিত্ৰ আঁকি থৈ গৈছে। কিন্তু তেওঁ এইটো ভালদৰে জানে যে পৃথিৱীৰ ৰাষ্ট্ৰবোৰ মানুহে পৰিচালনা কৰে দেৱতাই পৰিচালনা নকৰে। সেয়েহে আদৰ্শ ৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰিবলৈ যোৱাৰ আগেয়ে মানুহৰ দোষগুণ সম্পৰ্কে সবিশেষ বিচাৰ কৰিব লাগিব। কবিসুলভ কল্পনাৰে আমি মানুহৰ শক্তিসামৰ্থ্য বিচাৰ কৰিলে নহ'ব বাস্তৱ জ্ঞানসম্পন্ন লোক হিচাপেহে আমি মানুহৰ বৰ্তমান থকা শক্তিসামৰ্থ্য দোষগুণ আৰু সম্ভাব্য শক্তিসামৰ্থ্য আৰু দোষগুণবোৰ বিচাৰ কৰিব লাগিব। আৰু ... অনুন্নত মানুহবোৰ কিছু দূৰ ভৱিষ্যতে যি অৱস্থাত পৰিৱৰ্তনশীল হ'ব পাৰে সেইবিলাকৰ কথাও আমি ভালদৰে অধ্যয়ন কৰিব লাগিব। ... তুলনামূলক ... হিচাপে ... আদৰ্শ ... ৰূপ দিবলৈ বিচৰা নাছিল। ... পৃথিৱীত থকা ... আদৰ্শ প্ৰতিষ্ঠা ... আৰু এনেকুৱা আদৰ্শ ৰাষ্ট্ৰ ... নাথাকে। সেইটোৱেই আচল ... অৱস্থাৰ ... মাজত ... লাগিছিল। ইয়াতে ... মানৱ জীৱনৰ প্ৰকৃত অৱস্থা আৰু ... মানৱ জীৱনৰ ... প্ৰকৃত ... পৃথক ... অৱস্থা। এৰিষ্টটলে এটা ছোৱা সঠিকভাৱেই ... কৰিছে যে ... এৰিষ্টটলে এটা ... কাৰ্যকৰী শক্তি বুলি ... কৰিছিল ... চিন্তাধাৰাৰ ... প্ৰয়োজনীয়তাৰ বাস্তৱ ... সমাজ ... আৰু তেওঁ ... বিবেচিত কৰা ... এটা আদৰ্শৰ কথাহে ভাবিছিল যিটো আদৰ্শ ... যিটো আদৰ্শ এখন প্ৰকৃত ৰাষ্ট্ৰৰ যোগ্যতা ... কৰিব পাৰে। ... এখন সম্ভৱপৰ উৎকৃষ্ট ... আৰু এই ... শাসনব্যৱস্থা ... এই ৰাষ্ট্ৰখনত মধ্যবিত্ত শ্ৰেণীৰ ... প্ৰাধান্য ... কৰিব পাৰে। মধ্যবিত্ত শ্ৰেণীৰ মানুহবিলাকৰ বেছিভাগেই সাধাৰণ শিক্ষা ... আৰু সামৰ্থ্যসম্পন্ন মানুহ ... ধনীসকলতকৈ বা গৰীবসকলতকৈ ... গৰীবৰ ... শ্ৰেষ্ঠ। এইকাৰণেই এৰিষ্টটলৰ ... সম্ভৱপৰ উৎকৃষ্ট ৰাষ্ট্ৰ। ... এই ৰাষ্ট্ৰখন পৰিচালনা কৰিব পাৰে।

এটা ... আৰু বিজ্ঞানসম্মত মনবৃত্তিৰ প্ৰভাৱান্বিত হৈ এৰিষ্টটলে তেওঁৰ সম্ভৱপৰ উৎকৃষ্ট ৰাষ্ট্ৰখনৰ চিত্ৰখন আঁকিছিল সঁচা কিন্তু ইয়াকো ...

ভিত্তি আছিল তেওঁৰ গুণৰ তত্ত্ব। এৰিষ্টটলৰ মতে অতি ভাল আৰু অতি বেয়াৰ মাজত এটা মধ্যম পন্থা অৱলম্বন কৰাই আছিল উত্তম উপায। হঠকাৰী বা গোঁবাৰ স্বভাৱ আৰু ভীৰুতাৰ মাজতে সাহসিকতা থাকে। যিখন ৰাজ্যব্যবস্থাত ৰাজনৈতিক কঠোৰতা বা চৰম অৱস্থাৰ স্থান নাই সেইখনেই উৎকৃষ্ট ৰাষ্ট্ৰ আৰু এনে এখন ৰাষ্ট্ৰই মানুহৰ চৰিত্ৰ আৰু প্ৰযোজনীযতাৰ ওপৰত গুৰুত্ব দিযে। এৰিষ্টটলে চিকিৎসাবিষযক প্ৰশিক্ষণ লৈছিল আৰু তাত তেওঁ সদায অত্যধিক অৱস্থা বাদ দিবলগীযা হৈছিল। বহুতৰ মতে এৰিষ্টটলৰ মধ্যম পন্থাৰ তত্ত্বৰ ওপৰত তেওঁ লোৱা চিকিৎসাবিষযক প্ৰশিক্ষণৰ প্ৰভাৱো পৰিছিল।

আদৰ্শ অৱস্থাৰ অভাৱত আদৰ্শ ৰাষ্ট্ৰ এখন প্ৰতিষ্ঠা কৰাটো সম্ভৱপৰ হোৱা নাছিল আৰু সেই গাতকে বাস্তৱত প্ৰতিষ্ঠা কৰিব পৰা এখন সম্ভৱপৰ উৎকৃষ্ট ৰাষ্ট্ৰৰ কথা ভাবিবলগীযা হৈছিল। এনে এখন ৰাষ্ট্ৰৰ চিত্ৰ আঁকোঁতে এৰিষ্টটলে মধ্যম পন্থাৰ নিযম অৱলম্বন কৰিবলগীযা হৈছিল। তেওঁৰ মতে যিকোনো সংবিধানৰ মাত্ৰাধিক্যই ৰাজনৈতিক অনিষ্টৰ মূল উৎস আছিল। উদাহৰণ স্বৰূপে তেওঁ কৈছিল মাত্ৰাধিক পৰিমাণে সম্পত্তি থাকিলে মানুহ উদ্ধত হয আৰু তেনেকুৱা মানুহে কাকো মানিব নোখোজে। সেইদৰে মাত্ৰাধিক পৰিমাণে গৰীব হলেও মানুহৰ আত্মবিশ্বাস নাইকিয়া হয আৰু তেনেকুৱা মানুহে কাকো নিৰ্দেশ দিবলৈ সাহস কৰিব নোৱাৰে। যোতযা ৰাষ্ট্ৰ এখনৰ মানুহবোৰ বৰ ধনী আৰু অতি গৰীব—দুটা শ্ৰেণীত বিভক্ত হয তেতিযা তেওঁলোকৰ মাজত সৎ ভাব থাকিব নোৱাৰে আৰু তেনেকুৱা এখন ৰাষ্ট্ৰত শান্তি আৰু সংহতি বৰ্তাই ৰখাটো টান। গতিকে যিখন ৰাষ্ট্ৰত মধ্যবিত্ত শ্ৰেণীৰ মানুহবোৰ শক্তিশালী সেইখন ৰাষ্ট্ৰই উত্তম ৰাষ্ট্ৰ। এৰিষ্টটলৰ মতে এইটো পৰিষ্কাৰ যে মধ্যবিত্ত শ্ৰেণীৰ নাগৰিকসকলহে এখন ৰাজনৈতিকভাৱে উৎকৃষ্ট ৰাষ্ট্ৰ গঢ়ি তুলিব পাৰে আৰু যিবোৰ ৰাষ্ট্ৰত মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ সংখ্যা ধনী মানুহতকৈ সৰহ আৰু গৰীব মানুহতকৈও সৰহ বা ধনী মানুহ আৰু গৰীব মানুহবোৰ লগ লাগিলেও তেওঁলোকতকৈ সৰহ সেইবোৰ ৰাষ্ট্ৰহে ভালদৰে প্ৰশাসিত হয়। তেনেকুৱা এখন ৰাষ্ট্ৰত নাগৰিকসকলৰ আৱশ্যকীয পৰিমাণে সম্পত্তি থাকে। ৰাষ্ট্ৰত এটা ডাঙৰ মধ্যবিত্ত শ্ৰেণী থাকিলে সেই শ্ৰেণীটোৱে ৰাষ্ট্ৰৰ স্থায়িত্ব বজাই ৰাখিব পাৰে। এই মধ্যবিত্ত শ্ৰেণীটোৱে ৰাষ্ট্ৰৰ এক বৃহৎ পৰিমাণৰ মানুহক প্ৰতিনিধিত্ব কৰে আৰু সেই গতিকে এওঁলোকে ৰাষ্ট্ৰৰ শাসনব্যৱস্থাত প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। আনহাতে এই শ্ৰেণীটো কিছুমান বছা বছা মানুহেৰে গঠিত আৰু সেই গতিকে এওঁলোকে জনতন্ত্ৰৰ দুটা বিচ্যুতিবোৰ আঁতৰ কৰিবও পাৰে। এনে এখন ৰাষ্ট্ৰ অধঃপতিত হোৱাৰ সম্ভাৱনা কম আৰু ইয়াত দলাদলি সৃষ্টি হোৱাৰ স্থল বৌছ নাই। মধ্যবিত্ত

শ্ৰেণীটোৱে ইয়াত প্ৰশাসক আৰু বিচাৰকসকলৰ ওপৰত ভালদৰে নিয়ন্ত্ৰণ চলাব পাৰে।

এৰিষ্টটলৰ মতে [illegible]ব্যৱস্থাই সম্ভৱপৰ উৎকৃষ্ট ৰাষ্ট্ৰ কিয়নো ইয়াত সকলোবোৰ নাগৰিকে কিছু পৰিমাণে হ'লেও ৰাষ্ট্ৰীয় জীৱনত অংশগ্ৰহণ কৰিবলৈ সুযোগ পায়। প্লেটোৰ অভিভাৱকসকলৰ দৰে ইয়াত নাগৰিক গুণ আৰু ৰাজনৈতিক জ্ঞান কিছুমান মুষ্টিমেয় মানুহৰ মাজতে সীমাবদ্ধ নহয় বহুতো মানুহে এই গুণ আৰু জ্ঞান আহৰণ কৰিব পাৰে। ইয়াত এৰিষ্টটলে প্লেটোতকৈও এটি উচ্চ আদৰ্শ আমাৰ সন্মুখত দাঙি ধৰিছে কিয়নো তেওঁ সকলোবোৰ মানুহৰে উচ্চ নৈতিক আৰু নাগৰিক গুণৰ বিকাশ কৰি তুলিবলৈ বিচাৰিছে।

এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰত শিক্ষাব্যৱস্থা

শিক্ষাৰ লক্ষ্য আগতেই উল্লেখ কৰি অহা হৈছে যে জাতি এটাৰ সৰ্বাংগসুন্দৰ জীৱন গঢ়ি তোলাই ৰাষ্ট্ৰৰ প্ৰধান উদ্দেশ্য। গতিকে যিবোৰ মানুহৰ দ্বাৰা জাতি গঠিত হয় সেই মানুহবোৰৰ জীৱন সৰ্বাংগসুন্দৰ কৰি তোলাই ৰাষ্ট্ৰৰ লক্ষ্য। এখন আদৰ্শ ৰাষ্ট্ৰই প্ৰথমে এটাৰ মানুহবোৰক এনেভাৱে গঢ় দি তুলিব লাগিব যাতে ইয়াত থকা প্ৰত্যেকজন নাগৰিক ভাল মানুহ হিচাপে পৰিচিত হয়। এজন ভাল মানুহে তেওঁৰ মনত থকা সকলোবোৰ বেয়া ভাব পৰিত্যাগ কৰে আৰু সদায় যুক্তিৰ দ্বাৰা পৰিচালিত হয়। এনেকুৱা এটা নৈতিক লক্ষ্যত উপনীত হ'ব লাগিলে তেওঁৰ বাবে এটি উপযুক্ত শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰিব লাগিব। এটা প্ৰকৃত শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰিলে মানুহৰ সুপ্তশক্তিৰ জাগৰণ হয় আৰু ইয়াৰ সহায়ত মানুহে বৌদ্ধিক আৰু নৈতিক মৰ্যাদাৰ চৰম শিখৰত উঠিব পাৰে। এনে এটি শিক্ষাৰে শিক্ষিত মানুহে যুক্তিপূৰ্ণ জীৱনৰ লগত সম্পৰ্ক থকা সকলোবোৰ কথা আৰু কামৰ প্ৰতি সন্মান দেখুৱাব পাৰে।

এৰিষ্টটলৰ শিক্ষাব্যৱস্থাৰ প্ৰধান লক্ষ্যবোৰ এই ধৰণে ব্যাখ্যা কৰিব পাৰি।

(১) শিক্ষাব্যৱস্থাই নাগৰিকসকলৰ দৈহিক শক্তিৰ বিকাশ সাধন কৰা উচিত আৰু তেওঁলোকক ইয়াৰ বাবে প্ৰয়োজনীয় জ্ঞান দিবলৈ সকলোবোৰ ব্যৱস্থা লোৱা উচিত।

(২) এটা জাতিৰ মানুহবোৰ আন এটা জাতিৰ মানুহৰপৰা মুক্ত নহ'লে বা এটা জাতিৰ মানুহবোৰক আন এটা জাতিৰ মানুহবোৰে নিয়ন্ত্ৰণ কৰি থাকিলে

সেই জাতিটোৰ মানুহবোৰে নিজকে বিকাশ কৰিবলৈ সুযোগ আৰু সুবিধা নাপায়। এটা জাতি হিচাপে তেওঁলোকে নিজৰ ইচ্ছামতে তেওঁলোকৰ জাতীয় জীৱন গঢ়ি তুলিবলৈ পূৰ্ণ স্বাধীনতা পাব লাগিব। কিয়নো প্ৰত্যেকটো জাতিৰে কিছুমান স্বকীয় বৈশিষ্ট্য আৰু প্ৰতিভা আছে এই বৈশিষ্ট্য আৰু প্ৰতিভাবোৰৰ বিকাশ সাধন কৰিব লাগিলেও এটা উপযুক্ত শিক্ষাব্যৱস্থা প্ৰবৰ্তন কৰিব লাগিব। গতিকে শিক্ষাব্যৱস্থাই ৰাষ্ট্ৰৰ নাগৰিকসকলৰ শাৰীৰিক গুণবোৰৰ বিকাশ সাধন কৰিব লাগিব। ইয়াৰ বাবে তেওঁলোকক প্ৰয়োজনীয় সামৰিক প্ৰশিক্ষণ দিব লাগিব। পৰৰ ৰাষ্ট্ৰ আক্ৰমণ কৰাটো সামৰিক প্ৰশিক্ষণৰ লক্ষ্য নহয়। নিজৰ ৰাষ্ট্ৰ বিদেশী শত্ৰুৱে আক্ৰমণ কৰিলে তেওঁলোকৰ হাতৰপৰা নিজৰ ৰাষ্ট্ৰৰ স্বাধীনতা ৰক্ষা কৰাটোহে সামৰিক প্ৰশিক্ষণৰ লক্ষ্য। এৰিষ্টটলৰ মতে এইটোৱে শিক্ষাব্যৱস্থাৰ বাহ্যিক দিশ হোৱা উচিত।

(৩) ৰাষ্ট্ৰৰ ভিতৰতো বিচ্ছেদকামী শক্তিৰ উদ্ভৱ হ'ব পাৰে আৰু ইয়াৰ ফলত ৰাষ্ট্ৰ এখনৰ শান্তি আৰু নিৰাপত্তা বিপদাপন্ন হৈ উঠাটো কোনো অস্বাভাৱিক কথা নহয়। ৰাষ্ট্ৰৰ নাগৰিকসকলৰ এটা অংশ সংবিধানৰ প্ৰতি শত্ৰুভাবাপন্ন হ'লে ৰাষ্ট্ৰ এখনৰ শান্তি আৰু স্থিৰতা বজাই ৰখাটো সম্ভৱ নহয়। ৰাষ্ট্ৰ এখনৰ উদ্দেশ্য মহান হ'ব পাৰে কিন্তু এটা সুস্থ মানসিক বাতাৱৰণ সৃষ্টি কৰিব নোৱাৰিলে ৰাষ্ট্ৰই ইয়াৰ মহান উদ্দেশ্য কোনোমতে কাৰ্যত পৰিণত কৰিব নোৱাৰে। সেই গতিকে ৰাষ্ট্ৰৰ সংবিধানৰ লগত সংগতি ৰাখি নাগৰিকসকলৰ মনত এটা সুস্থ নৈতিক বাতাৱৰণ গঢ়ি তুলিব লাগিব। নাগৰিকসকলক ৰাষ্ট্ৰৰ সংবিধানৰ গুণেৰে গুণৱান কৰি গঢ়ি তুলিব লাগিব। গতিকে ৰাষ্ট্ৰৰ সংবিধানৰ লগত ৰাষ্ট্ৰত প্ৰবৰ্তন কৰা শিক্ষাব্যৱস্থাৰ ঘনিষ্ঠ সম্পৰ্ক থাকিব লাগিব। এৰিষ্টটলৰ মতে এইটোৱে শিক্ষাব্যৱস্থাৰ ৰাজনৈতিক দিশ।

(৪) শিক্ষাব্যৱস্থাৰ এটা কাৰ্যকৰী ব্যাৱহাৰিক দিশো আছে আৰু এই দিশটোকো আমি কেতিয়াও অৱহেলা কৰা উচিত নহয়। উচ্চ চিন্তা আৰু মহান কাৰ্যৰ বাবে নাগৰিকসকলক জিৰণি লাগে। ঘৰুৱা কাম কাজত সদাসৰ্বদা লিপ্ত হৈ থাকিব লাগিলে আৰু বৈষয়িক অভাৱ অসুবিধাবোৰে জৰ্জৰিত কৰি থাকিলে তেওঁলোকে আৱশ্যকীয় জিৰণি পাব নোৱাৰে। সেই গতিকে নাগৰিকসকলক এই বোৰৰপৰা আঁতৰত ৰাখিব লাগিব আৰু ৰাষ্ট্ৰীয় শিক্ষাব্যৱস্থাত এই কথাটোৰ প্ৰতি মনোযোগ দিব লাগিব।

(৫) শিক্ষাব্যৱস্থাৰ এটা ৰুচিবোধক দিশো থকা উচিত। বৈষয়িক সম্পত্তিৰ পৰিমাণৰদ্বাৰা মানুহৰ জীৱনৰ গুণ বিচাৰ কৰা নহয় ৰুচিবোধৰ বিশুদ্ধতা চিন্তা আৰু কাৰ্যৰ মহত্ত্বৰদ্বাৰাহে মানুহৰ জীৱনৰ গুণ বিচাৰ কৰা হয়। গতিকে

শিক্ষাব্যৱস্থাই মানুহক কেৱল কাৰ্যকৰীভাৱে প্ৰয়োজনীয় কৰি গঢ় তুলিলেই নহ'ব ই মানুহক উদাৰ আৰু মহান কৰিবও লাগিব। শিক্ষাব্যৱস্থাৰদ্বাৰা নাগৰিকসকলক এনেভাৱে প্ৰশিক্ষিত কৰি তুলিব লাগিব যাতে তেওঁলোকে প্ৰয়োজনীয় আৰু উপকাৰী বস্তুতকৈও ধুনীয়া আৰু ভাল বস্তুৰ ওপৰতহে বেছি গুৰুত্ব দিয়ে। এইদৰে এৰিষ্টটলে কাৰ্যকৰী বা বৃত্তিগত শিক্ষাৰ লগত উদাৰ শিক্ষাৰ পাৰ্থক্য দেখুৱাই ছিল।

(৬) এৰিষ্টটলৰ মতে শিক্ষাপদ্ধতি কলাসুলভ হোৱা উচিত। শিক্ষাৰ্থীসকলে শিক্ষা গ্ৰহণ কৰি থকা কালত পবিত্ৰ আনন্দ পাই থকা উচিত। তেতিয়া তেওঁলোকৰ মনত কোনো দুখ কষ্টৰ ভাৱ অহা উচিত নহয়। এই উদ্দেশ্যে এৰিষ্টটলে শিক্ষাৰ লগত সংগীতকো স্থান দিছিল। সংগীতৰদ্বাৰা তেওঁ শিক্ষাৰ্থীসকলৰ ওপৰত নৈতিক আৰু আধ্যাত্মিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচাৰিছিল।

ওপৰৰ আলোচনাত এইটো পৰিষ্কাৰ হৈ ওলাই পৰিছে যে এৰিষ্টটলৰ শিক্ষাব্যৱস্থাই মানুহৰ বৌদ্ধিক শাৰীৰিক ৰাজনৈতিক ব্যাৱহাৰিক ৰুচিবোধক আৰু শিল্পীসুলভ বিকাশ সাধন কৰিবলৈ বিচাৰিছিল। কিন্তু এৰিষ্টটলে শিক্ষাৰ লগত সংগীতক স্থান দিছিল। সংগীতৰদ্বাৰা তেওঁ শিক্ষাৰ্থীসকলৰ ওপৰত নৈতিক আৰু আধ্যাত্মিক প্ৰভাৱ বিস্তাৰ কৰিবলৈ বিচাৰিছিল।

ওপৰৰ আলোচনাত এইটো পৰিষ্কাৰ হৈ ওলাইছে যে এৰিষ্টটলৰ শিক্ষাব্যৱস্থাই মানুহৰ বৌদ্ধিক শাৰীৰিক ৰাজনৈতিক ব্যাৱহাৰিক ৰুচিবোধক আৰু শিল্পীসুলভ বিকাশ সাধন কৰিবলৈ বিচাৰিছিল। কিন্তু এওঁৰ মতে এই সকলোবোৰ দিশৰে এটাই মাত্ৰ মূল লক্ষ্য। সেইটো হৈছে মানুহৰ ওপৰত বুদ্ধিৰ ৰাজত্ব প্ৰতিষ্ঠা কৰা।

এৰিষ্টটলে মানুহৰ একপক্ষীয়া বিকাশৰ নিন্দা কৰিছিল। এই বিকাশ শাৰীৰিক বা মানসিক বিষয়েই নহওক লাগিলে এই সম্পৰ্কত তেওঁ স্পাৰ্টাৰ শিক্ষাব্যৱস্থাৰ ওপৰত সমালোচনা আগবঢ়াইছিল। তেওঁৰ মতে স্পাৰ্টাৰ শিক্ষাব্যৱস্থাই নিশ্চয়কৈ মানুহৰ শাৰীৰিক বিকাশ আৰু সামৰিক ব্যুৎপত্তিৰ ওপৰত বৰ বেছিকৈ গুৰুত্ব দিছিল। স্পাৰ্টাৰ শিক্ষাব্যৱস্থা এইখিনিতে ভুল আছিল যে ই নাগৰিকসকলক জীৱনৰ সময়খিনি কোনো শাৰীৰিক শ্ৰমসম্পন্ন কামত ব্যস্ত কৰিবলৈ প্ৰশিক্ষণ দিছিল, ই তেওঁলোকৰ জীৱন সময়ত উচ্চ চিন্তা আৰু অনুধাৱন কৰিবলৈ শিকোৱা নাছিল। যুদ্ধ আৰু জয়ৰ প্ৰস্তুতি হিচাপে স্পাৰ্টাৰ শিক্ষাব্যৱস্থাই নাগৰিকসকলক শান্তিৰ বাণী আৰু ভাবেৰে উদ্বুদ্ধ কৰি তোলা নাছিল। মানুহৰ মনৰ নিভৃত কোণত থকা সূক্ষ্ম অনুভূতি আৰু মহান প্ৰৱৃত্তিবোধৰ বিকাশ সাধন কৰিবলৈ স্পাৰ্টীয় শিক্ষাব্যৱস্থাত কোনো বিধান নাছিল। এইদৰে স্পাৰ্টীয় শিক্ষাব্যৱস্থাই মানুহৰ বিকাশ

শক্তিসম্পন্ন উপাদানবোৰৰ বিকাশ সাধনৰ ওপৰত প্ৰয়োজনীয় মনোযোগ দিয়া নাছিল। কিন্তু আচলতে সকলো প্ৰকৃত শিক্ষাৰ এইটো মূল লক্ষ্য হোৱা উচিত আছিল।

এৰিষ্ট'টলে প্ৰস্তুত কৰা শিক্ষাৰ আঁচনিখনত জ্ঞান আহৰণৰ ওপৰত বেছি গুৰুত্ব দিয়া হোৱা নাই ভাল অভ্যাস সৌন্দৰ্য্যবোধ আৰু চৰিত্ৰ গঠনৰ ওপৰতহে বেছি গুৰুত্ব দিয়া হৈছে। প্লেটোৱে কিন্তু জ্ঞান আহৰণৰ ওপৰতহে বেছি গুৰুত্ব দিছিল।

মানুহৰ জীৱন আৰু ৰাষ্ট্ৰৰ শান্তি স্থায়িত্ব আৰু বেছি সুখ সন্তোষৰ লগত শিক্ষাৰ এৰাব নোৱৰা সম্বন্ধ আছে। সেই গতিকে এৰিষ্ট'টলে কোনো অৱস্থাতে শিক্ষাৰ দায়িত্ব ব্যক্তিৰ হাতত এৰি দিবলৈ প্ৰস্তুত নাছিল আৰু তেওঁ স্পষ্টভাৱে কৈছিল যে এটা সাৰ্বজনীন চৰকাৰী বাধ্যতামূলক শিক্ষাব্যৱস্থা এখন আদৰ্শ ৰাষ্ট্ৰৰ প্ৰথম লাগতিয়াল বস্তু আৰু তেনেকুৱা এটা শিক্ষাব্যবস্থা সুচাৰুৰূপে চলোৱাটো চৰকাৰৰ এটা গুৰুত্বপূৰ্ণ আৰু প্ৰধান কাম।

এইবোৰ মৌলিক নীতিৰ ভিত্তিতে এৰিষ্ট'টলে তেওঁৰ শিক্ষা আঁচনিখন প্ৰস্তুত কৰিব উলিযাইছিল।

এৰিষ্ট'টলৰ শিক্ষা আঁচনি

প্লেটোৰ শিক্ষা আঁচনিৰ লগত এৰিষ্ট'টলৰ শিক্ষা আঁচনিৰ পাৰ্থক্য আছে। এৰিষ্ট'টলৰ শিক্ষা আঁচনিখনত মাত্ৰ ২১ বছৰ বয়স পৰ্য্যন্ত শিক্ষাৰ ব্যৱস্থা আছে। তেওঁৰ মতে প্ৰকৃত শিক্ষাই মানুহৰ বিকাশৰ প্ৰাকৃতিক নিয়ম অনুসৰণ কৰিব লাগিব। মানুহৰ মনটো প্ৰশিক্ষিত কৰাৰ আগেযে মানুহৰ শৰীৰ আৰু ক্ষুধা প্ৰশিক্ষিত কৰিব লাগিব। কিয়নো মানুহৰ শৰীৰৰ বিকাশ আগেয়ে হয় মনৰ বিকাশ পাছত হয়। গতিকে শিক্ষাই প্ৰথমে ল'ৰা ছোৱালীৰ শাৰীৰিক বিকাশ সাধন কৰিব লাগিব আৰু পাছত সিহঁতৰ বিচাৰশক্তিৰ বিকাশ সাধন কৰিব লাগিব।

সাত বছৰ বয়স পৰ্য্যন্ত ল'ৰা ছোৱালীবোৰক নিজৰ ঘৰতে ৰাখিব লাগে আৰু এই সময়ছোৱাত ল'ৰা ছোৱালীবোৰক পৰিদৰ্শকসকলে তত্ত্বাৱধান আৰু পৰ্য্যবেক্ষণ কৰিব লাগে। ৰাষ্ট্ৰই পৰিদৰ্শকসকলক নিয়োগ কৰিব লাগে। এই সময়ছোৱাৰ শেষৰ দুবছৰত অৰ্থাৎ ৫ বছৰৰ পৰা ৭ বছৰলৈ ল'ৰা ছোৱালীবোৰক ব্যায়াম আদিৰ প্ৰশিক্ষণ দিবলৈ বাহিৰলৈ লৈ যাব লাগে।

ল'ৰা ছোৱালীবোৰৰ শাৰীৰিক বিকাশ সাধনৰ বাবে উপযুক্ত খাদ্য আৰু পানীয়ৰ ব্যৱস্থা কৰিব লাগে। গাখীৰজাতীয় খাদ্য সিহঁতক খুৱাব লাগে।

সিহঁতক কেতিয়াও মদ পান কৰিবলৈ দিয়া উচিত নহয়। প্লেটোৱে সিহঁতক বৰকৈ ফুৰা চকা কৰিবলৈ কৈছিল কিন্তু এৰিষ্টটলে ল'ৰা-ছোৱালীবোৰক শাৰীৰিক শ্ৰমৰ বাবে ফুৰা চকাৰ অনুমতি দিছিল। কিয়নো নিয়মিতভাৱে ফুৰা চকা কৰিলে মানুহৰ স্বাস্থ্য বিকাশত সহায় হয় আৰু ই সামৰিক সেৱাৰ বাবে উপযোগী। এই পৰ্যায়টো ৩ বছৰ বয়সৰপৰা ৫ বছৰ বয়সলৈ চলে। ল'ৰা ছোৱালীবোৰৰ ফুৰা চকাৰ ওপৰতো নিয়ন্ত্ৰণ থাকিব লাগে। নিয়ন্ত্ৰণ নহ'লে ই শাৰীৰিক অনিষ্ট সাধন কৰিব পাৰে। পৰিদৰ্শকসকলৰ পৰামৰ্শমতে ল'ৰা-ছোৱালীবোৰক নানা ধৰণৰ খেলা ধূলাত অংশ গ্ৰহণ কৰিবলৈ দিয়া উচিত। এই সময়ছোৱাৰ ভিতৰত সিহঁতক বহুত বহা গল্প শুনাব লাগে। শিক্ষাব্যৱস্থাৰ ওপৰত নিয়ন্ত্ৰণ স্থাপন কৰিবলৈ এজন শিক্ষা অধীক্ষক নিয়োগ কৰিব লাগে। ল'ৰা ছোৱালীবোৰ যাতে কোনো অসৎ অভ্যাস আৰু অসৎ কথাত লিপ্ত নহয় তাৰ বাবে তেওঁ চোকা নজৰ দিব লাগে। কোনো ধৰণৰ বেয়া ছবি তেওঁলোকৰ সন্মুখত প্ৰদৰ্শন কৰিব নালাগে।

ইয়াৰ পাছৰ শিক্ষাৰ সময়ছোৱা ৭ বছৰ বয়সত আৰম্ভ হয় আৰু ২১ বছৰ বয়সত শেষ হয়। এই সময়ছোৱাৰ শিক্ষাৰ বিষয়বোৰ হ'ল—ব্যায়াম লিখা পঢ়া ছবি অঁকা আৰু সংগীত। এই সময়ছোৱাৰ প্ৰথম অংশটো ব্যায়াম শিক্ষাৰ বাবে খৰচ কৰা হয়। ১৪ বছৰ বয়সত ল'ৰা ছোৱালীবোৰক লিখিবলৈ আৰু পঢ়িবলৈ শিকোৱা উচিত আৰু তাৰ পাছত ছবি আঁকিবলৈ আৰু গান গাবলৈ শিকোৱা উচিত। জীৱনৰ ব্যৱহাৰিক প্ৰয়োজনীয়তা পূৰাবলৈ ল'ৰা ছোৱালীবোৰক লিখা পঢ়া আৰু সৰল অংক শিকাব লাগে।

এৰিষ্টটলৰ শিক্ষাব্যৱস্থাত সংগীতৰ বিশেষ স্থান আছে। সংগীতে মানুহক আনন্দ দিয়ে। কঠিন শাৰীৰিক আৰু মানসিক পৰিশ্ৰমৰ পাছত মানুহৰ অলপ আমোদ প্ৰমোদৰ প্ৰয়োজন। সংগীতে সহজে এইখিনি দিব পাৰে। ইয়াৰ উপৰিও সংগীতে আৰু কিছুমান উচ্চ উদ্দেশ্য সাধন কৰে। অৱসৰ সময় ভাল উপযুক্তভাৱে ব্যৱহাৰ কৰিবলৈও সংগীতৰ প্ৰয়োজন। সংগীতে মানুহৰ চৰিত্ৰ গঠনত সহায় কৰে। সংগীতৰদ্বাৰা ল'ৰা ছোৱালীবোৰৰ আগত কিছুমান চৰিত্ৰ আৰু কাৰ্যৰ ভাবমূৰ্তি দাঙি ধৰা হয়। এই সমস্ত সংগীতৰ জৰিয়তে কিছুমান মহান চৰিত্ৰ আৰু কাৰ্যৰ ভাবমূৰ্তি ল'ৰা ছোৱালীবোৰৰ আগত দাঙি ধৰিব পাৰিলে ল'ৰা ছোৱালীবোৰে সেইবোৰক ভাল পাবলৈ আৰু প্ৰশংসা কৰিবলৈ শিকে। এইদৰে তেওঁলোক ভালৰ প্ৰতি আকৃষ্ট হয় আৰু নীচ আৰু অসৎ কাৰ্য আৰু চৰিত্ৰক বেয়া পাবলৈ ধৰে। আধ্যাত্মিক সংগীতে মানুহক ধৰ্মীয় উল্লাসৰ উচ্চ শিখৰলৈ তুলি নিব পাৰে। সংগীতে মানুহৰ সাংসাৰিক জ্বালা-যন্ত্ৰণাৰ উপশম ঘটাব পাৰে আৰু ই উত্তেজনা খং, ভয়, ঘৃণা ঈৰ্ষা আদিৰ পৰা সৰ্পি

কৰা মানসিক ৰোগবোৰ আৰোগ্য কৰিব পাৰে। গতিকে সংগীতে মানুহৰ মন আৰু আত্মাৰ শোধনকাৰী পদাৰ্থ হিচাপে কাম কৰে। এৰিষ্টটলৰ মতে মানুহে শাৰীৰিক বৌদ্ধিক নৈতিক আৰু আধ্যাত্মিক উন্নতিৰ বাবে সংগীত চৰ্চা কৰাটো উচিত।

এৰিষ্টটলে কিন্তু সংগীতৰ নিৰ্বাচনত সাৱধান হ'বলৈ উপদেশ দিছিল। কিয়নো বেয়া সংগীতে মানুহৰ উপকাৰতকৈ অপকাৰহে বেছি কৰে। বেলেগ বেলেগ সংগীতে মানুহৰ মন আৰু চৰিত্ৰৰ ওপৰত বেলেগ বেলেগভাৱে প্ৰভাৱ বিস্তাৰ কৰে। কিছুমান সংগীত নৈতিকধৰ্মী কিছুমান উত্তেজনাদায়ক কিছুমান উদ্দেশ্যধৰ্মী আৰু কিছুমান উৎসাহদায়ক। সেই গতিকে বিভিন্ন বয়সৰ শিকাৰু সকলৰ বাবে আৰু বিভিন্ন অৱস্থাৰ বাবে সংগীত নিৰ্বাচন কৰোঁতে যথেষ্ট সাৱধান হোৱা উচিত। শিক্ষাৰ উদ্দেশ্য সাধনৰ বাবে নৈতিকধৰ্মী সংগীত আৰু সুৰ ব্যৱহাৰ কৰা উচিত। ডৰিয়ান সংগীতত এই ধৰ্ম আৰু সুৰ আছে। সকলোৱে এইটো স্বীকাৰ কৰে যে ডৰিয়ান সংগীতত গভীৰতা আৰু সাহসিকতা আছে। ফ্ৰাইগিয়ান সংগীতবোৰ বেয়া কিন্তু লিডিয়ান সংগীতবোৰ ল'ৰা ছোৱালীবোৰৰ কাৰণে উপকাৰী। এৰিষ্টটলে এটা কথা বাৰে বাৰে সকিয়াই দিছে। সেইটো হৈছে ডেকা ল'ৰা ছোৱালীবোৰক ব্যৱসায়ৰ ভিত্তিত বা বৃত্তিগতভাৱে সংগীতৰ প্ৰশিক্ষণ দিয়া উচিত নহয়। কিয়নো তেতিয়া তেওঁলোক নিজৰ জীৱিকা উপাৰ্জনৰ আশাত অসৎ মানুহবোৰক সন্তুষ্ট কৰিবলৈ কেতিয়াবা কেতিয়াবা কুভাৱ থকা সংগীত পৰিবেশন কৰিবলগীয়া হ'ব।

২১ বছৰ বয়সত এৰিষ্টটলৰ আঁচনিমতে শিক্ষা সমাপ্ত হ'ব লাগে। তেওঁৰ শিক্ষা আঁচনিত উচ্চ জ্ঞান চৰ্চাৰ বাবে কোনো ব্যৱস্থা নাছিল। ২১ বছৰ বয়সতে তেও হঠাৎ শিক্ষা কালছোৱাৰ সামৰণি পেলোৱাৰ কোনো যুক্তি বিচাৰ পোৱা নাযায়।

এৰিষ্টটলৰ শিক্ষাতত্ত্ব আৰু আঁচনিৰ পৰ্য্যালোচনা

এৰিষ্টটলৰ শিক্ষাৰ আঁচনিখনে ল'ৰা-ছোৱালীবোৰৰ জীৱনৰ আদি কাল ছোৱা সামৰি লৈছে আৰু তেওঁলোকে ডেকা বয়সত ভৰি দিয়াৰ লগে লগে ইয়াৰ সামৰণি পৰিছে। তেওঁৰ শিক্ষাআঁচনিখনত উচ্চ জ্ঞানচৰ্চাৰ কোনো স্থান নাই। গতিকে আমি এই আঁচনিখনক অসম্পূৰ্ণ বুলি ক'ব পাৰোঁ। এৰিষ্টটলে হয়তো ইচ্ছা কৰিয়ে কোনো বিষয়ৰ ওপৰতে তেওঁৰ মতামত দাঙি ধৰা নাছিল নহ'লে তেওঁ ভাবিছিল যে সুঠাম শক্তিশালী দেহ, ভাল স্বভাৱ নিয়মানুবৰ্তিতাপূৰ্ণ

বৈবাহিক জীৱনেই আদৰ্শ জীৱনৰ শ্ৰেষ্ঠস্বৰূপ । ডেকা মানুহবোৰৰ পক্ষে এই গুণবোৰ লাভ কৰিব পাৰিলেই যথেষ্ট। কিয়নো এইবোৰৰ সহায়তে তেওঁলোকে পাছত উচ্চ জ্ঞান চৰ্চা কৰিব পাৰিব। সেইবোৰ বিষয়েই নহওক লাগিলে মানুহৰ বৌদ্ধিক আৰু নৈতিক বিকাশৰ কাৰণে শিক্ষাব্যৱস্থাত উচ্চ জ্ঞান চৰ্চা আৰু অধ্যয়নৰ কোনো সুবিধা নাথাকিলে কোনো শিক্ষাব্যৱস্থাক সম্পূৰ্ণ বুলি ক'ব নোৱাৰি।

এৰিষ্টটলে সংবিধানৰ সুৰৰ লগত সুৰ মিলাই শিক্ষাব্যৱস্থাৰদ্বাৰা নাগৰিকসকলৰ মনত নৈতিক ভাব সৃষ্টি কৰিবলৈ ইচ্ছা কৰিছিল। প্ৰথম দৃষ্টিত এইটো বেয়া নহয় যেন লাগে যদিও ইয়াত বিপদো আছে। ফেচিষ্টবাদী আৰু সাম্যবাদী ৰাষ্ট্ৰবোৰে তেওঁলোকৰ নাগৰিকসকলক সংবিধানৰ উদ্দেশ্য সাধন কৰিব পৰাকৈ গঢ়ি তুলিবলৈ শিক্ষাব্যৱস্থা গ্ৰহণ কৰিছে। এই ৰাষ্ট্ৰবোৰত ফেচিষ্টবাদবিৰোধী আৰু সাম্যবাদবিৰোধী সকলোবোৰ ধাৰণা আৰু চিন্তাচৰ্চা কঠোৰভাৱে দমন কৰা হয়। এইবোৰ নিষিদ্ধ কৰাৰ উদ্দেশ্য এইটো নহয় যে এইবোৰ চলি থাকিলে দিনক নাগৰিকসকলৰ ভীষণ অসুবিধা হ'ব। এইবোৰ বন্ধ কৰি দিয়াৰ উদ্দেশ্য হৈছে এইটোহে যে এইবোৰ চলি থাকিলে দিনক শাসকসকল কেতিয়াবা অসুবিধাৰ সন্মুখীন হ'ব পাৰে। এটা মুক্ত মনে মুক্তভাৱে যুক্তি তৰ্ক কৰিব পাৰে আৰু এনেকৈহে এখন মুক্ত সমাজৰ সৃষ্টি হয়। ধাৰণাৰ সংঘৰ্ষৰ ফলত জ্ঞানৰ জন্ম হয়। এটা উৎকৃষ্ট শিক্ষাব্যৱস্থাই নাগৰিকসকলক যুক্তি তৰ্ক বিচাৰ বিবেচনাৰ প্ৰশিক্ষণ দিয়ে। এই প্ৰশিক্ষণৰদ্বাৰা প্ৰশিক্ষিত হ'লে তেওঁলোকে যিকোনো প্ৰশ্নৰে দুয়োটা ফাল বিচাৰ কৰিব পাৰে আৰু এইদৰে সকলো প্ৰশ্ন বা সমস্যাৰ সঠিক মূল্যায়ন কৰিব পাৰে। কিন্তু যদি নাগৰিকসকলক কেৱল বিশেষ ধাৰণা আৰু কোনো এটা বিশেষ তত্ত্বৰ বিষয়েহে শিক্ষিত কৰি তোলা হয় তেন্তে তেওঁলোকৰ আনবোৰ ধাৰণা আৰু তত্ত্ব তেওঁলোকৰপৰা আঁতৰত ৰখা হয়। নাগৰিকসকল তেতিয়া বৌদ্ধিকভাৱে উন্নত হৈ যাব পাৰে। নিজৰ মতৰ লগত অমিল হ'লে আনৰ মত তেওঁলোকে সহ্য নকৰিবও পাৰে। ইয়াৰ ফলত স্বাধীন চিন্তাৰ নিজৰা বন্ধ হৈ গ'লে প্ৰগতিৰ সোঁতো বন্ধ হৈ যাব পাৰে। বৰ্তমানৰ অৰ্থনীতিৰ বাবে যিটো আদৰ্শ উপযুক্ত ভৱিষ্যতৰ অৰ্থনীতিৰ বাবে সেইটো আদৰ্শ উপযুক্ত নহ'বও পাৰে। সময়ৰ সোঁতত মানুহৰ জীৱনৰ সামাজিক আৰু ঐতিহাসিক অৱস্থাবোৰৰ পৰিৱৰ্তন হৈ থাকে আৰু ইয়াৰ ফলত আদৰ্শবোৰো পৰিৱৰ্তন সাধন কৰিবলগীয়া হয়। যিটো জাতিয়ে এটা বিশেষ জীৱন ব্যৱস্থাত খামোচ মাৰি ধৰি থাকে সেইটো জাতি প্ৰগতিৰ পথত আগবাঢ়িব নোৱাৰে আৰু ইয়াৰ ক্ষয় আৰম্ভ হয়। গতিকে সংবিধানৰ দৃষ্টি আৰু জ্ঞানেৰে

নাগৰিকসকলক গঢ়ি তোলাটো অত্যাৱশ্যকীয় হয় স'চা কিন্তু তথাপি আমি এইটো চোৱা উচিত হ'ব যাতে কোনো জোৰপূৰ্বক ব্যৱস্থাৰে মানুহৰ মনত সংবিধানৰ ভাব নিক্ষেপ কৰিবলৈ চেষ্টা কৰা নহয় স্বাধীন চিন্তা আৰু স্বাধীন পৰিৱেশৰ মাজেদিহে যেন তেনে ভাব লাহে লাহে মানুহৰ মনত সুমুৱাই দিবলৈ ব্যৱস্থা লোৱা হয়। ইয়াৰ অৰ্থ হৈছে এইটোৱে যে ৰাষ্ট্ৰখনে সময়ে সময়ে একোবাৰ ৰাষ্ট্ৰীয় নিয়ম নীতিবোৰ চালি জাৰি চাব লাগে আৰু প্ৰয়োজন অনুস'ৰি এইবোৰৰ সংশোধন সাধন কৰিব লাগে। কিয়নো ৰাষ্ট্ৰৰ সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক অৱস্থাৰ পৰিবৰ্তন ঘটি থাকে। এই পৰিবৰ্তন বোৰৰ লগত সংগতি ৰক্ষা কৰি ৰাষ্ট্ৰীয় ব্যৱস্থাবো সালসলনি ঘটাবলগীয়া হয়। কিন্তু এইদৰে পৰিবৰ্তন ঘটাওঁতে ৰাষ্ট্ৰই স্থায়ী মূল্যসম্পন্ন কোনো অনুষ্ঠানকে উছৰ্গা কৰিব নালাগে। গতিকে যিখন ৰাষ্ট্ৰই নিজৰ ঘোষিত আদৰ্শৰপৰা এক ইঞ্চিও লৰচৰ কৰিব নোখোজে সেইখন ৰাষ্ট্ৰক আমি আদৰ্শ ৰাষ্ট্ৰ বুলিব নোৱাৰোঁ। আদৰ্শ ৰাষ্ট্ৰৰ চৰিত্ৰ গতিশীল হ'ব লাগিব। আদৰ্শ ৰাষ্ট্ৰৰ শিক্ষা ব্যৱস্থাই যে নাগৰিকসকলৰ মনত নৈতিক গুণৰ সৃষ্টি কৰিব লাগিব ইয়াত কোনো সন্দেহ নাই। কিন্তু সেই নৈতিক গুণ নমনীয়তা আৰু প্ৰগতিবিৰোধী হ'ব নালাগিব। সেয়ে হ'ব লাগিলে শিক্ষাব্যৱস্থাই স্থবিৰতা আৰু ধ্বংসহে মাতি আনিব।

এৰিষ্ট'টলৰ শিক্ষাতত্ত্বত কিছুমান নিৰ্দিষ্ট অন্তৰ্নিহিত গুণ আছে সেই বোৰৰ প্ৰতি আমি মনোযোগ দিয়া উচিত।

(ক) এইটো নিসন্দেহে সত্য যে ৰাষ্ট্ৰৰ উদ্দেশ্য সফলভাৱে কাৰ্য্যত পৰিণত কৰিব লাগিলে নাগৰিকসকলক আমি এনেভাৱে গঢ়ি তুলিব লাগিব যাতে তেওঁ লোকে ৰাষ্ট্ৰৰ একোজন যোগ্য মানুহ তিৰোতা হিচাপে নিজৰ দায়িত্ব পালন কৰিব পাৰে। গতিকে নাগৰিকসকলৰ বাবে শিক্ষাৰ সা সুবিধাৰ ব্যৱস্থা কৰাতকৈ ডাঙৰ আৰু পবিত্ৰ কাম থাকিব নোৱাৰে। অৱশ্যে ৰাষ্ট্ৰই বিপথে পৰিচালিত হৈ শিক্ষাব্যৱস্থাৰদ্বাৰা নাগৰিকসকলৰ চিন্তা আৰু মতামতৰ স্বাধীনতা হৰণ কৰিব নালাগে।

(খ) এৰিষ্ট'টলে সঠিকভাৱেই একমুখীয়া শিক্ষাব্যৱস্থাক নিন্দা কৰিছে। লাগিলে সেই শিক্ষাব্যৱস্থাৰ লক্ষ্য শাৰীৰিক বৌদ্ধিক বা নৈতিক যিয়েই নহওক। পূৰ্ণ ব্যক্তিত্ব গঢ়ি তোলা আৰু মানুহৰ শৰীৰ মন আৰু ভাবৰ মাজত সংহতি প্ৰতিষ্ঠা কৰাই শিক্ষাৰ লক্ষ্য হোৱা উচিত। বৰ্তমান যুগৰ শিক্ষাব্যৱস্থাই এইটো কৰিব পৰা নাই আৰু সেই গতিকে বৰ্তমান শিক্ষাত শিক্ষিত লোকসকলৰ মাজত একতা আৰু সংহতিৰ অভাৱ। আধুনিক সমাজত এক বৃহৎ সংখ্যক

দুশ্চৰিত্ৰৰ বুদ্ধিজীৱি আৰু বুদ্ধি-বৃত্তিহীন সুঠাম দেহৰ ক্ৰীড়াবিদ আৰু সৈনিক আছে। বিশ্ববিদ্যালয়ৰ ডিগ্ৰীধাৰী লোকসকলৰ যথেষ্ট বৌদ্ধিক জ্ঞান আছে কিন্তু তেওঁলোকৰ শাৰীৰিক আৰু মানসিক ধৈৰ্য্যৰ বৰ অভাৱ। গতিকে জীৱন সংগ্ৰামত তেওঁলোকে বাস্তৱ সামৰ্থ্য দেখুৱাব নোৱাৰে। সেই কাৰণেই কতৰ মুখত বৰ্তমান বাধ্যতামূলক সামৰিক শিক্ষাৰ কথা শুনিবলৈ পোৱা যায়। বহুতে আকৌ মানুহৰ স্বভাৱ চৰিত্ৰ আৰু ৰুচিবোধ গঢ়াৰ লগতে ব্যক্তিগত সামৰ্থ্য গঢ়ি তোলাৰ কথাও কয়। এইবোৰেই শিক্ষাব্যৱস্থাৰ প্ৰধান উপাদান হোৱা উচিত। কিয়নো ডেকা গাভৰুসকলক এইবোৰ শিক্ষাত শিক্ষিত কৰি তুলিব পাৰিলে উচ্চ শিক্ষা লাভ নকৰিলেও তেওঁলোক জীৱন সংগ্ৰামত সক্ৰিয় অংশ গ্ৰহণ কৰিব পাৰিব।

(গ) আকৌ মানুহৰ জীৱন খাই লৈ বাচি থাকিবৰ বাবেই নহয়। বৈষয়িক কৃতকাৰ্য্যতা লাভ কৰিলেই সকলো মানুহ সুখী হ'ব নোৱাৰে। চিন্তা আৰু বিচাৰশক্তিৰ বিশুদ্ধতা আৰু কাম কাজৰ মহত্ত্বৰ ওপৰত মানুহৰ সুখ শান্তি বহু পৰিমাণে নিৰ্ভৰ কৰে। গতিকে এৰিষ্টটলে সঠিকভাৱেই কৈছে যে ৰাষ্ট্ৰ এখনৰ শিক্ষাব্যৱস্থা উদাৰ আৰু মহান হ'বও লাগিব।

(ঘ) এৰিষ্টটলে পৰামৰ্শ আগবঢ়াইছে যে শিক্ষাপদ্ধতি কলাসম্মত হোৱা উচিত সেয়ে হ'লে শিক্ষাৰ্থীসকলে শিক্ষাগ্ৰহণ কৰি থাকোঁতেও বিশুদ্ধ আনন্দ লাভ কৰিব পাৰে। সেইমতেই তেওঁ শিক্ষাব্যৱস্থাত সংগীতৰ বাবে এখন উচ্চ আসন ৰাখিছিল। বৰ্তমান যুগত লৰা ছোৱালীবোৰক সহজে শিক্ষা দিবলৈ কিণ্ডাৰ গাৰ্টেন আৰু মণ্টেছৰি শিক্ষাব্যৱস্থাৰ প্ৰবৰ্তন কৰা হৈছে। স্কুলীয়া আৰু কলেজীয়া শিক্ষাব্যৱস্থাত সংগীত নাটক খেলা ধূলা বোলছবি প্ৰদৰ্শন আদিয়ে পাঠ্যক্ৰমৰ বাহিৰৰ কাৰ্য্যকলাপ হিচাপে স্থান অধিকাৰ কৰিছে। এইবোৰে প্ৰমাণ কৰে যে বৰ্তমান যুগৰ ৰাষ্ট্ৰসমূহে শিক্ষাব্যৱস্থা প্ৰস্তুত কৰোঁতে এৰিষ্টটলৰ শিক্ষাতত্ত্ব বিচাৰ কৰিছে।

এইবোৰেই হৈছে এৰিষ্টটলৰ শিক্ষাতত্ত্বৰপৰা লাভ কৰা কিছুমান মূল্যবান উপদেশ বা পৰামৰ্শ।

আদৰ্শ ৰাষ্ট্ৰত বিবাহ আৰু জনসংখ্যা নিয়ন্ত্ৰণ

আদৰ্শ ৰাষ্ট্ৰ এখনত যিবোৰ কেঁচুৱাৰ জন্ম হয় সিহঁতৰ শাৰীৰিক আৰু মানসিক শক্তি সামৰ্থ্যৰ ওপৰতে প্ৰধানতঃ ইয়াৰ নাগৰিকসকলৰ গুণাগুণ নিৰ্ভৰ কৰে। এৰিষ্টটলে লৰা-ছোৱালীৰ জন্ম কেৱল ভাগ্যৰ ওপৰত এৰি দিব খোজা

নাছিল। সেই কাৰণে তেওঁ কৈছিল যে বিধায়ীসকলে প্ৰথমে বিবাহব্যৱস্থাৰ ওপৰত নজৰ দিয়া উচিত। কিমান বয়সৰ নাগৰিকসকলে বিয়া কৰোৱা উচিত কোনবোৰ নাগৰিক বিবাহৰ কাৰণে উপযুক্ত গিৰীয়েক ঘৈণীয়েকৰ তুলনামূলক বয়স আৰু শাৰীৰিক সামৰ্থ্য কিমান হোৱা উচিত বছৰৰ কোন ঋতুত বিবাহ উৎসৱ উদযাপন কৰাটো বন্ধ কৰিব লাগে এই সকলোবোৰ কথা ৰাষ্ট্ৰব্যৱস্থাৰ নিয়ন্ত্ৰিত হোৱা উচিত।

এৰিষ্টটলৰ মতে যথেষ্ট কম বয়সতে ল'ৰা-ছোৱালীবোৰ বিবাহ-বান্ধোনত আবদ্ধ হ'লে সিহঁতৰ শাৰীৰিক আৰু মানসিক শক্তিবোৰ সম্পূৰ্ণৰূপে বিকশিত নহয়। ছোৱালীবোৰে কম বয়সতে কেঁচুৱা জন্ম দিবলগীয়া হ'লে সিহঁত ৰুগীয়া হয় আৰু সোনকালে মৃত্যুমুখত পৰে আৰু যিবোৰ কেঁচুৱাৰ জন্ম হয় সিহঁতো দুৰ্বল আৰু নিশকটীয়া হয়। ইয়াৰ ফলত জাতি এটাৰ অধঃপতন নামি আহে। বিবাহ বান্ধোনত আবদ্ধ হ'ব খোজা ল'ৰা ছোৱালী দুগৰাকীৰ মাজত বয়সৰ বৰ বেছি তাৰতম্য থাকিব নালাগে আৰু তেওঁলোকৰ বয়স প্ৰায় সমান হোৱাও উচিত নহয়। খুব ডেকা বয়সত বিয়া কৰোৱাটো ভাল নহয় কিয়নো তেতিয়া পিতৃ মাতৃ আৰু ল'ৰা ছোৱালীবোৰৰ মাজত বয়সৰ তাৰতম্য বৰ বেছি নহয়। অন্ততঃ যিখিনি তাৰতম্য হোৱা উচিত সেইখিনি নহয়। তেতিয়া তেওঁলোকক সমসাময়িক বয়সৰ যেন দেখা যায়। সেয়ে হ'লে ল'ৰা ছোৱালীবোৰে পিতৃ মাতৃক শ্ৰদ্ধা ভক্তি নকৰা হয় আৰু ইয়াৰ ফলত ঘৰ সংসাৰ পৰিচালনাত বেমেজালিযে দেখা দিয়। আনহাতে যথেষ্ট বেছি বয়সত বিয়া কৰোৱাটোও ঠিক নহয়। কিয়নো তেতিয়া পিতৃ মাতৃয়ে ল'ৰা ছোৱালীবোৰৰপৰা আদৰ যত্ন পাবলৈ আশা কৰিব নোৱাৰে। ল'ৰা ছোৱালী ডাঙৰ হৈ উঠাৰ আগেয়ে পিতৃ মাতৃৰ মৃত্যুৰ বয়স সমাগত হয় আৰু তেওঁলোকে ল'ৰা-ছোৱালীবোৰক ভালদৰে তুলি তালি ডাঙৰ দীঘল কৰিবও নোৱাৰে। শীত কালত বিবাহ উৎসৱ উদযাপন কৰাটো সীমাবদ্ধ কৰা উচিত।

নাগৰিকসকলক শাৰীৰিক আৰু মানসিকভাৱে উপযুক্ত গঢ় দিবলৈ এৰিষ্টটলে এটা পৰামৰ্শ আগবঢ়াইছিল। সেই পৰামৰ্শটো হৈছে— এনেকুৱা এখন আইন থকা উচিত যে কোনো বিকৃত ল'ৰা-ছোৱালীক বাচি থাকিবলৈ দিয়া নহ'ব। তেনে কোনো ল'ৰা ছোৱালী থাকিলে সিহঁতক অনাদৃত আৰু অনাবৃত অৱস্থাত এৰি দি মাৰি পেলাব লাগে। ৰাষ্ট্ৰ এখনৰ জনসংখ্যা যাতে এটা নিৰ্দিষ্ট সীমা পাৰ হৈ যাব নোৱাৰে তাৰ বাবে তেওঁ পৰামৰ্শ দিছিল যে যেতিয়া কোনো দম্পতিৰ বেছি ল'ৰা ছোৱালী থাকে তেওঁলোকক আৰু কোনো ল'ৰা ছোৱালী জন্ম দিবলৈ অনুমতি দিব নালাগে। গতিকে সন্তান জন্মৰ কোনো সম্ভাৱনাই দেখা দিলে পেটৰ ভিতৰত থকা সন্তানৰ গাত জীৱনে স্থিতি লাভ কৰাৰ আগেয়ে তেওঁলোকক ভ্ৰূণহত্যা কৰিবলৈ অনুমতি দিব লাগে।

এৰিষ্টটলে বিবাহৰ বয়স আৰু অৱস্থাৰ বিষয়ে যিবোৰ মতামত দাঙি ধৰিছে আধুনিক সুপ্রজননবাদীসকলৰপৰা সেইবোৰে যথেষ্ট সমাদৰ লাভ কৰিছে। অনেক বৈজ্ঞানিকসকলেও নাগৰিকসকলৰ শাৰীৰিক আৰু বৌদ্ধিক ব্যুৎপত্তি সম্ভৱ কৰিব তেওঁ আগবঢ়োৱা পৰামৰ্শবোৰ প্রয়োজনীয় বুলি বিবেচনা কৰিছে। কিন্তু ল'ৰা ছোৱালীবোৰক অনাদৃত অৱস্থাত এৰি দি মৃত্যুমুখত পেলাব লাগে বুলি এৰিষ্টটলে যিটো কথা কৈছে সেই কথাটো মানৱীয় দৃষ্টিভংগীৰে বিচাৰ কৰিলে সমৰ্থনযোগ্য নহয়। এনে এটা নীতি গৃহীত হ'লে আমি সকলোবোৰ বোবা কলা অন্ধ আৰু আন আন প্রকাৰে বিকৃত ল'ৰা ছোৱালীক অমানুষিক ভাৱে ইহসংসাৰৰপৰা বিদায় দিব লাগিব। এইটো কেতিয়াও সমৰ্থনযোগ্য হ'ব নোৱাৰে। কেৱল মানৱীয় দৃষ্টিভংগীৰে বিচাৰ কৰিলে এইটো সমৰ্থনযোগ্য নহয় বুলি ধৰি লোৱাটো উচিত নহ'ব। এনে এটা নীতি গৃহীত হ'লে ৰাষ্ট্ৰ এখনে বহুতো প্রতিভাশালী কবি দাৰ্শনিক আৰু সংগীতজ্ঞৰ সেৱাৰপৰাও বঞ্চিত হ'ব লাগিব। কিয়নো প্রতিভা কেৱল ধুনীয়া চেহেৰা আৰু আকৃতিৰ মানুহৰ গাত নাথাকে। তদুপৰি এইটো কথাও আমি মনত ৰখা উচিত যে ল'ৰা ছোৱালীবিহীন পিতৃমাতৃৰ বাবে বিকৃত আকৃতিৰ সন্তানৰো মূল্য আছে। বৈজ্ঞানিকসকলৰ বাবে বিকৃত আকৃতিৰ সন্তানৰো মূল্য আছে। বৈজ্ঞানিকসকলৰ বাবে অনুভূতিৰ মূল্য নহ'ব পাৰে কিন্তু অনুভূতিয়ে মানুহৰ জীৱনৰ সৌন্দৰ্য আৰু সোৱাদ বঢ়ায়। অনুভূতি নহ'লে মানুহৰ জীৱন নিৰস হৈ যায়।

জে এছ মিল হাৰবাৰ্ট স্পেনচাৰ ছিজউইক আদিৰ দৰে উদাৰ নীতিকাৰ স্বাতন্ত্ৰ্যবাদী লেখকসকলে বিবাহৰ বয়স সময় আৰু অৱস্থাৰ ৰাষ্ট্ৰীয় নিয়ন্ত্ৰণৰ কথা শুনিলে চমক খাই উঠিব পাৰে। তেওঁলোকৰ মতে অনাহূত সন্তানৰ ভ্ৰূণহত্যাৰ আইন বা বাধ্যতামূলক ভ্ৰূণহত্যা নৈতিকতাবিহীন কথা হ'ব পাৰে। আনকি আজিৰ যুগতো পৃথিৱীত এনে বহুতো লোক আছে যিসকলৰ মতে ভ্ৰূণহত্যা এটা জঘন্য অপৰাধ আৰু পাপ। তথাপি আজিৰ জগতত এই মতটোৰ সমৰ্থক দিনে দিনে বাঢ়ি আহিছে যে ল'ৰা ছোৱালীৰ বিবাহৰ ওপৰত আইনগত নিয়ন্ত্ৰণ প্ৰতিষ্ঠিত হ'ব লাগে। বেছি ভাগ ৰাষ্ট্ৰতে আইনৰদ্বাৰা বিবাহৰ বাবে ল'ৰা-ছোৱালীৰ নিম্নতম বয়স স্থিৰ কৰি দিয়া হৈছে। কুষ্ঠৰোগ বা গুৰুতৰভাৱে শাৰীৰিক বিকৃতি থকা মানুহৰ মাজত বিবাহ নিষিদ্ধ কৰিবলৈ প্ৰস্তাৱ উত্থাপিত হ'ব ধৰিছে। যিবোৰ দম্পতীৰ কোনো একজন গুৰুতৰ ৰোগত আক্ৰান্ত হৈ থাকে সেইবোৰ দম্পতীক সন্তান জন্ম দিয়া নিষিদ্ধ কৰিবলৈ ব্যৱস্থা ল'ব লাগে বুলি ঠায়ে ঠায়ে জনমত গঢ়ি উঠিবলৈ ধৰিছে।

কিছুমান ৰাষ্ট্ৰত বিশেষকৈ চীনদেশ ভাৰতবৰ্ষ জাপান আদিত জনসংখ্যাই ইয়াৰ উচ্চতম সীমা কেতিয়াবাই পাৰ হৈ গৈছে আৰু পৃথিৱীৰ জনসংখ্যা বাঢ়িব

হ'ব ৰাজনীতিবিদসকলক চিন্তান্বিত কৰি তুলিছে। ১৯৫৮ চনৰ ২৯ জুন তাৰিখে সম্মিলিত জাতিসংঘৰ এখন প্ৰতিবেদনত প্ৰকাশিত তথ্যমতে পৃথিৱীৰ জনসংখ্যা এনেকুৱা এটা হাৰত বাঢ়ি আহিছে যে আৰু ৬০০ বছৰৰ ভিতৰত পৃথিৱীত মানুহ থাকিবলৈ ঠাই নাইকিয়া হ'ব। অৱশ্যে মানুহে ইয়াৰ কোনো ব্যৱস্থা নকৰিলেও প্ৰকৃতিয়ে ইয়াৰ ব্যৱস্থা নিশ্চয় কিবা এটা কৰিব। প্ৰকৃতিয়ে কেতিয়াও পৃথিৱীৰ জনসংখ্যা এইদৰে বাঢ়ি যাবলৈ অনুমতি নিদিয়ে।

কিছুমান ৰাষ্ট্ৰই মানুহৰ জীৱনৰ মানদণ্ড উন্নত কৰিবলৈ আৰু কিছুমান ৰাষ্ট্ৰই মানুহক দাৰিদ্ৰ্যৰ কবলৰপৰা উদ্ধাৰ কৰিবলৈ অৰ্থনৈতিক আঁচনি গ্ৰহণ কৰিছে। কিন্তু জনসংখ্যা বৃদ্ধিৰ হাৰ বৰ্তমান গতিত চলি থাকিলে কোনো আঁচনিয়ে ইয়াৰ ঘোষিত লক্ষ্যত উপনীত হ'ব নোৱাৰে। অৱস্থাটো এনেকুৱা হৈছে যেন কোনো এটা ঘৰ দহজন মানুহৰ বাবে সাজিবলৈ লোৱা হৈছিল কিন্তু ঘৰটো সম্পূৰ্ণ হোৱাত তাত পোন্ধৰজন মানুহক থাকিবলৈ দিবলগীয়া হ'ল। সেইবাবে ভাৰতবৰ্ষত নাগৰিকসকলৰ মনত দায়িত্ববোধ জগাই তুলিবলৈ চৰকাৰী পক্ষৰপৰা একনিষ্ঠভাৱে যত্ন কৰা হৈছে। ইয়াত নাগৰিকসকলক এইটো কথা বুজোৱা হৈছে যে ল'ৰা ছোৱালীক ভালদৰে লালন পালন কৰি যোগ্যতাসম্পন্ন কৰিব নোৱাৰিলে বেছিকৈ ল'ৰা ছোৱালী জন্ম দিয়াৰ কোনো অৰ্থ নাই। ভ্ৰূণহত্যাই বহুতো মানুহৰ ধৰ্মীয় আৰু নৈতিক অনুভূতিত আঘাত কৰে। সেই গতিকে চৰকাৰে বিবাহিত মুনিহ তিৰোতাসকলক পৰিকল্পিত পৰিয়ালৰ সৃষ্টি কৰিবলৈ উপদেশ দিছে। বৰ্তমান এইটো প্ৰচাৰ আৰু পৰিয়ন নিওৱা ব্যৱস্থাৰদ্বাৰা সম্পন্ন কৰিবলৈ বিচৰা হৈছে। ইয়াৰ বাবে চিকিৎসাবিষয়ক সহায় আৰু উপদেশো আগবঢ়োৱা হয়। কিন্তু ভাৰতবৰ্ষৰ দৰে এখন অনুন্নত দেশত এনেকুৱা নৈতিক উপদেশে কাম কৰিবলৈ ভালেখিনি সময় লাগিব কিয়নো ইয়াৰ মানুহবোৰৰ বেছিভাগেই অজ্ঞ আৰু অশিক্ষিত। গতিকে ৰোগগ্ৰস্ত মতা তিৰোতাৰ বিবাহ নিষিদ্ধ কৰিবলৈ আৰু গুৰুতৰ ৰোগত আক্ৰান্ত হৈ থকা মুনিহ তিৰোতাসকলক সন্তান উৎপাদনৰপৰা আঁতৰত ৰাখিবলৈ ইয়াত আইন প্ৰণয়ন কৰাৰ যথেষ্ট যুক্তি আছে।

যুদ্ধ আৰু সাম্ৰাজ্যবাদৰ প্ৰতি এৰিষ্টটলৰ দৃষ্টিভংগী

আমি আগতে কেইবাঠাইতো উল্লেখ কৰি আহিছো যে এৰিষ্টটলে একলীয়া শিক্ষাব্যৱস্থা পছন্দ কৰা নাছিল আৰু সেই গতিকে সামৰিক প্ৰশিক্ষণৰ ওপৰত অযথা গুৰুত্ব দিয়া বাবে তেওঁ স্পাৰ্টাীয় শিক্ষাব্যৱস্থাক বৰকৈ নিন্দা কৰিছিল। তেওঁ আৰু কৈছে যে লেকোনিয়ান সংবিধানখনকে বহুতে উৎকৃষ্ট সংবিধান বুলি

বিবেচনা কৰিব খোজে কিন্তু এই সংবিধানখনত থকা নৈতিক ধাৰা ডেকাসকলৰ শিক্ষা আৰু নাগৰিকসকলৰ নিয়মানুবৰ্তিতাৰ প্ৰতি লক্ষ্য কৰিলে ইয়াত এটাই মাত্ৰ প্ৰধান গুণ দেখিবলৈ পোৱা যায় সেইটো হৈছে সামৰিক গুণ। এইটো নিশ্চিত যে বিধায়ীসকলে কেৱল নিজৰ ৰাষ্ট্ৰখন আৰু ইয়াত থকা অধিবাসীসকলৰ কথা ভাবিলে নহ'ব ৰাষ্ট্ৰখনৰ লগত চুবুৰীয়া ৰাষ্ট্ৰবোৰৰ সম্বন্ধৰ কথাও চিন্তা কৰিব লাগিব। তেওঁলোকে এইটোও চাব লাগিব যাতে ৰাষ্ট্ৰৰ নাগৰিকসকল যুদ্ধত নিপুণ হয় আৰু শত্ৰুৰ বিৰুদ্ধে তেওঁলোকে নিৰ্ভীকভাৱে থিয় দিব পাৰে। যিসকল মানুহে যুদ্ধক্ষেত্ৰত সাহসিকতাৰ পৰিচয় দিব নোৱাৰে সেইসকল মানুহক প্ৰত্যেক আক্ৰমণকাৰীয়ে পৰাভূত কৰি দাস কৰি ৰাখিব পাৰিব। সামৰিক বুৎপত্তি লাভৰ উদ্দেশ্য কাকো দাসত্বৰ অধীনলৈ অনাটো নহয় উপযুক্ত লোকক দাসত্বৰ কবলত নপৰাকৈ ৰখাটোহে। ইয়াৰ আন এটা উদ্দেশ্য হৈছে জনসাধাৰণৰ বাবে মংগল সাধন কৰিবলৈ চৰকাৰী নিয়ন্ত্ৰণ ক্ষমতা দখল কৰা আৰু দাস হোৱাৰ বাবে উপযুক্ত লোকক দাসত্বৰ অধীনলৈ আনি তেওঁলোকক নিয়ন্ত্ৰণ কৰা। কিন্তু এইটো দেখা যায় যে বেছি ভাগ মানুহে যুদ্ধক এটা ৰাজনৈতিক কলা হিচাপে জ্ঞান কৰে। যদি এখন ৰাষ্ট্ৰৰ চৰকাৰে অন্য ৰাষ্ট্ৰৰ নাগৰিকসকলক নিজৰ অধীনলৈ অনাটোকে ৰাষ্ট্ৰীয় লক্ষ্য বুলি ভাবে ব্যক্তিগত নাগৰিকসকলে তেওঁলোকৰ লগৰীয়া নাগৰিকসকলক কিয় অত্যাচাৰ উৎপীড়ন আৰু শোষণ কৰিবলৈ নিবিচাৰিব মানুহৰ মনৰ ওপৰত কেনে ধৰণৰ চিন্তা পেলোৱা উচিত আইন প্ৰণেতাসকলে ভালদৰে বিবেচনা কৰিব লাগে। এৰিষ্টটলে কৈ গৈছে— ৰাষ্ট্ৰ এখনক সুখী বুলি বিবেচনা কৰিব নালাগে আৰু বিধায়ী এজনকো প্ৰশংসা কৰিব নালাগে। কিয়নো ই নাগৰিকসকলক চুবুৰীয়া লোকসকলৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিবলৈ আৰু তেওঁলোকক পৰাভূত কৰিবলৈ প্ৰশিক্ষণ দিয়ে। এইবোৰ কথাত ডাঙৰ বিপদ নিহিত আছে। ইতিহাসৰপৰা আমি এইটো শিক্ষা লাভ কৰিছোঁ যে যিবোৰ ৰাষ্ট্ৰই কেৱল যুদ্ধ আৰু যুদ্ধৰ জয়ৰ ওপৰতে নিজৰ অস্তিত্ব আৰু মহত্ত্ব বজাই ৰাখিব খোজে সেইবোৰ ৰাষ্ট্ৰই যেতিয়ালৈকে যুদ্ধ চলাই থাকিব পাৰে তেতিয়ালৈকে নিজৰ গৌৰৱ অটুট ৰাখিব পাৰে। যুদ্ধ শেষ হ'লে যেতিয়া সেই ৰাষ্ট্ৰবোৰে শাসনতো জয়লাভ কৰিবলগীয়া হয় তেতিয়া সেই ৰাষ্ট্ৰবোৰৰ ধ্বংস নামি আহে। সেই ৰাষ্ট্ৰবোৰৰ নাগৰিকসকলে নাজানে কেনেকৈ মানুহ শান্তিৰে বাস কৰে বা কেনেকৈ পবিত্ৰ আনন্দ লাভ কৰিব পৰা যায়। ব্যৱহৃত নোহোৱা লোৰ সজুলিত যেনেকৈ ধাৰ নোহোৱা হয় তেনেকৈ ৰাষ্ট্ৰৰ নাগৰিকসকলো শান্তিৰ সময়ত কোনো কামত নলগা হয়।

এৰিষ্টটলে ৰাষ্ট্ৰৰ জীৱনত যুদ্ধৰ একেবাৰে প্ৰয়োজনীয়তা নাই বুলি কোৱা নাছিল। তেওঁৰ মতে শান্তি প্ৰতিষ্ঠা কৰিবলৈহে ৰাষ্ট্ৰই যুদ্ধৰ আশ্ৰয় ল'বলগীয়া

হ'ব পাৰে কিয়নো শান্তি বিৰাজ কৰি থাকলেহে ৰাষ্ট্ৰত মানুহৰ জীৱনৰ লাৱণ্য প্ৰস্ফুটিত হয়। বিদেশী আক্ৰমণকাৰীৰ হাতৰপৰা ৰাষ্ট্ৰক ৰক্ষা কৰা আৰু ৰাষ্ট্ৰত শান্তি প্ৰতিষ্ঠা কৰাই ডেকাসকলক সামৰিক প্ৰশিক্ষণ দিয়া আৰু ৰাষ্ট্ৰ এখনক সামৰিকভাৱে ব্যুৎপত্তিসম্পন্ন কৰি তোলাৰ লক্ষ্য হোৱা উচিত। অন্য ৰাষ্ট্ৰৰ মানুহ বোৰক কৰতলীয়া কৰা ইয়াৰ লক্ষ্য হোৱা উচিত নহয়। দাসসকলৰ ওপৰত স্বেচ্ছা চাৰী ক্ষমতা প্ৰয়োগ কৰি যেনেকৈ কোনেও মহত্ত্বৰ পৰিচয় দিব নোৱাৰে তেনেকৈ যুদ্ধত পৰাজিত হোৱা মানুহৰ ওপৰত তেনে ব্যৱহাৰ কৰিও কোনেও বীৰত্বৰ পৰিচয় দিব নোৱাৰে। এনে ধৰণৰ আধিপত্যই নিজৰ কাৰ্য্যৰ বাবে সমুচিত প্ৰতি ফলহে দিয়ে। ৰাষ্ট্ৰ এখনে পৰাজিত দেশৰ নাগৰিকসকলক যেনেকৈ ব্যৱহাৰ কৰা দেখিবলৈ পালে নাগৰিকসকলেও তেওঁলোকৰ লগৰীয়াসকলক তেনেকুৱা বেয়া ব্যৱহাৰ কৰিবলৈ শিকে। তদুপৰি জাতি এটাৰ ডেকা মানুহবোৰক কেৱল যুদ্ধৰ বাবে প্ৰশিক্ষিত কৰি ৰাখিলে যুদ্ধ চলি থকা সময়লৈকে তেওঁলোকে ভাল কাম কৰিব পাৰে সঁচা কিন্তু যেতিয়া শান্তি ঘূৰি আহে তেতিয়া তেওঁলোকক কোনো লাভজনক আৰু উৎপাদনশীল কাৰ্য্যত ব্যৱহাৰ কৰিব পৰা নাযায়। ইয়াৰ কাৰণ হৈছে তেওঁলোকৰ মুৰ আৰু অন্তৰৰ সূক্ষ্ম গুণবোৰ তেনেভাৱে বিকশিত হোৱা নাই তেওঁলোকৰ মন আৰু শৰীৰ জীৱন কলাৰ শান্তিপূৰ্ণ সাধনাৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা নাই। সেই গতিকে এৰিষ্টটলে ৰাজনীতিজ্ঞসকলক এটা প্ৰশ্নৰ উত্তৰ দিবলৈ কৈছে। সেই প্ৰশ্নটো হৈছে— নাগৰিকসকলৰ আগত তেওঁলোকে কি ধৰণৰ আদৰ্শ আৰু শিক্ষা দাঙি ধৰিছে ?

এৰিষ্টটলৰ এই মতটো মেকিয়াভেলিৰ বিখ্যাত গ্ৰন্থ প্ৰিন্সত (ৰাজপুত্ৰত) প্ৰকাশিত মতৰ লগত সম্পূৰ্ণ বেলেগ। মেকিয়াভেলিয়ে ৰাজপুত্ৰত এইদৰে কৈছে— এজন জ্ঞানী আৰু পৰিণামদৰ্শী ৰাজপুত্ৰই তেওঁৰ কথা আৰু প্ৰতিশ্ৰুতি ৰক্ষা কৰা উচিত নহয় বিশেষকৈ যেতিয়া কথা ৰক্ষা কৰিলে তেওঁৰ অনিষ্ট বা ক্ষতি সাধন হয় আৰু যি কাৰণত তেওঁ কথা দিছিল সেইটো নাইকিয়া হয়। শিয়ালৰ বুদ্ধি আৰু সিংহৰ বল প্ৰয়োগ কৰি কোনো নৈতিক বান্ধোন নমনাকৈ তেওঁ নিজৰ লক্ষ্যস্থানত উপনীত হ'বলৈ যিকোনো ব্যৱস্থা গ্ৰহণ কৰা উচিত। সেইদৰে ট্ৰিটস্কিয়েও মত দিছিল যে সাৰ্বভৌম ৰাষ্ট্ৰবোৰৰ মাজত কোনো প্ৰকাৰৰ নৈতিক বাধ্যবাধকতা নাই। এই ৰাষ্ট্ৰবোৰক কোনো চুক্তি বা সন্ধিৰ চৰ্তই বান্ধি ৰাখিব নোৱাৰে। শক্তিয়েই সকলো ৰাষ্ট্ৰৰ মূলবস্তু। যিখন ৰাষ্ট্ৰই সম্প্ৰসাৰণ নকৰে আৰু অৰ্থনৈতিক সামৰিক আৰু ৰাজনৈতিক ক্ষমতা বৃদ্ধি নকৰে সেইখন ৰাষ্ট্ৰ ধ্বংস আৰু মৃত্যু হ'বলৈ বাধ্য।

আনহাতে এৰিষ্টটলে এইটো নদি কৈছে যে সম্পত্তি আৰু ক্ষমতাৰ সাধনাৰ দ্বাৰা মানুহে ভাল জীৱন গঢ়ি তুলিব নোৱাৰে। জ্ঞানৰ সাধনাৰদ্বাৰাহে মানুহে

ভাল জীৱন লাভ কৰিব পাৰে। এৰিষ্টটলে ব্যক্তিগত নৈতিকতা আৰু ৰাজহুৱা নৈতিকতাৰ মাজত কোনো পাৰ্থক্য দেখা নাছিল আৰু তেওঁ জোৰ দি কৈছিল যে ব্যক্তিবাবে যেনেকৈ কিছুমান নৈতিকতাৰ অধীন হৈ চলিব লাগে ৰাষ্ট্ৰ এখনেও তেনেকৈ একেই নৈতিকতাৰ অধীনত চলিব লাগে। এই নীতিবোৰ নিজৰ ৰাষ্ট্ৰৰ নাগৰিকসকলৰ ওপৰত যেনেকৈ প্ৰযোজ্য আন মানুহৰ ওপৰতো তেনেকৈ প্ৰযোজ্য। যিখন ৰাষ্ট্ৰ উৎকৃষ্ট সেইখন ৰাষ্ট্ৰকে আমি সুখী ৰাষ্ট্ৰ বুলি কব পাৰোঁ আৰু সেইখন ৰাষ্ট্ৰই সঠিকভাৱে সকলোবোৰ কাৰ্য্য কৰে। ভালদৰে কাৰ্য্য নকৰাকৈ কোনো ৰাষ্ট্ৰ ঠিক হৈ থাকিব নোৱাৰে। গুণ আৰু জ্ঞান লাভ নকৰাকৈ কোনো ব্যক্তি বা কোনো ৰাষ্ট্ৰই ঠিক কাৰ্য্য কৰিব নোৱাৰে। সকলো আদৰ্শ ৰাষ্ট্ৰৰ গুণাৱলী একেই। যিবোৰ ব্যক্তিয়ে এই গুণবোৰ লাভ কৰে তেওঁ লোকক আমি ন্যায়পৰায়ণ জ্ঞানী আৰু মিতচাৰী ব্যক্তি বুলি কও।

ডেভিদছন বাৰ্নছৰ ভাষাত এৰিষ্টটলৰ এই বিষয়টোৰ ওপৰত দাঙি ধৰা শব্দবোৰৰ ভালদৰে প্ৰকাশ কৰিব পাৰি। তেওঁ এইদৰে কৈছে ৰাষ্ট্ৰ এখন বৈদেশিক সম্পৰ্কত যেনে আংশিকভাৱে হলেও ঘৰুৱা নীতিতো ৰাষ্ট্ৰখন প্ৰায় তেনেই। আমি যদি বিদেশী নাগৰিকসকলৰ স্বাধীনতা দমন কৰি ৰাখোঁ তেতিয়াহলে নিজৰ দেশৰ নাগৰিকসকলৰ স্বাধীনতা বেছি দিনলৈ দমন কৰি ৰাখিব নোৱাৰিম। আমি যদি আমাৰ নিজৰ আৰু আনৰ তুলনামূলক শক্তিৰদ্বাৰা সকলোবোৰ বৈদেশিক সমস্যা পৰীক্ষা কৰিবলৈ বিচাৰোঁ ঘৰুৱা সমস্যাৰ ক্ষেত্ৰতো আমি সহজে ন্যায়ৰ মানদণ্ড ব্যৱহাৰ কৰা অভ্যাস কৰিব নোৱাৰিম। যিখন ৰাষ্ট্ৰ আন কোনো ৰাষ্ট্ৰৰ ওপৰত শক্তি প্ৰয়োগ কৰিবলৈ সংগঠিত কৰা হয় সেইখন ৰাষ্ট্ৰক সামাজিক জীৱনৰ ভিত্তি আৰু ন্যায় প্ৰতিষ্ঠাৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিব পৰা নাযায়। ৰাষ্ট্ৰ এখনে শক্তি ব্যৱহাৰ কৰিলে সেই ৰাষ্ট্ৰখনৰ ভিতৰত থকা আন আন গোটবোৰেও শক্তি ব্যৱহাৰ কৰিবলৈ শিকিব আৰু যিখন ৰাষ্ট্ৰত শক্তিক মানুহে প্ৰশংসা কৰিব সেইখন ৰাষ্ট্ৰৰ মানুহবোৰেও অৱশেষত নিজৰ সুবিধাৰ বাবে শক্তিৰ আশ্ৰয় লব। আৰু এঠাইত বাৰ্নছে আকৌ কৈছে এজন মানুহৰ নৈতিকতা নিজৰ গোটৰ বাবে কাম কৰিলে নিজৰ বাবে কাম কৰাতকৈ হীন হব নালাগে। আকৌ এটা গোটৰ প্ৰত্যেকজন সদস্যই তেওঁৰ প্ৰতিনিধিসকলৰ কাৰ্যদ্বাৰা লাভবান হবলৈ ইচ্ছা কৰা উচিত নহয় যিখনকৈ সেই গোটটো যেতিয়া নৈতিক গোট হয়, যিটো কিছা বিলে তেওঁ লাজ পাব লাগিব।

সাম্ৰাজ্যবাদক নিন্দা কৰোঁতাসকলৰ ভিতৰত এৰিষ্টটল প্ৰথম ব্যক্তি আছিল। কিন্তু তেওঁ আক্ৰমণাত্মক যুদ্ধ আৰু সাম্ৰাজ্যবাদৰ বিৰুদ্ধে ৰাজনীতিজ্ঞসকলক সচেতন হবলৈ যি সাৱধান বাণী শুনাইছিল তাৰ মূল্য আংশিকভাৱে হলেও কমি গৈছিল কিয়নো তেওঁ মানুহৰ বাবে ভাল জীৱন গঢ়ি তুলিবলৈ চৰকাৰী ক্ষমতা দখল কৰাৰ উদ্দেশ্যে যুদ্ধ আৰু আধিপত্য বিস্তাৰ সমৰ্থন কৰিছিল বা দাস হোৱাৰ বাবে যোগ্য লোকসকলক দাসত্বৰ অধীনলৈ আনিবলৈও তেওঁ যুদ্ধৰ আশ্ৰয় লবলৈ পৰামৰ্শ দিছিল। আন কথাত কবলৈ গলে এৰিষ্টটলে প্ৰজাসকলৰ ভালৰ

বাবে পৰিচালিত উদাৰ আধিপত্য স্থাপনৰ সমৰ্থন কৰিছিল। গৰাকী ৰাষ্ট্ৰই ক্ষমতা প্ৰদৰ্শনৰ বাবে তেওঁ এইটো সমৰ্থন কৰা নাছিল। তেওঁ প্ৰকৃতিগতভাৱে সৃষ্টি হোৱা দাসসকলক দাসত্বৰ অধীনত ৰখাটোও সমৰ্থন কৰিছিল। যুদ্ধ আৰু সাম্ৰাজ্যবাদৰ প্ৰতি তেওঁ যিটো সাধাৰণ দৃষ্টিভংগী গ্ৰহণ কৰিছিল এইটো তাৰ ব্যতিক্ৰম আছিল। তথাপি ইয়ে বহুতো ইউৰোপীয় ৰাজনীতিজ্ঞৰ মনত বিৰূপ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছিল। এৰিষ্টটলৰ বাবে এইটো বৰ দুৰ্ভাগ্যজনক আছিল। বহুতো পশ্চিমীয়া জাতিয়ে ক'লা মানুহবোৰক প্ৰাকৃতিক দাস বাৰ্বেৰিয়ান আদি বুলি জ্ঞান কৰে আৰু এসময়ত এই জাতিবোৰে এছিয়া আৰু আফ্ৰিকাৰ দুৰ্বল জাতিসমূহক সুসভ্য কৰা দায়িত্ব গ্ৰহণ কৰা বুলি ঘোষণা কৰিছিল। কিছুমান ইউৰোপীয় ৰাজনীতিজ্ঞই সাম্ৰাজ্যবাদক এটা মহান আদৰ্শৰ স্থান দিবলৈ বিচাৰিছিল আৰু তেওঁলোকে দাবী কৰিছিল যে ঠেক জাতীয়তাবাদ আৰু বিশ্ব নাগৰিকত্বৰ মাজত সাম্ৰাজ্যবাদ আছিল একপ্ৰকাৰৰ মধ্যৱৰ্তী ব্যৱস্থা। কিন্তু তেওঁলোকে ইয়াৰ দ্বাৰা অনুন্নত জাতিবোৰৰ মানুহবোৰক সুসভ্য কৰাৰ ঠাইত তেওঁলোকৰ ওপৰত শোষণৰ বোজাহে জাপি দিছিল।

আজিও আমাৰ পৃথিৱীখন প্ৰকৃতাৰ্থত ঔপনিবেশিকতাৰ কবলপৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাই। পৰাজিত ৰাষ্ট্ৰৰ মানুহবোৰক শাসন কৰিবলৈ জাতিসংঘৰ অধীনত তত্ত্বাৱধায়ক ব্যৱস্থাৰ প্ৰবৰ্তন কৰা হৈছিল আৰু ইয়াৰ জৰিয়তে বিজয়ী ৰাষ্ট্ৰবোৰে পৰাজিত ৰাষ্ট্ৰবোৰৰ ওপৰত প্ৰভুত্ব কায়েম কৰি ৰাখিছিল জাতিসংঘৰ মৃত্যুৰ পাছত সম্মিলিত জাতিপুঞ্জয়ো ন্যাসৰক্ষী ব্যৱস্থাৰ যোগেদি পৰাজিত ৰাষ্ট্ৰবোৰৰ ওপৰত বিজয়ী ৰাষ্ট্ৰৰ আধিপত্য বজাই ৰাখি আছে। আজিৰ দিনতো ন্যাসৰক্ষাৰদ্বাৰা শাসিত ৰাজ্যবোৰত শোষণনীতি প্ৰয়োগ কৰা হয়। বৰ্তমান যুগত আমি বিশ্বাস কৰোঁ যে এখন ভাল চৰকাৰ কেতিয়াও স্বাধীন চৰকাৰৰ প্ৰতিকল্প হ'ব নোৱাৰে। এটা জাতিয়ে আন এটা জাতিৰ ওপৰত শাসন চলোৱাৰ কোনো অধিকাৰ নাই। বাৰ্নছৰ ভাষাত ক'বলৈ গ'লে এটা হিতৈষী অত্যাচাৰী শাসনক এখন অকৃতকাৰ্য্য চৰকাৰৰ লগত তুলনা কৰা নাযায় যিখন চৰকাৰ আমাৰ নিজৰ হাতত থাকে। লোকসকলে ধাৰাবাহিকভাৱে উপকাৰ লাভ কৰাতকৈ আজি নিজৰ হাতত কষ্ট স্বীকাৰ কৰিবলৈও ভাল পাওঁ।"

প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ লগত এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰৰ তুলনা

এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰখনৰ ছবিত প্লেটোৰ আদৰ্শ ৰাষ্ট্ৰৰ অনুধাৱনাৰ প্ৰভাৱ স্পষ্টভাৱে পৰা দেখিবলৈ পোৱা যায়। দুয়োজনেই ৰাষ্ট্ৰক এটা নৈতিক সংস্থা বুলি জ্ঞান কৰিছিল। দুয়োৰে মতে নগৰ এখনেই ৰাষ্ট্ৰৰ আদৰ্শনীয় আয়তন

বা আকাৰ আছিল আৰু তেওঁলোক দুয়ো আত্মনিৰ্ভৰশীলতাক ৰাষ্ট্ৰীয় বৈশিষ্ট্য বুলি জ্ঞান কৰিছিল। উভয়ে এইটো কথাত একমত আছিল যে নাগৰিকসকল ঘৰুৱা জঞ্জাল আৰু ঘৰুৱা কাম কাজৰপৰা মুক্ত হোৱা উচিত আৰু এই কামবোৰ দাসসকল আৰু কাৰিকৰসকলৰ বাবে সংৰক্ষিত কৰি ৰখা উচিত। দাসসকল আৰু কাৰিকৰসকলক নাগৰিক অধিকাৰ দিয়া উচিত নহয়। আদৰ্শ ৰাষ্ট্ৰৰ বৈষয়িক অৱস্থাৰ বিষয়ে দুয়োজনে প্ৰায় একে দৃষ্টিভংগী গ্ৰহণ কৰিছিল আৰু তেওঁলোক দুয়োৰে মতে ৰাষ্ট্ৰ এখনত অনুকূল বৈষয়িক অৱস্থা বিৰাজ কৰি থাকিলেও ৰাষ্ট্ৰ এখন স্থায়ী আৰু সুখী হ'ব নোৱাৰে যদিহে ইয়াৰ নাগৰিকসকলৰ গাত মানসিক আৰু আত্মিক ব্যুৎপত্তি নাথাকে। শিক্ষাৰদ্বাৰাইহে মানুহে মানসিক আৰু নৈতিক ব্যুৎপত্তি লাভ কৰিব পাৰে আৰু সেই কাৰণে দুয়োজনে সাৰ্বজনীন বাধ্যতামূলক চৰকাৰী শিক্ষাব্যৱস্থা সমৰ্থন কৰিছিল আৰু তেওঁলোকৰ মতে এইটোৱেই ৰাষ্ট্ৰৰ প্ৰধান কাম আছিল। কিন্তু ইয়াতেই তেওঁলোকৰ মাজত থকা মিলবোৰৰ শেষ হৈছে আৰু অমিলবোৰ আৰম্ভ হৈছে।

আমি এতিয়া প্লেটো আৰু এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰ দুখনৰ মাজত থকা কেইটামান প্ৰধান প্ৰধান সাদৃশ্যৰ বিষয়ে উল্লেখ কৰিছোঁ।

(ক) প্লেটোৱে তেওঁৰ শিক্ষাআঁচনিৰ আৱশ্যকীয় অংশ হিচাপে গুৰুত্বপূৰ্ণ বৌদ্ধিক অধ্যয়নৰ ব্যৱস্থা ৰাখিছে। এৰিষ্টটলৰ আঁচনিত ইয়াৰ কোনো উল্লেখ নাই।

(খ) নাগৰিকসকলৰ মাজত একতা স্থাপন কৰিবলৈ প্লেটোৱে তেওঁৰ গণৰাজ্যত পৰামৰ্শ আগবঢ়াইছিল যে প্ৰশাসকসকল সৈনিকসকল আৰু পুৰোহিতসকলৰে অভিভাৱক শ্ৰেণীটো গঠিত হ'ব আৰু খেতিয়কসকল আৰু কাৰিকৰসকলেৰে উৎপাদনকাৰী শ্ৰেণীটো গঠিত হ'ব। প্ৰত্যেকটো শ্ৰেণীৰ মানুহবোৰ নিজৰ নিজৰ শ্ৰেণীৰ কামত লাগি থাকিব আৰু এনেকৈ ৰাষ্ট্ৰত পৰিষ্কাৰভাৱে দুটা শ্ৰেণীৰ মানুহ গঢ়ি উঠিব। অভিভাৱকসকলক ৰাষ্ট্ৰৰ নিঃস্বাৰ্থ নাগৰিক হিচাপে প্ৰশিক্ষিত কৰি তুলিব লাগিব কিয়নো তেতিয়াহে তেওঁলোকৰ মাজত ক্ষমতাৰ বাবে খোৱা কামোৰা নালাগিব। এনে এটা লক্ষ্যত উপনীত হ'বলৈ তেওঁ পৰামৰ্শ আগবঢ়াইছে যে অভিভাৱকসকলৰ মাটি ঘৰ আৰু ধন সম্পত্তি থকা উচিত নহয় আৰু তেওঁলোকক পৰিয়ালৰ বান্ধোনত সুমুৱাই ৰখাও ঠিক নহয়। গতিকে তেওঁলোকৰ মাজত পৰিবাৰৰ সাম্যবাদ প্ৰতিষ্ঠিত হোৱা উচিত। প্লেটোৱে মতা তিৰোতা নিৰ্বিশেষে সকলোবোৰ নাগৰিকৰ বাবে একেটাই শিক্ষাব্যৱস্থা প্ৰবৰ্তন হ'ব লাগে বুলি কৈছিল। কিন্তু "আইন"ত প্লেটোৱে তেওঁৰ সাম্যবাদৰ আঁচনিখন পৰিহাৰ কৰিছিল আৰু ইয়াত

তেওঁ অভিভাৱকসকলৰ বাবে সম্পত্তিৰ অধিকাৰ আৰু পৰিয়ালৰ সম্পৰ্ক স্থাপনৰ অনুমতি দিছিল। কিন্তু ইযাতো তেওঁ এই কথাটো স্পষ্টভাৱে কৈছে যে সম্পত্তিৰপৰা অহা ফল সমূহীয়া মেজত সমূহীয়াভাবে উপভোগ কৰিব লাগিব আৰু ইযাৰ বাবে তেওঁ ৰাষ্ট্ৰীক আইন প্ৰণয়ন কৰিবলৈ পৰামৰ্শ দিছিল।

এৰিষ্টটলে এইটো দৃঢ়ভাবে বিশ্বাস কৰিছিল যে প্লেটোৱে পৰামৰ্শ দিয়া উপায়েৰে ৰাষ্ট্ৰত একতা স্থাপন কৰিব পৰা নাযাব। তেওঁ পৰিয়ালৰ ওপৰত যথেষ্ট নৈতিক গুৰুত্ব দিছিল আৰু তেওঁৰ মতে সম্পত্তিৰ অধিকাৰত এটা নৈতিক দায়িত্বও আছে। তেওঁ কৈছিল যে সম্পত্তি ব্যক্তিৰ হাতত থকা উচিত। কিন্তু সম্পত্তিৰ ফল সমূহীয়াভাৱে সকলোৱে উপভোগ কৰা উচিত। ইযাৰ বাবে চৰকাৰে কোনো বাধ্যতামূলক আইন প্ৰণয়ন কৰিব নালাগে। উদাৰ আৰু নিস্বাৰ্থ ভাবৰ জৰিয়তে এইটো সম্ভৱপৰ কৰি তুলিব লাগে। তেওঁ এইটো বিশ্বাস কৰিছিল যে সমাজখন কেইটামান নিৰ্দিষ্ট শ্ৰেণীত বিভক্ত হ'লে ৰাষ্ট্ৰৰ একতা আৰু সংহতিৰ শিপা নষ্ট হৈ যাব। কিন্তু যোতয়া প্লেটোৰ নিচিনাকৈ তেওঁ কয় যে দাসত্বৰ ভিত্তিত ৰাষ্ট্ৰ এখন গঢ়ি উঠিব লাগিব কৃষি ব্যৱসায় বাণিজ্য আৰু শাৰীৰিক শ্ৰমৰ কামবোৰ খেতিয়ক ব্যৱসায়ী আৰু কাৰিকৰসকলৰ হাতত শোধাই দিব লাগিব আৰু তেওঁলোকক নাগৰিক অধিকাৰ দিয়া নহ'ব তেতিয়া তেওঁকো আমি শ্ৰেণীব্যৱস্থাৰ সমৰ্থক বুলি কব লাগিব। কিয়নো তেওঁ শ্ৰেণীব্যৱস্থাৰ ভিত্তিতে এখন মুক্ত সমাজ গঢ়ি তুলিবলৈ বিচাৰিছিল। কিন্তু প্লেটোৰ দৰে তেওঁ নাগৰিকসকলক কেইটামান নিৰ্দিষ্ট শ্ৰেণীত বিভক্ত কৰা নাছিল। এৰিষ্টটলৰ আদৰ্শ ৰাষ্ট্ৰতো সৈনিক প্ৰশাসক আৰু পুৰোহিত শ্ৰেণীৰ লোক আছিল। কিন্তু ইয়াত একেজন মানুহেই বেলেগ বেলেগ সময় অৱস্থা আৰু বয়সত সৈনিক প্ৰশাসক আৰু পুৰোহিতৰ কাৰ্য্য কৰিব পাৰিছিল।

(গ) এৰিষ্টটলে সৰ্বশক্তিমান ৰাজতন্ত্ৰৰ আদৰ্শটো তেওঁৰ গুৰু প্লেটোৰপৰা ধাৰ কৰিছে আৰু পাছত ইয়াক কেৱল তত্ত্বীয় আৰু অবাস্তৱ অনুধ্যান বুলি অগ্ৰাহ্যও কৰিছে। সৰ্বশক্তিমান ৰাজতন্ত্ৰৰ অবিহনে দুয়োজনে অভিজাততন্ত্ৰকে উৎকৃষ্ট সংবিধান বুলি জ্ঞান কৰিছে। কিন্তু প্লেটোৰ অভিজাত তন্ত্ৰত গণতন্ত্ৰৰ উপাদান বহল ভিত্তিত নাই এৰিষ্টটলৰ অভিজাততন্ত্ৰত গণ তান্ত্ৰিক উপাদান ভৰি আছে। প্লেটোৰ অভিজাততন্ত্ৰ মাত্ৰ কেইজনমান উৎকৃষ্ট মানুহৰ শাসন আছিল আৰু ইয়াত শাসকসকল আইনৰ অধীনত থাকিব নালাগিছিল কিন্তু এৰিষ্টটলৰ অভিজাততন্ত্ৰ নাগৰিকসকলৰ বৌদ্ধিভাগৰপৰা

শাসিত সাংবিধানিক শাসন আৰু ইয়াৰ শাসকসকল প্ৰত্যেকেই উচ্চ গুণসম্পন্ন লোক।

(ঘ) প্লেটো আৰু এৰিষ্টটল দুয়োজনেই তেওঁলোকৰ আদৰ্শ ৰাষ্ট্ৰৰ অবাস্তৱ প্ৰকৃতিৰ প্ৰতি সচেতন আছিল আৰু সেই গতিকে দুয়োজনেই পাছত বাস্তৱলৈ নামি আহি একোটা সম্ভৱপৰ ৰাষ্ট্ৰীয় আদৰ্শ দাঙি ধৰিছিল। আইনত প্লেটোৱে এখন মিশ্ৰিত সংবিধানৰ পৰামৰ্শ আগবঢ়াইছিল আৰু এই সংবিধানখনত তেওঁ ৰাজতন্ত্ৰ আৰু গণতন্ত্ৰৰ উৎকৃষ্ট উপাদানবোৰ লগ লগাই ছিল আৰু প্ৰকৃততে ইয়াত তেওঁ স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰ উপাদানবোৰহে সন্মিলিত কৰিছিল। এই মিশ্ৰিত সংবিধানখনৰ চৰিত্ৰ মূলতঃ স্বল্পতান্ত্ৰিক আছিল। কিয়নো ইয়াত তেওঁ নাগৰিকসকলে আইন সভা আৰু বিচাৰালয়ত উপস্থিত থকাৰ বাবে কোনো ভাট্টা বা বেতনৰ ব্যৱস্থা কৰা নাছিল। তদুপৰি নিম্ন শ্ৰেণীৰ নাগৰিকসকলৰ বাবে আইন সভাত উপস্থিত থকাটো ঐচ্ছিক আছিল কিন্তু উচ্চ শ্ৰেণীৰ নাগৰিকসকলৰ বাবে এইটো বাধ্যতামূলক আছিল। এইখনৰ গণতান্ত্ৰিক পোছাক পিন্ধাই সজাই তোলা ই এক প্ৰকাৰৰ স্পাৰ্টীয় স্বল্পতন্ত্ৰ আছিল। আনহাতে এৰিষ্টটলেও এখন মিশ্ৰিত সংবিধানৰ পৰামৰ্শ আগবঢ়াইছিল আৰু ইয়াত তেওঁ অভিজাততন্ত্ৰ আৰু গণতন্ত্ৰৰ উৎকৃষ্ট উপাদান বোৰৰ সমাবেশ ঘটাইছিল। এই মিশ্ৰিত সংবিধানখনৰ নাম আছিল ৰাজ্যব্যৱস্থা। এই ৰাজ্যব্যৱস্থাত মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে প্ৰাধান্য বিস্তাৰ কৰিব পাৰিছিল। কিয়নো সামগ্ৰিকভাৱে এওঁলোক সংখ্যাগত আৰু গুণগতভাৱে ধনী আৰু দৰিদ্ৰ সকলতকৈ শ্ৰেষ্ঠ আছিল। ইও একপ্ৰকাৰৰ গণতান্ত্ৰিক শাসনেই আছিল। ৰাজ্য ব্যৱস্থাৰ গাঠনিক চৰিত্ৰ গণতান্ত্ৰিক আছিল যদিও ৰাজনৈতিক বিষয়বাব পাবলৈ নাগৰিকসকলৰ বাবে কিছু পৰিমাণৰ সম্পত্তিৰ প্ৰয়োজন আছিল আৰু এইটো সংবিধানত সন্নিবিষ্ট কৰা হৈছিল। মধ্যবিত্ত শ্ৰেণীৰ লোকসকলহে ৰাজনৈতিক বিষয় বাব লাভ কৰিবলৈ প্ৰয়োজনীয় সম্পত্তি আছিল আৰু ইয়াৰ ফলত এই লোক ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্য্য নিয়ন্ত্ৰণ কৰিব পাৰিছিল। তদুপৰি সংখ্যাগত ভাৱেও তেওঁলোক গৰিষ্ঠ আছিল। ই আছিল গণতান্ত্ৰিক গাঁথনিৰ ভিতৰত থকা উদাৰ আৰু কোমল স্বল্পতন্ত্ৰ আৰু সাধাৰণ অৰ্থত ইয়াক গণতন্ত্ৰ আৰু স্বল্প তন্ত্ৰৰ সংমিশ্ৰণ বুলিব পাৰি। গতিকে দেখা যায় যে প্লেটো আৰু এৰিষ্টটল বাস্তৱত প্ৰতিষ্ঠা কৰিব পৰাকৈ যি দুখন উৎকৃষ্ট ৰাষ্ট্ৰৰ চিত্ৰ আঁকিছিল সেই দুয়োখন চিত্ৰতে স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ উপাদানবোৰৰ মিলন ঘটোৱা হৈছে কিন্তু প্লেটোৰ উপ আদৰ্শৰাষ্ট্ৰত গণতান্ত্ৰিক উপাদান আছে যদিও ইয়াৰ মূল প্ৰৱণতা গণতন্ত্ৰৰ ফালে। সেই গতিকে ডানিঙে সঠিকভাৱেই এইদৰে মন্তব্য কৰিছে "যদি প্লেটোৰ আইনৰ মনৰ আগত অস্পষ্টভাৱে হ'লেও এথেন্সীয় স্পাৰ্টাৰ ছবি এখন দাঙি ধৰিছে এৰিষ্টটলৰ ৰাজনীতিয়ে তাতোকৈ পৰিষ্কাৰভাৱে স্পাৰ্টীয় এথেন্সৰ ছবি এখন তুলি ধৰিছে।"

চতুৰ্বিংশতি অধ্যায়

গণতন্ত্ৰ আৰু ইয়াৰ চৰিত্ৰ

এৰিষ্টটলৰ ৰাজনীতিৰ ষষ্ঠ পুস্তিকাখনৰ বিন্যাস বৰ বেয়া। ইয়াত তেওঁ মানুহৰ মনৰপৰা এটা ধাৰণা আঁতৰ কৰিবলৈ চেষ্টা কৰিছে। সেই ধাৰণাটো হৈছে— বহুতৰ মতে ৰাষ্ট্ৰ শাসনৰ বাবে মাত্ৰ দুখন বা তিনিখন সংবিধানহে আছে। তেওঁ ইয়াত নদি কৈছে যে ৰাষ্ট্ৰ শাসনৰ বাবে বহুতো সংবিধান আছে আৰু একোখন সংবিধানৰ কেইবাটাও গাঁথনিক আকাৰ থাকিব পাৰে কিয়নো বেলেগ বেলেগ উপাদানৰ প্ৰাধান্য থকা বাবে একেখন সংবিধানৰে ৰূপ আৰু চৰিত্ৰ বেলেগ হ'ব পাৰে আৰু সেইদৰে জাতি এটাৰ বেলেগ বেলেগ শ্ৰেণীৰ মাজত ৰাষ্ট্ৰীয় পদবীবোৰ বণ্টন কৰাৰ ফলতো একেখন সংবিধানৰ গঠন আৰু চৰিত্ৰ বদলিব পাৰে।

ৰাষ্ট্ৰত থকা বিভিন্ন শ্ৰেণীৰ মানুহবোৰৰ মাজত পাৰ্থক্য আছে ইয়াৰ ভিতৰত ধনী আৰু গৰীৱসকলৰ মাজত থকা পাৰ্থক্যই সকলোতকৈ বেছি স্পষ্ট। সেই গতিকে বহুতে বিশ্বাস কৰে যে দুটাই মাত্ৰ ৰাষ্ট্ৰ শাসনব্যৱস্থা আছে আৰু সেই দুটা হৈছে গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰ। কিন্তু তেওঁলোকে এই কথাটো পাহৰি থাকে যে গণতন্ত্ৰ আৰু স্বল্পতন্ত্ৰৰো কেইবাটাও আকাৰ বা গঠন আছে।

গণতন্ত্ৰৰ প্ৰাথমিক নীতি আৰু চাৰিত্ৰিক বৈশিষ্ট্য

প্ৰাথমিক অৱধাৰণা অনুসৰি গণতান্ত্ৰিক শাসনব্যৱস্থাত সংখ্যাগৰিষ্ঠ গৰীৱসকলেই সাৰ্বভৌম ক্ষমতাৰ অধিকাৰী। সমতা আৰু স্বাধীনতাৰ ভিত্তিত গণতান্ত্ৰিক শাসন প্ৰতিষ্ঠিত হয়। গ্ৰীক গণতন্ত্ৰবাদীসকলে বিশ্বাস কৰিছিল যে জন্মত সকলোবোৰ মানুহ সমান আৰু সেই গতিকে পাছতো সকলোবোৰ মানুহ সমান হোৱা উচিত। ৰাজনৈতিকভাৱে ইয়াৰ অৰ্থ হৈছে এইটোৱে যে প্ৰত্যেক মানুহৰে ৰাষ্ট্ৰীয় পদবী আৰু সন্মান লাভ কৰিবলৈ সমান অধিকাৰ আছে। প্ৰত্যেকে সকলোকে শাসন কৰা উচিত আৰু প্ৰত্যেককে সকলোৱে শাসন কৰা উচিত। সমতাই স্বাধীনতাকো বুজায়। স্বাধীনতাৰ অৰ্থ হৈছে যিবোৰ আইন প্ৰণয়নত নাগৰিক

সকলে কোনো প্ৰকাৰে অংশগ্ৰহণ কৰিব নোৱাৰে সেইবোৰ আইনৰ নাগৰিকসকলৰ ওপৰত কোনো কৰ্তৃত্বও নাই। গতিকে সমভাই গণতন্ত্ৰৰ মূল নীতি আৰু এই মূল নীতিটো কিছুমান উপাদানৰ সহায়ত ব্যাখ্যা কৰিব পাৰি।

এৰিষ্টটলৰ মতে এইবোৰেই গণতন্ত্ৰৰ প্ৰধান চাৰিত্ৰিক বৈশিষ্ট্য।

(ক) ৰাষ্ট্ৰীয় বিষয়বাববোৰ পূৰণ কৰোঁতে সম্পত্তিৰ যোগ্যতা বিচাৰ কৰাটো উচিত নহয়। বিশেষ কাৰণত এইটোৰ বিচাৰ কৰিবলগীয়া হ'লেও নিৰ্দিষ্ট সম্পত্তিৰ পৰিমাণ যথেষ্ট কম হোৱা উচিত।

(খ) সকলো মানুহে প্ৰত্যেকৰে ওপৰত শাসন কৰা উচিত আৰু প্ৰত্যেকে পৰৰ পাল পৰিলে সকলোৰে ওপৰত শাসন কৰা উচিত।

(গ) যিবোৰ পদবীৰ বাবে বিশেষ অৰ্হতা প্ৰশিক্ষণ আৰু কাৰিকৰী গুণৰ প্ৰয়োজন নাই সেইবোৰ পদবী সকলো মানুহৰ বাবে খোলা থকা উচিত।

(ঘ) একোটা পদবী একেজন মানুহে একাধিকবাৰ যোৱাকৈ অধিকাৰ কৰা উচিত নহয়। অৱশ্যে অসাধাৰণ অৱস্থাত ইয়াৰ ব্যতিক্ৰম ঘটিব পাৰে। সামৰিক সেৱাৰ কথাটো সুকীয়া।

(ঙ) যিসকল বিষয়াক নিৰ্বাচনব্যৱস্থাৰে নিযুক্ত কৰিব লাগে তেওঁলোকক সকলো মানুহে সকলো মানুহৰ মাজৰপৰা নিৰ্বাচিত কৰিব লাগে।

(চ) সকলোবোৰ নাগৰিকক সামৰি লৈ জনপ্ৰিয় আদালত গঠন কৰিব লাগে। জনপ্ৰিয় আদালতে সকলোবোৰ মোকৰ্দমাৰ বিচাৰ কৰিব পাৰে।

(ছ) সকলোবোৰ নাগৰিকক সামৰি লৈ জনপ্ৰিয় সভা গঠিত হয় আৰু এই সভাখনে সকলোবোৰ বিষয় বা অতি গুৰুত্বপূৰ্ণ বিষয়বোৰৰ ওপৰত সাৰ্বভৌম ক্ষমতা প্ৰয়োগ কৰিব পাৰে।

(জ) যিসকল সদস্য জনপ্ৰিয় সভা জনপ্ৰিয় আদালত আৰু কাৰ্যকৰী সমিতিত উপস্থিত থাকে তেওঁলোকৰ বাবে ভাট্টা বা বেতনৰ ব্যৱস্থা কৰিব লাগে।

গণতন্ত্ৰ বেলেগ বেলেগ গঠনৰ আছে। প্ৰধানকৈ দুটা কাৰণত গণতন্ত্ৰৰ গঠন বেলেগ বেলেগ হয়।

(১) খেতিয়ক কাৰিকৰ ব্যৱসায়ী শ্ৰমিক মানুহৰে আদি মানুহেৰে ৰাষ্ট্ৰ এখনৰ জনসংখ্যা গঠিত হয়। এই শ্ৰেণীবোৰৰ এটা বা এটাতকৈ বেছি শ্ৰেণীৰ মানুহে ৰাষ্ট্ৰ এখনত প্ৰাধান্য বিস্তাৰ কৰে আৰু সেইমতে গণতন্ত্ৰই ইয়াৰ ৰূপ ধাৰণ কৰে। আন কথাত ক'বলৈ গ'লে ৰাষ্ট্ৰৰ অৰ্থনৈতিক গাঁথনি অনুসৰি বেলেগ বেলেগ গঠনৰ গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰ গঢ়ি উঠে।

(২) গণতন্ত্ৰৰ চাৰিত্ৰিক উপাদানৰ ভিত্তিতো বেলেগ বেলেগ গণতান্ত্ৰিক ৰাষ্ট্ৰৰ জন্ম হয়। কিয়নো, সকলোবোৰ গণতান্ত্ৰিক ৰাষ্ট্ৰই সমান পৰিমাণে গণ-

তান্ত্রিক চৰিত্র লাভ কৰিব নোৱাৰে। উদাহৰণস্বৰূপে কিছুমান গণতান্ত্রিক ৰাষ্ট্রই ৰাষ্ট্রীয় পদবী পূৰাবৰ বাবে বৌছ পৰিমাণৰ সম্পত্তিৰম্বাৰা প্রার্থীৰ যোগ্যতা নিৰ্দ্ধাৰণ কৰে আৰু কিছুমান গণতান্ত্রিক ৰাষ্ট্রই কম পৰিমাণৰ সম্পত্তিৰম্বাৰা প্রার্থীৰ যোগ্যতা স্থিৰ কৰে।

এৰিষ্টটলৰ মতে গণতন্ত্রক পাঁচ প্রকাৰত ভাগ কৰিব পাৰি। প্রথম প্রকাৰৰ গণতন্ত্রত সম্পূর্ণ সমতা থাকে আৰু ইয়াত ধনী আৰু দৰিদ্ৰসকল সমান আৰু সকলোৰে সমান পৰিমাণৰ ৰাজনৈতিক অধিকাৰ আছে। দ্বিতীয় প্রকাৰৰ গণতন্ত্রত ৰাষ্ট্রীয় পদবীবোৰ সম্পত্তিৰ ভিত্তিত পূৰণ কৰা হয়। তৃতীয় প্রকাৰৰ গণতন্ত্রত প্রত্যেকজন নাগৰিকৰে ৰাষ্ট্রীয় পদবীত অংশ আছে কিন্তু ইয়াত আইন সকলোৰে ওপৰত। চতুর্থ প্রকাৰৰ গণতন্ত্রত প্রত্যেক মানুহৰে ৰাষ্ট্ৰীয় পদবীত কিছু পৰিমাণে অংশ আছে কিন্তু ইয়াত আইন সার্বভৌম। পঞ্চম প্রকাৰৰ গণতন্ত্রত জন সাধাৰণৰ হাতত সার্বভৌম ক্ষমতা থাকে।

এৰিষ্টটলৰ মতে যিবোৰ গণতান্ত্রিক ৰাষ্ট্রত আইনে প্রশাসকৰ ভূমিকা গ্রহণ কৰে কিন্তু আইন সর্বোচ্চ ক্ষমতাৰ অধিকাৰী নহয় সেইবোৰ গণতান্ত্রিক ৰাষ্ট্রত জনোৎপ্রেৰক বা ডেমাগগসকলে সুবিধা পায় আৰু য'ত ডেমাগগ আছে তাত মানুহবোৰ স্বেচ্ছাচাৰী হয় আৰু ৰাষ্ট্রখনো স্বেচ্ছাচাৰী হয়। য'ত আইন সার্বভৌম নহয় তাত কোনো সংবিধান নাই আৰু য'ত কোনো সংবিধান নাই তাত কোনো প্রকৃত গণতান্ত্রিক শাসন নাই। সেই গতিকে এৰিষ্টটলে কৈছে যে সকলোতে আইন সার্বভৌম হোৱা উচিত।

এথেন্সৰ তথাকথিত গণতন্ত্রবাদীসকলৰ লগত এৰিষ্টটলৰ আৰু এটা বিষয়ত পার্থক্য আছিল। এই বিষয়টো হৈছে— ৰাষ্ট্ৰীয় বিষয়বাব বণ্টনত এৰিষ্টটলে বর্ণনা কৰা ন্যায়ৰ অৱধাৰণা এথেন্সৰ তথাকথিত গণতন্ত্রবাদীসকল সম্পূর্ণ সমতা বা বস্তুনিৰপেক্ষ সমতাত বিশ্বাস কৰিছিল। কিন্তু এৰিষ্টটলে কৈছে যে সম্পূর্ণ সমতা বা বস্তুনিৰপেক্ষ সমতা প্রকৃত সমতা নহয়। প্রকৃত সমতা হৈছে আনুপাতিক সমতা। যদি যদু আৰু মধু নামৰ মানুহ দুজনে ৰাষ্ট্রৰ সাধাৰণ মংগলৰ বাবে সমান বৰগুণ যোগাব পাৰে তেন্তে যদু আৰু মধুৰে সমান পৰিমাণে ৰাষ্ট্রীয় মর্য্যাদা আৰু পুৰস্কাৰ পোৱা উচিত।

গণতন্ত্রৰ প্রকাৰ

এৰিষ্টটলে গণতন্ত্ৰক চাৰিটা ভাগত বিভক্ত কৰিছে। যেনে— কৃষকৰ গণতন্ত্র গ্রাম্য গণতন্ত্র কাৰিকৰ বা ব্যৱসায়ীৰ গণতন্ত্র আৰু চৰম গণতন্ত্র। সম্পত্তি আৰু ৰাজনৈতিক ক্ষমতা ব্যৱহাৰকাৰী মানুহৰ সংখ্যাৰ ভিত্তিত এৰিষ্টটলে গণতন্ত্রৰ এই বিভাজনটো কৰিছিল।

কৃষক গণতন্ত্ৰত সকলোবোৰ স্বাধীন আৰু পৰিষ্কাৰভাৱে জন্মগ্ৰহণ কৰা লোকক নাগৰিক অধিকাৰ দিয়া হয়। এৰিষ্টটলে কৃষকৰ গণতন্ত্ৰকে উৎকৃষ্ট গুণ আৰু আকাৰৰ গণতন্ত্ৰ বুলি জ্ঞান কৰিছিল। ইয়াৰ কেইবাটাও কাৰণ আছে। এইবিধ গণতন্ত্ৰত ৰাষ্ট্ৰৰ জনসমষ্টিৰ বেছিভাগ মানুহকে নাগৰিকত্ব দিয়া হয় আৰু কৃষকসকলেই ৰাষ্ট্ৰৰ প্ৰধান আৰু প্ৰভাৱশালী জনতাৰ গোট। কিয়নো তেওঁলোকৰ সংখ্যা আন গোটৰ সংখ্যাতকৈ বেছি। এইবিধ গণতন্ত্ৰত নাগৰিকসকল মাত্ৰ অলপ সম্পত্তিৰ গৰাকী হ'লেই হয়। খেতিয়কসকলে ইয়াত চৰকাৰ গঠন কৰে যদিও তেওঁলোকে চৰকাৰী ক্ষমতাৰ এটা সামান্য অংশহে নিজে প্ৰয়োগ কৰে। বাকী সকলোখিনি ক্ষমতা চৰকাৰী বিষয়াসকলক প্ৰয়োগ কৰিবলৈ দিয়ে। ৰাষ্ট্ৰৰ ৰাজনৈতিক কাম কাজত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিবলৈ তেওঁলোকৰ বেছি ভাগৰে সময়ো নাই আৰু মনো নাই। সেই গতিকে তেওঁলোকে প্ৰশাসন চলোৱাৰ দায়িত্ব চৰকাৰী বিষয়াসকলৰ ওপৰত এৰি দিয়ে। কৃষিক্ষেত্ৰত তেওঁলোক বৰ বেয়াকৈ ব্যস্ত হৈ থাকিবলগীয়া হয়। চৰকাৰী বিষয়া আৰু বিচাৰকসকলক নিৰ্বাচন কৰিবলৈ আৰু তেওঁলোকৰ হিচাপ পাতি পৰীক্ষা কৰিবলৈ আৰু আৱশ্যক বোধ কৰিলে তেওঁলোকক পদবীৰপৰা আঁতৰ কৰিবলৈ কৃষক নাগৰিকসকল মাজে সময়ে লগ লাগে। চৰকাৰী বিষয়াসকল কৃষক নাগৰিকসকলৰ ওচৰত দায়ী থাকিব লাগে।

খেতিয়কসকল গৰীব শ্ৰেণীৰ লোক। গতিকে তেওঁলোকে ৰাষ্ট্ৰৰ ভঁৰাললৈ বেছি একো দিব নোৱাৰে। ইয়াৰ ফলস্বৰূপে এই প্ৰকাৰৰ গণতন্ত্ৰৰ অধীনত চৰকাৰী বিষয়াসকলে ভাল বেতন পোৱাৰ আশা কৰিব নোৱাৰে আৰু কৃষক নাগৰিকসকলও জনপ্ৰিয় সভাত উপস্থিত থকাৰ বাবে কোনো ভাট্টা বা বেতন নাপায়। এই কাৰণেই এই প্ৰকাৰৰ গণতন্ত্ৰত নাগৰিকসকলৰ সৰহ ভাগৰ বাবেই ৰাজনীতি লাভজনক বা আকৰ্ষণীয় নাছিল। গতিকে তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা লাভৰ বাবে কোনো লোভ নাছিল আৰু ইয়াৰ বাবে তেওঁলোকে কোনো প্ৰকাৰৰ কৌশল আৰু ষড়যন্ত্ৰৰ আশ্ৰয় গ্ৰহণ কৰাও নাছিল।

এই প্ৰকাৰৰ গণতন্ত্ৰত ৰাজনৈতিক বিষয়বাববোৰ ভোটৰ দ্বাৰা পূৰণ কৰা হৈছিল আৰু ইয়াত সকলোবোৰ যোগ্য নাগৰিকে অংশগ্ৰহণ কৰিছিল। বিষয়াসকলক নাগৰিকসকলৰ মাজৰপৰা নিৰ্বাচন কৰা হৈছিল আৰু সকলোবোৰ নাগৰিকে এই নিৰ্বাচনত ভোটদান কৰিব পাৰিছিল। ইয়াত সমস্ত নাগৰিক গোষ্ঠীৰ অধিকাৰ আৰু সম্পত্তিশালী শ্ৰেণীবোৰৰ অধিকাৰৰ মাজত এটা ভাৰসাম্য ৰক্ষা কৰা হৈছিল। এই ভাৰসাম্য ৰক্ষা কৰিবলৈ নাগৰিকসকলক প্ৰধানকৈ তিনিটা অধিকাৰ দিয়া হৈছিল। এই অধিকাৰকেইটা হৈছে— নাগৰিকসকলৰ চৰকাৰী বিষয়াবোৰ নিৰ্বাচন কৰিবলৈ অধিকাৰ আছিল আৰু সেই বিষয়াবোৰ নাগৰিকসকলৰ ওচৰত দায়ী আছিল। বিচাৰৰ বাবে কিছুমান জনপ্ৰিয় আদালত স্থাপন কৰা হৈছিল

আৰু সম্পত্তিশালী শ্ৰেণীবোৰৰ মানুহবোৰক বেছিকৈ গুৰুত্বপূৰ্ণ চৰকাৰী বিষয়-বাব দিয়া হৈছিল। এৰিষ্ট'টলৰ মতে এই প্ৰকাৰৰ গণতন্ত্ৰত উচ্চ শ্ৰেণীৰ মানুহ আৰু গৰীব শ্ৰেণীৰ মানুহ উভয়ে সন্তুষ্ট আছিল। উচ্চ শ্ৰেণীৰ মানুহবোৰৰ সন্তুষ্টিৰ মূল কাৰণ এইটোৱে আছিল যে তেওঁলোক নিম্ন শ্ৰেণীৰ মানুহৰদ্বাৰা শাসিত হ'বলগীয়া হোৱা নাছিল আৰু গৰীব শ্ৰেণীৰ মানুহবোৰে এই কাৰণে সন্তুষ্টি লাভ কৰিছিল যে আইনৰ অধীনত যোগ্য বিষয়াসকলে প্ৰশাসনীয় বিষয় বোৰ পৰিচালনা কৰিছিল আৰু সেই বিষয়াবোৰক তেওঁলোকে নিৰ্বাচন কৰিব পাৰিছিল আৰু আৱশ্যক হ'লে তেওঁলোকক ক্ষমতাৰপৰা আঁতৰ কৰিবও পাৰিছিল।

এৰিষ্ট'টলে এই প্ৰকাৰৰ গণতন্ত্ৰক উৎকৃষ্ট গণতন্ত্ৰ বুলি কোৱাৰ আন এটা কাৰণো আছে। কিয়নো এই প্ৰকাৰৰ গণতন্ত্ৰ সুন্দৰ নীতিৰ ওপৰত প্ৰতিষ্ঠিত যদিও কাৰ্য্যতঃ ইয়াক স্বল্পতন্ত্ৰ বুলিয়ে ক'ব পাৰি। যিহেতু নাগৰিকসকলৰ বেছি ভাগেই খেতিয়ক শ্ৰেণীৰ লোক আৰু তেওঁলোকৰ বেছি ভাগৰে প্ৰশাসনিক কাৰ্য্যত অংশগ্ৰহণ কৰিবলৈ সময় আৰু যোগ্যতা কোনোটোৱেই নাই সেয়ে তেওঁলোকে ৰাষ্ট্ৰৰ প্ৰশাসনিক কাৰ্য্যৰ দায়িত্ব তেওঁলোকতকৈ বেছি বুদ্ধি বৃত্তি আৰু সামৰ্থ্য থকা লোক কিছুমানৰ হাতত এৰি দিয়ে।

তৃতীয়বিধ গণতন্ত্ৰ হৈছে কাৰিকৰ বা ব্যৱসায়ীৰ গণতন্ত্ৰ। ইয়াতো নাগৰিকত্ব লাভৰ বাবে কোনো সম্পত্তিৰ প্ৰয়োজন নাই। মুক্তভাৱে জন্মগ্ৰহণ কৰা সকলো মানুহকে ইয়াত নাগৰিকত্ব দিয়া হয়। এইবিধ গণতন্ত্ৰৰ অধীনত ৰাষ্ট্ৰত কাৰিকৰ আৰু ব্যৱসায়ীসকলে প্ৰাধান্য বিস্তাৰ কৰে।

ওপৰত উল্লেখ কৰা তিনিও প্ৰকাৰ গণতন্ত্ৰতে আইনৰ স্থান সকলোৰে ওপৰত আৰু ৰাষ্ট্ৰীয় বিষয়বাববোৰ উৎকৃষ্ট মানুহেৰে পূৰণ কৰা হয় আৰু সেই উৎকৃষ্ট মানুহবোৰ ভোটৰদ্বাৰা নিৰ্বাচন কৰা হয়।

চতুৰ্থবিধ গণতন্ত্ৰ হৈছে চৰম গণতন্ত্ৰ। এইবিধ গণতন্ত্ৰত সকলোবোৰ মুক্ত মানুহকে নাগৰিকত্ব দিয়া হয়। নাগৰিকসকলৰ বৈধ আৰু অবৈধ সন্তানবোৰেও ইয়াত নাগৰিকত্ব পায়। পিতৃ বা মাতৃ যিকোনো এগৰাকী নাগৰিক হ'লে তেওঁলোকৰ সন্তানবোৰেও ইয়াত নাগৰিক অধিকাৰ লাভ কৰে। কেৱল দাসসকলকহে ইয়াত নাগৰিক অধিকাৰৰপৰা বঞ্চিত কৰা হৈছে।

এৰিষ্ট'টলৰ মতে আটাইকেইবিধ গণতন্ত্ৰৰ ভিতৰত চৰম গণতন্ত্ৰই আটাইতকৈ বেয়া। কিয়নো ইয়াত সৰ্বসাধাৰণে চৰকাৰী কাৰ্য্যত অংশগ্ৰহণ কৰে আৰু ইয়াৰ বাবে তেওঁলোকক বেতন দিয়া হয়। এইবিধ গণতন্ত্ৰত আইন সাৰ্বভৌম নহয় জনসাধাৰণহে সাৰ্বভৌম। জনসাধাৰণ ডেমাগ'গসকলৰদ্বাৰা পৰিচালিত

হয়। দৰাচলতে ইয়াত সকলোবোৰ বিধায়িনী আৰু কাৰ্য্যপালিকাৰ ক্ষমতা জন-সাধাৰণে প্ৰয়োগ কৰে। সময়ত জনসাধাৰণ ইমান শক্তিশালী হৈ পৰে যে তেওঁলোকে কোনো কোনো ধৰণৰ অত্যাচাৰী ক্ষমতা প্ৰয়োগ কৰিবলৈও সংকোচ বোধ নকৰা হয়। কাৰিকৰসকল আৰু শ্ৰমিকসকলেই চৰম গণতন্ত্ৰৰ ৰাজহাড়স্বৰূপ। কিন্তু এই লোকসকল বৰ অজ্ঞ আৰু অযোগ্য। গতিকে যিখন চৰকাৰ এনেকুৱা অজ্ঞ আৰু অযোগ্য মানুহৰদ্বাৰা পৰিচালিত হয় সেইখন চৰকাৰ অস্থায়ী আৰু অন্যায়-কাৰী হ'লে আচৰিত হ'বলৈ একো নাই।

এৰিষ্টটলৰ মতে নগৰত কাৰিকৰ আৰু শ্ৰমিকসকলৰ সংখ্যা যথেষ্ট পৰিমাণে বঢ়াৰ ফলত এইবিধ গণতন্ত্ৰৰ জন্ম হয়। নগৰত গঢ়ি উঠা শিল্পপ্ৰতিষ্ঠান আৰু ব্যৱসায়ৰ অনুষ্ঠানবোৰে কাৰিকৰসকল আৰু শ্ৰমিকসকলক নগৰলৈ লৈ আহে আৰু তেওঁলোকে নগৰত একেৰাহে কিছুদিন থকাৰ পাছত নিজৰ মৰ্য্যাদা আৰু স্থানৰ বিষয়ে চিন্তা কৰিবলৈ ধৰে। ৰাষ্ট্ৰৰ ৰাজহ বৃদ্ধি হোৱাৰ লগে লগে জন-প্ৰিয় সভা আৰু জনপ্ৰিয় আদালতত উপস্থিত থকাৰ বাবে নাগৰিকসকলক বেতন দিয়াৰ ব্যৱস্থা কৰা হয়। এইদৰে শ্ৰমিক আৰু কাৰিকৰসকলৰ বাবে ৰাজনীতি লাভজনক আৰু আকৰ্ষণীয় হৈ পৰে। খেতিয়কসকল ৰাষ্ট্ৰৰ অন্ত অন্ত বাস কৰে আৰু সেই গতিকে তেওঁলোকে সহজে আৰু সোনকালে লগ লাগিব নোৱাৰে। কিন্তু কাৰিকৰ শ্ৰমিক আৰু ব্যৱসায়ীসকল নগৰৰ চাৰিবেৰৰ ভিতৰতে বাস কৰে আৰু তেওঁলোকৰ মাজত সঘনে যোগাযোগ হৈ থাকে আৰু তেওঁলোক সহজে জনপ্ৰিয় সভাত উপস্থিত থাকিব পাৰে।

জনোৎপ্ৰেৰকসকলে এই অৱস্থাটোৰ পূৰ্ণ সুযোগ গ্ৰহণ কৰে আৰু তেওঁলোকে নিজৰ তোষামোদী ক্ষমতা প্ৰয়োগ কৰি জনসাধাৰণৰ ৰক্ষকৰ ভূমিকাত অৱতীৰ্ণ হয় আৰু জনসাধাৰণৰ মংগলৰ অৰ্থে নানা লোভনীয় প্ৰতিশ্ৰুতি আগবঢ়ায়। ৰাষ্ট্ৰীয় নিয়মব্যৱস্থাৰ ভাগ্য পৰীক্ষাৰদ্বাৰা পূৰণ কৰা হয়। বিচাৰকসকলে জন সাধাৰণক নিয়ন্ত্ৰণ কৰিব নোৱাৰে। কিয়নো যদিহে কোনো মানুহ বিচাৰকৰ ৰায়ত সন্তুষ্ট নহয় তেও সহজে ইয়াৰ প্ৰতিবিধান কৰিবলৈ জনপ্ৰিয় আদালতৰ ওচৰ চাপিব পাৰে। এইদৰে আদালতসমূহৰ বিচাৰ হ'বলগীয়া মোকৰ্দমাবোৰ জনপ্ৰিয় নিৰ্দেশৰদ্বাৰা নিষ্পত্তি কৰা হয়। এনেকুৱা এবিধ গণতন্ত্ৰৰ স্বাধীনতাৰ অৰ্থ হৈছে যাৰ যি ইচ্ছা তাকেই কৰিবলৈ অধিকাৰ থকা নিজৰ মনৰ ইচ্ছামতে বাস কৰিবলৈ অধিকাৰ থকা। এনে এবিধ গণতন্ত্ৰত আইন মানি চলাৰ অৰ্থ হৈছে দাসত্বৰ অধীনত থকা আৰু ইয়াত আইনৰ সাৰ্বভৌমত্বৰ ঠাই জনপ্ৰিয় সভাৰ ইচ্ছা আৰু কল্পনাই দখল কৰে।

ৰাষ্ট্ৰ এখনৰ স্থায়িত্ব আৰু মংগলৰ মৌলিক নীতি হিচাপে এৰিষ্টটলে জন-সাধাৰণৰ সাৰ্বভৌমত্ব মতবাদত বিশ্বাস কৰিছিল যদিও তেওঁ অজ্ঞ আৰু অসাধাৰণ

শাসনৰ বিৰুদ্ধে কিছুমান প্ৰতিষেধক ব্যৱস্থা ল'ব লাগে বুলিও কৈছিল। তেওঁৰ মতে এইবিধ গণতান্ত্ৰিক শাসন আইনৰ সাৰ্বভৌমত্বৰ তলতীয়া হোৱা উচিত। তেওঁৰ মতে আইনৰ পৰিপূৰক হিচাপেহে জনপ্ৰিয় নিৰ্দেশ দিয়া উচিত বিশেষকৈ য'ত আইন অস্পষ্ট আৰু অসম্পূৰ্ণ। তথাপি ইয়াত গণতন্ত্ৰৰ মূল কথা নোহোৱা নহয়। কিয়নো ৰাষ্ট্ৰীয় বিষয়াসকল সদায় জনসাধাৰণৰ ওচৰত দায়ী থাকিব লাগে আৰু তেওঁলোকে কোনো কাৰ্য্যৰ দোষ বা ভুল কৰিলে জনসাধাৰণে তেওঁলোকক ক্ষমতাৰপৰা আঁতৰ কৰিব পাৰে।

এৰিষ্টটলে কৈছে যে গৰিষ্ঠসংখ্যক লোকৰ শাসন কেইজনমান মানুহৰ শাসন বা লঘিষ্ঠসংখ্যক মানুহৰ শাসনতকৈ ভাল। প্ৰত্যেকজন মানুহৰে গাত আৰু মনত কিছু পৰিমাণৰ নিজা গুণ আছে। যেতিয়া বহুতো মানুহ এঠাইত মিলিত হয় তেতিয়া তেওঁলোকক এজন মানুহত পৰিণত হোৱা বুলি ক'ব পাৰি। কোনো এখন সভাত বহুতো মানুহ লগ লাগিলে কিছুমান মানুহে কিছুমান কথা বুজে আন কিছুমানে আন কিছুমান কথা বুজে আৰু এইদৰে সকলোবোৰ মানুহে সকলোবোৰ কথা বুজিবলৈ সুবিধা পায়। বহুতো মানুহৰ মিলিত গুণ আৰু সামৰ্থ্য এজন মানুহৰ গুণ আৰু সামৰ্থ্যতকৈ বেছি আৰু বহুতো মানুহৰ আংশিক গুণ আৰু সামৰ্থ্যতকৈও বেছি।

আকৌ যিখন চৰকাৰত সকলো মানুহৰে অংশ থাকে সেইখন চৰকাৰ স্থায়ী। কিয়নো সেই চৰকাৰখন জনতাৰ চৰকাৰ। যেতিয়া চৰকাৰী ক্ষমতা এজন মানুহ বা কেইজনমান মানুহৰদ্বাৰা ব্যৱহৃত হয় তেতিয়া বহুতে ৰাষ্ট্ৰৰ চৰকাৰত অংশ গ্ৰহণ কৰিব নোৱাৰে। এইটো বৰ অযুগুত আৰু ইয়াৰ ফলত বহুতৰ মাজত সুদূৰপ্ৰসাৰী অসন্তুষ্টিৰ সৃষ্টি হোৱাটো একপ্ৰকাৰ নিশ্চিত আৰু এনেকৈ ৰাষ্ট্ৰৰ স্থায়িত্ব নাইকিয়া হয়। ইয়াৰ উপৰিও এজন ব্যক্তি উত্তেজনা অনুভূতি আৰু কুসংস্কাৰৰদ্বাৰা প্ৰভাৱান্বিত হয় আৰু ইয়াৰ ফলত তেওঁ সিদ্ধান্ত গ্ৰহণ কৰোঁতে ভুল কৰে। কিন্তু বহুতো মানুহ থাকিলে সকলোবোৰ মানুহ একে সময়তে এই দোষবোৰৰ বলি হ'বলগীয়া নহয়।

এইখিনিতে আমি এৰিষ্টটলক এটা প্ৰশ্ন সুধিব পাৰোঁ: যিসকল মানুহ চৰকাৰী বিষয়বাব ল'বলৈ সমৰ্থ নহয় সেইসকল মানুহ চৰকাৰী বিষয়বাবৰ বাবে উপযুক্ত মানুহ নিৰ্বাচন কৰিবলৈ সমৰ্থ হ'বনে? এৰিষ্টটলে এই প্ৰশ্নটোৰ ইতিবাচক উত্তৰ দিছিল। কোনো এটা কলাৰ গুণ দোষবোৰ বিচাৰ কৰিব লাগিলে বিচাৰকজন নিজেই কলাকাৰ হ'ব লাগিব বুলি কোনো কথা নাই। এইটো কিন্তু নিঃসন্দেহে সত্য যে যোগ্যতাৰ ভিত্তিত কোনো পদৰ বাবে লোক নিৰ্বাচন কৰিব লাগিলে নিৰ্বাচকসকলৰ যথেষ্ট জ্ঞান থাকিব লাগিব। এই অৰ্থত বিচাৰকসকলক

নিৰ্বাচন কৰিবলৈ জনসাধাৰণ যোগ্য নহয়। কিন্তু এইটোও সত্য যে ব্যক্তিগতভাৱে জনসাধাৰণ বেয়া বিচাৰক হ'ব পাৰে কিন্তু সমূহীয়া হিচাপে ধৰিলে জনসাধাৰণ এজন জ্ঞানী ব্যক্তিতকৈ ভাল বিচাৰক।

এৰিষ্টটলে এইটো ভালদৰে বুজিছিল যে জনসাধাৰণক ৰাষ্ট্ৰৰ প্ৰশাসনত অংশগ্ৰহণ কৰিবলৈ দিয়াত বিপদ আছে। কিন্তু তেওঁলোকক সন্তুষ্ট কৰি ৰাখিবও লাগিব। সেই গতিকে তেওঁ এটা মধ্যবৰ্তী পন্থা অৱলম্বন কৰিছিল। তেওঁ জনসাধাৰণক আইন প্ৰণয়নমূলক আৰু বিচাৰমূলক কাৰ্যত অংশগ্ৰহণ কৰিবলৈ অনুমতি দিছিল আৰু শাসনসংক্ৰান্ত বা কাৰ্যনিৰ্বাহক ক্ষমতাবোৰ মধ্যবিত্ত শ্ৰেণীটোৰ বাবে ৰাখিছিল আৰু মধ্যবিত্ত শ্ৰেণীৰ এই লোকসকলক জনসাধাৰণৰ ওচৰত তেওঁলোকৰ কাৰ্যৰ বাবে কৈফিয়ৎ দিবলগীয়া কৰি ৰাখিছিল। যিহেতু শাসনৰ ফলাফলৰ লগত জনসাধাৰণ প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত আছে শাসন ভাল হ'লে জনসাধাৰণে তাৰ ভাল ফল ভোগ কৰিব আৰু শাসন বেয়া হ'লেও জনসাধাৰণেই অসুবিধা আৰু কষ্ট ভোগ কৰিব লাগিব। গতিকে জনসাধাৰণকেই শাসকসকলক নিৰ্বাচন কৰিবলৈ আৰু তেওঁলোকক নিয়ন্ত্ৰণ কৰিবলৈ ক্ষমতা দিব লাগিব। এৰিষ্টটলৰ মতে মানুহ ব্যক্তিগতভাৱে যিমান জ্ঞানী সমূহীয়াভাৱে তাতোকৈ বেছি জ্ঞানী। যেতিয়া তেওঁলোকক এটা ভাল শ্ৰেণীৰ মানুহৰ লগত ৰখা হয় তেতিয়া তেওঁলোক সমূহীয়াভাৱে আৰু বেছি জ্ঞানী হয়।

এৰিষ্টটলে যদিও এজন মানুহৰ শাসন বা কিছুমান মানুহৰ শাসনৰ তুলনাত বহুতো মানুহৰ শাসন সমৰ্থন কৰিছিল তথাপি তেওঁ সদায় এজন মানুহৰ শাসনকে অগ্ৰাধিকাৰ দিবলৈ প্ৰস্তুত আছিল যদিহে সেই মানুহজনৰ গুণ আৰু সামৰ্থ্যৰ পৰিমাণ আন সকলোৰে মানুহৰ সমূহীয়া গুণ আৰু সামৰ্থ্যতকৈ বেছি হয়। তেনেকুৱা এজন মানুহৰ গুণ আইনতকৈও উচ্চ আৰু সেই গতিকে ন্যায়ৰ খাতিৰত তেনেকুৱা এজন মানুহক সৰ্বশক্তিমান ৰজা হিচাপে গ্ৰহণ কৰা উচিত। কিন্তু এনেকুৱা এজন অতিমানৱীয় জ্ঞানসম্পন্ন ব্যক্তি বিচাৰি উলিওৱাটো একপ্ৰকাৰ অসম্ভৱ। তেনেকুৱা এজন শাসকৰ অবৰ্তমানত জনসাধাৰণক সকলো ব্যক্তিৰ ওপৰত শাসন কৰিবলৈ দিব লাগিব।

এৰিষ্টটলৰ মতে গণতান্ত্ৰিক গঠনৰ চৰকাৰত ৰাজদ্ৰোহৰ ভয় কম। কিয়নো ইয়াত মানুহবোৰৰ হাততেই ৰাজক্ষমতা থাকে। স্বল্পতান্ত্ৰিক চৰকাৰত এই ভয় বেছি। স্বল্পতন্ত্ৰত দুটা বৰ গুৰুত্বৰ অসুবিধা আছে। প্ৰথমটো অসুবিধা হৈছে— স্বল্পতান্ত্ৰিক চৰকাৰে ৰাষ্ট্ৰৰ ভিতৰত বেছি দিনলৈ একতা বজাই ৰাখিব নোৱাৰে। সোনকালেই হওক বা পলমকৈয়েই হওক ইয়াত শাসক শ্ৰেণীটোৰ ভিতৰতে ক্ষমতা আৰু সম্পত্তি লাভৰ বাবে বিবাদ আৰু মতভেদৰ সৃষ্টি হ'ব। দিনক দিনে ইয়াত ৰাষ্ট্ৰীয় বিষয়াৰ বিচৰা লোকৰ সংখ্যা বাঢ়ি যায় কিন্তু সেই অনুপাতে ৰাষ্ট্ৰীয় বিষয়াৰ সংখ্যা বৃদ্ধি নহয়। ৰাষ্ট্ৰীয় বিষয়াসকলৰ ইয়াত কেইজনমান দুৰ্দান্তৰ

ধনী মানুহে দখল কৰে। গতিকে যিসকল লোক ৰাষ্ট্ৰীয় বিষয়বাব পোৱাৰপৰা বঞ্চিত হয় আৰু যিসকল লোকে এইবোৰ হেৰুৱায় স্বাভাৱিকতে তেওঁলোক ৰাষ্ট্ৰীয় বিষয়বাব দখল কৰি থকা মুষ্টিমেয় ধনী মানুহবোৰৰ প্ৰতি ঈৰ্ষান্বিত হয়। যেতিয়া এই ঈৰ্ষা আৰু অসন্তুষ্টিৰ পৰিমাণ যথেষ্ট বাঢ়ি যায় তেতিয়া তেওঁলোকে অধৈৰ্য্য হৈ স্বল্পতান্ত্ৰিক শাসকসকলৰ বিৰুদ্ধে নানা চক্ৰান্ত আৰু ষড়যন্ত্ৰ কৰিবলৈ ধৰে। যেতিয়াই সুবিধা পায় তেতিয়াই তেওঁলোকে জনসাধাৰণৰ মাজত শাসকচক্ৰৰ বিৰুদ্ধে বিদ্বেষ ঘৃণা তিক্ততা আদি সৃষ্টি কৰিবলে ধৰে।

দ্বিতীয় অসুবিধাটো হৈছে— স্বল্পতন্ত্ৰত গৰীব আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহবোৰে ৰাষ্ট্ৰীয় বিষয়বাবৰ অংশ নাপায়। স্বল্পতান্ত্ৰিক শাসকসকলৰ হাতত গৰীব আৰু মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে অন্যায় কষ্টদায়ক আৰু অপমানসূচক ব্যৱহাৰ পায়। সেইবাবে তেওঁলোক শাসকসকলৰ দুৰ্ঘোৰ শত্ৰুত পৰিণত হয়। অৱশেষত তেওঁলোকে কোনো প্ৰকাৰৰ বিপ্লৱী সংগঠন গঠন কৰে আৰু তাৰ যোগেদি শাসকচক্ৰৰ বিৰুদ্ধে থিয় দিয়ে। এনেকৈ তেওঁলোকে স্বল্পতান্ত্ৰিক শাসনৰ অৱসান ঘটায়। সেই গতিকে এৰিষ্টটলে কৈছে যে স্বল্পতান্ত্ৰিক শাসনে দুই প্ৰকাৰৰ ৰাজদ্ৰোহৰ সন্মুখীন হ'বলগীয়া হয়। একপ্ৰকাৰৰ ৰাজদ্ৰোহ তেওঁলোকৰ নিজৰ শ্ৰেণীৰ লোকৰ ভিতৰৰপৰাই আহে আৰু আন প্ৰকাৰৰ ৰাজদ্ৰোহ জন সাধাৰণৰ ফালৰপৰা সৃষ্টি হয়।

গণতান্ত্ৰিক শাসন যিকোনো প্ৰকাৰৰ অভ্যন্তৰীণ বিবাদৰপৰাই মুক্ত। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত গৰীব আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহৰ সংখ্যাই সৰহ আৰু তেওঁলোক গণতান্ত্ৰিক শাসনৰ বিৰুদ্ধে থিয় নহয়। কিয়নো ইয়াত তেওঁলোকেই ৰাষ্ট্ৰীয় বিষযবাববোৰৰ শকত অংশটো দখল কৰি থাকে। গতিকে গণতন্ত্ৰৰ প্ৰকৃত শত্ৰু হৈছে সম্পত্তিশালী শ্ৰেণীৰ লোকসকল। কিন্তু সাধাৰণতে তেওঁলোকে গণ তন্ত্ৰৰ বিশেষ কোনো অনিষ্ট সাধন কৰিব নোৱাৰে। কিয়নো তেওঁলোকৰ সংখ্যা যথেষ্ট কম আৰু তেওঁলোকে চৰকাৰৰ বিৰুদ্ধে থিয় দিবলৈ জনসাধাৰণৰপৰা কোনো সমৰ্থন নাপায়। তদুপৰি ইয়াত যিটো মধ্যবিত্ত শ্ৰেণী আছে আৰু যিটো শ্ৰেণীক গুৰুত্বপূৰ্ণ ৰাষ্ট্ৰীয় বিষয়বাববোৰ দিয়া হয় সেই শ্ৰেণীটোৱে গণতান্ত্ৰিক ৰাষ্ট্ৰখনত স্থায়িত্ব বজাই ৰাখে।

গ্ৰীক গণতন্ত্ৰ বনাম আধুনিক গণতন্ত্ৰ

এইটো এতিয়া পৰিস্কাৰ যে গণতান্ত্ৰিক ৰাষ্ট্ৰত সৰ্বোচ্চ ক্ষমতা আইনগত ভাৱে কোনো এটা শ্ৰেণীৰ হাতত নাথাকে জনসাধাৰণৰ হাতত্হে থাকে। এই দৃষ্টিভংগীৰে বিচাৰ কৰিলে মাৰ্কিন যুক্তৰাষ্ট্ৰৰ চৰকাৰ ছোভিয়েট ৰাছিয়াৰ চৰ

কাৰ তাৰতৰ চৰকাৰ আদি চৰকাৰবোৰ গণতান্ত্ৰিক চৰকাৰ। সেইদৰে এথেন্সৰ চৰকাৰো গণতান্ত্ৰিক চৰকাৰ আছিল। কিন্তু তথাপি গ্ৰিক গণতন্ত্ৰ আৰু বৰ্তমান যুগৰ গণতন্ত্ৰৰ মাজত কিছুমান উল্লেখযোগ্য পাৰ্থক্য আছে।

উদাৰভাৱে ক'বলৈ গ'লে গণতন্ত্ৰৰ অৰ্থ হৈছে অজ্ঞ আৰু অনভিজ্ঞ জনতাৰ শাসন। প্লেটো আৰু এৰিষ্টটল দুয়োজনৰ মতে গণতন্ত্ৰ মানে জুমতন্ত্ৰ আৰু সেই কাৰণে তেওঁলোকে গণতন্ত্ৰক দূষিত ৰাষ্ট্ৰৰ শাৰীত ৰাখিছিল। গ্ৰিক গণতান্ত্ৰিক শাসন সাধাৰণ লোকৰ শাসন আছিল। কিন্তু বৰ্তমান যুগৰ গণতন্ত্ৰৰ পৃষ্ঠপোষকসকলে শাসকসকলৰ সংখ্যাগত শক্তিৰদ্বাৰা গণতন্ত্ৰৰ কাৰ্যকাৰিতাৰ বিচাৰ নকৰে। বৰ্তমান গণতন্ত্ৰৰ অৰ্থ হৈছে যুক্তিৰ শাসন আৰু ইয়াত সমতা আৰু স্বাধীনতাৰ নীতিৰ ওপৰত ন্যায়ৰ ভেটি ৰচনা কৰা হয়। বৰ্তমান যুগত গণতান্ত্ৰিক চৰকাৰ দূষিত চৰকাৰ নহয় আদৰ্শ চৰকাৰহে।

গ্ৰিক গণতন্ত্ৰ প্ৰকৃত অৰ্থত জনসাধাৰণৰ চৰকাৰ আছিল। কিয়নো ই প্ৰত্যক্ষ গণতন্ত্ৰ আছিল আৰু ইয়াত জনসাধাৰণ প্ৰত্যক্ষভাৱে চৰকাৰৰ আইন প্ৰণয়ন মূলক আৰু বিচাৰমূলক কাৰ্যত অংশগ্ৰহণ কৰিব পাৰিছিল। দাসসকলৰ বাহিৰে সকলোবোৰ প্ৰাপ্তবয়স্ক নাগৰিক জনপ্ৰিয় সভাৰ সভ্য আছিল। তেওঁলোক সকলোৱে বিচাৰক হিচাপে বা জুৰিৰ হিচাপে চৰকাৰৰ বিচাৰসম্বন্ধীয় কাৰ্যত প্ৰত্যক্ষভাৱে অংশগ্ৰহণ কৰিছিল। কাৰ্য্যনিৰ্বাহকৰ পদবোৰ নিৰ্বাচনদ্বাৰা পূৰণ কৰা হৈছিল আৰু সেইবোৰৰ বাবে সকলো নাগৰিকৰে প্ৰাৰ্থী হ'বলৈ অধিকাৰ আছিল। সেই নিৰ্বাচনত সকলো নাগৰিকে ভোটদান কৰিব পাৰিছিল। কেতিয়াবা অৱশ্যে চমু সময়ৰ বাবে কাৰ্য্যনিৰ্বাহকৰ পদ ভাগ্যপৰীক্ষাৰদ্বাৰাও পূৰণ কৰা হৈছিল। যিহেতু নাগৰিকসকলৰ সংখ্যা বৰ বেছি নাছিল সেইবাবে প্ৰত্যেকজন ইচ্ছুক নাগৰিকে জীৱনত অন্ততঃ এবাৰ কোনো এটা কাৰ্যনিৰ্বাহকৰ পদ লাভ কৰিব পাৰিছিল আৰু যোগ্যতাসম্পন্ন মানুহবোৰে কেইবাবাৰো তেনেকুৱা সুযোগ লাভ ক'ৰিছিল।

বৰ্তমান যুগৰ প্ৰকাণ্ড ৰাষ্ট্ৰবোৰত প্ৰত্যক্ষ গণতন্ত্ৰ স্থাপন কৰাটো সম্ভৱপৰ নহয়। বৰ্তমান যুগৰ এখন ডাঙৰ ৰাষ্ট্ৰত কোটি কোটি নাগৰিক আছে আৰু এই নাগৰিকসকল বেলেগ বেলেগ ঠাইত বাস কৰে তেওঁলোকৰ মাজত ঘনিষ্ঠ সম্পৰ্ক নাই আৰু তেওঁলোকে ইজনে সিজনক ভালদৰে নাজানে। উপযুক্ত মানুহক উপযুক্ত কামৰ বাবে নিৰ্বাচন কৰিব লাগিলে নাগৰিকসকলৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আৰু ভাল বুজাবুজিৰ অতি প্ৰয়োজন। ইয়াৰ উপৰিও আধুনিক গণতান্ত্ৰিক চৰকাৰবোৰে যিবোৰ সমস্যা সমাধান কৰিবলগীয়া হয় সেই সমস্যাবোৰ বৰ জটিল আৰু সেইবোৰৰ সংখ্যাও বহুত। সকলোবোৰ নাগৰিকে সঘনে এঠাইত লগলাগি চৰকাৰী

কাৰ্য্যবোৰ সম্পাদন কৰাটো বৰ্তমান যুগত একপ্ৰকাৰ অসম্ভৱ বুলিয়েই ক'ব পাৰি। তদুপৰি বৰ্তমান যুগৰ গণতান্ত্ৰিক চৰকাৰবোৰ যিবোৰ কঠিন সমস্যাৰ সম্মুখীন হয় সেই সমস্যাবোৰৰ সমাধানৰ বাবে জনসাধাৰণে কোনো প্ৰকাৰৰ ভাঙৰ বৰঙণি যোগাব নোৱাৰে। চৰকাৰৰ কাৰ্য্যপটুতা আৰু গতিশীলতা বঢ়াবৰ বাবে জটিল প্ৰকৃতিৰ চৰকাৰী বিষয়বোৰ বিশেষজ্ঞসকলৰ দ্বাৰাহে সমাধান কৰোৱা উচিত। এজন নাগৰিক আইনসভাৰ সদস্য হোৱাৰ বাবে যোগ্য। তেওঁক কোনো এটা কাৰ্য্যবাহী বা বিচাৰকৰ পদতো মকৰল কৰিব পাৰি। কিন্তু ইয়াৰ বাবে তেওঁৰ প্ৰয়োজনীয় অৰ্হতা থাকিব লাগিব। নাগৰিকসকলৰ এটা বৃহৎসংখ্যক লোকক সামৰি ল'বলৈ চৰকাৰী বিষয়বাবৰ সংখ্যা নিচেই কম। গতিকে তেওঁলোকৰ ভিতৰৰ এটা সৰু সংখ্যাৰ নাগৰিকেহে চৰকাৰী বিষয়বাবৰ সুবিধা লাভ ক'ৰব পাৰে আৰু এওঁলোকেই বৰ্তমান গণতান্ত্ৰিক ৰাষ্ট্ৰৰ চৰকাৰী যন্ত্ৰটো চলায়। এই কামৰ বাবে তেওঁলোকৰ প্ৰয়োজনীয় অৰ্হতাও থাকে। তথাপি নাগৰিকসকলে তেওঁলোকৰ দ্বাৰা নিৰ্বাচিত প্ৰতিনিধিবৰ্গৰ জৰিয়তে চৰকাৰৰ নীতি আৰু কাৰ্য্য নিয়ন্ত্ৰণ কৰিব পাৰে। তদুপৰি নাগৰিকসকলে তেওঁলোকৰ হাতত থকা বাকস্বাধীনতা সংবাদপত্ৰৰ স্বাধীনতা সভা সমিতিত মিলিত হোৱাৰ স্বাধীনতা আদি প্ৰয়োগ ক'ৰি চৰকাৰৰ নীতি আৰু কাৰ্য্যৰ সমালোচনা কৰিব পাৰে। আধুনিক গণতন্ত্ৰ পৰোক্ষ আৰু প্ৰতিনিধিত্বমূলক।

প্ৰত্যক্ষ গণতন্ত্ৰৰ কিছুমান উপাদান বৰ্তমান পৃথিৱীৰ কিছুমান সৰু সৰু ৰাষ্ট্ৰত এতিয়াও দেখিবলৈ পোৱা যায়। উদাহৰণস্বৰূপে আমি উল্লেখ কৰিব পাৰোঁ যে ছুইজাৰলেণ্ডৰ নাগৰিকসকল আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ কিছুমান ৰাষ্ট্ৰৰ নাগৰিকসকলে উপক্ৰম আৰু গণনিৰ্দ্দেশৰ জৰিয়তে আইন প্ৰণয়ন কাৰ্য্য প্ৰত্যক্ষ ভাৱে নিয়ন্ত্ৰণ কৰে। ছুইজাৰলেণ্ডৰ চাৰিখন কেণ্টনত আৰু মাৰ্কিন যুক্তৰাষ্ট্ৰৰ নতুন ইংলেণ্ডৰ সৰু সৰু নগৰবোৰত স্থানীয় স্বায়ত্তশাসনৰ লগত সম্বন্ধ থকা গুৰুত্বপূৰ্ণ সমস্যাবোৰ আলোচনা কৰি সমাধান কৰিবলৈ সকলোবোৰ নাগৰিক সময়ে সময়ে লগ লাগে। ১৯৫৯ চনৰ অসম পঞ্চায়ত আইনৰ অধীনতো গাঁওসভাৰ নাগৰিকসকল বছৰত অন্ততঃ দুবাৰকৈ স্থানীয় সমস্যাৰ আলোচনা কৰিবলৈ লগ লাগিব লাগিছিল।

গ্ৰিক গণতন্ত্ৰৰ মূল্যায়ন

বিভিন্ন প্ৰকাৰৰ গণতন্ত্ৰৰ বৰ্ণনা দিওঁতে এৰিষ্টটলে কৈছে যে প্ৰথমে কৃষকসকলক নাগৰিক অধিকাৰ দিয়া হৈছিল তাৰ পাছত ব্যৱসায়ী আৰু কাৰিকৰ সকলক নাগৰিক অধিকাৰ দিয়া হৈছিল আৰু শেষত শ্ৰমিকসকলকো নাগৰিকত্ব দিয়া হৈছিল। গতিকে অৱশেষত ৰাষ্ট্ৰৰ সকলোবোৰ বিষয়বাব লাভ কৰিবলৈ সকলোবোৰ নাগৰিকে সমান অধিকাৰ পাইছিল। কেৱল যিসকল মানুহ দাসত্ব

অধীনত আছিল তেওঁলোককহে নাগৰিকত্ব দিয়া হোৱা নাছিল। এথেন্সত এক লাখ বিদেশী অধিবাসী আছিল আৰু ডেৰ লাখতকৈও অধিক দাস আছিল। কিন্তু নাগৰিকৰ সংখ্যা প্ৰায় ৫০ ০০০ আছিল। গতিকে এথেন্সৰ নাগৰিকৰ সংখ্যা ইয়াৰ জনসমষ্টিৰ চাৰিভাগৰ এভাগতকৈও বেছি নাছিল। এই যুক্তিত উইড্ৰো উইলছন আৰু আন কিছুমান ৰাজনীতিজ্ঞই এইবুলি মন্তব্য কৰিছে যে আধুনিক গণতন্ত্ৰৰ তুলনাত গ্ৰিক গণতন্ত্ৰৰ প্ৰকৃতি আৰু চৰিত্ৰ অভিজাততান্ত্ৰিক আছিল। এইটো নিশ্চিত সত্য যে নাগৰিকসকলে চৰকাৰী কাৰ্যত অংশগ্ৰহণ কৰাৰ ফালৰপৰা বিবেচনা কৰিলে গ্ৰিক গণতন্ত্ৰ সম্পূৰ্ণ আৰু নিখুঁত আছিল যদিও এথেন্সৰ অনা নাগৰিকসকলৰ সংখ্যা নাগৰিকসকলতকৈ বহুত বেছি আছিল আৰু সেইবাবে আধুনিক অৰ্থত গ্ৰিক গণতন্ত্ৰক প্ৰকৃত গণতন্ত্ৰ বুলিব নোৱাৰি। কিন্তু এইটো যুক্তিত গ্ৰিক গণতন্ত্ৰক অভিজাততন্ত্ৰ বুলি কলে বৰ বেছি কোৱা হয় আৰু ইয়াৰপৰা ভুল ধাৰণাৰ সৃষ্টি হ'ব। ছেলাইনৰ মতে এনে এটা ধাৰণা কেৱল বিভ্ৰান্তিকৰেই নহয় সম্পূৰ্ণৰূপে অযুক্তিসংগত। খেতিয়ক ব্যৱসায়ী কাৰিকৰ আৰু শ্ৰমিকসকলৰ সংখ্যাই এথেন্সৰ নাগৰিকসকলৰ ভিতৰত সৰ্বাধিক আছিল আৰু তেওঁলোকৰ অৱস্থা ইমান বেয়া আছিল যে তেওঁলোকে কোনোমতে দাস ৰাখি ভৰণ-পোষণ দিব নোৱাৰিছিল। প্ৰকৃততে দাসসকল ৰাষ্ট্ৰৰহে দাস আছিল আৰু কিছুমান ধনী পৰিয়ালেহে দাস ৰাখিছিল। নাগৰিকসকলৰ বেছি ভাগৰ পৰিবাৰ আৰু লৰা ছোৱালীবোৰেই পৰিয়ালৰ ঘৰুৱা কাম কাজবোৰ কৰিছিল। এনেকৈয়ে নাগৰিকসকলে ৰাজনৈতিক কাম কৰিবলৈ প্ৰয়োজনীয় জিৰণি পাইছিল আৰু তেওঁলোকক ৰাজনৈতিক কামত অংশগ্ৰহণ কৰাৰ বাবে বেতন বা ভাট্টা দিয়া হৈছিল আৰু সেই কাৰণেও তেওঁলোক ৰাজনৈতিক কামৰ প্ৰতি আকৰ্ষিত হৈছিল। গতিকে আমি এইটো ধৰি লোৱাটো ভুল হ'ব যে এথেন্সৰ নাগৰিকসকলৰ বেছি ভাগেই ডাঙৰ ভদ্ৰলোক আছিল আৰু তেওঁলোকে ঘৰুৱা কাম কাজ কৰি হাতত বোকা লগাবলৈ ইচ্ছা নকৰিছিল। এই প্ৰসংগতে বাৰ্কাৰে মন্তব্য কৰিছে—"গ্ৰিক গণতন্ত্ৰত প্ৰকৃততে বৰ কম পৰিমাণেহে অভিজাততান্ত্ৰিক সোৱাদ আছে যিহেতু ইয়াত বক্তৃতাৰ বাহাদুৰি দেখুৱাবলৈ কোনো স্থল নাছিল বা জনপ্ৰিয় সভাত আনকি জোতা চিলাৱা কাৰিকৰৰ বক্তৃতাও সকলোৱে শুনিব লগীয়াছিল।

এৰিষ্টটলৰ নাগৰিকৰ অৱধাৰণাটো পৰীক্ষা কৰিলে আৰু ৰাষ্ট্ৰৰ জনসংখ্যাৰ লগত নাগৰিকসকলৰ সংখ্যা তুলনামূলকভাৱে বিবেচনা কৰিলে গ্ৰিক গণতন্ত্ৰ দেখাত অভিজাততন্ত্ৰ যেন লাগে সঁচা কিন্তু বেছিভাগ নাগৰিকৰে চৰিত্ৰ গুণ আৰু অভ্যাস বিচাৰ কৰিলে ইয়াক আমি কেতিয়াও অভিজাততন্ত্ৰ বুলি কব নোৱাৰো।

আমি এৰিষ্টটলৰ লগত এইটো কথাত একমত যে বহুতো মানুহে বহুতো কথা একজন মানুহে বা কেইজনমান মানুহতকৈ বেছি ভালকৈ বিচাৰ কৰিব পাৰে।

কিন্তু সকলো অৱস্থাতে আৰু সকলো সময়তে আমি এই কথাটো মানি ল'ব নোৱাৰোঁ যে সকলো চৰকাৰী কামৰ বাবে বিশেষ সামৰ্থ্য আৰু জ্ঞান লাগে আৰু সেই জ্ঞান আৰু সামৰ্থ্য শ্ৰমিক কাৰিকৰ ব্যৱসায়ী আৰু খেতিয়কসকলৰ গাত থাকিব নোৱাৰে। মানুহক অসমানভাৱে সৃষ্টি কৰা হৈছে। সমানৰ মাজতহে সমতাৰ পৰীক্ষা কৰিব পাৰি। অস্বাভাৱিকভাৱে জোৰ কৰি সমতা স্থাপন কৰি বলৈ গ'লে উচ্চ শ্ৰেণীৰ লোকসকলে বিদ্ৰোহ কৰিব আনহাতে অসমতাই চূড়ান্ত সীমা পালে নিম্ন শ্ৰেণীৰ মানুহবোৰেও বিদ্ৰোহ কৰিব। সেই গতিকে এৰিষ্ট'টলে এখন মিশ্ৰিত সংবিধানৰ সমৰ্থন কৰিছিল। গণতন্ত্ৰৰ কিছুমান উপাদান আৰু অভিজাততন্ত্ৰৰ কিছুমান উপাদান লৈ তেওঁ এই মিশ্ৰিত সংবিধানখন ৰচনা কৰি ছিল আৰু এই সংবিধানখনৰ যোগেদি তেওঁ মধ্যবিত্ত শ্ৰেণীটোৰ হাতত ক্ষমতাৰ বাঘজৰী তুলি দিবলৈ ইচ্ছা কৰিছিল। এইদৰে তেওঁ মধ্যবিত্ত শ্ৰেণীৰ শাসনৰ ওপৰত গুৰুত্ব দিছিল। আমাৰ বাবে এইটো গ্ৰহণযোগ্য নহয়। কিয়নো মধ্যবিত্ত শ্ৰেণীটোৰ উচ্চ শ্ৰেণীলৈ উন্নীত হ'বলৈ এটা প্ৰবল প্ৰৱণতা আছে আৰু সততে তেওঁলোকে সম্পত্তিশালী শ্ৰেণীটোৰ স্বাৰ্থ ৰক্ষা কৰি থাকে। তদুপৰি মিশ্ৰিত সংবিধানৰ অধীনত দুটা শ্ৰেণীৰ মানুহৰ মিলন ঘটে। সেই শ্ৰেণী দুটা হৈছে—গৰীব শ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণী। সময়ত এই শ্ৰেণী দুটাৰ মানুহৰ মাজত ক্ষমতাৰ বাবে অবিৰাম সৃষ্টি হৈ সংঘাত ঘটিব পাৰে আৰু তেতিয়া ৰাষ্ট্ৰত সম্মিলিত চৰকাৰ গঠিত হ'ব পাৰে। সম্মিলিত চৰকাৰৰ বহুতো দোষ আছে।

যথেষ্ট দোষ আৰু দুৰ্বলতা থকা সত্ত্বেও গণতান্ত্ৰিক সংবিধানেই এথেন্সক স্থায়ী চৰকাৰ দিব পাৰিছিল। সেই সময়ৰ বহুতো ৰাষ্ট্ৰৰ বাবে এইটো অতীব প্ৰয়োজনীয় আছিল। গ্ৰিক গণতন্ত্ৰৰ দুৰ্বলতাবোৰৰ মূল কাৰণ আছিল দুৰ্বল আৰ্থিক অৱস্থা। এথেন্সৰ তেতিয়া বিধিনি আয় হৈছিল সেইখিনি আয়েৰে চৰকাৰে খৰচ চলাব নোৱাৰিছিল। জনপ্ৰিয় সভাৰ অধিবেশনত যোগদান কৰাৰ বাবে নাগৰিকসকলক বেতন বা ভাট্টা দিব লাগিছিল আৰু কিছুমান উৎসৱ পালন কৰোঁতে যথেষ্ট খৰচ হৈছিল আৰু এনেকৈ চৰকাৰী ভ'ৰালৰপৰা এটা শকত অংশৰ ধন ওলাই গৈছিল। ইয়াৰ উপৰিও এথেন্সবাসীসকল সাধাৰণতে ৰাজহুৱা কাৰ্যৰ বাবে বৰ আগ্ৰহশীল নাছিল। যদিও প্লেটো আৰু এৰিষ্ট'টলে গণতন্ত্ৰক অৰাজকতা বুলি নিন্দা কৰিছিল খ্ৰীষ্টপূৰ্ব চতুৰ্থ শতিকাৰ গণতান্ত্ৰিক চৰকাৰবোৰৰপৰা আমি তেনেকুৱা এটা চিত্ৰ দেখিবলৈ নাপাওঁ। গ্ৰিক গণতন্ত্ৰ এটা লজ্জাজনক অনুষ্ঠান নাছিল। ইয়াত শিষ্টাচাৰ শৃংখলা আৰু নিয়মানুৱৰ্তিতা সম্পূৰ্ণৰূপে বিৰাজ কৰিছিল। গ্ৰিক নাগৰিকসকলৰ কিছু পৰিমাণে যোগ্যতা আৰু মূল্যবোধো আছিল। নাগৰিকসকলৰ এটা অংশ চৰকাৰী বিষয়বাব চলাবলৈও সমৰ্থ আছিল।

পঞ্চবিংশতি অধ্যায়

বিপ্লৱ আৰু ইয়াৰ প্ৰতিষেধক ব্যৱস্থা

এৰিষ্টটলে প্লেটোৰ মুখতে প্ৰথমে বিপ্লৱৰ কথা শুনিছিল আৰু পাছত তেওঁ প্লেটোৰ বিপ্লৱৰ তত্ত্বৰ ওপৰত সমালোচনা আগবঢ়াইছিল। গতিকে আমি প্ৰথমে প্লেটোৰ বিপ্লৱৰ তত্ত্বৰ বিষয়ে অলপ আলোচনা কৰোঁহক।

প্লেটোৰ বিপ্লৱৰ তত্ত্ব প্লেটোৰ বিপ্লৱৰ তত্ত্বৰ ভেটি ৰচিত হৈছিল সংবিধানৰ পৰিবৰ্তন আৰু ৰাষ্ট্ৰৰ দুৰ্নীতিৰ ওপৰত। প্লেটোৰ মতে ৰাষ্ট্ৰবোৰত আদৰ্শ ব্যৱস্থা সদায় বিৰাজ কৰি নাথাকে আৰু সোনকালে বা পলমকৈ ৰাষ্ট্ৰবোৰ দুৰ্নীতিৰ গৰাহত পৰে। তেওঁৰ আদৰ্শ ৰাষ্ট্ৰত মানুহৰ মনৰ আটাইকেইটা উপাদানৰ সংহতিপূৰ্ণ মিলন ঘটিছিল আৰু ইয়াত বুদ্ধিয়ে সাহস আৰু ক্ষুধাক নিয়ন্ত্ৰণ কৰিছিল। সমাজত জ্ঞানী মানুহবোৰে সাহসী মানুহ আৰু ক্ষুধাতুৰ মানুহবোৰক নিয়ন্ত্ৰণ কৰে। প্লেটোৱে তেনেকুৱা এখন ৰাষ্ট্ৰকে আদৰ্শ ৰাষ্ট্ৰ বুলি কৈছিল। তেওঁৰ মতে যেতিয়ালৈকে জ্ঞানী মানুহবোৰৰ হাতত ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা থাকে তেতিয়ালৈকে ৰাষ্ট্ৰত বিপ্লৱ সংঘটিত হ'ব পৰা অৱস্থাৰ সৃষ্টি নহয়। যেতিয়াই ৰাষ্ট্ৰৰ সৰ্বোচ্চ ক্ষমতা জ্ঞানী লোকৰ হাতৰপৰা ওলাই যায় তেতিয়াৰপৰাই ৰাষ্ট্ৰত বিপ্লৱৰ অৱস্থা সৃষ্টি হ'বলৈ ধৰে। যেতিয়া জ্ঞানী মানুহবোৰ দুৰ্নীতিপৰায়ণ হয় বা যেতিয়া তেওঁলোকক সাহসী মানুহবোৰে ক্ষমতাৰ পৰা আঁতৰ কৰি নিজে ক্ষমতা দখল কৰে তেতিয়া এখন আত্যতান্ত্ৰিক ৰাষ্ট্ৰৰ জন্ম হয়। সাহসেই আত্যতান্ত্ৰিক ৰাষ্ট্ৰৰ ভেটি। এই ৰাষ্ট্ৰত দুৰ্দান্ত সাহস আৰু মনোবলৰ মানুহবোৰে প্ৰাধান্য বিস্তাৰ কৰিব পাৰে। মূলতঃ ইয়াক সামৰিক অভিজাত তন্ত্ৰ বুলি ক'ব পাৰি। কিয়নো ইয়াত সৈনিকসকলে দাৰ্শনিক ৰজাক ক্ষমতাৰপৰা আঁতৰ কৰে আৰু ইয়াত ন্যায়ৰ ঠাই অন্যায়ে দখল কৰে।

আত্যতান্ত্ৰিক ৰাষ্ট্ৰত অনৈক্যৰ সৃষ্টি হয়। ইয়াৰ কাৰণ হৈছে, ক্ষমতাচ্যুত শাসকসকলে পুনৰ ক্ষমতা লাভ কৰিবলৈ ৰাষ্ট্ৰৰ বিৰুদ্ধে নানা চক্ৰান্ত আৰু ষড়যন্ত্ৰ কৰিবলৈ ধৰে আৰু ইয়াৰ ফলত ৰাষ্ট্ৰত বিপ্লৱৰ অৱস্থা সৃষ্টি হয়। তদুপৰি, সময়ত আত্যতান্ত্ৰিক শাসকসকল অধঃপতিত হৈ ধন সম্পত্তিৰ লোভত পৰে। তথাপি

এখন আত্যতান্ত্রিক ৰাষ্ট্ৰত ন্যায় একেবাৰে নাইকিয়া নহয় আংশিকভাৱে হ'লেও ইয়াত ন্যায় বিৰাজ কৰি থাকে। কিন্তু যেতিয়া আত্যতন্ত্ৰৰ ঠাই স্বল্পতন্ত্ৰই দখল কৰে তেতিয়া ধন সম্পত্তি লাভেই শাসকসকলৰ প্ৰধান লক্ষ্য হৈ পৰে। তেতিয়া মানুহৰ যুক্তি আৰু সাহস তলত পৰি থাকিবলগীয়া হয়। এখন স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত সম্পত্তিৰ ভিত্তিত মানুহক ৰাজনৈতিক অধিকাৰ আৰু নাগৰিকত্ব দিয়া হয়। ইয়াত শাসকসকলে জনসাধাৰণৰ অনিষ্ট সাধন কৰি নিজৰ স্বাৰ্থ পূৰণ কৰে। ইয়াত শাসকসকলৰ মনত কোনো সমূহীয়া স্বাৰ্থৰ ভাব নাই। স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত চৰকাৰী বিষয়বাববোৰ সামৰ্থ্য আৰু যোগ্যতাৰ ভিত্তিত দিয়া নহয় সম্পত্তিশালী লোককহে দিয়া হয়। এনেকুৱা এখন ৰাষ্ট্ৰত কেইজনমান মুষ্টিমেয় মানুহৰ হাতত সম্পত্তি থুপ খায় আৰু বাকী মানুহবোৰ দীন দৰিদ্ৰত পৰিণত হয়। স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত মাত্ৰ দুটা শ্ৰেণীৰ মানুহ থাকে— গৰীব আৰু ধনী। গতিকে এনেকুৱা এখন ৰাষ্ট্ৰত গৰীবসকলৰ মাজত গভীৰ অসন্তুষ্টিয়ে দেখা দিয়াটো স্বাভাৱিক আৰু এনেকৈ ইয়াত বিপ্লৱী অৱস্থাৰ সৃষ্টি হয়। গৰীব মানুহবোৰে বিপ্লৱ সংঘটিত কৰি স্বল্পতান্ত্ৰিক চৰকাৰৰ পতন ঘটায় আৰু গণতান্ত্ৰিক চৰকাৰ স্থাপন কৰে।

প্লেটোৰ মতে স্বাধীনতা আৰু সমতাৰ নীতিৰদ্বাৰাই গণতন্ত্ৰ ধ্বংস হয় আৰু ইয়েই গণতন্ত্ৰৰ মৃত্যু ঘটায়। গণতন্ত্ৰবাদীসকলে পোষণ কৰা সমতাৰ অব ধাৰণাটোৰেই ভুল। সমতাৰ গণতান্ত্ৰিক অৰ্থই সকলো মানুহকে সকলো বিষয়তে সমান বুলি জ্ঞান কৰে আৰু সকলো মানুহকে নিজৰ ইচ্ছামতে কাম কৰিবলৈ অনুমতি দিয়ে। গণতান্ত্ৰিক ৰাষ্ট্ৰত কোনো শাসকে প্ৰয়োজনৰ সময়ত সকলোবোৰ মানুহকে নিৰ্দেশ দি মনাব নোৱাৰে। ইয়াত মানুহবোৰৰ নিজৰ ইচ্ছামতে প্ৰায়বোৰ কাম কৰিবলৈ স্বাধীনতা আছে। গণতান্ত্ৰিক ৰাষ্ট্ৰত অযোগ্য অদক্ষতা স্বাৰ্থপৰতা আদি দোষবোৰ সদায় উপস্থিত থাকে।

সাধাৰণতে এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত তিনি শ্ৰেণীৰ মানুহ থাকে— বৃত্তিধাৰী বা পেছাদাৰ ৰাজনীতিজ্ঞ মধ্যবিত্ত শ্ৰেণীৰ লোকসকল আৰু শ্ৰমিক শ্ৰেণীৰ লোকসকল। প্লেটোৰ মতে পেছাদাৰ ৰাজনীতিজ্ঞসকলে তেওঁলোকৰ নিজৰ সুবিধা আৰু লাভৰ কাৰণে প্ৰধানকৈ মধ্যবিত্তশ্ৰেণীৰ লোকসকলক শোষণ কৰে আৰু তেওঁলোকে গৌণভাৱে শ্ৰমিকশ্ৰেণীৰ মানুহবোৰক এই শোষণৰ ভাগ দিয়ে। আন কথাত গণতান্ত্ৰিক চৰকাৰ পেছাদাৰ ৰাজনীতিজ্ঞসকলৰ চৰকাৰ আৰু ইয়াত তেওঁলোকে ধনীসকলৰ অনিষ্ট সাধন কৰি নিজৰ স্বাৰ্থৰ হকে কাম কৰে আৰু কেতিয়াবা জনসাধাৰণৰ মংগলৰ কাৰণেও কাম কৰে। ধনী শ্ৰেণীৰ লোকসকলে এই অন্যায় নিৰৱে সহ্য কৰি নাথাকে। স্বাভাৱিকতে তেওঁলোকে নিজৰ স্বাৰ্থ ৰক্ষা কৰিবলৈ চেষ্টা কৰে। এই উদ্দেশ্যে তেওঁলোকে নিজৰ আয়ত্তত থকা মানুহ

ষোৰৰপৰা সহায় বিচাৰে আৰু এনেকৈ এটা বিপ্লৱী শক্তি সংগঠিত কৰে। এই দৰে গণতান্ত্ৰিক ৰাজনৈতিক অভ্যুত্থান ঘটে আৰু তেতিয়া অতি দুষ্ট জনোৎপ্ৰেৰক এজন নেতা গণতান্ত্ৰিক অধিকাৰ ৰক্ষা কৰিবলৈ জনসাধাৰণৰ অবিসম্বাদী ৰক্ষকৰ ভূমিকাত অৱতীৰ্ণ হয় আৰু এনেকৈ তেওঁৰ হাতত জনতাৰ নেতৃত্বৰ ভাৰ পৰে। পাছত তেওঁ ৰাষ্ট্ৰৰ সৰ্বোচ্চ শাসকৰ স্থান দখল কৰে আৰু সময়ত তেওঁ পূৰ্ণপৰ্য্যায়ৰ অত্যাচাৰী শাসনকৰ্তাত পৰিণত হয়। প্ৰথম অৱস্থাত তেওঁ আগতে প্ৰতিশ্ৰুতি দিয়ামতে জনসাধাৰণৰ মংগলৰ কাৰণে কিছু কাম কৰে আৰু পাছত তেওঁৰ অত্যাচাৰী আৰু স্বেচ্ছাচাৰী শাসন আৰম্ভ হয়। জনসাধাৰণে অত্যাচাৰী শাসন বহুত দিন সহ্য কৰি নাথাকে। কিয়নো অত্যাচাৰী শাসনেই আটাইতকৈ বেয়া চৰকাৰ। গতিকে অত্যাচাৰী শাসনকৰ্তাৰ বিৰুদ্ধে স্বাভাৱিকতে বিপ্লৱ সংঘটিত হ'ল।

এইদৰে এখন আদৰ্শ ৰাষ্ট্ৰ হিচাপে আৰম্ভ হৈ পাছত আঢ্যতন্ত্ৰ স্বল্পতন্ত্ৰ গণতন্ত্ৰ আৰু অত্যাচাৰী শাসনত পৰিণত হয়। প্লেটোৱে কৈছে যে প্ৰধানকৈ চাৰিটা কাৰণত ৰাষ্ট্ৰত দুনীতিৰ সৃষ্টি হয় আৰু ইয়াৰ ফলত বিপ্লৱ সংঘটিত হয়। এই কাৰণকেইটা হৈছে :

(১) গোটেই বিবাহ ব্যৱস্থাটো অপৰিকল্পিত আৰু স্বেচ্ছাচাৰী। শাসকসকলে উপযুক্ত ল'ৰাৰ লগত উপযুক্ত ছোৱালীৰ বিয়া হোৱাৰ বাবে কোনো বিজ্ঞানসন্মত পৰামৰ্শ আগবঢ়োৱা নাই। বিবাহৰ সময় আৰু ঋতুৰ বিষয়েও তেওঁলোকে কোনো কথা কোৱা নাই আৰু ইয়াৰ ফলত বহুতো বেয়া সন্তানৰ জন্ম হৈছে।

(২) নাগৰিকসকলক জ্ঞানী আৰু নিঃস্বাৰ্থ কৰিবলৈ কোনো ভাল শিক্ষা ব্যৱস্থা নাই আৰু ইয়াৰ ফলস্বৰূপে মানুহৰ মনে ভাল মানসিক খাদ্য নাপায়। গতিকে স্বাভাৱিকতে অজ্ঞান আৰু স্বাৰ্থপৰ মানুহৰ সংখ্যা ক্ষিপ্ৰ গতিত বাঢ়ি যায় আৰু তেওঁলোকে নিজৰ স্বাৰ্থসিদ্ধিৰ বাবে সংবিধান পৰিবৰ্তন কৰিবলৈ বিপ্লৱী সংগঠন গঢ়ি তোলে।

(৩) শাসকসকলে শিল্পীসকলক প্ৰজা আৰু দাস হিচাপে ব্যৱহাৰ কৰে আৰু তেওঁলোকে নিজকে গৰাকী বুলি বিবেচনা কৰে। সমাজ এখন ৰজা আৰু প্ৰজা গৰাকী আৰু দাস আদিত বিভক্ত হৈ যোৱাৰ লগে লগে তাত পাৰস্পৰিক সহযোগিতা দিয়া আৰু নিজৰ ভাব বহুলাংশে নাইকিয়া হয় আৰু বিপ্লৱী অৱস্থাৰ সৃষ্টি হয়।

(৪) আঢ্যতান্ত্ৰিক ৰাষ্ট্ৰত নাগৰিকসকলৰ ব্যক্তিগত সম্পত্তি আৰু ব্যক্তিগত পৰিয়াল থাকে আৰু এইবোৰৰ বিবাদ আৰু গোলমালৰ উৎস।

প্লেটোৰ মতে কেৱল এখন আদৰ্শ ৰাষ্ট্ৰইহে বিপ্লৱ নিবাৰণ কৰিব পাৰে। কিয়নো ইয়াত সম্পূৰ্ণ ন্যায় চলি থাকে। ৰাষ্ট্ৰ এখনত ন্যায় প্ৰতিষ্ঠা কৰিব লাগিলে এটা সুস্থ শিক্ষা ব্যৱস্থাৰদ্বাৰা ৰাষ্ট্ৰই নাগৰিকসকলৰ জীৱনৰ দৃষ্টি ভংগী পৰিবৰ্তন কৰিব লাগিব আৰু ইয়াৰ বাবে ৰাষ্ট্ৰই নাগৰিকসকলৰ মাজত সম্পত্তি আৰু পৰিয়ালৰ সাম্যবাদ স্থাপন কৰি প্ৰয়োজনীয় প্ৰাকৃতিক পৰিবেশ সৃষ্টি কৰিবও লাগিব কিয়নো তেতিয়াহে অভিভাৱকসকলৰ মাজত স্বাৰ্থপৰতা আৰু ঈৰ্ষাৰ স্থল নাইকিয়া হ'ব।

এৰিষ্ট'টলৰ সমালোচনা প্লেটোৱে তেওঁৰ গণৰাজ্য'ত বিপ্লৱৰ কাৰণ বোৰ ছক্ৰেটিছৰ মুখেদি কোৱাইছে। এৰিষ্ট'টলে প্লেটোৰ বিপ্লৱৰ তত্ত্বৰ ওপৰত সমালোচনা আগবঢ়াই তেওঁৰ নিজৰ বিপ্লৱৰ তত্ত্বৰ সামৰণি মাৰিছে। তেওঁৰ মতে প্লেটোৱে ৰাজনৈতিক পৰিবৰ্তনৰ বিষয়ে যিবোৰ মত দাঙি ধৰিছে সেইবোৰ ঐতিহাসিকভাৱে অশুদ্ধ আৰু অসম্পূৰ্ণ। এইটো নিঃসন্দেহে সত্য যে এটা শিক্ষা ব্যৱস্থাই বেয়া মানুহ উৎপাদন কৰে আৰু ই ৰাষ্ট্ৰৰ বাবে এটা অবিৰত বিপদৰ উৎস। কিন্তু এইটোও সত্য যে কেৱল বেয়া শিক্ষাৰে শিক্ষিত মত তাৰাতাবোৰেই সদায় ৰাষ্ট্ৰৰ সাংবিধানিক পৰিবৰ্তন নঘটায়। কেতিয়াবা তেও লোকে এই পৰিবৰ্তন ঘটাব পাৰে কিন্তু সদায় নহয়। তদুপৰি এখন আদৰ্শ ৰাষ্ট্ৰৰ ক্ষেত্ৰত এইটো বিপ্লৱৰ বিশেষ কাৰণ নহয় সকলো ৰাষ্ট্ৰৰ ক্ষেত্ৰত এইটো এটা সমূহীয়া কাৰণ।

দ্বিতীয়তে প্লেটোৱে বৰ্ণনা কৰাৰ দৰে সাংবিধানিক পৰিবৰ্তনবোৰ ধাৰা বাহকৰূপে নঘটে। প্লেটোৰ মতে ৰাষ্ট্ৰ এখনে আদৰ্শ ৰাষ্ট্ৰ হিচাপে জন্মগ্ৰহণ কৰি আঢ্যতন্ত্ৰ স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ মাজেৰে গৈ অত্যাচাৰী শাসনত পৰিণত হয়। কিন্তু এৰিষ্ট'টলে স্পষ্টভাৱে দেখুৱাই দিছে যে ইতিহাসত এনেকুৱা বহুতো প্ৰমাণ আছে যাৰ সহায়ত আমি এইটো নদি ক'ব পাৰোঁ যে সাংবিধানিক পৰিবৰ্তন বোৰৰ চৰিত্ৰ একেধৰ্মী নহয় বিপৰীতধৰ্মীহে। উদাহৰণস্বৰূপে ৰাজতন্ত্ৰৰপৰা অত্যাচাৰী শাসনৰ সৃষ্টি হয় অত্যাচাৰী শাসনৰপৰা অভিজাততন্ত্ৰৰ সৃষ্টি হয় আৰু গণতন্ত্ৰৰপৰা ৰাজতন্ত্ৰৰ সৃষ্টি হয়।

তৃতীয়তে এৰিষ্ট'টলে কৈছে যে স্বল্পতান্ত্ৰিক শাসনত শাসকসকলৰ ধন সম্পত্তি লাভ কৰাৰ বাবে যিটো প্ৰবৃত্তি গঢ়ি উঠে সেইটোৱে ইয়াৰ ধ্বংসৰ প্ৰকৃত আৰু যথেষ্ট কাৰণ নহয়। এই প্ৰবৃত্তিটো আনকি কিছুমান গণতান্ত্ৰিক ৰাষ্ট্ৰতো সক্ৰিয়ভাৱে থকা দেখিবলৈ পোৱা যায়। আনহাতে কিছুমান স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰই লাভ কৰাৰ বিৰুদ্ধে নিষেধাজ্ঞামূলক আইন গ্ৰহণ কৰি কাৰ্য্যকৰী কৰে। এখন স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰ ধ্বংসৰ এইটো অৱশ্যে নিঃসন্দেহে এটা কাৰণ হয়। কিন্তু

ইয়াৰ আৰু কিছুমান স্পষ্ট আৰু নিৰ্দিষ্ট কাৰণ আছে। উদাহৰণস্বৰূপে, ইয়াত গৰীব আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহক ক্ষমতাৰপৰা আঁতৰত ৰখা হৈছিল আৰু তেওঁলোকক ধনী মানুহবোৰে উৎপীড়নমূলক আৰু অপমানসূচক ব্যৱহাৰ কৰিছিল। আৰু এই কাৰণে তেওঁলোকে স্বল্পতান্ত্ৰিক শাসনৰ অৱসান ঘটাবলৈ এক-গোট হৈ থিয় দিছিল।

চতুৰ্থতে প্লেটোৰ মতে স্বল্পতন্ত্ৰ গণতন্ত্ৰলৈ পৰিবৰ্তিত হৈছিল আৰু গণতন্ত্ৰ অত্যাচাৰী শাসনলৈ পৰিবৰ্তিত হৈছিল। কিন্তু প্ৰকৃততে স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ কেইবাটাও প্ৰকাৰ আছে আৰু একপ্ৰকাৰ স্বল্পতন্ত্ৰৰপৰা আন প্ৰকাৰ স্বল্পতন্ত্ৰলৈ পৰিবৰ্তিত হ'ব পাৰে বা একপ্ৰকাৰ গণতন্ত্ৰৰপৰা আন প্ৰকাৰ গণ-তন্ত্ৰলৈও পৰিবৰ্তিত হ'ব পাৰে।

শেষত প্লেটোৱে বাছবিচাৰ নকৰাকৈ গণতন্ত্ৰৰ ওপৰত সমালোচনা আগ বঢ়াইছিল। প্ৰকৃততে গণতন্ত্ৰ সদায় জুমতন্ত্ৰ নহয়। গণতন্ত্ৰৰ বহুত ভাল গুণো আছে। গণতান্ত্ৰিক চৰকাৰ জনসাধাৰণৰ সন্মতিত প্ৰতিষ্ঠিত হয়।

উপসংহাৰত প্লেটোৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি আমি এইটো কথা ক'ব লাগিব যে প্লেটোৱে যিটো কথা আমাৰ দৃষ্টিগোচৰলৈ আনিবলৈ বিচাৰিছিল সেইটো হৈছে শাসকসকলৰ চৰিত্ৰৰ পৰিবৰ্তন হ'লে চৰকাৰৰ গঠনো পৰিবৰ্তন হয়। তেওঁৰ মতে বুদ্ধি আৰু জ্ঞানে এখন ৰাষ্ট্ৰ স্থায়ী আৰু সুখী কৰিব পাৰে। কিন্তু যেতিয়া বুদ্ধি আৰু জ্ঞানৰ ঠাই ধন সম্পত্তি আৰু ক্ষমতাৰ লোভে দখল কৰে তেতিয়া শাসকসকলৰ চৰিত্ৰ অনুসৰি বেলেগ বেলেগ গঠন আৰু আকৃতিৰ চৰকাৰী পৰিবৰ্তনবোৰ ধাৰাবাহিক ধৰে। প্লেটোৱে আমাক কোনো বিপ্লৱৰ তত্ত্ব দিব পৰা নাই, চৰকাৰৰ পৰিবৰ্তনৰ বিষয়ে আলোচনা কৰোঁতে তেওঁ কেৱল ইয়াৰ কেইটামান কাৰণহে উল্লেখ কৰিছে। এৰিষ্টটলে এইটো ভালদৰে বুজা নাছিল আৰু সেই গতিকে অনাহকতে তেওঁ প্লেটোৰ ওপৰত কিছুমান কটাক্ষ কৰিছিল। এই প্ৰসংগত জানিয়ে সঠিকভাৱেই মন্তব্য কৰিছে : "এই ক্ষেত্ৰত এৰিষ্টটলে প্লেটোৰ ওপৰত আগবঢ়োৱা সমালোচনা নিষ্ঠুৰ আৰু বহু পৰিমাণে অন্যায়।"

এৰিষ্টটলৰ বিপ্লৱৰ তত্ত্ব : ৰাজনৈতিক জীৱনৰ অৱনতি আৰু অবক্ষয়ৰ ফলত গ্ৰীচৰ নগৰৰাষ্ট্ৰসমূহত চৰকাৰবোৰৰ সঘনে পৰিবৰ্তন ঘটিছিল আৰু ইয়াৰ অৱসান ঘটাবলৈ এৰিষ্টটলে গভীৰভাৱে চিন্তা কৰিছিল আৰু সেই কাৰণেই বোধহয় তেওঁৰ কাপৰপৰা বিপ্লৱৰ তত্ত্ব ওলাইছিল। ৰাজনীতিৰ পঞ্চম পুথিত তেওঁ এই সম্বন্ধীয় বহুতো ঐতিহাসিক তথ্যৰ সমাবেশ ঘটাইছিল আৰু সেইবোৰৰ বিজ্ঞানসন্মত বিন্যাস কৰি তৰপৰা বিপ্লৱৰ তত্ত্ব আৱিষ্কাৰ কৰিছিল। পঞ্চম পুথিখনৰ (কোনো কোনো লেখকৰ মতে সপ্তম আৰু অষ্টম

পুস্তিকাত) বহুতো ভাগ আৰু উপভাগ আছে আৰু ইয়াত এৰিষ্ট'টলে তেওঁৰ কেইটামান অতি গুৰুত্বপূৰ্ণ মতৰ অৱতাৰণা কৰিছে। ইযাত তেও বিপ্লৱৰ কাৰণ বিচাৰি উলিওৱাত আৰু ইয়াৰ প্ৰতিষেধকৰ ব্যৱস্থা কৰাত পুৰঠ ৰাজ নৈতিক জ্ঞানৰ পৰিচয় দিছে। এৰিষ্ট'টলৰ বিপ্লৱৰ তত্ত্ব বিচাৰ প্ৰধানকৈ দুটা ভাগত বিভক্ত। প্ৰথম অংশটোত তেও স্বল্পতন্ত্ৰবাদী গণতন্ত্ৰবাদী অভিজাত তন্ত্ৰবাদী ৰজা আৰু অত্যাচাৰী শাসকৰ ব্যৱহাৰৰ বিষয়ে অলোচনা কৰিছে আৰু তেওঁলোক যাতে ক্ষমতাত থাকিব পাৰে তাৰবাবে তেওঁলোকক কিছুমান বাস্তৱ পৰামৰ্শ দিছে। ইয়াত তেও কাৰ্য্যকৰী জ্ঞান আৰু উদ্দেশ্যধৰ্মী জ্ঞান প্ৰদৰ্শন কৰিছে। তেওঁৰ ৰাজনীতিৰ এই অংশটোক মেকিয়াভেলিৰ ৰাজপুত্ৰ'ৰ লগত তুলনা কৰিব পাৰি। দ্বিতীয় অংশটোত তেও এখন ভাল আৰু স্থায়ী চৰকাৰৰ দাৰ্শনিক ভেটিৰ বিষযে আলোচনা কৰিছে। বিপ্লৱৰ তত্ত্ব বিচাৰ কৰোঁতে তেও চৰকাৰৰ চক্ৰাকাৰ পৰিবৰ্তনৰ তত্ত্ব ব্যৱহাৰ কৰা নাই আৰু প্লেটোৰ দৰে কোনো পূৰ্বপৰিকল্পিত পদ্ধতিও অৱলম্বন কৰা নাই। তেও গোটেই বিষযটোকে ঐতি হাসিক তথ্য আৰু অভিজ্ঞতাৰে বিবেচনা কৰিছিল।

যিবোৰ অৱস্থা আৰু কাৰণত ৰাষ্ট্ৰত বিপ্লৱ সৃষ্টি হয় এৰিষ্ট'টলে সেই বোৰক তিনিটা ভাগত বিভক্ত কৰি আলোচনা কৰিছে। সেইবোৰ হৈছে—কিছুমান কাৰণ আৰু অৱস্থাই ৰাষ্ট্ৰৰ একাংশ জনতাৰ মনত বিপ্লৱৰ ভাব জগাই তোলে বিপ্লৱীসকলৰ লক্ষ্য বা উদ্দেশ্য আৰু বিপ্লৱত যোগ দিবলগীয়া হোৱাৰ বিশেষ কাৰণ আৰু অৱস্থা।

বিপ্লৱৰ সাধাৰণ কাৰণবোৰ

এৰিষ্ট'টলৰ মতে বিপ্লৱৰ এটাই মাত্ৰ মৌলিক কাৰণ আছে সেইটো হৈছে ৰাষ্ট্ৰত চলি থকা অসমতা আৰু অন্যায়। উদাহৰণস্বৰূপে সাধাৰণ মানুহবোৰে সমতা প্ৰতিষ্ঠা কৰিবৰ বাবে বিপ্লৱ কৰে আৰু সম্পত্তিশালী বা ধনী মানুহবোৰে অসমতা ৰক্ষা কৰিবলৈ বা তেওঁলোকৰ শ্ৰেষ্ঠত্ব বজাই ৰাখিবলৈ বিপ্লৱ কৰে। স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত সাধাৰণ মানুহবোৰ আৰু ধনী মানুহবোৰ জন্মৰ ফালৰপৰা সমান কিন্তু ইয়াত সাধাৰণ মানুহবোৰে ধনী মানুহবোৰৰ লগত সকলো বিষয়তে সমান হ'বলৈ বিচাৰে। স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত সাধাৰণ মানুহবোৰে চৰকাৰী বিষয়-বাব আৰু সন্মানৰ অংশ নাপায় পালেও এটা ক্ষুদ্ৰ অংশহে পায়। গতিকে ইয়াত তেওঁলোকৰ প্ৰতি অন্যায় কৰা হয় আৰু সেই কাৰণে তেওঁলোকৰ মনত বিপ্লৱৰ ভাব জাগি উঠে। আনহাতে গণতান্ত্ৰিক ৰাষ্ট্ৰত ধনীসকলৰ সংখ্যা কম। ইয়াত

ধনীসকলে ভাবে যে তেওঁলোক সম্পত্তি আৰু বুদ্ধিবৃত্তিৰ সাধাৰণ মানুহবোৰতকৈ শ্ৰেষ্ঠ কিন্তু তথাপি তেওঁলোকক ৰাষ্ট্ৰই উপযুক্ত পৰিমাণে বিনিময় নিদিয়ে আৰু সেইবাবে তেওঁলোকে অসন্তুষ্টি অনুভৱ কৰে। তেওঁলোকৰ মনত সদায় ৰাষ্ট্ৰৰ প্ৰতি এটা বিদ্বেষৰ ভাব হৈ থাকে। নিজৰ শ্ৰেষ্ঠত্ব বজাই ৰাখিবলৈ তেওঁলোকে অসমতা বিচাৰে আৰু সেইটো নোহোৱা দেখিলে তেওঁলোকৰ মনত বিপ্লৱৰ ভাব জাগি উঠে। শাসকশ্ৰেণীৰ বিৰুদ্ধে সাধাৰণ অসন্তুষ্টি আৰু বঞ্চনাজনিত অসন্তুষ্টিৰ ফলতে বিপ্লৱ সংঘটিত হওক বা কিছুমান স্বাৰ্থপৰ বা দুৰাকাংক্ষী মানুহৰ প্ৰৰোচনাতে বিপ্লৱ সংঘটিত হওক বিপ্লৱৰ মূলে কাৰণবোৰ সকলো মানুহৰ মনত দেখিবলৈ পোৱা যায়। সেই কাৰণে এৰিষ্টটলে কৈছে— "যেনেকৈ ন্যায় আৰু বন্ধুত্বই ৰাষ্ট্ৰৰ নৈতিক ভিত্তি তেনেকৈ অন্যায় আৰু শত্ৰুতাই অসন্তোষ আৰু অস্থিৰতাৰ অন্তৰ্নিহিত শক্তিশালী কাৰণ। ৰাষ্ট্ৰ এখনত আনুপাতিক সমতা আৰু ভাল ব্যৱহাৰৰ অভাৱ হ'লে তাত ন্যায়ৰো অভাৱ হয়। তাৰ ফলত ৰাষ্ট্ৰখনৰ মানুহবোৰ দল উপদলত বিভক্ত হয়। যেতিয়া এটা জাতিৰ একাংশ মানুহৰ মনত এইটো বিশ্বাস হয় যে তেওঁলোকক ন্যায্য অধিকাৰৰপৰা বঞ্চিত কৰা হৈছে আৰু সমাজত ন্যায়ৰ অভাৱ হৈছে তেতিয়া জাতিটোৰ মানুহৰ মাজত সৌহাৰ্দ্যৰ ভাব থাকিব নোৱাৰে। গতিকে ন্যায় আৰু সমতাৰ নীতিৰ ব্যাখ্যাৰপৰাই বিপ্লৱৰ বীজাণুৰ জন্ম হয়। সকলোবোৰ বিপ্লৱৰ মূলতে এটা অন্যায় আৰু অসমতাৰ ভাব আছেই। আগতেই উল্লেখ কৰি অহা হৈছে যে সমতা দুই প্ৰকাৰৰ—আনুপাতিক সমতা আৰু বস্তুনিৰপেক্ষ সমতা। গণতন্ত্ৰবাদীসকলে ৰাষ্ট্ৰত বস্তুনিৰপেক্ষ সমতা প্ৰতিষ্ঠা কৰিবলৈ বিচাৰে। তেওঁলোকৰ মতে ৰাষ্ট্ৰত থকা নাগৰিকসকলে ধনী মানুহবোৰৰ উপভোগ কৰা সা সুবিধা আৰু ক্ষমতাবোৰ উপভোগ কৰিবলৈ পাব লাগে। তেওঁলোকৰ মতে জন্মৰ সময়ত ধনী আৰু গৰীৱ সমান গতিকে পাছতো সমান সুবিধা আৰু ক্ষমতা উপভোগ কৰিবলৈ পাব লাগে। আনহাতে ধনীসকলে ভাবে যে আনৰ লগত তেওঁলোক অসমান সম্পত্তি আৰু সামৰ্থ্যত তেওঁলোক সৰ্বসাধাৰণতকৈ শ্ৰেষ্ঠ আৰু সেইবাবে তেওঁলোকে ক্ষমতা আৰু সুবিধাৰ প্ৰধান অংশটো পাব লাগে। ন্যায়েই হওক বা অন্যায়েই হওক স্বল্পতন্ত্ৰত বহুতো লোকে ক্ষমতাৰ বাবে ইচ্ছা কৰে আৰু গণতন্ত্ৰত মুষ্টিমেয় লোকে অসমতাৰ বাবে ইচ্ছা কৰে। স্বল্পতন্ত্ৰত অসমতা থকাটো বহুতৰ বাবে অন্যায় আৰু গণতন্ত্ৰত সমতা থকাটোও কিছুমানৰ বাবে অন্যায়। গতিকে দুয়োখন ৰাষ্ট্ৰতে এচাম মানুহ গভীৰভাৱে অসন্তুষ্ট হৈ থাকে আৰু এই অসন্তুষ্ট মানুহবোৰৰ মনত বিপ্লৱৰ ভাব জাগি উঠে। ৰাজতন্ত্ৰতো কিছুমান মানুহে ভাবে যে তেওঁলোক গুণ আৰু সামৰ্থ্যত ৰজাতকৈ কোনোগুণে হেয় নহয়। গতিকে তেওঁলোকক

ৰাজক্ষমতাৰ অংশ নিদিয়াটো অন্যায় হৈছে। এইদৰে সকলো ৰাষ্ট্ৰতে ন্যায়ৰ স্বকীয়া স্বকীয়া অৱধাৰণাই মানুহৰ মনত বিপ্লৱী চেতনা আৰু ভাবৰ সৃষ্টি কৰে। গতিকে এখন ৰাষ্ট্ৰৰ বহুজনসংখ্যক মানুহৰ মনত সৃষ্টি হোৱা অন্যায়ৰ ধাৰণাই বিপ্লৱৰ মৌলিক কাৰণ। ৰাষ্ট্ৰত থকা এটা শ্ৰেণীৰ মানুহে যিখিনি পাব লাগে সেইখিনি নাপালে আৰু আন এটা শ্ৰেণীৰ মানুহে যিখিনি পাব লাগে তাতোকৈ বেছি পালে স্বাভাৱিকতে এটা শ্ৰেণীয়ে তেওঁলোকৰ প্ৰতি অন্যায় কৰা বুলি ভাবিব। ৰাষ্ট্ৰীয় সন্মান আৰু বিষয়বাব-বাবৰ বিতৰণত অন্যায় আৰু অসমতাই ঠাই পালে মানুহ বিপ্লৱমুখী হয়।

বিপ্লৱৰ উদ্দেশ্য : বিপ্লৱৰ উদ্দেশ্য কি ? বিপ্লৱৰ লক্ষ্য হৈছে লাভ আৰু সন্মান। বিপ্লৱীসকলে সদায় ইচ্ছা কৰে যেন তেওঁলোকৰ কোনো ক্ষতি নহয় আৰু সন্মান হানি নহয়। তেওঁলোকে আৰু ইচ্ছা কৰে যেন তেওঁলোকৰ বন্ধুসকলৰো কোনো ক্ষতি নহয় আৰু সন্মান হানি নহয়। আন কথাত ক'বলৈ গ'লে বিপ্লৱীসকলে বিপ্লৱ সংঘটিত কৰি অৰ্থনৈতিকভাৱে লাভবান হ'বলৈ বিচাৰে আৰু তেওঁলোকৰ সন্মান বঢ়াবলৈ ৰাষ্ট্ৰীয় ক্ষমতা দখল কৰিবলৈ বিচাৰে। কিন্তু এইবোৰ বিপ্লৱৰ কাৰণ নহয়, বিপ্লৱৰ প্ৰকৃত কাৰণ হৈছে ৰাজনৈতিক অন্যায়। ৰাজনৈতিক অন্যায়ৰ বিৰুদ্ধে যুঁজিলে অৰ্থনৈতিক সুবিধা আৰু সন্মান লাভ কৰিব পৰা যায়।

বিপ্লৱৰ বিশেষ কাৰণ আৰু অৱস্থা

কোনো এটা বিপ্লৱ সংঘটিত হ'ব লাগিলে তাৰ কিছুমান বিশেষ বা প্ৰত্যক্ষ কাৰণ থাকিব লাগিব। সমতা নোহোৱাৰ কাৰণে বা সমতা থকা কাৰণে যিসকল মানুহ লাভ আৰু সন্মানৰ বাবে অপেক্ষা কৰি থাকে তেওঁলোকৰ বাবে এটা সমস্যা কাৰণেই যথেষ্ট, বিতৰ্ক কেন্দ্ৰ কৰি তেওঁলোকে ৰাষ্ট্ৰত এটা বিপ্লৱ সংঘটিত কৰিব পাৰে। যেতিয়া শাসকসকলে উদ্ধতভাৱে ব্যৱহাৰ কৰে আৰু সমূহৰ অনিষ্ট সাধন কৰি নিজৰ স্বাৰ্থ পূৰণ কৰিবলৈ বিচাৰে তেতিয়া নাগৰিকসকলৰ মন বিপ্লৱমুখী হয়। আকৌ যদিহে ৰাষ্ট্ৰৰ গৰিষ্ঠসংখ্যক মানুহে শাসন কাৰ্যত অংশগ্ৰহণ কৰিবলৈ কোনো সুযোগ সুবিধা নাপায় আৰু লঘিষ্ঠসংখ্যক মানুহ সকলোৱেৰ ৰাষ্ট্ৰীয় ক্ষমতা উপভোগ কৰে, তেতিয়াও গৰিষ্ঠসংখ্যক মানুহে বিপ্লৱ কৰিবলৈ বাধ্য হয়। ৰাজনৈতিক দুৰ্নীতি ৰাষ্ট্ৰত কিছুমান মানুহৰ অনুচিত আৰু অবাঞ্ছিত প্ৰাধান্য, শাস্তি ভোগ কৰাৰ ভয় শাসকসকলৰ ব্যক্তিবোৰৰ

ওপৰত অযথাভাৱে জুলুম কৰি আদায় কৰা ধনবপৰা হোৱা অবৈধ লাভ চৰকাৰী ভঁৰালৰ ধন আত্মসাৎ নিজে অসম্মানিত হোৱা আৰু আনে অনুচিতভাৱে সন্মানিত হোৱা ৰাষ্ট্ৰৰ কোনো কোনো অংশৰ চকুতলগা উন্নতি আৰু বাকী অংশৰ অনগ্ৰগতি নিৰ্বাচনী চক্ৰান্ত সৰু সৰু পৰিবৰ্তনৰ প্ৰতি অৱহেলা ৰাষ্ট্ৰৰ প্ৰতি আনুগত্য নোহোৱা মানুহক ৰাষ্ট্ৰীয় পদলৈ মকৰল ৰাষ্ট্ৰৰ গাঁথনিত থকা ভিন্ন ৰূপৰ বিপ্লৱৰ উপাদান ৰাষ্ট্ৰত থকা বিভিন্ন জাতিৰ মাজত একতা আৰু সমহৃদয়তা ভাবৰ অভাৱ আদিয়েই বিপ্লৱ সংঘটিত হোৱাৰ বিশেষ বা প্ৰত্যক্ষ কাৰণ হ'ব পাৰে। এইবোৰৰ লগত যোগ দি এৰিষ্টটলে আৰু কৈছে যে শক্তি আৰু প্ৰবঞ্চনাইও বিপ্লৱ পৰিচালনাত এটা সক্ৰিয় ভূমিকা পালন কৰে। এই সকলোবোৰ উপাদান বিপ্লৱৰ সংঘটন কাৰ্যত আকস্মিকভাৱেহে প্ৰভাৱ বিস্তাৰ কৰে কিন্তু সমতা অসমতা ন্যায় অন্যায় আদিৰ ভাববোৰে মানুহৰ অন্তৰত বিপ্লৱৰ জুই ধীৰে ধীৰে জ্বলাই তোলে।

ওপৰৰ আলোচনাত এইটো স্পষ্টভাৱে দেখা গৈছে যে এখন ৰাষ্ট্ৰত তিনিটা উপাদান লগ লাগিলে এটা বিপ্লৱ সংঘটিত হ'ব পাৰে।

(১) অসমতা আৰু অন্যায়ৰ প্ৰতি মানুহৰ সচেতনতা

(২) আৰ্থিক সুবিধা আৰু সন্মান লাভৰ ইচ্ছা বা আৰ্থিক ক্ষতি আৰু অসন্মানৰপৰা ৰক্ষা পোৱা আৰু

(৩) বিদ্যমান প্ৰত্যক্ষ কাৰণ বা অৱস্থা।

এই তিনিটা উপাদানৰ ভিতৰত অন্যায় আৰু অসমতাৰ প্ৰতি সচেতনতাই আটাইতকৈ গুৰুত্বপূৰ্ণ। কিয়নো এইটোৱেই সকলো ৰাজদ্ৰোহ আৰু বিপ্লৱৰ মৌলিক কাৰণ। কিন্তু অন্যায়ৰ অৰ্থ সকলোৰে বাবে এক নহয়, বেলেগ বেলেগ মানুহ আৰু বেলেগ বেলেগ শ্ৰেণীয়ে অন্যায়ৰ ভিন ভিন অৰ্থ কৰে।

এইখিনিতে আমি এটা কথা লক্ষ্য কৰিছোঁ সম্ভৱতঃ যে এৰিষ্টটলৰ বিপ্লৱৰ হেতুত অৰ্থনৈতিক উপাদানে কোনো গুৰুত্বপূৰ্ণ ঠাই দখল কৰা নাই। এৰিষ্টটলে কোনো ঠাইতে স্পষ্টভাৱে কোৱা নাই যে দৰিদ্ৰ আৰু ধনীৰ কন্দল বা সম্পত্তিৰ পুনৰ বিতৰণৰ বাবে ক্ষমতা দখল কৰিবলৈ বিপ্লৱ সংঘটিত হ'ব পাৰে। এৰিষ্টটলৰ মতে ৰাজনৈতিক অন্যায়েই সকলো বিপ্লৱৰ বাবে দায়ী। সম্পত্তিৰ অসমতাতকৈ সন্মানৰ অসমতাই বিপ্লৱৰ বেছি শক্তিশালী কাৰণ। কিন্তু অৰ্থনৈতিক অন্যায়ৰ লগত ৰাজনৈতিক অন্যায়ৰ ঘনিষ্ঠ সম্পৰ্ক আছে। এই কথাটো এৰিষ্টটলে সঠিকভাৱে অনুভৱ কৰা নাছিল। পণ্ডিত ইতিহাসৰ অৰ্থনৈতিক ব্যাখ্যাৰ লগত এৰিষ্টটলৰ বিপ্লৱৰ হেতুৰ সম্পৰ্ক নাই।

বিপ্লৱৰ প্ৰতিষেধক ব্যৱস্থা

ৰাজনৈতিক অন্যায়েই যিহেতু সকলো বিপ্লৱৰ মূল কাৰণ ৰাষ্ট্ৰৰপৰা এই অন্যায় দূৰাব পাৰিলেই ৰাষ্ট্ৰত বিপ্লৱ সংঘটিত হোৱাৰ থল নাইকিয়া হ'ব। নাগৰিকসকলে যেতিয়ালৈকে ৰাজনৈতিক অন্যায় হোৱা বুলি ভাবি থাকিব তেতিয়ালৈকে তেওঁলোকৰ মনত বিপ্লৱৰ ভাব নাইকিয়া নহয়। গতিকে নাগৰিক সকলৰ মনলৈ যাতে ৰাজনৈতিক অন্যায়ৰ ভাব আহিব নোৱাৰে ৰাষ্ট্ৰই তাৰ ব্যৱস্থা কৰিব লাগিব। এই উদ্দেশ্যে এৰিষ্টটলে প্ৰধানকৈ চাৰিটা পৰামৰ্শ আগবঢ়াইছে।

(১) এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ সংবিধানখন নাগৰিকসকলৰ সম্মতিৰ ওপৰত ৰচিত হোৱা উচিত কিয়নো তেতিয়াহে সংবিধান সমৰ্থনকাৰীসকলৰ সংখ্যা সংবিধান বিৰোধীসকলৰ সংখ্যাতকৈ বেছি হ'ব। নাগৰিকসকলে স্বেচ্ছাই সংবিধানৰ প্ৰতি আনুগত্য দেখুৱাব লাগিব আৰু ইয়াক সমৰ্থন কৰিব লাগিব। জোৰ কৰি এই আনুগত্য আৰু সমৰ্থন আদায় কৰিব নালাগিব বা কোনো সুবিধা দিম বুলি প্ৰতিশ্ৰুতি দি বা লোভ দেখুৱাই এই আনুগত্য আৰু সমৰ্থন লাভ কৰিব নালাগিব।

(২) এৰিষ্টটলে পৰামৰ্শ দিছে যে বিপ্লৱৰ হাত সাৰিবলৈ প্ৰত্যেকবিধ চৰকাৰে মধ্যমপন্থী নীতি অৱলম্বন কৰা উচিত। শাসকসকলে তেওঁলোকৰ কৰ্তৃত্ব প্ৰয়োগ কৰোঁতে মধ্যমপন্থা অৱলম্বন কৰিব লাগে। তেওঁলোক সকলোৰে নাগৰিকক ন্যায়ভাৱে আৰু সুন্দৰভাৱে ব্যৱহাৰ কৰিব লাগে। অভিজাততন্ত্ৰ আৰু স্বল্পতন্ত্ৰত কিছুমান গণতান্ত্ৰিক অনুষ্ঠান স্থাপন কৰি সহজে এই নীতিটো অৱলম্বন কৰিব পাৰি। এখন স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত মুষ্টিমেয় ধনীসকলে জন সাধাৰণক ঘৃণা কৰা উচিত নহয়। তেওঁলোকে ইয়াত চৰকাৰী ধনৰ অপচয় কৰিব নালাগে। কিয়নো তেতিয়াহে দৰিদ্ৰসকলৰ ওপৰত কৰৰ বোজা পাতল হ'ব। এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত দৰিদ্ৰসকলে ধনীসকলক ঘৃণা পোষণ আৰু অসন্মান কৰা উচিত নহয় তেওঁলোকক যথোচিত সন্মান প্ৰদৰ্শন কৰাহে উচিত। শাসকশ্ৰেণীৰ সাৰ্বভৌম ক্ষমতাত প্ৰতিকূল প্ৰভাৱ নপৰাকৈ স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত উপযুক্ত দৰিদ্ৰ মানুহক কিছুমান ৰাষ্ট্ৰীয় পদবী দিয়া উচিত আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰত উপযুক্ত ধনী মানুহক দুই-এটা ৰাষ্ট্ৰীয় পদবী দিয়া উচিত।

(৩) ৰাষ্ট্ৰীয় বিষয়বাববোৰৰ উপযুক্ত বিন্যাস সাধন কৰিও বিপ্লৱ সংঘটিত হোৱাটো বন্ধ কৰিব পাৰি। প্ৰত্যেকবিধ চৰকাৰে এইটো চাব লাগে যেন চৰকাৰী ক্ষমতা অন্যায়ভাৱে ধন ঘটিবলৈ বা আন কোনো প্ৰকাৰ অবৈধ সুবিধা লাভ কৰিবলৈ ব্যৱহাৰ কৰা নহয়। এৰিষ্টটলৰ মতে সাধাৰণ বাইজ চৰকাৰী পদবীৰ বাবে

ৰৰ শৃংখলিত নহয়। গতিকে চৰকাৰী বিষয়বাব নাপালেও তেওঁলোকে ধৰকৈ সুৰ নথমায়। কিন্তু তেওঁলোকে চৰকাৰী ধন কোনোবাই আত্মসাৎ কৰাটো বিশেষকৈ চৰকাৰী বিষয়াসকলে আত্মসাৎ কৰাটো সহ্য কৰিব নোৱাৰে। তেতিয়া তেওঁলোকৰ দুটা ক্ষোভ হয় এটা ক্ষোভ হৈছে চৰকাৰী বিষয়বাব নোপোৱাৰ আৰু আনটো ক্ষোভ হৈছে চৰকাৰৰপৰা কোনো লাভ নাপোৱাৰ। এইবোৰৰপৰা হাত সাৰিবলৈ চৰকাৰী হিচাপ ৰাজহুৱাভাৱে ঘোষণা কৰিব লাগিব দুৰ্নীতি পৰায়ণ বিষয়াসকলক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰিব লাগিব সাধু বিষয়াসকলক উপযুক্ত বঁটা দিব লাগিব চৰকাৰী পদ অবৈধ লাভৰ কাৰণে ব্যৱহাৰ কৰাটো বন্ধ কৰিব লাগিব কোনো নাগৰিকক সন্মান আৰু মৰ্য্যাদাত অসমানুপাতিকভাৱে বাঢ়ি যাবলৈ দিব লাগিব। কিয়নো মানুহবোৰ সহজে নষ্ট হয় আৰু প্ৰত্যেক মানুহে উন্নতিৰ ভাৰ সহ্য কৰিব নোৱাৰে। নাগৰিকসকলক ক্ষমতা আৰু স্থানত লাহে লাহে উঠাই নিব লাগে হঠাতে উঠাই নিব নালাগে। তদুপৰি ৰাষ্ট্ৰীয় বিষয়বাববোৰ কোনো এটা শ্ৰেণীৰ মানুহৰ বাবে একচেটিয়া সম্পত্তি হ'ব নালাগে। গণতন্ত্ৰত ধনীসকলক আৰু স্বল্পতন্ত্ৰত দৰিদ্ৰসকলক কিছুমান ৰাষ্ট্ৰীয় বিষয় ভাগ দিব লাগে কিয়নো সাৰ্বভৌম ক্ষমতা প্ৰয়োগৰ ক্ষেত্ৰত ইয়াৰদ্বাৰা শাসক শ্ৰেণীটোৰে কোনো অসুবিধা নহয়।

(৪) সংবিধানৰ লগত সংগতি ৰক্ষা কৰি এটা শিক্ষাব্যৱস্থা প্ৰৱৰ্তন কৰাটোৱেই বিপ্লৱক বাধা দিয়াৰ আটাইতকৈ উত্তম উপায়। মানুহৰ অভ্যাস ধাৰণা সম্পৰ্কে আগে আকৌ কোৱাৰ লাগে নাই যে ৰাষ্ট্ৰ এখনৰ সংবিধানখনে ইয়াক কৰি আনে। ৰাষ্ট্ৰ এখনৰ নাগৰিকসকলৰ চৰিত্ৰই ইয়াৰ সংবিধানখনৰ গঠন আৰু চৰিত্ৰ ঠিক কৰে আৰু নাগৰিকসকলৰ চৰিত্ৰই সংবিধানখনক ধ্বংস আৰু ক্ষয়ৰ পৰা ৰক্ষা কৰিবও লাগিব। সেই গতিকে এৰিষ্টটলে এটা সুন্দৰ শিক্ষাব্যৱস্থাৰ যোগেদি নাগৰিকসকলৰ প্ৰয়োজনীয় মানসিক আৰু নৈতিক জ্ঞান বিকাশৰ ওপৰত যথেষ্ট গুৰুত্ব দিছিল। তেওঁৰ মতে ৰাষ্ট্ৰৰ সংবিধানৰ লগত শিক্ষাব্যৱস্থাৰ ঘনিষ্ঠ সম্বন্ধ থাকিব লাগিব। কিয়নো শিক্ষাব্যৱস্থাতে প্ৰত্যেক সংবিধানৰ চৰিত্ৰ প্ৰকাশ পায়। শিক্ষাব্যৱস্থাই সংবিধানৰ চৰিত্ৰ ৰক্ষা কৰে আৰু প্ৰকৃততে ইয়েই সংবিধানৰ জন্মগত কাৰণ। সংবিধানত কেৱল ৰাষ্ট্ৰীয় বিষয়ৰ বিতৰণৰ কথাই নাথাকে ই ৰাষ্ট্ৰীয় জীৱনৰো অংশ দিয়ে। সেইকাৰণে নাগৰিকসকলক ৰাষ্ট্ৰৰ সংবিধানৰ দৃষ্টিভংগীৰে শিক্ষিত কৰি তুলিব লাগিব। এখন স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰৰ নাগৰিকসকলক অপব্যয় নহয় বিলাস আৰু ধন আনন্দত প্ৰৱৃত্ত নহ'বলৈ শিক্ষা দিব লাগিব তেওঁলোকে কেঁচুৱাৰে দৰিদ্ৰসকলক ঘৃণা আৰু শোষণ কৰিব নালাগিব। দুখীয়াৰে ধনীসকলক অসন্মান আৰু শোষণ নকৰিবলৈ গণতান্ত্ৰিক

ৰাষ্ট্ৰত নাগৰিকসকলক শিক্ষা দিব লাগিব। মানুহৰ মনত যাতে অন্যায়ৰ ভাব জন্মিব নোৱাৰে তাৰ ব্যৱস্থা কৰিবলৈ এইবোৰেই উৎকৃষ্ট উপায়।

ওপৰত উল্লেখ কৰা প্ৰধান পৰামৰ্শকেইটাৰ উপৰিও বিপ্লৱৰ প্ৰতিষেধক ব্যৱস্থা হিচাপে আৰু কিছুমান ব্যৱস্থা গ্ৰহণ কৰিব পাৰি। সেই ব্যৱস্থাবোৰ হৈছে—

(১) এজন মানুহ বা এটা শ্ৰেণীৰ হাতত বৰ বেছি ৰাজনৈতিক ক্ষমতা জমা হ'বলৈ দিয়া উচিত নহয়।

(২) ৰাষ্ট্ৰত থকা সকলো শ্ৰেণীৰ মানুহকে সহানুভূতিৰে বিবেচনা কৰিব লাগে।

(৩) নাগৰিকসকলৰ মাজত সন্মান আৰু বঁটা বিস্তৃতভাৱে বিতৰণ কৰিব লাগে। ৰাষ্ট্ৰৰ ভিতৰত থকা কোনো মানুহ বা কোনো শ্ৰেণীৰ মানুহে এইটো অনুভৱ কৰিব নালাগে যে ৰাজনৈতিক পদ বা ক্ষমতা অধিকাৰ কৰাটো তেওঁ লোকৰ বাবে সম্ভৱপৰ নহয়। ৰাজনৈতিক দায়িত্ব পালন কৰিবলৈ সামৰ্থ্য থকা মানুহৰ বাবে ৰাজনৈতিক পদবীবোৰ সহজে লগ পোৱা ঠাইত থাকিব লাগে। সৰু সৰু বিষয়বাববোৰ দীঘলীয়া সময়ৰ বাবে দিব লাগে কিন্তু গুৰুত্বপূৰ্ণ বিষয়বাববোৰ চুটি সময়ৰ বাবে দিব লাগে। অচিনাকী লোকক সাধাৰণতে কোনো বিষয়বাব দিয়াটো উচিত নহয়। কোনো শ্ৰেণীৰ হাতত ৰাজনৈতিক ক্ষমতা এক চেটিয়াভাৱে থকাটো উচিত নহয়।

(৪) ৰাষ্ট্ৰৰ চৰকাৰ এনেভাৱে সংগঠিত হোৱা উচিত যাতে ৰাজনৈতিক ক্ষমতাত অধিষ্ঠিত লোকসকলে চৰকাৰী পদবী ব্যৱহাৰ কৰি ধন ঘটাৰ সুবিধা কৰিব নোৱাৰে। ভেটি খোৱা আৰু আন আন প্ৰকাৰৰ বেআইনী সুবিধা গ্ৰহণ কৰাটো অসম্ভৱ হোৱা উচিত বা এইবোৰৰ বল নাইকিয়া কৰা উচিত।

(৫) চৰকাৰ স্থায়ী হ'বলৈ আৰু ইয়াৰ জনপ্ৰিয়তা বঢ়াবলৈ অভ্যন্তৰীণ প্ৰশাসনৰ সবিশেষ বিশেষকৈ অৰ্থনৈতিক প্ৰশাসন জনসাধাৰণৰ পৰ্য্যবেক্ষণ আৰু পৰীক্ষাৰ বাবে খোলা থকা উচিত।

(৬) আনুপাতিক সমতা প্ৰৱৰ্তিত হ'লে ৰাষ্ট্ৰই স্থায়িত্ব লাভ কৰিব পাৰে কিয়নো ইয়াৰ ফলত যোগ্যজনে ৰাষ্ট্ৰত যোগ্য আসন লাভ কৰিব পাৰে।

(৭) স্বল্পতন্ত্ৰত বা গণতন্ত্ৰত সংখ্যালঘিষ্ঠ শাসকশ্ৰেণীটোক বা সংখ্যা গৰিষ্ঠ শাসকশ্ৰেণীটোক উচ্চতম পদবোৰৰ বাহিৰে আন সকলোবোৰ ৰাষ্ট্ৰীয় বিষয়বাব দিওঁতে অগ্ৰাধিকাৰ দিয়া উচিত। প্ৰশাসনীয় যোগ্যতা চাৰিত্ৰিক সাধুতা বা পবিত্ৰতা আৰু সংবিধানৰ প্ৰতি আনুগত্য বিচাৰ কৰিহে ৰাষ্ট্ৰৰ উচ্চতম আৰু

দায়িত্বপূৰ্ণ বিষয়বাববোৰ অৰ্পণ কৰা উচিত। গণতন্ত্ৰত ধনীসকলৰ সম্পত্তিক শ্ৰদ্ধা কৰা উচিত আৰু স্বল্পতন্ত্ৰত দৰিদ্ৰসকলৰ অধিকাৰ আৰু চৰ্তক সন্মান কৰা উচিত।

(৮) স্বল্পতন্ত্ৰ আৰু অভিজাততন্ত্ৰক লাহে লাহে গণতন্ত্ৰলৈ পৰিবৰ্তিত হ'বলৈ দিয়া উচিত নহয়। আনহাতে স্বল্পতান্ত্ৰিক বা গণতান্ত্ৰিক ভাব বহুদূৰলৈ আগবঢ়াই নিব নালাগে। এটা মধ্যবৰ্তী পন্থা অৱলম্বন কৰিব লাগে। এৰিষ্ট'টলৰ মতে ৰাজ্যব্যৱস্হা স্হাপনেই বিপ্লৱ ৰোধ কৰাৰ মহৌষধ। জনসাধাৰণৰ ইচ্ছাৰ ভিত্তিত ৰচিত নহ'লে কোনো সংবিধানেই বহু দিন টিকিব নোৱাৰে।

(৯) চৰকাৰে জনসাধাৰণক বিদেশী আক্ৰমণৰ ভয় দেখুৱাই ৰাখিব লাগিব আৰু প্ৰয়োজন হ'লে অভ্যন্তৰীণ বিপদো সৃষ্টি কৰিব লাগিব। কিয়নো তেতিয়াহে জনসাধাৰণ ৰাজনৈতিক অন্যায়ৰ প্ৰতি সচেতন হৈ নুঠিব।

(১০) এৰিষ্ট'টল এজন প্ৰকৃত বাস্তৱবাদী লোক আছিল আৰু তেওঁ ৰাষ্ট্ৰৰ নিৰাপত্তাক সকলোৰে ওপৰত স্হান দিছিল। ৰাষ্ট্ৰৰ স্বাৰ্থত আনকি তেওঁ ব্যক্তিৰ জীৱনৰ অভ্যন্তৰীণ বিষয়তো ৰাষ্ট্ৰৰ হস্তক্ষেপৰ অনুমতি দিছিল। তেওঁ প্ৰশ্ন কৰিছিল যে বিবাহ আৰু বন্ধুত্বৰ কাৰণেও যদি বিপ্লৱ ঘটিব পাৰে তেনে হ'লে কিয় এইবোৰ ৰাষ্ট্ৰৰদ্বাৰা নিয়ন্ত্ৰিত হোৱা উচিত নহয় ?

বিভিন্ন সংবিধানৰ অধীনত বিপ্লৱৰ কাৰণ আৰু প্ৰতিকাৰৰ উপায়

বিপ্লৱৰ কাৰণ আৰু প্ৰতিকাৰৰ বিষয়ে সাধাৰণভাৱে আলোচনা কৰি এৰিষ্ট'টলে বিভিন্ন সংবিধানৰ অধীনত বিপ্লৱৰ বিশেষ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ বিষয়ে বিশ্লেষণ কৰিছে।

ৰাজতন্ত্ৰত বিপ্লৱৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায় : এৰিষ্ট'টলৰ মতে ৰাজতন্ত্ৰত দুটা কাৰণত বিপ্লৱৰ সৃষ্টি হ'ব পাৰে।

(১) ৰাজ পৰিয়ালৰ সদস্যসকলৰ ভিতৰত কাজিয়া চলি থাকিলে বিপ্লৱ ঘটিব পাৰে।

(২) ৰজাই অত্যাচাৰী শাসকসকলৰ দৰে ব্যৱহাৰ কৰি ৰাষ্ট্ৰৰ পুৰণি প্ৰথা নীতি নিয়ম আৰু আইনবোৰ স্বেচ্ছাচাৰীভাৱে অমান্য কৰিলেও বিপ্লৱ ঘটিব পাৰে।

গতিকে ৰাজতান্ত্ৰিক ৰাষ্ট্ৰত বিপ্লৱ ৰোধ কৰিবলৈ ৰাজ পৰিয়ালৰ সদস্য সকলৰ মাজত থকা বিবাদৰ কাৰণসমূহ নাইকিয়া কৰিব লাগিব আৰু তেওঁলোকৰ

মাজত একতা স্থাপন কৰিব লাগিব। দ্বিতীয়তে ৰজাই তেওঁৰ কর্তৃত্ব ব্যৱহাৰ কৰোতে ৰাষ্ট্ৰৰ পুৰণি প্ৰথা নিয়ম নীতি আৰু আইনবোৰক সন্মান কৰি চলিব লাগিব আৰু তেও প্ৰজাসকলৰ কল্যাণ সাধন কৰিবলৈ চেষ্টা কৰিব লাগিব। তেতিয়াহে ৰজাক ৰাষ্ট্ৰৰ প্ৰজাসকলে স্বপ্ৰণোদিতভাৱে সন্মান দেখুৱাব আৰু যেতিয়া ৰজাৰ কৰ্তৃত্বক কোনোবাই প্ৰত্যাহ্বান জনায় তেতিয়া প্ৰজাসকল তেওঁৰ পাছত থিয় দিব। ৰাজতন্ত্ৰৰ অধীনত থকা কিছুমান মানুহে কেতিয়াবা ভাবে যে তেওঁলোকো ৰজাতকৈ সামৰ্থ্য আৰু জ্ঞানত হীন নহয়। গতিকে ৰাষ্ট্ৰীয় ক্ষমতাৰ ভাগ নোপোৱাটো তেওঁলোকৰ বাবে বৰ অপমানজনক কথা। এই লোকসকলে সময় সুবিধা চাই কেতিয়াবা ৰাজদ্ৰোহ বা বিপ্লৱ ঘটাব পাৰে আৰু তেতিয়া ৰজাৰ বাবে প্ৰজাসকলৰ সহায় সহানুভূতিৰ প্ৰয়োজন হয়।

স্বল্পতন্ত্ৰত বিপ্লৱৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায় স্বল্পতন্ত্ৰ সম্বন্ধে এৰিষ্টটলে কৈছে যে ইয়াত ৰাষ্ট্ৰীয় বিষয়বাব আৰু সন্মানবোৰ ধনীসকল আৰু তেওঁলোকৰ বংশধৰসকলে একচেটিয়াভাৱে উপভোগ কৰে আৰু তেওঁলোকে নিজৰ লাহ বিলাস আৰু বৃথা আনন্দৰ বাবে গৰীৱসকলক শোষণ আৰু উৎপীড়ণ কৰে আৰু প্ৰায়ে চৰকাৰী ক্ষমতা তেওঁলোকৰ ব্যক্তিগত লাভ আৰু সুখৰ বাবে প্ৰয়োগ কৰে। ইয়াৰ ফলস্বৰূপে গৰীৱসকলৰ মনত ধনীসকলৰ প্ৰতি এটা ঘৃণা আৰু বিদ্বেষৰ ভাব জন্মে। গৰীবসকলে ভাবে যে তেওঁলোকক ধনীসকলে বৰ অন্যায় কৰি আছে। এই অন্যায় আৰু অসমতাৰ ভাবটোৱে গৰীৱসকলৰ মনত বিপ্লৱৰ ভাব জন্মায় আৰু যেতিয়া এই ভাবটো চূড়ান্ত পৰ্য্যায়ত উপনীত হয় তেতিয়াই গৰীৱসকল বিপ্লৱত লিপ্ত হয়। তদুপৰি স্বল্পতন্ত্ৰবাদীসকলে নিজৰ ভিতৰতে শত্ৰুৰ সৃষ্টি কৰে। তেওঁলোকৰ মাজত ক্ষমতা আৰু সম্পত্তিৰ লোভ অতি প্ৰকট আৰু সেই উদ্দেশ্যে তেওঁলোকে সকলো শক্তি সামৰ্থ্য ব্যৱহাৰ কৰে। কিন্তু সময়ত ক্ষমতা আৰু সন্মান থকা বিষয়বাববোৰ কেইটামান নিৰ্দিষ্ট ধনী পৰিয়ালৰ লোক-সকলে একচেটিয়াভাৱে উপভোগ কৰিবলৈ ধৰে আৰু একে শ্ৰেণীৰে আনবোৰ মানুহ এইবোৰ ক্ষমতা আৰু সন্মানৰ পৰা বঞ্চিত হয়। গতিকে স্বাভাৱিকতে যিসকল মানুহে ৰাষ্ট্ৰীয় বিষয়বাব হেৰুৱায় বা যিসকল লোক ইয়াৰপৰা বঞ্চিত হয় তেওঁলোক মুষ্টিমেয় ভাগ্যবানসকলৰ প্ৰতি ঈৰ্ষান্বিত হয়। ব্যক্তিগত ঘৃণা ঈৰ্ষা আৰু অৰিয়াঅৰিয়েও কিছুমান মানুহক জনোৎপ্ৰেৰকত পৰিণত কৰে আৰু এই জনোৎপ্ৰেৰকসকলে জনসাধাৰণৰ মাজত শাসকচক্ৰৰ বিৰুদ্ধে তীব্ৰ বিদ্বেষৰ সৃষ্টি কৰে আৰু শেষত জনসাধাৰণক তেওঁলোকৰ নেতৃত্বত শাসকসকলৰ বিৰুদ্ধে বিপ্লৱ কৰিবলৈ বাধ্য কৰে। আকৌ স্বল্পতন্ত্ৰবাদীসকলে মধ্যবিত্ত শ্ৰেণীৰ মানুহ বোৰৰ মাজতো শত্ৰুৰ সৃষ্টি কৰে। কিয়নো এই শ্ৰেণীৰ মানুহবোৰকো ধনীসকল

শোষণ আৰু ঘৃণা কৰে। গতিকে মধ্যবিত্ত শ্ৰেণীৰ লকসকলেও ধনীসকলৰ বিৰুদ্ধে জনসাধাৰণৰ লগত বিপ্লৱত যোগ দিয়ে।

স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত বিপ্লৱ প্ৰতিৰোধ কৰিবলৈ শাসকসকলে মধ্যপন্থী নীতি অৱলম্বন কৰা উচিত। তেওঁলোকে নিজৰ মাজত থকা সকলোবোৰ অনৈক্য আৰু বিবাদৰ কাৰণ নাইকিয়া কৰিব লাগিব। তেওঁলোকে জনসাধাৰণৰ বাবে এটা ফলপ্ৰসু আৰু নিকা প্ৰশাসন ব্যৱস্থা কৰিব লাগিব। কিয়নো তেতিয়াহে জনসাধাৰণে বিশ্বাস কৰিব যে ধনী মানুহবোৰে তেওঁলোকৰ যোগ্যতা আৰু সমৰ্থ্যৰ গুণতহে শাসকৰ ক্ষমতা লাভ কৰিছে। সম্পত্তি আৰু ক্ষমতাৰ কাৰণে তেওঁলোকে অহমিকা প্ৰদৰ্শন কৰা উচিত নহয়। তেওঁলোকে কেতিয়াও গৰীৱ শ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণীৰ মানুহবোৰক ঘৃণা কৰিবলৈ নাপায় আৰু তেওঁলোকৰ সূক্ষ্ম অনুভূতিবোৰত আঘাত কৰা উচিত নহয়। চৰকাৰী পদ আৰু ক্ষমতা ব্যৱহাৰ কৰি তেওঁলোকে নতুন ধন সম্পত্তি আৰু নতুন ক্ষমতা লাভ কৰিবলৈ চেষ্টা কৰা উচিত নহয়। কিয়নো ইয়েই জনসাধাৰণৰ মাজত এনে এটা ভৰ জগাই তুলিব যে শাসকসকলে সততা আৰু নিষ্ঠাৰে এই ব্যৱস্থাবোৰ গ্ৰহণ কৰিলে তাত বিপ্লৱ সংঘটিত হোৱাৰ সম্ভাৱনা বৰ কম হৈ থাকিব। স্পাৰ্টা এখন স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰ আছিল আৰু তাত বিপ্লৱ সংঘটিত হোৱা নাছিল।

গণতন্ত্ৰত বিপ্লৱৰ কাৰণ আৰু তাৰ প্ৰতিকাৰৰ উপায় : এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত ক্ষমতা আৰু সন্মানৰ সৰহসংখ্যক পদ গৰীৱসকলে একচেটিয়া ভাৱে উপভোগ কৰে আৰু ইয়াত ধনীসকলক শোষণ আৰু অৱহেলা কৰা হয়। তেওঁলোকৰ ওপৰত কৰৰ গধুৰ বোজা জাপি দিয়া হয় আৰু তেওঁলোকক পৰা পক্ষত কোনো ৰাষ্ট্ৰীয় বিষয়বাব দিয়া নহয়। ধনীসকলে অজ্ঞ অনভিজ্ঞ আৰু অযোগ্য মানুহবোৰৰদ্বাৰা শাসিত হ'বলৈ ইচ্ছা নকৰে। গতিকে তেওঁলোকে সদায় ভাবি থাকে যে ৰাষ্ট্ৰই তেওঁলোকৰ প্ৰতি ঘোৰ অন্যায় কৰি আছে। গৰীৱ শ্ৰেণী আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত গণতন্ত্ৰৰ শত্ৰু নাই, ধনীসকলৰ মাজতহে গণতন্ত্ৰৰ শত্ৰু দেখিবলৈ পোৱা যায়। কিন্তু ধনীসকলৰ সংখ্যা বৰ কম আৰু সাধাৰণতে তেওঁলোকে জনসাধাৰণৰপৰা সমৰ্থন লাভ কৰিব নোৱাৰে আৰু সেই বাবে তেওঁলোকৰ পক্ষে এটা বিপ্লৱী দল সংগঠন কৰাটো বৰ টান কাম। তদুপৰি গণতান্ত্ৰিক ৰাষ্ট্ৰত মধ্যবিত্ত লোকসকল সন্তুষ্ট হৈ থাকে আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰত এই শ্ৰেণীটো এটা শক্তিশালী সংৰক্ষকাৰী আৰু স্থায়ীকাৰী শক্তি।

গতিকে জনসাধাৰণৰ চৰিত্ৰৰপৰাই গণতন্ত্ৰৰ বিপদৰ সূত্ৰপাত হয়। বেছি ভাগ মানুহে স্বাধীনতা সমতা আদিৰ অৰ্থ বুজি নাপায়। বেছিভাগ মানুহৰ বাবে স্বাধীনতাৰ অৰ্থ হৈছে আইনৰ সকলো বাধা নিষেধৰপৰা মুক্তি আৰু নিজৰ

ইচ্ছামতে সকলো কাম কৰাৰ অধিকাৰ। বাছভাগ মানুহে আইন মানি চলিবলৈ ইচ্ছা নকৰে। কিয়নো আইন মানুহে ইচ্ছামতে তৈয়াৰ কৰিব পাৰে আৰু বাতিল কৰিবও পাৰে। বহুতৰ মতে সমতাৰ অৰ্থ হৈছে সকলোবোৰ ব্যক্তি সকলো বিষয়তে সমান। তেওঁলোকৰ মতে ব্যক্তিসকলৰ মাজত জ্ঞান আৰু সামৰ্থ্যৰ পাৰ্থক্য নাই। এনেকৈ স্বাধীনতা স্বেচ্ছাচাৰিতাত পৰিণত হয় আৰু সমতাই জনমতন্ত্ৰ স্থাপিত কৰে। ইয়াৰ ফলস্বৰূপে ৰাষ্ট্ৰত বিশৃংখলতা গোলমাল আৰু অস্থিৰতাৰ সৃষ্টি হয়। এনেকুৱা এটা অৱস্থাত উচ্চ ব্যক্তিত্বসম্পন্ন এজন নেতাৰ প্ৰয়োজন হয় যিজন নেতাই ৰাষ্ট্ৰখনক সম্ভাব্য ধ্বংসৰপৰা ৰক্ষা কৰিব পাৰে।

কিন্তু গণতন্ত্ৰৰ আটাইতকৈ ডাঙৰ শত্ৰু হৈছে ধনী মানুহবোৰ বা ধনী শ্ৰেণীটো। এই শ্ৰেণীটোৱে তেওঁলোকৰ ওপৰত অযোগ্য আৰু অসমৰ্থ গৰীব সকলে প্ৰাধান্য বিস্তাৰ কৰি থকাটো সহ্য কৰিবলৈ বৰ টান পায়। তেওঁলোকৰ মতে গৰীবসকলে ৰাষ্ট্ৰীয় ক্ষমতা ধনীসকলৰ বিৰুদ্ধে ব্যৱহাৰ কৰে আৰু সেই গতিকে ধনীসকলে ভাবে যে গৰীবসকলে তেওঁলোকৰ প্ৰতি সদায় অন্যায় কৰি আছে আৰু এই ভাবটোৱে ধনীসকলৰ মনত বিপ্লবৰ ভাব জগাই তোলে।

গণতান্ত্ৰিক ৰাষ্ট্ৰত বিপ্লৱ ৰোধ কৰিবলৈ এৰিষ্টটলে এই পৰামৰ্শ আগ বঢ়াইছে।

(১) নাগৰিকসকলক গণতন্ত্ৰৰ প্ৰকৃত আদৰ্শত প্ৰশিক্ষিত কৰিব লাগিব, তেওঁলোকক আত্মনিয়ন্ত্ৰণ কৰিবলৈ আৰু মিতাচাৰী ব্যৱহাৰ কৰিবলৈ শিকাব লাগিব। তেওঁলোকক আইনক শ্ৰদ্ধা কৰিবলেও শিকাব লাগিব। তেওঁলোকে এইটো বিশ্বাস কৰিব লাগিব যে আইনৰ বাধানিষেধ মানিহে নাগৰিকসকলে তেওঁলোকৰ স্বাধীনতা উপভোগ কৰিব পাৰে আৰু আইনৰ অধীনত থাকিলেই মানুহ দাস নহয়। প্ৰকৃত যোগ্যতা আৰু গুণৰ মূল্য বুজিবলৈ আৰু ইয়াৰ বিচাৰ কৰিবলৈ তেওঁলোকক শিক্ষা দিয়া উচিত। কিয়নো তেতিয়াহে তেওঁলোকে বুজিব যে সামৰ্থ্য আৰু যোগ্যতাৰ ভিত্তিতহে নাগৰিকসকলৰ ওপৰত ৰাষ্ট্ৰীয় বিষয়বাব আৰু সন্মান অৰ্পণ কৰা হৈছে। দ্বিতীয়তে ধনী মানুহবোৰক উৎপীড়ণ আৰু দমন কৰিবলৈ গৰীবসকলক অনুমতি দিয়া উচিত নহয়। কেইটামান ব্যৱস্থাৰ দ্বাৰা এইটো কৰিব পৰা যায় যেনে— আইনসভা আৰু আদালতত উপস্থিত থকাৰ বাবে নাগৰিকসকলক দিয়া ভাট্টাৰ পৰিমাণ নামমাত্ৰ হ'ব লাগে আইনসভা আৰু আদালতৰ অধিবেশন চুটি আৰু কম হ'ব লাগে যেয়ে হ'লে এইবোৰ নাগৰিকসকলৰ বাবে আকৰ্ষণীয় হৈ পৰিব। অনাহকত কোনোবাই ধনী মানুহৰ ওপৰত উৎপীড়ণ কৰিলে তেওঁক গুৰুতৰ শাস্তি বিহিব লাগে। ধনীসকলৰ

পৰা আদায় কৰা জৰিমনাবোৰ ধৰ্মীয় কাৰ্য্যত খৰচ কৰিব লাগে রাজনৈতিক উদ্দেশ্যে খৰচ কৰিব নালাগে।

শেষত জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থা চকুত লগাকৈ উন্নতি সাধন কৰিব লাগে। তেতিয়াহে সাধাৰণ মানুহবোৰক জয় কৰিবলৈ বিপ্লৱৰ প্ৰবক্তাসকলে তেওঁলোকৰ আগত ডাঙৰ ডাঙৰ প্ৰতিশ্ৰুতিবোৰ দিব নোৱাৰিব। কিয়নো সাধাৰণতে বিপ্লৱৰ প্ৰবক্তাসকলে জনসাধাৰণৰ আৰ্থিক দুৰ্গতি আঁতৰ কৰিবলৈ তেওঁলোকৰ সম্মুখত নানা প্ৰতিশ্ৰুতি দাঙি ধৰে। জনসাধাৰণৰ মাজত অসহনীয় দাৰিদ্ৰ্য বিৰাজ কৰি থাকিলে তেওঁলোকৰ বাবে স্বাধীনতা আৰু সমতা অৰ্থহীন হৈ পৰে আৰু তেতিয়া তেওঁলোক ধনীসকলৰ ওপৰত ক্ৰোধান্বিত হৈ পৰে আৰু তেওঁলোকৰ নিজৰ শাসনৰ ওপৰতো বিশ্বাস নোহোৱা হয়। এই অৱস্থাটোৰ সৃষ্টি যাতে হ'ব নোৱাৰে তাৰবাবে জনসাধাৰণৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিবলৈ প্ৰণালীবদ্ধভাৱে চেষ্টা কৰিব লাগিব আৰু জনসাধাৰণক কিছু পৰিমাণে আৰ্থিক নিৰাপত্তা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। এই উদ্দেশ্যে এটা ৰাষ্ট্ৰীয় পুঁজিৰ সৃষ্টি কৰিব পাৰি আৰু এই পুঁজিৰপৰা গৰীৱসকলক খেতি আৰু ব্যবসায়ৰ কামত সহায় কৰিব পাৰি। ধনী মানুহবোৰেও গৰীৱসকলক এইবোৰ কামত সহায় কৰিব পাৰে আৰু কৰা উচিত। কম দায়িত্বসম্পন্ন আৰু কাৰিকৰী জ্ঞানৰ প্ৰয়োজনীয়তা নোহোৱা কিছুমান বিষয়বাব ভাগ্য পৰীক্ষাৰদ্বাৰা সাধাৰণ মানুহবোৰৰ ওপৰত অৰ্পণ কৰিব লাগে।

এৰিষ্টটলৰ মতে গণতান্ত্ৰিক ৰাষ্ট্ৰত স্থায়িত্ব বেছি আৰু সেই গতিকে ইয়াত বিপ্লৱৰ সম্ভাৱনা কম আৰু স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত স্থায়িত্ব কম আৰু সেই গতিকে তাত বিপ্লৱৰ সম্ভাৱনা বেছি।

অত্যাচাৰী শাসনত বিপ্লৱৰ কাৰণ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায় : অত্যাচাৰী শাসন সম্বন্ধে এৰিষ্টটলে কৈছে যে অত্যাচাৰী শাসকসকলে যিটো লাহ-বিলাসপূৰ্ণ আৰু অনৰ্থক গৰ্বৰ জীৱন যাপন কৰে সেইটোৱে সাধাৰণ মানুহবোৰক অতিষ্ঠ কৰি তোলে। অত্যাচাৰী শাসকসকলে তেওঁলোকৰ প্ৰজাসকলৰ ওপৰত অৱজ্ঞা আৰু অপমানসূচক ব্যৱহাৰ কৰে আৰু ইয়াৰ ফলত তেওঁলোকৰ বিৰুদ্ধে জনসাধাৰণৰ ক্ৰোধ আৰু ঘৃণাৰ ভাব বাঢ়ি যায়। অত্যাচাৰী শাসনত শাসকসকলে স্বেচ্ছাচাৰী আৰু দায়িত্বহীনভাৱে প্ৰজাসকলক ব্যৱহাৰ কৰে আৰু ইয়াত তেওঁলোকে জনসাধাৰণৰ অনিষ্ট সাধন কৰি নিজৰ স্বাৰ্থ পূৰণ কৰি লয়। এনে এটা অৱস্থা প্ৰজাসকলে বেছিদিন সহ্য কৰি থাকিব নোৱাৰে। সোনকালে তেওঁলোকে অত্যাচাৰী শাসকৰ বিৰুদ্ধে বিপ্লৱী সংগঠন গঢ়ি তুলি অত্যাচাৰী শাসনৰ অৱসান ঘটাবলৈ আপ্ৰাণ চেষ্টা কৰিবলগীয়া হয়।

অত্যাচাৰী শাসনত বিপ্লৱ ৰোধ কৰিবলৈ দুটা পৰস্পৰবিৰোধী পদ্ধতি অৱলম্বন কৰিব পাৰি। ইয়াৰে প্ৰথম পদ্ধতিটো দমনমূলক। এই পদ্ধতি অনুসৰি অত্যাচাৰী শাসকে প্ৰজাসকলক যিকোনো প্ৰকাৰৰ ৰাজনৈতিক কাৰ্য্যৰ বাবে শক্তি-হীন কৰি পেলাব লাগিব। এই উদ্দেশ্যে তেওঁ এটা কাৰ্য্যক্ষম গুপ্তচৰৰ দল সংগঠিত কৰিব লাগিব তেওঁ সঠিকভাৱে খবৰ পাই থাকিব লাগিব প্ৰজাসকলে তেওঁৰ বিৰুদ্ধে কি কৈছে আৰু কি কৰিছে। সভা সমিতি অনুষ্ঠিত হোৱাটো আৰু সন্থা উপসন্থা গঠিত হোৱাটো আইনৰদ্বাৰা নিষিদ্ধ কৰিব লাগিব। শক্তি শালী ব্যক্তিবোৰক ৰাষ্ট্ৰৰপৰা বহিষ্কৃত কৰিব লাগিব আৰু সাহসী মানুহবোৰক কিবা এটা দোষ উলিয়াই ধ্বংস কৰিব লাগিব। অত্যাচাৰী শাসকজনে ৰাষ্ট্ৰৰ মানুহবোৰক অজ্ঞ আৰু দুৰ্বল কৰি ৰাখিব লাগিব। ৰাষ্ট্ৰত থকা বিভিন্ন অংশৰ জনসাধাৰণৰ মাজত তেওঁ অনৈক্য আৰু বিবাদৰ বীজ সিঁচি ৰাখিব লাগিব। কিয়নো পাছত সেইবোৰ গজি উঠিলে জনসাধাৰণে তেওঁৰ বিৰুদ্ধে থিয় দিবলৈ কোনো সমূহীয়া কাৰণ বিচাৰি উলিয়াব নোৱাৰিব বৰং ন্যায আৰু নিৰাপত্তা বিচাৰি তেওঁৰ ওচৰ চাপিবলগীয়াহে হ'ব।

দ্বিতীয পদ্ধতিটো শান্তিপূৰ্ণ আৰু সৌহাৰ্দ্যমূলক। এৰিষ্টটলৰ মতে এই পদ্ধতিটো প্ৰথম পদ্ধতিটোতকৈ বহুত ভাল আৰু ফলপ্ৰসূ। এই পদ্ধতিটোত অত্যাচাৰী শাসকজন এজন ন্যাযপৰাযণ লোক আৰু মহান প্ৰশাসক হিচাপে দেখা দিযা উচিত হ'ব। তেওঁ প্ৰজাসকলৰ ওপৰত কৰৰ বোজা পাতলকৈ পেলাব লাগিব চৰকাৰী ধন ঠিকভাৱে খৰচ কৰিব লাগিব আৰু তাৰ হিচাপ সময়ে সময়ে জনসাধাৰণৰ আগত দাঙি ধৰিব লাগিব। তেওঁ নিজে উপযুক্ত লোকক সন্মান আৰু পুৰস্কাৰ দিয়া উচিত হ'ব কিন্তু কাৰোবাক শাস্তি দিবলগীয়া হ'লে বা কাৰোবাক অসন্মান জনাবলগীয়া হ'লে সেইটো আনৰদ্বাৰাই কৰোৱা উচিত হ'ব। বন্ধুত্ব স্থাপনৰদ্বাৰা তেওঁ উচ্চ শ্ৰেণীৰ মানুহবোৰৰপৰা সন্মান আৰু আনুগত্য লাভ কৰিব লাগিব আৰু কৃত্ৰিম উপায় অৱলম্বন কৰি জন সাধাৰণৰপৰা সন্মান আৰু আনুগত্য লাভ কৰিব লাগিব। উদাহৰণস্বৰূপে ডেমাগ'গীও এটা তেনেকুৱা কৃত্ৰিম উপায়। ধনী আৰু গৰীৱসকলৰ আগত তেওঁ নিজৰ নিৰপেক্ষতা দেখুৱাব পাৰিব লাগিব আৰু এই দুয়োটা শ্ৰেণীক এটাই আনটোৰ অন্যায় সাধন কৰাৰপৰা আঁতৰত ৰাখিব লাগিব। কিন্তু কিবা কাৰণত তেওঁ কোনো এটা শ্ৰেণীৰ পক্ষ ল'বলগীয়া হ'লে তেওঁ সদায় শক্তিশালী শ্ৰেণী টোৰ পক্ষ অৱলম্বন কৰিব লাগিব। ধৰ্ম আৰু নৈতিকতাৰ প্ৰতি তেওঁ প্ৰয়ো জনীয় সন্মান প্ৰদৰ্শন কৰিব লাগিব। তেওঁ অনৰ্থক লাহ বিলাসত জীৱন কটাব নালাগিব। সেই গতিকে এৰিষ্টটলে কৈছে— 'তেওঁ দেখাত সাধু আৰু পবিত্ৰ

হোৱা উচিত অন্ততঃ অৰ্ধেক পৰিমাণে হ'লেও সাধু আৰু পবিত্ৰ হোৱা উচিত আৰু যদি তেওঁ দুষ্ট হয় তেতিয়াও আধা দুষ্ট হোৱা উচিত। ইয়াত এৰিষ্টটলে আমাৰ আগত এজন পূৰ্বৰ মেকিয়াভেলিৰ ৰূপত দেখা দিছে। তেওঁৰ এই ৰূপটোৰ লগত তেওঁৰ নৈতিক আদৰ্শৰ বৰ বেছি মিল নাই। অৱশ্যে তেওঁক সমৰ্থন কৰিবলৈ গৈ আমি এইটো ক'ব পাৰো যে পৃথিৱীৰ মানুহৰ বিষয়ে বিস্তৃত অভিজ্ঞতা লাভ কৰি তেওঁ এইটো ভালদৰে বুজি পাইছিল যে এটা জাতিৰ জীৱনৰ কোনো এটা সময়ত নিৰ্মম অত্যাচাৰী শাসনৰো ঐতিহাসিক প্ৰয়োজনীয়তা আছে।

এৰিষ্টটলৰ বিপ্লৱৰ তত্ত্বৰ মূল্যায়ন

ৰাজনীতি বিজ্ঞানলৈ এৰিষ্টটলে আগবঢ়োৱা বৰঙণিবোৰৰ ভিতৰত তেওঁৰ বিপ্লৱৰ তত্ত্ব অন্যতম। এই আমোদজনক বিষয়টো তেওঁ যিভাৱে খৰচি মাৰি আলোচনা কৰিছে আন কোনো লেখকে সেইদৰে আলোচনা কৰিব পৰা নাই। মানৱ প্ৰকৃতিৰ বিষয়ে থকা তেওঁৰ গভীৰ অন্তৰ্দৃষ্টি আৰু গ্ৰিক আৰু অনাগ্ৰিক ৰাষ্ট্ৰবোৰৰ উত্থান পতনৰ বিষয়ে থকা তেওঁৰ বিস্তৃত জ্ঞানৰ দ্বাৰা তেওঁ এইটো ভালদৰে উপলব্ধি কৰিছিল যে নৈতিক মানদণ্ডৰ বিচাৰত যিকোনো ভাল বা বেয়া চৰকাৰৰে ঐতিহাসিক প্ৰয়োজনীয়তা আৰু ন্যায্যতা আছে। প্ৰথমে তেওঁ আমাৰ আগত সাধাৰণভাৱে বিপ্লৱৰ কাৰণবোৰ আৰু ইয়াৰ প্ৰতিকাৰৰ উপায়বোৰ দাঙি ধৰিছে আৰু তাৰ পাছত বিশেষ গঠনৰ চৰকাৰবোৰত উদ্ভৱ হ'ব পৰা বিপ্লৱৰ কাৰণবোৰ ফঁহিয়াই দেখুৱাইছে আৰু তাৰ প্ৰতিষেধক ব্যৱস্থা হিচাপে কিছুমান মূল্যবান পৰামৰ্শ আগবঢ়াইছে। আনকি তেওঁ বিপ্লৱৰ মৌলিক কাৰণ উদ্দেশ্য আৰু প্ৰত্যক্ষ কাৰণবোৰো পুংখানুপুংখৰূপে ব্যাখ্যা কৰিছে আৰু এইবোৰক তেওঁ বিপ্লৱৰ কাৰণ উদ্দেশ্য আৰু উপলক্ষ্য বুলি অভিহিত কৰিছে। তেওঁৰ মতে বিপ্লৱৰ মৌলিক কাৰণ এটাই— সেইটো হৈছে প্ৰকৃত বা ধৰি লোৱা অসমতা আৰু অন্যায়বোধ। বিপ্লৱৰ লক্ষ্য হৈছে— অৰ্থনৈতিক সুবিধা লাভ কৰা বা অৰ্থনৈতিক ক্ষতিৰপৰা হাত সৰা। যিকোনো গুৰুত্বৰ বা সাধাৰণ ঘটনাই বিপ্লৱৰ জুই জ্বলাব পাৰে। তেওঁ এইটো ঠিকেই কৈছে যে অসমতা আৰু অন্যায়বোধৰ পৰাই মানুহৰ মনত বিপ্লৱী চেতনাৰ উদয় হয়। ৰাষ্ট্ৰৰ জনসমষ্টিৰ এটা অংশৰ মনত এবাৰ এই অনুভূতিটোৱে ক্ৰিয়া কৰিবলৈ আৰম্ভ কৰিলে সেই অংশটোৱে ৰাষ্ট্ৰত চলি থকা শক্তিৰ ভাৰসাম্যৰ পৰিবৰ্তন কৰিবলৈ বিচাৰে আৰু তাৰপৰা চলিত ৰাষ্ট্ৰই তেওঁলোকক বঞ্চিত কৰি ৰখা আৰ্থিক সা সুবিধাবোৰ লাভ কৰি-

বলৈ চেষ্টা কৰে আৰু তেনে অৱস্থাত যিকোনো এটা সাধাৰণ উপলক্ষ্যতে তেও লোকে ৰাষ্ট্ৰত বিপ্লৱ ঘটায়।

এৰিষ্টটলে ৰাজতন্ত্ৰ স্বল্পতন্ত্ৰ গণতন্ত্ৰ আৰু অত্যাচাৰী শাসনত উদ্ভৱ হ'ব পৰা বিপ্লৱৰ কাৰণসমূহৰ বিষয়ে আলোচনা কৰিছে। ইয়াৰ লগতে তেওঁ এই ৰাষ্ট্ৰবোৰে বিপ্লৱ ৰোধ কৰিবলৈ কোনবোৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে সেই বিষয়েও মূল্যবান পৰামৰ্শ আগবঢ়াইছে। আনকি তেওঁৰ দৃষ্টিত অত্যাচাৰী শাসনো নপৰাকৈ থকা নাই। তেওঁ কৈছে যে অত্যাচাৰী শাসক এজনে যদি তেওঁৰ শাসন স্থায়ী কৰিবলৈ বিচাৰে তাত তেওঁ বিপ্লৱ ৰোধ কৰিবলৈ এটা শান্তি পূৰ্ণ আৰু সৌহাৰ্দ্যমূলক পদ্ধতি গ্ৰহণ কৰা উচিত দমনমূলক পদ্ধতি গ্ৰহণ কৰা উচিত নহয়।

ৰাজনৈতিক সংগঠন আৰু ব্যৱহাৰত অৰ্থনৈতিক উপাদানৰ প্ৰভাৱৰ ওপৰত গুৰুত্ব দি এৰিষ্টটল আধুনিক ৰাজনীতিবিজ্ঞানবিদৰ শাৰীত থিয় দিব পৰা হৈছে তেওঁ ইয়াত কৈছে যে যিবোৰ ৰাষ্ট্ৰত চৰম দাৰিদ্ৰ্য নাই আৰু য'ত মধ্যবিত্ত শ্ৰেণীটোৱে ৰাষ্ট্ৰৰ জনসমষ্টিৰ শক্তিশালী উপাদান সেইবোৰ ৰাষ্ট্ৰত শান্তি আৰু স্থায়িত্ব বিৰাজ কৰি আছে। অধ্যাপক লাস্কিয়ে তেওঁৰ লেখনীৰ ঠায়ে ঠায়ে বাৰে বাৰে কোৱাৰ দৰে কাৰ্ল মাৰ্ক্সে ব্যাখ্যা কৰা ইতিহাসৰ বস্তুবাদী বিশ্লেষণ ভুল হ'ব পাৰে। কিয়নো তেওঁ অৰ্থনৈতিক উপাদানকে ইতিহাস নিৰ্ণয়ৰ একমাত্ৰ উপাদান বুলি গণ্য কৰিছে কিন্তু ৰাষ্ট্ৰৰ আইন ব্যৱস্থাৰদ্বাৰা চৰকাৰে ৰাষ্ট্ৰত থকা ধনী শ্ৰেণীটোৰ দাবীবোৰ পূৰণ কৰিবলৈ চেষ্টা কৰে। কিয়নো এই শ্ৰেণীটো কেৱল প্ৰশাসন আৰু আইন সম্বন্ধে ৰাষ্ট্ৰীয় নীতি গ্ৰহণত আটাইতকৈ বেছি প্ৰভাৱ বিস্তাৰ কৰিব পাৰে। ইতিহাসত ইয়াৰ যথেষ্ট প্ৰমাণ পোৱা যায়। আমি আমাৰ নিজৰ চকুৰ আগত দেখিছোঁ– কেনেকৈ অৰ্থনৈতিকভাৱে উন্নত ৰাষ্ট্ৰবোৰত আৰু তুলনামূলকভাৱে অনুন্নত আফ্ৰিকা আৰু এছিয়াৰ ৰাষ্ট্ৰবোৰত ধনী আৰু দৰিদ্ৰ সকলৰ মাজত সৃষ্টি হোৱা সংঘাতৰ ফলত ইতিহাসৰ গতি সলনি হৈছে। বৰ্তমান যুগত গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰে জনসাধাৰণক দাৰিদ্ৰ্যৰ গৰাহৰপৰা মুক্ত কৰিবলৈ আৰু নাগৰিকসকলৰ মাজত থকা অৰ্থনৈতিক অসমতা লাঘৱ কৰিবলৈ কিছুমান ব্যৱস্থা ল'বলৈ বাধ্য হৈছে। এৰিষ্টটলে মধ্যবিত্ত শ্ৰেণীৰ শাসন বা ৰাজ্যব্যৱস্থাৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিবলৈ গৈ এইবোৰ কথা তেতিয়াই আলোচনা কৰিছিল।

তেওঁ গোটেই সমস্যাটোকে গভীৰ অন্তৰ্দৃষ্টি আৰু বাস্তৱ জ্ঞানৰদ্বাৰা বিচাৰ কৰিছিল আৰু সেয়েহে তেওঁ কৈছিল যে যিকোনো চৰকাৰে স্থায়িত্ব লাভ কৰিব লাগিলে ৰাষ্ট্ৰৰ গৰিষ্ঠসংখ্যক মানুহৰপৰা সমৰ্থন পাব লাগিব আত্ম নিয়ন্ত্ৰণ আৰু মধ্যমপন্থী নীতি অৱলম্বন কৰিব লাগিব অবৈধ সা সুবিধা আৰু

লাভৰ উৎসত পৰিণত হ'ব নোৱাৰাকৈ ৰাষ্ট্ৰীয় বিষয়বাববোৰ উপযুক্ত মানুহৰ ওপৰত অৰ্পণ কৰিব লাগিব আৰু নাগৰিকসকলক সংবিধানৰ দৃষ্টিত প্ৰশিক্ষিত কৰি তুলিব লাগিব। কিয়নো তেতিয়াহে তেওঁলোকে ৰাষ্ট্ৰৰ স্থায়িত্ব ৰক্ষাৰ বাবে কাম কৰিব আৰু ৰাষ্ট্ৰৰ অন্যায় সাধন হোৱা কাম কৰাৰপৰা বিৰত থাকিব।

কিন্তু বিপ্লৱ সম্বন্ধে এৰিষ্টটলৰ অনুসন্ধান আৰু আলোচনাৰ সীমা বন্ধতাও আছে। ৰাজনৈতিক আৰু অৰ্থনৈতিক ক্ষমতা লাভৰ বাবে ৰাষ্ট্ৰৰ ভিতৰত থকা বিভিন্ন স্বাৰ্থৰ লোকসকলে সংঘটিত কৰিব পৰা বিপ্লৱৰ বিষয়েহে এৰিষ্টটলে অনুসন্ধান চলাইছিল আৰু তাৰ ওপৰত তেওঁ নিজৰ মন্তব্য আগবঢ়াইছিল। ৰাষ্ট্ৰৰ ভিতৰত থকা জাতীয় বিৰোধ বা দুৰ্বল জাতিবোৰে সবল জাতিবোৰৰ শোষণ আৰু দমনৰ বিৰুদ্ধে জনোৱা জাতীয় প্ৰতিবাদৰ ফলত সৃষ্টি হ'ব পৰা বিপ্লৱৰ প্ৰতি তেওঁ কোনো মনোযোগ দিয়া নাছিল। ৰাষ্ট্ৰ এখনৰ ভিতৰত থকা বিভিন্ন অংশৰ মানুহৰ মাজত তীব্ৰ ধৰ্মীয় আৰু জাতীয় বিদ্বেষ থাকিলেও ৰাষ্ট্ৰত বিভিন্ন প্ৰকাৰৰ অশান্তি আৰু বিপ্লৱ ঘটিব পাৰে। এৰিষ্টটলে কিন্তু এইবোৰৰ প্ৰতি চকু দিয়া নাছিল। এৰিষ্টটলৰ বিপ্লৱৰ তত্ত্বত আৰু এটা উল্লেখযোগ্য সত্যৰ কোনো স্থান নাই। সেইটো হৈছে— কোনো এখন ৰাষ্ট্ৰত চলি থকা ৰাজনৈতিক আৰু অৰ্থনৈতিক আদৰ্শই আনবোৰ ৰাষ্ট্ৰতো প্ৰভাৱ পেলাব পাৰে আৰু তাৰ ফলত সেইবোৰ ৰাষ্ট্ৰত ৰাজনৈতিক বা অৰ্থনৈতিক বিপ্লৱ সংঘটিত হ'ব পাৰে। ফ্ৰান্সত যেতিয়া মানৱ অধিকাৰৰ ঘোষণা প্ৰচাৰিত হৈছিল তেতিয়া ইয়াৰ ফলত ইউৰোপ আৰু অন্যান্য ঠাইৰ বহুতো ৰাজতান্ত্ৰিক ৰাষ্ট্ৰৰ ঠাইত গণতান্ত্ৰিক ৰাষ্ট্ৰ স্থাপিত হৈছিল। ছোভিয়েট ৰাছিয়াত প্ৰৱৰ্তিত হোৱা সাম্যবাদী আদৰ্শৰ ফলত পৃথিৱীৰ বহুতো ৰাষ্ট্ৰৰ ৰাজনৈতিক আৰু অৰ্থনৈতিক গঠনত বৈপ্লৱিক পৰিবৰ্তন ঘটিছে। এছিয়া আৰু আফ্ৰিকাৰ বহুতো ৰাষ্ট্ৰত স্বাধীনতাৰ বাবে জাতীয় আকাংক্ষাৰ লগত জাতিগত উপাদান মিলিত হৈ স্বাধীনতা সংগ্ৰাম সংঘটিত হৈছে আৰু ইয়াৰ ফলত পুৰণি সাম্ৰাজ্যবাদৰ কবলৰপৰা ওলাই আহি বহুতো নতুন ৰাষ্ট্ৰৰ জন্ম হৈছে।

এনেকৈ বিচাৰ কৰিলে এৰিষ্টটলৰ বিপ্লৱৰ তত্ত্বত দুই-এটা ত্ৰুটী বিচ্যুতি দেখবলৈ পোৱা যায়। বিশেষকৈ বিপ্লৱৰ কাৰণ সম্বন্ধে তেওঁৰ ব্যাখ্যা সম্পূৰ্ণ নিখুঁত নহয়। কিন্তু তেওঁৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি আমি এইটো ক'ব লাগিব যে বিপ্লৱৰ কাৰণ অনুসন্ধান আৰু ইয়াৰ প্ৰতিকাৰৰ ব্যৱস্থাদানত তেৱেঁই সকলো ৰাজনীতিবিজ্ঞানবিদৰ পথ প্ৰদৰ্শক। কিয়নো তেওঁৰ বাহিৰে কোনো লেখকে আমাক বিপ্লৱ আৰু ৰাজদ্ৰোহৰ অভ্যন্তৰীণ কাৰণৰ বিষয়ে যেছ বিস্তৃত আৰু বিজ্ঞানসম্মত বিৱৰণ দিয়া নাই। কেৱল সেয়ে নহয় বিপ্লৱ প্ৰতিৰোধ কৰিবলৈ বিভিন্ন চৰকাৰৰ মুৰব্বী শাসকসকলক তেওঁ যিবোৰ পৰামৰ্শ আগবঢ়াইছে সেইবোৰৰ মূল্য ৰাজনীতিবিজ্ঞানত কোনো সময়তে কমাৰ সম্ভাৱনা নাই।

ষড়বিংশতি অধ্যায়

এৰিষ্টটলৰ দৰ্শনত গ্ৰিছদেশীয় চিন্তা আৰু সাৰ্বজনীনতা

এৰিষ্টটল মৌলিকভাবে গ্ৰিক নগৰৰাষ্ট্ৰৰ দাৰ্শনিক আছিল। গ্ৰিক জগতৰ যেনেকৈ কিছুমান চমৎকাৰ গুণ আছিল তেনেকৈ কিছুমান ত্ৰুটীও আছিল। তাত থকা কিছুমান প্ৰথা ধাৰণা আৰু দেশাচাৰ আমাৰ বাবে এতিয়া আচৰিত যেন লাগে কিয়নো বৰ্তমান চিন্তা আৰু কাৰ্য্যৰ লগত এইবোৰৰ কোনো সংগতি নাই। এৰিষ্টটল নিসন্দেহে এজন অনন্য সাধাৰণ বুদ্ধিজীৱি আৰু প্ৰথিতযশা চিন্তাবিদ আছিল। কিন্তু তথাপি তেও সেই সময়ৰ কুসংস্কাৰবোৰৰপৰা সম্পূৰ্ণৰূপে মুক্ত হ'ব পৰা নাছিল।

গ্ৰিক নগৰবোৰ দাসত্বৰ ওপৰত প্ৰতিষ্ঠিত হৈছিল আৰু এৰিষ্টটলৰ দৃষ্টিত থকা এটা মুক্ত মানুহৰ জাতিৰ কাৰণে দাসত্ব প্ৰাকৃতিক আৰু প্ৰয়োজনীয় অনুষ্ঠান আছিল। এৰিষ্টটলৰ মতে কৃষি ব্যৱসায় বাণিজ্য আৰু অন্যান্য শাৰীৰিক শ্ৰমজনিত কামত মানুহৰ ব্যক্তিগত আৰু জাতীয় নৈতিকতা নষ্ট হয় আৰু সেই গতিকে এইবোৰ কাম নাগৰিকসকলৰ নৈতিক জীৱন আৰু কাৰ্য্যৰ লগত সংগতিপূৰ্ণ নহয়। তেও নগৰবোৰকে মানুহৰ উচ্চতম সংস্থা বুলি জ্ঞান কৰিছিল আৰু তেওঁৰ মতে নগৰবোৰে নিজৰ স্বাধীনতা ৰক্ষা কৰি মানুহৰ বৈষয়িক নৈতিক আৰু আধ্যাত্মিক প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিব পাৰিব লাগিছিল। অৰ্থাৎ তেওঁৰ মতে নগৰবোৰ স্বাধীন আৰু আত্মনিৰ্ভৰশীল আছিল। সমাজৰ গোটেই জীৱনটোকে নগৰবোৰে সামৰি লৈছিল আৰু ব্যক্তিৰ জীৱনত চৰকাৰৰ হস্তক্ষেপৰ কোনো ধৰা বন্ধা সীমা নাছিল। ৰাষ্ট্ৰত থকা ধনী মানুহ আৰু গৰীৱ মানুহবোৰৰ ভিতৰত অবিৰতভাৱে শ্ৰেণীবিবাদ চলি আছিল আৰু এই বিবাদবোৰে কেতিয়াবা কেতিয়াবা চূড়ান্ত ৰূপ ধাৰণ কৰিছিল। ইয়াৰ কাৰণ হৈছে এয়ে যে তেওঁলোক সৰু নগৰ এখনৰ চাৰিবেৰৰ ভিতৰতে লগালগিকৈ বাস কৰিবলগীয়া হৈছিল। নাগৰিকসকলৰ মাজত চলি থকা এনে ধৰণৰ অনৈক্যৰ কাৰণে গ্ৰিক জগতত সঘনে চৰকাৰৰ পৰিবৰ্তন ঘটিছিল।

গ্ৰিক নগৰবোৰে নিজৰ ভিতৰতে হাই কাজিয়া আৰু যুদ্ধ বিগ্ৰহ কৰিছিল। পাৰ্চীসকলৰ আক্ৰমণৰপৰা মাজে সময়ে গ্ৰিক নগৰবোৰৰ নিৰাপত্তা বিপন্ন হৈ

পাৰ্ছিল আৰু তেতিয়া তেওঁলোকে সেই বিপদৰপৰা উদ্ধাৰ পাবলৈ একোটা সমূহীয়া কাৰণ বিচাৰি উলিয়াইছিল। গ্ৰিক নগৰবোৰে এটা উন্নত জীৱনৰ বাবে বহুতো পৰিয়াল আৰু গাওঁ সামৰি লৈছিল কিন্তু তথাপি তেওঁলোকে তাতোকৈ এটা বেছি উন্নত জীৱন গঢ়ি তুলিবলৈ নগৰবোৰক সামৰি লৈ এখন ডাঙৰ ৰাষ্ট্ৰ গঢ়ি তোলাৰ কথা ভবা নাছিল। গ্ৰিকসকলৰ মনত এইটোৱে কেতিয়াও ঠাই পোৱা নাছিল যে কোনো এখন নগৰে নিজে মানুহৰ পূৰ্ণ বিকাশ আৰু শান্তিৰ বাবে সকলোবোৰ প্ৰয়োজনীয় সা সুবিধা আৰু অৱস্থাৰ সৃষ্টি কৰিব নোৱাৰে। সীমাবদ্ধ মানৱ সম্পদ আৰু প্ৰাকৃতিক সম্পদ থকা এখন নগৰে কেতিয়াও মেচিডনিয়া বা পাৰ্ছিয়াৰ দৰে ডাঙৰ দেশ এখনৰ লগত প্ৰতিদ্বন্দ্বিতা কৰিব নোৱাৰে। প্লেটো আৰু এৰিষ্টটল উভয়ে গ্ৰিক নগৰবোৰৰ নাগৰিকসকলৰ বিভিন্ন অংশৰ মাজত চলি থকা অভ্যন্তৰীণ বিবাদ চৰকাৰৰ অস্থিৰতা আৰু নগৰবোৰৰ মাজত চলি থকা পৰস্পৰ বিনাশমূলক হাই কাজিয়াৰ বাবে পৰিতাপ কৰিছিল। সেই গতিকে দুয়োজনে দুখন আদৰ্শ ৰাষ্ট্ৰৰ চিত্ৰ আঁকিছিল আৰু দুয়োজনে বাস্তৱ ৰাষ্ট্ৰবোৰৰ সংস্কাৰ সাধনৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। কিন্তু তেওঁলোকে যি আদৰ্শ ৰাষ্ট্ৰৰ ছবি আঁকিছিল তাৰো ভৌগোলিক সীমা নগৰৰাষ্ট্ৰৰ সীমাৰ লগত একে আছিল আৰু বাস্তৱ ৰাষ্ট্ৰৰ সংস্কাৰ সাধনৰ বাবে তেওঁলোকে যিবোৰ পৰামৰ্শ দিছিল সেইবোৰো নগৰৰাষ্ট্ৰক লক্ষ্য কৰিয়েই সৃষ্টি কৰা হৈছিল।

গ্ৰিক নগৰৰাষ্ট্ৰবোৰৰ বিবিলাক অভ্যন্তৰীণ আৰু বৈদেশিক সমস্যা আছিল সেইবোৰৰ সমাধান কৰিবলৈ হলেও তেতিয়া এখন ডাঙৰ ৰাষ্ট্ৰ সংগঠন কৰিব লগীয়া হৈছিল। আনকি যুক্তৰাষ্ট্ৰীয় ভিত্তিত হলেও তেনে এখন ৰাষ্ট্ৰ সংগঠিত হব লাগিছিল। তেনে এখন ৰাষ্ট্ৰইহে গ্ৰিক নগৰৰাষ্ট্ৰবোৰৰ মাজত চলি থকা অভ্যন্তৰীণ বিবাদ চৰকাৰৰ অস্থিৰতা আদি ৰাষ্ট্ৰীয় দোষবোৰ সম্পূৰ্ণৰূপে আঁতৰ কৰিব নোৱাৰিলেও যথেষ্ট লাঘৱ কৰিব পাৰিলেহেঁতেন। যিবোৰ ডাঙৰ আৰু শক্তিশালী ৰাষ্ট্ৰই গ্ৰিক নগৰৰাষ্ট্ৰবোৰৰ স্বাধীনতাৰ প্ৰতি প্ৰত্যাহ্বান জনাইছিল সেই ৰাষ্ট্ৰবোৰৰ বিপক্ষে শক্তিশালীভাৱে থিয় দিবলৈও এখন সংযুক্ত গ্ৰিক ৰাষ্ট্ৰৰ প্ৰয়োজন হৈছিল। এৰিষ্টটলে গ্ৰিচদেশৰ ওচৰত মেচিডন নামৰ এখন শক্তিশালী ডাঙৰ ৰাষ্ট্ৰ উঠি অহা দেখিবলৈ পাইছিল। মেচিডনৰ ৰজা ফিলিপ আৰু তেওঁৰ পুত্ৰ আলেকজেণ্ডাৰৰ লগত এৰিষ্টটলৰ ঘনিষ্ঠ সম্পৰ্ক আছিল। আলেকজেণ্ডাৰ তেওঁৰ ছাত্ৰ আছিল। যেতিয়া ৰজা ফিলিপে গ্ৰিচদেশ জয় কৰিছিল আৰু তেওঁৰ পুত্ৰ আলেকজেণ্ডাৰে মেচিডনীয়ান সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিবলৈ প্ৰাচ্য দেশবোৰ অধিকাৰ কৰিবলৈ লৈছিল তেতিয়া নিশ্চয় তেওঁলোকে এৰিষ্টটলৰ শিক্ষা আৰু উপদেশ মানি চলা নাছিল। ডাঙৰ ৰাষ্ট্ৰৰ প্ৰতি এৰিষ্টটলৰ বিৰুদ্ধ

ইমান তীব্ৰ আছিল যে তথাপি তেও নিজৰ মনটোক এইবুলি পতিয়ন নিয়াব পৰা নাছিল যে বহুতো নগৰৰাষ্ট্ৰ লগ লগাই এখন ডাঙৰ ৰাষ্ট্ৰ গঢ়ি তুলিলে তেনে এখন ৰাষ্ট্ৰই মানুহৰ বাবে ভাল জীৱন সৃষ্টি কৰিব পাৰিব। কিয়নো তেনে এখন ৰাষ্ট্ৰৰ জনসংখ্যা বহুতো নগৰৰাষ্ট্ৰৰ জনসংখ্যাৰ সমান হ'ব আৰু ইয়াৰ সা সুবিধা নগৰৰাষ্ট্ৰৰ সা সুবিধাতকৈ বহুত বেছি হ'ব। সেই গতিকে নিউমান ঠিকেই কৈছে যে এৰিষ্টটলৰ সহানুভূতি আছিল অতীতৰ প্ৰতিহে ভৱিষ্যতৰ প্ৰতি নহয় স্পাৰ্টা আৰু এথেন্সৰ প্ৰতিহে মেছিডনৰ প্ৰতি নহয় প্লেটোৰ প্ৰতিহে আলেকজেণ্ডাৰৰ প্ৰতি নহয়। সেই গতিকে কিছুমান সমালোচকে মন্তব্য কৰিছে যে এৰিষ্টটল মৌলিকভাৱে এজন নগৰৰাষ্ট্ৰৰ দাৰ্শনিক তেওঁৰ তত্ত্ব বোৰ আৱিষ্কৃত হৈছে নগৰৰাষ্ট্ৰত আৰু সেইবোৰ নগৰৰাষ্ট্ৰৰ নাগৰিকসকলৰ বাবে আৰু সেই গতিকে আধুনিক ৰাষ্ট্ৰ আৰু আধুনিক ৰাষ্ট্ৰৰ নাগৰিকসকলৰ তেওঁৰ তত্ত্বৰ প্ৰতি কোনো বাস্তৱ মাদকতা নাই। এইটো অৱশ্যে এৰিষ্টটলৰ ৰাজনীতিৰ সঠিক মূল্যায়ন নহয়। কিয়নো যদিও এৰিষ্টটল সেই সময়ৰ কু সংস্কাৰবোৰৰপৰা সম্পূৰ্ণ মুক্ত নহয় তথাপি তেওঁৰ চিন্তাত সাৰ্বজনীন ভাব ধাৰাও ভৰি আছে। তেওঁৰ ৰাজনৈতিক চিন্তাত সাৰ্বজনীন চৰিত্ৰৰ ভালেমান উপাদান আছে আৰু ৰাজনীতিবিজ্ঞানত এইবোৰৰ মূল্য অনস্বীকাৰ্য্য। ইয়াৰে কেইটামান তলত উল্লেখ কৰা হ'ল।

(১) মানুহৰদ্বাৰা গঠিত মানৱীয় সংস্থাবোৰৰ ভিতৰত ৰাষ্ট্ৰ আটাইতকৈ মহান। কিয়নো ইয়াৰ লক্ষ্য হৈছে মহান চিন্তা আৰু মহান কাৰ্য্যৰে গঠিত এটা সুন্দৰ জীৱন গঢ়ি তোলা।

(২) ৰাষ্ট্ৰখন এটা প্ৰাকৃতিক আৰু প্ৰয়োজনীয় মানৱীয় অনুষ্ঠান। মানুহৰ জীৱনৰ প্ৰয়োজনীয়তাৰপৰাই ইয়াৰ জন্ম হৈছে আৰু মানুহৰ জীৱনৰ বিকাশ সাধন কৰা আৰু শান্তি স্থাপন কৰাই ইয়াৰ প্ৰধান লক্ষ্য। মানুহৰ মাজত স্বেচ্ছা কৃতভাৱে স্বাক্ষৰিত হোৱা চুক্তিৰ ফলত সৃষ্টি হোৱা ই কোনো প্ৰথাগত অনুষ্ঠান নহয়।

(৩) জ্ঞান আৰু গুণ কিছুমান মানুহৰ প্ৰকৃতিপ্ৰদত্ত সম্পদ। যিসকল মানুহৰ গাত জ্ঞান আৰু গুণ থাকে সেইসকল মানুহে ৰাষ্ট্ৰত নাগৰিকসকলৰ ভাগ্য নিয়ন্ত্ৰণ কৰে।

(৪) এৰিষ্টটলে ঠিকভাৱেই দেখুৱাই দিছে যে এটা প্ৰাথমিক সামাজিক গোট হিচাপে পৰিয়ালৰ যথেষ্ট গুৰুত্ব আছে আৰু তেও খুব সঠিকভাৱেই ব্যক্তি গত সম্পত্তিৰ ওপৰত এটা নৈতিক মূল্য দিছে আৰু ব্যক্তিগত সম্পত্তিৰ মালিক-সকলৰ ওপৰত নৈতিক দায়িত্ব অৰ্পণ কৰিছে।

(৫) তেওঁৰ চৰকাৰৰ শ্ৰেণীবিভাগ নিখুঁত আৰু স্বয়ংসম্পূৰ্ণ নহয় যদিও ইয়াকে তেওঁৰ পাছৰ ৰাজনীতিবিজ্ঞানৰ লেখকসকলে আহিস্বৰূপে ব্যৱহাৰ কৰিছে আৰু তেওঁ ব্যৱহাৰ কৰা ৰাজতন্ত্ৰ অভিজাততন্ত্ৰ স্বল্পতন্ত্ৰ গণতন্ত্ৰ আৰু অত্যাচাৰী শাসন আদি পৰিভাষাবোৰে বৰ্তমান যুগৰ ৰাজনীতিবিজ্ঞানত স্থায়ী আসন দখল কৰিছে।

(৬) চৰকাৰৰ অংগবোৰক তেওঁ জনপ্ৰিয় সভা কাৰ্যপালিকা আৰু ন্যায়পালিকা—তিনিটা ভাগত বিভক্ত কৰিছিল আৰু তেওঁৰ এই বিভাগ সময়ৰ পৰীক্ষাত উত্তীৰ্ণ হৈছে। অৱশ্যে তেওঁ মণ্টেস্কুৰ দৰে কোৱা নাছিল যে চৰকাৰৰ ত্ৰিনিবিধ ক্ষমতা তিনিটা অংগৰ হাতত সুকীয়া সুকীয়াকৈ অৰ্পণ কৰিব লাগে।

(৭) ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা মানুহৰ হাতত থাকিব লাগিব। এৰিষ্টটলে এইটো জোৰ দি কৈছিল যে ৰাষ্ট্ৰৰ সাৰ্বভৌমত্ব এজন মানুহ বা কেইজনমান মানুহৰ হাতত থকা উচিত নহয় সকলোবোৰ নাগৰিকৰ হাতত থকাহে উচিত। তেওঁৰ সাৰ্বভৌমত্বৰ এই ধাৰণাটোৰপৰা আধুনিক ৰাজনৈতিক সাৰ্বভৌমত্বৰ অৱধাৰণাৰ জন্ম হৈছে।

(৮) তেওঁ আৰু এটা মূল্যবান মত দাঙি ধৰিছে। সেইটো হৈছে ঃ উৎকৃষ্ট মানুহবোৰৰো আশা আকাংক্ষা আৰু ভাবাবেগ আছে আৰু সেই গতিকে যিবিলাক মানুহেৰে চৰকাৰ গঠিত হয় সেইবোৰ মানুহকে আইনৰ অধীন কৰা উচিত কিয়না আইন হৈছে আবেগহীন যুক্তি। অৰ্থাৎ চৰকাৰ সাংবিধানিক হ'ব লাগে স্বেচ্ছাচাৰী হ'ব নালাগে।

(৯) এখন ভাল ৰাষ্ট্ৰই মানি চলিবলগীয়া আদৰ্শৰ বিষয়ে এৰিষ্টটলে যিবোৰ পৰামৰ্শ দাঙি ধৰিছে আধুনিক ৰাজনীতিজ্ঞসকলে তাৰপৰা শিকিবলৈ যথেষ্ট আছে। সাংবিধানিক চৰকাৰ আৰু আইনৰ সাৰ্বভৌমত্ব প্ৰতিষ্ঠা কৰা নাগৰিকসকলৰ নৈতিক সমতা ৰক্ষা কৰা প্ৰতিভাজনমূলক আৰু সংশোধনমূলক ন্যায়ৰ উচিত প্ৰশাসন চলোৱা মানুহৰ শৰীৰ মন আৰু আত্মাৰ সংগতিপূৰ্ণ বিকাশ সাধনৰ উদ্দেশ্যে প্ৰবৰ্তিত হোৱা এটা ভাল শিক্ষাব্যৱস্থা চলোৱা কেৱল প্ৰয়োজনীয় বস্তুতকৈ ভাল আৰু ধুনীয়া বস্তুৰ প্ৰতি নাগৰিকসকলৰ মাজত প্ৰীতিভাব জন্মোৱা বৈষয়িক নৈতিক আৰু আধ্যাত্মিক ঘ্যাংৰ্ণতসম্পন্ন এটা সৰ্বাংগসুন্দৰ জীৱন গঢ়ি তোলা আদিয়েই এখন ভাল ৰাষ্ট্ৰৰ আদৰ্শ হোৱা উচিত।

(১০) এৰিষ্টটলৰ নাগৰিকত্বৰ অৱধাৰণাই আমাক ভাৰ্মৌপীন চিন্তাৰ খোৰাকৰ যোগান ধৰিছে। তেওঁৰ মতে যিজন মানুহৰ চৰকাৰৰ বিধায়িনী আৰু বিচাৰসংক্ৰান্ত কাৰ্যত অংশগ্ৰহণ কৰিবলৈ ক্ষমতা আছে সেইজন মানুহেই ৰাষ্ট্ৰৰ নাগৰিক। তেওঁ দিয়া নাগৰিকৰ এই সংজ্ঞাটো আধুনিক নাগৰিকত্বৰ অৱধাৰণাটোক

ঠেক যেন লাগিব পাৰে কিন্তু ইও আমাৰ আগত যথেষ্ট কথা দাঙি ধৰিছে। কোনো মানুহেই ৰাষ্ট্ৰৰ প্ৰকৃত সভ্য হ'ব নোৱাৰে যেতিয়ালৈকে তেওঁ ৰাষ্ট্ৰৰ নীতি নিৰ্ধাৰণ আৰু কাৰ্য্য সম্পাদনত কোনো অংশগ্ৰহণ কৰিব নোৱাৰে। ৰাষ্ট্ৰৰ ভিতৰত থকা যিসকল মানুহৰ কোনো ৰাজনৈতিক অধিকাৰ নাই সেইসকল মানুহ ৰাষ্ট্ৰৰ নাগৰিক নহয় সাধাৰণ প্ৰজাহে দাসসকলে গৰাকীসকলৰ কাষত থিয় দিয়াৰ দৰে তেওঁলোকেও নাগৰিকসকলৰ কাষত থিয় দিব পাৰে। আধুনিক ৰাষ্ট্ৰবোৰত গৰীৱ আৰু অশিক্ষিত শ্ৰমিকসকলে যি স্থান লাভ কৰি আছে পূৰ্বাণি গ্ৰিক ৰাষ্ট্ৰবোৰত অনা নাগৰিকসকলে লাভ কৰা স্থানো প্ৰায় তেনেকুৱাই আছিল। গতিকে আধুনিক ৰাষ্ট্ৰবাবৰ কাৰণে এটা ডাঙৰ কাম হৈছে শোষিত আৰু পদদলিত গৰীৱ জন সাধাৰণক দাসত্বৰ লেখীয়া অৱস্থাৰ মাজৰপৰা উলিয়াই অনা আৰু তেওঁলোকক প্ৰকৃত নাগৰিক স্থানত প্ৰতিষ্ঠা কৰা। সেয়া নোহোৱা পৰ্য্যন্ত আধুনিক গণ তান্ত্ৰিক ৰাষ্ট্ৰত সাৰ্বজনীন প্ৰাপ্তবয়স্কৰ ভিত্তিত সকলো মতাতিৰোতাকে নাগৰিক অধিকাৰ দিলেও নাগৰিকসকলে তেওঁলোকৰ দায়িত্ব পালন কৰিব নোৱাৰে।

(১১) এৰিষ্টটলে ৰাজনীতিজ্ঞসকলক সাৱধান কৰি দি কৈছে যে অসাৰ কল্পনাৰ ওপৰত ভিত্তি কৰি কোনো ৰাজনৈতিক সংস্কাৰ সাধন কৰা উচিত নহয়। কিয়নো মানুহৰ প্ৰকৃতি ৰাষ্ট্ৰৰ প্ৰাকৃতিক আৰু সামাজিক অৱস্থা আৰু চৰিত্ৰ জাতীয় প্ৰতিভা আৰু সামৰ্থ্যৰ ওপৰত ভিত্তি নকৰিলে কোনো ৰাজনৈতিক সংগঠনেই কৃতকাৰ্য্যতা লাভ কৰিব নোৱাৰে।

(১২) এৰিষ্টটলৰ সমতাৰ অৱধাৰণা ৰাজনৈতিক চিন্তাজগতলৈ এটা ডাঙৰ অৱদান। তেওঁৰ মতে এজন মানুহ আৰু এটা জাতিয়ে সমতাৰ প্ৰকৃত মূল্য পাব লাগিলে বস্তুনিৰপেক্ষ বা পৰম সমতা স্থাপন কৰিবলৈ চেষ্টা নকৰি আনু পাতিক সমতা স্থাপন কৰিবলৈহে চেষ্টা কৰা উচিত। অৰ্থাৎ আমি কেতিয়াও বেছি প্ৰতিভাসম্পন্ন লোক আৰু কম প্ৰতিভাসম্পন্ন লোকসকলৰ মাজত থকা পাৰ্থক্য নাইকিয়া কৰিবলৈ চেষ্টা কৰা উচিত নহয়।

(১৩) স্বাধীনতাৰ আদৰ্শ গ্ৰিক দাৰ্শনিকসকলে মানৱ জাতিৰ বাবে এৰি যোৱ আটাইতকৈ মূল্যবান ৰাজনৈতিক সম্পত্তি। ইয়াৰ দুটা দিশ আছে—ব্যক্তিৰ স্বাধীনতা আৰু গোটৰ স্বাধীনতা। ব্যক্তিগত স্বাধীনতাৰ অৱধাৰণাৰপৰা আধুনিক জতীয়তাবাদৰ সৃষ্টি হৈছে আৰু এই দুয়োটাৰপৰাই আধুনিক গণতন্ত্ৰ আহিছে।

(১৪) ৰাজনৈতিক সংগঠন আৰু ৰাজনৈতিক ব্যৱহাৰৰ ওপৰত অৰ্থনৈতিক উপাদানৰ প্ৰভাৱৰ বিষয়ে এৰিষ্টটলৰ আগেয়ে আৰু তেওঁৰ বহুদিন পাছলৈকেও তেওঁৰ বাহিৰে অন কোনো লেখকে বিশদভাৱে আলোচনা কৰা নাছিল। সাংবি ধানিক সংগঠন আৰু বিপ্লৱৰ ওপৰত তেওঁ দাঙি ধৰা তত্ত্বই গৰীৱ আৰু ধনী

সকলৰ মাজত আৱহমান কালৰেপৰা চলি থকা শত্ৰুতাৰ বিষয়ে আমাক ভালদৰে অৱগত কৰিছে। তেওঁ আমাক স্পষ্টভাৱে দেখুৱাই দিছে কেনেকৈ স্বল্পতন্ত্ৰত শাসকসকলে গৰীৱসকলক শোষণ কৰে আৰু গণতন্ত্ৰত শাসকসকলে ধনীসকলক উৎপীড়ন কৰে। তেওঁৰ মতে নিজৰ এনেকুৱা ব্যৱহাৰৰ কাৰণেই স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰৰ অৱনতি ঘটিছিল। অৰ্থনৈতিক সুবিধা লাভৰ আকাংক্ষাৰ লগত ৰাজদ্ৰোহ অৰু বিপ্লৱৰ সম্বন্ধ আছে আৰু ৰাষ্ট্ৰ এখনৰ একাংশ মানুহৰ চৰম দাৰিদ্ৰ্য আৰু আন একাংশ মানুহৰ অত্যাধিক ধন সম্পদৰ কাৰণে ৰাষ্ট্ৰত অস্থিৰতাৰ সৃষ্টি হয়। সেই গতিকে মধ্যবিত্ত শ্ৰেণীটোৱে প্ৰাধান্য বিস্তাৰ কৰি থকা ৰাষ্ট্ৰবোৰতহে শান্তি আৰু স্থায়িত্ব বিৰাজ কৰি থকা দেখিবলৈ পোৱা যায়। ইতিহাসত ইয়াৰ বহুতো প্ৰমাণ পোৱা যায়। আধুনিক ৰাষ্ট্ৰবোৰৰ সবাতোকৈ ডাঙৰ সমস্যা হৈছে কেনেকৈ নাগৰিকসকলক দাৰিদ্ৰ্য নিবনুৱা সমস্যা আৰু অন্যান্য দুখ কষ্টৰপৰা মুক্ত কৰিব পৰা যায় কেনেকৈ তেওঁলোকৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব পৰা যায়।

(১৫) এৰিষ্টটলৰ ৰাজনৈতিক তত্ত্ববোৰৰ মাজত এটা নৈতিক ভাব প্ৰৱাহিত হৈ থকা দেখিবলৈ পোৱা যায়। তেওঁৰ মতে ৰাষ্ট্ৰখন এটা নৈতিক সংস্থা আৰু ইয়াৰ লক্ষ্য হৈছে মানুহৰ বাবে সৰ্বাংগসুন্দৰ জীৱন তৈয়াৰ কৰা। এৰিষ্টটলে তেওঁৰ সময়ত চলি থকা সংবিধানবোৰৰ উপৰিও তেওঁৰ আগৰ সময়ৰ সংবিধানবোৰো ভালদৰে অধ্যয়ন কৰিছিল আৰু এইবোৰ অধ্যয়নৰ পাছত তেওঁ এই সিদ্ধান্তটোত উপনীত হৈছিল যে নৈতিক আদৰ্শৰ ভিত্তিত মানুহৰ জীৱন ৰচিত নহ'লে কোনো ব্যক্তি বা কোনো গোষ্ঠী প্ৰকৃত লক্ষ্যত উপনীত হ'ব নোৱাৰে। তেওঁ এইটো নদি কৈছে যে সময়ৰ ঐতিহাসিক শক্তিবোৰে যিবোৰ মানুহক ক্ষমতাৰ শাসনত বহুৱাইছে আৰু যিবোৰ মানুহে ৰাষ্ট্ৰৰ মানুহবোৰৰ ভাগ্য স্থিৰ কৰে তেওঁলোকে ক্ষমতাৰ ৰাজনীতি পৰিহাৰ নকৰিলে আৰু ৰাষ্ট্ৰৰ অভ্যন্তৰীণ জীৱন গঠন আৰু আন্তঃৰাষ্ট্ৰীয় সম্বন্ধ স্থাপনত মেকিয়াভেলীয়ান নীতি পৰিহাৰ নকৰিলে মানৱ জাতিৰ দুখ দুৰ্গতিৰ কেতিয়াও অৱসান নহ'ব। তেতিয়াহে ৰাজনীতি এটা মহান কাৰ্যত পৰিণত হ'ব যিটো এতিয়া ক্ষমতাবান মানুহৰ বাবে জোতৰা খেল হৈ আছে। আণৱিক যুগৰ আগমণ ৰাজনীতিজ্ঞসকলৰ বাবে এটা সাৱধান বাণীস্বৰূপ। তেওঁলোকে এতিয়া নীতিশাস্ত্ৰৰ ভেটিত ৰাষ্ট্ৰীয় কূটনীতি আৰু ৰাজনৈতিক কৌশলবোৰ প্ৰতিষ্ঠা কৰিব লাগে অসাধুতা প্ৰৱঞ্চনা ঈৰ্ষা বিদ্বেষ হিংসা লোভ আদিৰ ভেটিত নহয়। মানৱতা আৰু সভ্যতাৰ খাতিৰত তেওঁলোকে এতিয়া এৰিষ্টটলৰ তত্ত্ববোৰ ভালদৰে বিচাৰ বিবেচনা কৰিবলগীয়া হৈছে।

আধুনিক যুগৰ নাগৰিকসকলৰ বাবে এৰিষ্টটলে আগবঢ়োৱা এইবোৰেই অনন্য সাপেক্ষ শিক্ষা। আৰু এৰিষ্টটলৰ ৰাজনীতিৰ গ্ৰিছদেশীয় উপাদানবোৰেও আমাক সাৱধান বাণী শুনোৱা চালেৰে মহৎ শিক্ষা দিছে।

(ক) এৰিষ্টটলে স্বাধীনতাৰ ওপৰত যথেষ্ট মূল্য দিছিল স'চা কিন্তু লগতে তেও এটা মুক্ত মানুহৰ জাতিৰ বাবে দাসত্ব অনুষ্ঠানটোকো প্ৰাকৃতিক প্ৰয়োজনীয় আৰু ন্যায়সংগত অনুষ্ঠান বুলি কৈছিল। যথেষ্টসংখ্যক দাসৰ অৱস্থিতিয়ে এথেন্সৰ প্ৰাকৃতিক আৰু নৈতিক শক্তি দুৰ্বল কৰি পেলাইছিল আৰু ইয়েই এথেন্সৰ অৱনতিৰ এটা প্ৰধান কাৰণ আছিল।

(খ) এৰিষ্টটলে কৈছিল যে নগৰৰাষ্ট্ৰই মানুহৰ সৰ্বোচ্চ আৰু চূড়ান্ত সংস্থা। আমি আজি এৰিষ্টটলৰ এই কথাটো মানি লব নোৱাৰোঁ। কিন্তু মানুহৰ বাবে আত্মনিৰ্ভৰশীল জীৱন গঢ়ি তোলাই ৰাষ্ট্ৰৰ লক্ষ্য বুলি কোৱা তেওঁৰ কথা ষাৰ আমি একেবাৰে দলিয়াই পেলাব নোৱাৰোঁ। নগৰৰাষ্ট্ৰবোৰ আত্মনিৰ্ভৰশীল নাছিল আৰু সেই গতিকে দেশীয় ৰাষ্ট্ৰবোৰ সৃষ্টি কৰিবলগীয়া হৈছিল কিন্তু এতিয়া আধুনিক দেশীয় ৰাষ্ট্ৰবোৰো আত্মনিৰ্ভৰশীল নহয় আৰু এইবোৰেও নাগৰিকসকলৰ বাবে উৎকৃষ্ট জীৱন গঢ়ি তুলিব নোৱাৰে। যদিও বৰ্তমান কেইবা খনো ৰাজনৈতিক পৃথিৱী আছে তথাপি জীৱনৰ বেছি ভাগ উদ্দেশ্যৰ বাবে পৃথিৱী এখনেই। আমি এতিয়া অনুভৱ কৰিবলৈ ধৰিছোঁ যে সাৰ্বভৌম জাতি ৰাষ্ট্ৰৰ দিন উকলি আহিল আৰু এতিয়া কোনো ৰাষ্ট্ৰই নিজৰ বিচ্ছিন্ন চেষ্টাৰ দ্বাৰাই নাগৰিকসকলৰ বাবে উৎকৃষ্ট জীৱনৰ অৱস্থাবোৰ সৃষ্টি কৰিব নোৱাৰে। নগৰৰাষ্ট্ৰৰ মৃত্যু ঘটিছে কিন্তু আত্মনিৰ্ভৰশীল অৱস্থা সৃষ্টি কৰিবলৈ ৰাজ নৈতিক সংগঠন হিচাপে ৰাষ্ট্ৰ এখন গঢ়ি তোলাৰ প্ৰয়োজনীয়তা মানুহে সক্ৰিয়ভাৱে চিন্তা কৰিবলৈ লৈছে।

এৰিষ্টটলৰ ৰাজনীতিৰ পঠকসকলৰ বাবে এইটো পৰিষ্কাৰ হোৱা উচিত যে এটা স্বচ্ছল জীৱনৰ প্ৰয়োজনীয়তাবোৰ পূৰণ কৰিবলৈ নগৰৰাষ্ট্ৰবোৰ সম্পূৰ্ণৰূপে অকাৰ্যকৰী আছিল যদিও গ্ৰিক নগৰৰাষ্ট্ৰবোৰৰ কেতিয়াও ভবা নাছিল যে দেশীয় ৰাষ্ট্ৰ গঠন বা যুক্তৰাষ্ট্ৰ গঠনতহে তেওঁলোকৰ মুক্তি নিহিত হৈ আছিল। নগৰ ৰাষ্ট্ৰবোৰ লগ লাগিবলৈ অসন্মত হৈছিল আৰু ইয়াৰ ফলত সিহঁতৰ মৃত্যু ঘটি ছিল। যেতিয়া মেচিডনৰ ফিলিপে নগৰৰাষ্ট্ৰবোৰ আক্ৰমণ কৰিছিল তেতিয়া সেই বোৰ খেলাৰ পুতলাৰ দৰে বাগৰি পৰিছিল। পূৰ্বৰ গ্ৰিছদেশে মানৱ জাতিক এটা ৰাজনীতিৰ গৱেষণাগাৰ হিচাপে সেৱা কৰিছিল। তাত যিবোৰ পৰীক্ষা কাৰ্য্যভাৱে পৰিসমাপ্ত হৈছিল সেইবোৰৰ পৰা আমি আজি লাভৱান হৈছোঁ আৰু

যিবাৰ পৰীক্ষা বিফল হৈছিল সেইবোৰে আমাক গুৰুতৰ সাৱধান বাণী শুনাইছে। সময়ৰ অৰ্থনীতিত নগৰৰাষ্ট্ৰবোৰ যেনেকৈ বিসংগতিপূৰ্ণ হৈ পৰিছিল আনকি যুগৰ অৰ্থনীতিত দেশীয় ৰাষ্ট্ৰ বা জাতিৰাষ্ট্ৰবোৰো তেনেকৈ বিসংগতিপূৰ্ণ হ'বলৈ ধৰিছে। আমি এতিয়া আন্তৰ্জাতিকভাৱে চিন্তা কৰিব আৰু কাৰ্য কৰিবলগীয়া হৈছে। কিবা কাৰণত তৃতীয় মহাসমৰ সংঘটিত হ'ব লাগিলে, আজিৰ জাতি ৰাষ্ট্ৰবোৰ ধ্বংসস্তূপত পৰিণত হ'ব আৰু তেতিয়া বৰ্তমান সভ্যতাৰ ধ্বংসাৱশেষ মাথোন থাকিব। সেই গতিকে বহুতো শতাব্দী পাৰ হৈ আহি এৰিষ্টটলে এতিয়াও যেন আমাক চিঞৰি চিঞৰি ক'ব লাগিছে আমি যিটো মূৰ্খামি কৰিছিলোঁ তোমালোকে সেই মূৰ্খামিটো নকৰিবা যুক্তৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰ নহ'লে ধ্বংস হৈ যাবা। জাতিৰাষ্ট্ৰবোৰ যদি এতিয়াও এখন সংযুক্ত পৃথিৱী স্থাপন কৰিবলৈ প্ৰস্তুত নহয় তেন্তে সোনকালে এই ৰাষ্ট্ৰবোৰে পৰস্পৰৰ পৰস্পৰক শ্ৰদ্ধা আৰু সহযোগ কৰিবলৈ স্থায়ী আৰু কাৰ্যকৰী নীতি ৰচনা কৰা উচিত হ'ব। সহ অৱস্থানৰ নীতি উদ্ভাৱন কৰিব নোৱাৰিলে জাতিৰাষ্ট্ৰবোৰৰ পতন অৱশ্যম্ভাৱী।

গ্ৰীক ৰাজনৈতিক চিন্তা মূলতঃ নৈতিক আৰু এৰিষ্টটলীয়

'গ্ৰীক নগৰৰাষ্ট্ৰবোৰৰ বিষাদময় আৰু তিক্ত অভিজ্ঞতাই গ্ৰীক দাৰ্শনিক-সকলক এটা কথা গভীৰভাৱে চিন্তা কৰিবলৈ বাধ্য কৰাইছিল। সেই কথাটো হৈছে —তেওঁলোকৰ অশান্তি আৰু দুখ দৈন্যৰ মূল কাৰণ কি আছিল? তেওঁলোকে অনুভৱ কৰিছিল যে মানুহো একপ্ৰকাৰ দুৰ্বোধ্য প্ৰাণী। শৰীৰিকভাৱে পৃথিৱীৰ প্ৰাণীবোৰৰ লগত মানুহৰ ভাগ্যও নিয়ন্ত্ৰিত হয়। কিন্তু আধ্যাত্মিকভাৱে মানুহে ভাবে যে তেওঁলোকৰ স্থান স্বৰ্গৰ দেৱতাসকলৰ লগতহে থকা উচিত। এজন মানুহে যেতিয়া তেওঁৰ শাৰীৰিক মানসিক আৰু নৈতিক শক্তিবোৰৰ সংহতি পূৰ্ণ বিকাশৰ ফলস্বৰূপে এটা পূৰ্ণ ব্যক্তিত্ব লাভ কৰে তেতিয়াহে তেওঁৰ আচল প্ৰকৃতি ফুটি উঠে। মানুহৰ বুদ্ধিবৃত্তি আছে আন প্ৰাণীবোৰৰ বুদ্ধিবৃত্তি নাই। মানুহে এই বুদ্ধিবৃত্তিৰ গোটেই জীৱন জুৰি তেওঁৰ গাত থকা বৰ্বৰ প্ৰবৃত্তিবোৰৰ বিৰুদ্ধে যুঁজ কৰি থাকিব লাগে। কিয়নো তেতিয়াহে বুদ্ধিৰ জয় হয়। অৰ্থাৎ মানুহ এটা নৈতিক প্ৰাণী আৰু মানুহৰ জীৱনৰ নৈতিক লক্ষ্য আছে। মানুহৰ চিন্তা আৰু কাৰ্য ব্যক্তিগতভাৱে আৰু সামাজিকভাৱে নীতিশাস্ত্ৰৰ ভেটিত ৰচিত হ'লেহে মানুহে চূড়ান্ত বিকাশ আৰু শান্তি লাভ কৰিব পাৰে কিন্তু মানুহ ইয়াৰপৰা আঁতৰত থাকিলে মানুহৰ ওপৰত নৰকৰ সকলো দুখ

দৈন্য চলি থাকিবই। এইটো ব্যক্তিৰ ক্ষেত্ৰত যিমান সত্য ৰাষ্ট্ৰৰ ক্ষেত্ৰতো সিমানেই সত্য। গ্ৰিক নগৰৰাষ্ট্ৰবোৰ আৰু তাত থকা নাগৰিকসকলে এই মৌলিক সত্যটো পাহাৰি আছিল আৰু সেইবাবে তেওঁলোকৰ আচল প্ৰকৃতি ফুটি উঠা নাছিল আৰু ইয়াৰ ফলতে তেওঁলোকৰ দুখ দৈন্যৰবাৰ সৃষ্টি হৈছিল।

এৰিষ্টটলে তেওঁৰ ৰাজনীতি এই ঘোষণাটোৰে আৰম্ভ কৰিছিল— ৰাষ্ট্ৰ খন মানুহৰ উচ্চতম সংস্থা মানুহৰ বাবে সৰ্বাংগসুন্দৰ আৰু আত্মনিৰ্ভৰশীল জীৱন গঢ়ি তোলাই ৰাষ্ট্ৰৰ লক্ষ্য। অৰ্থাৎ মানুহৰ বৈষয়িক নৈতিক বৌদ্ধিক আৰু আধ্যাত্মিক আশা আকাংক্ষাবোৰ সম্পূৰ্ণৰূপে পূৰণ কৰিব পৰাকৈ এটা জীৱন গঢ়ি তোলাই এৰিষ্টটলৰ মতে ৰাষ্ট্ৰৰ লক্ষ্য আছিল। আধুনিক লেখকসকলে ৰাষ্ট্ৰক আইনৰ দৃষ্টিত এটা মানুহ বুলি জ্ঞান কৰে। অভ্যন্তৰীণ আৰু বহি সম্পৰ্কীয় সকলো বিষয়তে ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা আছে আৰু ৰাষ্ট্ৰই নাগৰিক সকলৰপৰা আনুগত্য লাভ কৰিবলৈ নিৰ্দেশ দিয়াৰ আইনসম্মত অধিকাৰ আছে। আধুনিক লেখকসকলে ৰাষ্ট্ৰৰ আইনসংগত আৰু ৰাজনৈতিক প্ৰকৃতিৰ ওপৰত গুৰুত্ব দিছে। কিন্তু এৰিষ্টটলে ৰাষ্ট্ৰৰ নৈতিক প্ৰকৃতিৰ ওপৰতহে সকলো গুৰুত্ব দিছিল।

ৰাষ্ট্ৰই ইয়াৰ নাগৰিকসকলৰ ভাগ্য নিৰ্ণয় কৰিব লাগে। এই নৈতিক লক্ষ্য টোত উপনীত হ'ব লাগিলে ৰাজনৈতিক সমস্যাবোৰ সমাধান কৰিব লাগিব। আৰু ৰাষ্ট্ৰ এখনে ইয়াৰ নৈতিক আদৰ্শ এটা কাৰ্যত পৰিণত কৰিব লাগিলেও ই কেতিয়াও নিজৰ নাগৰিকসকল আৰু অন্য ৰাষ্ট্ৰৰ লগত ব্যৱহাৰ কৰোঁতে সেই নৈতিক আদৰ্শটোৰপৰা আঁতৰি আহিব নোৱাৰিব। এইটোক তেওঁৰ পথ প্ৰদৰ্শনকাৰী নীতি হিচাপে লৈ এৰিষ্টটলে এই প্ৰশ্নটোৰ উত্তৰ দিছিল। কাক আমি নাগৰিক হিচাপে জ্ঞান কৰা উচিত ? এজন নাগৰিক এখন নগৰ বা এখন ৰাষ্ট্ৰৰ সভ্য আৰু সেই হিচাপে তেওঁ ৰাষ্ট্ৰৰ গৰাকীসকলৰ ভিতৰৰে এজন। তেওঁ ৰাষ্ট্ৰৰ ৰাজনৈতিক কাৰ্যত এটা প্ৰত্যক্ষ অংশ গ্ৰহণ কৰে অৰ্থাৎ ৰাষ্ট্ৰৰ আইনপ্ৰণয়ন নীতি নিৰ্দ্ধাৰণ আৰু কাৰ্যপন্থা গ্ৰহণত তেওঁ বৰঙণি যোগায়। গতিকে যিসকল মানুহৰ নিজৰ জীৱন গঢ়ি তুলিবলৈ আৰু গোটেই জাতিটোৰ বাবে এটা সুন্দৰ জীৱন গঢ়ি তুলিবলৈ বৰঙণি যোগাবলৈ প্ৰয়োজনীয় মানসিক আৰু নৈতিক যোগ্যতা আছে সেইসকল মানুহকহে নাগৰিক অধিকাৰ দিয়া উচিত। যিহেতু দাসসকল কাৰিকৰ সকল আৰু শ্ৰমিকসকলৰ এই গুণবোৰ নাই এৰিষ্টটলৰ মতে তেওঁলোকক নাগৰিকত্ব দিয়া উচিত নহয়।

চৰকাৰৰ শ্ৰেণীবিভাগ কৰোঁতেও এৰিষ্টটলে নৈতিক মাপকাঠি অৱলম্বন কৰিছিল। তেওঁৰ মতে শাসকজন বা শাসকসকলে ৰাষ্ট্ৰীয় ক্ষমতা ব্যৱহাৰ কৰে সকলোৰে মানুহৰ মংগলৰ বাবে বা তেওঁলোকৰ ব্যক্তিগত স্বাৰ্থ পূৰণৰ বাবে।

শাসকসকলে সকলো মানুহৰ মংগলৰ কাৰণে ৰাষ্ট্ৰীয় ক্ষমতা প্ৰয়োগ কৰিলে ৰাষ্ট্ৰ-সোৰক স্বাভাৱিক ৰাষ্ট্ৰ বুলি কোৱা হয় আৰু তেওঁলোকে ৰাষ্ট্ৰীয় ক্ষমতা নিজৰ স্বাৰ্থ পূৰণৰ বাবে ব্যৱহাৰ কৰিলে ৰাষ্ট্ৰবোৰক দূষিত ৰাষ্ট্ৰ বুলি কোৱা হয়। সেইমতে তেওঁ ৰাজতন্ত্ৰ অভিজাততন্ত্ৰ আৰু ৰাজ্যব্যৱস্থাক স্বাভাৱিক ৰাষ্ট্ৰ বুলি কৈছিল। কিয়না এই ৰাষ্ট্ৰবোৰে সকলো মানুহৰ মংগলৰ কাৰণে কাম কৰিছিল আৰু অত্যাচাৰী শাসন স্বল্পতন্ত্ৰ আৰু গণতন্ত্ৰক দূষিত ৰাষ্ট্ৰ বুলি কৈছিল। কিয়না এই ৰাষ্ট্ৰবোৰ শক্তি সম্পত্তি আৰু মুক্ত জন্মস্বত্বৰ ভিত্তিত গঠিত হৈছিল আৰু এইবোৰ ৰাষ্ট্ৰই শাসকসকলৰ স্বাৰ্থ পূৰণৰ বাবেহে কাম কৰিছিল। এৰিষ্ট টলৰ মতে উন্নত সমাজত ৰাজতন্ত্ৰ চলি থকাৰ কোনো নৈতিক যুক্তি নাই আৰু সেই গতিকে তেওঁ কৈছে যে এজন ভাল মানুহে আন ভাল মানুহবোৰৰ ওপৰত শাসন কৰা উচিত নহয় আৰু এজন বেয়া মানুহেও আন বেয়া মানুহবোৰৰ ওপৰত শাসন কৰা উচিত নহয়। আনকি কিবা এটা গুণত তেওঁ শ্ৰেষ্ঠ হলেও তেওঁক সেই অধিকাৰ দিয়া উচিত নহয়। কিয়না আন সকলোবোৰ ভাল মানুহৰ সমূহীয়া গুণ তেওঁতকৈ নিশ্চয় বেছি হ'বই।

যুক্তিৰ ভিত্তিত ৰাষ্ট্ৰত সাৰ্বভৌম কৰ্তৃত্বৰ অৱস্থান বিচাৰি উলিয়াবলৈ গৈ এৰিষ্টটলে কৈছে যে সাৰ্বভৌম ক্ষমতা মানুহৰ হাতত থকা উচিত নহয় আইনৰ হাতত থকাহে উচিত। কিয়নো আইন হৈছে উত্তেজনাবিহীন জ্ঞান। কিন্তু মানুহ যিমানেই জ্ঞানী নহওক লাগিলে তেওঁলোক উত্তেজনাৰ দাস। এৰিষ্টটলৰ মতে আইনৰ হাতত কৰ্তৃত্ব দিয়া মানে ভগৱানৰ হাতত কৰ্তৃত্ব দিয়া কিন্তু মানুহৰ হাতত কৰ্তৃত্ব দিয়া মানে এটা জন্তুৰ হাতত কৰ্তৃত্ব দিয়া। কেৱল যিবোৰ বিষয়ত আইন প্ৰয়োগ কৰিব নোৱাৰি সেইবোৰ বিষয়ৰ ওপৰতহে মানুহৰ হাতত সৰ্বোচ্চ ক্ষমতা অৰ্পণ কৰা উচিত। সেই বিষয়বোৰ হয় স্বাৰ্থক নহয় অসম্পূৰ্ণ। কিন্তু তেওঁ নিজৰ নৈতিক আদৰ্শৰ লগত সংগতি ৰক্ষা কৰি কৈছে যে এটা চূড়ান্ত লক্ষ্যত উপনীত হোৱাটোৱেই যিহেতু ৰাষ্ট্ৰৰ লক্ষ্য ৰাষ্ট্ৰীয় ক্ষমতা প্ৰয়োগকাৰী লোকসকলৰ গাত প্ৰয়োজনীয় বৌদ্ধিক আৰু নৈতিক গুণ থাকিব লাগিব। কিয়নো তেতিয়াহে তেওঁলোকে তেওঁলোকৰ ওপৰত অৰ্পিত হোৱা মহান ৰাষ্ট্ৰীয় কাৰ্য সম্পাদন কৰিব পাৰিব। তেওঁ কিন্তু আকৌ কৈছে যে ব্যক্তিগতভাৱে প্ৰত্যেকজন মানুহ সাধাৰণ গুণসম্পন্ন হলেও জনসাধাৰণে যথেষ্ট পৰিমাণে গুণ আৰু সামৰ্থ্য লাভ কৰিলে সাৰ্বভৌম ক্ষমতা জনসাধাৰণৰ হাতত থকা উচিত। কিয়নো তেওঁলোকৰ সমূহীয়া জ্ঞান সম্পত্তি আৰু সামৰ্থ্যৰ পৰিমাণ যিকোনো এজন ব্যক্তি বা কেইজনমান ব্যক্তিৰ গুণ সম্পত্তি আৰু সামৰ্থ্যতকৈ বেছি হ'ব। কিন্তু যদি জনসাধাৰণৰ অত্যাৱশ্যকীয় পৰিমাণৰ গুণ, সম্পত্তি আৰু সামৰ্থ্য নাথাকে আৰু ৰাষ্ট্ৰত থকা কোনো এজন মানুহ বা কেইজনমান মানুহৰ গুণ আৰু সামৰ্থ্য

পৰিমাণ ৰাষ্ট্ৰৰ আন সকলোবোৰ মানুহৰ ব্যক্তিগত আৰু সমূহীয়া গুণৰ পৰি মাণতকৈ বেছি হয় তেতিয়া ৰাষ্ট্ৰৰ সাৰ্বভৌম ক্ষমতা জনসাধাৰণৰ মংগলৰ কাৰণেই ৰাষ্ট্ৰত থকা সেই অসাধাৰণ ব্যুৎপত্তিসম্পন্ন মানুহজনৰ হাতত বা মানুহকেইজনৰ হাতত অৰ্পণ কৰা উচিত। এৰিষ্টটলে এই বিষয়টোৰ ওপৰত তেওঁ আগবঢ়োৱা আলোচনা এইখিনি কথাৰে মোখনি মাৰিছে : কেৱল ৰাষ্ট্ৰৰ অস্তিত্বৰ বিষয় বিবেচনা কৰিলে এইটো অনুমান হয় যে সাৰ্বভৌম ক্ষমতাৰ বাবে জনাৰা বহুতৰ দাবীটোৰ ন্যায়সংগত কিন্তু আমি যদি এটা সুন্দৰ জীৱনৰ কথা বিবেচনা কৰোঁ সাৰ্বভৌমত্ব লাভৰ বাবে শিক্ষা আৰু গুণৰ দাবী বেছি যুক্তিসংগত।

সমতা আৰু স্বাধীনতাৰ ওপৰতো এৰিষ্টটলে নৈতিক গুৰুত্ব আৰোপ কৰিছে। সমতাৰপৰা সমাজ প্ৰকৃতত লাভবান হ'ব লাগিলে গাণিতীয় বা বস্তু নিৰপেক্ষ অৰ্থত সমতাৰ ব্যৱহাৰ হ'ব নালাগিব আনুপাতিক অৰ্থতহে ইয়াৰ ব্যৱহাৰ হ'ব লাগিব নাগৰিকসকলৰ নৈতিক আৰু বৌদ্ধিক যোগ্যতাৰ লগত সমতাৰ সম্বন্ধ থাকিব লাগিব। বস্তুনিৰপেক্ষ সমতা মানি চলিব লাগিলে অযোগ্য অনভিজ্ঞ আৰু অজ্ঞ মানুহবোৰে ৰাষ্ট্ৰীয় বিষয়বাববোৰ দখল কৰিব আৰু তেওঁ লোকৰদ্বাৰা ৰাষ্ট্ৰীয় কাৰ্য্য বেয়াভাবে পৰিচালিত হ'ব আৰু তেতিয়া ৰাষ্ট্ৰখন দূষিত ৰাষ্ট্ৰত পৰিণত হ'ব। কিন্তু আনুপাতিক সমতা স্থাপিত হ'লে বেছি গুণী আৰু বেছি প্ৰতিভাসম্পন্ন লোকসকলে বেছি গুৰুত্বপূৰ্ণ আৰু দায়িত্বসম্পন্ন বিষয় বাববোৰ পাব আৰু কম গুণী আৰু কম প্ৰতিভাসম্পন্ন লোকসকলে কম গুৰুত্ব পূৰ্ণ আৰু কম দায়িত্বসম্পন্ন বিষয়বাববোৰ পাব। সেইদৰে স্বাধীনতাৰ অৰ্থ এইটো নহয় যে সকলোবোৰ ৰাষ্ট্ৰীয় বিষয়বাব পাবলৈ সকলোবোৰ নাগৰিকৰ অধিকাৰ আছে ইয়াৰ অৰ্থ হৈছে ৰাষ্ট্ৰৰ ৰাজনৈতিক কাৰ্য্যত অংশগ্ৰহণ কৰিবলৈ সকলোবোৰ নাগৰিকে সুবিধা পাব লাগিব। প্ৰত্যেকজন নাগৰিকে নিজৰ যোগ্যতা অনুসৰি ৰাষ্ট্ৰীয় বিষয়বাব পাব লাগিব। আইনৰ দৃষ্টিত আকৌ স্বাধীনতাৰ অৰ্থ এইটো নহয় যে মানুহে নিজৰ ইচ্ছামতে যিকোনো কাম কৰিব পাৰে কিয়নো স্বাধীনতাৰ অৰ্থকেইটা হ'ব লাগিলে এজন মানুহৰ স্বাধীনতাই আন সকলোবোৰ মানুহৰ স্বাধীনতা নাইকিয়া কৰি পেলাব আৰু নাগৰিকসকলক ধ্বংস কৰিব। ইয়াৰপৰা নাগৰিকসকলৰ নৈতিক আৰু বৌদ্ধিক মৰ্য্যাদাৰ কোনো উন্নতি নহয়। স্বাধীনতাৰদ্বাৰা নাগৰিকসকল লাভবান হ'ব লাগিলে ইয়াৰ অৰ্থ এইটোৱে হোৱা উচিত হ'ব যে মানুহে যিবোৰ কাম কৰা উচিত সেইবোৰহে কৰিব লাগে আৰু যিবোৰ কাম কৰা উচিত নহয় সেইবোৰ কৰিব নালাগে।

আদৰ্শ ৰাষ্ট্ৰখনৰ চিত্ৰ আঁকোতে এৰিষ্টটলে এটা সাধাৰণ নীতিৰপৰা আগ বাঢ়িছে। সেই নীতিটো হৈছে— কেৱল জ্ঞান আৰু গুণৰহে শাসন কৰিবলৈ অধি

কাৰ থকা উচিত। যিসকলে শাসন কৰে এইটো তেওঁলোকৰ বাবে ন্যায়সংগত আৰু যিসকল শাসিত হয় এইটো তেওঁলোকৰ বাবেও ন্যায়সংগত। কিয়নো সেইসকল শাসকৰ হাতত তেওঁলোকৰ জীৱন নিৰাপদ হৈ থাকিব। যদি ৰাষ্ট্ৰৰ ভিতৰত এনেকুৱা এজন মানুহ পোৱা যায় যাৰ জ্ঞান আৰু গুণ মানুহৰ ভিতৰত দেৱতাৰ দৰে আৰু যাক মানুহৰ ভিতৰত দেৱতা বুলি ক'ব পাৰি তেতিয়া সেই মানুহ জনক চৰম ক্ষমতাসম্পন্ন ৰজা বুলি গ্ৰহণ কৰা উচিত হ'ব কিয়নো তেওঁ সকলোৰে স্বাৰ্থ উৎকৃষ্টভাৱে ৰক্ষা কৰিব পাৰিব। কিন্তু তেনেকুৱা এজন মানুহ পোৱাটো একপ্ৰকাৰ অসম্ভৱ। গতিকে এৰিষ্টটলে কৈছে যে তেনেকুৱা এজন অত্যুৎকৃষ্ট জ্ঞানৰ মানুহ অবিহনে আদৰ্শ ৰাষ্ট্ৰখন কিছুমান উচ্চ জ্ঞানসম্পন্ন মানুহৰদ্বাৰা শাসিত হ'ব লাগিব। কিন্তু তেওঁ নিজৰ জনপ্ৰিয় সাৰ্বভৌমত্বৰ নীতিৰ লগত সংগতি ৰক্ষা কৰি আকৌ কৈছে যে আদৰ্শ ৰাষ্ট্ৰখন জ্ঞানী লোক সকলৰদ্বাৰা শাসিত হয় আৰু প্ৰত্যেকজন নাগৰিকেই উচ্চ জ্ঞানসম্পন্ন লোক। তেনে এখন ৰাষ্ট্ৰত গণতন্ত্ৰৰ বৈশিষ্ট্য আৰু অভিজাততন্ত্ৰৰ উচ্চ লক্ষ্য আছে। আধুনিক যুগত যি গণতন্ত্ৰ স্থাপিত হৈছে সেই গণতন্ত্ৰত প্ৰকৃতিতে অভিজাত তন্ত্ৰৰ গুণ আৰু উপাদানেই বৰ্তি আছে। এৰিষ্টটলে পাছত উপলব্ধি কৰিছিল যে তেনেকুৱা এখন আদৰ্শ ৰাষ্ট্ৰও দেশ ঘটাৰ ভৰ পৃথিৱীখনত প্ৰতিষ্ঠা কৰিব পৰা নাযায়। গতিকে পাছত তেওঁ গ্ৰীকসকলৰ বাবে আকৌ এখন বাস্তৱত প্ৰতিষ্ঠা কৰিব পৰা উৎকৃষ্ট ৰাষ্ট্ৰৰ ছবি দাঙি ধৰিছিল। তেওঁৰ মতে সেই ৰাষ্ট্ৰখন স্বল্প তন্ত্ৰ আৰু গণতন্ত্ৰৰ ঠাইত প্ৰতিষ্ঠা কৰিব পৰা যায়। তেওঁ সেই ৰাষ্ট্ৰখনৰ নাম ৰাখিছিল ৰাজ্যব্যৱস্থা (polity)। জনসাধাৰণেই এই ৰাষ্ট্ৰখনৰ শাসক আছিল আৰু জনসাধাৰণৰ অধিকসংখ্যক লোক মধ্যবিত্ত শ্ৰেণীৰ ভিতৰত পৰিছিল। ইয়াত নাগৰিকসকল বিষয়বাব পাবৰ বাবে কিছু পৰিমাণৰ সম্পত্তিৰ গৰাকী হ'ব লাগিছিল। এই ৰাষ্ট্ৰখনত সংখ্যা সমষ্টীয়া জ্ঞান আৰু সামৰ্থ্যৰ লগত মধ্যবিত্ত শ্ৰেণীৰ লোকসকলে তেওঁলোকৰ শ্ৰেষ্ঠতাৰ কাৰণে ধনী শ্ৰেণীৰ লোক আৰু দুখীয়া শ্ৰেণীৰ লোকসকলৰ ওপৰত প্ৰাধান্য বিস্তাৰ কৰিছিল।

গতিকে এইটো পৰিষ্কাৰ যে নৈতিক আদৰ্শৰ ভিত্তিত তেওঁৰ আদৰ্শ ৰাষ্ট্ৰখন ৰচিত হৈছিল। আৰু আদৰ্শ ৰাষ্ট্ৰ এখনৰ গঠন যি ধৰণৰেই নহওক লাগিলে ইয়াত কেৱল জ্ঞান আৰু গুণেই সৰ্বোচ্চ কৰ্তৃত্ব প্ৰয়োগ কৰিব লাগিছিল।

নৈতিক যুক্তিত আকৌ এৰিষ্টটলে সাম্ৰাজ্যবাদক নিন্দা কৰিছিল। তেওঁ সুধিছিল 'যদি এখন ৰাষ্ট্ৰৰ চৰকাৰে আন আন ৰাষ্ট্ৰবোৰক নিজৰ অধীনলৈ অনাটোকে চূড়ান্ত লক্ষ্য বুলি গণ্য কৰে তেন্তে কিয় প্ৰত্যেকজন নাগৰিকে তেওঁৰ লগৰীয়া নাগৰিকসকলক উৎপীড়ন কৰিবলৈ বিচৰাটো উচিত নহয়? ৰাজ

নীতিতত্ত্বসকলৰ প্ৰতি লক্ষ্য কৰি তেও আকৌ সুধিছিল কি ধৰণৰ আদৰ্শ আৰু শিক্ষা তেওঁলোকে নাগৰিকসকলৰ আগত দাঙি ধৰিবছে ? তেওঁৰ মতে সম্পত্তি আৰু ক্ষমতা লাভৰ বাবে চেষ্টা কৰিলে মানুহে ভাল জীৱন গঢ়ি তুলিব পাৰে। ব্যক্তিগত নৈতিকতা আৰু সামাজিক নৈতিকতাৰ মাজত তেও কোনো পাৰ্থক্য দেখা নাই। তেও সেই গতিকে যদি কৈছে যে ব্যক্তিসকলে যেনেকৈ নৈতিক আদৰ্শ মানি চলিব লাগে ৰাষ্ট্ৰইও তেনেকৈ নৈতিক আদৰ্শ মানি চলিব লাগে। তেওঁৰ মতে যিখন ৰাষ্ট্ৰ নৈতিকভাৱে উৎকৃষ্ট আৰু যিখন ৰাষ্ট্ৰই ন্যায়সংগতভাবে কাৰ্য্য নিৰ্বাহ কৰে সেইখন ৰাষ্ট্ৰকে সুখী ৰাষ্ট্ৰ বুলি ক'ব পাৰি। কোনো ৰাষ্ট্ৰই ভাল কাৰ্য্য নকৰাকৈ ন্যায়সংগতভাৱে কাৰ্য্যনিৰ্বাহ কৰিব নোৱাৰে আৰু গুণ আৰু জ্ঞান নোহোৱাকৈ ব্যক্তি বা ৰাষ্ট্ৰ কোনেটোৱেই ভাল কাৰ্য্য কৰিব নোৱাৰে। এইদৰে এৰিষ্টটলৰ সমস্ত ৰাজনৈতিক চিন্তাতে এটা নৈতিক ভাব বা ঝোক দেখিবলৈ পোৱা যায়।

ছক্ৰেটিছে ভালদৰে বুজিছিল যে যেতিয়া ৰাজনৈতিক ক্ষমতা নৈতিকভাৱে নীচ আৰু বৌদ্ধিকভাৱে অজ্ঞ মানুহৰ হাতত পৰে তেতিয়া দুখ কষ্ট আৰু অশান্তিয়ে গোটেই জাতিটোকে আগুৰি ধৰে। প্লেটোৱেও তেওঁৰ গুৰুক সমৰ্থন কৰি কৈছিল যে দাৰ্শনিক ৰজাৰ শাসন প্ৰতিষ্ঠা নোহোৱা পৰ্য্যন্ত মানুহৰ অশান্তি আৰু দুখ কষ্টৰ অৱসান নহয়। আন কথাত শাসকসকল গুণী আৰু জ্ঞানী হ'লেহে তেওঁলোকে নিজৰ আৰু সমাজৰ অন্যান্য সকলোৰে বাবে এটা পৰম সুখ আৰু জ্ঞানৰ জীৱন গঢ়ি তুলিবলৈ চেষ্টা কৰিব পাৰে। গ্ৰিক নগৰ ৰাষ্ট্ৰবোৰৰ অভিজ্ঞতাৰপৰা এৰিষ্টটলেও ভালদৰে বুজিছিল যে জ্ঞানহীন আৰু গুণহীন মানুহবোৰৰ হাতত ৰাজনৈতিক ক্ষমতা থকা বাবেহে মানুহৰ দুখ কষ্ট আৰু অশান্তি হৈ আছে। সেই গতিকে তিনিওজন গ্ৰিক দাৰ্শনিকে তেওঁলোকৰ সমসাময়িক লোকসকলক এইটো ভালদৰে বুজাই দিছিল যে সকলোবোৰ মানৱীয় সংস্থাৰ ভিতৰত ৰাষ্ট্ৰখন আটাইতকৈ মহান। কিয়নো ইয়াৰ উদ্দেশ্য আটাইতকৈ মহান। ৰাষ্ট্ৰৰ লক্ষ্য হৈছে মানুহৰ বাবে এটা সৰ্বগুণন্বিত আৰু শান্তিময় জীৱন গঢ়ি তোলা। ৰাষ্ট্ৰখন পবিত্ৰ নহ'লে ই কেতিয়াও ইয়াৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে। ৰাষ্ট্ৰ এখনৰ নীতি আৰু কাৰ্য্য নিৰ্ধাৰণকাৰী লোকসকল পবিত্ৰ নহ'লে ৰাষ্ট্ৰ এখন পবিত্ৰ হ'ব নোৱাৰে।

গ্ৰিক দাৰ্শনিকসকল নৈতিক দাৰ্শনিক আছিল। তেওঁলোকে গোটেই জীৱনটোকে এটা বস্তু হিচাপে বিচাৰ কৰিছিল খণ্ড খণ্ড কৰি বিচাৰ কৰা নাছিল। মানুহবোৰ যিহেতু নৈতিক প্ৰাণী নৈতিক আদৰ্শই মানুহৰ ব্যক্তিগত জীৱন আৰু সামাজিক জীৱন নিয়ন্ত্ৰণ কৰা উচিত। গতিকে ৰাজনীতিত নীতিশাস্ত্ৰৰ স্থান আছে আৰু এৰিষ্টটল প্লেটো আৰু ছক্ৰেটিছে বিবোৰ ৰাজনৈতিক তত্ত্ব আমাৰ

অগত ঠাই ধৰিছে সেইবোৰ মানুহৰ জীৱনৰ ৰাজনৈতিক ক্ষেত্ৰত সমস্যাই দিয়া তেওঁলোকৰ নৈতিক ধাৰণাবোৰেই বলিষ্ঠ প্ৰকাশ। গতিকে স্বাভাৱিকতে গ্ৰীক ৰাজনৈতিক চিন্তাৰ চৰিত্ৰ অভিজাততান্ত্ৰিক। গ্ৰীক অৰ্থত অভিজাততন্ত্ৰৰ অৰ্থ হৈছে উৎকৃষ্ট মানুহৰ শাসন। মানুহৰ উৎকৃষ্টতা তেওঁলোকে জন্ম সম্পত্তি আৰু সামাজিক মৰ্য্যাদাৰ মাপকাঠিৰে বিচাৰ কৰিছিল।

নগৰৰাষ্ট্ৰ আৰু ইয়াৰ গুণ দোষ

অন্য আন ৰাষ্ট্ৰবোৰৰ দৰে গ্ৰীক নগৰৰাষ্ট্ৰবোৰৰো গুণ আৰু দোষ দুয়োটাই আছিল। দাসত্বই এই ৰাষ্ট্ৰবোৰৰ অৰ্থনীতিৰ ভেটি আছিল আৰু দাসসকলৰ সংখ্যা নাগৰিকসকলতকৈ বহুত বেছি আছিল। ৰাষ্ট্ৰৰ ভূখণ্ড বৰ ঠেক আৰু সৰু আছিল আৰু ইয়াৰ জনসংখ্যাও আছিল যথেষ্ট কম। এই ৰাষ্ট্ৰবোৰৰ অৰ্থনৈতিক সম্পদো বৰ কম আছিল। কিন্তু এই ৰাষ্ট্ৰবোৰ সৰ্বশক্তিমান আছিল আৰু প্ৰজাসকলৰ ওপৰত এইবোৰৰ নিয়ন্ত্ৰণ সম্পূৰ্ণ আছিল। ইয়াত ৰাষ্ট্ৰই ব্যক্তিৰ প্ৰত্যেকটো কামক নিয়ন্ত্ৰণ কৰিছিল যেনে— ৰাষ্ট্ৰই শিক্ষাৰ ব্যৱস্থা কৰিছিল ৰাষ্ট্ৰই মানুহবোৰক জাতীয় ক্ৰীড়া আৰু উৎসৱবোৰত অংশগ্ৰহণ কৰিবলৈ বাধ্য কৰিছিল। আনকি ৰাষ্ট্ৰই মানুহৰ বাবে ধৰ্মও বান্ধি দিছিল। এথেন্সৰ আইনে মতা মানুহৰ বাবে কৌমাৰ্য্য নিষেধ কৰিছিল। আইনমতে যিকোনো বিবাদতে প্ৰত্যেক মানুহে যিকোনো এটা পক্ষ অৱলম্বন কৰিব লাগিছিল। আনকি ভ্ৰমণৰ সময়ত এজন মানুহে লগত লৈ যাব পৰা পোছাক পৰিচ্ছদৰ সংখ্যাও ৰাষ্ট্ৰই ঠিক কৰি দিছিল।

স্বল্পতান্ত্ৰিক ৰাষ্ট্ৰত ধনীসকলে গৰীৱবোৰক ঘৃণা আৰু শোষণ কৰিছিল আৰু গণতান্ত্ৰিক ৰাষ্ট্ৰত গৰীৱসকলে ধনী শ্ৰেণীটোক উৎপীড়ন কৰিছিল। ধনী আৰু গৰীৱ শ্ৰেণী দুটাৰ মাজত থকা এই বিৰোধৰ কাৰণে তেওঁলোকৰ মাজত প্ৰায়ে কাজিয়া-পেচাল হৈ আছিল আৰু কেতিয়াবা কেতিয়াবা সেই কাজিয়াবোৰে চূড়ান্ত ৰূপ গ্ৰহণ কৰিছিল। ইয়াৰ কাৰণ হৈছে নগৰখনৰ ভিতৰত এটা সৰু অঞ্চলতে ওচৰাউচৰিকৈ ধনী আৰু গৰীৱসকল বাস কৰে। ঘৰুৱা কথা বতৰাত আলোচিত হোৱা কোনো এটা মন্তব্যই কেতিয়াবা মন্তব্যকাৰীৰ বিৰুদ্ধে আদালতত বিচাৰ কৰিবলগীয়া বিষয় হৈ পৰে।

জীৱনৰ লক্ষ্যত উপনীত হ'বলৈ আৰু নাগৰিক হিচাপে সম্পূৰ্ণ উচ্চতা লাভ কৰিবলৈ মানুহক কিছুমান অধিকাৰ লাগে। কিন্তু একে সময়তে মানুহে সমাজৰ মংগলৰ কাৰণে কিছুমান কৰ্তব্যও পালন কৰিব লাগে। কিয়নো, মানুহে সমাজৰ এটা এৰাব নোৱৰা অংগ। স্বাভাৱিকতে মানুহৰ ওপৰত সমাজৰ কিছু

মান দাবী আছে আৰু সমাজে ইয়াৰ ব্যৱহাৰ আৰু কাৰ্য্য নিয়ন্ত্ৰণ কৰাৰ অধিকাৰ আছে। কিন্তু ইয়ৰ এটা সীমা আছে। এই সীমাটো পাৰ হৈ সমাজে মানুহৰ ব্যৱহাৰ নিয়ন্ত্ৰণ কৰা উচিত নহয়। গ্ৰিক নগৰত নাগৰিকসকল একোটা জাতীয় আৰু ভাষিক গোটৰপৰা আহিছিল। সংখ্যাত তেওঁলোক বৰ কম আছিল আৰু সেই গতিকে নগৰৰ এটা সৰু অঞ্চলৰ ভিতৰতে তেওঁলোক ওচৰা উচৰিকৈ বাস কৰিছিল। তেওঁলোকে ইজনে সিজনক ভালদৰে জানিছিল। গ্ৰিক নগৰ ৰাষ্ট্ৰ বোৰৰ ঐতিহাসিক অৱস্থা এনেকুৱা আছিল যে তাত নাগৰিকসকলে ৰাষ্ট্ৰৰ লগত ঘনিষ্ঠ সম্পৰ্ক আৰু সৃজনশীল সহযোগিতাৰে কাম কৰিছিল। ব্যক্তিৰ জীৱনৰ ওপৰত ৰাষ্ট্ৰই অত্যাধিক নিয়ন্ত্ৰণ চলালেও ব্যক্তিয়ে কোনো আপত্তি নকৰিছিল। ইয়াৰ কাৰণ আছিল এয়ে যে তত ব্যক্তিগত নাগৰিকসকলে আইনপ্ৰণয়ন কাৰ্য্যত অংশ গ্ৰহণ কৰিছিল। কিন্তু আধুনিক যুগৰ দেশীয় ৰাষ্ট্ৰবোৰত নাগৰিকসকলৰ মাজত জাতি ভাষা আৰু ধৰ্মৰ পাৰ্থক্য আছে আৰু সেইবাবে নাগৰিকসকলৰ ওপৰত ৰাষ্ট্ৰই কোনো ধৰ্ম জাপি দিলে বা কোনো ধৰ্মীয় উৎসৱত অংশগ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰই নাগৰিকসকলক বাধ্য কৰিলে নাগৰিকসকলৰ বিবেকৰ স্বাধীনতাৰ ওপৰত হাত দিয়া হয়। বাধ্যতামূলক বিবাহ সংঘটিত কৰিবৰ বাবে ঋতু নিৰ্ধাৰণ আৰু ভ্ৰমণৰ সময়ত মানুহে লগত লব পৰা পোছকৰ সংখ্যা আদি বান্ধি দিয়া কাৰ্য্য বৰ্তমান যুগত মানুহৰ ব্যক্তিগত জীৱনৰ ওপৰত অসহনীয় হস্তক্ষেপ। আধুনিক যুগৰ ৰাষ্ট্ৰবোৰত কোটি কোটি নাগৰিক আছে আৰু সেই গতিকে তেওঁলোকৰ এটা সৰু অংশইহে ৰাষ্ট্ৰৰ নীতি নিৰ্ধাৰণ আৰু ৰাষ্ট্ৰীয় কাৰ্য্যত অংশগ্ৰহণ কৰিব পাৰে। ব্যক্তিৰ সকলোবোৰ কাৰ্য্যৰ ওপৰত ৰাষ্ট্ৰক নিয়ন্ত্ৰণ কৰিবলৈ অধিকাৰ দিলে ৰাষ্ট্ৰীয় ক্ষমতা অধিকাৰ কৰা কেইজনমান মানুহে ৰাষ্ট্ৰত থকা কোটি কোটি মানুহৰ ভাগ্য নিয়ন্ত্ৰণ কৰিবলৈ সুবিধা পাব আৰু তেতিয়া তেওঁলোকৰ কল্পনা আৰু ইচ্ছাৰ ওপৰতে ৰাষ্ট্ৰৰ জনসাধাৰণৰ ভাল-বেয়া সকলোবোৰ নিৰ্ভৰ কৰিব। আনকি এখন সমাজবাদী ৰাষ্ট্ৰতো ব্যক্তিসকলৰ বাবে এটা সুকীয়া ক্ষেত্ৰ থকা উচিত য'ত ৰাষ্ট্ৰই হস্তক্ষেপ কৰিব নোৱাৰে।

এতিয়া আমাৰ বাবে নগৰৰাষ্ট্ৰ প্ৰতিষ্ঠা কৰাটো অসম্ভৱ। কিন্তু নগৰৰাষ্ট্ৰৰ এটা ঐতিহাসিক প্ৰয়োজনীয়তা আছিল আৰু সেই কাৰণে গ্ৰিক জগতত নগৰ-ৰাষ্ট্ৰবোৰ গঢ়ি উঠিছিল। নগৰৰাষ্ট্ৰবোৰৰো এটা গৌৰৱময় যুগ আছিল। সেই ৰাষ্ট্ৰবাবেও নিজৰ ঐতিহাসিক দায়িত্ব পালন কৰিছিল আৰু তাৰ পাছত সেই বোৰ লাহে লাহে অদৃশ্য হৈ গৈছিল। কিয়নো পাছৰ যুগৰ বাবে সেইবোৰৰ প্ৰয়োজনীয়তা নাছিল। পাছৰ যুগত যাতায়াত ব্যৱস্থা উন্নত হৈছিল আৰু সেই গতিকে মানুহে সহজে ৰাষ্ট্ৰৰ ভিতৰত ভ্ৰমণ কৰিব পাৰিছিল। ইয়াৰ ফলত ভাতৰ

ৰাষ্ট্ৰ সংগঠিত কৰাটো সম্ভৱপৰ হৈ উঠিছিল। তদুপৰি অপৰ্য্যাপ্ত মানৱ সম্পদ আৰু প্ৰাকৃতিক সম্পদ থকা সৰু সৰু নগৰৰাষ্ট্ৰবোৰে ইয়াৰ ওচৰত গঢ়ি উঠা ডাঙৰ ৰাষ্ট্ৰবোৰৰ আক্ৰমণ প্ৰতিহত কৰিব নোৱাৰিছিল। অৱশেষত গ্ৰিক ৰাষ্ট্ৰবোৰ মেছিডোনিয়াই গ্ৰাস কৰি পেলাইছিল। ইয়াৰ পাছত আৰম্ভ হৈছিল দেশীয় ৰাষ্ট্ৰবোৰৰ এটা দীঘলীয়া যুগ আৰু তাৰ পাছত সাম্ৰাজ্যবাদৰ সৃষ্টি হৈছিল। আকৌ বিজ্ঞান আৰু কাৰিকৰী বিদ্যাৰ উন্নতিৰ ফলত সাৰ্বভৌম জাতিৰ জন্ম হ'ল আৰু এনেকৈ শান্তি প্ৰগতি আৰু উন্নতিৰ বাবে ৰাষ্ট্ৰবোৰৰ মাজত পৰস্পৰ নিৰ্ভৰশীলতা বাঢ়ি আহিল। বৰ্তমান কোনো ৰাষ্ট্ৰই ইয়াৰ নাগৰিকসকলৰ উৎকৃষ্ট বিকাশৰ কাৰণে ৰাষ্ট্ৰৰ ভিতৰতে সকলোৰে সুবিধা আৰু অৱস্থাৰ সৃষ্টি কৰিব নোৱাৰে। গতিকে এতিয়া দেশীয় ৰাষ্ট্ৰবোৰে আন্তৰ্জাতিক বিষয়বোৰৰ ওপৰত থকা তেওঁলোকৰ সাৰ্বভৌম ক্ষমতা এৰি দিয়া উচিত আৰু আন্তৰ্জাতিক আইনকো ৰাষ্ট্ৰীয় আইনৰ অংশ হিচাপে গ্ৰহণ কৰা উচিত। বৰ্তমানৰ থকা মানুহবোৰক এতিয়া কেৱল এইখন ৰাষ্ট্ৰ বা সেইখন ৰাষ্ট্ৰৰ নাগৰিক বুলি জ্ঞান নকৰি জীৱনৰ বহুতো উদ্দেশ্যৰ কাৰণে পৃথিৱীৰ নাগৰিক বুলিহে জ্ঞান কৰা উচিত। ১৯৪৮ চনত সম্মিলিত জাতিসংঘৰ সাধাৰণ সভাই মানৱ অধিকাৰৰ বিষয়ে সাৰ্বজনীন ঘোষণা কৰি যিটো প্ৰস্তাৱ ঘোষণা কৰিছে তাত এই ভাবটো প্ৰকটভাৱে ফুটি উঠা দেখিবলৈ পোৱা যায়।

কিন্তু তথাপি নগৰৰাষ্ট্ৰবোৰৰ কিছুমান সুফলও আছিল আৰু সাংগঠনিক সেই ৰাষ্ট্ৰবোৰৰ এটা সাৰ্বজনীন আবেদন আছিল। নগৰৰাষ্ট্ৰৰ নাগৰিকসকলে এটা মহান আৰু মৰ্যাদাসম্পন্ন জীৱন উপভোগ কৰিছিল। গ্ৰিক নাগৰিকসকল তেওঁলোকৰ ৰাষ্ট্ৰৰ সদস্য আছিল আৰু সেই কাৰণেই তেওঁলোক ৰাষ্ট্ৰৰ গৰাকীও আছিল। প্ৰত্যেকজন নাগৰিকৰে ওচৰচুবুৰীয়াসকলৰ লগত ঘনিষ্ঠ সম্বন্ধ আছিল আৰু সেই গতিকে তেওঁলোকৰ দোষগুণ সহজে ভালদৰে জানিছিল। ইয়াৰ ফলত নাগৰিকসকলে উপযুক্ত মানুহক উপযুক্ত পদৰ বাবে নিৰ্বাচন কৰিব পাৰিছিল আৰু ন্যায়িক দায়িত্ব সুশৃংখলভাৱে পালন কৰিব পাৰিছিল। নাগৰিকসকলে আইনপ্ৰণয়ন কাৰ্যত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল তেওঁলোকে ৰাষ্ট্ৰীয় নীতি আৰু কাৰ্যসূচী গঢ় দিছিল। এনেকৈ নাগৰিকসকলে তেওঁলোকৰ ব্যক্তিগত মংগল আৰু ৰাষ্ট্ৰীয় মংগলৰ মাজত ঐক্য দেখিবলৈ পাইছিল। নাগৰিক আৰু ৰাষ্ট্ৰ চৰকাৰী কাৰ্য্য চলোৱাৰ বাবে সজনশীল অংশীদাৰ আছিল আৰু সেইকাৰণে নাগৰিক এজনে তেওঁৰ নিজৰ বাবে আৰু তেওঁৰ গোটেই ৰাজ্যৰ বাবে ধুনীয়া জীৱন গঢ়ি তুলিব পাৰিলে আনন্দ অনুভৱ কৰিছিল। আজিকালিৰ সাধাৰণ নাগৰিকবোৰে এই আনন্দ উপভোগ নকৰে বা কৰিব নোৱাৰে। এখন আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰত জনসাধাৰণৰ মাজত এজন ব্যক্তিৰ অস্তিত্ব নাইকিয়া হৈ যায়। বৰ্তমান যুগত সকলোৰে ৰাষ্ট্ৰ

কম-বেছি পৰিমাণে প্ৰাধিকাৰাত্মক হৈ পৰিছে। শিক্ষাৰ সম্প্ৰসাৰণ শিল্পায়ন আৰু চহৰীয়া সভ্যতাৰ সাম্প্ৰসাৰণ চহৰ আৰু নগৰবোৰত যথেষ্টসংখ্যক জন সমষ্টিৰ স্তূপীকৰণ সংবাদপত্ৰ ৰেডিঅ আদিয়ে কৰ্য্যবাহী ক্ষমতা দখল কাৰ থকা মুষ্টিমেয় নেতাক নাগৰিকসকলৰ মন আৰু মতামত তেওঁলোকৰ স্বাৰ্থ আৰু নীতিৰ সপক্ষে গঢ়ি তুলিবলৈ সুবিধা দিছে। সেইবাবে মানুহবোৰে এতিয়া নেতা সকলে যি মতামত দিবলৈ কয় সেই মতামতহে দিযে নিজৰ মতামত দিবলৈ তেও লোকক সুযোগ অৰু সুবিধা দিয়া নহয। গতিকে বেছিভাগ নাগৰিকে এতিয়া যুক্তিযুক্ত মতামত দিব নোৱৰা হৈছে এনে এটা পৰিবেশত গণতন্ত্ৰ বেছি দিন বাচি থাকিব নোৱাৰে।

এতিয়াও আমাৰ মন নগৰৰাষ্ট্ৰৰ দিনলৈ ঘূৰি যাব খোজে কাৰণ তাত ব্যক্তিগত নাগৰিকসকলক তেওঁলোকৰ যোগ্যতা অনুসাৰে ৰাষ্ট্ৰীয় বিষয়ৰ ভাৰ সম্মান দিয়া হৈছিল আৰু তেওঁলোকৰ যোগ্যতাক অৱমাননা কৰা নহৈছিল। এতিয়াও প্ৰকৃত গণতন্ত্ৰ গঢ়ি তুলিব লাগিলে আৰু গণতন্ত্ৰক প্ৰাধিকাৰবাদৰ কবলৰপৰা ৰক্ষা কৰিব লাগিলে ইয়াক সধাৰণ মানুহবোৰৰ দুৱাৰডলিলৈ লৈ যাব লাগিব। আধুনিক ৰাষ্ট্ৰবোৰ পুলিছ ৰাষ্ট্ৰ হৈ থকা নাই। এইবোৰ কল্যাণকামী ৰাষ্ট্ৰত পৰিণত হৈছে কিয়নো এই ৰাষ্ট্ৰবোৰে নাগৰিকসকলৰ বাবে অগণন সেবা আগবঢ়াই আছে। দিনে দিনে আধুনিক ৰাষ্ট্ৰবোৰে নাগৰিকসকলৰ জীৱনৰ বেলেগ বেলেগ ক্ষেত্ৰত ইযাৰ কাৰ্য্য সম্প্ৰসাৰণ কৰি আছে। ৰাষ্ট্ৰৰ কেন্দ্ৰীয় চৰকাৰবোৰৰ কাৰ্য্যাৱলী ক্ৰমশ বৰ্দ্ধি হৈ আছে। এই কাম কাজবোৰ কেন্দ্ৰীয় বিষয়াসকলে সংগঠিত আৰু নিয়ন্ত্ৰণ কৰিলে সাধাৰণ নাগৰিকসকলক চৰকাৰৰ লগত সজনশীল সহযোগিতাৰে কম কৰিবলৈ সুবিধা দিব পৰা নাযাব। গতিকে আমি বৰ্তমান সময়ত গ্ৰিক নগৰৰাষ্ট্ৰৰপৰা শিক্ষা গ্ৰহণ কৰাটো ভাল হ'ব। গোটেই ৰাষ্ট্ৰখনক কিছুমান ৰাজ্য জিলা মহকুমা আদিত বিভক্ত কৰি লৈ প্ৰতিটো ভাগকে প্ৰযো জনীয় ক্ষমতা আৰু পুঁজি দিয়া উচিত অৰু তেতিয়া এই ভাগবোৰে তেও লোকৰ ওপৰত অৰ্পণ কৰা কাৰ্যবোৰ সেই ক্ষমতা আৰু পুঁজিৰ যিমান সম্ভৱ সিমান মুক্তভাৱে সম্পন্ন কৰিব পাৰিব। নগৰ অঞ্চল আৰু গাঁও অঞ্চলৰ বাবে সুকীয়া সুকীয়া প্ৰশাসনিক সমিতি গঠন কৰা উচিত হ'ব আৰু এই সমিতিবোৰ এনেভাৱে সংগঠন কৰিব লাগিব যাতে ইয়াত নাগৰিকসকলে বিস্তৃতভাৱে অংশ গ্ৰহণ কৰিবলৈ সুবিধা পায়। নাগৰিকসকলে সেই সুবিধা পাব লাগিলে কল্যাণ কামী ৰাষ্ট্ৰই গাঁও আৰু নগৰ অঞ্চলত কৰিবলগীয়া কল্যাণমূলক কামবোৰ কেন্দ্ৰীয় চৰকাৰৰ হাতৰপৰা আঁতৰাই আনি ক্ষমতাৰ বিকেন্দ্ৰীকৰণৰ নীতি অৱলম্বন কৰি সেইবোৰ স্থানীয় নাগৰিকসকলৰ হাতত অৰ্পণ কৰিব লাগিব। তেতিয়াহে ব্যক্তিয়ে স্থিও'ৰ নিজৰ বাবে আৰু তেওঁৰ লগৰীয়া নাগৰিকসকলৰ বাবে এটা সুন্দৰ জীৱন

গাঢ় তোলাৰ আনন্দ উপভোগ কৰিব পাৰিব আৰু তেতিয়াহে তেওঁৰ সুপ্ত শক্তিবোৰ জাগ্ৰত হ'ব আৰু তেওঁৰ ব্যক্তিত্ব ৰাষ্ট্ৰৰ শক্তিশালী হেঁচাত ধ্বংস নোহোৱাকৈ বাঢ়ি থাকিব পাৰিব।

নগৰৰাষ্ট্ৰৰ আদৰ্শত প্ৰত্যেকটো নগৰীয়া অঞ্চল আৰু প্ৰত্যেকটো গাঁৱলীয়া অঞ্চলে কাৰ্য্যনিৰ্বাহ কৰা উচিত। নগৰৰাষ্ট্ৰৰ মৃত্যু হৈছে কিন্তু নগৰৰাষ্ট্ৰই আমাৰ বাবে এটা অতি মূল্যবান বাণী এৰি থৈ গৈছে। সেইটো হৈছে, যেতিয়ালৈকে ৰাষ্ট্ৰই ইয়াৰ সকলোবোৰ কাম কাজত নাগৰিকসকলৰ সৃজনশীল সহযোগিতা নিবিচাৰে তেতিয়ালৈকে নাগৰিকসকলে সুন্দৰ জীৱন গঢ়ি তুলিব নোৱাৰে আৰু তেতিয়ালৈকে নাগৰিকসকলৰ মানসিক আৰু নৈতিক শক্তিৰ পূৰ্ণ বিকাশ নহয়। এই বিষয়ত আধুনিক ৰাষ্ট্ৰবাদে ফলপ্ৰসূভাৱে নগৰৰাষ্ট্ৰক অনুকৰণ কৰিব পাৰে। অন্যথাই এইটো সঠিকভাৱে ভয় কৰা যায় যে এখন ডাঙৰ ৰাষ্ট্ৰই এখন ডাঙৰ চৰকাৰ সৃষ্টি কৰিব আৰু সেই ডাঙৰ চৰকাৰখনৰ গৰাহত নাগৰিক ব্যক্তিত্ব ধ্বংস হৈ যাব।

এৰিষ্টটলীয় ৰাষ্ট্ৰত ব্যক্তিৰ স্থান

এৰিষ্টটলৰ দৃষ্টিত মানুহৰ সকলোবোৰ সংস্থাৰ ভিতৰত ৰাষ্ট্ৰৰ স্থান সবাতোকৈ উচ্চ। কিয়নো ৰাষ্ট্ৰৰ লক্ষ্য হৈছে মানুহৰ বাবে চূড়ান্ত মংগল সাধন কৰা। মানুহ ৰাজনৈতিক প্ৰাণী। মানুহক প্ৰকৃতিয়ে এনেভাৱে সৃষ্টি কৰিছে যে মানুহে নিজৰ জীৱনৰ পৰিপূৰ্ণতা লাভ কৰিবলৈ নিজক ৰাষ্ট্ৰৰ সুযোগ্য নাগৰিক হিচাপে গঢ়ি তুলিব লাগিব আৰু ৰাষ্ট্ৰত সেও এজন সুযোগ্য নাগৰিক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিব লাগিব। ৰাষ্ট্ৰৰ বাহিৰত মানুহে জন্তুতকৈ বৰ বেছি একো উন্নতি সাধন কৰিব নোৱাৰে। কেৱল ৰাষ্ট্ৰইহে মানুহৰ ব্যক্তিত্বৰ পূৰ্ণ বিকাশ সাধনৰ বাবে সকলোবোৰ প্ৰয়োজনীয় সা সুবিধা আগবঢ়াব পাৰে আৰু ইয়াৰ বাবে আৱশ্যকীয় পৰিবেশৰ সৃষ্টি কৰিব পাৰে। এই কথাটোৰ ওপৰত ভিত্তি কৰিয়েই কিছুমান ৰাজনৈতিক চিন্তাবিদে মন্তব্য কৰিছে যে এৰিষ্টটলীয় ৰাষ্ট্ৰৰ ব্যক্তিৰ ওপৰত চৰ্তহীন আৰু চূড়ান্ত কৰ্তৃত্ব আছে। এৰিষ্টটলৰ নিজৰ এষাৰ কথাৰ দ্বাৰা এই মন্তব্যটো আৰু বেছি শক্তিশালী হৈছে। তেওঁ কৈছে যে ৰাষ্ট্ৰখন এটা সজীৱ পদাৰ্থৰ দৰে আৰু ব্যক্তিবোৰ তেওঁলোকৰ মানসিক আৰু নৈতিক বিকাশৰ বাবে ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল যেনেকৈ মানুহৰ হাত-ভৰিৰ বিকাশ শৰীৰৰ বিকাশৰ ওপৰত নিৰ্ভৰশীল। এটা সজীৱ পদাৰ্থৰ অংশবোৰে গোটেই পদাৰ্থটোক

ইয়াৰ উদ্দেশ্য সাধনত সহায় কৰে। এৰিষ্ট'টলে কৈছে— 'মানুহবোৰে বিশ্বাস কৰা উচিত নহয় যে তেওঁলোক নিজৰ বাবে কিন্তু তেওঁলোক ৰাষ্ট্ৰৰ বাবেহে কিয়'না তেওঁলোক ৰাষ্ট্ৰৰ অংগ অৰ্থাৎ ব্যক্তি ৰাষ্ট্ৰৰ উদ্দেশ্য সাধনৰ এটা উপাদানহে মথোন আৰু ৰাষ্ট্ৰই ব্যক্তিৰ ওপৰত সম্পূৰ্ণ কৰ্তৃত্ব দাবী কৰিব পাৰে। এনেকুৱা এটা সিদ্ধান্তই এৰিষ্ট'টলে ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত থকা সম্বন্ধৰ বিষয়ে যিটো মত দাঙি ধৰিছে সেই মতটো বিকৃত কৰে। এই কথাখিনি ভালকৈ বুজিব লাগিলে আমি এইটো মনত পেলাব লাগিব যে ছক্ৰেটিছ আৰু প্লেটোৰ দৰে এৰিষ্টটলেও ছ'ফিষ্টসকলে প্ৰচাৰ কৰা তত্ত্ববোৰৰ তীব্ৰ প্ৰতিবাদ কৰি কৈছিল যে ৰাষ্ট্ৰখনত মানুহবোৰে স্বেচ্ছাকৃতভাৱে তেওঁলোকৰ মাজত তেওঁলোকৰ নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবে সৃষ্টি কৰা প্ৰথাগত অনুষ্ঠান নহয়। ব্যক্তিৰ লক্ষ্য নিজৰ উদ্দেশ্য সাধন কৰা নহয়। ৰাষ্ট্ৰৰ আইনৰ বিশেষ ধৰণৰ পবিত্ৰতা আছে আৰু এইবোৰ মানুহে ইচ্ছামতে তৈয়াৰ কৰিব পৰিবৰ্তন কৰিব আৰু বাতিল কৰিব নোৱাৰে। কিন্তু ছ'ফিষ্টসকলে কৈছিল যে ৰাষ্ট্ৰখন মানুহে স্বেচ্ছাকৃতভাৱে নিজৰ স্বাৰ্থ সাধনৰ বাবে সৃষ্টি কৰা প্ৰথাগত অনুষ্ঠান। ব্যক্তিৰ লক্ষ্য হৈছে কেৱল নিজৰ স্বাৰ্থ পূৰণ কৰা। ছ'ফিষ্ট সকলৰ এই ধৰণৰ উপদেশে এথেন্সৰ জনসাধাৰণৰ ব্যৱহাৰ আৰু চৰিত্ৰৰ ওপৰত সৰ্বনাশী প্ৰভাৱ পেলাইছিল। ইয়াৰ ফলত তেওঁলোকৰ আইনৰ প্ৰতি কোনো শ্ৰদ্ধা নোহোৱা হৈছিল। তেওঁলোকে নিজৰ ইচ্ছামতে জীৱন ধাৰণৰ লক্ষ্য ঠিক কৰি লৈছিল আৰু এনেকৈ এথেন্সৰ গণতন্ত্ৰ জনমতন্ত্ৰত পৰিণত হৈছিল । এইবোৰৰ কাৰণে এৰিষ্ট'টলৰ মন বৰ বিগলিত হৈ পৰিছিল আৰু মহৎ সংস্কাৰক সকলৰ পদাংক অনুসৰণ কৰি তেওঁ সত্যৰ ওপৰত অত্যাধিক গুৰুত্ব আৰোপ কৰি কৈছিল যে আইন অত্যন্ত এৰাব নোৱাৰা অৱস্থাত কাচিৎহে পৰিবৰ্তন কৰা উচিত। ভাল আইন নাথাকিলে বা কোনো আইন নাথাকিলে বেয়া আইনকে অগ্ৰাধিকাৰ দিয়া উচিত। কিয়নো বেয়া আইনবোৰৰ ঠাই এদিন ভাল আইনে দখল কৰিবই।

এৰিষ্ট'টলৰ চিন্তাৰ গূঢ় তত্ত্ব এইটো নাছিল যে ৰাষ্ট্ৰই ব্যক্তিৰ প্ৰত্যেকটো কাৰ্য্য নিয়ন্ত্ৰণ কৰিব লাগে। তেওঁ কেৱল কৈছিল যে ৰাষ্ট্ৰৰ ভিতৰত থাকিহে ব্যক্তিয়ে পূৰ্ণ জীৱন গঢ়ি তুলিব পাৰে। ৰাষ্ট্ৰখন যিমানেই ভাল হয় ব্যক্তিবোৰৰ গুণ আৰু যোগ্যতাও সিমান ভাল হ'ব আৰু সেই শক্তিকে ব্যক্তিয়ে নিজৰ স্বাৰ্থতে তেওঁৰ সামৰ্থ্য আৰু সাধ্যানুসাৰি ৰাষ্ট্ৰৰ সেৱা কৰিব লাগে। কিয়নো তেতিয়াহে ৰাষ্ট্ৰই তেওঁৰ চূড়ান্ত সুখ আৰু বিকাশৰ কাৰণে প্ৰয়োজনীয় অৱস্থাৰ সৃষ্টি কৰিব পাৰিব। ইয়াৰ অৰ্থ এইটো নহয় যে ব্যক্তিক ৰাষ্ট্ৰৰ নামত উছৰ্গা কৰা হ'ল। ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত থকা গঠনমূলক সম্বন্ধৰ প্ৰকৃতিৰ বিষয়ে এৰিষ্ট'টলে বিবোৰ চূড়ান্ত মন্তব্য কৰিছে সেইবোৰত এই কথাটো পৰিষ্কাৰ হৈছে। তেওঁ কৈছে যে মানুহ ৰাষ্ট্ৰৰ এটা অংগ কিন্তু সজীৱ পদাৰ্থ এটাৰ অংগবোৰৰ দৰে মানুহ এটা

স্বয়ংক্ৰিয় যন্ত্ৰ নহয়। মানুহ আত্মসচেতন নৈতিক প্ৰাণী। মানুহে নিজৰ বুদ্ধি বৃত্তি আৰু যুক্তিশক্তিৰ তেওঁৰ নিজৰ জীৱন আৰু ৰাষ্ট্ৰৰ জীৱন চলাই নিব পাৰে। মানুহ নিজৰ ব্যক্তিত্ব সাধনৰ বাবে ৰাষ্ট্ৰৰ ওপৰত নিৰ্ভৰশীল আৰু সেই কাৰণে মানুহে এটা সুন্দৰ সমূহীয়া জীৱন গঢ়ি তুলিবৰ বাবে ৰাষ্ট্ৰৰ লগত সৃজনশীল সহযোগিতাৰে কাম কৰিব লাগে। কিয়নো তেতিয়াহে তেওঁ নিজৰ বাবে এটা সুন্দৰ জীৱন গঢ়ি তুলিব পাৰিব।

ৰাষ্ট্ৰকে মানুহৰ লক্ষ্য বুলি ধৰি ললে মানুহৰ নৈতিক ব্যক্তিত্ব আৰু মুক্ত ইচ্ছাক অৱমাননা কৰা হ'ব। আনহাতে ব্যক্তিৰ স্বাৰ্থ ৰক্ষাকে মানুহৰ লক্ষ্য বুলি ধৰি ল'লেও ৰাষ্ট্ৰীয় কৰ্তৃত্বৰ ওপৰত কুঠাৰাঘাত কৰা হ'ব আৰু ইয়াৰ ফলত সামাজিক অৰাজকতাৰ সৃষ্টি হ'ব। সেই গতিকে এই দুয়োটা মতবাদেই ক্ষতিকৰ। এৰিষ্টটলে ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত কোনো বৈপৰীত্য স্বীকাৰ কৰি লোৱা নাই। তেওঁৰ মতে ৰাষ্ট্ৰ আৰু ব্যক্তি কোনোটোৱেই আনটোৰ অনিষ্ট সাধন কৰি লাভবান হ'ব নোৱাৰে। ৰাষ্ট্ৰ এখন নোহোৱাকৈ ব্যক্তিয়ে তেওঁৰ জীৱনৰ লক্ষ্যত উপনীত হ'ব নোৱাৰে কিন্তু জে এছ মিলে কোৱাৰ দৰে "যিবোৰ মানুহেৰে ৰাষ্ট্ৰ এখন গঠিত হয় সেইবোৰ মানুহৰ যোগ্যতা আৰু ব্যক্তিত্বতে ৰাষ্ট্ৰ এখনৰ যোগ্যতা আৰু ব্যক্তিত্ব প্ৰকাশ পায়। "যিখন ৰাষ্ট্ৰই ব্যক্তিবোৰক ৰাষ্ট্ৰৰ একান্ত বাধ্য যন্ত্ৰ হিচাপে ব্যৱহাৰ কৰিবৰ উদ্দেশ্যে দুৰ্বল আৰু নিশকটীয়া কৰি ৰাখে সেইখন ৰাষ্ট্ৰই সেই দুৰ্বল আৰু সৰু মানুহবোৰৰ দ্বাৰা কোনো মহৎ কাম কৰিব নোৱাৰে" সেই একে সুৰতে টি এছ গ্ৰিনেও কৈছে যিবোৰ মানুহেৰে জাতি এটা গঠিত হয় সেইবোৰ মানুহৰ জীৱন নাথাকিলে জাতি এটাৰ জীৱনৰ প্ৰকৃত অস্তিত্বই নাই।

এইটো নিশ্চয় সঁচা যে ব্যক্তিৰ অধিকাৰ তত্ত্বই এৰিষ্টটলৰ ৰাজনৈতিক চিন্তাত বিশিষ্ট স্থান অধিকাৰ কৰা নাই কিন্তু আধুনিক যুগৰ ৰাজনীতি বিজ্ঞানীসকলৰ ৰাজনৈতিক চিন্তাত ই উল্লেখযোগ্য স্থান অধিকাৰ কৰিছে। ইয়াৰ কাৰণ হৈছে গ্ৰিক নগৰৰাষ্ট্ৰবোৰত ব্যক্তিবোৰৰ ৰাষ্ট্ৰৰ লগত ঘনিষ্ঠ ব্যক্তিগত সম্বন্ধ আছিল আৰু সেই গতিকে তেওঁলোকে ৰাষ্ট্ৰৰ আগত নিজৰ অধিকাৰৰ বিষয়ে দাবী কৰিবলগীয়া হোৱা নাছিল। ব্যক্তিবোৰে অৰ্থাৎ নাগৰিকসকলে ৰাষ্ট্ৰৰ আইন প্ৰণয়নত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰিছিল আৰু সেইবোৰেই তেওঁলোকৰ অধিকাৰ আছিল যিবোৰ তেওঁলোকে নিজে স্বীকাৰ কৰি ল'বলৈ সিদ্ধান্ত কৰিছিল। এনেকুৱা নাগৰিকসকলে সগৰ্বে ক'ব পাৰিছিল যে তেওঁলোকে ৰাষ্ট্ৰৰ আইন মানি চলা মানে নিজকে মানি চলা। কিয়নো আইন প্ৰণয়নত তেওঁলোকৰ নিজস্ব বক্তব্য আছে আৰু আইনত তেওঁলোকৰ মতামতে ঠাই পাইছে। সেইবাবে স্বাভাৱিকতে গ্ৰিক ৰাজনৈতিক চিন্তাই ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত বৈপৰীত্য দেখা নাছিল। কিন্তু বৰ্তমান যুগত

ব্যক্তি আৰু ৰাষ্ট্ৰৰ মাজত তেনে ধৰণৰ বৈপৰীত্য আছে। ইয়াৰ কাৰণ হৈছে বৰ্তমান দেশীয় ৰাষ্ট্ৰবোৰত আনকি গণতান্ত্ৰিক ৰাষ্ট্ৰবোৰতো জনসাধাৰণৰ মাজত এজন ব্যক্তিৰ অস্তিত্ব নাইকিয়া হৈ যায়। বৰ্তমান দেশীয় ৰাষ্ট্ৰবোৰত যিকেইজন মানুহে চৰকাৰ চলায় আৰু ৰাষ্ট্ৰৰ হকে কাম কৰে তেওঁলোকে এজন ব্যক্তিৰ মাত শুনিবলৈ নাপায় বা ব্যক্তিৰ মতে গৈ তেওঁলোকৰ ঢ়ৰ্কি নাপায়। গতিকে এজন আধুনিক যুগৰ নগৰিকৰ বাবে ৰাষ্ট্ৰখন এটা বিদেশী শক্তিৰ দৰে আৰু ই তেওঁৰ নিয়ন্ত্ৰণৰ আৰু প্ৰভাৱৰ বাহিৰত। সেইবাবে আমি বৰ্তমান যুগত নাগৰিকসকলক কিছুমান নিৰ্দিষ্ট অধিকাৰ দিবলৈ ইমান উদ্বিগ্ন তেতিয়াহে নাগৰিকসকলে ৰাষ্ট্ৰৰ প্ৰাধিকাৰাত্মক নিয়ন্ত্ৰণৰপৰা নিজকে ৰক্ষা কৰিব পাৰিব। আধুনিক গণতন্ত্ৰবাদী সকলে ব্যক্তিক চূড়ান্ত লক্ষ্য বুলি জ্ঞান কৰে আৰু ৰাষ্ট্ৰক ব্যক্তিৰ মংগল সাধনৰ উপাদান বা আহিলা বুলি গণ্য কৰে। কিন্তু প্ৰকৃততে আধুনিক ৰাষ্ট্ৰবোৰত ৰাষ্ট্ৰৰ নামত ব্যক্তিক গ্ৰিক নগৰৰাষ্ট্ৰবোৰতকৈ বেছিকৈয়ে উছৰ্গা কৰা হয়। কাৰণ গ্ৰিক নগৰৰাষ্ট্ৰবোৰত ব্যক্তিৰ যোগ্যতা বিচাৰ কৰা হৈছিল আৰু যোগ্যতা অনুসৰি তেওঁক ৰাষ্ট্ৰত স্থান দিয়া হৈছিল। কোৱা বাহুল্য যদিও বৰ্তমান পৃথিৱীত এনে এটা ৰাজনৈতিক ব্যৱস্থা নাই য'ত নাগৰিকসকলে পুৰাণ এথেন্সৰ নাগৰিকসকলৰ দৰে স্বাধীনতা উপভোগ কৰিব পাৰিছে আৰু য'ত ব্যক্তিয়ে এথেন্সৰ গণতন্ত্ৰত কোৱাৰ দৰে মানসিক আৰু নৈতিক বিকাশ সাধন কৰিবলৈ উপযুক্ত পৰিবেশ আৰু সা সুবিধা পাইছে।

এৰিষ্টটলৰ তত্ত্বত ৰাষ্ট্ৰৰ স্থান

প্লেটোৱে কৈছিল যে ৰাষ্ট্ৰৰ লক্ষ্য হৈছে নাগৰিকসকলক সুখী কৰা আৰু নাগৰিকসকলক সুখী কৰিব লাগিলে তেওঁলোকক সৎ সাধু আৰু গুণবান কৰি গঢ়ি তুলিব লাগিব। এৰিষ্টটলে ইয়াৰ ওপৰত উন্নতি সাধন কৰি কৈছে যে জীৱন ধাৰণ কৰাৰ কাৰণেই ৰাষ্ট্ৰৰ জন্ম হৈছিল আৰু এটা 'সুন্দৰ জীৱন'ৰ কাৰণে ৰাষ্ট্ৰখন বাচি আছে। এই সুন্দৰ জীৱন'টো কেৱল সৎ অনুভূতি আৰু সৎ চিন্তাৰ জীৱন নহয় ই সৎ কাৰ্যৰো জীৱন।

প্লেটোৰ দৰে এৰিষ্টটলৰ মতেও এনে এটা মহান লক্ষ্যত উপনীত হ'ব লাগিলে ৰাষ্ট্ৰই নানা ধৰণৰ কাৰ্য্য কৰিব লাগিব। ৰাষ্ট্ৰই প্ৰতিষেধক বা নিষেধাত্মক কাৰ্যও কৰিব লাগিব আৰু অনন্যসাপেক্ষ কাৰ্যও কৰিব লাগিব। ৰাষ্ট্ৰই কেৱল নাগৰিকসকলৰ বাবে সুন্দৰ জীৱন গঢ়াৰ পথত থকা বাধা-নিষেধবোৰ আঁতৰ

কৰিলেই নহ'ব ৰাষ্ট্ৰই সৎ চিন্তা আৰু মহান কাৰ্য্যৰ জৰিয়তে এটা জীৱন গঢ়ি তুলিবলৈ নাগৰিকসকলৰ মনত উৎসাহ উদ্দীপনা যোগোৱাৰ কাৰণে কিছুমান অনন্যসাপেক্ষ ব্যৱস্থাও গ্ৰহণ কৰিব লাগিব। এখন আদৰ্শ ৰাষ্ট্ৰই নাগৰিকসকলৰ কাৰণে পৰ্যাপ্ত পৰিমাণৰ বৈষয়িক বা অৰ্থনৈতিক সা-সুবিধাৰ ব্যৱস্থা কৰিব লাগে কিন্তু তাতোকৈ গুৰুত্বপূৰ্ণ কথা হৈছে ৰাষ্ট্ৰই লিখিত বা অলিখিত আইনবোৰৰ দ্বাৰা নাগৰিকসকলৰ মন আৰু চৰিত্ৰৰ মহান গুণবোৰৰ বিকাশ সাধন কৰিব লাগিব আৰু অনন্যসাপেক্ষ ব্যৱস্থাবোৰৰ দ্বাৰা ৰাষ্ট্ৰই নাগৰিকসকলক তেওঁলোকৰ জীৱনৰ সকলো সম্বন্ধতে এই মহান গুণবোৰ ব্যৱহাৰ কৰিবলৈ উদ্গনি দিয়া উচিত হ'ব। এই গুণবোৰ মানুহে বাৰে পুত্ৰ স্বামী পিতৃ বা নাগৰিক হিচাপে ব্যৱহাৰ কৰিব পাৰিব।

ৰাষ্ট্ৰৰ কাৰ্য্যৰ বিষয়ে এনে এটা অৱধাৰণাৰ ওপৰত ভিত্তি কৰি এৰিষ্টটলে মন্তব্য কৰিছে যে ৰাষ্ট্ৰই নাগৰিকসকলৰ জীৱন শিশুৱাৱস্থাৰ পৰা মৃত্যুলৈকে নিয়ন্ত্ৰণ কৰিব লাগে। ৰাষ্ট্ৰই নাগৰিকসকলৰ অৰ্থনৈতিক কাম কাজবোৰ এনেভাৱে নিয়ন্ত্ৰণ কৰিব লাগে যাতে এইবোৰে জীৱনৰ নৈতিক উদ্দেশ্য সাধনত সহায় কৰিব পাৰে। ৰাষ্ট্ৰই বিবাহ বিবাহৰ বয়স আৰু সময় ঠিক কৰি দিব লাগে। ৰাষ্ট্ৰই ডেকা লৰা ছোৱালীবোৰৰ যত্ন ল'ব লাগে আৰু জনসংখ্যা বৃদ্ধিও নিয়ন্ত্ৰণ কৰিব লাগে। সকলো দিশৰ পৰা বিবেচনা কৰিলে শিক্ষাব্যৱস্থা প্ৰবৰ্তন পৰিচালনা আৰু নিয়ন্ত্ৰণ ৰাষ্ট্ৰৰ আটাইতকৈ গুৰুত্বপূৰ্ণ কাৰ্য্য আৰু কোনো ব্যক্তি বা কোনো অনুষ্ঠানৰ হাতত শিক্ষা ব্যৱস্থাৰ দায়িত্ব এৰি দিব নোৱাৰি। গ্ৰীকসকলৰ বাবে নগৰখনেই ৰাষ্ট্ৰ আছিল। গীৰ্জা স্কুল আদি সকলোবোৰ ৰাষ্ট্ৰৰ অধীনত আছিল। এইদৰে প্লেটোৰ দৰে এৰিষ্টটলৰ মতেও ৰাষ্ট্ৰৰ কাৰ্য্যৰ কোনো ধৰা বন্ধা সীমা নাছিল। ৰাষ্ট্ৰই নিষেধাত্মক আৰু অনন্যসাপেক্ষ দুয়োবিধ কাৰ্য্যই কৰিব লাগে। ই নাগৰিকসকলে সুন্দৰ জীৱন গঢ়াৰ পথত সন্মুখীন হোৱা প্ৰতিবন্ধক আৰু অসুবিধাবোৰ আঁতৰ কৰিব লাগে আৰু প্ৰত্যক্ষ অনন্যসাপেক্ষ ব্যৱস্থাবোৰ গ্ৰহণ কৰি নাগৰিকসকলৰ মানসিক বৌদ্ধিক নৈতিক আৰু আধ্যাত্মিক গুণবোৰৰ বিকাশ সাধন কৰিব লাগে।

জে এছ মিল হাৰ্বাৰ্ট স্পেনছাৰ আৰু অন্যান্য উনৈশ শতিকাৰ ব্যক্তিবাদী লেখকসকলৰ মতে ৰাষ্ট্ৰৰ কাৰ্য্য অনন্যসাপেক্ষ হোৱা উচিত নহয় নিষেধাত্মক হোৱাহে উচিত। প্ৰথমকশ্ৰেণীৰ দুখ দৈন্য দেখি জে এছ মিলে তেওঁলোকৰ অৱস্থাৰ উন্নতি সাধনৰ কাৰণে ৰাষ্ট্ৰই কিছুমান অনন্যসাপেক্ষ কাৰ্য্য কৰিব লাগে বুলি কৈছিল যদিও তেওঁ মানুহৰ নৈতিকতাৰ উন্নতি সাধন কৰিবলৈ দিয়াৰ সপক্ষে নাছিল। মিলৰ মতে মানুহৰ নৈতিকতা স্বতঃস্ফূৰ্তভাৱে অন্তৰৰ পৰা গঢ়ি

উঠিব লাগে ই বাহিৰৰপৰা সৃষ্টি কৰিব পৰা বস্তু নহয়। সেই গতিকে তেওঁ ৰাষ্ট্ৰই সৃষ্টি কৰা নৈতিকতাত বিশ্বাস নকৰিছিল। ব্যক্তিস্বাধীনতাৰ এজন উগ্ৰ সমৰ্থক হিচাপে তেও সকলোবোৰ ব্যক্তিকে পূৰ্ণ স্বাধীনতা দিবলৈ বিচাৰিছিল আৰু তেওঁৰ মতে ব্যক্তিয়ে নিজৰ যুক্তিশক্তি প্ৰয়োগ কৰি নৈতিক যোগ্যতা আৰু গুণ আবিষ্কাৰ কৰিব পাৰে। তেও নাগৰিকসকলৰ ব্যক্তিগত জীৱন আৰু সামূহিক জীবন গঢ় দিয়াৰ কাৰণে শিক্ষাব্যৱস্থাক এটা গুৰুত্বপূৰ্ণ উপাদান বুলি বিবেচনা কৰিছিল। কিন্তু তেও কোনো কাৰণতে বা কোনো অৱস্থাতে ৰাষ্ট্ৰীয় শিক্ষা ব্যবস্থাৰ সমৰ্থন কৰা নাছিল। কিয়নো তেওঁৰ মতে ৰাষ্ট্ৰৰদ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত শিক্ষাব্যৱস্থাই মানুহৰ স্বাধীন চিন্তাত বাধা প্ৰদান কৰে। আকৌ জে এছ মিলৰ দৰে আধুনিক চিন্তাবিদসকলৰ মতেও নাগৰিকসকলৰ ওপৰত ৰাষ্ট্ৰই কোনো এটা ধৰ্ম জাপি দিয়াটো ব্যক্তিৰ বিবেক আৰু স্বাধীনতাৰ ওপৰত এটা অনুচিত অত্যাচাৰ বা অৱমাননা। মিলৰ মতে সকলো কামতে ব্যক্তিৰ স্বাধীনতা নিয়মত পৰিণত হোৱা উচিত আৰু ব্যক্তিৰ কামত ৰাষ্ট্ৰৰ হস্তক্ষেপ এৰাব নোৱৰা অৱস্থাতহে চলা উচিত। অৰ্থাৎ বিস্তৃত সামাজিক মংগলৰ স্বাৰ্থত অৱস্থাই বাধ্য নকৰিলে ৰাষ্ট্ৰই ব্যক্তিৰ কাৰ্য্যত কেতিয়াও হস্তক্ষেপ কৰা উচিত নহয়। গতিকে মিলে চৰকাৰৰ কাৰ্য্য সীমাবদ্ধ হ'ব লাগে বুলি মত প্ৰকাশ কৰিছিল। তেওঁৰ মতে ৰাষ্ট্ৰত শান্তি আৰু শৃংখলা ৰক্ষা কৰা অপৰাধ বোধ কৰা বিদেশী আক্ৰমণ আৰু অভ্যন্তৰীণ অশান্তিৰপৰা ৰাষ্ট্ৰক ৰক্ষা কৰা ন্যায় প্ৰদান কৰা আদিয়েই চৰকাৰৰ প্ৰধান কাৰ্য্য হোৱা উচিত। নিজৰ বিচাৰ বিবেচনা প্ৰয়োগ কৰি নিজৰ মানসিক নৈতিক আৰু আধ্যাত্মিক গুণবোৰৰ বিকাশ সাধন কৰিবলৈ ৰাষ্ট্ৰই নাগৰিকসকলক সৰ্বাধিক স্বাধীনতা দিয়া উচিত। চৰকাৰ বা সমাজ বা যিকোনো ব্যক্তিগত কৰ্তৃত্বই নাগৰিকসকলৰ স্বাধীনতাত হস্তক্ষেপ কৰিলে নাগৰিকসকলে তেওঁলোকৰ ব্যক্তিত্ব সম্পূৰ্ণভাৱে বিকাশ কৰিব নোৱাৰে।

এৰিষ্টটল আৰু জে এছ মিল দুয়োজনৰেই উদ্দেশ্য আছিল নাগৰিকসকলৰ ব্যক্তিত্ব উৎকৃষ্টভাৱে বিকাশ কৰা। কিন্তু তেওঁলোকৰ মাজত পদ্ধতিগত পাৰ্থক্য আছে। গ্ৰিকসকলৰ দৃষ্টিভংগী আৰু আধুনিক যুগৰ ব্যক্তিবাদীসকলৰ দৃষ্টিভংগীত এনেকুৱা পদ্ধতিমূলক পাৰ্থক্য থকাটো স্বাভাৱিক। গ্ৰিক নাগৰিকসকলে ৰাষ্ট্ৰৰ আইন প্ৰণয়ন প্ৰশাসন আৰু বিচাৰমূলক কাৰ্য্যত প্ৰত্যক্ষভাৱে অংশ গ্ৰহণ কৰিছিল। ৰাষ্ট্ৰৰ নীতি নিৰ্ধাৰণ আৰু কাৰ্য্য সম্পাদনত নাগৰিকসকলৰ অংশ আছিল কাৰণেই তেওঁলোকে ৰাষ্ট্ৰৰ স্বাৰ্থৰ লগত নিজৰ স্বাৰ্থ এক বুলি ভাবিব পাৰিছিল। ৰাষ্ট্ৰৰ ৰাজনৈতিক আঁচনিত নাগৰিকসকলে নিজৰ যোগ্যতা অনুসৰি স্থান পাইছিল আৰু তেওঁলোকৰ মতামতৰ ওপৰতো ইয়াৰ গুণাগুণ সম্পৰ্কীয় প্ৰয়োজনীয়

গুৰুত্ব দিয়া হৈছিল। এথেন্সবাসীসকলে আত্মপক্ষ সমৰ্থন কৰিবলৈ এই যুক্তি ক'ব পাৰিছিল 'ৰাষ্ট্ৰখন দেখাত মোৰ বাহিৰে কোনো নহয় তেন্তে কিয় মই এইখনক ভয় কৰা উচিত ? ৰাষ্ট্ৰৰ কৰ্তৃত্ব সীমিত কৰা মানে মোক নিজকে সীমিত কৰা। এজন আধুনিক নাগৰিকে এইদৰে ক'ব নোৱাৰে। বৰ্তমান সকলো সাধাৰণ মানুহবোৰ আনকি উন্নত গণতান্ত্ৰিক দেশবোৰৰ মানুহবোৰো জনসাধাৰণৰ মাজত নাইকিয়া হৈ যাবলগীয়া হয়। চৰকাৰৰ কৰ্তৃত্বত তেওঁলোকৰ কোনো প্ৰত্যক্ষ অংশ নাই। তেওঁলোকৰ ওজৰ আপত্তি অৰণ্যৰোদন মাত্ৰ। গতিকে স্বাভাৱিকতে বৰ্তমান যুগৰ নাগৰিকসকলে ৰাষ্ট্ৰৰ কাৰ্য্যবোৰ নিজৰ কাৰ্য্য বুলি ভাবিবলৈ টান পায়। ৰাষ্ট্ৰই নাগৰিকসকলৰ মংগলৰ কাৰণে কোনো কাম কৰিলেও নাগৰিকসকলে এইবোৰ তেওঁলোকৰ ইচ্ছা আৰু কাৰ্য্যৰ স্বাধীনতাত হস্তক্ষেপ বুলি ধৰি লয় আৰু ইয়াৰদ্বাৰা তেওঁলোকৰ স্বাৰ্থ হানি হয় বুলি ভাবে। যিবোৰ মানুহৰ মুখত ৰাষ্ট্ৰৰ ইচ্ছা প্ৰকাশিত হয় আৰু যিবোৰ মানুহে ৰাষ্ট্ৰৰ হকে কাৰ্য্যনিৰ্বাহ কৰে তেওঁলোকো মানুহৰ সাধাৰণ দায়দোষ আৰু দুৰ্বলতাবোৰৰপৰা মুক্ত নহয়। গতিকে নাগৰিকসকলৰ জীৱন আৰু কাৰ্য্যৰ ওপৰত এই মানুহবোৰক ব্যৱহাৰ কৰিবলৈ সীমাহীন ক্ষমতা দিয়াটো নিৰাপদ নহয়। কিয়নো, তেতিয়া ৰাষ্ট্ৰৰ লক্ষ লক্ষ মানুহৰ ভাগ্য তেওঁলোকৰ দয়া আৰু ইচ্ছাৰ ওপৰত নিৰ্ভৰ কৰিব। আধুনিক ৰাষ্ট্ৰৰ ভয়ানক ক্ষমতাৰ পৰাহৰপৰা ব্যক্তিক ধ্বংস নোহোৱাকৈ ৰাখিব লাগিলে ৰাষ্ট্ৰৰ ক্ষমতা আৰু কাৰ্যক্ষেত্ৰ সীমিত কৰিব লাগিব আৰু নিজৰ জীৱন গোণ কৰাৰ দায়িত্ব ব্যক্তিৰ ওপৰত অৰ্পণ কৰিব লাগিব।

এইটো লক্ষ্য কৰিবলগীয়া যে যিবোৰ কাৰণত প্লেটো আৰু এৰিষ্টটলে ৰাষ্ট্ৰীয় কাৰ্যৰ সীমাহীন ক্ষেত্ৰ সমৰ্থন কৰিছিল সেইবোৰৰ কাৰণতে আধুনিক সমাজবাদীসকলেও ৰাষ্ট্ৰৰ ওপৰত সৰ্বাধিক কাৰ্য্য অৰ্পণ কৰিবলৈ কৈছে। গ্ৰীক দাৰ্শনিকসকলৰ দৰে বৰ্তমান যুগৰ সমাজবাদীসকলেও কৈছে যে ৰাষ্ট্ৰখন নাগৰিকসকলৰ এটা সংস্থা আৰু ইয়াৰ লক্ষ্য হৈছে নাগৰিকসকলৰ ব্যক্তিগত জীৱন আৰু সমূহীয়া জীৱনৰ চূড়ান্ত উন্নতি সাধন কৰা। আধুনিক সমাজবাদীসকলৰ মতে সাধাৰণ মানুহবোৰৰপক্ষে নিজৰ শক্তি সামৰ্থ্য আৰু বুদ্ধি-বৃত্তিৰে নিজৰ জীৱনটো উৎকৃষ্টভাৱে গঢ় তোলাটো সম্ভৱপৰ নহয়। ইয়াৰ কাৰণবোৰ হৈছে—

(১) তেওঁলোকৰ বুদ্ধি দিব পৰা শক্তি ভালদৰে বিকশিত নহয়।

(২) যেতিয়া তেওঁলোকে নিজৰ স্বাৰ্থৰ উন্নতিৰ কাৰণে নিজৰ মতে কাম কৰে তেতিয়া জ্ঞাত বা অজ্ঞাতভাৱে তেওঁলোকে আনৰ অনিষ্ট সাধন কৰিবলৈ কুণ্ঠাবোধ নকৰে আৰু এনেকৈ সমূহীয়া জীৱনৰ মংগলত অনিষ্ট সাধন হয় আৰু তাৰ ফল তেওঁলোকে নিজেও ভোগ কৰিবলগীয়া হয়। সাধাৰণ মানুহবোৰ

আবেগ আৰু উত্তেজনাৰ দাস আৰু তেওঁলোকক নিজৰ মতে কাম কাৰবলৈ দিলে তেওঁলোকে প্ৰায়ে নিজৰ স্বাৰ্থৰ বিপৰীতেও কাম কৰিবলৈ সংকোচ নক'ৰ সমাজৰ স্বাৰ্থৰ কথা ভবাটো তেওঁলোকৰ বাবে দূৰৰেই কথা। তেওঁলোক এইটোৰ প্ৰতি সচেতন নহয় যে তেওঁলোকৰ সহজাত গুণ'বাবৰ ওপৰতহে তেওঁলোকৰ জীৱনৰ বিকাশ আৰু শান্তি ভালেখিনি নিৰ্ভৰ কৰে। তেওঁলোকে এইটো বুজি নাপায় যে যিখন সমাজত তেওঁলোক বাস কৰে সেইখন সমাজৰ যোগেদিহে তেওঁলোকৰ সুখ আৰু শান্তি আহিব পাৰে। নাগৰিকসকল আণৱিক প্ৰাণী নহয়, সামাজিক প্ৰাণীহে আৰু তেওঁলোক এখন সমাজৰ এৰাব নোৱৰা অংগ। তেওঁলোকৰ ব্যক্তিত্বৰ উৎকৃষ্ট বিকাশ হ'ব লাগিলে তেও লোকে কিছুমান অধিকাৰ উপভোগ কৰিলেই নহ'ব সমাজৰ উদ্দেশ্যে তেওঁলোকে কিছুমান কৰ্তব্যও পালন কৰিব লাগিব। ছক্ৰেটিছ বা মিলৰ দৰে বিজ্ঞ লোকসকলে তেওঁলোকৰ সামাজিক কৰ্তব্য আৰু দায়িত্বৰ কথা জানে। কিন্তু সমাজৰ সকলোবোৰ মানুহ তেওঁলোকৰ দৰে জ্ঞানী আৰু বিজ্ঞ নহয়। ৰাষ্ট্ৰই কেৱল জ্ঞানী আৰু বিজ্ঞ লোকসকলৰ ব্যৱহাৰ আৰু কাৰ্য্য নিয়ন্ত্ৰণ কৰিবলৈ আইন প্ৰণয়ন কৰিলেই নহ'ব সাধাৰণ মানুহ'বাৰৰ ব্যৱহাৰ আৰু কাৰ্য্য নিয়ন্ত্ৰণ কৰিবলৈও আইন গ্ৰহণ কৰিব লাগিব। সমাজবাদী সকলৰ মতে সমাজত থকা সাধাৰণ মানুহবোৰক আইন আৰু নিয়মানুবৰ্তিতাৰদ্বাৰাই এটা নিৰ্দিষ্ট জীৱন গঢ়ি তুলিবলৈ অভ্যাস কৰোৱাই ভাল। ইয়েই তেওঁলোকৰ মনত এটা নৈতিক ভাবৰ সৃষ্টি কৰিব আৰু তাৰ ফলত তেওঁলোক নৈতিক কাম কাজত প্ৰবৃত্ত হ'বলৈ বাধ্য হ'ব। সেই গতিকে সমাজবাদীসকলে ৰাষ্ট্ৰৰ ওপৰত সৰ্বাধিক কাৰ্য্যৰ ভাৰ অৰ্পণ কৰিবলৈ কয়। তেওঁলোকৰ মতে ৰাষ্ট্ৰ আৰু ৰাষ্ট্ৰৰ নাগৰিকসকলৰ বৈষয়িক আৰু আধ্যাত্মিক জীৱনৰ উন্নতিৰ কাৰণে নিষেধাত্মক আৰু অনন্যসাপেক্ষ ব্যৱস্থা গ্ৰহণ কৰিবলৈ ৰাষ্ট্ৰৰ হাতত সকলো ক্ষমতা থকা উচিত। গতিকে দেখা যায় যে ৰাষ্ট্ৰৰ কাৰ্য্যৰ বিষয়ে দাঙি ধৰা গ্ৰিক দাৰ্শনিক সকলৰ মত আৰু আধুনিক সমাজবাদীসকলৰ মতৰ মাজত ভালেখিনি মিল আছে।